নাম দিলে। পাচে আজি কালি কৈ যৌবন হ'ল। পাচে সূৰ্য্যবৰে শ্ৰীহৰি নামে ভূঞা, তানে পত্নী মালাকাড়ি, তানে পুত্ৰ হৃদয়ানন্দ, পত্নী ৰামপুৰী, তানে পুত্ৰ হ'ল অনিৰুদ্ধ পত্নী হ'ল স্বয়ম্বতী নামে। তাহানে দুহিতৃ, মহাৰূপৱতী, সতী শান্তী, নামত সত্য সন্ধ্যা। তাৰাকে খেৰ শুভী আএ সূৰ্য্যবৰে জুৰিলে গৈ। পাচে শুভ মাসে, বাৰে, তিথিত বিবাহ কৰালে। কালৰ প্ৰমাণে পুষ্পোৎসৱ হ'ল। শান্তিচিত্তে কুসুম্বৰে বতিবসে আছে। পাচে কতো দিনৰ অন্তৰে কালৰ প্ৰমাণে সূৰ্য্যবৰ পৰলোকে গ'ল। পাচে কুসুমদেএ কৰ্ম্ম, ভোজ, কাষ, ক্ৰিয়া, দান, দক্ষিণা, কৰি বাৰেও ভূঞাৰ উপৰি শিৰোমণি ভূঞা হ'ল। পুত্ৰ নাই দেখি আৰ এক কন্যা শ্ৰীপতিৰ গৃহৰ ভূঞাৰ দুহিতৃ বিবাহ কৰালে, মহাসুন্দৰী, দিব্যকান্তি অমৃতপ্ৰভা নামে। কতোদিন আছে, তথাপি পুত্ৰ নাই দুও পত্নীৰ। সকলো সম্পত্তিৰে লক্ষ্মী ঐশ্বৰ্য্যশালী, বংশধৰ পিণ্ডজলক পুত্ৰ নাই। কুসুম্বৰৰ মনে কষ্টেৰে আছে। পাচে বুঢ়া খা দলৈৰ এক কপিল ধেনু আছে, বাছে বাথানে, নিতে ম ঘটি দুগ্ধ দবে। পথা পুলকা দি যাই পুনু সেই ঠাইতে থাকেহি; গা-টি তিতা পাই কৰালে লক্ষ কৈ একদিনা খুলি আছে। দেখে চাই লিখেখে অপাম্য কান্তিকৈ। গ'ল [illegible]। পাচ মৰিও গৈছে। লোহিত গাৰ হৈ সিজনি গোপেৰক হাবা৷ ফিৰেগৈ। পূজাৰী উঠি ক.বাৰী দুত্ৰ বীৰাই গোপেৰৰ মন্দিৰত ছাত্ৰ কৰাই জোগ দিএ; পুনু আহি সেই ঠাইতে বাথানে কলহি। পাচে অবাঢ়াপা [illegible] সৌৰ্য্য বাই। পুনু সবাকে কলে আশ্চৰ্য্য অদ্ভুত কথা। তাকে

শুনি কুসুমবৰে জাগ্ৰত সদাশিৱ মানি জানি জবা, পুৰা, দধি, দুগ্ধ, ঘৃত, মধু, আখৈ, পিঠা, পায়স, পনস, চেণী, চুৰা, ঘল, খীৰ, খীৰিসা সবাকে নি পূজিলে গৈ পুত্ৰ অভিলাষেৰে। সন্তোষ হৈ তুলসীৰ ঢোপ খাৰ পৰিল। পূজাৰী বিপ্ৰে আশংসা কৈ দিলে হৰ্ষে, বোলে, পুত্ৰ হব, গৌৰীনাথ সন্তোষ। পাচে ৰজত সুবৰ্ণ বস্ত্ৰ দান কৈ আছিল হৰ্ষে। পাচে মাসেকৰ অন্তে শিৱস্নান হ'ল আইৰ। সাদীন অন্তে নবীন বিচনাকৈ ধূপ, দীপ, গন্ধ, ঘট পাতি সাৱধানে আছে। খানিক নিদ্ৰা আহিল। স্বপ্নত দেখে বৃষভ বাহনে গৰুৰ স্কন্ধে সদাশিএ ভগৱন্ত শঙ্খ, চক্ৰ, গদা, পদ্মে, দেখিলে। মাই থান দিয়া বুলি অন্তৰ্দ্ধান হ'ল। চমৎকাৰে বশ্মি লাগি সাৰ পালে, ৰামকৃষ্ণ বুলি বসিল। পাচে মধ্য নিশা কুসুমদেউ গ'ল ভাৰ্য্যা সঙ্গে গৈ ৰতি সম্ভোগ কৰিলে। পাচে আএ স্বামীত কলে স্বপ্নৰ কথা। তেহে কুসুমদেৱে পৰম সন্তোষ হৈ পুত্ৰ হব যেন মনেৰে ভাবি বোলে, কা-স্তো নকৰি॥

কুসুমবৰৰ দিব্য সপোন

৪ ॥ এভিয়া বৈকুণ্ঠৰ চৰিত্ৰ ॥

সত্য যুগে তৃদশ কোটি দেৱতা পূজা নাপাই আদি নিৰঞ্জনক চিন্তিলে, খীৰ সাগৰৰ তীৰে। পাচে ভগৱন্তে তুতি তুষ্ট হৈ ব্যক্ত হ'ল। আজ্ঞা কৰিলে মহেশক যাম নাৰদ ধ্যানেৰে মোৰ পৰম্পৰ পাই, তোমা সবৰ পূজা নাই। আগম কৰি মৰ্ত্ত্যলোক দেখাই লোক চাকা। লোক সংসাৰী হক, মোৰো সৃষ্টি আয়াসাত হৈ থাকুক। মঞি মৈ অংশ ৰূপে ত্ৰেতা আদ্যৰে নানা পূজা যজ্ঞেৰে পূজি থাকি মৈ, দেখি সবে কৰিব। তোমা-সবৰ তোৰ্থ তুষ্টি পূজা মিলিব। শুনি সবে মেলৈ হৰ্ষ হ'ল। পাচে মহেশে মাত নবাই। তোমাক চাকি অযোজন

ব্ৰহ্মহত্যা পাপ হৰ, নপাৰো প্ৰভু। তেহে শাক্তনাম [illegible] জপিবলৈ। তেও নলই। পাচে ভগৱন্ত তুষ্ট হৈ বোলে তোমাৰ নাম ধৰি কলিত হৱ ৰূপে শূদ্ৰ কুলে জাত হৈ সংসাৰী যত জীৱ এক শৰণ কৈ উদ্ধাৰিম। তুমি নিসংশয়ে কৰা মোৰ বাক্য। পাচে কৰিলে। দিনে কৰে মন্ত্ৰ হুই, নিশা জপে শুচে। অনেক জীৱ ভোগ ঐশ্বৰ্য্য অগ্ৰাৱতী ইচ্ছাৰে লাগি স্বৰ্গে নৰ্কে নানা যোনী, গৰ্ভবাসে আয়াযাতকৈ ভ্ৰমিছে। নিস্তাৰ-হেতু অন্তৰঙ্গা, বিৰলা, ভকতিৰ ভাগ দি বিভূতি পৰিপাতি [illegible] সৰক পাচিলে। তেহে পূৰ্ণ সনাতনৰ আজ্ঞাৰে ৰাজব্ৰহ্মৰ্ষি ঋষি হৈ পৃথিবীৰ আধা দিশে যুৰি দোকান পাতিলেহি। পৃথু, প্ৰিয়ব্ৰত, দশৰথ, ঋষভ, নিমি, অম্বৰিষ, দিলীপ, যুধিষ্ঠিৰ, দ্ৰুহু, ইন্দ্ৰদ্যুম্ন, সুধৰা, সুৰথ, ভগিৰথ, ভৰত, [illegible], খট্টাঙ্গ, যযাতি, ৰঘুগণ, ভীষ্ম, যদু, অলৰ্ক, হৈহই, উগ্ৰসেন, মুচুকুন্দ, সুগ্ৰীৱ, গুহ, ঋষিৰ পৰাশৰ, বশিষ্ঠ, বাল্মীকি, বৈসম্পায়ণ, জৈমুনি, জামদগ্নি, ভৰদ্বাজ, গৌতম, গৰ্গ, ব্ৰহ্মঋষি, দেৱ বৃহস্পতি, শুক্ৰ, সপ্তঋষি, ধ্ৰুৱ, নন্দী, ভৃগু, কাশ্যপ, কৰ্দ্দম, অত্ৰি, ভৃগু, মৰিচি, আদি ঋষি। এই সবে হাট পাতি বেসালে। লাভ ঘটিৰ মুৰাইলে। মূল ৰাখি খা বৈ দোকান এৰি গুচি গল। পাচে অনাদি ব্ৰহ্মে মূল নাঠি দেখি জীৱৰ স্নেহত নাতি সৰক চপাই আজ্ঞা কৈলে ভাৰতলৈ ভাগৱতী ভক্তি ভাগ দি। বাহুজনা বৈষ্ণৱ, চৈধ জনা পাৰ্ষদ, দুজনা ভক্ত। সৰ্ব্ব বিদ্বৎ মৈত্ৰেয়, শৌনক, [illegible], দাতাত্ৰেয়, মোহিনী, [illegible] নৱ চাৰিসিদ্ধ, নৰনাৰায়ণ, হৰিৰাজ, [illegible], আদি হাট পাতি [illegible] [illegible] ৰয়। [illegible] মূল পালে, [illegible] [illegible] [illegible]; [illegible] [illegible] [illegible] [illegible] [illegible] নপাৰি হাট এৰিবে [illegible] [illegible]। পাচে সনাতন ব্ৰহ্মে জীৱৰ কৃপাৰে-বশো [illegible] চপাই [illegible]

ভাগৱতী ভক্ত

কূৰ্ম্ম, নৃসিংহ,বামন, পৰশুৰাম, হালৰাম, শ্ৰীৰাম, বৌধ, কল্কি, কৃষ্ণ। ন-বিধ ভক্তি ন ভাগকৈ দি অংশৰূপে কেৱল অমূল্য সৰ্ব্বস্বৰ গুটি কৃষ্ণৰ হাতে অৰ্পি জম্বু দ্বীপে ভাৰতবৰ্ষে আজ্ঞা পাতিলে। আহি ভাৰত হাটত দোকান পাতিলে। খনেক দুই এক গৰাকী, বস্তু ললে, কতো মূল ৰাখিলে, কেহো লাভ পালে। চল কৰিব নপাৰি গল হাট এৰি। মুমলায়া পুত্ৰে একা মথুৰাতে বসুদেৱ মনে দৈৱকী গৰ্ভে থিত লৈএ অমূল্য ফলৰ গুটি পচালে। গোকুলে আহি বলেহি। বৃন্দাবনে অঙ্কুৰে সমে বৃক্ষ পূৰ্ণ হ'ল। ভোজন বেহাৰে মাৰ দি চুপহি ধৰিলে মধ ভলে অস্ত দেউ বাহুলি আদি পক্ষী গোবৰ্দ্ধনে আবৃত কৈলে। মহাৰাসোৎসৱে অমূল ফুল ফুলাই ঝকমক হ'ল। ভক্তিহাট পাতি দোকান মেলিলে। পাচে হাট খোৱা পাই বৃক্ষে ফলে পুষ্পে দোকানে সৈতে নিলে। চাৰি বিদ্ধ সোমাই হাট ভাগি বিচাৰি ব্যাকুল হ'ল। বৃক্ষ পশু পৰ্য্যন্তে সুধি নপালে। তেহে গোলকপুৰৰ বেহাৰু আহিৰ গুনাৰ বালাত প্ৰেম ৰসেৰে বৰ্ণাই কেৱল মন্ত্ৰ গালে। বৃক্ষে ফলে দোকানে কাৰকে উৰ্দ্ধৰ হ'ল। পাচে জলে স্থলে বাণিজ কৰিলে। ধন ভাকৰ অমূল্য সৰ্ব্বস্ব দৰ টান। মূল ৰাজিৰ নপাৰি হাট সম্যাই ভাগিল। তৈৰ পৰা গৈ মথুৰাতো হাট হৈছিল। দশ-বিধ বেমাক দশলাখ টকাৰে দশ ভাৰে মূল কৰিলে। সব নপাৰি হাট দোকানী ভাগিল। দ্বাৰকাতো পাতিলে হাট। তৈতে একা বল নিচিনেলে, দৰাক ভাই নহ'ল। তৈৰ পৰা গৈ হাস্তনাইত ধৰ্ম্মৰাজাৰ ইন্দ্ৰপ্ৰস্থনগৰত দোকান পাতিলে গৈ। অনেক কমুৱা হৈছিল, কিনোতা নহ'ল। বিৰা প্ৰধান পাণ্ডৱ দৰ খোল কৈ লৈছিলে টকা যোগাৰ নপাৰিলে, ধাৰ ৰাখিল। পাচে দোকানী লৈকে গোৰে অনেক কৌটি, অক্ষৌহিণী, ৰাখবলৰ বল যুদ্ধ

সদাগৰে দিলে। লাভ চাৰি মূল ৰাখিব যে নপাইলো একাৰ সূৰ্য্য গ্ৰহণত তেঁহে গৈ কুৰুক্ষেত্ৰত দোকান পাতিলে। তাতে গুৱালীপাৰ সমাএ কিছু ফল কিনিলে। সব ভাওকে দোকানী দিলে, মূল ৰাখি লাভ মাপই সামৰিলে। পাচে ভাৰত হাটত যি অনেক অনেক অধৰ্ম্মী সোমাই আছে, আপুনিও আনৰ হতাও গোটে সমে মাৰি মৰাই নিজ ঘৰে গৈ পিতৃত জনাই ভেটালে যি পালে। তেঁহে একা সদাগৰ বুঢ়া নৃপবৰ স্নেসাৰ মূল নাঠি হ'লত আলচ কৰি মেল পাতিলে। নাম ধ্বজবলাস, বলাসৰ অৰ্থে বৈকুণ্ঠৰ এই চাৰি অঙ্গে বৈকুণ্ঠৰ শক্তি, নাম পুৰবলাস, নাম পঙ্কজবলাস, গোলকবলাস, নিত্যানন্দ বলাস, শ্বেত বলাস, নিত্য বৃন্দাবন বলাস, সৰ্ব্বোত্তম বলাস, কৃপণ বলাস, অম্বক বলাস, পদ্মবলাস, শ্ৰেয়স বলাস, চন্দ্ৰবলাস, কালপুৰবলাস, অনন্তবলাস, হংসবলাস, ভৃকুটবলাস, চিদানন্দবলাস, কনকদণ্ডবলাস, তণ্ডিৰবলাস, মৰকতবলাস, সুতলবলাস, শ্বেতকুটবলাস, বসুবলাস, নিৰ্ম্মল-বলাস, নিৰাকাৰ বলাস, প্ৰসিদ্ধ নিৰ্গুণবলাস, ভক্তি বলাস, প্ৰভিৰ বলাস, সত্যবলাস, কল্যাণবলাস, মঙ্গল বলাস, এই বিংশতি পঞ্চদশ বৈকুণ্ঠৰ ঈশ্বৰ চপাই ধ্বজপুৰ বৈকুণ্ঠত ৰব মেল কৈলে। কৰি বোলে মোৰ অংশে যত জীৱ ভূৰত আছে, আৰু পূৰ্ব্বেও বাক্য বুলিলো, তেঁহে আজ্ঞা কৰিলে—উত্তৰে হৰিব্যাস, পূবে ৰূপ সনাতন, দখিনে চৈতন্য, বায়ব্যে কবিৰ, পচিমে বৃন্দাবন দাস, নৈঋতে নিত্যানন্দ, মধ্যত অনন্ত অচ্যুত গুৰু সনাতন ব্ৰহ্মে চাৰিওটি ৰাখি চাৰি পাত্ৰ নৰলা মন্ত্ৰী এতুৰি চৈব বৈকুণ্ঠকে সুধাকৈ অমৃত বৈকুণ্ঠৰ পুৰ নাতি ঈশ্বৰে জনেকৈ অংশ কলা বিভূতিৰ শক্তি আদিৰে ঈশ্বৰ অনাদিৰ উপৰ গুৰু সনাতন, আদি আত্মা, বন্ধু, পিতৃ, মাতা পৰিচিত পৰম পুৰুষোত্তম পৰম এ হৰিব্যাস, ৰূপ সনাতন, চৈতন্য বৃন্দাবনদাস আদি

স্নেহ শ্ৰদ্ধা প্ৰীতি স্মৰণ, ভজন, শ্ৰৱণ, কীৰ্ত্তন, কেৱল সংপ্ৰেমতে, গুৰু সেৱকৰ আগ পাচৰ বাদকৈ আহি অযোনিজাত পুৰুষ নিজ কুল তাৰণ হেতু চন্দ্ৰমায়া নৰদেহা কাৰণকৈ, সত্যসন্ধা মাতৃ শ্ৰীমন্তে মহাবস্তু। কালৰ প্ৰমাণে মাঘৰ পৰা আশ্বিনলৈ ন মাহ

১৩৭১ শকত গুৰু অৱতাৰ

সম্পূৰ্ণ কাৰ্ত্তিকৰ সংক্ৰান্তি, বাৰ বৃহস্পতি, তিথি পূৰ্ণিমা, শ্ৰাৱণা নক্ষত্ৰ, মধ্য নিশা জ্যোতিষৰ তেৰশ একসত্তৰিশকত শ্ৰীশ্ৰীমন্ত ভক্তৰ তিনি নিৰ্বন্ধৰ কল্পতৰু আত্মা মহাপুৰুষ গুৰু অৱতাৰ। নাৰদী, পাতালী, বৈকুণ্ঠী, তিনিও সম্প্ৰদা গোটাই এক কৰিলে। তিনি হাচি মাইলে; তিনি হামি তুলিলে, স্বৰ্গ, মৰ্ত্ত্য, পাতালৰ সেৱক জীৱ আনিছে; অসম, কামৰূপ, বেহাৰত, জন্ম তিনিও ৰাজ্যে ভক্তি প্ৰচাৰি তাৰিব। তিনি কাহ মাৰিলে, গুণা নিৰ্গুণা ভাগৱতী অন্তৰঙ্গা; গুৰু, দেউ, নাম, গোটাই কেৱল একশৰণ, খীৰ লৱণু, দুগ্ধ মথি ঘৃতকৈ সেৱক দি তাৰিলে। নৱ বৈকুণ্ঠৰ পৰা সুৱৰ্ণভূঙ্গাৰে স্নান কৰালেহি। জল নি সোপা কল পোৰে হাচি মাইলে, ঊৰ্দ্ধে গ'ল। পাচতহে নমাইছে। জলজন্তু, থলজন্তু, বনচৰ, হস্তী, ঘোৰা, কাঁহ, ঢেক, দমা, কালি, শঙ্খ, ঘণ্টা পৰ্য্যন্ত বাজিল, উৰুলি মঙ্গল কৰিলে। কুসুম্বৰেও শুনি মহা হৃষ্ট মনতে স্নান কৰিলে; জ্ঞাতি বিপ্ৰক মনে অন্ন, বস্ত্ৰ, ধেনু আনিলে। কসটিৰ চণ্ডা হালি ঢৈপল, এপ বস্তি কাত কৰে দুমলে, যেৱ তাপি এপ পুৰা সৰিহ পৈল কাৰণে নিমিত্ত আক এহাত পৃথিবী উঠিছে, আক তিনগছ মাড়ি মেৱাই আছিছিল, তিনি গুণে। তেহে যেৱ নীতি, তিনি দিনত গৃহৰ ক্ৰিয়া কৰ্ম আচৰি চাইছিলত ধীৰে পাকে মঙ্গল কৰিলে। পাঁচ দিনত [illegible] গৰ্ভে [illegible]। [illegible] জ্যোতিষত চাই [illegible] পূৰ্ণ

[illegible]

[illegible] [illegible] অৱতাৰ, তেহে কুসুম্বৰ [illegible] [illegible] পুত্ৰ [illegible] [illegible] [illegible] [illegible] [illegible] [illegible]

হব, তোমাৰো কুশল, সাৱধানে পালি ৰাখা। গনি চাই ক্ৰম দিলে জ্যোতিষ গদাধৰ, পিতৃদত্ত শঙ্কৰ দাতা বৰ দেখি শঙ্কৰ; বংশে থলে তেকাগিৰি, শঙ্কৰ একা আতা, বাপ, মহাপুৰুষ, আটৈ, হৰি, গোপীনাথ, কিঙ্কৰ, এই গুণে দশ অৰ্থে দশ নাম থৰিলে ॥ নামকৰণ

কছাৰী মাৰনাৰ ভয়ত বৰ জঙ্গলত পাম ধৰি তাতে অব্যবস্থ, গৰু, মহ, স্ত্ৰী, চৰা, থই স্থাতে জন্মিছে তেৰ বৰ্বৰ পাচত বৈৰাগত বৈমাতৃৰ পুত্ৰ বনগঞা গিৰি, পত্নী সূচবিত্ৰা। বনগঞাগিৰি

তৃদিনত সৰ্পে শিশুনত ফেট তুলি ছত্ৰ ধৰিছিলে। আইএ দেখি আৰ্ত্ত হৈ চিঞৰিলে, এৰি অন্তৰিল। দেখি সবে অদ্ভুত আশ্চৰ্য্য হ'ল। আক তিনি দিনত গ্ৰামৰে লোকবো হাবাসি, ব'তে লৰা জন্মিবৰ শুনে যাই, টকা বস্ত্ৰ দিএ, নেপালেহে বাগি যাই। সেইৰূপে দি থৈ মাতে গৈ, ভাল কৰেহি। ভল'কু গ'ল গুনি। পিতৃ কুসুম দেউ নাছিল, একো দিএতা নহ'ল। নেপাই কসিস্ গ'ল। ঘৰ পালত গৈএ পেট উসহি নিৰুদ্ধ হ'ল। টকা বস্ত্ৰ আগে থৈ স্তুতি তৰ্পণ কৰিলত সজ হৈ, সেই দিনাৰে পৰা এৰিলে। আক চাইদিনত ফুনেখোৱা বৰ চতি মাৰলি ভাগি যেৰ পাচ অন্তৰি পৰি ব'ল। সবে দেখি অত্ৰাহি হৈ ব'ল। পাচ দিনত আএ তন দিছিল; গাধিৰ লাগি ভ্ৰ সব নপাৰি থবৰ সুৰ্ত্তি নপালে। শয্যাতে চিঞৰি আই যাই বুলি সবাতে কলে, অদ্ভুত মানি ব'ল। সাত দিনত চ'তি ভাগি তলাই থৈছিল, এক-খান পাতৰ অন্তৰে পৰি এমুঠন মাটি খন দেখি অত্ৰাহি হৈ ব'ল। এঘাৰ দিনত কণৰাৰ পুত্ৰ মাধবা পদ্ম ধ্যায়, তাৰে পুত্ৰ বন্ধ্যাৰাম যোগেন্দ্ৰ, মধ্যাৎ কাজল ভোজন; কেলা কন্দো [illegible] পাছিল, নিৰ্ম্মাণে তৰিকিছু। [illegible] [illegible] আপুনি [illegible] শঙ্কৰদেৱৰ ঐশ্বৰিক লক্ষণ

গুৰু উঠি নিজৰূপে ব্যক্ত হৈ বোলে ভকতহে বলৱন্ত হলিলা, শেষে আগ হবা। কথন কৰি গুচি গ'ল। পুহু ছন্ন বেশে গুচি ৰহিল, কেৱে তৰ্কিব নপাইলে। আৰু চতুৰ্দ্দশ দিনা স্তন পান কৰাই, মাত্ৰ চাই দেখে মুখৰ ভিতৰে পুৰ, বাৰী, গো, মহিষ, বৃক্ষলতা পৰ্য্যন্তে গৰ্ভতে দেখি ভ্ৰম কি স্বপ্ন থগিত থাই অত্ৰাহি হৈ ৰ'ল। আৰু সপ্তদশ দিনা ঘৰ গুচি আবু মাএ লৈছিল। সূৰ্য্যৰ প্ৰকাশ যেন জ্যোতিৰ্ম্ময় হৈ অগ্নি লগাদি দহে দেখি নমাই থৈ আই বাই বুলি সবাকে মাতি জান দিলে আহি। চাই দেখে শিশু পূৰ্ব্ববত আছে। আশ্চৰ্য্য হৈ গলাগোপা কৰি মাৰ গ'ল। আৰু অষ্টদশ দিনা আই গুৱাই শুধি গৈছে, বগা সৰ্পে ডলাৰ মান কেট তুলি ছাঁ-কৈ আছে, আহি দেখি চিঞৰি অত্ৰাহি হ'ল, সব চাপি চাই যে কিছু নাই, আশ্চৰ্য্য হৈ ৰ'ল, গল॥ আৰু বিংশতি দিনে চোৰ সোমাই সবে দ্ৰব্য লৈ ওলাব নপাৰি বেবুৰা লাগি ভু হৰাই নিশা পুৱাল দেখি ধৰি মাৰ কিলকৈ এৰিলে। আৰু একৈশ দিনা বৈদ যোগীএ ডাঁহী কেঁচা সৰ্প ধৰি ঘৰতুএা গৃহে নচাব নিলে। মন্ত্ৰ পঢ়ি মেলিলতে গৈ মাতৃ সমে নমি কেঁচা সোমালেহি। সি ঈশ্বৰ শক্তি দেখি আশ্চৰ্য্য অদ্ভুত হৈ গুচি গ'ল। আৰু বাইশ দিনত চাটকীৰা বাজীকৰে ছাঁয়াপুতলা নচাব ধৰিলেহি। ভয়ে ঠৰে ভয়ে ৰ'ল। লাজ হৈ গ'ল ৰবলোক মহিমা আছে বুলি। আৰু আহিছে কানীয়াৰ বেশ ধৰি বীণা বাই। নমি বোলে আমাকো তক লৰা, প্ৰভু তোমাৰ চৰণ সেৱা বলে ভবু যোগমায়া জালো অকলে আহি ব্ৰহ্ম ধৰিছেহি। আৰু চৌবিশ দিনা বতাহে নিয়া আম ভাঙি গৃহ ভাগি এহাজন থাটৰ উপৰে থৈছে। চৌবিশ দিনে থাপাত কৈলে। সূৰ্য্যৰ বিষকালে যে [illegible] [illegible] নিহিলে [illegible] ভাগি গৃহে পৰি কৰা ভাগি [illegible]

চাটকীৰাৰ বাজী

উপৰুৰ ঘৰ খাটৰ সবে দেখি আশ্চৰ্য্য অদ্ভুত হ'ল। আৰু মাস গুৰি হোম কৰিছে। বাবে তৃঞ্চা অনেক বাত্ত গাই খাইছে; অগ্নি হোমৰ্ত্তে ওহ্লাই মূৰ্ত্তি ধৰি নমিছে। সবে দেখি আশ্চৰ্য্য অদ্ভুত হৈ ঈশ্বৰ মানি নমি গৈছে॥ খা সন্তৰি

এই মতে আনো অনন্ত মহিমা দেখাই চাৰি পাচ বৰ্ষ হ'ল। অনন্ত চৰিত্ৰ সাৰশেষে কোনে জানে। জন্ম, কৰ্ম্ম, জাতকৰ্ম্ম, নামকৰণ, অন্নপ্ৰাসন, চূড়া কৰ্ম্ম, কৰ্ণ বিন্ধন, বিবাহ এই ষড় কৰিলে। এতেকে ষড় কৰ্ম্মী কায়স্থ বোলে॥ শংকৰদেৱৰ বাল্যলীলা

পাচে মহাপুৰুষ নিতে নিতে বাঢ়ি যৌবন হৈ আহিছে। সমনীয়া জইৰাম, বিতোপন, চান্দ ভিতাৰাম, ভেকুৰি, কেতাই, সনাতন, হৰিবৰ, সত্তানন্দ, ৰাম ৰাম, ৰাম ৰাই, এই বাহুতৃঞ্চাৰ শিশু সবকে মুখ্যকৈ আনো সব অসংখ্য বৃন্দাবনত যি লীলা কৃষ্ণদেৱে সেইৰূপে গুৰুজনো কৰিব ধৰিলে। আৰু অষ্টমাসে উষা লঞ্চতে সব শিশুৰে কথা বান্ধি কচ্ছপ ধৰি আনিছে বুৰ মাৰি ব্ৰহ্মপুত্ৰত একদণ্ডে। ৰাই বনগঞা কান্দিছিল নোলাবৰ দেখি কিবা হ'ল বুলি। ৰাম ৰাম গুৰুৰে একেদিনে জন্ম, পাচ বৰ্ষ আগ বুলিও কয়। একদিনা কুসুমৰ চণ্ডী পাৰি বসিল। দেখি সত্যসন্ধা আএ স্বামীক বোলে তোমাৰ পুত্ৰৰ কাম চোৱাহি। কুসুম দেৱে চাই বোলে তাকে গুচাবলৈছে আহিছা। আৰু সবে শিশু বটা খেলে, আন সবে দুই চাৰিছে পায়, গুৰুজনে একো কৌচ খৰে। সৱেটি চাই চিন্তি এৰি দিএ পুছ। চতুৰ্দ্দশ মাসে কৃষ্ণ দেই ধান চাবলৈ গৈছিল। অগ্ৰহণ মৰ্গে ৰাৱীত জৰুৰা ৰক খেদি কুৰিছে তলি, আছি পাই, চাকি বাৰু পানি কাঢ়িলে। তেৰ আহি ... পৰ দুই পলাহি কাৰণে আছিল। আৰু এক দিনা ... মাসে ... দিনা ...

খাইছিল 'মাটি। চিন ধৰি বোলে বাপু থৈ গ'লোঁ। কিবা, কিয় খালা ? বোলে, তোমাৰ বেটা দিয়াতহে খালোঁ। দুই বাৰ বাৰ্যে দেখাইছে। ৰাম ৰামৰ মাতৃ মুকুতা আএ খেলা খাইলে গুটি আছিল। আএ পাটি কাখে লৈ পানী ঘাটে গ'ল, নিজ ৰূপ ধৰি চিৰা চেনি দুগ্ধ দিলে॥ আৰু শিশু সবৰে তাত্ৰমহা লুইতে সাম্ভুৰি, চোট নাঞ্চ নিএ আন সবে, মাজতে খনো সৰ উঠে, কতো পাৰ হৈ নাৱে আছে, পুনু গুৰুজনে সাম্ভুৰি আছে। আৰু তপ্টাডু গছোৰ চোক অনেক লীলা কৰে। সবাতে জয় পৰাজয় নাই কভু॥ আৰু একদিনা "ভেকুৰিৰ" ডুগডুগলি খেদোতে হাত ভাগিল। পিতামাতা সপোতে গুৰুজনে, ক'তনো ভাগিল বুলি ধৰি চালে। মুহূৰ্ত্তে সজ হ'ল॥ আৰু একদিনা ঢোপ খেদোতে "চান্দ'ৰ বস্ত্ৰ খণ্ড খণ্ড হ'ল। পাচে গৈ বাপেক কেতাই খাঁ ভূঞাত গোচৰ দিলে। সেই কথা আএ শুনি সপিলে। গুৰুজনে হাতে চুই মেলি দেখালে, পুনু সজ হ'ল। আৰু ভিতাৰাম আতৈৰ ভটা খেদোতে কাণ ছিগিল। কুসুমদেৱে শুনি দাবি দি খেদা মাইলে। গুৰুজনে পলাই গৈ বোলে, চাঞ চোন, ক'ত নো ছিগিল, এই বুলি ধৰি টিপা মাইলে, যোৰা খালে পূৰ্ব্ববত। দেখি শুনি আশ্চৰ্য্য হ'ল। পাচে কুসুমৰ চৰিত সত্যসন্ধা অনুগামিনী হ'ল কেনেতে কালৰ প্ৰবাহে আউ অনুক্ৰমে কুসুমবৰ চলিল। সাত্ৰী সত্যসন্ধা আই স্বামী পদে অনুগামী গ'ল। পাচে গুৰুজনে পিতৃৰ ক্ৰিয়া কৰ্ম আচৰিলে। সূৰ্য্যৰ পত্নী সেৰুতি মুক্তা মাতৃএ পূৰ্ব্বৰ মাৰণৰ নিমিত্তে ভুঞ্জিলে॥ আৰু একদিনা আএ অন্ন ব্যঞ্জন চৰুত থৈছিল। আনি খাব দিলে, ডেকা কলা ছাই দেখে দুটি হাতে অন্ন বাটি দুই হাতে আছা টেৰু কলাই" আছে বৰ "জোৰতিৰ এঁকাবেঁকে। কিন্তু, [illegible] টৈ [illegible] তেল ঢালি খালি, পাচলিৰ বাৰ কলা [illegible]

দি শৰণাপন্ন হ'ল॥ আৰু মাঘ মহা ৰুদ্দলনিত হিদলগুৰিত সব লঁৰা বাল্যভাত খাইছে চাউল নি। গুৰুজনে সিজাই দিছে সবাকে, ভেমভেউকা মাগুৰ মাছৰ গৰিদি, বালি চুকা সল মৎস্যে, বালিচুকা জাজী ভাজন দি, বালি বাৰণিএ ৰৰিয়ালা মাছে অমৃতপ্ৰায় হৈছিল॥

আৰু একদিনা আএ গুৰুজনক স্নান ভোজন কৰাই তৈল দি বোলে টামন, তোৰ আৰু পঢ়িবৰ মন নাই। ভন্টা খেৰি গৰু জাকতহে চিত্ত। যাবে বৎসৰীয়া হলিকে। আমাৰ বংশত অপণ্ডিত নাই। তই মূৰ্খ হব খুইছনে? দৈৱজ্ঞে চাই পণ্ডিত হব বুলি কলে, সিও দেখো মিছা হ'ল। "আমাৰেসে কৰ্ম্মভৰে, পণ্ডিতৰো বাক্য লৰে।" ৰাজাক স্বদেশেহে পূজে, বিদ্যাৱন্ত সৰ্ব্বদেশে পূজ্য। "মাতা শত্ৰু পিতা বৈৰী, যেন বাল্য ন পাঠিতা। সভামধ্যে ন শোভন্তে হংসমধ্যে বকো যথা॥" পাচে গুৰুজনে বোলে আইচোন পঢ়িব পাৰো নপাৰো পঢ়াশালীতে থোৱানি। পাচে আএ দালী জোৰাই চাউল এপাচি, টকা এটি, বস্ত্ৰ, আগন্তকৈ গ'ল। পাচে কন্দলিএ আখে ৰেখে সুধিলে, আই কিয় অহা গ'ল? বোলে, ছৱাটি পঢ়াই দিয়া। পাচে যঢ়া বহা আছিল, তাকে আওভাই দিয়ালে। তাতে চক ভুৰিলে। পাচে বিপ্ৰে সৱ বাৰ তিথি চাই কলি দিলে। একবাৰ মাত্ৰ দিএ দেখাই, মাত আখ সবে আছে। পাচে পুথি দিলে। পুথিতো সেই মতে আছিল। পাচে দিবা নিশা আঠো পৰে পঢ়িব ধৰিলে। নোৱাল পিছ্লাতে শয়ন কৰে। একালে এক শাস্ত্ৰ বহি, ইওকালে সেইমতে গুৱাৰুঠা, দুকালৰে দুকালে পঢ়ে অবিচ্ছেদে। পাচে ছাত্ৰে পাঠশালী মঢ়াহ বাণি ধৰি অপূৰ্ব্ব কৰে। একদিনা স্নান কৰি মহাপুৰুষ ঔক একৰা শিল আছে বহাৰ মুখতে, তাতে বহি [illegible]॥

১২ বছৰত খেৰুতীৰ [illegible]

*কন্দলী গুৰুগৃহে পাঠ আৰম্ভ

•

দুই হাতে দুই হস্তে গা মচিছে। তেহে কন্দলিএ দেখি আশ্চৰ্য্য দুই পাৱত পৰিবলৈ যায়। পাচে দুই হাত ইমকৈ বোলে, গুৰু, কি কৰা? তেহে পাঠশাল মচিবৰ নিবাৰ কৰি ওজা ছাত্ৰ পাতিলে। তাৰে পৰা ঈশ্বৰ বোধে মানে।

ওজা ছাত্ৰ নিয়োগ

সবাকে পাঠ দিয়াই, দেউ বোলায়। তাকে নসৈ ছাত্ৰ ভাগি মাধকন্দলিৰ শিষ্য ৰাঘ আচাৰ্য্যত কলেগৈ। পাচে তেওঁ আছি মহিন্দ্ৰ কন্দলিক ধৰিলেছি, বোলে শূদ্ৰক হে ওজা কৈ বামুনক পাঠ দিওআ, দেউ বোলোৱা, কিয়? নকৰাবা। পাচে সেই নিশা ভগৱন্তে ভব্য ৰূপ ধৰি হেচি টোকন খুণ্ডি দশন সবাই ভিণ্ডাকাৰ কৈলে। ভই খাই সেই স্বপ্নতে চাৰি বস্তু লভিছে। পুৱা সবে ছাত্ৰ আনি দি সবাতে কৈ, নমি, ঈষিষা এৰি, একৱাই গলছি বিপ্ৰে।

ৰাঘৱাচাৰ্য্য

আৰু কন্দলিৰ ধান এফেৰি বৈছিল। জেঠ মহা পকাত হাতী সাভোটা খাইছেহি। একো ৰূপে খেদিব নোৱাৰি এৰি গ'ল গোলাম। শুনি গুৰুজন খেদি গ'ল। দেখিএ বিদ্যুত সঙ্গে ভিৰি গৈ দল পলসত সোমাই মাৰ গ'ল জন্ম নিবাৰি। সূৰ্য্যৰ ৰথৰ সপ্তঘোটকে সপ্ত বৃষভ হৈছে। লক্ষ্মা সৱৰ্ষে মৰ্দ্দিছে, বৈত (ঐত) হস্তী হৈছে, দুই মহ মাৰিছে কাৰণ দুন্দুভি দুই অসুৰে হৈছে, শ্ৰীৰামে জন্মাদলি মধ্যত ৰ'ত (অ'ত) জন্ম সাৰিল॥

আৰু ভালে দিন ধৰে, গৃহলৈ বাবলৈ, নপঠায়। ন'কৈ একদিনা গৃহৰ আৰে এক বস্ত্ৰ, টকা আনি অধ্যাপকক দি কৈ গ'ল ঘৰে। পাচে বিপ্ৰে আন ছাত্ৰক কৈ দি পঠালে আইলৈ। পাই আবু মাএ ধৰিলে, বোলে, কেনৈ গৈছিলি? গুৰু বোলে, পঢ়িছিলোঁ। বোলে, তাকে ক? এই টকা বস্ত্ৰ চুৰকৈ নি দি গুৰুআকত থুবগৈ? দেখি অঘোৰুঘে ভাবৰুপে গ'ল॥

আৰু একদিন অধ্যাপকে সবে ছাত্ৰক বোলে, মোক একোটা শ্লোক কৰি দেহঁক। পাচে আন সৱ ছাত্ৰে কৰিলে, খনো এফাঁকি, কতো গোটে খনো আদখান; ভাবো অৰ্থ নাই। গুৰুজনে কৰি দিলে। বৈকুণ্ঠৰ পৰা পাত, কাপ, মহী, মৈলাম চাইটা বস্তু নমাইছে। আৰু শংখ অক্ষৰ শক্তি নমাই গদ্য কৰিলে, "খগচৰ, নগধৰ", আকাৰ ইকাৰ নাই, শুদা; অৰ্থে পৃথিবী, পাতাল, বৈকুণ্ঠ স্বৰ্গ ভেদি গ'ল। অধ্যাপকে চাই তৈল লোন নাই, শুদা ব্যঞ্জনৰ এনে স্বাদ, বিনা জক বন্ধন, আৰা শুদা শক্তি মনুষ্য মুহি, কিবা হৰিহৰ ছদ্মে আছেহি। শব্দৰ আত ৰচনা

আৰু একদিনা কন্দলিএ বোলে, দেকাগিৰি, দুৰ্গাৰ বিচ আহ্নিক শিখাঞ্চ, মাহ, চাউল, জবা, পুৰা, হাঁহ, পাৰ, কি পাৰা আনা চপাই। গুৰুজনে বোলে ক'ত পাম, নিশিকৌ, কৃষ্ণস্তৱকে দিআ, তুলসী পাতেৰেই সন্তোষ। আমাৰ পূজিবৰ শক্তিও নাই। গুৰু সন্তোষ হৈ বোলে, এনেই কঞ, শিকা। আপুনিও পূজিবা, লোকে মাতিলেও কৰিবা, চাউল-কানি হব। তেহে কৃষ্ণ কৃপাত চণ্ডীতৰ পাসৰি কৃষ্ণ বিচ শিকালে॥ কৃষ্ণপ্ৰাণতাৰ প্ৰকাশ

আৰু কুসুমদেউৰ ভিখি বৰ্ণ কৰি গ'ল ছাত্ৰশালে। পথতে এটা পশু পাই মাৰি সবাকে সিধাৰে দিছে।

আৰু মাৰ্কণ্ডেয় পুৰাণৰ পৰা প্ৰথমে কাপ ধৰি হৰিচন্দ্ৰোপাখ্যান কৰিছে চাৰি খুটা মাৰি সেৱকলৈ। হৰিচন্দ্ৰ উপাখ্যান

আৰু কথা বাৰ্দ্ধি এটা ম'ৰা ধৰি এৰি দিছে পুনচ; আৰু সানুহৰি পাৰ হৈ সিজৰিত এটা ভালুক মাৰিছে কাৰণে; আৰু একদিনা দুইতে স্নান কৰাত মনে ছাত্ৰেৰে এটা শিহ ধৰি মাৰিছে কাৰণে; আৰু কথা বাৰ্দ্ধি দুৰ দি দুই-দাৰ মাছে কাইল মাছ ধৰি সাজি কৈ আনিছে, বুঢ়ী আইৰ বাৰকৈ

অধ্যয়নব
বিবৃতি।

কটাই সবাকে দিয়াইছে॥ এই মতে পঢ়িছে। সাম, ঋক্, অথর্ব্ব, যজুব, ভৃবেদ, চৌধ শাস্ত্র, শিক্ষা, কল্প, জ্যোতিষ, বীতি, নীতি, নিরুক্ত, ছন্দঃ, শ্রুতি, স্মৃতি, মীমাংসা, তর্ক, কলাপ, ভূক, ন্যায় এই চৌধ শাস্ত্র অষ্টাদশ পুৰাণ, শিব, মৎস্য, বৈষ্ণব পুৰাণ, স্কন্দ, কূর্ম্ম, গৰুড়, মার্কণ্ডেয়, ভাগৱত, বামন, বাৰাহ, লিঙ্গ, ভবিষ্যৎ, ব্ৰহ্মাণ্ড, বৈবর্ত্ত, বৃহৎ, নাৰদী, ব্ৰহ্ম, পদ্ম॥ অষ্টাদশ ভাৰতঃ—আদিপৰ্ব্ব, সভাপৰ্ব্ব, বনপৰ্ব্ব, বিৰাটপৰ্ব্ব, উদ্যোগ, ভীষ্ম, দ্ৰোণ, কৰ্ণ, শৈল্য, সৌপ্তি, দশম, স্ত্ৰীপৰ্ব্ব, শান্তিপৰ্ব্ব, অশ্বমেধ, আশ্ৰম, বানস্বৰ্গ, স্বৰ্গাৰোহণ, বিজয়পৰ্ব্ব॥ সংহিতা—সূত, ব্যাস, গৌতমী, নাৰদী, অগষ্টি. বশিষ্টি, মাৰ্কণ্ডেয়, ব্ৰহ্ম, ভৃঙ্গি (ভৃগু?) পৰাশৰ, বিশ্বামিত্ৰ, ভৰদ্বাজ, দুৰ্ব্বাসা, বৈশ্বানৰ, কপিল, অঙ্গিৰস, সৌৰি, এই অষ্টাদশ॥ চৌধ ব্যাকৰণ—পানিনি, কলাপ, পঞ্জিকা, শব্দৰত্ন, মুৰ্খবোধ (মুগ্ধ?), জ্ঞানাঙ্কুশ, সপ্ত, স্বৰপ্ৰদীপ, শব্দজ্ঞান, প্ৰশ্নঃবোধ, প্ৰাকৃত, সন্ধি, বৃত্তি, কৃতি, আখ্যাত॥ অষ্টাদশ তন্ত্ৰ। অষ্টাদশ কাব্য—মাঘ, ভাৰবী, ভাৰতী, নৈষধ, হিতোপদেশ, বৃন্দাবনচন্দ্ৰধাৰী, অন্যাপদেশ, মোহমুদ্গৰ, প্ৰধান, হনুমন্তী, হিমবন্তী, মেঘদূতজ্ঞান, নৱৰত্ন, পঞ্চৰত্ন, দশিত্ৰ, অষ্টক, মুক্তাষ্টক, বিত্তাবিদ্বৰী, শান্তিশতক, এই আঠাৰ কাব্য। দণ্ডি, প্ৰবোধচন্দ্ৰ, আনন্দলহৰি, শৃঙ্গাৰ-তিলক, শ্ৰুতবোধ, ঋতুমঞ্জৰি, হাস্তাৰ্ণৱ, কবিৰত্ন, অমৰ, হাৰাৱলি, মেদিনী, শব্দৰত্ন, কলাপ, পঞ্জিকা, শব্দজ্ঞান, প্ৰশ্নবোধ, শ্ৰুতবোধ, শ্ৰুতিবোধ, এই আঠাৰ কোষ। অমৰ, চাণক্য আদো শাস্ত্ৰ সবাকে পঢ়াই গুৰু কন্দলীয়ে বোলে, বিবাদি জানে, পঢ়ালো এক; নাইও আৰ। আমে খত ধৰ্ম পঢ়িও নপাৰে এক। যই কাৰণে হে। "আমুনি নিৰ্দ্দিষ্ট শাস্ত্ৰ। তাকো পঢ়া হুৱা হুৱ", এই বুদ্ধি বিনাৰ

দিলে। একবৰ্ষ পঢ়ি আছিল। পাচ দিনা আএ গুৰুক অনাই ভোজন কৰাই দক্ষিণাকৈ পঠালে।

যোগ শাস্ত্ৰ পঢ়িবলৈ আছিল, গৃহতে পঢ়ি জলত এপৰ বুৰ দি থাকে, বস্ত্ৰ নিভিতে। পাট সুতাৰে বদ্ধ কৈ বায়ু নিৰোধে, ভট্ ভট্ কৈ হিগে, আলসে বয়, হৰণ, পূৰণ, পাচে তাকো এৰিলে। যোগ শাস্ত্ৰ অধ্যয়ন আৰু যোগাভ্যাস

পাচে সূৰ্য্য ভূঞাৰ ছুহিতৃ সূৰ্য্যাৱতী আএ খুজি বাঢ়ি, শুভ বাৰ মাহ তিথিত গুৰুজনৰ একৈশ বৰ্ষ, আই চৈধ বৰ্ষত বিবাহ কৰালে। গুৰুজনৰ বাইশ বৎসৰ, আইৰ পোন্ধৰ বৰ্ষত পুষ্পোৎসৱ হ'ল। শান্তিয়নি কৰাই ৰতি সম্ভোগে আছে। সপ্তদশ বৰ্ষত মনুকন্যা জন্মিল। ন মাহৰ অন্তে আই চলিল। কতো মুখ ভেদে কই তেহু বৰ্ষত আপীক হৰি জমাইত বিহা দি গৈছে। ক্ৰিয়াকৰ্ম্ম আচৰি তেৰ বৰ্ষ ৰহি আছিনৰ এদিন যাঞতে বুদবাৰে। ৰামচন্দ্ৰ কাঠৰ বেটা হৰি জমাইত বিহা দি গৃহে থৈ গৈছে বিৰকত বৈৰাগ্য হৈ। কতো মুখে কয় নাঞৰে গৈ তেলকুপিত উঠি সুমালিনী পসাৰীএ স্বপ্ন দেখি ভোজন সম্ভাৰ দি পুৱা দুশ টকা, দুকৰি সোনা, জপা দুই দি গুৰুভক্তক দি ৰাম নাম লৈ চলিছে। গুৰুজনে সহঙ্কাৰ কৰাই গৈছে। মদাৰগঞ্জত নিশা ঈশ্বৰে ভোজন সম্ভাৰ দিছে। জগন্নাথ পাই মহিন্দ্ৰকন্দলী আদি অনেক যাত্ৰীক দেশে পঠাই আঠজনে সৈতে গৈছে। ৰাহুজন ভক্তেৰে পছিম ক্ষেত্ৰ কৰিবলৈ যাত্ৰা কৰিলে। ৰাম ৰাম, সৰ্ব্বজয়, পৰমানন্দ, বলোৰাম, বলোভদ্ৰ, গোবিন্দ, নাৰায়ণ, ৰবচিৰাম, গোপাল, চোট বলোৰাম, মুকুন্দ, মুৰাৰি এই সব চাওঁৰে (চাও বাঢ়ি) ভগায়। কাঁহক আদি বাটি কলহ, ছয় কুৰি মেহু, বৰভূঞা নিজৰ সোণাই পুহ বাৰি পৰিকৰক মধে দিলে, ঘিউকো দহকুৰি বোকজা [illegible] ঘৰ।

বিবাহ

মনু কন্যা

ভাৰ্য্যাবিয়োগ

তীৰ্থপৰ্য্যটন

পুনৰ্ব্বাৰ ক্ৰমতিয়া প্ৰথমে স্নানকৈ ভাগিৰথী চিলিপুৰ ঘাটে স্নান দান কৈলে। তাৰ পৰা গৈ গয়াত বিষ্ণুপদত চৈধ পুৰুষৰ পিণ্ড দিলে ফাল্গুতীৰে, দান দক্ষিণাকৈ গ'ল।

তৈৰ পৰা বাৰানসী, কাশী বিশ্বেশ্বৰ থানে স্নানকৈ দান দক্ষিণা দি বাস কৰি গ'ল। প্ৰয়াগ পাই মুণ্ডন কৰাই ব্ৰহ্মবট দৰ্শন হৈ দান কৈ গ'ল। যমুনা গঙ্গাত পৰিছে, পুষ্কৰ তীৰ্থ স্নান দান কৈলে। তৈতে কৰি গোপীনাথে শৰণ ললে। তাৰ পৰা গৈ প্ৰভু শ্ৰীৰামৰ থান অযোধ্যা পাই ফুৰি, সীতাক সিংশপাতলে থকাত ব্ৰহ্মাৰ আদেশে ইন্দ্ৰে পায়স, মিছিৰি অমৃত দিছেনি। একবৰ্ষ ক্ষুধা তৃষা নাই। তাৰে গুটি ৰাক্ষসী সবে আইচাতে আহি কলেহি, কলিত খালে মাহেকলৈ ভোক নাই। প্ৰাই সাতজনেহে বেৰে পায়, ছহালিচা জুৰিছে। গছতলে ৰ'লতে মৰিব খৈলে। আকাশ জ্ঞান দি ৰাজা থৈছে ; ৰথীয়া সবে বিস্ময় হৈ দি ঈশ্বৰ মানি সেৱা কৰিছে। প্ৰদক্ষিণ কৈ সৰযূ গঙ্গা স্নান দান কৈ গ'ল। গৈ কুশৰ নগৰ কুশৱতী পুৰে নিশা ৰক্ষি চাই গৈ। লৱৰ প্ৰস্নাৱতী নগৰে ৰহি ৰক্ষি গ'ল। গৈ বিন্ধ্যগিৰি পৰ্ব্বতৰ কাছে নন্দিগ্ৰামে ভৰদ্বাজ আশ্ৰম পালে। আতে- কতো দিন ৰহে গৈ। নিজ আপোন কৃষ্ণদেৱৰ বৃন্দাবন গকুল পালেগৈ। তৈতে ৰাধা নামে সন্ন্যাসীএ শৰণ ললে। ৰহি কালিন্দী তীৰে কালীহ্ৰদে স্নান কৈ কদম্বতলে বাস কৰিছে। তৈতে ৰূপ সনাতনে বৃন্দাবন দাসে গুৰু মানি শৰণ লৈছে। ৰূপ সনাতন, বৃন্দাবন দাস

দুহ, সুহ, তাল, ভাল, কুঞ্জ, যুঞ্জ, নিকুঞ্জ, খাদুৰ, অশোক, ভাণ্ডিৰ কাম্যখিত্ৰ, অশোক কেশীঘাট, বংশীবট, যমুনাত স্নান দান কৈ নদি প্ৰদক্ষিণ কৰি গোবৰ্দ্ধনে কতোদিন হৈ গৈছন্ত। তাৰ পৰা গৈ হস্তিনাপুৰ পাই বিদুৰৰ আশ্ৰম নদি, পাছ

পাণ্ডৱৰ ইন্দ্ৰপ্ৰস্থ পাই নমি একবৰ্ষে ৰহি, কুৰুক্ষেত্ৰ পালেগৈ। ভক্তি হাট কৃষ্ণ গোপীক জ্ঞান দান কৰা থান নমি গ'ল॥

গৈ বদৰিকাশ্ৰমে উঠি উদ্ধৱক দৰশন হৈছেগৈ। তাত দক্ষিণ বাহুত বাঢ়িছে মাংস। সৰ্ব্বজয় আতৈ বোলে, কিবা হৰহে। গুৰু বোলে, আমাৰে সখা ইষ্ট এজন পুৰুষ মাধৱ নামে জন্মিছে॥ আহি হিমালয় পাই গঙ্গা বহি পৰিছে, বেত্ৰকুট, সদাশিৱৰ মাথে, তাতে স্নান নমস্কাৰ কৈ আহিচন্ত। তাৰ পৰা নেপাল, নৈষধ, কৈকেউ, কৈশল্য, দ্ৰবিড়, পাঞ্চাল, শ্বেতদীপ এই সব দেশ গ্ৰাম ৰাজ্য ফুৰি চাই বাৰণে যুদ্ধলৈ অনা ক্ষুদ্ৰ নদী কৰ্ম্মনাশাৰ কাখে বৈদ্যনাথ পালেগৈ। চাই চিন্তি ৰহিলগৈ। কেশৰী পাই স্নান দান কৈ কাবেৰী পাই পশি স্নান কৈ ৰহি মাৰ্গকাশী পাই নমি স্নান বাস কৈ। বিন্দুকাশী কতো দিনে পাই সেৱা স্নান কৈ, গৈ পয়োস্বিনী পাই দৰশন হৈ স্নান কৰি গৈ মহাতীৰ্থ কৌসিক পাই ৰখি স্নান কৰি বন্দি গৈ মৃকণ্ডু আশ্ৰম পাই চাই পুৰুভদ্ৰতে স্নান বাস কৰি গৈ সোনাকত স্নান কৰি ৰহি গৈ কপিল পালেগৈ। পাই স্নানি পশি গৈ গণ্ডকী পাই স্নান দান কৰি গৈ মথুৰা পাই ফুৰি চাই, উপদ্বাৰকা পাই, তৈতো কতো দিন ৰখি তৈতে ৰামাকান্ত নামে ক্ষত্ৰিএ গুৰু মানি শৰণ লৈছে। কতো সবে তোলে কৰিণী মন্দিৰেও গৈছে বুলি।

তাৰ পৰা গৈ লক্ষণ পুত্ৰৰ দেশ অঙ্গদীয়া নগৰ পাই চাই ৰহি ফুৰে গৈ। শিখৰ ভূমি চন্দ্ৰকেতুৰ নগৰ চন্দ্ৰাৱতী নামে গ্ৰাম দেশ চাই ৰহেগৈ। ৰামেশ্বৰ সেতুখণ্ড পাই দৰশন পৰশন হৈ গ'ল। গৈ সাগৰত স্নান পান কৈ গৈ, সীতাকুণ্ড শ্ৰীৰামে পৰীক্ষা সীতাক দিয়া পাই দেখি ৰহে গৈ। লক্ষ্মণ পুত্ৰৰ দেশ নগৰ ৰহাই চাই ৰহেগৈ। মাৰুত পুৰাই ৰত

কৌশিকের যজ্ঞভূমি চাই বহি গৈ, সুচরিতার বিদিশা নগর পুর গ্রাম চাই বহি গৈ দণ্ডকা চিত্রকূটে শ্রীরামর থান ভিটা নমি, খর দূষণর যুদ্ধর সূর্পনাশাক দণ্ডা চাই গৈ, গোদাবরী পাই স্নান পান করি বাস কৈ গৈ, গোমতী গঙ্গা পাই স্নান দান কৈ গৈ তক্ষক নামে নগর পাই ভৈতে বহি চাই গৈ, পঞ্চবতী তীর্থে স্নান পান কৈ গৈ, দশকন্ধ জটায়ু যুদ্ধ সহস্কার পাই চাই বহি গৈ, বিচমুখ পর্ব্বত পাই চাই শ্রীরামে তালভেদা পঞ্চ বানরে শরণ লবা পাই বহি গৈ, কিছ্কিন্ধা নগর পাই বহি গৈ, পুষ্করাবতী ভরতর পুত্রর দেশ, পুর, নগর গ্রাম চাই বহি গৈ ভরদ্বাজ পাই ক্ষেত্র ভূমি নমি, পশি শুদ্ধকই গৈ, ক্ষেত্র হরিদ্বার পাই চাই চিন্তি গৈ,, জয়দ্বার পাই চাই বহি কতো দিন গৈ, নর্ম্মদা গঙ্গা পাই স্নান দান করি গৈ, মহানন্দা গঙ্গা পাই স্নান পান কৈ কটক নগরে বহি গৈ, উরিষা দেশে বর্গী রাজ্য ওরেষা পুরী শ্রীপুরুষোত্তম ক্ষেত্র পৃথিবীর বৈকুণ্ঠ পূর্ণ জগন্নাথ দর্শন হ'লহি। শ্বেত গঙ্গা, মার্কণ্ডেয় চন্দন সরোবর, ইন্দ্রদমন, লোকনাথ এই পঞ্চ তীর্থ স্নান পান দানকৈ সবে তীর্থর ভূমি সিন্ধুরাজ স্নান কৈ, পাতালী গঙ্গা স্নান কৈ দেব দর্শ দর্শনে গ'ল। দ্বারিকানাথ, হনুমন্ত, জাম্ববন্ত, বিভীষণ, সুগ্রীঞ্জ, যম, বলি, ব্রহ্মা, লক্ষ্মী, সরস্বতী, খুদুচা, উগ্রসেন, চৈতন্য, বাংশীধারী কৃষ্ণ, গোবর্দ্ধনধারী, নৃসিংহ, শ্রীরাম, লক্ষ্মণ, ভরত, শত্রুঘ্ন, নন্দ, যশোদা, বসুদেব, দৈবকী একাদশী, গরুড়, হরগৌরী এই সবকে মুখ্য কৈ প্রাতরে চারি সরোবর স্নান করি সবে দর্শন হৈ দিনমানে, নিশারাত্রমানে পাণ্ডা চাপে, গুরুজনে ব্রহ্মপুরান কর ইন্দ্রদ্যুম্ন জগন্নাথ অপার মাহাত্ম্য। এইক্রমে একবর্ষ বহি চাই কৃষ্ণ, বলভদ্র সুভদ্রা, অক্ষয়বট, সমুদ্র স্থানি পাণ্ডাসবক দক্ষিণা কৈ

তীর্থ পথ জগন্নাথ দর্শন

যাত্রাহিল। ভৈল পদ্মা গঙ্গা সংগমত স্নান পান কৈ কপিল মুনির

আশ্ৰমে বাস কৰি ভগীৰথৰ আশ্ৰম চাই আহি জাহ্নবী মোহনা কলিন্দী পূৰ্ণতোয়া কৰতিয়া স্নান পান কৰি এই সবকে মুখ্যকৈ আনো যত পৃথিবীৰ তীৰ্থক্ষেত্ৰ আছে দেশ, ৰাজ্য, দ্বীপ, *দ্বীপান্তৰ পুণ্যভূমি চাই চিন্তি ফুৰি বেড়াই বাহ্ন বৰ্ষে* আহি আলি পুখুৰী আশ্ৰমাহা এপৰ নিশা যোৰাত বুঢ়ী আইক মাত লগাইছেহি। মাত বুঝি আৰ্ত্ত হৈ আহি কচাৰি খাটৰ খুৰাত উঝটি খাই পৰি আঠু মুৰ ভাগি সাৱটি ধৰিলেহি মোৰ বাপু বুলি। পাছে খান দান কৈ নিশা ৰহিল, পুআ জ্ঞাতি মিত্ৰ, বন্ধু বৰ্গ, বাহ্নও ভূঞা চাপি গুৰুজনক চাই বাৰ্ত্তাবিস্ত সুধিছে। মহাপুৰুষ গুৰু যি তীৰ্থৰ যি ভাৱ কথা কাৰ্য্য, মাত বলি ফাৰ্চ্চি মহাত্মা, যি দেশত যি ধাৰা নীতি খান পিন্ধন সবাতে সবে কথা কৈ তীৰ্থৰ জল মৃত্তিকা, প্ৰসাদ নিৰ্ম্মালি দিলে। লৈ বাৰে ভূঞা প্ৰসংসা কৰি বোলে বাপু, তুমিহে আমাৰ বংশত পদ্ম, প্ৰদী(প) হলা, পুৰুষকো উদ্ধাৰিলা। এই বুলি গল দিশা দিশি জয়ন্তক চেনী দিছে, নি বাট মাহ পুৰি সানি খাই কলেহি। বোলে মূৰ্খ একো নাজান কি কিহেৰে খাব লাগে, পগা দৈ খাগৈছো, কেনে পা। খাই চাই তেহে শলাগি টকালি পাৰে।

দিনা চাৰি বৈ বাথানে পালৰ ধেনু ধৰিলে আনিবলৈ গুৱালে নিদিঞতে হুতুকু মাৰি আনিলে সি গৈ বতিকান্তত কলে। বোলে তাবাব ধেনু নিএ, ধৰ কিয়? যদি আমাকে বিজন দিএ ভেকা গিৰিএ, নগলে পাবোনে? কতো মুখে কয়, বনগঞা গিৰিহে গৈ ধৰাত হানি মাৰিছে দাইকৈ ৰাজকৈ দণ্ড লৈছে।

আৰু একদিনা খেৰগুতী মাতৃবোলে বাপু, তুমি মোৰ বংশধৰ ন্যতি। আপুনৈ সন্ততি নাই এটী কন্যা জোৱো'। পূৰ্ব্বকথাৰ, [illegible]
[illegible]ক বোলে মাতৃ, বিবাহ কৰালো উচিত, কুকুৰ [illegible] [illegible] [illegible] [illegible] আৰু। শুনি আই [illegible] ৰহিল। [illegible]

দিনা বংশৰ ভূঞা ৰামখা, ৰূপখা, গাভুৰ্খা, কেতাই খা, বুঢ়াখা,
৫৪ বছৰত দ্বিতীয় বিবাহ
হৰিখা, বৃদ্ধ মতাই আনি সবাকে হেৰাই ধৰালে। তেহে
গুৰুজনে সবাৰে বাক্য পেলাব নপাৰি কষ্টেৰে বোলে বাক।
তেহে ছুকুৰি চৈধে বৰ্ষ আই পোন্ধেৰ বৰ্ষত বিবাহ শুভ মাহ
কীৰ্ত্তন ঘৰ নিৰ্ম্মাণ
বাৰ তিথিত কৰালে। অষ্টাদশ মাসে পুষ্পাৎসৱ হল।
শান্তিঅনি লৈ বতি বসে আলিপুখুৰীত পাঞ্চ বৰ্ষ আছিল।
পাচে অনেক শাস্ত্ৰ ৰস, তত্ত্ব লৈ হৰি কীৰ্ত্তন কৰি কৃষ্ণ কথা
চৰ্চ্চিবলৈ ধৰিলে। অনেক ভকাল পাই ৰাম ৰাম সখি,
নৰোত্তম, চতুৰ্ভুজ, সৰ্ব্বজয়, পৰ্মানন্দ ও লসি ৰাম, বৰ
শ্ৰীৰাম, বুঢ়া দৈবজ্ঞ, জগতানন্দ, বৰ বলোৰাম, চোট বলোৰাম,
বলোভদ্ৰ, নাৰায়ণ, সাতকুৰিয়া, নাৰায়ণ, গোবিন্দ, হৰি এই
সবে আলচ কৈ গ্ৰামৰ দূৰ কুসুম দেবৰ সৰিহ তলি, তাতে
গৈ গনক জানে চাৰি হাতি কৰি গৃহ বান্ধিবলৈ চাৰ মাৰোতে
বাসুদেৱ মূৰ্ত্তি ওলাইছে। সমস্তে শাস্ত্ৰ খীৰ সাগৰে বিচাৰি
চাৰিবস্তু
মথি অমৃত উদ্ধৃতকৈ প্ৰচাৰিলে। ভাগৱত সম্বন্ধ, সহস্ৰনামৰ
নাম, গীতাৰ এক শৰ্ণ, এই তিনটি বস্তু ব্যক্ত কৈলে। সিটি
গুপ্তে ৰাখিছিল; চোট আত্তা পাই বেলগুৰিত প্ৰচাৰিলে।
ভক্তে হৰি গুণ গাই আছে পক্ষ তিনি। পূৰ্ব্বে বৰপেটা
বিল, তাৰে জল খায়—দূৰ, গৰ ভালুকৰ ভয় নিশা যাবলৈ
ধুতিএ নপাৰে। কষ্ট পাই গুৰুজনত সবে ভক্তে প্ৰাৰ্থনা
কৰিলে। বোলে তোম্ৰাসবে দিনে নিশা নাম ডাকা, পাস
কৈ জল দিব ভগৱন্তে। পাচে নাম দিলে। মহাপুৰুষ গুৰু
ছুপৰ নিশা গৈ বৃন্দাকুণ্ডে ধেনুএ কাৰ কৰি উৰ্দ্ধ হস্তকৈ
গঙ্গা আনয়ন ঘটনা
গোহাৰি মাৰিলে; গিৰগিৰ শব্দে আকাশী গঙ্গা নামিলহি
পূৰ্ব্বৰো নিমিত্ত। পুৱা দেখে যাই ভক্তে, বাকৰা বাৰীতে
বিল জল হ'ল; বাট গ'ল কলৈ, আশ্চৰ্য্য অদ্ভুত হৈ গুৰুজনত
কলে। বোলে ঈশ্বৰে কৃপাকৈ তোম্ৰাসবক নাম জল দান

কৰিছে। তৈতে গড়ুৰ পুৰাণ চাই "ভকতি প্ৰদীপ" কৰিলে; ভক্তিপ্ৰদীপ,
হৰিবংশৰ পৰা ৰুক্মিনী হৰণ কৰিছে। তেহে বাহ্রু কন্দ ৰুক্মিণীহৰণ
কৰিবৰ মন দিলে। মূল আৰ্য্যা নাইকাত সূচক খলুৱা নিন্দে
বুলি তোচা খাই আছে। তেনেতে পছিমৰ পৰা বাহ্রু কন্দ ভাগৱত
ভাগৱত লৈ জগদীশ মিশ্ৰ পালেহি। গাঞ মূৰতে ৰাই জগদীশমিশ্ৰ
আতাক পাই বাৰ্ত্তা সুধিলে শ্ৰীশঙ্কৰ কত থাকে বহা।
বোলে আছে নাই মই চাই আহোঁ, তুমি খানেক তম্ভা।
বাএ গৈ বোলে দদা, তোম্ৰা পছিমত কাৰবাৰ টকা খৰ্চ্চাকৈ
আহিছানে? এক বিপ্ৰ তোমাক বিচাৰি আহিছে দেহোঁ।
বোলে আনাগৈ; আমি লোকদ্ৰব্য খাই নিদি আহোঁ,
তোমাৰ মনে লয়, যোৱা আনাগৈ। আনিছে। মহাপুৰুষ
গুৰু খোজা চাৰি আগ বাঢ়ি আনি ঠাই মচাই ঠগা দি শাস্ত্ৰ
থলে। আসন দিছে বহিল। দুই চাকৰে পাও ধুৱালে।
পাচে গুৰু সুধিলে, তোম্ৰা ক'ৰ পৰা অহা যায়; কি শাস্ত্ৰ
আত? বিপ্ৰে বোলে বাৰানসী তিৰুতীয়া গ্ৰামে গৃহ,
পঢ়িলোঁ ব্ৰহ্মানন্দৰ ছাত্ৰ শালে বাহ্রু বৰ্ষ, গুৰু নাম দিলে
জগদীশ। বাহ্রু কন্দ কণ্ঠোগত হৈ জগন্নাথলৈ শুনাবলৈ নিলোঁ।
স্বপ্নত জগন্নাথে বোলে কিয় আহিলা? বোলোঁ ভাগৱত
শুনাবলৈ। বোলে মই অন্তৰে চৈতন, লোক দেখাই জৰ
ভাবে আছোঁ। দোষণ সিদ্ধান্ত কেনেকৈ দিম? মই অ'ত
কলাহে, পূৰ্ণে শঙ্কৰ ত'ত হে। ত'তু কলেহে আমিও পাঞ
শঙ্কৰেও পাই। মাতা জগন্নাথ ছাৰা হে। বোৱাগৈ সুধি
পূৱ দেশে 'ব' আদি গ্ৰাম। ছয় মাসে সুধি পাইহোঁহি
আপুনাক। তেহে ৰামৰামৰ গৃহে ঠাই দি তোষিন কৰালে।
তেহে বিপ্ৰে বোলে এত কথা শ্ৰবণতে ভৈলো বাহুও বৰ্ষ
গণ্ডু কম নো কি? পাচে মাত্ৰ বাৰ তিথিত সবাই দি ভাগৱত
পঢ়ালে। এক বৰ্ষে ভাগৱত অভ্যাস হলো, বিপ্ৰক ৰাম

বুজিলে ; "কতো মুখে গাঙ্গত বুলিও কয়। ৰামৰামৰ হতুৱা সহস্ৰা কৰাই ক্ৰিয়া কৰ্ম্ম কৰালে। তেহে মূল চাই আহিঁ লৈ

উদ্ধৱসংবাদ

পয়াৰি পদ কৰিলে, প্ৰথমৰ পৰা দ্বাদশলৈ আঠ কন্ধ, উদ্ধ সংবাদ মূল নাইকাতে কৰা। পাচে গুৰুজনে জগন্নাথৰ কৃপা

ওড়েষাকীৰ্ত্তন

মালি গুণ বৰ্ণালে ওড়েষাৰ একৈছটা কীৰ্ত্তন। পাচে দশম পঢ়োতে ওলাল—

"বিষ্ণু বুদ্ধি কৰি নন্দৰ পোক।
দেখাইলা বৈকুণ্ঠ ব্ৰজৰ লোক॥"

শুনি ভক্তে প্ৰাৰ্থনা কৰিলে বাবে ভুঞা সমে, গোপ গোপী যে কৃষ্ণে দেখালে, আমাৰো কৃষ্ণ তুমি, ইচ্ছা গৈছে দেখোৱা যক। তেহে ভূঞা সবে দল কৈলে। গুৰু কপিলী মুখৰ কলঙ্গ কাখৰ কুমাৰত খোল গঢ়ালে জোখা দি, দাইনা সাত আঙ্গুল, বেঞা তেৰ আঙ্গুল হ'ল, চালে। ঘুন দিবৰ ভু নাপাই মাত নোলায়। কষ্ট পাই অসন্তোষে আছে ঘুমাই। ভাত খাই পাতৰ কাকে ঠোট খহালে মাত

চিহ্নযাত্ৰা

ওলাল। তেহে বৰা ভাতৰে খোলা গুৰি বটি দিছে। নাট সূত্ৰ সৰ্ব্ব আৰিয়া জো কৈ পাতিলে, চন্দ্ৰকৈ সন্ন্যাসী ৰূপ ধৰি একৰূপ ধৰি দেখাইছেহি লোক দেখাই। তুলাপাতত সাত বৈকুণ্ঠ লিখিছে, কল্পতৰু দিবলৈ ব্ৰহ্ম হৈ থাগিত খাই আছে। চন্দ্ৰৰী আইএ ধান হতাইছিল। বোলে ভেকাগিৰি, সেইখিতে নিদিয়া কিয়, শ্ৰীমন্দিৰ কাণে সপ্তমবাৰ আগ কৈ? তেহে গুৰু দিছে, পচিমে ৰাহু ভূঞা চাপি দল বান্ধি যাত্ৰা পাতিলে, বৈকুণ্ঠৰ পৰা ৰৰধেমালি বোৰাধেমালি তাল মান নবাহি গালে তীৰা বায়নে, গুৰুজনে বায়ুমণ্ডলি বাগ দিলে। অৰুণ গায়ন বলাই গায়ন তিমিৰ বাগ দিছে; পাতিসোন্দৰ পাত সখি গদা মেঘমণ্ডলি বাগ দিলে, লাখিল

পাত। গুৰুজন সাত বৈকুণ্ঠৰ ঈশ্বৰ। ৰত্নাগু গায়ন হৈ মেঘমণ্ডল ৰাগ দিছে। পাতিসোন্দা গাছ আছিল, পাত সৰিছে; পুৰ হলত লাগিছে। মেঘ দি বৃষ্টি আনিছে। নদী বিলে খলকি ঢৌ উঠিছে। ৰাত্ৰিদিন পুৰুষ স্ত্ৰী অচিন হ'ল। ৰায়নত, নটুৱাত, সূত্ৰ, ওজা, নাৰদ, এই চৈধ্যৰূপ হৈছে। লোক ৰায়ন্তে দেখি অদ্ভুত আশ্চৰ্য্য হ'ল। ঈশ্বৰ বুদ্ধি কৈ মানিলে সবেও। ব্ৰাহ্মণ সবে মহিমা ঈশ্বৰশক্তি দেখি শৰণ লবলৈ ধৰিলে। এবাৰ নোৱাৰি গুৰুজনে বোলে দেবী দুৰ্গা সেৱা পূজা এৰিলেহে ই বস্তু ৰব পাৰি, দিবও পায়, আৰু দশম শাস্ত্ৰ লাগে, আজিলৈ ৰক বুলি দান দক্ষিণাকৈ পঠাইছে ভাণ্ডি। পাছদিনা কবিৰত্ন, বিদ্যাৰত্ন, সৰস্বতী, ৰাম, ৰাম-ৰাম গুৰু চতুৰ্ভুজে স্বপ্ন কথা কৈ শৰণ লৈছে, সিহঁতেও লৈছে উদ্ধৱ সংবাদ আগে থৈ।

আৰু একদিনা স্নান ভোজন কৈ, নবিন বস্ত্ৰ পৰিধান কৰি, তুলসী খোপ মাথে লৈ কমলিধৰা পৰমানন্দেৰে গৈছে ৰূপধাঁৰ আলিয়ে। পথকৰা লোকে সেৱা কৈ কতখানি গৈ ৰয়, খনো সোধে বোলে বাপ কলৈ যায়? বোলে এইখিনিতে আছো। এটা স্ত্ৰীয়ে চাই আছে দৃষ্টিলৈকে। ৰাওৰ্দ্ধন পৰমানন্দে সুধিছে, গুৰুজনে কৈছে ৰেণুকাৰ জন্মৰ কাৰণ, ইবাৰ সাৰিব বুলি। পাছে লৈ দেওৰা কাষে গৈ দলনি ভূঞি পালেগৈ। পৰমানন্দে বোলে, ভেকাপিৰী এই পথে কথা ৰাণ্ডে পাৰ, লোকে পছ এৰিলে অসুত। তুমি বা কলৈ? গুৰু বোলে ভয় নকৰিবি আছ। ৰাণ্ডে চন্দ্ৰ দৃষ্টিৰ দেখি বিদ্যুৎ সকাৰে বেলি আছিছে, ৰাম্ভ বেগে হুই শিং তাৰি, সমীপ পাই চাই ৰেখে বৈ আছে। আন লোক তিনি জন ৰাখে পোৰাত বোৰে খেদি গৈ এ [illegible] তেওঁতে ৰুক

থোপুটি মাৰি দিলে, শিশুত পৰিচুকু থাকি থৰিলে। সেই শিশুত ধৰি থুঠৰি ঠেকেছি আলি খাৰৈলৈ মাৰি পঠালে, অৰিষ্ট মৰাদি পৰাই। কতো বেলি বৈ পৰমানন্দে জুমি চাই দেখে শ্বাস নিশ্বাস নাই। ভয় হৈ বোলে ভেকাগিৰী ভাল কৰিলা, গৰু মৈল। পাছে কতখানি থাকি এক আখি পিৰিকিয়াই চাই দেখে আগতে আছে। তেহে প্ৰাণৰ কাতৰে উঠি লৰ মাৰিলে। কমলিধৰা হাস্য কৈ বোলে ভেকাগিৰী ধৰা ধৰা। ভাবে পৰা আনসবে যত দেখে ভেকাগিৰীৰ কথা ক'লে ভিৰি ল'ৰ মাৰে। পাছে পৰমানন্দে সবাতে কলে ষাণ্ড-মৰ্দ্দা। শুনি আশ্চৰ্য্য হ'ল; ভয় ভাগিল ফুৰিবলৈ।

আক বা সুস্তিএ লোহিত গৈছিল। টেম্বুৰা জানে জল সোমাই প্ৰজাৰ শস্য হানি কৰে। কেতাই খাঁ, বুঢ়াখাঁ, ৰামখাঁ, হৰিখাঁ, গাভুৰখাঁ, শ্ৰীৰামখাঁ, হৰামখাঁ, ৰূপখাঁ, বিৰামখাঁ, শ্ৰীহৰিখাঁ এই সবকে মুখ্যকৈ বাহ্রুভুঞা চাপি ধৰ বান্ধে, চামধৰাতে কপিলীমুখলৈ উত্তৰে শিঙৰী মৌতাতে মানুহ চপাই গোজ খাম মাৰি চতি খুৱাই বান্ধে, তাতে ৰাৰম্বাৰ। প্ৰজা হাৰাশান্তি হ'ল। পাছে সবে চাপি শ্ৰীশঙ্কৰদেৱকো নিয়ালে, অনেক ব্ৰাহ্মণ পণ্ডিতো চপালে। অনন্তকন্দলি, মহেন্দ্ৰকন্দলি, গোবিন্দ মিশ্ৰ, খৰা মিশ্ৰ, অৰা মিশ্ৰ, গৰা মিশ্ৰ, চন্দ্ৰ সৰস্বতী, ৰাম সৰস্বতী, সন্ধি সৰস্বতী, ঠেঙাল সৰস্বতী, বাগী ভট্টাচাৰ্য্য (১) হৰি ভট্টাচাৰ্য্য, বাগী ভট্টাচাৰ্য্য (২) তৰ্ক বাগীশ, ন্যায় বাগীশ, কবিৰত্ন, বিদ্যাৰত্ন, হেমৰত্ন, পঙ্কৰত্ন, চন্দ্ৰখড়ি, সূৰ্য্যখড়ি, বিজয়খড়ি, ৰত্নখড়ি, ৰত্নতাৰতী * * * অনেক। গুৰুজনে সৈ বোলে বিপ্ৰসৱ এই জান ধৰ শাস্ত্ৰী হলেহে বান্ধিব পাৰি। পাছে ব্ৰাহ্মণে বোলে আমাৰ তৰ্ক পঢ়ি শাস্ত্ৰী আছে, কাহৈলৈ আনা হব। বোলে

আনিবাহা, এইখানি কৰা—পলৰে ব্ৰহ্মপুত্ৰৰ জল আনিব লাগে, ব'লেহে পতিব্ৰতা সতী। তেহে গৈ সবে বিপ্ৰে সুধিলে, গৃহে পতি ওলাল। পলৰে জল অনা ক'লত তোছাখালে নপাবো বুলি। পাছদিনা সবে চাপিল। গুৰু সুধিলে। বোলে আগে ঘৰে ঘৰে মঞ বুইলে, জল অনা ক'লত পাছ হুইকি পৈল। তেহে গুৰুজনে বামুণৰ আগত স্কন্দ পুৰাণৰ এক আহি কৈছে—কলিঙ্গ দেশৰ ৰাজাৰ মুখত বেথা ৰোগ হ'ল। পাছে দুখত ৰাজা এনে অঙ্গীকাৰ কৰিলে বোলে মোৰ ব্যাধি যেঞ চাৰ পাৰে তাকে মোৰ অৰ্দ্ধ ৰাজ্য দিম। তাকে শুনি অনেক দেশৰ অনেক বৈদ ধনন্তৰী, অথৰ্ব্ববেদী আহি অনেক টকা ৰাখৰ বজত সুৰ্বণ ভাণ্ডি জাৰণ কৰি খুৱাই দিঞ; ফোত মিছা। পাছে ৰাজাৰ আপাল লাগি নিহলে ৰাখি থয়। এই মতে কত বন্দী হৈ পাৰি আছে আশাত। পাছে কতোদিনৰ মূৰত এটা বেজ মজলীয়া আহি দ্বাৰত বোলে ৰাজা বন্দী নকৈলে আমি এ চালোহতে পাবো কি চাবো। দ্বাৰী জান দিলেগৈ ৰাজা নিয়ালে। গৈ বৈদ্যে বোলে চাব পাৰি, শাস্ত্ৰীৰ এটোপা খীৰ লাগে। ৰাজাৰ ওচৰতে গুৰু ব্ৰাহ্মণ আছিল চালে। বোলে মহাৰাজা, আমাৰ গৃহে আছে, এতিক্ষণে অনা যাব। এই বুলি উঠি গঞ ভৰি গৈছে। পথে পাই যি লোকে সুধিলে বোলে বৰ বেগ দহো? বোলে ৰাজা ঔষধলৈ শাস্ত্ৰীৰতন আনো আমাৰ গৃহৰে। পাছে সি বোলে তই সৰ্ব্বনাশ হবি—ব'হো নই কণ্ড, তুমি গৈ চোতালৰ মূৰে মুৰ ঘুমাই বসি থাকগৈ অসন্তোষ তাৰে। আনসৰে মাতিলে পা সুধুবি। পাছে তোৰ ভাৰ্য্যা মাতিলে এই কথা কমি বুলি এপাপতি-বেজাৰ তন বিচাৰি দিব দিছে ৰাজা ঔষধলৈ, বৈদে খুইছে-ক'ত পাওঁ, কি পা খুব যা। বিপ্ৰে গৈ সেই

মতে আছে ৰহি। পুত্ৰে ভাতৃ মাতে, নমাতে। পত্নী গুলাই মাতিলেহি, কলে সেইক্ৰমে। তাই বোলে গা ধোৱা কি চিন্তা কৰা মোৰে নহৈছে একহে কৰ্ম। পানীলৈ যাওঁতে পুৰাম ; নি দিবা। বিপ্ৰে শুনি অঞাহি হৈ শুনি মনে বোলে মোৰ জাতি ক্ৰিয়া সকলো গ'ল। এই বেশ্যাৰ সঙ্গে—জীৱ দুখহে হব। এই বুলি সবাকে ছাৰি বনে গৈ যোগ চিন্তি গতি লভিলে। জানা গুৰুসৱ, তোম্ৰা সবৰো তেনেহে হৈছে। বামুনে শুনি মৌনে তুষ হেট মাথে অধোমুখে ৰ'ল। তেনেন্তে লুইতে পূৰ্ণানন্দ নামে পত্নী যোগমায়াৰে— বাধিকা বুলি কতো সবে কয়, উজাইছে। পত্নীয়ে সুধিলে বোলে সেই কিহৰ মেল ? বোলে ৰাৰে ভূঞা ধৰ বান্ধিবলৈ

বাধিকা শাস্ত্ৰী শাস্ত্ৰী বিচাৰিছে। বোলে মঞ শাস্ত্ৰী। পূৰ্ণানন্দে বোলে সবাতে হীন তুচ্ছ অধম জাত, আমাত তই জো শাস্ত্ৰী। বোলে কিয় ? তোম্ৰাত ৰাজে পৰ পুৰুষত মুখ যি নাচাওঁ হাঁতো ভৰি দিয়া আছে নায়। এনে বোলা কৰা শুনিলে কিনাৰত। গৈয়ে সেই মেলতে কলে ৰলদা মুদৈঞ। পাছে গুৰু তেতিক্ষণে মতাই নিয়ালে। পাই সেৱা কৈলে। গুৰু এজুৰি ধৌত বস্ত্ৰ পল দি আশীৰ্ব্বাদ কৈ পঠালে। সেৱাকৈ গুৰু আজ্ঞা শিৰে ধৰি জল আনিলেগৈ। চাকৰ চাৰি আঙ্গুল কম হ'ল। গুৰু সুধিলে কিবা দোষে কম হ'ল জল ? বোলে সুমথিৰা জনীজামাইক পাত কাটিবলৈ কাচি দিওতে মুখ দেখা গ'ল। দাসীত এইখানি অপৰাধ, গুৰু বোলে এইখানি হলে আমি সবেও লৈছো। পুনু আনাগৈ। আনিলে, চা'কৰ পৰা বাঢ়ি আছিল। ৰাকি দিলে, বেশ পূৰ হল। কতো মুখে কয়—বাটিহে আনিছে পলৰে। সবে লোকে বাটি দি দুজি বাঢ়িলে—শাস্ত্ৰী জান নাম হ'ল, কু-তৰ্কী নিন্দুক কৰ্মী [illegible] মুখে চাই পেলাই, শাস্ত্ৰী পূৰ্ণ [illegible] গ'ল।

আৰু পোতনি পাথৰি গৈ নৈনেৰে জলাহৰে মাজ পৰ্ব্বতৰ নিকটে অনন্ত কন্দলীৰ গৃহ বাৰী খাত। মহাপণ্ডিত, পুৰান, ভাৰত, ভাগৱত বেদ, জ্যোতিষত, পাৰ্গত, তথাপি হৰিবিমুখ শাক্ত। ধৰ্ম্ম পূজে। সন্তোষ হৈ পূজা ব্যক্ত হৈ—বৃষভ স্বৰূপে গ্ৰহণ কৰে নিতে। তাৰাৰ পত্নীটী মহা শান্তী, বিষ্ণুভক্তা, অশোকাৰ বিপ্ৰপত্নীৰ সদৃশ। আএ নিতে হৰি গুণ পাই গুৰুজনৰ মাহাত্ম্য উৎকৰিষা কৰি থাকে। বিপ্ৰে নসই আনত লগাই মাৰিলে। সেইদিনাৰে পৰা পূজে, নোহ্লায়ো নাখাইও। পূজা নলয় যেন জানি মনত কষ্ট বিপ্ৰৰ। আএ একদিনা স্বামীত সুধিলে বোলে তোমাৰ দেখো মনটি কষ্ট? বোলে কি দোষ, মই যাক পূজিছিলোঁ। চৈতন্যৰূপে লৈছিল। তোক মাৰিবৰ পৰা নোলাই নাখাইও। পাচে আএ বোলে ধ'ৰ বস্তু ভলৈ গ'ল। বোলে ক'ৰনো? বোলে শ্ৰীশঙ্কৰৰূপে হৰি অৱতাৰ পূৰ্ণে বৰভ্ৰৱাত। ত'লকে গ'ল। কন্দলী সেই বেগেই গ'ল। পাই দেখে গুৰুজন বসি আছে হৰি কথা চৰ্চ্চি ভক্তে সমে; 'পাচতে ধৰ্ম্ম পৰি আছে কপিলা গোৰূপে। দেখি বিপ্ৰৰ লোম সিহৰি প্ৰেম কৰি আছিল। তেহে মহাপুৰুষ গুৰু বোলে মধুভাৰতী দেখো অহা যায়? তোত্ৰা মহাভাগৱতবক্তা পণ্ডিতৰ মধ্যে শিৰোমনি। তেহে বিপ্ৰে নত্ৰ ভাএ পৰি বোলে বাপ, দৰশনৰো কাৰ্য্য, আৰু আমি ধৰ্ম্মক পূজিছিলোঁ। উত্তৰ হৈ পূজা লৈ গ্ৰহণ কৰিছিল। আত দেখো আছেহি। তত পূজেঁাহে হই নাই। বোলে তোমাৰ যদি হয় বিদ্যা বল, আমি অনা নাই। তেহে বিপ্ৰে লৈৱাকৈ তুতি নতি কৰি ধৰি ভূমিৰ থোৰে লোমো লাবিৰ অপাৰি অধোমুখে ৰঁাতি গ'ল। গৈ ব্ৰাহ্মণক বোলে হয়, ধৰ্ম্ম তুক [illegible] আছেহৈ আৰু [illegible] বাৰ [illegible] কথাক [illegible] হয়।

অনন্ত কন্দলী
মধুভাবতী

আৰাক অসুয়াকৈ তোক মৰাতহে মোক এৰিলে ধৰ্ম্মে। তাৰে পৰা নিতে গৈ ভাগৱত কয়, নাম লয়। একদিনা শৰণ পৰীক্ষা মনে নিচই কৰি বোলে আকে যদি বুজে মনৰ কথা, আৰা কৃষ্ণ, ভজিম গুৰু। পাচে সেই দিনা ভাগৱত কৈ ৰ'ল। গুৰুজন ভোজন কৈ উঠাৰ বেলা হৈছে। তেনেতে ধৰজা আতৈত কৈ জনোৱালে বোলে আমি গুৰুজন ঠাই যাব খোজোঁ, কি বোলে? গৈ কলে। তাৰা বোলে সজ, আনাগৈ। নিলেহি। পাই দণ্ডৱতে পৰি বোলে বাপ, অৱশেষ প্ৰাৰ্থনা কৰিছোঁ। মহাপুৰুষ গুৰু হস্ত দাঙি বোলে বিপ্ৰ উঠা, যক, পাৰা। বোলে আমি আদ্য কৰিম, মধ্য শেষ কৰিবা তুমি। কৃষ্ণৰ ভক্তি লীলা বৰ্ণাই গাহিবা। সম্পূৰ্ণ কৰিব খুইছিলোঁ, তুমি যে প্ৰাৰ্থিলা কৰা গৈছে। তেহে বিপ্ৰ অদ্ভুত আশ্চৰ্য্য হ'ল প্ৰভাৱৰ কাৰ্য্য চাৰি ভৱিষ্যৎ কথা জানে বুলি। আৰাহে দৈৱকী পুত্ৰ, ঈশ্বৰ কৃষ্ণ, নৰদেহা ছলহে ধৰিছে। এই বুলি নিচই কৈ গুৰু মানি শৰণ ললে। তেহে কৱিত্বা কৰিছে দশম দোহৰা, সাতকাণ্ড ৰামায়ণ, ৰামকীৰ্ত্তন, ৰামগুণ মালা, ঘুষা কীৰ্ত্তন, বৈষ্ণৱামৃত, মন্বন্তৰ, মৎস্য মাধৱৰ চিত্ৰকেতু চৰিত্ৰ, চতুৰ্থ, পঞ্চম, সপ্তম, নৱম, ৰৱচুতীয় ৰামমালিকা, কাণ খোৱা, জীউস্তুতি, ৰুদ্ৰযামল, সাত্বত তন্ত্ৰ আনো শাস্ত্ৰ সব কৰিলে আজ্ঞাতে গুৰুজনৰ।

সাৰ্ব্বভৌম ভট্টাচাৰ্য্য

আৰু সাৰ্ব্বভৌম ভট্টাচাৰ্য্যে কাশী, বাৰাণসীতে পঢ়ি পণ্ডিত হৈ গুৰুজনক বাদে ভজাবৰ চিত্তে বুলে শাস্ত্ৰ বিচাৰি। একনিশা ৰহতে ধৰ তাম্ৰৰ চকাত তৈল-বলাই তাবিছে জীৱক। জিজ্ঞাসাহি হৈ বুলিলে এই প্ৰাণী কি পাপ দোষ কৈলে? বোলে শম্ভুক শুক ৰমানি শাস্ত্ৰ পৰ্ব্বে বাদ কৰা পাপী। শুনি [illegible] নিৰ্ণতি হৈ সাৰ পাই শতৰ [illegible] কৰি আছি

ঈশ্বৰ বোধে মানি শৰণাপন হ'লহি। পাছে শাস্ত্ৰ চাই যোগিনী তন্ত্ৰ, হৰগৌৰী সম্বাদ, ৰুদ্ৰ যামল, সাত্বত তন্ত্ৰ, দীপিকা ছন্দ, পদ্মপুৰাণ, স্বৰোদয়, এই সৱত পাই স্বৰ্গখণ্ড, স্বৰ্গ আৰোহণ স্বৰ্গ-খণ্ডত গুৰুজনৰ ঈশ্বৰ শক্তি পূৰ্ণে বান্ধি পণ্ডিতৰ মুখে ছাই দিলে।

আৰু কছাৰীয়ে বাৰে ভূঞাৰে গৰু, খেতিপথাৰ একেলগে কৰে। কছাৰী সুৰা পি লৈ সহ খুৱাই লৰা মাৰে। অসুবিত ৰব নপাৰে ভূঞা সৱ। ৰাজা প্ৰজা যৰে পাই লুটি মাৰি নিএ আগুৰি। বুঢ়া খা, কেতাই খা, গাভুৰ খা, ৰূপ খা, ৰায় খা সবেও চাপি আলচি বোলে এই কছাৰী কেমৰ বুদ্ধিকৈ চলেৰে মাৰোহঁক। এই বুলি তাৰে শঠামিত্ৰ হৈ ভোজ পাতিলে হাৰিত দেওঁৰা বিলৰ কাষে। সবাকে কছাৰী তালকে মাতিনি খাঞতে-বেঢ়ি মাৰিলে, কতো লৰ মাৰি কছাৰী ৰজাত পৈলগৈ, কতো বন সোমাল। শুনি ৰজা লস্কৰে প্ৰজা খাণ্ডা বাৰুধৰি আহিল খেদি। মহাপুৰুষ গুৰু ভক্তে সমে হৰি কথা আনন্দতে অৰ্দ্ধ বৰ্ষ গল। পাছে ভূঞা সবে মাৰি গৈ গুৰুজনত কলে। বোলে কিয় প্ৰাণী বধ কৰ? সবাকো মাৰিব কছাৰীএ। বোলে কলৈ যাম, কি হৰম্ভু? গুৰুবোলে আগে নোসোধ যি কৈলি, এতিক্ষণে ওলাইক, লুইত পাৰ হ। যাৰ যি পাই থাপতে লৈ তাগিল। ধান, বস্ত্ৰ, গো, মহ সব ৰ'ল। গৈ ব্ৰহ্মপুত্ৰ পালে, দেখে নৌকা নাই। গুৰু বোলে এইতে নামহঁক যাব, পাইছি হে। নামি গৈছে আজ থালে যমুনা নন্দক, সমুদ্ৰে বাসক পথ দিয়াদি ব্ৰহ্মপুত্ৰ অগাধ জল গুৰুবাকো উৰাজ হৈ পথ দিলে। সবে লোক নামি গৈছে; গুৰুজন পৰাতে আছে। সবাৰে পাচত নামি ছুৰেঞ মান গৈছে। তেনেতে কছাৰীৰ লৈল, ধেনু, ৰাৰুএ খেদি পালেগৈ পৰ লেখ ছুটি ৰহনে আছে; দেখি গুৰু হাত লপালে। তেতিয়া এ জলতে গীতা শাস্ত্ৰ পৰ

কছাৰী আৰু ভূঞাসকলৰ ঘ...

গীতা শাস্ত্ৰ

উটা পাইগৰি দাজি বোলে, মই বৈৰাগী, সন্যাসী, অখিলুহে, তইঁতৰ দ্ৰোহী নহঞ পা। বোলে, আমাৰ নো মানুহ কোনে মাইলে? বোলে এই ভোৰ মাৰি পলাইছে ভাগি। পাচে নামি গৈছে-খেদি অনেক কছাৰী। গুৰু আগতে গৈছে। দৃষ্টিৰে-দেখি লুইতক চাৰিও নামি এতাল, গুৰুজনো উঠিল উত্তৰে আথাউনি হৈ সবে কছাৰী ভাঙি তেনেই মাৰ-গ'ল। ভূঞাসব দেখি অত্ৰাহি হৈছিল।

কোচমাৰণ

গাজমৌত থিতি

সবাৰে ধাতু নামিল গুৰুজনৰ প্ৰসাদত। পাচে ৰ'তাতে ৰহি জ্ঞাতি মিত্ৰে এটা খেতি কৰি খাই সুস্থই ছমাহ আছে। পাচে কোচ মাৰণ লাগি দেশ ভাঙিছে-নিশা আকাশী বাণি শুনি পুৰা উজাল। আহি গাজমৌতে থিত লৈ কৃষি গৃহ কৰি ৰ'ল বাৰেও ভূঞা।

তুলসীৰাম

জয়ন্তৰ পাৰিনাতি তুলসী ৰাম শ্বেত ৰোগ হ'ল পূৰ্ব্বৰ কাৰণ নিমিত্তে। জীৱিকাৰ কষ্ট পাই। গুৰুজনত প্ৰাৰ্থিলে গৈ। ঘাটৰে বাটৰ জলৰ আলিৰ ঠিকানা চাই এটি-গৃহ বাৰী কৈ এস তুলসী কই নাম-গোৱাগৈ, অন্ন বস্ত্ৰ দিব ঈশ্বৰে। সেইৰূপে চাই কৰি নাম ধৈলে, খাব নপাৰা দ্ৰব্য মিলিল। আকজন চাৰি চাপি গাই খাই আছে। তেহে কালৰ প্ৰমাণে চলিল। সেই শৰীৰেই নিলে। গ্ৰামৰ লোকে ৰথৰ প্ৰকাশ জ্যোতি দেখি চালেহি, তুলসী হালি আছে, তাৰা গ'ল। নামৰ মাহাত্ম্য দেখি আশ্চৰ্য্য হ'ল। তৈতে পাচ বৰ্ষ ৰহি ডকলা মাৰণ লাগি উজাই গৈ চাজিনি কোমৰা কটাত ৰ'ল চাৰিমাহ পানী তল গ'ল। মলবালৰ আটিত গৈ চাক পাতি চোম পাচে আছিল ছমাহ। তৈতে বৰঠাকুৰ দেৱৰ জন্ম। পাচে মহাপুৰুষ গুৰু জীৱক কৃপাকৈ বিৰজন ছুখ দেখাই তন্থূলি ৰমৰ ছুটি গীত কৰিছে "পাঞ পৰি ৰখি", "গোপাল কি গতি কৈলে"। বাহ লাখীৰ ঠৈক, যেতিও জলে বিলে, ডকলাৰো জোট ছমাহ ৰহি

ডকলা মাৰণ
কে মৰা কটাত
চাৰিমাহ

বৰ ঠাকুৰদেৱৰ
জন্ম

সবেও আলচি ৰাম ৰাম গুৰু, ৰামদাস, বুঢ়াখা, কেতাই খা, গাভুৰু খা, ৰাম খা, হৰি খা, ৰূপ খা, জইহৰি, সেন্তেৰি, ৰহাইদলৈ, অহাই ঠাকুৰিয়া, উতৰাবাৰি, জৰামবাৰি, বাজনবাৰি, অৰ্জুনামুদৈ এই সব গৃহ খেত কৰিবলৈ লুইত পাৰহৈ বেলগুৰি ধুৱাহাটা গ্রামত ৰহিলহি। পাচত মহাপুৰুষ আহিল। সেই গ্রামে দুটা বৌধমতীয়া টাটকীয়া আছিল। এটা হয় ব্যাধি, এটা হয় বৈদ্য। হৈ জাৰে ফুকে সজ হয়। বস্ত্র, টকা, ধান, উপাধি দিএ যায়। এই মতে প্ৰবৰ্ত্তি আছে। গুৰু শুনি পাষণ্ডমৰ্দ্দনৰ কীৰ্ত্তন কৰি দিলে। ভকতে পাই ফুৰে। ৰব নপাৰি গ'ল গুচি দাভিলৈ। পাচে কীৰ্ত্তন গৃহ কৰি কথা শ্ৰৱণ, কীৰ্ত্তন ওজা সবে ভক্তে শুনে, গুৰুজনে কয়। ৰাম ৰাম, ৰামদাস ঘোষা কীৰ্ত্তন কৰে, এই মতে ৰহিচন্ত। বেলগুৰিত ৰহিলন্ত পাষণ্ডমৰ্দ্দন

আৰু বাৰে ভূঞা কামৰূপ আদি পুথুৰীতে ইদেশে উজাই অহাত নৰনাৰায়ণে শুনি নিৰলৈ যুদ্ধেৰে পঠালে চিলাৰাইকে গাভুৰখাকে। ইন্দ্ৰৰ সন্তান। মনকুমৰ পৰা নামি অহা ৰাজা দিহিঙৰ হালধি বাৰীত নগৰকৈ চুপ খা সিংহে লাইখা বল ভতে পাত্র লেকাই চেটিয়া চিন্তামনি গড় বান্ধি যুদ্ধ দিলে ভঙ্গালে। বায়ত ভাগি বন সোমাইছে। পাচে উপাই নপাই ৰাজা বাতিএ দূতক পাচিলে গুৰুজনক নিৰলৈ। বোলে তাৰা সব বাৰে ভূঞা অহাত মোৰ দেশে বজালেৰে যুদ্ধ। কি উপাই বুদ্ধি দিএ আনগৈ। দূতে গৈ পাইকলে ৰাজ আজ্ঞা। পাচে গুৰু জগতানন্দ আতাকে শিকাই বুজাই দিলে। বোলে ৰাজাত কৰি আৰে মতে চলিব যি কই জয় হব। আনি বোপালেনি। ছেহে গৰুত বামুণ তুলি নটাত আনকো বঁতৰ বটিয়া, তাম, পিতল, আজুঠি দি যুদ্ধত আগ কৈলে। চিলাৰাই সোনাৰ বাৰবান আহুলিখাৰ বৈ গা ধোঁৱতে বজাজিলা বাণ দি দি ৰাজাক দিলেনি। তাতো জয় পালে। ৰাজাৰাজে চিলা দেখা

পালে নাশ। চিলাৰাএ গোব্ৰাহ্মণ দেখি যুদ্ধ এৰি হুহকিল। অহমে খেদি কলিয়াবৰ নাম কৈ চামধৰা গৰ বান্ধি সীমা কৈলেগৈ। পাচে ৰাজা বটা বাহুণ দি ৰাম ৰায় নাম দি থৱালে নি। কতো চিন মাৰি কতো ধন ভৰি লেকাই চেটিয়াত শূদ্ৰে বামুণ হ'ল। পাচে চুপখাৰ পুত্ৰ হল ছেঙ্মলুখা ৰাজা হৈ দলৈ গুৰিত নগৰ গৰ কৈ ৰ'ল। তানে পুত্ৰ মনচেঙ্গ ডুখৰিদিচামত নগৰ ব'ন্থৰ কৈ ৰ'ল। তানে বেটা চাৰি ভগা ভগনীয়া লাইথা চুঙ্গফাৰ বেটা খোৰা লেঙ্গফা।

আৰু কমললোচন, হৰিচৰণ; দুহিতৃ হৰিপ্ৰিয়া ৰুক্মিণী আপীৰ জন্ম হ'ল॥

॥ এভিৰ্যা ছোট আতাৰ বংশাবলী চৰিত্ৰ ॥

(মাধৱ দেৱৰ জন্ম বৃত্তান্ত)

প্ৰথমে আদি কৃষ্ণ ভূঞা, তানে পুত্ৰ বিষ্ণু ভূঞা, তানে পুত্ৰ গোপাল ভূঞা, তানে পুত্ৰ কৃপাল ভূঞা, তানে পুত্ৰ ৰাম ভূঞা, তানে পুত্ৰ জনাৰ্দ্দন ভূঞা, তানে পুত্ৰ চিৰাম ভূঞা, তানে পুত্ৰ মুকুন্দ ভূঞা, তানে পুত্ৰ গোবিন্দ ভূঞা, তানে পুত্ৰ কাৰণ গুৰুজন জ্যেষ্ঠ তাতৃ দামোদৰ, পত্নী শচী তানে পুত্ৰ অনিৰুদ্ধ, তানে পুত্ৰ পৰ্শুৰাম, তানে পুত্ৰ ৰামদেৱ, তানে পুত্ৰ পৰমানন্দ বস্তুকান্ত।

একদিনা বৃন্দাৱনে হৰগৌৰী যাই আকাশে খীৰ সাগৰ ত্ৰিকূটলৈ। জাখিয়া কছাৰী মাজতে গৈ জিলৈ পৰ্ব্বতে আবা কাটি খান, কচু কোমোৰা, কপাহ, আলু, মাহ, অবিৰহ কৰি উদি দি থাকে। তাৰ পত্নী ঈষা, দিবা নামে শিৱ স্নান হৈ

গা মুখ ধুই মোৰা নদীতীৰে বতি সম্ভোগক ইহাৰে স্বামী লৈ
খেদ কৈ বসি ঘুমাই আছে। দেখি গোঁৰী হৰত পুচিলে
ইটো স্ত্ৰী কিয় কান্দে? বোলে আলকে আহা তুমি।
শৃঙ্গাৰ ইছা কৰে, ক'ৰ পাব; পতি আছে পৰ্ব্বতে। বোলে
প্ৰভু. মন তাইৰ শান্ত কৰা যক। আমাৰো তেনে। পাচে
সেই স্ত্ৰী গৈ ভাত, পিঠা, চিৰা, দধি, মধু লৈ কছাৰী তলৈ
গৈছে। পতিব্ৰতা শান্তী ভক্ত প্ৰিয়াৰ বাক্য ৰাখি হৰে সেই
কছাৰী ৰূপ ধৰি পথে সবে দ্ৰব্য খাই লৈ শৃঙ্গাৰকৈ গ'ল।
কছাৰণী ফিৰি গৃহে আহিল। কছাৰীৰ চাউল ধুকাল।
নিৰলৈ নামি পালেহি গধূলি। পাই ভৰ্ত্তি বোলে সোমাই
খাই থাক, ভোকে, জাৰ, বতাহে থাকোঁ, এগাল চাউল পিঠা
লৈ যায় নুৰাৰ? তাই বোলে অথনি খাই লৈ শিলিখাতলে
বহি নগৈছ? সি ৰাগি টাঙ্গন লৈ উঠিল। নিজম দি ৰ'ল
তাই। পাছে দুয়ো প্ৰীতি বশে ৰ'ল। পাছে অল্পকালে
সদাশিৱৰ ব্ৰহ্মবীৰ্য্য উত্তৰ হ'ল। মহাবজ্ৰময় অজৰ অবধ্য
শৰীৰ আজি কালিকৈ সাত বৰ্ষ, গৰু চাৰিব ধৰিলে। সবাৰে
উপৰি দলৈ হ'ল। গৃহতে মাটিৰ দুৰ্গা সাজি কৰিল কাটি
বলি দি পূজে নিতে। গাপতি লৰা কৰিঙ্গ দিএ চেচুৰে চেকনি
কুদা পুতি কাটে। পাছে এটা লৰা নাপালে। দুই তিনি
লৰা বলে ধৰি আচাৰিত ভিভি স্বমাই চেচুৰে ৰেপ মাইলে
সেইতে ছেদ হ'ল। দেৱী লৰাৰ পূজাতে চৈতন্ত হৈ ললে।
পাছে তাৰ পিতামাতা ৰায়তে যৈতে দুৰ্লভ নাৰায়ণ কামেশ্বৰত
কলেগৈ। গৰখীয়া দলৈ ৰজা হৈ দেৱীক মানুহৰ বলি দিছে।
পাছে ৰজা যুদ্ধসেনাপতি দিলে। সব যুইছলে, ৰাজাকো
মাৰিলেগৈ। আনোৰাজা দেশ দেশান্তৰে জয়াই নিকৰিয়
কৰিলে মাৰিলে, কতো পলাল। —চন্দ্ৰবাহু ৰাজু, কাই
জলাবাহু, চেৰাৰ ৰজাকো জিনিলে। সমুখ যুঁজা মহ'ল যে

[illegible] সদৃশ হ'ল। পাচে সাতবাৰ মাৰি একেছত্ৰে জেৰাল পৰ্ব্বতে দা, শেল, ঢাল, মাৰি থলে ; শিলা হৈ ৰ'ল। পাছে পূৰ্ব্বৰ চেকনি পোতা ওভোতা বাঁহ হ'ল। তাতে দেৱীঘৰ কৈ নগৰ কৰি চিকনা নগৰতে ৰ'ল। পাছে ৰাজাৰ তিনি সপত্নীৰ মধ্যে ওঠৈৰজন পুত্ৰ হ'ল। ঘট পৰিখি ৰাজ ৰাখি দিলে। *তাম, ৰাঙ্গ, কাঁহ, পিতল, ৰূপা, সোনা, সেতু, সিহ, লোহা,* বগীতাম, চিচা, কাচ, মাটি, লোন, মুগা, কপাহ, সুৰগা, অস্ত্ৰ, টুপলি, পতুকাকৈ ভৰালে। যেয়ে যিহকে আনিলে যি দেশত উৎপন্ন হয় সেই দেশে দেশে নগৰ, গৃহ, ৰাজ্য দি ৰাজা পাতি থলে। বেজিনি, দেৰাধৰ্ম্মা, ৰাণী, লুকি, পানতনীয়া, বগল, ৰৰগঞা, চয়গঞা, মছৰাপৰীয়া, ভোলাগঞা, বেছেকা, ৰৰনগৰীয়া, কুবৈৰৰীয়া, আঠিয়াবৰীয়া, কামতাৰৰীয়া, ৰলোৰামপুৰীয়া, বেলতলীয়া, ডিমকৰা। মৃত্তিকা নৰনাৰায়ণে, অস্ত্ৰ শুক্লধ্বজে আনিলে। যুবৰাজ ডেকাৰাজা পাতি বেহাৰে নগৰ কৰি থলে। এই ক্ৰমে বিভাগি ৰাজ্য কন্দল ভাগি বাটি দিন কুৰি তিনিধিক বৰ্ষ ৰহি কালৰ প্ৰমাণে কৈলাসে গ'ল।

ৰাৰে ভূঞাৰ মুখ্য ৰামধা বিশ্বসিংহৰ দিনত ৰাৰেখান ঢাল ৰহিছিল। কামেশ্বৰ দুৰ্লভ নাৰায়ণক মাৰিলত তেঞ্ৰে তল ৰাজা সকল গ্ৰামে ৰামধা ভূঞাৰে যুদ্ধৈ আলচ পাতিলে। ৰলে নপাৰে যেন জানি পলাই ৰত্নুকা প্ৰতাপ ৰাই নগৰে থ'লগৈ। পাছে পতাপ ৰাঞ হৰিত ৰাজাৰে যুদ্ধ সমৰ লাগি দেশৰ পৰা। পাছে নগৰ ৰক্ষা দি গজ ৰথ, প্ৰজা, সেনা, অত্তাই গ'ল প্ৰতাপ ৰাই। পাছত ৰামধাৰ বেটা গাভুক ৰা প্ৰতাপ ৰাই ৰজত, সুৰ্বৰ্ণ, বস্ত্ৰ ভতাৰ ভাঙি চেবেলা ভৰি সোমদৈ নৈএ একে নিশাই তোৰোচাত 'পাৰ-বেহাৰত ৰলহি। পাছে ধন, ৰত্ন, গাভুক ৰাৰ জীয়েকে দি নৰনাৰায়ণক মিত্ৰ কিলে। তেহে নাৰায়ণে তোৰাই তিতাই গাভুক [illegible]

হাতে অচম মৰে। বাঙ্গলি গৰ পূৰ্ব্বে বিশ্বসিংহে বান্ধি সীমাৰ পৰা হোহকাই চামধৰালৈ ললে দেখি যুদ্ধে পঠালে সেনা, গজ, ৰথ, দি। যুদ্ধ লাগি অচম ভাঙ্গি খেদি উজাই আনিলে। চিঙ্গফু সিংহৰ পুত্র খোৰা ৰাজা সলখৰ পোৰা নগৰত লাদৈ মেৰাগৰ বন্ধাই যুদ্ধ দিলে। ডেবেৰা বৰুৱা কেকোৰা পাত্র। *চোট ৰাজা বাৰু চাট মাৰি গৰতেই মানুহ কাটি ভঙ্গালে।* তেহে চিলাৰাই নাম হ'ল। পাছে একেনিশা মাছখোৱা গৰ বান্ধি যুদ্ধ দিলে। তাৰে পৰা ছুহকি গ'ল ভটিয়াই। তেহে ই ৰাজ্য সি ৰাজ্যৰ মানুহ চলিব পাৰিলে চকী মুকলি হ'ল। চিলাৰাই নাম

পাছে লামকণা গোবিন্দ আতাৰ পত্নী চলিল। দ্যামোদৰ বেটাৰ বহাৰি আনিলে, খানেক বিৰাজী হ'ল। পাছে কামেশ্বৰে যি চৈধঘৰ লোক ইদেশে আনিলে আতাৰ জীয়তী, পুততি, মিত্র, তাকে বিচাৰি আহিল উজাই। বিচাৰি সুধি আলি পুখুৰীতে পালেহি। তেঞ্চ বণ্ডুকীয়া ৰাজাৰ কাকতী আছিল। তেহে আতিগুৰি ক'লত কুসুমদেৱে চিনি পাই আতাক জী বোধে বংশৰ এটি কন্যা বিহা দিলে মনোহৰী নামে। আঠু ভঙ্গা দোলা দিলে, আঠ ছুলিয়া দি ৰ'তাৰ পাৰে বৰা পাতি থলে। তেনেতে ভোটমাৰণ লাগিল। পাছে সেই আঠছুলিয়া দ্রব্যবস্তু বান্ধি আৰা ছুইকো দোলা জুৰি অটব্য চাপৰি হাবি সোমালগৈ। এক বৃক্ষৰ তলে জিৰাইছিল। ধৰি বিবস্ত্র কৈ সবে দ্রব্য বস্তু লৈ গ'ল গুচি। গাছৰ পাত পিন্ধি আছে মনুষ্য ভাৱক লৈ গুৰুজন। আই পাঁচ মাহ, ক্ষুধা তৃষা আইৰ চিন্তান্বিত হৈ লাগিল, পানী খুজিলে আতাত, নলৰ চুঙ্গা কৰি ব্রহ্মপুত্রে গৈ পাই স্নান-পানকৈ জল লৈ আহে। তেতি সময় খোৰা ৰাজা চলিল। তানে পুত্র স্বৰ্গনাৰায়ণ। মাক নাহৰক উপপতি ললত মাৰি নগৰ এৰি ৰাজা হৈএ আহি ভৰিকাত ভোটমাৰণ খোৰাৰাজাৰ মৃত্যু

বাহৰ কৈ বৈ গৰগাঞ কৰাই বৰ ঘৰ সিংহাসন উঠিছে। ৰাজগৰ সিংহদ্বাৰ কৈ বাহগৰা বন্ধালে। লাছিকত বৰ ফুকণ পাতি বঙ্গাল খেদি গুৱাহাটী পাতিছে। হৰসিংহ উজীৰ বৰাক দি উজাই মানুহ চলাই পাতিছেনি ৰাজাৰ আজ্ঞাৰে একে হাজাৰ লোকেৰে চৰাৰে আহিছে। দৃষ্টিৰে পৰা দেখি মানুহ দি আগচাই ধৰাই নিলে। বৰা সুধিলে, আতা সকলো বৃতান্ত কলে আদি অন্তে। স্নান কৰে, ভুনি পচৰা এজুৰি দিলে। আইলকু ৰিহা পাট দি অনালে হাবিৰ পৰা। দুগ্ধ চিৰা ভোজন কৰাই, বৰা আহন গুলি পাটি গাৰু আতা আইক তুলি ভাৰী নাৱত উঠিল বৰা। পাছে সবে হজুৰাক বোলে মই আৰা দু'জনক পিতৃমাতৃ বুলিছোঁ। যাৰ মুখত অবাচ্য শুনিম শুদাই নেৰিম। পাছে ঘাট পাই মানুহ দি গৃহলৈ কৈ তুলি পঠালে। বোলে মই আৰা দুইক পিতামাতা বুলিছোঁ, অনাদৰ নকৰিব। নগৰে ৰাজ কাৰ্য্যে গ'ল বৰা। পাছে শুনি বৰাৰ পত্নী পুত্ৰে অভ্যন্তৰে চাই দি থলে। ৰাজ জঞ্জাল ভাঙ্গি তিনি মাহে উজীৰো পালেহি। তেহে পাঁচ মাহত পঞ্চামৃত জেউৰ গুৰা দিছে আইক বৰা নিএ অন পিঠা সমে। পাছে সম্পূৰ্ণে নমাহ

১৪১১ শকত মাধৱ দেৱৰ জন্ম

হ'ল। জ্যেষ্ঠ মাহ ৰবিবাৰ অমাবস্যা তিথি, ভৰণী নক্ষত্ৰ ১৪১১ এদিন যাঞতে দুই প্ৰহৰ নিশা ছদ্ম নৰদেহা বেকত হৈছে গুৰুজন। সাতজনা দেব দিবা নাৰী সুবৰ্ণৰ ঘট ধৰি ধুৱালে, বেৱথা ক্ৰম লগাই গ'ল। প্ৰসূতাৰ বেদনাত আএ বোলে জানো বৰাৰ গৃহবহে। পাচে মাতে, সাৰ নাই; তেহে জাগি সবে চাপে। পাছে লামকণা আতা শুনি মনে সপটে স্নান কৰিলে। ব্ৰাহ্মণ জ্ঞাতিক দান কৈলে। বৰানীএ পাছ দিনা পথ্য কচু জাল পিপ্পলি দিছে। পাঁচ দিনত গৰলা দলৈএ জাত গনিছেহি। বেদ জ্যোতিষত অনন্ত মহিমা পালে। দেখে ঈশ্বৰ শক্তি, কাৰণ হে মনুষ্য। বোলে তোমাৰ তনয় যে মাধৱ

ৰোহিণী সূত সেই মাধৱ। আৰু কোষ্টিতো সেই নামেই থুজিছে। মহাধীৰ, গহণ, ক্ষমাশীল, কৃপা ধৈৰ্য্যে বিষ্ণুসম, বহুজ্ঞীৱ নিস্তৰিব, তোমাৰ কুশল। পাছে নাম কৰ্ম্ম, জাত কৰ্ম্ম, চুৰাকৰ্ম্ম, কৰ্ণবিন্ধন, উপনয়ন, অন্নপ্ৰাসন ক্ৰমে ষড়কৰ্ম্ম কৰালে।

পাছে বৰাৰ তোলতে আঢ়ৈ বৰ্ষ হ'ল। বৰাৰ তোলত গোলাম, বহতা, বান্ধা, লঠৰিয়া ৰায়তে সৈতে আদ সাতকুৰি গিৰি। চোৰ, ডাকু, বেজ, ওজা, মচল, দেশ ৰায়ত ভাঙ্গি চন্ন কৈলে। ডমাই চহৰীয়া ফুকণত কৈ ৰাজ্যে ঘৰ লুটিবলৈ হ'ল। আতা ভূ পাই বাৰীতে এযুৰি গৃহ বান্ধি চাৰি বৰ্ষ ৰহি তালকে গল। গুৰুজন জন্মতে বৰাৰ গৃহে ধান, ধন, গৰু, মহ চলে বলে আনে বানে বাঢ়িব ধৈলে। আৰু চ'তমহা বাতবৃষ্টি শিলা, বৃক্ষ, শস্য, দেশ, চন্ন কৈলে। পশুপক্ষী কত মৈল ভিতৰ বাজে চাবিশ্ পুৰা মাটিত শিল বাত বৃষ্টি কিছু নহ'ল পাতো নলৰিল। ৰাজে দেখি শুনি বৰ আশ্চৰ্য্য অদ্ভুত হ'ল। বৰা বোলে মই জন্মতে প্ৰমাণ পাইছোঁ। বৰা দুই বৰানী, লবা নাই, দাসী দাস টোলৰ লোকে দেখি মোহ যায়। ছত্ৰাকৃতি মাথ, আকুঞ্চিত কেশ, পূৰ্ণ চন্দ্ৰ বদন, কুন্দ কঢ়ি দশন, নাসা তিলফুল, আয়তলোচন, বাহু বক্ষস্থল, উৰু ৰামকল, চৰণ কমল দেখি মনোহৰ। সমস্তে লোকৰ সদায়ে আদৰ, স্নেহ, দয়া কোলে বোকে, মাথে মুগুচায়। লবা নাই, বৰা বৰানীৰ প্ৰাণতো অধিক। ব্ৰজৰ গোপীক যেনেকৈ কৃষ্ণে মুহিলে গুৰুজনে মোহ কৈলে।

আৰু এদিন বৰ কাঠ খৰি আনি বৰ মেজি বান্ধি থৈছে; ঠেলা মাৰি পেলাই বহি আছে। আই, আতা, বৰা, বৰানী, শব্দ শুনি হিয়া ধাকুৰি যাই দেখে উপৰে বহি আছে। আশ্চৰ্য্য অদ্ভুত হল। আৰু এদিন ধান বহাই আখা জুই

আছে, গৈ তাত বহি আছে। দেখি আইবৰানী হিয়া ধাকুৰি কান্দি গৈ চায় একো হোৱা নাই। সবে আচৰিত অদ্ভুত হ'ল। আৰু এদিন চাউল পাত যতাই বাজ ওলাইছে। গুৰু সোমাই ৰগুভগু কৈ পেলাই পানীয়ে সৈতে। বৰাণীএ দেখি কোলে লৈ বোলে আই, চোৱাহি তোমাৰ পুত্ৰৰ কৰ্ম্ম। আও দেখি খেদকৈ অতাইছে। বৰা পাই দেখি বোলে মোৰ গিৰি-দ্ৰব্য কি বস্তু? আতা আইক মাও বাপ বুলিছোঁ। আৰা একা পিতৃ, মাতৃ, গুৰু, বন্ধু, সুহৃদ, সোদৰ, দেউ, মোৰ শিৰৰ শিখৰ সিন্দুৰ।

বিচক্ষণ পুৰুষ।" তাৰ্কত পাচে যে গোটেই আকুল হ্যানে চাইছো। বোলে বাপ তাৰানো কলৈ গৈছে? বোলে তাৰাৰ আছু ভাঙিছে, তাতে মাহেকীয়াকৈ টকা ভঙাবলৈ গৈছে। বোলে বাপ, টকা যদি ভঙাব নপাৰে, আমাৰ ঠাইলৈ পঠাব। বোলে জানিছা নাৰায়ণ দাস, তোমাকে তাৰাকে সখি কৰোৱা যাব। বোলে বাপ, তোম্‌বাৰ দুই পাদপদ্মৰ ভৃত্য কিঙ্কৰ কৈ লোৱা যাব দাসক। পাছে আজ্ঞা নাৰলৈ গ'ল বিদায় লৈ সেৱা কৈ। তেহে ছোট আজ্ঞা পালেহি আহি। মহাপুৰুষ গুৰু সুধিলে বোলে বৰাৰ পো, টকা ভঙাবলৈ পালা? বোলে বাপ, নপালো চকীয়া মাজীৰ গৃহত। বোলে তুমিহে নপালা আমি এইখতে পাইছো। বোলে বাপ ক'ত বা? বোলে বৰাৰ পো, একজন পুৰুষ যি আছিছিল বৰ বিচক্ষণ পুৰুষ। তাৰাৰ ভল'কে যাৱা, কৰি দিব খুইছে। আক তাৰাকে তোমাকে সখিৰ কৰাব খুইছো বুলিএ মূল শ্লোক মাতিছে। "ভাৰত, পুৰান আদি যত, প্ৰকাশ কৰয় নানামত; যত মহাজন সভা মধ্যত। পৰম আনন্দ ৰসময়, কোটি সূৰ্য্য সম প্ৰকাশয়, মহাভাগৱত নোহয় বাৰে বেকত।" গুৰু বাক্য পাছে যোৰাত দিছে। বোলে বাপ, তোমাৰ অভয়পাদ পদ্মৰ প্ৰসাদতহে ভকত বৰ পায়। পাছে সেৱাকৈ বাৰাবিলৈ গ'ল। নিশা বৈ বিহানে উঠি গৈছে। হাতে লাঠি, মাথে পখালি গামচা, বেখে নাৱলকে গৈছে। ঠাকুৰ আজ্ঞা আকলৰ পৰা উঠি [illegible] চাই আছে। সন্নিধে দেখে ডিঙা [illegible] তাৰাকে দেখিলে, সেই ঠাকে মানে, [illegible] [illegible] হয়, দেখে, [illegible] [illegible] [illegible] হয়। তেহে [illegible] [illegible] পিটিকা [illegible]
[illegible] [illegible] [illegible] চাই [illegible] [illegible] [illegible] [illegible] [illegible]
[illegible] [illegible] [illegible] বোলে, বাপ, [illegible] [illegible]

[illegible] তেতিয়াই আমাক [illegible] পা[illegible] [illegible]হ ধাৰ কৈ দিছে। তোমাহে আমাক [illegible] [illegible] লব লাগে। এই বুলি পাদপদ্মত শিৰ দি সেৱা কৰি থোৱা থাল টকা ভঙাবলৈ পোৱা গ'ল নে? বোলে নপালোঁ। বোলে তেনো টকা দিয়ক। দিলে। তাৰে দুহু কাওন কৰি দিলে। গুৱা পানো কিছু দিলে। বোলে পাঁচ কাওনহে পাঞা, দিছে দহো দহ টকাৰ? বোলে তোমাৰ যে মাত্ৰ আমাৰো নহয়? কৰ্ম্ম কৰিব পাঞা। তাতে দিছোঁ, নিয়াবক। কালিয়াম আতৈক জোবাই দিয়ালেনি। তাকে আমি কাজ কৰ্ম্ম দক্ষিণা কৰিলে সকলোখানি। তেহে আতাৰ সজন ছও জন ভকত হ'ল, মহাপুৰুষক গুৰু বুলি। ছটুশলি চণ্ডালো ছও জনা গুৰুক সেৱাকৈ গ'ল গৃহলৈ। পাই ঘাটে নাঞা থাকি দুঠে তিন দিন। আৰু আগ বাঢ়ি গুৱা সৰাইৰে মাতি সুধিলেগৈ, বোলে আনকাল যে গৃহলৈ উঠে যায়, খায়, ই বেলিনো কিয়বা ন যাই? আমাক দাসী দাস এৰিলেনে? আতা বোলে আমি মহা বিশিষ্ট সাধু মহাপুৰুষক গুৰু বুলি শুদ্ধ মত ধৰ্ম্ম ধৰি আছিছোঁ। তাকে যদি তহঁতেও ধৰহঁক, যাম, খাম, উঠিমোঁ। মত তঁহতৰ তহঁতো লোৱ; যদিহে নধৰা, নধৰ বাক্যত বৈ, তহঁতো কৰবা কোন। পাছে চাৰি ধাৰছে এইতে আৰু গুৰু ঠাইলৈ। শুনি আৰু মাত লগালে বোলে আপুনি শিৰ গৃহত। আপুনি [illegible] বুলিলে হাত, পাও, দাসী, দাস নথাম, নচলিম কিয়?

সি বোলে [illegible] আতৰি থাকো নবলেহে আমাকে এখা [illegible]? আতা বোলাত [illegible] লোক আইছে? তেতে [illegible] বুলি [illegible] [illegible] আজি কৈলে। [illegible] [illegible] [illegible] [illegible], [illegible] [illegible], [illegible] [illegible] [illegible] [illegible] [illegible] বুলিলে [illegible]। [illegible] [illegible], [illegible]

মাহ, [illegible] পাৰ, [illegible] শ্ৰীশংকৰ, পাটী সকলোকে নিলে [illegible] ঠাই। মহাপুৰুষ [illegible] যেনেকুৱাই নীতি, সদাচাৰ দেখাই নিজেও [illegible] হাৰমাৰ [illegible], মনতে [illegible] আছি, গৃহ, বাৰী কৈছিল [illegible] তাতে পৰা আছি [illegible] আছে। যাএকতে এন দিয়া হাটৰ অভ্যন্তৰ তলে পৰাৰী মেলিত এটা লোকে [illegible] আছে। দেখো এজনো এনে কবি বোলে "মা, কবৈ তোৰ [illegible] কালো কাহানি সাবোঁ?" তেহে সাব পাই ৰহিল। আতা [illegible], বোলে তুমি কাক তেনেকৈ বুলিছিলা ওহো মা কৈ [illegible]? বোলে পা কি সোধা? আমি দেৱী পূজি আৰাধন কৰিছিলোঁ। পূজা সেৱাতে সকলো গো, মহ, ভাৰ, কাঁহ, [illegible], [illegible], হাস্ত, কোহৰ ভাগি অষ্টম দৰিদ্ৰ হলু। এতিয়া [illegible] চিৰ দি খাব কথিব শামুকেৰে খৰি দিএ। তাকে [illegible] মেৰাই খৰি খায়। এতিয়া সিও নাই, [illegible] এনে [illegible] শৰীৰ। তেও চক্ষু জপাৰকে নুৱাৰোঁ, মুদিলেই দিঠকত ধন্না দি দে দে কৈ ধৰেহি। আত্মা বোলে তোৰ হাত কি কৈ সাবোঁ যে বুলিছিলা নিশ্চয়নে? বোলে নিশ্চয়ে বুলিছো। দেখা, দেহা কেনে কৈছে, কপাহ যেন। [illegible] নবয়। বোলে যদি নিশ্চয় হে কৰিছা, আজি প্ৰমাণ পাবা। এই বুলি চাইটা চাবি চুকে খুটি মাৰি থ'ল। বসিছে প্ৰমাণ পোৱা হতে [illegible] বাক্যৰ পৰা শ্ৰীশংকৰদেৱেও ঈশ্বৰ অৱতাৰ আছি চুনপৰা বুকতে [illegible], [illegible] [illegible]। এই বুলি [illegible] আতা [illegible] গোবিন্দ [illegible], [illegible] [illegible] পূজাতে দে কৈ। বোলে মই লোকৰ [illegible] [illegible] [illegible] বুলিছিলোঁ [illegible] আজি পাই [illegible] দেখো [illegible] [illegible] [illegible] [illegible] [illegible]। [illegible]

দেৱীপূজক গোবিন্দগৱাকী

চোতালত। তেওঁতে কলাঠোকা আগত থৈ সেৱা কৰিলেগৈ। গুৰুজনে দেখি বোলে তুমি ক'ৰ কোন? বোলে প্ৰভু, আমাক গোবিন্দ গৰমনি বোলে। বোলে আমাক তুমি কেনেকৈ জানিলা? পাছে আদিৰে পৰা তাৰাৰো আতাক লাগি পোৱা পন্থা সকলো খানি কলে। মহাপুৰুষ গুৰু জানিলে নাৰায়ণ দাসে পালে। বোলে ৰামানন্দৰ মাক চোৱাহি; কৃষ্ণে বুলিছে, "মোৰ ভক্ত থাকে য'ত উদাৰ চৰিত্ৰ। কীট পতঙ্গকো তথা কৰয় পবিত্ৰ॥" এ উদ্ধৰিতো পদ্ম তুলিছেহি। অ আমি বোলো জানো দেৱীদাসৰ চাউলে জাতি মাৰিবহে। ই ৰাজ্যতো ভকতৰ কঠিয়া হৰ। যাঞতেই বায়ুতে পবিত্ৰ হৈ আছিহে। বোলে আছিছাহে হয়, তুমি ই ধৰ্ম্ম কি কৈ ধৰিবা, ৰাখিবা? বোলে বাপ, আপুনাৰ অভয় পদৰ অনুগ্ৰহ হলে বৰ পৰা যাব। পাছে নীতি হৰিৰে থাকি বস্ত লভিছে, হৈ গৃহলৈ গ'ল। সে নাঞ, টকা লৈ দিনা চেবেকৰ পাছে সৰিহ বেহালৈ আহিল। গুৰু গোসাই বোলে বাপ, মই একলহে; কিছু বেহাৰ আনো ছুজনমান ভকত দিয়া থক। তিনিজন ভক্ত দিলে। সৈ নাঞ মেলি গ'ল। পথতে তিনিও কন্দ লগালে। এটাক বোলে গৰু, এটাক বোলে গড়, এটাক বোলে ছাগ, এই মতে তিনিও তিনিক বোলা বুলি কৈলে। এঠাইতে সৈ গৰুলি নাঞ ৰাখি থবিলৈ পাচিলে, এটা জুইলৈ পাচিলে। এটা গ'লত থকাটোক ধৰি নাঞৰ গোৰতে বান্ধি থলে। সিটো পালত বান্ধি ৰাখিলে এটা পিথিত, সিটি পালত তাকো বান্ধি থলে এটা পিৰ্ধিত থলে। হৈ বান্ধ দিলে তিনি বিধে। প্ৰথম বোলাটিৰে দিলে কঠাল পাত, গড় বোলাটিক কোমল ঘাঁহ দিলে, গৰু বোলাটিক বন বাঁহি দিলে। এই মতে দি একেলে [illegible]

মতি দিলে। গৈ তাৰা মৰে গুৰুজনত কান্দিকাটি কৰে [illegible]। পাছত গৈ আউ পাৰিষতে গুৰুজনে সংকৈ বোলে তভিয়াই কুণ্ড তোত নাই, ভাই বাপাৰ গুৰুমণি, ই ধৰ্ম কি কৈ ৰাখিবি? তেহে গোবিন্দে বোলে বাপ, তুমি যেই দণ্ড কৰে তাকে কৰোক বালক। বোলে কিয়নো ভকতক বান্ধ? বোলে বাপ, আপুনি দিছে পাষণ্ড মৰ্দ্দনত, "নিন্দা শুনি যদি দৈৱ শুণচে। কল্পেক মানে নৰকত পচে॥" দুখাত প্ৰাণ এৰিব যাবৰ ঠাই নাই যদি। পাৰিলে শাস্তি কৰিব। এতেকে বাপ, যাবৰো ঠাই নাই, পানী, হাবি, নিশা। একা প্ৰাণো ত্যাগ কৰিব নুৱাৰে।, তাতে তাৰা সৱকে বান্ধা গ'ল আপুনাৰ বাক্যলৈ মনত পৰি। পাছে ভকতক [illegible] বোলে এনে বাক্য প্ৰহাৰলৈছে ভকত হব ইঁক?

আৰু ছোট আতা বাৰাদিতে আছে। ৰামচন্দ্ৰ ঠাকুৰ উপজিল। উৰ্ব্বশী আই-এ মাহেকৰ অন্তে নি পাৰত পেলাই কান্দিব খৈলেগৈ। বোলে দদা, আলকে দিলা মোক? ইহঁতৰ পূৰ্ব্ব হয় হোকোবা কুচিতে ৰামুণৰ কন্যা হৈছিল, শাপ দিছে বংশছেদৰ মোৰ লৰাটিতে সাত পুৰুষ হৈছে, মৰিব এই বুলি পুত্ৰ বাও বাজিলে। দেখি গুৰুজনৰ দায়া ভৰি বোলে আপি, তোৰ ব্ৰহ্মশাপে মোৰ বংশ ছেদ হক; মই দদু গোৱে সমে। আমাৰ স্বজৰে গোত্ৰে এই আশিনক দিলেঁ। মধুকৈ ম, বংশ বৃদ্ধি চিৰপ্ৰাউ হক। এই বুলি গোত্ৰ মলাই ৰব দিছে শাপ দৈ। ৰামচন্দ্ৰৰ জন্ম

আৰু একদিনা শ্ৰীশঙ্কৰদেৱে বোলে ৰাধাকৃষ্ণ দাস, তোমাৰ মিচিৰা এনে কেইজন আছে? বোলে, বাপ, তিনি [illegible] আছে। বোলে, কাৰ কি নাম? বোলে [illegible] কবীৰা [illegible], [illegible] কবি এবং [illegible] নাই। বোলে [illegible] বোলে বাপ, কবীৰা [illegible] [illegible] গীতাৰ্থ কৰি, [illegible]

কৰে।" বোলে "সি গৃহাশ্ৰম ধৰ্ম।" বোলে পণ্ডিতৰে কি কবিতা কৰে? বোলে "বিলাপ কৰি কান্দে দেৱী ৰুক্মিণী। কোন্ অঙ্গে খুন দেখি নাইলা যদুমণি।" এই কবিতা কৰে। বোলে সি শাক্ত, তামসিক, তাৰ কথা নকবা। আঁক ভক্তিৰ মধ্যএ কি কৰে? তেওঁৰে কাজল কৰ তোলা নিঁখিৰ আছিল। তাতে মহা দোষ হয় দেখি তেওঁৰে বান্ধাটিকে দিলে। "দি টকা এৰি পাত্তি বোলে তই আমাৰ জমিনখানি চাবি। পাছে সি বৎসৰ দিন এক (একো) নলৈছিল। পাছে থৈলে খুজিব। সি গৈ কেৰা দিনো কয় পচাৰ কথা, তাৰা কাম নকৰে। এদিন গৈ তেওঁক নাইকাত বোলে মই কওঁছে, তইতৰ গাই নৰলে, কুত্তাৰ মানো জ্ঞান নাইনে চাইছো। পচা দিৰলৈ তাৰ পৰ হৰলা? এই বুলি গ'ল। তানি হুস্নো পত্নীএ চাউল নিসিজালে। পাছে তেওঁ পাৰহি, বোলে কি কৰিব ইয়? দহো চাউল নাই সিজোৱা? বোলে কি সিজাবা? বিষও চাইটাৰ বৰাও চাই; টকা এৰি পাত্তিৰৰ আপাহ, বিহে বুলি গৈছেহি। বোলে কি বুলিলে? বোলে কি কবা? বোলে কলৈ। বোলে কুৰ্তা পাত্তি পণি থৈছেহি। বোলে যা সিজাইগৈ, তাতে অসন্তোষ কৰ? সি সেমাএ মনহে বুলিছে। কুৰ্তা বৎসৰ উপাৱে তাক বৃথাহে সন্তোষ কৰে। জ্ঞান শূন্য ৰতজাতি পূৰ্বৰ আপি এটা পুৰুষ ৰাজ্যতে আছে। [illegible] লোক বেদবাক্য বাসাতে বিতুৰে [illegible] দিছে। [illegible] [illegible] [illegible] এবং চলে তেওঁৰে আচৰণ। [illegible] জ্ঞান নাই হএ। [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] আছিল। [illegible]

বিৰকত বৈৰাগ্য নিৰপক্ষ হৈ দুয়ো ভাৰ্য্যা তেজি হাটি বহা কৰি গুৰুজনৰ সঙ্গতে ৰহিল কুবৰা নথ মাৰি।

আৰু একদিনা দুয়ো জনা গুৰু ঠাকুৰ আতা, জভিৰ মধাই, আনো ভক্ত সবেৰে গৈছে বুৰী লুইতে ভটিয়াই। পালেংদি ঘাটে ৰাইৰ কৈদৰ এক স্ত্ৰী কাপৰ ধুইছে উলঙ্গতে। উপৰ ভাগে কতখানি গৈ গুৰুজনে বোলে ৰবাপো, কি দেখিলা? বোলে বাপ, একো নেদেখোঁ। বোলে কলৈনো চাই আছিছিলা? বোলে বাপ, আপুনাৰ অভয় পাদ পঙ্কজলৈহে চাই অহা গৈছে।

পাছে তেনেতে লুইতৰ দিয়াত গোঁ চাৰিছে এটি চণ্ডালৰ ছৰা। তেঞে বুলিলে ৰাম্বৰ কৃষ্ণ। পাছে গুৰুজনে বোলে ই বালক ছৱা। ইয়াৰ মুখত যে নাম আছিল, এই দেশত নাম ধৰ্ম্ম বস্তু প্ৰকাশ হব। ঘূৰি নাৱ চমু চাপিলহি। বোলে ৰবা পোএও কতক কবিতা কৰা, নাৰায়ণ দাসেও কৰা, মধাএও কৰা। ছোট আতা কৰিলে কবিতা গুৰু বাক্য শিৰে ধৰি—"জয় গুৰু শঙ্কৰ, জগত প্ৰখ্যাত। স্বৰ্গ, মৰ্ত্ত্য, পাতাল, অনন্ত, অচ্যুত বৈকুণ্ঠে সমে ভেদি; পৃথিবী, চন্দ্ৰ, সূৰ্য্য থাকে মানে ৰহিব।" ঠাকুৰ আতা কৰিলে, "জয় জয় অনাদি শঙ্কৰ মইতু দাসকু দাস। উজানৰ হন্তে আসি প্ৰাণ প্ৰভু নিকটে লৈলা বাস।" মধাএ কৰিলে, "বাউ ধৰ নামৰ বাচক শ্ৰীশঙ্কৰৰ ঘাটে। বাৰ দুৱাক নামৰ বাচক ৰ'ঠা নাইকিয়া হাতে।" তেহে গুৰু জনে বোলে ৰবাপোএ যি কবিতা কৰিলে, সাত পাতাল, স্বৰ্গ, সাত বৈকুণ্ঠ ভেদি গ'ল। নৌকা চাদি উপচি গ'ল। বোলে ৰবাপো বাৰ গুচা নাম ই দুৰুৱাক হয়। বোলে বাপ বাৰ দিয়া হব, শঙ্কৰ ভাকেৰি অংশ, আগে শঙ্কৰৰ অংশ দিছিল। নাৰায়ণ দাসৰ কবিতা নাঞ চপচপীয়া হ'ল। মধাইৰ কবিতাহে ভলিতে লুকাল।

চণ্ডালৰ লৰাৰ মুখত কৃষ্ণনাম

মাধৱদেৱ নাৰায়ণ দাস, আৰু জভিৰ মধাইৰ কবিতা

পাছে তৈতে আছে ভাটিএ চমাৰ, ৰাজশাল শামুক পোৰা হুগুন্ধ, পুবে কুমাৰ, দখিণে হীৰা। সন্ধ্যা হলে হাই হিহনি কোৰ্হাল লাগে। নিতে হৰিগুণ নামত অমৃত পায়। তেহে ভক্তে সমে আলচি ছমাহ বৈ সি ঠাই এৰি কুমাৰ কুচিত গৈ গৃহ বাৰী হৰি গৃহকৈ ৰহিচন্ত ভক্ত সমে।

কুমাৰ কুচি

আক এদিন ভক্ত সমে বজিয়া জানে গৈছিল তান্তিকুচিলৈ। আহোতে কোটো তলিত্তে নাঞ এৰি জঙ্গলে পোনাই আহিছে। হৰিণাৰ খোজ দেখি গুৰুজনে বোলে আজিএ গৈছে পগুটি। আতৈ সবে চাই কতো বোলে কালি যোৱা, কতো ২, কতো ৩, কেহো ৫, কতো ৭, কতো ৯, কতো দহ, বাহ্র, কতো জনে বোলে মকৰা জাল বান্ধিছে, পক্ষেকেই হ'ল। তেহে ছোট আতা চাই বোলে এতিয়াই গৈছে। তেহে গুৰুজনে বোলে মোৰ ৰবাৰ পোহে মনৰ মনক বুজি আজি যোৱা দেখি বুইলে। তোত্রা সবৰ বিষয় গ্রাম্য কথাই একে নাহে, অন্তৰ পৰমাৰ্থ ক'ত হব।

তান্তিকুচি

আক একদিনা দুওজনা গুৰু ভক্তে সমে বামুনাৰ ফাললৈ গৈছে। চ'ত মহা ধান বৈছে পথ মাৰি। ৰকৰানিএ বাট দিছে নৌ জলে। ভু নপাই গজা ধানেই গৈছে পোনাই। দেখি গৃহৰ পৰা স্ত্রীটে বোলে কটাৰ পো কটা হঁত, চকু নেদেখা যেন বাট এৰি ধানেছে যা। শুনি সবে ভক্ত মৌনে কষ্ট পাই বিমন হৈ গৈছে। বিমৰমাকৈ বোলে মনে লোহাৰ আগত অগ্নিৰ মাৰ, উলুৰ সঙ্গে ৰগৰি পোৰে। আমাৰ লগত বেটী পিশাচীএ গুৰুজনকো গালি পাৰিলে। আমি পাপীএ যদি বাট চাই ৰাকৰানিএ যাওঁ দুষ্ট দুৰ্জনৰ গুৰুজনে কেলৈ গালি খায়? এই মনে ভাবি গৈছে। তেহে মহাপুৰুৰ গুৰু মনৰ মনক বুজি আত্মাৰ অন্তৰ্য্যামী মাত লগালে। বোলে আতৈ সব, আত কিছু খেদ কৰা নাৰাৰ। ভাই সজহে কৈছে,

বামুনা

বুলিছে। পিতৃ, মাতৃ, অনেক উদ্ধাৰ হব পৰিপক কৈলে, হলে; ভক্তি ঘাটি. বিভিচাৰ নহলে। তেও উত্তমতে পিতামহ, পিতা, তোম্রাসবে ব্ৰহ্মাৰ লিখন ধৰ্ম্মৰাজা চিত্ৰগুপ্তক চোৱাই কাকত আয়াযাত জন্ম মৃত্যু কটালে। তাকেহে তাই বাৰ্ত্তাটো কলে কটাৰ পো কটা হঁত বুলি তোম্ৰাসৱত পিতৃ পিতামহৰ কথাটো। তেহে সবে ভক্তৰ শুনি শোকাগ্নি বৃষ্টিজল ঢলা দি মৰাৰ মুখত অমৃত সিঞ্চাদি হৰিষ হ'ল সবাৰে। মুখীৰ চুনৰ দুৰ্গন্ধত ছমাহ বৈ কমাৰ কুচিলৈ গৈছে। ভিৰোতাৰ গালি কমাৰ কুচি

আৰু একদিনা ঠাকুৰ আতা, মধাই আতৈ, সবে ভক্তৰ আনিয়া অনি লাগি গুৰুজনত শুধিলে, ভকতদ্বেষীৰ গতি আছে নাই বুলি। গুৰুজনে বোলে ৰামকৃষ্ণ অৱতাৰে হে দ্বেষ কামে শত্ৰু ভাএ গতি পালে, কংস কুব্জী, গোপী, দন্তবক্ৰ, শিশুপাল আদি। এতিয়া একা কৃষ্ণদেএ কৈছে—"মোৰ দ্ৰোহী ভৈলে তাক ৰাখিবে ভকতে। ভকত দ্ৰোহীৰ মই মুহিকো শকতে।" গুৰুত লাগিলে ভক্তত ৰব, ভক্তত লাগিলে অধঃপাত হব। ভকতক দ্বেষকৈ সংসাৰে ভ্ৰমি যমদূত বেশকৈ ফুৰিব। ভকত দ্ৰোহী

আৰু একদিনা বুৰী লুইতে যায় দুওজনা গুৰু-ভক্তে সমে। নৌকাৰে গৈছে ভটিয়াই। গজিয়াঘাটতে এটা মৰা থৰি দিছে জ্ঞাতি-বংশে। তাৰে স্ত্ৰীটে অন্তৰতে বসি কান্দিব লাগিছে বিনাই ইনাই। দেখি গুৰুজনে বোলে ৰবাপো, মৰা মৈলে, কিয় কান্দিছে? এ বোলে বাপ, যি হে মৰিছে সি জিয়াবে পৰা মৰা, এই যি কান্দিছে ইও প্ৰায় মৰাহে। এ বাপ, পূৰ্ব্বেই জীৱ ৰাজকৈ প্ৰকৃতি মায়াৰ হাতে দিলা আয়াৰাত কৈ, তু হৰাই অজ্ঞান কূপত পৰি মৰাকে লাগি মৰাই কান্দিছে আপুনাৰ মায়াত। বোলে ৰবা পো, আমাৰো কান্দা একেৰি। তেহে শ্ৰীমাধদেৱে আয়াক মনে ধৰি, পৰম গুৰু চৰণত বিনাই কান্দিছে আকুতি কৈ বিৰাৰ শোকত কন্দা

"কিমতে ভকতি কৰিবো তোমাত"

"কিমতে ভকতি কৰিবো তোমাত হৰি এ, মই মূঢ়মতি নজানো তাৰ উপাই ৰাম ৰাম—" এই ঘোষা পটল কৰি গাই বিনাই কান্দিলে। শুনি মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ শৰীৰ ৰোমাঞ্চ হৈ মঞ্জৰি ত্ৰবি দুই ধাৰা প্ৰেম জৰিব-ধৈলে। বোলে বৰাপো, কি মোক অমৃত পিয়াই সন্তোষ কৰালা আজি! আছি তাতে আছে পুবে দখিণে ছিৰা, কুমাৰ। পুৰা গধূলি গড়া পিটা হুট্ হুট্ হাট্ হাট্ হাই। গুৰুজনে শুনি হৰি কথা চৰ্চ্চাত কষ্ট পায়। পছিমে ডোম গাওঁ। নিশা তাৰ ঘৰে বিড়ালী-এ পোৱা মাছ নিলে। খেদা কোৱা কৰিছিল। পুৱা দেখে ৰান্ধন গৃহে পাতৰা মাছ থৈছে নি আনি। পাগ পাত্ৰ গৃহ সব পেলনি গ'ল।

বিষ্ণু প্ৰিয়াৰ মৃত্যু

আৰু বিষ্ণুপ্ৰিয়া আপী শয্যাতে নিশা চলিল। এই তিনি বিৰকতে গুৰুজনে এবিবৰ চিত্ত হ'ল। তেহে দামোদৰ দাসকে বগা দলৈকে অনাই মাটি খুজিলে। বকাতলি হাবি, তাকে ছুও দিলে আচহনি দেখি। পাছে ভক্তে সমে আলচকৈ একবৰ্ষ ৰহি কুমাৰকুচি এৰি বাউসী লৈছেগৈ। আগে সেইখানি ববলজাৰ বুলিছিল। পাছে ভক্তে সমে শ্ৰীশঙ্কৰদেউ পাই হৰিধ্বনি কৈলে। পাছে ৰব লুবিৰ বগ তিনি প্ৰহৰ বেলি আন্ধাৰকৈ উৰি গ'ল। তেহে গুৰুজনে জাৰ টকাই চৌহাটি গৃহ হৰি গৃহকৈ বহিচন্ত।

বাউসী

আৰু কৃষ্ণদেউ কুণ্ডিললৈ যাঞতে ৰুক্মিণীৰ কাৰ্য্যত ৰথৰ বেগত মূৰ্চ্ছিত হঞতে বেদনিধি তাতে ৰহি ধনুৰে আক কৈ জল উলিয়াই মাথাত দিছে; জল পান কৰিছে। শুৱা ভোজন কৈ সুধামৃত পেলালে। তাকে পৃথিবীএ আৱৰণকৈ পাট মাৰি থৈছিল। কীৰ্ত্তন গৃহৰ গাত খানতে উলিয়াই সবাকে গুৰু বাটি-দি তাতে পুছু কপাট-মাৰি থৈছে। তাতেহে ৰব কালুৰিএ আৱৰি আছিল, কেও সোমাৱ

নপৰাহে, হস্তীকে বিদাৰিলে শৰে। আৰু মহাপুৰুষ গুৰু বৈকুণ্ঠৰ পৰা একশয় বস্তুৰ পাট সকাৰ তাতে মেলি গজালিছে। আৰু বাউসী বিলাইতৰো নাম এই তিনি অন্বয়ে জগত প্ৰখ্যাত পাট বাউসী নাম হ'ল। তাতে গুৰুজনে পোন্ধৰ বৰ্ষ ৰহি অনেক লীলা কৰিছে। পাট বাউসী নামৰ তত্ত্ব

আৰু ছোট আতা বাৰাদিত তেৰ বৰ্ষ ৰহি, হৰি কথা শুনিবলৈ বেলা হয়, বৰ পেটা বিল লেজে ঘুৰাঁতে দেখি তামধ্বজ বাৰালৈ আছিল। তাতে চাৰি মাহ আছে, সমন্ধীয়া জেঠাএক হয়। গৃহ খান কদৰ্য্য, গোটেই অনাচাৰ। আৰু দিনে নিশাই দন্দ, কন্দল, বিভিচাৰ, বাক্য বচন। অনীতি অনাচাৰ স্বেচ্ছাচাৰে প্ৰবৰ্ত্তে। কলে, বোলে সাত পুৰুষ এনেই গ'ল, এভিয়া ধসাই তৰাবলৈ আহিছে। 'এতকাল গ'ল কৰাই ভাজি খাই, চাউল চক আছে ই কথা মনত নাই'। শুনি গুৰুজনে এৰি গললৈগ। এৰি দীঘলা কাথৰ গৃহলৈ আহিল। তৈবে পৰা আহি গৈ কৃষ্ণকথা শুনেহি। দীঘলাকাথ আৰু ঠাকুৰ আতা কলা বিচাৰি গৈছিল, শ্ৰীমাধদেৱৰ মাতৃৰ কৰ্ম্মলৈ পথালি কুচিলৈ। তপাৰ বলোৰাম আতৈ পাচ টকাৰ ৰাদ্ধা আছিল এক গৃহস্তৰ, কেও কিছু নাই, দুখ দিএ ৰৰ। চ'ত মহা হাল মেলি লাঙলতে পৰি ঘুমাইছে। দেখি আতা সুধিলে বোলে দলিতে লাঙল সিথানে শোৱ, ঘৰে কিয় নাযা? বোলে বাপ, মাৰে, ভাত নিদিএ, কাপৰ নাই, মাৱ, বাপ কিছু নাই, কি সোধা আমাৰ দুখৰ বাৰ্ত্তা? শুনি আতাৰ দায়া জন্মিল। বোলে টকা দি নিঞঁ, যাবানে? বোলে দাস কৈ নিলে এতিক্ষণে যাওঁ। আতা পথে শিকাই দিছে। ঘৰ পাই কলে, বোলে আবা সম মোৰ গঞা মৰাও, চিনি পাই ধৰিছেহি। আতা বোলে আমাৰ লৰা বি বলো, টকা দিঞ, এৰি দে। তপাৰ বলোৰাম আতৈ

সি বোলে এৰিবলৈহে ফুৰিছোঁ, চিণ্ডা নাই কাজেহে। ধাবহে হবাই যেন দেখো কতো বেলি ধনে জনে। তেহে দিলে। সি লৈ বোলে তোম্ৰা সব খানেক বহা। দুপৰীয়াই ভাত খাই যক। আতৈএ বোলে লোকৰ দাস হলু, তোৰ ঘৰে এতিয়া কিয় থাম আক? শুনি আতা পৰম সন্তোষ হ'ল। এই বুলি আতাৰ পাছত কলা লৈ আহি পাই গুৰুজনক ভেটাই দিছে। পাছ দিনা হৰিষে থাকি ধৰ্ম্ম লভিছে। নীতি, সদাচাৰ দেখাই সজ বুদ্ধি দেখি সামৰিছে। সেই কলা পকাই ছোট আতাৰ মাতৃ-কৰ্ম্মত পত্নী প্ৰসাদ

পত্নী প্ৰসাদ যাত্ৰা নাট — যাত্ৰা নাট গাইছে।

আক একদিনা মনথৈ পৰা ঠাকুৰ আতা আহে। শিমলুৱা বোলে, তাৰে গৃহস্তে ধান দাইছে গ্ৰামী ভকত। আতাক

শ্ৰীৰাম আতা — আহিবৰ দেখি সেৱা কৈলেহি। শ্ৰীৰাম আতা অহা নাই। বোলে সেইটি কৰ, দহোঁ নাহে? বোলে বাপু, দুনিয়া চাইছেহি। বোলে মাতা, তামোল পান নিয়কহি। পাছে গৃহস্তে বোলে আহা, আতাকো সেৱা কৰাহি, তামোল খোৱাহি। আহি তেহে সেৱাকৈ গুৱা খালেহি। ঠাকুৰ আতা বোলে এটি মানুহ লাগিল নাঞৰ আগত। তেহে গৃহস্তে বোলে বাপু, তুমিএ যোৱা আতাৰ লগে। তেও আমি ধান পুৱা দিম। বোলে মই পুৱাই কৈ চাম ও বুলিছোঁ ধান দাম। মোৰ বোলা বাক্য বাৰ নপৰে। এই বুলি দাব থৈলে। আতা দেখে কি নিশ্চই বুদ্ধি ভাঠ লোক। পাছে ঠাকুৰ আতা গৈ বোলে তোমাৰ বাক্য ৰাখি নও দাঞ। তেও বলা। মুঠি চাৰক দাই আনি বোলে গা ধোৱা। ধুলে। এবুলি কাপৰ দি পিন্ধাই তুলি আগতে বঁঠা ধৰাই আছে, পালেহি। গুৰুজন বহিছে তিতৰত, দুৱাৰ চুকত। আতাক ঠাকুৰ আতা গৈ গুৰুজনক সেৱা কৈলে। গুৰুজনে কৃষ্ণ কথা চৰ্চ্চিছিল, থলে, বিদায় কৈ

আছিল। বোলে শ্ৰীৰাম, আহা যাওঁ। বোলে তোত্ৰা যক আমি আক নযাওঁ। শুনিলে বুলি বৰ গুৰুজনে বোলে নাৰায়ণ দাস, কাৰে কথা হৰা ?' আতা বোলে বাপ, তিন ভাই ঘৰৰ ধান দাইছিল, কৈ মাতি নাঞ্চৰ আগত তুলি আনিলোঁ। ত' বো পৰা নাহে, খটবন্ধ কৈ, অতো নযায় এতিয়া। মহাপুৰুষ গুৰু বোলে নযায় যে থাককেই। তেহে বৈ পাছ দিনা মহাপুৰুষক গুৰু বুলিছে। পাত, খৰি, মাছ, শাক বাজ পৰিচৰ্য্যা সেৱা ধৰি আছে।

আক দীঘলা কাথে স্নেহত উপাধি খানি পালে সজ ছোট আতাক দিএ। আতা হৰি বিমুখ দেখি নখাই চুকত হয়, গেলে, পেলায়। তাকে তেওঁৰ পত্নীএ লক্ষ্যকৈ—দেখি কলে বোলে নেখায় ভাগিনাক বস্ত্ৰ দিয়া, নেখায়, গেলাই দলিয়ায়। তেহে দীঘলা শুনি খদ্দি বোলে মোৰ বস্ত্ৰ যে বয়া, ঘৰনো শুচিনে ? এই বুলি কুটা পেলাই চকটি মাৰি থৈছে। ছোট আতা কৃষ্ণ কথা শুনি গৈ দেখে হিংসাকৈ চক মাৰি থৈছে। পাছে বিশুধি হৈ পুনু গুৰুজনৰ পাশ পালেগৈ। বোলে ববাপো, মুখ শুকান, চাউল সিজোৱা হ'ল নহল ? সোনকালে অহা গ'ল দহোঁ ? পাছে সবে খানি কলে গুৰুজনত। শুনি গোসানী মতাই দুগ্ধ চিৰা ভোজন কৰালে। তেহে দুয়ো জনা গুৰু ভক্তে সমে গৈছে সেইতে বিল পাৰহৈ।

এক গণকে গৃহ বাৰী কৰিছিল যাবলৈ তাৰ পত্নী কাহিলাত যাৰ নপাৰি আছে। ভক্তে সমে গুৰুজনক দেখি আগ বাঢ়ি গৈ সেৱাকৈ সুধিলে, কিয় আছিছে বুলি। গুৰু বোলে দীঘলা কাথৰ শুৰিত তোমাৰ যে গৃহ-বাৰী কৰিছা পাম ধৰিবলৈ তাকে আমাক দিয়া ব্ৰক, থুজিবলৈ আহিছোঁ। বৰ আন্তি কৈ তেওঁ বোলে গৃহ বাৰী এতিক্ষণে আপুনাৰ অভয় পদত সমৰ্পিলো; মোৰ সন্ ভাগ্য বংশে সমে উদ্ধাৰ হব। পাছে সেইতে গৈ

কালি ৰাম্মে সৈতে ছোট আতাক থৈ তেহে গৈছে গুৰুজন।
গণককুচি — গণকৰ গৃহ-বাৰী দেখি গণককুচি নাম হ'ল।

আৰু বুঢ়া দৈৱজ্ঞ আতৈৰ চোৰা চিন্তা জ্যোতিষত ৰৰ আস্তিক দেখি গুৰুজনে বোলে, "অনাদৰি আন ধৰ্ম্ম
বুঢ়া দৈৱজ্ঞ — কৰ্ম্মক প্ৰতি। এক চিত্তে কৰা হৰি কীৰ্ত্তনে ৰতি।" বোলে এই বোৰ কি চাই চিন্তি থাকা? "ভকতি আচৰি যিটো গুণ নাম ধৰে। জীৱন্তে মুকুত হুয়া সংসাৰক তৰে॥" ভাবে পৰা চাবৰ এৰিলে। তেও মন চলে, তাপৰিৰ নপাৰি পাছ ফালে চাই চিন্তি থাকে ভাৰি গোপি। পাছে অন্তৰ্য্যামী পুৰুষ জানি গ'ল একদিনা। দেখে পাছৰ কান্তিটো মেলি চাইছে। পাছতে গুৰুজনে গৈ ঠিয় দি চাইছে। তেওঁৰ গা-টি শিল সম গাদিৰ লাগি জিকাৰ মাইলে। পাছ দি চাই দেখে, গুৰুজন। সেইতে পাৰতে পৈল। বোলে বাপ, পূৰ্ব্বৰ অভ্যাস, চাবৰ মন যায়। বোলে বাৰু তেনে। তেহে
দ্বিতীয় অনাদিপাতন — দ্বিতীয় অনাদি পাতন ভাগৱতৰ মূল, তাতে জ্যোতিষ ভাঙ্গি মিশ্ৰ দি কৰিলে। পাছে আতৈএ জ্যোতিষ এৰি তাকে চাই গাই শ্ৰদ্ধাকৈ হৰিগুণ গাব ধৰিলে। আৰু গাব হলে ঠাকুৰ আতা দিয়া কালিৰাম আতৈ পৰিচৰ্য্যা সেৱা বনকৈ ৰহাত থাকে। অকলে অহা যোৱা কৰে ছোট আতা হৰি কথা শুনিবলৈ গুৰুজন তত। দেখি শ্ৰীশঙ্কৰ দেৱে বোলে ৰবাপো, একলে আছে যায়, শ্ৰীৰাম আজিৰ পৰা তাতে থাকি তুমিও আহিবা যাবা।

আৰু একদিনা গুৰুজনে বোলে ৰবাপো, পশু নকৰিবা শৰ, মৰাও নানিবা, জীয়াও নানিবা, শুদা হাতে নপশিবা ঘৰ।" এটি কাণে মোক নৰপশু আনি দিয়া। পাছ দিনা
নৰ পশু — আহিলত সুধিলে বোলে পশু পালানে? বোলে বাপ, আপুনাৰ বাক্য শিৰে ধৰি আজি চাবা নিশা নিদ্ৰা নাহিল,

শুনি ভাবি বিচাৰি সপ্ত দ্বীপ চৈধ্য ব্ৰহ্মাণ্ড, তিনি ভুবন, স্বৰ্গ, মৰ্ত্ত্য, পাতাল চালোঁ, মোত পৰে নৰাধম পশু নাপালোঁ বিচাৰি। আটাইতকও মঞিহে নৰপশু, পাপী। শুনি গুৰুজনে নৱসিদ্ধ একাদশৰ শ্লোক ভাঙ্গি পদ কৰিছিল। ছোট আতাৰ বাক্যত সন্তোষ হৈ প্ৰেম জৰি দ্ৰৱ হৈ উপদেশ দিছে— "তোম্মাৰ ভৃত্যৰ ভৃত্যবো ভৃত্যৰ তাৰো ভৃত্য ভৈলোঁ। আমি। মোক জগন্নাথ, নকৰা অনাথ, নেৰিবা মাধৱ স্বামী ॥" নিমি নৱসিদ্ধ সংবাদ ৰচনা

আৰু শ্ৰীমাধৱদেৱে স্নান, গুৰুসেৱা, মালা সেৱা কৈ প্ৰাতৰে কৃষ্ণকথা শুনিবলৈ গুৰুজন ত'ত যায় শ্ৰীৰাম আতা সৈতে। ভক্ত কালিৰাম আতৈএ নিত্য কৰ্ম্ম কৰি, ঠাই, খৰি, পাত, মাছ, শাক, পানী, সবাকে যতাই থৈ গুৰুসেৱা কৰে নিতে। সেই দিনাও কৰিছে মনে। সেই দ্ৰব্য অলঙ্কাৰ পিন্ধাই দি আনিছে বত্ৰিশ অঙ্গে। এপদে দিছে, এপদে দিবলৈ আছে খৰম। তেনেতে আহি গুৰুজনে গল ওকাহি দিলেহি পদূলিত। শুনি তেনেই এৰি আতৈ জল-পাত্ৰ লৈ ওলাই আগবাঢ়ি গ'ল। তেহে ছোট আতা চাউলত জল দি ধ্যান কৈ দেখে আস্মাত, এপদে পাদুকা নাই। অনেক ভাএ তুতি নতি কৈ দিএ, নলয় একোৰূপে। তেহে বোলে মোৰ প্ৰভুক কোনে এনে বিতণ্ডা কৈলিইক? পাছে কালিৰাম আতৈ দণ্ডৱতে পৈলগৈ। বোলে বাপ, মই পাপীষ্ঠৰ হে বন। বোলে কিয়নো নিদি এৰি গ'লা? বোলে বাপ, আপুনাৰ মুখপদ্মে শুনিছোঁ গুৰু সেৱাতকৈ ভকতৰ সেৱা ডাঙৰ বুলি। বোলে তোম্রা আমাৰে সমান ভকত হ'লা, আমাৰ পৰিচৰ্য্যা কৰিব নলাগে আৰু। এ শ্ৰীৰামেই কৰিবা আজিৰ পৰা, কালিৰামে অহাযোৱা কৰিয়া আমাৰ লগে।

আৰু জেতিৰ মথাই আতৈ গৃহে যাবলৈ বিদায় কৈলে।

জয়ন্তিৰ মধাই আতৈৰ সংসাৰৰ প্ৰতি আকৰ্ষণ আৰু জ্ঞান লাভ

বোলে বাপ, গৃহৰে পৰা আহি গৈ নাম হৰি কথা শুনিম, খাবই খোজোঁ। তেহে মহাপুৰুষ গুৰু শ্লোক মাতিছে।

"বৈৰাগ্যত পৰে ভাগ্য নাই পুৰুষৰ,
সংসাৰত পৰে বিপু নাহি।
হৰি বিনে নাই পৰিত্ৰাণ।
বিষয়ৰ আশা ভঙ্গে ভক্তৰ হৰিষ।
দেখয় বিষয় সুখ বিষ্ঠাৰ সদৃশ॥"

ছোট আতা গুৰু বাক্য মনকৈ পাছত শ্লোক ভাঙ্গি সুন্দৰীত ঘোষাত দিছেনি। মাতি চৰ্চ্চি কৈ বোলে নচলাকৈ মন বলে সজ, বাক চলিছে যে যোৰাযক। তেহে গৈ তেওঁৰ আগৰ হৰি গৃহতে ৰহিল। তাতে দুয়ো পত্নীয়ে সেৱা কৈলেহি। বোলে মই গুৰুজনত বিদায় কৈ আহিছোঁ, মাহ চাৰেক থাকিবলৈ। পাগ পাত্ৰ পেলাই ততে চাউল সিজাইঁক। আতৈ শৌচ শুদ্ধি হৈ গুৰু সেৱা নাম গালে। আইৰ চাউল সিজাই বাঢ়ি গুৰা এখান খুন্দি চোবাৰ ক্ৰমে অন্নৰ উপৰে দি থৈ আঠু পাৰি জনালে গৈ। আতৈ আহি চাই দেখে চোবা খান। সেইতে অত্ৰাহি হৈ বোলে এখেলৈ আহাচোন। তেহে আই আহি আঠু পাৰিলেহি। বোলে তোৰ হাতে খাওঁ বোপাভহে এনে লঘু কৰ? বোলে দাসীত দায় হৈছে, তেও জিজ্ঞাসি সুধি মৰিৰ পাৰে। দণ্ড কৰিলেও দোষৰ ভিতৰ। বোলে কচো, কিয়নো দিয়, চুৰা নহয়, খাবলৈ যে মাত? বোলে পূৰ্ব্বে তোত্ৰা আমাক চাৰি জীৱৰ কুশলৰ হেতু সন্তৰ সজলৈ গঁলা। মহাপাপৰ হন্তে অনাচাৰী স্ত্ৰী জন্ম পালোঁ। বৈকুণ্ঠৰ সুখক এৰি পশু পক্ষী সমস্তে যোনীত যি বিষয়ক পায়, তেনে কাচক লাগি মাণিক তেজি আমি পেলনীয়া চোবাত প্ৰবৰ্ত্তিলে। এই চোবাকে গুচাই অন্ন ললেহে থকা সজ। পাছে আতৈ

হুক্ হুক্ কৰে কান্দি ওলাই আছিল। বোলে আজি তুমি মোক সজ ৰাখিলি জ্ঞান বোধ দি। মোৰ পৰম বান্ধৱ উপকাৰীহে, ভাৰ্য্যা নহলে। পাছে আছি মহাপুৰুষ গুৰু বসি আছে মধুৰ-মূৰ্ত্তি ৰূপ ধৰি। পৰি দণ্ডৱতে কলে সকলোখানি। বোলে সেই স্ত্ৰী এৰি সোধাই দিছিলানে? বোলে বাপ, দিলোঁ। তাৰ মাতৃ, ভ্ৰাতৃত, নযায়। বোলে 'তোমাৰ গুণ গাই তোম্ৰাকে চিন্তি অ'তে থাকিম।'—এই বুলি আছে আমাকো ভিয়নি-টনা খন দি তাতে। তেহে গুৰুজনে সজ বুদ্ধি, শুদ্ধ জীৱ জানি অনাই ধৰ্ম্ম বস্তু প্ৰকাশকৈ বাজ হাটি দি কাটি খলা সৰা মচাকৈ থলে ভকতৰ শাৰীৰ ভাগ দি।

আৰু একদিনা ভক্তে সমে আছে ছোট আতা, ম'হ এটা পৰি আছিল বাটৰ কাষে। দেখি আন সবে আন্তৰি হাৰি ভাঙ্গি গ'ল। ছোট আতা তাৰ আগেই গ'ল। পাই ভকতে কলে, বোলে বাপ, মহ আছিল বাটে, ছোট আতা সিজৰ আগেই আছিল, আমি হাৰি সোমাই আছিলোঁ। বোলে ৰবাপো হয়নে? বোলে হয়। কিয় আহা? "সাপে খায়, বাঘে খায়, যদি মৰে জলে, যাৰ যিবা হৱ লাগে নিজ কৰ্ম্মফলে।" বোলে বাপ, তাৰ হাতে যাৰ লগা হলে আঁতৰি গলেও মাৰিব, নহলে একা চাউল, আয়ুভ, আগেই গলে কি কৰিব পাৰে সি? পাছে গুৰু খজকৈ বোলে ৰবাপো, এনে উত্তৰ কত শিখিলা? তুমি-এ জানানে আনেও জানে? অ সি কাল, বলবন্ত, ভাবু। সিকি জানে কাল অকাল? মৃত্যু সবাকো চল পালে মাৰে। তৈল থকাতো বায়ুএ বত্তি নুমায়, আঁৰ দিলে ৰয়। পলাই অন্তৰে, সাৰে। তোমাক নপাৰে এই ক্ৰমে আৰ্হি লৈ আনো আত্মা-ঘাতী নহব? এই বুলি বস্তি বোধ দি হাক দিছে।

লোকলৈ আৰ্হি ৰখাৰ উপদেশ

আক নৰনাৰায়ণ ৰাজাৰ ৰাশীত শনি প্ৰবেশিল। পাছে পণ্ডিত দৈবজ্ঞ ব্ৰাহ্মণত সুধিলে, বোলে কি হব? বোলে মহাৰাজ, আৰ প্ৰতিক্ৰিয়া কৰি দেশান্তৰ ফুৰিলে অশুভ নাচবে। তেহে পূজা, দান, হোম কৰাই ৰাজা আছি ৰৰনগৰ কৰি ৰ'লহি। তাতে শুনি গুৰুজন গৈ

ৰৰনগৰ কলামাহ ডুচক ভেটি নিৰ্ম্মালি দিছে। চিলাৰায়ে তেজ শক্তি ঈশ্বৰ লক্ষণ দেখি গুৰু মানিবৰ চিত্ত; দদাএকৰ ভএ নহ'ল। তাতে আঢ়ৈ বৰ্ষ হ'ল। চাই পণ্ডিতে কলে ৰাজাত বোলে শিৰতে গৰ্ভে থিত হৈছে শনি। ই-গৃহ যেনো হ'ল এৰাহে সজ। তেহে তাৰ পৰা গৰ প্ৰাপ্তি কৰি ডিঙ্গা নগৰলৈ গ'ল। তাতে আছে। একদিনা ছোট দেৱানৰ শ্ৰীদাম লিগিৰা আছি ৰামৰাই আতাৰ ছুহিত্ৰী কমলপ্ৰিয়া আপীক দেখে দিব্যৰূপ ত্ৰৈলোক্য মোহিনী। চুলি মেলাইছে, ছুৰাচি ঢৰাত তিনিপাক দি পৰিছে। পাছে সি গৈএ চিলাৰাইত কলে ৰূপ গুণ চুলি লক্ষণৰ কথা। শুনি ৰাজা তেতেক্ষণে ধৰাই নি মুখ্য পটেশ্বৰী পাতিলে নি। বিবাহ পাতি ৰাই আতাক নিবলৈ পাচ্ছিলে, নেযায়। তেহে মহাপুৰুষ গুৰু বোলে সি নিলে কি কৰিবা, দিয়া গৈ শুদ্ধ কৈ। পাছে গৈ দিলে। তিনিখনি গাঞ্চ দি কুঠি কৰি দিয়ালে।

আকৌ ৰাজাত পণ্ডিতে চাই কলে বোলে মহাৰাজ, শনিৰ অষ্ট বৰ্ষে ভোগ ৰাশি তত। শিৰত আঢ়ৈ বৰ্ষ, গৰ্ভে আঢ়ৈ বৰ্ষ, গোৰে আঢ়ৈ বৰ্ষ। এতিয়া বিদেশ বৈৰাগ্য হৈ ফুৰাতহে অৰিষ্ট নাচবে। পাছে ৰাজা বেশছন কৈ শত্তা কণ্ঠা মৰা পৰকালৈ অচম ৰাজ্যে উজাই গ'ল। ছোট যুৱৰাজ চিলাৰায় বেহাৰ নগৰে ৰাজ্য ধৰি পালি পাচি প্ৰবৰ্ত্তাই আছে। একদিনা ৰাজা মৃগয়া কৰিতে গৈছিল। গৃহে এগৰা পত্নী মুখ্য আপী সৰাতেকৰা। ৰবেও একত্ৰ হৈ ৰহিল, তাম্বুলী চ'ৰাতে

আইক মধ্যকৈ ধৰি গীত গোৱাইছে। চাৰঙ্গ দাৰত স্বৰ তুলি ধৈলে—

"পামৰ মন, ৰাম চৰণে চিত্ত দেহু।
অথিৰ জীৱন বাস, মাধৱকেৰি নাম,
মৰণ সময় লেহু।" এই গীত গাইছিল, কোকিল সুৰতো অধিক। মাত ৰাজা শুনিলেহি। আন সঙ্গিনী সবেও ৰাতাই উঠি গ'ল, আই লাগী, নগ'ল। বোলে গীত যে গাইছিলা, কোনে কৰা? বোলে আমাৰ বৰ আতা। ৰাজা শয্যাত গোৱাই পুনু শুনিলে, মহা পণ্ডিত শুক্লধ্বজ অৰ্থে মজি গ'ল। পাছে ৰাজা ডিঙ্গা নগৰে আহি মহাপুৰুষ গুৰুক তাল'কে কাতৰকৈ নিয়াই কায় কষ্টে ব্ৰতে হৰিষ্যে থাকি, টকা দহ, কাপৰ এসাজ দি শৰণাপন হ'ল। আৰু বেশছনকৈ অচম ৰাজ্য ফুৰি শনি চাৰিলত গ'ল বেহাৰে। দেখি গ'ল শুকুলা হস্তী মানিক ধাইক। তেহে অনেক মানুহ, চিপাহী, চাকৰ, লস্কৰ লৈ উত্তৰে নৰনাৰায়ণ, দখিনে চিলাৰাই, বিৰাম কাজি অনেক সেনা লৈ যুদ্ধ ধৈলেহি। কেকোৰা ৰাজা, লাহন বৰবৰুৱা, মাছুৰিয়াল ৰাজমন্ত্ৰী বৰগোহাই, ভেৰা বৰফুকণ এই সবে আলচিদলৰ গাঞৃত এক যুদ্ধ, তেলীয়াডোঙ্গাত এক যুদ্ধ দিলে। অনেক প্ৰাণী হানি হ'ল দুয়োদলৰ। পাছে হুহকি কেৰিমেৰি গৰ বান্ধি সাদিম সাত নিশা যুজিলে, অনেক লোক ক্ষয়ক্ষাৰ হ'ল। নপাৰি ৰাজা প্ৰজা নিশাই সব এৰি পলাল। হস্তী ধাইক পালে, মানিক লৈ গ'ল। পাছে পাছে খেদিলে। ৰজা পাট এৰি চৰাই খোৱোঙ্গ পৰ্ব্বত সোমালগৈ। মানিক পাই লৈ উভটিল। চিলাৰাই কাজি হস্তী ধাই লৈ নাৰায়ণক দিছেহি। শুক্লা হাতী আনিলে দেখি শুক্লধ্বজ নাম দি ভটিয়াল আপুন দেশে।

শুক্লধ্বজ শৰণাপন্ন হয়

শুক্লধ্বজৰ অসম আক্ৰমণ

নামৰ কাৰণ

আৰু মনথৈৰ পৰা ঠাকুৰ আতা নিতে গণকুচি সোমাই ছোট আতাৰে দুওজনা আছে বাউসীলৈ। পথতে এটা হালোৱাই হাল বাইছে হে হে কৰি। দেখি ঠাকুৰ আতা বোলে কি হে হে কৰ, ৰাম ৰাম বুইলে কি হয়? পাছে ছোট আতা বোলে সখি, বোলাইছে আছিৱা, নোবোলালে জেজা লাগিল, নামৰ দশ অপৰাধৰ এটা সিজিল। পাছে ঠাকুৰ আতা পাছে পাছে ঘুৰিছে, বোলে ৰাম বোল। সি নোবোলে। আতা বোলে একেখাৰি ৰাম বোল উপা হে। তেহে একো-ৰূপে এবাৰ নপাৰি বোলে বুলিলো ৰাম, কি হৈছে এতিয়া? বোলে একো নহই থাক পা। তেহে গৈ বাউসী পাই সেৱা কৈলে। ছোট আতা সুধিলে বোলে সখি, বুলিলেনে সুবুলিলে? বোলে বাপ, যেনে তেনে প্ৰকাৰে বোলোৱা হ'ল। বোলে তোমাক নো কোনে তেনেকৈ বুলিব দিএ? সুবুলিলেহঁতে কি হ'ল হঁতে আজি? পাছে তাক অন্তকালত যমদুতে ধৰিলেছি নিবলৈ লোহাৰ ডাঙ ঘোচা সৰ জৰিএ সৈতে। কৃষ্ণ বৰ্ণে বিকৃত মূৰ্ত্তি দেখি পূৰ্ব্বৰ সেই ৰাম বোলোৱা আতাৰ কৃপাত ৰাম আছিল মুখত। বাজ উলিয়াইছিল। অত্ৰাহি হৈ ৰামধ্বনি লাগি দুত ভিৰি লৰ দিলে এৰি। পাছে স্বস্থ হৈ বোলে মোক ঠাকুৰ আতা ঠাই নেইঁক। নিলে, পাই সেৱাকৈ বোলে বাপ, তোত্ৰাৰ পৰাহে ৰক্ষা পালোঁ, দাস বুলি নেৰিবা মোক। বোলে বাৰু আছ। পাছে নি ছোট আতাক পূৰ্ব্বৰ কথা কৈ ভেটাইছে নি। তেহে গুৰুজনে ঘোষা মাতিছে,

> "মৃত্যুৰ মুখত পৰি, আছে যিটো সিটো জন,
> হৰি গুণ কীৰ্ত্তন নকৰে।
> মৃত্যু তৰিবাৰ জানা, নাহিকে উপায় আন,
> হৰি নাম কীৰ্ত্তনত পৰে।"

হালোৱাৰ ৰামত শৰণ পাৱোৰ পাৰিল আতৈ

বোলে সখি, দেখিছো। এই বুলি দুওজনা আতা তেওঁক নি মহাপুৰুষক গুৰু বোলাইছে গৈ। শ্ৰীশঙ্কৰদেৱে গোবিন্দনাম দিছে। পূৰ্ব্বৰ গাবোৰ পৰা অহা আতৈ, সিজন্মৰো কাৰণ।

আৰু একদিনা মধাই আতৈ ভিক্ষা কৰিবলৈ গৈছিল। খুজি গৈ গৈ মনথৈ পালে গৈ। ঠাকুৰ আতাৰ বাৰী বুলি ভু নাপায়। শীঘ্ৰে পদুলি সোমাই গৈছে। আএ তাঁত বৈছে, দেখে সুন্দৰ ভৰ যৌবন, দিব্য পুৰুষজন, গৌৰবৰ্ণে, হাতে লাঠি, মাথে ভগ্ন ছাতি, আঠু মুৰে ভুনি, ফটা বস্ত্ৰ কান্ধে, বুলি গহণ শান্ত ধীৰ ভাএ গৈছে। বেশটি ভক্তৰ, গা লক্ষণ ডাঙৰীয়া মহন্তৰ, সাজটি দুখী, দৰিদ্ৰ, ভিখুকৰ। মনে পৰীক্ষি আএ ককৰা মাতিলে, "নাঞ চপ্‌চপ্ দেখো ঢউ অপাৰ?" আতা বোলে মাতৃ, "মুৰুৰে নৌকা সুজান কণ্ডাৰ।" নকৈ নাৰ্জো, পুৰনি খাঞ। ভিক্ষা দিয়া মাও ঘ-লৈ যাঞ।" শুনি অএ অদ্ভুত আশ্চৰ্য্য হৈ সুধিলে বোলে তোমা ক'ৰতে আছে, ক'ত থাকে? বোলে মাও, বাউসীৰ মহাপুৰুষৰ সঙ্গে থাকোঁ, ভিক্ষাকৈ প্ৰবৰ্ত্তোঁ। পাছে আএ উঠি আহি পাৰত পৰি সেৱা কৈ বোলে, তোমাক দাসীএ ক'ৰৰা বুলি পৰীক্ষা কৰিলোঁ, অপৰাধ ক্ষমা যাৰ। তেহে এপুৰা চাউল, এপোৰা লোন এপোৰা তৈল, আদ্‌পোৰা খাৰ, বোলে মই ত'তে দিয়াম দাসীএ। আপুনি আজীৰ পৰা নাম লব বসি। সেই মতে মাৰে মাৰে শোধাই আহিল।

আৰু একদিনা দুওজনা যায়, ছোট আজা ঠাকুৰ আতা। এটি জান আছে, তাতে নাঞ খানি সিপাৰে আছে, হেচুকি দিলে ইপাৰে পায়। সিপাৰে এটাই ভুঁই কুৰিছে। তাকে বোলে নাৱ খানি ইপাৰকৈ দে, আমি জগত-গুৰু ঠাইলৈ যাওঁ। পাছে শ্ৰীৰাধ দেএ খজিলে বোলে কিয় তেনেকৈ বোলা? "শ্ৰীমন্ত শঙ্কৰ, হৰিভকতৰ, জানা যেন

মধাই আতৈৰ ঠাকুৰ আতাৰ গৃহত ভিক্ষা

কল্পতৰু”—তোমাৰ আমাৰ সেৱকৰ হে? ভাৰ কি? সি বোলাইতে, তহঁতৰ জগত-গুৰু, আমাৰ কি, পাছে ক'ত বলু বলা হঁতে?

আৰু কমললোচন ঠাকুৰৰে মহাপুৰুষ গুৰুৰে একে বৰ্ণ, মুখ। একদিনা শতানন্দ দলৈ গৈছে। কমললোচন চ'ৰাতে বসি আছে। সেইতে পাৱতে পৰি সেৱা কৰিব খোজে। বোলে খুৰা, কি কৰা যায়? বোলে বাপু, তোমাৰে গুৰুজনৰে কিছু ভেদ নাইনে চাইছোঁ দৰ্পণ চোৱা যেন। ডেকা গিৰি যেন দেখিলোঁ মই।

একাদশীত ভোজন নিষেধ

আৰু এদিন শ্ৰীমাধৱদেৱৰ গা বিষমৰ হেতু চাউল সিজাব খুৱাইলে। পুৱা হ'ল একাদশী। পাছে শোচ-শুদ্ধি স্নান, গুৰু সেৱা কৈ ক্ষুধা তৃষাত গা বৰয়াৰ খৈলে। তেহে এপোহা আতপ চাউল, দুই পহু জলেৰে ভোজনকৈ গৈ শ্ৰীশঙ্কৰদেৱক সেৱা কৰিলেগৈ। চাই বোলে ববাপো, আজি দেখো মুখ প্ৰসন্ন? কিবা ভোজন কৈলা হবলা? বোলে বাপ, জলে সমে চাউল এপহা গিলা হ'ল, গা বিষমৰ হেতু। পাছে গুৰুজনে বোলে উদৰেই চৰু তাতে জঠৰ বহ্নি আছে, চাউল, পাণী বহাইছা, লোন তৈল খাৰ দিলে, সম্পূৰ্ণে ভোজনেই হয়। “তুমি আমি কৰোঁ যদি গৰ্হিত কৰ্ম্ম। পাছৰ লোকে আকে মানিবেক ধৰ্ম্ম,” এই বুলি খজিছে।

কালীদমন নাটকলা

আৰু বাই আতা দশমৰ কালীদমন চৰ্চ্চা সন্তোষ পাই গুৰুজনত প্ৰাৰ্থনাকৈ জীৱক কৃপাৰে নাট কৰালে। তাতে স্বৰ্গতে গন্ধৰ্ব্ব আসি চিন মাৰি শিকিবলৈ অহাত গুৰুজনে চিন পাই নটচন্দ্ৰৰ গীত কৰি গালে, তু ধৰিব খুৱাৰি লাজ হৈ ঈশ্বৰ মানি গ'ল গুচি।

আৰু গোবিন্দ গুৰুৱে তিনি তিনিটা ক্ষুদ্ৰমাছ লৈএ একাদশীত। দেখি মহাপুৰুষ গুৰু বোলে গোবিন্দ, দেখো

আজি একাদশী, তিনি কুহিঁ লৈছা? বোলে বাপ, তোম্ৰাথেৰ পদে দেখোঁ কৈছে বোলে—"নপাই একাদশী উপবাসে, নপাএ মোক যোগ সন্ন্যাসে।" তেহে মহাপুৰুষ গুৰু বোলে ৰামানন্দৰ মাক, একাদশ শাস্ত্ৰ খান আনা, পদটো কাটি গুচাঞ। অ' আমি পদ কৰিলোঁ জীৱ তৰিবৰ কাৰণে, কেনেকৈহে বুজিছে দহো। এই বুলি নৰণি ধৰিলে' পাছে ঠাকুৰ আতা বোলে বাপ, কাটিব নালাগে। নাৰায়ণ দাস কেনেকৈনো লৈছা? বোলে বাপ, একাদশী ধৰ্ম্মৱাৰ, তিথি আক কৰিব পাই, তাৰ ফল বাঞ্ছাহে কৰিব নপাই। যুতু মহাপাপ ব্ৰহ্মহত্যা আদি কৰি অন্নত বাসা কৰে গৈ। তাক এৰিব। বাৰ গুচালে মজলীয়া গুলাই, পাছে গুৰুজনে বোলে এবা আমিও তেনেকৈতো কৰিছোঁ। তেহে পদ ৰ'ল। পাছে গুৰুজনে বোলে নাৰায়ণ দাস, অনেক শ্ৰমকৈ অৰণ্য কাটি একোটি পদ কৰিছোঁ। আজি পদটি তোমাৰ পৰা ৰ'ল। এই বুলি পৰম স্নেহত বাম হাতে গুৱা এমুঠি কোচলৈ পেলাই দিলে। সেই গুৱা গণকুচিত নি দুওজনা আতা ভোজনকৈ বোলে পৰম স্নেহত সীতা বাম হস্তে মুকুতাৰ মালা দিছে হনুমস্তক। আৰু কোনো লোকৰ দুই পত্নী থাকে, বৰজনীৰ আৰে দ্ৰব্য খানি দিএ। গুৰুজনেও আমাক আপুনাৰ অভয় পদৰ তলতে ৰাখিছে। পদৰ অৰ্থ

আৰু একদিনা গুৰুজনৰ গা বিষমৰ হেতু স্নান ভোজন ন'হল গধূলা। পুৱা হ'ল ভীম একাদশী, বিহানে গুৰুজন নিত্যকৰ্ম্ম কৰি নৈমিত্তিক অৱসানে ব্ৰত্তমান কৈছে। ছোট আতা পাই. গুৰুজনক সেৱাকৈ ভিতৰে গোসানী মাৱক সেৱা কৈলেগৈ। বোলে ববাপো, আমাৰ গোঁসাইত জনোৱাগৈ— গধূলি উপাসে ৰ'ল, এতিয়াও একাদশী, নিৰাহাৰে কাহিলা গাত টান হব, উদৰো চলিছে। আৰৈ জহা চাউল এপহা দুগ্ধত

পাক কৰিবলৈ কি বোলে ? দধি অন্নত দোষ নাই যেন দেখোঁ। বোলে মাতৃ, কব নপাৰো, সিদিনা খঙ্গিছে আমাক। আনত কৈ সোধা যক। তেহে হৰিগুৰুতে কৈ জনাইছে। তেওঁ ক'লতে ৰাগকৈ হাপালি মাৰি বোলে নাম। পাছে সেইতে পানীকটাত পৰি হুহকি চেপেটা খালে। তাতে পৰি এপৰ থকাতে ডুপৰ নিশা হ'লগৈ। তেহে বতাহে বৰষুণ শিলে ওপচাই আনি খুন্দি পেলালে। তিতি জাৰে ভোকে বিচেষ্টা হ'লগৈ, মাত হৰিল। পাছে গুৰু স্বপ্নত দেখে সুন্দৰ ব্ৰাহ্মণৰ ছৱাটিএ বোলে, তোম্ৰা শুই আছা মোৰ তিতি দেহ যায়হে। তেহে সাৰ পাই বহি বোলে ধ্বজা, বাজত কোন আছে চা। জুই লৈ চাই দেখে হৰি গুৰু আতৈ মৰিব লগা হ'লগৈ। তুলি, ধুৱাই কাপৰ, আঙ্গচ সলাই জুই সেও দিলতহে মাত ওলাই শ্ৰেষ্টা পালে। বোলে সেই তেতিয়াৰে পৰা নগৈ কি কৰিছিলা তাত পৰি ? বোলে বাপ, তোম্ৰা নাম বুলি এৰাতে মৰা প্ৰায় হৈ আছিলোঁ পৰি। পুত্ৰা বোলে তুমি চৌৰাশি নৰকত ভুঞ্জিব লাগিল। অন্ন খাব দিয়াত যুধিষ্ঠিৰে নৰ্ক দেখাত উৰ্দ্ধ গতি হৈ উদঙ্গ হ'ল। একাদশী, আঁউসী, আচাৰ বিভিচাৰ, মিছা বেশ্যা ভৰিবগৈ কলিত। আৰু কুৰ্ম্ম পুৰানৰ আহি কৈছে, ভক্তে অন্ন অৰ্পণা নকৰি খালে কুৰ্ত্তা খোৱাৰ সদৃশ আৰু ভক্তৰ হাত ঘালিলে জোখাকৈ দুগুণ টকাদি মাতিব, সন্তোষ হলে, হলু বুইলেহে ৰক্ষা পায়, আপুনিও, উপৰি পুৰুষো। আৰু অভক্তৰ ধনে ইহ জন্মে দুখ পৰ জন্মে সংসাৰ। ভক্তৰ টকা মোক্ষ সাধে। আৰু বোলে গৃদ্ধ, বানৰ, বৃক, বায়স, উট, গৰ্দ্দভ, শুকৰ, কীট, পতঙ্গ এই সৱত জন্ম লভে সংসাৰত ভ্ৰমি। পাছে এই সব আহি যুগুতি কয় গুৰুজনে। কতো মুখ ভেদে কয় সেই দধি ভাত ভোজন কৰালে আতৈক, কতো নাই বোলে। তেহে গুৰু বোলে নৰক চৌৰাশি মই লেখি নিওঁ, তুমি বাগৰি

হৰিগুৰুৰ বাসনাখণ্ডন

ভক্তৰ ধন আৰু অভক্তৰ ধন

ষোৱা বাসনাটো খণ্ডক। বাগৰি স্নান কৰি দণ্ড সবাই দিলে। বোলে আগলৈ নকবা এনে কথা আৰু।

আৰু হৰিগুৰু আতৈ মনিয়ৰিত থাকে। আহি গৈ নাম হৰি কথা শুনে। পাছে এদিন বেলা ছোট হ'ল, গজা ধানে পোনাই বেগ দিছে। এক গৃহস্থৰ লৰাই, বোলে কনানে, ধানৰ উপৰে যা? আতৈ কাণ নকৰি গ'ল। সি অন্ধক হৈ তাতে আছে। তাৰ বাপ মা এৰাতি বিচাৰি নি সুধিলে তাত, বোলে এটা লোক ধানে যায়, কথা বুলিলত তেনে নে দেখিলোঁ আৰু। তেহে সিহতে বুজি ভাৰ ভেটি লৈ আতৈত পৰিলগৈ স্তুতি কৈ। তাৰা বোলে মই শুনাও নাই, লাগাও নাই। যদি লাগিছে, ধৰিছে দোষ, মহাপুৰুষ গুৰু ঠাই ব'লা ইঁক যাওঁ। আতা গৈ এই ভাৰে ভেটিএ তেহে সবে গৈ গুৰু জনত গুণ, যুগুতি কৈ প্ৰাৰ্থনা কৰিলে। গুৰুজনে দুৰ্ব্বাসাৰ আহিকৈ আতৈক মতালে, সন্তোষ হ'ল। তেহে চক্ষুএ দেখিছে।

হৰিগুৰু আতৈক কথা বুলি কথা হোৱা

আৰু এদিন শ্ৰীমাধদেউ আছে গণক কুচিৰ পৰা। বাটতে এটা বামুণে আগচি ধৰিলে। বোলে তোম্ৰা কলৈ যায়? বোলে আমি শ্ৰীশঙ্কৰ দেৱৰ ঠাইলে যাওঁ। বোলে তোম্ৰাৰ গুৰু কোন? বোলে আমাৰ গুৰু তাৰাই। বোলে তাৰাৰ একা? বোলে ই কথা তাৰাতে সুধিবা, আমিও সুধিলেহে কব পাৰোঁ, সোধা নাই। তেহে গৈ গুৰুজনক সেৱা কৈলেগৈ। বোলে বৰাপো, আজি দহোঁ বেলা হ'ল? বোলে বাপ, এটা বামুণে আগচি ধৰি খটু বন্ধকৈ নেৰে, সেই খস্তে। বোলে কিয়বা? বোলে সি, তোমাৰ গুৰু কোন। মই বোলোঁ আমাৰ গুৰু তাৰাই। বোলে তেওঁৰ একা? আমি বুইলোঁ তাৰাতে সুধিবা, আমি ভু নপাওঁ এই খানি। পাছে গুৰুজনে বোলে এনেকৈ সুবুলিলা কিয়, কৃষ্ণদেউ বুলিছে,

শঙ্কৰদেৱৰ গুৰু

"মোৰ গুৰু ভকতেহে স্বৰূপ স্বভাৱ। যেন বায়ু আকাশৰ নাহি ভিন্ন ভাৱ॥ আমিও ভাবিছোঁ, "সৰ্ব্বতত্ত্ব ভকতক মই গুৰু মানো। ভকত গুৰুত পৰে আনক নজানো," বোলে বাপ, কিয় বুলিম একা, কি সাহেৰে ?

আৰু শ্ৰীৰাম আতা গণকুচিৰ আগত এফেৰি খেতি লৈছিল। তাকে দাই মাৰি সিজাই শুকাই ধুতিএ মুখ বান্ধি চাউল কিছু লৈ গ'ল। গুৰুজনে দেখি বোলে বৰাপো, কি ? বোলে বাপ, এ শ্ৰীৰামে কৃষি এফেৰি কৰিছিল, তাৰে চাউল কিছু আনিছে সজকৈ কৰি তোম্ৰাত লাগিবলৈ। বোলে বৰাপো, তোম্ৰাত লাগিলে যো কুশল নহয়। এ বোলে বাপ, শ্ৰীৰামে আমাক পুৰিবই লাগিছে, তেও তোম্ৰাত একঠি লাগিলেহে সজ।

চন্দৰীআইৰ গীতাতত্ত্ব বাখ্যা

আৰু একদিনা বামুণে গীতাৰ শ্লোকৰ অৰ্থ সুধিবলৈ আলচ কৰি আছিছে। ধনুখনাত চন্দৰী আএ কাপোৰ ধুইছে গুৰুজনৰ। শুনি বোলে ভগৱন্ত প্ৰসাদে মিলয়। কৃষ্ণৰ কৃপাত তেবে গুচয় সংসাৰ বন্ধ। এহি মানে গীতাৰ নিৰ্ণয়। শুনি বামুণ তধা লাগিল, মুখলৈ চোৱা চুই কৈ, বোলে দাসীএই এনে সিদ্ধান্ত কৈলে। গৈ নো কি সুধিম ? দহোঁ অঠৰ আধ্যাৰ একেষাৰে কলে। শঙ্কৰে আৰু লঘুহে কৰিব। এই বুলি তাৰে পৰা উলটি গ'ল। সেই সংস্কৃতৰে পাছে ঘোষা কৰিছে।

মাধৱেউৰ বিকল্পে কথন

আৰু একদিন শ্ৰীমাধদেউ আহিব সুৱাইলে হৰি কথা শুনিবলৈ গা বিষমৰ হেতু। কৃষ্ণ কথা অৱসানত গুৰুজনে বোলে বৰাপো নাহিল আজি। তেহে তিনিজন ভক্তে বোলে বাপ, তাৰা ত'তে এধান মেল হৰিকথাৰ। আহেনো কেলৈ ? এখেত আৰু অৱহেলা হে হব এহেলৈ। শুনি তেহে মহাপুৰুষ গুৰু খেদ কৰিছন্ত, "হৰি হৰি, ইবাৰ

জীৱ সাৰেহে বুলিছিলোঁ ; এনে হলে ৰবহে। অ'ৰ খানি কৰা বিৰূপে ত'ত, ত'ৰ কৰা বিপক্ষে অ'ত, দুখ আয়াযাতহে সংসাৰত। পাছে সেইতে তিনিও দণ্ডৱতে পৈল, বোলে বাপ তৰ্কিব নপাৰি কলু, কি গতি হব ? বোলে ৰবাপোত কৈ দণ্ডৱতে পৰাগৈ। তাৰা ৰাখিলেহে ৰক্ষা পৰা। পাছে তিনিও গৈ কৈ দণ্ডৱতে পৈল। তেহে ছোট আতা গুণ উপকাৰহে ললে, বোলে বৰ হেলা গৰ্ব্ব ভাও হৈছিল হয়। কৈ বুলি মৌক যানিবা জ্ঞান প্ৰদীপহে দিলা, অন্ধলাৰ চক্ষু দৰে। বোলে পুনু গৈ ততে পৰা যাই, ক্ষেমিব। আহি কলেহি সেই ক্ৰমে। বোলে চাঁহী কাঢ়িবলৈ যোৱা, হাতীতে উঝটি খৱা ? উত্তমে অল্প গুণকে বিস্তৰ কৰে, দোষকো গুণহে লেখে অধমেহে দোষ কল্লে। পৰা ঠাইলে পাৱ ধৰি মুঠিলে কি উপায় ? আকৌ যোৱাহক, এনেকৈ নোৱোলে। চুপে বৈ স্নান কৰোঁতে দণ্ডৱতে পৰি পাৱত ধৰি ক্ষেমিলোঁ নোবোলে মানে কাতৰ স্তুতিকৈ নেৰিবা। তেহে সেই মতে থাকি ধৰি অনেক কাৰ্পণ্য কৈ নেৰোতে বোলে এৰা, এৰিলোঁ। পাছে তাৰা সৱ সহিতে আহি গুৰুজনত কৈছে, বোলে বাপ আৰা সবে আজি আনাক এনে কৰিলেগৈ। মই দহোঁ জৰ, তোম্ৰাহে মোৰ চৈতন্য আত্মা, অ'তে ৰাখিলে দহোঁ হয়। তেহে মহাপুৰুষ গুৰু বোলে আনাত তোমাত হস্তে যি ধৰ্ম্মক ধৰিব আমাকে দেখিলেও তোমাক দেখে, তোমাক দেখিলেও আমাক দেখে, অ'ত দিলে ত'ত পায়, ত'ত দিলেও মই পাওঁ। এ ৰবাপোকে আমাকে যি ভেদ কৰে মাজত কৰত হে দিএ। গীতাত কৃষি বুলিছে. অৰ্জ্জুনৰ আগে, মইও কৈছোঁ, ৰবাপোকে মোকে যিটো মনে ভেদ কৰিব মোৰ শৰীৰত যাৱ মাৰি অস্ত্ৰ ধৰিব।

আক ৰঘুপতি নামে ধোবা গুৰুজনৰ ভকতৰ বস্ত্ৰ ধোএ,

নামো গায়। পুত্ৰ ভাৰ্য্যা ততো থাকে, খনো হাটি গোৰে বহা লৈছিল, এখেতো থাকে। পাছে পূৰ্ব্বৰ পাপে লাগ ললে অন্তকালে। তেহে আউ অনুক্ৰমে চলিল বহাৰ ভিতৰে তুৱাৰ মাৰি। পাছে ভাৰ্য্যা পুত্ৰে বোলে হাটিত আছে, আতৈ সবে বোলে ঘৰে আছে। এই মতে তিন দিন বাহি হ'ল। তেহে বিচাৰ লাগি চাই দেখে শয্যাতে মৰি আছে। তেহে মহাপুৰুষ গুৰু সেৱক ভক্তিৰ বাদ গুচাই নামৰ মহিমাবঢ়াই পাও গতিকৈ গৈ বোলে ৰঘুপতি, আমাক নমাতি এ যোৱানে? পাছে চক্ষু মেলি, সবাকে চাই ৰাম বুলি গ'ল। তিনি জন্ম ভক্তি শূন্য শুদ্ধ হ'ল। গুৰুজনৰ নামৰ মহিমা সবেও দেখি শুনি আশ্চৰ্য্য অদ্ভুত হ'ল—তিনি দিনৰ মৰা জীএ!

ৰঘুপতি ধোবাৰ মৰণ

আৰু একদিনা কমললোচন ঠাকুৰ আমৰ গাছত উঠিছে। হিঙ্গলীয়া পাট ভুনি পিন্ধি, পূবৰ পৰা আদিত্য উঠি আহিছে। মহাপুৰুষ গুৰু বোলে ৰামানন্দৰ মাক, চোৱাহি, চোৱাহি, দুটা সূৰ্য্য ওলাইছে দহোঁ। ভকতে চাই বোলে বাপ, নুহি, ঠাকুৰ উঠিছেগৈ আগত। তেহে মহাপুৰুষ গুৰু বোলে ৰামানন্দৰ মাক, কমললোচনলৈ এৰা। এৰা চিৰকাল পৃথিবীত নৰয়। তেহে দুই মাহৰ অন্তে ঠাকুৰৰ বসন্ত ওলাল। তাৰাৰে, কমল ধৰা দামোদৰ আতৈ, আৰাৰো ওলাল গুটি। তাৰাক ভকতে চায়, চিন্তে, সোধেগৈ। দামোদৰে বোলে আমি সজেহে আছো। গুৰু পুত্ৰকেহে চাব গোনাব শ্ৰদ্ধাকৈ লাগে। কা'লৈ ডেৰ পৰ উঠাত গুৰু পুত্ৰ যাব। ডেৰ পৰ থকাত পাছত কমলি লৈ আমিও যাব লাগিব। পাছ দিনা সেই বোলা বেলাতে দুওজনা চলিল। গোসানী এহে খেদ কৈলে। গুৰুজনে পৰম হৰ্ষে আছিল।

খিৰামৰণৰ পুত্ৰ গোপাল

আৰু খিৰা মৰলৰ তিনি ভাতৃ-মুকুন্দ, মাধৱ, গোপাল। তেৱে আহি সেৱা কৰিলেহি। মহাপুৰুষ গুৰু বোলে গোপাল,

আম কিছু পাৰি দিয়া ভকতলৈ। বোলে বাপ, আম পাৰিব পাৰো, এখান কুঠাৰ হে লাগে। তেহে মহাপুৰুষ গুৰু বোলেউহ আমাৰ, আগতে এনে কথা কয় কুট! আৰু এবাৰ মূৰ খুৰাওঁতে বোলে মই বাপ, বুৰা দা-ৰে হে পাৰোঁ। তেহে গুৰুজনে বোলে তোক কুটনিএই নেৰক। মৰোঁতেও কুটনিকৈহে মৈল। পুত্ৰ ভাৰ্য্যাক খোলা বান্ধি দেখাই জনজনাই এই টকা প্ৰতি-পালন কৰহঁতে এতিয়া দুখৰ কালত যেএ কৰে তাকে দি যাম। তেহে দুও বেটা আমুৰা অনিকৈই বোলে তোক দিব, সি বোলে আক দিএ খাবলৈ নেপালে জানো। এই বুলি মাছ, গাখীৰ, গুৰ খুৱালেহে খুৱালে। তেহে মৰিলত বাজ উলিয়াইএ টনা মেলি চাই দেখে খোলাভোৰ।

আৰু মাধৱকন্দলীৰ কবিতা ৰামায়ণ ঢাকি তুচ কৈ গুচাবৰ মন দিলে অনন্ত কন্দলীএ। তেহে গুৰুজনত বিপ্ৰে স্বপ্নত শৰণাপন্ন হৈ প্ৰাৰ্থিলে ৰবৰ হেতু। পাছে গুৰুজনে বোলে ৰৰাপো, তোমাৰ মিতাৰ শাস্ত্ৰ কবিতা গুচাব যে খোজে, আমি ধৰোঁ গোৰত্ তুমি হোৱা আগে। তেহে আত্ম, উত্তৰা, কৰিছে। কাপৰ গাৰি দৰে আগ গোৰ সমে ৰ'ল, উপদেশ আচু ফুল হ'ল। আগ উপদেশ নাই, শুভ শুভ হে আছিল আধ্যাত। ছোট আতা দিছে। মাধৱকন্দলীৰ ৰামায়ণ

আৰু জটিৰাম আতৈ দন্তকুচিত আছিল গঙ্গা, জগন্নাথ বেৰাই আহি। ঠাকুৰ আতা লাগ পাই আনি জট দাৰি খুৱাই কঁথা খন্তা পেলাই গুৰুজনত ভনি মহাপুৰুষক গুৰু বোলালে গৈ। গুৰু, জটিৰাম নাম দি হাটি বহা দি থৈছে। পাছে তেওঁ স্নেহত বিশ্বাসে নি জটাটি জপা বান্ধি শোৱা উপৰে আৰি থৈছে। ভকতে দেখি গুৰুজনত কলে, বোলে বাপ, জটিৰাম আতৈএ কটা জট নি বান্ধি থৈছেনি। তেহে গুৰুজনে মতাই বি বোলে তোমাৰ শোৱাৰ উপৰে জপা বান্ধি কৈ থৈছা? বোলে জটিৰাম আতৈ

বাপ, জটটি থৈছোঁ গঙ্গাত পেলাবলৈ বুলি। তেহে মহাপুৰুষ গুৰু বোলে আতৈ সব, জটিৰামৰ বাহিৰ জটহে কৰা গ'ল হয়, হৃদয়ৰ জৰ আছে। পাছে আতৈ শুনি জট দলিয়াই পেলাই তীৰ্থৰ বিশ্বাস এৰি একচিতে নাম লব ধৰিলে।

জইতী মধাই

আৰু জইতী মধাই আতৈৰ বসন্ত ওলাল। মুঠি তল গ'ল চলিবলকে টানে হ'লগৈ। পাছে গুৰুজনে শুনি বোলে তোমাৰ মিতাএৰ টানহে, সোধা গৈচোঁ, গা কেনে পাইছে? পাছে পাছে গৈ চাই চিন্তি সুধিলে, গুৰুজনে পঠাইছে বুলি কেনে কৰিছে পাইছা গাৰ গম গতি? বোলে মোলৈহে সোধে, তাৰাই জানে দহোঁ অন্তৰ্য্যামীৰূপে, মই কি কম জৰে? পাছে সেই ক্ৰমে কলেগৈ। গুৰুজনে খেদকৈ বোলে বৰাপো, আকৌ যোৱা সোধাগৈ। পুনচ গৈ সুধিছে গুৰু আজ্ঞাকৈ কেনে পাইছা শৰীৰ গতি বুলি। বোলে এনে বৈকুণ্ঠ, সাত স্বৰ্গ, সাত পাতাল, সাত দ্বীপ, নৱ বৰ্ষে, অনেক ব্ৰহ্মাণ্ডৰ বালি চাহীৰ পৰা হস্তী সীমাকৈ অখিল, নিখিল, স্থাৱৰ. জঙ্গম, কীট, পতঙ্গৰ আত্মা অন্তৰ্য্যামীৰূপে পালি প্ৰমাণ পাইছে। মই জৰ ক্ষুদ্ৰ জীৱ এটাৰহে প্ৰমাণ নাপাই. সুধি পঠায়, তাৰাই দহোঁ জানে, কি কমনো মই? পাছে ছোট আতা সেই বন্ধে গৈ কলে। গুৰুজনে শুনি মহা খেদকৈ আকৌ পাচিলে। তেহে ইবাৰ গৈ গাত হস্তপদ্ম দি ফুৰাই স্নেহ শ্ৰদ্ধাৰে সুধিছে গুৰু বাক্য কৈ। বোলে বাপ, মোৰ গুৰুজনত জনাবাগৈ এ অমৃতৰ ভাণ্ড ঘ্ৰাণ পাই মুখ মেলি দেখিলোঁগৈ নিৰমল; হাত সুমাই মখামখে ভুঞ্জিব নপাইলোঁ, আয়ু দৈব্যে নাটিলে, সি মুখে বঞ্চিলে বিধি। ই খেদ লগতহে যায় ই জন্মলৈ। ই পঞ্চভূতৰ দেহ পবিৰ এতিয়া। উপজিলে এবাৰ মৃত্যু—অন্ত পৰ্য্যন্ত; আন খেদ নাই। তেহে ছোট আতা শুনি নিবেদন প্ৰাৰ্থনা

খেদ ভক্তি সেইতে লোম সিহৰি, দ্ৰবি, মঞ্জৰি, লোটক ধাৰাধাৰে বহিব ধৰিলে। পাছে নমস্কাৰ কৰি গৈ জনালে, সেই মতে খেদ প্ৰাৰ্থনা। শুনি, মহাপুৰুষ গুৰুজনে দ্বিতীয় স্কন্ধ লিখিছে পয়াৰ শ্লোক ভাঙি, দু-আধ্যাই হৈছিল, সেইতে হস্তৰ পৰা কাপ, পাত, মহী খহি, দুই ধাৰা নীৰ বহি হলি গ'ল। তেহে গোসানী মাএ দেখি বোলে বৰাপো, ধৰা ধৰা, গোঁসাই ভকতৰ স্নেহ—শোকে আকুল হ'ল। কাল সোৱাহি কমললোচন পুত্ৰ চলিল, প্ৰাণ সম কিছু খেদ নকৈলে, "ভকতৰ পদে হৰি আকুল আপুনি।. হেনয় কৃষ্ণক নেৰে অৱ কেনে শুনি॥" পাছতে আতৈ ৰামকৃষ্ণ বুলি অভয় ব্ৰহ্মত থিত হৈল—নৰদেহা এৰি বৈকুণ্ঠে গ'ল। দ্বিতীয় শাস্ত্ৰ গোসানীৰ ভাতৃএহে কৰিছে পাছত।

২য় স্কন্ধ ভাগৱত ৰচনা

আৰু শ্ৰীশঙ্কৰদেৱৰ সাত হাল গৰু। তাৰে এহাল বৰ ডাঙৰ ওখ। গৰু মেলি নিছে আনবো, পথে। সেই হালেহে মাজ মুলাকৈ গৈছে খেদি। বামুণ আছে তেহেৰ পৰা। দেখি সুধিলে, বোলে এই হাল কাৰ গৰু? বোলে শ্ৰীশঙ্কৰদেৱৰ। ইটো সিটে বোলে দেখাচোঁ, গৰু হালবো কাথ চাপিব নোৱাৰে আন গৰু, আমিনো বাদ কৰি কি কৈ জিনিম, ভদাম? এই বোলা কৰাকৈ উভতি গুচি গ'ল। আৰু কৈমলাৰ গাতে আম গুলি পজি বৰ হৈছে। তাৰে দাল এটা বাৰি-সোমাওঁতে গাত লাগে। গুৰুজন চাপৰিহে সোমায়। এদিন মনেখে বোলে কটাবহে লাগে, বৰ বৌট কৰিছে ই। পাছ বেলা ছোট আতা অকস্মাত সোমাই দেখে তালটে বৰ বৌট কৰে গুৰুজনক। পাছে দাখান খুজি কাটি গুচাই গ'ল। পাছ দিনা গৈ গুৰুজনে দেখি বোলে তালটি কোনে কাটিলিহঁক আমৰ? খবৰ আইএ বোলে কালি সন্ধ্যা ছোট আতা সোমাই কাটি গ'ল। বোলে

মোৰ ৰবাপোহে মোৰ আত্মাৰ মনক বুজি জানি কাটিলে। তেহে, কীৰ্ত্তন কৰিছিল, তাতে ঘোষা দিছে—

"স্বামী মোক পাৰ কৰা কৰুণাসিন্ধু, সংসাৰ সাগৰে—
মোৰ আন গতি নাহিকে মাধৱ বান্ধৱ, তোমাত পৰে ॥"

ব্ৰাহ্মণসৱৰ প্ৰশ্ন

আৰু একদিনা ব্ৰাহ্মণ আহি গণকুচিতে সোমালহি। বোলে আৰা যি কয় তাকেহে কয় শঙ্কৰেও। তেহে শ্ৰীমাধদেৱে বোলে বিপ্ৰসব আহিছা দেখোঁ, কিয়? বোলে তোম্ৰাতে এটা কথা সুধিবলৈ আহিছোঁ আজি। বোলে কিস্ব কথা? বোলে সবাতোকৈ কুলীন উত্তম কোন? বোলে সবাতেকৈ উত্তম কুলীন মাৰ্জাৰী আৰু নিঘিনী পক্ষী। মেকুৰীএ নপৰ্শা কি আছে দেখা, মাখি নপৰ্শা কি আছে দেখা। বেদ, স্মৃতি চাই ঋষি সবে আৰ প্ৰাচিত্ত নিয়ম নিৰিহিলে, গমন বচনন্তহে শুদ্ধি। শ্ৰীভাগৱতে কৈছে, "হৰিনাম লৈয়া তবে মহা মহা অন্ত্যজাতি। যিটো নাম নলএ হীনতো হীন অতি ॥"

মোৰ গুৰুজনে দিছে কীৰ্ত্তনত—

সেহি কুলীন বেদক বুজয়।
যাহাৰ মুখে হৰিনাম বিজয় ॥
কৃষ্ণৰ কথাত যিটো ৰসিক।
ব্ৰাহ্মণ জন্ম তাৰ লাগে কিক ॥

প্ৰহ্লাদে কৈছে—যিটো চণ্ডালৰ কায়বাক্য মনে—

সদাএ সুঁমৰে হৰি।
আছে বাহুব্ৰত যিটো ব্ৰাহ্মণৰ
সি সি শ্ৰেষ্ঠ তাক সৰি ॥"

বামুণে আমাকে বোলে কুলীন উত্তম বুলিহে সুধিলোঁ হি। ভাগৱত, পুৰাণ, বেদ, শ্ৰুতিৰ লেখালত শুচি গ'ল ভুত টৈহে।

আৰু গুৰুজনৰ মাটিএ বগা যৱনৰ মাটিএ একে সীমা। বগাবৰণ
যৱনৰ হালোৱাই বহুবি মাটি সীমাত ভাঙ্গি ঠেকি নিএ,
বন্ধুৱাই কয়হি গুৰুজনত। তাৰ বলে মুৰাৰে বাজাৰ দৰ্জ্জি,
বল্লভ, খাটনী। একদিনা স্নানত টাটীৰ বাহিৰতে যৱনে
দেখিলে চতুৰ্ভুজ ৰূপ। সেইতে দণ্ডৱতে পৰি বোলে প্ৰভু,
মই মাটি এৰিলোঁ। আৰু। আপুনাকে সেৱা কৰিছোঁ।

আৰু এদিন ছোট আতা শ্ৰীৰাম আতাৰে সৈতে থাই
কথা শ্ৰৱণত আছে। বঙ্গিয়া জানতে দুই খৰীয়া বহিছে খৰীয়া
ভাৰ থৈ। সুধিলে গুৰুজনে। বোলে খৰি বেচি জীওঁ।
বোলে জগত গুৰু ঠাই দিবি জীৱ দেহ জীবি আহ, নি দিলেদি।
আনি খাই আছে তিনি পক্ষ, হস্তে—কুটাই কাণ তাই মাৰে,
শুচি গৈ লেটেকু জানে মৰি অজ ভুত হৈ। খৰি মাৰে,
ইটে জাবে সাদহ দধি খাই যায়। এইৰূপে খাই আছে।
গুৰুজনত কলে, খৰাত, শ্ৰীৰাম আতাক পঠাই ৰাম ৰাম
কৈলেগৈ, পলাল। তাৰতে খৈলেই ৰাম বুলি আতাৰ
কথা কলেই পলায়। তাৰ পৰা কলুৰা গ'লগৈ।

আৰু একদিনা ঠাকুৰ আতা প্ৰমুখ্যে বোলে বাপ, তোমাৰ
গৃহত যি সবে সেৱা কৃত্য কৰিছে, সেই সব মহাভাগ্যৱন্ত
জীৱ। পাছে মহাপুৰুষ গুৰু ধৰজাক মাতিলে। আহি
বোলে কি হুইছে কোৱা? ডেকাগিৰি বোলে এখাৰি ৰাম
বোলপা। বোলে কি হুইছে কোৱা। বোলে একো নহয়, এখাৰ
ৰাম বোল। বোলে অত কি এইবোৰ কুতনি কৰি থাকা?
কিয় মাতিছা মোকৰা কিয়? তেহে বোলে সেই পাত খান
কাটি আন। বোলে এৰা, এনেকৈ কথা। আনি দিলে।
বোলে বা পা গুৱাবাৰী চাচ গৈ, গ'ল। বোলে দেখিলাইক
এভিয়া ভাগ্যৱন্তৰ ভাও। পাছে ধৰজা আজৈৰ মাতৃ চন্দ্ৰাৰী
আইৰে খানিক লাগি আৰু গুৰুজনেও ৰাম কৈলে তকতৰ

আৰু বস্তু ত'ত থয়, তাৰ বস্তু অ'ত থয় দেখি বিৰক্ত লাগি উঠিয়াই গুচি গ'লগৈ, কটক নগৰে ব'লগৈ। এদিন ৰাজা গন্ধ তেল একলহ ধ্বজাত কৈ জগন্নাথলৈ দি পঠালে। কত খানি গৈ বিৰিনা মুঢ়াত জগন্নাথ লৱা বুলি বাকি গুচি গ'ল। কোটৱালে দেখি ৰাজাত খল দিলেগৈ। ৰাজা ধৰাই নি অনেক কৰি তৰ্জি গৰ্জি বন্দিয়াৰ কৈ ৰাখিলে। নিশা স্বপ্নত জগন্নাথে ৰাজাক কলে বোলে চা, মোৰ মাথা বুৰি গৈছে। তাৰা কৰা খা কিয় ? পাছে ৰাজা অনেক সম্মান কৈ এৰি দিলে। তেহে তৈৰ পৰাও তেৰা জগন্নাথে গ'ল গুচি। পাই পুৰিতে আছে কতো দিন। পাছে একদিনা জগন্নাথৰ ফুলৰ মালা কান্ধে চৰি কিৰিটে আলোতে বৰ পাগুা দেখি কোৰালে দায় কৈ। পাছে ধ্বজা গ'ল। শিলে বতাসে গাছ গছনি ভাজি চুন স্বাদ কৈ জগন্নাথক সাৰটি ধৰি সেইতে শৰীৰতে লয় গ'ল।

গদা আৰু গোকুলা আৰু গদা গোকুলা দুই ভাতৃ গুৰুজনৰ বস্তুৰা বুদ্ধি চিকন। পূৰ্ব্বৰ নিজ কুল দেখি দুওজনাক গুৰুজনে পৰমাৰ্থ মাতিলে। প্ৰীতি সুখত নিশ্চয় দেখি ৰনবাৰি নকৰায়, ভকত খাদ্যৰ ভাগটি দিয়ায়। পাছে ভকতে অসূয়া কৰে বোলে নাম গুণ নাই, ৰাৰে বৰ্ষে গোসাঁই ঘৰত ৰবহে, আমাৰ মুখৰ ভাগ নি দিএ। তাৰা দুইৰ আন নাই, য'তে মাছ, খৰি, শাক, পাত, কচু, ঢেকিয়া, ঔটেঙা, বেটগাজ, য'তে দেখে, শুনে, বাৰ্ত্তা পায়, দুও নিশাই আলচি গৈ আসি গুৰুজনক দিএনি। তাৰে গুৰুজনে ভকতকো দিএ, আপুনিও লয়, তাৰা দুইকে দিএনি। অৱশেষ মানি লয়, বিহানে নিতান্তে আনি দিএ। সেই মতে সৰ্ব্বদে সেৱা ধৰিছে। তেহে ভকতৰ অসূয়া শুনি গুৰুজনে বোলে নামকে গোসাঁইক। ভকতে যে ঈৰ্ষিা কৰে তাৰা সৰৰ হোজা হেনা বুঢ়া মাত। বোলে

তোক নো মাছ, খৰি, পাত, পচলা, শাক, টেঙা, কোনে দিব, ক'ৰ খাবি ? ভকতক দিবি ক'ৰ ? আমি আনি দিঞ, খাই তই নাম গা, তেও হব আমাৰ। বহি নাম গালেহে হয় ? পাছে কতো দিনৰ অন্তে আয়ুসৰ প্ৰমাণে বৈকুণ্ঠ যাবৰ কাল হ'ল। তেহে সেই দিনা প্ৰাতৰে শৌচ শুদ্ধি নিত কৰ্ম্ম কৰি স্নান, গুৰু—সেৱা কৰি হুও গৈ গুৰুজনক, গোসাণীক, সেৱা কৰি গৈ ভকতৰ দুৱাৰে পতি ধূলা লৈ সেৱা কৈলে চাৰিও হাটি ঘুৰি। তেহে কীৰ্ত্তন গৃহত নাম গাবলৈ বহিলগৈ। পাছে ভকতে, যুগত কীৰ্ত্তন গৃহ নেদেখা আশ্চৰ্য্য দেখি উপহাস্য কৈ বিগতি কৈলে। তেহে নাম হৰি কথা অৱসানত প্ৰাৰ্থনাকৈ বিদায় মাগিলে। তাতো উৎহৃষ্ণ কৈলেহে। তেহে বাজ ওলাই দুওজনা খলাতে একেখানি কঠতে বহি সাবটি ধৰি ৰাম নাম লৈ নৰদেহা এৰি বৈকুণ্ঠে গ'ল। সেই বহা আলিঙ্গন সাবটাই ৰ'ল। পাছে গুৰুজনে নিয়াই একেখনি চিতাতে দুইকো তুলি সংস্কাৰ কৰালে। মাহেকৰ অন্তে ফলাহাৰ সিধা দিলে গুৰুজনে।

আৰু চিলি গ্ৰামে চক্ৰপাণি দ্বিজ ভট্টাচাৰ্য্য, তানে পুত্ৰ ৰাম, ছোট ভাই বৈকুণ্ঠ, তানে পুত্ৰ ভূষণ গুৰু। তাৰাৰে পত্নী ৰাত্মাল হঞতে জাবাৰলৈ গৈ ঠাকুৰ আতাৰ গৃহে নীতি সদাচাৰ প্ৰবৰ্ত্তন দেখি আহি স্বামীত কলেহি। পাছে তেওঁ গৈ গুৰু ধৰ্ম্ম ধৰিবলৈ সুধিছে। আতা বোলে তুমি যদি কৰ্ম্ম কাণ্ড এৰিব পাৰা নিচইকৈ, তেহে এই বস্তু লভিব পাৰা। তেহে বিপ্ৰে গৈ আলচি বোলে এই তিনকুলি ঘৰ যজমান এৰি কিহেৰে প্ৰবৰ্ত্তিম ? আতে কী জানো। ব্ৰাহ্মণীএ কয় বোলে আন লোকে প্ৰবৰ্ত্তিছে কেনেকৈ ? এবা তাৰোকাম লৈ খেৱা যাবে। পাছে একদিনা লোক আঠোটা নি মানুহ আতাক খেলে গৈ লগক বুলি। আতা গৃহে তেওঁক লৈছে

ভূষণগুৰু

লৈ আহিল গনকুচিলৈ। পাছে ছোট আতা চাই অনেক প্ৰকাৰে চৰ্চ্চি বিৰকত লগাই পেলালে বিপ্ৰৰ। তেহে গৈ ভাৰ্য্যা পুত্ৰ সবাকে লৈ ঠাকুৰ আতাক ধৰিলে গৈ। আতা আনি গুৰুজন ঠাইত মহাপুৰুষক গুৰু বোলাইছেনি। সবাকে এৰি ধৰ্ম্মক ধৰিছে। পাছে ৰাজকৰ্ম্ম নকৰা নোখোৱাত অসূয়া কৰি মেল কৰিছিল। তেহে বিপ্ৰে সবাকে বিৰকত কৰাই গুৰুজন ঠাইত দিছেনি। সবেও ভকত হ'ল অসূয়া এৰি।

ৰতিকান্ত দলৈ আক ৰতিকান্ত দলৈ ৰোগ চিন্তিছে। আহ্নিক, তৰ্পণ, সন্ধ্যা কৰি উৰ্দ্ধ হস্ত কৈ সূৰ্য্যক। মহাপুৰুষ গুৰু ভক্তে জ্ঞাতি সমে ৰামানন্দ বৰ ঠাকুৰক বিবাহ কৰাই আছে, পৰেকিয়াত নিশা বঞ্চি, কুমাৰ কুচিৰ বিলৰ কানে আহন্ত হুলি পানীত পৰিছে, তাৰে ডালে ৰহি চকু মুদি। তেহে গুৰুজনে দেখি বোলে ইয়াক কৈ বুজাই একৰাব নোৱাইলোঁ। ছাতিৰ নালত আঙ্গুলি পশিল, সবাকে চকু ফিকাই দিলে। ব'ঠা হাতে পানী ছটিয়াই জলাকলা কৈলে। পাছে কোনবা বুলি ৰাগকৈ শাপ দিছে বংশ ছেদ হক বুলি। পাছেহে শুনি বৰ খেদ কৈলে।

আক একদিনা ছোট আতা, ঠাকুৰ আতা, শ্ৰীৰাম আতা, কালিৰাম আতৈ, ৰামদাস আতৈ, গোবিন্দ আতৈ, নাৰায়ণ আতৈ, গকুলচান্দ আতৈ, এই সবে সহিতে গনকুচিৰ পৰা আছে গুৰুজন ঠাইলৈ। আহিন মহা, ধান পেৰ হৈছে। এজনে তাৰে এৰিবা টানি বোলে এখমানে হৈছে, ইজনে বোলে ছকুৰি মান, এজনে কলে সাত কুৰি, বোলে ইজনে চাৰিকুৰি। এই ক্ৰমে বোলা বুলি কৈ ৰাউসী গুৰু ঠাই

বল্লালী চৰ্চা পালেগৈ তাতে গুৰুজনে বল্লালীৰ শৰণ বিবোচন চৰ্চ্চিছে, সবেও শলাগিছে। ছোট আতা মতা নাই। তেহে ঠাকুৰ

আতা বোলে বাপ আসিছে শলাগিছোঁ হয়, আমাৰ আতা নমাতে দেখোন। বোলে ববাপো, হয়তো দেখোঁ, নমাতা নশলাগাও কিবা বিষম হৈছে নে? পাছে ছোট আতা বোলে বাপ, তাৰা সবৰ ঘটিছে কান্তে শলাগিছে। তেও সোধাযক বাটে কি বোলা কৰাকৈ আছিছে। বোলে কিবা তোম্রাসবৰ লাগিছিল নে? একো লগা নাই, বঙ্গতে ধান এঠোকাতহে এনেকৈ বোলা কথা হ'ল। তেহে মহাপুৰুষ গুৰু বোলে ভালেহে ববা পোএ নশলাগে। বিষয় কথা ভাএ একে নাহে, আৰু পৰমাৰ্থ কি আছিব। হৰিনাম লৈ ও সাতে পাঞ্চে হুয়া সাজ, বাহিৰে অন্তৰে মাৰ্গে তিনিও প্ৰকাৰে, "মনে মুখে এক কৰি সদা বোলা ৰাম। তেহে লভিবা পৰমানন্দ, দুৰ হএ কাম॥" এজনে এশ ছকুৰি যি বুলিলা সবেও তাকে কিয় নুবুলিলা হঁক? দুহোৰাৰ পুনু কিয় লাগিল পুনচ? পাছত ছোট আতা গুৰু বাক্য মনকৈ ঘোষা কৰিছন্ত সুন্দৰীত।

আৰু ঠাকুৰ আতাৰ, মনত দুওজনা গুৰুত কিছু ভেদ ভাৱ আছিল। তেহে শ্ৰীমাধদেৱক ঠাকুৰ আতা, বোলে নিতে দহোন নবীন শাস্ত্ৰ পুথি পাত দেখোঁ, লিখে, আজ্ঞাই কৰে বা কেতিয়া? বোলে বাক সখি, আজি আহা গৈ,' নিশা দেখাম বাই। পাছে আহি ভোজনকৈ গৈছে দুওজনা আতা পন-কুচিতে বাউসীলৈ দুপৰ নিশাত। দেখে বাই বাট গৃহৰে পৰা, অষ্টভুজ হৈ দুহাতে তাঞ্চ দিছে, দুহাতে ভিকিছে, দুহাতে কুট দিছে, দুই হস্তে লিখি নিছে। পৰম ৰহস্ত প্ৰেম খেলা ৰাসৰ নাট কথা সূত্ৰকৈ। কোটি সূৰ্য্যৰ সদৃশ জ্যোতিৰ্ম্ময় হৈ প্ৰকাশ কৰিছে। দেখি বৰ্ণি পাত চমৎকাৰ লাগি বঁল হুহকি চুপে। তেহে শঙ্কৰদেৱ আত্মাৰ গুৰু আত্মা। অন্তৰ্য্যামী পুৰুষে জানি বুজি মাত লগালে দুও মুক্ত পূৰ্ব্বৱত

ঠাকুৰআতাৰ দুয়োজনা গুৰুত ভেদ ভাৱ

বাউসীত ৰাস ক্ৰীড়ানাট ৰচনা

হৈ। বোলে অহা বক। পাছে গৈ অভয় পৰুৰুত পৰি সেৱা কৈলে। গুৰু বাক্যে সম্বোধন কৈ পঠাইছে। কতো মুখ ভেদে কয়, ঠাকুৰ আতাহে গৈছে, সেইৰূপে দেখি হুহকি হ'ল। গনকুচিৰ গৃহৰ আগে এটা গোনা মহ পৰি আছে। তাতে পৈল গৈ। দেখি অত্ৰাহি হ'ল। ছোট আতা আগ বাঢ়ি গৈ বোলে সখি- অহা বক, সংশয় নকৰিব, গৈ সকলো খানি কৈছে। পাছে সেই দিনাৰ পৰাহে ঠাকুৰ আতাৰ ছুওজনাক অভেদ ঈশ্বৰ তাও দেখি মানি ভজিছে।

আৰু ঠাকুৰ আতা নিতে ন কঠি চাউল লৈ যায়। এদিন গুৰুজনে নিষেধি বোলে তোমাৰ অন্নে প্ৰবৰ্ত্তিব লাগে। যিমন হৈ গৈ গোসাণীক সেৱা কৈ কলে, মাতৃ বোলে গোসাঁইৰ বাক্য শিৰে থৈছোঁ, তুমি জানিবা। পাছ দিনা পাছ খানি আহ্লাকৈ দিছে। সুখিছে কৈছে বোলে তযু বাক্য শিৰলৈ আমি অনাইছোঁ অনেক সেৱক সুখিব লাগে। তেওঁৰো সেৱা ভক্তি বাঢ়িব লাগে। তেহে গুৰুজনে, বোলে নাৰায়ণ দাস, মোৰ প্ৰাণ, পুত্ৰ পত্নী, জ্ঞাতি, দুহিতৃ, বধু, বন্ধা, গোলাম, অনেক মুখে কিবা বুলি শুচাই বুলিছে বাধা কৈলোঁ, অনেক পুৰুষে আৰ্জ্জে, দুৰ্ব্বাক্য অগ্নিৰ ফিৰিজা দহে বুলিছে কলু। তেহে পৰ্ম্মানন্দে ভোজনকৈ পঠাইছে সন্তোষকৈ।

কাৱলা বাঢ়ৈ আৰু এদিন কাৱলা বাঢ়ৈ আহি সেৱা কৰিলেহি। গুৰুজনে বোলে বাঢ়ৈ, তুমি হনু অনাচাৰে প্ৰবৰ্ত্তা, হয়নে? বোলে বাপ, তোম্ৰাৰে পদে দেখোঁ কৈছে।

"লোভ, মোহ, কাম, ক্ৰোধ, বিষয় আক্ৰোশ।
মোৰ ভকতক নোচোএ একো দোষ॥"

আৰু বোলা যায়, "হৃষাজ্জ্বো ভক্ত দুহি নষ্ট" শুনি গুৰু বোলে বধাজনৰ মাক, একাদশ শাস্ত্ৰখানি আনা। আহি

পদ কৰিছোঁ অনেক প্ৰবন্ধকৈ জীৱ তৰিবৰ কাৰণে। এই মতে বুজিলে দুখতহে পৰিব, গুচাবহে লাগে কাটি। পাছে ঠাকুৰ আতা বোলে, বাপ, পদ কটা নাযাব, সেএহে ৰাখিছে আমাক। পাছে গুৰু বোলে নাৰায়ণ দাস, কেনেকৈনে', লৈছা কোৱাচোন? বোলে বাপ, লোভে ধৰিলে পৰৰ অনেক আছে ঘিউ, মউ, চেনী, চুৰা, দুগ্ধ, ক্ষীৰ, লড়ু, দৈ, আনো উপাধি, দেখিম, শুনিমহে, কিয় পাম তাক? আপুনাৰ লাগে তিতা শোকোতাই হ'ল। তাতেহে লোভ সাম্বৰোঁ, খাই, পাই। আৰু মোহে ধৰিলে আপোনাৰে সোণ, ৰূপ, তাম, কাঁহ, পিতল, বস্ত্ৰ, গো, মোহ, আকে চাই স্মৰণা যায়। কামে ধৰিলে আপোনাৰে বিবাহিতা ভাৰ্য্যা আছে, তাতে সাফলোঁ, আৰু মনৰ কামনা যি হয়, অৰ্থে বিত্তে কৰা যায়, লএও, থএও, লগাই ভাঙ্গি চিঙ্গি। আৰু ক্ৰোধে ধৰিলে আপুনাৰে দাসী, দাস, ভাৰ্য্যা, পুত্ৰ; বান্ধ, আকে শপি মাৰি সাৰা যায়। পাছে সবেও সজ কোৱা হৈছে বুলি শলাগিলে। তেহে ঠাকুৰ আতা বোলে বাপ, আমি কৈছোঁ হে হয়, সবেও শলাগিছে, আমাৰ ঠাকুৰে নামাৰ্ত্তে নশলাগে দেখোঁ। বোলো হয়তো, ৰবাপো, তুমি নহো নমাতা? বোলে বাপ, সখিৰ কথাতে শলাগিব নপাৰিছোঁ। তাৰা বুলিছে তাৰাৰ সকলো আছে, তাতে সাফলিব, আমাৰ কি-আছে, লাউটো আৰু কটাকানি খান? আমি ক'ত সাফলিম? বোলে ৰবাপো, তোমাৰ নো কেনে মত? বোলে বাপ, বিবেকৰ চাৰি পাত্ৰ, চাৰ বাগৰ চাৰি পাত্ৰ, মন, পৰমাত্মা, প্ৰবৃত্তি, নিবৃত্তি, ৰাজা হই ধৰ্ম্ম অধৰ্ম্মৰ। মাদৈ ভক্তি মাতৃ, মায়া মাতৃ লক্ষ্মী সৰস্বতী। পাছে চাৰু বাগৰ চাৰি পাত্ৰ লৈতে আলচ কৰি বিবেকৰ ৰাজ মাৰিব খোজে। পাছে বিবেকেও আলচ কৰিলে চাপি চাৰি পাত্ৰ লৈতে। বোলে

তাৰা যে চাৰি পাত্ৰ সৈতে আলচি আমাৰ ৰাজ্য ৰাখিব খুজিছে, আমাৰ নো পাত্ৰ সব কি বোলা, বুজিলে? বোলে মহাৰাজ, পাৰিম। বোলে কাক কোনে সমৰ্থ হুৱা ৰাজ সমৰ সংগ্ৰামত? বোলে লোভে খেদি ধৰে যদি আমাৰ কোন সধ্যে আগ হোৱাহঁক তুষ্টিএ? বোলে আমি তাক সমুখ হৈ ৰখা যাব তুষ্টৈকে। আৰু মোহে খেদি ধৰেহি হুতে একা আমাৰ কোনে ধৰিবা? তেহে সন্তোষে বোলে তাক মই পাৰিম, বিৰকত লগাই শান্ত কৰিব। আৰু কামেহে বঢ়ালি, তাতে আমাৰ কোন আগ হবা? ধৈৰ্য্যে বোলে আমি তাক ৰখা যাব, মোৰ আগত সি কি বস্তু? আৰু বোলে ক্ৰোধহে, তাৰ বৰ অখণ্ড বীৰ দেশ, একে তিলে চূৰ্ণ স্বাদ কৰে, তাতে কোন আগ হোৱাহঁক? ক্ষমা বোলে আমাৰ আগত সি কি? আমি ৰখা হব। এই মতে জৰ, চৈতন্য, প্ৰবৃত্তি, নিবৃত্তি, ৰাখি আপুনাক জ্ঞান লাভ—সেৱকে মন ইন্দ্ৰিয়ক দমি গুৰু সেৱা খাণ্ডা, বৈৰাগ্য কুঠাৰে ছেদন কৈ মায়াক, হৰি গুণ গাই, কেৱল শ্ৰৱণ, কীৰ্ত্তন পৰম্পদ, বৈকুণ্ঠ পাবগৈ। এই ক্ৰমে শ্ৰীমাধৱদেউ পুৰুষে কলন্ত। পাছে মহাপুৰুষ গুৰু বোলে নাৰায়ণ দাস, তোমাৰ আমাৰ বাক্য জানিবা কচুৰ বাও, বৰাপোৰ বাক্য তিখাল খাণ্ডা হ'ল। কচুত তিয়াল খাণ্ডা সব কোন মতে? তেহে সেই খিতে সীমা দিছে গুৰুজনে, বোলে উদাস হলে মোৰ বৰাপো ৰবে চিত্ত, আশ্ৰয় হব, আশ্ৰম হলে নাৰায়ণ দাসৰ ক্ৰমে হব। এই বুলি ৰাখিছে গুৰুজনাক।

তুষ্টি, সন্তোষ, ধৈৰ্য্য, ক্ষমা

গুৰুসেৱাখাণ্ডা, বৈৰাগ্য কুঠাৰ

আত্মীয়াক আশীষ আদৰ্শ নিৰ্ণয়

আৰু একদিনা আতৈ সবে ভক্তিৰ আগ গুৰি সুধিছে। পাছে গুৰুজনে বোলে ভক্তি বৃক্ষ বৰ চাল, তাক কুঠাৰে মোতেলিলে কিহেৰে ছেদিবা? তাৰ নাৰায়ণ দাসেহে জু পায়। তেহে হৰিৰাম আতৈএ, বলোভদ্ৰ আতৈএ গৈছে ঠাকুৰ

আতাৰ শুনৈলে। আতা খুৱন খুৱন কৈ লোন দিছে। গোৱা পগা গুৰুজনলৈ ছুলেৰ, ছোট আতাৰ এসেৰ, শ্ৰীৰাম আতাৰ আধসেৰ, বলোৰাম আতৈলৈ তিনিসেৰ, তাৰ দুইক দুই আদ পোৱা দি পঠালে। গুৰুজনক দি কলেহি বোলে বাপ, নকলে ভকতিৰ আগ গুৰি আতা সুধিলোঁ। বোলে লোন কালৈ কি দিলে? বোলে এই ক্ৰমে দিছে। বোলে কৈ সিফাল কৈলে।

আক একব্ৰাহ্মণ আহি গৈ থাকে। তেহে মহাপুৰুষ গুৰু বোলে গুৰু, এই নবীন চাউল কলহি নিয়া। বিপ্ৰে নি গৃহিণীক দি বোলে শঙ্কৰে চাউল মুঠি দিছে আটালত তুলি থ নি। তেহে লালি ববষুণ হ'ল। বামুণীএ বোলে চাউল খান শুকান নাই, লঘনহে আজি। বোলে সেই শঙ্কৰে দিয়া চাউল কলহি নাছে? বোলে আছে, ক'তো নকৰি, তাকে ৰহাগৈ। সিজাই ভোজন কৈলে। দ্বিজে কতো দিনে আয়ুসৰ প্ৰমাণে চলিল। দুতে নি যোগালে গৈ যম ৰাজাত। চিত্ৰগুপ্তক বোলে চা-চোঁ পাপ-পুণ্য আৰ। চাই বোলে মহাৰাজ, আৰ মান পাপী নাই, সৰ্ব্বশৰীৰ পাপ হৈছে। বোলে সজকৈ চোৱাচোন। পুনু চাই বোলে শঙ্কৰদেৱৰ চাউল একঠি খাইছে। তেহে ৰাজা বোলে ইয়াৰ অধিকাৰ শ্ৰীশঙ্কৰদেৱ হে, আমি নোহোঁ, শীঘ্ৰে লৈ যা, ত'ত সজা পুৰিব আনিছে, এখেত চিতাত তুলি জুই দিব খোজোঁতে উঠি বহিল। সকলোৱে আশ্চৰ্য্য দেখিহ, বোলে উস্ পা; মৰা বহিল, ভয়ো। বোলে কি দেখিলা, কেনেকৈ জীলা? বিপ্ৰে বোলে অত কব নপাৰোঁ, গা ধুৱাই লৈ গ'ল জাতিবংশে। গুৰুজনে অল্প হাস্ত কৈ বোলে বৰ সপৰা শুনিছিলোঁ। বোলে বাপ, শৰীৰেই পৰিছিল। তোমাৰ চাউল কঠিএহে আনিলে কিয়াই। বোলে তেনেহলে তোমাৰ অধিকাৰ আছিছে। বোলে বাপ,

মৃতকৰ পুনৰ্জীৱন লাভ শৰণত পাপ

তোমাৰ দুই খানি পায়তে বিক্ৰই গলু আৰু। পাছে ব্ৰাহ্মণ ছাত্ৰ যিখানি আছিল সবেও শৰণ ললেহি গঞা খনেই।

আৰু একদিন ছোট আতা এখনি কট সাজি কলথছুবাৰ সজকৈ ধুই পখালি দিলে নি গুৰুজনক। বোলে বাপ, আতে বহি হৰি কথা চৰ্চ্চা যাব। বোলে আৰ কি নাম দিছা? বোলে বাপ কট নাম দিয়া হৈছে। বোলে সজ নাম হৈছে। আতে বহি হৰি গুণ শ্ৰৱণ কীৰ্ত্তন কৰিব দেহৰ কট শত বাসনা দূৰ হব ভকতৰ। তেহে শ্ৰীৰাম আতা সাজিলৈ সুধিছে, গুৰু চৰ্চ্চি দেখাইছে বনৰ জুহাকুটি পৰ্য্যন্ত। তাবে পৰাহে কঠৰ আহি হ'ল। সবে গান্থি ললে। আগে চলাপ্যিৰা হে আছিল। সেই কট খানিকে শ্ৰীৰাম আতা পাৰে, তাতে কমলি খানি পাৰি দিএ। উঠিলে, ধূলিখানি জোকাৰিলৈ বাৰত তুলি থয়। কমলিখানি থৈ যায়। এইখানি নিতে পৰিচৰ্য্যা সেৱা ধৰে। পাচে কতো দিনৰ ধূলা গোটাই গণকুচিৰ হাটিৰ পাছে ন চকত তিয়াই লাক কৈ শুকাইছে। আত্মা অন্তৰ্য্যামী, তাৰা ভকত অবিদিত, গৈ দেখি বোলে শ্ৰীৰাম, এই কি শুখাইছা? বোলে বাপ, গুৰুজনৰ আজি একবৰ্ষৰ কট কম্বল তুলি ধূলি ফেৰি শুকাইছোঁ। গুৰু সেৱাৰ বেলা তিলক লবলৈ' বোলে শ্ৰীৰাম অমূল সৰ্ব্বসৰ মোলক তুমিহে পালা চিনি, জগত উদ্ধাৰ বস্তু। এই মহাপ্ৰসাদ বস্তু আমাকে দিবা। এই বুলি তাতে ঘোষা কৰি মাতিছে—

কঠৰ প্ৰচলন

গুৰুপাদৰেণু মাহাত্ম্য

পৰম ঈশ্বৰ কৃষ্ণ, তাহাঙ্ক নপাই লাগ,
তপ, জপ, যাগ, যোগ, দানে।
একান্ত গুৰুৰ পদ, ৰেণু শুদ্ধ চিত্তে
লাগে অভিষেক মকৰায় মানে॥

তাৰে পৰাহে ধূলাৰ আহি হ'ল।

আৰু একদিনা গুৰুজনে বোলে কথা প্ৰসঙ্গৰ অৱসানে, আতৈ সব নাম নেৰিবা, চাৰিৰ সংযোগ পৰিছেহি, ধন্য কলিযুগ, ধন্য ৰাম নাম, ভাৰতবৰ্ষ, নৰতনু। এইবাৰে যায় আৰু। ঠাকুৰ আতা বোলে বাপ, যি কৈছে, হয়। নামৰ মূল ধৰি অৰ্জ্জিত কৈ যি নামৰ মুখত দিব তাৰ সঙ্গে ফল ধৰে। পাছে গুৰুজনে ৰাগ কৈলে। আতা গৃহে গৈ দুখ কষ্ট কৈ স্নান, ভোজন, নকৰি খেদকৈ আছে। আএ সুধি দিহা কৈ পাচ-খানি আজ্ঞা দিছে। মুগ, মাটি, মচুৰ, কলা, চেণী, দুগ্ধ, তৈল, লোন, চাউল, শস্য দি পঠালে। গোসানীক দি স্তুতি নিবেদন কৈ পাগ কৰাই চুপে গৰকটাত পৰি আছে। গুৰুজন গৈ ভোজন কৰোতে সুধিছে ক'ৰ বুলি? কৈলে সবে খানি। তেহে হাত ডাঙি মাতি স্নান ভোজন কৰি বোধ দিছে, বোলে তুমি যি কলা অন্তৰ্বোধে সেয়ে হয়। কাক কোনে মানি কৰি দিব? নাম হলে দোকানত সবে গাব। সভাত সংজ্ঞাটো ভাঙিলে আকো এৰিব তাকো কৰিব নোৱাৰিব, ঘন চৰাইব দৰ লব। এতেকে আগলৈ সমাজত বাৰ নেভাঙিবা। আৰু নাৰায়ণ আতৈৰ জ্যেষ্ঠ বুৰা দলৈ ৰাজাৰ পাশে থাকে। তাএক মহাপুৰুষক গুৰু বুলি হাঁহ, ছাগ, পাৰ, গুচায়, ঘৰে নাখায় নকৰে, বৈৰাগ্য হৈ গুৰু ভকতৰ সঙ্গত ফুৰে। তাকে শুনি তেওঁ গৰ্জ্জি বোলে মোৰ ভাইক যি ভকত কৈ বলিয়া কৰিছে তাৰো সাঙ্গ কৰিম। ই কি পাইছে, আৰো জেঙ্গা মাৰিম। এই বুলি ৰাজাত বিদায় কৈ আহিছে ক্ৰোধ তাএ। এখেত চকীয়া মাজিএ সভালৈ জনাইছে ভকতক। তেহে ছোট আতা ভকত সমে ওলাই গৈ সেৱা কৈলে আহিৰলৈ। গুৰুজনে বোলে বুৰা পো, আজি সাৱধানে থাবা। পাছে আহি সভা পাই বাই হ'ল অৱসান, যায়, দৈৱজ্ঞ আতৈও গৈছে পাগ...। তাকে

সন্ধ্যাবেলা পালেহি বুঢ়া দলৈ। দেখি সেইতে যামদগ্নি হ'ল মোৰটৈ ক্ৰোধভ। বোলে ইহঁতেহে মোৰ ভাইক কথা শিকাই বলিয়াকৈ ঘৰ ভাঙ্গে। এই বুলি গালি অংকাৰ ই টাঙ্গন উপৰি সি টাঙ্গন যাচিছে। ছোট আতা শুনি মনে মনে গুৰুজনক চিন্তি গৈ আছে। কতো বাৰ আগচি ধৰে অনেক ৰূপ অহঙ্কাৰ কৈ, গৈ আছে। দেখে মুখেৰেও

ভকতৰ পৰীক্ষা

নেমাতে। অত গালি পাৰিছোঁ মই, তেও ৰামকে বোলা নাই। আৰাই ঈশ্বৰ মইহে মহাপাপী, সন্তৰ সম্পৰ্কে আশ্ৰয় মাত্ৰকে পাপ ক্ষীণ হৈ বাসনা লাগিল, ভকতৰ দৰ্শনে বহুগনৰ গুচাদি। তেহে গৈ আগচি দণ্ডৱতে পৰি অনেক কাতৰ কৰি বোলে প্ৰভু, তোমাই ঈশ্বৰ, মই মহা পাপীএ অত তিৰস্কাৰ কৈলোঁ, তেও ৰাগ উঠি মুখ স্পন্দন নকৈলা, আন কোন প্ৰাণী সব পাৰে? ভৃগুৰ প্ৰহাৰ বিষ্ণুহে সলে, আন দেৱৰ ৰাগ হে উঠিল। এতেকে নিচই জানিলোঁ সেই দৈৱকী সুত তুমি এ ঈশ্বৰ কৃষ্ণ ভগৱন্ত। এই বুলি অনেক স্তুতি নতি কাতৰ কৈ নেৰে একোৰূপে শৰণ দিয়া বুলি। তেহে শ্ৰীমাধৱেও পুৰুষে বোলে, মহাপুৰুষ গুৰু আছে, যাবা কালৈ। তেহে গ'ল, তেওঁ ছোট আতা আতৈ সবত কৈ গৈছে, বোলে, সহিলে সম্পদ পায়, ন সহিলে আপদ পায়। ই মহা ছাগ কটা শাক্ত, কৰ্ম্মী, মোৰ গুৰুজনৰ প্ৰসাদেই ইও শান্ত সজ বাসনা হ'ল। এই বুলি ঘোষা মাতিছে, "কৰ্ণ্ণত বিশ্বাস যাৰ হিয়াত থাকন্তো হৰি, অতিশয় দূৰ হোন্ত তাৰ, দূৰতো বিদুৰ হন্ত তাৰ। অহঙ্কাৰ

[illegible]

থাকন্তেও..." গৈ গুৰুজনক সেৱা কৈলে, বোলে দেখো মহাপো, বাতি হ'ল? বোলে বাপু, এই প্ৰমাদে পাইছিল, আপোনাৰ খুৰাৰ প্ৰসাদেহে ৰক্ষা পালোঁ আজি। তেহে পাছ দিনা গৈ বুঢ়া দলৈ মহাপুৰুষক গুৰু বুলি মহাভকত হ'ল।

আৰু একদিনা কৃষ্ণ কথা শুনি সবে গ'ল। ছোট আতাও গ'ল। গুৰুজন উঠা নাই, তেনেতে বৃষ্টি আনিলে, বোলে দহোঁ শ্ৰীৰাম ৰোৱা নাই? বোলে বাপ, আপুনি উঠা নাই দেখিহে বৈছোঁ কটখানি তুলিবলৈ। বোলে আন খনো তুমিএ তোলানে? বোলে হয় বাপ। বোলে ছন্ন মেঘ, ৰৰাপো গ'ল। গধূলা বেলা যাবই নালাগে, অতে থাকা। তেহে ভোজনকৈ গুৰুজনৰ খাটৰ কাষে শুলে। পাছে মহাপুৰুষৰ গুৰু চিৰাম আতাক মাতিছে প্ৰথমৰ পৰত, বোলে শ্ৰীৰাম, বোলে বাপ। আকৌ দুই পৰত বোলে শ্ৰীৰাম, বোলে বাপ। বোলে মই নাম হে লৈছোঁ। পাছে তিনি পৰত মাতিলে বোলে শ্ৰীৰাম। আতা বোলে বাপ। মহাপুৰুষ বোলে শ্ৰীৰাম মই নামহে লৈছোঁ। বোলে বাপ, আমিও স্মৰণ হে কৰিছোঁ। তেহে শেষ পৰত মাতিছে বোলে বাপ, পাছে গুৰুজনে খেদকৈ সুধিছে বোলে শ্ৰীৰাম, দহোঁ মই চাৰিও পৰত মাতিছোঁ, মাতা, নিদ্ৰাগো নাহেনে তোমাৰ? এ বোলে বাপ, পূৰ্ব্বে সিঙ্গিমুৰী কঁৰে দুহাতে মৰা গ'ল, পুঞ্জ ভেদি সোমাল, আপুনাৰ নিজ দেহৰতে বাজ কৈ জীৱক প্ৰকৃতি মায়াৰ হাতে দিয়া গ'ল আৰু সত্য যুগেও আগম কৰাই চকালা, ত্ৰেতাতো যজ্ঞ, দান, তীৰ্থ, ব্ৰত, তন্ত্ৰ, মন্ত্ৰ, দ্বাপৰতো শ্ৰীৰাম আদি আনো অৱতাৰ হৈ যজ্ঞ, হোম, পূজা, আপুনি কৰি ধৰালা। এতিয়া হয় কে কলি-যুগত বস্তু চাইটি প্ৰকাশকৈ চাৰিহাতে আজুৰি চাওঁ তোটা সিঙ্গিমুৰী, প্ৰকৃতি মায়াৰ মধুৰি পাই নোহলায় নৰকে, নৰে দুখ, নৰ্ক, নিকাৰ, আয়াবাত দেখি নিদ্ৰা নাহে বাপ। তেহে, মহাপুৰুষ গুৰু চিৰাম আতাৰ শেষ ভক্তি দেখি খেদকৈ, বোলে হৰি হৰি, [illegible]

শ্ৰীৰাম আতাৰ জীৱন্মুক্ত অৱস্থা

মুকুত। তাৰাহে দেখিলে সংসাৰৰ দুখক। নৃসিংহৰ আগত বোলে,

"ভয়ঙ্কৰ ৰূপ দেখিয়া তোমাৰ
প্ৰভু মোৰ ভৰ নাই।
সংসাৰ চক্ৰৰ নিকাৰ শুনন্তে,
সদাএ ধাতু উৰায় ॥"

এ শ্ৰীৰাম তুমি জীৱন্ত মুকুত। তুমিহে দেখিছা সংসাৰ জীৱৰ দুখক, নাহে নিদ্ৰা তুসে আন্ধাৰ গৃহে অন্ধকূপ, ভাৰ্য্যা পুত্ৰে নিহল, বিষ্ণুৰ মায়াত বন্ধ হৈ পৰি আছে আছোঁ, আমি নেদেখো সংসাৰ দুখ নিজৰ। এই বুলি সেই খিতে মহা প্ৰেম খেদত গীত কৰিছে,—"ৰাম, মেৰি হৃদয় পঙ্কজে বৈছে।" আক সেই পুৰাতীয়া বেলা চকুৰিমানে ৰাজহংস গ'ল মাত লগাই। কতখানি পাছত গ'ল আকৌ আঢৈ কুৰিমান। তাৰ পাছতো গ'ল ডেৰ কুৰিমান। দামৰ শেষত গৈছে এটি মাত লগাই। তেহে শ্ৰীৰাম আতা সুধিলে উমান লৈ গুৰুজনত, বোলে বাপ, সিভোৰ দহো অথনিএ গ'ল, এইটি গৈছে এতিয়া, সিভোৰ বা ক'ত লবে কি প্ৰমাণে প্যাবগৈ? বোলে শ্ৰীৰাম, আন মন নকৰে যদি বাত বৃষ্টিএ নপাই হন্তে দিশ নিৰীক্ষণ কৈ পাবগৈ সৰোবৰত। যদি হে দিশ হৰায়, নপায় আক ভু হৰাব। তেহে শ্ৰীৰাম আতা সুধিছে, গুৰুজনে কৈছে চচ্চি, বোলে ববাপো, আমাৰ সঙ্গে অনেক বাব হুয়, সাত কুৰিও, আক তুমি, নাৰায়ণ, নাতি সব, ববাপো, হন্তে শাখা বাঢ়ি অনেক জাৰ বাব। আক পুত্ৰ পৌত্ৰ প্ৰবংশে বহুবংশে আহি সন্তৰণ ধৰি ভাবিব। সাত পুৰুষৰ অন্তে একা দুই এক ঘি সাৰিব, অন্ত নেউ, আন মন; বাত, পৰদাৰা, দ্ৰুষ্টি, সঙ্গ, মাৰ্গে, দ্ৰোহ, দিশ পূৰ্ব্বাপৰ চাব। এই মতে বৈ ঘি সবে ভক্তি কৰিলে মানস সৰোবৰ বৈকুণ্ঠ পাবগৈ।

ছোট আতাৰ চৰিত

আৰু এদিন প্ৰসঙ্গ অৱসানে বুঢ়া গোপাল গৈ ছোট আতা ঠাই গণকুচি সোমাল। আতা বোলে আমি দেখো অথনিএ আছিলোঁ, তুমি কি কৰিছিলা? বোলে পাছত বহস্য কথা উঠিছিল, বহিছিলোঁ। বোলে কি কলে? তেহে সবে খানি কলে। বোলে গোপাল, তোমাত গুৰুজনে বাৰ থৈছে। খেদ কৈ উলটি কান্দি কাটি পৈলগৈ। তেহে গুৰু ফকৰা দিছে—"গাও ভাই গাও, আনে খায় ডাব নাৰিকল, মাধএ খায় লাও।" বোলে যোৱা তাৰা বাৰ গুচক। পুনু বিহ্বল হৈ কলে যাই। পাছে আতা গোপালক আনি গুৰুজনক প্ৰাৰ্থনা কৈ বাৰ দাঙ্গি অমৃত পান কৰাই পঠাইছে।

আৰু এদিন শ্ৰীৰাম আতা যাওঁতে বেলা হ'ল। তেহে ছোট আতা বোলে দেখো বেলা হ'ল? বোলো বাপ, আছিলোঁ, খেদ কৰিছিলে গুৰুজনে। বোলে কি খেদ কৰিছিল দেখিলা? বোলে, "সিয়ান হুবাই ভাও, লাম্ফ দি দি আহাৰ খায়, ফান্দত নিদিএ পাৱ। নাৱ দিলোঁ, ব'ঠা দিলোঁ আৰু দিলোঁ চৰি, বাই বটি খাৰ মুৱাবে কাৰ কোন বৈৰী।" আমি গীত, ঘোষা, পদ, ভটিমা কৰিলোঁ, এ ডোলাতো যে জীৱক লগাব মুৱাইলোঁ। এই চাবি আঙ্গুলৰ পৰা আন্তৰাব নপাৰিলো। ঠেংতলে বৌ বায়, মিচালৈ টৌপনিয়ায় এই বুলি দেখোঁ খেদ কৰিছিল। বোলে কালৈ কৰিব আৰু তোমা আমালকে কৰিছিল। তেহে পাছদিনা ছুওজনা আতা গুৰুজনৰ পাশে নিশা বৈ খেদ গুচাইছে। গুৰুজনৰ খেদ

উজানৰ কথা

আৰু উজান ধুৱাহাটাৰ পৰা বাৰে ভূঞা যি বৈছিল, আছিল। সবেও গুৰুজনত প্ৰাৰ্থনা কৰিলে এজন ভকত নিবলৈ। বোলে সি ৰাজ্যত যি ধৰ্ম্ম প্ৰচাৰ কৈ অহা গ'ল সেও লোপ হৈহে আছে। এজন ভক্ত দিলে প্ৰকাশ হয়। তেহে মহাপুৰুষ গুৰু বোলে সি মহা বাদিকৰ ঠাই—,তাত ভকত গৈ কোন তাৰৱিব, জনাব, ৰব? লঙ্কাৰ সুবেলত সমুদ্ৰে সেতু বান্ধি গৈ থিত হ'ল। ৰাবণে শুক শাৰণক পাঁচিলে সেনা গণিবলৈ। আপুনি প্ৰাঞ্চি উঠি চাই বোলে এইখন যুদ্ধত কোন সমুখ হব? প্ৰহস্ত, বাস'ই দুইত বাজে এতিয়াও তাত কোন ৰবগৈ। নাই ৰৰাপো, নাইবা আমি দুইৰ এজন হলেহে তম্ভিবই পাৰি। কতখানি থাকি বোলে ৰৰাপো, তুমিএই যাব পাৰিবানে? বোলে বাপ, তোম্ৰাৰ বাক্য হলে পাৰি। বোলে তেনেহলে চাউল সিজোৱা লোৱাগৈ যোৱা। গণকুচিত আছি চাউল সিজাইছেহি। তেনেতে মনথৈৰ পৰা ঠাকুৰ আতা পালেহি। দেখি এ ছোট আতা বোলে অ সখি, আমিএই যাব লাগিল হতে, বোলে বাপ কলৈ? বোলে উজানৰ পৰা ভকত আহি এজন ভকত খুইছেহি। তাতে গুৰুজনে আমাকে পাঁচিছে। পাছে আতা বোলে বাৰু বাপ, যোৱা ৰক, সজহে। এ উজান ৰাজ্যত সুবৰ্ণ পোৱা যাব, পাট-কাপোৰ পাব, হস্তীদান্ত পাব, ভাৱ-কটাৰী পাব, জাতি-মৰিচ পাব। তাকে গুৰুজনলৈ দি পঠোৱা যাব, এখেত গুৰুজনে একলে ভোজন কৰিবনে? আমাকে দিবহে? পাছে ছোট আতা বোলে সখি, আমি তাকে লাগি যাওঁনে? বোলে কিয়নো যায়? বোলে গুৰু বাক্য যে। বোলে পালেও যোৱা নেযায়নে? বোলে না যাওঁতো। তেনে হলে এবেৰি ৰক, আমি যাঞ। গৈ বাউসী পাই সেৱা কৰিলে। গুৰুজনে বোলে অ' নাৰায়ণ

দাস, তোমাত সুধিবলৈ নহ'ল, ৰবাপোক উজানলৈ পাঁচিলোঁ, গ'ল হে হৰলা। বোলে বাপ, উজান দেশৰ সুবৰ্ণ পাব, পাট-কাপৰ পাব, ডাব্ব-কটাৰী পাব, মৰিচ পাব, হস্তীদান্ত পাব, দিলদহীয়া ৰৰকাপোৰ পাব, পাই তোম্রালৈ দি পঠাব। তাকে আমি দাস ভৃত্যকো দিবহে। একলে ভোজন কৰিবনে? তেহে গুৰুজনে বোলে নাৰায়ণ দাস, আমি তালকে পঠাওঁনে? বোলে বাপ, কেনৈনো পঠোৱা যায়? বোলে এ ধৰ্ম্ম বস্তু গোট হুমু ত'ত লোপ হয়, আতেহে পাঁচিছোঁ। বোলে বাপ, তেনেহলে সি ৰাজ্যত প্ৰচাৰ হব, অ'তেহে লোপ হব। বোলে কিয়? বোলে বাপ, তাৰা সোধে, তোম্রা তাৰাৰ মুখলৈ চাই কীৰ্ত্তন কৰা যায়, আমি সকলো শুনো। এতিয়া তাৰা গ'লে তোম্রাত সুধিব কোনে, আৰু কাৰ মুখলৈ চাই কীৰ্ত্তন কৰা যাব? এতেকে লোপ হব। বোলে অ' এনেহলে নাৰায়ণ দাস, নাপাঁচিলেইঁতে! বোলে বাপ, পালে ৰখা যায়নে? বোলে নাৰায়ণ দাস, পালে ৰাখোঁ আৰু। পাছে আগতে সেইখিনি বাহু দাঙ্গি লৰ মাৰি গৈল। গৈ গণকুচি পালেগৈ। বাটতে বোলে চিৰাম আমালৈ চাউল দিয়া। চিৰাম আতা খুই দিলে। ফুট অহা চকতে বহালে। সেৱাকৈ বোলে আপুনাকে হৃদয়ত লৈ প্ৰাৰ্থনা কৈ ৰখা গ'ল। ঘোষা মাতিছে,

> "ইটো ৰাম নামে আপুনাৰ গুণে
> ঈশ্বৰকো কৰে বশ্য।
> এতেকেসে জানা ইটো ৰাম নাম,
> শাস্ত্ৰৰো মহা ৰহস্য॥"

তেহে হুওজনা আতা, শ্ৰীৰাম আতা, ভোজনকৈ আনন্দ-সুখত আগাপিছা কৈ গৈ শ্ৰীশঙ্কৰ দেৱক সেৱা কৰিছন্ত। সেই বেলা

মধ্য-দশমৰ জৰাসন্ধৰ যুদ্ধ কীৰ্ত্তন কৰিছে, তাতে এক আহি কৈ গীত, ঘোষা দিলে ৰহস্য,

"এ হৰি নাৰায়ণ মাধ এ গতি।
কৃষ্ণৰ চৰণে মোৰ নচাৰোক মতি॥"

বোলে এক ৰাজাৰ খেৰকটীয়া মানুহে ছমাহ খেৰ কাটি এক নাৱ ঘাট নদীৰ চলে গৃহস্থৰ আশ্ৰয়ত মেজি বান্ধি থৈ গ'ল। পাছে তাৰ ছৱাই অগ্নিৰ ফিৰিঙ্গা পেহ্লাই ছমাহৰ খেৰ নিমিষত ভস্ম কৈলে। এতিয়াও বৰাপোএ, আমিও আলচি তুলচি সকলেও গাঁচিলোঁ, এতিয়া নাৰায়ণ বহ্নিএ পাই একে কুৰাই ছাই কৈলে, এই আহি দি গীত কৰিছে—

গীতৰচনা

"নাৰায়ণ, লীলা জানব কোই,
চিৰি ৰাম, মই হৰি পাপী পামৰা
তেৰি ভাৱনা নাই।
জনম চিন্তামণি কাহে গেওঁ,
যচ কাচকু লাই॥"

আৰু একদিনা গুৰুজনে বোলে আমি এটা বস্তু দিওঁ, কোনে লবাহঁক? পাছে ৰাম ৰাম গুৰুএ বোলে বাপ, আমিএ

ৰামৰাম গুৰুৰ
ঃকথাকাঃ নিদ্ৰা

লম। বোলে লবাহে একা, নেৰিবা। বোলে সজ, বাপ, নেৰোঁ। বোলে ধৰা, আমি এই ৰাম-নাম পৰম তত্ত্ব-ৰহস্য-বস্তুটি দিছোঁ, সদা সৰ্ব্বদা নেৰিবা। তেৰা গৈ হাতহিৰে এধা চচাকৈ ললে বিচনা নিদ্ৰা অহা দেখি। এদিন, তেওঁৰ পুত্ৰ কবিচন্দ্ৰ, তাৰা ভিতৰ সোমাই চাই দেখে, খলা বমা।

কবিচন্দ্ৰ

বোলে অ' আতেহে পিতা শয়ন কৰে। এই বুলি বাজলৈ নি কাপৰ যেন কৈলে চাচি পাৰি থৈ গ'ল। সেই নিশা চেতন না পাই বোলে কোনে এনে কৈলিহঁক? বোলে আতা আমিএ তোমাৰ দুখ দেখি চাচিলোঁ। বোলে মোক আগদৰে

---

* আমাৰ মনে।

সে; মোৰ আজিও শুৰু-বাক্য পৈল, পুনৰ সেই ক্ৰমে লৈ শুলে।

আৰু বাউসীত কোৰ দামোদৰে তিনটা বাৰী পোষে কোৰখনেৰেই মাক, বাএক, বৌএক। বাউসীৰ ভাটি-ভাগে কৃষি লৈছে। সেইতে অহাযোৱা কৰে। গুৰুজনে ৰামৰ কৃষ্ণৰ-চৰিত্ৰ কয়, ক্ষেনো ভাগৱত চৰ্চ্চে নাম লয়। কতো ভোকে, কতো বেলা কোৰ খানি থুতৰিত দি এফেৰি শুান যায়। তাৰে অনুভএ ছোট আতা ঘোষা কৰিছে পাছে সুন্দৰীত— কোৰ দামোদৰ ঘে.ষা

"যিটোজনে কৃষ্ণ-কথা বিচাৰ সমএ মনে
ধৈৰ্য্য ধৰি ক্ষণেক থাকয়।
যত তীৰ্থ, স্নান, দান, দেৱ, পিতৃ, যজ্ঞ, যাগ,
যোগাদিৰো ফলক পাৱয়॥"

এদিন গুৰুজনে বোলে দামোদৰ, শুনিবৰ মন যায়নে? বোলে বাপ, যায়! যায় হে, অবজৰ নাই। তিনটা বাৰী পুছিব লাগে। বোলে কৃষিনো কিমান কৰা? বোলে বাৰ হালিচা বোৱা যায়? বোলে তাৰে ই-বেলি চাৰি হালিচা এৰাগৈ। সেই বেলা খানিক হৰি-কথা শুনিবা, তেও কুলাব। পাছে সেই সেই বেলি চাৰি হালিচা এৰিও বাৰে হালিচাৰ সমে পালে ধান। পাছ বৰ্ষ আকৌ চাৰি হালিচা এৰিব দিলে। এৰি বলে, সেই সমে পালে ধান। তেহে মূলেই এৰিব দিলে। পাছে গুৰুজনে সবে ভকভত কলে, বোলে একোমুঠি চাউল আনিবাইক দামোদৰলৈ। তেহে সবে আনে। চাউল কত হ'ল। হাটিতে আছে কতো দিন, আৰু এমহা সুবৰ্ণ দি মহাপুৰুষক গুৰু বুলিবলৈ থৈলে। তেহে গুৰুজনে নকৰাই ৰাম ৰাম গোসাঁইৰ তাতে কৰালে, ৰামৰাম গোসাঁইত দামোদৰেৰ শৰণ

সোণাও দিলে। পাছে এ তোলা সোণা দি বগা দলৈৰ মাটি কিনি ধনুখন্দা সিপাৰে বহা সজাই থলে। ব্ৰাহ্মণ ভকত আছিলে দামোদৰ ঠাইত শৰণ কৰায়।

আৰু একদিনা গুৰুজনে, বোলে দামোদৰ, যদি বিষয়ত ৰত তৃষ্ণা আছে, বিবাহ কৰা। আমি অলঙ্কাৰ পাতিএ খুজি বান্ধি দিঞ। বোলে পূৰ্ব্বে কৰালো, আপোনাৰ কৃপাত গুচিল, সজ হ'ল, নকৰাঞ আৰু, বোলা না যাব বাপ, বাসনা লাগে।

আৰু হাটিত থকাত ইজন সিজনে চাউল পাত মুঠি দিছিল, যাবৰ পৰা নাই। গুৰুজনে চাউল লোন, সমগ্ৰে এসন্ধ্যা দিএ, তাকে ভোজন কৰে দিন মুৰি। তাকে ভকতে দেখি হাটিত অসূয়া কৰে। বোলে অত দিন গুৰুজনৰ সঙ্গে আছোঁ, ফুৰোঁ আমাক কুটা গছেৰেও নোশোধে নিদিএ, কালি সেমাইছেহি একোটা, বৰ কাম কৰিছে, নিতে ৰোজ ধৰে। শুনি গুৰুজনে বিপ্ৰলৈও নিদিলে, গৃহৰো ধোৱা চাউল শাক ৰ'ল, সিজাব নিদিলে, উপবাসে মনোকষ্টে পৰি ৰহিল। পাছে সেই নিশা স্বপ্ন দেখিলে পাটকীৰ এক মুদৈ ব্ৰাহ্মণে বছৰি মাঘমহা পাঁচ শ পাঁচ অধিক ব্ৰাহ্মণ ভোজন কৰায়। তালকে চাউল, লোন, তেল, মাছ, গাখীৰ, গুৰ, মাহ, পছু, খৰি, চক পাত পৰ্য্যন্ত সকলো চপাই পুৱালৈ পাতিছে। ঈশ্বৰে বেকত হৈ বোলে এইবোৰক কি থুৱা?
দামোদৰদেৱৰ পৰিচয় হৰিবিমুখ পশুৰ লগৰ এটি হৰি গুণ গোৱা বিপ্ৰক দি থুৱা হতে এনে শত সহস্ৰৰ ফল সেইতে হয়। বোলে প্ৰভু, তাকে যে নিচিনো, ক'ত আছে? বোলে শঙ্কৰ ঠাইতে চিৰি নি বুলিএ অন্তৰ্হিত হ'ল। পুৱা বিপ্ৰে অনেক ভাৰী ধৰি সবে সম্ভাৰ লৈ দিছেনি। তেহে মহাপুৰুষ গুৰু আৰ্তে সৱ সভাকে মতাই বিপ্ৰত সুধিছে যাৱৰ কথা। সবে থানি কৈছে। গুৰু বোলে তোমা সবে একঠা পিণ্ডতে অপূৰ্ব্ব কৰা। এতিয়া

ঈশ্বৰে চাউল দিছে দামোদৰক। পাছে গুৰুজনে উপাধি সবাকে বাটি দিয়ালে। দামোদৰ ঠাইত চাউল খানি দিয়ায়। বোলে দামোদৰ, তোমাৰ কৃষ্ণে চাউল দিছে, আমিও আজ্ঞা দি আচাৰ্য্য পাতিছোঁ, তোমাৰ জগত-জুৰি দামোদৰময় হব যশে। তেহে ছোট আতা বোলে বামুণীৰ বেটা সি জন্মতো আগ্যে দুখ, অন্তে ভোগ দিলে। অতো সেই কৃষ্ণ গুৰু ৰূপে দিছে আশ্চৰ্য্য বিভূতি পুনৰ।

আৰু ব্যাস কলাইৰ দুটি পুত্ৰ মৰিল বসন্ত গুলাই। পাছত হৃদয়ানন্দ নামে ছোট, গুলাল খহু। টান দেখি মাকে বোলে হৃদয়ানন্দৰ হৈ চপৰালকে ই সি দিব খোজে।। তেওঁ একো নমাতিলে পুত্ৰৰ স্নেহত দে নেদে। পাছে পত্নীএ পাৰ এযুৰি উৰালে লোকৰ হাতেদি। বেটা পাৰ দিবৰ ভু পাই বোলে আৰা দুই গুৰুধৰ্ম্মৰ বাজ হ'ল, জানিও আত মৰা সঞ্জ নহয়, এই বুলি চুচৰি বাই গৈ বাজত মৰিল। ব্যাসকলাই
পাছত সেই কথা শুনি গুৰুজনে বোলে হৃদয়ানন্দ মৰা নাই, আমাৰ হৃদিতে আছে, ব্যাসকলাইহে মৈল কিন্তু। দায় জগৰ ধৰি সবাৰে অন্তৰ কৰিলে। তেওঁ একো উপায় নপাই বাই আতাত ধৈলেগৈ, বোলে মই তিনিকুৰি টকা দণ্ড দিওঁ, সামৰক, ধৰা, গুৰুজনক মাতা। পাছে আতা গৈ প্ৰাৰ্থনা কৰিলে, বোলে বাপ, তিনিকুৰি টকা দিএ, ৰখা ৰক, দোষ গুণে দণ্ড হৈছে, দায়হে ভাগে, ভকত কাহানি ভাগে? তেহে গুৰুজনে বোলে জগতানন্দ, জানি মাতিছ নে নাজানি? বোলে বাপ, নজানিহে মাতিছোঁহি। জানি মাতিলিহয়তে তোৰ নিস্তাৰেই নাই। ভকতিপ্ৰদীপ মাতিছে শ্লোকো—

"অনাচাৰ কৰে যিটো অপৰাধ বুদ্ধি।
বিভিচাৰ কৰে যিটো সেহি মোৰ দ্ৰোহী।"

শ্লোক ভাঙ্গি ঘোষা কৈলে,

"মাধৱে বোলন্ত শ্ৰুতি স্মৃতি,

মোৰ আজ্ঞা বাণি জানা নিষ্ট,"

এই ঘোষা পদ মাতি, যি কৈলি, কৈলি, ব্যাসকলাএ যি টকা সৈছে তাৰে দুনা টকা দেগৈ। তেহে ছমাহৰ অন্তে দুকুৰি টকা লৈ তিনিভাগ কৈ চাউল, সিধা, তৈল, বস্তি, শৰাই গৃহস্ত ঠাই দি থৈ সবেও মতাওহে সামৰি হৰি গৃহ তুলিছে। তেহে ব্যাস কলাইএ গুৰুজনৰ এখেত ঠাই নপাই জগন্নাথলৈ গ'ল। এদিন বাট থকাতে গোপালপুৰে জগন্নাথে স্বপ্ন কৰালেহি মানাকৈ এহেলৈ নাহিবি বুলি। পাছে এওঁ অনেক তুতিতৰ্পণ বধ শপত দিব খৈলে। জগন্নাথে শুনি বোলে তেওঁৰ বধে আমাকো নপায়, শঙ্কৰকো নপায়, আপুন দোষে, কৰ্ম্মে বাজ হ'ল। পাছে তাতে অচল হৈ কতো দিনৰ অন্তে দুখ ভুঞ্জি শৰীৰ পৰিল, একোএ দুচুলে, নখালে। তেনেই জহি খহি গ'ল, পকৰাপিম্পৰাও মাটি দুতুলিলে, যাত্ৰীএ পথ এৰি এক প্ৰহৰ অন্তৰিহে গ'ল।

আৰু একদিনা ছয় মেঘ, গধূলি বেলা স্নান কৈলে। বোলে আজি আজচ দুগুকাবহে, কালৈ পিন্ধিবলৈ। পাট তুনি পছৰা যুৰিও অনাবলৈ নহ'ল। তেহে ছোট আতা শুনি গৈ গনকুচিত ভোজন পাতি কৰি আতৈ সব শুলন্ত গ'ল, আন্ধাৰ দুপৰ নিশা। বৃষ্টিএ বুদু, একঁকাল জল ঠাই ঠাই, হাবি জঙ্গল, জোকা, মহ, বাঘ, হাতী। গা, উৰু, জঙ্ঘা কাটি, এবালি সিজাৰিএ, জোকে পোকে, মহে দাহে খাই বোৰবা, বজা, কৈলে সব শৰীৰ। এই মতে বিল, জান, হাবি, উভৰি পালেগৈ তিনিপৰ নিশাত বিৰাকৰ ময়ূৰৰ গৃহ। মাতিলে, উঠি দুৱাৰে দেখি অজ্ঞাহি

[illegible]

হৈ বোলে বাপ, কি হৈছে? এই দুপৰ নিশা কিয় অহা গ'ল? বোলে ভুমি পছুৱা বামুণী দিয়া গুৰুজনক পুৱালে সলাবলৈ লাগে। তেহে মবলে নবীন বস্ত্র দি সলোৱাই জুই ধৰি গা সেকি বস্ত্র মুৰি দি নৌকাবে থৈ গ'লহি। পুবেও পোহৰ হৈ আহিছে, ছোট আতাও খোজ লৈছে বাউসীলৈ। গুৰুজনে শৌচ, শুদ্ধি, নিত্যকৰ্ম্ম কৈ স্নান কৰি গা মচিছে, তেনেতে ছোট আতা শৰাইত ভুনি পছুৱা দিছেনি। দেখি গুৰুজনে আচৰিত হৈ বোলে কালি সন্ধ্যা গৈছা, এই ভাদ্ৰমহা জল, বৃষ্টি, পঙ্কে কেতিয়া কেনেকৈ আনিলা? বোলে বাপ, নিশাই অনা হ'ল। বোলে আমি কালি মধ্যতে সবাবে আগত কলোঁহে কথাটো এই নিশাৰ কাল কিয় যোৱা তুমি? মই কাহানি পাঁচিছোঁ। তোমাক? বোলে বাপ পাঁচিব লাগে কেলেই? দাস, ভৃত্যে স্বামীৰ কাৰ্য্য বুজি আমি কৰিবই পাওঁ। পাছে মহাপুৰুষ গুৰু সেই খিতে প্ৰেমে জৰি ভক্তিত বশ্য হৈ ঘোষা পটল কৰিছে পৰমাৰ্থ সাৰ—

পৰমাৰ্থসাৰ ঘোষা

"মাধৱ মাধৱ নাম, বচনত উচ্চৰয়,
মাধৱ মাধৱ হৃদয়ত।
নিৰন্তৰে সাধু সবে, মাধৱ মাধৱ নাম,
উচ্চৰয় সমস্তে কাৰ্য্যত॥
পৰম মঙ্গল ৰূপ, মাধৱ মাধৱ নাম,
যিটো মহাজন উচ্চৰয়।
তাৰ অমঙ্গল ৰূপ, গুচয় সংসাৰ ভয়,
মাধৱৰ নিকট পাৱয়॥
দুঃস্বপ্ন নাশন ইটো মাধৱ মাধৱ নাম,
দুষ্ট গ্ৰহ ভয় বিনাশন।

পৰম সম্পদ কৰ্প জানি মাধৱৰ নাম
সৰ্ব্বদায় কৰিয়ো কীৰ্ত্তন ॥
মাধৱে সে আত্মা নিজ মাধৱে সে ইষ্ট গুৰু,
মাধৱেসে দেৱতা পৰম।
পৰম ঈশ্বৰ স্বামী জানি মাধৱক ভজা
মনুষ্যৰ এহি নিজ ধৰ্ম্ম ॥
পৰম চতুৰ সিসি বুদ্ধিত কুশল আতি
যিটো মাধৱৰ গুণ গাৱে।
মিছা কলেৱৰ গোটে মুকুতা বনিজ কৰি,
ভৱ তৰি মাধৱক পাৱে ॥
যিজনে একান্ত চিত্তে মাধৱক ভজে নিতে
ফুৰে মাধৱৰ গুণ গাই।
দুৰ্লভ অমৃত যেন, যিজনে কৰিলে পান
মধুৰ পিবাক আৰ নাই ॥"

এই ছ-টা ঘোষা কৰি গাই বোলে পাছলৌ যাৰ মত মানি নিচই পৰিব, এনে কাৰ্য্য ভাও হব, মনৰ মন বুজাতেহে জীৱৰ সংসাৰ সাৰিব।

আৰু উদাৰ আতৈ ভিক্ষা কৈ প্ৰবৰ্ত্তে। কথা প্ৰসঙ্গ যায় বুলি বন জঙ্গল ভাজি পোনাই যায়। গা কাটি সাং কৰে। উদাৰ আতৈ যথাপ্ত গুৰুজনক, বোলে ভাৰ্য্যা, পুত্ৰ, দাস-দাসী সবাকে পুছিছা, মোৰ উদৰক হে একঠা চাউলেৰে পুছিব নোৱাৰা? গা চোৱাচোন আগত কুৰাত। তেহে গুৰুজনে আতৈক বোলে তুমি ভিক্ষালৈ নেযাবা, নিতে দিবা। এই বুলি চাউল, লোন, তেল, ঘি পঠালে। নি আগত থৈ কান্দিছেপে বোলে মাৰ্কণ্ডেএ সাত মন্বন্তৰ ভিক্ষা কৈ গুৰু-সেৱা কৈলে, আমি সেৱা চাৰি খাই কেনেকৈ সংসাৰ তৰিম? এই বুলি ভাবাতে থিৰিলে আৰু প্ৰাৰ্থনা কৈ*

* [illegible] পদ।

আৰু গুৰুজনে গোকুল, বৃন্দাবনৰ, মথুৰাৰ, ৰঙ্গাবন গোপবালকৰ চৰিত্ৰ লীলা কৈ থাকে। পাছে ৰাই আতাকে মুখ্যকৈ সবে ভক্তে আলচি ধৰিলে গুৰুজনক, বোলে বাপ, গোকুল, বৃন্দাবন, জগন্নাথ এবাৰ দেখক গৈ। বোলে সি দেশ কটকিনা, তীৰ্থে মৰণে সম। টকা নহলে কিছু নিমিলে, কাৰ কি খৰ্চ্চা টকা আছে, কুলাব নকুলায়? ৰাৰ ঘি আছিল কলে, দহ, বাৰ, সাত, আঠ, খনো ষোল, কুৰি, কতোৰ পাঁচ, ছয়, কেহোৰ চলিশ, ত্ৰিশ এই মতে সবেও কলে। উদাৰ আতৈএ বোলে মোৰ কৰাটো নাই, নাইকিয়া সবক খৰ্চ্চা দিবলৈ। কতো ৰাই আতা ললে, কেহো ৰাম ৰাম গোঁসাই ললে, খনো ৰামদাস আতৈএ ললে,—গুৰুজনে ললে কতো। এই ক্ৰমে বিভাগি ললে। তেহে মহাপুৰুষ গুৰু ছয়কুৰি-ভক্তে সমে হ'ল যাবলৈ যাত্ৰাকৈ। আই গোসানীএ শুনি ছোট আতাক মতাই নিলে ভিতৰলৈ বোলে বাপু, গোসাঁই আপুনাৰ লীলা খেলাৰ ঠাই পালেগৈ নাহে ইবাৰ। এ আমি তিনি ছৱা সহিতে অনাথ হলু। তাকে তুমি যেনে তেনে প্ৰকাৰে ৰখা ৰক। তেহে ছোট আতা বোলে মাতৃ, সবে ভক্তে আলচকৈ ওলাল। এতিয়া কেনেকৈ ৰাখিম? আগে জমা হলে তেও। ৰাক তেও যেই সেই মতে বৃন্দাবনে নোযোৱা কৰিম আপুনাৰ বাক্য শিৰত লৈ। আজ্ঞা মহা ছয়কুৰি ভক্তে সমে গৈছে শ্ৰীশঙ্কৰদেৱ। এদিনৰ পথ গৈএ, চন্তন আতৈ বৃদ্ধ, হাটিব নপাৰে দেখি ঠাকুৰ আতাক থৈ গ'ল। কতো মুখে কয়, গঙ্গাৰ পৰা পঠাইছে।

দ্বিতীয়বাৰ তীৰ্থ যাত্ৰাৰ উদ্যোগ

আৰু একদিন এজোপা শিমলু বৃক্ষ আছে, পক্ষীএ দ্যাতি কৰাকৈ থৈছে। দেখি গুৰুজনে তাৰ ছাঁ এৰাই হাবি ভাঙি গ'ল। ছোট আতা বোলে বাপ, এই বৃক্ষে কি দোষ কৈলে ছাঁ-কো খৰ্ৱা কৰালিলে? বোলে ৰাপো, ইকে ৰাম মাপাৰ

গুৰুৰ দায়িত্ব

ই পূৰ্ব্বে জ্ঞানী গুৰু আছিল, লোকক জ্ঞান দিএ বিত্ত আশা কৈ কয়। তাতেহে আৰ নাম হ'ল ই জন্মতো বিত্ত ব্ৰত। জীৱ তাৰিব নুৱাইলে, তাৰে চাউল ধাৰহে খালে। এতিয়া গুৰু হ'ল বৃক্ষ, শিষ্য পক্ষী হৈ জীৱাই লাদিছেহি। কাটি যদি নাৱ কৰে, তাতো শামুক হৈ ধৰিবহে, বৃক্ষ হলে ৰঘুমলা হৈ চৰে।

আৰু এদিনা গৈ বহি জিৰাইছে, কাখতে এজোপা অশ্বত্থ আছে। সদাই শাখা পত্ৰ জৰজৰাই আছে। দেখি ছোট আতা সুধিছে। গুৰুজনে বোলে, পূৰ্ব্ব জন্মে ই অনেক জীৱ তাপ দিছিল। অকাৰ্য্যত আপুনিও মহা 'তিনি তাপে তাপিত, এতিয়াও স্থাৱৰ-জঙ্গমতো হৈছেহি তাপিত। একে জন্মে তিনি জন্মৰো বাৰ্ত্তা, যাৰা সবৰ আগে আৰ্জি লগাই আহিছে, আহি কতো হৈছে, লগাই আৰ্জিছে আকৌ পৰ জন্মতো হব তাৰ। যাৰহে আগে দুখী, কৃপণ, এতিয়াও নাই,—পৰতেও নাই তাৰ। এই ক্ৰমে ছোট আতা সুধি যায়, গুৰুজনে কীৰ্ত্তন কৰি যায়, কৃষ্ণৰ চৰিত্ৰ। সবে ভক্তে শুনি যায়। হঠাৰ ভু-কে নপাই, শ্ৰম, জাগৰ, বাক্যামৃতে সুশান্ত

বেহাৰ

হৈ যায়। গৈ গৈ বেহাৰ পালেগৈ।

এক পাৰলি বৃক্ষৰ তলে বসি কৃষ্ণকথা কৈছে গুৰুজনে, গাছৰ খোৰঙে মাখী মৌ পাই পাৰি লৈছে। ছোট আতা বোলে কি পুণ্য তুমি খানি? হৰিকথা মধু পান, গুৰুভক্তৰ ধূলা পৈল। তেহে মহাপুৰুষ-গুৰু বোলে ৰবাপো, তোমাৰ

মধুপুৰ

আমাৰ পাছত, আতে মধুপুৰ নামে এখানি থান হব।

আৰু একদিন হাৰি-চনেদি গৈছে। দেখে ব্যাধে ফান্দ পাতি থৈছিল, হৰিণ-পৰুটি পৰি আছে। গুৰুজনে বোলে হৰি হৰি, অজ্ঞান জন্তু এনে লোভ দেখাই ফুটকৈ মৰে,

[illegible]

বেছাৰীক। মোৰ বোলে, সি তাপিত প্ৰাণী, আশাকে

ভুখ কৰিছে। নাবেঙ্গি আধলি এটি থোৱা তাতে। থৈ গৈছে, কিছুমানে দেখে জাঙ্গিত মৈৰা এটা লাগি পৰি আছে। তাকো গুৰুজনে খেদকৈ মেলাই একশিকা থোৱাই হৰিকথা কৈ গৈছে। তেহে ব্যাধে আহি চাই দেখে, মেলা চিন, আধলি, শিকাও আছে। তেহে তাৰ ভৱবন্ধ অপবৰ্গৰ সীমা পৈলহি। লৈএ দুইবো মহা বিৰকত জন্মি বৈৰাগ্য খেদ লাগি খেদি গ'ল। পাই তাবাৰ দোহাই দি আগচি দণ্ডৱতে পৰি অনেক কাতৰ কৰি নেবে। বোলে জ্ঞানশূন্য পশু-পক্ষীকো যে বন্ধৰ পৰা টকা দি মুকুত কৰি আহিলা, প্ৰভু, আমাকো সংসাৰবন্ধৰ পৰা মুক্ত কৰা শৰণ-বিত্ত দি। পাছে মহাপুৰুষ-গুৰু তুতি-কাকণ্যত সন্তোষ হৈ শুদ্ধ ধৰ্ম্ম বস্তু দি নিস্তাৰ কৈলে। পাছত ছোট আতা গুৰুজনৰ কৃপালু গুণ বৰ্ণাই ঘোষাত বান্ধিছে সুন্দৰীত,—

"জ্ঞানশূন্য আতি, পশু পক্ষী জাতি
তাকো অনুগ্ৰহ কৰি আছা কৃপাময়।"

আৰু একদিনা গৈছে কৃষ্ণকথা কীৰ্ত্তন কৰি কুৰুঁৱাগঞ্জৰ সেই খিতে অনেক লোক চাপি এশ, চাউল সিজাইছে, তাৰে মাজতে কাকে নিলে। অত্ৰাহি হৈ সেইতে লৰ মাৰি গুৰুজনক দেখি সুধিলে, বোলে বাপ সৰ্ব্বনাশে হৈ মইলো।, কি হব? ভক্তে সমে বৈ বোলে মাজৰে তিনি কোৰ ভাত গুচাই থকগৈ। ভাগৱত, পুৰাণ, বেদ, জ্যোতিষ, শ্ৰুতি, গীতা সহস্ৰ নামত আকেহে—পূৰ্ব্বে ঋষি সবে বান্ধি গৈছে, ঈশ্বৰ-আজ্ঞা কাকে গুচাব নুৱাৰে যা। আহি সেই ক্ৰমে গুচাই সবে বাকো খাইছে। কৃষ্ণকথা কীৰ্ত্তন কৈ গৈছে। পাছে বাই আতা বোলে দদা, ৰামৰ চৰিত্ৰ কোৱা কৃষ্ণ ভজোঁ। তেহে ৰামৰ চৰিত্ৰ তুলি গৈছে, কৃষ্ণকথাত

ৰামচৰিতৰ পৰা কৃষ্ণকথিতলৈ যোৱা

পৈলহি। ৰাই আতা বোলে দদা, ৰামৰ চৰিত্ৰহে সুধিছোঁ। দহোঁ, কৃষ্ণকথাহে কয়। বোলে কোনবা খানিতে গ'ল। ছোট আতা বোলে বাপ, তাৰকা বধতে পুতনা বধলৈ গ'ল। আকৌ তেহে তাৰকা বধৰে পৰা ধৰিলে। কতখানি কৈ গৈছে, আকৌ কৃষ্ণচৰিত্ৰত পৈল গৈ। আকৌ ৰাএ বোলে দদা, ৰামৰ চৰিত্ৰহে সুধিছোঁ, দহোঁ কৃষ্ণকথা কয়? বোলে কোন খানিতে আহিল ভু-কে নপালোঁ। ছোট আতা বোলে মাৰীচ বধৰ পৰা চক্ৰবাত বধলৈ গ'ল। তেহে বোলে এ কৃষ্ণকথা চৰিত্ৰে আমাৰ চিত্তক আহৰণ কৈলে। ৰাএ নধৰিলে আৰু।

আৰু একদিনা কৃষ্ণৰ কীৰ্ত্তন কৈ গৈছে গুৰুজনে। সবে ভক্তে একচিত্তে শুনি গৈছে। গৈ ছয় হাৰি এজুপিত ডাকু খাট * এটা খাপ লৈ সোমাই আছে। দুই-এক যাত্ৰী পালে টাঙ্গন মাৰি জুলি খানি লবলৈ। সৰহ লোক দেখি মুৱাৰি বলে লব, ক্ৰোধ কৈ এখুৰ ইটা মাৰি পঠালে সবাৰে মাজলৈ। আছি বলোৰাম আতৈৰ তালুতে পৰি ফুটি তেজ ধাৰে বৰ ধৈলে। গামচা বান্ধি, তেল, পানী দি আৱৰি ধৈলে, কতো এ হাৰি জুপি বেৰি গৰকি তাক ধৈলে। আতৈৰ স্নেহত ভুকু, কিল, হানে যাচে, ডাবি হুকি দিছে ৰাগি। গুৰুজনে বোলে হা হা, তোমালোকে কিয় মাৰিব খোজাহঁক? যাৰাক দ্ৰোহ কৰিছে তেওঁত সোধা যক, কি কৰিব দিএ। তেহে সুধিলে, বোলে আতৈ? সুস্থ পাই কৈছে বোলে আমাত সুধিলে, তাক আৰু একো নকৰিবা। সি জন্মে তাক কৰিছিলোঁ, এতিয়া সুতালে। পুমু লগাৰ নেলাগে আৰু। যদিহে কৰা নাই তাৰ হৃদয়ত থাকি আৰ্জিত কৰ ঈশ্বৰে দণ্ডিলে। গুৰুজনে, বোলে সেই কি বোলে দেখা এতিয়া। বোলা মাৰোঁ, কিলাওঁ, তেহে এৰি গৈছে।

ডকাইতৰ প্ৰতি ব্যৱহাৰ

* [illegible]—ডকাইত।

আৰু এদিন গৈছে এটা লোক পৰি আছে বিষ্ঠাৰ গৰ্ত্তে। অনেক নেজল পোকে খাইছে। মাথে মালতী ফুলৰ টোপাটি আছে। দেখি পথ এৰি গৈছে। তেহে গুৰুজনে চিৰাম আতাক বোলে চাই-আহা। চাইছে গৈ, তেহে জীৱ গৈছে। ভকতে সুধিছে প্ৰাৰ্থনা কৈ গুৰুজনে চৰ্চ্চি কৈছে।

আৰু এদিন গৈছে। এখন চোতালৰ-মান মেঘ দিছে। দেখি ছোট আতা বোলে বাপ, খৰকৈ হঠা যক, ডাৱৰ দিছে। গুৰু বোলে ই মেঘে একো নকৰে। গৈছে, বৃষ্টি নানিলে।

আৰু এদিন গৈছে। দোন এটাৰ মান ডাৱৰ দিছিল। গুৰুজনে বোলে বৰাপো, মেঘখানি দিছে, কুচিত (কুৎচিত) খৰকৈ ব'লা। ছোট আতা বোলে কালি তেতখানিও একো নহ'ল, সি কি কৰিব বাপ? গুৰু বোলে নহয়, ই কুচিত মেঘ। পাছে তৎকালে আনিলে বৃষ্টি। সবেও বেগাবেগীকৈ গৈছে। আগৰ সব নিতিতাকৈ সোমালগৈ, মাজৰ সব কিছু ভিজিল, পাছৰ সব গোটে জলবোৱা হ'ল। গৈ আলিপোন নগৰতে এক ক্ষত্ৰিয়ৰ গৃহে সোমাই ভিৰাইছে। তাৰ মুখতে শিলৰ খুটাটো লগাইছে। তাতে শ্ৰীশঙ্কৰদেউ আউজি মাথা সৈতে বস্ত্ৰ পৰিধানকৈ ভিতৰতে মালা জাপ্য কৰি সেই পোনে সিখান গৃহৰ দ্বাৰ মুখে বহি। সেই গৃহস্থৰ স্ত্ৰীটে একেঠাবে চাই আছে। দেখি ভক্তে বোলে গুৰুজন দিব্য ৰূপ দেখি খোভিত হয় নাগৰী নাৰী। তেহে বৃষ্টি এৰিলে। তেনেতে কল্যাণীপুৰে এক সদাগৰে চলিছে, একলোকে বাৰ্ত্তা কলে। সেই স্ত্ৰীএ বোলে নৰ্ত্তী নে ধৰ্ম্মী। পাছে আতে সবে সুধিলে বোলে হৰি জী, কি চিন প্ৰমাণ পাপ, পুণ্য, ধৰ্ম্ম, নৰকৰ? বোলে বাম, অহিতে চিন, ৰিহে পুণ্যৱন্ত, উৰ্দ্ধগতি, ধৰ্ম্ম, কৰ্ম্ম,

দিয়া, খুৱা, আতে শুশ্ৰূষা লব্ধিত, অন্তকালেও ৰাম নাম শ্ৰুত হৈ বৈকুণ্ঠ স্বৰ্গে বাসা হয় তাৰ। শুনি দেশ ৰায়তে প্ৰশংসা কৰে। যাৰা হে শৰীৰে মল পাপ, অধে গতি, সদায় কুকথা, কটুৰ নিঠুৰৰ, হিংসা দ্বেষ, চোৰ, পৈশুন্য, দম্ভ, গৰ্ব্ব, অহঙ্কাৰ দিন, আয়ু যায়, অন্তকালেও অমাত কুবাক্য ৰতি মৰি নৰকে ভুঞ্জি সংসাৰত আয়াযাতকৈ ফুৰে, গৰ্ভবাসে যোনি চেপা খাই। শুনি নিন্দা কৰে। এয়ে চিণ প্ৰমাণ। তেহে মহাপুৰুষ গুৰু প্ৰশংসাকৈ বোলে সজ কৈছে, কথাই হয়। তেহে বৃষ্টি এবাল। বোলে ৰৰাপো, বলা। পাছে সেই স্ত্ৰীএ পাঁচ টকা, বস্ত্ৰ এযুৰি দি সেৱা কৰিলে। বোলে তোম্ৰা পূৰ্ণব্ৰহ্ম দৈৱকী সুত গোকুলৰ কানাই, আমি কেনেকৈ ৰাখিম খালি গৃহত? আপুনি বা ব'ৰ কিয়? এই বুলি অনেক স্তুতি কাতৰ কৈ পঠালে। গুলাই গুৰুজনে নাম কাঢ়ি বোলে আই, তুমিহে জানিলা মহাতত্বক।

আৰু একদিনা গৈ গোপীনাথে চৈতন্য গোসাঁইৰ ঘাৰে থিত হৈছে। গুৰুজনে আগে কৈছে বোলে চৈতন্যক সেৱা নকৰিবাইঁক, কৰিলে ভেওঁ কৰে, লৰলৈ টান। শিষ্য সবে জনালেগৈ বোলে পূব দেশৰ্ত্তে শঙ্কৰ নামে গোসাঁই ঘাৰে খাৰা হৈ ৰহিছে, খৰৰদাৰ আজ্ঞা মহাৰাজ। শুনি কৃষ্ণ চৈতন্য গোসাঁই আথে বেথে আগ বাঢ়ি মঠতে আছিল। দেখি গুৰুজনো ভক্তে সমে কিছু আগবাঢ়ি গৈছে। তেহে চৈতন্য ককৰা মাতিছে—বোলে আহিছা হৰিপো, কি বুলি কাঢ়িলা বাও। সংসাৰ জুৰি গুৰু ৰহিছে, ক'ত দি আহিছা পাও। পাছে গুৰুজন ব'জ খৰকা খাই ছোট আতাৰ মুখলৈ চাই, বোলে ৰৰাপো, ঘাৰ নলাৰি। পাছে ছোট আতা মাতিছে—হৰিৰ আজ্ঞাত

চৈতন্যৰ লগত সাক্ষাত

আহিছোঁ গোসাঁই, পৃথিবীত দি পাও। হৃদয়ৰ মাঝে গুৰু আছে, আত্মা বিচাৰি চাওঁ। আকৌ চৈতন্য মাতিছে—শুদ্ধ সত্ত্ব মাথা গোট থাকে উপৰত।

কি কাৰণে পৰি সেৱা কৰে চৰণত ?”

ছোট আতা বোলে—কোনজনে সেৱা কৰে কোন জনে লয়।

ইয়াৰ গুহ্য কথা মহন্তেসে কয় ॥”

তেহে চৈতন্য গোসাঁই কমণ্ডলুৰ জল বাকিলে উচ্ছৃতে দ খালত বৈ ব'লগৈ। দুওজনা দুইকে চাই প্ৰেমৰহস্য ভক্তিৰ, ভাও বুঝি প্ৰেম জৰি লোতক বহি গল। মাথা চপৰাই নত্ৰে নমস্কাৰ কৈ গ'ল দৌলে সোমাই। ভক্তে সমে গুৰুজনো গৈছে।

আক এদিন কবিৰাৰ ভেটি পাই বোলে কবিৰৰ কোন আছে? বোলে নাতিনিয়েক এটি আছে। তেওঁ আহি সেৱা কৰিছেহি। বোলে গোসাঁই ভিটা ক'ত? দেখালে, চালে। কবিৰৰ পাগটি দিলেনি। বোলে এভগীয়া খসম নাইকিয়া গৃহে, আতে পাও দি যক। ৰাম ৰাম গুৰুক বোলে তুমি দিয়া। বোলে বাপ, কিয় দিম? তেহে গুৰুজন বৃদ্ধ আঙুঠি দিছে, দি গৈছে। পথে আতৈ সবে বোলে কবিৰ দহোঁ যবন বুলি শুনোঁ, কিয় সোমাল, কি অন্যায়? বোলে কবিৰ গোসাঁই ঈশ্বৰ অৱতাৰ, বিৰাট ব্ৰহ্মৰ অংশে আহিছে। আদি জন্মে এক ব্ৰাহ্মণৰ বিধৱা ঈশ্বৰক চিন্তিলে কতো কাল। দেখা দি, বোলে কি বৰ লাগে লৱা। মোহ হৈ কৃষ্ণৰ ৰূপত বোলে তোমা সম এটি পুত্ৰ হক। হৰি বোলে মোৰ সম কোন আছে? মনহে হব লাগিল। তুমি বিধবাত হলে নিশ্চিত মোৰক, গণ্ডকী হোৱাগৈ শালগ্ৰামৰূপে জন্মিম তাতে মুই। তুলসীৰূপে গৈ বাসনা কৰ্ম নাৰি। ইয়াৰ তেজে আমি মন

কবিৰৰ ভেট দৰ্শন

কবিৰৰ পৰিচয় দান

ৰিয়্ৱা হৈছি। বৃদ্ধ পিতৃ আছে, মাতৃ বিহীন হ'য় ৰিয়্ৱাৰ শিৱ স্নানে পাঁচদিন উপাসে থকাত ৰিপ্ৰে আখ্যে হুৰুন্ত মন্দাকৈ দিওঁতে ঘৰ্ম্মবিন্দু পৈল। সেএ গৰ্ভে থিত হৈ বিৰাট অংশে পাঁচ মাহে বাজ হ'ল। দেখি বাপে জীএ বিগ্ৰুতি হৈ নিশাই নি জোলা এক যৱনৰ বাৰীচুকত এৰি আহিলগৈ। অপুত্ৰক জোলা পাই পৰম শ্ৰদ্ধাৰে তুলিলে। পাঁচ বৰ্ষতে তাৰ অন্ন জল এৰি মহাসদাচাৰী, বৈৰাগী, বিৰক্ত হৈ ফুৰে। তেহে সবে যৱনে পাৎসাত খল দিলে, আমাৰ ছৱাই বাচে, ঘিনায়, বুলি। পাছে ধৰাই নি বোলে মোৰ লগে ভাত খাব লাগে আজি। বোলে তোম্ৰা ৰাজা, ঈশ্বৰৰ বিভূতি অৱতাৰ, মই সামান্য প্ৰাণী। কিয় খাম? বোলে হক, মই দোষ এৰিছোঁ। বোলে নপাৰি খাব। বোলে শাস্তি কৈ কটাম, কি উত্তম ওলাইছ? বোলে ৰাক দণ্ডি কৈ মাৰা যে খাওঁ। তেও আমি সামান্য, তোম্ৰা উত্তম ৰাজা, একালে তুমি খৱা, এই কালে মই খাওঁ। এই বুলি অৱতে আঙুলিৰে আঁক দিলে। পাছে সুবৰ্ণৰ মাইহাজ ঠাত্ কৰে ছুকাল হ'ল আঁকৰ পোনেই। ৰাজা দেখি ভয়, আশ্চৰ্য্য হৈ অনেক সন্মান, নমস্কাৰ কৈ পঠাই দিলে।

আক চৈতন্য গোসাঁই পালক বিষ্ণুৰ অংশ। কৰিয়া বিৰাটে সৈতে পৰমাৰ্থ বস্তু লভিছিল। কৰিয়া চলিলন্ত নিশা চৈতন্যে সৈ কাষে বৈ সাগৰ বালাত নি সুহুৱাৰ কৈলে। দুৰৈ, ধনুৱা দেখি পাতচাত খল দিলে। ৰাজা ভনি বাজি বোলে দেশ অধৰ্ম হ'ল, ব্ৰাহ্মণে যৱনক চোঁএ। বান্ধি কৈ পিয়াদা দিলে বোলে, যদি স্নান এতিক্ষণে নি ভুঞ্জিছে। বোলে আমি ষান কৰিবলৈ আনিলোঁ। আজি নিশা মহানন্দা তীৰে এখজন ৰাতি [illegible] পাই তাতে দিলা

গৈ বালাত পুতি থৈছো হয়। বোলে দেখাব পাৰিবা? বোলে কিয় মহাৰাজ? সুচকক বোলে তই পোতা ঠাই নেদেখিছ? বোলে কিয়? তেহে দূত দিছে, দেখাইছেনি। চৈতন্য গোসাএ বোলে আতে পুতিছো। সি দুষ্টেও বোলে হয়। খান্দি চায়, জাতি চন্দন, গন্ধে মলমলাব ধৈলে দশোদিশে। সেই মুখে দেখা ৰাজাত কলেহি দূতে বোলে জিজ্ঞাস নকৰা হলে ব্ৰাহ্মণ মহন্তক অকাৰ্য্যত দণ্ড কৰা হ'ল হতে দুষ্টৰ কথাবে। এই বুলি তাক ফাহি দিয়ালে। চৈতন্য গোসাইক অনেক টকা বস্ত্ৰ দি সম্মান প্ৰাৰ্থনা কৈ পঠালে। এই মতে নিতে হৰি কথাতে দিন যায়, ভু-কে নপায় যায় বুলিএ।

একদিনা ৰ'ল বিনাইগঞ্জৰ কাখে বটৰ তলে বাসা কৈ। তাতে বৌ বাহণে গঙ্গা আহি স্বপ্নত দিব্যৰূপে দেখা দি আগ বঢ়াই সেৱা কৰিছেহি। তাৰ পৰা গৈ নেলাই হাটে বহি, চাৰি বাটৰ মূৰ তাতে, বৃন্দাবনলৈও, জগন্নাথলকু, সেতুখণ্ডলকু, গঙ্গালকু। মহাপুৰুষ গুৰু সুধিছে, সবাতে বোলে কলৈ যোৱাইক আগে? গঙ্গালৈ যোৱানে, বৃন্দাবনলকে; সেতুমণ্ডলকে নে জগন্নাথলকে? পাছে ৰাএ বোলে দদা, আহিছো বৃন্দাবনলকে যাওঁ আগেই। সকলো বোলে হয় বাপ। ছোট আতা মতা নাই। বোলে আমিহে কৈছো হয়, সক আতা নমাতে দহোঁ? গুৰুজনে বোলে হয়, ৰবাপো দেখোঁ নমাতা? বোলে বাপ, আমি হলে যাব নপাৰিম। সবেও বোলে কিয়? বোলে বাপ, তোমা যিৰূপে যেনেকৈ কোৱা গৈছে এতিয়া গৈ তেনে ৰূপ গুণ নেদেখিম, হেয় ভাব হব, আৰু থৰ্চ্চাও নাই। ৰাএ বোলে আমি দিম। বোলে বাপ, কিহেৰে সুজিম? গুৰু বোলে জানিছা ৰবাপো, এ বৃন্দাবনত ৰূপ সনাতনে এক

বিনাইগঞ্জ

শৰণ ধৰ্ম্ম প্ৰকাশ কৰিছে বুলি শুনিছো। আমাৰে সৈতে একে হয়, নহয় চাওঁগৈ বোলাইক। বোলে বাপ, এনে হলে এটা খোজো নকাঢ়ো। যাবা 'সবৰ সংশয় আছে বৃন্দাবন দাসৰ দেখি পতিয়াৰলে সেই সব যাক।' যদি আছে একে, তেহে মানিম, নহয় যদি এৰিম, এনেহে হ'ল, আমি হলে নযাওঁ, নযাইবো। পাছে গুৰুজনে বোলে আমাৰ জান কাণ্ডাৰী ৰৰাপো হে, ৰৰাপো নগ'লে আমি যাব নপাৰো। তেহে তাৰে পৰা দক্ষিণ দিশে গৈ দোলামাৰি ঘাটে পাৰ্য্যা উত্তৰি জিয়াগঞ্জে গঙ্গা, স্নান, দান, পান, কৰি মুখচোৰা ৰাজে বহি কাটুৰা গঙ্গা পাৰ হৈ গ'ল। ৰাম ৰাম গুৰুৱে বোলে গয়ালৈ নো কেনি যায়? গুৰুজনে বোলে ৰ'ল গয়াৰ পথ। আৰা নশুনিলে। আকৌ সুধিলে বোলে তুতে থাকিল সি পন্থ, পুনু তাকে সোধেহে। পাছে গুৰুজনে গীত কৰিছে, বোলে হয় তুমি উজাইছা, সোজা পথ পোৱা নাই। "ওজা সোজা" গীতটি কৰিছে সেই বেলাত। সকলো বোলে সাগৰ কিনাৰেই জগন্নাথলৈকে যাওঁ বাপ। তেহে তীৰে তীৰে গৈছে। দেখালে সেই ৰুক্মিণী-দেবীৰ ৰত্নৰ মন্দিৰ ঘাটি সমে, যাক মধুসূদনে ক্ষণেকো সেৰিছিল। তেহে সবেও চাই দেখে গুৰুজন তাতে আছে। অ'তো চাই দেখে আতো আছে। আশ্চৰ্য্য অদ্ভুত হ'ল। তেহে সৈ সেই দিনা তুলসীচৰাতে বৈছে। পুৰা আঠাৰে নলা চাৰি গৈ, পুৰিত প্ৰবেশ হৈ সিংহদ্বাৰতে থিত হৈছে। সোমাই যাওঁতে পাণ্ডা বোলে কোৰ লব লাগে একটি পা-পতি। তেহে ছোট আত্তা খোৱা মাতিছে,

দোলামাৰিঘাট জিয়াগঞ্জ

গীত ৰচনা

ৰুক্মিণী মন্দিৰ

পুৰি প্ৰবেশ

"হৰিৰ পুৰুষ যাৰে বেত্ৰৰ-প্ৰহাৰযোগ্য
ব্ৰহ্মা ইন্দ্ৰ আদি দেৱ-বাক।

—হেৰুৱা [illegible] বেত্ৰ প্ৰহাৰ পাইবাৰ যোগ্য,
হও আমি কেমন বৰাক ॥"

পাছে গৈ নাট মন্দিৰতে বহিছন্ত। আৰু মহন্ত সব বহিছে। কৃষ্ণ-চৈতন্য, শ্ৰীচৈতন্য, হৰিব্যাস, ৰামানন্দী, নিত্যানন্দী, শিশু জগন্নাথ, ছোট জগন্নাথ, গোঁসাঁইয়া শিশু গাবিম, বৰ গাবিমা, সৰু গাবিমা, হনুমান, জাম্বৱন্ত, উদ্ধৱ, অশ্বত্থামা, বিভীষণ, এই সব মহন্ত একত্ৰ হৈ বহিছে। আৰতি প্ৰসঙ্গ হ'ল, দাসী নচাইছে, এটাৰ কুলবিন খহিল, গুৰুজনে অল্প হাস্য কৈলে। দেখি তাৰা সবে বোলে এনে লঘু কাৰ্য্যত উত্তম লোকে ইহা নহয় সজ। গুৰু বোলে কিহত? দেখালে তাৰা সবে। বোলে আৰু আমি দেখাই নাই। বোলে কিয়নো হাস্য কৰা গ'ল? বোলে পাণ্ডা ভোগ নমাইছে ঠাকুৰৰ, উতল হাতে পৈল, এৰিলে পৰে, নেৰিলে পোৰে, উপায় নেপাই চেলেকা মাৰি থই থলে। তাতেহে হাস্য কৈলোঁ। সুধুলে দেখি। তেহে মতাই আনি সুধিলে বোলে হয়, আৰু শ্ৰেষ্ঠা নপাইছে—কৈলোঁ। মহাজন সবে বোলে পাথৰ-গৃহ অভ্যন্তৰে কথা, কিৰূপে জানিলে, দেখিলে ভবিষ্যৎ-কাৰ্য্য। আৰু ঈশ্বৰ যে সদাশিৱ সেই শঙ্কৰ, আমাৰ দণ্ডৱত প্ৰণাম। তেহে পূৰ্ব্ব শক্তি দেখি গুৰু বৰ পণ্ডা ঠাকুৰৰ বচা মানিকি মধুৰী ভোগ প্ৰসাদ দিলেদি। গুৰুজনে বোলে বৰাপো, সজ কৈ সব দিয়া [illegible] মানুহৰ ভোজন কৰিব পথুলা। পাছে বৰ পাণ্ডা বাপি বোলে তেকাদিদি, এই পুৰুষোত্তম ক্ষেত্ৰ পৃথিৱীৰ বৈকুণ্ঠ, [illegible] পূৰ্ণ [illegible] সাক্ষাত ব্ৰহ্ম হৈ আছে, আত হে [illegible] [illegible] [illegible] [illegible] বিজয় [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible]

[illegible] সময়ত [illegible] হাঁহি

দেশত প্ৰসাদত বিশ্বাস মান নহব। তেহে ভক্তে সমে গুৰুজন ওলাই আহি মাৰ্কণ্ডেয় হ্ৰদ তীৰে বাসা কৈ ৰহিছে। ছোট আতা প্ৰসাদ বান্টি দিছে, গুৰু ভক্তে সবেও লৈছে। গুৰুজনৰ অৱশেষ কিছু ৰ'ল। ছোট আতা গামচাৰে আটিকা বান্ধি খন্তাৰ আগে আৰি থলে। দুপৰ নিশাত সুবৰ্ণৰ মাৰ্জ্জাৰী ৰূপে জগন্নাথ লৈছেহি। গুৰুজনে সাৰ পাই শুনে খুটু খুটু কৰে। বোলে ববাপো, প্ৰসাদ কিহে খায় চোৱা। ছোট আতা গীত কৰি মাতিছে,—

গীত “যাদৱ, লীলা জানব কোই।
ব্ৰহ্মা শিৱ, সুৰপতি চিন্তিতে আকুল হই॥”

প্ৰাত শৌচ শুদ্ধি হৈ সমুদ্ৰ স্নান কৈলে, ঢৌতে সাগৰ-জুলি বস্ত্ৰ দি সেৱা কৈলে। নিত্যকৰ্ম্ম কৰি জগন্নাথৰ পুৰি দৌল সোমালগৈ। নাটমন্দিৰ দ্বাৰতে ধৰি ছোট আতা

গীত গীত কৰিছৈগৈ,—

“মোকে দেখিও না কেনে আহে জগন্নাথ
মই বৰ পাপেৰ পাপী—।
সংসাৰ কূপত পৰিয়া তোমাৰ
চৰণে নধৰোঁ চাপি॥”

আক জগন্নাথৰ জগমোহন চৰাই নাটমন্দিৰ গৈ মোহন মন্দিৰ পৰাহে দৰশন হ'ল। শ্ৰীমন্দিৰ নোলোমাল। আক কতো মুখে কয় সাগৰে আহি ঘমতে সাগৰজুলি বস্ত্ৰ দি গুৰুজনক সেৱা কৰিছেহি। আক পূৰ্ব্বে ইন্দ্ৰদ্যুম্নে একোটি শালগ্ৰাম লক্ষ্মী-নাৰায়ণ পুতি দৌল কৈলে। সমুখে যাওঁতে পুণ্য ঊৰ্দ্ধ—পাছ দি অহাত পাপ অধঃ। আনে দু দেখায় আক। এতেকে গুৰুজন নোলোৱাল। শ্বেত গঙ্গা, মাৰ্কণ্ডেয়, ইন্দ্ৰদ্যুম্ন, চন্দন সৰোবৰ, লোকনাথ, এই পঞ্চতীৰ্থ-স্নান কৰি, উত্তৰাৰ্ক দক্ষিণাৰ্ক মিলা জগন্নাথ দৰ্শন হৈছে। আৰ

পাছত ঘুমুহা ধাৰী দ্বাৰকানাথ, বংশীধাৰী, নৃসিংহ, ঈশ্বৰ, বলি, প্ৰহ্লাদ, যম, শিৱ, ব্ৰহ্মা, হনুমন্ত, ৰাম, লক্ষ্মণ, জাম্বৱন্ত, লক্ষ্মী-সৰস্বতী, বিমলা স্বৰ্গদ্বাৰ, বটগোবিন্দ মৎস্যমাধৱ, চন্দ্ৰ, সূৰ্য্য, বায়ু, উগ্ৰসেন,—বসুদেউ, দৈৱকী, নন্দ—যশোদা, ৰাধাকৃষ্ণ এই সবকে মুখ্যকৈ আনো-অসংখ্য ওৰেষাৰ তীৰ্থক্ষেত্ৰ মূৰ্ত্তি সবাকে মহাপুৰুষ স্নান, দান, দৰশন, পৰশন, দেখাই কৰালে। পাছে বৰ বৰ মুখ্য পাণ্ডা গুৰুজনৰ ঈশ্বৰ শক্তি দেখি গুৰু বুলি শৰণ ললে। শুকদন্ত, ৰাম, ৰামানন্দ, হৰি, হৰিদাস, জয়, জয়মুনি, শ্ৰীৰাম, যদু, কৃষ্ণ কাম—এই বাৰ জনে। তেহে গুৰুজনে তিনি পক্ষ বহি ঠাকুৰত বিদায় কৈ আহিছে। পাণ্ডাসবে আঠাৰে নলা চৰাত, তুলসী চৰাত, আগ বঢ়াই সেৱাকৈ গ'লহি। তাতে গুৰুজন বহি পাছ দিনা ছাতি গোপালপুৰে লখাই ছৰ্দাৰ গৃহে বৈছেহি। তাতে দুই যাত্ৰী আগে বৈছে। গুৰু বোলে তুমি কোন দেশ, কোন আচাৰ্য্য? কে ধৰ্ম্ম ধাম, কেবা তুক বাজি? মহা তেজ শক্তিএ ধৰি বোলে মহচয়, পূৰ্ব্বাপৰে কহোঁ চুনা। গৌৰেশ্বৰে দিগ্বিজয় কৰি দেশ প্ৰদক্ষিণ কৰোতে পুব দেশে এক ক্ষত্ৰিয়ৰ বাৰী গৰ্ভৱতী স্ত্ৰীতে মহ জনী ধীৰাইছে। সেৰা পোৱালীটো, কই গাছে ভৰিবে টিপা মাৰি লৰ চৰ কৰিব মুৱাবে। ৰাজা লক্ষকৈ বোলে এই স্ত্ৰীটো লৈ থক, আৰ গৰ্ভে ক্ষত্ৰি দুটা বীৰ আছে। তেহে আনি থৈছে যমজ পুত্ৰ হ'ল দিব্য সুন্দৰ, সুলক্ষণ পুৰুষ। নাম দিলে মাতৃদত্ত ৰূপসনাতন। বিষ্ণু অংশ দুই চাই দিনে যৌৱন হ'ল। ৰাজা অপুত্ৰক দেখি পৰম সন্তোষ। তেহে গৌৰেশ্বৰ ৰূপক ৰাজ্য অভিষেক কৰি কালৰ প্ৰমাণে চলিল। ৰূপ ৰাজ পালি পাঁচি মহা ক্ষত্ৰিয় ধনুৰ্দ্ধৰ-হৈ পুত্ৰকতে ৰাজ্য চলি আছে। একদিনা ৰজশালাৰকে চলি হস্তী মুলাই।

লখাই ছৰ্দাৰ

সনাতন

হুন্ন্যটোক খেদি নিছে জিকাটে। পাছে চিপাহী দিলেগৈ কাপৰু বাউলি দি চাপৰ মাৰি চিটি দিলে। উভতি বাতুল গজে খেদা মাইলে; হয়হে গজাকোণে ধৰে, নপানে তাক। পায় পায় যেন হওঁতে বোলে সাৰ ভাই সাৰ, এই বাৰেহে বাৰ। পাছে সাৰিব মুৰাইলে, ঘোৰাই সহিতে ৰাহুত মাইলে। পাছত ৰাজা সুধিলে বোলে মৰা সমঅ মাহুতে কি বুইলে? মন্ত্ৰীএ বোলে মহাৰাজ, চিপাহী মাউত দুই ভাতৃ, হস্তী গজাঙ্কুশে ৰাখিব নপাৰি, "সাৰ ভাই সাৰ, এই বাৰেহে একা বাৰ" আকে বুইলে। পূৰ্ব্বৰে অৱতাৰী অসুৰ পতি অংশে, নৰভাও এৰিবৰ চিত্ত হ'ল। ৰাজা মনে শুনি থিৰ কৰি মহাবৈৰাগ্য বিৰকতি লাগিল। বোলে সাৰ ভাই সাৰ, সাৰিব মুৰাইলে, মৰিল। ইবাৰপৰা দহোঁ জইন্ম নাই। কিহত লাগিছো, কি তুচ্চ ৰাজপদ ই। এই বুলি সবে ৰাজচিহ্ন এৰি চিৰ ছিগা জুলি কন্থা খন্থা মৈৰা লৈ নিশাই শুচি আহি বৃন্দাৱনত ঈশ্বৰক আৰাধনকৈ আছেহি। মধ্যাণ কালে ভগৱন্তে এসন্ধ্যা দেৱযোগ্য দ্ৰব্য মিলায়। তাকে লৈ আছে। ত'ত পাত্ৰ মন্ত্ৰী সৱে মিলি ৰাজাক বিচাৰকৈ নপায়। ভাতৃ সনাতনক দণ্ড পাট দি ৰাজা পাতিলে। তাৰাও মহা বিৰকত ভাএ জ্যেষ্ঠকে চিন্তি ৰাজ্য পালি আছে। বৌ-মাতৃৰে একে শয্যা শোএ, শাস্ত্ৰী ধৰ্ম্ম-ভ্ৰষ্ট হয় বুলি মাজতে বস্ত্ৰখান থয়, মনে যেন পৰ্ব্বত থান হে আছে, মানে দুইক দুই-দৃষ্টিৰেও নেদেখে। এনে ভাএ ধৰ্ম্মে প্ৰবৰ্ত্তি ৰাজ্য পালি আছে কতো দিন। তেঁহে কপে এখেৰ পৰা মাত্ৰীৰ হাতে পত্ৰিকা দি ৰাজপদ নিদি তুচ্চকৈ মাতিলে। পাই চাই মহা বিৰকত বৈৰাগ্য লগিল। গুহৰি কথাকৈ সুবুদ্ধতাকে বলি বুলাই, ৰজ পাট এৰি বৌএকক লৈ নিশাই শুচি [illegible] লৈ ছিকাৰি কতো দিনে [illegible] কলক, পৰি [illegible] [illegible]

কৈলে। বোলে সনাতন আছিলিনে পা? বোলে দদা, আপুনাৰ প্ৰসাদেসে কৰ্ম্মবন্ধ ছিঙি আনিছে।" "এই শ্ৰীটো আনিলি কিয়? বোলে আপনাকে কায়, বাক্যে মনে চিন্তি আছে। পতিব্ৰতা নাৰী এৰিলে দোষ হয় বুলিহে অনা গৈছে। আৰু শাস্ত্ৰনীতি—মাতৃক পুত্ৰে অনাথকৈ এৰিব নপাঞ। বোলে বাৰু বাপু, ভগৱন্তক চিন্তা আন আশা নকৰি হৰি গুণ লগাই সাৰিবৰ মন কৰা তুইও বাৰু। পাছে আছে দিনা চাৰি, আহাৰ নিমিলে। বোলে সনাতন, কিবা আছেনে তোমাৰ হাতে? দহোঁ ভোগ ঈশ্বৰে নিম্মিলায় আগৰ দৰে? বোলে দদা, এ এশ সোণা বন্ধি কথাত আনিছোঁ। বোলে ভালেহে। উলিয়াই ভঙ্গাই ৰব সাতদিন সাতনিশা ভওৰা ফলাহাৰ পাতিলে। অনেক ব্ৰাহ্মণ, বৈষ্ণৱ, বৈৰাগী, যাত্ৰী, সন্ন্যাসী, যোগী, যতী, ব্ৰহ্মচাৰী, দণ্ডী, বানথ আশ্ৰমী, দুগ্ধ, চিৰা, চেনী, ঘৃত, মধু, মণ্ডা, মনোহৰা, বাতাচা, জেলপি, ফেণী, লুচি, পুৰি, জিলৈ, আতা, মোদক, ইখু, আথৈ, জবা, পুৰা, খাই আগাৰ কৰিব দুৱাইলে। অনেক সহস্ৰ সংখ্যাত লোকে দি অৰজৰ হৈ এক শৰণ ধৰ্ম্ম প্ৰবৰ্ত্তি-প্ৰবৰ্ত্তাই আছে বৃন্দাবনত।—আৰু এ চলা খলা খোপা শিলাত শয়ন কৰে হৰিক চিন্তি। সনাতনে দেখি শিলাকুটি আনি নিৰজ কৈলে নিদ্ৰা আহি সুখি হবাল। বিচাৰ কৈ ফুকতে অনেক শিশু সবে কোবায় তাতে ব্যক্ত হৈছে পুনৰ। অনুক্ৰমে দেহ-যোগ আহাৰ মিলি আছে। তাবাবে আমি দাস তাপীন হঞ। গুৰুজনে বোলে এক শৰণীয়া লোকৰ এনে বেশ হব কথায় দহোঁ? বোলে বাপ, চাউল কাপলেপেশ কৈ দেন। অৱশ যোগে শৰণাৰ্থ হৈ চালে এক আছিল। পাছে অনন্তক সংকৃত্য দি তুতি কৈ লেখা-টৈলে। তাৰে লোক ভাঙি আঞাৰ পটিলৰ বৃন্দাবন হোট আজা যোবা কৰিছে—

"নোহো জানা আমি চাৰি জাতি,
চাৰিও আশ্ৰমী নোহো আতি,
নোহো ধৰ্ম্মশীল তীৰ্থ ব্ৰতঅৱগামী।
কিন্তু পূৰ্ণানন্দ সমুদ্ৰৰ,
গোপী-ভৰ্ত্তা পদ কমলৰ,
দাসৰো দাসৰো তান দাস ভৈলোঁ আমি ॥"

কটক তৈৰ পৰা আহি কটক নগৰত ৰ'লহি। ছোট আতাৰ হাতে এটি টকা দিলে খৰ্চ্চা কৈ সিধা আনিবলৈ। গৈ বজাৰত বটৰ তলে মেৰিত খেলী বৰপসাৰীক দিলেনি। টকাটি চাই পসাৰীএ বোলে দেখো গোকুলৰ কানাই চিহ্নী টকা। নিয়া যাওক, ইয়াৰ আমি খৰ্চ্চা দিম। টকাৰ জোখে বস্তু দিলে। আৰু এটি টকা দিছে কালৈ সিধা, ভাজি দিব দিছে। আনি বাটি দিলে ছোট আতা, ভোজন কৰিলে সবেও। গুৰুজনৰ, ছোট আতা ঠাই, চৌকা, খৰি, পাণী, পাত, জুই, শাক, সবাকে ধুতিএ কৰি ভোজন কৰাই পাত, চুৱা, গুচাই বিচনাকৈ শুৱাই তৈল টেক্সা দি পাও জাস্তে, নিদ্ৰা আহে, তেহে সেৱাকৈ যায়। সেই মতে শ্ৰীৰাম আতা সকলোখানি কৰি থৈ থাকে। গৈ চাউল সিজাই ছুওকনা খায়, শোৱা ঠাই গুছকৈ পাও জাস্তে, নিদ্ৰা আহে। তেহে শ্ৰীৰাম আতা শয়ন কৰেগৈ। নিশা তিনি পৰ থকা বাঢ়েগৈছে। আন সব ছুমুতি, এঘুমতি শুই সাৰ পায়। এই মতে নিতে অনাৰবে পৰা ছও মাহে গুৰুজনৰ ছোট আতা তাবাৰ শ্ৰীৰাম আতা পৰিচৰ্য্যা কৃত্য সেৱা কৰে। সেই দিনা পাও মাৰ্জ্জোতে ছোট আতাত সুধিলে বোলে ৰবাপো, আজি কঁথ চাউল আনিলাগৈ? বোলে বাপ, টকাটি দি দিয়া থৈছিল, খেলী বৰ-পসাৰী বোলে ছছ, তেওঁকে

দিলে গৈ। তাৰা চাই বোলে দহোঁ গোকুলৰ কানাইৰ এই টকা বুলি ওভটাই দিলে। টকাৰ জোখে খৰ্চ্চা দি পঠালে গুদাই। পাছে গুৰুজনে বোলে বুঢ়ীএ কি কাম কৰিলে, গোটে নিসিজিবলৈ নথাকিল আৰু। বোলে আমি পৃথিবীৰ ধূলা, হিমৰ কণিকা বৃষ্টিৰ ধাৰা, সাগৰৰ বালা সবাকে গণিব পাৰো, শত সহস্ৰ ব্ৰাহ্মণ সুবৰ্ণ দানত যি ফল হয়, তাকো কৰ পাবোঁ, তেও বুঢ়ীএ চাউল কঠি দিছে তোম্ৰা সবে গৈ হৰিগুণ গাইছা, আটকত শ্ৰদ্ধাবে, বুৰী নো কত ভাগ্য ফল হব কবই মুৰাবোঁ। আৰু হোৱা, আধ্যন্তক দান দক্ষিণা ভোজন কৰালে ভৰণ কলহত জল ভৰা ক্ৰম, সাগৰত বৰষী টোপোৱা দৰে, পাৰৰ-গাজ বহু কালেহে গাজ ধৰে, দুখী দৰিদ্ৰক, ভক্তক, দান দখিণা দিলে থলে একা আকাল আটকত এগুণে দুগুণৰ সম ফল গাঠিত গজে, চেঙ্গাৰ গাতৰ টোপ দিলে ধৰে, গাজে। তাৰ পৰা গৈ মহানন্দা পাৰহৈ বৈতৰণী জাহাদপুৰত বৈছে। আনথন জনমুৰী কৰি তুলি নি ছোট আতা বেসাটি কৰি আনি সবাকে ভগাই দিএ। এটি টকাৰ কৰি চাবি কাঞ্চনে কুলায়। চাউল, লোন, তৈল, পতিলা লাকুৰি তৰকাৰি, একালি, বাস্তুকি, হৰিদ্ৰা গুৱা, গুৱা চকাবি সবাকে এ সন্ধ্যা জোৰে। গুৰুজনে ধেলী পসাৰীক প্ৰশংসা কৰিবৰ শুনি আতৈ সবে জনমুৰী সিধাৰ বাবে একোটি টকা ভাজি একো সন্ধ্যা লেখা দেখিকৈ দিছে। আনথন কৰি তোলাত হকা হলা লাগে কিছু। সেই দিনা ধনঞ্জয়, সঞ্জয় দুজনে দিলে টকা নিজ জানে। ছোট আতা আনি তাসকৈ দিলে, ভোজন কৈলে। গুৰুজনে সুধিছে বোলে বাপো, কবি তুলিবৰ আজি দহো সাৰ নাপালোঁ, কহলো খৰ্চ্চা কৈ দিবা আনিলা? বোলে বাপ, আপুনি ধেলী পসাৰীক

মহানন্দা
জাহাদপুৰ

প্ৰশংসা কৰিবৰ শুনি গা পতি একোটি টকা দি নিতে সেৱা ধৰিছে আতৈ সবে। আজি সম্ভয় ধ্বজএ দিছে। তেহে গুৰুজনে এক আহিতুলি দৃষ্টান্ত দিছে। এক ৰাজা মৃগয়া কৰিবলৈ গ'ল অৰণ্যত। ৰ'দে তাপে তৃষা খুধা আৰ্ত্ত হ'ল। নদী, পুখুৰী, বিল একো নাই, জল নপাই ৰাজা প্ৰজা বিকল হৈ বিচাৰি এটা মহখুলি পাই তাৰে জল খাই ৰাজা প্ৰজা ৰইখা পালে। পাছে ৰাজা মন্ত্ৰীক আদেশ কৈলে, এটি আতে পুখুৰী খনা। বকৰা গৈ খনালে, হ'ল। তেহে ৰাজা উছৰ্গা কৰিবলৈ গ'ল। পুৰোহিতে বেদ মেলি সঙ্কল্পলৈ দেখে বটাত ধৰে; পুনু চায় কোহ্রুতে খৈলে; আকৌ চালে কৰত ধৰে; লুটিয়াই চাই দেখে মৰাত উঠে; পুনৰ চায়, বৰাত; তুনাই চায়, ম'হত, তুহুৰি চায় গৰুত; তাৰ পৰা চায়, হস্তীত খৈলেগৈ। তেহে ৰাজাত কলে। পুৰোহিতে বোলে, মহাৰাজ, এনে আশ্চৰ্য্য দেখা নাই। বটা, কোৰা, মৰা, কৈৰা, মহ, বৰা, গৰু, হস্তী এই সভবহু সঙ্কল্প ধৰে, আছে। আপুনাৰ নামে ঘুৰাই পকাই চাঞ, নাছে দহোঁ, কি হুব? তেহে ৰাজা জ্যোতিষীয়া চন্দ্ৰবিপ্ৰক আনি চোৱালে। বোলে মহাৰাজ, বটা, মৰা এই সবত ধৰিব পায়। বোলে কিয়? আন পুখুৰীত যে নধৰে, মোৰনো কিয় ধৰে এতেকত? বোলে পূৰ্ব্বে তাতে বটা পৰিখুলি কৈ-খুলি ললে। তাতে কিছু জল হ'ল। তাতে কোহ্রাও পৰি দ কৈলে, ম'ৰাও পৈল, কৈৰেও খানিলে কিছু, বৰাও পৰি খুলি বঢ়ালে কিছু। মহ লেটি পৰি বাক কৈলে, গৰু তাতে ৰ'হত বৰ দ কৈলে, হস্তীএ পৈ জল খাই পৰি বৰ বহল ৰকে কৈলে। তাতেহে আপুনি জল খাই পুখুৰী খনাইছা। এতেকে মহাৰাজ, যেবে পূৰ্ব্বৰ বটাৰ পৰা সংকল্প ধৰে, বটাৰো কিছু আগোনাৰো

অৰ্দ্ধে-ধৰ্ম্ম হব। পাছে কৰিলে উছৰ্গা, দান দখিণা। এতিয়াও জানা আতৈ সব, খেলীক দেখি যি দিছা সিকঠিৰ লগ সম কিয় হবং? তেও কিছু হব, দিয়াহঁক। পাছে তাৰ পৰা আজি বালেচৰ বন্দৰে বুঢ়া নদী তীৰে ৰ'লহি। সন্ধ্যা লাগি হাট শুনে, উঠিল। ছোট আতা জন চাৰি ভক্তলৈ গাঞ সোমাই গৈ, একবুৰীএ কান্দিছে বিনাই। তালকে গৈ বোলে বুৰী, কিয় কান্দ? বোলে বুপা, কি সোধা? একেটি বেটা, সে এ গৈ চিপাহী চাকৰ হৈ ৰণে গ'ল। ভঙ্গালে বৰ্গি এ, হুমু বহুত পৰিছেও, মোৰ ভৈয়াইৰ বা কি হৈছে! তেহে ছোট আতা বোলে তোৰ বেট্টা পঞ্চিশ বৰ্ষীয়া মানে নহয়? বোলে হয়। দাঁৰি নগজা, নহয়? বোলে হয়। উজলা দন্তা নহয়? চেপেটা কৈ নহয়? বোলে হয়। বোলে হয়। ক'লা নহয়? বোলে হয়। তেনেহলে সেইটো আহিছে, ঘোৰাত উঠিএ মোটৰি কপলৈ। পাছে বুৰীএ বোলে মোক জানিবা জীউ দান হে দিলা। তোমাৰ টকা নালাগে, এনেই দিওঁ চাউল, বাপুৰ বাৰ্ত্তা ক'লা। সবাকে জোৰাকৈ ভোজন সম্ভাৰ সমগ্ৰে দিলে। আনি বাটি দিলে, ভোজনকৈহে গুৰুজনে বোলে ববাপো, ক'ত পালাগৈ চাউল, টকা দিছে কাৰ? বোলে বাপ, হাট ভাগিল, বস্তি গ'লোঁ সোমাই, এক বুঢ়ীএ দহো কান্দিছে। এই ক্ৰমে বয়স আকৃতি ক'লোঁ, এনেই দিলে টকাৰ সমল সম্পূৰ্ণে, ভাজি-বলৈ নহল টকা। বোলে ববা পো, এনে ভুককিয়াই ভাণ্ডি মিছাকৈ আনিব পায় নে? বোলে বাপ, মিছা কোৱা নাই। বোলে কাহানি তাক তুমি দেখিছা, বয়স আকৃতি যে ক'লা বুঢ়ীত? বোলে বাপ, এতিয়া এই জন্মত যদি দেখা নাই, তেও জন্মান্তৰে দেখা হৈছেহে। কলিয়া বুলি খি কলু, তোমাৰ একো শংকা ভ্ৰম কণাৰ মানে, অনাদিকাল বাসনা মনেৰে ক'ৰিছে। শক্তি নাই

বালেশ্বৰ বন্দৰ

বুঢ়ী

বুঢ়ীৰ শিখা

যি ক'লু, ভক্তি বস্তু নে পালে জীৱ স্ত্ৰীহে। উত্তৰা বুইলোঁ, তোমাৰ শুদ্ধ মত ধৰ্ম্ম পালেহে সম, ন পাই মানে স্বৰ্গ, মৰ্ত্ত্য পাতাল অনেক ব্ৰহ্মাণ্ডত উধাৰিহে ফুৰে জীৱ সংসাৰত ভ্ৰমি ৰাগবি। আৰু চেপেটা বুলি ক'লু হৰি ভক্তি হৰিগুণ নলয় মানে যোনি চেপাত আয়াযাত কৰোঁতে চেপেটা। যেতিয়া পৰম তত্ত্ব লভে তেহে জন্ম মৰণ গুচি গোটা হয়। পঞ্চিশ বৰ্ষীয়া বুলি যি কলু মহা প্ৰলয়কে সীমাকৈ পঞ্চা কোটি কল্প ভ্ৰমিবইহে হৰি ভক্তি নপায় মানে। টকাৰ কলু মোহে মোটৰি, অবিদ্যাৰ পঞ্চ পৰ্ব্বে ধন, আশা এ ৰজু, মনে ঘোঁড়া, খেদে বেগ, তিনি তাপে শোকাগ্নিত পুৰি মৰে বুৰী, তাইবো জুই মুমালোঁ। বাক্য বৃষ্টিৰে, আপুনাৰ হৰি গুণ গোৱা সেৱকৰো উপবাস গুচাই আত্মা তুষ্ট কৰা হ'ল আপুনাৰ হৃদয়ত লৈ বাপ, কোন খানি মিছা কলু আমি? গুৰু হাস্য প্ৰশংসা

বৰ্দ্ধমান — কৈ ৰ'ল। তাৰ পৰা দামোদৰ নদীৰ কিনাৰে বৰ্দ্ধমানত ৰ'লহি। তপাৰ বলোৰাম আতৈএ সিধা দিছে অনেক প্ৰকাৰে। তাৰ

কানাৰ পুখুৰ — পাঁচ দিনা কনাৰ পুখুৰীয়াত বৈছেহি। ৰাম ৰাম গুৰুএ দিছে। তৈৰ পৰা নদীয়া গোপীনাথে বৈছে। যাই আতা দিছে দুই টকা ভজাই দুসন্ধ্যা দুদ, খীৰ, দাইল, চেনী, বাৰে মহলা ঘৃত মধুএ সৈতে। তাৰ পৰা গৈ শান্তিপুৰে বৈছে, কালিৰাম

গোপীনাথ — আতৈএ দিছে। তাৰপৰা কাটুৱাত বৈছে, পৰ্ম্মানন্দ আতৈএ দিছে। তাৰ পৰা গৈ গঙ্গা তৃপিনি মুখে স্নান, দান, দক্ষিণা

শান্তিপুৰ — দিছে ব্ৰাহ্মণ বৈষ্ণৱক সাদিন বাচ কৰিছে। দৈৱজ্ঞ নাৰায়ণ,

কাটুৱা — মিশ্ৰবৈনাৰায়ণ, বলোভদ্ৰ, জটিৰাম, গোবিন্দ, গোপাল, মুকুন্দ এই সাতজনে সাত টকা ভাজি সাত বোজ ধৰিছে। তাৰ পৰা

কাচিম ঘাট — কাচিমঘাটে বৈছে, তাতে আঢ়ে আতৈএ দিছে তেৰ টকা ভাজি ভজিৰে, তাৰ পৰা মুচোৱাবাদে বৈছেহি। তাতে নক বলোৰাম

মুচোৱাবাদ — আতৈএ দিছে সাত সিকা ভাজি। পাছ দিনা ফিৰাইছে, তাতে

গোকুলচান্দে সাতকুৰীয়া নাৰায়ণ আতৈএ দুও দহ মহা খৰ্চ্চা কৈ ''লি পুৰা দিছে। তাতে বৃন্দাবনৰ যাত্ৰী সুশয়া প্ৰাতচ কালে ৰাধা কৃষ্ণৰ বৰ্ন্নন আৰতি তত্ব গাইছে ভট্ ভট্ কৰে। মহাপুৰুষ গুৰু শুনি বোলে বৰা পো, লোক'ৰ ভাটে দেখোঁ ভট্-ভটাইছে, আমাৰ ভাটে নো কি কৰা যায়? মূল ৰাখিব পাইলে সজ। পাছে শ্ৰীমাধদেউ পুৰুষে গুৰু বাক্য শিৰে ধৰি প্ৰাতঃ সমএ ভটিমা টোটয় কৰিছে। তাৰে পঁৰা গৈ গঙ্গাৰ তীৰে জঙ্গিনপুৰে ৰহিছন্ত। তাতো বুঢ়া দৈৱজ্ঞে দিছে। তাতে গোকুলৰ বৈৰাগী যাত্ৰী বৈছে। বিহান কালে গাইছিল, ভাষা মাতে বঙ্গালী কৃষ্ণ বলভদ্ৰৰ চৰিত্ৰ,—"যমুনাৰ তীৰে তীৰে যদুৰাই। ব্ৰহ্মাণ্ডৰ ঈশ্বৰে ধেনু চৰায়।" তিনি চাৰিজনেও একত্ৰ হৈ গাইছে ঝুত্ ঝুত্ কৰে, বেচ শুনি। গুৰুজনে শুনি পৰম সন্তোষ হ'ল। বোলে বৰাপো, মূল ৰাখিব পাৰিলে, পূৰ্ণৰ খেলা সজ গাইছে। তেহে ছোট আতা গীত কৰিছে 'কামদ' ৰাগ দি—"আজু গোপীনাথ পেখলো আখি

যমুনাৰ তীৰে ফিৰে ধেনু ৰাখি॥"

মুখ্য, মুখ্য, এই থকা ঠাই, আৰ মাজত কত বৈছে। ছমাহত ন কুৰি দিনত, ছকুৰিজন ভক্তে অনেক ঠাইত দিছে অহাত বৈছে, কোনেকৈ অন্ত পাব—কৰিব আগপাছ বঢ়া টুটাৰ।

ভটিমা টোটয় ৰচনা

জঙ্গিনপুৰ

গীত—

চন্দাগঞ্জ

তাৰ পৰা ভগনগোলাত বৈ ভক্তিপুৰ ঘাটে পদ্মা পাৰহৈ পুখুৰীয়াগঞ্জে ৰহিছে। তাৰপৰা জাহ্নবী তীৰে গৈ স্নান পান ভোজনকৈ বৈছে। তাৰপৰা খাজুৰপুৰে ৰহিছে। তাৰপৰা কালিন্দ্ৰী গঙ্গা স্নানকৈ চন্দাগঞ্জে ৰহিছে। তাৰ পৰাহে চিলিমপুৰে বৈছেগৈ। তাৰ পৰা মোহনা গঙ্গা তীৰে বৈছেহি। তাৰ [illegible] আহি পুৰতৰা [illegible] [illegible] বিনাজপুৰে বৈছে। তাৰ পাছ দিনা কৰতীয়া গঙ্গা [illegible] গোবিন্দ [illegible] ৰহিছে। তাতে [illegible] [illegible] এ: [illegible] [illegible] দৈ

চিলিমপুৰ

[illegible]

এন্তাও, চেনী এমলা কলা এক আখা ৰৰচকত সানি খাইছে।
ঘোৰাঘাট
গুৰুজনে দেখি বোলে ৰবাপো তোৰা চো, আমাৰ সবাকে কুলায়, কিয় অত খায়? বোলে বাপ, পাপময় দেহা তাৰেহে ভাৰী সেৱক বস্তুৰ নাম বাসা হৃদিত ক'ত খাব সংসাৰ পুৰা নিশা পেট ফিস্কি দেহ যায় বুলি গেৰিয়াইছে। গুৰুজনে বোলে ৰবাৰপো, কিবা উপায় আছে যে দিয়া, প্ৰাণী ৰক্ষা পক। তেহে ছোট আতা পান ৰসকৈ খালোন খুৱাই দিলে। উদৰ চলি জাহ গৈ সকাহ পায় পুৰা শৰণ লৈছে নেৰি। তাৰ পৰা আহি কিস্তা গঙ্গা উত্তৰি তাৰ কাখে মস্ত বাজাৰ বাৰী ঘোৰাঘাটে। কৃষ্ণৰ গৃহচিচাৰ তাতে ৰহিছে সেৱা
সিঙ্গিয়াগঞ্জ
সৎকাৰ কৈ। তাৰ পৰাগৈ গৌৰাঙ্গ পাৰ হৈ সিঙ্গিয়াগঞ্জে ৰৈছে, দোকান উঠিল। সেএ সীমা বেহাৰ ৰজাৰ দেশ মাটি সেই গ্ৰাম চিলাৰায়ৰ। গুৰুজনে বোলে ৰবাপো ভকতৰ আজি উপাসে হ'ল। বেহাৰ কিনাৰলৌ হাট উঠিল। বোলে বাপ, জনচাৰি ভক্ত দিয়ক। লৈ গৈছে, সিবোলাকক বোলে মই যেই বোলোঁ ধৰিবা কৰিবাহঁক। দেখে এটা কোৰ ধৰিছে, বোলে সেইটো ধৰি আনা। সি বোলে বাপ, কি হৈছে? বোলে তোৰ ঠাকুৰিয়াক দেখাই দে'। সি গৈ দেখালে, বোলে আক ধৰা, গোটাই বান্ধা, বোলে বাপহে, কিয় বান্ধিব লাগে, কি হইছে কোৱা বক। বোলে তুজনা-কৈ বাজাৰ শহৰেক বাকবানিত পাৰি আছেহি, খৰ দুৱাৰ নাই, সিধা পাতি নাই। বোলে বাপ, আমি তু নপাওঁ, তোৱা থক, আমি এতিক্ষণে সকলো নিওঁ গ'ল পাছতে। হাতে হাতে যেৰ বাঁহ লৈ নিমিষত খৰ কৰিলে। পাছে যোজ সিধা সমগ্ৰ দিলেনি। ছোট আতা আগ কৈ দিলে। ভোজন কৰি নিশা ৰহিছত।

তাৰ পৰা বিহানে লৈ কানীয়া নদী তীৰে ৰাকিপুৰ্

অনেক জাইগাকৈ সন্ন্যাসী ৰামাউত ৰহিছে। দেখি ৰাএ বোলে দদা কি পৰমহংস সন্ন্যাসী সব, ইবিলাকৰ চাতে আজি জেগাকৈ বাস কৰোঁহক। গুৰুজনে বোলে বাক তুমি কৰা, আমি নথাকোঁআত' এই বুলি বেলি মণ্ডলৰ গৃহত ৰ'লহি। তেহে ছোট আত্মা শৰণৰ ঘোষা গাই গুৰুজনক আগত থৈ প্ৰসঙ্গ কৈলে তাতে সেই মণ্ডলেও গালেহি। পাছে মহাপুৰুষ গুৰু বোলে ৰবাপো, নাম গাবৰ ছলে তাক শৰণ কৰালা। পাছে সি অনেক সাদৰ কাতৰকৈ সাৱধানে সিধা পাতি দিলে। ভোজন কৈলে। কৰি গুৰুজনে এক পুৰাণিক আৰ্হি কৈছে বোলে এক চোৰ মহা ডাকু; এক মহা নিষ্পাপ পুণ্যৱন্ত ঋষি গৈছে এক অৰাজ্য জঙ্গলত গধূলি হ'ল' ৰবৰ ঠাই নপাই উপায়, তাৰ ঘলকে গৈছে' বোলে ই বস্তুহে লব নিদিলে মাৰিব, দিলে কিছু নাই। হাবিত বলে হাতী, বাঘ, ভালুকে, দেহকে লব। এই গুণি গাম্থি ৰাতি সোমালগৈ। সি দেখি আশ্চৰ্য্য হৈ বোলে মোৰ নাঞ্চ শুনি ভয়ত ৰাতি চাৰি দিনতো পলায়, এই বামুণ যে নিশা খেদি আহিছে আৰাই ঈশ্বৰ, মনুষ্য নহয়। এই বুলি মানি পৰম শ্ৰদ্ধাকৈ একটি চাউল খুৱালে, বিচনাকৈ শুৱাই, পুৱা আগ বঢ়াই থলেনি। পাছে কালৰ প্ৰমাণে দুও চলিল। দুতে নি ধৰ্ম্ম ৰাজাক যোগালেগৈ। চিত্ৰগুপ্তক বোলে চোৱাহঁক। চাই বোলে আৰ মান পাপীএই নাই, সবে শৰীৰ পাপেহে, একটি চাউল লগাইছে পুণ্যৱন্ত বিপ্ৰক। তাৰ পুণ্যেৰে একবেলা ৰাজভোগ পাইছে। এহেজাৰ নৰ্ক মাঠি সহস্ৰ বৰ্ষ ভুঞ্জিব লাগে। তেওঁৰ চাই বোলে শৰীৰটি নিষ্পাপ পুণ্যেৰে, অতকত পাপীৰ একটি চাউল খাইছে। তাৰে দোষে এক- বেলা নৰ্ক ভুঞ্জি এহেজাৰ বৰ্ষ ভোগ আছে। তোমাৰ দেহাত নৰ্কতে বৰ্ষ বহি ৰাজত্ব কৈ মুক্তো। [illegible] কৈ [illegible]

ভণ্ডাৰ দান কৈলে অক্ষয় পুণ্য হ'ল পাপ খণ্ডি। আৰো বোলে অনেক দিন যদি পুণ্য স্বৰ্গ ভোগ এদিন নৰ্কলৈ কি আছিম, ভুঞ্জিএ একেবাৰে যাওঁ। এই বুলি ভুঞ্জি উঠি জোক জন্ম ধৰি স্বৰ্গলৈ যাবৰ হ'ল মুৰ, ব্ৰাহ্মণৰ কপিলাৰ ৰুধিৰ পিলে অনেক দিন নৰ্ক হ'ল ঋষিৰ।

পূৰ্ব্বে অনাদি শিএ, চাউল আত্মাৰ বাজকৈ স্ৰজিলে, জীৱতকৈ এদিনৰ আগে, তাকে কৃষ্ণদেএ ভাগ কৈলে সংসাৰী ভকতলৈ থাবকাত। বিপ্ৰ দামোদৰে চাউল চিবা নিয়াত চাৰিভাগকৈ তিনিভাগ এৰি এভাগ লৈ সেৱকলৈ থলে। চাৰি মুঠি জীৱ স্ৰজি আদি নিৰঞ্জনে মায়া প্ৰকৃতিৰ হাতে দিলে' তাৰ ভ্ৰমণ মুঠিকে চাৰি ভাগ কৰি নিজ অংশে ভকতক বাচি ললে। তাৰে তিনি ভাগ কৈলে, উত্তমোত্তম, উত্তম, মধ্যম, প্ৰাকৃত্য; নাম চাৰি, বেদ চাৰি, জই চাৰি, শৰণ চাৰি, যুগ চাৰি, প্ৰসঙ্গ চাৰি, ভক্তিও চাৰি বিধ, নিগু'ণা, কেৱলা, ভাগৱতী, সপ্ৰেমা। সংসাৰীবো তিনি ভাগ, অধম, নৰাধম, নৰাকাৰ। অধমে কেৱলে দোষ দেখে, তাৰ জাতি ধৰ্ম্মে, বেদেৰে প্ৰবৰ্ত্তি আয়াজাত গৰ্ভবাস নৰ্কভুঞ্জি ফুৰে সংসাৰত। নৰাধম বিধে একো বচনে তোমাক আমাক গুৰু বুলি দেহাৰ মমতত্ব আন দেউ ভজি কল্পে সীমাকৈ যাতনাতে দিন যাব নৰাকাৰ বিধে একো নৰৰ আকাৰ মাত্ৰহে, গুৰু, ভকত, বেদ, ধৰ্ম্ম, নীতি, একো নাই। পৰ্ব্বতে পাথৰে নগা, মিৰি, গাৰো, ভোট ডফলা, অকা নৰা, ৰাক্ষস, অসুৰ, দৈত্য, দানৱ ৰূপে মহা প্ৰলয়কে সীমাকৈ ভ্ৰমিব। এই তিনি ভাগলৈ তিনি মুঠি এৰিলে। এতেকে ভকতে চাউল কঠা বাছি খাব। হৰি বিমুখৰ চাউল কঠা অধলৈ টানে, সেৱকৰ চাউল কঠা-কৰ্ম্ম বড় বাসনা ছিণ্ডি উৰ্দ্ধলৈ নিএ। বোবাতে শৰণ হ'ব, চাউল কঠা বীৰ্য্য বীজ, কথা সৰবি শৰণ

কৈলে। তেহে তুপৰ চাই দণ্ড মানত বাই আতা মাতিব খৈলে আটাহ পাৰি। সেই সন্ন্যাসীএ লুটি সবে খানি ললে। শুনি গুৰু বোলে ববাপো, আমাৰ বাইক ৰাজহংসে খুটিয়াইছে হব লাগে। পাছে ছোট আতা ওলাই মাত লগালে, সিহঁতে যেন, তুশ মানৰ মাত শুনি ভাগিল। বাএ গৈ ওলাল গৈ শুদা হাতে। তাৰ পৰা আহি-সোনকোচৰ কাখে ৰলহি। তাতে উদাৰ আতৈ এটি টকা ভঙ্গাই সেৱা ধৰিছে মদাৰগঞ্জত খৰ্চ্চাকৈ। ভোজনকৈ গুৰুজনে সুধিলে বোলে ববাপো, আজি কাৰ টকা ভাঙ্গিলা ? বোলে বাপ, উদাৰ আতৈৰ। বোলে উদাৰবো আছেনে ? আমাৰ আগতো যে মিছা কয় অত মুখ চাবলৌ সজ নহয়নে ? শুনি আতৈ আগলৈ নোলায়। গুৰুজনে কৃষ্ণকথা কৈ যায়, সেই পোনে হাবি ভাঙ্গি শুনি যায়। তেহে দিনা চাৰি কৃষ্ণ কথা খুটি ধৰি খোচবোতা নাই। বোলে ববাপো, উদাৰক দহোঁ নেদেখোঁ, কলৈ গ'ল ? বোলে বাপ, তোম্ৰা যে বোলা গ'ল, সিদিনা মুখ চাবলৈ সজ নহয়, তাতে হাবিএদি যায়। বোলে মাতাচোন। পাছে মাতিলে, আহিল। দেখে গা কাটি বখলা বখল কৰিলে, তুখ দেখি বোলে উদাৰৰ হৰি কথাত কি খেদ, দেহৰ শ্ৰদ্ধা এৰি। মোৰ পাছতে শুনিবা, দোষ, এৰিলোঁ মই। তেহে আহি ছমাহ বেৰাই বৈসাগত পাটবাউসীত থিত হ'লহি ভক্তে সমে। পাএ ছোট আতা গোসানীক সেৱা কৈলেগৈ সোমাই। বোলে মাতৃ যেনে তেনে প্ৰকাৰে আপুনাৰ ধূলাৰ প্ৰসাদে অনা হ'ল। আএ বোলে বাপু, তোম্ৰাৰ প্ৰসাদেসে মোৰ গোঁসাইৰ মুখ দেখা গ'ল। কিদাক্কৈ শ্ৰীৰাম আতা সমে গ'ল পশকুচিলৈ। ঠাকুৰ আতা শুনি অনেক মতাৰ লৈ সেৱা কৈ তীৰ্থক্ষেত্ৰৰ পাটবাউসী

যাত্ৰা বিদ সুখিছে নিশা থাকি। ছোট আতা যত যি খান দান মাত বলি কাচ্চি, খাটা ব্যৱস্তা ক্ৰম, কৈ বোলে "পোৱালো বিকৈ, গোৱৰো কিনৈ, বিস্ময় ভৈলোহোঁ দেখি। বৈভৱিবা আমি দেখিলোঁ। শুনিলো, কতেক কহিবো সখি॥"

আৰু এদিন বলোৰাম আতৈ সুধিলৈ গৈ বেতনিৰ মধ্যে ঔতলে বহিছে তিনটা পকা ঔ সৰি গাত পৈল। আছি মাটি পানী স্নান গুৰু সেৱাকৈ গুৰুজনত কলেহি বোলে তোমাৰ পৰজন্মৰ বাসনা, তিনটা কিল খাব লগা আছিল। নামৰ সেৱকৰ কৃপাত সাৰিল। তেয়ো দৈব্য ঔ ৰূপে চুই গল।

আৰু কাৰলা বাঢ়েএ মূৰ্ত্তি কৈলে খেৰ পুঁজিৰ, ফাগু যাত্ৰালৈ। এক হস্তে গৰু এ ভাঙ্গিলে, থুন হ'ল দেখি নপাতি ধনুখনাত পেলালে নি। তাকে দুষ্ট ব্ৰাহ্মণে দেখি কৈ গাই কৰিব ধৰিলে শঙ্কৰে মূৰ্ত্তি নমানে, ঈশ্বৰ মূৰ্ত্তিকো জলত ভযায়।

আকৌ আছে কাতিত ৰাই অতা। ৰাম ৰাম গুৰু আৰু পাঁচ সাত আতৈ সবে গোট হৈ আলচ কৈলে পুন্থ বৃন্দাবনে যাবলৈ। কৰি গুৰুজনত প্ৰাৰ্থনা বিদায় কৈলে। বোলে বাপ, গয়া, কাশী, বৃন্দাবন চাৱৰ চিত থাকিল; সিবাৰো নহ'ল যাব খোজো। বোলে ৰাৰু যা বৃন্দাবন দাসৰ ঠাই গোমাই আছিবা আমাৰ কথা কৈ। পাছত গুৰুজনে গীত এটি কৰি বহা পোনে চালিতে খুচি থলে, "নাহি নাহি ৰময়া বিনে তাপ তাৰক কোই—

পৰমানন্দ পদ মকৰন্দ" পাছ দিনা সবেও থাই বৈ ওলাই আছিল, গুৰুজনক সেৱাকৈ যাবলৈ পছিমক্ষেত্ৰে। গুৰুজন ভোজনলৈ গৈছে, আবা সবে বসি চালিতে দেখি আনি মাতি চাই সবেও ভয় গ'ল। গুৰুজন ওলালত প্ৰাৰ্থনা কৰি বোলে বাপ, যাও আৰু। বোলে কিয়? বোলে বাপ তোমাৰ এই

গীতৰচনা (তীৰ্থ কৰাৰ অসাৰ্থকতা)

গীতে কৈছে দেখোঁ। তীৰ্থক্ষেত্ৰত ভ্ৰমহে, একশম হৈ হৰিভক্তি হৰিগুণ গালেহে জীৱৰ সংসাৰ নিবাৰণ। তোমাক নজানি নিচিনি নভজোঁ। কাস্তেহে তোমাৰ মায়া মুহি এই ভোৰ? তোম্রা দহোঁ ঈশ্বৰ নিশ্চয় কৈলোঁ, সব এৰেলোঁ, তীৰ্থ ক্ষেত্ৰ নাযাঞ আৰু নিশ্চয়, এই বুলি উভটি গ'ল।

আৰু মহাপুৰুষ গুৰু, ছোট আতা, ঠাকুৰ আতা শ্ৰীৰাম আতা পৰ্মানন্দ আতৈ, উদাৰ আতৈ, ৰামদাস আতৈ, ৰাম ৰাম গুৰু এই সবে সৈতে পাছ বেলা আযনমহা ৰাও নৰাতলিত মাঘ পুহ মহা মাহ সৰিহ খলাত কথাসুখে ৰহে গৃহত জঞ্জাল পাই। সক আতা সোধে গুৰুজনে কীৰ্ত্তন কৰে। আতা আতৈ সবে শ্ৰৱণ কৰে। উদাৰ আতৈএ খুটি ধৰি খুচৰি সোধে। গুৰুজনেও কয়, আতৈ সবেও শুনি শ্ৰদ্ধা পায়, নোলোৱাটিও ওলাই যায়। এদিন সন্ধিবিৰ বেলা হৈছেহি, গধূলা মেঘেও বয়া কৰিছে। আতৈ হোজা মতে মন নকৰি, তেনেতে আওষা খুটি ধৈলে। গুৰুজনৰ ৰাগ উঠি বোলে তোৰ নাম হে উদাৰ, বুধি খানি গুদাৰ, একো নজান। এই বুলি খঙ্গ কৈলে। তেহে ভয়ত আগলৈ নোলায়। যেই ঠাই যাবৰ ভূ পায় ততে আগে গৈ মাহৰ বা সৰিহৰ গোলাত সোমাই থাকেগৈ। এদিন আছেগৈ, হৰিচন ঠাকুৰ, পুৰ্ষোত্তম ঠাকুৰ, ৰামচৰণ ঠাকুৰ, পৰ্মানন্দ ঠাকুৰ এই সবে ওমলোতে উলিয়ালে গোলাতে। তেহে গুৰুজনে দেখি বোলে উদাৰৰ হৰি কথাত কি শ্ৰদ্ধা খেদ! লগতে মুশুনা কিয়? বোলে বাপ, সিদিনা মই ভূ নপাই সুধিলোঁ। ৰাগ কৰা গ'ল। তাবে ভয়ত হে সোমাই শুনোঁ। বোলে মই পুছু নকৰোঁ খজ, সুধিবা, শুনিবা। এইদৰে তুমি বংশে সৈতে উদ্ধাৰ। আৰু ৰাম্বে ভিতৰে উদাৰ। উদাৰ আতৈ

আৰু ভাগৱতীয়ে ভাগৱত কয়, গীতা কয় মাধৱ। এতোলা সুবৰ্ণ দিএ গুৰু। উদাৰ আতৈএ বোলে নামকো বেচ বামুণে? এনেকৈ বামুণে সৈতে বোলা বুলি লগালে। গুৰুজনে শুনি উদাৰক খঙ্গ কৈলে, এনেই বামুণ অসূয়া, তাতে বুলিব নমানেহে, কিয় বোলা তেনেকৈ? এই তিনিবাৰ খঙ্গিছে।

আৰু কণ্ঠভূষণ ঠাৈলৈও গৈছে মাগুৰিলৈ গুৰুজনৰ হাতত কেতেকী ফুল এটা লৈ। তাৰে জৌতিএ পীত ভূনিৰ জৌতিএ সুবৰ্ণ তনাৰ জৌতিএ বৰ্ণাব নপাৰি গৌৰাঙ্গ শৰীৰে মিলি কোটি কাম দেউ, কোটি সূৰ্য্য কোটি শশাঙ্কতো জ্যোতিপুঞ্জৰ প্ৰায় হ'ল। যৈতে যাৰ দৃষ্টি

কণ্ঠভূষণ পৰে চমক লাগে আৰু সবাতে কৈ এহাতমান চৰা হৈ গৈছে। জগতৰ লোকে পৰি সেৱা কৰে। তেওঁৰ কীৰ্ত্তন গৃহতি বসি থাকে। ভাগৱত তেওঁ কয়, গুৰুজনে কতো চৰ্চ্চে। কণ্ঠভূষণে বদ্ধ, মুকুত চৰ্চ্চিছিল; অৰ্থে নোলায়, নপায়হে নোসোধেও। পাছে গুৰুজনে ছয় মুকুত চৰ্চ্চিলে, বদ্ধ মুকুত, জীৱন্ত মুকুত, সত্য মুকুত, পৰম মুকুত, মহামুকুত, সূক্ষ্ম মুকুত। এই ছয় মুকুত গুৰু ভাগৱতৰ পুৰাণ গীতা কাব্যৰ সাখীৰে তিনি প্ৰকাৰে সুন্দৰ কৈ চৰ্চ্চি বিপ্ৰৰ মাত মাৰি কলে। কণ্ঠভূষণ লাজ হৈ মনে বোলে এওঁকে বাদে ভজাৰ জিন্নিৰ মুৱাৰো মানে নাহোঁ এই দেশক, ধিক্ আমাৰ পণ্ডিত ব্ৰাহ্মণৰ জীৱনত, শূদ্ৰে নিৰাও কৰে। এই বুলি ভটিয়াই বেদান্ত পঢ়িবলৈ গ'ল। নিগুৰ্ণা ভাগৱতী, কেৱলা সাধ্য, সাধন ফল তিনিবো তিনি তিনি প্ৰকাৰে চৰ্চ্চি কৈছিল। সেই শ্লোকক ভাজি তাৰে পাছত সুন্দৰীত হোট আতা গুৰু বাক্য ব্ৰে মন কৈ ছয় মুকুতৰ হটা যোৰা কৈলে হৰ যাৰ পটল জি শঅবিদ্যা জনিত সুখ, সত্যলোক আদি কৰি, আত নিৰপেক্ষ

পুৰুষাৰ্থ মুমুক্ষ জনৰ। খণ্ড বিদ্যা অবিদ্যা জন্য, সমস্তে সুখকে তেজি, মুমুক্ষ জনৰ যেৰে, জ্ঞান নিষ্ঠ জনে বিদ্যা, পুৰুষোত্তমৰ প্ৰেম ভকতি সুখক মাত্ৰ, নিশ্চয় কৰিলে যিটো জন। শৰণ কালৰ পৰা বিধিৰ কিঙ্কৰ শুচি, কৰে সদা শ্ৰৱণ কীৰ্ত্তন” তেহে কণ্ঠভূষণ গৈ ডাঙৰ পণ্ডিত বিচাৰি ফুৰি ফুৰি বাৰানাসী পালেগৈ।

পূৰ্ব্বে আদি নিৰঞ্জনে কলে শ্ৰীভাগৱত অনাদি অনন্তত, তাৰা কৈলে কালপুৰীয়া নাৰায়ণত, তাস্ত হস্তে পালে নৰ নাৰায়ণে, তাৰাত হস্তে পালে হংস নায়ণে তেওঁ কলে সূৰ্য্য মণ্ডলি নাৰায়ণত, তেওঁ কলে শ্ৰীনাৰায়ণত, তেওঁ কলে ব্ৰহ্মা বিষ্ণু কদ্ৰত, একশৰণ কৈ, তেহে ব্ৰহ্মা কলে নাৰদত, তাৰা কলে ব্যাসত, ব্যাসে শুকত, শুকে পৰীক্ষিতত, ব'ল সূতত, তানে শিষ্য কলে মনোহৰা সূত, তানে শিষ্য শঙ্কৰাচাৰ্য্য, তানে শিষ্য শ্ৰীধৰস্বামী, তানে শিষ্য ভাস্কৰ আচাৰ্য্য, তানে শিষ্য নৃসিংহ পৰ্মানন্দ, তানে শিষ্য বহ্ম ভাৰতী, তানে শিষ্য মহাভাৰতী, তানে শিষ্য পুৰুষোত্তম ভট্টাচাৰ্য্য, তানে শিষ্য বিষ্ণুপুৰী, তানে শিষ্য ব্ৰহ্মানন্দ, তানে শিষ্য জগতদিশ, আনি গুৰুজনক দিছে। তাতে বিষ্ণু পুৰীৰ শিষ্য ব্ৰহ্মানন্দে একহাজাৰ ছাত্ৰ পঢ়াইছে। পাঠশালীৰ এক মুৰীয়া পকী ভিটা; তলতে বৈছেগৈ; ঊপৰত চাৰি মূৰ্ত্তি ওৰোৰে ভাগৱতৰ পাঠ চৰ্চ্চিছে। দশম কন্ধে ব্ৰহ্মমোহনৰ অৰ্থে নোলায়; কতো কয় কেশীবধৰ বুলিএ। থগিত খাই আছে; এওঁ তলৰ পৰা মাত লগালে বোলে পোন শ্লোকতে যে এই, চল্লিশ, ছবিশ, পঁচিশে বুলি চৰ্চ্চিলে এৰা?

—"ব্ৰহ্মায়ো মৰত্ত, দেখি ভগৱন্ত,
ৰূপ চাকিলন্ত, ভুলাই জীলন্ত।
কেলীৰ শৰীৰ তৈলৰ চিমাচিৰ;

পেলাইলা কৃষ্ণে বিপাতি
বনিয়া চিন্দাল যেন খণ্ড খণ্ড
ভৈল চিৰাচিৰ ফাটি।”

কতো মুখে কয় একাদশৰ অশ্বত্থৰ তলে উদ্ধৱত জ্ঞান কৈছে বুলি। পাছে ব্ৰহ্মানন্দে শুনি বোলে কাৰ ভাষা মাতিলে, কৰ লোকজন, আহক ? আসন দি বহাই সুধিলে, তোম্ৰা কোন দেশী, ধাম কোন ? বোলে উজান দেশত শ্ৰীশঙ্কৰ নামে হৰি অৱতাৰ হৈছে, তাৰাই বাহ্ৰু কন্ধ শ্লোক ভাঙ্গি দশম, কীৰ্ত্তন, পদ, ভটিমা, গুণ লীলা, নাট, অনেক ছন্দে কৰিছে। বোলে কেই খনি হস্ত ? বোলে আমি মল মাংস চক্ষুৰে দুখানিহে দেখিছোঁ। বোলে চাৰিও খানি, ছদ্ম কৈহে

ব্ৰহ্মানন্দে কণ্ঠভূষণক উপদেশ দিয়ে

থৈছে। অ’ আমি বোলোঁ। অতেহে জাত হব, পুণ্য ভূমি ৰাখি আছোঁ। অ যাদৱ, গোৰত গাজি উজানত ৰৰষিলেগৈ। বোলে তই কণ্ঠভূষণ আহিলি কিয় ? বোলে মোক তাৰাৰে মায়ায়ে মুহি তেওঁকে বাদে হে পঢ়িবলৈ আহিছোঁ। বোলে অঃ তোৰ দাৰুণ অপৰাধ হ’ল। তাৰাৰ পাৱতে পৰি স্তুতি কৈ মাত গৈ, তেহে ৰক্ষা পা। . বোলে মোৰ গুৰু কৈ গৈছে ৰ আদি গ্ৰাম শ আদি নাম হৰি অৱতাৰ পূৰ দেশত, বাৰানাসী নহইনে ৰৰত্ৰৱাতেহে হ’লগৈ, ৰাক প্ৰমাণ সন্তাত চাওঁ, কৈথৈ গৈছে মোৰ গুৰুজনে তেহে চাজত বাহ্ৰু কন্ধৰ পেৰা নমাই চাই দেখে ৰম্ভাৱলী উপৰ উঠি আছেহি।

বিষ্ণুপুৰীৰ ভবিষ্যৎ বাণী

বোলে পূৰ্ব্বে চলোঁতে কৈ গৈছে। এই মোৰ কৃত্য ভলত থৈছোঁ, যৈসানি এই শাস্ত্ৰ উপৰ হয়, তেতিয়া পূৰ্ণ অনাদি শিৱ অৱতাৰ পৃথিবীত হব। মোৰ সন্দেশ দি সেৱা জনাই পঠাবা। পূৰ্ব্বৰ গুৰুচৰিত্ৰ কৈ ব্ৰহ্মানন্দে শ্ৰীশঙ্কৰদেৱক নমস্কাৰ কৰি এটা শ্লোক কৰি দিছে ভকতক নমস্কাৰ কৈ এক শ্লোক, ধূলাভূমিক নমস্কাৰকৈ এক শ্লোক, তিনি নমস্কাৰ

কৈ এক শ্লোক দিছে। এই চাৰি শ্লোকেৰে গন্ত কৈ কণ্ঠ-ভূষণৰ হাতে দি সেৱা জনালে। আৰু বিষ্ণুপুৰী গুৰুৰ সন্দেহ বাহু কৰ্দ্ধৰ সাবোদ্ধাৰ ৰত্নাৱলী দি সেৱা জনাই পঠাইছে। কণ্ঠভূষণে তিনিমাহে উজাই আহি পাট বাউসীতে গুৰুজনক পালেহি। সেৱা কৰিব খুজিলে, আগ্ঠ পাৰিবকে নিদিলে। বোলে কি শাস্ত্ৰ? বোলে বাপ, ৰত্নাৱলী। ঠগা দিয়ালে। তাতে থৈ চাৰি শ্লোক দি তুতি নিবেদন সবে খানি প্ৰাৰ্থনা জনাই সেৱা কৰিলে। গুৰুজনে বোলে ববাপো, শাস্ত্ৰখানি চ'ক। বোলে বাপ, মুৰাৰি চাৰ। বোলে চোৱা। বোলে বাপ, সন্ন্যাসীৰ কৃত ইবা কি মত, কিয় চাম একা? পতিব্ৰতা শাস্তি কন্যা অধৰামৃত, চৰণামৃত, অন্নশেষ উচ্ছিষ্ট খাবলৈ নিঘিনায় স্বামীৰহে, পৰপুৰুষৰ মুখ যি নচায়, ছাতো পাও নিদিএ। গুৰুজনে আনি হস্ততভুলি নমি দিলে। বোলে বাপ, এতিয়া হলে পাৰিম। চাই দেখে শিৰ ভাগ তললৈ ওভটা হৈ আছে। বোলে বাপ, গ্ৰন্থৰ অমূল্য ৰত্নৰে অলি, কিন্তু তেও শিৰভাগ তল। গুৰুজনে বোলে ভালুকৰ ওভটা খোজ, মহা বুদ্ধিমন্ত পৰমহংস বিষ্ণুপুৰী কতুৰা থৈছে চোৱা। বৰ সদাগৰে ৰূপ, সোনা, তাম, কঁাহ, অনেক চিত্ৰ-বস্ত্ৰ পসাৰ দিএ ওলাত, হিৰা, ৰত্ন, জপা, পেৰাত তলকৈ থয়। চাই পালে তলত। বোলে বিষ্ণুপুৰী মোৰ সঙ্গী, আগে পোৱা হলে শ্ৰমকৈ ৰত্নাকৰ নকৰোঁএ, তেও আমাৰ ভেটা বান্ধা হৈছে, আগে পানী ধুলে থানভাঙ্গি হয়। ব্ৰহ্মানন্দৰ প্ৰাৰ্থনা শ্লোক চাইটা ভাজি ছোট আতা পাছত যোৰা চাইটা কৰিলে লেচাৰি, (১) "ৰামানন্দ পদ যুগল", (২) "শ্ৰীমধুৰিপু ঈশ্বৰ," (৩) "সেহি ধন্য লোক ত্ৰিভুৱন," (৪) "ত্ৰিদিশত মহা তত্ত্ব সৰ্বে"। মহাপুৰুষ গুৰু বোলে ববাপো, মহাবিচক্ষণ

বিষ্ণুপুৰী

শংকৰৰ সঙ্গী বিষ্ণুপুৰী

ৰত্নাৱলী পদভাঙনি

শাস্ত্ৰ, ভকতৰ সৰ্ব্বস, শ্লোক ভাঙ্গি পদ কৰা যক। বোলে বাপ, আমি কেনেকৈ কৰিম? বোলে কিয়? বোলে বাপ, কি শক্তিৰে কৰিম? তেহে মহাপুৰুষ গুৰু আৰ্হৈটো পদ কৰিছে—"মহা বিশ্বদ্ৰোহী তৰে যাৰ লৈলে নাম।" আতে প্ৰেম উপজি পাত, কাপ খসি পৈল। বোলে ৰামানন্দৰ মাক, থৱানি, ই শাস্ত্ৰ ৰৰাপোতে হস্তেহে হৰ পাহুত।

ব্ৰাহ্মণৰ নৰনাৰায়ণ ৰাজাত খল

আৰু ৰাগী ভট্টাচাৰ্য্যৰ বেটা, ৰাগ চক্ৰবৰ্ত্তী, যাদইন্দ্ৰ, হিৰাই, মেৰাই, কেসেৰা কন্দলি, এই পাঁচেই মুখ্য আৰু অনেক বামুণে তান্ত্ৰিক, শাক্ত, হৰিবিমুখীয়া, হৰি ভক্তি নসৈ নৰনাৰায়ণ ৰাজাত খল দিলে। বোলে শঙ্কৰে কাকো নমানে দেউ, দেৱী, শ্ৰাধবিধি; মূৰ্ত্তি পানীত পেলায়, ভাগৱত ভাঙ্গি পদ কৰে, ব্ৰাহ্মণ, গঙ্গা, গীতা, তুলসী, শালগ্ৰাম, নমানে সুপূজে; ব্ৰাহ্মণ, কৈবৰ্ত্ত, দৈৱজ্ঞ, কোচ, শূদ্ৰ সবে ভজায়, একত্ৰে খায়, কুল, শীল, ধৰ্ম্ম, কৰ্ম্ম, বেদ, নীতি এৰি একস্বাই দেশগেটে তোমাৰ অনাচাৰী কৈলে। বেদ, ভাগৱতৰ সম্মত ধৰ্ম্ম ভ্ৰষ্ট. অনাচাৰে যি দেশত, তাৰ ৰাজা নাশ, ছত্ৰভঙ্গ, মন্ত্ৰী হানি, প্ৰজা দুৰ্ভিক্ষ, আকালত মাৰি মৰক, গো, শস্য, হানি, অবৃষ্টি। ৰাজা শুনি ৰাগি বোলে মোৰ দেশত মই থকাত এনে কৰে? সজ গৰমলি গৈ ধৰি আন। তেহে পাঁচ গৰমলি গৈ ঘৰত নাপালে। গুৰুজন গা আন্তৰিল, বিচাৰি ফুৰিছে। পাছে হাথিয়া পাই চকু কিৰাই দিলে। মধ্য নিশা গৈ গোকুলচান্দ আতৈক ধৰি বোলে মুখ্য ভকত, তোৰ লগৰ দেখাইদে কত আছে। এই বুলি ঘৰে পতি বুৰাই নপালে, সবে চাট যাইলে। গৈ ঠাকুৰ আতাক দেখালে ফলৈত। ধৰি নলে। নগতে সমাকে এৰি আইও গ'ল। সি চৌপুৰিতে

বন্দী কৈলেগৈ। ৰাজা হৰি গৰমলিক দিলে সুধিবলৈ। সি সোধেগৈ শঙ্কৰে কি প্ৰবৰ্ত্তাই অনাচাৰ কৰে? আছে কত? আতা কয় কি অনাচাৰ কৰিব, তাৰা পৰম ঈশ্বৰ, মহা সদাচাৰী, কত আছে, কলৈ গ'ল তু নাপাওঁ, এপৰ বেলি বাটত থাকোঁ, পালে আমিও পলালোহঁতে। সেই মুখে হৰি গৰমলিএ জনায়গৈ। ৰাজা বোলে অনাচাৰ নকৰে নকৰায় যে শঙ্কৰ পলায় কিয়? এয়ে প্ৰমাণ নহয়? সি সোধেহি; পুনু সেই ক্ৰমেহে কয়। পুনচ গৈ কলে ৰাজাত। তেহে ক্ৰোদ্ধ হৈ বোলে নকয় যে শাস্তি কৰগৈ, কৰহে, আদিকিব। তেহে সি আহি শাস্তি কৰিব খৈলে, চেপা কুন্দা দি। কোৰ তপতাই পোৰে, নানান ভাৱে শাস্তি কৰিব খৈলে, আঠাৰে যোৰ কঠাৰে কঠায়, চাল টানি কমাৰ সৰাহেৰে ধৰে, তলে চেপা কুন্দা, নিশা পোতা কুন্দা, হাতে ডফলাকুন্দা, চাকশাল শৰীৰ জুৰি দিএ ঠাই নথকাকৈ। আতা বোলে মাৰ যিমান পাৰ পা। ই মনুষ্য শৰীৰ পাই, গুৰুৰ কৃত্য সেৱা নকৰে, ঈশ্বৰ সেৱা নকৰে, ভকত সেৱা নকৰে, মাৰ যিমান পাৰমানে। সি এৰি গলেই সোলকে। আতা আকৌ মাতে, উপা-হৰি, কি দিলি পৰিলহে দেহি। আকৌ দিএগৈ। পাছে হৰি গৰমলিএ ৰাজাত কলেগৈ বোলে মহাৰাজ, আমাৰহে ভাগৰ লাগে। তেওঁৰ একো নাই, আৰু মাতেহে দিৰলৈ। তেহে হৰিৰা নামে এটা মহাদুষ্ট অসৎ। সেএ বো'ল মহাৰাজ, মই তাৰ লৈও কৰায়। বোলে বাক বা। সি লৈ হাতী শালে এজিনীয়া গাতকৈ আৰু মূত আৰৰ, তেৰেৰ চুচি পেলাই তাতে নি ছুইকো পেলাই মাথাত বা বাঁহ দি হেচি বুৰাই ধৰে ক ক বুলি। এৰাৰ আতাক ধৰোতেই গোকুলচান্দে বোলে কওঁ। বোলে বাক ক। বোলে কি কম বিশেষোক্ত, মাৰ লেখিয়ে ৰাজু

ভেলেকৈ। আতা বোলে বংশছেদ হোৱা কি কৰ ? মোৰ গুৰুজনে কি অনাচাৰ কৰিছে দেখিছ ? নকয় দেখি তাৰ পখা তুলি লোৱা দিলে। লোৱাতো আতা অবিছেদে নাম নেৰে। এদিন নিদ্ৰাতে ছিগিল লোৱা। বোলে হৰিৰা কি দিয়ালি ছিগিলহে দহোঁ, পুনু কমাৰ আনি হুপড়ীয়াক দিয়ালি, দিনে নিশা অবিছেদে আঠো পৰে নামে মুখে অখণ্ড। আতা লগায়, গকুলচান্দে আইএ গায়। কৃষ্ণ গ্ৰাহে প্ৰেমে ধৰি কতো কান্দে, কতো বাৰ হাঁহে, কতো বেলি পৰি থাকে, কতো জমক দি গেৰি পাৰে উঁকি মাৰি। হৰিষাৰ আগতে হুপতীয়া লোহা ধনৰাই ছিগি পৈল। সি বিস্মই বিশ্ৰুতি হৈ লৰ মাৰি ৰাজাত কলেগৈ বোলে বাক, ছিগিল যে এনেই, দিনত থাওক, নিশা কুন্দা মাৰি ৰাখগৈ। নামৰ আতাৰ প্ৰভা এদিন মানে যত পহাৰীএ পথুক, ভাৰী, সমাই, মমলিয়া, গৃহতী, মহলীয়া, খৰিভাৰি, দোকানী, মহাজনীয়া, লোন, মাছ, তেল, খৰি, পাত, শাক, বেঙ্গেন জলকীয়া, পতিলা পৰ্য্যন্তে নাম গাওঁতেই দি বৈ সেৱাকৈ যায়, আতা, আতৈ, আই, হৰিৱা খাইও আদিকি দ'ম খায়। পাছে আই প্ৰমত্ত হৈছে। হৰিষাৰ ভনীএক হৰিগতি। তেওঁ ৰাতিএ দিনে পৰমশ্ৰদ্ধাকৈ চাই চিন্তি ধুৱাই ধুৱাই পৰে পালিএ জাল পন্থ দি চালে। এদিন হৰিষাই বোলে ভহতে দেখো অবিছেদে নাম লয়, ঈশ্বৰে একো প্ৰমাণ নেদেখাই, নেদেখো, কি লৱ হক ? পাছে সেই নিন্দা কৰন্ত পাচ হাত মান গৌৰ দীৰ্ঘ পুৰুষ জনে হেঁচা মাৰি সুবৰ্ণৰ লাখুটিৰে হুও গালে খুন্দি দোন যেন কৈলে, বোলে, মোৰ ভকতক নামক নিন্দা কৰ, বুলি অন্তৰ্দ্ধান হ'ল। ৰাত্ৰিএ সাৰ পাই বাৰ বাৰ বুলি বহি আতাত কথাৰ কথা কৈ, গাল দেখালে। পাছে হৰিবা ঈশ্বৰ শক্তি জানি বাৰি

শুক বোধ কৈ শৰণাপণ হ'ল আতাতে। হৈ বহুত উপাসা অনুকূল ভজিব খৈলে পৰিচৰ্য্যা সেৱা। পাছে হৰিৰা জনালেগৈ বোলে, মহাৰাজ, শাস্তি কেতেক কৰিম, ভাগৰিলো, নকয় একো? বোলে তেনেহলে ঘোৰা কৰণীয়াকৈ ভোটক দেগৈ। পাছে সি আহি দুখকৈ কলেহি। পাছে আইএ অত্ৰাহি হৈ ফকৰা মাতিছে

"যতেক কৰিলো, চাই হানিলোঁ,
পাণী, নাইকা তৰতে ডুবিলোঁ॥"

বোলে হৰি হৰি বিধি, এনেহে দৈ এ কৰালে। একবাৰ পৰি বিপদ নদীৰ তৰ নপাইলোঁ, এইহে খেদে খায়—অন্তকতৰ সঙ্গে মৃত্যু, গুৰুজনক নেদেখিলোঁ পুনু। এই বুলি কালীদমন নাটৰ খেদকৈ গীত মাতিছে—

"নাহি ওহি শোক,
মৰণ মিলোক,
আৰ নাচিস্তোহো আমি।
তোহাৰি অৰুণ, চৰণ পঙ্কজ,
পুনু না দেখবো স্বামী॥"

পুৱালৈ [ভোটক] দিব, নিশা হৰিৰা স্বপ্ন দেখিলে। দেখে শ্ৰীশঙ্কৰদেৱ আহিছে কোটি সূৰ্য্যৰ প্ৰকাশকৈ, চিত্ৰগুপ্তকো আনিছে। বোলে লিখা, মোৰ নাৰায়ণ দাসক গোকুলচান্দক কোনে বিকে, কোনে কিনে, বৈকুণ্ঠৰ বস্ত আৰ কোন অধিকাৰ? আতা বোলে বাপ, হৰিৰাকো লেখত তোলা থক। বোলে ই মোৰ ভকতবৈৰী, আক কিয় লিখিম? বোলে বাপ, আপুনাৰ চৰণতে বিক্ৰী হৈ অনেক উপকাৰ কৰিছে। পাছে পুৱা হ'ল, আতা দাসকৈ ভাবি এক দোকানত পান চকাৰি, খুজি আহিলে, কটাৰী আই, হিয়ালোৱাৰে ভাবি খুহদি কৈলে। তেতে হেয়া দোবা ছুই

ভোট পালেহি' সত্ত দুশ ৰূপৰ দুটা ঘোৰা লৈ। ৰাজা নি আৰা সৰক দিলে' ঘোৰা লৈ ভোটৰ হাতে। নিছে, আইও গৈছে ছৱাটি কোলে লৈ কান্দি দুখকৈ। মধু দোকানীত খুজি ভোজন সম্ভাৰ লৈছে, সবাকে দিছে। হৰিৰা, হৰিগতি হিদল গুৰিলকে গৈছিল কান্দি-কাটি। তাতে আতা থলে। আতা, আতৈ, আইক নিলে। চাক শাল, কুন্দা কান্ধ দি নিছে, দিনমান নি এ, নিশা মাৰি থয়। ৰাজাৰ মাটি চেৰাই ভোটৰ সীমা পালত ভোট চক্ষুএ নেদেখে, গৰুহাৰ, চপৰা গাত পৰে। উভতি ৰলেই দেখো নমাৰে, গলেই পুনু সেই মতে মাৰে, নেদেখে। চাৰি পাঁচ বাৰ উলট পালটকৈ নুৱাৰি লৈ আছিল। বোলে ই দুই দেৱ মানুহ, নলাগে আক, আমাৰ ঘোৰা দিয়ক। পাছে ৰাজা দিলে ঘোৰা নি। বোলে দুএ দুশ টকা দিয়ক। পাছে ৰাজা আতা, আতৈএ সাতকুৰি হৰিৰাৰ লগা কৰাই ধাৰে ললে। হৰিগতি আইএ তিনিকুৰি এৰি গৃহৰে দিলে। দি আতাক ধৈলে, গুৰুবোধ কৰিবলৈ। আতা বোলে শ্ৰীশঙ্কৰদেউ মোৰ গুৰু আছে, তাৰাহে ই ভাৰৰ সামৰ্থ, আমি অভাৰীএ কি কৈ ৰম পা? আক তোৰ দুই দুৰ্জ্জন ৰাজা শুনি দণ্ডিব, পুনৰ ভোটক দিব। পাছে মলা বৈলিএকে হেৰাই ধৈলে, বোলে বাপ, ইবাৰ যদি ৰাজা দিএ আপুনাৰ গা ৰদলে ভাৰ্য্যাপুত্ৰ বিকি, গৰু, কাঁহ, তাম, টকা ভৰি চাম। যদি ৰাখিব নুৱাৰোঁ আমি যাম ভোটলৈ। একোৰূপে এৰাৰ নোৱাৰি আতা ভকত কৰাইছে। হৰিগতি আই মহাবিৰক্ত ভকত হ'ল। তেহে দুশ টকা ৰাজাক শোধালে হৰিৰা খাটি খুটি ৰাজাত। ৰাজা সন্তোষ হৈ তাৰৰ [illegible] মহৰ কৰালে। হাতে, কাটে, খাটে, বেহা, [illegible] [illegible] [illegible] বুজি কথা [illegible] মোৰ [illegible] [illegible] [illegible]। পাছে আতা আই হৰিৰা তাৰ লৈ [illegible]

আহিছে। এজুপি কেন্দু আছে পদুলী মুখতে। আতা দৃষ্টিতে দেখি বোলে সেই মোৰ প্ৰাণ বন্ধু ইষ্ট দেউহে ওলাই চাইছে। গুৰুজনেও দেখি দৃষ্টিতে বোলে মোৰ প্ৰাণ নাৰায়ণহে আহিছে। পাই পাৱতে পৰি কান্দিব ধৈলে। গুৰুজনেও সাবটি ধৰিলে। লোতকে পিঠি ভিজি গ'ল। আতাৰ লোতকে গুৰুজনৰ পাৱ তিতি গ'ল। আইএ আঠু পাৰি ছৱাটি পাৱতে পেলাই দিলে, দি সেৱা কৈলে। গুৰু কপালতে বৃদ্ধ আঙ্গুঠে টিপা মাৰিলে, চিন ৰ'ল। গুৰু বোলে বালকটি কৰ? আতা বোলে বাপ, আপুনাৰ দাসীৰে। বোলে কি নাম দিছা? বোলে বাপ, দুখত জন্মিল দেখি মাকে দুখীয়া থৈছে। বোলে তোমাৰ দুখত আনন্দ দিছে, পৰ্ম্মানন্দ দিছোঁ। বোলে এই ভাৰ অনাটি ক'ৰ? বোলে বাপ, গৰমলি বাজাৰ। এয়েহে শান্তি বন্দী কৰিবলৈ পাইছিল। বোলে ই-আহে কিয়? তেহে ঠাকুৰ আতা ঘোষা মাতিছে—

ভগৱন্ত ঈশ্বৰৰ গুণ সমূহক যিটো
শুনিতে উত্তম কৰে নৰ।
তেখনৰে পৰা সিটো, বিধিৰ কিঙ্কৰ গুচি
হোৱে আতি শুদ্ধ নিৰ্ম্মচৰ॥

বোলে বাপ, তোমাৰ অভয় পদতে বিক্ৰই গৈছে, শান্তি বন্দী একা ৰাজ অজ্ঞাত কৰে। আৰু তোমাৰ সেৱাচোৰ পূৰ্ব্বৰ আৰ্জ্জিত প্ৰাপ্তন দৈৱ ঈশ্বৰ ইচ্ছাত সুখ দুখ কৰ্ম্মফল ভুঞ্জে, জী এ। পাছে গুৰুজনে সপ্তম স্কন্ধৰ শ্লোক মাতিলে। তাৰে ভাঙি ঘোষা কৰিলে ছোট আতা—

"হিৰণ্যকশিপু প্ৰহ্লাদ পুত্ৰক
নানান দুৰ্গতি দিল।
হৰি নাম মহা কৱচ প্ৰভা এ
তান লোম নৰৰিল॥

একান্ত শৰণে যিটো নাম লএ
হৃষিকুৰে তাক ৰাখি।
আনত যদ্যপি সঞ্জাত নযৰা
লৰা প্ৰহ্লাদক সাখী ॥”
ৰামকৃষ্ণ ভাবিতে ছাৰয় কাল সাপে
হৰি ভকতক দুখ দিবে কাৰ বাপে ॥

নাম একান্ত শৰ্ণ প্ৰভাএ মোৰ নাৰায়ণ দাস কৃতকৃত্য হ'ল, সংসাৰ তিনি তাপৰ বেদনা লোমো নৰবিল। পাছে গোকুল চান্দক বোলে তোমাৰে নাৰায়ণ দাসেৰে সমান শাস্তি। তুমিনো আমাৰ কোন খানি অনাচাৰ দেখিলা, কওঁ কওঁ যে বুলিছিলা? এ বাপ, বিচেষ্টাতেহে বোলা গ'ল। পাছলৈ গকুচান্দৰ যশ চৰিত্ৰ মুঠিল, সেয়ে ঢাকিলে। ঠাকুৰ আতাৰ যশে বংশে চন্দ্ৰস্থৰ্য্য জলা দি নদী বোৱাদি আজিলকে বৈছে। পাছে গোসানী মাএ মতাই নি ভিতৰত দুগ্ধ চিৰা ভোজন কৰাই তেল তামোল দিছে ছোট আটা পাইছেহি; সেইখিতে বলিবামনৰ আৰ্হি কৈছে, বোলে সৰ্ব্বস্ব আগ্ৰহি দেহক নিগ্ৰহি, অনেক ভৰ্চ্ছনি কৈলো। জ্ঞাতি লক্ষ্মৃ এৰিলে ভাৰ্য্যা বিনে, গুক্ৰৰ বাক্য চাৰি মোক্ ভজিলে। মই বশ্য হলোঁ। যাৱত বাস। ববাপো, মোকো নাৰায়ণ দাসৰ ভক্তিত বশ্য হলু অত। স্তুদিভ মোক ধৰ্ম্মে সমে সেৱকক ৰাখিলে। প্ৰহ্লাদক দিছে। মঞ কৈছেঁ। মোতোকৈ দায়া কৰিবা ঠাকুৰক। সেই নিশা ৰাখি থুৱাই ধুৱাই পঠাইছে মনথৈলৈ। পাছে ভক্তে সমে গুৰুজন ওলাই পাঁচ পজ্ৰহে আছে, বিভানিধি ভট্টাচাৰ্য্য যেটা, বাপী, বিভা চক্ৰবৰ্ত্তী মুখ্যেকৈ অনেক দুষ্ট সূচক বামুণে পুনৰ খল দিলে ৰাজাত, ভাগৱত পঢ়ে, পড়ায়, পদ কৰে, গঙ্গা, গীতা, তুলসী, শালগ্ৰাম, বেদ, দেউ, দেৱী, বামুণ, সন্যাসিক, শঙ্কৰে কাকো নমানে,

সুকীয়াকৈ বৌধমতে প্ৰবৰ্ত্তি আনকো প্ৰবৰ্ত্তাই গোটেই তোমাৰ দেশত বেদ ধৰ্ম্ম লোপকৈ নষ্টকৈলে। ৰাজা শুনি ৰাগি অঙ্গিকাৰ কৈলে, সিবাৰ পলাই ৰ'ল ইবাৰ পালে চালেৰে দামা চাম, হাৰেৰে বাম শঙ্কৰৰ। কণ্ঠভূষণে প্ৰতিবাদী হৈ বোলে আমাৰে শশুৰে কৰ্ম্ম কৰে, আমাকে নি গীতা পাঠ কৰাই, জানো এই খানি মএ। ৰাজা সি কথা নমানিলে টকলা দিবলৈ হ'ল। সবাতকৈ দুষ্ট নয়নানন্দ ঢোপধৰা, তাকে মুৰ কৈ আৰু ন-টা দিলে বোলে য'তে পা শঙ্কৰক ধৰি আনগৈ। নাপা যদি মাধৱক, নাৰায়ণ, গোকোলচান্দ যাকে পা তাকে শীঘ্ৰে আনগৈ। সেইতে কণ্ঠভূষণে গৈ ৰামানন্দ ঠাকুৰ কাৰসনা বাবে তাম্বিৰ আছিল, ছোট দেৱান ঠাইত কলে। ঠাকুৰে বেগতে কমলপূৰ্য়া আইত কলে। আইএ ৰাজাত কান্দি কাতি কলে, থৈলে। তেহে দেৱানে টেকাই মাজীক নিয়াই এশৰূপৰ টুপলি কোচলৈ দি বোলে শীঘ্ৰে যা, ৰাজাৰ গৰমলি নৌ-পাওঁতেই শঙ্কৰক আনি দে ৰাতি দিনকৈ মোক। সি ধন পাই নাও ব'ঠা লৈ ৰাত্ৰি দিনে উজাই ৰাজদূত নপাওঁতেই পালেহি। পাইএ খুটা মাৰি ৰাই আতাক সাথী কৈ সোধালে, ছলেৰে বন্দীয়াৰ কৈলে শঙ্কৰত ধন সেহ দিব লাগে বুলি বিষয়ৰ ছোট দেৱানে নিব দিছে বুলি লৈ আহিল লোক দেখাই ধৰি লৈএ। এহেৰ পৰা ৰাজাৰ সেবা যাই। তেহেতে মাজী ভটিয়াই। ছয় মাজীএ মাৰি দি ব'ঠা মাৰি মাজেই প'ল। সিহঁতে তৰুকে নপালে। গৈ ঘাটে থৈ কলে। পাছে আপী ৰাজা আগবাঢ়ি সাদৰে নিলেহি তুলি। অভ্যন্তৰে নবীন গৃহ নাম কৰি থলে গৈ। ৰাজাৰ গৰমলি গৃহত নিবৰ তু পাই গৈ কলে বুঢ়ৰে সেবা আনিছে বুলি। ৰাজা বোলে কৰ তাৰ শেহ পাৰ বান্ধিছে? সি শঙ্কৰক ঈশ্বৰ মানিছে, বুলিএ দূতে পাঁচিলে, বোলন শঙ্কৰ

পঠক, মই একো নকৰোঁ। মুহুৰে বোলে মুৱাৰো এৰি দিব। নিত্তে পাঁচে দিয়ক বুলি। আৰা নেৰে, নপঠাই মুৱাৰোঁ বুলি। এহেলৈ লাগি পেটে পেটে যুদ্ধ লাগে যেন হ'লহি। তেহে গুৰুজনে বোলে মহাৰাজ, আমাকচোন এৰিএ দিয়ক, যাঞ, বামুণক সংশয় নকৰোঁ, কিবা ৰাজা অন্যায় কৰে বুলিহে ভয়। মুহু বোলে ৰাজালৈ একো সংশয় কৰিব নালাগে, মই দাস আছো। সি জানে শালগ্ৰাম খানিহে ঘৰতে। খাণ্ডা বাক এ, পৰদেশে, যুদ্ধ বিগ্ৰহে আমিহে আগ। তাৰো আমাতেহে আশা ভাৰৰা। কিন্তু বামুণকহে একো কৰিব মুৱাৰোঁ শাস্ত্ৰত তত্ত্ব পাইও। বোলে বাক, ৰাজাত কগৈ ঘোৰাটোকে তামুলীকে দিয়ক মোৰ এখেলৈ, মই শঙ্কৰক পাঠাওঁ। ৰাজাৰ স্নেহৰ সিহঁত দুই দিলে, বন্দী কৈ থৈ বোলে বাপ, থক এতিয়া, কিছু সংশয় নকৰিব মই দাস থকাত। এই বুলি পঠাই চাৰি খপুৱাকৈ বাৰ্ত্তা লৈছে আৰ পৰা তালৈ হাত যোৰাই। শ্ৰীশঙ্কৰদেউ গৈ দোপদৰত উঠিছে, সাতথাপ খটখটি চাই টোটয় ভটিমা কৰি বুলি উঠি গৈছে—"মধু দানৱ দাৰণ" ৰাজাক আশীৰ্ব্বাদকৈ চৰাত উঠিল, সবাতকৈ একহাতমান চৰা প্ৰকাশিত হৈ। ৰাজা দেখিএ বোলে চাপি আহোক। কামলিধৰা পৰমানন্দ আতৈ সোমাল, ভয়ত বামুনৰ পুথিৰ ভাৰ সাল্লিত। ওচৰ পালতে বোলে দলিচা দিয়ক দিয়ক। গুৰু বোলে আমাৰ কামলি আছিহে। বোলে আনক আনক খৰকৈ। গড়মলি বিচাৰি মাত্তি ভাৰ সাল্লিক পাই আনিলে আজোৰ মাৰি। ৰাজা বোলে, আনক, আনক। ৰাজাৰ খেদ দেখি বামুনে হাত মেলে। লিটৈ দিয়ে ইটোৰ হাতত, আৰ পৰা তালৈ নিয়ে। দুৱৰ ওপৰেই চোট ২ নি দিলেগৈ। নেমেলি দুৰি দুৰি বহিল। বহিয়ে "নাৰায়ন কাহে ভকতি কৰো তেৰা" গীত ধৰিছে।

নৰনাৰায়ণৰ সভালৈ শঙ্কৰদেৱৰ আগমন

চোট দেৱানে বাৰ্ত্তা লৈ আছিল। বোলে, বহাইছে এচৰছে। শ্ৰদ্ধা কৈ বোলে মুগীৰাই কি কৰিব আৰু? ভটিমা কৰিছে "এ জয় জয় মল্ল নৃপতি সুজান, যাকসবি গুণীগণ নাহিকে সমান"। গীত ভটিমা শুনি সন্তোষ হ'ল। কৰিছে যে ঈশ্বৰক বৰ্ণাই, বোলে মোৰ নাম যে দিছে, মোকহে বৰ্ণাইছে। ৰাজা বোলে, বাপ, আমিও আঠোটা শ্লোক গন্ত কৰিছো, আঠ আঠ প্ৰকাৰে যোৰা দিছো, আপুনি চৰ্চ্চা ক'ৰক। গুৰুজনে সাত, সাত প্ৰকাৰে যুৰি কলে। ৰাজা ভাবাৰ্থহে দিছিল টীকাত। গুৰুজনে পৰমাৰ্থেই কলে। বোলে, মহাৰাজ, এইমানকৈহে পাৰি। ৰাজা বোলে তোম্‌ৰা কি সাত প্ৰকাৰেও পাৰা যায় প্ৰমান পালো। আমি ৰাজা দেখি ভাণ্ডৰকৈ যোৱা গ'ল সেই-প্ৰকাৰ। গুৱা পান দি সন্মান কৈ বোলে 'যকৃগৈ'। আগবেলা মুহু ঠাইত থাকিবা, পাছবেলা আমাৰ ঠাইক অহা যাব। আছি দেৱান ঠাই পালেছি। চিলাৰায়ে সেৱা কৈ বাতৰি সুধিছে। শুনি পৰম সন্তোষ হ'ল। প্ৰাতৰে স্নান গুৰুসেৱা নাম ভাগৱত ভোজনকৈ যায় ৰাজাৰ ঠাই। দোপদৰত দলিচাত বহিৰ ধৰিলে। বামুন মৰে চখু পুৰি। পাছদিনা গৈ থিয়ৈ ভটিমা কৰি গাইছে "বন্দো গোবিন্দা গোপীজনমানন্দা"। তেনেতে বামুনে আশীৰ্ব্বাদ কৰিলে শ্লোক পাঢ়ি। বোলে মহাৰাজ পূৰ্ণিমাৰ চন্দ্ৰ যেন হ'ক শ্ৰী, যশে প্ৰকাশ। শঙ্কৰদেউ কলে কাব্যৰ শ্লোকেৰে বোলে মহাৰাজ দ্বিতীয়াৰ চন্দ্ৰ যেন হ'ক, প্ৰকাশ ধৰ্ম্ম শ্ৰীযুক্তে, এই বুলি আশীৰ্ব্বাদ কৰিলে। বামুনসবে বোলে মহাৰাজ তোম্‌ৰাক শঙ্কৰে আগতে শপে দ্বিতীয়াৰ চন্দ্ৰ যেন হে হব দিয়ে, পা পোহৰাবই নোৱাৰে। গুৰুজনে বোলে মহাৰাজ আমি শাপো, নে বামুনেহে শাপে? আমি এনেহে বৰ দিছো দ্বিতীয়াৰ চন্দ্ৰ যেন নিতে একোৰা একোৰা বাঢ়ি যাব শ্ৰীৰূপ ধৰ্ম্ম। পূৰ্ণিমাৰ চন্দ্ৰ আজিহে। এতেকে

নিশ্তে একো কলা টুটেছে। এতেকে শাপি বামুনে টুটাইছে। পাছে মন কৈ ৰাজা বোলে হয় বামুনে শাপেছে মোক। লাজ পাইল বামুন। তাৰ পাচদিনা গৈ চ'ৰা উঠিত্ৰ ভটিমা কৰি গাই প্ৰশংসা কৈলে—

"হাসি সভাসদ কৰু বহু খিৰ।
মল্ল নৃপতিক সম নাহিকয় বীৰ ॥"

সেই দিনাও বামুণে খল দিলে বোলে গঙ্গা, গয়া, কাশী তীৰ্থক্ষেত্ৰ শঙ্কৰে নমানে। ৰাজা বোলে হইনে বাপ? গুৰু বোলে মহাৰাজ যুবাকালতে বাঢ়বৰ্ষ সকলো তীৰ্থক্ষেত্ৰ বেৰাই স্নান-দান কৈলো, এতিয়াও অল্পতে গঙ্গা-জগন্নাথ কৰি আহিছো-গৈছে। বোলে বাপ আকৌ এবাৰ য'ক। বোলে মহাৰাজ বয়সো ভাটি দিলে, হাঠিবও নপাৰি আগৰদৰে আৰু খৰ্চ্চা টকাও নাই আমাৰ, নৰাওঁ আৰু। বোলে টকা আমিয়ে দিও খৰ্চ্চালৈ। গুৰুজনে বোলে মহাৰাজ দেশত লোক সবৰ চাৰি-ভাগ ধৰ্ম্ম-কৰ্ম্ম যি কৰে গুৰুএ পায় এভাগ, পিতৃ-মাতৃএ পায় এভাগ, ৰাজাৰ দেশ জমিত থাকে, খাই লই গুণে ৰাজা পায় এভাগ। দুখ শ্ৰম টকা আৰ্জ্জিত ভাঙ্গি কৈলেছে পাই গৈ এভাগ অচিত্ৰ কৈলে। চিত্ৰ ন্যূনাধিক হলে সবে গুচে। এতেকে মহাৰাজ তোমাৰ টকা লৈ খৰ্চ্চা খাই গ'লে আমাৰ কিহৰ? বুবুলিব, নৰাওঁ আৰু। বামুণ তাতো মিছা পৰি লাজ হ'ল। তাৰ পিচদিনা গৈ ৰাজাক উচাহ বঢ়াই লগাই কৃষ্ণৰ গুণ গাইছে, তাৰা কাজি মাত্তে ভটিমা কৰি।

"পেখিএ চাতুৰ সভা মাজে যাই।
চুনত ৰাজ আজা ৰাম গোসাঁই ॥"

সেইদিনাও পশু মৎস্য অনেক ভেটিলেসি ৰাজাক। তাকে ভকতসকলো দিলে, ব্ৰাহ্মণকো দিলে ৰাজা। ফি বোলে, দুপৰতে ভোজনকৈ সন্ধ্যাও আহিব কালৈ? বামুণে সভাসবিকে

খাই বই দেৱপৰতে চ'ৰাত বহিল গৈ। গুৰুজনে স্নান, শৌচ, শুদ্ধি, গুৰুসেৱা, নাম-ভাগৱত পাঠতে হ'ল দুপৰ। চাউল সিজাই ভোজনত হ'ল চাই দণ্ড। গৈছে তিনিপৰত। পালতে বামুণে খল দিলে বোলে মহাৰাজ আপোনাৰ কথা শঙ্কৰে নমানে। কালি দুপৰতে আহিব দিলে আজি তিনিপৰ মাৰিলে। আমি দেৱপৰতে আহিলো। ৰাজাবোলে হয়তো, বাপ দহোন বেলা হল কিয় ? বোলে মহাৰাজ আমাৰ শৌচ, শুদ্ধি, স্নান, গুৰুসেৱা, নামপাঠতে দুপুৰ হই, চাই দণ্ডে ভোজন, চাই দণ্ড জিৰাই অহা হৈছে। বামুণে বোলে আমি নকৰি নেখায়ে আহিছোনে ? গুৰুবোলে মহাৰাজ ৰাক উলু, পানী, চক, দিয়ক মুখ ধুৱলৈ। দিলে ; ধুলে। চাই, নিগৰাই লেতেকু, পনীয়লিমান মস্য মাংস পৰিছে। গুৰুজনে ধুলে চাই, ফটিকৰ ধাৰে যেন নিৰ্ম্মল জল। ৰাজাবোলে, বামুণৰ জাতিকুলেই নাইনে চাইছো। তাতো লঘু হল বামুণ।

আক একদিনা ৰাজাক আশীৰ্ব্বাদ কৈলে খোটা উড়িষ্যা ভাষা ফাৰ্চ্চি ঠাতে ভটিমাকৰি গাই—

"জয় জয় দিশ্য ইশ্য জগ হাসি।
লীলা কও ভক্ত ভাব উত্তাৰি ॥"

তেহে ৰাজাবোলে অথনিকৈ কোনে পাৰা ভুৰুকাত হস্তি ভৰাই দিব লাগে। গল। গুৰুজন তুলাপাতত হেঙ্গুল-হাই-তেলেৰে যন্ত্ৰকৰি হস্তি সাজি লিখি ভৰাই মুখত চাৰ মাৰি লৈ গ'ল। বামুনো গৈছে। ৰাজা ওলাই বহিএ বোলে আনিছানে হ'ক ? বামুনসৱে বোলে মহাৰাজ ঈশ্বৰশক্তি হ'লেহে ভুৰুকাত হাতি ভৰাব পাৰে। আমি কেনেকৈ ভৰাম ? তেহে গুৰুজনে ৰাজাৰ হাতে দিছে চাৰ। ভাজি চাই দেখে দিব্য হাতি যেন জীয়াহে ; ৰায় খায় ঘূৰেহে। দেখি সভা লোকে আশ্চৰ্য্য অদ্ভুত হল। বোলে এনে কাৰ্য্য

মনুষ্য নহয় ঈশ্বৰহে। বামুন লাজহৈ হেঠ-মাঠে অধোমুখে ৰল। ৰাজা গুৰুজনক অনেক প্ৰসংশাকৈ পঠালে।

আৰু এদিন ৰাজাৰ জালুকবাড়ীৰ বাড়ীচোৱাই নি জালুক ভেটিলেগৈ। ৰাজা তামুলীক বোলে সবাকে বাটি দে। দিলে। বামুণে পালতে গালে গালে খাব খৈলে। খাই খলো দিলে বোলে মহাৰাজাৰ প্ৰসাদবস্তু আমিসবেও ললো আদৰ কৈ। শঙ্কৰে আপনাক বাচে, নলই। ৰাজা বোলে হয়তো বাপ কিয় ভোজন কৰা নাযায়? গুৰুবোলে মহাৰাজ ইয়াক খালে পক্ষীৰ লাদ খাবৰ মান জাতি যায়; প্ৰাচিত আছে। বোলে কেনেকৈ? বোলে এই জালুকৰ বাড়ীতে চৰুদি পানী থয় খোকাউৰি পুতি। ফেচুলুকা চৰায়ে ইয়াৰে পকাটি খায়। সেই চৰুতে পানী খায় লাদে, তাতেহে ধুই আনিছে, হুই মুই সোধাৰ'ক। তেহে বাড়ী চোৱাত সোধালে বোলে হয়নে? বোলে মহাৰাজ হয়। ই দেশত নাই, চৰাএ খাই নিয়ে দেখি তেনে বুজিৰে থৈছো। ৰাজা তাতো গুৰুজনক প্ৰসংশাকৈ বামুনক নিন্দি বোলে পক্ষীলাদকে খায় জাতি কুলেই নাই আৰু।

আৰু এদিন বাড়ীচোৱাই কলা পকাই ভেটিলেনি। তাকো ৰাজা সবাকে বটাই দিয়ালে। বামুনে পাল মাত্ৰে খালে, গোচৰো দিলে বোলে শঙ্কৰে আপোনাৰ দ্ৰব্য ঘিনাই। ৰাজা, বোলে কিয়নো ভোজন নকৰা বাপ? বোলে মহাৰাজ আৰু সজ উত্তম লোকে খাব নপাই। বোলে কিয়? বোলে শৌচ, শুদ্ধি, মাটি, পানী, ব্যভিচাৰী, হৰি বিমুখীয়া, শৱ তুল্য জীৱ চুৱাই চুই পকাই আনিছে। এতেকে লোৱা নাই। বাড়ীচোৱাত সুধিলে বোলে সবে খানি হয়। গৃহস্থি হবুৱো পক পতৰ লগৰ; কি মীতি জানো। বিপ্ৰক ৰাজা তাতো গৰিহিলে; লাজ হল।

আৰু এদিন উজানৰ সদাগৰ বুঢ়াএ জালুক এচৰু ৰাজাক ভেটিলেনি। ৰাজা সবাকে দিয়ালে। বামুণে পালতে গাল

মাইলে। খলো দিলে, বোলে শঙ্কৰে আপোনাক বাচে, জালুক নি পেলাবনিছে। অতে নখাই। ৰাজা বোলে বাপ, আমাক কিছুভেদ দেখেতো হৱলা, নলই যে? বোলে মহাৰাজ ইয়াৰ জন্ম য'ত পুৰ্ব্বে ত'তে আমি আছিলো। গৃহতে পক জালুক আনি ধান চক পানীত উথাই। বান্দিএ ভৰিবে মাৰে খচি। মাজনিবে লবাই; শুকাই তোম বান্ধি থই; তাকে আনিছে। সাত ধোৱা কৈলেহে জল নাৰায়ণে শুচি কৰে। তেহে সজ লবলৈ। মুদৈত সুধিলে, সি বোলে হয়। বোলে জল চকৰ· আনক, প্ৰমাণ দেখাওঁ। দিলে। ধোৱাই, নিগৰাই চাই দেখে তামোল মান মল ধূলি পৰিছে। ৰাজা দেখি আচৰ্য্য হ'ল। বামুনক তাতো গৰিহা কৈলে; লাজ হল।

আক এদিন গৈছে; এটা লোকে এটাক শাস্তি কৰিছে। নাম ললে বিশ্ৰেষ্টাত। বোলে মুখত ধৰ কি নাম লই। গুৰু শুনি ৰাজ আলি এৰি আৰদি হৰি স্মৰি আন পথে গৈছে, চাব দেখিব নপাই বুলি।

আক ৰাজা চাইটা শ্লোক কৰিছিল—'নখানৰাদন্তাকেশা।' তাৰে গুৰুজন ব্ৰাহ্মণত অৰ্থ লগাব দিলে। বামুণে কলে—নখানৰাকেশাদন্তাথানত্যাগন্তি অপূজ্যক পৰ্শে স্নানং—বোলে নখ কাটিলে চুৱা, চুলে স্নান আছে। কেশ খুৰালে, সৰিলে অশুচি, চুলে বুৰ। দান্ত সৰিলে চুলে স্নান; নৰাধান দালে অৰাদৰ, অপাত্ৰ, অপূজ্যক এই বুলি চৰ্চ্চিলে। গুৰুজনে বোলে নখা, বাঘ, পশু, ভৈচ, হস্তি, সোনা—ৰজতে বাৰ্ধা কৰি পিন্ধি ভাব, কনি, মনি, হাপশ, দৰ্ধা, কেৰু, পাটি, মাল এই ক্ৰমে লগাই শুচিশপূজ্য। নখা, বাঘ, বড়া, ভালুকৰ ৰজত-সুবৰ্ণেৰে ৰচিত কৰি লই পিন্ধে শুচি পূজ্য। কেশ পশুৰ স্মৰ কৰি খুলে চক্ৰ তাপে দিএ। ভেড়া, ছাগ, কুৰ্কা এই সকল কেশ আনি কাৰলি, কম্বল, জুহি, পতু, বানত, দলিচা, পিন্ধি লয়।

ঈশ্বৰকো দিএ, শুচি, পূজ্য। নৰদেহা দেৱৰো দুৰ্লভ, ব্ৰহ্মাৰ প্ৰাৰ্থনীয়। হৰি ভজি, ভক্তি আৰ্জ্জি, হৰি গুণ গাই, সংসাৰ তৰি পৰমপদ বৈকুণ্ঠ পায়; শুচি পূজ্য। হৰি বিমুখ হে জীয়াশ, অসুৰ, ৰাক্ষস; চুলে স্নান, অপূজ্য। ৰাজা বোলে হয় বাপ; মোৰ মনেও সেই পোনেহে পাতি কৰা গৈছে। বামুণ গোটেই মূৰ্খ, একো নজানে। এই বুলি গৰিহিলে। তাতো লাজ হ'ল। গুৰুজনক প্ৰসংশা সাদৰকৈ, সোনোৱালী দগলাটো পিন্ধিছিল, দিলে। তাকে পিন্ধি যাই আলিএ গুৰুজন। বামুণে ভয়হৈ লগুণ ধৰি প্ৰাৰ্থনাকৈ বোলে এয়ে যেন ৰয়। গুৰুবোলে তোমালোকে যদি একো বিঘ্নি নাচৰা আমিও একো নকৰো। যদিহে লগোৱা যুজুৱা আমিও শুদা এৰা নযায়। আহোতে ঘৰ্ঘৰিজানৰ দলও ভাগিল; অনেক মানুহ হাতভৰি ভাঙি খোড়া কোঙা হল। এটা লোকে পৰি যাওঁতেই ৰামকৃষ্ণ হৰি ব'ল, হৰি ব'ল, হৰি বল, ডাকিলে। গুৰু শাকোৰ মুৰ পোৱাতে ভাঙিল। সেই বেলা গীত কৰিছে।—"বোলোহো ৰাম নামেসে মুকুতি নিদান।
বুলিতে এক শুনিতে শত নিতৰে॥" শুনি তাতে চোলাটি দি গ'ল। পাচদিনা তাকে দিলে খল বোলে, মহাৰাজাৰ অনেক টকাৰ বস্ত্ৰ দিয়ে জানকৈ, শঙ্কৰে ঘিনাই নলই, বিলাই যাই সামান্ত চাকৰক। ৰাজাবোলে বাপ অত টকাৰ বস্ত্ৰ কিয় দিলে? মই আপোনাক পিন্ধিবলৈ স্নেহত দিলো। গুৰু বোলে মহাৰাজ তোমাৰ দেশত ধৰ্ম্মকৰ্ম্ম নাম যি লয় কৰে তাৰ এভাগ আপুনি পায়। সি পৰি মৰোতে পৰমজন কৃষ্ণৰ নাম ললে, তাক দিলো। তোমাৰ দহোন হিতহে চিন্তিছো। ৰাজাবোলে হয়; এই মূৰ্খ বামুণবোৰে একো নজানে, এই বুলি গৰিহিলে। তাতো লাজ হল।

আৰু এক সময়ত যাত্ৰ আছিল। সি দেশে দেশে

ভজাই জিকি থানাবাদ্ধি আছিছে। পাছ বাজাক মাল যুদ্ধ খুঁজিলেহি। বাজাবোলে বাক আজি বহোক, বোজ সিধা দিয়ক; দিন মাল যুদ্ধ। তেহে নিশা মাল সবক মাতি আনি সুধিলে। দাঙ্গি নেসাহে, পাচহোহকে গোটেই, সি বব ভব্য মোটা মোটা মাল। দেখি বাজা অসন্তোষ কৈ বহি আছে। শঙ্কবদেৱ চোট দেৱানব ঠাইতে পালেগৈ। দেখি সুধিলে বোলে, মহাবাজ দহোন কষ্ট কৈ আছে? বোলে বাপ মাল আহি যুদ্ধ খুজিলে, জিন বুইলো, দাঙ্গি নেসাহে। এতিয়া লাজ হলো। আজিয়ে মাল শ্রম তড়ালি পাবো যেনো দেখো। জিনিলেও একো যশস্তা নাই, হাবিলে একা দেশে সমে লাজেই। পাচে গুৰুজন বাজাব ওচবতে উঠি গ'ল। তবাবিক বোলে মালক বোজ কেনেকৈ দিচ? বোলে লোণ, চাউল, খবি, তেল, পণ্ড দিছো। বোলে তেনেকৈ নিদিবি; পাচিবে ধান, গোট বাহ, গোটা সবিহ গোট পছু দিবি। সুধিলে কবি বুলি আমাব মালক যেনেকৈ দিওঁ তহওঁকো তেনেকৈ দিছো। সি বোলে যদি, তহঁতব মালেনো খায় কেনেকৈ, কবি বুলি আমাব মালে দেখো ধান মোহাব মাবি ফু মাবে, তুহ যায়; সবিহ চেপামাবে তেল ওলাই; বাহ পিটিকি ভাঙি নিয়ে; পছু চোচামাবি উলিয়াই খাই বাহি। সেই কপে বোজ নি দিলেগৈ; সুধিলত কলে সেইক্রমে। শুনি মালে কাত পানী এবি বোলে সকলো দেশত ফুবিছো, এনেকুৱা দেখা শুনা নাই-নেপা; এনেবল হলে দেহ-কাইলে নবহে। এই বুলি তন্ন'হৈ নিশাই জাকেই পল পলাই। বাজাও পুৱা ক'লে বোলে মাল পলাল বাপি এ; মঙল থৰ্কা এবি। বোলে শঙ্কবদেৱে কালি বুদ্ধি দিলে এই ক্রমে, হি বাক্যে, জয়াজহে প্রণাম। [illegible]

ৰাজা ইহঁতি বালিচত চপাবয়াই। তেহে গুৰুজন আহিলন্ত বোলে বাপ এনেবুদ্ধি দিয়া গল কালি, সজ কথা গ'ল।

নৰনাৰায়ণ-চিলাৰায়ৰ মিল সাধন

আৰু চিলাৰায় বিজয়পুৰতে গড়-নগৰ পাতি-শোণ-কোষ সীমাকৈ ৰাজ লৈ ৰাজা হ'ল। নাৰায়ণে শুনি ৰাগি যুদ্ধে গ'ল। তেহে চোট দেৱানৰ এশপত্নী আগকৈ দিলে। ভাতৃবধূ দেখি ৰাজা যুদ্ধ এৰি শুচি আহিল। গুৰুজনে মতাই নি অনেক শাস্ত্ৰ আৰ্হি কৈ নহুষ, খট্টাঙ্গ, যযাতি, মান্ধাতা, দিলীপ, সগৰ এই সবৰ আৰ্হি যুক্তি ধৰণি গীতা কৈ মিলাইচে হুয়োকো।

আৰু নাৰায়ণ কলচি নামে এক ভিক্ষুক ব্ৰাহ্মণ আহিল। ৰাজাক কলেগৈ বোলে মহাৰাজ নাৰায়ণ কলচি হে আহিছে। ৰাজা বোলে জানো নাৰায়ণ তৈলৰহে কলহ। বোলে ভৰাল তলে সজকৈ বান্ধি থক নি। ধৰি নি থলে বান্ধি। তাতে পৰি ছমাহ আছে। বামুণৰ শৰীৰ শুখাই পৰে যেন হ'লগৈ। বামুণে ভৰাৰিক লাগ পায় এদিন কলে বোলে উপা আমি ৰাজাক একো দ্ৰোহ কৰা নাই। ভিক্ষা চালো, ইচ্ছা দিব পায়, নিদিয়ে যাব পাও; অকাৰ্য্যত বান্ধি প্ৰাণ যাবে, জনাগৈছো। সি গৈ বোলে মহাৰাজ নাৰায়ণ কলচি ব্ৰাহ্মণৰ শৰীৰ পৰেছে। বোলে কেনেকৈ আনচো। আনে ধৰি উঠিবই নোৱাৰে। দেখি ৰাজা বোলো কি মূৰ্খ লোক ই। কৰ নজানিয়ে ব্ৰাহ্মণক দুখ দিয়ে এত দিন। যদি নকয় জানেই পৰে। তেহে দাড়ী-চুলি কৰাই খাবে, তৈতাই স্নান কৰাই, পঞ্চামৃতে খুৱাই পিয়াই, টকা বস্ত্ৰ দি পঠালে। ৰাজাবোলে দোকানী,

কবিচন্দ্ৰ পণ্ডিত

চাকুৰী, চিপাহী, পিয়দা খোপধৰা, গৰমজি, ভৰাৰি, মহলীয়া, সৰাফৰ, ৰটী-তাতি, সবেও সংস্কৃত শিখক অমৰ ব্যাকৰণ। শিখিছে। তেনেতে আৰু পণ্ডিতৰ পৰা কবিচন্দ্ৰ নামে

পালেহি, তিনিৰাতি ছাত্ৰলৈ। চ'বা উঠি এ হৰিধ্বনি কইলে। ৰাজা শুনি সোধালে। বোলে আমাক পণ্ডিত লাগে বাদ কৰিবলৈ॥ ৰাজা পণ্ডিতক আনি সুধি চালে। সিইঁতৰ মুখ দেখিয়েই পাচ হুহকিল, যি আছিল মানে নগৰৰ। ৰাজা লাজ হৈ উপায় নপায় কোৱালে বোলে মোৰ দেশত ব্ৰাহ্মণে বামুণক জিনিব আমি তাত কি যশস্যা পাম হব? আমাৰ যি শূদ্ৰ শঙ্কৰ নামে লস্কৰ আছে তেওঁকে জিনিলে দেশে সমে সবেও তাতে ভঙ্গ যাওঁ। পাচে বামুণে ৰাজা ঠাই বিচাৰি নপায় কওঁতা নাহি, কেৱে পোন মুখে নকয়, খৰিভাৰি পৰ্য্যন্ত সবেও সংস্কৃত দিয়ে। সি একো তত্ব নপায় বোলে দেশ এই খানেই পণ্ডিত ৰৈ। বিচাৰ কৈ ফুৰি চোট দেৱান ঠাই পালেগৈ। দেখে গুৰু বহি নবম স্কন্ধ ভাগৱত লিখিছে। বামুণে নিচিনি গুৰুজনতে সোধে বোলে শঙ্কৰ লস্কৰনো কাকবোলে, ক'ত থাকে? বোলে আতে থাকে। বোলে তুমিএনে? বোলে আমি নহও, তেওঁৰে কিঙ্কৰহে। বোলে তোমৰা শূদ্ৰনে? বোলে হয়। কি গ্ৰন্থ লিখিছা? বোলে নবম স্কন্ধ ভাগৱত। বোলে তোমৰা শূদ্ৰে ভাগৱত লিখিব পঢ়িব নপৰা। গুৰু বোলে শূদ্ৰে ভাগৱত পঢ়িব লিখিব পায়। দ্বিজবধু সবেহে নপায়। বোলে দ্বিজ বধুনো কাক বোলে? বোলে এনেকৈ আমি কিয় কম। তোমাৰ অধ্যাপকক সোধাগৈ। কৰ নপাৰে যদি তত্ত্ব মানি আমাতে সুধিবহি। কম আমি। বোলে ভাগৱত পঢ়িব নপাৰ বে বুলিলা শুনা—

"ইটো মহাভাগৱত দ্বিজসবে পঢ়ে যদি।
হোৱে আতি তাৰ মনসিদ্ধি॥
অন্ত্যজে পঢ়িয়া পাইবে সসাগৰা কল্পভূতি।
শূদ্ৰ পঢ়ি পাৱে মহা সিদ্ধি॥—

নৱমস্কন্ধ ভাগৱত ৰচনা

ৰাজশৰ পদ মাতিলে চাৰিও জাতিয়ে পঢ়িব পায়। বোলে তোমালক ক'ৰতে আছিছা? বোলে নদিয়া শান্তিপুৰতে। ক'তদিন পথে আহা? বোলে তিনিমাহ ফুৰিছো দেশ বেৰাই, ৰাদকৈ। বোলে ভোজন একা? বোলে য'ত্তে ৰও তত্তে চাউল মিলে। বোলে তোমালোকৰ জাতিএ মৰিল। তিনি দিন শূদ্ৰৰ চাউল খালে বামুন জাত যায়। স্নানকৰা আছে নাই? বোলে নৌ কৰো। চাই দেখে চালিপৰা নঘটি বেলা হৈছে। বোলে এতিয়া আক কাক স্নানহে ঘটে। উত্তম বৈষ্ণৱ্ বিপ্ৰৰ ব্ৰহ্মমুহূৰ্ত্তে অমৃত জল, চাই দণ্ডে দুগ্ধ জল, পৰত শিতল শুদ্ধ জল, দেৰপৰত খালি জল, তাৰ পৰা শোণিতময়হে স্নান হয়। ব্ৰাহ্মনৰ প্ৰাতশে স্নান, সন্ধ্যা, তৰ্পণ, আহ্নিক, গায়ত্ৰী বেদৰ নীতি। পাচে সি গৈ অধ্যাপকত কলে বোলে শঙ্কৰক লগ নপালো। তেওৰ কিঙ্কৰকহে পালো, ভাগ্‌ৱত লিখিছে; মই নপাই বুইলো, পদমাতি খণ্ডিলে। বোলে দ্বিজবধুৱে হে নপাই। বোলে দ্বিজ বধুনো কাক বোলে? বোলে তোৰ গুৰুত সোধ গৈ; নপাই যদি ভজ মানিব আমাত সুধিবহি, কম আমি; এনেকৈ বুলি পঠাইছে। খেদকৈ সবে ছাত্ৰ চাৰা নিশা ভাগৱত, পুৰাণ, ৰামায়ণ, গীতা, স্মৃতি, ব্যাকৰণ অমৰ কাব্য, জ্যোতিষ সংহিতা পৰ্‌যায় আনো বলধি যোৰাই অনাই চাই নপালে। দ্বীজ বধু কোন নপাই বোলে শঙ্কৰৰ কিঙ্কৰেই ইমান, শঙ্কৰে পালে থৰ কি? পুৱাহ'লে লঘুকৈ সবলৈ দেহাকে মাৰিব। এই বুলি নিশ্‌াই পলাল। পুৱা ভবাৰিয়ে বোজলৈ যায় দেখে, নাই। কাকে পৰি ৰমলিয়াৰ লাগিছে। ৰাজাত আছি কলেহি বোলে বামুন নিশাই পলাল। ৰাজা বোলে শঙ্কৰদেৰক লগ পাইছিল হৰ লাগে। তাটি বেলা গুৰুজন গ'লত ৰাজা বোলে বাপ বামুন গৈছিলনে আপোনাৰ ভলৈ?

বোলে মহাৰাজ পাইছিলো। কিবা কলেনে? বোলে এই ক্ৰমে বাদ-জবাব লাগিছিল। ৰাজা বালিচত চপৰিয়াই হাসে। বোলে ভালেহে ৰাতিয়ে পলাল ভয় খায়। আপোনাৰ প্ৰসাদতহে মৰ্য্যদা ৰ'ল আমাৰ। আমাৰ যি পণ্ডিত আছে বে কৰিবই নোৱাৰে তাৰ আগত। কেএ নেসাহিল। মোক পুৱা, আপুনি নোপোৱাহলে লাজ কইলে হতে। সজ ৰখা গ'ল। তেহে ৰাজা ৰূপ পাচটকা, কাপোৰ এসাঁজ দি দণ্ডৱতে পৰি অনেক তুতি কৈলে। বো'লে মই মূৰ্খ, দুষ্ট বামুণৰ কথাৰে অনেক বোল মাত কইলো, এতিয়া দেখো তোমাৱাই ঈশ্বৰ। গৰ্ব্বত থাকি মানিব নপৰাতহে মৰো। ক্ষেমি মৰৰিলো বোলক; তেহে মোৰ ৰক্ষা। সৰ্ব্বনাশ হৈ মৈলো বাপ। তেহে ৰাজাৰ তুতি ভক্তিত সন্তোষ হৈ বোলে উঠা মই ক্ষমিলো। বোলে মহাৰাজ তোমাৰ অঙ্গিকাৰ ভ্ৰষ্ট হ'ল, ৰাখা। বোলে বাপ কি উপায়; বোলে আছে। তেহে কৃপালু পুৰুষে দয়াকৈ বোলে মনুষ্যৰ গাৰ বস্ত্ৰই চাল, মনৰ সকল্প হাতৰ জোখাই হাৰ। পাচে হাত জোখাকৈ বাৰি দিলে, গাৰ কাপোৰ দিলে, আলি এটাত চোৱাই-বোৱাই বাক্য অঙ্গিকাৰ সাফলালে।

আক শ্ৰী-মাধৱদেৱ গণকুচিৰ পৰাগৈ বটিয়ামৰিয়া শূদ্ৰা পাটগিৰিৰ ভ'তে ৰ'ল। তেওঁ পৰম শ্ৰদ্ধা কৈ তিনিদিন ৰাখি ভকত হৈছে বংশে সমে। শিলাৰ পখলি চোতালমূৰে আছিল; তাতে উঠি স্নান কৰিছিল। তাতে পাচত মাহাত্ম্য ওলাল। স্বপ্ন দেখি হৰি-গৃহকৈ থাকিলে, জল ঘামি শ্ৰৱি থাকে। (শিলৰ পখলিত মাহাত্ম্য)

পাচদিনা গৈ হাকমাত্ত বৈছে। তাৰ পৰা গৈছে। মালকচাৰ জেমাল কহাৰীৰ গৃহে বৈ গৈছে।

সেইদৰে অধ্যাপকৰ বাটৰ কাষে ছাত্ৰ শাল। তাতে শব্দ-ধাতু, সূত্ৰ, সাধিছে; সন্ধি, বৃত্তি, অমৰ পঢ়িছে। [illegible] (সেইদৰ অধ্যাপকৰ ছাত্ৰ-শালা)

শব্দ উঠিছে গহিন কৈ। তাকে গুৰুজনে শুনি খেদকৈ ব্যাকৰণৰ পৰ্য্যায় আনি ঘোষা কৰি মাতি আতৈ সৱত শুনাইছে। ঘোষা—বোলে স্মৰহু গোবিন্দমূঢ় ভজহো গোবিন্দমূঢ়, বোলহো গোবিন্দ সৰ্ব্বক্ষণে।
মৰণ সম্বিত ভৈলে, গোবিন্দেসে ৰাখিবন্ত, নৰাখিবে ডুকৃঞ কৰণে"। তেহে ৰাকলিপো ৰাম আতৈএ সুধিলে বোলে বাপ ব্ৰাহ্মণৰ বৃত্তি বেদধৰ্ম্ম চাউলৰ আশায়ে পঢ়োতে গুমুতেই বুঢ়া-আদবুঢ়াহে যায়গৈ। তথাপি হৰি ভজি জীৱলৈ নিচিন্তে। দেহাৰ বৃত্তিত অনেক দেৱ দেৱীক পূজে পণ্ডিত হৈ। আৰনো গতি কি হৰ অন্তে? তেহে ন্যাই তৰ্কৰ আনি ঘোষাকৰি মাতি সমিচা কৰিছে—"তৰ্কশাস্ত্ৰ মহাব্যাঘ্ৰী, তাহাত নিপুণ পণ্ডিত, তান শিষ্য ভৈল পুত্ৰপ্ৰায়। সংসাৰ বনত পশি পণ্ডিপুত্ৰ সমন্বিতে উপনিষদ ধেনু ধৰি খায়॥"

পাছে গৈ ভেলাতে গুৰুজন ঠাইতে বল। ঠাকুৰে চাউল সিজালে, ভোজন কৈলে। গুৰুজনে বোলে ধৰাৰ পো

ঠাকুৰ আতাৰ বংশপৰিয়াল ঠাইলৈ গমন

কিয় আহিলা? বোলে বাপ বন্দুকালৈ যাব খুইচো। বোলে কেলই? বোলে বাপ আমাৰ বংশ পৰিয়াল যি আছে এই শুদ্ধ, সৎ ধৰ্ম্মকে ধৰে কিবা, তাতে! বোলে ৰাক ঘোৰা, হৰ্ষো পাবা, বিষাদো পাবা। সেইটে শৃয়ান লক্ষৰ ঠাইত সোমাই যাবা।

পাছে সেৱা বিদায় কৈ গৈ শৃয়ানন্দৰ গৃহে ৰ'ল। গুৰুজনে কৈছিল নিৰ্ব্বিষয়, নিৰাশা, নিৰ্ব্বিকাৰী বুলি। তাকে ভেঁও পৰীক্ষা মনে কৈ চালে মনে হবলা। ৰূপশৰাই ৰত্নৰে আগবঢ়ালেহি। তুলি, পাটি, গাৰু, কাহি, বেৰা, কলহ, লোটা, চৰিয়া, সৰুলি ৰত্নৰো এসাজ দিলে, ৰজত সুৰ্বণৰে। শঙ্কৰদেৱে যেনেকৈ কৈছিল তাকে কৈ আছিল। ছোট আতা ভোজনপাতি একো নকৰিলে, পাৰকো তাৰ জলেৰে পিতিয়াই পৰিবাহিল। প্ৰাতৰে উঠি ৰাই লক্ষৰে বোলে

বাপ দ্ৰব্যখানি একা? বোলে এতিয়া যাওঁ থাকক, যদি পাবো সোৱাই যাম।

এই বুলি গৈ বোল বুজাৰ গৃহে বহিচন্ত। অনেক সাদৰে কৈ শুধিছে, গুৰুবুলি ভক্তি কৰি ভোজন কৰাইছে। এটি টকা বস্ত্ৰ দি আগবঢ়াই থৈছিল নি। পাচে গৈ বান্দুকা পাই বহিল। দামোদৰ পত্নী, বৌ মাতৃ পানী-পিঢ়া দিলে। মাহী, পেহী, খুড়ী সবেও চাপি আবৰি চাপি শুধিলে। সিহঁতে তঞা হঞা কৈ নি এ। আতৈ সবে শুনি বিষাদ পাই। লগতে চাউল সিজাবলৈ ধৈলে। গুৰুজনে বোলে সিজাব থুইচাহে, অন্ন আমি লব নপাৰো। বোলে কিয়? বোলে আমি ঈশ্বৰৰ চৰণত শৰণাপন্ন হৈছো। তোমালোকেও যদি এই ধৰ্ম্মকে ধৰা তেহে খাব পাৰি। এনেকৈ বুলিলতে উপহাস কৈ উঠি গ'ল। উশ্! আমি হুমু সেই ধৰ্ম্ম ধৰিব লাগে ৰৈ, তেহে খাই আমাত! আমি অধৰ্ম্মী হৈহে আছো? আগে খোৱা ভোৰ বা ক'ত থলে? দামোদৰ বেটা অনিৰুদ্ধে তামোল মুদৈৰ হাতে পাই থৈছিল টকা দি, বেলগুৰিত এৰি অহাত ৰ'ল বুঢ়িৰ গৃহে, চৌৰে নি মুদৈক দিলে, সি লৈ গৈছিল—দশমস্কন্ধ এখান। দেখি তাকে লৈ তেনেই উঠি গুচি আহিল।

এটা মানুহে কাপোৰ ধুইছে তোৰোচাৰ আগাৰিত। ঢোট আতাঁ আগে যোৱা পোনেই নামিব খুজিলে। বোলে বাপু নমা নাবাব। সেইটো বৰ নিন্দক। আতাঁ লাখুটি মেলি চাই, বৰ দ হয়। তেহে আন পোনে গ'ল। বোলে আৰ পৰাহে শাস্ত্ৰ আমি নিতিতাকৈ বলু।

আহি মৰ্দ্দন কাজিৰ গৃহে বৈচেহি। মহা শ্ৰদ্ধাভক্তি তাৰে সেৱা কৰিছে। তৈৰে পৰা আহি তেলি কৃষ্ণৰ গৃহত বহিচেহি। পত্নী মায়ান, মহা ভকত গুৰুজনক পাই শ্ৰদ্ধাৰে সেৱা কৰি পৰমাৰ্থ লভিছে। টকা এটি, বস্ত্ৰ এযুৰি দি

ভেলা মধুপুৰ

শ্ৰীশঙ্কৰ দেৱলৈ সেৱা জনাই পঠাইছে। তৈতে আই ধাত্ৰ... লগ পাইছে। তাতে তুনিশা বহি আছিছে। অত গুৰুজনে চিলাৰাইৰ অভ্যন্তৰে আচল পাই তোৰোচাৰ দখিণ পাৰহে তুৱাৰ পৰিছিল, তাৰ কাখে বলহি। চোট দেৱান মানুহ দি ঘৰ কৰাই দিলে। তৈতে আছে দোবাত মাছ খাই অনেক ভেলা পৰি। তাতে নাম জলিল ভেলা। পাচত চোট আতা নাম দিছে মধুপুৰ। তৈতে এঘাৰ দিন ঘুৰি ভক্তে সমে চোট আতা পাইছেহি। পাই মহাপুৰুষ গুৰুৰ অভয় পদত সেৱা কৈলে। গুৰুজনে শুধিলে বোলে বৰাৰ পো কেনে পালা? বোলে বাপ আগে আৱৰি ধৈলে। ধৰ্ম্মৰ কথা কলত উপহাস্যকৈ গুচি গল, বোলে সম্বন্ধ বন্ধ,, মিত্ৰ বন্ধ, লগ্ন বন্ধ, লগুন বন্ধ, এই তিনি চাৰিত নাই, ভক্তিৰ গন্ধ"

নাৱৰী পুৰাণৰ ঘোষা

টকা বস্ত্ৰাদি ভেলিকৃষ্ণ সেৱা জনাইছে। ঠাকুৰ চাউল সিজালে, ভোজন কৈলে। মুহুদি কৈ বসি শুধিছে বোলে বৰাপো লক্ষৰ ঘৰ সোমাইচিলানে? তেহে চোট আতা নাৰদী পুৰাণৰ শ্লোক মাত্তি চাৰ্চ্চিচে। সুন্দৰিত পাচত ঘোষা কৰিছে—

"ঐশ্বৰ্য্যভোগৰ মদে মত্তহুয়া ঈশ্বৰত, পৰাঙ্মুখ ভৈল যিটো জন।
যেন জীৰ্ণ গাই সিটো, দুৰ্ঘোৰ সংসাৰে মজি, পঙ্কেপৰি হোঅয় মগন॥"

এ বাপ! মহা তামসিক সি। আপোনাৰ বাক্য পৰীক্ষে। কেনেকৈ পৰিব তাকেহে চালে। আগেলৈ তেনে ঠাইলৈ নাপাচিব। পাচে গুৰু জানিলে কিবা অসন্তোষ পালেবুলি।

প্ৰাতৰে সেৱা বিদাই কৰি আহি বিজইপুৰে বহিচে।

লক্ষৰ অহঙ্কাৰ

তাৰ পৰা ক্ৰমে আহি গনকুচিতে বলহি। দিনা চাৰি পাচত তাৰ তিনি খানি লৈ লক্ষৰ আহি সেৱা কৰিলেহি। গুৰুজন পিৰিকি বহিল। বোলে নাহিবি গুড আমাৰ এখেলৈ। এই বুলি আছিছে। অত গুৰুজনে ঘোষা কৰিছে—

"যিটো মহামতি গুৰুজনে হৰিভক্তি পথ উপদেশ
দিয়া দুখময় সংসাৰৰ পাৰ কৰে।
হেনয় পৰম গুৰু ঋণ সুজিবাক প্ৰতি জানা নিষ্ঠে
অন্যত্ৰ উপায় নাহি অঞ্জলিতে পৰে॥
হৰি ভক্তি দাতা গুৰু ঋণ শুজিবাক প্ৰতি অহঙ্কাৰী
অনেক যতনে মনতে আলোচে মাত্ৰ।
ঋণ শুজিবাক নপৰায় জানি যাহা সিটো দুৰাশয়
উপলা সদৃশ বিনোদৰ ভৈল পাত্ৰ"॥—তই আমাৰ

বাক্য পৰীক্ষিছে গুৰু ভকতক দ্ৰব্য দি চহকি কৰি ঋণ শুজ বোল? কৈচ যে নিৰ্ব্বিষয়, নিৰাশা বুলি, হয় নহয় চাওঁ দ্ৰব্যদি; ভক্তি ভাৱে স্তুতি-ভকতিত সন্তোষ নহলে. নকৈলো মায়াময় সংসাৰৰ বস্তুদি সন্তৰ মনত কষ্ট লগা?

অৰ্জুনক কৃষ্ণে কৈছে—

"মোৰ ভকতক যিটো দেই নাম দান।
সপ্তদ্বীপা ভূমিদান সুহিকে সমান॥
ভূমিদান ফল ভুঞ্জি হুইবেক পতন।
নাম দান অপতন মোক্ষৰ সাধন॥"—তোৰ দত্তি গৰ্ব্বিৰ বস্তু

মোৰ ঘৰাপো চাৰই কেলই? আপুনি লক্ষ্মীৰ পতি। বিপ্ৰ দামোদৰ ঘৰিগ্ৰহে, মনত যেন ত্ৰৈলোক্য সম্পত্তি। মোৰ ঘৰাপো তেনে, যুধিষ্ঠিৰ কৃষ্ণে পত্ৰ লৈ যাওঁতে দুৰ্যোধনে অনেক দ্ৰব্য দিছিল। অহঙ্কাৰীৰ বস্তু গ্ৰহণ নকৰি, নথাকি, বিদুৰ ভগা গৃহে বল। তই অহঙ্কাৰীৰো দ্ৰব্য বি নচাই, নথাকিল হত্তে, আমাৰ বাক্যতহে মিশা বল ঘৰাপো। এই বুলি খৰি ভাবে তেতিয়া খেদি পেলালে। সৈ ঘৰ পাএ, সৰ্ব্ব পাই পুৰি দহে মৰে। পাছত পৰে সৈ কিছু থাকি ছুই ফেন হই। আকৌ উঠি আছে, বিচে; বায়ু অগ্নি এটাই, [illegible] চালে নিত পোৰে। পাতি, মাটি, পানী একেটি [illegible]।

বিশ্ৰুতিত তত্ত্ব-জ্ঞান হৰাল। টকা পাচ, ভাৰ, প্যাচখানি, বস্ত্ৰ এজুৰিলৈ ভাৰ্য্যা, পুত্ৰ পৰিলগৈ। তেহে মহাপুৰুষ গুৰু নব কন্দৰ্প শ্লোক মাতি পদ মাতিছে।—

"মই হৰি চৰাচৰ, মই বশ্য ভকতৰ, দুৰ্ব্বাসাৰ আগে দামোদৰ একান্ত ভকতে পাই, মোক বশ্য কৰিলেক, মই হৰি নোহো স্বতন্তৰ ॥" দুৰ্ব্বাসা অম্বৰিষৰ আৰ্হিকৈ বোলে মোৰ তই দ্ৰোহী নহ, ৰাখিবও নোৱাৰো। এই ভাৰ ভেটিএ যা, বৰা পো'ত পৰগৈ। তেওঁ ৰাখিলেহে ৰক্ষা পা জীৱ প্ৰাণ। আহি সেই দ্ৰব্যসৈতে মানুহ পঠালে। গনকুচি পাই চোট আতাক অনেক কাতৰ তুতিকৈ পৈলহি। আতা বোলে মই গুৰুজনৰ ভৃত্য, দাস, কিঙ্কৰ, চাকৰ, নেফৰ। গৃহস্থে ক্ষেমিলে গোলামত কি কাম? যা ভলকে। এই বুলি একো নৰাখিলে। এইৰূপে অৰতলৈ যাওতেই দুজনা গুৰু হেচাতে শৰীৰ পৈল। কতু নেসামৰিলে। দাহ তাপে পৰি শুকাই।

আৰু এদিন চান্দেসাই দৰ্জ্জিত ৰাজা বোলে এটা দগলা সি দে শঙ্কৰদেৱৰ গালৈ। সি আহি চালে গুৰুজনৰ গালৈ। গৈ চাৰি হাট কৈ দিলে নি সি। গুৰুজনে বোলে কি কৈলি দৰ্জ্জি? সি বোলে যেনে দেখিছো তেনে কৰিছো। বোলে ধিঃ কৈলি, গুচা দুই হাত। তই কতু প্ৰচাৰ নকৰিবি; কিচু জিমেই। তেহে গুচাই দিচে নি। তাৰ তেহে চোলাৰ পগন হল। অনেক কাতৰ কৈ শৰণ ললে। পূৰ্ব্বৰ চয় জনৰ লগৰ দেখি কৰাই থলে।

পঞ্চাশ এক বছাতে ভাগৱত শুনাব ইচ্ছা

আৰু এদিন ৰাজা বোলে ব্ৰাহ্মণ পণ্ডিত সবেও আমাক কালৈ বাৰেও কৰ ভাগৱত শুনাব লাগে; সম্পূৰ্ণে বছাতে পাৰ লাগে আৰু। তেহে বাৰুলে বোলে বাৰে কৰ বাৰে মাহেও ভনিবলৈ টান্দহে; চাৰিটাই চাৰি পাচ বৰেহে পাৰি। তাইহতে ভগাৱৰ শক্তি ঈশ্বৰ শক্তি হবেহে পাৰে; মনুষ্যৰ

শক্তি নাই। বাজা বোলে বাপ আপুনি পাৰিবনে? বোলে মহাৰাজ পণ্ডিত ব্ৰাহ্মণেহে পাৰে, আমাৰ কি শক্তি আছে? তেহে গুৰুজন গৈ নাম-পাঠ অৱসানে বনমালী ব্ৰহ্মীক বোলে মাহ কিছু বাটি দে। গুৰু চতুৰ্ভুজ হৈ দুই হাতে খাব কৰিছে, দুহাতে জাঞ্চ দিছে। বুঢ়ীএ বাটি লৈ দেখি দণ্ডৱতে পৈল। বোলে বুৰী যা, কতু নকৰি। তেহে মাহ নি কাটি তিকি বাৰেও কন্ধৰ মুঠ কৈ সাব গুণ মালা লিখিলে। প্ৰাতসে নিত্যকৰ্ম্ম, স্নান, গুৰুসেৱা কৈ দুই দণ্ডে গ'ল। বামুণ পণ্ডিতো গৈছে। বাজা সবাতে সুধিলে কালিযে কৈছিলো আনিচাহকনে? বোলে মহাৰাজ, ঈশ্বৰালি কৰ্ম্ম মনুষ্যৰ কাৰ শক্তি আছে? গুৰুজনলৈ চাই বোলে বাপ আপুনাৰ ফালে পাৰিনে? বোলে সজ মহাৰাজ, যি পাৰি শুনাব লাগে। তেহে গুণমালা গাই শুনালে। দেখে বাৰেও কন্ধ সম্পূৰ্ণ উঠিছে। বাজা বোলে পণ্ডিত চা এতিয়া। বোলে বাৰমাহেও নোৱাৰিহেঁ ঈশ্বৰেহে পাৰে; শঙ্কৰে দেখো দুই দণ্ডে শুনালে একা বাৰেও কন্ধ? আবা দেহো ঈশ্বৰ? পাছে টকা, বস্ত্ৰ, ভাৰ, সাজি ফুল, চন্দন দি ঈশ্বৰ বোধে মানি সেৱাকৈ পঠালে। বামুণে দেখি হেঠ মাথে তুচ্ছহৈ অধোমুখে ব'ল। গুণমালা বচনা

আক ছোট দেৱানে জন্ম পুৰানৱ শ্লোক পালে। পাই শ্ৰীশঙ্কৰদেৱৰ হাতত্তে দিলে, বোলে বাপ ভাজি পদকৈ দিয়ক। গুৰু বোলে মহাৰাজ অত কৰিব নপাৰিম! তবত্তে কৰি দিম বাক। এই বুলি বিদায় লৈ আহিল। গুৰুজন আহিবৰ শুনি চোট আতা, ঠাকুৰ আতা, আনো ভক্ত সব গৈ সেৱাকৈ বাৰ্ত্তা সুধিছে। গুৰুজনে বোলে ৰবাপো জন্ম পুৰানৰ শ্লোক খানি বাজা দিছে। পদ কৰি দিয়া বৰ। বোলে বাপ কি কৈ কৰিব? বোলে কিয়, আমি নহো কৰো একা? বোলে আপুনি কৰে ঈশ্বৰ শক্তি। বোলে তোমাৰ জাতিৰ নহয় ঈশ্বৰ জন্মপুৰাণ

শক্তি? নিয়া পাৰিবা। তেহে গুৰু বাক্য শীৰে ধৰি আনি কৰিলে। মৎস্য মাধৱে পদ তিনিশ কৈলে। ই দিকি কৈলে তিনিশ। দিলেনি। গুৰুজনে চাই বোলে তেও বোলা, মোৰ ঈশ্বৰ শক্তি নাই! তেহে খোজা বাজা বৰ্চ্ছি পাত্ৰ ভুকুকাত হাতী ভৰোৱা আৰ্হি কৈছে পুৰাণৰ পুৰাতন আৰ্হি—বোলে আমি বঢ়াবহে পাৰো, টুটাব নোৱাৰো। তুমি হ্ৰস্ব দীৰ্ঘ সবে পাবা দহো?

আৰু বামুণৰ হিৰাই, পৰাই, মেৰাই, মকৰাহি, ৰাম ভট্টাচাৰ্য্য আহি গৈ থাকে দুই তিনি দিনে। এক দিনা গুৰুজনে বোলে আপুনা সবে হৰি কথাৰ আশেই আহানে? নে আমি মানকৈ দ্ৰব্য বস্তু থান দিও তাতে আহা হক? বোলে মানতো অহা যাই, হৰি কথাও শুনিবৰ মন যাই। যাইহে তাৰ স্বাদ একো নেপাও। বোলে একুটি হৰি গৃহক গৈ যাৰ যি আহে গৰি গুণ গাবা। ইহ পৰলোক প্ৰীতি স্বাদ পাবা। পাচে গৈ সেইৰূপে কৰি গাইছে, নেপাই। এদিন কেউজনে সুধিবলৈ আহে। চোট আতাত গনকুচিৰ তে গৈছে। শ্ৰীৰাম আতা সৈতে লগ পাই সুধিলে, বোলে তোমালোক কলৈ যোৱাইক? বোলে শঙ্কৰৰ ঠাই লৈ এক কথা সোধো গৈ। কোৱাচো কি সোধাগৈ? বোলে তুমি কি কবা, নজানা? গৈ আকৌ সুধিলে, বোলে নাম গাব দিচিল স্বাদ পাবা বুলি; নেপাও দহো পাইছো; তাকে সোধোগৈ। বোলে তোমালোকৰ ঘৰত পাই নোলোৱা? বোলে, দুই চাৰি জনীও থিৰাও। দাসীহে লোহে। বোলে কিহত? বোলে কৰিয়াত। বোলে নেচাকা? বোলে চাকি চৰুত থই থাও চেনি চুবাবে। বোলে সেই চুলা, লোৱা, চাকনি, চৰুএ স্বাদ পাইনে? বোলে কিয় পাব, খোৱাহে পাই। বোলে নামবো লোই; গুৰু মুখে খুজি যাদি খাবা সবে পাইবে লোই গৃহহেহে

পাব খাব ; তুমি পাবা কিয় ? তেহে বোলে আবাই কৰিছে এই সিধান্ত ! তৎভূত কৰিব গলে। চকুঠাৰে চাই ফিৰি গ'লগৈ।

আৰু একদিনা গুৰুজনৰ বস্ত্ৰ খানিত মল হ'ল। মালী সবত কলে কাণ নকৰে। তেহে চোট আতা খাৰ আনি জোকৈ প্ৰাতযে আহি ধমু খন্দাৰ কাখে সিজাই ধুই দিলে। দেখি গুৰুজনে বোলে ববাপো তোমাক এনে বন কোনে কৰিব দিএ ! বোলে গৃহস্থৰ দাস গোলামৰ বনেই আমাৰ।

আৰু এদিন আই গোসানীএ বোলে তোমাৰ ববাপোত বিশ্বাস, স্নেহ, আদৰ-সাদৰ। আমাত, পুত্ৰ, ভাতৃ, কাৰো নাই, চালো। আৰু বিত্ত খানিও দি থই ভাঙি চিঙি ঢুকাই নিছে। তিনটি ছৱা চোটা, আগলৈ নালাগে যেন। তেহে একদিনা গুৰুজন কৈসলাতে আহি বহি আছে স্নান নকৰি। গোসানী ওলাই বোলে জল ঢালক বেলা হ'ল। বোলে বৰ অকাৰ্য্য হ'ল আজি। বৎস এটি গৈছিল, কোব মাইলোঁ, মৈল, কি হব, কি কৰিম ? আএ বোলে প্ৰাচিত্ত হৈ বৰ সভা ভোজ দিয়া হক। ঘৰ সোমাৰ নোৱাৰে তেনো এতিয়া আৰু। তেনেতে ছোট আতা পাই সেৱা কৈলে শ্ৰীৰাম আতাৰে। বোলে ববাপো, এনে হ'ল আজি। বোলে বাপ, সেই পাপ দোষৰ হৈ মই যাম নৰ্কলৈ, উঠক স্নান কৰিবলৈ। তেহে বোলে ৰমানন্দৰ মাক, চা এতিয়া। মোৰ ববাপোহে নৰ্কলকে গা হ'ল। তএ ভকতৰ পৰিচয় ভাৰ্য্যা-পুত্ৰ দোষ পাপ ল চাৰি গৃহ সোমাৰ নিদিয় ! বোলে ববাপোহে সকলো বিশ্বাসৰ দেখিলি এতিয়া ?

আৰু হৈদাহ বনিয়া আতৈ ৰজত সুৰ্বৰ্ণৰ বিচিত্ৰ বন কৰে। ৰমাচ কৰিটৰ একালে নেৰে। ৰথাই গোটাই পুৰি সেৱকত হৰিদাস বনিয়া আতৈ লগায়। গুৰুজনে শ্ৰৱণ কীৰ্ত্তনত কঠ খানি মাৰি তপৰাই থয় দেখি আতৈ সবে অনুয়া কৰে বোলে কৰিটৰ কাল নেৰে, টাঙ্গি মাৰি কাজি লয়। তাৰ কঠ ৰা থয় কেলৈ ? তেহে

শুনি আতৈ সন্নত গুৰুজনে সুধিলে বোলে বেহাৰে নিয়া জগৰতে টকা কিছু ধাৰে ভৰা হ'ল, এতিয়া গলে ধৰিব, কাৰ কি টকা মহা হাতে আছে দিয়াইঁক। পৰে দিম আমি। পাছে যাৰ সহ, বাৰ, সোল, কুৰি আছে তাৰে আদ খানি কলে, মোহ মায়াত থাকি। গুৰু অন্তৰ্য্যামী বোলে বাক। তেহে দুজন ভক্ত পঠাইছে বোলে হৈদাহত কোন্নাগৈ। বামুণৰ জগৰত চাৰিশ টকা ভৰা হ'ল ধাৰে। সেয়ে ধৰিছেহি কি দি ৰাখিব পাৰে সুধি আহাগৈ। গ'ল। পালত গুৱা শৰাই দি গুৰুজনৰ গুৰু সেৱকৰ বাৰ্ত্তা সুধিছে। কলে বোলে টকা চাৰিশত ধৰুৱা ধৰিছেহি! গা ধুৰকে নিদিএ। তাতে পঠাইছে বোলে কি দি ৰাখিব পাৰে। ৰূপ চাই, দুশ হ'ল। থাক, মণি, তাম, কাঁহ, পিতল ওজ কৈ হ'ল দুশৰ বাৰ। বোলে আকে নিয়া। দি ভোজন কৰক। কালৈ গৰু, মহ কাপৰ বিকি যি পাওঁ নিম। বোলে থাওক, সুধি যাবহে দিছে। গ'ল। পাছে ৰাতি নিদ্ৰা নাহিল। খেদ কৈ চটফটাএ পুৱাল। পুৱা কৈসালত বহি শুনিছে, গৰু, মহ, দাস, দাসী, বন্ধু এৰি বিকি ভাৰ্য্যা পুত্ৰকো যদি সুজিব নোৱাৰোঁ গা বিক্ৰই গৈ গুৰুজনক একৱাৰ লাগে। স্নান কৈ খেদেৰে গৈ প্ৰসঙ্গতে সেৱা কৰিছে। গুৰুজনে বোলে কি পালা? বোলে বাপ, টকা হ'ল দুশ, ওজকৈ হ'ল দুশৰ। গো, মহ, দাস, দাসী, ভাৰ্য্যা, পুত্ৰ, বিকি যি পাএ দিএ পৰে। বোলে সে সনাত কি মনেৰে আলচি ভাবিছিলা? বোলে মাটিলে লিও হব। তেহে গুৰুজনে প্ৰেম স্নেহত পদ মাতিছে—

"গুৰুজন হিয়া এৰি-আইৰাক মুৰাৰা হৰি,
সবাই আমা পাএ প্ৰেম কৰি।"

একবাৰ গঙ্গা দেবী পৰশিলে হৰি পাও,
তভো মুহি ভকতৰ সৰি ॥”

ভৈলোহোঁ বশ্য মই তোমাসাৰ ! শুচিৰ কাণে সুজা নবাই ধাৰ ॥ কৃষ্ণ যেনেকৈ গোপীৰ ভক্তিত বশ্য হ'ল আমাকো হৈদাহৰ ভক্তিএ বশ্য কৈলে। বোলে আতৈ সব, দেখি চাবি, তেহে চিত্তক লেখি। কত পৰাত অসূয়া কৰা। ৰজত সুবৰ্ণ, গৰু, মহ, ভাৰ্য্যা, পুত্ৰ, তাম, কাঁহ, দিও দেহা অৰ্পণ উছৰ্গা কৈলেগৈ। তোম্ৰা সবে অৰ্দ্ধেকৰহে কলা-হৰু, দিম বোলাতো ?

আৰু বছৰি যাৰ লাগে ৰাজা ঠাই সূতা শোধোৱা বাবত, তাম্বিৰ। তুলি লৈ গৈ পালেগৈ। ৰাজা আগবাঢ়ি গুৱা শৰাই দি সুধিলে বাৰ্ত্তা। কলে বোলে বাপ, শাস্ত্ৰ অনা হৈছেনে ? বোলে মহাৰাজ, হৈছে। দিলে। পঢ়াই চাই দেখে ভঙ্গিতা নহই। বোলে বাপ দহোঁ ভনিতা নহয় আপোনাৰ ? বোলে আমাৰ ছাঁতে এজন পুৰুষ আছে, তাৰাহে কৰিছে। বোলেনে দেখো দহোঁ অহাত ? বোলে নাহে ; তাৰা নিৰ্ব্বিষয়, নিৰ্ব্বিকাৰী, নিৰপেক্ষ, নিৰাশা, নিৰ্গুণ, নাহে। এদিন দেৱানে বোলে তোম্ৰাক আমাৰ দদাজে বজাৰ গৃহত যোগী
ভাগৱত পুৰাণ চৰ্চ্চাই শুনে তাৰ ভিতৰতে যোগী এটা আছে কৈছেনে ? বোলে নাই কৱা। তেনো সুধিব। শুক গৈ বোলে মহাৰাজ, তোমাৰ ভিতৰতে যোগী এটা আছে হয়নে ? বোলে, আগৰে পৰা আছে হয়। বোলে তাক পোহাৰ তো একো নাই, খেদি পেলোৱা। তেহে বৌদ্ধ সন্যাসী
খেদালে ৰাজা। সুহৃএ কলে বুলি ৰাজা জানি বোলে বাপ, আপুনাক ঈশ্বৰ বোধে মানিছে। ভিতৰতে থকাটো মানে বৌদ্ধ এটা থৈছে, কৈছেনে ? বোলে নকৰ। তেহে গৈ বোলে মহাৰাজ, তোমাৰ গৃহে হয় সন্যাসী এটা

আছে হয়নে? আমি নহলে মেল দিএ। কাক চিন্তে? বোলে বাপ, আপুনাৰ দৰে এক ব্ৰহ্মক হে চিন্তে অনাচাৰ নাই। বোলে মাতাচোঁ। পাচে মতালে। বোলে জৰ, স্থুৱাবো যাব। বোলে ধৰি গতাই আন। গুৰুজনে মতাত নাহে কিয়? ধৰি আনিলেগৈ। গুৰু ভাগৱত পুৰাণৰ শ্লোক সংস্কৃত দি সোধে, কাক চিন্ত, ধ্যানকৈ পূজ? সি বাৰেপতি কয় বোলে হামু এক ব্ৰহ্মক চিন্তোঁ। গুৰু বোলে ই বৌদ্ধাচাৰ খেদি পেলোৱা। ৰাজা গতাই খেদালে। সেই খঙ্গে গৈ গুৰুজনৰ পাচত খেৰ পূজি সাজি চিলাৰাইৰ মূৰ্ত্তিকৈ খৰিকাবান হানি হেৰা দিলে। আৰ্হে কুৰি সোৰয়ৰতে গুৰুজনৰ আৰ্হে বৰ্ষৰ পাচত চলিবৰ ভু পাই। ধূলা পৰ্ব্বতৰ কাখে গৈ পোৰা বাসা দিলে। অনেক বৈদে চাৰ মুৱাইলে, পুৰি শুকাই চলিল। আৰু গুৰুজনে বৃন্দাবন, গকুল, মথুৰা, গোবৰ্দ্ধন, যমুনা, এই সবৰ কথাকৈ থাকে চৰ্চ্চা কৰি। ৰাজা শুনি এক দিনা খৈলে বাপ, কৃষ্ণক দেখক। বোলে বাৰু, কিছু মাহ চাউল, উপাধি কৰা সাৱধানে। তেহে কৰি দিলে। ইকাদশীত হৱিষে পাতি-ধূপ, দীপ, লগাই পূজি ধ্যানকৈ আছে। তেহে তুপৰ চাই দণ্ডমানত গোপ-বালক ধেনু, বৎস, সমে ওলালহি। শিঙা, বেণু, বেত, বেৰটি, বংশী, মৈৰাপক্ষা, চৰা, চলনা, পাঙনি, চাণ্ডনি, দিব্যৰূপে দেখা দিলে। ৰাজা দেখি বিস্ময় হৈ চাৰ মুৱাৰি চেপেটা হল। গুৰু নম্ৰ হৈ নমিলে, তাৰা সবেও নমিলে, প্ৰসাদ উপহাৰ ললে। আজ্ঞা কৈলে গ'ল তাতাই অন্তৰ্দ্ধান হ'ল আগতে। ৰাজাৰ লোম সিহৰি প্ৰেম জবিৰ খৈলে কম্পমান হৈ। আৰু ৰাজা বোলে বাপ, ভোজন কৰোঁতেই যেন তিনিও হোৱা দশম শুনিবলৈ পাঞ মানে। গুৰুজনে বোলে বিপ্ৰপণ্ডিত সব আছে শুনক। ৰামুণে বোলে মহাৰাজ, ভোজন একমতে হয়, দশম মাহ হুৱাহেও

ৰজাৰ দিব্য দৰ্শন

ৰজাৰ ভোজন কৰোঁতেই দশম শুনাৰ কামনা

টানহে শুনাবলৈ। ঈশ্বৰ শক্তি হলেহে পাৰে। মনুষ্যৰ শক্তি নাই। ৰজা বোলে বাপ, কোনে শুনাব দাসক? গোলামৰ মন গৃহস্থেসে পূৰে। বোলে বাক, কালৈ ভোজনত পাৰি নিকি চাব লাগে, ঈশ্বৰত ভৰসা কৈ। বামুণে বোলে কেনেকৈ শুনাই চাওঁ, লাজহে হব, নুৱাৰে। এ ছোৱাকে টান, আচক তিনি ছোৱা, ৰজা লাজহে কৰিব। আমাৰো সোনকালে আহিবাইঁক, হাঁহি লঘু কৰিম। গৈ গুৰুজনে নাম পাঠ কৰি ভোজনকৈ সবেও শুলে অষ্টভূজ হৈ পাত তিকি কুটি নিমিষত কৃষ্ণৰ লীলা মালাৰ সংখেপে কৈলে তিনিও ছোৱাৰ। বিহানে শৌচ, শুধি, স্নান, গুৰুসেৱা, নাম, পাঠ, ভাগৱত, ভোজনকৈ গৈ ৰজাৰ ভোজনতে শুনালে। ৰামুণে দেখি শুনি আশ্চৰ্য্য অদ্ভুত হ'ল। ৰজা সন্তোষ হৈ সন্মান কৈ বস্ত্ৰ টকা দি আগবাঢ়ি পঠাইছে।

আৰু খগেশ্বৰ সন্ন্যাসী আছিল বাদ কৰিবলৈ পণ্ডিত বিচাৰি, কপিলা উপৰে শাস্ত্ৰ তাৰ ওপৰে উঠি। গুৰুজনে পাই বোলে কেনে ব্ৰহ্মচাৰী! গো, শাস্ত্ৰ, আৰ উপৰে চৰি ফুৰা? বোলে গো, শাস্ত্ৰ, হামু, সবে ব্ৰহ্ম, কিছু দোষ নাহি। হুঁ ৰাম লিগিৰা আছিল, বোলে হামু কে? বোলে ব্ৰহ্ম। তেহে গুৰুজনে চক্ষুত আৰ দিলে, বৰ ভুকু মাইলে হিয়াত। বেকবেকাৰ ধৰিলে। তেহে গুৰুজনে বোলে গৰু, শাস্ত্ৰ, তুমি হামু, আদি ঈশ্বৰ, ব্ৰহ্ম। ব্ৰহ্মত ব্ৰহ্ম দাঁড়িলে কিছু দোষ নাই। তেহে লাজ অধোমুখ হৈ গুচি গ'লগৈ। ৰজা শুনি প্ৰশংসা কৈ গুৰুজনক হাস্যে ব'ল।

খগেশ্বৰ সন্ন্যাসীৰ বাদ

আৰু গুৰুজনে গকুল, মথুৰা, দ্বাৰকা, বৃন্দাবন, গোবৰ্দ্ধন, বাৰে বন, কালিন্দ্ৰী, বৎস, ধেনু, গোপ, গুপী এই সকল লীলা চৰিত্ৰ সদায় কৈ থাকে। ৰজা বোলে বাপ তুক তেকুলিন পাৱন, ৰবিৰৰ আইনিধি, খোৱাৰ পৰ্ব্বত কপাহু বস্ত্ৰ, তিলুকৰ

অমৃত ইচ্ছা মন দৰে মোৰ অধম পাপীৰো চিত্ত গ'ল। তথু মুখ পদ্মত ঘ্ৰাণ পাই পিয়াৰ পাৰো নিকিন? গুৰু বোলে কল্পকৈহে দেখাব পাৰি। পৰতে বোলে বাপ, তেনো যৰুগৈ। আমি ততে বাৰেও মড়লক সূতা সৈতে গতাই দিঞা কৰক যাই। তেহে আহি ন দিনে পালেহি। পুৰা শুনি চোট আতা ঠাকুৰ আতা আহি সেৱা কৈলেহি তেনেতে অনন্ত

অনন্ত কন্দলীৰ দশম ৰচনা শেষ

কন্দলীএ উজানতে দশম, মধ্য শেষ পদ কৈ দি সেৱা কৰিলেহি। গুৰুজনে চাই বোলে বামুণী পুতেক, হই টোকৰ মাইলা বেল শিৰত নপৈল, ভক্তিপৰ হ'ল বস্ব, যুদ্ধত কৈলা দীৰ্ঘ। বোলে বড়া পো, মই আগ, গুৰিএ ধৰো, তুমি উঠা মাজত। সাৰ কাঢ়ি গুৰুজনে কৈলে হৰিবংশ মিশ্ৰ দি ৰুক্মিণীহৰণ, কুৰুক্ষেত্ৰ, চোট আতা ৰাজসূই। তেহে মহাপুৰুষ গুৰু বাৰেও মৰল চপাই, বুঢ়া গোপালো এজন। সূতা গোটাই বনকালে ৰঙ্গা, বগা, কলা হৰিদ্ৰা, মৌজ, কাছ, নীল, গৌৰ, শ্যাম বোলাই ছকুৰি হাত ঘৰ কৰালে কাপৰো ছকুৰি হাত বাটি কৰালে। যত যি বগা কলা দিয়ালে ৰ তুলি চলাই মেৰাই শ্যাল তুলি সেই দিনাই চাৰি আঙুল বোৱালে। সেই ক্ৰমে নিতে আহি গৈ বোৱাইহে। বজিয়া জানে গৈ কুমাৰ কুছিত পৰি কোটা জানে দি বৰ পেটাত পৰেগৈ। সেই জানৰ কাষে ভীমা বায়নৰ গৃহ।

জীয়াখাল*

তেওঁৰে পত্নী জন্মৰে চাকুলী, যহি নেৰি পাজি কাটি নাম লৈ থাকে, যতৰতে বোৱা তোলে, খেএপত্তি শলাগে "কৃষ্ণদেৱ" তুমি প্ৰভু দীন দুখহাৰী। ভকত আকে মুখ্য কৈ অনেক গায়। বাটতে বাঁহ এজুপি আছে. জেনত ধৰি গুৰুজনে একেৰি বৈ নিতে শুনে। নাম লুতী কৃপালু পুৰুষ মায়াকৈ এদিন ৰমত

চাকুলী সোণ হল

বোলে চাকুলী উঠ। বোলে বাপ, মই জন্মৰে চাকুলী, কেনেকৈ উঠিম? বোলে উঠাচো, বুলি দুই হাতে ধৰি পাঞা

ভৰি দি পোন কৈলে হাবে হৰে মৰমৰাই গ'ল, চাকুলী দিব্যৰূপ হ'ল। .নে দেখিলে আক গুৰুজনক, বৰ পুত্ৰ ৰমাই নাম ধৰি বোলে উঠাচো ৰমাই বাপ। তেহে বায়নে বোলে কতহে দহোঁ মাত? জুই ৰূ দি চাই দেখে দিব্যৰূপ। বোলে কিকৈ এনে হলি? বোলে মই অত কব নুৱাৰোঁ। গুৰুজন ঠাইতহে কম, পুৱা নিবা। পাছে প্ৰাতযে স্নানকৈ মাহ চাউল বস্ত্ৰ লৈ গ'ল। গুৰুজনে দেখি অল্প হাস্যকৈ বোলে বায়ণ দেখো আহিছা? বোলে বাপ, চাকুলীএহে আনিছে। আজি নিশা দহো মাতিব ধৈলে, উঠি জুই ধৰি চাঞ দেখো এনে হৈ আছে। বোলো কি কৈ এনে হলি? বোলে গুৰুজন ঠাইত কব পাবো। বোলে চাকুলী কচো। স্বৰূপত কৰা ক্ৰমে কলে। তেহে গুৰুজনে বোলে ছদ্মকৈ চাকুলী, মই নহঞ, গুণ লুভী হৰি—

"হৰি গুণ গায় ভাই কৰিয়া উৎসৱ।
গুণতেসে তুষ্ট গুণ লুবুধ মাধৱ॥"

নামত তুষ্ট হৈ তোক পোন কৈলে ঈশ্বৰে, চাৰি জন্মে ইবাৰ সাৰিবা, এই বুলি ভাণ্ডি পঠালে।

আক একদিনা বোলে ৰবা পো এটি গীত কৰা। বোলে কেনেকৈ? বোলে পাৰিবা কৰাই আমি কৰিছো দহোঁ? বোলে আপুনি কৰে ঈশ্বৰ শক্তি। তোমাৰ জানো নহয়? কৰা। তেহে গুৰুবাক্য শিৰে ধৰি কৰি দিছেনি— আসোৱাৰী—

"ৰে মন হৰিকহো চৰণে শৰণা,
নিকটে দেখহ নিজ মৰণা।"

চাই, তেও বোলে ঈশ্বৰ শক্তি নাই? একো বোজা নাই দহো একা? অহা বোৰাকে কাপৰ বোৰাইছে। এদিনা পা কিয়া। বোলে ৰবাপো বোজা আজি তুমি [illegible]। বোলে

মই কি কৈ বোৱাম ? বোলে দহোঁ আমি বোৱাঞ ? বোলে আপুনি বোৱায়, ঈশ্বৰ-শক্তি, আমি বোৱাম কেনেকৈ ? বোলে বোৱা, তোমাৰো। পাৰিবা। গুৰুবাক্য ৰাখি গৈ চাই, ভোজন বেহাৰ পৰিছে। মেলি চাই কিছু তেহ্নি হৈছে, পোনাই এজলৈ বোৱালে, আছি সেৱা কৈলেহি। বোলে ৰবা পো, কাপৰ কি পৈল ? বোলে কিছু তেৰি হৈছিল মেলি মেৰাই বোৱালোঁ, এবেগত হ'ল। গুৰু বোলে তেও বোলা মোৰ ঈশ্বৰ শক্তি নাই। মই জানোঁ, মোতকৈ বঢ়া তোমাৰ। তেহে কাপৰ হ'ল হমাহে তিনিকুৰি হাত, ৰ'ল তিনিকুৰি;টুটিল। জাপি, জপা বান্ধি থলে। শুনি তাম্তিকুছি গনকুছি, বাউসীয়া, সুন্দৰী, বাৰাদি, বামুণা, দতকুছিয়া, পাটকিয়া জাতিৰমন সবেও প্ৰাৰ্থনা কৈ চাবলৈ ধৈলেহি। তেহে গুৰু এঢলীয়া চাঙ্গকৈ নবীন ঢাৰি পাটি পৰাই হৰিছে বৈ কাপৰ মেলি দেখালে বাৰেবন বৃন্দাবন, য'ত যি লীলা খেলা সবাকে নাঞকৈ দেখালে, আখৰো হৈছে মাতিৰ পৰাৰ। দেখি বাজে আশ্চৰ্য্য অদ্ভুত হৈ বোলে এই কাপৰ ই বৈকুণ্ঠৰ, বোৱাজনো পতি ঈশ্বৰহে, মনুষ্যৰ বন ই নহয়। টকা শিকানি দোৱানি কৰি দি সবে সেৱা কৈলে, জাপি থলে পুনৰ। আকৌ চন্দৰী-দাসী নাছিল, ভিক্ষালৈ গৈছিল। গধূলি গুৰুজনে বোলে বুৰি আজি কাপৰ সবে চালে, তই নেদেখিলি। বোলে মোকো কালৈ দেখাব। বোলে জপা বান্ধি থলু ভোলৈ মেলো আকৌ ? বুৰীএ বাপকৈ বোলে তোমাৰ বোকোণ্ডা ধান খালত ৱজতে চিৰিবে কোৰ এটা মাইলোঁ, তাৰে খং চাৱা নাইচো ? কৰ দিয়ানে বাধাৰে গোকুল বৃন্দাবনৰ কৃত্য ? গুৰু বোলে হা হা বুৰি, মনে মনে থাক। দেখায়, বুৰী গুৰুজনক তোলা কোলা বোকা বয়সেৰে বুৰী মানুষ সম, বুৰা মেই ক্ৰমে তাক পতাই মেলি দেখালে।

বৃন্দাবনী কাপোৰ

চাই বুঢ়ীএ দেখে ভাস্তিব বটকেছি ঘাটৰ ক্রম লৰিল। চাই দেখা বটৰ ক্রম লৰিল। যমুনাৰ বামেহে লাগিল। কিয় ? গুৰু বিমৰ্ষকৈ বোলে বুৰি হুই ভুলিলোঁ। ছুজনা গুৰু কাপোৰ বোৱায় বুঢ়ীএ দায় ধৰে, বুঢ়ী বৰ ভুপা' তেহে কাপৰ জপা বান্ধি থলে।

আৰু বমুৰা সাই আতৈ গুৰুজনৰ গৰু এগাৰ হালি ৰাখে। নিতে শুধা হাতে নাহে, খৰি পাত, মাচ, কচু, ঢেকিয়া, টেঙ্গা আনি গুৰুজনক দি ভক্তত ম্বাৰে পতি দিএ, খায়। গৰুকে মহ, ডাহ, জোক, পোক, ঘাহ, পানী শ্রদ্ধা কৰে। আতৈ সবে গুৰুজনে যাৰ ষি চলে দিএ। এসাদ্ধ্যা খাই দেহ প্রবৰ্ত্তাই, সমূহত ভাগটি থয়। আৰু এদিন ছুপৰ নিশা আন্ধাৰ বৃষ্টি জল, জঙ্গল, পঙ্ক, মন বুঝি গুৰুজনে বোলে বুঢ়া বাম খিৰামড়লৰ ত'ৰ পান কিছু আনাগৈ, বটাত নাই। বোলে সজ বাপ। তেতিয়াই গ'ল। পথে এটা বাঘ ভেট হ'ল। দেখি বোলে বুপা, তোক কৰ্ত্তা পুৰুষে স্রজিছে, আমিও সেই পুৰুষৰ বাক্যত আহিছো, কি কৰ এতিয়া ? সি শুনি আস্তৰিল, কিছু গৈ ভৈচ ববাত পৈল গৈ। তাতো কলে সেই দৰে। সিও একাল হ'ল। পথাৰতে গৈ পালেগৈ গৃহ। মৰলে দেখি অদ্ভুত আশ্চৰ্য্য হ'ল। এই নিশা কিয় আহিছা। কি হৈছে ? বোলে গুৰুজনে পান খুইছে। দিলে। লৈ আহি দিছেনি। গুৰুজনে দেখি বৰ খেদ কৈলে। তোমাৰ মন বুজি সেই কুটনি কৈলোঁ, দুখুখিলাও, পৈ বৰ দুখ শ্রম পালা। পৰম সন্তোষ হৈ বোলে তোমাৰ জীৱন কুশল হ'ল। এই শৰীৰেই যাৰ পৰা শক্তি হ'ল। তেহে আৰু অনুক্রমে উঠাৱন একাদশী উদ্ধাৰে পতি ভকতৰ ধূলা লৈ বিদায়কৈ গুৰুজনত প্রাৰ্থনা কৈ নাম পাঠ গাই শুনি, হৰি গুৰুৰ কলাতে ৰাম ৰাম কৈ কচু লৈছে উঠি গ'লে। গুৰুক [illegible]

দেখি গ'লা গ'লকৈ হুছি লগালে। গুৰু শুনি ওলাই চাই দেখে ছুই, দৃষ্টি পালেগৈ। বোলে ৰাম হৰি অহা যাক। শুনি আহি অভয় পদত শিৰদি সেৱা কৈলেহি। বোলে পাচলৈ ধৰ্ম্ম সেৱকত বাদ পৰিব, সজাটি এৰি গ'লে সজ। তেহে ৰাম কৃষ্ণ, সুমৰি গুৰুজনলৈ শিৰ কৈ গ'ল। সকলো দেখি আশ্চৰ্য্য অদ্ভুত হ'ল। বোলে এইহে সেৱা ধৰ্ম্মত বল। গুৰু নিয়াই কাঠ সহস্কাৰ কৰাই শৰাই সিধা, জল পান দিলে।

ধৰ্ম্মবস্তুৰ স্থিতি

আৰু একদিনা ৰাম ৰাম গুৰু, চোট আতা, ঠাকুৰ আতা, বলোৰাম, শ্ৰীৰাম, পৰ্ম্মানন্দ, গোবিন্দ, জাতিৰাম, কালিৰাম, বাকলি পো ৰাম, এই সবে সৈতে জুৰত নিশা সুধিছে গুৰুজনত, বোলে বাপ, এই ধৰ্ম্ম বস্তু কত ৰব পাচলৈ? বোলে মোৰ ৰবা পোত, ছুই নাতিত আৰা সবৰ আজ্ঞা দহ বাহ্ৰ জনকৈও ধৰিব, জ্ঞান শিক্ষা বোধ লৈ অনেক তাৰিব তৰাব। বোলে ৰবা পো আৰু পূব দেশৰ ছুই ব্ৰাহ্মণ আমাৰ পিছত আহিব, জানু পৰাই জ্ঞান কৰা, আশ্ৰম নিৰাশ্ৰম, ভাগৱতী ধৰ্ম্ম প্ৰবৰ্ত্তাই জীৱ নিস্তাৰিব, আৰু বেল গাছে ধুৱাহাটত মদন গোপাল থৈ আছিছে। কৈ দিবা, তানে আজ্ঞা লৈ অনেক শাখা বাঢ়িব আৰু আমাৰ দমোদৰ হস্তে আজ্ঞা ধৰ্ম্ম লৈ দহ বাহ্ৰ জনেও প্ৰবৰ্ত্তাব ভাগৱতী অন্তৰঙ্গা, আৰু উজানৰতে এজন পুৰুষ আহি শুদ্ধ একশৰ ধৰ্ম্ম প্ৰবৰ্ত্তি অনেকক প্ৰবৰ্ত্তাব, মহাজ্ঞান দিয়া অনেক জীৱ নিস্তাৰিব. মহা যৌতহে অনেকে ধৰি তৰিব।

মদনগোপাল মূৰ্ত্তি

দামোদৰ

শঙ্কৰদেৱৰ নাম শুনি [illegible] কমলা

আৰু গীত কৰি গোটাই লিখিলে বাৰেও ফুৰি, কমলা গায়নে নিজে আৰবাবলে, চতুৰহাবন পোৰা ৰতাহত ৰব পোৰাত পুইলে। গুৰুজনে যোৰ-কৈ বোলে ৰবা পো, অনেক প্ৰৰকৈ গীত খানি কৈলো, পুইলে। গীত কিছু কৰা,

আমি নকৰোঁ আৰু .তেহে শ্ৰীমাধ দেৱে গুৰু বাক্য ধৰি কৰিছে। আৰু সবৰ মুখত বোৱা আগে শুবি বিহা গাবি ক্ৰমে দি মাজত চোট আতাই গীত কৈলে নকুৰি-এবাৰটা বৰগীত, ছয় বসে, চোৰ চাতুৰী। (মাধদেৱৰ বৰগীত ৰচনা)

বৎসৰ উদানে কাপোৰ সোধাবলৈ গৈছে বৃন্দাবনীয়া। গৈ পাই নিশা বহি নিত্যকৰ্ম্ম নাম পাঠ কৈ 'গল চোট ৰাজ ঠাই। ৰাজা গুৱা শৰাই থৈ সেৱা বাৰ্ত্তা সুধিছে। কলে, বোলে বাপ, কাপৰ হ'লনে? বোলে হ'ল, অনাইছে। পাছে ৰাজাক সাৱধানে হৰিচে থৈ অভ্যন্তৰে চাঙ্গী ঢাৰি পাতি বস্ত্ৰ পৰাই মেলাই সুবৰ্ণ লকৰে দেখাই চিনাইছে ৰাজাক যাৰ যি মূৰ্ত্তি। বৃন্দাবন বাবে বন, গকুল, মথুৰা, দ্বাৰকা গোবৰ্দ্ধন, যমুনা বদ, দশ বাণ্ড অৱতাৰ, গোপ গোপী, ধেনু, বৎস, শিশু দেখি চাই ৰাজা আশ্চৰ্য্য অদ্ভুত হ'ল। পৰম সন্তোষ হৈ টকা এশ, সোনা চাই টকা, বস্ত্ৰ এজুৰি। দিগ্ বিজয় কৰাত অনা যুধিষ্ঠিৰ যজ্ঞৰ বাসুদেৱ মূৰ্ত্তি দিছে। এশ কুৰ্ব্বীয়ে এশ টকা, এক বস্ত্ৰ দি সেৱা কৈলে, সামৰি থলে। ৰাজা বোলে দদাক কালৈ দেখাবনি। পাচ দিনা নৰনাৰায়ণে শুনি বাত্ৰা সাকো কৈলে আহক আনক বুলি। গৈ নি ভিতৰে চাঙ্গ কাপৰ পাতি পৰাই দেখাই চিনালে সেই দৰে। ৰাজা দেখি সেইতে বিক্ৰতি হৈ বোলে ই কি মনুষ্যৰ বন। সাক্ষাত সেই কৃষ্ণ বৃন্দাবনেই হৈছে, গো, বৎস, ধেনু সমে অনেক ভাব সাজি টকা বস্ত্ৰ দিলে, মাদৈ সবেও দিলে। বস্ত্ৰ সামৰি থৈ আহিছে। ৰাজা সন্তোষ হৈ ঈশ্বৰ মানি, মোৱা-মাৰি পশ্চিমে, মানহ দখিনে, তোবোচা উত্তৰে, তেলা পুবে চাৰি [illegible] সীমা কৈ মাটি [illegible] নাৰায়ণ ব্ৰাহ্মণক দিলে, বিলে [illegible] গৃহ [illegible] [illegible] কৰাই থাকে মনে। তাকে লৈ [illegible] আছে।

(যুধিষ্ঠিৰ যজ্ঞৰ বাসুদেৱ মূৰ্ত্তি)

(ৰজাৰ [illegible])

আৰু চোট আতা স্বপ্ন দেখি গৈ পাই মৱামাৰিত গা শুদ্ধ কৈ মাটি পানী লৈছে বাকলি ৰামে সৈতে। তেনেতে পূৰ্ব্বভৰা গঙ্গা-তীৰতে দুই বামুণ বাগীশঠা নামে আছে। অনেক পুৰান, ভাৰত সংহিতা, তন্ত্ৰ লৈ বাদলৈ গুৰু-জনক। নাঞ নপাই বাৰ্ত্তা সুধিলে বোলে শঙ্কৰ ঠাই যাব লাগিল, কেনি উত্তৰিম? বোলে যদিহে বাদে আছিছ নেথাই যা, যদিহে গুৰু মানি আছিছ আঠু হে হৰ আহ। নামি চাই দেখে দ। তেহে গুৰু মানিবলৈ নিচই কৈ চালে একাঠু হ'ল। আহি ইপাৰে গৰত থৈ শাস্ত্ৰ সব কাটি উটালে। চোটআতা লগে আছি সকলোখানি কৈ ভেটাই দিছেহি। বোলে ৰবা পো, মই ফুৰো আঁৰ হৈ, তুমি দিয়া দেখাই। দুও বিপ্ৰ হৰিষে নিশা বৈ গুৰু ধৰ্ম্ম ধৰি গৈছে। তাৰ পৰা কাকত কুটা নাম হ'ল নদীৰ থানে সৈতে।

তৰ্ক কৰিবলৈ অহা বামুণ

কাকতকুটা নামৰ কাৰণ

আৰু চোট দেৱানে প্ৰাৰ্থনা কৈলে ৰামায়ণৰ নাট কৰিবলৈ। একে নিশা নাট, সূত্ৰ, গীত, ভটিমা কথা কৰি শুনাইছে ৰাজাক। দেখি শুনি আশ্চৰ্য্য অদ্ভুত হৈ ঈশ্বৰ শক্তি দেখি এশ পল্লীক হৰিচ কৰাই সেৱা কৰাইছে বস্ত্ৰ, টকা দি সেৱা কৰিছে তাৰা সবে। গুৰুজনে তাতে কাপ কাটি এৰিছে। পয়াণৰ গদ্য শ্লোক শক দিছে। শ্ৰীশঙ্কৰ ক্ষিতি ভুবজ গুণেন্দু শাকে জাতো গমতু হৰিপদং খ বিলা বিধু চন্দ্ৰে" ইতি ১৪৯০॥

ৰামবিজয় নাট

শঙ্কৰদেৱে কাপ কাটি এৰিছে

পাচে গুৰু তিনি পক্ষ ৰহি ৰাজা চোট দেৱানত বিদায় হৈ উজাই আহি ৰাউসী পালেহি। চোট আতা ঠাকুৰ আতা গৈ সেৱাকৈ বা—বাৰ্ত্তা সুধিছে। শুনি কোচবেহাৰৰ ৰাজা তকত পঠালে প্ৰাৰ্থনাকৈ নিৰ্বন্ধে। গুৰুজনে বোলে ৰবাপো থোৱা আৱাসৰ দালো থোৱা, তুমি কৰা

ৰাউসী

বিষয় মস্তে, ৰৰাপো কৰা শাস্ত্র পৰমাৰ্থৰে বুজাবা, তুও সখি যোঁৱাহুক ৷ তেহে আতা উঠি সাৰাটি ধৰি ধুলা লৈছে। গুৰুজনে দিছে, "ভৃত্যক নেৰিব"। তেহে তুওজনা গৈ ৰাজাক মহাজ্ঞান কৈ বন্দিয়াৰ মেলাই বোলে গুৰু ধৰ্ম্মলৈ সমুখ হলে সম, দম, দায়া, ক্ষমা, অঠৈৰটা লক্ষণ এঘাৰটা ভাগ্য হব লাগে। ভকত-হৈ এপক্ষ ৰাখি সন্মানকৈ পঠাইছে। আহি গুৰুজনক সেৱা কলেছি। আৰু আতাৰ পুত্র চাৰিজনা তুহিত্রী পাচ, একদিনা গুৰুজনে বোলে নাৰায়ণ দাস, লৰা কেইটি ? বোলে বাপ, পৰ্ম্মানন্দৰ মাকেহে জানে। পাচে আই-অহাত সুধিলে, বোলে প্রভু, লেখা নপাঞ, নলধৰাত গুৱাই থওঁ গুনা হলে বিচাৰ লঞ। হাস্য কৈ গুৰুজনে বোলে ৰৰাৰ ছৱা দৰে হৈছে।

আৰু এদিন বাৰা বাহিআএ ঘৰে আতাত সুধিলে বোলে তোম্রাৰ ভকতত স্নেহ নে আমাত স্নেহ ? আতা বোলে তই কি ই জন্মৰ সংসাৰলৈহে টান, সেৱক বস্তুহে পৰলোকৰ সখা সহায়। বোলে নটা কিয় মিছা কথা ক ? আতা কষ্ট বেজাৰ পাই গুৰুজনক সেৱা কৈলেছি। কৰি কলে এনেকৈ বুইলে পৰ্ম্মানন্দৰ মাকে, বাপ আজি জাত ঘালি। তেহে মতাই আনি বোলে মোৰ নাৰায়ণ দাসকহে এনেকৈ বোল কিয় ? আএ গুৱা শৰাই আগ বঢ়াই বোলে বাপ, দাসীত দায়, তেওঁ ভকতত দায়া বুলি মিছা কয়। মোৰ এই কেয়া আঙুলিতে ৰূপ এশ বাখৰে সৈতে আঙুৰী দিছে সোঠাৰ। আৰে আদ থান মান ভকতক দি ভুধিলে দহো হয় ? গুৰুজনে বোলে নাৰায়ণ দাস, তোমাক উত্তৰে ঘটালে, মই কি [illegible] ? আতা পিচদিনা গৈ ৰূপা, সোণ, তাম, কাহ, বস্ত্র, গৰু, মহ, সবাকে গুৰুজনত শোধালে গৈ। তাৰে এক তিনি ভাগ কৰিলে সেৱকৰ ৰাজাৰ আৰ্য্যাপুৰুৰ, কৈ দি পঠালে বন্দাহাৰ কৰাই ৷

আৰু এদিন হুজনা গুৰু, ঠাকুৰ আতা, চিৰাম আতা, বলোৰাম, কালিৰাম, পৰ্ম্মানন্দ এই সবে বহি মহা প্ৰেম খেলা সুখে আনন্দে চিৰা ভোজন কৰিছে। তাতে হুন্দৰী আএ দেখি দোলায়মন হৈ গুণি গাস্থি অধৰ্ম্ম হলে কিয় কৰিব, ধৰ্ম্মৰো এনে দেখা শুনা নাই দহো, এই বুলি পুৱা কাহি সাত খান ধুই কহুৱা ফুল এটা আনি বোলে যদি ধৰ্ম্মহে জীৱ ধৰি আচৰি এই সাত স্বৰ্গ ভেদি বৈকুণ্ঠ পাবগৈ, অধৰ্ম্ম হলে ৰব সংসাৰে, এই বুলি মাইলে, সবকি গ'ল সাতো খান। গুৰু ভোজনত বন্ধ্ৰত নখ লাগি সুধিছে বোলে ৰামানন্দৰ মাক, কৰ বন্ধ্ৰ? বোলে জানো। তেহে আএ আণ্ঠুলৈ সকলো খানি কৈছে। বোলে অ, তুমি ভূলোকত পৰি ভু হুকৱালা আমি তুমি তাবা সবৰ চিণ হুকৱালা, আতো মায়া আনা?

আৰু হৰিচৰণ ঠাকুৰলৈ ৰাম চৰণ ঠাকুৰ বৈণী উৰ্ম্মিলা আপীক জোৰণ পিন্ধাইছে। গুৰুজন চলা এঘাৰ বৰ্ষৰ পাচত. ঠাকুৰ সাতাৰে বৰ্ষত, আপীৰ পেন্ধেৰ বৰ্ষত বিবাহ কৰাইছে। পুৰ্ষোত্তম ঠাকুৰতকৈ সাত বৰ্ষৰ বৰ খুৰাক। এই এই ৰূপে আৰু অনেক লীলাকৈ আছে গুৰুজন।

এদিন ভকতে নাম গাৱাতে চতিত হস্ত দি ঘোষা মাতিছে,— "বিধিৰ কিঙ্কৰ তেজি ভকতি,
গাও হৰি যশ নিৰ্ম্মল মতি।
লৈও এক মাত্ৰ সাধু সঙ্গতি,
তেবেসে নিশ্চল হৈব ভকতি॥

পাচ জিনা মুমধিৰা পাৰাবীএ ও মাচ নিদি বুলি গ'ল। তেহে সবাৰে মনত লাগি লৈ গুৰুজনক প্ৰাৰ্থনা কৈ সুধিছে বোলে মাতেকেহে জানে আৰু। সবাপো তলৈ ঘোষা মুক। সৈ বৈকুণ্ঠ যাবলৈ তঁত। বোলে ভকতৰ লিহু

সবাৰে। তাৰাহে জানে ই-কথা। এই ক্ৰমে পাঁচ বাৰ অহা যোৱা কৈলে। তেহে দুওজনা গুৰু চাপি ধৰ্ম্মপাটত চৈধ পৰিষদৰ পৰা জয় বিজয় আঁহি দি দুজন কৈ অমৃত ভাণ্ড মেলি পান কৰাইছে গজালি নৰলাকৈ। বলোৰাম আতৈ ঠাইলৈ পাঁচি ভক্তি সেৱা সুখৰ আঁহি গতি দেখাইছে। এই ৰূপে গুৰুজন ধৰ্ম্ম বস্তু প্ৰবৰ্ত্তি প্ৰবৰ্ত্তাই জীৱক কৃপাৰে থৈ বৈকুণ্ঠে ইচ্ছা হ'ল পৃথিবীতে। আগদিনা চিৰাম আতাক পঠালে বোলে ৰবাপো ততে কালৈ ৰমগৈ, ঠাই জল কৰক। তেহে নৌকাত উঠি যাত্ৰাকৈ গৈ গণকুচিতে ৰহিছেগৈ। চোট আতা আগ বাঢ়ি নাৱতে তুলি নিলেহি। ঠাকুৰ আতা সমে আসন দি বহাই সেৱা কৈলে অভয় পদত। গুৰুজনে বোলে ৰবাপো, আজি তুমিএ চাউল সিজোৱাগৈ। বোলে বাপ, বোলা নেযাব। বোলে সিজোৱাগৈ যোৱা। বোলে বাপ, তোম্ৰাৰ বহুত বংশ পৰিয়াল, আমাৰ হাতে অন্ন ললে তাৰা সবে বুলিব। বৰ আতা ভোজনকৈ গৈছে আমাকো দিয়া সিজাই। দিলে বুলিব আমাৰো হাতে লোৱা। পাছে লব লাগিব। আপুনি জ্ঞাতি বন্ধু মিত্ৰ ক'তো নেথায়, আমাক নিন্দিব। সি কি কৰি নিয়া উদাসীন উত্তম? তাৰে হাতে খায়, আমি তাতো কৈ হীন! এতেকে বাপ বোলা নেযাব, চৰণত ধৰোঁ, ঠাকুৰেই সিজক, মই আল ধৰোঁ।। তেহে ৰামানন্দে সিজালে। মহাপ্ৰেমানন্দ খেলা সুখে ভোজন কৈলে। মুখ শুধি কৈ একে শয্যা শয়ন কৈলে। একে ভাও ঠাকুৰে দেখি আশ্চৰ্য্য অদ্ভুত হল। পাচে তৈল তৈলাৱৈ পাও জাতি প্ৰাৰ্থনা কৰিছে। গুৰুজনে কৈছে বাহু নাম চাঁচি পুত্ৰ, নাতি, পৰিনাতি, পত্নী বহাৰী, দুহিত, জজ, বাদও, পাণ্ডৱ, গোপ, গোপী ঋষি, ৰাজা, বৈকুণ্ঠ, পৃথিৱী, পাতাল, সবাৰে কথা মাৰা জিনা। শক্তি, ভক্তি, বল, পৰাক্ৰম,

বৈকুণ্ঠগমন

সবাকে চোট আতাত থৈ ভাগু বাকি অমৃত পান কৰাই জন্ম, মৃত্যু সবালে। পাচে বিহানে শৌচ, শুদ্ধি গুৰুসেৱা, নাম, পাঠ ভোজনকৈ মুহুদিকৈ বোলে নাৰায়ণ দাস নাঞ্চখানি তুমি ভৰাদিয়া গৈ ভুপুৰা আতা বেহা কৰা যি যত দিব লাগে দিলে, হল। (গৈ বোলে বাপ, চোট পুথি এখানি লৈছে বামুণে অনেক শাস্ত্ৰৰ শ্লোক আনিব আমাৰ)। চোট আতা আগ বঢ়াই আদ টকি নি অভয় পদত শিৰ দি বিস্তৰ কান্দিলে। গুৰুজনে সাৰটি তুলিলে, পদ ভিজি গল নীৰে। ঠাকুৰ আতা প্ৰমুখ্যে সবে ভক্তে কান্দিলে খেদকৈ। বোলে বাপ, পতিব্ৰতা নাৰীৰ স্বামীহে জীৱ প্ৰাণ। তোমাক নেদেখি কিৰূপ ৰম? স্তুতিতে বিহ্বল হ'ল। তেহে কৃপালু পুৰুষ দায়াকৈ থাকিবৰ থান থিত দেখাইছে ঠাইতে। ৰজত, সুবৰ্ণ, কাঠ, মউ, তিনি বাহি, গুৰ আলিৰ তিনি দৃষ্টান্ত আহি কৈ শান্ত কৈলে। বোলে ৰবাপো, সৰ্ব্বস প্ৰতিপাল কৰিবা। তোম্ৰা সবেও শ্ৰদ্ধা প্ৰীতি হৈ আমি বুলি মানিবা, নাহো মানে

ঘোষাৰচনাৰ আদেশ

আৰু এখানি ঘোষা নামে প্ৰেম ভক্তি গ্ৰন্থ কৰিবা, আমাৰ পাচত যেন বৌ ৰবালিবে পৰা তনিকাৰ ই যেন কৈ দহ হাজাৰ বৈকুণ্ঠৰ নাম দিবা, এই বুলি নাঞ্চ মেলি গ'ল ভটিয়াই। আৰা সবে দৃষ্টিলকে চাই আছিল। কৃষ্ণ মথুৰালৈ যাঞ্চতে যেনেকৈ আই সবে খেদ কৈ চালে সেই ক্ৰমে। গুৰুজন সেই দিনা গৈ শুক্ৰা নামে পাটগিৰিৰ ঘাটে ৰহিছে। তৈতে ৰামপুৰীয়া সেৱা কৈলেহি। বোলে তোম্ৰা আজি সাৱধান হোৱা, বৈকুণ্ঠৰ পৰা নৌকাখান আহিব। তেহে আনন্দে সেৱাকৈ গ'ল। নিশা ভক্তে নাৱ বঠাৰ শব্দ সাৰি শুনিছিল।

ঘূৰ্ণীৰ ঘোপা

তাৰতে গৈ ঘূৰ্ণী ঘোপা নামে ঠুকনাথৰ সেই থিতে ৰগা দেখি গুৰুজনে বোলে সেই মাছ নেকি চোৱাহক চাই দেখে কাজল মাছ, গোটে পানী কুৰা। ঠাকুৰে বোলে ঘুৰুলিবা, নালাগে

আমাক। গুৰুজনে বোলে তোলা, মাছ বস্তু এৰিব নেপায়। তুইলে পানী কুন্ধিতে। ঠাকুৰে কোটোহ কাটাহ কৈ গৈছে। গুৰু বোলে বাপু, সজ বালা চাই নাঞ ৰাখিবাহক। পাচে খাগৰিকুটা বালিতে ৰাখিলে। ঠাই অঁতাই-জঁাজি খৰি আনি টিঙ্গিৰি মাৰি জুই ধৈলে। মাছ বাকলি গুচাই খুটুৰা কৈ তৰাপাত পতৰা কৈলে। গুৰু স্নান কৈ জুই দিলে। ৰামানন্দ তুমি থাকা মঞ সিজাঞ চাউল। মাছ চোটকৈ আদখাৰ ভজা, টেঙ্গা, মণি, জালুক, হৰিদ্ৰা দি বান্ধিলে। গন্ধে আমোদিত হ'ল। ভোজন কৰিছে, ঠাকুৰক তাকৰকৈ দিছে ঢুকাল; বোলে দিমনে ? বোলে দিয়া যক। বোলে হো, তুমি দহোঁ তুলিবই নিদিয়া ? বোলে তেনে মাছ এনে হয় বুলি কোনে জানে ?

পাচ দিনা গৈ কুমাৰ গাৰিত ৰহি গদাধৰ সোমাই-ভগামোৰত ৰহিছে গৈ। তাৰতে গৈ বিজয়পুৰে ৰহি তোৰোচা উজাই ঘৰঘৰি মুখে বৈ ফিৰদিনা কাকত কুটাৰ গুবৰি ঘাটে উঠিছে গৈ ভক্তে সমে। পুৰ্ব্বা ৰাজা ঠাই গৈছে। চোট ৰাজা আগ বাঢ়ি নি সাদৰে সম্মানকৈ গুৱা শৰাই দি সেৱাকৈ দুখ সুখৰ বাৰ্ত্তা সুধিছে। কমল পূৰ্য়া আপীঞ বস্ত্ৰ এযুৰি দি সেৱাকৈ বাৰ্ত্তা বিদ সুধিছে। আক দায়াকৈ চিলাৰাঞ এযুৰি কাঁহৰ খৰম কৰাই দিছে জালি কটাই। গুৰুজনে বোলে খোৱা। ৰাজাৰ কাতৰত এদিন পায় দিছে। আগ বেলা ত'ৰতে আছি পাচ বেলা বৰ ৰাজা ঠাই গৈছে, আগৰে নিৰ্ব্বন্ধ। ৰাজা আদৰ সম্মানকৈ বসাই বাৰ্ত্তা সুধিছে। সাজি দুখানি দি পঠাইছে। এই ৰূপে আছি গৈ আছে। এদিন ৰাজা বোলে বাপ, ঈশ্বৰ চিণ লক্ষণ কেনে ?, বোলে, চক্ৰকৃত্য মাথা, আকুঞ্চিত কেশ, নাসা তিলফুল, অধৰ বান্ধুল, আয়ত লোচন, আজানু লম্বিত শৰতে' মৰকতৈকে ৰূপে।

কুমাৰগাৰ
বিজয়পুৰ

কাকতকুটা

ৰাজা বোলে বাপ, এই চিহ্ন কাত থাকে? বোলে পণ্ডিত ব্ৰাহ্মণত, ৰাজা, বিশিষ্ট উত্তম লোকত, মহন্তত থাকে। তাতে পণ্ডিত বামুণ আছিল। ৰাজা গা পতি তুলি চালে,—মূৰ হেটা, মেচা, জোঙ্গা জুঙ্গি, হাতো চুটি। গুৰুজনে বোলে মহাৰাজ, আপুনি উঠকচো। উঠিল। চালে, কিছু আছে ৰাজাতে। ৰাজা বোলে বাপ, আপুনি উঠক। কম্বলতে উঠিল। ৰাজা চালে মস্তকৰে পৰা পদলকে, দেখে ঈশ্বৰ লক্ষণ যি কৈছিল মানে সবে খানি আছে। বোলে বাপ, দেখো ঈশ্বৰ চিণ আপুনাতে আছে, বত্ৰিশ লক্ষণে সৈতে? গুৰু বোলে আমি কি ঈশ্বৰ? বোলে বাপ, বুজা গ'ল, আমি কণাক পতান দি ভাস্তিব নলাগে। বোলে যকগৈ, কা'লৈ সোনকালে অহা যাব! গ'ল গুৰু ৰাজা ঠাইতে। গৈ নিশা ৰহি স্নান গুৰু সেৱা নাম পাঠ ভোজনকৈ গ'ল। ৰাজাৰ চকুৰি মাদৈ সবাতে কলে বোলে শ্ৰীশঙ্কৰদেৱ ঈশ্বৰ অৱতাৰ ছদ্মকৈহে নৰভাৱ ধৰিছে। আজি হৰিচে থাকহক, শৰণ লবি। গা পতি টকা বস্ত্ৰ ঢোপ একুটি দিবি হক। সেই ক্ৰমে আছিল। পালতে সকলো আহি টোপ, টকা, সেৱা পাৰত দি সেৱা কৈ যায়। এই ক্ৰমে ছকুৰি মাদৈ সেৱা কৈলে, সেৱা এহেঁ, শৰণ, গুৰুবাক্য নাই। গুৰুজন তাৰে এটি ঢোপ হাতে লৈ উঠি আহিল। ৰাজা বোলে বাপ,

ছকুৰিমাদৈৰ সেৱা

কালৈকো সোনকালে অহা যাব। পাছে মাদৈ সবে গাৰ ঢোপ্ৰ গ্ৰা পতি নিলে; পূৰ্ব্বৱতে হ'ল। ৰাজা বোলে কোনবা জনীএ ছুটা আনিছিলনে বোলে নালো। বোলে কবনো নিলে গুৰুজনে নেইটো বোলে ৰাহক তাৰা বঢ়াবও পাৰে টুটাবও পাৰে, আপুনি ঈশ্বৰ আত কি অদ্ভূত, যাক অনন্ত দায় কৰিএ বুজুৱিলে গুণীৰ? ৰাজা গুৰু মানিবলৈ নিৰ্ণই কৈলে পাচ দিনা গুৰুজন গৈ ৰহিলতে ৰাজা

বোলে বাপ, আমাক কৃষ্ণ শৰণ কাৰোৱা যক। গুৰু বোলে মহাৰাজ, ই ধৰ্ম্ম তোম্রা কি কৈ ৰখা যাব? ৰাজা হলে দেৱ, দেৱী, ভূত, প্ৰেত, যখিনী আদি পূজিব লাগে, ৰাজা নীতি প্ৰবৃত্তি মাৰ্গত; নিবৃত্তি পন্থেহে এক দেৱৰ পৰা নাই আৰু। হিংসা ধৰ্ম্ম কি কৈ এৰিবা, হাঁহ ছাগ ছেদন, ৰাজ চৰ্চ্চা? এতেকে ৰাজাৰ স্ত্ৰীৰ, কৰ্ম্মকাণ্ডী ব্ৰাহ্মণৰ গুৰু নহএ এই তিনিৰ। ৰাজা স্বৰ্গভোগ আশাৰে হাঁহ ছাগ কাটি রুধিৰে কৰ্দ্দম কৰে। সিযে স্বৰ্গ পায়, নৰ্কতনো কোন পাৰে? পশু হিংসা বিভিচাৰে প্ৰবৰ্ত্তি-সংসাৰে আত্মঘাত নৰ্ক যাতনা জন্ম নেৰায় কল্প প্ৰলয় সীমাকৈ। এতেকে এক শৰণ নাই ৰাজাৰ। আৰু স্ত্ৰীৰ মিছা বেশ্যাতেসে ৰত, পাপ কৰিও শপতে সাহে। দেখিতে তলকাচ নাই। দিব থব পাইলে পতিক বোলে ভাল। হাতে কানে ৰতি নহলে বোলে বোকোণ্ডাৰ বাল। আৰু তাৰ কি শৰণ? দ্বিজ সবে শিশ্নোদৰ অৰ্থে প্ৰেতক বেদ মন্ত্ৰে যজি উছৰ্গি দ্ৰব্য দি তাকে আনি খায়, লয়। শ্মশান শালে ফুৰি তাৰে তুল জাতি ভ্ৰষ্ট হৈ, মৰিও প্ৰেতৰ সঙ্গে বলি খাই ফুৰে প্ৰেতাকাৰ হৈ। প্ৰেতৰ অন্ন ৰসে ওৰসে যি পুত্ৰ হয় সিও পাপময় সংসাৰে ভ্ৰমে। তাৰ কি সম্বন্ধ ভক্তি আছে ধৰিব, ৰাখিব, ৰব। এতেকে মহাৰাজ, এই তিনিৰ গুৰু নহএ। তুমি ধৰ্ম্মে ৰাজ্য চৰ্চ্চি থকাযক; ই কথা নধৰিবা। বোলে বাপ, ৰাজ্যভাৰ, দেৱদেৱী সবাকে এৰি তোম্রাক গুৰু মানি কৃষ্ণক ভজিম নিচই, বোলে আলৈ অহা ৰাব, যকৈগে এতিম্রা। আহিল কষ্টকৈ। পথে শুনি বোলে আৰ হাত সাৰিবৰ উপাই নাই ৰাইএ দেহা এৰি পৰলোকে নৰাঞ যানে। এই বুলি নিচইকৈ পালেগৈ। ৰাজা এৰেত মুখ হাত ধুই ব্ৰতে আছে। ঠাকুৰে দিবা পানী

ৰজা স্ত্ৰী আৰু কৰ্ম্মকাণ্ডী ব্ৰাহ্মণৰ গুৰুহবলৈ অযোগ্য

অন্তিমকালত- ৰামানন্দৰ ভক্তি প্ৰাৰ্থনা

দিলে, স্নানকৈ নাম প্ৰসঙ্গ পাঠ কৈলে, চাউল সিজালে ভোজন কৈ মুহূৰ্দি কৰি শয়ণ কৈলে। পাচে মধ্য নিশা কতো মুখে দিৱস বুলিও কয়, উঠি বোলে ৰামানন্দ জুই ফু—দি বন্তি লগোৱা। উঠি লগালে। দেখে গুৰুজন সাৱধান হ'ল পদ্মাসনে বসি, কাৰণ কোহুণ্ডা কই দেখে বহাতে হালি যায়। ঠাকুৰে পাচৰ্ত্তে সাৱটি ধৰি বোলে আতা, তোম্ৰাৰ দেখো এক ভাও ? এ আমি তোমৰে বেটা পুত্ৰ কাৰণ নাম ধৈলোঁ, একো সৰ্ব্বস বস্তুহে নেপালোঁ। গুৰু বোলে বাপু, তোমাৰেহে ৰূপা, সোনা, তামা, কাঁহা, অত তত যি আছে মাৰু হাতে। বোলে আতা ই মায়াময় দ্ৰব্যৰ কথা কোৱা নাই, সংসাৰ দ্ৰব্য সবে যোনিত পায় আক। তোম্ৰা যি বৈকুণ্ঠৰ সৰ্ব্বস অনাগৈছে তিনিও ৰাজাৰ সেৱক চহকী হল, তাৰেহে এক কনিকা নেপালো এভগীয়া। তেহে গুৰুজনে সাৱটি মুণ্ডতে চুম্বন কৈ বোলে ৰামানন্দ, অ' আমি বোলো জানো মল মূত্ৰ দ্বাৰেহে বাজ হৈছা, এনে বুলিহে আছো। এ তোমাৰ আমাৰ পিতা পুত্ৰৰ আজিহে সম্বন্ধ ঘটিল। এতিয়া আৰু তুমি আমাত হন্তে নোপোৱা। আমি শক্তি, ভক্তি, বল, পৰাক্ৰম ৰৰা পো হাতে থৈ আহিছো সবে খানি। ৰৰাপোক শিষ্য সুবুলিবা। গুৰু বোধ কৈ সুখি লবাগৈ, পাৱা। আৰু তুমি এক বৰ্ষৰ অন্তে আমাক পাবাগৈএ। তেহে সুজান গোৱালৰ দৃষ্টান্ত দিছে।

সুজান গোৱালৰ দৃষ্টান্ত

গোহালি সজ কৈ সাৰে মচে, অটায়, গো মূত্ৰ পেলাই ঘাহ লগাই চৰায় শ্ৰদ্ধাকৈ, বাট বুজি দোএ দুগুণ পায়। বনিজকৈ মূল ৰাখি লাভেৰে লগাই তুৰাই অদৰিদ্ৰ হৈ দুও ধৰাই ধৰি পৰম্পদ বৈকুণ্ঠ পায়গৈ। অকুলা গোৱালে এৰা চৰাৰও নেজানে, ঘাহ পানীৰো অশ্ৰদ্ধা, গোহালি মহ, ঘাহ নেখেৱে, লাদ মূত্ৰ যেপেলায়, দুধও নেজানে, দুখী,

দৰিদ্ৰ হৈ বীৰ লগাই পলাই মূল নাঠি হৈ আয়াবাত নৰ্ক হয়। এতেকে কৃত্য চিত্ত বিত যাঁহ পানী, গোহালি, স্নেহ শ্ৰদ্ধা, মৰম প্ৰীতিএ মহ, ডাহ, লাদ, মূত্ৰ; সন্তে ধেনু সেৱক বৎস্ শিহা সূত্ৰ বাট, বুধিএ টেকেলি, চিত্তে জৰি খেদে-দোএ পৰম তত্ত্ব দুগ্ধ ৰহস্য ঘৃত পাই; খাই, বিকি, জন্ম মৃত্যু সাৰি অজৰ অমৰ হৈ যায়। দেহৰ গৰ্ব্বেৰে কান নাক শিঙ্গ খুৰাত হলে কত পাব? আৰু আতৈ বলোৰামত কৰা খোজা চাৰি আমাৰৈ আগ বাঢ়িব। এই বুলি সম্বোধনকৈ গৃহৰ বজাই কীৰ্ত্তন গৃহৰ দ্বাৰ মুখে আসনে বহিলগৈ। চৌপাশে ভক্তে আবৰি আছে। অশ্বত্থৰ ছায়া দেখে ডাল পত্ৰে জল মলাই, বৃক্ষ নেদেখে। আকাশে কিঙ্কিনী কনজুন, নাম কীৰ্ত্তনৰ ধ্বনি শুনি নৌকৰে চাই নেদেখে। চক্ষু ঠাৰে সবে চোৱা চুই কৈ আশ্চৰ্য্য অদ্ভুত হৈ চাইছে তথা দি। তেহে গুৰুজনে ওপৰলৈ চাই মাত লগালে, "পাএ পৰিহৰি" গীত গাই স্তুতিকৈ বোলে ভকতক এৰি কেনেকৈ যাম? তোম্ৰা সব যকগৈ, সবাকে তুলি লৈহে যাম। ঠাকুৰক বোলে এইনামতে তুলি ধৰিবা আমাক। এই বুলি মালা জাপ্যকৈ ৰামকৃষ্ণ নাম অবিচ্ছেদে মূল গোপ্য ৰহস্য নাম লৈ নৱদেহা সম্বৰণ কৈলে।. জন্ম আলিপুখুৰীত, তৈতে দুকুৰি আঠ বৰ্ষ, পছিম ক্ষেত্ৰত বাৰ বৰ্ষ, বটদ্ৰৱাত আঠ বৰ্ষ দুও মিলি সপ্তসাঠি, বটাত ছমাহ, গাঙ্গমৌত আদ পাঁচ বৰ্ষ, চাঙ্গিনি কেমোৰা কটাত ছমাহ ধুৱাহটা বেলগুৰিত আদ পোন্ধৰ বৰ্ষ। গুৰুজনৰ তিনিকুৰি তেৰ বৰ্ষ যাএতে শ্ৰীমাধ দেৱৰ একুৰি বৰ্ষত লাগ পাইছে। গজলা সুঁন্তিত ছমাহ, মেচা যবযৰি পাৰে চৰা জিল যাজা নিয়াত কপলাত ছমাহ, পথে কুৰি দিন ভটিয়াত, চুনপোৰাত ছমাহ কুৱাৰ কুচিত একবৰ্ষ, পাট বাউসীত চৈধ বৰ্ষ, গজা জগন্নাথে ছমাহ, বেহাৰে সহা বোৱা থকাত ছমাহ, জিলাবাইৰ গৃহে

মহাপুৰুষৰ নৱদেহা সম্বৰণ

আলিপুখুৰী— ৪৮ বৰ্ষ
পছিম ক্ষেত্ৰত— ১২ বৰ্ষ
বটদ্ৰৱাত— ৮ বৰ্ষ
বটাত-ছমাহ
গাঙ্গমৌত— ৫॥ বৰ্ষ
কেমোৰাকটা— ছমাহ.
বেলগুৰি— ১৩॥ বৰ্ষ

গজলাসুতিত—ছমাহ
কপলাত—ছমাহ
চুনপোৰাত—ছমাহ
কুমাৰকুটি—:বৰ্ষ
পাটবাউসী ১৪ বৰ্ষ
গজাজগন্নাথে—ছমাহ
বেহাৰে-ছমাহ
চিলাৰাইৰ গৃহে ছমাহ
১০৮ বৰ্ষ

বাসন্ত ছমাহ, সবে মিলি মুঠে আঠ অধিক এশবৰ্ষ গুৰুজন ধৰ্ম্ম ধৰি পৃথিবীত ৰহি ভেলা কাকত কুটাত তাত্ৰৰ একৈশ দিন যাঞতে বৃহস্পতিবাৰে শুক্লাদ্বিতীয়াত ছুপুৰ চাইদণ্ড ৰাওতে বুধ ক্ষেণে, আৰ্দ্ৰা নক্ষত্ৰে, মহাপুৰুষ গুৰু বৈকুণ্ঠৰ ঈশ্বৰ পৃথিবীৰ ভকতৰ কল্পতৰু হৃদয়ৰ বস্তু নবদেহা এৰি হৰি ভক্তি প্ৰবৰ্ত্তি প্ৰবৰ্ত্তাই ৰাম নাম স্মৰি ছদ্ম নাট থৈ স্বৰূপ পৰম্পদ বৈকুণ্ঠে থিত হ'ল গৈ। ৰাজ শক ১৪৯০। সন্ত সাধু মুখে শুনা এই ক্ৰম জন্মৰতে পয়াণ শকৰ। কামৰূপ বেহাৰে কয় ছমাহ কম ছকুৰি বৰ্ষ পাৰম্পৰ্য্য। তেহে ৰামানন্দ ঠাকুৰ, লাপনিয়া, বাঙ্গনা, বিৰ বৰিয়াল গুৰু এই চাৰি কামলিধৰা পৰ্মানন্দ পাঁচজনে গুৰুজন শয়ণ কৰা পিৰা খানিতে নি উত্তৰে তোৰোছা, দখিণে মানছে, পছিমে কাকত কুটাৰ কিনাৰে দহণ সংস্কাৰ কৰিছে নি। চিতা নিৰ্ম্মাণ কৈ তুলি অগ্নি খেপিলতে ছুও ৰাজাৰ ঠাইত এটা বৰ শব্দ উঠিল মহা গুৰুৰ পাত হ'ল বুলি। শুনি ৰাজা, প্ৰজা, নগৰ গ্ৰাম, দেশ, পৃথিবী তোলপাৰ লাগি গ'ল, উসমিস, তলবল হ'ল। ছুও ৰাজা ঘোৰা, চিপাহী, শাকো কৈলে, কাৰ ক'ত কি হ'ল বুলি। দেখি কলে গৈ গুৰুজনৰ পয়াণ। ৰাজা খেদ কৈ তেল, ঘৃত,

গুৰুজনৰ কাঠ সংস্কাৰ

জাতি আগৰ, পন্ন উঐ দি পঠালে। অসন্তোষ কৈ ব্ৰত ভাঙ্গি খেদ কৈ বোলে মই মহাপাপী অধম মন্দ দুৰ্ভগীয়া শৰণ দিবৰ ভয়েহে গুৰুজনে পৃথিৱী এৰিলে। আৰু বা কত দিন বহিল হঁতে। মোতেসে দোষ হ'ল। তেনেতে ৰাজাৰ পানী ভাৰি দহোটা গঙ্গাজল নি নিতে শোধাই স্নান ভোজন কৰে। ৰাজাৰ

ৰজা প্ৰজাৰ খেদ

অসন্তোষ দেখি সিহঁতে সুধিলে কি হ'ল। ৰাজা বোলে গুৰুজন বৈকুণ্ঠে গ'ল। সিহঁতে বোলে ক'তা? কোনে কয়? আমি সেইখিতে লগ পাই আহিছোঁ এতিয়াই। পাচত কমল কমণ্ডলু পৰ্মানন্দে লৈ থৈছে। বোলে মোৰ পাত্ৰত জল নাই

দেহঁক। বোলো বাপ, ৰাজাৰ। মাৰিব। বোলে দে নেমাৰে, মোৰ কথা কৰি ৰাজাত। সেই ভাগুৰে দিলো, কম হৈছে। লৈ ভটিয়াই গ'ল। ৰাজা বোলে অৰে নাৰী বেটা, তহুতৰ মান ভাগ্যৱন্ত নাই অভাগীও নাই। তাৰা পৰম ব্ৰহ্ম, ঈশ্বৰ, অবাদিত গতি, যাবলৈ কি? তাৰাৰ আদি, অন্ত, জন্ম, মৃত্যু, শিশু, যুবা, জৰা আছে কত? পূৰ্ণ ভগৱন্ত। চোট দেৱানে শুনি বিশ্ৰুতি বিহ্বল হৈ ভূমি পাএ গৈ দহণৰ ঠাইত নিধালে পৰি হিয়া ধাকুৰি বাগৰি গুণ বৰ্ণাই কান্দিলে। ঘৃত, চন্দন, তেল দি পঠাই তিনি দিনে হে ভোজন কৈলে মাহেকে নিৰামুহিকৈ। পাচে ৰাজা ঠাকুৰক নিয়াই বোলে তোম্ৰা অ'তে দহা কাম কৰা যক। দুগ্ধ, চিৰা, কলা, গুৰ যি লাগে সকলো দিঞ। ঠাকুৰে বোলে অ'ত কৰিব নুৱাৰোঁ। আমাৰ পুৰোহিত, জ্ঞাতি, মিত্ৰ, বংশ ভক্ত কিছু নাই। সবে খানি মাতৃ ভাতৃ পৰ্য্যন্তে ত'ত। কেনেকৈ অ'ত কৰিম? তেহে ৰাজা বাতৰি মানচ দি ডাঁৰী, মাজী, দহা কৰ্ম্মৰ অনেক সম্ভাৰ দি দিনে নিশা ভক্তে সমে তুলি পঠালে উজাই। চোট ৰাজা দুখান চেংগা ডাৰি মাজী কৈ গুৰ, গাখীৰ, কলা, ঘিউ, মৌ, চেনী, মাহ, চাউল, তেল, লোন, কাপৰ, খঙ্গা, কাঁহী, বেৰা, কলহ, লোটা, পিৰা, চৰিয়া, চাৰিপাটি, খাট, তুলি, তলচা, গাৰু, জাপী, লাঠি, বিচনি ডাবৰ পৰ্য্যন্তে সবাৰ দুসাজকৈ। ৰূপ দুশ, সোনা একুৰি, দাস, দাসী, দুটা দি উজাই পঠালে। ত'ত জলপান, সভা, সিধা, দক্ষিণা ৰৰকৈ দিলে। লৈ দিনে নিশা আহিছে উজাই, ন দিনে নিশা পাইছেহি। কিছু মাষে মানহাৰ ভাল, মূল, ঘাটে নাঞ বাখি মনথে ঠাকুৰ আতাক মাত লগাইছে। আতা বিহ্বল হৈ উঠি আহি দেখে মাথে গামচা। বোলে ৰমানন্দ, মোৰ [illegible]? বোলে সুধিব নলাগে আৰু। তেহে ঠাকুৰক মাৰ্জ্জি ধৰি গুণ বৰ্ণাই আই,

ঠাকুৰ আতাৰ দেখা

আতা অনেক কান্দিলে খেদকৈ। সুস্থ হৈ সেই নাঞতে আছিছে। পথে আতা ঠাকুৰত সুধিছে বোলে চলাত তুমি নাছিলা? বোলে ধৰি আছিলোঁ। কেনে ভাঅ গ'ল মোৰ প্ৰাণবন্ধু? আৰু কাক কি বুলি গ'ল? তেহেঁ সেই দৰে গুৰুজনে ব্যোলা, আৰা সোধা সকলো খানি ক্ৰমে কলে। শুনি আতা বোলে তুমি মোৰ গুৰুজনৰ বৰপুত্ৰ, তোমাকে যে দিলে মোৰ ঠাকুৰ চৰণলৈ আমিনো কোন ব'লু আৰু? বোলে তাৰাৰ পদ পঙ্কজলৈহে দি গৈছে। কথনতে গৈ জানে সোমাই বৰপেটা গৈ গণকুচি পালেগৈ। উঠি ঠাকুৰে মাত লগালে। চোট আতা উঠি আথে বেথে ওলাই দেখে মাথে পথালি গামোচা। বোলে ৰামানন্দ, মোৰ গুৰুজন? বোলে বাপ সুধিব নালাগে আৰু। তেহে চোট আতা গুৰুজনলৈ খেদকৈ অনেক কান্দিলে গুণ বৰ্ণাই। চলাৰ ভাও সুধি সেই নৌকাতে উঠি গৈছে। সেই বেলা খেদ প্ৰেমে গীত কৰিছে,

চোট আতাৰ খেদ

শোকগীত

"আলো মঞ কি কহব দুখ,
পৰাণ নিগৰে না দেখিয়া চান্দ মুখ।"
"প্ৰণনাথ নকৰা বঞ্চিত"
তোহাৰি বিয়োগ আগি দহে মেৰি চিত।"

নিশা পুৱ ৰেণু দি পোহৰ হৈ আছিছে, বাউসী পাই মাত লগাইছে গৈ। গোসানীৰ আগৰো নিৰ্ব্বন্ধ, বাম হাতে পিৰা, দখিণে লোটা, কান্ধে গামচা লৈ ওলাই পিৰা দিঅ, বহে, পাও ধুৱাই মচে, সেৱাকৈ যায়। এই বাৰো সেই দৰে ওলাই দেখে, মাথে গামচা। সেইতে নিধালে পৈল বিক্ৰুতি হৈ। পিৰা, লোটা উৰুৰি গ'ল। ঠাকুৰে দাজি থৈলে। বিক্ৰুতি বিহ্বল হৈ অনেক কান্দিলে গুণ বৰ্ণাই। চোট আতা বুজাই শান্ত কৈলে। তত পাই দুখ কৰিব থৈলে। দুপৰে দহা হ'ল, কিহেৰে কি কৰোঁ, কত কি পাম? চোট আতা বোলে ৰাভু,

একো চিন্তা কৰিব নালাগে। মোৰ গুৰুজন ধূলাৰ প্ৰসাদে সকলো আঁজিএ হব। কথনতে দুই দণ্ড উঠিছে। তেনেতে ভাস্কৰ গুৰু পালেহি। আসন দিয়াই সুধিলে কিয় অহা গ'ল? বোলে বাপ, কালি চাই দণ্ড থকাত লগ পালোঁ পথে শ্ৰীশঙ্কৰদেৱক, কামলি ধৰা পৰ্মানন্দে সৈতে। কথন হৈ দাস বেলি আছিলোঁ। বোলে কালৈ আমাৰ ঠাই গৈ আহিবা। গুৰু বোলে তোম্ৰা ভাগ্যৱন্ত বিপ্ৰ, দেৱত শৰীৰত মোৰ গুৰুজনক লগ পালা। দুৰ্ব্বাসনা দূৰ হ'ল যি আছিল অনেক জন্মৰ। এই বুলি পঠাই গ'ল গণকুচিলৈ। পাই দুগ্ধ, চিৰা, কল, গুৰ, গুৱাপান, মাহ-চাউল, দহাৰ-সমল সমগ্ৰে নাঞ ভৰাই আনি দহা পাতিলেনি। অন্তৰ্য্যামী পুৰুষ আগে জানি সভা কৰেঁা বুলি চপাই থৈছিল। বংশ, মিত্ৰ, ভকত, হাতে ঢুকি পোৱা খানি অনাই দশা হ'ল। চোট ৰাজাৰ নাঞ দ্ৰব্য পালেহি। আনি লগাইছে। দামোদৰক জনালে, নাহিল। স্ত্ৰীৰ গৃহত যাব খাবৰ সজ নাই বুলি। ভকতে ঘোষা, কীৰ্ত্তণ, তাল, খোল, ওজা পাই বাই বাটি খালে। অনেক দ্ৰব্য নিমিষত হ'ল। ফলাহাৰ জলপান কৈ সকলো বহিছে। তেনেতে ঠাকুৰ আতা নজনা ভাএ আকৌ সুধিলে, বোলে ৰামানন্দ, গুৰুজন চলোতে নাছিলা? বোলে সাৰটি ধৰি আছিলোঁ। তুমি কি সুধিলা, আক কাক কি বুলি গ'ল জীৱৰ ঈশ্বৰে? বোলে আতা, আমি কালকো নোসোধোঁ, আমালকেহে সুধিলোঁ। বোলে কি সুধিলা? বোলে আতা, আতা, তোম্ৰাৰ এক ভাও দেখোঁ। এ আমি তোম্ৰাৰ পুত্ৰ নাম লৈ একো বস্তু নেপালোঁ, অভগীয়া পাপীএ। বোলে অ'ত যি আছে ৰজত, সুবৰ্ণ, তাম, কঁাহ, বস্ত্ৰ মাৰ হাতেই, অ'ত যি আছে, তোৰে, পাইছই। মই বোলোঁ আতা ই মায়াময় ইহলোকৰ দ্ৰব্যৰ কথা কোৱা নাই। তোম্ৰা

ভাস্কৰ গুৰু

দহা কথা

শ্ৰীশ্ৰী মাধৱদেৱৰ ধৰ্ম্মৰ গৰাকী হয়

যি বৈকুণ্ঠৰ পৰা পৰম তত্ত্ব সৰ্ব্বস জীৱক কৃপা কৈ অনা গ'ল, তিনিও ৰাজ্য সুখী হ'ল, তাৰহে এক কণিকা নেপালোঁ। তেহে আতা সাৰটি চুম্বনকৈ বোলে ৰামানন্দ, আমি বোলো জানো জল, মল দ্বাৰেহে বাজ হৈছা, এ পিতা পুত্ৰৰ আজিহে আমাৰ সম্বন্ধ ঘটিল। এতিয়া নাও মেলোঁ, এনে সময়ত আৰু আমাত হস্তে নোপোৱা। শক্তি, ভক্তি, বল, পৰাক্ৰম, সকলোখানি ৰবাপোতে থৈছোঁ, শিষ্য ভাই মুবুলি গুৰু বোধকৈ সুবিধা, সকলো আমাৰ সৰ্ব্বস পাবা। গুৱাল দৃষ্টান্ত দি উঠিল। তিনিও ৰাজ্য বাপু সব কাহ পৰি শুনি আছে। তেহে আতা বোলে, এ তুমি মোৰ শ্ৰীশঙ্কৰদেৱৰ বৰ বেটা, দ্বুতী শঙ্কৰ তোমাকে যে মোৰ ঠাকুৰ চৰণলৈ দিলে। এই বুলি ঠাকুৰে সৈতে ভক্তে সমে আতা মহাপুৰুষ অভই পদত সেৱা কৈলে। উঠি বোলে বাপ, এতিয়া তিনিও ৰাজ্যৰ সেৱক বস্তুৰ গৰাকী হ'ল। পালিব লাগে, আৰু ঠাকুৰ কেইটি সমে গোসানীকো প্ৰতিপালন কৰিব লাগে। তেহে গুৰুজনত বিদায় লৈ গোসানী সমে আতৈ সব গৈছে দিশা দিশি উত্তৰে দখিনে। পাচত দুওজনা আতা আইত বিদাই কৈ গ'ল গণকুচি মনথৈ লৈ।

মাহেকীয়া শ্ৰাদ্ধ

তেহে মাহেকীয়া মূল কাজ হ'ল হি। গুৰুজন দিনা চাৰি আগে অনেক সম্ভাৰ লৈ ভক্তে সমে গ'ল। সভা, খলা, গৃহ, খৰি পাত, চক, খুটি, মাছ, পাচলি, লোন, চাউল যত্ন কৈলে। ভকত জান দিলে। গা পতি টকা পচৰা লৈ চাপিল হি। উত্তৰে দক্ষিণে, বেহাৰে চাপিল। হ'ল। ৰাম ৰাম গুৰু পিণ্ড দিয়ালে। ভক্তে নাম গাই খোল তালে গীত গালে ভজা গাই। ৰামুণক দান দখিণা কৈলে, ৰজত, সুবৰ্ণ, বস্ত্ৰ বস্তা কৰি। গুৰুজন ঠাকুৰ আতা মুখ্য হৈ মহা মহোৎসৱ, প্ৰজা অসংখ্য, ৰসলোপ হ'ল প্ৰজাৰ হিহলিত। ৰামোদৰ আহিল ঠাকুৰে

মতাত। গুরুজনে ঠাকুব আতাক পাঁচি নিঠুবে বোলাইছে, কোব হাতে খাবি গুচা নাই, এই সম্পত্তি ভোগ কোনে দিলে? আন স্ত্রীবেহে গুরু পত্নী সম কবা? গুরু গৃহ। তেহে আহিছে টান পাই। কর্ম্ম অৱসানে দুগ্ধ চিবা ভোজন কবাই পাট ভুনি সোনব আঙ্গুঠি দি সুধিলে, বোলে কেনে মতে প্রবর্ত্তা এই চাবি শ্লোক? তেহে হালোৱা গৃহতব দৃষ্টান্ত দিছে। গুরু জনে বোলে অ বস্ত্র বুলি আঙ্গুলিএ সৈতে সিলা। আন গোপগণে থলে সীমাত নমাই। প্রলম্বে নিলে সীমাব চবাই, মবিল। এ ভোগ ভুকুতি পাবা, তোমাব আমাব সম্ভাষা নাই, যোৱাগৈ। তাতেহে নাহা স্বমত লৈ। দুদিন নৌহতে লবিলা॥ সবাকে চাউল সিজাই দিলে, গ'ল দিশা দিশি। দুও জনা আতা গ'ল গোসানীক বিদায় কৈ। তেহে ছমহীয়া, বৎসবী সপিণ্ডি হ'লহি। গুরুজন, ঠাকুব আতা ভক্তে সমে দ্রব্য বস্ত্র লৈ গ'ল, সবে ভক্ত চাপিল, গুরু কীর্ত্তন গাই বাই আনন্দ উৎসএ। অৱসানে গোসানী মাএ অন্ন দান কৈলে। খাই বিদায় কৈ গৈছে থানে গ্রামে। ঠাকুব আতা গুরুজনো গ'ল গোসানীত বিদায়কৈ।

শ্রীমাধবের আক শ্রী দামোদব দেবব এবা এবি

আক সেই তৃতীয়া গুরু তিথি কবি বব ঠাকুবদেউ বসন্ত ওলাল। গণকুচিত বাকলি পো বাম আতৈবো ওলাল। গুরুজন দুও ঠাই আহি গৈ চাইছে। আতৈক ভাত পানী দি বাউসী লব মাবে, সুখ শান্তি বাতি দিনে নাই। পাচে টান হ'লহি এবিব মুবাবা। বাউসীল'কে আতৈক নি চাইছে। পব পালি দি। তৃতীয়াতে দুয়োজনা বাম নাম লৈ বৈকুণ্ঠে চলিল। দুইকো নি গুরু আগত থাকি দহণ কবালে। ঠাকুব পথানতে আতৈকো দিলে। গা লাগি, পুত্রার্থে কৈ ক্রিয়া কর্ম্ম কবালে। পূর্ব্বোক্তবে পিণ্ড দিলে। কবাই একবালে সোৱা বিদায় কৈ গ'ল গুরুজন। এতিয়া

ঠাকুব দেব আব বাকলিয়া বামব মৃত্যু

পুৰুষোত্তম চতুৰ্ভুজ চোট ছুৱা, হৰিচন্দ্ৰ ঠাকুৰো চণ্ড পাগল হ'ল। কট্টা, বাক্য, গৃহ, বাৰি গোটে বনে জঙ্গলে ফুৰিব ধৈলে। ৰাতিএ দিনে গুৰুজনে আহি ধৰাই বান্ধি থয়। মেলি আপুনি খেদ কৰে দুখকৈ, বোলে মোৰ গুৰুজনৰ পুত্ৰ, মই কাক বান্ধো? এক বৰ্ষৰ অন্তে এটা বৈদ্যে যত জুৰ ঔষধ গোটাই গাতে পেলাই তাতে পেলাই থয়, মাথাতো দিএ, ধৰি থাকে। তেহে কতো দিনে পূৰ্ব্ববত হ'লগৈ।

আৰু গৃহ, বাৰি, খেতি, কৃষি, গৰু, মহ, বান্ধা গোলাম ভাগি পলাই সব গ'ল। ধ্বজাও জগন্নাথলৈ গ'লগৈ। ঠাকুৰ সবো চোট। এদিন বৰ ঠাকুৰ পাত কাটিছিল। কাচি পৰি তালু ফুটি তেজ গৈ পৈল। আই সবে কান্দি বিহ্বল হ'ল। কালৰ প্ৰমাণে পালতি বহুৱা চলিল কতো ভাগি পলাল। মহা দুখ হ'ল, বুদ্ধি ভাৱসাবো ঠাই নাই। তেহে আএ নাতি পুত্ৰে আলচি নাতি পুত্ৰ দুইকো পঠালে বোলে বৰাপোত কগৈ মোৰ বৰ পুত্ৰ বাপুএ দুখৰ কালত বুদ্ধি ভাৱসা দি প্ৰতিপাল কৈ থাওকহি। আৰু কৰা যাদইন্দ্ৰে চৰিত্ৰ তুলি ভকত বলাবলৈ ধৈলেহি, হৰি গৃহে বহি ধৰ্ম্ম লোপ কৰিবৰ মন দিছে। সেই ৰূপে গৈ পাই কলে গৈ সেৱাকৈ। দুখৰ কথা গোসানীৰ শুনি খেদকৈ দুইকো দুগ্ধ চিৰা ভোজন কৰাই সাদৰে পঠাই বোলে মই কা'লৈ যাম, যোৱাগৈ। মাতৃক কৰা। পাচ দিনা চিৰাম আতাক বহাত থৈ গ'ল। পাই খেতি, কৃষি, বাৰি ঘৰ চলাই-কৰাই ৰূপ কৈ আছে বুদ্ধি ভাৱসা দি একবৰ্ষ। গৰু মাটি সীমাবন্তে হাতীয়াৱে অসুৱা লাগিছিল। এদিন সত্তানন্দ গৈ বোলে বৌ, কমল লোচনৰ বহাৰী খানি বীৰাই চৌধাৰীএ ধৰে, কিব খোজে। কাল দিলো আছে, কি বোলা? আএ হোজা মন্তে কলে বাক আমাৰ সুধিবৰ ঠাই আছে,

মই সোধো। মনে বোলে উদাসীনত সুধিছে দিএ। কি নাদগিৰি হ'লহি অত? এনেই গুৰুজনক অসূয়া দামোদৰ ঠাইতহে ভাৰসা লালনা। ৰাতি দিনে থাকেগৈ। পাচে আএ বোলে বাপু, আমাৰ কমললোচন বহাৰীক বগৰিৰৰীয়া চৌধাৰীক সতানন্দে দিব খোজে। আমাত সুধিছিল। কেনে দেখা? বোলে মাতৃ, আমাত সুধিব নালাগে। সেই লোকতে সোধা যক। আএ মাতি সুধিলে। তাৰা বোলে আমি শ্ৰীশঙ্কৰদেৱৰ বহাৰী নাম লৈ তানে গোহাইক এই হাতে সেৱা ধৰি কৰিলোঁ। এতিয়া কুৎচিত বিষয় সুখৰ আশে সিমান্য (সামান্য?) লোকলৈ যাম নে? নেখেদিলে ঈশ্বৰ পুৰুষৰ চৰণকে চিন্তি থাকিম হে আপুনাক সেৱা কৈ। সেই ক্ৰমে আএ কলে যাই ৰাজত। বোলে তেনো মাতৃ সেএ কথা। এদিন গৈ সুধিলে হাথীয়া, বোলে ৰামানন্দৰ মাক দিবলৈ কি বোলা যায়? বোলে সুধিলো, নেযায়, বুজিলে উদাসীনেহে বুদ্ধি দিলে বাধাকৈ। তেহে হিংসা কৈ নানা ছন্দেমন্দে বাক্য বুলিব ধৈলে। সহিব মুৰাৰা অস্ত্ৰে বিদ্ধি অস্থি, মজ্জা ভেদি সৰকি গলগৈ। তেহে গুৰু-জনে ৰব সহিব মুৰাৰি আইত প্ৰাৰ্থনা কৈলে বোলে মাতৃ দুষ্ট দুৰ্জ্জনৰ দুৰ্ব্বাক্যত ৰব নপাৰো যাবকে খোজোঁ, বোলে কলৈনো যোৱা? বোলে মাতৃ, গুৱা কছাতে থাকোগৈ বৈনাই, ভাগিনো আছে। বোলে তাৰতে হলে তোমাৰ আমাৰ কানেক হ'লেও বাৰ্ত্তাটো নেপাও, দূৰ, আঁতৰ। আমাৰ মনে আত ওচৰ, এই সুন্দৰীত থাকিব দিওঁ। গধূলি, পুৱা বাৰ্ত্তাটি পাই থাকোঁ, আক কোনো দ্ৰব্য খানো দিব আনিব পৰা যায়। আতা বোলে মাতৃ, পূৰ্ব্বে গুৰু-জনে সুন্দৰীত থাকিবলৈ বাধা কৈ গৈছে। দশমৰ উপদেশলৈকে জি গৈছে—

"যতেক সুন্দৰী নাৰী, পৰম অনৰ্থকাৰী" গুৰু বাক্য পৰে, গলে, তাল'কে যাঞ মাতৃ। বোলে বাপু, মোৰ গোসাইকে আমাকে কেনে ৰূপে লৈছা? বোলে মাতৃ, তাৰা পূৰ্ণ বৈকুণ্ঠৰ ঈশ্বৰ, তোম্ৰা লক্ষ্মী, গুৰু পত্নী, অৰ্দ্ধ শৰীৰ বুলি মানি সেৱা কৰিছোঁ আপুনাক। বোলে তেনে-হলে মোৰ গোসাএ ৰাখিছে তাৰাৰ বাক্য শিৰত লৈ আমি ৰাখিছোঁ, তুমি সুন্দৰীতে থাকা গৈ। এ গোসাএহে যিহক লাগি ৰাখি গৈছে সি কোটি সুন্দৰীও তোমাক দেখি চাৰ-খাৰ হব। যোৱা থাকাগৈ। গ'ল। হাথিয়া গুৰুজনক খেদিও ৰঘুৰাজাত খল দিলেগৈ, বোলে আমাৰে সুন্দৰ স্ত্ৰী দুটা আছে, আপোনাৰ যোগ্য, মহাৰাজ, দিছোঁ, অনা যক। শুনি তেতিক্ষণে হেঙ্গা বিহা দুই মেৰ দিলে আনগৈ বুলি। গৈ পাই ৰাজা আজ্ঞা কৈ ধৈলেহি আইক। শুনি মাজু আএ পটপুত্ৰ হানি দসন সবাই পেলালে। দুই চাই এৰি বৰ আইক নিলে ধৰি। পুৰ্ষোত্তম ঠাকুৰদেউ লগতে গ'ল। আইৰ দাদা খুৰা কিঙ্কা চৌধাৰী শুনি গ'ল ভেটী ভাৰ লৈ। পাই ৰাজ মাদৈক ধৰি ভৰি পূৰি নিলে মেলাই। মা পুত্ৰে খুৰাএক ভ'তে ছমাহ আছে। তেহে গোসানীএ খেদকৈ হৰিচৰণ ঠাকুৰক পাঁচিলে নিৰলৈ। পাই কলে। খুৰা ভাতৃএ বোলে ধনবএ আগে এৰিলা, এতিয়া কি বিচাৰা? দুয়াৰোঁ পঠাব। আঢ়ৈ কুৰি টকা ভৰি আনিছোঁ দি নিয়া যক। তেহে আএ বুজাই, বোলে খুৰা, মোৰ গোসানী বাপু আছে অনাথ, যাঞ, নেৰাখিবা। তেহে অব্য যত দি মানুহে সৈতে যোৱা হৈছে, মা পুত্ৰ পাই ৰহিছে। তেহে মহাপুৰুষ গুৰু গৈ প্ৰথমে ধীৰা মৰল বাৰী ৰামচৰণ ঠাকুৰ গৃহে সোমবাতে বসলৈ। সেই ঠাকুৰ পাট গোহালিতে গুৰু বাক্যেৰে বয়াজলী মোক ভাঙি পদ কৰিছে।

পাছে হে ঘোষা কৰিছে। তিনি বিৰোচনা লিখিছে। তেনেতে হাথীয়া গৈ দেখি বোলে অ' তুমিও শাস্ত্র কৰিব ধৈলা, মোৰ শ্রীশঙ্কৰদেৱক দেখি তাৰাৰ গ্রন্থ অনেক, আদৰকৈ চাব পঢ়িব শুনিব, তোমাৰ পুঁথি চাব গাব কোনে? এনেকৈ বুইলতে খতৰ কষ্ট পাই মনে চোটকৈ ছয়, সাত, বাৰ, ষোল, কুৰি, চলিশ, পঞ্চিশ টুটাই নিলে বিৰোচন। গুৰুজনৰ চিতে আগে শ্রবণ, ভজন, ভক্তি দেখাই জীৱক দেহৰ বাজ কৰিবৰ মন দিছিল। অৱসান কৈ বোলে পূৰ্ব্বে কণ্ঠভূষণে আনিছে এই শাস্ত্র দেখাএ, তেওঁকো নি? এই বুলি লৈ গৈছে দল ডোবাৰ সেই খিতে। গৰু চৰা ছৱা কৃষ্ণ বুলি নাম ললে। গুৰু শুনি গীত কৰিছে, "আলো ভাই, চল যাঞ বৃন্দাবনে"। গৈ পাই শাস্ত্র দেখাইছে। পঢ়ি চাই দেখে পণ্ডিতে মুখ দিব মুৰৰা বিচক্ষণ হৈছে গোটেই বোলে বাপ, ই শাস্ত্র ভকতৰ সৰ্ব্বস্ব, বৈষ্ণৱৰ হিয়াৰ বস্তু, গোটে একো বোৱা নাই আৰু বস্তুৰ অ'লী প্রেমময়। ৰত্নাৱলী ৰচনা

আৰু সুন্দৰী চাৰিৰ অৰ্থ—জল সুন্দৰ, থল সুন্দৰ, বালি সুন্দৰ। আৰু কৃষ্ণ দেএ সত্যভমা সমে নৰকৰ যুদ্ধলৈ যাঞতে জিৰাইছিল তস্তি, খানেক ধূলা পৈল। নৰকাসুৰ বধি ষোল হাজাৰ কন্যা দ্বাৰকালৈ পঠাওতে ভবি পলাই বাট হৰাই ৰ'ল তিনিজনা। তাৰা সবেহে শাপ দিছে অশ্বমৰ ববি ভাৰ। আৰ অংশে ছাএ অনেক সুন্দৰ স্ত্রী হ'ল। এই চাৰি অৰ্থে সুন্দৰী নাম হ'ল প্রখ্যাত। কামৰূপত চাপৰিক দিয়া বোলে। বুৰী লুইত মানহাঁৰ ভাতে সত্র কৈলেগৈ গুৰুজনে। সুন্দৰী নামৰ অৰ্থ

সোন্দৰাপৰা গৈ উজু বিৰণা কটাই ভকতক ভাগ দি হাটি বহা কৈলে কীৰ্ত্তন গৃহ মধ্যে কৰাই উত্তৰে গুৰুজন গৃহকৈ সোন্দৰাত ছয়হা বহি ভক্তে সমে লৈছেগৈ। বাজাৰ পাৰে সুন্দৰী আছিল। শুনি গুৰুজন ঠাই সবেও ব'ল। বাট সোণপৰা পদা

গৃহতে ৰহিছিল, পালেগৈ। গুৰুজনে চাই সিইঁতৰ তেজ হৰি পেলালে, বোলে আইসৱ, পুত্ৰৰ ঠাৰৈ মাতৃ এই বেশ আহিব নালাগে। বিছ, বিয়া, সভা, হাট এনেলৈহে সজ। বাক্য বজ্ৰেৰে মৰ্দ্দি পেলালে। তেহে ইজনীৰ আঁৰ হয় সিজনী, সিজনীৰ আঁৰ হয় ইজনী, এনে কৰিব খৈলে। বোলে চিৰাম, নিৰ্ম্মালি দিয়া আৰা সবক। আতা আনি এনেহে দিলে, গুৰুজনলৈ চাই সিইঁতলৈ পিঠি দি চাটি মাইলে। সিইঁতৰ কোঁচে পতি পৈল গৈ। আশ্চৰ্য্য অদ্ভুত হৈ গুচি গ'ল। আতা বোলে আন খণলৈ পঁচা নেযাব আক। বোলে নিৰ্ম্মালি দিও চহকী কৰিলা আক। বোলে মোৰ গুৰুজনে দিছে হব মোহনত—

ৰমণীৰ স্ত্ৰীক নিৰ্ম্মালিদান

"ঘোৰ স্ত্ৰী মায়া সৰ্ব্বমায়াতে কুচিত।
মহা মুনি গণৰো কটাক্ষে হৰে চিত॥
দৰশনে কৰে তপ জপ সবে ভঙ্গ।
জানি জ্ঞানীগণে এৰে কামিণীৰ সঙ্গ॥"

বোলে শ্ৰীৰাম, তোমাক কি কৰে? কৰক চাৰি সেএ তৰি আছে ভয়ত।

আৰু এদিন জন চাৰেক ডেকা ভকত যায়। এজন বুঢ়া ভকতে পাই সুধিলে, তোমা সৱ কলৈ যায়? বোলে গুৰু ঠাই গৈছিলোঁ? বোলে মিছা, বোৱা নাই। বোলে কলৈনো গৈছিলো? বোলে গুৰুজন ঠাই বোৱা হলে এনে হব নেপায় দেখোন। গোটে মৰা প্ৰায় হব লাগিল।

আৰু এজন বুঢ়া ভকত নাম গাই যায়। তাৰাতে এজন লোকে সুধিলে, বোলে কলৈ গৈছিলা? বোলে নাম গাবলৈ। বোলে নামত যে এত বেলি ভকতি নো কৰা কত বেলি?

আৰু বৰ বিষ্ণু আতাৰ পুৰুষ জন আদি বৰ কৰৈ বাৰীত। কৃষ্ণতেৰ পৌৰাৰ মঙলৰ গৃহ বুলিছিল। থালে থলে, সো

মহে জলে অচলা লক্ষ্মী বাজ সম্পত্তি। তানে বেটা গৌৰীচন্দ্ৰ, তানে পুত্ৰ সৌৰিবৰ্দ্ধ, তানে সুত হিৰমল, তানে নন্দন অহিৰমল, তানে তনয় বীৰমল, তানে পুত্ৰ নিৰ্ম্মল, তানে তনয় পিতৃদত্ত নাম কংসাৰি জাতক্ষেণ। তাবতে কবৈ বাৰীলৈ যাব খোজাত বাজে নেবে, মাজতে হুহকা নদী দেখাই বাব নোৱাৰি নিশা নাঞ ভৰা দি সমগ্ৰে লৈ মেলি গৈছে। আউসীৰ তমচৰ খৰিয়াত বুঢ়ী সব বস্তু মানুহ গৰু মাব গ'ল। আতা সাম্ভুৰি কথমপিহে বক্ষাপালে। আহি বব কবৈবাৰীতে আছিল তিনি মাহ। তাবতে গৈ ভুজমলাত আছিল ছমাহ। তাবতে আহি দুখ কষ্টে জাখলিত প্ৰবৰ্ত্তিলে তেৰ বৰ্ষ। তাব পৰা মালচাতে ফুৰিছে মাগি খুজি খাই দুমাহ। তাতে সোদৰ মাজী বোলে, আঢ্যৱন্ত। এদিন ভিক্ষা চাই তাতে সোমালগৈ। মাজী নাই ঘৰে। পত্নীএ বোলে ক'ৰ লোকটি কি লাগে? আতা বোলে অথিত, কেও কিছু নাই লাণ্টা, ফুৰিছো এনেকৈ; যতে পাওঁ ততে থাকোঁ' বোলে আমাৰ বাৰীতে থকা যক, অন্ন বস্ত্ৰ দিম আমি। আতা বোলে সজ পালে বঞো। বোলে আমাৰ মৰদো আহক। এই গোহালিতে এমুঠি চাউল সিজোৱা। সমগ্ৰে আহি দিওঁ। বোলে বাক কোৰ খানি দিওক আমাক। দিলে। বাট পছলি চোতাল বাৰী গোহালি চাচি চুৰুকি মাটি দি সজ কৈ পেলালে। মাজি আহি দেখি বোলে কোনে বাৰী বাট এনে কৈলে? ভাৰ্য্যা বোলে কৰুবা অথিত এটি বৈছেহি। বোলে কি সজ লোকটি পা। মাজিএ বোলে তুমি ক'ৰ লোক? ক'বতে আহা? আতা পূৰ্ব্বৰ পৰা সকলো খানি দুখ সুখ নাম গ্ৰাম কলে। মাজীএ বোলে আমাৰ অতে থাকা, তোমাক চাউল কানি দি প্ৰবৰ্ত্তাম, ফুৰিব নালাগে আক। বব [illegible] খান কেলা

ভুজমলা

জাখলি

মালচা

ভাটিলেকে পাৰে। আতা ৰব পৰা মাজীৰ ধনে ধানে অৰ্ব্বুদ হৈ আছিল। তেহে মাজীএ বোলে তোমাক আমি নেখেদোঁ, গুচো নোবোলোঁ, কুৰি বৰ্ষো থাকা। মাজীৰ তিনটা জীয়াৰী ৰব সক ছুটা নিলে, মাজুটো প্ৰথৰ গোম চকৰি। কেএ নিনিত্ৰ, আছে ঘৰে। বুৰা বুৰীএ আতাক হেৰাই থৈলে। আতা বোলে নকৰাওঁ আৰু। তেহে বঢ়াই দি হেচি বিয়া দিলে। কৰাই আছে খেতঁকৈ। আএ এদিন বোলে লোকে অহা পৰত তুমি আছিব পোৱা, ভাটিলৈকে যে কোৰ পাৰা গলে চো কুটা গাচো নিদিএ। আতা তাক নগণি কৰেহে তেও। তেহে আতাৰ প্ৰথমে ৰব পুত্ৰ গোপাল জন্মিল। ভাত চুৱনি হ'ল। দাদাএকে বাপেকে একো নিদিলে। তাৰে পৰা আএ দন্দ্ লগাই ঠাইতে সমাই মাজী মমাএকৰ গৃহ, তালৈকে গ'ল গুচি। বুৰা বুৰীএ মাত্তিলে শপতাই, নাছিল ঘৰে। আতা পথাৰতে আছিলত কলে, তোমাৰ মানুহ দন্দ্ কৈ গ'ল। মতাত নাছিল। আমাৰ জীয়াৰী অসতী, তোমাত দোষ নাই, যোৱাগৈ। আতা হাতে দা, কান্ধে কোৰ, টনা, পচৰা গাত মাথে গৈ ওলাল। আএ বোলে দহো আছিলা? আতা বোলে আগে দখো গুচ নোবোলু, এতিয়া বোলে দেখো যাগৈ। বোলে আছিলা দেখিছোঁ দিলে কি, আনিলা কি? বোলে পথাৰতে আছিছোঁ, গাতে এই, ক'ত কি পাম? বোলে কাঠিলকে কোৰ পাৰা গৈ আৰু। তেহে তাতে এপক্ষ ৰয়। আএ বোলে এটি গৃহ কৰা অতে। খেৰ, বাহ, কাঠ আনি কৈলে, তালৈকে গল। এতিয়া খাবলৈ নাই। আএ ৰব চহকীৰ ঘৰে যাই ধানৰ কথা কয়। এপাচি দিএ, আনি থৈছে মাটিত। বোলে এটি চুলি কৰা। আতা মল আনি কৈলে, ধলে ধান, ঢেঁকী নাই। লোকৰ ঘৰে

নিএ, বনাইহে দিএ। বোলে অ'তে এটি ঢেঁকী পাতা। কাঠ আনি চাচি পাতিলে। হ'ল। আৰু সেই ধানৰে কপাহ লয়। ধঁতৰ, যতৰি মাল নাই। নিএ লোকৰ গৃহ, হলেহে দিএ গৃহতৰ। বৈ দিলেহে মালো দিএ, আএ বোলে এই খিতে শাল পাতা। লোকৰ ক'ত কি কৰিম যাম। আনি চাচি পাতিলে আতা, হ'ল। এই ক্ৰমে আইৰ বুদ্ধিৰে বেজিৰ পৰা বৰশি লৈ প্ৰবৰ্ত্তিৰ পৰা সকলো হ'ল। লোকত নোখোজাকৈ প্ৰবৰ্ত্তি আছে। জেঠ মহা গেৰ ধান ৰাখে গৈ টঙ্গি দি। সেই লগে লাপনিয়া বাজন বিৰ, আধজিয়া, আতা সৈতে চাৰিউজনে একে চাতে। তাৰা সবৰ ৰবা মহে খাই ৰখাতে। আতাৰ এদালিও নেখায়। চাৰা নিশা আতা ভকতি প্ৰদীপ এখনি পাই তাৰে পদ গাই থাকে হৰিক চিন্তি ভাবি। সিবিলাকে বোলে ভক্তিয়া, তুমি আমাতকৈ পাচেহে আহা, আমাৰ যে খায় ধান, তোমাৰ দেখো ওচৰো নেযায়? তুমি কিবা জানা হৰলা? আতা বোলে কি জানো মই? দুখীয়া দেখি ঈশ্বৰে দায়া কৰে। পাচে কলাপকাতে আতা বোলে তোম্ৰা সবৰ ধান দাই নিয়া হক। তাৰাসবে বোলে আমাৰ বুৰা পকাইহে দাম। তোমাৰ দোৱা। আতা বোলে কেচা দালে ৰাঠি পুৰা পায়, পকালৈ চালে মূল হৰায়। এই বুলি এধা পকাতে আতা দাই নিলে। তাৰা সবৰ ৰবা মহে বেৰি খালে। যি ৰ'ল, আদখান বানে নিলে। সেই মাটিৰে জামিন খৈলে চাৰি-পোন কড়ি, দিৰলৈ নাই। আতা লৈ খাটা গোপালক খৈলে। আগে জিম বুইলে ধাৰে, পাচে দুখী দেখি নিদিলে হোৱাই বুলি। আতা বাজন ঢুপিচাৰক কইছিল, তাকে বেচি দিলে। তেহে চিনাজলি আতাতালে তিনিও জনে, বিধান নাই। ৰখিলে চাৰিওজন পাব হৈ নাঙ্ক লৈ গ'ল।

মনখেিত নাঞ্চ খৈ ঠাকুৰ আতা গৃহে ব’লগৈ বাট ঘৰে। আতা নাই। আইক কৈ থয়, আমাৰ ত’ৰ ভকত আহিলে সুধিবি। আএ চালে, গুৰু ঠাই নহয়। নিশা আতা আহি সুধিলে বোলে ক’ৰ অথিত? বোলে ককৰা পথুক, আমাৰ ত’ৰ নহয়। আতা ব’ল শুতি। নিশা শুনে “ভকতিপ্ৰদীপ” ৰ পদ গাইছে। পুৱা ওচৰলৈ গৈ বোলে কৰপৰা আহিছাইঁক? বোলে মালচাৰতে আহিছোঁ। চিনা বিধান বিচাৰি। বোলে সি কেজন কলে গ’ল? বোলে বিধান বিচাৰি গৈছে অতি। বোলে নেপায় যে অ’তে আছে আমাৰ। বোলে ৰাত্তি যে পদ গাইছিল, কোন জনে গাইছিলাইঁক? বোলে আমিএ গাইছিলোঁ। বোলে কিহৰ পদ? বোলে, ভকতি প্ৰদীপ বোলে দেখো লোকে, কোনে কৰা জানো? আতা বোলে যি চাউল খাইছা ধানকে নিচিনা। বোলে কোনেনো কৰা বাপহে? বোলে যাৰাহে কৰিছে তাৰা পুৰুষ পৃথিবীতে আছে। বোলে ক’ত আছে কৰা চো? বোলে কি কৰিবা কলে তুমি? বোলে তাৰাৰ দুই পাৱতে বিক্ৰয় যাম আক। বোলে নিচই আক। বোলে তেনো সেই সুন্দৰীতে আছে গুৰুজন। বোলে মোক নিয়াৰক, এৰিলো খেতি কৃষি। বোলে নহয়, এতিয়া তুমি নগৰে আহিছা, বাক যোৱা বিধান লৈ। আঠ দিনত বৈ আহা গৈ। আতা দিলে। লৈ বিধান আহি সাদিনতে পালে গৈ। আতা থাম দান কৰাই পুৱা নিত কৰ্ম্ম কৈ গৈছে। ঠাকুৰ আতা বোলে এতিয়া তুমি অতজনে আহা। একে চাতে গ’লে গমন বিভিচাৰ পাপ লিখে। গুৰু বাক্য পৰে। থিৰা মজুলৰ বাৰীৰ জেকেলা পাহ দেখাই বোলে হৰ বৃক্ষৰ গোৰে গুৰুজন আছে। চাই আবে পৰা চাইটি দণ্ডবৎ কৰা। কৈলে। কৰি গৈ পাই গুৰুজনা আতা সেৱা কৰিছে। গুৰু কোঠোৰা খেলোৱা নাট গীত শুনে

কোঠোৰা খেলোৱা নাট ভাল

কৰিছে। দেখে চাই মধুৰ মূৰ্ত্তি ৰূপ কোটি সূৰ্য্যৰ, কোটি শশধৰ জ্যোতি প্ৰকাশ, নীল শ্যাম তনু, ছত্ৰাকৃত্য মাথ, আকুঞ্চিত কেশ, পদ্মদল আয়ত লোচন ভ্ৰূৰ যুগল মদনৰ চাপ, বন্দুলি অধৰ, দাড়িম্ব দশন, চাৰু চিবুক, সিংহ বৰ্দ্ধ কন্ধ, শংখ গ্ৰাই কণ্ঠ, গণ্ড পাণ্ডুৰ বহল বক্ষস্থল অশ্বত্থপত্ৰৰ নয়। কটি ডম্বৰু, আজানুভুজ, বৰ্ত্তুল বলিত বাসুকী নয়, বজ্ৰৰ শলকা আঙ্গুলি, নখচন্দ্ৰমা কান্তি, কৰিকৰ উৰু, সুবলিত জঙ্ঘা, সৰোৰুহ পাদপদ্ম পল্লৱ, চম্পাকোৰ আঙ্গুলি, সৰ্ব্বঅঙ্গ উজ্জ্বলিত, হৃদয়ে প্ৰকাশে ভকতৰ নিত। হেন চমৎকাৰ ৰূপ দেখি পুনৰ সেৱা কৈলে অভয় পদত। মহাপুৰুষ গুৰু বোলে আৰাটি ক'ৰ? বোলে বাপ, মালচাৰতে আছিছে, নাম কংসাৰি। এই পাৰতে বিক্ৰয় যাৰলৈ আছিছে, আৰু অভজন দেখি পথে দণ্ডৱত কৰাই আনিছো। তেহে গুৰুজন বোলে "চটুৱা, মোৰ বস্তুকে মোকে ভেটুৱা? কল খাই বাকলি, সাহ লৈ বাহ হে আনিছা?" বোলে বাহো তোম্ৰাৰে, সাহো তোম্ৰাৰে দাস। তেহে গুৰু বোলে তুমি আছিছা হয়, আমাৰ যি গুৰু ধৰ্ম্ম দেখিছা, ধৰিব খুইছা, ই-পিতৃ-মাতৃ এৰা বন্ধু, ভাৰ্য্যা পুত্ৰ নথৈলে এৰিব লাগিব। পাৰিবা? বাক্য সঙ্গতে বলে নালাগে চাৰিব। বোলে বাপ, নলয়, নচলে, নকৰে যদি এৰিম ত্যাগি। তেহে আতা পূৰ্ব্বৰ ডাঙৰ বস্তু চিনি পাই ব্ৰত হৰিৰ নকৰাকৈও গুৰু বাক্য বোলাইছে। পূৰ্ব্বৰ নিজ নাম বিষ্ণু দিছে। বোলে বাপ, সেৱকৰ পাচতে হৰি গুণ গাই বসহে, নবাওঁ আৰু সি মায়াজ্ঞ গৃহ অন্ধকূপলৈ। গুৰুজনে বোলে বোৱা তোমাত হন্তে অনেক জীৱ ধৰি তৰিব। মোৰ গুৰু ধৰ্ম্মও কাঢ়ি গৈ মুকলি হব। বোলে বাপ, আপুনাৰ অভয় পদ যেন হয়

কংসাৰি ঠাকুৰ

ছায়াৰ পৰা যাবৰ চিত্ত নেযায়। তেহে গুৰু বত্নাৱলী—মাতিছে—“যিটো গৃহে মাধৱৰ ভকতি সাধয়।

এবিবে নলাগে তাক থাকিবাৰ যোগ্য হয়॥” হৰি ভক্তি বাধক দুঃসঙ্গহে শাস্ত্রে সাধুএ এৰিব দিছে। তেহে আতা গুৰুবাক্য শিৰে ধৰি যাবৰ চিত্ত হ’ল। বোলে বাপ, যদি চলে, কৰে ধৰে-এই সাত লুইতৰ পাৰ হাবি মহ হাতী কেনেকৈ আহিব আনিব। ‘নধৈলে আহিম গৈ এ। তেহে গুৰুজনে বোলে আহিব নেলাগে, তোমাৰ ততে যি ভক্তি প্ৰদীপ শাস্ত্ৰ আছে, তাকে আগত থৈ হৰিষ পৰি ক্ৰিয়াকৈ আমি যিৰূপে গুৰুবাক্য মাতিছো তুমিও এই দৰে মাতিবা, এই বুলি আজ্ঞা কৈলে। আৰু বোলে তোমাক কায়া বিচি দখিন কোনে গাৰিছো, অনেক পোখা হৱ। পাচে গধূলি ভোজন কৰাই বোলে চিৰাম, পাটি দিয়া। দিলে পাৰি। তাতে দুওজনা আতা শয়ন কৈলে। পৰ্মানন্দে পাচে ভৰ নিদ্ৰাত আনন্দে গুৰুজন গৈ দুওজনাৰ মাজতে শয়ন কৈলে। ঠেলা ঠেলিত মাটিত পৰে গৈ। আৰা বোলে জানো তাৰাহে ঠেলিছে, তেৰা বোলে তেৱেঁহে হেচিছে। হাঁত ফুৰাই এবাৰ চাই দেখে তিনিজন, গম পাই জানি উঠিব খুজিলে। গুৰু দুকালে দুই হাত দি জগতৰ ভৰে হেৰাই হেচি ধৈলে। বোলে বাপ, মৈলো মৈলো। বোলে কিহত মৰা? তুমি কোন, মইনো কোন চোৱাঁচো মনকৈ। তেহে প্ৰেমানন্দ খেলা কথা সুখতে নিশা পুৱাল। দুওজনা আতা গুৰুজনত বিদায় কৈ গল মনথৈলৈ। পাই খান দান কৰাই পঠাইছে। আতা সেৱা সংকাৰ কৈ গৈছে। আতাৰ গৃহ ছেচুক, পহতন্ন, খৰ নাই। মুকলিত খলাকৈ ধান শুকাই। তাতে খগৰি এজুপি আছে। আতা গৈ তাতে বহিলগৈ।

পুত্ৰ তিনি—গোপালে জ্যেষ্ঠ, যছুমনি কনিষ্ঠ হৰিচন্দ্ৰ চোট। দেখি আএ বোলে গোপাল, পিতাৰ দেখো আজি কতহে বহিল। যাচো সোধগৈ নাহে কিয়? তেঞ গৈ বোলে পিতা অতহে বহিলা দেখো, তুমি কি আলহি নে, গৃহলৈ নাহা কিয়? আতা বোলে বুপা, পূৰ্ব্বে আমি চাৰি লাখ টকা ডেকা সদাগৰ ধকৰা তিনি মুৰীয়া বুঢ়া লগা, বেহালৈ দিছিল। মূল নাঠি নগৰত বেহালো গৈ, লাভ চাৰি মূলো পৈল। ভয়ত ভু হৰাই কত যুগ আয়াযাত কৈ সংসাৰত ভ্ৰমি পলাই বেৰাঞ; এতিয়া নগা গিৰিএ পাই-সোধাই দিলেগৈ মূলে ছুনে লাগে, নেৰে, বাণিজকৈ সোধাব দিছে। লগা কৈহে আহিছো তইঁতে ভৰ, ভাব লৱ বুলি। নলৱ যদি যামহে আকৌ, মাৰত কগৈ যা। শুনি অত্ৰাহি হৈ কলেগৈ সেইদৰে গোপালে। আই মহা চক্ৰী বুদ্ধিমন্ত লোক, লাগি অহা শুদ্ধ জীৱ। আগ বাঢ়ি গৈ নম্ৰতা হৈ বোলে তোম্ৰা গৃহস্থ, আমি দাস দাসী। আমি চাৰি মা পোকে কিনি হাতে লৈ ভাৰত হাটে বণিজ কৰা; মূলে ছুনে দিব পাৰিবা। নচলি নবলেহে বাক্যত, তেহে এৰা সজ, অহা যক। আইৰ বাক্যত আতা সন্তোষ হৈ গৈ আগীলাতে বহি পাগ পাত্ৰ খাব সতা কৰাই খলা, কলহ, চিলিঙ্গা গোবৰ মাটিএ মচাই বস্ত্ৰ নিকাই উপাসে বৈ খেদ কৰিছে আএ। বোলে ছৱা পুতা লুইত পাৰ হৈ কেনেকৈ যাম? আতা বোলে যাব নালাগে, যদিহে নিচই কৰিছহক আমাকে আজ্ঞা কৰিছে গুৰুজনে। আএ বোলে তোম্ৰাক যদি গুৰু পালোঁ কি লসাধিলোঁ আৰু? সংশই কি সংসাৰত তৰিবলৈ? মহাভাগ্যে দৰিদ্ৰৰ অষ্টনিধি হাতে মিলাইছে বিধি দৈৱে আনি আজু। আৰু অনিচই? তেহে খাব তৈলা স্নান কৰাই বাহ চাউল [illegible] কৰি আপোন [illegible] প্ৰদীপ বৈ ধূপ দীপ [illegible] মহাপ্ৰেমৰ

গুৰু বোলাইছে পুত্ৰ ভাৰ্য্যা সবাকে। এতিয়া আই লৰা কাৰো গৃহে নযায়, জুই, পানী, পাত, খৰি, বিয়া, সভা, ভোজ সবাকে এৰিলে। এদিন পানী লৈ গৈছে আই। লাপনীয়া, বাঙ্গন, আধলীয়া, তিনিও ভাৰ্য্যা ঘাটে থৈলে বোলে দহো তোম্ৰাসবৰ কেও কাৰো গৃহে নযৱা মাহ চাৰি কিয়? আএ বোলে আমাৰ তাৰা মহাপুৰুষক গুৰু বুলি আহিছে, হাক দিছে যাৱ খাবলৈ। তাৰা সবে স্বামী সৱত কলেগৈ। শুনি তিনিও আহি আতাক হেৰাই থৈলেহি বোলে একে চাতে গৈছিলো, ফুৰোঁ চাকোঁ খেত কৃষিএ, এনে বস্তু পাই আমাত নোকোৱা কিয় এতদিন? এতিয়াও লৈ যোৱা কা'লৈ। পাচ দিনা ভাৰ ভেটি লৈ গ'ল চাৰিও জন। ঠাকুৰ আতাৰ গৃহে ৰৈ আতা নি কেউ জনক দিছেনি। গুৰুজনে মহাপুৰুষক গুৰু বোলালে। গুৰুজনত সুধিলে বোলে বাপ, আমি এতিয়া ন চাউল শাক ক'ত লগাম? আহিবলৌ এই সাত দুইতৰ পাৰ, আৰু গৃহৰ পুত্ৰ ভাৰ্য্যা কেনেকৈ আহিব, আনিম, হাবি, হাতী, মহ? তেহে গুৰুজনে বোলে ন চাউল শাক উপাধি বিষ্ণুকে দিবা, আমি পাম তেও। পুত্ৰ পত্নীও দিবা ত'ভে। নিশা ৰৈ ভোজন কৈ আহিছে চাৰিও জন। পাই গৃহৰ পুত্ৰ ভাৰ্য্যা সবাকে নি দিছে গৈ। আতা মাহ, চাউল, বস্ত্ৰ, শাস্ত্ৰ থৈ মহাপুৰুষক গুৰু দেখাইছে। তেহে চাউল শাক দ্ৰব্য আতা নেখাই গৃহৰো আনি মিসলাই চাৰিভাগকৈ চাৰিওজনে নিএ। চাৰিবে প্ৰীতি আহ্লাদ লোকে দেখি বিস্ময় হুই শুনি খাটা গোপালে চাউল এভাৰি, কৰি এমহা, পচৰা, আৰু লৈ আতাক সেৱা কৈলেহি। আতা বোলে কি পাইছা এই? বোলে বাপ, চাউল, কৰি, পচৰা। বোলে পূৰ্ব্বে দেখো আমি চাৰিপোনকে খুজি খাবে নেপালোঁ। গোপালে বোলে আতা, আমিও [illegible] [illegible] আছিলোঁ।

বোলোঁ। আতা ধৰিবহে। আতা বোলে নলাগে খেদ কৰিবা। তেতিয়া তুমি যেনে আমি তেনে, কিয় দিবা? এতিয়াও কাক কোনে দিএ? মহাপুৰুষ ধৰ্ম্মেহে আনিছে, মোলৈ আনিছা নে? তেহে পৰিক্ৰিয়া কৈ গুৰু বোলাইছে মহাপুৰুষ।

আৰু নাতিমা হিৰা দলৈ, কমললোচন, হৰি, শিয়ানন্দ, গোপাল, নাৰায়ণ, ৰাম এই আঠজনে মহাপুৰুষ গুৰু বুলিছে গৈ। এই ক্ৰমে এহেল দেখিলৈ কোণ ভাগি আহিব খৈলে। গোটে দেশ ভাগি পৃথিৱী নধৰা হ'ল ঠাঠ।

আৰু সক গুৰুক মাকে লৈ গ'ল পঢ়িবলৈ আতা ভ'ত। আতা বোলে মই কি পঢ়াম, গুৰুজনে যি পঢ়াব। এই বুলি কমললোচনে সৈতে লৈ গৈছে। গুৰুজন ওলাই বহিছে। দেখি বোলে ব্ৰাহ্মণ ছৱাটি যি আনিছে বিষ্ণুএ বিহৰ পুলিটিহে গাৰিবলৈ আনিছে। দি আহিল। পুৰ্যোত্তম, চতুৰ্ভুজ, ৰামচৰণ ঠাকুৰ এই সবেবে পঢ়িছে। এদিন বিবুত্তনসৰ পাঠ নহাত ঠাকুৰ সবে হাঁহিলে। গুৰুবোলে তোমালোকেহে আৰু যেছুয়াইছাহঁক, আৰ উপৰে ছত্ৰখান যি নহৰ সেয়েহে। আৰু ৰামচৰণ ঠাকুৰ নপঢ়োতে খুটাত বান্ধি ঠলামুৰি মাইলে, কপালে খুটাৰ আথি লাগি তেজ ওলাল। মেলি কোলা লৈ বোলে ভাগিনক মাৰিবই নেপাএ, বিস্তাৰ অৰ্থেৰে মাৰোঁ। অকা এদিন নিশা পলাল। আও জোৰ লগাই বিচাৰি খেদকৈ কান্দি ফুৰে। গুৰু বোলে কি হ'ল? বোলে দদা নৰাতি নাই। বোলে মোক দে জোৰ। তোত পলাইছে, মোত পলাব ক'ত? গৈ চায়, পুৰা ফুহিয়াৰৰ তলে নিশা ঘৰ মুখে সোমাই আছে। আগীএ বোলে দদা তাতে মই কেৰা বাবো চাৰোঁ কহো?

আৰু কেৰাফুচিতে হৰিপদ আটৈৰ গৃহ। তাতে দাঠকিয়া হৈ কমলাপতি গৃহ টক আছে। তেল যেচি এবৰ্ষে। হুলনীত

একদিনা গৈছে ; হৰিকথা তুলিছে গুৰুজনে, সকলো শুনিছে। বৈ আছে তেল লৈ। অৱসানে গুৰুজনে সুধিলে,. সেইটি ক'ৰ লোক ? বোলে বাপ তেল সজাই আন খনো আনে, লৰলৈ বৈছে। বোলে মাতাচোন। মাতিলত আহিল। বোলে তোমাৰ কোন আছে দেহৰ সমন্ধৰ ? বোলে বাপ কিছু নাই। বোলে বেচিনো কি পোৱা ? বোলে বাপ, দেহটি প্ৰবৰ্ত্তিছো টাগবাগকৈ যেই সেই মতে। বোলে এই ভকতৰ সঙ্গে হৰিগুণ গাই থাকিলে একা চাউল, কানি, লোন, সকলো হয় দহো ? আতৈ সবৰ মিলিছে। বোলে বাপ, নযাওঁ আক তেনো। পাচ দিনা ব্ৰতেৰৈ মহাপুৰুষ গুৰু বোলাই বহা দিছে। তেহে মাহে পক্ষে পূৰ্ব্ব ঠাই আহে যায়, দ্ৰব্য বস্তু খানি দিএ, আনে। এদিনে গুৰুজনে বোলে কলৈ গৈছিলা ? বোলে বাপ, আগে থকা গৃহে গৈছিলো। বোলে আমাৰ কথা সুধি কি বোলে তোমাক ? বোলে প্ৰশংসা কৰে। বোলে মাতি আনিবাচো আহে যদি এদিন। তেহে এদিন গৈ কলে গুৰুজনে মতা। বোলে মই যাবই খুইছোঁ। এই বুলি এখনি ভাৰলৈ গৈ সেৱা কৰিছে। পাচ বাৰ গৈ গুৰু বুলিছে। সজ বুদ্ধি দেখি চাই কথা হৈ হুও জনালে, তেহে পৰমাৰ্থ মাতিছে গুৰুজনে ছুইকো। বোলে হৰিপদে হাটীত নিশা ৰবহি। কমলাপতি গৈ দিনে আহিবা, নিশা নাথাকিবা। তেহে গুৰুবাক্যে কতো দিন আহি গৈ সুখে আছে। এদিন কমলাপতি গৈছে। তত হৰিপদ আতৈ ওলাইছে ভাৰ বাদ্ধি গুৰু সেৱা কৰিবলৈ। পদুলিতে লগ পাই উতটি গৈ বোলে চাউল সিজোৱা হ'লনে ? বোলে নাই। বোলে তেনো সিজোৱা, তোম্ৰা যক। হাবিয়াদিয়াতে যে গুৰুজন আহিব খুইছে সেৱাকে আহাগৈ। কতো সুখে কয়, হুও হুই বাটে পাঁজ, লগ লেপালে।

আতৈএ পত্নীক বোলে আতৈক তই চাউল সিজোৱা যুগুতকৈ দে, অসন্তোষ পালে তই হে জান। মই গুৰু সেৱাকৈ আহোঁগৈ। এই বুলি গৈ হৰি কথা শুনি থাকোঁতেই গধূলি হ'ল ব্ৰহ্মসভাত বৈৰত ৰাজা দবে ক্ষেণ প্ৰায় দেখি গুৰুজনে বোলে হৰিপদ কমলাপতি নগৈছে? বোলে বাপ, পচুলিতে পাই থৈ আহিছোঁ। চাউল সিজাবলৈ। বোলে তুমি আক কেতিয়া যাবা নিশা হ'ল, থাকাই বিহানে যাবা। তেহে পুৱা গৈ পালেগৈ। তাৰা বোলে আতৈ অহা গ'ল। বোলে তোম্ৰাৰ প্ৰসাদত আহিলোঁ। কালি নাহিল কিয়? বোলে হৰি কথাতে গধূলি হ'ল নিমিষত। বোলে আমিও তোম্ৰালৈ বাট চাওঁতে নিশা হ'ল। বোলে এতিয়া আক বিদায়হে, যাওঁ। বোলে চাউল সিজাই যক। তেহে নাম পাঠকৈ চাউল সিজালে তত তেওঁৰ পত্নীএ সিজালে' হ'ল। দিছে, লৈছেগৈ। আৰও লৈছে। আএ সেই খিতে কলে বোলে অনেক ৰূপে বুজাই কলোঁ ই দোষ, পাপ, শুধ ধৰ্ম্মত বুলি। তোমাৰ আতৈ আসি কথা নলৈ আচৰিলে, বলেবে সবা গ'ল হতে। তোম্ৰা বুলি গ'ল অসন্তোষ পালে ভাল নেপাবি। এক গ্ৰাহ লৈ আক গ্ৰাস তুলি আনিছিল, শুনি সেইতে সবি পৈল। মুখ ধুই উঠি আহিল। আৰাও খাই ছুও বহি মুখ শুধি কৈ আহিল। আৰা বোলে আমিও যাওঁ বোলা যক। এই বুলি কৈ ছুয়ো গুৰুজনক সেৱা কৈছেহি। কিছু পাচ হৈ কমলাপতি আঠু লৈছে। বোলে কমলাপতি ক'লা কালি। বোলে বাপ, আতৈয়ে চাউল সিজাবলৈ থৈ আহিল। খাই যায় যায় বুলি বাট চাওঁতে গধূলি হ'ল। আহিব ন্নৱাইলোঁ। বোলে পূৰ্ব্বে আজাৰ বাধা ৰাক্যটি পৈল। কেক আজি কি পাল হৈছে কোৱা যক। বোলে বাপ, কিছু নাই হোৱা। তিনিবাৰ

কৰে খচ্চি। বোলে হৰিপদে কোৱাচোন ? বোলে বাপ, তুমি সৰ্ব্বসাখী আত্মা হৃষিকেশ, জানাহা মোৰ চিত্তক। মই দাসে কি কম ? সেই কথাতে গুৰুজনে ঘোষা মাতিছে—

"হৰিপদে ধৰ অন্যায় নকৰ,
শুনৰে মন পামৰ।
সাখী হুয়া হৰি হিয়াৰ ভিতৰে
আছা দেৱ দণ্ডধৰ ॥"

"ৰাজা প্ৰজা জানিলে শঙ্কৰৰ মত শুদ্ধ।
সিটো মত এৰি আন আচৰয় পৰম সিটো মুগুধ।"

বোলে জুই ফুৱাতে মুখ পুইলি পুৱা কত আৰু। মোৰ গুৰুজনে বুলি গৈছে মিছা বেশ্যাৰ গুৰু নহঞ, তিনিও টা সিজিল পাপ অগম্যা গমন সৈতে। এই বুলি হৰিপদক ৰাখি কমলাপতিক খেদিছে।

আৰু বিষ্ণু আতাক ভূষণ গুৰুৱে সভালৈ মাতিলে আতা বোলে বাৰু, মই চাঞ আলচি মাৰ্গে সৈতে। এই বুলি নগ'ল। আকৌ খেদি পালেহি। বোলে মই এঘাৰ ইন্দ্ৰিয়ত গা গাই সুধিলোঁ, প্ৰথমে চক্ষুএ বোলে আগে যাৰ ৰূপ চাইছোঁ, এতিয়াও তাঁৰহে যাম চাম এই ক্ৰমে শিৰতে পদলৈ সবেও কলে। একল বৌৰাজি বিষ্ণুৱে মই কেনেকৈ যাম খাম পা। এইৰূপে আতা হৰি গুণ গাই মালচাতে আছে। গোটে দেশৰ লোক ভাগি আছে ভকত হবলৈ। আতা দেশাৰ মহাপুৰুষ গুৰু। সিইতে ভৰ সুবুদ্ধি আতাতে নিচয় কৰে। দাপনীয়া, ৰাজন আথলীয়া, আতা সৈতে চাৰিওজন গৈ বোলে বাপ তাত আমি বৰ ভুৱালোঁ। আমি গুৰু শ্লোক তোমা সৈতে শ্ৰীশঙ্কৰ দেৱক। সি তাক কুবুদ্ধি আমাতে নিচয় কৰে। গুৰু তাৰ ৰূপে ভুৱালোঁ, মন [illegible] কেনেকৈ ? [illegible]

লাগে। কৈলে সি ঠাই উছন্ন হয়। আতা বোলে হুক আমিও যাব ; খুইছোঁ কাঠনালৈ। তেহে ঠাকুৰ আতাক দিছে ছোঁ সাজিবলৈ। গৈ ছুওজনা আতা সাজিলে, হ'ল। আতা আহি ভক্তে সমে গুৰুজনক নিছেহি। ঘাটতে চকোৱা দি গৈছিল গোজ মাৰি। উঠাত জগতৰ প্ৰজা টাটি ভাঙি সোমাকৈ চুৰ খোজে। ভক্তে হাত যোৰা দিছে ৰাখে। বোলে বিষ্ণু কিয় এনে? বোলে বাপ, পৰা খানি পুৰুষাৰ্থ কৰা হৈছে দাসে। গৈ বহি আতাক চো কাৰণ ছলে খল কৈলে। সমুখতে পাচত আঠু বৈ ৰ'ল। লোক ৰায়তে দেখি বোলে আতাৰো গুৰু আৰাহে। শিষ্য যেন জানি কিছু ৰত এৰিলে গুৰুজনত কৈলে। তেহে যাত্ৰা পাতি গুৰুজন হ'ল নৃসিংহ, হিৰা দলৈ হিৰণ্যাক্ষ, পুবৈ ফেচুকাৰে বোলাই পাগুৰি দিছিল। উৰুত চিত কৈ চোলা ফালি শিৰত মেৰালে। প্ৰজা গিৰিখাই ভাগিল, বোলে মহাজনে মানুহ মাইলে। সেই তদ্ৰূপ হৈছিল। পূৰ্ব্বৰ ক্ৰমে ঠাকুৰ আতাহে উভটাই আনিছে, ভাওহে, ভয় নেখাবি বুলি। পাচে নৃসিংহে দৈত্য সেনা ঘৰাকাতি চকা, ভুকু, কিল গোবিন্দৰ গোৰা কাতি লাগি কপাল ঔ যেন হ'ল, বলগৈ তামল মান, নাম হ'ল লাটিমা গোবিন্দ। পাচত আন সবেও প্ৰাৰ্থনা কৰে প্ৰসাদ বুলি। গুৰু বোলে সি ভাও, এতিয়া মাইলে অপৰাধ দণ্ড হয়। পাছে যাত্ৰা গাই বাই অৱসান হ'ল। আতে সবে অনেক দ্ৰব্য পালে। তৈতে দহ দিন ৰহি কাশী গদাদি উজাই গৈ হেৰেমৰৰ ৰাজ্য হৈৰে-মলতে কৈলগৈ, ভক্তে সমে হৰি কথা সুখে তাতে হুমাহ আছিল, মহা প্ৰেম ভকতি খেলা সুখে। অনেক বাৰত লেগু জানি আছিল বৈলে, ধৰ্ম্ম কৈলৈ অনেকে। পচিয়াই হ'ল তিনি বুলি ৰৱ। দুজান পাই চিনাম আছাহু সৈতে উজন

ফালে একেৰি হাবি আছে, তাতে গৈ কথা সুখে ৰহে। পাচত থান সৰু হেৰেমদ হল। আৰু ঘাটৰ কাখে এজুপি আম আছে। তাতে গুৰুজন গৈ আউজি এপদ দি একপদ মাটিত থয়। পদৰ চিন ৰ'ল, আউজা চঁচা যেন হ'ল। এটি ছুৱা কান্দি কান্দি গুৰুজন ওচৰলৈ গ'ল। গাছতে পাৰ আনি মাথে দিছে। সি নিচুক দিছে। ৰাম চৰণ ঠাকুৰে বোৱা বেল, নাৰিকল, আম, আমলখি, এতিও আছে। পাছে হেৰেমেশ্বৰ ৰাজা শৰণ লবলৈ মানুহ পঠালে। বোলে ৰাম চন্দ্ৰ, মোৰ পৰম গুৰু শ্ৰীশঙ্কৰ দেউ নৰনাৰায়ণক শৰণ দিব লাগে বুলি বৈকুণ্ঠে গ'ল। আমিও ই ঠাই এৰি ৰ'লা যাওঁ এই বুলি নাঞ মেলি আহিছে। কিছু ভটিয়াই ৰামচন্দ্ৰ উঠিল মুখ হাত ধুবলৈ। ডোবাত ভেট, পদ্ম ফুলিছে দেখি বোলে বাপ, জলে থলে বৰ বিশেষ ঠাই খান। বোলে পাচত আমাৰ থান সত্ৰ হব। কিছু গৈ পাণী কুম্ভিত ঠিয় দি বোলে মমা, কি সম চাপৰিটো সত্ৰ কৰিবলৈ? বোলে
ফুলগুৰি সত্ৰ পাচলৈ হব, সৰু বৰ হেৰেমদ ফুল গুৰি হ'ল। গুৰুজন নেত্ৰ বলাই চাই গ'ল। পিৰিতে যতে দৃষ্টি পৈল ত'তে থান
আৰু আন আন সত্ৰ হ'ল পাচলৈ—সিকৰ হাটী, ধোপং গুৰি, নপৰা, নহাটী, নবৰি, মৰহাটা। জটিয়া জজি, পৰালবৰি, গুৱালহটা দীঘলকুচি, উৰপোট, কান্দুপুৰ এই সব হ'ল। পানীকাথৰিয়া জাল বাইছিল। মাচৰ বাৰ্ত্তা ভক্তে সুধিলে বোলে সভৰ শল পাইছো। বিলৰ নাম হ'ল সভৰ শলা। কিছু গৈ, কেবেকি জাল বাইছিল; গুৰুজনে বোলে এই বালাতে বৈ চাউল সিজক, মাচ লোৱা হওক; সুধিলে বাৰ্ত্তা মাচৰ; বোলে হু বুলি মাম নাৰ বাট হে পাইছোঁ। তাৰতে সুত্তিৰ নাম হ'ল হুবুৰিয়া। পাচ দিনা একাদশী বৈ নাম খাই চাউল কলা খাই থৈছে; নাম হ'ল বিলৰ কল খাৱা।

মৈলি গৈ কলহিত পবি ভটিয়াইছে। বব চাম এজোপা দেখি বোলে মংমা এই ডাল লম্বা চোম। অনেক পক্ষী বহাইছে। শুক বোলে আমাৰ পাচত অনেক ভকত একত্র হৈ হৰিগুণ গাব ; গহণ লোক এজন থিত হৈ চমৰিয়া হ'ল। কিছু গৈ গাচথুবি দেখি বোলে মণ্ডলাকাবে মালাপ্রাই বৃক্ষখানি। পাচত মালৈবাবি হ'ল।

চক্ষু পবাত বেত বাবী, কাতাবি বাবী, কৈমাবি, দলগোমা, দমাল চোঁচ, বুককা, হবি পুব, কাবিপবা, কাজলামাবি, কেচাইডুবি, ঢেকেলাবাবি, নলঙ্গা, এই সব থান সত্র হ'ল পাচত। গৈ পুনু মালচাতে বৈ কাঠসিএ খৰাদি সুন্দৰীতে বহিছে গৈ॥

এতিয়া ভনীপুব আতাব চবিত্র

আতাব আদি কলিতা দেশত। কলা কলিতাব গৃহ বুলিছিল। চেক্‌খামহাটজি নৈ গ্রামে। তানে পুত্র বাসুদেৱ, তানে সুত হবিদেৱ, তানে বেটা শঙ্কবদাস, তানে নন্দন চন্দন গিবি, তানে তনয় শঙ্কবষণ, তানে পুত্র নবদেৱ, তানে বেটা কামদেৱ। স্বমাতৃ চলিল, বৈমাতৃ বিহালে নবদেৱে সত্যা নামে, হবি ববকলিতা গৃহব। ভাত্রত আতা গর্ভে থিতি, আহিনত পিতৃ চলিল। ক্রিয়া কর্ম্ম কামদেএ কৈলে। কলিতাদেশ কার্ত্তিকত সতিয়াই বেটা, চাবিশ টকা পিতাব আছে দে বুলি বাজদূত নি মেলত ঘটাই শাস্তি থৈলে। আএ উপায় নপাই পলাই দেশ এবি অটব্য অবণ্যে চবা পর্ব্বত পাবহৈ তিনিমলি বাটে আবব মিবি চাবি মাটি মিবিএবি অরুণ দেশ ওলাল হি গোচ্ছেব বিলে, শক্তিমন্ত পুৰুষব প্রক্তিগুণে অনাহাবে। আহি মহা ছত্রী জোব। টকা আছিল হাতে। [illegible]

নাজিৰা হাটে পসাৰ দিব খৈলে ধন্ধা দলৈ গৃহে বৈ। অনেক দ্ৰব্য হৈ গৰগাঞ বৰদ্বাৰ মুখে পহাৰ আহি গৈ দিছে। চাৰি-খান ভাৰৰ বস্তু মাথে নিএ। কাঠৰ ডলাত তোলে তিনি খুটি মাৰি। তল সোমাই লয়নি, খুটি মাৰি নমাই পসাৰ দিএ। দুই তিনি জনীয়েও দাঙ্গি তুলিব নোৱাৰে। তিনি খুটি হাতে নিএ মাৰি বুধিৰে লৈ থৈ। এদিন লৈ আহে সন্ধ্যা বেলা, ঘাটৰ নাঞ সিপাৰে নিছে। তেনেতে মুদৈ নাঞখান পাঁচোটা চৰি মাৰি খোৱা দিএ। আএ বোলে বুপাইঁত তামোল খাবি মোকো নে। সি বোলে ভৰা নাঞ, দুঠিবি, নেখাঞ। পাচে আএ গুৰি টিঙ্গে বামপদ দি বোলে নেইক। পাচ চৰি মাৰি একাঙ্গুল বঢ়াৰ মুৰাৰি বোলে কি বজ্ৰনখী পা, উঠ। সেই
স্বৰ্গনাৰায়ণ সিংহৰ শিশু বধ চেষ্টা সময়ত আতা গাত, ন মাহ, জন্মে বৈশাগৰ দুপৰ নিশাত বুধ বাৰে শুক্লা সপ্তমীত। তেহে কাঁহ, ডবা, পেমা, ভেক, হস্তী ঘোৰা, সকলো বাজি চিহৰিল। পাচে শিষ্য পুত্ৰ ৰাজা হ'ল। শুনি স্বৰ্গনাৰায়ণ সিংহে আজ্ঞা কৈলে দশোদিশে দা চাউদাং দি বোলে আজি নিশা য'তে লৰা হৈছে চাই সবাকে মাৰগৈ। আএ পসাৰে নিবৰ কাপৰ খান গাত লৈ গাৰ আঁৰতে কানি খানি পাৰি থৈ এখানি দি ঢাকি থলে, কেৱে ভু-কে নেপালে প্ৰসৱৰ। দুতো আগেই গ'ল, তৰ্কিবই মুৰাইলে। সি চাৰি নগৰ পসাৰীএ ভু নে পালে। পাচে বাজ জগৰ ভাগি তিনি মাহৰ পাচে শাওনত ৰাজাৰ কোঁৱৰ জন্মিল কেকোৰা
জয়সিংহ জইসিংহ, ধাই বিচাৰ লাগিল। আই বৰ বৃহৎ লোক, লম্বা ডন দেখি নি ৰাজাকে দেখালে গৈ। বোলে হুজ থ নি। আইৰ কোঁৱৰক তুলি কুঁৱৰীত বৰ খাটনি। আতা কোঁৱৰক লৈতে সমনীয়া উৰলি ফুৰে লিগিৰা চাতে। ঝিলা, চাল, পাহু, পচি, বাঘ চোপ, চৌপট* সবাতে আতা জয়, জিকে, কোঁৱৰ হাৰে। পেটে খেপ লাগি ৰাবিৰৰ চিত্ত হুলাহি লাজ পাই।

ছলে নেপাই চান্দি আছে। আক আই বৰ কাজী, ফুলতী, গুটি গাঁঠি, গছে, লতা, বুটা, চপা, কেচ, হাতী, ঘোৰা সব দিব তুলিব পাৰে। ৰাজাৰ জোলাৰ শাল সাত কুৰি। লিগিৰীৰ এশ। এই বাৰ কুৰি শালৰ যুৰকৈ কুঁৱৰীএ দিলে বোৱাব কৰাবলৈ। তাতে আই মহা বুদ্ধিমন্ত, টকা, শিকা, বস্ত্ৰ, দ্ৰব্য, বহু পালে। এই ক্ৰমে পাঁচ বৰ্ষ থাকি কৰায়। তনো এৰিলে কোঁৱৰে। কৈ ওলাই পূৰ্ব্বৰতে পসাৰ দিছে। আক দুজনা গুৰু বামুন বাদে ৰাজা গৰগাঁৱে নিয়াত মেচা পুখুৰীত বৈ যাওঁতে নাজিৰা হাটে, পাচে সাতে পাঞ্চে আতা আম দি সেৱা কৰাত, গুৰু তোমাৰ ভাগ জীৱটি বুলিছে চোট আতাক। দুইবৰ্ষ আছে। একদিনা আতা আলিতে খিলা খেদিছে। আএ পসাৰ দিছে। সিকালতে ৰাজাৰ কুমাৰ ছৱা হাতীত উঠি ছৱা, লিগিৰা সৈতে পসাৰ দ্ৰব্য লুটি আহিছে। আই আতাৰ গুৰি পাই লিগিৰা ধৈলে পসাৰে দ্ৰব্যত। কোঁৱৰে পূৰ্ব্বৰ খেপতে মাৰিবলৈ হাতী খুম্পি ওপৰতে তুলিলেনি। আতা উঠি দাতে ধৰি আলি থাৱৈলৈ মাৰি পঠালে। কোঁৱৰে সৈতে পৈল গৈ। লিগিৰা সবকো গতাই বগৰাই পঠালে দ-লৈ। কোঁৱৰ লিগিৰা পৰি কেকাইছে। বজা প্ৰজা উস্মিহ লাগিল। ভিতৰতে ঘোৰা চিপাহী লালী হ'ল। সেই হিহনিতে চব দ্ৰব্য—এৰি আতা আইক লৈ বেগতে সাৰিল। জকাইচুক

কেৱে তৰ্কিব নোৱাৰিলে। বৰ জগৰ বিচাৰ চকী, কাট দি বিচাৰি নেপালে ক'তো। আতা সেই নিশাই গৈ জকাই গজপুৰ

চুকতে হৰাই বৰা গৃহে বৈ দুখকৈ দুমাহ প্ৰবৰ্ত্তিলে। দু যেতাৰা

পাই বুলি ভৰত তাৰ পৰা গৈ নগৰে ঘটাত চিনাকি গজপুৰে অৰ্জুনগুৰি

তাত্তিব বৰা হবি মৰলৰ ঘৰে ব'ল একবৰ্ষ। তাতো কষ্ট পাই যেতাৰা পাৰ হৈ অৰ্জুনগুৰিত আছিল দুমাহ। তাততে চাৰিআলি

বঢ়িৱাই গৈ চাইৰাৰে আছিল চৈৰে মাহ। তাৰতে গৈ পানীফিটা

পাকৰি গুৰিত আছিল এক বৰ্ষ। অঁকা, জোটৰ জয় আই
দৰঙ্গ গৈ দৰঙ্গত আছিল সাত মাহ। তাৰ পৰা ভাকু ঘণ্টাৰ ভৈয়ত
গৈ ৰৰভাগৰ সিঙ্গৰাত তিনিমাহ বৈ সুন্দৰী নিকটে হৈতঙ্গ
ৰৰভাগ সিঙ্গৰা তালুকদাৰ গৃহে ৰলগৈ। বৈ তাতে সুৰিতা সন্ন্যাসীৰে চাতে
সুন্দৰী ফুৰিছে ছমাহ, দুখকৈ এসন্ধ্যা প্ৰবৰ্ত্তে। সন্ন্যাসীএ কয় বোলে
সুন্দৰীৰ মহন্তে গলে আমাক বৰ আদৰ সংকাৰ কৰে দ্ৰব্য বস্তু
ৰাজসূই ৰচনা দি। এদিন সন্ন্যাসীৰে আতা গুৰুজন ঠাইলৈ গ'ল। গুৰু চৰাতে
বহি ভাঠি বেলা ৰাজসূই পুথি লিখিছে। আৰা দুই গৈ
পাচতে ঠিয় দি কতো বেলি বৈ আছিল। গুৰুজনে
নেচালেই মাতক চাৰি। বাট গৃহতে আতা উভতি চালে।
গুৰুজনেও চাই পঠালে। চক্ষুএ চক্ষুএ পৈল দুইৰো।
আতা মাথা চপৰাই নমিলে কৰযোৰে। আতা গৈ
কুমাৰগাওঁ জিজ্ঞাসি মনে বোলে এঞে যে সন্ত মহন্ত, গুৰুজনে কিয়
কথন আলাপ সম্ভাষা নহল নাচালে, এৰা মহন্ত নহয়।
এই বুলি আতা লগ এৰি তিনি পক্ষ বৈ সুন্দৰী নামে
কুমাৰগাঞে গৈ পেৰাকুমাৰ গৃহে ৰল। ছমাহ বহি
ছিৰাকুমাৰৰ মেলা হ'ল, পালি পাচি আছে কতো দিন।
আৰু গুৰুজনে সুন্দৰী লৈ গৈ দহ বাৰদিনে শ্ৰীৰাম
আতাক পঠাই সজ দ্ৰব্য বস্তু খানি পালে দি আইৰ
বাৰ্ত্তা লয় দুখসুখৰ। এবাৰ চত মহা পঠাইছে। আতা
পাই সেৱা কৈ বহিছে। গুৰুজনৰ গোসানী এ বা বাৰ্ত্তা
সুধিলে, আতা কলে। আইবো সুখিছে, বোলে শ্ৰীৰাম,
আজি আমি অম্লানেহে আছোঁ। ধনুখন্দাত ৰাজ্যে মাছ
মাইলে, পানী কদোৰমনি হ'ল, আৰু সাত্ত স্ত্ৰীও গা ধোৱে,
সেই লগে আমি ধুবলৈ কেনেবা লাগে। এ বাপুত্ত কৰাগৈ
এটি পাবে যদি পাটুকা কৰাই দিয়ক। তেহে আতা বিদায়
কৈ আহি গুৰু জনক সেৱাকৈ বাৰ্ত্তাৰিত কৈছে দুখসুখৰ।

আএ কোঁৱা ক্ৰমে কলে আতা জনৰ দুখ। গুৰুজনে শুনি তেতিক্ষণে আতা সৈতে কলিয়া দলৈ গৃহে গ'ল। দেখি দলৈএ আথে বেথে বহাই গুৱা শৰাই দি সেৱাকৈ সুধিলে বোলে বাপ কিয় অহা গ'ল। বোলে জগত গুৰু মাতৃ জনৰ দুখ হৈছে। এটি পাটুকা বিচাৰি আহিছোঁ। দলৈএ বোলে বাপ, আমিও দিব পাৰোঁ, সেএ পলম হব। সেই মেনাৰ তালৈ গলে আজি এ হব। তেহে সেইতে দলৈএ সৈতে গ'ল। আতা বাটতে দেখিএ আগ বাঢ়ি নি নবীন অসন, বস্ত্ৰ, পাৰি বসাই, ন পাত্ৰৰে পাও ধুৱাই পাদোদক ভোজন শিৰে লৈ গুৱা শৰাই আগে থৈ পদতে মাথা দি অনেক স্তুতি নিবেদন কাৰুণ্য কাতৰ কাপুৰ্ণ্য কৈলে। বলিৰ দৰে ভাও উঠিল, দৈৱকী লৰা অনাত। উঠি বোলে বাপ, সেই সন্ন্যাসীৰে দেখাতে তযু চৰণহে চিন্তি আছোঁ। তেওঁৰ চাত সেই দিনাই চাৰিলোঁ। তোমাৰ দুই পাৱে দাস ভৃত্য কিঙ্কৰকৈ চপাই লব লাগে। এই বুলি পুনু সেৱাকৈ বোলে কি কামে আগমন। বোলে গোপাল, এই বাউসীতে আই গোসানী আছে, জগত মাতৃ। তাৰাই জল ভোজন কৰিবলৈ এটি কুঁৱাৰ পাট দিয়া থক, তাতে আহিছোঁ। বোলে দাসক ভৃত্য কৈ লোৱা যাব। তাক হলে কা'লৈ পা'টে কুমাৰে নি পাতি দিয়া যাব। এই কৰিব, দুগ্ধ, চিৰা, কোৰ, গমচা থব। এই বুলি সেৱা সন্মান কৈ আগ থৈছে নি। পাচ দিনা আতা কুমাৰে পাট লৈ গৈছে। চিৰাম আতা সৈতে গুৰুজনা গ'ল। পাই বোলে মাতৃ ঠাই দেখক। আএ দেখাইছে। তাতে কুমাৰ হয় আতা সৈতে সাতজনে মিলকৈ খালি পাট খুৱাই পাতিলে। জলাহাৰ কৰাইছে। কুমাৰে খান পাই বাচিলত আতা বোলে গৃহৰে তত্ত্বাৰ [illegible] গোসানীৰ হস্ত পৰ্শি দেখিবা তেনেই থোৱাইক। তেহে

গুৰুজনে জিজ্ঞাসি বোলে গোপাল, এ তোমাত হন্তে জীৱৰ কটমট বাসনা, সংসাৰ ঘুচিব ; চিৰা যেনেকৈ ভজা খুন্দাত, জৰা চলাত, ধান ঘুচিল, তেনেই খাইছা, পাচলৈ বেদ বাকলি নিষ্ঠা নহব। কাষ্ট এৰি সবে একত্রে হৈ আয়া যাতে ভ্রমিব। তেহে গমচা চেলেঙ্গ দিছে। গোসানী, গুৰুজনক সেৱাকৈ গৈছে আতা কুমাৰে সৈতে। শ্রীৰাম আতা সৈতে গুৰুজনো আইত বিদায় কৈ গ'ল। পাচ দিনা আতা চাউল, মাহ, গুৱা, পান, বস্ত্র কৰি লৈ হৰিছে গৈ গুৰু ধৰ্ম্ম লভিছেহি। মহা বিৰক্ত আতা গৃহে নগল আৰু মাতৃ সঙ্গে। তেহে গুৰুজনে বাহিৰ হটীয়া খিৰা মৰল গৃহতে ঠাই দিলে।

গোপাল আতাৰ ভক্তিনিষ্ঠা।

আতা ব্রহ্ম মুহূর্ত্তে শৌচ শুধি স্নান গুৰুসেৱাকৈ গৈ গুৰুজনৰ পাশতে থাকে সদায় হৰিকথা শুনি পৰিচৰ্য্যাও কৰে কতো। গুৰু তুপৰ লহিয়ালে চাউল সিজায়। আতা বেগতে শুদা চাউল কেটা সিজাই এধা ফুটাতে নমাই বাকি লোন বানাই খাবনি মৰিচে খাই আছে, গুৰু বাহ্নোতে সামৰোতেই পাইহি। বোলে গোপাল খালানে নেখালা ? বোলে বাপ, হ'ল। তেহে গুৰুজন এদিন খিৰামৰলক বোলে গোপালে ভাত খায়নে নেখায় ? বেগতে আছে দহোঁ ? বোলে বাপ, কতো সিজে, কতো সলাহে বলে। তাকে খাব লোন, মৰিচে, নাই শুদাই খাই আছে। এনে বিৰকত নিস্পৃহা দেখা নাই। নহলেও নোখোজে, তেনেই আছে পাত নেপালে বাটিতে খাই যে নোবোলে। শুনি গুৰুজনৰ দায়া জন্মি এদিন বোলে গোপাল, আহাপৈ আমাৰ লগে থাকিবা, খাবা দুখ পোৱা। তেহে তিনি মাহ থাকি আছি লগতে আছে খাই হৰি গুণ গাই। খৰি নাই, কতাৰে গুৰুজনে [illegible] কৰে। এদিন মৈ বাবনি লোমাই কাঠ কাটি কাদি [illegible]

দৌল কৈলেহি। নিশা গুৰু, বোলে গোপাল, তুমি কাঠে কাটিলাগৈ, হাত চোৱাচোঁ পানীজলা, নেবাবা আৰু, বতাহে পুৱাম। গুৰুজনে অনটি উপাধি দ্রব্য বস্তু খানি আগে গোপালক দিহে ভোজন কৰে। এদিন ঠাকুৰ আতা দেখি বোলে গোপাল, তোমাৰ বৰ দোষ হৈছে। গুৰু তোমাৰ পাতত আগে বাঢ়ে পাচত লয় গুৰু। বৰ অপৰাধ সিজিছে। তুমি এটি ঘহা কৰি থাকা। তেহে আঁতা এদিন বোলে বাপ, এফেৰি ঠাই দিয়ক, এটি বহাকৈ থাকোঁ।। পাচে পুবৰ হাটীমূৰে বৰ হাতীয়ে মাউতে লুকুৱা গাত আছিল হটিয়াই মাটি তোলা। তাতে দিলে বোলে ঠাই যে নাই আতে কৰা, পুতি। তাতে মহা শ্রম কৈ বুন্দ পেলাই পুতি সাজিলে বহা, হ'ল। চাঙ্গ চিলিঙ্গা ওটা শোৱা চাঙ্গ, খৰি চাঙ্গ, তিনি পক্ষে কৰি, লবলৈ মাহ, চাউল, লাক কৈ ভক্তে সমে গুৰুজনক নিছে। গৈ নাম কীর্ত্তনকৈ আশীর্ব্বাদ দি খাই গুৰুজনে বোলে গোপাল, নগৃহত বসাইচানি, দখিনা দিব নলাগে? বোলে বাপ, দেহকে আপুনাৰ চৰণত অৰ্পিছোঁ, লাগে। বোলে এই বহাটিকে দিয়া। বোলে মোৰ কি ভাগ্য হস্তৰ কৃত্যৰ, দিছোঁ বাপ। আমাক এফেৰি ঠাই আজ্ঞা কৰক বোলে সেই পছিম হাটিৰ মূৰেই সাজা। চায়, বৰ গাত, সেই বহাটিৰ ঠাই। গুৰু বৃদ্ধ, সাজিব মুৱাবে, তাবাকে দিলে। আতা ছুনাই বুন্দ পেলাই পুতি কাঠ বাঁহ আনি মহা পৰিশ্ৰম কৈ একমাহে চাঙ্গ চিলিঙ্গা, ওটা দি বহা কৈলে, হ'ল। আকৌ চাউল মাহ কৈ গুৰু ভক্ত নি বসালে গৈ। হৰি গুণ গাই আশঙ্কা কৈ বিসৰ্জ্জি গুৰুজনে বোলে গোপাল, এতিয়া তুমি নগৃহে বহাইছা, গুৰু দক্ষিণা দিয়া ৰক। বোলে বাপ, ই—কাঠ, বাঁহ, ছুই বৰ্ষে পচিব, ছিগিব, থাব উই, মাটিএ, অনিত্য। যদি নিত্য লাগিল, অহেৰ, অভেদ,

অভগন হ'ল। মোৰনো কি নহ'ল! দিলো প্ৰভু, আমাক এফেৰি ঠাই দিয়ক। বোলে সম সজ ঠাই। সেই দেখি হাটীৰে মূৰে গাতটো পুতি কৰাগৈ। সেই ৰহাটি ৰাখি ৰাত বৃষ্টি গধূলি হলে ঠাকুৰ আতা বৈ চাউল সিজায়। তাতে চিৰাম অতাই নিতে আহি জাপি লাঠি থৈ বহি জিৰাইহে গুৰু ঠাই যায়। তেহে আতা পুতি কাঠ বাহ আনি পুনৰ

গুৰুজনৰ আশীৰ্ব্বাদ

ৰহা সাজিলে চব্বিশ দিনে চাঙ্গ ওটা চিলিঙ্গা কৈ। চাউল মাহ কল চপাই পুনচ গুৰু ভক্তক নি বসালেগৈ বহি ঘোৰা কীৰ্ত্তন গাই। আশীৰ্ব্বাদ কৈ গুৰুজনে বোলে গোপাল তুমি অতে থকা, তোমাৰ ভক্তি ধৰ্ম্মে শ্ৰী যশে চন্দ্ৰ সূৰ্য্য প্ৰকাশ কৰা দি নদী বোৱাদি জগত জুৰি ৰব জলিব। এই বৰ দি আতাক আদিশে ভক্তে সমে গুৰুজন। তাতে আতা পাতিলা জুৰিছে। তেলে জলে বহাই কলহ চুলেহি। চিৰাম আতা দেখি বোলে গোপাল, পাগ পাত্ৰ দূৰ কৰা পানী বহাই চুলে সজ, তৈল দি চুলে ফুৰা হয়। কলহ পাতিলা তেহে গুচাই স্নান কৈ পুনৰ জুৰি ভোজন কৰিছে।

আতাৰ লোভ

আৰু এদিন গুৰুজনে আতাক ক্ৰিয়া ছন্দ দিলে নি সজকৈ। উভতি যাই থৈ নাম গাৰলৈ আহিলা গাই পাঠ মেলাতে গ'ল উঠি। গৈ চিৰা আগে লৈ খেদ কৰিছে মনত, বোলে ঐ ছুৰ্জন পামৰ মন, জন্মি পাঁচ বৰ্ষ বোধ হৰতে তোৰে সঙ্গে ত লহে এই খিনি কাল ফুইলোঁ। নেৰি। আজি মোক চিৰাত লাগি একেভিলে এৰিলি তই। আৰু তোৰে হৰি গুণ গাই চিন্তি গুৰু সঙ্গে মই সাৰিম, ই কথা ছুৰ্লভ। এতেকে আজি তোৰ লগ এৰিলো আৰু প্ৰকৃতি উদৰে একে লগে জন্ম। এতেকে সৰত্তে তাক লোদৰ হৈ নৰ্কত পেলাই মাৰ? তই কি মোৰ? বাৰু আহি লাগিছ যে, মই হাতে তুলি নিদিলো কাৰ্জো। এই বুলি লেখাই পেলালে নি।

আৰু এদিন বস্ত্ৰত আলাধু পৈল। গুৰুজনে টোকৰ মাৰি গুচালে। আতা দেখি প্ৰাৰ্থনাকৈ বোলে বাপ, ই কি বস্তু? তেহে গুৰুজনে প্ৰশংসাকৈ বোলে আনে দখিৰহে ঘৃত উলিয়ায়, গোপালে ঘৃততে অমৃত বাচে, কি সুজান বুদ্ধি! বোলে এ বস্ত্ৰই শুদ্ধ শুক্ল গুৰু ধৰ্ম্ম, আলাধু অবিদ্যা, পঞ্চপৰ্ব্বা পাপ. পঞ্চ ততে পাঁচ আঙ্গুলি অনুৰাগে নখ, খেদ গুৰু বাক্যে টোকৰ, ফুমোহোৰ জ্ঞান কৰ্ম্ম চেকা লাগে আয়াযাত।

আৰু হাজোতে গৃহ ঐচুত গুৰুৰ। শান্তিপুৰত পঢ়িবলৈ যায়। চিৰাম আতা বাটে পাই সুধিলে, বোলে বামুণ বেটা কলৈ যা? বোলে নদীয়া শান্তিপুৰে পঢ়োঁগৈ। আতা বোলে মহাপুৰুষ গুৰু যি পঢ়াৱ, ভাটিত কি পঢ়িবিগৈ? বোলে তেনো থাকোঁএ নিয়া যক। বহুগণৰ জলভৰতক পাই হোৱাদি আতাৰ সম্পৰ্কে বিপ্ৰৰ পাপ দূৰ হ'ল। আনি গুৰুজনক ভেটাই দিলেনি। গুৰু মহাপুৰুষক গুৰু বোলাই পঢ়াই শুনাই সদাচাৰ নীতি দেখাই দেউৰি পাতিলে। সেই আতা বহাটিকে দি ঠাকুৰ আতালৈ ৰখা গোপাল আতা সজা। অচ্যুত গুৰুৰ ধৰ্ম-ধৰা কথা

আৰু এদিন বৈশাখ মহা বৰ বৃষ্টি। চিৰাম আতা গুধিলৈ গৈ দেখে বিল মুৰে নিশা উঠি গোটে উলুৱনি হৈছে মাছ। আতা দুও হাতে চুবিয়াত নি বৰ বিলত মেলিছে নি। দুপৰ হ'ল গৈ উক ঠাহি কৰৈ মাছে বণ্ডা হ'ল। এটি মৈল খচাত। গৈ স্নান গুৰু সেৱাকৈ গুৰুজনত অপৰাধ মাগিছেনি। বোলে শ্ৰীৰাম দহো নামত নাই, কলৈনো গৈছিলা? বোলে বাপ, ব্ৰজজীৱৰ দুখ দেখি খেলা হ'ল। পাচে গুৰু সেইটি বেহাৰে সৈতে বটাই সবাকে দিয়াইছে। বোলে শ্ৰীৰাম, সিটোৱেহে জীৱালা সেএহে মৈল। এইটিহে জীলে। পাবক-পৱন, [illegible] জল, পাত পাকে, পোৱাৰ। এ মোৰ

ভক্ত

বন্ধু সবে একশৰ্ন হৈ হবিগুণ গাইছে। নামব মূৰ্ত্তি সাকল্যা ভূমি পৈলে গাজি পাত মেলে, তোম্রা নিগু´ণা ভাগ কলিযুগতো নেবা। গোপাল আতা বুলিও কয় কতমুখে।

অক বজ্রঙ্গি আএ আতাক গালি পাবে মোক এবিলি বুলি। গুৰুজনকো অসূয়াকৈ অনেকে বাক্য বচন বোলে, মোব একেটি ছবা, কিবাকৈ উলমুলাই বলিয়াকৈ বুকতে নি ঘব ভাঙিলে; এনেহে মহন্তে! আতা গুৰু নিন্দা শুনি কাণ তালি শুচি আঁহে নেচায়, নেযায়, নেমাতে নেখাইও। তেওঁ আহি বহাতে কোপে বুলি যায়হি ছুই চাই দিনে। একো উপায় নপাই আতা এদিন কলে গুৰুজনত, বাপ মাৰিব সপিবও নপাবি মাতৃ, মোক বোলাকে পাবোঁ আপুনাক, ধবাত উপায় নেপাঞ। তেহে গুৰুজনে বোলে তুমি গৈ ছুদিনমান গৃহে বৈ গুছুবি কণ্ঠা খন্তা, মবা পখা, লাউ পাটি ষতাই কবা লোকত পছিমে যাওঁগৈ বুলি। পাচে গৈ গোটাই কৈছে গঙ্গা জগন্নাথ গৈ নাহোঞ আক। আএ শুনি বিহ্বল বিশ্রুতি হৈ গুৰুজনত কৈ দণ্ডবতে পবি বোলে বাপ, লবাটি ববাগী হৈ যায় গুচি গঙ্গালৈ, বখা যক। অতে থাকিলে তেও দেখিম চকুটে। গুৰু বোলে বুৰী, তই হন্নু আমাক অসূয়াকৈ সপ, মই কেনেকৈ বাখিম? মোব কথাত বব কেলৈ পুছেব? বোলে বাপ, আজিৰ্তে একো নোবোলোঁ আক, বাখক। আপুনাব কথা লৈ বব। বোলে বাক যাগৈ কৈ চাঞ, গল। তাবে পবা এবিলে। মহাভক্ত হল আই।

আক পূৰ্ব্বে বাবে-ভূঞাব সভা পণ্ডিত মবা দলৈ গৃহ। উপবি পিতামহ হবেশ্বব, তানে পুত্র নবেশ্বব, তানে বেটা ৰুনেশ্বব, তানে তনয় কাম দত্ত, তানে সুত বাম দত্ত, তানে সন্তান দেৱদত্ত, তানে পুত্র হব দত্ত, তানে পুত্র হ'ল তিনি— হবিবৰ, হবিহব, হবিচৰ্ণ, বুঢ়া তলা ভূকল হাটৈ গৃহ, বব

বাপ ভূঞাব সভাপণ্ডিত

আচ্যৰন্ত, সম্পান, তেৰকুৰি লোক আছিল, নটা ভাণ্ডাৰ। ৰাজাৰ চৰাৰ সভা পণ্ডিত, দিন নিশা থাকিব লাগে। হৰিবৰ আছেগৈ মহাদশা, নিৰ্ধান, দশা গণি মৰা জীয়া কব পাৰে। চাই কয় যাক যি, অখণ্ডিত হয়। ধনুশৰত অভ্যাস বৰ দাতিৰ লোক শব্দ ভেদী, ৰাজা গ্ৰহ নক্ষত্ৰ জ্যোতিষত প্ৰমাণ পাই দায়া কৰি হাতী দিছিল। এদিন ববষৰ টুপে নি চোৱাই বোলে তোৰ কথা বাক বুলি শুনিছোঁ, মই লুকাঞ, মনেৰে চাই ধৰ। বোলে মহাৰাজ, আৰ পৰা শৰীৰ পাত হৰগৈ, কব পাৰিম। বোলে তোক কোনে মাৰে চা। তেহে চাই খুটাত—লুকায় কয়। চভি—মাৰলি, ডাং, ফুল চতি, য'তে লুকায় ত'তে কয়। ৰাজা মনে বোলে আৰ আগত সাৰিবৰ উপায় নাই। শত্ৰু পক্ষে হলে এৰে মৰাব। আক এদিন চাই সানি বহি বোলে মই কি কৈ আহিছোঁ ভিতৰে কচো। দলৈ চাই বোলে মহাৰাজ চাই সানি ধুই আহিছে। আকৌ গৈ ক্ষাৰেজ দি খোদ সৰকি আহি বোলে এইবাৰ চা। চাই বোলে সেউ ভাগৰ খোন্দে সৰকি অহা গৈছে। সেদিনাও মনে বোলে আৰ হাত সাৰিবৰ উপায় নাইনে চালোঁ, আপদত পৈলে চাএ দেখাই দিবে। আক এদিন নিশা তিনি পৰ মাৰিছে, বৰ ঘৰ কাথে মিঠা আমতে কেঁচা বৈছে। ৰাজা বৰ চৰালৈ সোধালে বোলে এই কেঁচাটো কোনে মাৰিব পাৰে ভাল মানুহ পাতিম মই বটা দি আৰাৰ দুৰ্যোগ মৃত্যু হৈছেহি মৰে পাৰিম বুলি মাইলে শৰ মাতৰ উমান শব্দতে। বোলে কগৈ চকুৰে ভালে শালিছে। পুৱা ভালে চৈতে নিয়াই চাই নাপ্ৰস্ত দেখি ত্ৰাস হল অন্ত। বোলে ক্ৰোনো অব্য সেণালে শত্ৰুৰে গোট খাই ৰাজতে মাতৰ উমানেই মাৰিব হি। চাঁইলাৰক দেখি, বাহৰা নিয়ক দিলে, দিলে

কাটিলেগৈ। তেহে বাৰ্ত্তা পাই হৰিহৰ আতা গুৰু এৰি ভাতৃ হৰিচন্দ্ৰক লৈ নিশাই পলাল, অচম দেশে ছমাহ ফুৰি বিৰক্তি বৈৰাগ্য হৈ; ই ৰাজ্য এৰি কামৰূপে গুৰুজনৰ বাৰ্ত্তা শুনি যাবৰ চিত্ত হ'ল। সেই লগে লাই অঠিয়া শ্ৰীহৰি, আদহলীয়া যদুমণি, আৰু কাশী মাৰ্গৰ অনা পশুৰামৰ যামদগ্নি বংশ, নখনা নখনিৰ চাতে গৈ ব্ৰহ্মকুণ্ড স্নানকৈ কাটিদি মাতৃবধ কুঠাৰ এৰাই। তীৰ্থ মাটি পানী সজ থল দেখি বংশক গতি দিবলৈ আনিলে গৈ। আনি হাবুঙ্গতে থৈ বোলে মই চাই ঠিকনা কৈ আহোঁ, তঁহতো জিৰাহাঁক। এই বুলি থৈ গৈ দিহাঙ্গ মুখতে থিতকৈ আছিল নিবলৈ। সিহঁতে মাছ খৰি পানী কৃষি চল পাই খাই বোলে, কৰ তীৰ্থ নেযাঞ যা, দেহ মৈল হাঠোতে। শুনি ৰাগকৈ সাপ দিছে বৰ পশুৰ ঘাচ কটা অচমৰ।

ঊৰ্দ্ধ পুৰুষ হৰিবৰ, তান পুত্ৰ হৰিধৰ, তনয় ৰামবৰ, তানে
১৫ বছৰত গোপাল পশ্চিম ক্ষেত্ৰলৈ যায়
নন্দন কৃষ্ণদত্ত, তানে বেটা ধৰ্ম্মাউ, তানে সুত পৰ্ম্মাউ, তানে পুত্ৰ কৰ্ম্মাউ, তানে সুত গোপাল মহা বিৰক্ত বৈৰাগ্য গৈ সবাকে এৰি পঞ্চেৰ বৰ্ষতে পশ্চিম ক্ষেত্ৰে গৈছে। চিৰাই মুদৈ নাৱে বৰবিয়া মুখে দুওজনা গুৰু ভটিয়াই বৈছে। তাতে গৈ মুদৈ গোপালো বলগৈ দেখি গোপালে লোন এসেৰি দি সেয়াকৈ নাৱত উঠি গ'ল, দৃষ্টি লকে পানী কুম্ভিত উঠি চাই গৈছে গুৰুজনলৈ। তেহে গুৰুজনে ছোট আতাক বোলে এই জীৱটি তোমাৰ দিনত চাপিব। পাচে গৈ বাস্থ বৰ্ষ অনেক তীৰ্থ ক্ষেত্ৰ কৰি উজাই পাইছিল হি। আতাক লগ পাই গৈছে। সুলিয়া, নাৰায়ণ, লাইঅঠীয়া শ্ৰীহৰি; এই দুওজন গৈ বিচুনাথৰ হেৰাই বামুণ গৃহে লগ হৈ গৈছে। গুৰুজন পাগলৈ। গৈ হাজোতে লোমান কেউজন। হৰিহৰ আতা বোলে আৰি আছিয়োঁ। গুৰুজন ঠাইলৈ, আৰু কি

কাম ? এই বুলি অচ্যুত গুৰু বৈৰী ভতে বলগৈ। পাচ দিনা আৰা সব কেউজন গৈ সুন্দৰীতে গুৰুজনক পাই ধৰ্ম্মলভি আছে ॥ * ॥ গোপাল যদুমনিক গুৰুজনে দুখানি বস্ত্ৰ দিলে আচু, ফুটুকীৰে। গোপাল খানি চিঙ্গি ললে আচু, যদুমণিএ তেনেই উৰিলে। গুৰুজনে বোলে গোপালে নিৰাশ্ৰম ভাগৱত ধৰ্ম্ম প্ৰবৰ্ত্তিব। যদুমণি প্ৰবৰ্ত্তিব আশ্ৰম। গোপালৰ অনেক সগ্ন সভা হব, অনেক জীৱ ধৰিব, মিসল বিভিচাৰে প্ৰবৰ্ত্তি নাম গাব, কতো যাব খনো বয় আয়াযাত্ত হব। আদহলীয়া পাচলৈকে নিগুৰ্ণা, ভাগৱতী দুইকো এৰি মাজতে গাব, ঐশ্বৰ্য্য হব জীৱহে বব। আতাৰ কথা কলে হাজোতে সোমাইছে বুলি। আতা বাটৰ ভুলে নেপাই অচ্যুত গুৰুৰ বৈণীয়েকক ধৈলে এটি লগ লগাই দিয়া, গুৰু ঠাইলে যাম। তেহে আএ বালক দাছ কমাৰ ঢুসৰিতে থাকে, গৰু কিনিবলৈ আহিছিল, কিনি ভনীয়েকৰ ঘৰে থলে, আএ আতাক তেওঁৰে চাতে দিলে বোলে এই ভকতটি সুন্দৰী দেখাই থৰা। সেই চাতে গৈ আতা পাঁচ দিনৰ পাচে গৈছে। তাৰা সবে পথে দেখিএ বোলে আৰাই আমাৰ চাতে অহা, হাজোতে সোমাইছিল, পাইছেহি এতিয়া। আতা সেৱা কৈলে অভয়পদত। গুৰু বোলে তোম্ৰা ক'ত সোমাইছিলা ? বোলে বাপ বাটৰ ভুলে পাইছে পলম হ'ল, বালকদাছ লগে আছি পাইছোহি, ক'তো সোমোৱা নাই। বোলে আৰা সবে কৈছে দহো হাজোত সোমাইছে বুলি। বোলে বাপ তাৰা সবেহে সোমাইছিল, আমি অচ্যুত গুৰু ভনীয়েকৰ ত'তহে সোমাইছিলোঁ। এতিয়া আহিছোঁ লগ বিচাৰি। শুনি গুৰুজনে তাৰা সবক ধৰিহে কথাৰ লোচোৰা পাই। গুৰু বোলে আৰা সবক তুমি চিনানে ? বোলে বাপ নিচিনোঁ। জীৱ পৰমাত্মা চিনা হৈলে

ধৰ্ম্মবৰ

গোপাল আৰু যদুমণিৰ ভিন্ন ভিন্ন পথ

এবা এৰি হুঞ কেলৈ ? বোলে দহো একেলগে আছিছিলো বুলি কৈছে। বোলে বাপ আদিৰ নহয়, হোৱা হলে একে চাতে হে সেৱা কৰিবলৈ পালো হতে। এ হাটে, বাটে, ঘাটে, অনেক জীৱ একত্ৰ হই বেহাই দিশা দিশি যায়, পাৰ হৈও যায় তেনেহে তাৰা সব আমাৰ। আতাৰ কথাতে গুৰু জনৰ বেথা লাগিল। বোলে যোৱা স্নানকৈ আহা গৈ। পাচত গুৰু বোলে চিৰাম যোৱাচো, কেনে দৰুৰ চোৱাগৈ লোকজনৰ। আতা গৈ দূৰতে চাইছে হাত পাও ধোঁতেই চাই দণ্ড হ'ল। আহি বোলে বাপ বৰ বিচক্ষণা লোক, বৰ সদাচাৰী, আৰু কানি কন্থা চৰ লুইতাতে উতালে। আতা আহি পালত মহাপুৰুষক গুৰু বোলালে! তেহে দুগ্ধচিৰা ভোজন কৰাই গোপাল আতাৰ বহাতে ঠাই দিছে। বোলে চিৰাম আমাৰ ভোজনৰ সম্ভাৰ দি থাকিবা, আৰু বৰ দায়া কৰিবা। কই সাৰ দিয়া অন্নতে ভুঞ্জিবলৈ হব। অৰ্জা ফল সজ। পৰম শ্ৰদ্ধাকৈ আতা স্থধিছে গুৰু বাক্যে।

হৰিহৰৰ পৰা পাঁচ সত্ৰ

হৰিচনে একটি কন্যা বিহাকৈ আশ্ৰমী হ'ল। তাৰে এটি ছহিতৃ হ'ল। অন্নতে পত্নী চলিল। তানে পুত্ৰ হৰিবাৰ, তানে হস্তে বামুদি, হাতিমূৰা, চিলা, বইনাকুচি, খেতু, সোৰ এই ছখান সত্ৰ হ'ল। গোপাল আতাৰ বহাতে আতা আছে মাহচাৰি। ঠেক পাই আকো উত্তৰ হাটীৰ মুখে এটি বহাকৈ তাল'কে গল হৰিহৰ আতাক দি।

আৰু এদিন গুৰুজনে বোলে, গোপাল, তুমি আমাৰ অভেতে সদায় থাকা, দহো একো নোসোধা? বোলে বাপ সাগৰ তীৰে যি লোক থাকে নিবাস কৈ সি কি বোলে সাগৰক জোৱাৰা উঠক বুলিলে বা উঠিব কিয়? সমুদ্ৰৰ যি বেলাৰ জোৱাৰ আপুনি উঠে, পাৰ। গুৰু বোলে অ গোপাল, আৰু দৃষ্টান্ত দিলা, আমাক পাৰিলা

সাগৰ, তুমি হ'লা নিবাসী। আতা বোলে বাপ, কি মই কৰিবৰ? মন চলে জনো তোমাৰ মায়া চল পাই অন্ধকৈ মাৰে কি এগুনি গাছি আছেঁা। তেহে গুৰুজনে বোলে গোপাল কৰা কৃষ্ণদেউ গোপীনন্দক বুলিছে মোৰ গুৰুজনে দি গৈছে দশমত—

> "মোতেসে একান্ত চিত্ত যাৰ
> তাৰ ●ফৰে কামে অনৰ্থ,
> নিচয়ে জানিবা যেন ভজা ধান,
> গাজিবে মুহি সামাৰ্থ।"

এ তোমাৰ কি কৰিব বিষএ, কৰা যক। পাচে আতাগৈ দুই টকাৰ মাটিলৈ গৃহ বাৰি কৰি এটি কন্যা নি বহা কৈলে হাউৰা কায়থৰ গৃহৰ কালজাৰনৈ ভবানীপুৰ গ্ৰাম, হাটৰ কাষে দুই এক দিনে গুৰু ঠাই আছি গৈ থাকে।

আৰু বংশীগোপাল আঠ্ৰে বৰ্ষ গুৰুজনৰ সঙ্গে হৰিগুণ গাই আছে। এদিন গোপালে জগত গুৰু পত্নী মাতৃ আছে, হৰি গৃহত নাম খানি খতি গাই। ত'তে তোত্ৰা মাহ চাৰেক থাকাগৈ। তেহে গুৰু বাক্যে বিপ্ৰে গৈ পাঁচ বৰ্ষ গোসানীৰ পৰিচৰ্য্যা কৈআছে। এথৰ বৰ্ষত খাটনি খৈলে, যাহ কাটিবলৈ। বংশৰ বৃদ্ধ সবত সুধিলে বোলে আমাৰ কুচিত খাটনি দুখময় কিয় হ'ল? বোলে পণ্ডৰামৰ শাপে বাক্য নকৰাত অচমৰ বেগাৰ প্ৰাকৃত্য হলুহঁক। শুনি বিৰক্ত বৈৰাগ্য হৈ ব্ৰহ্মকুণ্ডে গৈ স্নান পানকৈ পচিম ক্ষেত্ৰে যাৰ বৰ্ষ সৰে তীৰ্থ ফেৰাই মৎস্য মাংস এৰি ধৰ্ম ধৰিছেহি। তেহে গোসাঞীএ গুৰ্ৰ্ষত যতী, ব্ৰহ্মচাৰী, সন্ন্যাসী নাই দেখি দুয়কৈ বলৈ মৎস্য বটি খুৱাইছে। এদিন আএ বোলে বিপ্ৰ, মাছ মাংস খাইও হৰি ভক্তি কৈলে হানি নপাৱে। মোৰ গোঁসাইৰ ধৰ্মত ব্ৰহ্মচৰ্য্য, সন্ন্যাস নাই, মৎস্য খোৱা।

বংশীগোপাল

[illegible]

বোলে মাতৃ এঘৰে বৰ্ষতে মাছ, শশু, পক্ষী, তৈল, দ্ৰব্য খৰে এৰিলোঁ, আমিৰৰ প্ৰাণকে লব নৰাবোঁ, নেথাই সজ হ'ল। বোলে দহো আজি এপক্ষো মাহ বেহাৰ বটন কৈ খুৱাইছোঁ একা? তৈহে অনুক্ৰমে খাই-সজ হ'ল গোসানীৰ বাক্যে। আৰু বান্ধনি গৃহতে চৰু দিছিল। চাউল, শাক, মাছ, তৈল, লোন, খৰে সবাকে গোসানীএ থয়। বিপ্ৰে জালহে দিয়ে গৈ। ভক্তক ভোজন কৰাঞতে তেওঁ বান্ধি শাৰীতে পাতলৈ খায়। আএ অন্ন, আম্থা দিঞতে হাত দাদে, দিএ বুলি। আএ বোলে বিপ্ৰ, পূৰ্ব্বাপৰ চাৰা, পূব মুখে যান্না' এ আমাৰ গোসাই ধৰ্ম্মত বেদ ৰাখি গৈছে, উলজ্বিব নেপায়। বাৰ গুচানে চৰু চোএ। বোলে মাতৃ, ইচ্ছা যায়, তবু হস্তৰ দ্ৰব্য অমৃত প্ৰায়, দেৱ যোগ্য এ আমাৰ এই গুনেহে কালি আজিন্ন হ'ল। তেহে আত্ৰ পৰমান সিজাই ভোজন কৰাইছে। পাচে গুৰুজনে গোপাল, যদুমনি দুইকো বোলে অচম ৰাজ্য খানত গুৰুজন ভটিয়াতে ধৰ্ম্মবস্তু লোপ হৈ আছে, মোৰ পৰম গুৰু শ্ৰীশঙ্কৰদেউ কৈ গৈছে ধুৱাহটা বেল গাছে মদন গোপাল মূৰ্ত্তি আছে, লৈ দুত্ত বিপ্ৰ গুৰু ধৰ্ম্ম প্ৰচাৰ কৰাগৈ। কিবা জীৱ লাগি সাৰেই। এইৰূপে আজ্ঞা কৈ উজাই পঠালে।

মদনগোপাল মূৰ্ত্তি

আৰু বুঢ়া আতাৰ উপৰি বংশ নিবাস থনা খোবাৰা পুখুৰী পাৰে চিৰাই বকন্নাৰ গৃহ বুলিছিল, তানে পুত্ৰ বিৰাই, তানে বেটা বিৰিকি, তানে নন্দন বিৰচন, তানে সুত বিৰূপাক্ষ, তানে পুত্ৰ বিৰসাদ, তানে পুত্ৰ গোপাল আতা বৰ আঢ্যৱন্ত এঘৰে প্ৰাণী আছিল, আৰথলা বকাল মাৰনত দেশত বৰ একাল হৈ সবে প্ৰাণী মৈল, দেশৰো অনেক মৈল, দুই প্ৰাণী হাবি পৈল। আতা শাক, কচু কেচোৰা খাই, ৰাজ, ঘি আদিহে গঙ্গা মিৰি সিও হিংসা কৰে। তেহে নিবন্ধ লাগি

বুঢ়া আতাৰ উপৰি পুৰুষ

ই ৰাজ্যতে গৈ কলিবৰতে দুমাহ আছিল দুখে কষ্টে, তাৰতে গৈ মিহামুখে ৰ'ল একবৰ্ষ বাঁহ কাঠৰ বনকৈ প্ৰবৰ্ত্তি। তাৰতে গৈ জলাহত আছিল ডেৰ বৰ্ষ বনিজে প্ৰবৰ্ত্তি। তাৰতে ভটিয়াই কাজলিত দুইবৰ্ষ কৃষিকৈ প্ৰবৰ্ত্তিলে, জলে বুৰায়, কষ্ট পায়। কুকুৰা পাৰ হৈ বৰনদী পাতিদৰঙ্গে তিনি মাহ বৈ বৰপেটাৰ তান্তি কুচিতে ৰহিচন্ত। তাতে গৃহ বাৰী কৰি শ্ৰীহৰি মড়[illegible] ছাঁহিতা শান্তা নামে বিবাহ কৰালে। কতোদিন থাকি তান্তিৰ মৰণ হ'ল। হৈ বঙ্গদেশী চৈতন্যীয়া মতে নাম মন্ত্ৰলৈ গ্ৰামৰ লোক আঠাৰে জনে সৈতে ৰামায়ণ গাই ফুৰে। আৰো ওজা ফুৰাত কতৰা ন-সিদ্ধ পুথি এখনি পাই আওৰাই গাইছে এহেলৈ। এদিন নেথেৰি বিদ্বান বিচাৰি গৈ মনথৈ ঠাকুৰ আতাৰ বাটগৃহতে গাইছে। আতা ওলাই বোলে এই হৰি সিদ্ধৰ বাক্যে কি কৈছে, পুথি কি কৰিছে, কোনে। পদ শাস্ত্ৰতো পাৰ্গত যদিবা পণ্ডিত যদিবা, ভকত বিষ্ণু গুৰুক অকপটে সেৱা কৰি মানিবেক, এন্তে শ্ৰীকৃষ্ণ, এন্তে মহাহৰি, বোলে কি পুথি, কৰা কোনে শুনে পাক; এঠাইত পাই আওৰাই গাইছোঁ। বোলে ৰাত হন্তে এই পঞ্চভূত নৰতনু নেকাৰে বেহাইছাহি তাৰত হাট অন্তকালে অপৰে সংসাৰ চকী, কাট মাৰি যি নৌকাত চৰি যাবা, কাঠ, বাঢ়ৈ, চাঁচ কুঠাৰে যি নিচিনা, আশ্ৰয় কৰাই ক'ত, ফুৰিছা ক'ত? অ বোলে "অজনৰ আগত সজ্জন বোলাইছা, লোকৰ চাউল লোন খাই? তাৰত বৰ্ত্ত যি গাড়ি মাৰিছে কি কৈ গা সাৰি যায়?" আতাৰ কথা কৰবা শুনি ত্ৰাস হৈ বোলে বাপ আপুনি অৰ্থ কোৱা কৰ। আতা বোলে মই জানো কি? লাগে যদি মহাপুৰুষ গুৰু সেই শাস্ত্ৰ কৰা, জনাই আছে সোৱাই শুনোৱাৰে, দশ প্ৰকাৰেও কৰ। তেহে সকলো বিবৰত হৈ

মিহামুখ

কুকুৰা পাতিবৰ তাঁতিকুচি

গোপালৰ চৈতন্যীয়া মত গ্ৰহণ

বোলে ৰ'লাহঁক, এতেই ৰাওঁ। ঠাকুৰ আতা বোলে এৰে জন্মা পাগে গলে লাগ নপায়। বোলে কেঁনেকৈ গলেনো পায়? বোলে আঠু মুৰে ভুনি, দ্রুপকীয়া টনা ধৰিয়া চৰৰা এনে ভাৱে গলেহে পায়। তেহে আতা আহি খেদে উপাসে অনিদ্রে ৰ'ল। বিহানে স্নান সন্ধ্যা কৈ আঠাৰে ও জন গ'ল। পাই গুৰুজনক সেৱাকৈ সুধিছে বোলে বাপ, বিশিষ্ট গুৰুৰ কেনে কাৰ্য্য, কাৰখানা ভাও, লক্ষণ? গুৰুজন বোলে কেনেই, তোমাক কৰৰ সকাম? শুনি কৰিবা কি? আতা বোলে বাপ, তাৰাৰ দুই অভয় পাৱতে বিক্রই যাম আৰু। বোলে নিচইনে এয়ে? বোলে' নিচই হে প্রভু। তেহে গুৰুজনে অনেক প্রকাৰে চৰ্চ্চি দেখালে। আতা বোলে বাপ. দহো হৰিসিদ্ধৰ বাক্যে যি কৈছে সকলোখানি আপুনাতে আছে, সন্ত সাধু, মহন্তৰ লক্ষণ, কাৰ্য্য কাৰণ। তোম্রাই বিশিষ্ট গুৰু আমাৰ, তোম্রাতে নিচই পেল দাস, ভৃত্য কিঙ্কৰ কৈ চৰণে পাই লৰ লাগে আৰু গুৰুজনে বোলে তোম্রা সবে ফুৰা লোক অনেক ঠাই গুৰু মানি আহিছা আম্রাকৈ যদি হে বাৰু আমাত নিচই কৰিছা নজৰ এৰি পেলোৱা তাৰাসৱক। বোলে বাপ এৰিলোঁ আৰু। বোলে ৰাৰু নাম ধৰি একোটি আঁক দিয়া। মিলে সবেও। ন ঠাই হ'ল। বোলে এতিয়া ভৰিবে মাৰাহঁক এৰিলোঁ বুলি। তেহে আন সব উঠিল মাৰিবলৈ। আতা আঠুলৈ এক দৃষ্টান্তৰে কৈছে বোলে বাপ, উত্তম বিশিষ্ট লোকে দৃষ্টি দূৰে গা শুধি কৈ জান পুখুৰীত জল মাটি লৈ আছে বিল পাই সৰুকৈ লয়, নদী পাই হাত পাৱ ধোএ আছি, সৰোৰৰ পাই আকণ্ঠ গা ধোৱে। তাৰতে লৈ গঙ্গা সমুদ্রত বুৰ তিয়ায়, এ বাপ, তাৰা মধ্যেও আম্রাক কিবা অত কেৰ বেচী চৌৰ দেখাইছিলেন হৰিৰহে

কৈছিল? যি যিমানৰ সমৰ্থ পাত্ৰ দেহত আছিল দেখালে তাকে নদী, পুখুৰী দৰে। যি হেতু আমাৰ নিচাই সংশয় নমৈল নপৈল আপুনি গঙ্গা সমুদ্ৰত স্নান কৰিবলৈ ধৰিছোঁ। এতেকে হাতেৰে মাইলোঁ হতে বাপ। তেহে গুৰুজনে বোলে গোপাল, তুমিহে আমাক ৰাখিলা, তুমিও ৰ'লা। তাৰা সবৰ লগতে তুমিও উঠা হলে আমি আৰু একো নকৈ চৰ্বা গ'ল হঁতে। আমাকো তেনেকৈ আৰু ঠাইত নমাইলে হঁতে? গোপালেহে সবাকে ৰাখিলে, ৰ'ল। তেহে গৃহৰ পৰিক্ৰিয়াকৈ পঠাইছে। পাচদিনা হৰিচ সাৱধানে গৈ মহাপুৰুষক গুৰু বুলিছে সবেও। গৈ ৰৰপেটাতে আছি গৈ থাকে দুই তিনি দিনে। চৈতন্যীৰা মত এৰি মহাপুৰুষক গুৰু বুলিছে

আৰু এদিন পঢ়িৰ নজনা বুলি ৰামচৰণে হৰিচৰণ ঠাকুৰক বিগতিকৈ হাঁহিলে। খেদকৈ ঠাকুৰে কান্দিব ধৈলে। তেহে গুৰুজনে ৰামচৰণক সপি কোলে লৈ গা খুৱাই দুগ্ধ চিৰা খুৱাই শাস্ত্ৰকৈ পঠাইছে।

আৰু এদিন পুৰ্বোত্তম ঠাকুৰক জলপান কৰাই তেল তামোল মহি পাট ভূনি ভাও, চপৰা, দগলা তিলক পিন্ধাই উৰুত বসাই আনন্দে চাই আছে আগ গুৰি। চিৰাম আতা বোলে বাপ, থাক উদ্ৰি যুৰি হলে অতি শোভন হয়। তেহে গুৰু বিগতিকৈ বোলে উদাসীনৰ চটুৱাই দিয়াবৰ কি মন? পাচদিনা সোনাৰী আনি গঢ়াই দিছে সুবৰ্ণৰ। গুৰুজনৰ দয়া

আৰু বুঢ়া আতা আঠাৰে জনেৰে থাওঁতে বুঢ়ী লুইতৰ কাষে ন মাটি ভাজিছে নল খাগৰি মুঢ়া শুকাই আছে। তাৰে সকলো একো বোজা আনি গুৰুজনক দিলে নি। তাৰে অগ্নি তাপকৈ পৰম সন্তোষহে বোলে গোপালে যেনেকৈ খৰি আনি আমাক সন্তোষ লভাইছে, তুমিও আমাৰ ভক্তি নতুৱে সন্তোষক লভিবা। এইৰূপে সান্ত্বনাৰ বৰ দিছে।

তেহে আতা সবাৰে আলচি বোলে কাঠ খৰি আনোহ'ক।' এই বুলি তিনি নাৱঁ ব'ঠালৈ বুৰী লুইতে ওলাই মানহা ভটিয়াই দেখে বৰ এজোপা খৈৰ গাছে' শুকাই আছে। তাকে কাটি ফালি উলিয়াওঁতেই গধূলি হ'ল! হাবি বালাতে নিশা ৰ'ল। তুপৰ মানত বৰ বাত বৃষ্টি আনিলে শিলে দলে। তেহে একো উপায় নপাই বালাতে তিনটা লোৰকৈ নাওঁ তিনিখান উবুৰিয়াই সোমাই ৰ'ল। পুৱা পেলাই ভৰা দি উজাই আহি সুন্দৰী মাঘ নাৱা ঘাটে ৰৈ খাৰা তুলি কঢ়িয়াই স্নানকৈ গুৰুজনক সেৱা কৰিছে বোলে নিশ্চয় বৃষ্টিত ক'ত আছিলাহঁক? তেহে তুখ বৃতান্তৰ কথাকলে সকলোখানি। শুনি খেদকৈ ফলাহাৰ কৰাই সন্তোষ হৈ বিপ্ৰ দামোদৰে কৃষ্ণৰে খৰিলোৰা বৃষ্টি নিশি বঞ্চি গুৰু শুশ্ৰূষাৰ আৰ্হি তুলি বৰ দিছে আতাক। সেৱাকৈ গৈছে বৰপেটালৈ। সেই খৰি চিৰাম আতা ফালি চাউল সিজাবলৈ দিএ, জুও ধৰে। গুৰুজন স্নানকৈ যায়, চিৰাম আতা ঠাই অতাই জুই কাখে ডোখোবাটো পাৰি চুকত সোমাই থাকে। গুৰু বহি ভাতে তাপ কৈলে তেহে ওচৰ চাপি বয়াই দিএ। আৰু এদিন গৈ আঠাৰে জনে গীত ধৈলে বঙ্গদেশী মতে পূৰ্ব্বৰ মতে। তেহে গুৰুজনে গীত কৰি দিছে তুটা ভাটিয়ালি—

গীত-মালা

> "মোকে কিনা গতি দিলা গোপাল,
> তুমি অগতিৰ গতি।
> এ ভব তৰণ, তোমাৰ চৰণ
> সেবিতে নাকৰোঁ ৰতি॥"

> "সোই দেখু দেখু, সুন্দৰ কানু
> খেলায় কদম্বৰ তলে।
> কোটি কাম জিনি—"

আৰু এদিন আতা গৈ গোৰক্ষ জনেৰে হৰি কথা

শুনিছে। আৰা তিনি পাচত সেৱা কৈলেগৈ। গুৰুজনে কৃষ্ণ কথা শুঁৱৰি সুধিছে বোলে গোপাল, দেখো আৰা সবে পাচতহে আহিছে, কিয় ? বোলে বাপ, তাৰা সবে কিছু কৃষিৰ লথ লৈছে। বোলে আতৈ সব আজিৰ দিবস গ'ল আৰু দুহুৰি পায় নিকিন ? আয়ুও এই ক্রমে গৈছেহে বিফলে। হৰি কথা হৰি গুণ নামেৰে গ'ল সাফল। কৃষিকৰ যেনকৈ আৰ্জ্জিপৈ ভুঞ্জিবলৈ পায় কলে দাবলৈ পায়, হৰিভক্তি আৰ্জ্জিবৰ ঠাই অতেহে। গুৰু, ভূমি ; শৰণে বীৰ্য্য বিধান, সঙ্গমার্গে চহোৱা, ঈৰিষা, অসূয়া, নল হেজেৰা, মৰম প্রীতিএ দলি মুৰা জৰকা, খেদ অনুৰাগে বায়ু বহি, শ্রৱণ, কীৰ্ত্তন বিন্ধা মৈ হিংসা, পৈশূন্য টোকবল বিলৈ কহুৱা স্নেহ শ্রদ্ধা নিৰন গচন, চিত্ত বুদ্ধিএ কোৰ খন্তি, মনে নাল, কায় বাক্যে মাল সেৱা সুখ সন্তোষ পকন, কাম ক্রোধ লোভ, মহ, বৰা, হস্তী, মোহে গাহ্নি সঙ্গে দোষ গুৰুত খৰবান নিচত্র কাচিবে দাই, প্রেমৰ সূত্র বান্ধি আনি ভক্তি ভণ্ডাৰত থৈ ধৰ্ম্ম অৰ্থ ধাৰ, কামমোক্ষ ডাজ মাৰি থৈ খাই থাকা মহাসুখে। এই খেত নকৰা কিয় ? বিনাশী খেতিত লাগি নাম খতি কৰা চায় দেহা মায়াময়ী ভাৰ্য্যা পুত্ৰত লাগি। সেই বেলা গীত কৰিছে জীৱক কৃপাকৈ ভাটিয়ালি— গীত ৰচনা

"কিৰিবি কৰিও আলো মনাই
হৰিৰ চৰণ সেৱাৰ পৰম সুখে"

আৰু লক্ষণ ওজাৰ পিতৃৰ নামে গুৰুজনৰ পিতৃৰ নামে একে, বায়, গুৰুজনে নামে নেকাঢ়ে, তুমি তুমাকৈ মাতে। তাৰা চলিলত পত্নীএ বোলে ওজাক তোৰ পিতাএৰক গুৰুজনে যৰ যেথা কৰিছিল, তই নেৰা কিয় ? বোলে কি লৈ যাম, হাতে একো নাই ? বোলে এটি জাপী সাজি লয়াকৈ আৰি মলপাকৈ। তেহে সাজি থুই লৈ গ'ল

সাৱধানে। দি সেৱা কৈলেগৈ। গুৰু বোলে কিয় আছিছা? বোলে বাপ, এই জাপীটি মাথে লৈনে মনা যাব। গুৰুজনে ভোজন কৰাই সুধিছে বোলে তই বপঢ়ি পাৰনে? বোলে বাপ, মুৱাৰোঁ। তেহে গুৰুজনে একাদশ পুথিতে দেখাই কলি নিদিয়াকৈএ পঢ়ায়। বিবেকী পঢ়ুৱা হ'ল। দশমৰ পদ আওৰাই লব দিলে। আহিলত ওজা শিকালে। চিৰাম আতা পালী হুই নিতে কীৰ্ত্তন কৰেহি। বৰ চক্ৰবৰ্ত্তী ওজা হ'ল।

দামোদৰ আতৈৰ ধনত্যাগ

আৰু দৱনীয়া দামোদৰ আতৈ দেৱী পূজিছিল, বৰনগৰে গৃহ। বৰ আঢ্যৱন্ত আছিল। সকলো মৰিলত গৈ বিৰক্ত হৈ গৃহ বাৰী এৰি মহাপুৰুষক গুৰু বুলি হাটীতে আছেহি। হাতে চাৰিশ টাকা আছিল। গুৰু ভকতক অনেক ভাগি লগালে, সিধা, লোন, বস্ত্ৰ, ন বস্তী দিলে। দেহতো নিতে একটকা ভাঙ্গি খায়, জুই, খৰি, পাত, শাক, মাছ, তেল লোপ, অন্ন, বস্ত্ৰ, খৰ্চ্চাকৈ দিহে খায়, অৰ বস্তুখানি তত থলেও কৰাটো দিএ। এদিন গুৰুজনে সুধিলে বোলে নিতে তুমু টকাটি ভাঙিহে খোৱা? নহলে এহেলৈ ক'ৰ খাবা? বোলে বাপ, ই দেহনো থাকিব কেই দিন? পশুলকে হেছে দিন আমাৰ। আৰু আপোনাৰ অভয়পদে অনুগ্ৰহ আজ্ঞা দিবহে লাগে সেইবেলা দিনে বাবে ওলাই কট পাৰি বহি ভক্ত অনাই জনাই পাঁচ টকি দিলে ভকতলৈ, পাচোটি গুৰুজনলৈ দি সবাকে নমস্কাৰ কৰি ৰাম ৰাম কৈ প'ল।

শ্ৰীৰামআতাৰ [illegible] উপায়

আৰু শ্ৰীৰাম আতা এদোন চাউলৰ অন্ন ভোজন কৰে। এদিন গুৰুজনে লাউ এটি আনি মূৰ কাটি এদোন চাউল ধৰাকৈ শ্ৰীৰাম আতাৰ হাতে দিলে বোলে এই লাউটি দিছোঁ, আৰে জোখাকৈ খাবা এই শিলতে নিতে একোটি খাহা মাৰিবা। সেই মতে খাই থাকিছে। [illegible]

নপালে, পেটবো উজান নপালে। কতবা দিনত গৈ একঠাত ব'লগৈ। বোলে শ্ৰীৰাম এই জোখে থাবা, নবহিবা আৰু।

আৰু উদমৰা গ্ৰামৰ পৰা হাৰি গতি আতৈ আহি গুৰু ধৰ্ম ধৰি হাটিতে আছে হৰি গুণ গাই। গৃহে মাতৃ-তাতৃ জ্যেষ্ঠ সব আছে, আঢ্যবন্ত। বাপেকৰ ভোজ পাতি গুৱাপানে গুৰুজনত জনাই নিলেহি আতৈক। গৈ মাছ, পশু মাৰি জ্ঞাতি মিত্ৰক বন্ধু চপাইদিলে ভোজ। নবীন চাউল, মাছ, শাক কৰি এভাৰি আনি গুৰুজনক সেৱা কৈলেহিঁ। তেহে গুৰু জয়হৰি, শ্ৰীহৰি আতৈক লগেদি বোলে এই চাউল ভাৰি অটবা হাৰিত থৈ দূৰতে চাই থাকিবা, কি দেখা। গুৰু বাক্যে তিনি তুলি থৈ চাইছে। বৃক্ষত চৰি দেখা এটা তাতে কাক ওলাই কা কা কৈলে। ককবাতে অসংখ্য কাউৰি ওলাই, নিমিষতে খাই জাতাই উৰি গ'ল। দেখি অদ্ভূত আশ্চৰ্য্য হৈ গুৰুজনত কলে যাই। বোলে কি দেখিলাহঁক? বোলে বাপ এনে আচৰিত দেখা শুনা নাই। কিয়ৰা এনে আশ্চৰ্য্য? বোলে প্ৰথমৰ কাক আবাৰ পিতৃ, ইভোৰ জ্ঞাতি বংশৰ, উপৰি পুৰুষ, পিতৃ পিতামহ সব। বোলে এক দেশত এক ভকত চিলা আছিল। বাৰ্ত্তা শুনি তিনিজন ভকত গৈছে। হাবিত বহি তিনি চোৰ চুৰ কৰিবলৈ আলচ কৰিছে। আৰা সৱক দেখি বোলে আপনাসৱ কলৈ যায়? বোলে আমি এই ভকত চিলাৰ ঘ'লৈ যাও! ঠাবে চুপে কথা হৈ চোৰে বোলে আমিও যাওঁচো, কেনেনো ভকত চিলা। তাৰে একজন ভকতে ৰখ ৰবকৈ নাম লয়, একজনে মধ্যমকৈ লয়, একজনে মনে মনে লয়। লৈ গৈ পালেগৈ। দেখি আৰে বেথে আসন দিলে, দিইত তিনিক খেৰ কুটা দিলে, বহিল হৰ্ষ মনে, তেহে সাহেবৈক লোৱা ভকত ঠাই বটি লোৱা ভকা

হৰিভক্তিৰ উপৰিপুৰুষ কাউৰি

ভকতচিলাৰ আখ্যান ভকতৰ পৰীক্ষা সংসাৰৰ মায়ামোহ

চিৰা, পগা গাখীৰ, চেনী, শৰাই তুলি ছেও পাত উপৰে দি সজাই দিলে, মধ্যম কৈ লোৱা জনক মথা চিৰা দৈ গাখীৰ পাত দি দিলে, ৰৰকৈ লোৱা জনক চাউল গুৰা মাটিতে দিলে পাতেৰে। সি তিনিক মলা ডোঙ্গে পাত দি ঢাকি এটাত তুহ গুৰি, এটাত কঠাল পাত, এটাত খুদ কণ দি লোটা চৰিয়া দিলে। তাৰা ছও চাই দেখি সুধিলে, বোঁলে আমি ছজন লোক একেলগে আহিছোঁ, ছয়ক ছটা ভাৱে দিছা দহোঁ জলপান, কিয় এইখানি, আৰ অন্বয় ? বোলে আপুনি যি বৰ উচ্চ কৈ নাম লৈছা গোঁসাই তোমাৰ চিতত ব্ৰহ্মাণ্ডৰ বাহিৰে আছেগৈ, হৃদিত দেখিলে এমান আৰ্ত্ত নহয়, পলমে হৰগৈ ব্যক্ত। আৰা যি মধ্যমকৈ লৈছে চক্‌মক্‌কৈ কতো দেখে, ক্ৰমেহে বেকত হৰগৈ। আৰা এঁকা হৃদিপদ্মত থিতকৈ দেখি পৰম আনন্দে পদ পঙ্কজৰ যশ ৰস চুম্পিছে, নাসে নাম। আৰা তিনিও একে এওঁ আছিল পূৰ্ব্বজন্মে শুকৰ, এই জন্মেও চোৰ বৃত্তিকৈ ফুৰিছে, পাপময় বিষ্ঠা দ্ৰব্য আনি শোধনকৈ ভাৰ্য্যাপুত্ৰ পুহিছে, এৰা আকা সিজন্মে ছাগ আছিল, এতিয়া মনুষ্য তনু পায়ো আৰ গৃহে তাৰ বাৰীএ লুপ লুপাই লুঙ্গলুঙ্গাই ফুৰে, যত্তে যেই পাই আনে, আৰ কথা তাত কয়, ঈৰ্ষা, অসূয়া লগাই ভজাই, শিস্ন, উদৰ অৰ্থে ফুৰিব ইহ পৰ জন্মে সংসাৰত ভ্ৰমি যোনি চেপাত ৰাগৰি। এৰা একা পৰজন্মত বালি চাহিত্তে ৰাগৰি ভ্ৰমি হস্তীলৈ বিষালত্তে এই দেহটি পাইছেহি। অহিকতো সেই বৃত্তি এৰা নাই, মিচা, বেশ্যা, নিন্দাবাদ, ফুল, ক্ৰিয়া, পেহী মাহী, নেৰাচি চোৱা চক দুষ্টুকি বেৰাই ভাৰ্য্যা, পুত্ৰ দেহ জীয়ে ৰখিও এই বৃত্তিতেহে বেৰাৰ। পুণ্য ধৰ্ম লেশ অৰ্দ্ধা নাই, ধৰ্মজ্ঞান নষ্ট, যোনী চেপা খাই সংসাৰত মহাপ্ৰলয়কে বেড়াও

এতেকে হয়কে যাৰ যি যোগ্য পাত্ৰ বৃত্তি তাকে চাই দিয়া হৈছে। শুনি চোৰ ভকত অদ্ভুত আচৰিত হৈ ভকতেও উপকাৰী আত্মণীয়াকৈ হৃদিপদ্মে পাই ভজি সংসাৰ সাৰিল। চোৰেও বোলে আমাৰ মনৰ বৃত্তি বুজিলে দুও জন্মৰ হুএ। এই বুলি সব এৰি সন্তৰ সম্পৰ্কে শুদ্ধ হৈ সাধু সঙ্গ লৈ হৰি ভক্তি কৰি হৰি গুণ গাই সংসাৰ তৰিল। এ তোত্মা সবে মন শাস্ত্ৰ চিলে নাম লৈছা হয়, এই নামে বাসনা লাগি ভক্তি, মুক্তি, দিব, ভকতি দুৰ্লভ, সেই বেলা যোৱা মাতিছে গুৰুজনে—

"যদি ভৱ ভয় ভঙ্গ মনে ইচা কৰা ভাই,
সদা সাধু সঙ্গ কৰা সাৰ।
একক্ষণ মানে মাত্ৰ, কেৱল সাধুৰ সঙ্গে
হোএ নাৱ ভৱ তৰিবাৰ॥"

আৰু কৃষ্ণদেৱ কৈছে উদ্ধৱত—একাদশত মোৰ মহাপুৰুষ গুৰু দিছে :—

"যিটো মহাপাপ কৰি অকস্মিতে বোলে হৰি,
সিও শুদ্ধ হোৱে কোন চিত্ৰ!
ভাগৱত শাস্ত্ৰ কয়, তাৰ যিটো সঙ্গ লয়,
সিও হোৱে পৰম পবিত্ৰ॥"

এ চোৰেও আশ্ৰয় গভাইত নহলে নধেলে চুৰ কৰিব নোৱাৰে গৃহস্থৰ, গৃহস্থেও বিপুৰা আত্মণীয়া নহলে ধৰিব নোৱাৰে চোৰক। এ মোৰ গুৰু ধৰ্মৰো এই আছি, হৰি ভক্তিৰ, পিতৃ মাতৃৰ সংযোগে যেনেকৈ জীৱৰ জন্ম জাত হয়, উপকাৰী আত্মণীয়া হন্তেহে হৰি ভক্তি উদৰে জাত, গতিকে যে ভকত জাতি সেহা কৈলাগৈ গীতাত অৰ্জুনত কৈছে: কৃষ্ণে সংসাৰী সহস্ৰক দিলে পুৱালে যি ধৰ্ম হয় খাওঁ ভক্তিলক একেক দিলে পুৱালেই হয়। আত ভকত

অ

নপালা গুৰু ভকত আপুনি কি বস্তু আশ্ৰয়, আপুনি কৈ নিদিলা মুবুজা, ভকত হৈছাহি। শুনি আতৈ সবে খেদ জন্মি আশ্ৰয় আত্মীয়াকৈ বুজি হৰি ভক্তি নাম ধৈলে, পাচে তাৰা গৈ চাউল, মাছ, পহু লোন, তেল, আনি আনি সিধা দিছেহি।

শ্ৰীৰাম আতাৰ ভিক্ষাগ্ৰহণ গুৰুজনৰ শিক্ষাৰ আৰ্হি

আৰু এদিন শ্ৰীৰাম আতা ভিক্ষালৈ গৈছিল, নেপালে। গুৰুজনে দেখি বোলে একো নেপালানে, দহোঁ নগৰে আহিলা? বোলে বাপ এই খিতে ৰৰকোচ বোলে এঘৰ মানুহ আছে সেয়ে দলিয়ায়, ফৰমুটিয়ায়, গুচি আহিলো। বোলে আকৌ যোৱা। দলি ফৰমুটি মাইলে লৈ আহিবা। আতা গল, দেখি ঢেঁকি থোৰাটো মাৰি পঠালে, কাতি হৈছে এৰাল। লৈ আহি দেখালেনি। গুৰু বোলে থুই ফালি ৰাবে পতি দিয়া একো চলি। দিলে পাচ দিনা বোলে শ্ৰীৰাম, আজিও যোৱা। গ'ল। দেখি চোতালতে বৰ চপৰা মাৰি দিলে। তাকে লৈ দেখালেনি। বোলে গোবৰে সৈতে গুৰি কৈ দিয়া, চাউল সিজৰা ঠাই মচিব ভকতে। আতা কৰি দিলে। পাচ দিনা বোলে নিতে খোদোঁতেও আছে, কি আছে দেহৰ খুদ, কন দুমুঠি মান। তেহে এমুঠীয়া মান বুঢ়ীয়ে খুদি দিলে নি। লৈ আহিল, গুৰি কৰাই গুৰু সবাকে দুটি চাইটি দিয়ালে। পাচ দিনা বোলে শ্ৰীৰাম আজিও যোৱাচোঁ। গ'ল। দেখিএ পিৰা দি বোলে ক'ৰ পৰানো আহা নিতে? বোলে এই মহাপুৰুষ ঠাইতে আহিছোঁ। বোলে বহাচোঁ, মহাপুৰুষ কেনে চাওঁগৈ। বুঢ়াৰ মায়াৰ তিনি গুণ বৃত্তি তিনি কাৰ্য্যে ছিগিল। তেহে গৈ আতাৰ পাচতে বহিল হি। গুৰু বোলে শ্ৰীৰাম, আৰা কোন? বোলে বাপ, এৰাকেহে বৰকোচ বোলে। বোলে তৈল উবু দিয়া স্নান কৰকগৈ। দিলে। লৈ বুঢ়ী

আহিলত হক চিৰা দিলে। কলে গুৰে অভ্যাদয়কৈ খুৱালে, গুৱা দিলে, খাই বহোতে পঢ়া দেখি বোলে এনে এখান আমাৰ ভতো আছে। বোলে আন গৈচো কেনে? আনিলেগৈ। দেখে পাৰ বাঁহত থৈছিল পেৰাড় চাৰি আঙ্গুল মান গুইছে। মেলে, দেখে. দিব্য অক্ষৰ বত্নাৱলী। মাটি বালিএ পেৰা ধুই থলে। তেহে বুৰা কোছে বোলে হামিও কালৈ হৰণ লমহি। গুৰু বোলে লৰ গৈলে তোৰ পূৰ্ব্বৰ ৰীতি এৰি গৃহৰ যি আছে দূৰ কৰগৈ। ক্ৰম কৈছে, চক কৰাই খলা খাৰ, চন্তা ভাৰ্ক্ৰি, মুৰ, বস্ত্ৰ তিয়াই হৰিচে থাকি, আহি চাউল, মাহ, বস্ত্ৰ, গুৱাথৈ শৰণ লৈছে, পুত্ৰ, নাতি, বহাৰী সবেও। তেহে শ্ৰীৰাম আতা প্ৰাৰ্থনা কৈ সুধিছে বোলে হৰি বিমুখীয়া সংসাৰীক অত পুৰুষাৰ্থ কৰিবৰ বাব কি? বোলে এ শ্ৰীৰাম অনাদি পুৰুষে সৃষ্টিকৈ জীৱক বাজকৈ প্ৰকৃতিৰ হাতে দিলে। মহামায়াৰ বায়ুএ পায় সংসাৰ চক্ৰত পৰি ভাৰতবৰ্ষত সিচৰি হ'ল, তিনিও ৰাজ্যত দুৰ্ব্বাসনা দুঃসঙ্গত পৰি পাপমন ধৰি আছে, ধুই লৰ লাগে চিনৰ জীৱ, আত দোষ নাই, আজুৰি অনাত গুণহে আভুৱা যি বস্তু আছে পৰি।

আৰু বৈদপো ৰামৰ ঠা'লৈ বিষ্ণু আতা অহা যোৱাকৈ সদাচাৰে ধৰি আৰ চাৰিক বাদে, কেহো জ্যেষ্ঠে, হৰি কনিষ্ঠে, কৃষ্ণ মধ্যম, বিষ্ণু (সৰু যদুমণি) চোট এই পাঁচ ভাতৃ গুৰুজনে পাঁচ পাণ্ডৱ বুলিছিল। ৰাচে দেখি হৰি, কৃষ্ণ দুও বোলে ভাই ভাল পত্ৰত ধৰিএ ৰাচ, সাৰ নৌ পাণ্ডৱে। আমি তোকে নেৰাচো মানে এৰিম নে? বৈদপো ৰাম

আতাৰ উপৰি পুৰুষ হিৰণ কাজিৰ বৰ বুলিছিল। তানে পুত্ৰ ৰীৰণ কাজি, তানে বেটা আহিৰ্মল কাজি, তানে সুত ৰীৰমল কাজি, তানে নন্দন হৰিমল কাজি, তানে পুত্ৰ কৃষ্ণমল কাজি, তানে পুত্ৰ এই পাঁচ ভাতৃ। আতাৰ উপৰি পুৰুষ হিৰণ কাজি

আৰু হৰি কৃষ্ণ এখানি নাওঁ লৈ উজাই আছিল গদাধৰ ওলাই লুইতে পৰি উজাই যুগিৰি ঘোপাতে মানহা সোমাই গৈ জানে গৈ বাউসী দামোদৰ ঠাই খপুৰা পাই নিলে। আন সবকো পাই ভুলাই কৈ নিএ। আৰাতহে শঙ্কৰদেউ ধৰ্ম্ম থৈ গৈছে বুলিকৈ দি থৈ খুৰাই ভকত কৰায়। আৰা দুইকো সেই ৰূপ থৈছে। আৰা দুএ বোলে, আৰা ব্ৰাহ্মণ নে শূদ্ৰ? বোলে ব্ৰাহ্মণ। বোলে দহো শূদ্ৰ জনতহে থৈছে বুলি শুনিছোঁ। ধৰ্ম্ম? তাৰা নো আছে কত? বোলে সেই খিৰা মৰলৰ বৃক্ষৰ গোৰে থাকে। সেই বেগেই গ'ল দুও। দেখে গুৰুজন বহি নাট সূত্ৰ গীত কৰিছে চোৰ ধৰা। পাচতে আঠুলৈ বোলে বাপ, ইবাৰ কলিযুগৰ মহাপাপীৰ গতি আছে নাই? চাই বোলে তোম্ৰা সব ক'ৰতে আহা? বোলে বাপ, তোম্ৰাৰ সুগন্ধ যশে জৰি লগাই আনিছে। বেহাৰতে তেৰ দিনে পাইছোঁহি। বোলে কিয় নো আহিছাহঁক? বোলে বাপ, এই তজু পাদ পঙ্কজতে বিক্ৰই যাবলৈ হে আহিছো। বোলে তোম্ৰা সবৰ বা দেহ সম্বন্ধৰ কোন আছে? বোলে বাপ, সকলো আছে। বোলে আমাৰ যি গুৰু ধৰ্ম্ম দেখিছা, পিতা মাতা এৰা ধৰ্ম্ম। তাৰা সবে বা লাগ লয় নলয়? নধৰে যদি এৰিব লাগিব পাৰিবনে? বোলে বাপ, লয়যে লব, নলয় যে এৰিলো আৰু। তেহে দাবি মুৰ নখ কাটি কমাই হৰিচে থাকি পুৰা মাহ চাউল, বস্ত্ৰাদি মহাপুৰুষক গুৰু বুইলে। পাচ দিনা সেৱাকৈ বিদায় কৈলে। এই কলিযুগত গা দোষ দেখোঁতা নাই, সজ লোক দুজন। গুৰুজনে পদ এটা দিছে একাদশৰ—

চোৰ ধৰা নাট ৰচনা

হৰিকৃষ্ণৰ দামৰেডিত শৰণ

"শ্ৰৱণ মাত্ৰকে এক কৃষ্ণত ভকতি ভৈল,
বিদুৰ কৃতাৰ্থ আতি ভৈলা,
বুলিক প্ৰণাম কৰি হৰিক হৃদয়ে ধৰি,
হস্তিনা পুৰক চলি গৈলা॥"

. তেহে হৰি, কৃষ্ণে সুধিলে, বোলে বাপ, আমাৰ গৃহবৰ্ত্তী যদি নথৰে চাবিমেই তাকে। আৰু যদিহে ধৰে কৰে এই পক্ষেকৰ বাট হাবিলৈ কেনেকৈ আহিব, আনিম? গুৰুজনে বোলে আহিব নালাগে। এই একাদশ শাস্ত্ৰ খানি নিয়া, নিচইকৈ যদি পোৱা আগত থৈ পৰিক্ৰিয়া হৰিচ কৈ আমি যি ক্ৰমে গুৰুবাক্য মাতিছোঁ। এইৰূপে হৰি এই মাতিবা। তেহে খোৱা দোৱা কৰিবা লগ সঙ্গে। বোলে যোৱাগৈ পথে তিনটা ভয় পাবা, হানি নাই। তেহে বেহাৰ কিনি লৈ গৈছে মানহা ভৰাদি ভটিয়াই। মুখে বুলিবি ঘোপা, এইখিতে চৰ-খৰিয়তে লাগি বুৰাই যেন হৈছিল। তাৰতে গৈ শিলবাগৰা মুখে মুৰাত লাগি বুৰায়হে, ব'ল কথমপি। এৰাই বোলে ভায়া কৃষ্ণ, ভাই হৰি, গুৰুজনে তিনটা ভয়ৰ কথা কলে, দুটা গৈছে আৰু ত'ত বা কি হয়? তাবাৰ ধূলাই ৰাখিলেহে—হয়গৈ। বিজয়পুৰ ওচৰ পাইছেগৈ, গদাধৰ মুখ। তেনেতে পছিমৰ্দ্ধে ডাকু বঙ্গালৰ নাওঁ দেখি বিদ্যুত সঞ্চাৰে বাইছে লুৰিবলৈ। আৰা দুএ দেখি প্ৰাণৰ কাতৰে বাই গদাধৰ সোমাল গৈ। হাবি গৈ বস্তি দেখি উভতিল ডাকু। তেহে হৰি, কৃষ্ণ বৰ ভয় পাই বোলে অত দিনৰ বাট, গুৰুজনে কেনেকৈ জানিলে, ভয় পাবা বুলি? তাবা মনুষ্য নহয়, ঈশ্বৰ অৱতাৰ। এই বুলি গৈ হিলৈ ঘাটে ব'ল, নাও বান্ধি চৈ বহা দি। তাতে খাই বৈ দুদিন আছে, দুঠে খ'লৈ। গৃহৰ ভাৰ্য্যা পুত্ৰ আছে, নচায়, নমাতে। সিহঁতে মাতিবৰ সাহ নেপাই কলিয়া কাজিত বাএক পৰিছিল, দুইবো পত্নী গৈ মাতি আনিলে, বোলে সোধা গৈচোঁ, তায়া সব দুঠে কিয়? আগে নহোঁ বায়, আছে, উঠে, খায় বস, ইবাৰ কি হল? তেওঁ গৈ বোলে তায়া হৰি, কৃষ্ণ, তোমা সৱ অধিক নে, দুঠায়ে, কি হৈছে নো? পদুকেহে এনেকৈ

গুৰুবাক্য, উদাহৰণ।

থাকে ? বোলে বাই, তেনেহে জানিবা। আমি শুদ্ধমত গুৰুধৰ্ম্ম ধৰি আছিছোঁ গৈ। ইহঁতে যদি নধৰে, নাচৰে বাক্যত, নথাওঁ, ঘামগৈহে আকৌ। যদিহে ধৰে কৰে ঘাম, খাম, উঠিম। শুনি তাৰা ছুএ বোলে আমাৰ নাক চুলিৰ গৰাকী স্বামী গুৰু; বাক্যত নবলেহে চাৰিব পায়। কৰা, আচৰাত দাসী দাস এৰিলে দোষে নপাইনে অনাথৰ ? বোলে এয়ে নিচইনে ? বোলে জল বিনে মৎস্যৰ মৃত্যু, আমাৰো তেনে, আত আৰু নিচই। এতিয়া ঘাম কিৰূপে ? বোলে নিচইহে কৰিছ যদি দদাকে আজ্ঞা কৰিছে, যাব নালাগে। তেহে চক কলহ কৰাই খলা খাৰ চতা দুৰকৈ বস্ত্ৰ তিয়াই মচাই হৰিচে গৈ মাহ, চাউল, গুৱা, বস্ত্ৰ, বালা অডাই সেই একাদশ আগে থৈ মহাপুৰুষক গুৰু বোলাইছে সবাকে। তেহে ভৰা তুলি উঠি গৈছে। যত্নমনিক নোচোএ নেখায় দেখি বিৰুত হৈ গুৰুজনৰ গুণ, শীল, মহিমা শুনি দেৱাই মাজীৰ নাওৰ চুকনি। দি উজাই আহি হাউৰা ঘাতে উঠি গৈ গুৰুজনক সেৱা কৰিছেহি। গুৰু মহা প্ৰেম খেলাৰ শ্ৰীৰাম আতা সৈতে গীত, শ্লোক, নাট, কৰিছে ৰাস ৰুমৰা। দেখি বোলে তুমি কৰতে আহা, কোন ? বোলে প্ৰভু বিজয় পুৰতে যে আছিছিল হৰিকৃষ্ণ তাৰা সবৰ চোট ভাতৃ-হওঁ। আপোনাৰ সুগন্ধ যশৰ বায়ু ৰৱশী যত্ন বাসনা ফলত লগাই টানি আনিছে, দুঃসঙ্গ, দুৰ্ব্বাসনা জল পঙ্কৰ মৎস্য পঙ্ক অনাদি অজ্ঞ পদ পঙ্কজকে আশাকৈ। তেহে গুৰুজনে সুঠান বুদ্ধি থিৰ মন দেখি সেই দিনাই—মহাপুৰুষক গুৰু বোলাইছে। নীতি সদাচাৰ শ্ৰীৰাম আতা শিকাই গুৰুজনৰ পৰিচৰ্য্যা কৰাকৈ দিছে।

বালৰুমৰা নাট খেলা

যত্ন ৰশিৰ শক্ষ

আৰু উৰ্ব্বশী আশী মহা মাজৰখানে খুতিএ গুৱা ভাজি আনে ভোজন আলুক বলি দি। খুৰ খাৰ্ত্তি খুলি চাৰি আহৰণ কৈ

আনি দিএ। যদুমণিএ এগালি খাই থয় নি। এদিন কলে আইএ বোলে দদা, মই মহা পুৰুষার্থ শ্ৰদ্ধাৰে গুৰাটি আনেঁা। আতা আগে লয়, বয়া লাগে মনত মোৰ। বোলে যদুমণি হয়নে খোৱা বোলে? বাপ, হয়, দুটিমান চাকোঁ, লোন জালুক হোৱা আছে নাই চাওঁহে, নহলে দিওঁ, আতা কি দোষ? গুৰুজনে বোলে এ যদুমণি আমালৈ সজহে, ভকতক দিওঁ, এহ্রা হয় তাৱা সৱলৈ। তাৰে পৰা নেচাকিলে আৰু। বৰ হোজা লোক। আৰু গুৰুজনে কুটানি মাছ ভোজন কৰে, বাছে, ধোৱে লুতকুতিয়া পুণ্ড বীর্য। এদিন শৌচে যাওঁতে এটা অমাগীত সুধিলে, বোলে মাছৰ বীর্য্য কেনেকৈ মৰে? বোলে পানী তপতাই ধোৱাগৈ। সেইদৰে ধুই থৈছে হোজা মতে। গুৰুজনে চাউল বাঢ়ি আঞ্জা বহাই বোলে মাছ দিয়া, দিলে নি। চাই বোলে মাছ দহো খাচা আজি, কিয়? বোলে বাপ, আজি পানী তপতাই ধুইছোঁ। বোলে কি কৈলা, আমাৰ তোমাৰ বুৰ লাগিল, মাছ চালানি পেলোৱা নি। বোলে এটাই—দহো বোলে সজ। তেহে পেলাই স্নানকৈ গুৰুজনক জল দিছে। স্নানকৈ ভোজন কৈলে। বোলে আন খনলৈ এনে নকৰিবা আৰু। গুৰুজনক কাণ্ডল মাছৰ গদা আনি দিএ, তুহু কাঁইতে বিন্ধে, এৰে তেনেই। এদিন বোলে যদুমণি, কলঠি মৎস্য দিব লাগে সজ। বোলে বাপ, কাটা গলত ধৰে বুলি নিদিওঁ মই। বোলে দিবা, নধৰে, তেহে দিছে।

আৰু বালকদাস কমাৰ বৃত্তি কৰে, গৰ গৰিৱলৈ আহিছিল। মানিক বৰিয়া কৃষ্ণাই নীতি সদাচাৰ দেখি বালকদাসৰ কথা
গুৰুজনৰ গুণশীল, মহিমা শুনি নিচই হ'ল। তেহে আইএ আনি গুৰুজনক দিলেহি তেতাই। গুৰুপৰিক্ৰিয়া হৰিচ কৈ মহা পুৰুষক গুৰু বোলাইছে।

বধুআতৈৰ শৰণ

কৃষ্ণ : আতৈৰ গৃহ বৰনদী কাষে। তাৰাই আনি বধু আতৈক দিছে। মহাপুৰুষক গুৰু দেখাইছে, গুৰুজনক পৰিক্ৰিয়াকৈ।

আৰু হৰিকৃষ্ণ আতৈএ এটি গৃহকৈ সেই একাদশ শাস্ত্ৰ পাতি আসনত নাম গাইছে। আহিঁ জাত মাত, ভূ নেপায়। দুওজনা আহি গুৰুজনত এজন ভকত প্ৰাৰ্থনা কৈলেহি। তেহে গুৰুজনে কমল পাঠকক দিলে। পাচে দুওজনে গুৰুজনৰ আগতে সাৰটি ধৰিছে চুম্বনকৈ কোলে লয়, ধূলা লয়, মাথে লয়, বুকে বান্ধে, কান্দি বিহ্বল ব্যাকুল হ'ল প্ৰেমানন্দে, এনে বৈকুণ্ঠৰ বস্তু পালোঁ, গুৰুজনে কৃপাকৈ দিছে, মহাভাগ্যে পাইছোঁ। তেহে সেই বেলা ভক্তি দেখি ঘোষা পটল কৰিছে। —

ঘোষা ৰচনা

"হিয়াৰ মাঝে ..."

"পাপ বিপক্ষক ..."

"মুকুতি সুখক ..."

"আপুন নামৰ মহিমা দেখিয়া...

"হৰি গুণ নাম, ভাবিয়া পুৰুষে ...

আৰু হৰি কৃষ্ণ আতৈএ বিষ্ণু আতাক ৰাছে, দ্ৰব্যবস্তু নেখায়, নোচোএ, নেমাতে, নচায়। দেখি আতাৰ মহাখেদ লাগি আছিল। জিনৈ মুখতে থিৰাই মাজীক এটকা দি নৌকা ধৰি আহি উজাই মন্দিৰাবতে উঠি আহি পাই-সেবা কৈলেহি। গুৰুজনে প্ৰথম কাণ্ড ৰামায়ণে কৰিছে।

প্ৰথম কাণ্ড ৰামায়ণ ৰচনা

দেখি বোলে তুমি কোন, ক'ৰতে আতা? দেখি ৰহুৰণি আতৈএ বোলে বাপ, আমাৰ দদা হয়। তেহে গুৰুজনে পূৰ্ব্বৰ ভাগ জীয় চিনৰ লোক দেখি একো সুসুধিলে। তেতিয়াই মহাপুৰুষক গুৰু বোলালে। বুলি হাটিতে ৰহালে ৰহিল। পাচে নাম গাবলৈ নেৰায় এতিয়া।' এদিন

গুৰুজনে বোলে দহো নাম লব গাবলৈ নোখোৱা, কিয় ? বোলে বাপ, ভকতসৱ গলে অপৰাধ নিসিজে আমি গলে সিজে হুমু, দোষ হব লাগিলে, গাইনো কৰিম কি ? বোলে সেই অপৰাধেইনো কেনেকৈ খণ্ডে ভকতক সুধি লব নেলাগে ? তেহে আতা চাইটা দৃষ্টান্ত দিছে। বোলে পৃথিবী জুৰি জল আছে, শিৰ বুজি খানিলেহে ওলায়, পায়। পুং নিচিনিলে খালি শ্ৰমহে পায়। আক সমস্তে কাষ্ঠত অগ্নি আছে ঘৰিৰনা, চেঁচু, চোঁচ, কাষ্ঠ, টনা টিঙ্গিৰ শিল. তুলা মৰাৰ চাবি সংযোগত জুই, এনেকৈ কিয় ওলাব ? ভুই বাচক কৃষি খেতিয়কেহে জানে, দ, বাম, চল, বন। দণ্ড, গৰু মানুহ, বিধান, মাটি, বতৰ সংযোগতহে শস্য মূল। আক কামধেনু গোটে দুগ্ধময়, যেই বাঞ্ছে তাকে পায়। ঘাঁহ, পানী, গোহালি, দোৱা টেকেলি বিয়োগে কি পাব ? নাক, কাণ, শিঙ্গ, লাজ খুৰাত দুলে ক'ত পায় ? মহ, ডাহ ঘাঁহ, পানী, সন্তোষকৈ বাট বুজি দুলেহে পায়, খায়। তেহে গুৰু গোধন কামধেনু পৰিচৰ্য্যা কৃত সেৱাত সন্তোষকৈ প্ৰভাও বুঝি দুলে যি জাত দৰিদ্ৰ অচলা হয় বৈকুণ্ঠ পাই জন্ম মৃত্যু সাৰি সেৱা ঘাঁহ পানীৰ বিতুষ্ট হলে দোহাকে লাঠি মাৰি টেকেলি ভাঙ্গে, সংসাৰ নৰ্ক হয় ক্ৰমে।

আক এদিন বোলে বাপ, গোসানী মাতৃ ঠাই যাই আছোঁ। গুৰু বোলে নৌ হয় যাবৰ এতিয়া। গুৰুজনে দিছে পাচটা দৃষ্টান্ত।

বোলে বাঘ ৰবালিৰ পোনা ধৰি এণ চকুৰিও এটাই খাব পাৰি, বুৰা হলে কাটোতে দা কটাৰিও ভাগে, ছয় মাত কুৰিক ভোজ দিএ। আতৈ বোলে দুতীয়া চন্দ্ৰে গাকে পোহোৰ নোৱাৰে। পাচে ক্ৰমে ষোলকলা পূৰ্ণ হলেহে জোনাকত পঢ়িবও পাৰি। আক কোটকৰা ধান কোঙ্কাতে

চিকুটি চিজে নখেই, পুষ্ট, পুৰষ্ট—বুঢ়া হলেগৈ হস্তীকে বিদাৰণ কৰে। আৰু ভলুকা বাঁহৰ গাজ হস্তে পদে ছৱা ছলিএ আনে ভাঙ্গি, পুষ্ট বুঢ়া হলেগৈ কুঠাৰকে ভাঙ্গে, চাৰি পাচেহে উলিয়ায় চলে বলেৰে, আৰু বুঢ়ী বাঘৰ ছৱা পলুৱাই ঘৰচলৈ নিএ বুঢ়া বাঘে কামুৰি মাৰে বুলি ভয়ত, বয়স যৌবন হলে মাকে ৰাও কৰে, সিও কৰে, মাক ৰহিয়া লৰিলেহে সন্তোষ মিলে। আৰু মাকে পশুটো ধৰে কামোৰ মাৰি, মুখতে যদি নিএ কাঢ়ি মাৰিব সুৱাৰে জানি তেহে লগ এৰে মাকেও।

গীতৰচনা

আৰু তাৰাৰ কানাই নামে পুত্ৰ এটি জন্মি এশদিন অন্তে মাক চলিল। আতাত বাৰ্ত্তা কলেহি গৈ আতা গুৰুজনত বোলান কৈলে বোলে বাপ, যাবই খোজোঁ। ছৱাটি প্ৰতিপালন কৰোঁতা নাই। সেই বেলা গীত কৰিছে বিৰক্তি—

পামৰ মনাই কমনে হৰিৰ নাম ৰহল বিচুৰি, কাহা গও পিতা মাতা …

আৰু দৃষ্টান্তও দিছে তিনটা, বোলে কচ্ছপে কনি পাৰে বাম বালা যোজনত কুৰি হাত জলত উমাই ছমাহত জগে সৰেওটি, এটিও ঘোলা নহয়, বগাই গৈ সবটি মাকৰ লগ লয়। আৰু এক সদাগৰে ছুই ভাৰ্য্যা থৈ বনিজে গ'ল। এজনীৰ এটি পুত্ৰ হিংসাকৈ সতিনীএকে দূৰকৈ পেলালে নি। মাক প্ৰসূতাৰ বিশ্ৰেষ্টাত ত্ৰান পালে, মৰা বুলি কয়। শিয়ালীএ পাই গাতে থলে নি। তাৰ ছৱা সৈতে আয়ুৰ মৰণে জীহে আহাৰ পানী তাৰে খাই। বেহাৰতে সদাগৰ পাই বোলে গৰ্ভ কি হ'ল বোলে মৰা পুত্ৰ জন্মিল। সদাগৰ মহা পণ্ডিত জ্যোতিৰ গনিতী দেখে দখিন চাপৰ চুকতে আছে বেটা। গৈ দেখে শিয়ালীৰ ছৱা সৈতে খাঁপ লৈছে। কাহিনী এওঁক দেখি গাত লোমালগৈ শিয়ালী ছৱা

সৈতে। তেহে সদাগৰ গাতৰতে আনি মাহ, হৰিদ্ৰা, পঞ্চ গব্যে স্নান কৰাই প্ৰাচিত কৰাই পঢ়াই লিখাই মহা বিবেগী পঢ়ুৱা হল, পণ্ডিতে মুখ দিব নুৱাৰা, নাম হ'ল শিয়ালকন্দলী, জগত প্ৰখ্যাত। শিয়াল কন্দল

আৰু এক ব্ৰাহ্মণৰ ছুৱা থৈ মাও মৃত্যু হ'ল। বামুণে কোলে লৈ বহি আছে। তেনেতে জেঠিৰ কণি এটা চালতে পৰি ভাগিল আগে। তাৰতে ছুৱাটি ওলাই কিছু সতাই লালা বীৰ্য্য খানি খাই লৰি মাখি এটি ধৰি খাই জগাই বাৰে গৈ চালত উঠিল গৈ। দেখি বামুণৰ বিৰকত লাগিল। বোলে আৰু কোনে তুলিব পুহিব? ঈশ্বৰ অংশী জীৱ, ঈশ্বৰে পুহিব, আত লাগি মৰোঁ কেলেই? এই বুলি ছুৱাটি শুৱাই তাৰ কানিতে ৰজত সুবৰ্ণ কিছু বান্ধি থয় দ্বাৰ দি। বাৰীতে এটি কোছৰ বুৰী আছে। তাইকে বোলে ছুৱা কান্দিলে চাবাগৈ, বুলি গ'ল তীৰ্থ লৈ। কান্দিলত বুৰী চাই গৈ দেখে দ্বাৰ বান্ধি বিপ্ৰ শুচি গ'ল মেলি লৰা লৈ দেখে ৰূপ, সোণ, গাঁথিত। বোলে বামুণ কলুবা গ'লহে বিৰকত হৈ। পাচে বুৰীএ আনি মহাশ্ৰদ্ধাকৈ তুলিলে। সাত বৰ্ষ হৈ গৰু ৰাখিছে। লগৰ পৰা দ্বন্দত বোলে বামুণৰ লৰা হৈ ভালত কোচ হলি। তেহে বিৰকত হৈ বুৰী মাকত সুধিলে গৈ। বোলে মাই, হয়নে, মই ছুৱু বামুণ লৰাই কোচ হলু। বোলে বাপা হয়। বোলে তই বাচো ব্ৰাহ্মণ পণ্ডিতত সোধগৈ উদ্ধাৰ আছে নাই? বজিহে পাই বোলে, মই ৰূপ সোণ দিওঁ যি পাৰ তত্ত্ব বিচাৰকৈ উদ্ধাৰ হ। তেহে সি গৈ মহন্ত পণ্ডিতত সুধিলে বোলে আছে প্ৰাশ্চিত্ত। আহি উদ্ধাৰ প্ৰাশ্চিত্ত কোৰ সভা দি উপনয়ন ললে। লৈ ছাত্ৰশালে পঢ়িলেগৈ, ব্যাকৰণ, পুৰাণ, ভাৰত, বেদ, বেদান্ত, ন্যায়ত পঢ়ি

মহাপণ্ডিত হৈ আছিল। পাচে ৰাজাৰ পুৰোহিত হ'লগৈ। দুটা ভাৰ্য্যা বিহা কৰাই দিলে, মহ গৰু, দাসী, দাস, দি পূৰ্ব্বৰ ভিটিতে গৃহ কৈ দিলে, বৰ আঢ্যৱন্ত হৈ আছে। একদিনা বুৰা বামুণ আছিল তীৰ্থ বেৰাই। ৰহি বোৱাৰীয়েকক বোলে ৰাজ গুৰু কেহেলৈ গ'ল ? বোলে ৰাজাৰ ঠাই গৈছে। বোলে তেওঁ আছিলে কবি এই কঠাল গুৰিতে খানি চাব, কি পায়। বুলিএ গলগৈ। গিৰীয়েক আছিলত কলে। তেহেগৈ খানি পালে কাঁহী, বাটি, লোটা, ৰূপ সোণ, কিছু। বুৰীএ দেখি বোলে এই বৰ কাঁহী বাটি তাহানি বাপেৰৰে দেখোঁ। বাপেৰেহে কৈ গ'ল হি হুবলা মগণিয়াটোৱে। তেহে কান্দি কাতি খেদকৈ সকলো দেশ বিচাৰ কৈলে, পালে। তেহে গুৰুজনে বোলে জানিছা বিষ্ণু, তোমাৰ কানাইৰ একো নাই, ঈশ্বৰ পালক আছে। তেওঁত প্ৰয়োজন আমাৰো আছে। প্ৰভুজন বৰ গীত কৰোঁতে গুৰু ভণিতা দিবলৈ গুনি থগিত থাই থাকে খেদ প্ৰেমতে। কানাই আতৈএ মনৰ মন বুজি ভণিতা খানি হস্ত দি নিএ, গুৰুজনে পৰম সন্তোষ পাই

গীতৰচনা সেই বেলাহে গীত কৰিছে—

"গোবিন্দ দুগ্ধ পিউ বোলেৰে যশোৱা।" আৰু গুৰুজনে কানাইক বাৰে বৰ্ষতে অনাই লগতে লৈ শিকাই বুজাই দেখাই, শুনাই, খুৱাই বুৱাই, পঢ়াই, লেখাই, বৰ ভকত পণ্ডিত পাঠক কৈলে।

আৰু এদিন দশম লেখাইছে, গুৰুজন গৈ পাচে লাহে কৈ দুটি কোৰ মাইলে। বোহকৈ ভোজন নকৰি পলাই ভগা ডুলিত সোমাই আছে গৈ। গুৰুজন গৈ চাই পাই আনি ভোজন কৰাইছে। তাৰে পৰা বাসনা খণ্ডি নপেলা আৰু দিব্য জ্ঞান।

আৰু এদিন ৰমাই গুৰু বৃদ্ধ, নভাঙ্গনি মাটিৰে গৈ মল খাগৰিৰ মুঢ়া বান্ধি আনে। পাচতে ৰামাচৰণ ঠাকুৰে কাটি দিলে। বান্ধি ললে, আকৌ কাটিলে। বান্ধে কাটে, বান্ধে কাটে, দুপৰ হ'লগৈ। আহি স্নান গুৰু সেৱাকৈ সেৱা কৰিছে গৈ। গুৰু বোলে কলৈ গৈছিলানো? বোলে বাপ, ৰামচৰ্ণে আজি এনে কদৰ্থনা কৈলে। তেহে ৰামচৰ্ণক ৰাগকৈ বোলে মোৰ ভকতকযে বিগতি কৈ জোক্কা তোৰ মাৰ নাছে? নকৰ কিয়? তেহে সেই দিনাতে নকৰে আৰু। ৰমাইগুৰুৰ সংবাদ

আৰু সনাতন আতৈৰ হৰিদিয়াতে গৃহ বাৰ, বংশ, গঞা জাতি। তালকে দুমাহমান লৈ বিদায় কৈলে, বোলে বাপ, গাটি কাহিল, গাঞতে আছোঁ। তেহে গুৰুজনে দুটা দৃষ্টান্ত দিছে অসতীসঙ্গেন মুনিনাঞ্চ মতিভ্ৰমঃ। একৰাত্ৰি নিবাসেন কাষ্ঠগণ্টা সমগলং দুসঙ্গৰ সঙ্গত সদাশিৱৰ ৰাহন বিষ্ণুএই তেওঁৰ হল সেই আন ৰব কোন? আৰু ৰামৰ পূৰ্ব্বতম দিবিদৰ নৰক দুসঙ্গ সঙ্গত পৰি কেনে হ'ল দেখা, আৰু শতধনু মহাৰাজা অভকত দুসঙ্গ পুৰোহিতৰ ধূলাই ছয় জন্ম হ'ল। এতিয়া কলিৰ মলমতি লোক ৰব কোন? ৰাম নাম এৰিলে পাপে আসি বেঢ়ে। এতেকে মহন্ত সবে ৰাম নাম নেৰে। এ আতৈ চাইদিনীয়া নৰদেহা আদখানি গলেই, ভাটিবেলাৰ সূৰ্যলগতে পৰি গৈ দুখে কষ্টে সেৱকৰ সঙ্গে গলে নিয়ালে সজ। তেহে আতৈ মন ভাঠহৈ গুৰু বাক্যে বল। সনাতন আতৈৰ প্ৰতি উপদেশ

আৰু দ্বিজবৈ নাৰায়ণ আতৈ সন্ধিয়া ৰাবলৈ কলেগৈ, বোলে বাপ, তুলি পচৰা ঠেক, দিনা চাৰেক দূৰি আছোঁ। তেহে গুৰুজনে গৌতমী সংহিতাৰ এক আৰ্হি কৈছে। বোলে ৰাজাৰ তাটো সন্তাপৰিয়া পাৰি মিএ। তেহে এক ৰামুণে পাই এক গামচা দি এটি পুৰি মলে। দ্বিজবৈ নাৰায়ণ আতৈৰ প্ৰতি উপদেশ

এক্ দোমে মাচ দি ললে এটা। বামুনে পঢ়াই মতাই এহেলৈ গীতা সহস্ৰ নাম পঢ়িলেগৈ। দেশ ৰাজ শব্দে ফুটি গ'ল। পাচে ৰাজা শুনি নিয়াই পঢ়াই শুনে বৰ বিশেষ শোভন জাত মাত। সন্তোষ হৈ বোলে মনুষ্য হলে তোক বটা দিলোঁহতে, তই পক্ষী কি কৰিবি, ক'ত পিন্ধিবি, বানৰ নাৰিকল। বোলে মহাৰাজ দিলে পিন্ধিব খাব পাৰোঁ। বোলে কেনেকৈ? বোলে মোৰ গুৰু পিতৃ, ব্ৰাহ্মণেই পঢ়াইছে। তেওঁক দিলেই মই পাওঁ, খাওঁ। তেহে ৰাজা ৰূপ, কাপৰ, মাটি, ব্ৰহ্মত্তৰকৈ দিলে বামুনকে। দি বোলে তোৰ কোন আছে আৰু? বোলে মহাৰাজ, পাঁচ ভাতৃ খোৰোঙ্গতে আনিলে, এটা দিলে দোমক মোক ললে এই বামুণে। বোলে তাক আনক। তেহে ছুতে আনিলে বিচাৰকৈ। পঢ়াই; মাহ কলা কাটিব ধৈলে। তেহে ৰাজা লজ্জা হৈ বোলে মাৰক নি পাঁচেই। বোলে মহাৰাজ, আত দোষ নাই। বোলে কিয়, তই দহোঁ গীতা সহস্ৰ নাম গা,ই বিভৎস বটে কিয়? বোলে মহাৰাজ, পূৰ্ব্বে অনাদি পুৰুষে দেহতে ৰাজ কৈ একে জীৱ, চাৰি বিধ প্ৰকৃতিৰে হাতে দিলে, মহামায়া তিনি গুণে তিনি, দেউ, তাতে পুৰুষৰ শক্তি হ'ল সৃজন, পালন, সংহাৰ। তিনিক তিনি বন দি আজ্ঞা কৈলে ব্ৰহ্মা উৰণ, বুৰণ, গজন, ভ্ৰমণ, চাৰি মুঠি চাৰি ভাগে সৃজি মাচকৈ দিলে। এতিয়া যেয়ে য'তে সঁাচত পৰে সেই জন্ম ধৰে, হয়, পশু, পক্ষী, কীট, পতঙ্গ, বৃক্ষ, মনুষ্য, গৰু মহ, হস্তী, ঘোৰা, উট, গৰ্দ্দভ সকত জাত বৰ্ণ হয়, কয়, নগা, মিৰি, ডফলা, ভোট, অকা, গাৰো, ব্ৰাহ্মণ, ক্ষত্ৰিয়, বশু, শূদ্ৰ, কলিতা, কেওঁট, কোচ, আচৰ, চুটিয়া, কহাৰী, দুৰি, মুচী, ধোবা, দোম, হাড়ি, চণ্ডাল, তুৰুক, যৱন,। যাৰ যি ভাও, মাত বলি, কাচি আঁহি পৰ লয়। এতেকে মহাৰাজ, তাৰ ছুসদ সকত পৰিছে

মাত্ত জাত হৈছে, আত কি দোষ, মৰাত? তেহে ৰাজা এৰিলে। এ আতৈ সব, কটা, চিন্তা, কানি-কঠা খাবে শাকে খাই হৰিগুণ গাই দিন কেটা বক্ষা হক, দুৰ্ব্বাসনা, বীৰ্য বিধান, দুসঙ্গ ভূমিত পৰি গজে। পাপ বাঁসনা ঘৃত, দুসঙ্গ অগ্নি সমীপে উতলে, হৰিক চিন্তি হৰিগুণ গোৱা, আতে দিব। ঈশ্বৰে বিশ্বম্ভৰ নাম লৈ বিষম ব্ৰহ্মাণ্ডখান পুসিছে বালি চাহিতে গজলৈ। তেওঁক যি চিন্তে একশৰণ এক মনে খাব মুৰাৰীকৈ মিলায়, নেষাৰা।

আৰু অনিৰুদ্ধ আতৈ বেতনতে ঘৰ আছিল খাটনি হাতী ঘাহী সাত প্ৰাণী, পুত্ৰ, পত্নী, দুহিত্ৰী সব মাৰ গ'ক। বিৰকতি খাটনি দুখক পাই হৰিবল্লভ আতৈৰ চাতে আছি গুৰু ধৰ্ম্ম ধৰি হাটিতে আছে হৰি গুণ গাই। ঘাহ কটা কান মাৰিটি নি চাঙতে থৈছে। জাৰ বতাহ, জৰ এলাহ ভাগৰ হলে জুই গুৰিতে যাবৰ মন নে যায়। তাকে চাই মনক বোধায়, ঐ দুৰ্জ্জন পামৰ পাপী মন, হজত এনেতে নৰ্কটাই নমলে নেপালে দেহ মাৰে। ঘাহৰ উপৰে শাক খৰি নহলে চাৰিবেত বক্ষা নাই, ভৰ্চ্ছনিত। সংসাৰ চক্ৰত বাগৰি যোণী চেপা খাওঁ, স্বৰ্গ, নৰ্ক, গৰ্ভবাস ভুঞ্জি ফুৰি কোৰে কটা খৰিয়ানি, লাজ জ্ঞান নাই, চৈধ ব্ৰহ্মাণ্ড, সাত দ্বীপ, ভ্ৰমিও, কোটি অমৃত হৰিগুণ কোমল পৰম মঙ্গল, এই বুলি খেদ কৈ যায়। অনিৰুদ্ধ আতৈ

আৰু সনাতন আতৈ হাবুঙৰ বামুনৰ ঘোৰা ঘাহী, দুখ পাই সব এৰি গৈ মহাপুৰুষক গুৰুবুলি হাটিতে আছে, ওদাল বহু কাছিৰে দেখাতে থৈছে। জাৰ বতাহ জৰত হেলাত হৰি গুহলৈ যাব নোখোজে। তেহে মনকে বুজায় চিত্ত বুজিএ। বোলে বিলত খোৱা কমাই তও নৰৰ, মোকো নেষাৰিৰি সংসাৰে বেৰাই, ঐ দুৰ্জ্জন পামৰ মন, যম জালা গৰ্ভবাস, নৰ্ক যোণী চেপাত বাগৰি বেৰাই চৈধ ভুৱন সনাতন আতৈ

সাতু দ্বীপ, গজন্তে বালি চাহিলৈ ভ্ৰমি কোবে কটা খৰিয়া পৰা মন জীৱ, লাজ জ্ঞান নাই। তাৰ জৰ বৃষ্টি জাৰত হুজ ঘাহু এবেনে? শাক খৰি নেপালে আৰু চাবি বেত গালি উঠাই তালৈ পাহৈলি, পৰজন্মত বা ক'ত এই বুলি যাই নগনি গুৰু বাক্য মনকৈ।

মাউতৰ জয়ানন্দ আতৈৰ প্ৰশংসা

আৰু মাউতৰ জয়ানন্দ আতৈ ছাছনিত গৃহ, ৰাজাৰ স্নেহৰ মনধ্বজ হাতী যুজাইছিল। হাবি ৰাতি দিনে তিনদিন লৈ ফুৰাইছিল। বিৰকত লাগি বোলে এনে দেৱৰ দুৰ্লভ ভাৰতবৰ্ষ, ধন্য কলি যায় হাতত চাপৰ দি ব্যৰ্থে, এই তিন দিনে মৰা হলে ভাৰ্য্যা পুত্ৰ কোনে ৰাখিলে হঁতে, মিছা সবে আশাযুত। এই বুলি সব এৰি ভটিয়াই গৈ গুৰুজনক পাই ধৰ্ম্ম লভি আছে হৰি গুণ গাই সেৱকৰ সঙ্গে। লাঙ্গচিঙ্গ ডালি ধুই কানি মেৰাই দেখাতে থৈছে। দেখি ইজন সিজনে কলে বোলে বাপ, জয়ানন্দ আতৈৰ যাবৰ মন আছে আকৌ! বোলে মাতাচো। মাতিলে আহিল। বোলে আকৌ যাবানে? বোলে গজাহুহ থৈছা হয়? বোলে বাপ, ৰদে শুখাওঁ বৃষ্টিএ তিতোঁ, হিমে পচো, আমাৰ মনে দুখ নাই, জীৱ গাটিত বান্ধি যুজাওঁতে পত্নী বান্দী হৈ থাকে। এনে দুখ নিকাৰ লৈয়ো তৱ পদ বৈকুণ্ঠতে যাম আৰু? বোলে থৈছানো কেলেই? বোলে বাপ, ভকতেৰে থানেক লাগিলে ৰ'হা বাকা আহিব খোজে বাগত। তাকে চাই পূৰ্ব্বৰ দুখলৈ মনকৈ ৰাখোঁ। আৰু শীত, উষ্ণ, জ্বৰত হেলা লাগে নামলৈ। তাকে দেখি মনকৈ ৰাওঁ, তাতো থৈছো। তেহে গুৰু চাইটা বৈৰাগ্য চৰ্চ্চি প্ৰশংসা কৰিছে।

মুকুন্দ, মাধৱ।

আৰু মুকুন্দ, মাধৱ দুই ভাই, ঢোপগুৰিতে গৃহ। সমন্তো ধৰি খাটনি বিৰকত হৈ গুৰুজনক লগ পাই ধৰ্ম্ম

ধৰি হৰিগুণ গাই আছে। এদিন হৰি কথা কীৰ্ত্তন কৰিছিল ভাটি বেলা। সকলো শুনিছে। কাম্পুণা ফালতে এখন বিয়া যায় ঢোলে দগৰে। দেখে আৰা দুইৰ গাটি জাকি মাৰি লৰি আহে। তেহে গুৰুজনে বোলে তোমালোকৰ দহো গা লৰে, কিয়? পাচে দুও দণ্ডৱতে পৰি বোলে বাপ, পূৰ্ব্বে বৰ ঢুলীয়া আছিলো নাচনিয়াৰ। এই চৰণৰ ধূলাই গুচিলে, তেও শুনিলে গা-টি আহে। বোলো বাক নাচাই, আমি চাপৰি ধৰো। এই বুলি চাপৰি ধৰিলে। জৌতি মান দি আতৈসৱে গুৰুজনে লগালে। "মুকুন্দ মাধৱ; মুৰাৰি মধুৰিপু; জগত জীৱন ৰাম হৰি হৰি" এই পাঁচটা ঘোষা কৰিছে। তাৰা দুই নাচিলে। ৰৰকৈ নাচি সেৱা কৈলে। সকলো আশীৰ্ব্বাদ কৈ বোলে আজিতে শুচক।

আৰু এদিন ব্যাধে টুনি চৰাই জীয়া ধৰি বোলে লৰিনে? চিৰাম আতা বোলে কেনৈ? গুৰুজনে বোলে মাতি লোৱা। আনিলে। বোলে কি ভাও? বোলে একনা। বোলে চিৰাম পাঁচপোন দিয়া আমাৰ। দিলে, নিলে। বোলে চিৰাম, ক'লা সূতা বান্ধি ঠেঙ্গত মেলাচো। দি মেইলে। পাচ দিনা লোভ-ধান দি জাল পাতি ধৰি আইলে, বেচ বন্ধা পাই আকৌ বোলে আজিও লোৱানে? লৈ চাই দেখে কালিৰটোৱেই। বোলে আজি হালধীয়া আৰি সেনা দি মেইলে, পাচ দিনা ধৰি পুনৰ আইলে। লৈ চাই দেখে সেয়ে। বোলে আজি ৰঙা বান্ধি মেলাচো। দি মেইলে, অজ্ঞান জন্তু, লোভত তাতে পৰেগৈ। ধান দি ধৰি আকৌ আনিলে। বোলে শ্ৰীৰাম আজি লৈচো বগা সূতা আৰি। মেলা, দি মেইলে। তেহে ৰঙা, কলা, হালধীয়া তিনি গাৰ বৰ্ণ চিণ নেপালে। বগা দেখি খুটিয়াই গুচায়, দু পাই তাত নপৈল আৰু। তেহে চিৰাম আতা প্ৰাৰ্থনাকৈ

বোলে, গোল বঙ্কৰে কিবা দেও। বোলে এ চিৰাম, চাৰি বিধ জীৱ, ভকত, ভকতি, নিগুর্ণ, ভাগৱতী, কেৱলা, সপ্রেমা, বর্ণ শ্যাম, গৌৰ, ৰক্ত, শ্বেত, তিনি বিধত জঠৰ ভগ্ন, সেৱাৰ আনন্দ সুখ নাই শুদ্ধ মত শ্বেত, একাশৰণ শিতল পদে হলে জন্ম, মৃত্যু গর্ভবাস গুচে, মনো সেই অবাদিত গতি, জীৱ চৰাই গাৰ বর্ণ ৰঙা কলা গৌৰব ভু নেপালে। শ্বেত সু মহাতত্ত্ব লভি জৰ অমৰ নাহিল, নপৈল, নেপাই আনিলে। আক ব্যাধে জানি দেহ গৃহ লোভে ধন জনে ধান মোহ জাল ভার্য্যা পুত্রে দুই টনি ব্যাধে কলি আৰাম জাজিৰ পক্ষী।

আক ঠাকুৰ আতাৰ ভাগ, সিধা, চিৰাম আতা লৈ থয় মাচ পন্থ পালে। সিধা সৈতে দি পঠায়, দুই তিনি জনো। পাচে মাচ লোন তেলে অহাত কিছু কিছু দি আই হাটিত খলুৱা সুচকে সেই বিৰা কৰে। বোলে গুৰুজনে আমাৰ মান মর্য্যদা দায়া নেজানে নকৰে, আতাৰ ভার্য্যা পুত্র গোলাম, বন্ধা, মাচ, পশু মাৰি খাই থাকে। অত পালেই খাৰ শুৱৰ বেলা পঠাই দি এ। দি পাচে দিনেও দুই অতে খালেও দহো হয়। তেনে শুনি গুৰুজনে এক আর্হি কৈছে বেৱন সংহিতাৰ। বোলে জাইন্দ্ৰিৰাজাৰ এটা ভাটো আছিল। তাৰ মাতত সন্তোষ হৈ স্নেহত সুবর্ণ ভাল সজা কঠা কৰাই, দুদ, মধু, পায়স, কৰাইহে দিয়ে নিতে, চাউলেৰে দিএ নিশা। এদিন এবাহ বনৰীয়া ভাটো উপৰে বাও কৈ গ'ল। শুনি ইও কৈলে তাৰে যবে। তেহে ৰাজা সভা পণ্ডিত চৰা শুনি সুধিলে, সি মহাদশা, নির্ধান দশা গনে, সর্ব্বজ্ঞ। চাই বোলে মহাৰাজ, দেখি সিইতে খেদ কৈলে, বোলে আমা নগৰ পক্ষী দুত, মধু, পাহ খাই সুবর্ণৰ সজা শিকলি চাত বন্দ, তুমি ছিম

নেদেখে, বিধি দৈবে এনেহে লিখিতা আক, এই বুলি আমি বঙ্গে বৃষ্টি হিমে পচোঁ, শুকাওঁ, ফল, ফুল, পোক, পলয়া ভখোঁ, খিক জন্ম জীৱনত। ই কৈলে বোলে এনেহে মোৰ দৈব্যে বিধতা লিখিলে, লোহা বন্দী শালেহে গতি, জ্ঞাতি, বন্ধু, ভাৰ্য্যা, পুত্ৰ, সঙ্গে ফুৰিব নপালো, বতি সুখে। হৰি হৰি, বৃথা জন্ম খৈলো, গ'ল। এই বুলি খেদ কৈলে। এতিয়াও আশ্ৰমে ধৰ্ম্ম ধৰি গুৰু মুখে মালা খানিলৈ এক কানি কাপৰ সতত বুজি দুই তিনি যি পাবে প্ৰসঙ্গ বহে ভক্তৰ পাছে। ৰাজা ভাৰ্য্যা পুত্ৰ আজোৰে তিনি তাপে, ফমু´ঠি খাই বিহনা পাৰি খেদ কৰে হৰি হৰি এই মায়াজালে পৰি বলু, দুসঙ্গ ভাৰ্য্যা পুত্ৰ নহলে সন্তৱ সঙ্গে গৈ হৰি গুণ গাই. পৰিচৰ্য্যা সেৱাকৈ জন্ম যাতনা মৰা হ'ল হতে। এ জানা, আতৈ সব তাবাহে উদাস যি গৃহে ৰাখিব মুৱাবে। যাৰা সৱ উদাস ধৰ্ম্ম ধৰি সন্তৱ সঙ্গে হৰি গুণ গাইছে। মনে খেদ কৈ ভাৱে, একঠা খায়, এমুঠি লয়, চিন্তা বিবাহ কৰাই সুখে ভাৰ্য্যা পুত্ৰে নাম গোৱা হলেও ভক্তি হয়, লোকে কৰিও গাইছে, হৈছে' এনেকৈ যি ভাবে মনে সি লোক দেখাই ভাওনাহে উদাস, মায়া মোহ জালে পৰি আছে অন্ধকূপত এ জলতে থাকে কুম্ভিলা, তথাপি শুকান কায়া। পৰ্ব্বতৰ শৃঙ্গে বন কনা বসে ভবি পূৰ। তেহে আতৈ সবে তক্তিৰ বিষম সন্ধি ওভোটা খোজ, বোলে চিৰাম, আতৈ সবে দুয় অসূয়া কবে? তুমিএ ভাগটি নিৱা মোৰ গা বদলে, কঠ খানি পাৰি দিবা সখিক। পাচে তাবতে নপচাকৈ দুই তিন জনো যাইলে। সেই বেলা গীত কৰিছে—

নাৰায়ণ লীলা জানব কোই।

সুৰপতি শঙ্কৰ, চিন্তিতে আকুল হই।

নৱনিধি আতৈৰ ধনত মোহ

আৰু নওনিধি আতৈৰ চাবিকুৰি টকা আছিল। তাকে শ্ৰীহৰি আতৈএ কলে গুৰুজনত বোলে বাপ, আতৈৰ এটোপোলা ৰূপ আছে ; নেখায়, নলয়, নলগাও কষ্টেৰে প্ৰবৰ্ত্তে, কঠিন লোক যক্ষ বৰ। তেওৰ লাউ কুৰুৱা, কন্থা কিছু নাই, ভিক্ষাকৈ প্ৰবৰ্ত্তে। তেহে গুৰুজনে ৰাম হৰি আতৈক সীমাৰ পঠাই ৰূপ খানি অনালে চুপে। তাৰা শোতে চাই দেখে নাই। বোলে ঈশ্বৰ দ্ৰব্য দিছিল নিলে। কতো নকয়, খাই দাই হৰি গুণ গাই আছে। পাচে তাৰাবো লাউ কুৰুৱা, কথা নিয়ালে চুপে। তেও এৰাও কৈ নিন্দা গালি মন্দ ডাকু, অনেক বুলি উপাসে ৰল। তেহে গুৰুজনে প্ৰসঙ্গৰ অৱসানে সৱাতে কৈ দি প্ৰমাণ দেখাইছে।

জনকৰ আৰ্হি

সেইখিতে শ্ৰোতদেৱ জনেকৰ আৰ্হি দিছে। একদিনা মিথিলালৈ কৃষ্ণ উদ্ধৱ সৈতে গৈ ৰাজা ঠাইত সোমাল। অনেক ৰজত সুবৰ্ণ ভণ্ডাৰ, ৰথ, গজ, গোৱ, দাসী দাস, দেশ, দি অৰ্চ্চা কৈলে পদ্যে অৰ্ঘেৰে। শ্ৰুতদেৱে পোৰা জল, হৰুতকিৰে পূজা সেৱা কৈলে সমে সন্তোষ হৈ আছিল। পাছে ৰিষিৰ মনত কষ্ট কৈ বোলে মোৰ সম্মতি হলে সোমাল হঁতে। প্ৰভু যে মায়া ঐশ্বৰ্য্যতে লাগিল। তেহে একদিনা চুণ্ডজনা ৰহিছে সুখে। তেনেতে অগ্নি লাগি ৰাজাৰ নগৰ দহি নিছে। অনেক ভণ্ডাৰ, ঘোৰা, হাতী, সাল, ৰাজা কটাক্ষকৈ চোৱাই নাই। আবাৰ লাউকুৰুৱা কম্বা পুইলে বুলি কাক ৰাক লগাই আহি চাই দেখে একো নাই জুই চাই। তেহে জিজ্ঞাসকৈ শুনে, মইহে মায়াত আছোঁ, মোৰ বন্ধু তাৰ ৰাজ হৈ আছে জানিছে মনৰ মন মোৰ প্ৰভু ভত সোমাল।

মধুআতৈৰ জল নিবাৰণ

আৰু মধু আতৈ গধূলি প্ৰসঙ্গলৈ ৰাওতে ৰকুলতল পালেই উচাৰ ভয় খাই জল কৈৰে লোকটে আগচি ধৰে। চকুমহ কৈ যায়। তেহে একদিনা গুৰুজনে বোলে তুমি কিবা

ভয় পোৱা হবলা? বোলে বাপ, এইৰূপে পাওঁ দেখো। বোলে হাতত চাই সানি তাৰ গালত দি আমাক দেখাবাচোঁ। আজি যোৱাগৈ। সেইৰূপে দি দেখায়; চাই—দেখে আপুনাৰ গালতে আছে। পাচে গুৰু বোলে তুমি পৰম ভাতৃৰ গুনাই যাকে ভাবা তাকে দেখা। তেহে পৰমাত্মাত দৃঢ় হ'ল ডাঠে তেনে দেখিলে, মায়াৰ ভ্ৰম গুচিলে গুৰুজনৰ প্ৰসাদত। আনবো দৃঢ় হ'ল।

আৰু এদিন গুৰুজন, ঠাকুৰ আতা, শ্ৰীৰাম আতা, কালিৰাম, বাকলি ৰাম গৈছে। গৈ জান পাৰ হৈ যায় জইতি গ্ৰামলৈ। তাতে কাতি মহা ভেটা দি দেৱা দিছে, মৎস্য পৰে ধৰফৰাইছে। গুৰুজনে দেখি মেলি নিছে বিলে। আতা মাৰি পাচত পোৱাটি লৈ নিছে। তেহে চিৰাম আতা খেদকৈ সুধিছে, বোলে বাপ, হৰি ভক্তিৰ বিষয় সম্বন্ধী একো তত্ত্ব নেপাওঁ, আপুনি মেলিছে, আতা দেখো মাৰিলে, নিছে? বোলে সখি হয়নে? বোলে বাপ হই। বোলে কিয় মাৰা ব্ৰহ্ম জীৱ হিংসা, ধৰ্ম্ম ক'ত শুনিছা? সেই বেলা ঘোষা কৰিছে বোলে—

মৃগ মীন মহা সাধু নৰে
মনৰ সন্তোষে তৃণ জলে,
হিংসা শূণ্য হয়া থাকয় জীৱন ধৰি।
তথাপিতো……।

তেহে ঠাকুৰ আতা বোলে নিৰ্গুণা ভক্তি সেও হই, কেৱল ধৰ্মত। মোৰ গুৰুজনে কৈছে পূৰ্ণ ব্ৰহ্ম আত্মা অন্তৰ্যামীত পৰিশ্ৰমকৈ অন্ন, বস্ত্ৰ, পত্ৰ, মাছ, মাংস, শাক, পাত, মাৰি নি গুৰু ভকতক লগাব। হৰি গুণ পৰা ভক্তি হৰি অংক ধৰিয়া জীৱ মহাপ্ৰলয়কে সীমা কৈ বাগৰিছে। যোনী ক্লেশ পাই। সত্ত মহত্তত লাগিলে তাবো অন্ন আদি বাসনা লাগে।

এতেকে মাৰিছোঁ ; আপুনাৰ ভক্তত লাগিব, আত্মা তুষ্ট হব, তাৰো গা বৰ, আমাৰো ভক্তি হব। তেহে গুৰুজনে বোলে যি কৈছে অন্তৰ্বোধে এয়ে হই। বৰ পাইলে কলি যুগত গুৰুভক্ত লৈ সাৰিব, দেহ, ভাৰ্য্যা, পুত্ৰ, খাব, বচন কেৱলিয়া কবহে নকৰিবা, এই আৰ্হি লৈ হিংসা ধৰ্ম্ম ধৰি জীৱ দুখত পৰিব।

আৰু খিৰামৰলৰ বেটা তিনি, বৰ গোপাল শ্ৰীশঙ্কৰ দেৱৰ সেৱক, চোট মুকুন্দ মাধৱ চোট আতাৰ, গোপালৰ গুৰুজনত ভাৰ, চোট আতাক বিস্তৰ নেমানে পেটে। এজুপি কঠাল আছে, বছৰি দুটি দুটি লাগে। সমে এটি লগায় গুৰু কীৰ্ত্তনত, এটি চোট আতাক দিএনি। এবাৰ এটি ধুপুৰীয়া চোট, এটা বৰ পূৰ। মনেৰে বোলে বৰটো বৰ আতাৰ তিথিত লগাব, চোট চোট আতাক দিম নি। পাচে আগে পকিল পূৰাটো। স্বপ্নত বোলে ববাপো দুদিতে থাকোঁ মই ত'ত দিলে পাওঁ আত। তেহে পুৰা চাই দি সেৱা কৈলেগৈ। গুৰুজনে হাস্য কৈ বোলে গোপাল, সংশয় মৈল মনৰ ? বোলে বাপ, মই মহাপাপীৰ ভেদ বুদ্ধি গুচালে মোৰ গুৰুজনে। আজিতে একমন অভেদ হ'ল, এক হ'ল।

গোপাল আতাৰ ভেদ বুদ্ধি

আৰু এদিন ঠাকুৰ আতা পৰ্ম্মানন্দ ঠাকুৰ দন্ব লাগিল। আতাক বোলে তুমি বৰ অভাগ্যৱন্ত, অভাগ্যৱন্ত। আতা বোলে ই বৰ ভাগ্যৱন্ত। বোলে মই ভাগ্যৱন্ত, ভাগ্যৱন্ত, ভাগ্যৱন্ত। পাচে আতাৰ শুনি বিৰকত লাগি গল গুৰুজন ঠাই। তেহে গুৰুজনে দেখি বোলে সখি, দহোঁ মুখ শুকান, ভোজন কৰা নাইনে ? বোলে বাপ, পৰমানন্দে এনেকৈ বুইলে, কৰা নাই। তেহে জল স্নান কৰালে। তেনেতে ঠাকুৰ লৈ সেৱা কৈলে। তেহে গুৰুজনে বোলে পৰ্ম্মানন্দ,

মোৰ সখিক তেনেকৈ বোল? মোৰ গুৰুজনে দাস নাম দি মোৰ বুলি গৈছে। সখি অভাগ্যৱন্ত? বোলে বাপ, বুলিবৰ হয় দাসে। বোলে কিষনো বোল? বোলে বাপ, বুইলোঁ। কিয়, তাৰাৰ পিতৃ ভকতবীৰ্য্যে জাত হৈছে, আৰু তাৰা বেহা বেপাৰ অন্যায় মিছা নকলে বনিজ নচলে, মহাপাপ সিজিল। আৰু অৰ্দ্ধেক বয়স গ'লতহে গুৰুজনক লগ পাই ধৰ্ম্মক ধৰিছে। এই তিনি অন্বয়ে অভাগ্যৱন্ত বুইলোঁ। তিনিবাৰে। বোলে তইনো কেনে ভাগ্যৱন্ত হলি? বোলে তাৰা মহাভক্তৰ বীৰ্য্যে জাত হৈছোঁ, গৰ্ভৰে ভকত আৰু মহাধৰ্ম্মক ধৰিছোঁও, মহাভাগ্যৰ অৰ্থে, আৰু মোৰ শ্ৰীশঙ্কৰ দেৱে পাদ পঙ্কজ শিৰত দিছে, দেৱৰ দুৰ্ল্লভ, মহাভাগ্যে পালোঁ। এই তিনি অন্বয়ে বোলা গ'ল প্ৰভু। তেহে গুৰুজনে বোলে সখি, পৰ্ম্মানন্দে আমাক ঘটালে, উত্তৰ হবাল, কৰ পায়। তেহে পিতা পুত্ৰ সম্বোধন সন্তোষকৈ পঠাইছে।

ঠাকুৰআতা আৰু পৰ্ম্মানন্দৰ কথা

আৰু এদিন শিলপোতাৰ গোবিন্দ, দাৰিকাৰ গোবিন্দ, আতৈৰ খানিক লাগি গুৰুজনক গোচৰ দিলেগৈ দুয়ো। তেহে গুৰুজনে এক দৃষ্টান্ত দিছে। বোলে এক সদাগৰৰ চাৰি পুত্ৰ, একটি দুহিতা হল। এটি বৰ চাই পিতা সাদৰে সম্প্ৰদান কৈ মূল মন্ত্ৰেৰে টিক ধৰি বিবাহ দি বোধ দিলে বোলে আমি পিতা মাতা বিঠা কানি ধুলু কৰ্ম্ম কানি তোৰ দৈৱে এই স্বামী সেৱাতে যদি বৰ পাৱ, আমাক পাবি, গুৰু দেউৰ নাম সকলো সন্তোষ জীৱবো কল্যান, জন্মবো নিবাৰ, জন্ম গৰ্ভবাস সংসাৰো তথায় আৰু দোষ পাই কান নাক কাটি খেদে, মাৰি উটায়, আমি বাওঁটোৱহে গৱাকী, সেৱাত তুষ্ট কৈ তুতিত সন্তোষেৰে পাৰ সাৰ, দুৱাৰ মং, আমাক দোষে গুণে লেপায়। যি বহে সন্তোষ বহে, নবুহে পাঞ্জৰি বহে। সাহোৰ পাৰ বাহুত বলে, দুৱাৰ যা জাতকে৷।

ভকতৰ বিবাহৰ বীণালো

টিক ধৰি বিবাহ দিবা নিয়ম

আৰু গুৰুজন সাতজনে সৈতে সিহুয়া বিলৰ কাখে কথা সুখে বহে বিয়লা। এদিন দালি মান কহুয়াতে হৰিণা পশুটি চৰিছে। ককবাতে বাঘটি ওলাই ধৰি নলি চিঙ্গি তেজ পি এৰি গ'ল। চিৰাম আতা দেখি খেদ কৈ বোলে এনেহে জীৱৰ দুখ। তেহে গুৰুজনে ভকতলৈ জ্ঞান দিলে। ভকত আহি কাটি ভগাইছে। বোলে শুকাই আমাক চালখানি কহি কহদি দিবা। তেহে ধুই চাচি শুকাই দিলেনি। বহি তাতে নাম গাইছে। এদিন বোলে শ্ৰীৰাম আৰ তলে এখানি বান দিয়া। পাচে আতা গাম্বি বান্ধি দিলে। তাকে দেখি সকলো কঠৰ তলে দিলে। এদিন দেখি বোলে চিৰাম, দেখোঁ ভকত কঠে বান। বোলে বাপ, আপোনাক দেখি দিছে। বোলে বাহিৰটি সকলো ধৰে, অভ্যন্তৰে বিচাৰোতা নাই কাৰণ বা কি, আমাৰ গুচুৱা। তেহে আতা গুচালে। পাচে সকলো গুচাইছে।

আৰু ছুটা ব্যাধে হৰিণা এটা ফান্দ পাতি ধৰি সজাত কৈ নিএ সাঙ্গি বান্ধি। আদ্ টকি দি লৈ মেলালেগৈ হাবিত। তেহে সি ছুএ সন্তৰ সম্পৰ্কে পাপ খিন কৰ্ম্ম বন্ধ বাসনা নষ্ট হল। অগ্নিৰ আশ্ৰএ তিনটা কাৰ্য্য নাশে, সন্তক দৰ্শনেও গুচে কৰ্ম্ম বন্ধ, অজ্ঞান আন্ধাৰ আগত সংসাৰ ভয়। পৈ বৈৰাগ্য, বিৰক্তি হৈ গৈ গুৰু-জনক থৈলেহি, পশু যেনেকৈ অন্ধ বন্ধৰ পৰা মুক্ত কৰা গ'ল, আমাকো তেনেকৈ গৃহ অন্ধ অৰণ্য, ভাৰ্য্যা পুত্ৰ মোহ ফান্দ, পৰম তত্ত্ব টকা দি মেলক। তেহে গুৰুজনে গীত কৰি মাতি শুনাই বোলে মই যেনে তই তেনে, সবে সমক মাজে কেনে। সবাৰে ঘটে ঘটে বসাইছে আত্মাৰূপ নাৰায়ণে যত জীৱ ইন্দ্ৰিয় সচেতনকৈ তাক বন্ধ মোহা নেহেৰিলে কাৰ শক্তি।

"গোপাল ভাবিও মন সকল যতনে।
হৰি বিনে কেনে আন চিন্তা অকাৰণে ॥"

আৰু এদিনা গুৰুজনে চাউটি সিজাই বাহি পাগটি সামৰি মুখ হাত ধুইছেহি। ভালে দিনৰতে কৃষ্ণ পণ্ডিতে লক্ষ্যকৈ আছে ধৰিবলৈ। আহি বোলে মাধদাস এক কথা সুধিবলৈ আহিছো; কৈছে ভোজন কৰিবা। তোমা-লোকে পাক অন্ন ঈশ্বৰক দিব নেপায় দোষ হয়, আমিহে পাওঁ, অদেয় ভোজন কৰিবও নেপায়, কেনেকৈ খাইছা? বোলে চিৰাম, ভকতক মাতা। মাতিলে, আহিল। বোলে ব্ৰাহ্মণে ধৰিছে কোৱাচোঁ কাৰ কি মনে পৰ্শে? বোলে বাপ, আমি কি কম? তেহে গুৰু বোলে বিপ্ৰ, তোমাৰ দাসী দাস আছে নাই? বোলে আছে। বোলে তোমাৰ পাগে খায় নে বান্ধি খায়? বোলে আমাৰ মানুহেই সিজাই দিয়ে। বোলে লাগিলে পাতৰে নিদিয়া সিহঁতক? বোলে দিওঁহক। সিহঁতৰ থাকিলে দিয়েনে? উজাৰি উঠি বোলে কিয় খাম একা দাস গোলামৰ! বোলে তেনে আমিও ঈশ্বৰৰ দাস দাসী। ঈশ্বৰৰ এত্ৰা অৱশেষ খাওঁ মানি, দিম কেনেকৈ? দাসে গৃহস্থক দিব লাগিলে জহা আতপ চাউল, পদিলা, আমৰ খুটি পাগ মাৰি হুৰুত পাগ কৰি দিও। তেহে বোলে হো মাধ দাস্ত ভাল খাইছা। এই বুলি গুচি গ'ল।

পকান্ন অৰ্পণ

আৰু এক ব্ৰাহ্মণে ভুঁই কুৰিছে। সেইতে এক বামুণ বায় গুৰু ঠাইলে। সেই ভুঁই কোবানে গুৰু মন্ত্ৰ কাৰি গৈ লগতে আহিল গৈ। ই বোলে নহোঁ লগতে আহিলা? বোলে কি থাকিবি, তোৰ পালত দুই চৰ, মোৰ পালে তিনি চৰ। সি বোলে তোমাৰ এক চৰ বঢ়া কিয় খালে? গুৰু বামুণে বোলে অহঁতক কওঁহে হয়, আমি খাচকোঁ।

এতেকে বঢ়াই মাৰে। গুৰুজনে বস্ত্ৰাৱলী পয় চৰ্চ্চিছিল নিন্দাৰ গীত—

"কমল নয়ন চিন্ত চিত্ত চেতন নাই।
চোড়ি ৰাম নাম আমিয়া উপযোগা।
যৈচে পুৰিষ শুকৰ কও ভোগা"॥

আৰু জয়ন্ত আতৈএ দুগ্ধ খৰাই দিএ গুৰুজনক, ডঙৰ কুচিত থাকে। এদিন লৈ আছে খিৰাই দুগ্ধ। মাজতে এটি দ হোলা আছে, হাবি। তাতে এজন পুৰুষ ওলাই সাৱটি ধৈলে আছি, খীৰ দুৰতে থলে। থৈ সেৱা কৈলে। বোলে জয়ন্ত, দুগ্ধ? বোলে বাপ, বৰ্জ্জনীয় হ'ল। বোলে কেনেকৈ? বোলে সেই হাবি হোলাতে জাটাৰ লোক এটা ভব্য ওলাই সাৱটি ধৈলেহি, তাতে সংশয় লাগিল। বোলে আনা, বৰ্জ্জিত নহয়, সজহে হৈছে। আমাৰে বন খানি শ্ৰদ্ধাৰ কৰা দেখি বুঢ়া ভকতে স্নেহত ধৈলে। বোলে ভয় পালানে? বোলে বাপ, গাটি সিহৰি গৈল। বোলে মেকণ হব। পাচত চোট চোট লোমৰ গুৰিএ মেকণ হ'ল, নাম হ'ল মেকণীয়া জয়ন্ত।

মেকণীয়া জয়ন্ত

আৰু এদিন বাৰজন জালোৱা আহিল। নিশা বল অন্তে। গুৰুজনে দুগ্ধ চিৰা ভোজন কৰালে। বোলে যেন পুৰা পতি হয় এই বুলি সেৱা কৈলে। পাচে গুৰু বোলে বৰ বৌ মাছ দুটা পাৰা, তেনে মাছ আগেও পোৱা নাই, পাচলৈও নোপোৱা তেনে। সেই মৎস্য দুটা আমাক দিবা। বোলে বাপ, পালে দিয়া যাব। তেহে বৰপেটাত জাল দিলেগৈ। এখানত পৈলগৈ। তাক কাৰি গৈল। আৰু খালত পৈলগৈ। তেহে বাৰেও ধন বেৰাই দিলে। বল, ধৈলে। সাজি বাজি আনি দিলেনি। গুৰু-জনে কটাই দিয়ালে সমাকে। হৰিজনত আতৈক বুল

ছুটা দিলে কাৰণে। ভকতে ভোজন কৈলে, গুৰুজনে নকৈলে।

আৰু ঃ ডাঙ্গৰিচিতে বৰ গোবিন্দ আতৈৰ গৃহ, আছি মহাপুৰুষক গুৰু বুলিলেহি ছুই ভাৰ্য্যা সৈতে। তেহে গুৰু জনে বোলে, তুমি আগে যত খাৱা দাৱা কৰিছিলা এতিয়া নেখাবা। তেহে কতো নেখায়, নিতে নাম গায়হি, ৰাতিও আছে। ছুই ভাৰ্য্যা পাচলৈ অসূয়া কৰিব ধৈলে। বোলে কতুবা চুৰ বেশ্যা কৰেগৈ। তেহে গুৰুজনত কলে, বোলে আমাৰ স্ত্ৰী ছুটা বৰ অসূয়া কৰে বোলে এটা আনিবা চোঁ। তেহে এটা লৈ আহিছে। গুৰুজনে বোলে অনিছানে তোমাৰ মানুহ? ' বোলে বাপ, অনা হৈছে। বোলে চুৰ কৰা ঠাই দেখিছেহি। সি গৈ ৰাএকত কলেগৈ বোলে নামহে গায়গৈ, একো নুবুলিবি গুৰুজনত। তেহে ঈশ্বৰ বোধে মানিব ধৈলে। এতিয়া কতো নেখায় দেখি সকলো অসূয়া কৰিব ধৈলে। হিংসাত কলে গুৰু জনত বোলে বাপ, গঞা ঠাকুৰিয়াৰ হিংসাত ৰ'ব নুৱাৰি তাত। যত আলহি মোৰ ঘৰত থয় গৈ ভাৰ খানো দিএহি। গুৰুজনে কি কৰিব অসন্তোষ কৈ থাকে। পাচে এদিন সেই গঞা ঠাকুৰিয়া সুন্দৰী এহেলকে আহিছিল। বামুনাৰ সেই খিতে বৃষ্টি আনিলে। লৰি আহি কীৰ্ত্তন গৃহতে সোমাসগৈ। তেহে বিয়লাৰ প্ৰসঙ্গত গুৰুজনে আপুনি নাম ধৈলেগৈ। শৰণ থোৱা দিলে— গোবিন্দ আতৈ

"ৰাম চৰণে শৰণ লৈলোঁ।

ৰাঘৱৰ অভয় চৰণে"—

সি গঞা ঠাকুৰিয়াও পালে লগতে। গুৰুজনে বোলে সত্য কাঢ়িবৰ যেন শুনিছিলোঁ। বোলে বাপ, মোৰা কৈছিল ভকত লগতে। বোলে আমি ঈশ্বৰত শৰণ লৈছোঁ।

হৈছোঁ কান্তে গাঞ, তহতে গাৰ বোল কিয়? তেহে উপায় নেপাই বোলে বাপ, আমিও-পণ্ড লৈ লমহি শৰণ। তেহে গুৰুজনে শৰণ পৰিক্ৰিয়া ব্যৱথা কলে। সেই মতে আচৰি ললেহি ঠাকুৰিয়া। তাকে দেখি গঞাখানেই ললেহি। লৈ বোলে আমি গোবিন্দৰ পৰাহে গুৰুজনক পাই ধৰ্ম্ম ধৰিছোঁ। গুচা এই গোবিন্দক পাইক এৰি-লোঁহক। তেহে গোবিন্দ আতৈ হাটী ললেহি দুই পত্নী এৰি।

আৰু এক বুঢ়াই খাৰ জুই দি ঘলৈ আছিল। পথাৰত তেনেতে ৰতাহ বৰষুণ আইলে। বুঢ়া গৈ পাচি ভৰি খৰ ধৰকৈ আনিলে জুএ ছাএ। পাচে সেই পাচিটো গোটেই পাই কিছু কিছু পুইলে। বুঢ়াই বোলে আকে যদি সুন্দৰীৰ মহন্তে কৰ পাৰে মই শৰণ লম আৰু। এই বুলি গলে গুৰুজনক পাই বোলে বাপ, যাৰ জহত খাৱন জীৱন, তাৰে গাত ভাবুকা ভাবুকি? গুৰুজনে বোলে অ বুঢ়া তই খাৰ জুই দিছিলি হবলা, তাকে আনোতে পাচি পুইলে, তাৰে কথা কৈছহি ঠোৰে? তেহে বুঢ়া দীঘল হৈ পৰি বোলে বাপ,
খাবাবাম তোম্ৰা মনুষ্য নহয়, ঈশ্বৰ। আমাকো শৰণ দিয়ক। পাচ দিনা দ্ৰব্য বস্তু লৈ গৈ লৈছেগৈ। গুৰুজনে নাম দিছে খাবাবাম।

আৰু এক বুঢ়াই মালভোগ কলগৰ কাটি বোলে যদি পণ্ড লৈ এয়ে পকেহে মইও দি শৰণ লমগৈ। পাচে পৰি জকমক হ'ল। বুঢ়া আশ্চৰ্য্য হৈ গ'ল। পাই গুৰুজনক বোলে বাপ, যাৰ মনে দৃঢ় জকৰজ। তেহে গুৰুজনে বোলে অ' বুঢ়া, তই হবি ভজিৰলৈ নিচৰ কৈ কলা কাটিলি হবলা, সেয়ে তিনি দিনে পাকিল? পাচে বুঢ়া দীঘল হৈ বোলে
জকবাবাম বাপ, তোমা মনুষ্য নহয়, হৰেহে নৰ দেহা। এই বুলি

আহি-পাচ দিনা বস্ত্ৰ চাউল লৈ শৰণ ললেগৈ। তেহে গুৰুজনে নাম দিছে জকবা বাম।

আৰু নাম গাই গৈ আতৈ সত্ৰ চৰাতে বহিছে গুৰুজন পাশত। ঠাকুৰ আতা বোলে বাপ, ভকতৰ ভণ্ডাৰ ধান ধন বস্ত্ৰ তত অনা যক। তেহে ভবানীপুৰীয়া আতা বোলে বাপ জোখ পৈলে সোধাৰ মুৰাৰি ভাগিবহে। গুৰু গোধন কামোদ কৰতক। খিবাৰ জনা সেৱা অৰ্থে কতোক খীৰ কেহো খীৰিহা কতো কলহমু, কেহো দৈ, কতো দুগ্ধ, কেহো কাছি দৈ কতোৰ ঘৃত, কতোকো ঘোল, কেহো শৰ্কৰা, কতোএহে অমৃত। কৃষ্ণ শব্দে পৃথিবী বাচক উপকাৰী আত্মা আমি ন বুদ্ধি আত্মনীয়া দব বধবা ধৰে। পাত্ৰ চাই যিমান কৰ চহাৰ পাবে দেহা পৃথিত তত্তে কঠিয়া দিছে। যি বাটে যায়, পঠাবা, যি ঘাটে মৰে কঠাবা। কতো এ গুৰু সেৱা বুদ্ধি বলে অনেক সুখি লৈছে, কতোৰ বুদ্ধি মোৰা চাইটি বস্তুতে আছে। সঙ্গ, সম্ব গুৰু দোষ হাত কাছ এই চাৰিতা হলে খৰ বান হস্তী ৰবা ধান পাই সাৰিব জীৱ। পালো নেপালো দিলে নিদিলে অভিমান পিয়লত ভাগিব নেলাগে কৰিব।

আৰু এক বামুণৰ ছলি, যৱনৰ ছলি জঙ্গলে খৰি লুবিছে চত মহা বন্দ বনে পোৰা বাৰ মাৰলি বতাহে পাই অগ্নি বেঢ়ি ধৈলে। সাৰিবৰ উপায় নপাই তব্ব নেপাই বাটতে পেট পেলাই পৈল, পুইলে। পাচে তু পাই পিতা মাতা বামুণ যৱন খেদি পাই চাই চিন হবালে, সাহি চুৰ নোৱাৰে। উপায় হবাই বোলে সুন্দৰী মহন্তত সোধোগৈ, তাৰা বা কৰ পাবে, এই বুলি আৰ্ত্ত হৈ ধাকুৰি সুধিলেহি। তেহে গুৰুজনে বোলে ৰকৰ্দৈ নিলগতে চাব, মুখ মেলাটি যৱনৰ, অপোৱাটি বামুণৰ। লৈ সেই মতে চাই দেখে দুই পোটল

তলত মাটিৰে জাপ খাই নগুণ আছে। বোলে মহাপুৰুষ মনুষ্য নহয়, স্বৰূপ ঈশ্বৰ।

আৰু ঠাকুৰ আতা জনিয়াৰ্ত্তে আহি চিৰাম আতাৰ ৰহাতে জাপী, লাঠি থয়। আতা কঠ দি, পাও ধুৱাই, মচি থৈ, হস্ত ধুই গুৱা কাটি দিএ, তেহে গুৰুজন ঠাই যায় নিতে। এদিন গৈছে, দেখে চিৰাম আতা নাই। বোলে কলৈ গ'ল? বোলে ভিক্ষালৈ গ'ল। বোলে মোৰ চিৰামে ভিক্ষাকৈহে খায়! তেহে পাচ দিনা ঠাকুৰ আতা চাউল এটোপোলা পচৰাত বান্ধি কান্ধে লৈ আহে। পথৰুৱা ভকতে সোধে বোলে বাপ, কালৈ নিয়া যায় চাউল? বোলে চিৰামটিএ ভিক্ষা কৈ খায়, তাৰালকে নিওঁ। তাৰা সবে বোলে ঠাকুৰ আতা চাউল দিএগৈ; আমিও দেখো দিব পাৰোঁ? এই বুলি সকলো আনিব ধৈলে চাউল, মাহ, কচু, কোমৰা, আদা দ'ম খালে, যি পাৰে খাইছে, মলঙ্গি গেলি গৈছে। এদিন ঠাকুৰ আতা সোমাই চাই দেখে গেলি পচি গৈছে। বোলে চিৰাম, চাউল কি বস্তু নোপোৱা, অনাদৰ কৰা যে? বোলে পৰাখিনি খাইছোঁ, কিনো কৰিম অকলে? বোলে ভকতক জান দিয়া, ডুকুলি লৈ আহক সকলো। আতা সেই চাউল মাহ, কচু, মৰা আদা, মৰিচ, গুৱা পান ভগাই গুৰু ভক্ত সবাকে দিলে। বোলে বাঢ়িলে এই দৰে দিবা আকৌ। তাৰে পৰাহে সিধা, ভোজনি চাউলৰ আহিঁ হ'ল।

সিধা, ভোজনিৰ আহিঁ

আৰু ৰামচৰণ ঠাকুৰ ধুমৰিলৈ গ'ল। এদিন খেদকৈ ঊৰ্ব্বশী আইএ ধৈলে বোলে ৰামচৰণ তোক দদা সকৰে পৰা তুলি পঢ়াই শুনাই শিখাই পণ্ডিত কৈলে। এতিয়া গৈ দদা কেনে সুখে সুখে আছে বিচাৰো নলৰ। তেহে এদিন আহিল। হৰিচৰ্ণ ঠাকুৰলৈ বৈনী ঊৰ্ম্মিলা আশীৰ্ব দিছে, ডাঙ্গে বলাগৈ। পাচ দিনা হৰিচৰ্ণ ঠাকুৰে সৈতে গৈছে। সেই

সময়ত গুৰুজন বাও নৰাতলি আত্ৰণ মহা কৰিয়া পথাৰতে ভক্তে সমে কথা সুখে বহিছে। তাতে গৈ দুওজনে সেৱা কৰিলেগৈ। কতখানি বৈ বিদায় কৈলে আহিবলৈ। গুৰুজনে বোলে হৰিচৰ্ণ তুমি যোৱা, যাবই পোৱা, ই ৰামচৰ্ণ যায় কিয় ? মই কেনে সুখে দুখে আছোঁ। ৰামচৰণে কি দেখিলেহি নৰাতলিত ? এই বুলি হৰিচৰ্ণ ঠাকুৰক পঠাই আৰাক লৈ গ'ল লগতে, আছেগৈ। ভকতে সভালৈ মাতে গুৰুজনক, ৰামচৰ্ণে যাই পাশতে বহে, কঠখানি পাৰি দিএ। ভকতে সোধে আৰা কোন ? বোলে গুৰুজনৰ ভাগিন হয়। তেহে গুৰুজনক টকা, ৰৰকাপৰ, ঠাকুৰক মহা, চেলঙ্গ দখিনা কৰে। এই দৰে পাই কিছু মন বহিল। আছে মাহ চাৰি।

আক এদিন ঠাকুৰ আতা প্ৰমুখ্যে সকলো ভক্তক গুৰুজনে বোলে সখি, আমি এতিয়া উষ্ণ, শীত, বৃদ্ধ, কাল, চাউল মুঠি সিজাব নুৱাৰোঁ। চাই এজন ভকত চাউল মুঠি সিজোৱাকৈ দিয়া যক। তেহে আতা বোলে ৰামচৰণে যে বিষয় নেৰে, কেনেকৈ সিজাব ? আতা বোলে ৰামচৰণ, এৰা, বিয়া কৰাৰ নালাগে, মোৰ ঠাকুৰ চাউল মুঠি সিজোৱা বোলে নোৱাৰোঁ। বিষয় এৰিব। মনে নেৰিলে কি হৰ মুখে এৰিলোঁ বুইলে ? তিনিবাৰ সোধাত তাকেহে কলে। তেহে একদিনা গুৰুজনে চাউল ভোজনি যুগুত কৰিছে ৰামচৰণক ৰান্ধনি লবলৈ। পাচে ঠাকুৰ আতা বোলে তোমাৰ চিত্ত, গুণ, বাক্য একা বুজিব নোৱাৰিনে। আগে বোলে দেখোঁ বিষয় নেৰিলে চাউল সিজোৱা খাব নুৱাৰি। এতিয়া দেখোঁ লব খোজে ? বোলে সখি, বিষয় এৰিলোঁ। বোলা হলে ধৰাত চাউল সিজাবলৈ নুবুইলোঁ। হতে, বাতো এক...বাক্যকে জনা নেনো বুলি, গৃহাশ্ৰমে ভক্তি হানি নকৰে, [illegible]

গুৰুজন চাউল সিং... লোকৰ ব...

গ্ৰহাশ্ৰ... ভক্তিৰ... কথা

ধৰ্ম্মতহে থাকিব লাগে, ই সঁজ। এ শূকৰ বৃত্তিহে গেল্লেলা। বোলে বাপ, শূকৰ বৃত্তিনো কেনে? বোলে সি শূকৰে আপুনাৰ পুৰীষ ভোজন নকৰে পৰৰ পুৰীষ বিচাৰি ফুৰে। যদি পৰ চুৱা-চক লুটি ফুৰিলে, পেলনীয়া চোৰা বুটলি খালে, সিহে বয়া। ই আপুনাৰ স্ববিবাহিতা ভাৰ্য্যাত ধৰ্ম্ম প্ৰবৰ্ত্তিতে ভক্তি ধৰ্ম্ম খলিত নহয়। দেহৰহে দুখ হই, স্বৰূপ পাহৰেগৈ অৰ্থে হীন হৈ। তেহে চাউল দিলে। দি চাউল সিজোৱা পাতিলে ঠাকুৰক। আক গুৰুজনে বোলে হৰি ভকত সকল, গঢ়, আঠুৱা তৰি, যুজিলে, শুলে সঁজ, মহা শত্ৰুলৈ নিসংশয়া। আমাকে দেখি সাস নকৰিবা, যাৰ ইচ্ছা আছে বিবাহ কৰা। সিংহে উদয় গিৰিত চৰে, পঞ্চ নখে পাঁচটা হস্তী নি অস্ত গিৰিত খায়, তেও বাৰ বৰ্ষতহে শৃঙ্গাৰ কৰে, ঘন চিৰিকা খুদ কণ খাই দহ আঠ বাৰ সম্ভোগ; আক দৈৱ যুগীএ মন্ত্ৰ ঔষধৰ বলে সম্পৰ্ক নচাই আনে, ৰ বুইলেই ৰক্ষা নাই।

আক একদিনা গঞা ঠাকুৰিয়া আছি গোবিন্দ আতৈৰ পাচতে থিয় দি আছে। তাৰ কল ডিল কুটিছে, দেখা নাই, কান্তিতে বহি বদ কাচলিতে দেখি .গুৰুজনে বোলে গোবিন্দ, ঠাকুৰিয়াক চৰা দিয়া থিয় দি আছে। ঠাকুৰিয়া বোলে বাপ, গোবিন্দে বেতিয়া পাচত কঠ কমেলি লৈ ফুৰিছিল আমাৰ, এতিয়া হাটী সোমাই বৰ ভকত হ'ল, আমাক কি দিব চৰা; তেহে গুৰুজনে এক দৃষ্টান্ত দিছে, বোলে তিনি জালোৱা মাছ মাইলে, তিনি ভাৰ পালে। জাল বাবে হাত, তাৰে তেবে হাত কটা। "ভাল মাইলি বাপৰ বেটা, বৰ সেই গ'ল আক সৰকিল, মজালি পাছে পতি বঁল, দকিয়াইও তিনি ভাৰ হ'ল, যাৰ আছে ভজি নাই। তাঁহি হেল-হেল কৈ দিলে। মাই বিকিবলৈ দিলে, [illegible]

আছে গবাকী নাই।. গধূলি হাট গবাকীৰ জট জট বিকি তাতে তিনি কাওন পালে। ছুটাই ছুকাওণ ললে, এটাক বোলে পোন দিলে। সি বোলে তইঁতে মোৰ ভাবি থালি। এই বুলি বৰ শকীয়াত কলে। সিহঁতে বোলে সেই বোলে পোনেছে একাওণ, লৈ থ। সি ছুবুজি ফুকন বকৰাত কলে, সিদ্ধান্ত সেইদৰে দিলে। তেহে ৰাজাত কলেগৈ। ৰাজা বোলে তোৰ বৰা, শকীয়াত নকৈছ? বোলে মহাৰাজ কৈছোঁ! বোলে সিহঁতে বোলে কি? বোলে সেই বোলে পোনেছে একাৰণ লৈ থ। তেহে ৰাজা বোলে, অ কি মূর্খ মন্ত্রী ই? গুৰিতে জাল বাৰে হাত, তাৰে তেৰ হাত ক'ত কাটিলে? আকৌ বৰ দেই গ'ল সক সৰকি গ'ল, মজালী দলিয়ায়, তাত ক'ত তিনি ভাব হ'ল? হাটত গবাকীএ নাই, তাতে তিনি কাওণ ক'ত পালে? ই কথাই নহয়। এই বুলি খেদি পেলালে। তেহে গাওঁ খটুৱা তিনিমুখীয়া বুঢ়া পাই বোলে দহোঁ চাৰি কাওণৰ হ'ল, চাৰি কৰা, তাৰে একৰা ফুটা, একৰা ঘোলা, একৰাৰ ৰাবেই নাই, কাড়ি হ'লগৈ দহোঁ একৰা মুঠে? গুৰুজনে বোলে ঠাকুৰিয়া তোমাৰ কথা তেনেছে হ'ল। গোবিন্দআতৈ আলোৱাৰ দৃষ্টান্ত

আক মহাপুৰুষ গুৰুজনে একটি সুবর্ণ লৈ চিৰাম আতা সৈতে পড়ি কিনিবলৈ জাৰবি কুচিলৈ গলে, পাই চাই দেখে সুবর্ণ টকি নাই। বোলে চিৰাম সুবর্ণ নাই দেখোঁ, কতোৰা পৈল হবলা? পিচদিনা আছিল উলটি, পাই বোলে ৰাম চর্ম সোণাটকি পাইছানে? বোলে মধা আছে। বোলে মোৰ সার্থক জাগিন হে, যদি পৰিহাস কৈ এনেই বোলা হলে তেওঁ ব্রাহ্মণ প্রাচিত্ত লাগিলহঁতে। তেহে নীলাম্বৰীৰ এক দৃষ্টান্ত কৈছে বোলে এক ব্রাহ্মণ তৈল্য মাৰ্জি শিৰতে ৰৰ্জিআঙুলি এৰি গ'ল। পাছৰি লৌক জান কৈ সন্ধ্যা কৰি নীলাম্বৰীৰ দৃষ্টান্ত

কৰিবলৈ চায় তৰ্জ্জনী নাই। আহি ব্ৰাহ্মণীত সুধিলেহি। বোলে নাই পোৱা। তেহে কষ্ট পাই বহি আছে। তেহে বোলে পাবা আঙ্গুঠি, গা ধোৱা। পাচে ৰাগকৈ বামুণে বোলে অ' পাপীষ্ঠি, পায়ো পৰিহাস কৈলি নাই বুলি! চান্দ্ৰায়ণ প্ৰাচিত্ত লাগিল। পাগ পাত্ৰে গুচাগৈ। নাই বুইলা হ'তে আমাৰো তেনেকৈ লাগিলহঁতে। পাচ দিনা আকৌ সোণা লৈ শ্ৰীৰাম আতা সৈতে গৈছে। জবাৰিকুচি পাই ছকুৰি পটি কিনিলে। লৈ নাওৰে আহিছে উজাই মানহা। দেখে তিনটা লোক দেখাতে নাওঁ খানি বাই নিছে। গুৰুজনে বোলে সেই নাও খানিলৈ আমাৰ খেদি বেগাই বোৱাহক। তেহে বাইছে খেদাকৈ। দেখি সিও বাইছে প্ৰাণৰ কাতৰে। পায় পায় যেন হোৱাত মাৰিব নপাৰি নাওখানি উখাৰি থৈ বাম উঠি লৰ দিলে। চাই গোচামৰ জাৰি ৰ'ল। ইটক বোলে সিটে আন, সিটক বোলে আন আন। তেহে এটা লৰি গৈ নিলেহি আজৰ মাৰি। তেহে গুৰুজনৰ নাও পাই চায়, একো নাই। গুৰুজনে বোলে সজকৈ চোৱাঁহক। চাই দেখে পিৰিতলে এটা সূতাৰে জেঠিটি বান্ধি থৈছে। কলে বোলে লাহেকৈ ছিঙ্গি দিয়া। দিলে, দেখে নাই। দৃষ্টিতে খোৱাঁ দেখে চিতাত তুলি জুই লগাইছিল, উঠি বহিল কলিয়া বুঢ়াটো। সকলো আশ্চৰ্য্য দেখি উচাৰ খালে। বোলে মহোঁ মৰা জীলে ঐ বহিল পা! তেহে সকলো সুধিলে বোলে কি দেখিলি? কেনেকৈ জীলি? বোলে মোই অ'ত কব নোৱাৰোঁ। গা ধুৱাই লৈ যা, গুৰুজন ঠাইতহে কব পাৰোঁ। তেহে আনি ধুৱাই গঞা লৈ গৈছে। তেহে গুৰুজনে দেখি বোলে কলিয়াৰ শুনিছিলোঁ কব লগীয়া বুলি? বোলে বাপ, শৰীৰেই পৰিল। ছুতে যমৰ ধৰি বান্ধি নিছিল। তোম্রাহে মজা কৰা খ'ল নকৰেহাঁ পুনৰ।

মৰাজীয়া বনমালী আতৈ

হাত দেখাই বোলে এই গোচামৰ বাক্কে ছিগি আছে। গাঁদাৰ কোৰ পিঠি ছিগিল। চায়, হয়। তেহে গুৰুজনে বোলে আমাত হন্তে অকাল মৃত্যুত যদি মুক্ত হ'লা, আমাৰ তুমি হ'লা। বোলে বাপ, তোম্ৰাৰ চৰণত বিক্ৰয়-হে যাবলৈ আহিছো দাসে। পাচে মহাপুৰুষক গুৰু দেখালে। নাম দিলে, বন্ধতে মুকুত হ'লত বনমালী। পাচে পঢ়ি ভগাই দিলে ছকুৰি ভকতক ছকুৰি। তাবে এখানি শ্ৰীৰাম আতাও পালে ভাগত। তাকে উৰি আতা পুহ, মহা পানী আনিছে। দেখে বকুলতলে এটি বুঢ়ী চণ্ডালীএ কান্দিছে জাৰত দুটি ছৱা সৈতে। আতা সেই গাৰ পঢ়ি খানিকে দুচিটিকৈ পেলাই দিলে। দি উদঙ্গ গাৰে আহিছে। গুৰুজনে দেখি বোলে চিৰাম আমি পঢ়ি দিয়া ভাগত নেপাইছিলা? তেহে কালিৰাম আতৈএ বোলে ঘাটৰ সেই চণ্ডালীৰ দুই ছৱাক দুখণ্ডকৈ দি আহিছে। তেহে গুৰুজনে বোলে চিৰাম, এতিয়াও দয়া চৰা নাইনে? এ বোলে বাপ, ব্ৰহ্মজীৱ ব্যব্যা খতৰত মৰে দুখত।

আৰু এদিন ঢেকীয়া শাক বেচে, মাটিত চাৰি চাৰি কৰাকৈ ভকতে দি ভোজন কৰে। কতোএ প্ৰসাদ, কল, গুৱা, লোন, লাক, আকে দি খায়। আতা একাটি নি খালে, একো দিয়া নাই। পাচ দিনা বুঢ়ীএ সনাতন আতৈত বাৰ্ত্তা কলে, বোলে আতা শাকৰ দহো একো নিদিলে, কৰা যাই। তাৰা বোলে আতা ঢেকীয়া চাইভাল খালে, তাবে কেচ সাধ? বৰ ধন দিলি? বোলে পূৰ্ব্বগুণলৈ চালে দুণ্ডা হেচি লৰ লগীয়াছে। গুণী আই সবে কৈছে যেৰত

ভুঞ্জি খাই অতিথি গৃহৰ এতে আস।
দণ্ড অবশ্যত যুগে নকৰে নিৰাস॥

আৰু হৰিনন্দি, পুৱান, ঠাকুৰিয়া, বালকদাস, কৰুণ

গৃহে খণ্ডাগৈ কেৰাকুচিত। তেওঁৰ হৰিগৃহ আছে। বোলে আঁতে সব, প্ৰসঙ্গ কৰা যক। বোলে আমি কৰিব নেজানো, আপচুৱা। তেহে গা ধুই গালেগৈ কিছু। অশ্ৰদ্ধা অৱহেলা কৈ সুধিলে। নিশা শ্ৰীশঙ্কৰদেউ গৈ সুবৰ্ণ লাঠি গলত দি হেচি ধৰি বোলে নাম গাব পাইলে মান. মুৱাইলে হেলা গৰ্ব্বকৈ নেমান? চাৰি নাম চাৰি বস্তু হলে ই ভৱ সংসাৰ পাৰ পালে ভজন দ্বাৰে তাৰতম্য ফল পায়। সেৱাইতৰ মনাৰ সম গুণতহে ফল। জনাক মান, নজনাক গৰ্ব্ব কৰ, হেলা কৰ? তেহে সাৰ পাই কাতৰ, কাকুতি, কাকণ্য কৰে। কৈ গমচা কৰি দি সম্মানকৈ আগ বঢ়াই পঠাইছে সন্ত্বনা কৈ।

কবিভজা গোবিন্দৰ গৃহলৈ যতি

আক একদিনা কবি ভজা গোবিন্দে গৃহলৈ যাবলৈ বোলান কৈলে। ঘৰ বৰমানহা উতৰি ভৰলু কাখে চিৰা-কুচিত; ভাৰ্য্যা পুত্ৰ এৰি বিভক্ত হৈ আহি ধৰ্ম্মক লভি হাটাতে আছে হৰিগুণ গাই। কাহিলা পৰি মনটি চলি বোলে বাপ, গাটি দঙ্গাই এমাহমান থাকি আহো যাই। তেহে গুৰুজনে বোলে যি গৃহ অন্ধকূপ তাক পূৰ্ব্বে চাৰি আহিলা, কেলেই পৰাগৈ পুনৰ আকৌ? বোলে বাপ, দিনা চাৰি থাকি গা-টি পূৰাই আহোঁ। তেহে গুৰুজনে এক আহি কৈছে বোলে বৈদ্য সাপৰীয়া চান্দি সৰ্প ধৰি আনি কেটিত বান্ধি ৰাখি নচাই চাউল খায় বহুনত ক্ষুধা তৃষ্ণা বিনাহাৰে কৃষতা হৈ লোভ, মোহ, কাম, ক্ৰোধ, অহঙ্কাৰ, দম্ভ, দৰ্প, তুচ হৈ থাকে, যদি কদাচিত কেটি তুটি সৃপীৰ হাত চাৰি গাত লোমায় গৈ চাৰি পাচেও ধৰি লাহে বল দিএ কদাচিতে লোমায়, ছিজিএ আছে। ই মন মাঁজি সত্তৰ সৰূজাত পাটতে লাই. কৰা সৰু পালে [illegible] মাৰ্ডিত জান গৰাকুন মকল গলেই প্ৰমত হয় ফুলৰ্ত

পৰি। তেহে আতৈৰ মন বন্দ। মাহ যেজনব উত্তমত তৈল পৈলে বহাদবে জাহ্ন যায়। আন মবৰো যাব চলিছিল, ছয় মুনিহে যায়, ৰূপ বস আদি ছয় শত্রু, বুদ্ধি কহ্লালি শুবিয়ালো মাচবা দবে ব'ল বাহুবি।

আক মাহুবাপাব গোবিন্দ আতৈএ গুৰুজনক একদিনা প্রার্থনা কৈলে বোলে বাপ, মনক নিয়ম কবিব নুৱাৰোঁ, মন চলে দহোঁ, পবস্ত্রী, পবধনত। দুর্জ্জন পামব মনে কতুবা পেলাই মাবে, খুজি বাঢ়ি বিবাহকে কবাব খোজোঁ। দেহ-তহে দুখ হয়, ভক্তি হানি নপবে বুলি শুনোঁ শাস্ত্র সেৱকব মুখে। তেহে গুৰুজনে ঘোষা মাতিছে,—বিষয় সম্বন্ধ ইন্দ্রিয়ব সুখ, সমস্ত যোনিতে পায়।

পবম দুর্লভ হৰিব ভকতি
মনুষ্যত পৰে নাই॥

প্রহ্লাদ দেউব বাক্য সপ্তমত কৈছে—

মনুষ্যব আয়ু শত বৰিষ সংখ্যাত, অর্দ্ধেক নিদ্রাত যায়, বিংশতি ওমলাত যায়, দহ বর্ষে ধন উপার্জ্জে, কলিযুগত মিছা, বেশ্যা, চুৰি তাৰি হিংসা দ্বেষত, দুই তিনএ চাৰি, চাবিকুবিহে পায়, পর্মায়ু, দুকুবি আৰ্হেকুৰি গলেই, বৃদ্ধব ভাগ পৈলগৈ। কোটি কল্পান্তবে নবদেহাটি পাইছা, ব্রহ্মাব প্রার্থনি, দেৱব দুর্লভ, চাৰিব সংযোগ হৈছে, কুচিত বিভৎস বিষয়ব অর্থে নাব নকৰিবা, কাচক লাগি মানিক নিবিকা, লাখ টকাব যাম হাতে চাপব মাৰি। নি সি সিজন্মলৈ সেৱকব পাচতে হৰিগুণ গাই যাব, এবেহা দিন কেটা সুখে দুখে মন নবলাবাইক। তেহে যাব মন লবি চলিছিল, গুৰুবাক্য বৃষ্টিএ বাহু অগ্নি নমূবাদি প্রচণ্ড সাগব বাত চৌ খিব হোৱা দবে হৈ একচিত্তে নাম গাব ধৈলে। মহবাপাব গোবিন্দ আতৈব বিবাহব ইন

আক হৰিচন্দ্র আতৈব গুহ বাজা পৰজনাত। আ[illegible]

পাতাৰ হৰিচৰণ আতৈ

মহাভক্ত, মাহে পক্ষে ভাবে ভ্ৰব্যেৰে সেৱাকৈ থাকেহি। এদিন গুৰুজনে বোলে হৰিচন্ন, হৰিগৃহ, কৰিছানে? বোলে বাপ নাই, নেজানোএ নাম গাব। বোলে সাজি গোৱাগৈ জনা নজনাকৈ, প্ৰমাণ পাবা। তেহে গৈ সাজি গাইছে, নেপায় প্ৰমাণ, লোভ, মোহ, কাম, ক্ৰোধ পূৰ্ব্বৱত। তেহে এখানি ভাব শাকে পাতে লৈ সেৱা কৈলেহি। বোলে প্ৰভু, নাম আজি তিনি মাহ গাইছোঁ শুধে, অশুদ্ধে, একো প্ৰমাণ নেপাঞ দেখোঁ দেহত। বোলে কেইজন মানে গোৱাইঁক? বোলে বাপ, ক'ৰ কেইজন? ঘৰতে দুই ছৱা, বান্ধা, গৰখীয়া, তিনি আলহি, লঠৰিয়া, দুই জোঁৱাই চলিএ সৈতে-গাহঞক গধূলি বহি। বোলে মাতা কেনেকৈ? বোলে ঘৰ চঞা পুতা নাম ধৰি ঞাহ ঞাহকৈ মাতোঁ। বোলে আজিতে গৈ অমুকা আতৈ অহা যক, পাত পচলা গুৱা কলটি মানকৈ দি গোৱাগৈ, প্ৰমাণ পাবা, যোৱাগৈ। গৈ সেইৰূপে দি মানকৈ গাইছে ছয় সাত দিন। দেহ, ভাৰ্য্যা, পুত্ৰ, ধন, জন, দাস, দাসী, গৰু,ম'হ, বাৰী-ঘৰ সবাকে মিছা মায়াময় দেখি ত্যাগকৈ এৰি লাউ, কন্থা লৈ গুৰু চাতে আহি হাটী বহা লৈ হৰি গুণ গাই ৰহিলন্ত। নামে সাত কাৰ্য্য নিমিৰত সাধিলে।

আৰু এদিন বুঢ়া আতা তান্তি কুচিতে গৈ এখানি ভাবে সেৱাকৈ বোলে বাপ, দাসক পঢ়ুৱক গুটিচাৰক, চিত্ত বায় দেখোঁ। বোলে তুমি পত্থিৰ নেলাগে। পত্থিৰ পাইলে ছুৱাবে গান সবকা হয় ভেমত। পাঠেক নাম লগাব পাইলে কাকো মানিব ছুৱাবে, গৰ্ব্বতে গেলে। সখি এ কৈছে—
"পাৰণ নভবে, বাৰণ নভবে, নভবে ভাগ বটা।
দেউৰি নভবে, ভবাৰি নভবে, নভবে হাটীমতা॥" দেউৰি, ভবাৰি, ভাগ বটা খাই নভবে, পাৰণ বাৰণ গৰ্ব্বত হাতীমতা

জ্ঞাত বস্ত সিংহ বুলি নৰ্ক হয়। মই তোমাক বঢ়া কৰিম, নিতে এটি পৰম তত্ত্ব কম, গীতা বোধাব অৰ্থ কম পঢ়িব লাগে জ্ঞানৰ কাৰণে, জ্ঞান লাগে ভক্তিৰ কাৰণে ভক্তি বিহীন সবে ব্যৰ্থ। এতেকে হৃদয়ত যি আছে সব ভাণ্ডাৰে সম। পত্নি পাবা কি? তেহে আতা পৰম সন্তোষ হৈ ব'ল।

আক অনিৰুদ্ধ আতৈএ নাম পাঠ গাই শুনি গৈ হাটীত ঘোষা পদ কীৰ্ত্তনত অলপ লাগিলে দুগুণ গাই নিন্দাকৈ পিটিঙ্গি বিগতিকৈ হাঁহে। এদিন হৰিগৃহতে নাম পাঠত লাগিছিল, থলত কৈ পেঘেনিয়ালে। তেহে গুৰুজনে বেজাৰ পাই গোধাৰ আৰ্হি কৈছে। বোলে এক গোধা কছাৰি আছিল। এদোন চাউলৰ অনেহে আটে, এহালিচা মাটি কোৰে, দহপুৰা ধান বয়, এফালৰতে কুৰি চাহ কৈ নিএ। গোধা ঠেঙ্গেৰে খচি গোটাই যায়, দহ আঠ দিনত বন গজি পুনৰ বতা হয় হস্তী মলিয়া মাউতে নিতে নি নদীত পেলাই লোহাৰ ঘৰ হাবে চাচি ধুৱাই নি লাঙ্গ পাটত সুমালেই ছনাই ধূলি মাটি কুটা লয়, পূৰ্ব্ববত হয়। সাৰি মাজি যাৰ মুখে ভৰ্চ্ছিলে সি গৃহে কোন বয় তাত? নাম গাৱলৈ খোজ লওঁতেই ব্ৰহ্মহত্যা আপি পাপ নষ্ট হয়, অশ্বমেধ বাজসূই সিজি যায়। তেনে পুণ্য প্ৰচণ্ড অগ্নিক অসূয়া বৃষ্টি ঢালি চাই কৰে। পূৰ্ব্বজন্মৰ পাপৰ দুৰ্ব্বাসনাৰ বীৰ্ষে বাৰিবাৰ জলৰ দৰে কলসৰ মল বাসনা থাকে লৰি পুনৰ হয়। নামৰ অনন্ত মহিমা বুদ্ধিক নাপেখে বস্তুৰ শকতি। বায়ুও বহ্নিএ কেচা পকা সব দহে। তাৰ কোনে ছিদ্ৰ চায়? বায়ু অগ্নিক কাৰ শক্তি আছে নিয়ম তৰ্কিবৰ? তেহে সকলো শুনি এক চিত্তে শ্ৰৱণ কীৰ্ত্তন কৰিব বৈলে।

আৰু খিৰা মৰল বেটা গোপাল সজ, মুকুন্দ মাধৱ দুই ভকত বৈৰ অস্পৃশ্য হল প্ৰায়, নামত বহা ঠাই খানিত কোনো জন বহিলে ভু নেপায়। কেলেহুৱা কেপকৰা চপনীয়া বুলি নিন্দা কৈ উলি নিত্র। তেহে এদিন শ্ৰীহৰি আতৈ বহিল শুদা ঠাই পাই। পাচহ বহি নাম থলত বহু বুইলে মন্দে চন্দে। পাচে সকলো বিমন হৈ পাঠ শুনিছে। তেহে থলত গুৰুজনে বোলে আতৈ সব, অসন্তোষ নকৰিবা, তাবা দুএ সজ হে কৈছে। কেলেহুৱা অথিত তোমা্ৰা সব হোৱাই। এই বাৰে ব্ৰহ্মাৰ লিখন চাৰি পৃথিবী এৰি বৈকুণ্ঠে যাবা। তাবা সবে প্ৰকৃতিৰ মায়া শিৰত ফুটি আয়াযাত কৈ থাকিব। সংসাৰ খেলত পৰি ৰব অ'তে, স্বৰূপ হে কৈছে॥

আৰু ৰাম কাৰ্য্য সাধিবলৈ হনুমন্ত গল গন্ধমাদনে বিশল্যকৰণীৰ হেতু। দক্ষৰ নন্দিনী সুবেষা দেৱসবে পাচি দিলে পৰীক্ষালৈ। সাগৰত দুই প্ৰহৰ পথ জুৰি মাকতৰ পথ জুৰি আছে গৈ। মাকতী গৈ এক প্ৰহৰ জুৰি দেখি অন্তো অন্তে চাৰি, ছয়, আঠ দহ কৈ পশ্চিমে চল্লিশ পৰৰ হল যাই। তেহে হনুমন্তে মাখিৰ চ হৈ কৰ্ণপদ্মে গ'লগৈ। এতিয়াও ৰবে দেৱ, সকএ সৰকিব, মধ্যবৰ্ত্তী সন্নহে পাহত লাগি আয়াবাত হব কৰ্ম সীমাকৈ, স্বৰ্গ, নৰ্ক, গৰ্ভবাস যোনি চেপা খাই ভ্ৰমিব। তেহে সৱাবে শুনি পৰম হৰিষ হ'ল। সূচক, খলুৱাৰ মাথে মাৰ পৈল। তাৰন্তে অস্পৃশ্য এৰিলে।

আৰু বাঢ়ৈ কমলা আতৈ কৌনৰাৰন্তে অনালে নাও বন্ধাবলৈ। নাএ বান্ধি এক বৰ্ষ বহি হাটীতে হৰিগুণ গাই আছে সেৱকৰ সঙ্গে। তেহে দুও একা শৰণ বস্তলৈ প্ৰাৰ্থনা কৈলে, গুৰুজনে ন মাহ বাক বুলি থৈছে। তেহে একদিনা ধৰাৰ বোলে একাদশীতে হৰ পণ্ড'লৈ। পাচে শলা শৰাই

বাঢ়ৈ কমলা আতৈৰ কথা — দিছে বঢ়াই। তেহে গুৰুজনে বোলে ই বস্তু বৈকুণ্ঠৰ সৰ্ব্বস্ব,

পৃথিবীৰ লোকে কলিযুগত ধৰিব বহিৰলৈ টান। তেলত তৈল জলত জল, দুগ্ধত দুগ্ধ অচিন হয়, তেনে হৰ পাইলেহে বন্ধা পায়, সংসাৰ শুধাই পৰম্পদ বৈকুণ্ঠ পায়গৈ। তই মই মৃত্যু দোষ হলে মনত অধঃপাত নৰ্ক কল্পসীমাকৈ, চন্দ্ৰ সূৰ্য্য পৃথিবী থকালকে। বাক তোম্ৰা সবে যে ধৰিছা এই দুগটি বস্তুৰ ছা এটি কৰি দিয়াইক। তেহে চেকেৰা হোজা লোকখানি কুৰি কাটি দুৱাইলে এটা কৰিব। তেহে কৃপালু পুৰুষ গুৰুজন সদয় হৈ পাচ দিনা ভক্তিপ্ৰদীপ চৰ্চ্চি নামমলি, গুৰুমলি, দেৱমলি, ভকতমলি, আত্মাজোৰা, নিগুৰ্ণা, ভাগৱতী অন্তৰঙ্গা, বিৰলা কেৱলা সপ্ৰেমা চৰ্চ্চি জীৱক দেহাৰ বাজ কৈ পৰমতত্ব পৰমাৰ্থ বস্তু অনুগ্ৰহ কৰিছে জনম মৰণ নিবাৰণ কৈ।

আৰু হাবিয়াদিয়াতে গৈ জীৱনা আতৈ ভাৰ্য্যা পুত্ৰ বংশ মিত্ৰ বন্ধুবৰ্গ সবাকে এৰি গুৰুধৰ্ম্ম লভি বহা লৈ সঙ্গতে আছে হৰিগুণ গাই। বিন্দুসাৰ হৈ শৰীৰটি কৃষতা হ'ল। তেহে গুৰুজনত বোলান কৈলে গৃহত গা তজাবলৈ। তেহে গুৰুজনে তিনটা বোবা মাতি এক আৰ্হি কৈছে— হাবিয়া দিয়াৰ জীৱনা আতৈ

(১) "দুৰ্ল্লভ মনুষ্য তনু, লভিয়া পশুৰ যোগ্য
বিষয়ৰ আশা পৰিহৰা।"

(২) "বিষয় সম্বন্ধসুখ সমস্তে যোনিত পায়
হৰিসেৱা একো থানে নাই।"

(৩) "মৃত্যুৰ মুখত পৰি আছে যিটো সিটো নৰ, 'হৰিগুণ কীৰ্ত্তন নকৰে।"

বোলে কৃপতীএ আহিনত বেহাৰ তলিতে দুবৰি নি বাস লয় লাজত হমাহ তলাই, কাগুনত বায়ুএ নি পৃথিবীত পেলাই, সিপাই পুৰি জটে। সেহবো একাদশ ইন্দ্ৰিয়, ছবিল ঋতু, সোতৰ বিকাৰ, মন কণ, সত্তৰ সত্ত দাজ, মাধু পূৰ্ব্বাৰ তাপত

[illegible] ৰাজে হুনৰৰ মজ মাটিত পৈলে চিন্ত [illegible] বৰে। ভাৰ্য্যা পুনৰ আহ্লাদে গাৰ পৰি ভাল, [illegible] হিৰা ধৰি জীৱৰ জনম মৰণ আয়াঘাত শুদ্ধ নৰ্ক সংসাৰ হয়, নেৰাৰা। তেহে গুৰুবাক্য ধ'ল। যাৰ যি মন চলিছিল তাঠৈকে একচিতে নাম ললে।

আৰু ৰৰবিষ্ণু আতাৰ চাতে গৈ হিৰা দলএ ভাৰ পাচখানি

হিৰা দলৈ

টকা পাচোটি, সেৱা কৰিলেঁহি। তেহে গুৰুজনে বোলে দলে, তুমি ৰাজাৰ ৰায়তত কি ৰাব কাৰ্যণা কৰা যায়? বোলে বাপ, দলৈ, মজিন্দাৰ, চৌধাৰী, পটোৱাৰী মেনা,

বিৰয়া আৰু বিৰয়াৰ উৎপন্ন

ঠাকুৰিয়া, পাচোটা কাৰ্যনা দাস গাত ৰাব। বোলে এই টকা শিকা কেনেকৈ ওলায়? বোলে বাপ, মাহিলা একৈশ টকা পাওঁ। মেল সুধি খতি খোচা খাজানা এইৰূপেও দহ ৰাব প্ৰাপ্তি হয়। তেহে গুৰুজনে এক আৰ্হি কৈছে, বৃহৎ পুৰাণৰ

বৃহৎপুৰাণৰ আৰ্হি

বোলে হৰিবৰ্ষত দৰিদ্ৰ আচাৰ্য্য সৌদাস ৰাজাৰ গৃহে গ'ল। দেখি আসনে বৈসাই পাদ্য অৰ্ঘ্যে পূজাকৈ এক লাখ ৰজত সুবৰ্ণ দিলে। তেহে দ্বিজে বোলে আৰ্জিতকৈ নিয়ায়ে বিক্ৰয়কৈ ঈশ্বৰ পূজি দান দখিণা হোম কৰিব, তাৰ ফলো অখণ্ড, প্ৰাৰ্থকৰো গ্ৰহণ পূজ্য, তুমি সপ্তদীপেশ্বৰ দুখী দৰিদ্ৰৰ কৰভাৰ প্ৰাণীৰ আনি দিছা। দাতাৰো নিষ্ফল, নিয়াৰো অসাৰ্থ। তেহে ৰাজা বেশছন কৈ কহাৰ পালি কোৰাই এক মাহে খাই লৈ এটি সুবৰ্ণৰ চৰভিয়া পাই গল। তেহে পুনৰ সেই আচাৰ্য্যক অনাইকৈ দাম দিছে। বিপ্ৰে বোলে মই আকে এক হাজাৰ পাইছো। এই বুলি লৈ গৈ পত্নীক দিলেনি। ভাৰ্য্যা বাপকৈ বোলে, লাখ, হাজাৰ দিলে নালে। চৰভিয়ে কি হোম দিম? বুলি পিৰালিটৈ দলি মাইলে। পৰি গজি কমৰা হৈ ৰগাই চালে একাদশ গোট হৈলে। পুই হলত আনি কাটি চাই দেখে লোটে পতি এক এক হাজাৰ

সোণা আছে। তেহে ঋিজে পূৰ্ব্বে বোলা হাজাৰ ৰাখি অযুত ৰাজাক দিলেনি গুণ ব্যৱস্থাকৈ। ৰাজা শুনি আশ্চৰ্য্য অদ্ভুত হ'ল। তেহে ৰাজা দেশৰ কৰভাৰ তিনি ভাগ এৰি এভাগ লৈ আপুনি আৰ্জিতকৈ প্ৰবৰ্ত্তিলে। তেহে গুৰুজনে বোলে তোমাৰ টকা ভাৰ আমাৰ কাম নাই, অন্যায় খতি বিত্তত। তেহে হিৰা সব বিষই এৰি আৰ্জি দুখকৈ প্ৰবৰ্ত্তি গুৰুভক্তক সেৱা শুশ্ৰূষা কৰি একচিতে নাম গালে আতাৰ সঙ্গ।

আৰু জীৱনি যদুমণিৰ বাপেক পুতেক গুৰুজনক লাগ পাই ধৰ্ম্মক ধৰি আছে। পাচে যদুমণি আতৈক মেনা, ঠাকুৰীয়া, লগুৱা দিলে ৰূপাৰৰ লক্ষৰ লগত। গুৰুজনে বোলে যদুমণি, তুমি যে লগত থাকা কেনে লোকটো? বোলে বাপ, কিহক সোধা যায়? সি অভক্ষ্য খায়, গোটে অনাচাৰীটো। বোলে সি আমাক নজানে হবলা? বোলে বাপ নজানে, নকঞ। বোলে ইবাৰ সোধে যদি কৰা। পাচে গ'ল যদুমণি আতৈ। বোলে কলৈনো গৈছিলি, ঘনে ঘনে যা দেখো? বোলে মহাপুৰুষক গুৰু বুলিছোঁ। আমি তাতে গুৰুজনক সেৱাকৈ আহোগৈ। বোলে মহাপুৰুষ কত আছে? বোলে বুঢ়ী লুইতৰ কাষে সুন্দৰীতে সত্ৰ। সেই কথা শুনি লক্ষৰ খেদ লাগিল মনে। তেহে ৰাজা এক সময়ত চেকেৰি পিয়লিৰলৈ পাঞ্চিলে। বোলে ৰোগীৰো যি ব্যাধি বৈদ্যেও সেই ঔষধকে দিছে। পাচে দুত-পাচি কলে বোলে বুঢ়ী লুইতৰ কাণে সুন্দৰী ওচৰতে ৰাছৰ কৰক। কৈলে, হ'ল। তালকে আছিল। নিশা বৈএ পুৱা ভুকঠাইলৈ আছিল। গোটে পিজি উৰি টাৰ হাব পেচন্দাৰ, কৰমফুলা ভাৰ তেটিএ আছিছে চালে কঠে। চ্যাতে বহি গুৰুজনে চোৰধৰা নাট পুত্ৰে গীত কৰিছিল।

লক্ষৰে ধৰ্ম্ম ধৰে

(সুন্দৰীত) চোৰধৰা নাট কৰা

দেখিএ ভিতৰ সোমাল। শ্ৰীৰাম আতা ওলাই বোলে ডাকুৱাৰ পো কিয় আহিছা? বোলে আমি. যাক সেৱা কৰি-বলৈ আহিলোঁ। তাৰাই ভিতৰ সোমাল, মই অভাগীয়া পাপীক দেখিএ। আতা বোলে এনে বেশেৰে আহি কিয় পাৰা দেখা? বোলে কেনে বেশে নো পায়? বোলে আঠু মুৰে ভুনি, চৰিয়া পছৰা, চুপকীয়া টনা। বোলে ভকতবো তেনে বেশেইনে? বোলে সবাৰে। গ'ল কষ্টকৈ। পাচ দিনা সেই বেশ লৈ আছিল। পাএ গুৰুজনক সেৱা কৈলেহি। গুৰুজনে বোলে ডাকুৱাৰ পো, কালি আহিএ আজি ভক্তৰ বেশ ধৰি আহিছে। অ পুতনা ৰাক্ষসী, সিও ভক্তৰ বেশ লৈ গোকুলত তৰিছে। বোলে কিয়নো আহিছা? বোলে বাপ, এই দুই অভয় পদতে বিক্ৰয় যাবলৈহে আশাকৈ আহিছোঁ। বোলে তোম্ৰা আছা গৰ্ব্ব পৰ্ব্বতে উঠি আৰু ত্ৰি ব্যাধিএ অসুকৈ থৈছে। আমাৰ যি গুৰুধৰ্ম্ম দেখিছা, ই পিতৃ মাতৃ এৰা ধৰ্ম্ম আৰু উচ্ছৃত ওখৰা ভূমিত জল নৰয়, দ চোটিতহে ৰাগৰি ৰয়। সৰু হৈহে সৰকিৰ পাৰি। তোমাৰ যা দেহৰ সম্বন্ধ আছে কোন? সেই সবে বা এই ধৰ্ম্ম ধৰি লগ লয় নলয়? পাচে তাক নললে এৰিব লাগিব। বোলে বাপ, লয় যদি লব, নলয় হঁতে তাৰ আশা ভৰষা এৰিলোঁ। আৰু। তেহে গুৰু পৰিক্ৰিয়া কৈছে। পাচ দিনা হৰিচে থাকি চাউল, মাহ, বস্ত্ৰ লৈ আহি মহাপুৰুষক গুৰু বুলিলেহি। বুলি এক দৃষ্টান্ত দিছে বোলে ৰাজাৰ পাটহস্তী সুবৰ্ণৰ স্তম্ভত গজ যি বান্ধি থয়। ৰাজাৰ ভোগে ভোগাই, সেই কলীকৈ যুদ্ধ কৰাই যায় মত্ত হৈ, বাখিৰ দুৱাৰে। সি হাবি বনে পৰ্ব্বত কন্দৰে ধূলা পচে, বনে, মুক্তিত বুলি শ্ৰেষ্ঠ পাই তথে মনতকৈ বোলে দৃঢ়ে সুবৰ্ণৰ স্তম্ভে বৰ মুক্তি যাত

নেপালো ৰাজভোজ খাইছিলোঁ, এতিয়া কি সুখ হ'ব। এই বুলি নিশা আছি ভত্তে গল দি আছেহি। পুৱা মাহুতে দেখি ৰাজাত কলেগৈ। ৰাজা সন্তোষ হৈ কোলে সজকৈ ধুৱাই মোৰ খাৰ লগৰ ভোগ দি থাকগৈ। তেহে গুৰুজনে চৰ্চ্চিছে বোলে ৰাক দৃষ্টান্ত দিলা, আমাৰ দুই পদ পাতিলা, সুবৰ্ণৰ ভম্ভ। তোমাৰ মন হ'ল হস্তী, গুৰু বাক্যজ্ঞানে হ'ল অঙ্কুশ, পৰমাত্মা মাহুত, ৰাজা পৰম গুৰু মোৰ শ্ৰীশঙ্কৰদেৱ, বুদ্ধি সৌকা চিত্তে কই, এই ক্ৰমে সেৱকে প্ৰৱৰ্ত্তিব। পুনু প্ৰাৰ্থনা কৈলে বোলে বাপ, গৃহ, ভাৰ্য্যা, গো, মহ, কাঁহ, পিতল, ৰজত, সুবৰ্ণ এই সমস্ত ৰৱ স্নেহ। আপোনাৰ বাক্যত কিৰূপ ৰম? গুৰু বোলে তোমাক ৰাজাই কালসৈ কালসৈ নেপাচে? বোলে বাপ, পাচে। গলে পৰ গৃহে ৰ'লে কেনেকৈ প্ৰৱৰ্ত্তা? বোলে বাপ, নবীন পাত্ৰ সুসজকৈও দিএ। বোলে খাই সৈ আছা নে এৰি আছা? বোলে এৰি আছোঁ। বোলে সেই মতে গৃহৰ ভোৰো। ভৰা নাঞে খাই গুদা নাএ গুৰা, চৌ, ৰজোৱা চৰ এতেকে নেপাই শোক মোহে। আৰু বোলে বাপ, চৰা চলি দাসী দাস অনেক। ভাৰ্য্যাৰ ন দ্ৰব্যখানি হলে আগে খাব গৃহৰ, খাই লৰা টৰহকৈ ৰাখিলেও আশাকৈ চুৰা কৰে। আপুনাত, সেৱকত ঈশ্বৰ সেৱাত কি কপ লগাৰ? বোলে ভণ্ডাৰ কেইটা? বোলে বাপ চাৰি দুটাও আছে। বোলে তাত নিগনি, সলিয়া কিমান? বোলে বাপ আদ খান খাই তুহ কৰে। বোলে তাৰে আৰ্জ্জনে কোৱাৰাই, সেহ প্ৰবৰ্ত্তিবলৈ আৰ্জ্জে? তুমিও গুৰু ভকতলৈ মনে মানি কৰিবা, নিইত জানিবা নিজনি ইন্দুৰ, খাব দি খায়। আৰু বোলে দুটা ভাৰ্য্যা আছে ৰৰ মমত। তাতো কৈয়ে বোলে সপুত্ৰী মীত গলে কেনেকৈ থোৱা? বোলে বাপ, জপা ৰাখি ৰন্দু দি

টোপলি আৰি থৈছোঁ। বোলে কিয়? বোলে কুটে নিঙনি উএ। বোলে মাসান্তে শীত কাম ভোগকৈ মন চিত্ত গুৰু বাক্য জপা বান্ধি থবা নচলাকৈ।

কমললোচন আতৈৰ খেদ আৰু গুৰুগণৰ আশ্বাসবাণী

আৰু পূৰ্ব্বে সুন্দৰী স্ত্ৰীএ সুধিলে স্বামীত বাণিজে য়াওঁতে, পৰা খানি তোমাকে চিন্তি থাকিম। যদি কৰ্ম্মৰ গতি বুজিব নপাৰি কি কৰিম? বোলে মই পৰদেশে যাওঁ, বিদেশে মৰণে সম। পৰাত ৰবিএই, মুৰাৰ যদি বহু অন্তৰে যি লোকে শৌচাচাৰ কৰেগৈ সেই পুৰুষ সন্ত, ধীৰ গহন, মহন্ত, ধৰ্ম্মাত্মা, তাকে ভজিবি। এই বোধ দি গ'ল। তেহে দহ আঠ বৰ্ষে বাট চালে নাহে। বৰ মুৰাৰি যৌবন শৰীৰ, চান্দিছে বহুদিন, দেখে সুকোমল গৌৰ সৰিহফুলসম ভৰ ডেকা। কমললোচন আতৈ ছাগ মৰা হাবিত শৌচে যায়। বহুদিন লক্ষ্য কৈ একদিনা ধৈলে। আতৈ অনেক ৰূপে কৈ আছে বলে এৰাই। তেহে অনেক বহু দিনে তাকো নগনি আছে। পাচে ডাব চাকু আগত দি বোলে অনেক দিন আমি তোম্রাক আশা কৰিছোঁ, সুপূৰিহে যদি যোৱা তোমাতে বধ দি গল ছেদি মৰিম। পাচে আতৈ বুদ্ধি হৰাই ইটোভকৈ সিটো টান দেখি বোলে মই আৰু ভু নেপাওঁ, তই যি কৰ কৰ। পাচে তাই কাম ভোগ আচৰিলে। আহিছে আতৈ গুৰু বাক্য মনকৈ, বাট নেদেখে ব্যাকুল হৈ লোটক জৰি স্নান ধূলাৰৈ কান্তিতে নাম গালে। পাচে পাঠ অৱসানে গুৰুজন গৈ চৰাত বহিলহি। আতৈ খলাতে দণ্ডৱতে পৰি কান্দি বোলে বাপ, বাঘিনীএ খালে, সবে খানি কলে। গুৰুজনে খেদকৈ বোলে, সজহে, ক'ল। মৰা হলে তোমাতে বধ দি দোষ ইটোতকৈ সিটো পাপহে টান হ'ল হঁতে। এ তোমাক বাখিবই পাৰোঁ, ইকৰা পাতবো আঁৰ নকৈলা মোত। তোমাৰ জন্মে নহৱ, এই আহিঁকে পাচলৰু লৰ। এতেকে আত্মী হাসিতে বহা নৈ পাচ শাৰীত নাম গাবা। গুৰু

বাক্য লৈ গাইছে। দুই তিনি দিনে এসন্ধ্যা, তেল, তামোল মাচ, শয়ন, সবাকে এৰি লোটকে ছেদ নাই, খেদকৈ বিবৰ্ণ মলিন হ'ল, শোকাকুল লাৱণ্য শৰীৰ। এদিন গুৰুজনে দেখি বোলে কি হ'ল তোমাৰ? ভকতে কলে এই ক্ৰমে নিদ্ৰা আহাৰ এৰিলে বাপ অবিছেদে ক্ৰন্দন। তেহে গুৰুজনে হাটী মুৰে বহা দি উদাসীনৰ ভাগ দি থলে।

আক পঢ়িয়া আতৈৰ নিবাস উৰপোতত। জগন্নাথ সন্ন্যাসীৰে পচিম ক্ষেত্ৰ সকলো তীৰ্থ বাৰ বৰ্ষে বেৰাই নেপাল দেশ গৈ হিমালয়ৰ দখিণে জমদগ্ন পৰ্ব্বত উঠি যাওঁতে এজন ভব্য পুৰুষে উপদেশ দিলে বোলে আৰতে পৰি মৃত্যু হলে ৰাজ ঐশ্বৰ্য্য, ধনপতি, ভোগ, ভুকুতি, স্বৰ্গসুখহে পায়গৈ, জনন, মৰণ, আয়াঘাত, পাত ভয়, গৰ্ভবাস, সংসাৰে নেৰায়। এতেকে তুমি পূব দেশে যোৱাগৈ, বিশিষ্ট গুৰু পাবা। এই ঘোৰাটি মাত্তি প্ৰাৰ্থনা পৰমাৰ্থ লভিবা জন্ম, মৃত্যু, আয়াঘাত সাৰি পৰম্পদ বৈকুণ্ঠ পাবাগৈ, যোৱা। উৰপোতৰ পঢ়িয়া আতৈৰ তীৰ্থভ্ৰমণত উপদেশ লাভ

"হৰিগুৰু পদ সেৱা খাণ্ডা ডাটি ধৰা।
মন বৈৰি কাটি সুখে ভবনদী তৰা

মাৰ্কণ্ডেয় সদাশিৱ মতে উপদেশে ভেদি আতৈ বিৰকত হৈ উভতি আহি—উজাই কামৰূপে গৃহ পালেহি। পাই চোভালতে বৈ আছে। জ্যেষ্ঠ, চোট ভাতৃ, বৌএক দেখিএ ভিতৰ সোমাল ঘাৰ মাৰি। এওঁ বোলে আমি আহিছো। বাৰ বৰ্ষে অনেক তীৰ্থ বেৰাই পবিত্ৰ হৈ, অনেক আমাক দৰ্শন পৰ্শন মান সংকাৰকৈ পবিত্ৰ হৈছে। আদৰ সাদৰ কৰিবৰ চাৰি ৰহো ঘাৰ মাৰিছে সোমালাহক? সিহঁতে বোলে তোমাৰ নিচিনা এনে বেশধাৰী লোক দেখিবই নাপায়। মোৰ গুৰুজনে যোৰাত কৈছে—

"কৃষ্ণৰ পৰম নিৰ্ম্মল চৰিত্ৰ,

কথাৰ যৈত প্ৰকাশ।
গঙ্গা আদি কৰি যত তীৰ্থ আছে,
তৈতেসে কৰে নিবাস॥”

তেনো কোটি গঙ্গা গয়া কাশী বাৰাণসী গুৰুজনৰ প্ৰাশতে স্নান কৰোঁ, হৃদিতে নিতে কৰোঁ। বোলে সেই গুৰুজননো ক'ত আছে? বোলে সেই সিপাৰে সুন্দৰীতে। তেহে হুও সেই দিনাই ব্ৰহ্মপুত্ৰ পাৰ হৈ আহিল। জগন্নাথ সন্ন্যাসী সোমাল, যজ্ঞ মূৰ্ত্তি বাসুদেৱৰ ঠাইতে সুধি এওঁ গ'ল। সুন্দৰীত বাট গৃহতে বৈছে। তেনেতে ঠাকুৰ আতা পালেহি মনথৈৰ পৰা। সুধিব ধৈলে বোলে ক'ৰ বৈৰাগী, কৰতে আহা, কিয়? বোলে হেৰেমদৰ তিনিকুৰি ঘৰ-পৰিয়া যি ভকত হৈছে আমাৰে বংশ, সবে তীৰ্থ বাৰে বৰ্ষ বেৰোৱা কলে। এতিয়া বোলে আহিছো আশাকৈএ। আতা বোলে তোমাৰ এনে বেশেৰে গুৰুজনক কিয় দেখিবা? বোলে কেনেকৈনো দেখি? বোলে এই ভোৰ গুচোৱা। তেহে জট, কন্থা, খন্তা, পক্কা উটাই পেলোৱালে নৈতে। শুনি গুৰু বোলে সখিৰ মাত যেন শুনোঁ। কাৰে কথা হৈছে। ভকতে বোলে বাপ, সেই সন্ন্যাসীটোৰ জট, খন্তা, কন্থা মৰাপক্ষ সবাকে কটাই উটাইছে। বোলে পাইছেহি কাজীএ। তেহে স্নান কৰাই আতা আতৈক ভেটাই দিছেগৈ গুৰুজনক। “হৰিগুৰু” বোৰা মাতি সেৱা কৈলে। গুৰুজনে সুধিছে বোলে কি তীৰ্থ বেৰাইছিলা কত বৰ্ষ? তেহে পূৰ্ব্বৰে পৰা সবে খানি কলে। আৰু বোলে ৰব মেলখানত থাকিলে নেদেখে, পৰ্মিৰ নপাৰে, যাৰ মুঠিত যি থাকে দূৰতে কৰ পাবো। গুৰু বোলে বাহু বৰ্ষ বেৰাই জুকি মুঠি শিখিলা? এই বুলি গুৰুজনে বোৰা মাতিছে।

বুলি মাৰা আৰ [illegible]

‘সমস্তে তপক আচৰোক, পৰোক পৰ্ব্বতে উঠি বত।
ব্ৰতাদি আদি কৰি বত, বিনা তীৰ্থত নাহি কাৰ্য্য।’

আতৈৰ বোৱাতে মন মজি মহাপুৰুষক গুৰু বুলিলে। তেহে গুৰু মাধৱ নাম দিছে। পাচে গুৰুজনত বিদায় লৈ উৰপোতলৌ নগলে, ভাতিজাৰ ঠাইতো নৰৈ, হেৰেমদতে-ৰ'লগৈ। গোসাঁইঘৰীয়াৰ পো কৃষ্ণাই আতৈ বোলে, তেওঁ লগতে আছে। গুৰুজন থকা গৈ হৰিগৃহটিতে নাম গুণ গাই থকে। কৃষ্ণাই আতৈৰে আলধৰা থৰাই লগা হৰি আতৈ, পঢ়িয়া আতৈৰে একেলগে শোএ। পিঠিতে আঁকি বাকি থয়। পঢ়িয়া আতৈএ বোলে তই মোৰ পিঠিটো কিয় আঁক বাক কৰ?. বোলে স্বগত সুন্দৰ স্ত্ৰী এটা আছি বোলে তই লিখ লিখ বুলি লিখায় দহোঁ। কৃষ্ণাই আতৈএ বোলে সৰস্বতী কণ্ঠোগত হ'লনে? মহাপণ্ডিত হৰ। তেহে পঢ়িয়া আতৈক পঠাই—দুইজন উভৰে চিৰহাটিত যাদইন্দ্ৰ ভট্টাচাৰ্য্যৰ তত দিলেনি পঢ়িবলৈ। পঢ়িছে ব্যাকৰ্ণ, কাব্য কোৰ। পঢ়িয়া আতৈক মাহেপক্ষে কৃষ্ণাই-অতৈইএ পঠায় চাউল পাত দি। এবোপ গৈছে আহিন মহা, শৰত কালে পূজি হাঁহ, পৰ ছাগ কাটি—চাৰি আঁৰ দি থৈছে। আতৈএ তু নপাই লাঠিৰ আগেৰে চাৰি বহিৰলৈ চায়। যাদইন্দ্ৰে বোলে পঢ়িয়াৰ পো, তাক নালাবিৰা, তোম্ৰাসৰে নালাগে চাৰ। তেহে সেই তোৰ দেখি হৰি আতৈকো লৈ আহিল নপচাই। সেই কথা গুৰুজনে শুনি দায় জগৰ ধৰি—বাজ কৈলে সেৱকৰ। বোলে মোৰ গুৰুজনে দিছে প্ৰথম কৰত—

চিৰহাটি (চিলাটি) যাদইন্দ্ৰ ভট্টাচাৰ্য্যৰ ওচৰত শিক্ষা

সৰস্বতী দেউ পূজা বাধিলি

"অন্য দেৱী দেউ, নকৰিবা সেৱ,
মূৰ্ত্তিকো নচাইবা তাৰ।
গৃহো নপশিবা, প্ৰসাদো নথাইবা,
ভক্তি হৈবে ব্যভিচাৰ॥"

পঢ়িয়া আতৈএ সেই কথা শুনি আপুনি লৈছে পাছে

পড়িয়া আতৈৰ শাস্তি

সুন্দৰীলৈকে। শৌচলৈ যোৱা ভকতে দেখি আহি বোলে বাপ, পড়িয়া আতৈ আহিবৰ দেখি আহিছোঁ। গুৰুজনে বোলে আমাৰ এহেলৈ নাহিব। যিখানি পাইছে, কোৱাগৈ ত'তে ৰক। কলেগৈ। আতৈএ গুৰু আজ্ঞা শুনি সৰিহ ৰথা পজা এফেৰি পাই তাতে ছমাহ পৰি অনাহাৰে আছে, হাৰ চালহে আছেগৈ, দাৰি চুলিএ বিবৰ্ণ পৰিল গোটে, আকাৰহে আছে। একদিনা ঠাকুৰ আতা সুধিলে, গৈছিল সেইতে। দেখিএ ককৃৰকৃকৈ বগুৱা বাই পাৱত পৰিলহি। আতা দেখিএ বোলে কিয় এনে হ'ল? কলে, মাতে নোলায়। আহা বুলি ধৰি আনি বাট গৃহতে থৈ আতা গল সোমাই। গৈ বোলে জীৱৰ এনে দুখ হলে ধৰিব কোনে, ৰব কোন? গুৰু ধৰ্ম্ম লোপহে হব আগলৈ আৰু? বোলে সখি কি? বোলে বাপ, সেই পড়িয়াৰ পো আতৈৰ শৰীৰ পৰেহে। ছমাহ আজি অনাহাৰ। বোলে আহিছেনে? বোলে নঙ্গলাতে থৈ আহিছোঁ। বোলে আনাচোন। আনে। দেখে, চিনিবই নুৱাৰি। দুখ দেখি গুৰুজনৰ দায়া জন্মি দোষ দণ্ড এৰি দাড়ি মুৰ খুৰাই খাৰে টেঙ্গাৰে স্নান কৰালে। লগতে

আতৈৰ প্ৰতি গুৰু জনৰ দয়া প্ৰকাশ

চাউল সিজাই প্ৰথম দিনা লেটেকুৰ মান দিলে। পাচলৈ ক্ৰমে আম অমৰা টেঙ্গা, আউৰ মান দি বঢ়াই তিনি পক্ষেহে একঠি কৰিলেগৈ, গাও পূৰ্ববত পূৰ্ব্ব হ'ল। বিদায় কৈ পুনৰ হেৰেমদৰ কৃষ্টাই আতৈ হৰি আতৈৰ লগত আছেহি। কৃষ্টাই আতৈৰ বেটিখানি পৰিচৰ্য্যাকৈ লগতে আছে। তেওঁৰে আতৈৰ কথা বাঢ়িল। সেইখানি দেখি হৰি আতৈএ গুৰুজনত কলেগৈ বোলে বাপ, থাকিবলৈ নহয় সজ। তেহে সকলো জনাজানি হ'ল। তেহে কৃকাই আতৈএ গুৰুধৰ্ম্মত বাদপৰে দেখি বোলে আজিএ ৰবতীয়াকৈ দিছোঁ। তেহে দুই সুচকৰ মুখে তাই গৈল। গুৰুজনে তিনিকুৰি টকা লৈ লৰ লৰহি

সামৰিছে। পুত্ৰ হ'ল বৰ গোপাল আতৈ, ভোলা মধ্যম, নিৰঞ্জন চোট, মুৰাৰি সৰু। মুৰাৰি থাক, টাৰ, হাৰ, পাট, ভুনি, পিদ্ধি জজ্বল চলে গৈছিল, খাটে ধৰি মাৰি নিলে, আৰা তিনি হেৰেমদতে ৰ'ল।

আৰু এদিন গুৰুজনৰ পিতৃতিথিলৈ তিনদিন অছাত্ত মনত পৰি বোলে গোপাল, আজিও বাবাৰিলৈ গৈ কলা আনি জাগ দিয়া, দিন নাই, শীঘ্ৰে। গৈ স্নান ধূলা লৈ বিদায় সেৱা কৰিবলৈ গৈ দেখে কথা সুখে বহিছে। বস ভাগে বুলি নমাতি পাচে আঠু লৈ আছে। চাই দণ্ডিয়াত সম্বৰি দেখি বোলে কিয় নগলা? বোলে কথা সুখ ভাগে বুলি আছোঁ। বিদায় কৈ যাবলৈ। বোলে গধূলি কেতিয়া যাবা? বেগেই গৈ আনি গাত জাগ দিহে ৰাতি চাই দণ্ডিয়াত সেৱা কৰিছেগৈ। বোলে পালানে? বোলে বাপ, আনি দিয়া হ'ল। তেহে গুৰুজনে বোলে ছুপৰ বাট, ৰাতি দিনে পৰতে কৈলা, এই বুলি সন্তোষ হৈ বৰ দিছে বোলে আঁমাক যেনেকৈ কলা আনি কৰ্ম্ম কৰাই সন্তোষ কৰাইছা তুমিও আমাৰ ভক্তি বস্তুৰে সন্তোষ লভিবা যশে জগত জুৰি বৰ।

আৰু উদাৰ গোবিন্দ আতৈৰ গৃহ চুমৰিত। তৈবে পৰা বিৰকত হৈ গৃহ বাৰী ভাৰ্য্যা পুত্ৰ এৰি শ্ৰীশঙ্কৰ দেৱৰ দিনৰে পৰা হাটীতে হৰি গুণ গাই আছে। শৌচ শুদ্ধিলৈ যাওঁতে জিহ্বাতে ধৰি থাকে। ভকতে দেখি কলে গুৰুজনত বোলে উদাৰক মাতাচো। মাতিলে, আহিল। বোলে তুমি কিয় শৌচতে জিহ্বাত ধৰি থাকা হয়নে? বোলে বাপ, কুবা গাত মাৰ আছে দেখি থাকো হয়। তেহে গুৰুজনে যোজা মাতিছে,—

হৰি নাম কীৰ্ত্তনত নাহিকাল, দেশ, পাত্ৰ
নিয়ম সংযম একো বিধি।

যাৰৰ

চুমৰিত উদাৰ গোবিন্দ আতৈ

"হৰিনাম কীৰ্ত্তনত নাহিকাল, দেশ, পাত্ৰ" ইত্যাদি

হৰিত শৰণ লৈয়া, কেৱলে হৰিৰ নাম
কীৰ্ত্তন কৰন্তে হোৱে সিদ্ধি ॥”

বোলে আন বিপ্ৰি চুৱা, নামেহে শুদ্ধ কৰে, মহা কদৰ্য্যকো পৱিত্ৰ কৰে। নামক কোনে কৰে চুৱা? আহক, নধৰিবা আজিৰ পৰা। তেওঁৰ গৃহত অনেক পৰিয়াল—পত্নী, পুত্ৰ, বধূ, নাতি, বেটী। তাবা সবে দহ আঠ দিনে চাউল, মাচ, খৰি, দুগ্ধ, লোন তৈল বস্ত্ৰ, দি সুখি থাকে। এক দিনা আতৈৰ জ্বৰ। নাতিয়েক আহি দেখি গ'ল পৰি থকা। পাচ দিনা বুঢ়ীএ নাতিনিয়েকে সৈতে তেল, টেঙ্গা, চাউল, গাখীৰ লৈ গ'ল। আতৈ সব বিয়লা নাম গাইছেগৈ পাচ কালে আছে আতৈ। পাই ওচৰে বহিছে। বোলে কালিৰে পৰা চাউল সিজাব পৰা নাই, গা বিষে ফুটে বিন্ধে। আএ বোলে আমি কি কৰিম? চুৰ, দিব, খুৱাব, ভজা খুন্দা নোখোৱা। কলে কি হব? সাত নিলগীয়া ককবা কোনোবা যেন হলু। বোলে আতৈ সবো নাই। তৈল টেঙ্গা দি মোৰ গা-টো হেচ। হেচিলে। কিছু সন্তা পাই মনটি চলি বোলে বা কালৈ গুৱা পান দি লবা এটা পাঁচি দিবি। মই গুৰুজনক বিদায় কৈ যাম মাহ চাৰকলৈ ঘৰ'কে। বুঢ়ী আনন্দে গৈ পাচ দিনা দি পঠালে নাতিএকক, ঘৰ চোতাল চাঁচি সাৰি, মচি, ধৌত কৈলে। নাম অৱসানে গুৱা শৰাই লৈ আতৈয়ে গুৰুজনত বিদায় কৈলে বোলে বাপ, গাটিও বিষম, দিনচাৰক গৃহলকে যাব খোজা। গুৰুজনে বোলে উদাৰ, মোহ সি গৃহ চাৰি মোৰ গুৰুজনৰ দিনেৰে পৰা সেইৰূপ সদতে আছা অতকাল গৃহ অন্ধকূপলৈ কেলেই যোৱা আক? তেহে মৌনে আতৈ আছিল। আকৌ গৈ প্ৰাৰ্থনা কৈলে, বোলে বাপ, মনটি বৰো চলিছে, যাবকে খোজো। গা-টি সব হলে আহিব আকৌ। তেহে গুৰুজনে গীত ধৰিছে—“আহে পৰম ধন,

উদাৰ গোবিন্দৰ গৃহ লৈ মন

চিন্তহ মন ভাই।" ঘোৰাও মাতিছে—

"বিষয় সম্বন্ধ সুখ সমস্ত যোনিতে পায়,
হৰি সেৱা একো থানে নাই—।
হৰিৰ সেৱাৰ যোগ্য কেৱলে মনুষ্য তনু,
জানি কৃষ্ণ হৰিগুণ গাই॥"

বোলে নোবোৱা হলে সজ, যাব যে খুইছা, ঘোৰা বাক। তেও এই ম'ৰা চকা দুটি নিয়া, ইএটিৰে তোমাৰ গৃহে ছৱা; পুতা ভাত খাওঁতে বাব যদি চাবা। এইটিৰে আমাৰ কীৰ্ত্তন গৃহতে আতৈ সবে নাম গাওঁতে চাবা। পাচে আতৈ সবাকে সেৱাকৈ গ'ল। পালত সবেও আহি পৰি সেৱা কৈলে। বহাৰী জীয়াৰী হতে যেন স্বৰ্গকে পালে ঢুকি, আনন্দৰ পাৰ নাই। তেহে বুঢ়ীএ আঠু লৈ সুধিলে বোলে, চাউল সিজাব কত? বোলে পাগ পাত্ৰ গুচাই তেতে সিজাগৈ। আতৈ শৌচ শুদ্ধি হৈ বান্ধনি গৃহৰ গাতে তুলসীৰ গোবে ঠাই মচাই ধূলা লৈ গুৰু সেৱা কৰিছে। বুঢ়ীএ চাউল সিজিছে বুলি কলেহি।.বোলে মোলৈ আগে বাঢ়ি থৈ চক আগে, লৰা ছৱা বহাৰী জীয়াৰী সন্নাকে একেবাৰে দে। তএ মএ পাচে খাম। বিমনকৈ বুঢ়ীএ দিছে বাঢ়ি। সবেও একেবাৰে খাইছে। ঘৰ জুৰি পাত লৈছে। আতৈ গুৰু বাক্য মনকৈ ইকৰা এডালি ভাজি চকাদি চাই দেখে, বুঢ়ী গুৰুৰী জনী হৈ হক হক কৰে বাণ্টকৈ দিছে, ই তোৰে নোক্ নোককৰে খাই নিছে, পোৱালি হৈ। সেইতে জাকি দি লোম সিহৰি হক হক কৰে কান্দি সেইতে লৰি আহিল। সিইতে চুৱামুখেই কি হল, কিয় যায় বুলি কান্দি কাটি পাচত লৰি গৈছে বাহেই। দেখি আতৈ এ বাটতে আঁক দি জেন পেলাই শপত দি বোলে মোৰ তলে বা, ইকাল হ যদি মোকে লেৱ। শুনি খৰকা খাই ৰ'ল। আতৈ দেৱালতে আহি দেখে কীৰ্ত্তন গৃহে ঘোৰা লৈ কীৰ্ত্তন দিছে।

ভগৱানৰ ভোজন

গোবিন্দ আতৈ গৃহত অদ্ভুত দৰ্শন আৰু গৃহত্যাগ

গুৰুজনৰ ঠাইত দিব্য দৰ্শন

"কৃষ্ণ নমো ৰাম নিৰঞ্জন হৰি" চকা দি চাই দেখে মণ্ডলাকাৰে কৃষ্ণ, বলোভদ্ৰ মধ্য হৈ—চতুৰ্ভুজ গোপবালক ভোজন বেহাৰ খেলা ভগাইছে। সবেও দেখি দণ্ডৱতে পৰি অনেক কান্দিলে। গুৰুজনে ৰাখে, মই পাপীএ এনে সুখকো চাবি যাওঁ! নাম থলত গুৰুজনে দেখি, বোলে উদাৰ দহোঁ আছিলা? কান্দি অ'ক ত'ক দেখা কলে। শুনি আতৈ সবে হৰি-বিষ্ণু স্মৰি আশ্চৰ্য্য হ'ল। যাৰ কিছু মন চলিছিল নিচই ডাঠ হ'ল আৰু। ঘটি, বাটি, বাচন, আঙ্গচ, বস্ত্ৰ, গুৰু সেৱা কৰাতে থাকিল। সবাতে ফটা কাপৰ খুজি কন্থা সি চৰিয়া লাউ লৈ ভিক্ষাকৈ হৰিগুণ গাই প্ৰবৰ্ত্তিলে সেৱকৰ সঙ্গতে।

দিনবৈ গাওঁৰ ভোবোৰা আতৈৰ নামত প্ৰেম

আৰু ভোবোৰা আতৈৰ গৃহ দিনবৈ গ্ৰামে। মহা বিৰক্ত বিষয়ত বৈৰাগ্য হৈ হৰি গৃহ এটি কৰি হৰিগুণ গাই থাকে। নামতে প্ৰেম উপজি হাঁসে, কান্দে, ব্যাকুল হয়, হৰি হৰি বুলি আনোতেই লোম শিহাৰি কঠাল যেন হয়। এটি ভগ্নীএক আছিল পৰিচৰ্য্যা কৰি। ভোজন কৰোঁতে আতৈ তেওঁ গৈ নঙ্গলাত থাকেগৈ ৰাম বোলেহি বুলি। বুলিলেই ভোজন এৰি সাৰটি ধৰেহি বাৰুও বুলি আধাভুজাতে। গুৰুজনৰ বাৰ্ত্তা পাই আহি ধৰ্ম্মক লভি হাটী লৈ সঙ্গতে ৰ'ল। তাৰাতে গুৰুজনে নিতে আনন্দতে সোধে বোলে ভোবোৰা আজি পাঠত কি গৈছিল? এ বাপ, কি যাব আৰু একাদশ। বোলে কোন খানিত? বোলে মোৰ বাৰয় কৃষ্ণ অশ্বত্থ তলে উদ্ধৱত জ্ঞান কৈছে। পৰে যে দশম বা কীৰ্ত্তন, ঘোষা বয়াৱলী বা আন পদ পুথিকে। গুৰু বোলে দহো ৰাম অমুক দেএ, বাপ হই হই। এই মতে তেওঁৰ প্ৰেম ভাও আনন্দতে নিতে সোধে। আৰু গুৰুজনে নিতে সোধে বোলে ৰাম, ভোজন কিহেৰে কৰিছে? মই লোথোপড়ি বেথো পৰাৱলৰহে কথা কয়। শ্ৰীৰাম আতা চাই লৈ, দেখে,

চালতে পুৰৈ এজুপি আছে তাৰে নিতে চাউল বহাই পাঁচোটি পাত্ৰ দিএনি। হলে চেকা জল এটুপি সানি—ৰাম ৰামকৈ এসন্ধ্যা ভোজন কৰে। দেখি আশ্চৰ্য্য অদ্ভুত হৈ কলেহি। শুনি গুৰুজনে ঘোষা মাতিছে—

"শুনিও সজ্জন সাস্ত্ৰ সাৰ, সকলো সম্পত্তি জানা তাৰ
হৰিভক্তিৰসে সন্তোষ মন যাহাৰ।"

"চৰ্ম্মৰ নিৰ্ম্মিত পানৈ জুৰি।"

আৰু একদিনা গুৰুজনে বোলে শ্ৰীৰাম, আজি বৈকুণ্ঠ পথ চাচিব লাগেগৈ। আতা ভু পাই সবাতে কলে; খলা কাস্তি মাজি সাজি সবাৰে ধৌত কৈলে। গধূলি ঠাই ভৰিয়াত গৈছে গুৰুজন, ঠাকুৰ আতা আগত, শ্ৰীৰাম আতা পাচত কমণ্ডলু লৈ গজগতি গমনে মালা সেৱাকৈ পাও চলাইছে। বহাটি পাই একেৰি বৈ, কাৰ বুলি সোধে, যাৰ যি চলে গামচা গুৱাপান কতো কৰি দি সেৱাকৈ পাচতে যায়। এই ক্ৰমে গৈ পূব হাটীতে ৰাম আতৈৰ বহা পালেগৈ। দেখে বহা কাস্তি খলা বনে বাতে কেচু মটা হাবি হৈ আছে। গুৰু বোলে এইটি কাৰ বহা? তেহে আতৈ ওলাই আহি অভয় পদত পৰি সেৱা কৈলেহি। বোলে ৰাম ঠাই ঠুই খানি সজকৈ অঁভাৰ লাগে। বোলে এবাপ, সংসাৰ বৃক্ষৰ শাখা এঘাৰ ই'ন্দ্ৰিয়, পাত পঞ্চতত্ত্ব, মূল পঞ্চ প্ৰাণ, এই দেহা অৰণ্যৰ হাবি, ভাজিএ পাৰ নেপাওঁ, বাহিৰৰ নো ভাঙ্গো কেতিয়া? তেহে গুৰুজনে বোলে আতৈ সবৰ বাজেহে মুকলি, অন্তৰে হাবি মোৰ তোবোৰাৰ একা অন্তৰে মলমলিয়া বাহিৰেহে হাবি। এই বুলি গুৰুজনে ঘোষা মাতিছে,—

"জয় জয় ৰাম কৰুণা সাগৰ এ
মোক নাৰায়ণ ইৰাৰ কৰিও দায়া।"

তেহে ৰহি কম চিজিৰ খৈলে। গুৰুজনক দেখি আতৈ

সবে হাতে হাতে চিঙ্গি অতাই পেলালে। আগে খুতিএ পাও নিদিএ।

আৰু আতাৰ লাউটি ভাগিল, উপাসে ব'ল, পৰি পা, লোটা এটি দিলে জল খাবলৈ। গুৰু বাক্যে নি ওবে নিশা আগত থৈ কান্দিছে বোলে, মোৰ মনক আনে যি নজানে গুরুজনেও যে বুবুজে, মায়াৰ হাতে বন্ধ কৰে, এই বুলি গুরুবাক্য ৰাখি এদিন জল খাইছে। ওচৰ ভকতে কলে বোলে বাপ, আতা লোটা আগত লৈ ওবে নিশা কান্দিছে দহো? বহুমণিক বোলে মাতাচোন। তেহে মাতি আনিছে বোলে কান্দিছিলা হুমু কিয়? বোলে বাপ, তোম্রা মোৰ জীৱৰ ঈশ্বৰ, আত্মাৰ বান্ধৱ। গোপী সবে বুলিছে কটাক্ষে মাৰিলে বন্ধন লাগয়, অস্ত্রে কাটিলেসে বধ। এ তোম্রা দেখো মোৰ মনৰ মনক জানা, মায়া জাল দি কেলেই বন্ধা যায়? লাউ কচুৱা এৰি এৰি নামৰাৰ গাওঁ তোম্রা চৰণত মন থৈ একমনে, এতিয়া লোটা মায়া পাশে বান্ধিলা, তাত সে মন বাত খাই লাগিব, নাম গাম কেনেকৈ আৰু? তেহে গুরুজনৰ আতাৰ বাক্যত দয়া জন্মি বোলে বহুমনি, লোটা আনা গৈ।

আৰু একদিনা আতৈ সবে বাপি হাজি ধৰি বোলে আমি হলে বন বাৰি ৰৈয়া হৈয়াকৈ ফুৰোঁ, চিৰাম আতা সমান ভাগ খায়। একো নকৰাই গুরুজনে। এই কথা শুনি গুৰু মৌনে আছে। তেতি সময়তে বগৰি এপাচি ভেটিলেহি বোলে বহুমনি, চাইটিকৈ বগৰি সবাকে দিয়া দিলে। বোলে আতৈ সব কেও মেদেখাকৈ খাবা। গুৰু বাক্যে কতোএ খালে কাপোৰতে আবৰৈ, কেহো খালে ঘৰা সোমাই। শ্রীৰাম আতো কাপৰ ভিতৰকৈ চায়, যেহৰ চৈধ সাখী দেখে, ঘৰা সোমাই চায় খাবলৈ, দশ দিশপালে দেখে, হাবিলৈ গৈ দেখে উদু কৰুয়া। গুরুজনা চৰণত পৰি প্রেমাকুল হৈছে,

সেঁথাই আছিল। তেহে সৰ্বাতে গুৰুজনে সুধিলে বোলে, এই জন্মে খোৱা হ'ল। বোলে শ্ৰীৰামৰ একা? তিনিও ঠাইৰ সেই মতে কলে, বোলে বাপ, খাবৰ ঠাই নেপালোঁ। সেই বেলাত ঘোষা মাতিছে,—করুণাসাগৰ মোৰ বান্ধৱ এৰাম। বোলে মোৰ শ্ৰীৰামেৰেহে বাগি ধৰা ইঁক?

শ্ৰীৰাম আতাৰ বোধ

আৰু বাঢ়ৈ কমলা প্ৰীতিসুখত মহা নিপুণ। এক নিশা দশমৰ "আপুনি ভকতে ভৰি ই ছোৱাতে গৈলা এৰি।" এই পদতে দুই মুই উচ নীচ বাদ লাগি শুনে কষ্টকৈ। ৰামুনত, হৰি, চিৰে, বলাই, বলো চাৰিও আতৈৰ মুখে পৰমাৰ্থ বুজিছিল গুৰুবাক্যে। চত মহা বিহানে হাল গৰু লৈ আছে। পথে একজন সুন্দৰ দিব্য পুৰুষ লাগ পাই বোলে, ক'ৰতে অহা যায়, যোৱা যায় কলৈ? বোলে কি সোধা যায়? বাঢ়ৈ কমলাৰ ৰহাতে আছিলোঁ, আজি নিশা ৰাত মাছলি পচোৱা পাই ৰহা ভাঙ্গি খেৰ খুটা কতুৰা পেলালেগৈ, শুচি আহিলোঁ। পাচে তাৰা সবে শুনি খেদকৈ উভটি খেৰ বাঁহ, খুটা লৈ গৈ পাই দেখে স্নানকৈ ৰহি আছে নাম সেৱাকৈ দুও। বিস্ময় হৈ কলে খেদকৈ সকলোখানি। তাৰা দুএ শুনি আশ্চৰ্য্য অদ্ভুত হৈ বোলে ঈশ্বৰহে গ'ল হৃদয়ৰ পৰা আমাৰ দুৰ্ভাগ্যহেতু। তেহে কৈ তাৰা চাৰিকো বোধাই আৰা দুও গুৰুজনত কৈ দণ্ড মৰাই ৰস্তি দি মাগিছে প্ৰাৰ্থনা কৈ। তাৰতে মাটিকে সোনা বুইলেও হয় বোলে মহাপ্ৰীতি হ'ল, আনৰো বোধ হ'ল যাৰ মন নৰিছিল।

আৰু শ্ৰীৰাম আতা গুজিলৈ গৈছিল সন্ধ্যাবেলা ৰৰজিল সূৰত হাৰি জুপিৰ আৰতে শুনে চুৰিয়নি হোলাতে অনেক মৈত্যৰাৰৰ [illegible] খেল পাতিছে বোলে আমাৰ সাত সাত পুৰুষ আতে আছো এতিয়া কি আপা ইটে পাত দুই দিয়া দিয়া ... ... [illegible]

শ্ৰীৰাম [illegible]

ভেনেতে আতা ৰাম বুলি দিলে, গিৰ গিৰ কৰে তবা নথা এৰি বিলত পৈলগৈ, কাদোৱনি পানী হৈ পৈল আতা আছি লুইতত স্নান কৈ গ'ল। বোলে শ্ৰীৰাম দেখো বেলা হ'ল? বোলে অনেক দৈত্য মেল পাতিছিল, ৰাম বুইলত লব মাৰিলে। তেহে পাচ দিনা গুৰুজনে বাউসীৰ, গনকুচিৰ, বাবাদিৰ, তান্তিকুচিৰ, ডাঙ্গৰিকুচিৰ, মুলাজতিৰ সবাকে জনালে আছি দিনে নিশা হৰিকীৰ্ত্তন পাতিলে সাদিনলৈ, বৰষিলৰে, বুঢ়ালুইতৰে মাজতে বৰি এটা আছিল, যখ যাওঁতেই জান হৈ গ'ল, নাম হল ধলজান। ছাগ মৰাত পৈলগৈ। পৰি বিচাৰ লগালে কোন আহিল নাহিল। লেখত খুৰীয়েক এটি নাই, বিচাৰি চাৰিগুলৈ আহি পালেহি। দেখে বান্ধি থৈছে। বামুনৰ নাৰায়ণ আতৈ টঙ্গিত আছিল। দেখে, কোমোৱাটো যোৱাদি বাগৰি যায়। উঠি আচলাৰে টঙ্গিৰ খুটাত বান্ধি থলেনি। মনুষ্য গাঁথি মেলিব মুৱাৰি আতৈক ধৰি পাৰে মানে মাৰি গ'ল। উঠিব নবাৰি পাৰি আহিল। ঘৰ পৰা আনিছে গৈ ধৰিছে। গুৰুজনৰ ঠাই সেমাই কব থৈলে

গৰুড় কণ্ঠত ঈশ্বৰাগমন

বোলে বাপ, সেই মহা ৰামৰ কীৰ্ত্তনতে উৰ্দ্ধতে সুবৰ্ণৰ পক্ষীটো কন্ধতে ঈশ্বৰ পাক ফুৰি এই থানতে সোমাল। মই জাগি ৰহি আছিলোঁ। নিৰ মুৱাৰি পৰিহে আছিলোঁ। গাৱ চক উৰহিছে। গুৰু বোলে, সেইটো বান্ধি থৈ বিলটো বথালা, মেলি দিয়া। মেলিলত কোমোৱাটো বাগৰা দি গ'ল। গুৰুজনে নাম দিব থৈলে, ৰৰকৈ উঠিল। ঈশ্বৰ আকৌ গৰুড়ৰ কন্ধে আহি ঘুৰি ফুৰিছে যেৰ ৰাৰ পাখীৰ বা লাগি জাঁত জাঁত লৰিছে। শুনি গুৰু ওপৰলৈ হস্তকৈ উঠি ঘূৰি নাম দিছে বোলে বাপু সৰ, নাম নেৰিবা, ঈশ্বৰ আহিছে, গৰুড়ৰ পখা বাজিছে। ঈশ্বৰ লোমাৰ ফুৰাইলে, তকত এজা জেলাকৈ বহিছিল বাট মাৰি। খুৰা দেখে আঁহতৰ-ডালতে পৰিছিল,

ভাগি পৈল, নখ বহি আছেঁ। তেহে গুৰুজনে বোলে, মোৰ মহাপুৰুষ গুৰু আজি সিংহাসন আসন হোৱা হলে তাতে বহি জিবাই নাম ভকতৰ আনন্দ চালেইঁতে। তেহে আসন পাতি দি গা পখালি বহাবো শাৰি লগাই চৈধ গোটা প্ৰসঙ্গ পাতি মূৰ্ত্তিমন্তকৈ চৰ্চ্চি ক্ৰম লগাইছে, বৈকুণ্ঠৰ পৰা অনন্তলৈ। আৰু বোলে আলহি, অথিতি ঘৰুৱা বন্ধুৱা, পথৰুৱা লোন কৰি গুৱা প্ৰসাদত বাজে লাগিবা, নাম খাৰতলৈ অভ্যন্তৰে লাগে।

আৰু জিলৈ বুঢ়া বুঢ়ী আছিল দাউকী গ্ৰামত। বুঢ়াই পাচি, কাউলি, ডলা, পলা, কুলা, জকাই, খাই পল, জুলুকি, এই বৃত্তিকৈ প্ৰবৰ্ত্তে। বুঢ়া সাজে বুঢ়ীএ সলায়' গৈ কুৰি। একদিনা হাটী পালেহি। আতৈ সবে ভুকুলি লৈ লোণ, তৈল, চাউল, গুৱা, প্ৰসাদ আৰু আনিবি বুলি সবহুকৈ দি পঠালে। বুঢ়া দেখি বোলে বুঢ়ী দহোঁ আন কালতৈ কাইকত পালি আজি? বোলে বুঢ়া যিহে সন্ত মহন্ত ঠাই পাইছোগৈ আজি। বোলে নিতে তাতে সলাবিগৈ। সেই মতে নি সলাই খাই আছে। একদিনা বোলে বুঢ়ী, তোৰ কোন আছে? বোলে মোৰ বুঢ়া আৰু মই। বোলে এনেকৈ কুৰাতকৈ আল'কে আহগৈ। তই খলা মাৰিবি, শাৰীৰ ভাগ দি মাহ প্ৰসাদেই জুৰিব, বুঢ়া নাম গাব, ভাগ খাব, জীৱৰো কুশল হব, দেহৰো জীৱিকা মিলাব গুৰুজনে। আশ্ৰমী হাটীতে বহা খুজি দিম আহগৈ। বুঢ়ীএ আনন্দ হৈ গৈ বোলে বুঢ়া, ভকতে মাতিছে, বলা যাওঁ। বুঢ়া বোলে কৰ ভকত ঠাই যাব পাৰোঁ? বোলে বুঢ়া নেযাহে মই পাচি কাউলিও নসলাও, এৰি মই যাম হে পা। শুনি বুঢ়া বিবুদ্ধি হৈ বোলে ব'ল যাও। গৈ যাহিবতে বহা দিছে, তাতে আছে। বুঢ়ীএ বোলে বুঢ়া, তই নাম গা, তই একোলৈও চিন্তিব নালাগে, মই পুহিম যাচি খাবি খাবি মাত্ৰ। বোলে কি আৰ

দাউকীগাওঁৰ বুঢ়াবুঢ়ী

ভু কে লেপ্পাওঁ। বোলে পাচতেঁ থাকগৈ। বুঢ়ীয়ে পচাত ৰহিছে এপক্ষমান’। বুঢ়ীএ বাহ্নি বাৰি থৱ, খুৱায়, পঠায়। আকৌ এদিন বুঢ়ীএ খৈলে বোলে আজি প্রসঙ্গত কি পাইছিল, কচোঁ? বুঢ়া বোলে পাহাৰিলোঁ। বোলে যা ভাত নাই। বুঢ়া হুখ কৈ গৈ কান্তিতে পৰি অছে। বলোভদ্র আতৈএ দেখি বোলে বুঢ়া, দহো আহিলি, কি হ’ল? বোলে নাম কব মুৱাইল বুঢ়ীএ ভাত নিদিলে।

"বোলে বিষয় বিকলে নমব মন।
সদায়ে চিন্তিয়ো হৰি চৰণ॥"

যা, কৈ ভাত খাগৈ। বুঢ়া বাটতে বোলে বুঢ়ী নাম শিকি আহিছোঁ। বোলে গা চোঁ গালে। তেহে ভাত দিছে। বোলে নিতে মোক এই দৰে কৰিছি, তই ভাত কাপৰ চিন্তিব নালাগে। মই মাগি মুনিছ দি খুৱাম। বুঢ়া আতৈক নিতে খৰি পাত শাক মাছ টি পায় নি যোৰা শিকে গৈ। বোলে তোমাৰ পৰাহে ভাত কেটা পাইছোঁ। সেই ক্রমে শিকি সেৱা ধৰি পৰমার্থত লাগিলগৈ। গুৰুধর্ম্ম লভি আতৈক আজ্ঞনীয়া কৈ হৰিগুণ গাই বুঢ়া বুঢ়ী বৈকুণ্ঠে গ’ল।

অমৃতাকৰ দলৰ নিমন্ত্রণ আক অমৃতাকৰ দলৈ সেৱকীয়া গ্রামী ভকত। গুৱা শৰাই দি প্রার্থনা কৈলেহি গৃহলৈ নিবলৈ ভক্তে সমে। বোলে থাক যোৱা। পাচদিনা গুৰু জনে ভক্তে সমে হৰি কীর্ত্তনকৈ বুঢ়ী লুতে নৌকাৰে গৈ ঘাট পাইছন্ত। বাট চাৰি পাত পাৰি ৰূপ কাপৰ শৰাইতকৈ আগ বাঢ়ি নিছে। একপক্ষ ভক্তে সমে ৰাখি ৰব সভা পাতিলে মহেখোৱা বৰিত বতা যোলাকৈ। একুৰি চাউল, বহ পুৰা মাহ, ঠাকুৰ আতা, গোপাল আতা, বিষ্ণু আতা, বুঢ়া আতা, হৰিহৰ আতা, শ্রীৰাম আতা, ৰাম ৰমদএা সিধি, আনো ভক্ত গ্রাম সাত থৰ যোৰা_সাজোটা পাইছে। ভকতজন গৈ ভক্তে সমে ৰহিছে। অনেক ভকত

গ্ৰামবাসী, চৌধুৰী পাটোৱাৰী, সেনা, তালুকদাৰ, ঠাকুৰীয়া অনেক লোক লস্কৰ বহিছেহি, সভা টলবল কৰিছে। মনথে পৰা ঠাকুৰ আতা গৈ সোমাই বোলে ঠাকুৰ, সভালৈ জনাইছেনে যাও আহা। বোলে আতা আমাৰ দুখৰ কালত কোনে গোনাই, এই বুলি ন যোৰাটি মাতিছে—“যাৰ শীল পিক্ষা পাই।” শুনি আতাৰ মনে দুখ আহি বোলে অহা যক, ময়ে সৈতে যাওঁ। তেহে জয়হৰি বলাই, ৰাম, হৰি, শ্ৰীহৰি সনাতন এই পাঁচজনে কঠ লোটা, শৰাই ললে, আতা আগত ঠাকুৰ দেউ পাচত গৈছে। এটি সমীপে দহো মাজতিয়া আছে। বোলে তোম্ৰা আতে খানেক বহক। মই সভাতে আহোগৈ। মতাত গুৰুজনৰ পাৰত বহি অভয় পদত সেৱাকৈ দেখে সভাখান দলদোপ কৰিছে প্ৰজা। গুৰুজনে গুৱা দুখানি দি ভোজন দুখৰ বাৰ্ত্তা সুধি বোলে সখি সভাখান কেনে হৈছে দেখা যায়? বোলে বাপ, কোনে সৰ্ব্ব গুণাকৰ সুন্দৰ পুৰুষক বত্ৰিশ অলঙ্কাৰে কচাই তাৰ শিৰ নহলে যেনে অশোভন দেখি এই সভাও তেনে হৈছে। গুৰুজনে মৌনে কষ্টপাই শুনি বোলে তোম্ৰা, আতা, আমি আহো আৰু গুৰুজনৰ সেৱক আতৈ সবো আছে, গ্ৰামবাসী সবো আছে, কিয় অশোভন বোলা গ'ল ব্ৰহ্ম সভা খানক? তেহে আতা বোলে বাপ কাৰ বস্তু সৰ্ব্বসেৰে তোম্ৰা চহকী বোলাইছা? এ মোৰ মহাপুৰুষ শ্ৰীশঙ্কৰ সেৱক বিতৰে তিনিও ৰাজ্য সুখী হল। এতিয়া তাৰাৰ পুত্ৰ নাতিক লোযোতাও নাই দুখ কালত। সেই ৰাম ৰায়, ৰামানন্দ ঠাকুৰ লগতে নাছিল? কিয় ধৰ্ম মথে তোম্ৰালৈ কৈ গ'ল, তাৰাকে দি গ'ল। এতিয়া তোম্ৰা সেই গুৰুৰ বস্তুকে নাতি পুত্ৰক দি প্ৰতিপালন কৰিব নেপাৰ? এতেকে সেই এক নাতি দুই শঙ্কৰ পুৰুষোত্তম ঠাকুৰ হলেহতে, তেহে শিৰ হব।

তেহে গুৰুজনৰ প্ৰেম জৰি যোৰা মাতি বোলে, সূৰ্য্যক কুহলিএ, অগ্নিক ভস্মে ঢকাদি আমাক সেই মতে শ্ৰী, ব্যাধি অবিদ্যা মোহকৈ ভুলালে—

"যি হেতু তোমাৰ, চৰণ পঙ্কজে
নভজিলোঁ নাৰায়ণ,
সি হেতু অনাদি অবিদ্যা আন্ধাৰে
কৰিলে জ্ঞান উচন্ন ॥"

প্ৰহ্লাদৰ বাক্য মোৰ গুৰু দিছে অষ্টমত,—

শ্ৰীব্যাধি পাইলে যাক জীৱন্ততে মৰা।
মাতন্তে নমাতে যেন আতুৰ নপৰা ॥
শুনিও নুশুনে যেন বহি থাকে কলা।
দেখিও নেদেখে যেন দিনতে অন্ধলা ॥

বলি যেন মহা ভক্তক ঢাকিলে; মই কি ?

পাণ্ডৱৰ ৰাজসূইত ভীষ্মৰ বাক্য—

বুদ্ধিহীন আমি যত সমস্তে অজ্ঞান।
তুমি শেষ বাক্যে মহা জ্ঞান দিলা দান ॥
হেন ঈশ্বৰক মুৱাবিলো তৰ্কিবাক।
তুমিসে কৰিলা আজি উদ্ধাৰ আমাক ॥
আজি যেবে সবে আমি তোমাক নাপাঞ্‌।
অজ্ঞান সাগৰ মাজে পৰি তল যাঞ্ ॥
পৰম ঈশ্বৰ জ্ঞান নৌকা দিয়া দান।
তুমিসে কৰিলা সমস্তকে পৰিত্ৰান ॥

সখি, মোক ঠাকুৰক কোনে দিব আনি এতিয়াই ? বোলে বাপ, আমি অনা নৈছে, জোৰা এটি দিয়া ৰক আনোঁগৈ। দিছে; নি আনিছেগৈ। মতাৰ খুৰলকে অতেসৰে গুৰুজনে আগবাঢ়ি আনি সেই মহা ভিটি চাবি কঠে, গাৰু, শৰাই কৈমা, তাতে বহালে নি। দেখি সভাৰ লোক আশ্চৰ্য্য হল।

গা জলে বহালে বুলি। আৰু তেজ শক্তি ৰূপ ৰশ্মি দেখি ধ্যান লাগিল সভাৰ প্ৰজা। শিৰ ছত্ৰাকৃত্য, কেশ আকুঞ্চিত, শংস প্ৰায় গ্ৰীৱা কৰ্ণ আয়ত লোচন, ভ্ৰুৰযুগল মদনৰ চাপ, নাসা তিলফুল, অধৰ বান্ধুল, চন্দ্ৰমা বদন, দাড়িম্ব দশন, সিংহৰক্ষ কন্ধ, বাহু আজানুলই শোভে, তাতে নখচন্দ্ৰ চয়। বজ্ৰৰ মোলান আঙ্গুলিৰ ঠান, বাহু বক্ষস্থল, ডম্বৰু কঙ্কাল, কটি উৰুস্থল, উৰু দামকল, বলিত জঙ্ঘন দুখানি চৰণ, অৰুণ বৰণ পাট পিচোৰাই অধিক সুহাই; হেন অদ্ভূত চমৎকাৰ বিৰাজ ৰূপে ঠাকুৰ দেৱ উজ্জ্বলিত বহিছে, যাৰ যেই অঙ্গে দৃষ্টি পৰে নভাৰে চক্ষু। তেহে মহাপুৰুষ শ্ৰীমাধদেৱ মাত লগালে সবে সভা কাংস পৰিল। বোলে সভাসদ লোক সমস্তে আছা। আৰু আমাৰ আতৈ সবো আছা। এটা কথা সোধোঁ, স্যায়, উচিত, শাস্ত্ৰ দেশৰ যি সমুচিত তাকে কৰা হঁক। চহকী আঢ্যৱন্ত বহু সদাগৰ থাকে। কালৰ প্ৰমাণে আয়ু অনুক্ৰমে চলিবৰ কাল পৰে। পুত্ৰ নাতি যি থাকে চোট, হৱা অবোধ, তেওঁক কোটি লাখ বত্ৰিশ লাখ টকাৰ বস্তু থাকে সবাতকৈ অমূল থাপ হিৰা, বত্ন, মুকুতা, মাণিক সবাকে গৃহস্থৰ মন বুদ্ধি পোৱা দাস ভৃত্য সুজান ঘৰগিৰি থাকে, তেওঁতে থৈ বৈকুণ্ঠে উঠে। তাবাৰ পুত্ৰ নাতি বুজন সুজন বাখি খাব পৰা হলে দিব পাৰনে নুদিব পায়? তেহে বায়ন্ত সভাসদে সবেও বোলে তাবাৰ বেটা নাতিত শোধাৰ পায় মোহিত কৰা উচিত নহয়। তেহে গুৰুজনে উঠি গৈ কণ্ঠমালা ঠাকুৰ দেউ শিৰত দি বোলে মহাপুৰুষ গুৰু মোৰ শ্ৰীশঙ্কৰদেৱ যি গুৰুধৰ্ম শক্তি ভক্তি, বল, পৰাক্ৰম আমাক উঁৰাবী পাতি থৈ গৈছিল তাকে আমি গৃহস্থৰ বস্তু ৰাখ চাক কৰা গৈছিল। আজি ঠাকুৰক আমি সবে গালি শোধালো। ঊৰ্দ্ধ বাহুকৈ বোলে সভা বিজয়ালে জিনিও

শ্ৰীমাধৱ দেৱে ঠাকুৰ দেউৰ শিৰত কণ্ঠমালা বন্ধ দোৱায়

ৰাজ্যৰ ৰাপুসৱ আছাহঁক, শঙ্কৰৰ পুত্ৰ নাতি যাৱে থাকে পৃথিবীত তাৰাসে ঈশ্বৰ হৈব, আমি হৈবো ভৃত্য। এই বুলি হৰিধ্বনি কৰালে। শঙ্খ ঘণ্টা দবা বাদ্য কৰালে উৰুলি উৎসৱ সাধু ধন্য ধন্য মহাপুৰুষ শ্ৰীমাধৱৰ প্ৰশংসা প্ৰজাৰ ৰোল শব্দ উঠিল। শ্ৰীশ্ৰীমন্ত স্তুতি শঙ্কৰ ঠাকুৰ দেৱ ৰোল্ল বৰ্ষত ধৰ্ম্মৰ আচাৰ্য্য হল, তেৰ বৰ্ষত শ্ৰীশঙ্কৰ দেৱ বৈকুণ্ঠে গ'ল, মমাৰ গৃহে ছমাহ, পাটবাউসীত এঘাৰ বৰ্ষ, জনিয়াত পাঁচ বৰ্ষত আচাৰ্য্য হৈ ভক্ত সত্ৰ সভা পাতিছে। তেহে সভা গান বান হ'ল, বিসৰ্জ্জি বিদায় দিলে, বায়ত দিশা দিশি গ'ল প্ৰজা। পাচত অমৃতাকৰে ৰূপ কৰি কাপৰ কমল গুৱাপানে গুৰুজন ঠাকুৰদেৱক দখিনা কৈলে। সভাসদকো কৰাই আতা সৱাকে সন্মানকৈ পঠাইছে। পাচত ঠাকুৰ দেউ, আতা গুৰুজনক সেৱাকৈ আছিছে। ভক্তে সমে গুৰুজনক গৃহে নি এপক্ষ ৰাখি অনেক দ্ৰব্য বস্তু দি সাদৰে নি সুন্দৰীত খৈছন্ত। গ্ৰাম বাসীএও, ক ভকতেও অমৃতাকৰক অনেক প্ৰশংসা কৰিবৰ শুনি তেওঁৰে ভাতৃ কলিয়া দলৈ গা নসয়। মহা দাম্ভিক গৰ্ব্বমনে বোলে; মই তাতকৈ বঢ়াম গুৰুজনক আনি। এই বুলি অনেক সম্ভাৰ বস্তুকৈ গুৰু ভক্ত সমে প্ৰাৰ্থনা কৈ অনাদেছি। পুনৰ ভক্তে সমে গুৰুজন গৈ নাৱেৰে ঘাট পাইছন্ত। ঘাট অভাই পাট কাপৰ পাৰি ৰূপ কাপৰ জোৰা খেৰি পাইৰাই আগ বঢ়াই তুলি নিলে। পাওগতিকৈ গুৰুজন গৈ ৰহিছে। বাসা গৃহ দি সবাকে খৈছেনি। তেল, ন চাউল, নকৈ মাছ, ন শাক, সাজে পতি ভিনে ভিনে দিছিল। সেই ক্ৰমে সভাও কৈলে বায়ত জোৰা চপাট, তিনি পক্ষ ৰাখি অনেক সম্ভৰ সন্মানকৈ ভক্তে সবে গুৰুজনক মাজত আগ বঢ়াই থৈ বহুমহা সোনাৰ সাত শিৰীয়া হাৰ পাত দি লোককৈ বোলে, বাপু, আজিহে অমৃতাকৰ ভাইৰ বাৰ

কালিয়াদলৈয়ে গুৰুজনক সন্মান দেখুওৱা

শুনিলো। তেহে গুৰুজনে এক দৃষ্টান্ত দিছে বোলে এটা ধৰ্ম্মাত্মা লোকে অনেক পুৰুষাৰ্থ কৈ গৃহ কৰালে। চদাব্ৰত চলাই দিবলৈ নদীৰে হাটৰে বাটৰে ঘাটৰে তিনি আলি মূৰে চল বন্ধ লগাই সাজি চাউল, লোন, তৈল, খাৰ, পাত, শাক, খৰি, মাহ ঘৃত, মধু, দাইল, চক, সবে সম্ভাৰ জন্তাই থৈ দ্বাৰ মুখতে বৰ্চ্ছি গল, গৃহবস্তু চদাব্ৰতৰ বাৰ্ত্তা পাই অনেক লোক যায় দেখি উভতিয়াই সব বস্তু তাতে পেলনি নাম গ'ল। এতিয়া তোমাৰো তনেহে হল, কৈলা। ভকতে পৰম সন্তোষ পাইছিল তিনি পক্ষে সেৱাত, একেবাৰে ভ্ৰষ্টকৈ পেলালা। এই বুলি আছিল।

অক এদিন খৰতিয়া গোপালে বিদায় কৈলে দুই মাহ মান গাওঁলৈ। গুৰুজনে বোলে সি দুঃসঙ্গলৈ কেলেই যোৱা? এ শিল পৰ্ব্বতে কাষ্ঠ পৈলে শিলা হৈ গৈ ক্ৰমে মাটিত পৈলত মৃত্তিকা হয় গৈ। ছয় মাজে যাৰ যি সঙ্গ বৃত্তি সম জাত গুণ লয়, হয় গৈ। সোনকালে আহাগৈ বোৱা। গৈ ভাই, বন্ধু, জ্ঞাতি গঞা সঙ্গে এক বৰ্ষ হ'ল মন চলি স্ত্ৰী পৰিকৰ দেখি বিবাহ কৰাই আছে। তাতে ভাৰ্য্যা, পুত্ৰ, দুহিত্ৰী হৈ অম যন্ত্ৰৰ বৰ দুখ হ'ল। এবাৰ এখনি ভাৰ লৈ গুৰুজনক সেৱা কৈলেহি। দেখি গুৰু খেদ কৈলে, কেনে লোকক কেনে কৈলে বিষয় বতাসে পাই। সকলো হায় হায় চি চি খেদ হাস্ত বিগতি কৈলে। তেহে ঠাৰে আতা নিৰাৰি বোলে মায়াৰ হাত কোন সাৰিছহেঁক? স্ৰষ্টা পুৰুষৰ বাক্যে ব্ৰহ্মাৰ আজ্ঞা লিখিতা কাৰ শক্তি এৰাবৰ? কতো লোকে বয়স বাৰিষা চাল পাতি শোৱে; বেঙ, সৰ্প, পিম্পৰ পোকৰ দৰে, কতোএ মাটিতো শোৱে। তাক দৰ্শনি চাল উদাস ধৰ্ম সুখ দেহজীৱন নিৰা বাসৰত মন, তায় চলি পৈলে হাৰ, যাৰ জাতি বৰ্ক সলাৰ হৈ লোভ, মোহ কাম, ক্ৰোধ, মাৎ, বেল পৰৱা,

খৰতিয়া গোপাল গাওঁলে যায়

পোৰু, দেহৰ হে দুখ, বিষয় পৰিবৰ নৃত্তই "আনক নিচিন্তি ৰাজা চিন্তা আপুনাকে।" নাৰদৰ বাক্য। এনে খেদ হলে মনে হুকু বিষয়েই, ভক্তি হানি নপৰে দুখহে। হৰি হৰি আমাৰ দৈৱে এনেহে লিখিলে বিধি! দুসঙ্গ'ৰ সঙ্গ লোহা গঢ়ি পিন্ধিলো, এই বুলি ৰাজাৰ, গুৰুৰ, ভাৰ্য্যা পুত্ৰে তিনি তাপে তাপিত হৈ ধন ধান আৰ্জ্জি তিনি ভাগকৈ লগায়। পূৰ্ব্বে গুৰু মুখে শুনা তাকে চিন্তি ভাবি গাই বিচনাত পৰি, খেদকৈ শুৱ। সেঞ ভক্তি শয্যা। উদাস উদাস যাবা সবে বোলে হৰি হৰি মোৰ দৈৱে এই হে লিখিলে, এই জন্মতে একঠা আনি খাই আৰু দিন নগলে নাই। এখান কানি লোকত আশা বিষয়ে কৈ সুখে আৰ্জ্জি ভাৰ্য্যা পুত্ৰৰ সঙ্গে নাম গোৱা হলেও লোক দৰে হ'ল হতে। এনে মনে যাবা সবৰ আছে, সি ৰাজেসে উদাস অন্তৰে মায়া শয্যাত নিদ্ৰা অনে ৰত। এ আতৈ সব, নিন্দিলে বন্দিব লাগে, ববাই ব্ৰহ্মা হৰ অৰ্জ্জুন ৰুক্মিণীৰ সোৱা নাই, ববাই আনৰ কি সব? মুনি, সিদ্ধ, যোগেশ্বৰো মায়াক তৰি আছে।

আৰু নাম পাঠ হলে আতৈ সবে খাৱা দাৱা কথা পাতে, দুই চাই জনে গোট হৈ। তেহে গুৰুজনে বোলে এ আতৈ সব, সৃষ্টি, স্থিতি, প্ৰলয়, মাধৱৰ লীলা, যত আৰু বহিৰ্ভূত মানে কুকথা, সমস্ত মোৰ গুৰুজনে দিছে, যমৰ বাক্য দূতক প্ৰতি অজামিল উপাখ্যানত—

"কৃষ্ণ কথা এৰি, সাত পাকে বেঢ়ি,
আন কথা কৈ থাকে।
অমৃতক তেজি যেন বিষ্ঠা ভুঞ্জে
গাতি শূকৰৰ জাকে।

আৰু দশমত অক্ৰূৰ বাক্য, কৃষ্ণক নিবলৈ অহলে পীচাত গোকুলতৈল, বিষ্ণুপুৰীএ দিছে অৱধানীক—

"কৃষ্ণ গুণ মিশ্ৰিত যতেক বাক্য-চয়।
সেহি বাক্যে জগতক পবিত্ৰ কৰয়"
সমস্তকো সহি বাকে জিৱাএ সকল।
শোভন কৰাএ সেহি মিলাৱে মঙ্গল॥
নাহি একো চিত্ৰ শুনিবাক মনোৰম।
জানিবা তথাপি সিটো মৰা শৱ সম॥
বস্ত্ৰ অলঙ্কাৰে যেন শৱক কচাএ।
তথাপিতো অপবিত্ৰ জানিবা স্বভাৱে॥
মৰা শ লৈয়া যেন ফুৰে আতিশয়।
উত্তম সুখকো আতি অধম কৰয়॥"

এ আতৈ সব, হৰিগুণ, হৰিকথা, সুশুনা, নোগোৱা যদি এনেই থকা সজ।

আক যাবৰ মাজি ডকলা মাৰণত অচমবাজাৰ পৰা ভটিয়াই কামৰূপে গোমুৰা সৰ্থেবাৰিতে বৈ খেতি কৃষিকৈ আঢ্যৱন্ত হৈ আছে। সেই দেশৰ লোকে অহমীয়া বুলি বাছে, আতি গুৰি নপাই। গুৰুজন ভাটিয়াবৰ অলপ তু পাই ক'ত বৈছে খিত নাই, আছে। গুৰুজনেও যাবৰ শুনে, ক'ত আছে তু নাই, পৰম উপকাৰী আপদ কালৰ দেখি বালকদাস, চতুৰ্ভুজ, নাৰায়ণ আতৈ, তিনিকো গুৰুজনে বিচাৰিবলৈ পঠালে। তাৰা সবে গৈ ফুৰি ফুৰি তিনি দিন বিচাৰি নেপায়, কৰ্ত্তা নাই, পথুলি ব'লগৈ। গৃহস্থে বোলে, চাউল চক দিওঁ ভোজন কৰা। এৰা সবে বোলে আমি নিশা এতিয়া নেখাও, ভকত মানুহ। বোলে ক'ৰ? বোলে মহাপুৰুষত হৈছোঁ। তাৰানো ক'ত আছে? বোলে সুন্দৰীতে আছে। মাজিএ পূৰ্ব্বৰ কথা কব লৈলে উজানৰ আৰা সবেও বোলে তোমা কেছে বিচাৰি পঠাইছে গুৰুজনে আমাক। শাৰ্ জান লৈলে চিন হৈ। তেহে সেই জগতে মাজি আহি অনেক প্ৰাৰ্থনা

ডকলা মাৰণত যাবৰমাজি অচম বাজাৰ পৰা কামৰূপ ভটিয়ায়

কৈ ভক্তে সমে গুৰুজনক নিছেহি গোমুৰালকে। পাই চোতালত ভড়াল আগে বহিছে। মাজিএ প্ৰাৰ্থনা কৈলে গৃহবৰ্ত্তী সবলৈ চাউল সিজাবলৈ লগতে। বুঢ়া আতা পাচ ফালে দেখে চহৈ খাপৰে জালে কুতাই বান্ধি থৈছে। আতা আহি কলে গুৰুজনত। মাজিক বোলে হয়নে? বোলে বাপ হয়। বোলে বাপ, আমি গৃহবৰ্ত্তী লোক, দেশত থকা ধাৰাই বাজে আছে, আৰা সৰৰ বা অভ্যন্তৰে আছে নাই? সেই বেলাতে গুৰুজনে গীত কৰি চৰ্চ্চি দেহতে দেখাইছে—

গীত "কমনেপাইবো হৰি"

"কমনে পাই বো হৰি চৰণ তোৰে।
এ দুখ সাগৰে উদ্ধাৰ মোৰে॥"

বুঢ়া আতা বোলে বাপ, জোৰ পহৰাই লঘু কৰিব নালাগে। আমি ভোজন কৰিম। অনেক আদৰকৈ ভক্তে সমে হুমাহ ৰাখিছিল। আক গোসানী মাতৃএ চতুৰ্ভুজ ঠাকুৰ দেউক বোলে যোৱাচোঁ, মোৰ বাপু গ'ল, নাহে দহো, আনাগৈ। আমাৰ আশা ভাৰষা তাবাতহে। গ'ল, পৈ কলে যায়। কলতে দায়াকৈ কোলাত বসায়। গোমুৰা কাৰাকুচি হাবিয়াদি, সৰথৈবাৰি, তিনি তিনিকৈ বাৰে বুৰা চাৰি খানি গাওঁ দিছে লাক কনা খাবলৈ, অনেক দ্ৰব্য বস্তু ভাৰ সজি দি পাঠাইছে পাচত আহিছে। আগিলাতে এচলা শিলা আছিল, তাতে গুৰু স্নান কৰিছিল। চিহ্ন বৈ পাচত মাহাত্ম্য ওলাল। গুৰুজন থকা গৃহটিত মাজিএ পাতি সেৱা কৰিছিল। সবে যাৱতক চিনাই পুথু সুন্দৰীলৈ আহিল।

আক অমুবালি ব্ৰাহ্মণক বজা পাঁচিসে হাজো, নিলাচল, পদ্বত, অশ্বক্ৰান্ত, উমানন্দ, ভক্তেশ্বৰ এই সমস্ত পূজা সেৱা কৰাবলৈ। গুৰুজনে নৈতে নাৱ বাওঁতে বোলে বাপ, বাহুণ এ সুন্দৰা কৰি ৰাজাৰ লগাই বাৰবাৰ কাকো [illegible] আদি বাওঁতে জোৱা গ'লে নাৱ সবাৰে মুখ

মৰে ॥• তোমা পবিত্র হব লাগিছেনে, আপুনাক দেখিছে অনেক জীৱ তৰিব। বোলে বাক, সেৰকম অৰ্থে যায়। পাচত ভক্ত সমন্বিতে নৌকাবে গৈচন্ত। প্ৰথমে নীলা- চলতে উঠি নাট মন্দিৰতে বহিছে। শুক তুলসীৰ ঢোপটি পিন্ধি গৈছে। নীলকণ্ঠ তুলসীক নিন্দি মালতীৰ ফুলক শ্ৰেষ্ঠ কৈলে কাব্য আগমেৰে। শুক শুনি আছিল, কিছুমান থাকি নানা পুৰাণ সংহিতা, শ্ৰুতি, চন্দ্ৰতন্ত্ৰৰ শ্লোক আনিব খেলে, নানা পুষ্প তুলসীক বাজা পাতি পানী তিয়নি গামচা দিয়া ভৃত্য পাতিলেনি। নীলকণ্ঠে বোলে কি যি তইখৰি লোক পণ্ডিত। অসুৰাজিএ বোলে যি তইখবিহে বুলিছ, তোমাক আমাক দহ বৰ্ষে আৰাত ছাত্ৰ হৈ পঢ় যদি তেও পঢ়াৰ পাবে আৰা। বৰ পূজাৰীক এটকা দখিণা কৈলে, পাটভুনি সৈতে। এহেলৈ আতোলা, মহা, আদমহা, চৰাতি, খাতি এইৰূপে চাই দিছে। নীলকণ্ঠে ৰামচন্দ্ৰ ঠাকুৰক বোলে, আমিও সেই শাৰীতে পাব পাওঁ। বোলে তুমি কোৱাহি গুৰুজনত, কৃপালু পুৰুষ দিব। লাজ হৈ নগল, থাকিল তেনেই। বৰদেউৰীএ বোলে ভগৱতী দৰশন হৈ যক। গুৰুজনে বোলে পুৰাণৰ শ্লোক আনি, কোন পাপীষ্ঠে মাতৃৰ যোনীদ্বাৰ চায়! এই বুলি উঠি নৌকা চৰি আহিল। নীলাচলত ভকতসৱ

ভটিয়াই হাজোত উঠি নাট মন্দিৰতে বহিছে। পূজাৰী দেউৰী, নাচনিয়াৰক দখিনা দি দৌল প্ৰদক্ষিণ কৈ দখিন ফালে চক্ৰশিলতে ভৰিছে। তাতে পৰ্ত্ত বহা দি পদ পড়ৰ চিহ্ন ৰৈছে। হয়গ্ৰীৱ মাধএ দিব্য ৰূপ দেখিছে, দৰ্শন পৰ্শন হৈ আহিছে। হাজোৰ নামে ব্ৰজপুৰে দৰশন দি সেৱা কৰিছে। শুৱা ছাটি শুক টৈৰায়ুবে কোঙ্ক আশীৰ্ব্বাদ কৈ দিছে। হাজোত ভকতসৱ

তাৰ পৰা মূঢ়া আতা ৰামচন্দ্ৰে পাও পোমাই বাচ্চা উঠি

গৈছে। গৈ গৰা হাৰিত পৈলগৈ, নাও চপাব দিএ, গুৰুজনে টিপ দিলে নচপায়। মাতেহে, তেও নিনিএ। উপায় হৰাই বিবুদ্ধি হৈ গীত মাতিছে—ভায়া একেবি দুখ দেখি এ জীৱ যায়

বাখহু পাপী প্ৰাণ।

কেশৱহে হামাকেবি বাখহু প্ৰাণ॥

শুনি খেদকৈ বোলে কালি ৰাম, চপোৱা। চপালে, উঠি গৈ সেই দিনা জাববি কুচিতে বৈছে নিশা। নাম গাই ভাৱবিভূতি পাঠ পঢ়িছে, কোচ মুৰাৰিএ জয় জয় গাই। গুৰুজনে বোলে ৰামচন্দ্ৰ চোৱাচোঁ। চাই দেখে হয়, বোলে মমা আছে দুই উৰবহে। বোলে কোনে লিখা। মুৰাৰি কোচে বোলে আমিএ লিখা। বোলে পুতখোৱা মদাহি কোচ, তই পূৰ্ব্বতো বেদ খোৱা ৰাক্ষস আছিলি, এতিয়াও ধৰ্ম্ম লোপ কবিছহি। আমি একোটা অক্ষৰ অনেক অৰণ, কাটি উলিয়াইছোঁ। তই ক ফলা পঢ়িব নেজান বত্নাৱলী চাব? বেচ দিলি খাব পায়েই বুলি খঙ্গি দূৰ কৈলে। তেহে কতো ঠাই নেপাই দামোদৰ ঠাইতে সোমালগৈ। গুৰু সোধাই পঠাইছে বোলে সেৱকৰ, গুৰুজনৰ, আমাৰ, বৰ্জ্জনীয় হলে তেওঁ ৰাখিব পায়নে? কলত দামোদৰে বোলে, তাবাক ধৰ্ম্মৰ মাধৱদেৱ আৰু দামোদৰদেৱ আচাৰ্য্য পাতিছে, এৰিবও পাৰে, সামৰিবও পাৰে, আমি তেনে নেএৰিবৰো সামৰ্থ নাই। সোমালেহিও খেদিব নোৱাৰোঁ, সবেও মোৰ আপুন ভকত বৰ। সেই ক্ৰমে কলেহি নাৰায়ণ শ্ৰীহৰি আছেএ। তেহে গুৰুজনে এক দৃষ্টান্ত দিছে। বোলে শতধনু ৰাজা অসন্তৰ সঙ্গে অভকতৰ ধূলা লগে পুৰোহিতৰ জন্ম লাগিল, কুৰ্ম্ম, বায়স, ষৰা, ছয় জন্মে ভৰিছে।

পাচ দিনা আহি সুবৰ্ণা ওচৰতে বুদ্ধি আনিলে জিতি-সুতীয়া ৰাজা বোলে মহাপুৰুষ গুৰু সোমালে আনিবা

বুঢ়ি। শুক শুনি বোলে গোপাল, কিনু বুইলা ? আতা পদ মাতিছে:—

হনুমন্তে বোলে মই সূৰ্য্য সম নিতে যাইবো।
গোসাইক জিনিয়া গৈ অন্ত গিৰি পাইবোঁ ॥

শুকজনে বোলে সি কথা সি জন্মতে গ'ল, অন্য কেউ নম্রতা বিভিচাৰ বাক্যৰ, মোৰ মহাপুৰুষ শুক শ্ৰীশঙ্কৰ কেউ ৰাখি যোৱা নাই, আগে তুমিএ নামিবা নে আমিএ নামিম ? বোলে বাপ, আমিএহে নামিব লাগে। বোলে নামা তেনো। তেহে নামিল। পাচে কিছু আছি শ্ৰীৰাম আতাৰ স্নেহ হৈ বোলে বাপ, গোপালটি থাকিল পানীতে। বোলে ৰাক, নাওঁ ৰাখা, সোধাগৈ জীয়া নে মৰা। আতা উঠি গৈ সুধিলে বোলে গোপাল, শুক যে এৰি গ'ল, মৰানে জীয়া ? তুমি নমালেই মৰিমনে, জীয়া! এই ক্ৰমে বৈ বৈ তিনিবাৰ সোধালে। তিনিও বাৰত তাকেহে কলে। তেহে শুকজন আছিল, পাও মেলি। আতা দেখে গ'ল হে এৰি। বোলে মাধদাসে ব'ঠাৰ পাতেহে বহিছে, সেইহে যদি গোপাল হয়, নালেৰেই ৰাম। সেইতে ভনিপুৰীয়া গাওঁতে উঠি থাকিল। তেহে আতা সদা সৰ্ব্বদা খেদকৈ মৌনে থাকে। আতৈ সবে বোলে এনেই থকা সজ নহয়, শুকজনক মতি বুলি সন্তোষ কৈলে হে সজ, বিভুষ্টে সংসাৰ। তেহে ভাবে তেতিএ চন্দা টকালৈ আতৈ সবেৰে দণ্ডৱতে কাতৰ কৈ পৈলগৈ। শুকজন সন্তোষ হৈ দায় এৰিলে। গৈ ন-বাৰি কৈ তিনিয়া তিনিবুৰি কলা পুলি কলে সমনীয়া। একে দিনে একেবাৰে সোক মেলি বুৰা হ'ল একে লগে। কাটি পকাই সতা পাতিলে ৰবকৈ শুকজনক [illegible] সবে মাতি বুলি নিলে,বাতি দিলে গাই-ৰাই পুৰন পুৰন কৈ। বহু অপাৰ -খাই আগমিলা নাৰত সবে। ৰজত সুৰ্ণ বস্ত্ৰ কম্বল শুক-তত্ত্ব-খান

দক্ষিণা সেৱা সন্ন্যাসকৈ পঠালে। পূৰ্ব্বৰতে আছি গৈ আছে।
আৰু লচাকনীয়া গোবিন্দ, তুমুনি পৰ্ব্বতৰ সমীপে থাকে।
লচাকনীয়া গোবিন্দ খটৱা গোবিন্দ, গোসাৰ গোবিন্দ
তাৰে পৰা আহি মহাপুৰুষক গুৰু বুলিলেহি। বুলি গুৰু-জনৰ সঙ্গতে ৰহিল। গৃহৰ পত্নী পুত্ৰ, দাসী, দাস সবেও ধৰ্ম্ম ধৰিলেহি। গুৰুজনক স্তুতি প্ৰাৰ্থনাকৈ আতৈক নিৰলৈ ধৈলে। গুৰু সিহঁতৰ কাতৰ ভাব দেখি বোলে যোৱা গৃহলকে। বোলে বাপ, গৃহ অন্ধকূপ চাৰি অহা গ'ল নেযাওঁ আৰু, এই তযু পাদপদ্মতে ৰাখিবহে লাগে' পাপীক। বোলে আমি পাঁচিছেঁ। যোৱাগৈ, সেৱকলৈ কৃষি কৰা যাই।
গৃহস্থ আৰু উদাসীন
বোলে বাপ, গৰু, গাহৰি, ভাৰ্য্যা পুত্ৰহে পোষা হব আৰু। বোলে গৃহস্থৰ ভাণ্ডাৰত অনেক এন্দুৰ শলিয়া, নিগনি আদি খায়। তালৈ কোনে আৰ্জ্জে? খাবলৈহে আৰ্জ্জে, সি মাজতে খায়। তুমি গুৰুভক্তলৈ আৰ্জ্জা গৈ। সিহঁত জানিৱা তেনে হ'ল খাব; একা দাসী দাস সৱক সেৱক কৰি দিব। আপুন প্ৰাণকো কৃষ্ণ পাৱতে অৰ্পিব। এই ক্ৰমে সবাৰে একে মন হৈ হৰিক চিন্তিলে সিহঁতে সমান ভকত হ'ল পোহ পালন কৰি এৰিলে, দোষ পাই, মাৰ কিল; বাক্যো বুলিব নপায়। এই খানিহে হে হুব লাগে। "হৌক বা গৃহস্থ, হোক বা উদাস হুইহানো হব নিচই। যোৱা আৰ্জি তিনি ভাগ কৰিবা, চাল, মাহ, সৰিহ, গুৰ, কছু, কোমৰা, কপাহ, ঘি পোৱা একভাগ ভাৰ্য্যা পুত্ৰৰ। এখানি মাও ভৰি বৎসৰি ভাত্ৰৰ গুৰু কীৰ্ত্তনত আহিবা। গৈ সেই ক্ৰমে আৰ্জি লৈ যাব চাবেক আহিল। তেহে গৈ গৃহ অন্ধকূপত মত পৰি পাহৰি অনেক মাচ পত, মাৰিব ধৈলে। পতত খাপৰ হা'নি বোলে গুৰুজনৰ আজ্ঞাত হে মাৰোঁ, মাচত পচা মাৰি যোৱাল গুৰুজনে মাৰে। হিংসা ধৰ্মত গুৰুজনে শুনি অসন্তোষ পাই বোলে, মই কাহানি মাৰিব দিছেঁ তাক? এবাৰ মাও ক্ষমালো গৈ, আৰ কিলে,

বস্ত্ৰ তুলিবলৈ নগ'ল। উঠি গল। গুৰুজনে পিঠি দি বহিল। বোলে অনাচাৰ কৰ তই, অপযশ পাওঁ মই? গুচ, তোৰ মোৰ দেখা দেখি নাই। তই আহ কিয়? শিষ্য বুলি কয় কিয়? যদি আমাক গুৰু বোল, ৰাজাৰ দোহাই, এৰা। বোলে তোম্ৰাক গুৰু এৰি যদি আনক গুৰু বোলো ৰাজাৰ দোহাই, তোম্ৰাহে মোৰ গুৰু। এনেকৈ তিনি বাৰ দুও জনে বোলা বুলি কৈলে। তেহে গুৰু, মহন্ত, গৰ্মলি, গৰ্জি সমুখতে বোলে, জান যে এনে অনাচাৰ কৰি ফুৰ কিয়? এই বুলি ঘোষা মাতি দ্ৰব্য বস্ত্ৰ তোলাইছে।

"মোহোৰ পৰম ঈশ্বৰৰ দুৰাচাৰোভক্ত সুহি নষ্ট, কিন্তু সিটো ভক্ত কৃতাৰ্থ আতি হোৱয়।" বোলে মোৰ শ্ৰীশঙ্কৰ-দেৱৰ শুদ্ধ মত ধৰ্ম্মত কুটা গুচাই শুদ্ধ সদাচাৰে প্ৰবৰ্ত্তি হিংসা-বৃত্তি এৰি নাম ল গৈ।

আৰু লচাকনীয়া গোবিন্দ আতৈ চাইছাবলৈ গৈছিল। ধনমেৰিয়া মুখতে বৈ ভাত খাইছিল কাঁহী, কলহ, লোটাটো দেখি তিনিকুৰি খাটে বেৰি ধৰি হানি মাৰিব খোজে। বোলে নেমাৰিবি সকলো পাবি। ভাত কেটা খাওঁপা। খাই সুবুদ্ধি দিলে। দি অনেক শাস্ত্ৰৰ সাখীৰে কৰ খৈলে— তহতে গো, ব্ৰাহ্মণ, ভক্ত, বৈষ্ণৱক মাৰি যি আন, সৰ জীয়ে কেনেকৈ? আৰ দোষ লব কোনে? নৰ্ক স্বৰ্গ দুখ সুখ কলে। সেইতে মন সোমাল। জীৱৰ নিকাৰ হৰি বিমুখৰ শুনি তেওঁকে গুৰু মানি শৰণ ললে তিনিও কুৰি খাটে। সেইতে দৰঙ্গাত সত্ৰ কৈ ব'ল খটৱা গোবিন্দ। দবজৰ খটৱা স

আৰু একদিনা ৰামচন্দ্ৰ ঠাকুৰ গুভক্তৰ মৰল গৃহে গৈছিল। তাত্তি, প্ৰাৰ্থী, সেৱকীয়া ভকত, ঠাকুৰত পাট ভুনি পাচা এজুাৰ দি পৰমাৰ্থ সুধিলে। পৰম ৰহস্য গুহ্য তত্ব টুকি আছিল। পাচতে গোপাল আতা পাই কহিছে। মৰলে

বোলে আতা ঠাকুৰে এই কথা খানি অনুগ্ৰহ-কৈ গৈছে, হয়, নহয়? আতা শুনি মনে ভাবি বোলে এনে পৰম তত্ত্ব পাই মুই মুই কৈ মোতে কৈছে। এই ক্ৰমে আনতো নকৰ? ভাণ্ড ভাঙ্গিবহে। এই গুণি বোলে—জানিছা মৰল, ৰামচন্দ্ৰ গোটেই বলিয়া, যেনে তেনে নলবা, পূৰ্ব্বৰ কথাইহে কথা, ই কথা নহয়। আহি পাই গুৰুজনক সেৱা কৈলেহি। বোলে গোপাল দহো বেলা হ'ল। বোলে বাপ, ৰামচন্দ্ৰে শিমলু নৌকাত নাহৰ কত্ৰৰ শাল মাৰি আহিল যেন তেন কৈ সোলোকাই মদাৰ কৰ শাল মাৰি আহিছো। তেহে গুৰুজনে ফকৰা দিছে—

ভাণ্ড পৰশি লৱনু সবা,
শিষ্য-পৰশি জ্ঞান কৰা,
প্ৰমাণ নকৰি যিটো হঠাতে কহয়,
গুৰু-দ্ৰোহ বিশ্বহত্যা তাহাতে লাগয়।"

পাত্ৰ চাইহে দান, ই ৰামচন্দ্ৰে মোক পাট পচৰা পাএ বেচি আছে।

খটৰাগোবিন্দৰ দণ্ড আক খটৰা গোবিন্দ আতৈ দুষ্ট দুঃসঙ্গৰ সঙ্গত পৰি শিক্ষা, জ্ঞান, গুৰুজনক পাসৰিলে। খাটে সৈতে জাল দি পশু দেখি খাপৰে হানি মাৰি ফুৰে। একদিনা সন্ধ্যা কুহিৱাবণিত জাল দি বৰা খেদিছে, ক'লা গৰু আছিল পৈল গৈ। পশু বুলি খাপৰ হানি মাইলে। গুৰুজনে শুনি বৰ্জনি কৈলে। খাটে সৈতে গোবিন্দ গৈ প্ৰাৰ্থনা কৈলে দণ্ড দিবলৈ, গুৰু নেৰাখি, নচালে। উপায় নপাই সবাতে থৈলে। এদিন নাম অৱসানে সবেও গোবিন্দৰ হৈ প্ৰাৰ্থনা কৈ মাভিলে, দণ্ড লৈ ৰাখিবলৈ। বোলে বাপ, আমি যেনে দাস শিষ্য, গোবিন্দো তেনে, ৰাখিলে সৰু। গুৰুজনে বোলে, কিয় বোলা? শ্ৰীশঙ্কৰ দেৱৰ তুমি আমি সবে শিষ্য, মোৰ সঙ্গী, তোমাৰ ধাম চৰণ হে শিষ্য।

গোবিন্দ একো উপায় নেদাই গল। গুৰুজন চলিলত ৰাম-চৰণ গোসানীত পৈলগৈ চাৰিশ টকা লৈ। তেহে গোসানী, ৰামচৰণ ঠাকুৰে থৈলে চতুৰ্ভুজ ঠাকুৰদেউক। বোলে এ চাৰি হাতে মাৰি গৈছে, মই দুহাতে কেনেকৈ তুলিম ?

আৰু একদিনা মনুষ্যৰ ৰূপ ধৰি নাৰদ যায় বামুনা ফাললৈ। বাটত প্ৰশংসা কৈ গৈছে শঙ্কৰ মাধৱ তুমি কৈ ঈশ্বৰ হোৱা, পূৰ্ণব্ৰহ্ম। আৰু ই ৰাজ্যৰে বুঢ়া ভকত ৰযাই গুৰু ভিক্ষা লৈ গৈ পুলি ধানে বাট যাবলৈ হাক দিলে। তেও গলত ভকতৰ দেখি খিৰামবলৰ দুই ভাতৃ মুকুন্দ মাধৱে ধৰি গলে দলি মাৰি দি পকাই ফুৰালে॥ পৰি আঠুৰ ছাল গৈ গুৰুজনক দেখালে কান্দি কান্দি। দেখি খেদকৈ ঘোষা মাতিলে,

> হৰিৰ পৰম প্ৰিয়তম নাই
> নিজ ভকতত পৰে।
> হেন ভকতক যিজনে নিন্দয়
> হৰিকেসে নিন্দা কৰে॥

বোলে তোমাক কৰা নাই, আমাকহে দুখ দিছে। যি ৰাজ্যত ভকতক দ্বেষ কৰে তাত ৰবলৈ নহয় সজ। তেনেতে আছিল মহা ৰঘু ৰাজা। কথা শুনাইছে সত্ৰে পূজা কৰক বুলি। দুও কথা লাগি গুৰুজন কষ্ট পাই মৌনে দুখ মনে আছে। সেই নিশা স্বপ্নত দেখে মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ সুবৰ্ণৰ জখলা মানিকে হিৰা খচিত বৈকুণ্ঠতে দি নামি আছিল। কণ্ঠ দিলে, তাতে ৰহি অনেক পৰমাৰ্থ দুখ সুখ কথা কৈ আশ্বাস সম্বোধন কৈ যায়। গুৰুজনো গৈছে পাচতে উঠি। বোজনতে চাই বোলে ৰবা পো কিয় আছিলা ? বোলে এ বাপ, দুষ্ট বামুণৰ নিন্দা বাদে সূচকৰ মিমিতে প্ৰাণ দহিছে, লৈ যক। বোলে এ বাপ পো, ... জীয়ৰ দুখ। ৰঘুৰাজা

নাৰ মাছ কমোৱাদি কমাইছে, তোমাত হস্তে আমাৰ ভাগ জীৱ অত উঠিব লাগিছে, তোম্রা পৃথিবীৰ কল্পতৰু ভক্তিবৃক্ষ, অনেক শাখা ডাল পত্ৰ বাঢ়িব। সেই সবেও ভক্তি যোগ জ্ঞানকৈ অনেক তাৰিব। এতেকে বঢ়া পো, তোম্রা পৃথিবীত থকা যাক বৰ্ষাচাৰেক। বোলে বাপ, ব্ৰহ্মাণ্ডৰ জীৱৰ গুৰুতৰ গুৰুভাৰ দি তোম্রা গা সাৰিল, ভৰত শ্ৰেষ্ঠা নেপাওঁ, সহিব নপাৰোঁ একোৰূপে একলে। বোলে মই এজন পুৰুষ পঠাম গৈ ভাৰ ধৰা, পাতঙ্গ হব ; তোম্রা থকা যক। তেহে অভয় পদত মাথা দি সেৱাকৈ গুৰু বাক্য শিৰে ধৰি আছিল নামি। তেহে চেতন লভি গুৰুজনৰ গুণ বৰ্ণাই ব্যাকুল বিহ্বল হৈ প্ৰেমত মজি কান্দি ঘোষা পটল কৰি গাই দুখ নিবেদন কৰিছে।—

> এ হৰি হৰি হৰি হৰি
> হৰি হৰি হৰি কি কাম কৰিলোঁ আমি।
> তোমাক নভজি সাধু সঙ্গ লৈ ভৈলোঁ কিনো অধোগামী"

—এই ৰূপে গাই কাতৰকৈ কান্দোতেই নিশা পুৱালগৈ। প্ৰাতসে ঠাকুৰ আজ্ঞা পাই অভয় পদত সেৱাকৈ ৰহিল। সেই বেলা গীত কৰি গাইছে—

> নাৰায়ণ মাগোঁ চৰণে সেৱা
> ই তিনি ভুৱনে তুমহি ঠাকুৰ
> নাহি জানত মতি সেৱা।"

বোলে সখি, আজি এক স্বপ্ন দেখিলোঁ। কলিতা জিৰ। বোলে বাপ বাপ উঠিব, জিব পাৰোঁ। বোলে তোম্রালৈ যে উঠিব ৰূপে স্বপ্ন, বোলে বাপ, তোম্রা গুৰুবাক্য এৰা গ'ল। তেহে গুৰুজনৰ বাপেই নাই, জলত যেন অগ্নি উঠে। আজ্ঞাৰ বাক্য ৰাখি বাপকৈ বোলে অ' ৰুটিৰ ন-টা কথা। তালেহে বলিয়ে বোলে মই হেৰুলাটী, তুমি হে উদুৰাই কথা আমক বোধা

আপোনাৰ ভবি আৰ কৰি পৰকেসে বোলে গোখা” গাৰ দোষ কোনে দেখে পা। তোৰ নল ধৰাই লৰা নধৰে, আৰু জোকোৰা ভাত খাই ঘুমাই গুৰু বাক্য ৰাখিছ? আমি গুৰু বাক্য ধৰি গীত, ঘোষা পদ, নাট, ভটিমা ভক্তে সৈতে নাম ধৰ্ম্ম, মোৰ নিশা নিদ্ৰা নাহে, গুৰু বাক্যত কেনেকৈ ৰক্ষা-পাওঁ, বয়, বুলি, তেও মএহে এৰিলোঁ? আতা বোলে মই আগেই কওঁ বাগ উঠিব বুলি। তেহে শান্ত হৈ সেই বেলা ঘোষা মাতিছে—

মই অজ্ঞানীৰ যতেক অজ্ঞান হৰি হৰি হাৰএ
ইটো মোৰ ঘোৰ দোষ পৰিহৰাএ।

বোলে সখি, আমিনো কোনখানি গুৰু বাক্য এৰিলোঁ? বোলে তোম্রা যি কেৱল ধৰ্ম্মক ধৰিছা, গাইছা, আৰ মোলক কোনে জানি ধৰিব? তাতে আতা ছুটা দৃষ্টান্ত দিছে, বোলে এক সদাগৰে বণিজে গৈ এক লাখ টকাৰ জাতিহিং আনিলে। তাৰ বাতিতে ছুই তিন টাকা যায়, মোল দেখি ধৰোঁতা নিওঁতা নাই, আছে পৰালি পৰি। তেহে এক বুদ্ধি-মন্ত গজে খটুৱা ধৰাই বুদ্ধি দিলে হস্তীৰ কুম্ভ থলে মাৰিবলৈ। সেই ৰূপে থলেগৈ 'সেই নিশ্চই হস্তীক মাৰি খাই তেনেই হিংময় হ'ল। নিশাই সদাগৰে আনি বিকিব খৈলে, ছুখী, ভিখী, বাৰীএও দহৰা পাঁচৰা দি নি পচলা খায়। মূলে ছুনা লাভে তিনি গুণ হ'ল, পালে। এতিয়াও তোম্রা যি জাতি হিঙ্গ ধৰা গৈছে শুদ্ধ সৰ কেৱল ধৰ্ম্মক আৰ মোল জানিব, দিব, ধৰিব, কোনে? এতেকে ৰাজে হাতী হিঙ্গকৈ ৰবৰৰ গায়ন বায়ন, নটুৱা, যাত্ৰা, মহোৎসৱ, ভাৱনা, [illegible]ৰ কৈলেহে তাকে চাই দেখি আহি গৈছে পৰমাৰ্থত লা[illegible] [illegible]ৰ। এইৰূপে থাকিলে দামোদৰে দেশ চলাই নি গুৰুধ[illegible] [illegible]হলে লোপেই হবগৈ। বোলে সখি মোক পূৰ্ব্বে গুৰুজ[illegible] [illegible] কৈ গৈছে

কেৱলধৰ্ম্ম সম্বন্ধে দৃষ্টান্ত

ই কামলৈ ৰবধৰ, বৰমেল, নায়কী এইভোৰ। বোলে "হৰি ভকতিৰ পাতিলন্ত হাট শঙ্কৰে জগত জুৰি। ৰাম নাম বস্তু, বেসায়া জগতে, চলয় বৈকুণ্ঠ পুৰী ॥" পূৰ্ব্বেই গুৰুজনে মোৰ হাট দোকান পাতি গৈছে তোমাক অধিষ্ঠাতাকৈ। তাতে তোম্রা হাট খোৱা পাতি বঢ়াবহে পায়। ভাগিলে ৰজা ধন, জীৱ কিহেৰে শোধাবাগৈ? এতেকে এইখানি আমি দাসে গাত লৈছোঁ, গুৰু যশ, ধৰ্ম্ম বাৰক, গৃহস্থত প্ৰাৰ্থনা কৰিমইঁক। বোলে এ সখি, সহায়, সাৰথি নাই, মইনো একলে কি কৰিম? বোলে বাপ, আপুনাৰ আজ্ঞাহে লাগে ভৃত্যক, সাতদৰিয়া মই জৰকা তৃণ স্বৰূপ, আপুনি বাৰও অগ্নি বহি ঠাইতে দাহ কৰা যক চিন্তা কি? আনন্দ সুখকৈ গ'ল আতা সেৱাকৈ। তেহে পূজাৰ খেদা টকনা টান হ'লহি বিচাৰ, ভকতো নাম গাব নপাৰি গাঞে গিৰিএ গ'ল দিশা দিশি। গুৰুজনে বোলে ভকতকো দ্বেষ কৰে নামেই। এই উপদ্ৰৱত কোন থাকে আত, গুৱাকচালকে যাওঁ, চিবাম কি বোলানো? বোলে বাপ, সজ তেনো, ভাৰকে বান্ধা। আতা বান্ধি উলিয়াইছে। তেনেতে বুঢ়া আতা পাই সেৱা কৈলেহি, বোলে গোপাল আবোলাই হে যাব লাগিলইতে, বাক হ'ল, পালাহি। বোলে বাপ কলৈ? বোলে আত যে বৰ মুৰাৰি গুৱাকচা বামচন্দ্ৰ তালকে যাব খুইছো। বোলে বাপ বোৱা যক। বহু গুৱা ভোজন কৰিবলৈ পাব, পশু মাংস ভোজন কৰিবলৈ পাব, এ ভকতবহে জৰত লাউখোলা যেন মুৰ, টেকেলি যেন পেট হব। এনেকৈ বুলিএ ভাৰখানি লৈ উঠি গ'ল। শ্ৰীৰাম আতা বোলে বাপ, ভাব নিলে। বোলে লোটা, বাটি উটি, আজত পাতি সকলো নাছিল? বোলে আছিল, গ'ল্। বোলে তেনেহলে আনিলো কিহেৰে যাব? কলা-ভলকে যাওঁহক। লৈ দেখে বাটৰ ৰামতো নাওখানি হেচুকি থৈ লৈছে। পাএ

ন গৃহ এটি আছিল, আঠাৰ জনে হাতে হাতে ধৰি বেৰিলে, তিনি পুলিকৈ, চাউল সিজোৱা, শৰণ কৰা, যহা, নামগোৱা। কৰি এওঁাইছে, গুৰুজন গৈ সোমাইছেও। সন্ধ্যা হ'ল, গুণ, গীত গাই প্ৰসঙ্গ কৈলে। আঠাৰেও জনে পদ গাইছে, লক্ষণে ওজা শিশু লীলাৰ। গুৰুজনে লোটক টুকি মৌন হৈ নমাতি আছিল। আমাৰ কিলবে বৈশ্য কৈলে। এই বুলি ওজাক মাতিলে। কীৰ্ত্তন থৈ আতা সমে পৰি সেৱা কৈলে। গুৰুজনে বোলে আজি যেন প্ৰবাসলৈ আহা নাই হে, সুন্দৰীতেহে আছোঁ।১ বোলে আমাক যেনেকৈ সন্তোষ কৰাইছা তুমিও আমাৰ ভক্তি-বস্তুৰে সন্তোষ লভিবা। এই বুলি আশীৰ্ব্বাদ কৈলে। প্ৰসাদ আতা বাটি দিলে। গুৰুজনে বোলে গোপাল, প্ৰসাদ আমাৰ দহোঁ নিদিলা? বোলে বাপ তোম্রাক আমি কি সাহেৰে দিম, কাহানি দিছোঁ? বোলে লৈ আহা। বোলে নাই আৰু, দিলোঁ বাপ। বোলে ড্‌কলিটি লৈ আহা। দিলে। তাকে চকিয়াই জোকাৰি চাইটিমান ভোজন কৈলে। তাতে এক পক্ষে বহি একদিনা গুৰুজনে বোলে গোপাল, নাম গাবলৈ বৰ ঠেক পাওঁ। এ ফেৰি হৰিমন্দিৰ কৰিব লাগিল, কিবা বৰই পাবোঁ, দেখোঁ ঠাএই নাই। বোলে বাপ, উদঙ্গ আৰু নাই পাবলৈ। আমাৰে পেহা পেহী হয়, বাম লাকৰা বুঢ়া বুঢ়ী, বজা বাৰী বৰ বাৰীখান, দিএনিকি আপুনি ধৰি চাব। তেহে বুঢ়াক মতাই আনি বোলে বুঢ়া, তোৰ বাৰী এচুক দিব পাৰ, হৰি-গৃহ কৰোঁ? বুঢ়া বোলে বাপ, অপুত্ৰ দুটি প্ৰাণী, তাতেহে জীয়েঁা, খৰি-কাঠডাল বিকি, দিলে আৰু জীৱৰ উপায় নাই আৰ। তেহে গুৰুজনে গীত কৰি মাতি শুনালে নিৰক্ত সপাই—

সুস্থ ভাই হৰি গুণ গাই নাচা।

কোন দিন চলি শবীব পবয়,
এভো বাট চাই—আছা।

বোলে তোমাব চাউল হব, মোব শ্রীশঙ্কবদেউব প্রসাদত জীব পাবিবা। আত শত সহস্র নাম হব নিতে, জীৱবো কুশল হব, চাউল কানি যি হবই। চিন্তা কবা কিহলৈ? বুঢ়াই বোলে বাপ, দিছোঁ আক। বোলে দিছাহে হয়, তুমি আছা অভজনে, হবি বিমুখব তুমিও হবিমন্দিব কবিব নপায়। বোলে বাপ, কাইলৈ লমহি। ব্যৱথা কৈ পঠালে গুৰুজনে। সেই ক্রমে উপাসে ব্রতে থাকি পাছ দিনা মহাপুৰুষক গুৰু বুইলেহি। বুঢ়া আতা গ'ল ঘৈয়াখান লৈ গাচ নির্জন। সকভোবত দোকোচাবে কোব মাৰি বব গছ কাটি পেলাই দিএ। সি সৈ সকভোব দলি নিএ গিব গিব কবে। বুঢ়ীএ এটাহ পাৰিব ধবে। গুৰুজনে বোলে জীব পাবিবা থাকা। গুৰুজনে বোলে খুটা চ'তি মাবলি ডাঙ্গ বাখিলে, গুৰু জোখা দিলে। জোখাকৈ এটাই হল, এটা চ'তিহে নহ'ল। বিচাব কৈ আনিলে এক গৃহস্থব বাবী খুজি কাটি চাচি আনি জুখি চায়, এহাত কম হ'ল। ·কলেহি গুৰুজনত বোলে বাপ, বহু শ্রমকৈ চ'তিটো কাটি চাবি অমা হ'ল পুৰুষার্থ কৈ এহাতব কম হ'ল। বোলে সজকৈ জুখি চাব লাগে। বোলে বাপ, জোখা হৈছে, কত গুলাব আক তান্ত? বোলে শ্রীবাম চাওঁগে আহাচো। গুৰুজন গৈ পদ পঙ্কজে পবশি বোলে জাখা চোঁ চাওঁ। জুখি চাই দেখে এহাত বঢ়াছে হ'ল। দেখি সকলো আশ্চর্য্য অদ্ভুত হৈ বাম হবি সুমবিব ধৈলে। শ্রীবাম আতা বোলে ছহাত কাঠ বঢ়াইছে, আত কি আশ্চর্য্য মামা ইক, যাক বাম ভবিএ ছুজুবিলে প্ৰস্তৰ বাড়িবলৈ সিহে আশ্চর্য্য। দখিণতে পর্ব্বতীয়া ককাই আতৈক অনালে! তেওঁবে বেটা বাম কাবিকব, বিভীষণ আতৈও মাছে, তিনিও সূতাব—

লাগিল। বিভিষণ আতৈক বোলে এই বড়া চ'তি হাত কাটি এখানি পীৰা কৰি দিয়া চাউল সিজাবলৈ। ঘিলাখুৰীয়া কৈ কাটি চাচি দিলেনি। চাই গুৰু জনে বোলে সজ হোৱা নাই আৰু চাচা গৈ। অল্পমান হাত দি ফুৰাই দিলেনি। বোলে আৰু কিছু চাচা। বোলে বাপ, আমি চাচিবলৈ নাই আৰু। আনি জাওঁ ফুৰাই দিলেনি। বোলে বিভীষণ, এতিয়া এৰা। আগৰ বাৰেই হ'ল, তেওঁ যে তিনিবাৰ চচালেঁ। এ বোলেঁ। ভক্তি বস্তু যি সবে কৰ মন বুদ্ধি লখি তিনিবাৰ পাটু লিখিহে কৰ? এক আহিঁ কৈছে। বোলে আদি নিৰঞ্জনে মহামায়া প্ৰকৃতিক বাজ কৈ, অণ্ডজ, স্বেদজ, উদভিজ, জৰায়ুজ, উৰণ, বুৰণ, গজন, ভ্ৰমণ, চাৰি মুঠি জীৱ হাতে দিলে। মায়াত ঘূৰি আয়াযাত কৰিছে। পূৰ্ণ পুৰুষৰ হস্তে যি সৱ অংশ-জীৱ আহিছে, হৰি ভক্তি, হৰি-গুণ গাইছে, তাৰে চাৰিবিধ উৰণি, জিৰণি, চুপনি, মাখি। উৰণি বিধে ভক্তি ধৰিবও এৰিবও, মহা প্ৰলয়কে সীমাকৈ উৰি ফুৰিব মৰ্ত্ত্যবাস দুখ ভুঞ্জি। জিৰণি বিধে একা কিছু কথা লভি শ্ৰদ্ধা নিছই নাই, এৰে, পুনৰ এজনত সোধে, তাতে কিছু বুজি চাই এৰি উৰি আকৌ এজন ভজি চাই গৈ। এই ৰূপে ফুৰে। চুপনি বিধে একা গুৰু মুখে গুপ্ত ৰহস্য একলা বুজি-পৰি তাতে চুপি চিন্তি ভাবি গাই স্মৰি পৰম্পদ বৈকুণ্ঠে যায়। মাখি বিধে একা উৰি ফুৰে নিন্দা বাদ, ঈৰষা, অসূয়া, পৈশূন্য, টৌটক এই ক্ৰমে। এতেকে মোৰ মহাপুৰুষ গুৰুৰ শুদ্ধ মত ধৰ্ম্ম পৰীখি কৰ। সেই আহিঁৰ পৰাহে এতিয়াও আছে। বৰপেটাৰ মঠত আসন, খুটা, চতি সকলো হ'ল। হেৰেৰামলে বাৰ্ত্তা দিলে খৰি, মাটি, বাহপতা, বাজিচন্দ্ৰা, আনিবলৈ। খৰাই, হৰি কৃষ্ণাই, মাধ তিনিও আতৈএ আনিলে। অনন্তপুৰ তাভাৰিক বোলে সজকৈ খপৈ, কাকো নিদিবি। হৰিচন্দ্ৰ বৰপেটাৰ মঠ

ঠাকুৰে তাৰে এখুটুৰি নিলে। মনপূৰে হাক দিলে, নগনি গুৰুজনত কলেগৈ বোলে বাপ, ঠাকুৰে খৰি মাটি নিলে আপুনাৰ কথা কৈ। হাক দিলো, তেওঁ নিলে মই কৰিম কি? বোলে মাটি দি তাকে কৈছেহি? বোলে বাপ, কাঢ়ি লব পাৰো-নে? বুইলেও লাগিব বোলে যা, ঠাকুৰে মাটি একেৰা নিলে, তাকে কৈছহি মোত। অ হৰিচন্দ্ৰ, পুৰ্ব্বোত্তমে একালনৈ বিলন দিব মুৰাৰে হবলা আমাক? তেহে ভু পাই গুচি আহিল। তেহে সকলো হল; বাঁহ নাই। উত্তৰে বজালি পৰঙ্গনাতে গুৰুজনৰ মমায়েক হয় সমন্ধীয়া হয়, ভক্তে সমে নাৱেৰে গুৰুজন তালকে গল বাই লৈ। পাই উঠি বহিল গৈ। বুঢ়াই সেৱাকৈ সুধিলেহি বোলে, এটি হৰি মন্দিৰ কাৰব খুইছোঁ, আমাৰ ফালে বাঁহ নাই, বাঁহ কিছু দিয়া, তাতে আহিছোঁ। বোলে বাক কিছু নিয়ক। বুঢ়া আতাক টিপাই দিলে বোলে তমালহে এৰিবা, পৈনতখানি কাটি একেবাৰে উলিয়াবা। আতা আতৈসবক লৈ গল। মোমাই বুঢ়া খানি এটিও নেৰিলে। বুঢা বুঢ়ীএ দেখি আটাহ পাৰিব ধৰিলে। সেইখিতে গুৰুজনে ঘোষা মাতিছে-

শিশুৰ বিষয়-আশা আগ…।
বালকে কৰোক বহু মান,
যুবায়ে সেবোক পাবে মান,
ভোগ কৰিবাক নপাবয়, তথাপিতো আশা
নচাবয় হৰি হৰি—

"দশন-বিহীন কুৰ্দ্দা যেন" এই তিনটা ঘোষা মাতি খেদকৈ বোলে যেহা পৰে কাহানি, বাঁহলৈ কান্দা? ই কটাৰ বংশ, গোবে মাটি দিবা। ছুই বৰ্ষে পূৰ্ব্ববত হব। বোলে গোপাল। জেদ খানি ভিতৰে মুমাই দিয়া। যি বাঁহ উলিয়াই ভুল বাছিলে। বুঢ়ী দুইতে গৈএ তকতলৈ গুনি

কৰাই খুন্দিব দিছিল। বাঁহ কাটিলত বুঢ়ীএ চুকঠিমানৰ দিলে খুন্দি, তাকে লৈ উঠিলহি, গুৰু ভকত নাও ভুৰে বোলে বাপুসব, গুৰা ভোজন কৰা হঁক। বোলে সেইকেটা কাৰ নাকত দিম, কোনে খাব, কোনে চাব? বোলে ছুটি চাইটিকৈ পানী সৈতে খোৱাইঁক। সবেও পৰি বুৰ দি গামচা পাতিলে, গুৰুজনে দিব খৈলে, খাইছে। বোলে কাক লাগে? বোলে বাপ, সবাকে জুৰিলে তত উকালহে হব আক। ভুৰ মেলি আছি ৰবপেটা পাই তুলিলে। ফালি কৰা কাৰি কাঁৰ গোৰালে, তুলিলে, খুই শুকাই ৰজাকৈ বোলালে। খুটা পুতি চতি খুৱাইছে। এটা চতি ঠহ ধৰি নোলাইও নোসোমাও। গুৰু বোলে যদুমণি, কি কৰিব পাৰা? বোলে ভাল আপনাৰ প্ৰসাদে চাওঁ। চাঙ্গে উঠি গৈ কাপ পাতি খৈলে। দাঙ্গি পৰ্ব্বতীয়া কৃষ্ণাই আতৈএ কৰতে বেঁপি কাটি খুৱালে। গুৰু বোলে বিষ্ণুৰ বেটা ভীমৰ সদৃশ বলে নেপা। বোলে বেল কিছু লাগিব। বুৰাএ ভাগৈ চকীয়া মাজিৰ বাৰীৰ পাৰি এপাচি পকা বেল যুৰতকৈ আনি থোলে, কোনে ফল লয়। গুৰুজনে বোলে হামু লৈবেক। যুৰতে এটি এটিকৈ দি আছিল। গুৰু হাতে লৈ থৈ নিছিল। বোলে গোপাল, তোমাক মহোঁ আমি পচা নাই? বোলে বাপ, ভৃত্যাক কিয় পাচিব লাগে? কাক লাগি নো কোৱা গৈছে। বোলে গোপাল, যাৰ যত নিচই পৰি মানিব, মনৰ মনক বুজি নপচাকৈ যি কৃত্য সেৱা বন কৰিব সেই জন উত্তম। পচাত যি কৰে মধ্যম, পচাত যি নকৰে প্ৰাকৃত মোকৰ কলো সেই তাৰতম্যে পায় গৈ। এ বেল আনি যেনেকৈ আমাক সন্তোষ দিলা, তুমিও আমাৰ ভক্তি বছৰে সন্তোষ লভিবা। তেহে কৰা পাৰি গছিয়াই সিজনী পাৰিলে। কালে পাৰ্ব্বতী খুৱাই হঁল। যুটিক চক আনি বাম যি [illegible]।

উত্তম, মধ্যম কৃত্য

আঠ নলতে গুৰুজনে ঘোষা কৰি মাত্তি তিনটি মাৰ মৰাইছে একেবাৰে—

"গোপাল গোবিন্দ হৰি ৰাম ৰাম।
ৰামকৃষ্ণ ৰামকৃষ্ণ ৰাম ৰাম।"
"পৰম পুৰুষ শিৱ সনাতন।"
"অনন্ত অচ্যুত নিত্য নিৰঞ্জন।"

হ'ল। তাত কুদ্ৰাক্ষৰ জালা দিলে, ৰাঙ্গপতা, বালিচন্দ, মোৰি এটালে। গোটে গৃহ ৰজত সুবৰ্ণৰ যেন হ'ল। বিচিত্ৰ

ৰঙ্গায়ন দাম গৃহ নিৰ্ম্মাণ

ঘৰ হ'ল। বিভীষণ আতৈ, পৰ্ব্বতীয়া কৃষ্ণাই আতৈ, দুই কাৰিকৰে পাতদ্বাৰত লতা ফুল কাটিছে। গুৰু দেখি বোলে কি কাটিছাহক? বোলে বাপ, লতা কাটিছোঁ। বোলে বাৰু তোমালোকেও লতা কাটা, আমিও লতা কাটি ঈশ্বৰৰ

লতাকটা ঘোষা

গুণ বৰ্ণাওঁ। এই ঘোষা কৰিছে—হৰি হৰি হৰি হৰি হৰি হৰি হৰি হৰি এ—"

তাৰা দুএ বোলে বাপ, আমি যি লতা কাটিলোঁ, কাইলৈ ঘুনে খাব, তোম্ৰা অবিনাশী ব্ৰহ্মৰ লতা গন্থা গ'ল অনেক জীৱ আতে ধৰিব, পৃথিবী, চন্দ্ৰ, সূৰ্য্য থকালকে জ্বলি থাকিব। তেহে জয় বিজয়, কাটিছে, দ্বাৰপাল। দুটি দুৱা চাই বোলে জয় হৰ লাগিল ইকাল, বিজয় বামে, নহল দামোদৰ বলাই। গুৰুজনে চাই দেখে, হয়। গোপাল আতাক বোলে তুমি দামোদৰলৈ আশা নকৰিবা, বুঢ়া আতাতো কলে চিৰ-কাল নৰহে। দুও অন্তে গ'ল। জয় বিজয় আছিছিল।

আৰু একদিনা গুৰুজন আগে উঠা পৰত বেলা হ'ল আজি। আৰু আৰৰা মধুআতৈত কটত পাও লাগিল বৈকুণ্ঠ

গুৰুজন অপমান

আতৈৰ। আৰৰা দেখি অৱহেলাকৈ নকলে। পাচে তেওঁ খাৰ তুৰ বোৱাৰি থীনাই গ'ল। এক দিনা গুৰুজনে দেখি বোলে তোমাৰ কি হ'ল? বোলে বাপ, তুৰ খাৰ বোৱাৰী,

ব্ৰহ্ম অগ্নিএ পোৰা দি পোৰে। বোলে মন কৰাচো ভকতত কিবা অপৰাধ হৈছে বা? বোলে বাপ, আৰম্ভা মধু আতৈৰ কটত ভৰি লাগিল, সেৱা কৰিবলৈ নহ'ল হয়। বোলে সেয়েহে, যোৱা, পচৰা, কাপোৰ এখনি দি মাতাগৈ কাতৰ কৈ। সেইৰূপে দি মাতিলত তাপ পোৰণি গুচিল। তেহে আৰু একদিনা বুঢ়া আতাৰ পত্নী আএ বলাইক আনিলে স্নান কৰাই দৰা। গুৰু জনে কোষ জুৰি পিন্ধি শয়ণ কৰিছে। কচুপাত দি পাচিলে, কোষ জুৰি সোলোকাই পাততে খৈ বাৰে মাটি একেৰি আনি পাৱতে ঘৰি পাতটি তলে পাতি কমণ্ডলুৰে জল এতুপি বাকি দি আনগৈ বা। আই মঙ্গলা মুখে আছেগৈ। তেওঁ গৈ কোষ জুৰি সোলোকাই বাৰ মাটি আনি ঘষোতেই গুৰুজনে হাতে চাব দি ধৰি বোলে—"আলো শুন গোৱালৰ জায়া, এনেয়ে গোপাল। হামাৰ গাএ ধূলা দিলে তোমাৰ ছৱাল।" সেই বেলা গীত এই কৈলে। আএ ত'ৰতে স্তুতি কৰিব ধৈলে, বোলে বাপ, আমি দাসী বান্দীত হে অপৰাধ। এৰিলে তেহে। তেহে বঙ্গায়ন গৃহ চাৰলৈ দেশৰ প্ৰজা ভাগি আহিব ধৈলে, নিতে কৰি উপাধি দ'ম হয়, চাটু, লোক সব শৰণ লব ধৈলে। এশ ছকুৰি একেবাৰে আঠু পাৰেছি। সবাৰে আগে আতা আঠু পাৰে। গুৰুজনে আতাত গুৰুবাক্য মাতে, আতা সিহঁতত মাতে। সেই ক্ৰমে হৈছে। গুৰুজনৰ লগৰ ছয়কুৰি ভকত ভাৰ অনা কানু মাৰিবেই জাবে ভাত খাবলৈ খৰি নি তবনিতে আগে অহা সবে আলহি পোহা গৃহে খায়, কীৰ্ত্তন ঘৰে শোত্ৰ, পাচৰ সব সিধালৈ উপাসে ঠাই অভিয়ানে। এই কথা গুৰুজনে শুনি বোলে গোপাল, তুমি এ অতিথ ভকতৰ পাগ পাত্ৰ গুচাই দিবা, পাচৰ সবে ভোজন কৰিবলৈ। বুঢ়া আতা গুৰু বাক্যে মহাপুৰুষাৰ্থে কৰিছে কতো দিন। দেখি ভকতে

অসূয়া কৰে। বোলে এইটো আৰু একো নাই, গোটৈ ৰোল মোল চুৱা পেলাব য়াৰে হয় তাৰে, বৰবানি আওতাৰ হুলবলকে, খাৱ, শুৱ, নাম গুণ একো নাই আৰু, এৰিলে। এনেকৈ বুলিবৰ আতা শুনি কল থহুৰাৰ এখানি কটকৈ নাম গাইছে। আকৌ হ'ল আলহি ঘৰ বাট পন্থ বৰবানি চুৱা, ভকত গ্ৰামী সব আহি লঘনে থাকে। একদিনা পৰম চতুৰ্ভুজ আতৈ আহিল, চাউল চক দিলে' ঠাই নপাই কীৰ্ত্তন গৃহে শুই. থাকিল। বিহানে গুৰুজন গৈ দেখে চক চাউল শিথানে আছে। বোলে কালি ভোজন কিয় নকৈলাহঁক? বোলে খাবলৈ ঠাই নাপালোঁ। অথিত ঘৰে গলু, চুৱা চক তক তেনেই আছে। বোলে গোপালক কৰিব দিছিলোঁ। দহোঁ এনেহে ললে। ভাগৱত লৈ দণ্ডৱৎ হৈ বোলে বাপ, ঠাকুৰ জগন্নাথ গুৰুজনক বোলে তোম্ৰা সাখী হৱা, ক্ৰিয়াকৈ বোলে ভক্তত শৰণ। গুৰুজনে বোলে দেউ থাকিল. নাম থাকিল, ভক্তহে ললা দহোঁ? বোলে বাপ ই দায় অৰ্জ্জুনক ধৰা যক। "কৃষ্ণক পাইবাৰ জানা ভকতেসে পন্থ।

ইয়াক কহয়ে গীতা ভাগৱত গ্ৰন্থ॥"

আকৌ ললে নামত। বোলে ঈশ্বৰ দহো থাকিল, নামত যে ললা আগকৈ? বোলে এই দায় হনুমন্তক ধৰক। "হে হে ৰাম, তোমাতো অধিক নাম।" ঈশ্বৰত শেষতেহে ললে। তিনি শৰণহে ললে। তেওঁ হৰি হৰ আতা ভাগৱত মুগুনে। পৰিচৰ্য্যা কৰিছিল তেও আতা মুগুনে। মৰ্ম্ম ধৰাতহে শুনিছে শ্ৰদ্ধাৰে।

ভাটোকুচীয়া আতা

আৰু ভাটোকুচীয়া আতাৰ উপৰি বংশতে টৈপাই কাথৰ ঘৰ বুলিছিল। তানে পুত্ৰ বংশধৰ চিৰামথা, তানে বেটা বিৰাম খা, তানে নন্দন হৰাম খা, তানে সুত গাভুৰ খা, তানে গৰ্ভে নীলা কাথ তানে সন্তান টৈপু কাথ, তাহু

চতুৰ্ভুজ, টেপুৰ বেটা আতা। বঙুকাত গ্ৰাম দেশ আছিল। বাৰে ভূঞাৰে জীয়তি, পুৰতি জাতি ইবাৰে পাচতে আছিল উজাই। হাতীধৰা জগৰত চোট আতাক হৰি জমাইক নি ছেদিলে। ছমাহে ৰাখি পঠালত গুৰুজন খেদকে বৰগীত সুধি ৰাতিএ ভটিয়ালত যি ব'ল শুনা পাই পাছত যাই বুলি স্বৰ্গনাৰায়ণ ৰাজা সভাই কেমেৰা চাউডাঙৰ বৰা দি উজাই নিয়াইছে। বুঢ়া আতা চাউল ভিক্ষা গ'ল। বালিহা গ্ৰামৰ কঠালকুচীয়া বামুণে চাউল লোন দি বুদ্ধি দিলে, উজান দেশ কটকিনা, দুখ পাবা, ৰব পাবা যদি পৰাখানি আমি শুশ্ৰূষা কৰিম। তেহে গৈ খৰগৰনি ভাও লৈ ব'ল তাতে। তাতে মধুৰী আপী জন্মিছে। চত মহা মনভাল বিল মাৰিবলৈ গৈছে। আএ পাচিলে বামুণৰ ভগা পজ এটা লৈ গৈছে। তাতে লঙ্গৰৰ বেটা পতুখা সি ৰজ্যৰে অহা কাথ। কথা গুলাই চিনাচিনি হৈ বিলৰ-পাৰে বহি দুখ সুখৰ কথাতে মাছ মৰা উঠিল। লোক দুজন ৰায়তে দেখি এটা এটা সবে পেলাই গ'ল। নেষাওঁতে বোলে তোমাৰ বেটালকে আমাৰ আপীখানি দিছোঁ। তেহে মিত্ৰ হৈ ধান কটাৰ ঠেক পাই দুয়ো আলচি উত্তৰ পাৰ হৈ ভগা ঢেকীয়াৰ বাৰীতে গৃহকৈ পতুখাৰে বেটা জৰাম আতৈলৈ মধুৰী আপীক বিবাহ দিছে। আতাৰো তাতে জন্ম হ'ল। পাচে দহ বাৰ বৰ্ষ, তাতে হ'ল। পূৰ্ব্ব ৰাজ্য বঙুকালৈ যাব খুইছে জী জমাই ভতে আইক লৈ। আৰু কতো মুখে কয় দৰঙ্গ ৰভাগে বেচেকা ৰাবে কৰিয়া পাৰেৰ তুকা পৰতাপুৰীয়াকে প্ৰতাপ ৰায় বোলে, কতো কয় বেহাৰ উত্তৰ পশ্চিমকৈ বুলি।

লক্ষ্মীনাৰায়ণ ৰাজাৰ হাজোৰ ধ্বজ নিৰ্ম্মাণ

আৰু লক্ষ্মীনাৰায়ণ ৰাজা চিৰাখা বিৰাম খাঁ, পাতুৰ খাঁ, দলাই খাঁ, চাৰি ৰকত্তাক দিলে হাজোৰ ধ'জ কৰাবলৈ বুলি ধৰি তেৰ বৰ্ষ কৰালে, ইত্যাদি। চাকিও আলচি বোলে

প্ৰতিষ্ঠা কৰাবলৈ আমাকহে পাচিব পুনু। কৰাএ যাওঁ, এই বুলি কৰালে'। ৰাজা দগৰা খেলে। চাৰিও গুনি গৈ বেচেকা দ্বাৰে ভোটপাৰে আছে। বুঢ়া আতা পুত্ৰ সমে তাতে পাই জ্ঞাতি বংশ বৈছে। কতো কয় বণ্ডুকালকে গৈছে। তাতে আঢ়ৈ বৰ্ষ ৰহি বুঢ়া আতা চলিছে, দশা কাম হ'ল, কাজলৈ উপাধি বিচাৰি গৈ ভাগৰ লাগি বালিকুচিৰ চতাই চৌধাৰী নাও শালে কঢ়িতে শুলে, পদ ওলমি আছে, ৰদ পৈল গৈ শুক্লা সৰ্পে টেকুলাৰ মান ফেট তুলি ছাঁকৈ আছে। হাবৈ বুঢ়ীএ দেখি চাপি গ'ল অন্তৰ্হিত হুত হ'ল। জগালে, সুধিলে। আতা কলে, বুৰী বোলে তোম্ৰা শুধা শক্তি নহয়। অবাহত কাম হব যোৱা যকগৈ। তেহে কাজ ভোজ সভা হ'ল, গ'ল। তাতে চতুৰ্ভুজ আতৈ খুৰাকে ধৰি কেতাইখাৰ বংশৰ সকধন কাথৰ দুহিতা আতালৈ বিহা

আতাৰ বিবাহ কৰাইছে। চাৰিও বটি-আনিছো নেৰো বোলে মোৰ কাওন এৰিলোঁ, সিহঁতৰ কাওন দি যোৱা।" আতা দি গৈ দধিৰ সত্ৰতে আঠ দিন বৈ তবে পৰা পৰম কমাৰ ভকত গৈছিল বিষ্ণু আতাৰ মাতৃৰ তিথিলৈ। তাৰে লগ ধৰি কাঠসিলৈ গল। আতা সুধি পৰম শ্ৰদ্ধাকৈ ৰাখি লৈ আহিল গুৰুজনৰ মাতৃৰ তিথিলৈ আহেঁাতে টুপলীয়া হৰি আতৈ জোলোঙ্গা নিছে, আতাৰ নিছে। আলমৰা আতৈএ গৈ পাই গুৰুজনত ভেটাইছেনি, বোলে বাপ, আৰাটি চতুৰ্ভুজ আতৈৰ ভাতিজা হয়, মলথৰ্ত্তে আপোনাৰ গুণশীল মহিমা ভৰি লগাই আনিছে এই চৰণতে বিক্ৰয় যাবলৈ, বৰ গম্ভীৰ লোকজন। তেহে গুৰুজনে বোলে পেটুৱা, মোৰ বল্লকে ভেটুৱা। বোলে বাপ, লাটু-চাটুকৈ এ দিন কাল যক আপুনাৰ চৰণতে। পাচ দিনা মহাপুৰুষক গুৰু বোলাই শেৰ শৰুন, সহস্ৰ ৰুন, বাতো

কেশ চৰণ এতেকে কেশ চৰণ নাম দিছে গুৰুজনে।

আৰু লক্ষীকান্ত আতৈ যোগা ঘাটতে আছিল। বঘুৰাজা সেই গ্রামখান দেউৰি কৈ হাজোলৈ দিলে। লক্ষীকান্ত আতৈএ সৈতে গাওঁ খানেই মহাপুৰুষক গুৰু বুলিলেহি। বুলি উঠি গল হাজোৰ ওচৰলৈ। গৈ সবেও আলচকৈ বোলে আমি মহাপুৰুষক গুৰু বুলিলোঁহক। সেৱা শুশ্রুষা কৰিব লাগিল, দূৰ হলু হক যে। এই লঠৰিয়া অনন্ত আতৈ খাটনি মাতাচোঁ। মাতি আনিলে। বোলে আমি যে বন খানি কৰিব দিছিলোঁ, কিয় নকৰা? বোলে বাপ, ভকতে অসূয়াকৈ বোলে এইটোৰ নাম গুণ নাই একো, চুৰা পেলাব, বকৰাণি আঁতাৰ, খাব। তাতে এৰি নাম লৈছোঁ বাপ। তেহে গুৰুজনে বোলে চাৰি সন্ন্যাসীৰ পৰিচৰ্য্যাকৈ নাৰদ মহা ঋষি হ'ল, কোননো অধমে দাস ভাব তেজি উচ্চ পদ প্রার্থয়। অ' আমি য'তে সন্তোষ ভকতৰ ত'তে অসন্তোষ' তুমি যোৱা কৰা গৈ। কৃষ্ণ অৱতাৰে পূৰ্ণ আদি তিনিখান বৈকুণ্ঠ পৃথিবীলৈ নমাই অনেক লীলা কৈলে। গোকুল, মথুৰা, বৃন্দাবন মোৰ মহাপুৰুষ গুৰু সেই তিনি থানকে আনি তিনি ৰাজ্যে থাপি কেৱল ধৰ্ম্ম প্রকাশ কৈলেহি। তুমি যোৱা কৰাগৈ। সেই বন আমি কৰিব লাগিল ; বৃদ্ধ কাল বলে বুদ্ধিএ নপাৰোঁ। তুমি আমাৰ গা বদলে কৰাগৈ। তোমাৰ হৈ আমি নাম গাম। তেহে আতা অহোপুৰুষাৰ্থ কৈ কৰিব ধৰিলে। সকলো অথিত ভক্তে সন্তোষ পাই যায়। তেহে গুৰুজনে দেখি পৰম সন্তোষ হৈ বোলে এই মথুৰাপুৰ শুদ্ধ কৰিছা, তোমাৰ নাম মথুৰা দাস দিছোঁ। আমাক যেনেকৈ কৃষ্ণ সেৱা কৰি সন্তোষ কৰিছা, তুমিও আমাৰ ভক্তি বলে সন্তোষ লভিবা, তোমাৰ যশে জগত জুৰিব।

আৰু কৰ্ণপূৰ নামে তেওঁ তাম্ৰত কম্ম, লাল বস্ত্ৰ, বগা চন্দনৰ অৰ্দ্ধচন্দ্ৰ ফোট লৈ, গুৰু তাম্ৰত তুলিবলৈ সকোচ

দাস্যভাৱৰ উচ্চতা

কেৱল ধৰ্ম্ম

মথুৰাদাস

কৰ্ণপুৰ আতৈ

পায়। একদিনা সুধিলে, বোলে গুৰু ,ভাগৱতত অমল শ্ৰৱণ আছে নাই, আমাক গুৰুজনে স্বপ্নত সুধিব দিছে। বোলে বাপ আছে। লৰ নালাগে? বোলে লাগে। বোলে তুমি লোৰা আছে নাই? বোলে বাপ পশু্ৰৈ লমহি। আহি লগেহি,' এৰি এওঁকে দিওঁগৈ, সবেও আহি দিলেনি। তেওঁ এইখানি সেৱা ধৰিছে। গুৰুজন পাওখানি ধুৱাই গমচাৰে মচি পাটত থয়, কোৰ যুৰি পিন্ধাই—কট তুলি থয়, পাট চলি ধুই থয় নিতে এইখানি সেৱা ধৰে।

আৰু লক্ষ্মীকান্ত আতৈৰ পিতৃ পুস্কৰ আতৈ ঘোৰা ঘাটতে আছিল। বেটা লক্ষ্মীকান্ত জন্মি প্ৰসূতাৰ দোষে এক মাসতে মাক চলিল। পুস্কৰ আতৈএ কলা দুগ্ধ খুৱায়। পুস্কৰ আতৈএ বোলে বাপ, লক্ষীকান্ত হে আমাৰ পিতৃ অন্ধকৰ চক্ষু। তেহে গুৰুজনে ফকৰা মাতিছে—"আগে উপজিল ছোট ভাই পাচে উপজিল কাকা।

কেৰমেৰ কৈ মাক উপজিল তেহে উপজিল বাপ॥ তেহে মহাপুৰুষক, গুৰু বুলিলে। কিছু অৰ্থ আছিল, তাৰে গৈ লোন আনি ছয়কুৰি জন ভকতক ছকুৰি সেৰ দিলে। প্ৰথমে ভাটোকুচীয়া:আতাও তাৰে এসেৰ পাইছে।

আৰু মেঘ চাৱলিয়া গৃহস্থি লোক গৈ সেৱাকৈ বোলে বাপ, দখিণলৈ যাব খোজোঁ আত প্ৰবৰ্ত্তিব খুৱাবোঁ দেখোঁ। বোলে বাৰু যোৱাগৈ, গাৰ ছাঁটি আমাৰ বাট ঘৰতে থৈ যাবা। গৈ বাট গৃহতে অনেক ৰূপে কলে তুতি নিবেদনকৈ গুৰু আজ্ঞা, হুঁ নেথাকে, অনেক গালি অহঙ্কাৰ কৈলে। তেও নৰয়; তেহে যাব কিল কৈ চালে তেও যায়; পাচে
কৰ্ণকল অস্ত্ৰ ধৰি খৈয়ালে, তেও যায় দেখে পাচে পাচে। তেহে উপায় নেপায় উভতি কলেগৈ। বোলে বাপ, অনেক প্ৰকাৰে কৈ কৰি ঘৰ ঘুৰাইলোঁ আৰু আপুনাৰ আজ্ঞা। বোলে সুখে

দুখে সেই গা লগৰ হ'ঁা, পূৰ্ব্বৰ প্ৰাপ্তন আৰ্জ্জিত ফল ভুঞ্জিব লাগে। দখিণলৈ গলে দুখ গুচিব কিয় ? ছয় ঊৰ্ম্মি, আত্মা সাতধাতু ছাল, শাখাএ আঠ প্ৰকৃতি। দশ বায়ু পাত, ঈশে, জীৱ দুই পক্ষী থাকে তাত তিনি। আন সব বৃক্ষত ভক্ষ্য ফল লাগে, তাক ভুঞ্জে। এই সংসাৰ বৃক্ষত ঈশ জীৱ দুই পক্ষী জিবাই, বাসকৈ সুখ দুখ দুটা ফলমূলে দি অৰ্জ্জিত যেই সেই এটা ভুঞ্জে। লোক সবে সকলো প্ৰাণীএ সুখকে বাঞ্ছে, দুখটো কৰ্ম্মাৰ্জ্জিত, দৈব্য মিলায়হি আনি।

আক একজন ভকতে মাছ বাটে, খুটৰা মাছ গাব কালে থাপি থয়, কিচা মূৰ নিএ বাহিৰ, বাহিৰ খানি ভকতে নিএ, তেওঁলৈ গাব সবহ ভাগ নিএ। কালৰ প্ৰমাণে ভাবা চলিল। ভকতৰ কষ্টে ছিলা পক্ষী হ'ল, মাছ নিওঁতে ভগাওঁতে ধুতি ভকতক থাপ মাৰি চোৰে, ওলাবই নপাবে। গুৰুজনত কলে বোলে বাপ, দুষ্ট চিলাটোৰ নিমিত্তে ভকতে মাছ ভগাব ওলাব নুঁৱাৰি থাপ দি চোৰে। তেহে গুৰুজনে ঘোষা মাতিছে। "যতেক অনৰ্থ আছে সংসাৰত তাতে তিনি বিধ সাৰ। কাম, ক্ৰোধ, লোভ, আপুন নাশন জানি কৰা পৰিহাৰ॥" আত্মা নাম হেতু কাম ক্ৰোধ লোভ নৰকৰ তিনি-দ্বাৰ। জানি আক তেজি কেৱলে কৃষ্ণৰ ভকতিক কৰা সাৰ॥" তেহে খেদকৈ গুৰুজনে বুদ্ধি দিছে বোলে খেৰ হুপি এটি কৰি জকদি জুই আজাঠি এটি দি মূৰে মাছ খুটুৰা বান্ধি থবা, থলেনি থলাতে। দেখি থাপ মাৰি নিলেহি। পখাৰ বা লাগি আকাশতে পখা পুৰি মৈল, বোলে সেই দুষ্ট চিলাটো পুৰি মৈল আজি। বোলে ভগাৰ গমছা এখানি দি পুতি থোৱানি। থলে নি। গমচা দি পুতি সেই শিলা জয়হৰি আভৈএ বগত লেখে বাৰত ধুলা লৈ ঢুবিছে, বোলে ঘোক আজিহে গুৰুজনে মুক্ত কৈলে।

ভকতচিলা

আৰু একদিনা হৰিহৰ আতা গুৰুজনে কন্দকৈ দায়

ঘোৰা ধৰিছে কীৰ্ত্তন গৃহে ওলাব সোমাবৰ ভাও নোপোৱাত। তেহে সবেও আতৈক দেখি ভয় হৈ বিচাৰকৈ লৈছে। গুৰুজনে সেই বেলা ঘোৰা কৰিছে—"আপুনি মহন্ত হুহি, মহন্তক হুপাসিলে কদাচিত। তাৰ উপদেশে, আনো নতবয় আপুনো ভৈল বঞ্চিত ॥

আৰু বুঢ়ীপো গোবিন্দ আতৈৰ ককাএকৰ ঘৰ বৰকবৈ-

বুঢ়ীপো গোবিন্দ আতৈ বাৰীত। সুদাম আতৈৰ জীয়েকৰ নাম বতি, দিছিল গোবিন্দ পুৰুত, জন্মি চোচৰা হোঁতে পিতৃ চলিল। ককায়েকে আহি নাতি জীয়েকক নিলেহি। কবৈবাৰীলৈ নি ধুতিএ নোচোৱে, শাৰীতো ভাত নিদিএ, নোচোৱে দেখি মাকে বোলে পিতা, মোৰ বেটাখানি গুৰুজন ঠাইত দিয়ানি, ভকত হৈ পৰিচৰ্য্যাকৈ থাক গৈ, আতৈএ লৈ আহি দিলেনি ; গুৰুজনে বোলে ক'ৰ ছৱা এইটি ? বোলে বাপ, মোৰে নাতি হই, বাপ নাই, মাকে পঠাইছে আপুনাৰ চৰণলকে দি। বোলে নিয়া। বৎস বান্ধি থয়, ধেনুএও হেৰেলিয়ায় কেতিয়া মেলে বুলি,স্নেহত, বচেও থাকে থিয়াই কাহানি যাম মনে। লৈ আহিল। মাকে কান্দি খেদকৈ বোলে পিতা সাতে তুও যাওঁ থৈ আহাগৈ। বুঢ়া ভকতে লৈ আহিল জীএক নাতিএক দুইকো, পাই উৰ্ব্বশী আইৰ গৃহতে থৈ পাচ দিনা গুৰুজনে শৰণ কৰালে দুইকো। ভ্ৰতে থৈ গোবিন্দ আতৈৰ মাকে সেৱা ধৰিলে, কাত্তি লিপে, খলা সাৰে, ধান বানে, বুঢ়া ভকতৰ কাপৰ ধোএ। ককাএক পুনৰ গ'ল। মাহে পতি যাই গুৰু সেৱা কৰেগৈ। গোবিন্দ আতৈএ বোলে ককা, মোকো গুৰুজনত কৈ সেৱা বন একেবি খুজি দিয়া, তুও গৈ আঠু লৈ বোলে বাপ লবাটিএ একেবি সেৱা বন প্ৰাৰ্থিছে। বোলে ই কেখো পোটে লবা, কি বন কৰিব বাৰু ? পধূলি পুৱা ছুটাৰি

জোঁৰ আনি দিব। তেহে কথাএকে নাও এখানি, কটাৰি দিলেহি। তাতে উঠি গৈ পানী তল বোৱাতে নল খাগৰি কাটি আনি শুকাই চাঙ্গত তুলি থয়। তাৰে গধূলি পুৱা তুটাৰি বান্ধি দিএ। গুৰুজনে চাউলটি সিজাই সজ পায়। এইখানি সেৱা ধৰিছে গোবিন্দ আতৈএ।

আৰু একদিনা আও খলা সাৰি কঁকাল ঠৰ হল। পোন হৈ বোলে বান্ধৱ কৃষ্ণ। গুৰুজন চৰাত আছে তাৰ কু সমে। শুনি বোলে শ্ৰীৰাম, বুঢ়ীত কোৱা, আজিৰ পৰা আমাৰ খলা কাম্ভি মচিব সাৰিব নালাগে আৰু। অ জগত ঈশ্বৰ কৃষ্ণকহে বান্ধৱ পালে গৈ, কেনেকৈ সৰাম আৰু? আতা কলে। বুঢ়ীএ কান্দি দুখকৈ গল শুচি। তাত পানী এৰি খেদকৈ বোলে মই অভাগীএ মনতো বুজুযাৰিলো, কৃত্য সেৱা খানি গুচিল মোৰ। দহ বাৰ দিনো সৰা নাই, তেও ঠাই সজ হয় পূৰ্ব্বত কৈও। বোলে শ্ৰীৰাম ঠাই কোনে অটাইছে? বোলে বাপ জানোঁ। বোলে বুঢ়ীএ বা অটায় সোধাচোঁ। সুধিলে গৈ; বোলে মই গুৰু আজ্ঞা পেলাই থৈ কিয় সাৰিম? বোলে বাপ নাই সৰা হয়। বুঢ়ীএ বোলে আজি চোন নিশা মন কৰা কোনে সাৰে মচেনো চয় কৈ? আতা তিনি পৰ মান নিশালৈ আছিল, নাই দেখে। বোলে বাপ, তিনি পৰমানলৈ আছিলোঁ একো নেদেখিলোঁ। বোলে আজি পুৱতিয়ালৈ খটখটিতে পৰি থাকিবা, কি দেখা। আতা গৈ আছে পৰি। দেখে বুঢ়া বুঢ়ী দুটি বিজুলীত যেনে আকাৰ প্ৰজ্বলিত হয় সেই মতে শৰীৰ জ্যোতি প্ৰকাশে। আতা কম্পমান হৈ সঙ্কোচিত ভাবে বোলে তোমাসব কোন, এনে চয় কৰাহি? বোলে পা, আমি কৃষ্ণ আৰা বাধা। বুঢ়ীৰ খেদ ভক্তিএ বড় কৈলে মোক। তাতে বুঢ়ীৰ হৈ পা ধমসে কৰোঁহি। এই

গোবিন্দ আতৈৰ মাতৃৰ ঠাই লবা কথা

বুলি আগতে অন্তৰ্দ্ধান হল। গাৰ বশ্মিএ আতাৰ গাত প্ৰেম জৰি, ত্ৰৰি, লোম শিহৰি সেইতে গুৰুজনত পৈলগৈ। বোলে কেনে শ্ৰীৰাম? বোলে বাপ; অদ্ভুত আচৰিত কি কম? এই ক্ৰম দৰ। তেহে সেই বেলা ঘোষা কৰিছে—

ঘোষা বচনা

মাধৱৰ নাম বৎস প্ৰায় ভৈল, ভক্তে তাঙ্ক লৈয়া যান্ত।
বেদৰ ঈশ্বৰ হৰি ধেনু যেন, তাৰ পাচে পাচে ধান্ত॥

বোলে বুঢ়ীত কোৱাগৈ কৰক বন পূৰ্ব্ববত। আতা কলেগৈ। কৰিছে। বুঢ়ীক আগকৈ হে আতাৰ নাম, বুঢ়ী বৰলোক।

আৰু যদুমনি আতৈএ চিৰা কুটে গুৰুজনলৈ উৰালত দোৱা ভাজি:ধান তুহ বাচি ছুটিমান চাকি চায়। শ্ৰীৰাম আতা দেখি বোলে যদুমনি কি কৰা? আগে খাই লৈ গুৰুজনলৈ শেষ হয়, অপৰাধ হব। গুৰুজনে বোলে কি? যদুমনি আতৈএ বোলে বাপ, মই আগে নেখাওঁ। ছুটিমান অন্তৰাই চাকি চাওঁ আপোনালৈ সজ হয় নহয়। নহয় যদি পুনৰ ভাজোঁ, তেহে গুৰু বৈকুণ্ঠানন্দৰ শ্লোকৰ পদ মাতিছে—

ভকতৰ অৱশেষ

বৈকুণ্ঠানন্দৰ শ্লোকৰ পদ

ভকতৰ অৱশেষ মোৰ জীৱ প্ৰাণ।
ইহাক এৰয় যিটো বধৰ সমান॥
ভক্তৰ শেষত পৰে বস্তু শ্ৰেষ্ঠ নাই।
তাক ভুঞ্জিবাক সখি মোৰ বাঞ্ছা যায়॥

অৰ্জ্জুনত কৈছে কৃষ্ণ দেৱে॥ এ যদুমনি আমালৈ সজহে। ভকতত দিওঁ, নকৰিবা আজিতে আৰু।

আৰু পহাৰি ৰাম আতৈৰ পত্নীৰ পহাৰ দিএ, চিৰা, কল, দুগ্ধ, ঘৃত, গুৰ, চেনী, গুৱাপান এইসৱ। আনতকৈ ভকতৰ একৰি কৰি এৰে। আতৈএ বোলে পৰম খোৱা উদাসীনৰ একৰা বঢ়াই লৰৰ চাৰি এৰহে আকো? আই এ তেও এৰে, সি কথা নলয়, বলেও নুৱাৰে, মাৰিবলৈ মনতে ক্ৰোধকৈ থাকে। সেই ক্ৰোধতে শৰীৰ পৰিলগৈ। ভকতলৈ

পহাৰিৰাম আতৈ

ক্ৰোধে কেটা সৰ্প জন্ম হ'ল, নামৰ বাসনাই জান পৰশি নিতে নাম শুনেছি। কীৰ্ত্তন গৃহৰ কাষিতে বিৰ বান্ধি থাকেগৈ। নাম হলে প্ৰসাদ নিৰ্ম্মালি দিয়ায় গুৰুজনে। খাই যায়। একদিনা চাৰিজন ভকত আছে বামুণাৰ ফালতে, চ'ত মহা চপৰানিএ। পাচলৈ চাই দেখে সাপ খেগাই খেদি আহিছে গা লকে। খাই বুলি চাৰিও চপৰাবে মাৰি পেলালে। আহি নাম গুণ গালে, হ'ল। গুৰুজনে ক'লে সৰ্প ভকতটী নাহিল দেখোঁ, হুবাবো। বোলে ই ঝোলাকে কাণ নকৰে এবাৰত সুধিলে। বোলে বাপ, কি সৰ্প ভকত? বোলে সৰ্প এটী আছে নিতে শ্ৰৱণ কৰেহি, আজি নাহিল দহোঁ? তেহে ই-বিলাকে বোলে বাপ, সেই চপৰানিতে বৰ সাপ এটা পাচে পাচে খেদি আহিছিল গাল'কে, চপৰা মাৰি থৈ আহিছোঁ খাই বুলি। তেহে গুৰুজনে খেদকৈ বোলে যোৱা ভণ্ডাৰৰ গমচা নিৰ্ম্মালি দি ৰকৈ পুতি থৈ আহা গৈ, যোৱা খৰকৈ, চিলা কোৱা নিৰ। গমচা নিৰ্ম্মালি দি থলেনি পুতি। নিশা স্বপ্নত ভকতে দেখে ছাবে ছাবে সেন্নাধূলা লৈছে। বোলে মই ক্ৰোধতে সৰ্প জন্ম পালোঁ, গুৰুজনৰ প্ৰসাদেহে নিস্তাৰ হলু। এই বুলি বিমানে চৰি বৈকুণ্ঠে গল। পুৰা কলে স্বপ্নৰ কথা তেহে গুৰুজনে পদ মাতিছে। সৰ্প ভকত

বোলে, যেন মাথে বোজা লৈয়া, আধা জলে নামে গৈয়া
উটে বোজা নপাএ উদ্ধাৰ।
সেহি মতে দান ব্ৰত আজন্মে কৰিছে যত
ক্ৰোধে কৰে সবাকে নিৰ্ব্যান॥

নিশেষ জন্মৰ অন্তে কিএ নৰদেহা পায়, তাবে কোটিৰ মাজত কোনো জনে অনেক জন্মত পুণ্য কৰিছে হৰি ভজি হৰি গুণ গাব পাবে। এ: তাকো কেখা ভকতক ক্ৰোধ

আপুনাকে নাশ কৈ জন্ম লগালে, এনে নামৰ মূৰ্ত্তি ভকতকো। হেন জানি কাম ক্ৰোধ লোভ মোহ দ্বাৰ চাৰিখান মাৰি আছে সব নাম লৈ ভক্তি কৰা।

ভকতৰ সঙ্গ মাহাত্ম্য

আৰু একদিনা বৰগুৰু আতৈ স্নানলৈ গৈছিল। গৈ জানত বগৰি বাৰীতে চাৰিজন ভকত আছি বৈ আছে, নাও আছেই পাৰে। বোলে আতৈ, নাও খানি হেচোক মাৰি দিয়া। নেমাতে বোলে দিয়া যক, আমি গুৰু ঠাইকে যাওঁ। নেমাতি যায় হে গাধুই'। বোলে দিয়াহেঁ তোমাৰ বৈকুণ্ঠত বাসা হব যাওঁ। আতৈএ চাই বোলে হেৰ, কিয় গালি পাৰ? তোত মই কাহানি বৈকুণ্ঠ খুইছো, বুলি আছিল। তাৰা সবো উঠি আছি গুৰুজনক সেৱা কৰিছে হি। আতৈও আছে তাতে। দেখি বোলে বাপ, নাওঁ খোজাত আৰু আতৈএ এনেকৈ বুইলে আজি। বোলে হুইনে? বোলে বাপ, হয়। তাৰাত আমি কাহানি বৈকুণ্ঠ খুইছেঁা, ঈশ্বৰতে খোজা নাই। খুজিলে যা কিয় দিব, কি আপাহ কৰিছেঁা আমি। যদিবা দিলেই যি ঈশ্বৰত ভাৰসা নিচয় কৰিছেঁা সেই বৈকুণ্ঠত তাৰা নাই, তাত আমাৰ কাম কি? বলি, প্ৰহ্লাদ, অম্বৰিষ, সিদ্ধ যোগেন্দ্ৰ সবেও আসি বিধ ন বিধ ভক্তি কৰি সন্তৰ সঙ্গ প্ৰাৰ্থিছে পৃথু, ভৰত আদি এই সবে। তেহে গুৰুজনে বোলে নাগ পত্নী সবে বুলিছে কালীৰ ভাৰ্য্যা, কৃষ্ণক—

> "মোক্ষকো অভিলাষ নাহি হৰি।
> তোমাৰ চৰণ ৰেণুক এৰি॥" সাৰ্ব্বভৌম, স্বৰ্গ, ব্ৰহ্ম-
> পদ কাতো ইচ্ছা নকৰে এৰে ভকতৰ সঙ্গ চৰণ
> সেৱাৰ বিভিৰেকে, কিয় বোলানো তেনেকৈ?

ভকতৰ নিন্দাবিধি

আৰু দুজন ভকত গৈছিল খৰিলৈ একে সৰ্ব্বৰী, এজোপা ডবাল বৰি দেখি এওঁ বোলে জোৰ, তেওঁ বোলে মই দেখিছেঁা

আগে। তাৰে পৰা কিলাকিলি লাগিল। এজনে মাইলে কিল এটা, ইজনো আছিল দাড়ি-খেদি। এওঁ বোলে মোক যে ক্রোধ কালীয়ে খাই, বিহু খালোঁ, তোমৰা নেখাই বাখা জীৱটি। তেহে বল হুও। আহি গুৰুজনত কলেহি। বোলে মৰা জন আক নাশেই গ'ল, ইজনো তেওঁ খেদি আহিছিল হে মাৰিব ল'কে। মোৰ মহাপুৰুষ গুৰু দিছে, চাবি সিদ্ধৰ বাক্য—

“ৰাখে হৰি নামৰ দ্রোহীক হেন কক্ষা।
ভকত দ্রোহীক নামে নকৰন্ত ৰক্ষা॥”
পাচে হুও জনক নেৰাখি খেদিছে।

আক এক অখট বুঢ়া প্রাঙসে গৰু নিছে হাল বাবলৈ। সি মুতি গ'ল কেৰমেৰ কৈ। বুঢ়াই বোলে আকে যদি ৰৰপেটাৰ মহন্তে কৰ পাবে ময়ো তেওঁতে শৰণ লম। এই নিচয় কৈ বুঢ়া গৈ গুৰুজনৰ আগত মাটিত আঁক দি বোলে বাপ, এই কি? বোলে বুঢ়া, হাল বাবলৈ গৰু নিছিলি হৰ লাগে। সেয়ে বাটত চেনাই গ'ল, তাকে কৈছহি। বুঢ়া দণ্ডৱতে পৰি বোলে বাপ, তোমৰা মনুষ্য নহয়, ঈশ্বৰহে, চন্দ্ৰকৈ আছাহি। পাচ দিনা বুঢ়া কুৰ্ন্লিত বিহানে গৰু নিছে। আয়ু থকাতে মিছা বেশ্যা, গুৰুভক্ত নিন্দাত অকাল মৃত্যু হ'লহি। বাৰী চুকতে তিনটা যম ছুতে দৃশ্য হৈ নিবলৈ ধৈলে বলেৰে। এটাই বোলে ই মোৰ চাবি কাণ্ড কৰি দিব লাগে। এটা হয় সাক্ষী বোলে হুয়, মই জানোঁ দিব লাগে। এটা হ'ল টেকেলা। বোলে ব'ল ব'ল। তিনিও বুঢ়াক ধৰি জোটা পোতা লগাইছে টনা আজোৰা। বুঢ়াৰ জীয়েকক বৰপেটাৰ ভকতত দিছে, মহাপুৰুষক গুৰু বুলিছে, তেওঁ আছিল গৈ। শুনি খেদি গ'ল বোলে মোৰ বাপেকক কোনে ধৰি নিয়ে। বাৰতি লাজ দিছিল ভকজনে। দেখিও লৰ মাইলে ৰন্দুক..... বুঢ়া তাতে পৰি মৈল ধুনবুৰি কাঢ়ি।

এক মূঢ়াৰ শৰণ

কত বেলিত ভত পাই বোলে ই যম হুতেহে, ক'ৰ ধৰিবা মোৰ ? জীয়েকক বোলে তোক দেখি যে লৰ মাইলে মোক নো কিয় ধৰে ? তই নহলে মাইলেইহঁতে। বোলে আমি মহাপুৰুষক গুৰু বুলিছোঁ, তাতে পলায়। তই হৰিবিমুখ অভকত, তাতে ধৰে। বোলে কালৈ যাওঁ ব'ল, ভকত হওগৈ, পাচ দিনা জীয়েকে সৈতে গৈ মহাপুৰুষক গুৰু বুলিছেহি।

জনাৰ্দ্দন আতৈৰ মিঠা

আৰু একদিনা শ্ৰীৰাম আতা, হৰিহৰ আতা, বুঢ়া আতা, ঠাকুৰ আতা, বিষ্ণু আতা, গোপাল আতা, আনো ভক্তে নিশা কথা সুখে বহিছে। অনন্তৰ পৰা অচ্যুতলৈ পাতি বৈকুণ্ঠে সমে প্ৰেমৰ খেলা গুৰুজনে কীৰ্ত্তন কৰিছে। আতৈ সবে তল্ বল্ তদ্ গদ্ হৈছে বসে। দ্বাৰ মাৰি থৈছে। জনাৰ্দ্দন আতৈ পাচ পৈল। কাণ লৰি—ধ্যান ভঙ্গ হয় বুলি দ্বাৰ তলে পেট পেলাই চুচৰি সোমাই শুনিছে। কথা সম্বৰণ কৈ গুৰুজনে বোলে চোৰ সোমাইছে বহাত। আতৈ দণ্ডৱতে পৰি বোলে, বিভুক্ষিত প্ৰাণীৰ নিসিজয় কোন পাপ।

মৌন ব্ৰত ভঙ্গ ভৈল ক্ষমিয়োক বাপ ॥" স্নেহকৈ গুৰুজনে বোলে—"মাধৱৰ কথাত অনুক্ষণ প্ৰীতি বাঢ়ে।

যেন কামাতুৰে স্ত্ৰীৰ আলাপ নচাৰে ॥" গুৰুদেৱে পৰীক্ষিতক বুলিছে ধন্য ধন্য মহাৰাজ, তোমাও ধন্য জন্ম, হৰি কথাত এনে খেদ শ্ৰদ্ধা ?

আৰু দুজন ভকতে ধনুৰ্খণ্ডাৰ দুপাৰে কৃষি কৰিছিল, এজনৰ গৰু গৈ ধান খালে। শুনি খেদি গৈ সহৰ শোকত পতাৰ তাও দেখালে। ইপাৰে বোলে আজি পোৱা হলে এনেকৈ মাইলোহঁতে, সিপাৰতে বোলে হেৰা বান্ধু, মই যে মৰিলোঁ।

দুই ভকতৰ দণ্ড

জানি শুনি এতেক তথাপি নপাওঁ সাধী।
দেখিও নেদেখোঁ যেন খাইলোঁ দুৰু আধি ॥

দুৰ্জ্জন মনৰ সঙ্গে ভৈল সৰ্ব্বনাশ ; তুমি নমৰিবা, এই বুলি সাৰটি ধৈলে। সিপাৰে তেওঁ ঠৰ হৈ ব'ল বাজ খাই তেহে দুও সুস্থ হৈ গুৰুজনত কৈ পৰিলহি। সেই বেল, যোৰা মাতিছে গুৰুজনে—

আপুনি আপুন শত্ৰু, আপুনি আপুন বন্ধু
আপুনি আপুন বাধে মাৰে।

বোলে এৰা আহি সহৰ স্নেহে গতা মাইলে, পৈলা, থাকিব লাগিল ; উঠি কিল জোবা কিয় আকৌ ? যদি বিল নহইলে মাইলাইঁতে। এওঁহে বোধ দি ৰাখিলে তোমাকো, দণ্ড থিহি ৰাখিছে দুইকো। হেচোকাৰ দহ, কিল মচাৰ কুৰিটকা লৈ, ভণ্ডাৰত চাউল সিধা সভা তৈল বস্তি খৰ্চ্চাকৈ।

আৰু পৰ্ব্বতীয়া কৃষ্ণাই আতৈক বাঙ্গয়ান গৃহ কৰিবলৈ আনিলে। কবি হাটীতে গুৰুজনৰ সঙ্গে নাম লৈ আছিল। জোলোঙ্গা বান্ধি বিদায় কৈলে গৃহলৈ। বোলে বাপ, জীৱৰ সৰ্ব্বস এক কণিকা প্ৰাৰ্থনা কৰিছোঁ। তেহে গুৰুজনে বোলে আজি পাচ বৰ্ষ আছা আতে, বিচাৰ নকৰা, এতিয়া ওলাই থৈলা বান্ধি এতিয়াহে পৰমাৰ্থ সাধা ? তেও ৰাক যোৱা চেতন লভি মৰণ কাচে দেখি আমাক নপাসৰিবা। কৃষ্ণাই আতৈক শৰণ

আৰু নাৰায়ণ নিৰঞ্জন দুই ভাই বৰকৈবৰীত গৃহ। তৈবে পৰা আহি বাউসীত দুনিয়া দাইছিলহি। অবে তক্ত বাউলা গৃহে বৈ তাৰা সবৰ সঙ্গে আহি গৈ থাকে গুৰুজন ঠাই। বোলে আমাকো নি শৰণ গুৰুজনক কৈ কৰোৱাগৈ। তাৰা নি গুৰুজনত ভেটালে গৈ বোলে বাপ, আৰা দুই বৰকৈৰ বাৰীত থাকে, দুখানি পাৰতে বিক্ৰয় বাৰলৈ আহিছে। পাচ দিনা ব্ৰতে গৈ ধৰ্ম্মক লভিছে। প্ৰাৰ্থনা কৈ বোলে বাপ, অলপে আহিব খোজোঁ, গঙ্গাৰ নিমিত্তে নোৱাৰো, মাই থাকে। গুৰুজনে বুদ্ধি দিলে, [illegible]লে মুঠোপলি মান ধান

নাৰায়ণ নিৰঞ্জনৰ শৰণ

লিৰা, পন্তানো দহ টুপলি লবা, বৰকৈ বান্ধি নি সিহঁতক দেলাই চাঙ্গত থবা, ঘৰ বাৰী ধাপ, পদুলি অটাই বাঁহ কল পুলি কাটি কৰা গৈ। সেই ক্ৰমে কৰিলে, পথাৰতে গীয়াৰহে দন্দ কৰে। দেখি গঞা গিৰিএ বোলে ইহঁতৰ মন বহিল, ধানো আনিছে দমাই, এই বুলি গঞা ঠাকুৰীয়া এৰিলে কাণ। ইবিলাকেও বুজি ধানৰ চাউলকৈ নাও এখানি লৈ তাতে উঠি বুঢ়ীকো লৈ নিশাই উজাই গুচি আহিল। বাউসী আগ ঠাইতে বৈ গুৰুজনত সুধিলেহি বোলে বাপ, তোম্ৰাৰ পাশলকৈ আহিব খোজোঁ। গুৰুজনে বোলে ঠাএ নাই বহা কৰিবলৈ। বহালৈ মাটি তোলা, হাতীএ মাউতে লুকুৱা গাঁত এটা আছে। বোলে বাপ, এই গাতটিকে দিওক। বোলে ইয়াত কিকৈ বান্ধিবাহঁক? বোলে আপুনাৰ ধূলাই পাৰিম বাপ। গুৰু বুদ্ধি দিছে বোলে বিলৰ সিপাৰে

বাৰাদি বাৰাণ্ডিৰ কাথে নল আছে, তাকে বুন্দ কাটি উটাই আলিত দি দূৰতে মাটি আনি পুতি ভিটা কৰা। সেই ক্ৰমে আনি কৈলে, খাগৰি আনি চাল বান্ধিলে। মাৰলি উতৰে গৈ বজালি পৰঙ্গনাৰ বাঁহ দুটি আনিলেগৈ, থৈছে। কীৰ্ত্তন গৃহৰতে গুৰুজন গলাইঁ দেখি বোলে কাৰ বাঁহ এই দুটি? আতৈ সবে বোলে সেই তাৰা দুই ভাইৰ। বোলে গুৰি খানি আমি বহা খুটালৈ লও। তাৰা দুএ গুনি কাটি কুৰলি ধুই বহাতে পুতি পাত বান্ধি থৈছেনি। গুৰুজনে দেখি বোলে আমি ক'লুছে, কাহানি থুইছোঁ? আৰা দুএ আঠু লৈ বোলে বাপ, মাৰলি হৈছে। বহা সাজিলে, হৰি কীৰ্ত্তন কৰাই ললে।

আৰু এদিন ধান সিজাই মেলি দিছে, বৰ বৃষ্টি আনিলে; তুলিবলৈ চায় পাচি কোনোবাজনে দিছে। নাৰায়ণ আতৈ বজকৈ বোলে মোৰ দুৰ্ৰ্ল্লি কোলে সিহাঁক, লৈ আহা

এহেলৈ। নলাত খৰ উঠি আছিছে, ধান তিতাত। নিৰঞ্জন আতৈএ তেহে ঠাৰে মুখত সোপা দি দেখালে একো ন্নবুলিৰ, যেই মেঘে তিয়াইছে, সেই মেঘেই শুকাব; বুলিলে বৈকুণ্ঠৰ পথে জেঙ্গ পৰে। পাচে নেপাই কাপৰতে ধান তুলিছে। পাচ দিনা নল আনি ভকত মুৰি পাচি একোটি মাছ খোৱা খৰা গা পাতি দিলে সাজি। গুৰুজনে শুনি পৰম সন্তোষ পালে।

আৰু একদিনা ভকতে সৈতে বুঢ়া লুইত পাৰ হৈ খাগৰি আনিছিল। সবেও আছি বালাতে জিৰাইছিল, আন সব আছিল, আৰা দুই চৰিত্র কথা সুখতে গধূলি চাই দৰিয়াতে নিশা গৈ দিনখো চাই চণ্ডে উঠিল, ভুকে পোৱা নাই, নিষেধ মান লাগিছে, আৰা দুই আনন্দ সুখত মজি। ত'ত গুৰুজনে বিচাৰ কৈলে। ভকতে বোলে হাৰিতে আছি একে লগে বহিছিলোঁ; আমি আছিলোঁ পাচত হ'ল কি কৰ নোৱাৰোঁ। তেহে গুৰু দুজন ভকত জিছে বোলে তোমা-লোকে নামাতিবা, খাগৰি লৈ আহাগৈ, পাই খাগৰি নিলত্তহে চেতন পালে। আছি শুদ্ধি স্নানকৈ ধূলা গুৰু সেৱা কৰিছেহি। গুৰুজনে দুগ্ধ, চিৰা, চেণী, কল বাটি সজাই শ্রীৰাম আতাক পাচি মতাই অনাই একতাএ যোৰা কৰি মাত্তি প্রেম ৰসৰ ভাগ খুইছে নাৰায়ণ, নিৰঞ্জন, নিৰাকাৰ নিৰাময় স্মৰি হৰি হৰি ৰাম।

আৰু কতো দিনৰ অন্তে কালৰ প্রমাণে নাপৰা পৈল। টাম হ'লত গুৰুজনে ভকত চাৰিজন দিলে পৰ দিৰলৈ। নিৰঞ্জন আতৈও আছে বহি। তাৰা সবৰ থাকি নিদ্রা কৈলে। আতৈ ৰত্নত ধৰি ৰাম ৰাম বুলি চলিল। নিৰঞ্জন আতৈএ আতৈ সবক নৰশালে দুখ পাই বুলি। বোলে প্রোম:পাদীৰ কৃত্য নাই ভক্তোহে [illegible]বি পাই, এই বুলি কোৰ,

দা, বাঁহ, কাঠ জোৰ, জুই লৈ আতৈক নি নাওঁতে তুলি পাৰকৈ বাৰাদিৰ কাখে খলাকৈ চিতা নির্ম্মি তুলি জুই লগাই ককাল সেও লৈ বহি আছে। হৃদি ৰাখি সজ্জা ভৰগ্নি লগাই, জ্যোতির্ম্ময় হৈ টলবলাইছে মাজ নিশা অন্ধকাৰ। ই পাৰলৈকে প্রকাশ হৈ। আৰা চাৰিজনে সাৰ পাই চাই গুৰুজনত কলেগৈ বোলে বাপ, নাৰায়ণ আতৈ চলিল। নিৰঞ্জন আতৈএ আমাক নজগাএ একলে নি সিপাৰে দহন কৰিছেগৈ দেখোঁ। গুৰুজনে বোলে মথুৰা দাস বোৱাচো। যাবাহে নামাতিবা। তিনটি দলি নিয়া, নেমাৰিবা। এটি নিলগাই মাৰিবা, বঢ়াই নেমাৰিবা। আতা গৈ এটি মাইলে। বোলে কুনি? আকৌ এটি মাৰিলে। সেইটিত বোলে কোনে বিহ খাইঁক? পাচে মৰাটিত ক্রোধকৈ বোলে কোনেনো গৰল বিহ খায়? খা যি অমৃতত ঢাল কিয়? আতা সেইতে সঙ্কোচিত কম্পমান হৈ গুৰুজনত কলেহি, বোলা ক্রমেই। গুৰুজনে বোলে আমাৰ বাক্যত মাইলা

লোকবাদ, বেদ

শুণেহে, স্বতন্ত্রে মুৰা হলে পাপৰ সীমা কি! আতৈক দহন সম্বৰণ কৈ আহি এক ভাৱে প্রবর্ত্তি মহাসুখে শুলে। ভকতে কলে গুৰুজনত বোলে নিৰঞ্জন আতৈৰ এই কৰ্ম্ম। গুৰুজনে পুৱা মাতি আনি বোলে তোম্রা কিয় এনে কৰা? লোকবাদ বেদ ৰাখিব নালাগে? বোলে বাপ, মোৰ আতৈৰ জৰা, মৃত্যু, শিশু, যুবা, আদি অন্ত অযোনী জাত পুৰুষ হৃদিপদ্মে আত্মা পাই আছো, জল নহলে মৎস্য জীয়েনে, মোৰ আতৈ আত্মা নহলে মই জীওঁনে? গুৰুজনে বোলে তোম্রাৰ নিষ্ঠা নিচইত হয় সেএ, পাচৰ লোক বচন কেৱলীয়া হব, তেওঁ এই আহিঁ ধৰিব, বেদ ধৰ্ম্ম এৰি গুৰু ধৰ্ম্মত বাদ পৰিব। এতেকে পাপ পাত্র দূৰ কৈ কাণৰ কানি নিকোৱাগৈ। সেই বেলা যোৰা কৰিছে [illegible] ৰাম বশিষ্ঠত দি জিয়া লেখকলে

"অন্তৰত এক ঈশ্বৰক, দেখিওক নানা বাহিৰত, অন্তৰত বোধ বাহিৰত জড় প্ৰায়।"

আক ৰাম গুৰু আতৈ আছিলগৈ জগন্নাথত সমুদ্ৰ তীৰে লোকনাথে বাসকৈ। দেখে সুন্দৰ পুৰুষ দুজন, চান্দমুখ। দৰ্শন হৈ যায় ফিৰি, গোটে থুলন্তৰ দিব্য ৰূপ। আৰা বোলে তোম্ৰাসব আহা কৰপৰা, যোৱা কলৈ? বোলে বদৰিকাশ্ৰমতে আহিছিলোঁ। ঠাকুৰ দৰ্শনে, যাওঁ তল'লৈ। বোলে আমাক নিয়া যক। বোলে এই কেনেকৈ যাবি? বোলে তোম্ৰা সবৰ কৃপা হলে পাচতে যাম, এই বুলি পাচে পাচে গৈ আছে, কতো দিনে গৈ নাজিক পালাগৈ। দুফালে দুখান পৰ্ব্বত আছে, মানভঙ্গ, চিত্ত শুদ্ধ। বোলে এই আহিছ যি আহিছ, ইফাল সিকালকৈ নেচাবি, চক্ষু মুদি আমাৰ কাপৰতে ধৰি আহি থাক। চালেই পৰ্ব্বতৰমান সিংহ, ব্যাঘ্ৰ, সৰ্প, এনে ভোৰ হৈ খাবলৈ খেদি আহে। কাপৰত ধৰি উঠি পালেগৈ। নিশাই ডেৰ পৰত নাম থৈ ভাগৱত কৈছে। ঘৰটোৱেই কোটি সূৰ্য্যৰ সমান প্ৰকাশিছে। আতৈক্ৰ কান্তিতে থৈ তাৰা দুই ভিতৰলৈ গ'ল। উদ্ধৱ আছে ভিতৰত ভাগৱত কৈ, থলে জয় দি। একো মুঠি প্ৰসাদ দিছে। তোৰা দুএ কলে আমাৰ চাতে এজন যাত্ৰী আহিছে। দিলে, আনিলে আৰাক দিবলৈ। এওঁ বোলে মই অস্নানে আছোঁ। বোলে সেই সৰোবৰতে স্নানকৈ আহগৈ। এৰা গৈ কাপৰ, জাপীথৈ বুৰ দিলে, জগন্নাথত ওলালহি। দেখে সেই জাপী কাপৰ টুপলিটি আছে, প্ৰসাদটি নাই, মহাদুখে অনেক কান্দি সেইতে নিদ্ৰা আহিল। সপ্নত জগন্নাথে বোলে এই মহন্তৰ সজলৈ যা। বোলে প্ৰভু মহন্ত কেনে কি জানোঁ? বোলে তোৰ লাউ পাতি থ'লে থ? বুৰ দি, যাবে যাটে পা সেএ মহন্ত ... ই গৈ থাক। তেনে

ৰামগুৰু আতৈৰ বদৰিকাশ্ৰম আৰু উদ্ধৱ দৰ্শন

আহি আছে। এঠাইত দেখে এশ মান সন্ন্যাসী আছে। বুঢ়া সন্ন্যাসী এটি বৃক্ষৰ তলে দুৰে আছে বাসাকৈ। সেইটিৰ ওচৰতে ৰলগৈ। বোলে ক'ৰতে আহা? বোলে তোম্রা সব মহন্ত ঠাইলকে আহিছেঁা। বোলে কাক বোলা মহাজন? বোলে তোম্রা সবেই মহন্ত। বোলে সেই খৰি ডালি লগৈছো যা। গৈ ললে। খন্তা হানি পঠালে, কাতিহৈছে এবালে। লৰ মাইলে পেলাই। বুঢ়া বোলে দেখিলা মহন্তৰ চিন? আতে খাই শুই আছে। ৰাতিগৈ ছুঘৰো আনে লুৰি, আকে মহন্ত বোল, ডাকু হাৰা দাতা? আহিল তাৰতে উজাই। আহি আহি দামোদৰ ঠাই পালেহি। বাটৰ খপুৱা পাই নিলে ধৰ্ম্মৰ আচাৰ্য্য আৰাহে বুলি। শঙ্কৰদেৱ থৈ গৈছে। আৰা গৈ ধমুখন্দা ঘাটে বুৰ দি চাই নাই। বোলে এওঁ মহাজন নহয়। বোলে আক জন ক'ত থাকে? বোলে সেই জেৰেঙ্গা গাছেই গৃহ আহি দেখে গুৰুজন বাটগৃহতে ওলাই বহিছে। সেৱা কৈলে। গুৰু বোলে ক'ৰ লোকটি? বোলে জগন্নাথতে আহিছো। সেই সময়তে ভকত খৰিলৈ ওলাইছে। এৰাও কটাৰি এখানি খুজিলৈ গ'ল সেই লগেই। বৰ খৰি এবোজা বান্ধি আনি গিৰিখাই পেলালেনি। গুৰুজনে বোলে তুমি অথিত ভক্ত তোমাক এনে খৰি বোজা কেলেই। বোলে বাপ, থাকোঁ যে মঞ পুৰিম্‌, যাওঁ যদি ভকতে পুৰিব গুৰুজনে বোলে ভালেহে কৃষ্ণদেএ কৈছে নলকুবেৰ আগত—

"মোৰ ভক্তক দৰশনে গুচে কৰ্ম্ম বন্ধ।"

যেন সূৰ্য্য দৰ্শনে চক্ষুৰ গুচে অন্ধ॥" আতে সৰুক দৰ্শনেই বাসনা লাগি শুদ্ধ বুদ্ধি হ'ল। গুৰুজনৰ কৃপা। প্ৰণমি বোলে মোৰা স্নানকৈ প্ৰসাদ খোৱাহি। গ'ল স্নানে, বুলদি দেখে বৰপেটাৰ বাটে লাউপাতি আছে, জগন্নাথ এৰা দূৰ

মহন্তৰ সন্ধান

ভকত শৰণ

নিচই কৈলে বোলে এৰাই মহাজন হয়। পাচ দিনা হৰিষ কৈ দাড়ি মুৰ কমাই ভকত হ'ল। হৈ হাটাবহা লৈ হৰিগুণ গাই গুৰুজনৰ সঙ্গতে ৰহিছে।

আৰু চৈধজন ভক্ত লৈ মাগুৰিলৈ গৈছে গুৰুজন। কণ্ঠভূষণ মহাশ্ৰদ্ধাকৈ তিনি পক্ষ ৰাখিছে। ৰাম ৰাম গুৰু ছহিতৃ অন্ন সিজোৱা ভোজন কৰিছে। গীত কৰি-ভাতে চৰ্চ্চিছে মাহুৰ—'দেখো মাই আয়ত নন্দলাল।' ভুৱনেশ্বৰী আএ সুজান বুদ্ধি, দুশাৰী পাত দিএ, মাজে আজ্ঞা দিওঁতে বস্ত্ৰৰ বা যাই বুলি আঠু সমে গাতাকৈ লৈছিল। একদিন স্বপ্ন দেখিলে গোপ বালক সমে ভোজন বেহাৰ খেলা সমে দধি, দুগ্ধ, খীৰ, লৱনু, খীৰিহা, ঘৃত, মধু, পৰমান, আখৈ, চিৰা, চেনী, ফেণী, মাণ্ডা, মনোহৰা, পুৰি; লুচি, জেলি, মোদক, লবা, পুৰা, কলা, পিঠা, অনেক নানা উপায়নকৈ একাদশীত ভোজন বেহাৰ খেলা পাতি চৰিত্ৰ কৈ খেলাৰ গীত গাই চাতুৰি চোৰ প্ৰেমানন্দ সুখে ভুঞ্জিছে। নিতে আএ পাচ খানি আজ্ঞা কৰে। তিনিজন ভক্তে জৰে ধৰি বেলেগে পাগকৈ খাইছে। দুটি চাইটিকৈ তিনি চাৰি বাৰো অন্ন আজ্ঞা দিএ। গুৰুজনে বৃন্দাবনৰ খেলাৰ ৰাধাকৃষ্ণৰ চৰিত্ৰ তোলে, ভোজনতে নিতে অমৃত বৰ্ষে। এইৰূপে সুখানন্দে তিনি পক্ষ বহি আছিহন্ত।

মাতৃবিত ভকজন

আৰু একদিনা খৰীকটীয়া ৰাম আতৈ ভক্তে সমে খৰি লৈ গৈ হাবিত পওবাও দিলে। পওৰ মাত শুনি আছি ভকতে গুৰুজনত কলেহি। গুৰু বোলে দিয়াচো বোলে পওবাও দিছিলা বোলে হয়। দিলে আতৈএ। গুৰুজনে বোলে জাত মাত সকলো খানি হৈছে, ৰূপটিহে হৰলে আছে।' গুৰু বাক্যে জল লাগিছে। বাঁকা [illegible] উজানত [illegible] বাঢ়ালা আজপতি দিছে। [illegible]

পশু মাৰি ভকুক দিছেহি, ভকতক কটাই দিছে। আতা ভোজন নকৈলে।

কণ্ঠভূষণ

আৰু একবাৰ কণ্ঠভূষণ ঠাই মাগুৰিলৈ গৈছে গুৰুজন। পাই চৰাতে বহিছে। তেওঁ গোসাঁই পূজা কৰিবলৈই বহিছে গৈ। ৰঘুৰাজা পাচোটা পাইক দিছে, ফুল তুলসী বোএ, তোলে নিত সেৱাত প্ৰতি দিনে পাচ পাচি ফুল তুলসী লাগে তিনি পৰত চাই দণ্ডৰ পৰা পূজা ভাগে অনেক মূৰ্ত্তি বিষ্ণুৰ দাৰু, ধাতু, পাথৰময়। সেই দিনা গুৰুজন যাবৰ শুনি পাচিএ সৈতে বাকি কৃষ্ণায় নমো বুলি গৈ অভয় পদত পৰি সেৱা কৈলে। গুৰুজনে বোলে তোম্ৰাৰ পূজা সেৱা তিনি পৰতহে ভাগে হুমু, কিয় এৰি আহিলা? বোলে বাপ, উৱা নেপাইহে ভূৱা। বলি নিগদতি যদুপতি, গৃহত থাকিয়া দেখিলোঁ তযু চৰণ।

"যাহাৰ মূৰ্ত্তিক যজ্ঞত যজো।
হেনয় কৃষ্ণক সাক্ষাতে দেখো॥" শ্ৰদ্ধা

সাদৰে সাদিন ৰাখি পাঠাইছে।

আৰু ন শিকাৰ পোৱাম দাস আতৈএ গুৰুজনক প্ৰতি একাদশীত একো আখা কলা দিএনি পকাই। এজোপ শুদা হাতে আহিছে, দেখি গুৰুজনে বোলে কলা নানিলা? বোলে বাপ নাপালোঁ চাই। কিয়, তোমাৰ দেখো গৃহতে লাগি এঠোক পকিএ আছে? গৈ চাই দেখে হয়। কাটি এ আখি আনি দিলেনি। গুৰু বোলে আগে দেখো বোলা নাই? বোলে বাপ, আগে তিনিবাৰ চালো তাতে। তোম্ৰাৰ বাক্যেসে পাচতে পাকিল।

আৰু, পনৌৱানি পো ৰাম আতৈ বোলে, তেওঁকে গুৰুজনে বোলে আমাক আজি বুঢ়িমান পোনা মৎস্য আনি দিয়া। বোলে বাপ, পুহ মহা অকালত ক'ত পাম? বোলে

সেই পুখুৰীতে আছে যোৰা। ৰাম আতৈ গৈ দেখে, হয় গৰৈ পোনা বাহি দিছে। ধৰি আনি দিছেহি বোলে বাপ, তোমা্রা ঈশ্বৰত কি অবিদিত আছে ?

আৰু চিনী পগাব নাই। আতৈএ গুৰুজনক মাসে মাসে চিনী পাগি দিএ। এজোপ পাগি আনিছে বোলে বলাই চেনী দহিল। বোলে বাপ দেব নপায়। বোলে দেইছে চোৱা। ভাঙ্গি চাই, দাহিল হয়। বোলে একুৰা জাল বঢ়াকৈ দিলা। আৰু একবাৰ নিছে; বোলে বলাই চেনীৰ ভিতৰত শূন্য আছে। বোলে বাপ, নাই। বোলে আছে, ভাঙ্গি চোৱা। ভাঙ্গি চাই হয়, এটা ঔৰ মান আছে। আশ্চৰ্য্য হ'ল। দেখি বিময়িৰাকৈ তথা দি আছে। বোলে বৰ প্ৰচণ্ড বায়ু বলাব পায়, কাঢ়োতে ? অ হয়, বলাইছিল বাপ। বোলে তাৰ ফেনৰ মাজত সোমাই ওলাব সুৱাইলে, ঘুৰি ঘুৰি সেইতে শূন্য হ'ল। তেহে তেওঁৰ মনত পৈল, বোলে বাপ, হয় পচোৱা বলাইছিল, মনত পৰিছে।

আৰু ক্ষেত্ৰ বিলাইওৰ লোক প্ৰাৰ্থনাকৈ গুৰুজনক ভক্তে সমে নিছে, গৈছে। আগ বাঢ়ি বাঁহৰ কৰিছিল, তাতে বহিছন্ত। ৰাজা সিধা দিলে ভোজনলৈ। দি বোলে বাপ, আমাৰ আতে সজ মহন্ত ভকত একজন আছে। অনেক লোক আহে যায়, বিত্তাধৰ নামে। বোলে মাতি আনাচোঁ। আনিলে মাতি, বহিলহি। গুৰুজনে বোলে তই কাক চিনু, কাৰধাম লগ পাইছ, কাক গা, কি ভক্তি ? সি বোলে হায়ু কাক চিন্তিম, বাবে গুৰু মন্ত্ৰ চিন্তো, গাও, ভাবোঁ। তেহে গুৰুজনে বোলে ববপেটাব, বাবে মাজী গাওঁ শুনিছেঁা, বাবে মাহু, মাহু বৈষ্ণৱ, বাবে কৃষ্ণ, বাবে সূৰ্য্য, বাব বাণী এই তোৰ শুনিছেঁা, বাবে গুৰু শুনা নাই। একনত নিচাই বিদ্যাধৰ মহন্ত

কবিৰ মুৰাৰি, কলিযুগত অৰীতি, বৌধমতে দেশ নষ্ট, বেদ এৰি। সেইখিতে ঘোষা মাতিছে কৰি গুৰুজনে—

(১) অন্নযোণী যিটো নকৰে বিচাৰ, জাতিকুল ভৈল ভ্ৰষ্ট,
বৈষ্ণৱৰ বেশ ধৰিয়া ফুৰয়, বেদপথ কৰি নষ্ট ॥

(২) "হৰিনাম ধ্বজ কৰি, বেদপথ পৰিহৰি"

(৩) "শাস্ত্ৰৰ বিচাৰে নজানে ভকতি, পৰমাৰ্থ মতি মূঢ়",

(৪) হৰি হৰি হৰি কিনো ভৈল ইটো কৃষ্ণৰ মায়াৰ বল।

এই চাইটা ঘোষা মাতি বোলে আৰে সৈতে প্ৰবৰ্ত্তি আলকে লৈ আমাক আলকে বলা যাওঁ আতৈ সব। তেহে বিদ্যাধৰ গনক তেতিক্ষণে খেদি দণ্ডৰতে পৰিছে গৈ ভাব ভেটি নি। সাদিন ৰাখি সেৱা সম্মানকৈ পঠাইছে।

শ্ৰীৰাম আতা আক একদিনা শ্ৰীৰাম আতাক গুৰুজনে বোলে সখিৰ বাৰ্ত্তা লৈ আহাগৈ। গ'ল। পাই সেৱা কৈলে ঠাকুৰ আতা গুৰুজনৰ, আতৈ সবৰ, বুঢ়া আতাৰ, গোসানী মাতৃৰ, বাৰ্ত্তা সুধি নমস্কাৰ কৈলে। বোলে তোমাতো নমস্কাৰ। বোলে ভাল। বোলে শ্ৰীৰাম গুৰু ভক্ত বাৰ্ত্তাত ভাল বুইলা সজেই, তোমাক নমস্কাৰ বুইলোঁ, ভাল কেনেকৈ বুইলা? বোলে আতা তোম্ৰা মোক ধুলিছানে?—

যিহেতু চৈতন্য পূৰ্ণ পৰমাত্মা ৰূপে হৰি,
হৃদয়ত আছন্ত প্ৰকাশি।
এতেকে ইন্দ্ৰিয়গণ ভূত, প্ৰাণ বুদ্ধি মন
প্ৰবৰ্ত্তে যতেক জৰ ৰাশি ॥

মই জড় প্ৰায়, গুৰু আত্মা এৰিলেই দেখাত স্নান আছে। গুৰুজনক কৰিছা দেখিছে হয় বুইলোঁ। [illegible] ঠাকুৰ আতা বোলে মোৰ ধন্য ধন্য শ্ৰীৰাম সাৰ্থক।

আক এদিন দিবৈ নাৰায়ণে গৈ খেৰ [illegible] বোলে আতা আমি চাইটি ঘৰৰে আগ ভৰি [illegible]

বোলে ভকতভত আগুনিয়া কৈ নোসোধা কিয় ? বোলে প্ৰভু, কাৰ শুৱিলে যাম, কোনে কৰ, বিত, হীন প্ৰাণী, দিব থব পাইলেহে ? তেহে গুৰুজনে এক লোকাচাৰ আহিঁ কৈছে। বোলে এক লোকে বাৰ্ত্তকি কইছিল, হাবি হৈ আছে, চ'ত মহা পাঁচি লৈ যায় ভুলিবলৈ। লোকে ভাবে বোজে নিছে, লাগি দ'ম খাইছে। ই বোলে মোৰ হৃত হ'ল, নেলাগ, লোকৰ দল। শুনি সিটে বোলে, বেঙ্গেনা বোলে যদি, তই জানো লাগিছিলি ? এতেকে চিত্ত বিত্ত কৃত্য নম্ৰতা, সাৰ, কোৰ, বেৰ, আঁৰ, যাৰ, সৰ্ব্বসিদ্ধি ভাৰ।

শুকদেৱে সাদিন সাত নিশা বাহু কন্ধ কলে পৰীক্ষিত জম্বুদীপৰ ৰাজা, কি দিলে কি নিলে॥ এতেকে যাৰহে শুদ্ধ চিত্ত, শুক ভক্ত তুষ্ট বৈকুণ্ঠে গৈ থিত।

আৰু চাৰিজন ভকত গোট হৈ আশ্ৰমী হাটীত ধান বানি আনেগৈ। তাতে গুৰুজনে উবাল বাৰি কৰি দিছে নোবোৱাকৈ।

আৰু বৰপেটাত খটখটিত উদাসীন, আশ্ৰমী, একে ঘাটে গা ধোঅ, জল খায়। শ্ৰীৰাম আতা গা ধুথিতে গৈ দেখে স্নান কৰিবলৈ। হৰিজীইঁতে কাপৰ দাজি জল ভৰিছে। সুধুই আছি বোলে বাপ, সুন্দৰীৰ আহিঁ কলৈ গ'ল ? বোলে শ্ৰীৰাম কি ? বোলে বাপ দুটা ঘাট আছিল, আশ্ৰমী উদাসীনৰ এতিয়া একে ঘাটে কোন বস্তা পৰিব তাত ? বোলে আৰ মাজতে বিটি বস্তা পৰিব সেইটিহে আমাৰ। বোলে বাপ, এটিও বস্তা নপৰে এনে হলে। বহিৰ সংযোগে ঘৃত বয় নিকি ? তেহে দুটা ঘাটকৈ দিছে। শ্ৰীৰাম আতাক ঘাটা নিবাৰনি যোঁৱাকৈ দিছে কিশালে। আশ্ৰমী উদাসীনৰ স্নানঘাট

আৰু এক আশ্ৰমীৰ একজনে, উদাসীন একজনে আহ্নাৰাতকৈ গুৰুজনত জনালে ইষ্টমিত্ৰ কৰিবলৈ। বোলে তাৰা যাৰ হাতেন পাঁথাবে-যাহ বদি হৈ, তাতে তুমি বাধা। পাতীএ

আশ্ৰমী আৰু উদাসীনৰ ইষ্টতা

তেওঁৰ পিৰা চৰা দিব, গুৱা দিব, তাৰে কাটি আপুনিও খাবা তেওঁকো দিবা। চাইটা চক্ষু একত্ৰ হৈ কেনেকৈ ৰক্ষা পাবাহঁক। "ত্বক্, চক্ষু, মন, মুখ, নাসিকা, শ্ৰৱণ।
ছয় গোটা শত্ৰু জানা পৰম দুৰ্জ্জন॥"

এনেই বৈৰী, তাতে মায়া বলৱন্তৰ আশ্ৰয় পালে'কোন ৰব? ই কথা নকৰিবা, অশ্ৰমী আশ্ৰমীএ, উদাসে উদাসে কথা হোৱাহঁক।

নিকিনিখোৱা ভকত

আৰু নিকিনি খোৱা নামে ধনশিৰীয়াৰ কাখে গৃহ আছিল, ৰব চৌৰবৃত্তি আছিল। একদিনা গৈ খাৰৈত পৰি আছে গৃহ'ত গুৰলৈ চোপালৈ। তাৰ স্ত্ৰীটো গৈ গা-তে ভৰ্চ্ছিলে। ধৰে বুলি নিশাৰে বৈ স্নান কৰি গৈ মহাবিৰকত লাগি ভাৰ্য্যা পুত্ৰ সব এৰি গুৰুজনত ভকত হৈ হাটিতে আছে নাম লৈ। সিকথা এৰিলে, তেও স্বভাওটি আছে। ভকত নাম গাবলৈ গলেই আৰ লোটাটি নি সিজনৰ বহাত থয়, ই জনৰ বাটিটি তত থয়নি। আহি ভক্তে বোলে কোনে এনে কৰেনো? এদিন কলে গুৰুজনত বোলে বাপ, হৰাবৰো নহবায়, কোনো বা জনে এনে খানি কৰে, আহুকাল পাওঁ ৰব। বোলে নিকিনি খোৱাক মাতা। মাতিলে আহিল। বোলে ভকতৰ এনে খানি কোনে কৰে? তেহে দণ্ডৱতে পৰি বোলে বাপ, পাপীৰেহে বন। বোলে কিয় কৰা? বোলে বাপ, আগে ৰব চোৰ আছিলোঁ। এতিয়া সেই ভোৰ গুচিল, তোমাৰ অভয় পদত শৰণ লৱৰ পৰা। তেও এই বৃত্তিটি এৰিব পৰা নাই। সেই বেলা খোৱা মাতিছে ৰব আহুনীয়া নাৰায়ণ নামে নৰ সমস্তৰ প্ৰসিদ্ধচৌৰ বিশেষ।

অনাদি জন্মৰ সাঞ্চিত পাতক শ্ৰৱণে হৰে নিশেষ॥"

বোলে নাম গাইহা ছুইদিন চৌৰহে, ৰব পতাইতত আশ্ৰয়কৈ চিনি নাৰায়ণ নামে চৌৰত্ব শ্ৰৱণকৈ সেৱা সুখ

বৃত্তি শিকা। এই জন্ম দুৰ্ব্বাসনা হৰিব পৰজন্মৰো নিব। ৰব চোৰে গৃহতৰ দুই তিনি পুৰুষক বস্তু একে বাতিএ নিএ। এই বৃত্তি শুচক বুলি আজিৰ পৰা আশীৰ্ব্বাদ দিছে।

আৰু ধীৰাই আতৈ কীৰ্ত্তন গৃহতে আহিএ খাই চৰিউ হাটী ফুৰে, বোলে হ'লনে, নৌ? আতৈ সবে বোলে নৌ, বহাইছোঁহে। বোলে মোৰ দেখো হ'ল একা? একে চা' ? আহিছোঁ একা? এদিন গুৰুজনত কলে বোলে বাপ, ধীৰাই আতৈৰে একে লগে আহোঁ নাম গাই, আমি বহাও তই খাই ওলায়! তেহে গুৰুজনে বোলে শ্ৰীৰাম যোৰাচো ষাৰ মেলিএ ৰাম বুলি দিবা। আতা বাৰ জুমি দেখে শাংস খাৰুবে সুন্দৰী স্ত্ৰীটে বান্ধি ৰাত্ৰি থৈছে। সোমাএ ৰাম বুলি দিলে। সেইতে হৰিল, ভাতত হাৰ কেচু, কুমটি, জোক বগাব থৈলে শিশি কৰে। কলেহি আতা। গুৰুজনে বোলে সিজন্মে বলীৰ দৈত্য আছিল, অনেক ছায়া বাজি মায়া জানিছিল চক্ৰৰ ভয়ত নাম ললে কপটে, চিত্তে ভজে ছায়াকেহে, পাৰণ্ড কপট নামৰ ফল পালেহি, চিত্তৰ বাসনাই ক্ষেত্ৰৰীত বিশ্বাস নেৰিলে, এই বুলি খেদি পেলালে।

ধীৰাই আতৈৰ বৰ্জন কৰে

আৰু এদিন মেঘ চাৱলীয়া আতৈ অবে ধৰি অন্তা নাইকিয়া হৈ বিদায় কৈলে বোলে বাপ, মাছ, দুগ্ধ, ভজা, পোৰা নহলে ভাতেই নেৰায়। দিওতা পাৰলো নাই, গ্ৰামতে দিনাচাৰক থাকি টঙ্গাৰ খোজো গৈ। ত'ত হলে পাওঁ, বিচাৰকৈ দিওতা আছে। তেহে গুৰুজনে যোৰা, কৰি মাতিছে—

"পিউ পিউ অমিয়া মাধুৰী হৰি ৰাম ৰাম ৰাম,
দূৰতে তেজিয়া থৈয়ো আন যত মাৰ কাম
ৰাম ৰাম॥"

বোলে আমি দহো থৈছো, দধি দুগ্ধ, ঘৃত, মধু, চেনী কোটি অমৃত একান্তিক শুদ্ধ সেৱকৰ সঙ্গত ৰাম নাম। শ্ৰীশঙ্কৰদেউ দিছে প্ৰথমৰ উপদেশত—

শুনা যেন গুণ আছে ৰমৰ নামত।
উচ্চৰন্তে উপজে পৰম পুণ্য যত।
মৰাকো জীয়া এইসে পৰম ঔষধ।
কোটি অমৃত বৈকুণ্ঠৰ সুখকো তেজি শিষ্য

উদৰ অৰ্থে মায়াময় জিহ্বাৰ ৰচনা গাখীৰ, গুৰ, মাছ, বিচাৰি-গাওঁলৈ যাব খোজা? আতৈ ৰ'ল। আনৰ যাৰ মন চলিছিল ডাঠ হৈ ৰ'ল, দুখে সুখে এক নাম গাব থৈলে।

আৰু এক সময়ত গুৰুজনে বোলে তোমা সবে দুজন দুজনে সঙ্গ প্ৰীতি হবলৈ লালনা ইষ্ট ইচ্ছা কথা হোৱাইঁক। তেহে ঠাকুৰ আতাক আজ্ঞা কৰিছে পৰমাৰ্থ মাতিছে কৃষ্ণাই আতৈ নাচিল, উদাসৰ বাহিৰ হাটীৰ কৃষ্ণাই আতৈৰে মাতিলে কথা। গৈ সেৱা কৈলেহি বোলে সখি, হ'ল বস্তুৰ প্ৰকাশ। বোলে বাপ, সকলৰো হ'ল, জয়ানন্দ আতৈহে কাৰেও কথা নহল, আৰু কৃষ্ণাই আকল হ'লত বাহিৰ কৃষ্ণাইৰে কথা হৈছিল, থোৱা হ'ল। বোলে সম্পন্ন হলে অমাকেই লাগে আশ্ৰমীৰে কেলেই দিলা, কতুবা দোষ কৰে? তাৰা আহিব, আৰা নাযাব ঘনে।

আৰু থাৱত থাবী দি নিৰ্ব্বন্ধ কৈলে বোলে নাম পাঠ থলেই পৰত যাব মাৰিব আটকি। বাহিৰ কৃষ্ণাই সপ্ৰেম ভক্তি মুখত ৰসিক, ৰাজৰ্ষে ভলুকা বাঁহ পৰিছেহি। তাতে উঠি তাতি পাব কৈ কথা মুখে থাকেহি তিনিপৰ, চাই ভবিয়াত যাৱ ৰগাই পুৰুব। তাকে সূচক থলুৱা লক্ষ্যকৈ কলে গুৰুজনত। সভাই আনি সুধিলে বোলে বাপ দুই দিনতো বিৰহৰ তিনি আগে পুৰি দহ কৰে জীৱক। তব নেপাই বাহেই

গৈ শীতল চৰণ ছত্ৰৰ ছায়াত জিৰাওগৈ। কথামৃত সাগৰত বুৰ দি সুশান্ত কৰে। পৰম সন্তোষ হৈ বোলে মোৰ গুৰুজনে দিছে নৰসিদ্ধত হৰিৰ বাক্য—

কৃষ্ণপদ পঙ্কজ অৰুণ নখ পান্তি।
যাৰ মনে চোঞাৰ সুশীতল কান্তি॥
যেন হিম পৰি জুৰায় তাহাৰ হৃদয়।
আউৰ তিনি তাপে তাক কৰিবে উদয়॥

সি অমৃত ঔষধ পান কৈলা বিষয় বিষহে হলাহলে৺ তোমাক কি কৰিব আৰু। এই বুলি ছাবীক কথা শুনাং দিছে বোলে মই আনলৈহে ছাব মাৰিছোঁ, কৃষ্ণাই যদি বাস্তি জুপৰতো আছে যায়, তেও ছাব চাবি দিব।

আৰু জয়ানন্দ আতৈ নৰিয়া পৈল। আতৈ সবে বাজতে বোলে আতৈ ভাত নেৰিব, ভাতেহে বল শক্তি। এই ক্ৰমে সবেও বোলে কয়, ছাবত পাৱ নিদিএ, আতৈ বৰ টান হ'লছি। গুৰুজনত কলে বোলে বাপ, বুঢ়া আতৈ বৰ কাহিলা, ভাত পানী এৰিলে। শ্ৰীৰাম আতাক বোলে যোৱাচো, কাত আশ্ৰয় কৰিছে সোধাগৈ। সুখিলত বোলে জুজন জুজনে হ'ল, আমাৰ নাই, গুৰুজনতহে আশা। গৈ সেই মতে কলে, বোলে আকো সোধাগৈ দয়া স্নেহ কাবো-বাবে কৰিছেনে। আতা পুনৰ সোধাত বোলে মই তাবাকেহে আশা কৰিছোঁ। সেই ক্ৰমে আতা কলেগৈ। বোলে পুনৰ সোধাগৈ পান, চুন, শাক, পাত কাবে দিয়া নিয়াকৈ খায়। সুখিলত বোলে কাকো নিদিওঁ নেখাওঁ, তাবা বিনে মোৰ বন্ধু নাই মাই। তেতে গুৰুজনে হাতে জোঁটা মাথে পাগৰী লৈ উঠিল বোলে আমিহে যাব লাগে। শ্ৰীৰাম আতা আহি লৈ বোলে বাপ, মি জীৱৰ নিস্তাৰ নাই, নিকাৰহ হ'ল বোলে বাপ, [illegible] বুজিবলৈ [illegible] লিখকেহু

জয়ানন্দ আতৈৰ মৰিলা

আঠুলৈ বুলিছে ভৃত্যত হন্তে যি কার্য হয়, স্বামীৰ কি প্রয়োজন? আমি গোলাম থকাত গৃহস্থৰ কি প্রয়োজন? বোলে শ্রীৰাম পাৰিবানে? বোলে কিয় বাপ? গৈ দেখে পেট চলি পৰি আছে, তাতে পাটি কাপৰ ধুই ধুতি কৈলে, পাণী জপতাই গা ধুৱাই ধুতিকৈ বিষ্ঠা মূত্র আজলি পেলাই চাচি মাচি গোবৰ মাটিএ স্নানকৈ, চাউল সিজাই খুৱাই শুৱাই তেল টেঙ্গা দি গধূলিলৌ থৈ গ'ল। জনালে গৈ বোলে শ্রীৰাম,

শ্রীৰাম আতাৰ পৰিচর্য্যা

ভকতক পাই যাৰ নভৈল হৰিষ,
হৰিক পাইনো কৰিব কিস॥
কৃষ্ণৰ ভকত পাই ঠায় ঠায়।
ভকতৰ ভকত পাবলৈ নাই॥

বোলে শ্রীৰাম, মোক আজি কিনিহে ললা তুমি। তাৰা গা টাঙ্গাই সজহে গুৰুজনক সেৱা কৰিলে গৈ। বোলে তোম্রা আনক নাপালা? বোলে বাপ, মোৰ পূর্ব্বৰে পৰা তোম্রাৰ চৰণত পৰে কাৰেও লালনা, আশা, ভাৰষা নাই। লোক দুজনকৈ হ'ল, মই কাৰে হ'ম বাপ? বোলে তুমি কাৰবাৰ কৰা হলে তিনি জনীয়াকৈ জানো নাই? বায়ুক, অগ্নিক আঁচলত কোনে বান্ধে। এই বুলি খঙ্গ কৈলে।

আৰু জয়হৰি শ্রীহৰি দুইৰ ইষ্ট মিত্র আছিল। কাকিবল এহালি খুজি আনি থৈ ভিক্ষালৈ গ'ল। আৰা আনি ভাজিকৈ ভোজন কৈলে। তাৰা গধূলি আহি আগ পচলা খুজি খালে। দেখি কাথৰ ভক্তে কলে গুৰুজনত এনে স্বভাৱ বুলি। মতাই আনি বোলে এনেহে কথা। চাৰিওটি বে খালা নি তেওঁলৈ থলা কি? দুটি খাই দুটি থৰ পোৱা, খাই আনকে নি থৰ পোৱা, কি খালা পালা বুলি মুখেৰেও নেমাতিলা, এবে নির্জ্জা ভকতৰ ক'ত আছে? এই আহি লৈ

জয়হৰি শ্রীহৰিৰ আহি

লৈ আনো নষ্ট হব দেখা দেখিকৈ। ষাব বান্ধি খেদাগৈ। বান্ধি খেদালে, গ'ল। তাবা গ'লত আবাও গ'ল জোলোঙ্গা বান্ধি পাচতে। দেখি কলে ভক্তে বোলে বাপ, তাবা যি গ'ল এওঁ গ'ল পাচতে। দেখি কলে ভক্তে। বোলে মাতাচো। মাতিলে, আহিল। বোলে মই তেওঁকহে খজিছোঁ। অনির্ব্বন্ধে প্রবর্ত্তে গুণে, তুমি যোৱা কিয় ? বোলে বাপ, পূর্ব্বে এৰৈকশটা সম্বন্ধ ঘটাই তযু মুখে পৰম তত্ব বস্তু দিছে— ভকতি সে পিতা ভকতি সে মাতা চৰ্চ্চি। এতিয়া যদি এৰিলোঁ ভৃত্যৰ বস্তু গৃহস্থে খোৱাতে, আপুনাৰ বাক্যত কত বলু ? তেহে গুৰুজনে অম্বৰিষ দুৰ্ব্বাসাৰ অৰ্হি কৈ পদ মাতিছে।—

মই হৰি চৰাচৰ, মই বশ্য ভকতৰ
দুৰ্ব্বাসাৰ আগে দামোদৰ।
একান্ত ভকতে পাই মোক বশ্য কৰিলেক
মই হৰি নোহো স্বতন্তৰ ॥" বোলে মই চাৰিলোঁ

তোমা বাখিলা, মই অধিকাৰ নহওঁ, দুও এখানি গুৱাকে বাটি খাই থাকা হৰি গুণ গাই শ্রদ্ধাৰে।

আৰু একদিনা গুৰুজনে য়োলে মোৰ মহাপুৰুষ গুৰু দিছে চেমন্তহৰণত যোৱা—

ভাই মুখে ৰাম বোলা হৃদয়ে ধৰা ৰূপ।
এতেকে মুকুতি পাইবা কহিলোঁ স্বৰূপ ॥ তায়া

সব, নাম গাইও মুকুতি পাবা, ভক্তি দুৰ্লভ। শুনি আতৈ সবে নাম এৰিলে। বোলে শ্রীৰাম দেখো নাম ভকতে নেগায় ? বোলে বাপ, তোমা যে বোলা গ'ল, নাম গাইও মুকুতি পাবা, তাতে এৰিছো। বোলে বহুমনি কাইকৈ মাছ অনোৱা বৰ, সক মধ্যম এনে চাই। অনালে। খলাতে দমালে নি। আতৈ-সবক বোলে আজিৰ মাছ বাটিৰ লালাগে, যাৰ যি ইচ্ছা বলে

নিয়ৰ গা গাই। নি তিনি খানি আজ্ঞা কৰিবা হ'ক। তেহে নিব খৈলে যাৰ যি মন যায়, ছৰা ছবিকৈ বৰ ভোৰ নি থুকালে, কুৰ্হি, চেণী, মালি, খৰিয়া এনে ভোৰ আছে, তাকো নিছে। শ্ৰীৰাম আতা গুৰুজন পাশতে আছে। বোলে শ্ৰীৰাম তুমিও নিব নালাগে? বোলে বাপ, নিয়া হব। সকলো নি থুকালে. মাছো থুকালে। বৰ মাছৰ গাত লাগি বহা, মোচা, ছন্দা, তনিকা, টৌৰা এনে মাছ এমুঠি মান পৰা বিচাৰি নি পতৰা কৈ গুটি চাৰি টেঙ্গা সানিলে, দুটি মানত খাৰ, তৈল, গুদাই দুটিমান ভোজন কৈলে তিনি খানিকৈ। কৰি সৰেও চ'ৰাত বহিছেহি। গুৰুজনে বোলে কাৰ কেনে হৈছিল আজ্ঞা? বোলে শ্ৰীৰাম তোমাৰ একা? বোলে বাপ, পতৰাকৈ তিনি খানি কৰা হ'ল আপুনাৰ বাক্যে। বোলে কেনে হৈছিল? বোলে বাপ, ভাল হৈছিল। বোলে তাক কিহক ভাল বোলা? যেই মুখে খাই পুনৰ সেই মুখে চাদিলে চাৰ সুয়াৰি, কিহক প্ৰশংসা? আমি দেখো ভাল খৈছোঁ?

ভাল উপায় পাইলোঁ ভাই ভাই এ···

ৰাম নাম নিগম ৰহস্য মোৰ শ্ৰীশঙ্কৰ দেউ থৈছে লীলা-মালাত—পিউ পিউ ৰাম নামে অমৃত"

খায়া দায়াৰ প্ৰশংসা বৃথা কথা সংসাৰ পথ যাৰ। ৰাম নাম সৃষ্টি থিতি লীলা গুণ কৰ্ম্ম প্ৰশংসা সেৱকৰ বৈকুণ্ঠৰ পথ-যাৰ। জিহ্বাৰ ৰচনা নাম হলেই মিছা, কি সজ বোলা। তেহে বোলে মুকুতি কাক লাগে আজিহে জানিলোঁ। খটাকে দুই দণ্ডে গতি পালে। বহুগনে মুহুৰ্ত্তে পালে গতি। আতে সৰে বোলে এতিয়া কেনে জীৱন্ত মুকুত আছে নাই বাপ? বোলে কিয়, আমাৰ লগতে নাছে? হাতত ধৰি দেখাব পাৰোঁ। আতা বোলে বাপ, কলাপে জোৰ পাহৰাই লবু কৰিব। যেই বাটে মৰে কঠোৰা সেই বাটে যাই পঠাবা।

যাৰ মন যি চলে তাতে থাওক, হেঁচুকি গাছত কোনে তোলে? পিচলি গীদা চোচবোতে আছে। আৰু আতৈ সবে প্ৰৰ্থনা কৈলে বোলে বাপ, কতো আমি শ্ৰীশঙ্কৰ দেউ হিনতে, কতো আপুনাৰ সঙ্গতে দহ, বাৰ, কুৰি, দুকুৰি বৰ্ষ হৈছে, নাম গাইছোঁ, সংসাৰ তৰাৰ একো প্ৰমাণ নেপাওঁ, লোভে মোহে, কামে, ক্ৰোধে দম্ভে, দৰ্পে, অহঙ্কাৰে গৰ্ব্বে বেৰি আছে। তেহে গুৰুজনে বোলে তিনি বিধ ভক্তি. উত্তম, মধ্যম, প্ৰাকৃত, নিগুৰ্ণা, কেৱলা, ভাগৱতী। গুৰু বাক্যত বৈ, তলে প্ৰবৰ্ত্তি নাম গালে উত্তম, শাস্ত্ৰ তলে মধ্যম, মনৰ তলে প্ৰাকৃত, সাধু সেৱাকৈ আমাৰ বাক্যত থাকিলে গো সিক্ষত ঠাবিহুটো দিবৰ বেলি নালাগে সংসাৰ তৰিবলৈ প্ৰয়াস কি?

আৰু খিৰামড়লৰ বেটা মাধৱ। গুৰুজনে মিতা বোলে. একদিনা আহি সেৱা কৈ বোলে বাপ. প্ৰবৰ্ত্তিবলৈকে টান হ'লহি. অত আজোৰোঁ তেও নাটে চাউল কানিএ তোমাৰ চৰণত সেৱা তেৰি কাক্ষে। বোলে কিবা আন্যায় কৰা হবলা? বোলে বাপ, দহো সক্ষেহে প্ৰবৰ্ত্তো। বোলে কিয়, তিনি পৰলকে হাল বোৱাই এটা অন্যায় ধৰ্ম আৰু নিশা দুই তিন দণ্ডতে বান্ধনী গা ধুই ভাত বান্ধে পুৱা বাহি গা নহয়? ইও এটা অন্যায়। তিনি পৰতে দামুৰি বান্ধি দুবাৰ গাই দোৱা, এই এটা অন্যায়। তাতে নাটে। আন সবে নিয়মে কৰিও দহো প্ৰবৰ্ত্তিছে? বোলে তুমিও চোৱাগৈ ইবেলি। চাই দণ্ডত বান্ধি গা ধুই চাউল সিজাব, হাল দুই দণ্ডে নিব দুপৰ হবলৈ দুই দণ্ড থকাত মেলিব দামুৰি এবাৰ দুবা, মাটিও দুভাগ নৈ এভাগ কৰাগৈ আটে নাটে। পৈ সেইৰূপে, কৃষি কৰি চালে, আগতকৈ বাঢ়িলহে। অনাচাৰত অনাটন

আৰু এজন ভকত নামতে উঠি আছে। একদিনা গুৰুজনে বোলে তুমি দেখো ঘনে ঘনে দোৱা কিয়? বোলে

ধনচিন্তা

বাপ, পাচটি টকা আছে মোৰ, পাটি তলে বান্ধি থৈছোঁ, তাতে গৈ মনটো থাকে। কোনোবা নিএ যেন দেখোঁ; তাতে যাওঁ। বোলে আমাক দিব পাৰা? বোলে বাপ বৰ দুখ দিছে, পাৰোঁ দিব। দিলেনি আনি। ভণ্ডাৰত দি বোলে যদুমণি আজিতে খৰ্চ্চকৈ চাউল, মাহ, লোন, তেল, বন্তি, মূলে আটে মানে দিবা। যদুমণিএ দিছে খৰ্চ্চাকৈ। তেহে তাৰে পৰা একচিত্তে নাম গাব ধৰিলে। গুৰুজনে বোলে তোম্ৰাক টকা কেটিএ বৰ দুখ দিছিল। ভালেহে মহাপুৰুষ গুৰু দিছে দশমৰ উপদেশত—

> "যতেক বাঢ়য় ধন, ততেক মৃত্যুসে বাঢ়ে,
> আপদ নাহিকে অতে পৰে।"

ধনচিন্তা

আৰু এজন ভকত খিনাই শুকাই যায়। গুৰুজনে বোলে তোমাৰ কি হৈছে, দহো খিনালা? বোলে বাপ, চৈধটি টকা আছিল। সেয়ে হৰাল, কোনোবা নিলে। বোলে ক'তনো-থৈছিলা? বোলে বাপ, কানিৰে বান্ধি শোৱা ঠাইতে থৈছিলোঁ। ইফাল সিফালৰ ভকতত সুধিছানে? বোলে বাপ, সুধিছোঁ, পোৱা দেখা নাই বুলি কয়। বোলে ঘাটে কাপোৰ ধোৱাত সুধিবাচো। সুধিলেগৈ। বোলে সলিয়াঁটে কিবা মুখতে বগা লাউ ফুল যেন নিতে নিএ দেখোঁ। গুৰু জনত কলেহি। বোলে তেনে যোৱা, বৰ পেটাৰ সিপাৰে নলৰ মাজত টেঙ্গা জোপা আছে। তাৰে মাজে সলিয়াৰ বাহটি আছে। তাতে টকা নি থৈছে, আনাগৈ। বাহ, পোৱালি একো নকৰিবা। আতুৰ হৈ গৈ দেখে সাটোটি পোৱালি হৈছে, তাৰে তলে টকা থৈছে নি। মাইকী চুটা লৰ মাইলে, টকা হৰ্ব মনে লৈ আহিল। আনি থুই দিলেনি গুৰুজনক। বোলে খোৱা তোমাৰ হাতেই। পাচ দিনা বোলে আজিও চোৱাগৈচো। গৈ চাই দেখে মাইকী পোৱালী

বাহতে সৰি আছে। আশ্চর্য্য অদ্ভুত হৈ কলেহি বোলে বাপ, মাইকী পোৱালি বাহতে মৰি পৰি আছে। তেহে গুৰুজনে বোলে তোমাৰো ন'হল ইঁতেন তেনে? সি অজ্ঞান জন্তু, খাব পিন্ধিবৰ একোৰো নহ, তেও যে সিয়ে মৈলে তোমাৰো ধনৰ মোহত তেনেহে হ'ল হতে অৱস্থা? কেলেই নো মোহকৈ বান্ধি ৰাখিছিলা? মায়াময় মিছা সংসাৰ দ্ৰব্য হলেই গৰ্ব্ব বিনাশী বস্তু।

ৰাম নাম লৈয়া মায়াক কৰা দূৰ।
মিছা দিয়া সচা লৈয়ো ই বৰ চতুৰ॥

সেৱকত লগালে মিছাতে সচা পায় পৰ জন্মত। বোলে বাপ, শেষ কালত লগাবলৈহে থৈছিলোঁ। বোলে শিশুকালে ভাঙ্গি যি ধৰ্ম্ম কৰ্ম্ম ভক্তি কৰে তাৰ ফল তিনি গুণ হয়, পায়; মধ্যকালে দুগুণ পায়, বৃদ্ধ কালে একগুণ হে পায়। মৰিলেও ভকতৰ দ্ৰব্য ভকতত হে লাগে পায়ও তাৰ ফল কিছু নাই। জীয়াতে যে লগাব খুৱাইলে; এৰাত পাই তাৰ কি হব?

আক এদিন মাঘ মহা মেঘাচ্ছন্ন, ভাৱৰ, জাৰ, হৰি কথা শুনিছে ভকতে, অৱসানত জীৱনা আতৈএ বোলে কি আজি দুৰ্দ্দিন, সূৰ্য্যৰ প্ৰকাশ নিচয় নোলালে। তেহে গুৰুজনে সুধাৰ্য্যা কৈলে— ঘোৰা বচনা

সেহিসে দিনক ভাই দুৰ্দ্দিন বুলিয়া মানি
মেঘাচ্ছন্ন নোহয় দুৰ্দ্দিন।
হৰি কথা অমৃতৰ সম্যক আলাপ ৰসে
যিটো দিন হোৱয় বিহীন॥

আক একজনৰ উনৈশ টকা আছিল। পুথি থৈ কাতো নকলে মোহত থাকি। তেনেতে শৰীৰ পৰাত উৰহ বুলি চলিল। বমন্থতে নি বাজাত যোগালে গৈ। চিত্ৰগুপ্তক বোলে বোৱা। চাই চিন্তি বোলে আৱা. আছিবকে নেপায় টকাৰ-মোহত বৰ ভকত

আলৈ। টকা অনিত মোহকৈ বিশ্বাস কৈলে, কতো নকৈ মনে তাতে ধৰি আছিল। এতেকে জন্ম লাগিল যাতনা নাই, থৈ আহগৈ পুনৰ। ছুতে লৈ আহিল, দেহা দহিলে, এখি প'ল। ভাকুলি স্বৰূপ হৈ টকাৰ উপৰে পৰি আছেহি সেই বহাটি দাবিকাৰ গোবিন্দ আতৈক দিলে। এদিন গুৰু-জনে তেওঁতে সুধিলে বোলে তোমাৰ বহাত কিহবাৰ গম পোৱানে? বোলে বাপ, বেঙ্গ এটিএ বই গুমু। বোলে ক'ত কৰে নিয়ম বুজিবাচো। মন কৰে ভাত বাঢ়িলেই মাতে তপত পাই। বুজি কলেহি সেই ক্রমে। বোলে খানি যি পোৱা তাতে আনাগৈ। খানি চাই দেখে ভুককাটি মুখতে ভাকুলিটি আছে। আনি তেনেই গুৰুজনক দেখালেনি। ভাকুলিটি মৰাই গমচা এখানি দি পোতালে নি। টকাটি হত ভণ্ডাৰলৈ দিলে খৰ্চ্চাকৈ সেৱালৈ। সেই নিশা স্বপ্নত ভকতে দেখে গুৰু বস্ত্ৰেৰে দ্বাৰে দ্বাৰে ধূলা লৈ ফুৰিছে। বোলে মই গুৰুজনৰ কৃপাতহে দুখৰ পৰা মুক্ত হৈ আজিহে যাওঁ।

আৰু এদিন শ্রীৰাম আতাক পাঁচিলে বাউসীলৈ গোসানী মাতৃৰ বাৰ্ত্তা লবলৈ। লৈ আহি কলেহি।

"যাৱত কৈতব নেৰস মন।
তাৱত নপাইবা হৰিচৰণ॥"

বোলে বাপ, চৰ্চ্চা যক। বিশ্বাসৰ কাৰ্য্য বহুল দেখি নেমাতে, আতা নেৰে। বোলে শ্রীৰাম অকালৰপ্রচতাৱত নাহৰ ফুলেনে, বোলে বাপ, ফুলে। কথাৰ বেগতে শুইলে। আতা সাৰা নিশা বাগৰি উঠে পৰে উস্ আস্ কৈ বাজ ওলায়, ভিতৰ সোমায়। বোলে মই কিয় বুইলোঁ। গুৰুজনৰ আগত। তেহে পুৰে বেণু দিওঁতেই উঠি গ'ল। গৈ ফুৰি ৰব হাবিত মক নাহৰ ডালিত—পাচোটি ফুল ফুটিছে। দুটি তোপা, দুটি মধ্যম, এটি অকুলিত, ডালে সৰে আনি দিলেহি, বোলে শ্রীৰাম

পুহ মহা ই ফুল নিষ্কিন সুখে ফুলিছে। তেহে বহস্তে ফুল যোষা গুৰুজনে চৰ্চ্চি দেখাইছে।'

আক গোন্দী নামে এক তান্তি ভাৰ্য্যা স্বামী, সৰ্ব্বত্ৰে বনাচ লৈ কাপৰ বয়, হাতত পোনে কৈ লয়,' তেও চাউল কানিও নাটে। একদিনা গুৰুজনত চাউল, লোন, তেল খুজিলে দিও তাৰৈ বুলি বেথাকৈ। বোলে দেখো নেৰি বনাচ বোৱা ধনে কি কৰা? বোলে বাপ কৰোঁ চাৰি প্ৰৱৰ্ত্তিবই, মুৱাবো ছা পেট, ধৰিহে আছে লোকৰ। বোলে কিবা ধৰ্ম্ম কৰা তেনে। বোলে বাপ দেখো অধৰ্ম্ম কৰিবৰ মন নপৰ্শে। বোলে কিয় এনেচা এনেচা সুতা বাথা কাপৰ খনে পতি? বোলে বাপ, থকাত আদিকে এক হুনেচা বাৰ্থে হয়। বোলে এতিয়াৰ পৰা, মহুৰাটোকো নাৰাখিবা, দি বৈ চোৱাচো। সেই মতে নাৰাখি বব খৈলে, ধন বস্তু অভ্যদয় হ'ল। খাইও বাঢ়েগৈ ধাৰ সুজিও ধাৰ লগাব খৈলে।

মাসেকত দুই তিনিবাৰ পঠায় গোসানী ঠাই বাৰ্ত্তা লৰলৈ। এবৰে পাচিছে। আতা গৈ সেৱাকৈ বাৰ্ত্তা সুধিলে। গোসানিও ও সুধিলে গুৰুজনৰ। বোলে শ্ৰীৰাম, বাপুত কৰা ঘৰটি ঝৰে। আহি আতা কলেহি। বোলে বাপ, আজ্ঞ কলে গৃহটি উকখে হয়। তেহে গধুলিতে তকতক কলে, কালৈ কোনে যাবাহক, গুৰু পত্নীৰ ঘৰটি বান্ধিব লাগেগৈ। প্ৰাতসে শৌচ শুধি হৈ স্নান গুৰু সেৱা নাম প্ৰসঙ্গকৈ গলাল গুৰুজন। বাট গৃহতে বহি বোলে মথুৰাদাস, তকতক মাতি আনা। বোলে বাপ, কি বুলি জনাম? বোলে এই বুলি মাতা কানাই, কানাই, বলাই, বলাই, গোপৰ বালক জাক। বন্দ যশোদাৰ দোহাই লাগে যি তাই ঘৰত থাকে। ভৈবা হাতে নাহিৰ কেও। আতা সেই ক্ৰমে জনালে। সেইৰূপে গলাই আহিলে সকলো গোপাল আতেও এখ বেৰ বাতি লৈ

গোসানীৰ আগত গিৰিসাই পেলাই হাঁহিব ধৰিলে। আঞ্ৰ বোলে কি বঙ্গিয়াল ভকতটি। এমান ভাৰ খেৰ আনি তেওঁ বঙ্গহে পাইছে। নাম জগিল বঙ্গিয়া গোপাল। গুৰুজন গ'ল, ভকতো গ'ল হাতে হাতে খেৰ বাঁহলৈ। তিনি পুৰীয়া গোপাল শুদা হাতে আহিছিল। মলিয়া নাৰায়ণ আতৈৰ খেৰ এটি খুজি লৈ আহিছে। গৃহ ধৈলে, বস্তু যত কীৰ্ত্তন ঘৰৰ কাস্তিতে থলেনি। গৃহটো তেনেই নি খলাতে থলে বাৰে খোৰে। তাতে আএ চাউল সিজাইছে ভকতলৈ। বুঢ়া আতা গৈ বৰপেটা সিপাৰৰ খাগৰি আনিলে, হাতে হাতে ধৰি ঘৰ চাল কৰি তুলি চালে, দুপৰ হ'ল, ভকত গা ধুলে, ভোজন কৰিছে গুৰুজনে সমে ভোকৰ বেলা, নকুৰি ভকত বাহ্নি দিছে তিনিও আএ, খাই নিছে। তত কৰচ বাজিল চকত। শুনি গুৰুজনে হাত দাঙ্গি ভোজন বেহাৰ চৰিত্ৰ শুনিলে, সকলো হাত দাঙ্গি শুনিছে। আএ বেগতে চাউল ধুই বহালে হ'ল। চৰিত্ৰও ৰ'ল, চাউলো বাকি দিছেহি, ধোৱা বলিছে। খাই পাচ বেলা বাৰ চাঙ্গ চিলিঙ্গা কৈ বস্তু জাত সুমাই থৈছে। পাচত গুৰুজনে সেৱাকৈ বিদায় কৈলে। আএ বোলে বাপু, আজি বনত চোপ দিয়া দুৰ্ব্বাসা সাগৰত যেনেকৈ কৃষ্ণে ৰাখিলে, তোম্ৰাও আজি মোক ৰখা গ'ল মৰ্য্যাদা। এই বুলি আশীৰ্ব্বাদ দি পঠালে, বোলে পাৰা যে লাউ দিয়া। আএ বোলে জানো লাউ দিবহে দিছে, পুলি পুলি এটি দিলে, বগাই লাগিছে। শ্ৰীৰাম আতাক পাচেলৈ বাৰ্ত্তা নবলৈ। আতা আহি তেৱ বাৰ্ত্তা সুধিলে, আয়েও গুৰুজনৰ সুধি বোলে বাপুলৈ কি দিওঁ। এই চালতে লাউ লাগিছেনে চোৱা উঠি। চালে, তিনটি লাগিছে। দেখালে বোলে ৰবটিকে আনা। আনি সেৱাকৈ আছিল। পাই সেৱা কৈলেহি। গোসানীৰ বাৰ্ত্তা সুধি থৈলে লাউ পাৱা

ক'থ? বোলে বাপ, আয়ে দিছে। আয়েনো পালে ক'ত? বোলে লাউ এজুপি চালতে উঠিছে। বোলে লাউ দিবলৈ হাককে দিলো, ভকতে নাম গুণ খটিকৈ দিনটে ঘবটি সাজিলে, ভাগিলে সাজে কোনে? মথুবা দাস যোৱা, লাউ জুপি কাটি আহাগৈ। আতা আছিছে গুনি ভাবি, কাটিলে পাব আয়ে অসন্তোষ, নেকাটিলে গুক বাক্য পবে। গজ হস্তী মান খায়ে ছুই ধবিয়া খাণ্ডা হ'ল। পাই সেৱা কৈলে। বোলে মথুবা আছিছা? বোলে মাতৃ, লাউ ডালি কাটিবলৈ পঠাইছে গুকজনে। বোলে হয়, ভকতে কত শ্ৰমকৈ দিনতে ঘবটি সাজিলে, পচিলে আকৌ কোনে দিব সাজি, কাটাগৈ, নিদিলোএ হতে। বোলে দেখো লাউ দিয়া, ভাঙ্গেছে দিলোঁ। এ তিনটা বিধৱা আমি পাতবো, খাব গোটবো শাক কেবি ছুটা বাহলকু থৈছোঁ। তাতেছে তেওঁ বাপুত্ৰ বুলিছে কাটা। মই চাউল সিজাওঁ গা ধুই যাবা। বোলে মাতৃ দা খানি দিয়ক, দিলে। লৈ ববপেটাব খাগবি আনিলেগৈ, কোটহা বাঁহ কাটি আনি হেদালি দি তালকে লাউ ধাঁত লগাই পূৰ্ব্ববতে দি বোলে মাতৃ চকুচোন। চাই আয়ে বোলে বাপু, বব সজ হ'ল, মাটিবে পবা পাত গোট পাম, পাবোঁতা নাই। আতা গুক বাক্যে চিন্তা ভাল এটি কাটি ভোজন কৈ সেৱা কবি আছিছে। এখেত গুকজন খেদ কবিব লাগিছে। বোলে মই বেগতে পাচিলোঁহে হয়। কাটেছে যদি আয়ে অসন্তোষ পাব, আইব কষ্টে সৰ্ব্বনাশ হে হলু, এই বুলি খেদকৈ বাটলৈ চাই আছে। বাটতে দেখিয়ে বোলে মথুবা, লাউ কাটিলানে? বোলে বাপ, অসন্তোষ পাই বুলি হাদালি কৈ আস্তে আস্তে তুলি দিলোঁ। আয়ে দেখি বব সন্তোষ পালে। আপুনাব বাক্য বাখি এক ঠাল এটি কটা হ'ল। বোলে মথুবা মাতৃ

আমাক আজি ভাল ৰাখিলা। আজি সৰ্ব্বনাশে হলুহন্তে। আইৰ ক্ৰোধ অগ্নিএ দহি ভস্ম কৈলে হঁতে আজিএ। বোলে মথুৰা দাস, মোৰ মনৰ মনক বুজি লাউ ৰাখি যেনেকৈ সন্তোষক লভাইছা তুমিও আমাৰ ভক্তি বস্তুৰে পৰম্পদ হৈ বৈকুণ্ঠত সন্তোষ লভিবা, এই বুলি আশীৰ্ব্বাদ কৈলে।

ভূষণ গুৰুৰ দ্ৰব্য ত্যাগ

আৰু হৰিচৰণ ঠাকুৰ দখিনলৈ ভূষণ গুৰু ঠাই গ'ল, গৰৈমাৰীও বোলে, পলাশ গুৰিও বোলে, তাতে ৰ'লগৈ। তাতে সৰু গুৰুৱে নি তিনিখান নাও ভৰাই দিলে, ধান্য, চাউল, কোৰ, কপাহ, মাহ, সৰিহ, কচু, কোমৰা আদা এয়েৰে। বৰ আদৰ সাদৰ কৈলে। ঠাকুৰ দেউ সন্তোষে আছিল। আহিবৰ দিনা নাওতে বহি বোলে জানিছা ঠাকুৰ, শ্ৰীশঙ্কৰদেৱৰ শৰণে আমাৰ শৰণে বৰ বিলক্ষণ। তেহে ঠাকুৰ দেউ বোলে ই বামুনী পুতেকে কৰ সুলক্ষণ শৰণ পালে? গুৰু ধৰ্ম্ম নিন্দকৰ দ্ৰব্যত কি কাম? এই বুলি নাও বাৰত পাও দি বুৰাই উবুৰিয়াই পেলাই ধুই গুচি আহিল। বৰ পেটাত সোমাই গুৰুজনত কলেহি সেৱাকৈ। গুৰুজনে পৰম সন্তোষ হৈ বোলে মোৰ শ্ৰীশঙ্কৰ-দেৱৰ পুত্ৰহে হোৱা। বোলে কৃষ্ণদেৱে বিপ্ৰ দামোদৰক চাউল, চিৰা খাওঁতে বুলিছে, গুৰুজনে কীৰ্ত্তনত দিছে। ভকত সকলে পূজে ফুলে জলে তুষ্ট হয় তাকে খাই। অভকত যদি নানা দ্ৰব্য দেয়, তাতে মোৰ স্পৃহা নাই॥ অভকত নিন্দকৰ দ্ৰব্য গ্ৰাহ্য নকৈলা, কি বৰ কথা কৈবা? এই বুলি নাও চাৰিখান ভৰঁালৰ বস্তুৰে ভৰাই দিয়ালেহি বাঙসীতে।

বিষ্ণুআতা

আৰু এদিন দক্ষিণৰ্ত্তে বিষ্ণু আতা আহিল। গুৰুজনে বোলে বিষ্ণু বহি কিছু আনিবা। আহোঁতে আল ধৰা

গোবিন্দ আতৈৰ ভাৰত মহি দি আনিছে। আতা পাই গুৰুজনক সেৱা কৈলেছি। বোলে বিষ্ণু, মহি আনিছানে? বোলে বাপ, অনা হৈছে। বোলে আনাচোন। আতা বোলে গোবিন্দ, আনা। চাই দেখে মহি নাই। বোলে বাপ, মহি কুতবা পৰিছে আছিল। গুৰুজনে বোলে যোৱা, সেই বাৰাদিৰ কাথে বিৰিণা জুপি আছে, তাতে মহিৰ চুঙ্গাটি ঠিয় দি আছে, পৰা নাই, আনাগৈ। গোবিন্দ আতৈএ চাই সেই ক্রমে পাই আনি দিলৈছি। সবেও দেখি বোলে ঈশ্বৰহে কাৰ্য্য কথা আশ্চৰ্য্য।

আৰু একবাৰ বিষ্ণু আতা আছি নিশা দল পথাৰ, অন্তৰে হোলঙ্গা পৰাতে বলহি, সেই ঘৰ গুৰুজনৰে গ্রামী ভকত বোলে বুঢ়া, গুৰুজনৰ বাৰ্ত্তা কোৱা। বোলে আতা, তুমাহ যাব পৰা নাই। বোলে আতৈ সব, ই জীয়াশ, আৰ গৃহত ৰবমৈ সজ নহয়। তাৰ পৰা গৈ ফটিকবিহাৰ ঘৰত বৈছিহি।

আৰু হেৰেমদৰ জয়ৰাম আতৈ পশ্চিম ক্ষেত্রে যাওঁতে ভাৰ্য্যাক বোলে তুই বৰ্ষলৈ মোলৈ বাট চাবি। নাহোঁ যদি স্বামী ভাএ ভজ, গুৰু বোধে ভজ, বিশিষ্ট লোকত ভজিবি। পাচে চাবি বৰ্ষো নাহে। তেহে মায়াময় বিষয় বিভৎস সুখ পশু শৰীৰতো পায় যাক, এই মনে নিচয় কৈ বিষ্ণু আতাৰ মুখে মহাপুৰুষক গুৰু বুইলে। তেওঁ আহি পালত সোমাব নিদিএ, বাজত ভাত দিএ। যেন জন্মি আতাতে বস্তু লভিছে। বোলে পত্নীৰ পৰাহে বিপ্রৰ ভক্তি।

আৰু একবাৰ বিষ্ণু আতা আছিছিল। বৌৰত্নাৰ কাথে পৰম কমাৰ গৃহে বৈছে। গ্রামী ভকত সাতজন ভকতে বোলে গুৰুজনৰ বাৰ্ত্তা কোৱাচো। বোলে আতা, সবাৰে

কুশল, কালি গৈছিলোঁ আমি। সেই নিশা ভোজন নহ'ল। পুৱা আতা শৌচ শুদ্ধি স্নান গুৰুসেৱা কৈ চাউল সিজালে। চৰনিয়া গাই খীৰাই অল্পমান দুগ্ধ পাই আতাক দিলেনি বোলে সবাকে দিয়া। বোলে আতা নাটে, আপুনি লক। তেহে পানী কিছু দি মিঠৈ সানি অন্নৰে মিলাই সবাৰে খাৰ তৈল দিয়াদি দিলে। খাওঁতে বোলে মই অকলে খোৱা হলে বিষ প্ৰায় হয়। এতিয়া সবেও লৈছোঁ, এয়ে অমৃত সম।

আৰু একবাৰ আতা আহি সেৱাকৈ কীৰ্ত্তন গৃহতে বহিছে, গুৰুজনো আছে। তাতে কৃষ্ণানন্দ আতৈএ নাহৰ ফুল বাৰটি দিছে। তাৰে বিষ্ণু আতাৰ গালৈ মাৰি পূজিলে, বোলে মনুষ্য শৰীৰ পাই বিষ্ণুক নভজে এহি দোষে ঘোৰ নৰকত মজে। এই ঘোষা মাতিছে।

আৰু আতাৰ বেটা গোপাল চৌধাৰী সৈতে মেল সুধি লফা খাই মিছাকে সঁচা কৰে, ন্যায়কে অন্যায় কৰে। আতা দেখি উচপিচকৈ মৰে, হাক দিএ নলয়। আহি গুৰুজনত কলেহি .বোলে বাপ, ৰৰবেটা গোপাল নিমিত্তে ৰৰ মুৱাৰি। বোলে কিয় মুৱাৰা? কলে আমাৰ কথা নলয়, চৌধাৰীৰে গোট খাই চায়া খতি খাই অন্যায়কৈ জয় কৰে, সত্যক মিছা কৰে, অধৰ্ম্ম কত দেখি থাকিম তাত? বোলে তেনেহলে অজামিলোপাখ্যান যাত্ৰা কৰিব লাগে; যোৱা সখিক নিয়াগৈচো কৰকগৈ। হলে আমাক নিবাহি। আতা আহিল ঠাকুৰ আতাক লৈ, পাইছে। লগা-খানি সাজিলে, হল। আতা গুৰুজনক ভক্তে সমে নিলেহি। গৈ যাত্ৰা পাতিলে। তিনি ৰম দূতৰ ভাৰ এজন গোপালক দিলে, চাৰি বিষ্ণুদূতৰ বিষ্ণু আতাক পাতিলে। এজন বোলে তুমি তালকৈ গোপালক এই ভাৱতে ধৰিবা। আতা

অজামিলোপা-খ্যান যাত্ৰা

ভাও উঠি পাবে প্রানে মাইলে গদাব মাবত গোপাল আতাহ পাবে। বোলে পিতৃ মই মবিলো। বোলে উপা কি মবিবি, লোকব লকা খাব লাগে। তেহে উমান পালে বোলে সেই কথাতহে মাইলে। সি দুইক যেনে মাইলে তাবে পৰা এবিলে আক। তেহে তাব পৰা আতা চামুৰিয়ালৈ গ'ল। তাতে আতাব বেটা হবিচন্দ্র একেবি হাবি আছে, তাতে গা শুদ্ধিলৈ গৈছিল। সি মুবে কৰুবা স্ত্রী ৫ঠা গুলাই গল। কেলেই বা সোমাইছিল আবা ভুকে নেপা ঃ। তাকে দেখি হালুৱা পথকৱা কলে আতাত। আতা বোলে ই দখিণত থাকিবই নলাগে। নাও অনালে। মোব গুৰুজনে মোত কৈছে শ্রীশঙ্কৰদেউ কৈ গৈছে দুহু উদাসব পবদাবা হাতলব কাচলব, আশ্রমীব অন্যদেউ বিভিচাব এই দুইব মই গুৰু নহওঁ। পাচলৈও যাবা সবে জীৱব কুশলব হেতু ইচ্ছা কবিব এই শুদ্ধ মত ধর্ম্ম লৈ, সিও নকবিব, কবাবো গুৰু নহব।

হবিচন্দ্র আহি গুৱাকচাতে আছেহি দুখকৈ। গুৰুজন পাত কৰাই বলিছলন পুথি লিখিবলৈ লিখক বিচাবিছে। শ্রীবাম আতা বোলে বাপ, আছে লিখক। বোলে ক'ত বোলে বাপ, বিষ্ণু আতাব বেটা হবিচন্দ্র গুৱাকচাতে আহি আছেহি। পয়োনিধি আতৈক পঠাই অনাইছে। পুথি লিখিলে, হ'ল। বিচক্ষণ অক্ষব, গুৰুজনে বোলে কিয়নো ইপাবে আছাহি? বোলে বাপ, এই অজিজাকৈ আতা অনা-দোষত চাব মুখে নিকালিলে। তোম্রা সর্ব্বসাখী মই চাই কৈছোঁ। তেহে গুৰুজনে জয় কৃষ্ণাই হবিআতৈক লগে ঘোৰা ছুটি কবি দি পঠাইছে— ঘোৰা অনা

(১) "হবিত শবণ লৈয়া বিচৌ জনে এ
হবিব চবিত শ্রৱণ কীর্ত্তন কবে।"

(২) "অপবিত্র যিটো আতি পবিত্র হোক বা যদি
সমস্তে অৱস্থা আছে পায়া।"

আতৈ সবে নি গুৰু বাক্যে ঘোষা মাতি আতাত কৈছে বোলে মই সুধি পুচি চালোঁ একো দোষ নাপালোঁ। বিষ্ণুৱে হৰিনাম ৰাখক। আতা বোলে মহাপুৰুষ গুৰু তাৰা বাৰও অগ্নি সৰ্ব্বভক্ষ বহ্নি সবাকে দহে, কেচা পকা। শ্ৰীৰামে সীতাক নিৰ্দ্দোষী বুলি জানেই, তথাপি লোকবাদ শঙ্কাএ নিৰ্ব্বাস দিছে, কৃষ্ণদেৱে অপযশত মনি গৰ্ত্তত পৰি আনি দিছে। উত্তম সবে কৰে যদি গৰিহিত কৰ্ম্ম পাচৰ লোকে তাকে মানে ধৰ্ম্ম। আমি যদি ৰাখোঁ নিৰ্দ্দোষী বুলি পাচ-লকো এই আৰ্হিকে লৈ দোষীকো ৰাখিব। তেও বাৰু গুৰুজনে বুলিছে, গুৰু বাক্যও ৰক, সীমাও ৰক, আশ্ৰমীৰে উদাসীনৰে মাজতে বহাকৈ থাৱক, তোম্ৰা সৱে ভাগ যোগ দিবা তেওঁৰ নেখাবা।

আৰু আতা একবাৰ তিনিখনি নাওঁৰে গৈছে মাৰি ঘোষা দি—

ৰাম হৰি এ
ৰাম জয় হৰি এহে।

দেখি ভকতে বোলে গুৰুজনৰ পয়াণে আতাৰ পয়াণে সমান হ'ল। আতা বুলিবৰ শুনি বোলে আমাক গুৰুজনে সৈতে সমান হে কৈলে, যদিহে পালন্তা হম, গা-তে লুকাম। সেই কথা লৈছে পাচত অলপ বাতুলৰ লক্ষণ ধৰি জোকাৰ মাইলে। কুৰুৱানধীয়া কোমোৰা পেলাহে ৰ'ল। বগৰি পকা চিনামুখীয়া সৰিল। ভাৰ পাতলাই একে জাপে গ'ল।

আৰু ভবানীপুৰতে গোপাল আতাৰে, কৰিলা গুৰুৰে গৃহ। একেলগে আছিছে গুৰুজন ঠাইলৈ। ৰবপেটাৰ

পশ্চিমে জাৰনি একেৰি আছে। তাতে সুন্দৰ লম্বা শুক্লা ৰানবটে ওলাই পুহ মহা এটি আম দিলে। বোলে শ্ৰীৰাম আতাক দিবাগৈ। আতা আনি দিলেনি। আতা চাই গুৰুজনক দিবলৈ, নখৰ আঙুৰ গৈছে। খুন পৰা দেখি আহ্রা বুলি নিদিলে। তাৰে একালি খাই শোৱা চাঙৰ কৰনিতে থৈ চাউল সিজাই ভোজন কৰিছে। তেহে গুৰুজনত কি অবিদিত, গৈ ভোজন কৰি বোলে শ্ৰীৰাম, পুহৎ আম পকেনে? দেখি আতা কাও বাও কৈ বোলে বাপ কিং এনে কৰে, মৈলোঁ। বোলে শ্ৰীৰাম, এনে দেৱযোগ্য অমৃত তুমি খাব পোৱা শিষ্যৰ বস্তু, আমি হলে নেপাওঁ। বোলে বাপ, চাৰ দ্ৰব্য কিয়লৈ মাৰে ভৃত্যক? বোলে দেখোঁ কৃষ্ণ কৈছে অৰ্জ্জুনত—

"ভক্তৰ শেষত পৰে, বস্তু শ্ৰেষ্ঠ নাই।
তাক ভুঞ্জিবাক সখি মোৰ বাঞ্ছা যায়।"

কাতৰ কৈ ৰ'ল, কি কৰিব। তেহে আতা গুৰুজনে আমৰ গুটি নি ৰোপণ কৈলেগৈ, আপোন হস্তে কেতেকী ফুলে সৈতে সেই জোপাহে আছে এতিয়াও বৰপেটাত। উভতি আহোঁতে বাটৰ গৰু খোজত বামুণ ভকলা এটা পৰি আছিল। গুৰুজনে তিনিবাৰ পাও ফুৰালে। আতা বোলে বাপ, ই বেঙ্গে কতনো ভাগ্য কৰি আছে।

গীতৰ ভণিতা

আৰু গায়ণ কেহো আতৈএ গীতৰ প্ৰসঙ্গ কৰে নিতে। এহেৰ পৰা গাই ভণিতা খানি এৰে। শুনি গুৰুজনে বোলে কেহো, ভণিতা গাবৰ মুগুনো। বোলে বাপ, তোম্রা মোৰ কোটি ব্ৰহ্মাণ্ডৰ ঈশ্বৰ, তোম্রা মো দাস, মুৰুখ, গাবলৈ কেনেবা লাগে, তাতে এৰোঁ। বোলে মোক খিখানিএ তিনিও ৰাজ্যত প্ৰকাশ কৰিছে, তাকে ঢাকা থুঁৰি? তেহে গাব থৈলে তাৰে পৰা।

আৰু একদিনা টিটিয়া জগন্নাথ আতৈএ বোলে সকলো বেদৰ তত্ত্বক কহয় মাধৱ মূকৃথ মতি, এনে বুলি যে মিছা মাতে, আগম, নিগম, পুৰাণ, ভাৰত, গীতা, শ্ৰুতি, কাব্য-কোষ, সংহিতা, ব্যাকৰ্ণ সবাকে কয় জানে, তেওঁ গীতত বোলে মূৰুখ দাস বুলি কয়।

গুৰুজনৰ সম্বন্ধীয়া ভাগিন হয় মহা পণ্ডিত অগ্ৰগণি, বামুণক উলি নিব খোজে, গুৰুজনে হাক দিহে ৰাখে। বোলে তোক উত্তৰে কোনে সমুখ হৈব নেপাৰিব পা।

আৰু একদিনা সমূহ বাপুসবে সভা পাতিছে লাককৈ। গুৰু ভাঙ্গি টেকেলি উলিয়াই নিছে। কীৰ্ত্তন গৃহৰ দ্বাৰ মুখে ডোল ছিগি পৈল। গুৰু সৈতে মনপুৰ ভণ্ডাৰি লাজ হ'ল, সবেও দেখিলে। সেই বেলা গুৰুজনে ঘোষা কৰিছে—

“ৰামকৃষ্ণ ৰামকৃষ্ণ বোল ভাই এ
পৰম যতনে তে'জিয়ো যত অন্যায়।”

তোমাকেসে ভাণ্ডো, তুমি মোক ভাণ্ডা এ, চৈধ্যয় সাখীক ভাণ্ডিবা কোন উপায়।

আৰু কনিকা গুৰুএ একদিনা গোপাল আতাক বোলে মোৰ এতোলা সুবৰ্ণ আছে, গুৰুজনক ভেটাই সেৱা কৰাবা। বোলে ৰাক লৈ আহা। দুয়োজনে গৈ সেৱা কৰিছেহি। গুৰুজনে বোলে গুৰু আমাৰ স্বৰ্ণ তোলা আনিছানে? বোলে বাপ অনা হৈছে। বোলে দিয়া দিলে। উভতি যাওঁতে আতা বোলে আগে জনা কৈছা। মোক ভেটাবলৈ কোৱা কিয়? বোলে মই কাহানি কৈছোঁ, আপুনি থৈলে দেখো দিয়া বুলি? তেহে জানিলে বোলে মই কৈছেহে বুলিছিলোঁ, তাৰা সৰ্ব্বসাখী ঈশ্বৰ, আলো ক'ত আৰ কৰিবা?

আৰু বৰ বৈকুণ্ঠ আতৈৰ গ্ৰাম গৃহ কুৰাপানী কাথকত আছিল। একেটি পত্নী প্ৰথম কালে প্ৰমত্ত হৈ পৰি আছে।

আতৈ পথাৰতে আছিছে। চত মহা ক্ষুধাতুৰ হৈ পাই চাই দেখে নৰ্ক পুৰি হৈ আছে, গোমাবই মুৱাইলে। দুখ বিৰকত লাগি মুখ গৃহে মুৰ ঘুমাই বহি আছে। তেনেতে আগতে জেঠি কনিটো পৰি ভাগি পোৱালিটি ওলাল। তন্তি লাল বীৰ্য্যখানি খাই বগাই মাখি এটি ধৰি খালে। কিছু শকত হৈ বগাই বেৰেদি চালত উঠিলগৈ। দেখি শুনি বোলে, আৰ ক'ত মাও বাপ আছে? কোনে তুলিলে আহাৰ পানী দি? ব্ৰহ্ম জীৱ ঈশ্বৰ অংশী, আপুনি জীৱ। সবাৰো বাপ মাও পোষক ঈশ্বৰ। আত লাগি এই মায়া পাশত মৰো কেলেই? এই বুলি ৰূপ দহোটি আছিল, পাঁচোটি থৈ ওচৰতে শহুৰেকত কলে বোলে আমাৰ ফালে গৈ আছিৰ। কৈ গুচি আহি মহাপুৰুষক গুৰু বুলি হাটীলৈ নাম গাই আছেহি। পাঁচ বৰ্ষ অন্তে ছৱাটি বুজনকৈ তুলি, বিচাৰি পালেগৈ। পত্নীএ নাম গাই গুৰুজন আছে, আতৈ পাচতে। কীৰ্ত্তন গৃহৰ মুখতে থৈলে বোলে এনে স্ত্ৰী বধী, শিশু বধীকো নাম গাবলৈ ঠাই দি চপায়? জানা যে এৰা পূৰ্ব্বে চায় কিয়? অনাথকৈ এৰিলে নো মহাপাপ দোষ নাইনে? শুনি গুৰুজনে ভবধ থৰকা খাই বৈ বোলে কাক বোলে? আতৈএ বোলে বাপ, আমাকে বুলিছে। বোলে কিয়? তেহে কান্দি কাটি সকলো খানি কলে। বোলে প্ৰভু, মৰা অথান্তৰত এনে অৱস্থাকৈ মাৰি আছিল। গুৰুজনে বোলে হাতে টকা কৰি কি আছে? বোলে বাপ, দহোটি টকা আছিল, পাচোটি তাৰে দি আহিছোঁ। পাচোটি আমি আনিছোঁ, আছে। বোলে তাৰে তিনটি দিয়াহি, দুটি আওক তোমালৈ। দিলেহি। গুৰুজনে অনেক বোধ দি কৈ পঠালে হৰিভক্ত পোৱা ভকত অপূৱা নকৰিবা বুলি।

অক একদিনা কৰিলা গুৰুএ ৰৱকলা ওজাকৈ আছো।

বৈকুণ্ঠ আতৈ

কৰিলা গুৰু

দিগ যোৱা বিজয় পুৰতে চাৰিজন ভকত আছে। গোপাল আতাও তাকে পালেছি। তাবা চাৰিএ বোলে তিনি সন্ধ্যা উপাস, ক্ষুধাত গা বহি হাঠিবই মুৱাৰোঁ। আতা বোলে আতৈ তাবে বাৰেটি কলা দিয়া আতৈসৱক, জলে সৈতে খাওক। বোলে মই গুৰুজনলৈ আগকৈ আনিছোঁ, নোৱাৰোঁ দিব। বোলে হক দিয়া গুৰুজনেও ভকতকহে দিব। নিদিবাহে গুৰু ঠাই লগাব পুৱাবা তুমি। এৰা হ'ল বুলি গুৰুজনক নিদিলে। পাচদিনা আতা সৈতে গৈছে। গুৰুজনে ধৈলে। বোলে গুৰু আজি আমাক মহাপুৰুষ গুৰু স্বপ্নত বোলে কৰিলা গুৰুৱে কলখৰ আনি হাটীত থলে। তাবে বাৰেটি কলহে পালোঁ, ই খানি নিদিলে। বোলে বাপ, এই ক্রমে দিয়ালে। শেষ দেখি নিদিলোঁ হয়, হাটীতে থৈছোঁ। বোলে কৃষ্ণদেউ কৈছে, "ভকত জনেসে মোৰ হৃদয়।

মই ভকতৰ হিয়া নিচয় ॥

মই বিনে ভকতে নিচিন্তে আন।

ভকত বিনে মোৰ নাহি ধ্যান ॥"

আনাগৈ সহজে হৈছে। আনি দিলে, সবাকে কাটী দিয়াইছে, আপুনিও পাচত লৈছে।

নন্দনন্দনে গাখীৰ খায়

আক কৰিলা গুৰুৱে নিতে স্নানকৈ, মুখ বান্ধি, দুগ্ধ খীৰাই দিএছি গুৰুজনক। একদিন মুই দুখ বান্ধি আৰি থলে, অহিব মুৱাইলে। পাচ দিনা দিলেছি। বোলে দুগ্ধ আনিছা হয়, এহ্না। বোলে বাপ, তেনে কিয় আনিম? বোলে বাক মেলাচো। মেলি চাই দেখে, ল'ৰাই খামোচা মাৰি খোৱা আঙুলিৰ চিন হৈ আছে। সেইতে অত্রাহি হ'ল, বোলে বাপ, গৃহত ছৱা পুতা নাই, দুই আমি বুঢ়া বুঢ়ীহে, ক'ৰ ছৱা খালে, অদ্ভুত কথা! কালিএ মুখ বান্ধি আটালে তুলি থৈছিলোঁ মহো। দেখোঁ মনত পৰিবই পাই, মিথ্যা কিবা দেখিলানে?

বোলে বাপ, হয় স্বপ্নত ব্ৰাহ্মণৰ ছৱাটিএ সুৰ্ব্বৰ হাতে লক, আৰে পৰা খামোচা খামোচে উলিয়াই খাবৰ দেখিলোঁ, মনত এতিয়াহে পৰিছে। গুৰুজন বোলে আন নহয়, নন্দৰ নন্দনহে এহ্না নহয়, সহজে হৈছে।

আৰু খিলাই বামুণে ছাত্ৰশালে পঢ়োতেই আদ বয়স গ'ল একদিন 'যেবে', তেবে' অৰ্থ সুধিলে অধ্যাপকত কব নুৱাইলে। আৰু অনেক ভট্টাচাৰ্য্য, কন্দলী, অধ্যাপক, ঠাকুৰত সুধি ফুৰিছে নুৱাৰে কব। ফুৰি ফুৰি গুৰুজনক পালেহি। সুধিলে। সেইবেলা ঘোষা কৰি মাত্তি অৰ্থকৈ ভাঙ্গাইছে —"সত্য যুগে ধ্যান, ত্ৰেতা যুগে যজ্ঞ, দ্বাপৰ যুগত পূজা, কলিত হৰিৰ কীৰ্ত্তণ বিনাই, আৰৰ নাহিকে দুজা॥"

ঘোষা

খিলাই বামুণৰ শৰণ

মিনতি বচন, বোলোঁ সৰ্ব্বজন, শুনিও শাস্ত্ৰৰ মৰ্ম্ম। আপুন কুশল, চোৱা যেবে তেবে, নেৰিবাহা যুগ ধৰ্ম্ম॥

"হৰিভক্তি হৰি নাম নোলোৱা সাক্ষাত।
আপুনাক আপুনি কৰিছা আত্মঘাত॥"

শুনি বিপ্ৰ ভক্ত গ'ল অৰ্থ পাই, বোলে আৰে অৰ্থ অতদিন বিচাৰি নেপাও, অকাৰ্য্যত বিফলে বয়স নিলোঁ, শাস্ত্ৰ বিচাৰি। আবাই দহো ঈশ্বৰ, জীৱৰ ভজন পথ দেখালে। এই বুলি দ্বিজে শৰণ ললে।

আৰু গোপাল আতা ঠাইলৈ গৈছে গুৰুজন তিনিকুৰি ভক্ত সহিতে। তাৰে তিনজন কহিলা পাই তেওঁৰ কীৰ্ত্তন গৃহতে বহি কথা সুখতে গধূলি হ'ল। সম্বিলত আতা উঠি ভিতৰে গৈ বোলে দামোদৰ মাক, ভকতলৈ কি কৰিছা, কি আছে? বোলে চাউল চক, তেল, লোন, খৰি, পাক শাক, মাছ বুঢ়াতকৈ দিয়া হৈছে। বোলে নৰিয়া তিনজনলৈ কৰিছা? বোলে তাৰাসবকো দুধ চিৰা ভোজন কৰালোঁ, খাইও শুলে। আতা পৰম সন্তোষ পালে। গুৰুজনক পুৱন পুৱনকৈ পৰম শ্ৰদ্ধাকৈ ৰাখি পঠাইলেহে।

গোপাল আতা

আৰু একবাৰ গৈছে দখিণে। বাট চাপ ভাত ভুৰি অঙ্গ; তাৰ কান্ধে কৈসনা কৰি দিছে গুৰুজনক। ভাৰি যেলা বহিছে গৈ। তেনেতে দামোদৰে গো চাৰোঁতে সক ছৱা এটামইলে লোকৰ। সেই লৰা মাকে হাত ধৰি লৈ আহিছে বলকি এটাহু পাৰি। দামোদৰ আএ হাত ধৰি আগ বাঢ়ি গৈ বোলে, আমাৰ অনাথৰ জীৱৰ নাথ আছেহি, তোৰ নাথ নাই, তল যা, ওপঙ্গ। এই লৰাকে দিছোঁ। এই লৰাকে দিছোঁ, যি লাগে কৰ নি দুৰহৈ যি লাগে মাৰ নি। তেও বড়া বচন বুলি বেকনেৰেকাৰি যা মাকহে। গুৰুজনে শুনি পৰম সন্তোষ হ'ল। স্নানকৈ গুৰু কীৰ্ত্তন গৃহত বহিছোহি। আতা কলুৰা গৈছিল, পাই সেৱা কৈলেহি। গুৰুজনে বোলে গোপাল, তোমাৰ দামোদৰ মাকে পৰম সন্তোষ লভালে। বোলে বাপ, কি বা? বোলে এনে বাক্য বুলিলে। আগ বাঢ়ি গৈ সি মনুষ্যক মাতি বোলে আমাৰ নাথ আছে, তোৰ নাথ নাই। পাচত আতা আই চলিলত কান্দিছে খেদকৈ। বোলে আতৈ সব বোলা জানো শ্ৰীলৈহে কান্দে মায়াত মৰ্ম্মত। আমি তালৈ নাকান্দো মায়াময় বিভৎস বিষয়, সবে বোনীতে পায়। এ ভকত গুৰু আহিলে কোন খুৱাই ধুৱাই আল জঞ্জাল মাৰিব? মই তু নোপোৱাকৈ তালৈ মনকৈহে কান্দিছোঁ, বৰ কাৰ্য্যৰ লোক আছিল।

আৰু একবাৰ জন্ম [illegible] পাচটিৰ গীত নাট সূত্ৰ কৰি গুৰুজনক ভকে সবে প্ৰাৰ্থনাকে নিছেহি। অনেক দ্ৰব্য বস্ত্ৰ কৰি ৰাতিএ দিনে তিথি যাত্ৰা কৰাইছে। পাচদিনা যোকা যাত্ৰা পাচটি গাইছে, গীত। গুৰুজনৰ প্ৰেম ভবি [illegible] লৈ [illegible] চুলি আছিল। [illegible] [illegible], [illegible] আপুনি [illegible] [illegible] যোৱা কীৰ্ত্তন গাতন [illegible] হৈছিল [illegible]। [illegible] যাত্ৰা সেৱা কৈলেহি [illegible], [illegible] [illegible]

জন্ম যাত্ৰা

শৰণ কৰা জীৱৰ আত্মা আদি যি অনুমতি দিলে কৃত্য কৰালা আৰু কলে সমে তত্ত্ব অন্তৰ পদত অৰ্পণা কৰিলোঁ, জীৱ ...শ হাতে দাস্তে তৃণ ধৰি কাৰুণ, কাপুৰ্ণ্য কৈ প্ৰাৰ্থনা কৰিছোঁ, তোমাৰ সেৱকৰ সঙ্গ ইহ পৰলোকে। মুখে তোমাৰে নাম, হৃদয়তো তোমাৰে ৰূপ, এই বুলি পাৰুত মাথা দি লোটকে আতাৰ গুৰুজনৰ পাদ পদ্ম ভিজি গ'ল' গুৰুজনে মহাস্নেহে সাৰটি ধৰি থোৱা মাতিছে—

"গোপাল গোপাল পালয় কৃপাময়
তুৱা পাৱে মোৰ মতি ৰতি যেন হোৱয়।
কৰিছোঁ আশা যিটো চিৰকাল।
নকৰিয়ো ভঙ্গ তাক গোপালে॥"

বোলে গোপাল আজি মোৰ অমৃত-পান কৰাই যি সন্তোষ লভাইছা তোমাৰ ভক্তি বস্তুতে সন্তোষ লভিবা, যশে তোমাৰ চন্দ্ৰসূৰ্য্য প্ৰকাৰ কৰা দি কৰিব, নদী বোৱা দিব। এই বুলি আশীৰ্ব্বাদ দিলে। তেহে আতা প্ৰাৰ্থনা কৈলে বোলে বাপ, তোমাৰ চৰণে অৰ্পিলোঁ, তবু কৃত্য এটি মাজতে গীত কৰি দিওক, তবু মুখপদ্মৰ বাক্য থাকিলে প্ৰবৰ্ত্তিব, শৃগালক ভিতিতে সিংহপাএ আৰি লক। বোলে গোপাল মোৰ কি দিম? মোৰ মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ দিওঁ। তেহে গীত দিছে—"হৰিক বৰণ হেৰি মাই"। তেহে সাদিন ৰাখি দান দাখিণাকৈ থৈ গৈছেহি তক্তে সমে গুৰুজনক।

আক এদিন আতা আছিহে গুৰুৰ ঠাই। আতাৰ পুত্ৰ দামোদৰ বৰ কমল লোচন, চোট পত্নী প্ৰিয়া মুক্তিশ্ৰী লক আনিএ বোলে আতা মই যাওঁ গুৰুজনক সেৱা কৰোঁতে দিয়া। বোলে বাক নিওঁ, যদি খলা দলা, কাতি হতা, গুৰুজনৰ কায়ীৰ সেৱাকৈ ধূলা লব পৰে, বহি থাকু মোক্ষু মনু, যাওঁ? এই বুলি লৈছে খলা আছিল হৰি কুটিৰ পাতি সেৱাকৈ

পূজা লৈছে। চৰাতে গুৰুজনে দেখি বোলে গোপাল, [illegible] ক'ৰ আগী? বোলে বাপ, আমাৰে বেটী দাসী। গুৰুজনে বোলে সজ বুদ্ধি খানি।

আৰু একবাৰ গৈছে। গুৰুজন স্নান কৰিবলৈ গাভৰুকে পাৰি দিছিল। আছিল বেই গতিতে কল পুলি কলে। তাৰে বৰ দি গজোৱা ঠোক পৈল, কাঠি পকাই গুৰুজনলৈ লৈ আহিল। গুৰুবোলে গোপাল, কল আনিছাহে হয় বৰ্জনীৰ ভকতলৈ সজ নহয়। বোলে বাপ, সজ। বোলে তোমাৰ চোতাল সবাইহে জানে। গৈ তেহে, সুধিলেহি বোলে ঠাই গাবোতে ফুৰা গাত লাগিল। তেহে আশ্চাৰ্য্য অদ্ভুত হ'ল। বোলে তাৰাই ঈশ্বৰ, কোনখানি অবিদিত আছে বাহিৰে ভিতৰে?

আৰু একবাৰ গৈছে, নাম প্ৰসঙ্গ কৰি চাউল সিজাইছে, হ'ল। জয়হৰি আতৈ পাত লৈ গৈ ধুভুৰা ফুলীয়া পাত বিচাৰি ফুৰিছে, বেলা হ'ল। আতা ওলাই বোলে তোক আজি, এই বুলি আঙ্গুলি ঠাৰ দিলে। গুৰুজনে বোলে গোপাল অন্য দেশে কৃত পাপ, পুণ্যদেশে বিনস্তি, পুণ্য দেশে কৃত পাপ, ব্ৰজলেপ ভবিষ্যতি। এ অনেক জন্মত পাপ পুণ্য কৰি নৰতনু পাই হৰিগুণ গাইছা। বক্ত পাপ মানে কয় হল। এই পুণ্য দেহাত ভকতত দ্ৰোহ কৈলে, ভবিষ্যৎ পৰজন্মতো ভুঞ্চে ব্ৰজলেপ হ'ল আৰু। সাক্ষাৎ বৈকুণ্ঠত সপ্তম দ্বাৰত চাবি সিন্দুক ঠেলি থৰিছে বৈকুণ্ঠ বাসীৰ পতন, ভকত হাত যাবনে, অঘটনো ঘটিল। বোলে বাপ, কিনো হব গতি দাসৰ? বেগতে তু নে পাই [illegible], [illegible] কিহক। বোলে আৰ মূল্য আন প্ৰায়চিত্ত নাই। আঙ্গুলিটো [illegible] [illegible]

বোলোতেই গুৰুজনে বোলে হা হা নেমাবিৰ হ'ল আৰু মলৰ নিচএ ছেদৰ সমান প্ৰায়চিত্ত। আৰু শুনিলে বোলে গোপালে দশম চৰ্চ্চিছে। বোলে শ্ৰীৰাম আহাচো চাওঁ যাওঁ কেনেকৈ চৰ্চ্চে। এই বুলি গৈ সন্ধ্যা বেলা ম্ৰিটো খুটাত বন্তি লগায় তাতে আঁৰ হৈ আছে। আতা বুহি চৰ্চ্চিব মুৰাবে ভুলি আসে, ভাগে, পুনৰ তোলে, পাহৰে, আকৌ পাতি আনে তোলে। একোৰূপে নোৱাৰি বোলে কোনোবা ডাঙৰ লোক এজন আহিছে, গা গধূৰ লাগিছে, চোৱাচো বা গুৰুজন আহিছে বা? চাই বোলে নাই নহো? বোলে চোৱাই সজকৈ, আহিব পায়, গাত গম পাইছো, আহিছে। চাই দেখে খুটাৰ আঁৰতে থিয়দি আছে ভক্তে সমে। আতা পাৱত পৰি অনেক কাতৰকৈ স্তুতি কৰি বোলে বাপ, এনে ছন্ম কিয় কৰা যায়? বোলে দেখো গোপালে দশম চৰ্চ্চিছে। বোলো কেনেকৈ চৰ্চ্চে চাওঁ গৈ। তাতে আহিলোঁ চৰ্চ্চাচোন। এ বাপ, সূৰ্য্যৰ আগে কি বাঁতি, চন্দ্ৰৰ ৰশ্মিত কি খদ্যোতৰ প্ৰকাশ, বাহ্নুও অগ্নি, কি ক্ষুদ্ৰ ফিৰিঙতি? তোম্ৰা পুনু আত্মা অন্তৰ্য্যামীৰ আগে মই পতঙ্গে চৰ্চ্চিম? বোলে গোপাল, মই তোমাত পৰম স্নেহত থাকি কৃত্য যুগল কথা চৰ্চ্চি মাতিলো আকে তুমি বাৰ গুচাই ব্যক্ত কৈলা? আকে ধাৰ পাচৰ লোক বৌদ্ধাচাৰ হব নিষ্ঠা কৰি কাষ্ঠা এৰি বিপথে তোমাৰ পন্থত ৰণ্টা জেঙ্গা পৰিব। মিশলীয়া ভক্তি গাই কতো যাব কতো বৈ ভ্ৰমিব আয়াযাত দুখ ভুঞ্জি সংসাৰত। প্ৰথমে খাটুকা অনা তিনি সকলোৰে সভাকৈ নিয়া সৈতে এই আৰ বাব গৈছে আতাৰ গৃহে গুৰুজন।

আৰু গুৰুজনে নাট সূত্ৰ, গীত, চোঁ কৰি পাঁচ নিশ ৰাম ভাৱনা কৈলে জগৰ পানা পয়ানকৈ। ঠাকুৰ আতা দশৰথ, পৰ্মানন্দ, ৰামাই, ৰামচন্দ্ৰ বলাই, বান্ধ, সদাধ, উদ্ধৱ

শত্ৰুঘ্ন, বুঢ়া আতা, গোপাল আতা, হনুমন্ত, জাম্বৱন্ত, শ্ৰীৰাম আতা জনেক, হৰিহৰ আতা, হৰিগুৰু, বশিষ্ট, বিশ্বামিত্ৰ, হৰিবল্লভ, সীতা, পয়োনিধি, সুগ্ৰীৱ, ঈশ্বৰালি ভাও, তদঁগদ সেই ৰাম অৱতাৰেৰেই স্বৰূপ হৈছিল। অদ্ভুত আশ্চৰ্য্য হ'ল দেখি লোকে। ই কৰ্ম্ম মনুষ্যৰ নহয়। বোলে কৰাইছেও ঈশ্বৰে, কৰা সবো সেই বৈকুণ্ঠৰ ৰাম সেনাই পূৰ্ব্বৰে। অৱসানত অদ্ভুত ঈশ্বৰালি কৰ্ম্ম দেখি মনে জিজ্ঞা কৈ বোলে ই ভাও পাছলৈ কোনে গাব, কৰিব? এই বুলি নাট, গীত, সূত্ৰ পুৰি পেলালে। ভকতৰ মুখে দুটি গীত ৰ'ল— সিন্ধুৰা, বেলোৱাৰ—"জয় জয় ৰাম ৰঘুকুল পঙ্কজ দিনকৰ ৰাম মুৰাৰি।'

ৰাম ভাওনা

'দেখুৰে নয়ন ভৰি লোই।
পৰম পুৰুষ ৰাম ৰাজা হোই।'

আৰু ঠাকুৰ আতা তিয়হ, চিৰাল কৰিছিল জুমিয়া বিলৰ কাষে এচলিয়া মাটি খানিত। শ্ৰীৰাম আতা সইতে গুৰু-জন গৈ মাজতে বহিছে বামলৈ পিঠি দি। আতা জ্বালি তিয়হ, পকা চিৰাক চাই আনি দিছে। কমণ্ডলু জলেৰে ধুই বটাৰ মুৰে দিছে, কাটি আতাকো দিছে, গুৰুজনেও ভোজন কৰিছে। তুমুলে ঠাকুৰ আতা দেখি কোন বুলি গোৰিয়াই আহিছে বোলে কৰ চোৰ তিয়হ খায়? ওচৰ পাই দেখে গুৰুজন। সেইতে পাৰতে পৰিলগৈ। গুৰুজনে দশমৰ পদ মাতি বোলে, "গুৱালে আনন্দে বেঢ়ি। চোৰ বুলি পাৰে গেৰি। কৈক যাইবা কৃষ্ণ নিবো ধৰি। মাতন্ত ধূৰ্ত্তালি বাক, ডকৰাস আসি কাক? তই চোৰ মই সদাগৰি। ঠাকুৰ আতা বোলে হই বাপ, আমিসে চোৰ, তোমা গৃহস্থ। মোৰ জীৱৰো ভেলযো অধিকাৰ, গৃহস্থ, এই বুলি সেৱা কৈলে, অভয়পদত শিৰ থৈ সুখে সন্তোষে থাকি আছিছে।

আৰু আতা পৰ্ম্মানন্দে স্নেহে আলচ কৈলে বোলে গুৰুজন কতোবাৰ আহি মাছ পায়হি, কতো শুদা খায়। মাছ কিছু ধৰি জীয়াই থওঁ। গবৈ মাগুৰ, কাবৈ আনি জীয়াই থৈছেহি। গুৰুজন গৈ বহিছেহি, শুনে ভিতৰত খুলুক খালাক কৰে। বোলে সখি কিহে কৰে খুলুঙ্গ খালাঙ্গ? বোলে বাপ, মাছ কিছু আনি নবীন কলহত জীয়াই থৈছোঁ। বোলে আনাচোন। আনিলে; দেখে যুৰ ডাঙৰ, ইফালে চিচা হৈ গৈছে। বোলে আৰু এনেকৈ কিয় জীৱ বন্দী কৰিছা? মাছে কলহে জনিয়া বিলত মেলানি, ফুৰা হ'ল এটাই। পেলালেনি। ভোজন কৈ আহিছে সুখে সন্তোষে। জীৱদয়া

আৰু এজোপ শ্ৰীৰাম আতা সৈতে গুৰুজন চোতালতে বহিছে গৈ। আতা বোলে পৰ্ম্মানন্দ, নাও সিঁচাগৈ। বোলে নাও তুলি থৈছোঁ ৰামলৈ। বোলে চাবাগৈ। বোলে নাও আছে ৰামত, কি চাম গৈ, নযাওঁ। তেহে খঙ্গকৈ বোলে পাঁচ বাৰ। পৰ্ম্মানন্দে বেজাৰকৈ খাবাটোলৈ চাটি মাৰি গ'ল। বিলে দেখে ব্ৰহ্মাণ্ডৰ পানী কাউৰি, দৈ কলা, ভেৰা, ৰাম পাৰ, গঙ্গা চিলা, গইৰেজীয়া, ঘোফ কলোৱা বটলা, সাতৰূপ হৈ পৰিছে। তাৰ খেদাত তৰতে নাওত জাপ খাই সোমাইছেহি। সিঁচি এখৰা ধৰি আনি চোতালত হুৰ হুৰ কৰে বাকি দিলেনি। গুৰুজনে বোলে আগে দেখো নোযোৱাও বোলে, নাও তুলি থৈছিলোঁ ৰামত? তোম্ৰাৰ বাক্যত হে হৈছে।

আৰু একবাৰ আএ তাত খানি বৈ আছে। গুৰুজন গৈ বেগত শাল কাটি গুচি আহিল, একো নেদেখিলে আৰু আএ বোদে পৰি জোৰাইছে। আতা আহি বোলে কি কৰিছ। বোলে গুৰুজন আহি দেখো তাঁত খানি কাটি গ'লহি। তাকে জোৰাইছোঁ দিবটো। বোলে কিবা মুখৰ পৰীক্ষা

বুইলিনে? বোলে কি বুলিম্, মতাই নাই। বোলে তেনো জোৰা।

আৰু একবাৰ জগতানন্দ ঠাকুৰ চোট হুৱা। আএ চোতালতে গুৱাই পানীলৈ গ'ল। আতাক বোলে লৰাটি কান্দে নিকিন চাবা। আতা বাৰী পাচে কোৰ পাৰি মনকৈ আছে। লৰা কান্দিব ধৈলে। কান্দি নিজম দিলে। বোলে তই আহিলিনে? দেখে নমাতে। আতা আহি দেখে গুৰুজন শিথানতে বহি তৰ্জনি আঙ্গুলিটি দিছে ছপ্ ছপ্ কৰে খাব লাগিছে চুপ্পি। আতা পৰি সেৱাকৈ বোলে বাপ, তোম্রা দেখোঁ আৰ বাহিৰ? আৰো যে তত্বক জনা যায় একা? বোলে সখি লৰা কান্দিলে এই আঙ্গুলিটি মুখত দিব লাগে। যোৱা নাই। আতা বোলে ঠাকুৰ আহিল, পাগ পাতিলা কত জোৰে, আমাৰ হল ঔশুচ? বোলে সখি তোম্রাৰ যে অশচ, আমাৰো নহয়। দহ প্ৰচেতা জলত তপ কৰোতে উৰ্দ্ধজনেহে নিশ্বাষ ভোজন কৰিছিল। অদ্ধৰ নও জনৰ হৈছিল। তেহে পাগ পতিলা জুৰি ভোজন কৈলে। মাহেকেৰ অন্তে গাগ পতিলা পেলাই কাপৰ কানি নিকাই শুদ্ধি হৈছে।

আৰু একবাৰ একাদশীত গৈ কীৰ্ত্তন গৃহতে বহিছে। আতা আইত কলে বোলে তই সান্দহলৈ যুগুত কৰ। আএ ঢেকী শাল অটাই খলা উধান যন্তকৈ কান্তিতে ৰহিছে কথা জুখে মহাপূৰ্ণ প্ৰেম বহস্ত ৰাধাকৃষ্ণৰ, গুৰুজনে গীত কৰি বহস্ত পৰমানন্দ খেলা সমে চৰ্চ্চিছে। আএ শুনি প্ৰেম ৰসে মজি লোটক ধাৰাসাৰে জৰিছে, চিৰা কুটিৰলৈ পাসৰিলে। ভাটিয়ালী ৰাগ—

গোপাল পলায়া আছা মাএ মাৰিবাৰ ভৰে।

শ্ৰী—মাই, ভূষণ কৰাৰ হাম্মাৰি।

গৌৰি—ৰাম কু আগু গোবিন্দ বোলত চাতুৰি।
আসোৱাৰী—গোবিন্দ কু ৰাধা বোল ভবানী
ধনশ্ৰী—মাৱক আগু গোবিন্দ কৰত গোহাৰি।

এই পাঁচোটা গীত কৰিছে সেই বেলা। তেহে কীৰ্ত্তন চৰিত্ৰ সম্বৰিলে। আতা আছি বোলে চাউল কুটা হ'লনে? আএ বোলে সবাকে যুগুতকৈ থৈছোঁ, কথা সুখত জঞ্জাল হৈ কান লৰে বুলি কৰা নাই, হব, এতিয়া কৰোঁ নিৰ্ম্মিষে নই। ৰাগকৈ কেতিয়া কৰ বুলি বাৰি এজাল লৈ খেদা মাইলে। পাছত গুৰুজনো গৈছে খেদি, বোলে নাৰায়ণ দাস, পৰ্ম্মানন্দৰ মাকক মাইলে তোমাকো গুদাই এৰা ন্যায়। আতা পাচলৈ চাই দেখে গুৰুজন। পাৱতে ঠাইতে পৈল ঘোষা মাতি—

অপৰাধ বিনাশন তযু নাম নাৰায়ণ
জানি নামে পশিলোঁ শৰণ
আৰ মোৰ নাহি ত্ৰিভুবনে।

বোলে বাপ, দাস ভৃত্যকহে আপুনাৰ নিজ স্বামীএ খেদি যায় এনেকৈ। আমাকো তেনেকৈ ভৃত্যকৈ লোৱা গৈছে, জানিলোঁ। বোলে তুমি শুনিব লাগে, পৰ্ম্মানন্দ মাকে শুনিব নালাগে? তেহে আএ ভাজছে। আতা ঢেকি দিলে, পৰ্ম্মানন্দ চোৰ চাতুৰি খেলাবে ভোজন কৰিছে। আৰু আতা আইত কৈছে বোলে ঠাকুৰ আছিলে সজকৈ থকৰ চাউল দিৰি, আনৰ নিদিবি। গুৰুজন গ'ল শ্ৰীৰাম আতা সৈতে। কহে ঠাকুৰিয়াৰ আক বুঢ়ী আএ সৈতে আয়াবাতকৈ থাকে। তেৱেঁ থৈলে আইক বোলে আমাৰো গুৰুজনত একঠি চাউল নলগোৱা। বোলে তাৰা আমাক হাৰ্ক দিছে। বোলে ছুও কচি দিওঁহক। ভলাত পেলাই আএ সৈতে তিনিবাৰ বাচি চাই দিলে। গুৰুজনে পাগ কৈলে। শ্ৰীৰাম আতা

পাত দিছে। বাহ্নিছে। গুৰুজনে বোলে শ্ৰীৰাম সেই খানি কি দেখা। বোলে, বাপ, শামুকৰ ঠুলি খানি। বোলে চাউল পাগ ফুৰা হ'ল; পেলোৱানি। ঠাকুৰ আতা শুনি আইক বোলে ক'ৰনো চাউল দিছিল? বোলে কহে ঠাকুৰীয়াৰ মাকে এমাহো ধৰে। তাতে তিনি বাৰ বাচি দিলোঁ দেখো। বোলে মই হাককে দিছোঁ, কিয় দিয়? খেদকৈ পাগ পাত্ৰ পেলাই পুনৰ দিছে। স্নান কৈ সিজাই ভোজন কৰিছে। ঈশ্বৰ শক্তি দেখাইছে।

আৰু একবাৰ উথায়ন একাদশী দিনা আছে গৈ। শ্ৰীৰাম আতা সৈতে গুৰুজন কীৰ্ত্তন গৃহতে শয়ন কৰিছে। ব্ৰাহ্ম মুহূৰ্ত্তে উঠি গৈ বাজৰতে এক ভাৱ গীত কৰি মাতিছে—

উঠৰে উঠ বাপু গোপাল হে
নিশি পৰভাত ভেল নাৰায়ণ।

চোতত থৈ যশোৱাত চিয়াদি। আতা উঠি আহি পাৰত পৰি কান্দি অনেক কাতৰ কৈ আনন্দ সুখত মজি দুই দণ্ডে হ'লগে।

আৰু একবাৰ গুৰুজন গৈ আতা নাইকাত আএ চাউলটি সিজাইছিল দ্বাদশী, শিৱানন্দ ঠাকুৰ, বৰা চোতালা আছিল। পান জুপি চিঙিলে। ঠাকুৰক ধৰি পুকৰাতি কোব এটা মাৰিএ, চাউল উতলিছিল, সোমাই দলি মাৰি ফুলাই গুচি আহিল শ্ৰীৰাম আতা সৈতে। আএ অৱসৰ কৈ চক্ষু লো তুকি পাগ পতিলা পেলাই লিপিছে। আতা দাসী দাসে পথাৰতে পালেহি দুপৰীয়া। দেখি বোলে কি হল? দেখো পাগ পাত্ৰ দূৰ কৈলি? বোলে কি সোধা যায়? গুৰুজন আহি দহো পান জুপিও চিঙিলে, লৰাটোকো মাইলে, চৰুটিও ভাতে পানীএ ভাজি গলহি। তোমা খেলা কুৰিত, লিতাতে নেথায়, কিবা অপৰাধ পাই দোষ গুণে দণ্ড

কৰি গ'লহি। বোলে তই কিবা বুলিলি নে? বোলে ভয়ত চুকত সোমাই আছিলোঁ। অত্ৰাহি হৈ, কি বুলিম? বোলে মই মহাপাপী, সদা সৰ্ব্বদা তাৰাৰ চৰণ পাসৰিবুই নেপাওঁ, তেওঁৰ মায়া সেৱা চোৰ পাই পাসৰাই, ঘুৰাই লৈ ফুৰাইছে।

"কৰিছোঁ দোষ মই পাপী চণ্ড।
বিহিলে ইহাৰ উচিত দণ্ড।"

আতা স্নানকৈ তেনেই ৰ'ল, কি কৰিব? জিৰাই আছিল। গুৰুজনো উপানে আছেহি, দুগ্ধ, চিৰা, চেণী, কল, বাটি সজাই চাই আছে বাটলৈ। দেখি আগবাঢ়ি গৈ স্নান কৰাই শ্ৰীৰাম আতা সৈতে তিনিওজনে আনন্দ সুখত ভোজন কৈ বোলে সখি, আজি তিনি কাঠ শব মৰা হ'ল, কি উমান পালা? বোলে বাপ, দুকাঠৰ উমান নাপালো, একাঠ কাণৰ গুৰিএ সোঁ সোঁৱাই গ'ল। লৰা পথকৰা দুপৰীয়া দ্বাদশীয়া ভাত কেটা গুচিল। বোলে সো সোৱাবই নো লাগিল কিয়? সেই খিতে গুৰুজনে একভাএ ঘোষা চাইটা মাতি প্ৰাৰ্থনা কৰিছে দোষ মৰিষণ—

(১) "মই দুৰাচাৰ"   (২) "তুমি মোৰ অন্তৰ্য্যামী"
(৩) "অপৰাধ বিনাশন"   (৪) "তুমি চিত্ত বৃত্তি মোৰ"

আৰু একবাৰ শ্ৰীৰাম আতা সৈতে গৈছে গুৰুজন। দুটা সমান বাটি জগতানন্দ ঠাকুৰে সুমালে। আতা একো-ৰূপে উলিয়াব নোৱাৰি একটা ভাঙিবলৈ আইলে। দেখি গুৰুজনে বোলে সখি নাভাঙিবা। বোলে মই একোৰূপে উলিয়াব নুৱাইলোঁ। বোলে পানী এচক আনা, তাতে উবুৰিয়াই দি জোকাবাচোঁ দি জোকাবিলে দুটাই ওলাল। বোলে বাপ, তোমাৰ পৰাহে বাটি ৰ'ল, কৰ্ত্তা পুৰুষেহে সৃষ্টিৰ বোল বুদ্ধি জানে।

আৰু একবাৰ গৈ আছে। শ্ৰীৰাম আতা সৈতে গুৰুজন কীৰ্ত্তন গৃহতে হৰি কথা সুখে আতাৰে বহিছে। পুৰ্ষোত্তম লস্কৰ বেটা জিনা ৰাম ছৱা পৰ্ম্মানন্দ জগতানন্দ সৈতে উমলিছে। আএ কলা খাবলৈ দিলে, গোটে গিলি পঠালে। বুকত লাগি উশাহ নেপাই সেইতে ঠৰমৰ খালে। আতা দেখি অত্ৰাহি হ'ল। বোলে লোকৰ লৰা কল দি জগৰ লগালে। গুৰুজনে বোলে সখি গলধনতে বৰকৈ ভুকু মাৰাগৈ। আতা বৰ ভুকু মাইলে, ওলাই উফৰি পৈলগৈ। বোলে বাপ, তোম্রাৰ অতনো বুদ্ধি চলে একা ?

আৰু একবাৰ শ্ৰীৰাম আতা সৈতে গুৰুজন গৈ আতা সৈতে বৈকুণ্ঠৰ প্ৰেমানন্দে খেলাত সুখে সন্তোষে বহিছে। কৰি খেদিছিল, শিৱানন্দ ঠাকুৰ একৰা নাকত সোমাই একো ৰূপে নোলায়, উশ্বাহ নিশাহ নেপাই ছৱা বিশ্ৰেষ্টা হ'ল। আএ কান্দিব ধৈলে। তেহে গুৰুজন গৈ আকন এঠা খৰিকাৰেই নাকে দিলে হাঁচি মাইলে, ওলাই উফৰি পৈলগৈ। আতা বোলে বাপ, তোম্রা পৰমাৰ্থ যি সৰ্ব্বতত্ত্বক জানে, বিষয়ৰো এই ভোৰবো ভু পায় বুলি আজিহে জানো।

আৰু একবাৰ গৈছে, শ্ৰীৰাম আতা সৈতে গুৰুজন। আতা পদূলি মুৱতে চাই ঢাপকৈ দি গজোৱা সোন্দা, মালভোগ, ৰৰতমণি, গোবিন্দ, তুলসী, বগীতৰা, পুৰা, এনে কল কইছে, ঠোক মেলিছে, কতো আধা চলিয়া হৈছে, কেহো তিল মেলিছে। তাতে আঁতা কোৰ পাৰিছে। দেখি বোলে সখি, কি কৰিছেনো ? তেহে আতা অভয় পদ পঙ্কজত পৰি সেৱা কৈলেহি বোলে, বহি নাই সেৱা কৈ দিছা বুদ্ধি দি লৰাইতক কৰাব লাগে, তোম্রা এভোৰকে হাই ফাই কৈ থাকে। বোলে বাপ, মইনো কাৰ ভৃত্য দাস, তোম্রাৰহে। কালৈনো কৰো ? এ আগোৰাত আৰে ছুটি পাত, পচলা, খাব কচু

ফুল লাগিবলৈহে পুৰুষাৰ্থ কৰিছোঁ? বোলে আমাৰ হে ক্ষৰা গৈছে? বোলে আৰু নো কালৈ তোমাত পৰে? মোৰ পৰম বান্ধৱ উপকাৰী শ্ৰীশঙ্কৰদেউ দেখাই গৈছে। বোলে, শ্ৰীৰাম দা খান আনা। আমাৰ হে যদি অত দুখ দিএ সখিক। দিলেনি। এফালৰ পৰা জুৰি কাটি নিছে দগৰি। আতা দেখে কন মাৰেহে। বোলে বাপ, সেৱকলৌ কৰিছিলোঁ। বোলে ভকতৰ হলে মই গিৰি নহওঁ।—

যিজনে ফুৰে নাম সুমৰি।
তাৰ পাচে পাচে ভ্ৰমন্ত হৰি॥”

এনে ভকতৰ হলে আগে নোকোৱা কিয়? তেহে গৈ আনন্দ সুখে ভোজন পাতি কৈ আহিছে গধূলি।

আৰু একবাৰ গৈছে গুৰুজন শ্ৰীৰাম আতা সেতে। আতা বেঙেনা, মৰিচ, কাকিৰল, লাই, লফা কৰিবলৈ কোৰ পাৰিছে। দেখিএ বত্নাৱলীৰ পদ মাতিছে।—

“বিষয়ত অতি আশকতি ভৈল যাৰ।
কৃষ্ণক পাইবাৰ আশা নিবৰ্ত্তিল তাৰ॥”

সখি আৰে দৃষ্টান্ত দিছে।

“যেন বায়ু পূৰ্বক বস্ত্ৰ লৈ যায়।
পশ্চিম খেদিলে সি কি বস্ত্ৰ পায়॥”

তেহে আতা কোৰ মুৰ ওপৰে তিনি পাক ঘুৰাই দলি মাৰি আহি অভয় পদত পৰি সেৱাকৈ বোলে—

“সংসাৰ সাগৰে আমাক উদ্ধাৰ কৰিবেক যিটো জন।
পৰম কৃপালু বান্ধৱ তোমাতে লৈলোঁ শৰণ॥

তেহে গৃহে নি খুৱনকৈ খুৱনকৈ সুখে সন্তোষে বহি আতা বোলে বাপ, মোৰ গতি কি হব; ‘বিষয়ৰ ইন্দ্ৰিয়ৰ বৃত্তিএ মনক আক্ৰমিলে দহো? তেহে গুৰু বোলে সখি, উদ্ধৱত কৃষ্ণে কৈছে—

"বিষয়ত আস্তি আশকতি নাই যাৰ।
সাধু সঙ্গ লৈয়া কৰে আমাক বিচাৰ ॥
সৰ্ব্বধৰ্ম্ম এৰি মোৰ ভক্তিত তৎপৰ।
মোহোৰ সম্মতে সখি সেহিসে ঈশ্বৰ ॥"

তোম্রা মোৰ পৰম ঈশ্বৰ, তোমাক কি কৰে বিষয়ে, হাতীক যো মকৰা জালে বাখে?

আক একবাৰ গৈছে শ্ৰীৰাম আতা সৈতে গুৰুজন। আতাৰ অভয় পদত সেৱাকৈ চায় দোহাটি হত হৈছে, আতা জাতিছে আও তৈল দিছেছি খুৰিত কৈ আতা শিৰৰে পৰা উৰুলকে তেল দিছে, আও সেৱাকৈ পাৱত দিছে শ্ৰীৰাম আতাক দিৰলৈ, ধৈলে, নিদিএ একোৰূপে। তেহে গুৰুজনে ঘোষা মাতিছে—

ন্ব সেৱাই
ৰৰ সেৱা

যিহেতু চৈতন্য কৃষ্ণ পৰমাত্মাৰূপে হৰি
হৃদয়ত আছন্ত প্ৰকাশি।
এতেকে ইন্দ্ৰিয়গণ ভূত, প্ৰাণ বুদ্ধি, মন,
প্ৰৱৰ্ত্তে যতেক জড়ৰাশি ॥"

এ শ্ৰীৰাম, কি কেৰমেৰ কৰ? তোমাক মোক দিএ কৰেনে? এই দুইএহে চিত্ত আত্মা, এই বস্তু এৰিলে জড় ইন্দ্ৰিয় এতিয়াই মৰা শ হয়, দেখিলে ম্লান আছে। এতেকে আপুনি আপুনাক বন্দে, তোমাৰ কি হ'ল? এই মনে মান্না গা এৰাই।

আক একবাৰ গৈছে গুৰুজন শ্ৰীৰাম আতা সৈতে চোতালত থিয় দিছে। আতা বাৰীত কোৰ পাৰিছে। আও আঁঠু লৈ আসন দিছেছি বোলে মোৰ ঠাকুৰক মাতাচোন। তেহে আও লাজে ভয়ে তললৈ মাথা কৈলে, ক্ৰোধ তাঁৰে বোলে নাৰাত নাৰাত চোন মাত্ৰ। আঁএ উপায় নেপাই গুৰু বাক্য পৰে লেখিবাৰ কাৰ মৰ্য্যাদা এৰি একতাৰে বোলে বৰৈ অহাবক, তোম্ৰাক গুৰুজনে মাতে। তেহে, ৰজাও

শ্ৰীৰাম আতা সৈতে গুচি আহিল। আতা বাৰীতে আহি কোলে কোনে মাতিছিল আমাক? আএ পাৰতে পৰি প্ৰেম জৰি গদ গদ বাক্যে বোলে তুইবাৰ গুৰুজন আসি মাত মাত খঙ্গকৈ বুইলে। উপায় নেপাই গুৰুবাক্য পৰে দেখি লাজ ভয় এৰি তোমাক হৃদয়ত লৈ দাসীএ মাতিলোঁ। আতা পৰম স্নেহ একভাএ লৈ আলিঙ্গি চুম্বন কৈ বোলে মোক আজি তুমি বৰ ভাল ৰাখিলি। আজি যদি লাজে ভয়ে নামাতিলিহতে, মোৰ গুৰু বাক্যহে পৈলহতে, নিচয় তোক চাৰিলোহঁতে। ভাল আজি মোক ৰাখিলি, তিনিও তত্বত বলি। ধন্য ধন্য, ভাৰ্য্যা নহ মোৰ সঙ্গী। পাচ বেলা আতা ভোজনকৈ গ'লা। তেহেঁ, গুৰু জনে গুৰা শৰাই আগত দি ঘোষা কৰি স্তুতি প্ৰাৰ্থনা কৰিছে—

> "দাস হুয়া তয়ু সেৱা নকাৰলোঁ হৰি
> তোমাক পৰম ঈশ্বৰ নমানি হৰিএ—
> এই অজ্ঞানীৰ যতেক অজ্ঞান হৰি এ"

আৰু অকদিনা আতা পৰ্ম্মানন্দত সুধিলে, বোলে তই ইষ্ট মিত্ৰ আশা ক'ৰবাৰ কৰিছনে? বোলে আতা, দহবাৰ জনেৰে—লালনা আশাকৈ আছোঁ। একদিনা আতা বাৰী চুককিছে। গাত এটা কৈ জাবৰে সৈতে পুতি কলা বাৰণি এডাল গৰুগাজ ক্ৰমে উলিয়াই থৈ পৰ্ম্মানন্দক আতা মাতিলে, বোলে উপা বেগাই খৰকৈ আছে। শকটি মাইলোঁ, অতে পুতি থৈছোঁ, জগৰহে লাগিল, দণ্ডো লৰ, যা লৰ মাৰ, তোৰ ইষ্ট মিত্ৰত কৈ মাতি আৰদ্যৈ, কি যুক্তি দিএ সোধুগৈও। ঠাকুৰ আতুৰ হৈ লৰি লৰি লৰি গৈ কলে, কতএ কলে আতা জনা বুজা লোক কি কৈছে? কেহো বোলে জাত যাই যুক্তিনাই। কতো, বোলে বজা বাৰ্ত। কেহো বোলে কি কৈছে নিকলে, প্ৰাচিত কৈ বৰ সভা কৰক। কতো এক বোলে কঁচো লবা,

ইষ্ট-মিত্ৰৰ পৰীক্ষা

কেহো বোলে গৈ নো কি কৰিম গৈ। এই ক্ৰমে সবেও বুইলে কলেও কেও নাহিল। ঠাকুৰ বিমন হৈ আছি হেলাই-হেপাই পালেহি। আতা বোলে কি কৈলি পা, নাহিলনে কেও? বোলে আতা সবাকে কলু গৈ, এই এই ক্ৰমে বুলিলে, নাহিল। বোলে এই হে ইষ্ট মিত্ৰ আশা ভাৰষা কৰিছ, মোৰ ঠাকুৰত কৈছিলি নে? বোলে নাই কোৱা। তেনো যা লৰ দে কগৈ। লৰি গৈ পাই দ্বাৰ মুখতে আঠু লৈছেগৈ। গুৰুজনে চাউলটি সিজাই বাৰী পতিলা সামৰি হাত পা ধুই গৈ চলাটিত বহি তিনিটি আঙ্গুলিৰে অনকেটি তুলি নিওতেই পৰ্ম্মানন্দক দেখি এৰি বোলে পৰ্ম্মানন্দ দহো, কিয় পঠাইছে সখিএ, কিবা হৈছে নে? বোলে বাপ, চাউল লক কম। বোলে ক কি হৈছে? বোলে আতা এটি লোকৰ বৎস কোব মাইলে, মৈল। তাকে কব দিছে; কি হব? বোলে তেনো আমি হে প্ৰাচীত হুব লাগে।. অল্প হাস্তকৈ বোলে বল উপা বাপেৰে গৰু মাৰিছে; তাকে কৈছ হি? এই বুলি শ্ৰীৰাম আতা সৈতে গৈছে। ত'ত আতা দুগ্ধ, চিৰা, চিনি, যুগুতকৈ থৈ আগ বাঢ়ি আছে হি। গুৰুজন পালেগৈ। আতা অভয় পদত সেৱা কৈলে। বোলে দহো পৰ্ম্মানন্দে মাতিছে বুলি কৈছেগৈ। বোলে বাপ হয়, ইয়াৰ দুদু খাঠি জন ইষ্ট মিত্ৰ আশা কৰিছে, তাৰ প্ৰমাণ কৰা গ'ল। গৈ স্নানকৈ তিনিও জনে প্ৰেমানন্দ সুখে সন্তোষে ভোজনকৈ আতা প্ৰাৰ্থনা কৈ থোৱা মাতিছে—

"কভনো অমোঘ···"

"কিনো অপৰাধ···!"

অনেক আদৰকৈ আতা আগ বঢ়াই থৈছেহি।

আৰ একবাৰ শ্ৰীৰাম আতা সৈতে গুৰুজন গৈ মহা প্ৰেম সহজ নিৰ্গুণ সুখক পৰীক্ষা কৰিছে। আতা পাচ বেলা থৈ

গুৰুজনৰ পাৰত পৰি কান্দিব খৈলে। তাহোহে গোপী আই সবে বোলে” পতি পুত্ৰ এৰি ভৈলো চেৰী—

কিনো মতে প্ৰভু গৈলা এ
কিনো নিকৰুণ নাৰায়ণ
কিনো বজ্ৰে বান্ধিলেক হিয়া,

আমি দাসৰ এই মানতো চিত্তক নাপালে আত পৰীক্ষা কৰিব লাগে। তেহে গুৰুজনে পৰম সন্তোষ হৈ কৃপা জন্মি শেষ অন্ত কালৰ পৰম তত্ত্ব ৰহস্য সৰ্ব্বস কীৰ্ত্তন কৰিছে। এই কুৰিবাৰ ঠাকুৰ আতাৰ গৃহে গৈছে। আকে সুক্ষ্ম সি ৰাজ্যে অনেকবাৰ যোৱা কয়। মহা প্ৰেম, কেৱল ৰস, পূৰ্ণৰ খেলা এই লীলা চৰিত্ৰ। কুৰিবাৰ ঠাকুৰ আতাৰ গৃহলৈ গমন

আৰু এদিন ঠাকুৰ আতা আছি শ্ৰীৰাম আতাৰ বহাতে জাপী, লাঠি থৈছেহি। আতা পাও ধুৱাই গামচাৰে মচি কটত থৈ গুৱাপান দিএ, কাটি খাই, আত্মাকো দিএ, গুৰুজন তলৈ তেহে যায়। এই ক্ৰমে প্ৰতি দিনে সেৱা ধৰে শ্ৰীৰাম আতা। এদিন পাও ধুৱাইছে, বিৰিনাপাতে কাটিলে, তেজ নৰয়, তাতে ৰাবৰ মাটি দিছে। গুৰুজনে দেখি বোলে শ্ৰীৰাম কি হৈছে সখিৰ? বোলে বাপ; বাটত আহোঁতে বিৰিণা-পাতে কাটিলে, তেজ নৰয়, তাতে বাৰ মাটি দিছো। বোলে মন্ত্ৰ গাই ধৰণী ধৰি দিয়া ৰব। বোলে বাপ নেজানো যে। বোলে জানা শ্ৰীৰাম নামে নিজ সমস্ত মন্ত্ৰৰ গুণ বীৰ্য্য। বোলে সখিৰ খাওাৰ কাৰণ আছিল, মোৰে শ্ৰীশঙ্কৰ দেৱৰ সেৱাত খণ্ডিল, তেও এই খানি চুই গ’ল। শ্ৰীৰাম আতা চাৰা জিলা উস্ আসুকৈ বাজ ওলায়, ভিতৰ সোমায় এনেকৈ আছে। পুৱে বেশু মিলতে যা কোৰ ...ঙ্গ গ’ল। ৰব পোৱাৰ ... একেবাৰে মনীষ লাকে হুকালে হুখান কোৰ পাৰি চাৰি... ... গ’ল। আহোঁতে ৰাবে হুকাল ... বিৰিণা ... কাটি নামেই মন্ত্ৰ

চলাই আছিল নাম গাই। গুৰুজনে বোলে আজি দেখো শ্ৰীৰাম নাই, কলৈ গ'ল? হৰি আতা বোলে বাপ, তাৰা বৈকুণ্ঠৰ পথ চাচি গোৰ চুই ভকতি কৰিছে গৈ।

তেহে গুৰুজনে সন্তোষ হৈ ঘোষা কৰিছে—

"অজ্ঞান আন্ধাৰে, পৰীয়া জীৱৰ, জ্ঞান পথ ভৈল নাশ।
নাম অঞ্জনীয়া, বিনে আনমতে, নপায় হৰিৰ পাশ॥"

আতা আছি স্নান গুৰুসেৱা কৈলেহি। চাউল সিজোৱা দি বোলে এনে অঞ্জনীয়া গুৰুৰ সেৱাতহে হৰিক পায়।

শ্ৰীৰাম আতাৰ সেৱা

আৰু একবাৰ ভাদ্ৰৰ গুৰু কীৰ্ত্তনত গুৰুজনে নাট, সূত্ৰ, গীত চো কৈ দিনত ভোজন বেহাৰ কৈ নিশালৈ দধি-মথন পাতিছে। প্ৰাতসে আতা পৰ্ম্মানন্দে সৈতে আছিল। শ্ৰীৰাম আতা বোলে বাপ, আপুনি অহা যায়-ব্যৱে ৰাবে আও চাবলৈ নেপায়, এবাৰো। আমি এইবাৰ ঘৰ ৰাখো গৈ, আও চকহি কীৰ্ত্তন যাত্ৰা। গ'ল। আতা দেখি আও বোলে শ্ৰীৰাম আছিছা দেখো? বোলে আই আমি ঘৰ ৰাখোঁ, তোম্ৰা কীৰ্ত্তন যাত্ৰা চকগৈ। বোলে বুপা, ৰাক তেনো। আই আছিল, কোচতে ছৱা, আপুতো লৰা, গৈ পাই কান্তিতে বহিছেহি। আতা গৈ বোলে দেখোঁ আহিলি, ঘৰ একা? বোলে শ্ৰীৰামটি গৈছে, তেওঁকে থৈ আহিছোঁ। আতা পাচতে কোৰ লৈ চোতাল বাট ঘাট বিললকে বাৰী পাচ চোতাল কৈ থলা চুঙ্কি চুকৰি সাৰি, মচি চোতাল ঘৰ ধৌত কৈলে কলা মাটি দি। আতাৰ কৈ সনাৰ মুখ হাত ধোৱা, আইৰ বেলেগ কৈ সনা মুখ হাত ধোৱা কৰি বহাদি মচি থলে, গা ধোৱা আতা আইৰ ভিনে গাভকৈ পাট পাৰি দিলে, মাটি পানী বহিবলৈ পাট পাৰি মাটি থলে। পানী আনি খাৰ সন্তাত জল দিলে, চাউল থুই থলে। কৰিও আটাইছে, কলিও হৈছেহি, আইও পাইছেহি গৈ বাউলকে আগ [illegible]

গ'ল। আএ বোলে বাপু, কোনো দ্রব্য খানিও দিব্লৈ না পালো। লৰালৰিকৈ আহিলা। বোলে নালাগে মাতৃ এক। তেহে পামগৈ। পৰেও দিব নিম। এই বুলি আতা দাউবি আহিল। আএ আহি দেখে ঘাট বাট চৌতাল ধৌত কৈলে। পাচ ফালে চাই বাৰী চোতাল কৈ সনা মুখ হাত ধোৱা কৰি মচি থৈ চৰু আগে চায়, সবে কৰি থৈছে। কাপৰ পাতি পাত নি চায় তিয়াই জুতি কৈ থৈছে। ওলাই গালে মুৰে হাত দি বহি বোলে মই কটাজীএ কেলেৰা গলু, এনেকৈ ছলিলে, এই বুলি দুখকৈ আছে। তেহে আতা আহি পাই বোলে কি কৰিছ? বোলে কি সোধা যায়? আজি আৰু আমাৰ একো ৰক্ষা 'নৈপেল। বোলে কি হ'ল? বোলে শ্রীৰামে গোটে একো কৰিবলৈ নথলে। মুচুৰ নকৰিব লগাকো চুই কৈলে। বোলে কি অসন্তোষ কৰ্ব এতিয়া? শ্রীৰামে জানো ঘৰ ৰাখিবলৈ আহিছিল? আকে, কৰিবলৈহে আহিল? তেওঁ খেদকৈ উপাসে পুৰি ৰ'ল। কি কৰিব? পূৰা ভোজনকৈ আহি গুৰুজনত কলেগৈ; বোলে শ্রীৰাম কালি ঘৰ ৰখো বুলি গৈ একো নথলে আৰু, সকলো সৰ্ব্বস্ব লুট কৈ আনি। শুনি সন্তোষ হৈ স্নেহত গীত কৰিছে ৰহস্য অন্তৰ বোধে—"ৰামক বাণী জপহু মন ভাই।"

আৰু একদিনা আতা পৰ্ম্মানন্দক মাৰিবলৈ খেদা মাইলে বাৰি লৈ। ঠাকুৰে লৰ মাৰি ৰাগি লৈ বোলে তুমি মোক খেদা হে মাৰিব নপৰা। মই ভকত পূৰে সেৱ তুমি আৰ খনীয়া আদসেৰহে, কিয় খেদা? তেহে আতা মাৰ ধূলা [illegible] তেনেই আহিল, গুৰুজন ঠাইলৈ। পাই অতয় [illegible] সেৱা কৈলেহি। গুৰুজনে বুলি চাই বোলে সখি [illegible] [illegible] নাই হৰলা, মনটি দেখো কই? বোলে বাপ [illegible] [illegible] এনেকৈ বুইছে নাইকবা। [illegible] [illegible] [illegible]

ভোজন কৰাইছে। ধঞ্জয় আতৈক পঠাই পৰ্ম্মানন্দক নিয়াই বোলে মোৰ সখিহে আদখনীয়া বোলে হয়নে? সখি যো আদ সেৱ মোৰ শ্ৰীশঙ্কৰদেউ যাক পূৰ্বে এঘৰকৈ গৈছে? সেই বেলা ঘোষা মাতিছে—"বেদৰ গুপত বিত নাৰায়ণ এ দৈৱকীত হন্তে সাক্ষাতে ভৈলা বিদিত। আদি অন্ত জন্ম মৃত্যু শিশু যুবা জৰ নাই, অনাদি শ্ৰীৰ পূৰ্ণব্ৰহ্ম সনাতন পুৰুষ-কহে তেনেকৈ বোল? বোলে বাপ, অন্তৰ বোধে হয়, তেও আমি মল চক্ষুৰে নৰ ভাও দেখাক লৈ আতা বেহা বাণিজতে আঢৈ কুৰি বৰ্ষ গ'ল। তেহে মহাপুৰুষ শ্ৰীশঙ্কৰদেৱক লগ পাইছে চুনাপৰাত। আমি তাৰাৰ বীৰ্য্যত হন্তে গৰ্ভৰেপৰা ভকত নহওঁ? এতেকে পূৰ্বে সেৱ আমি, তাৰাক আদখনীয়া আদসেৱ বুলিবৰ হয় বাপ, দাসে। গুৰুজনে বোলে সখি পৰ্ম্মানন্দৰ্ক উত্তৰ কৰা যক। মই উত্তৰ নপালো, হৰাল। তোমাক আমাক ঘটালে। তেহে পিতা পুত্ৰক সম্বোধনকৈ পঠালে বোলে আন কালৈ নুবুলিবি।

আৰু আতৈ সবে ইজন সিজনে কয় গুৰুজনত বোলে বাপ, আতা আৰু গৃহ, বাৰী, খেতি, কৰি, ভাৰ্য্যা, পুত্ৰ, দেহৰ ফালেহে প্ৰবল হ'ল। ইফালে অৱহেলাকৈ শ্ৰদ্ধা এৰিলে এহেলৈ। গুৰুজনে একদিনা শ্ৰীৰাম আতাক বোলে যোৱাচো সখিএ কি কৰিছে? আতা গৈ দেখে তিহ, চিৰাল তলিত কোৰ পাৰিছে। পাচতে শুনে নিজ যশ, ৰস, গুণ, চৰিত্ৰ, গাব লাগিছে, পূৰ্ণৰ খেলাতে আছে। শুনি প্ৰেম জৰি বিস্ময় হৈ পাৱত পৰি সেৱা কৈলে। তিহ পাচোটি দিছে গুৰুজনলৈ। আহি গুৰুজনক দি সেৱা কৈলেহি বোলে শ্ৰীৰাম, সখিএ কি কৰিছে দেখিলা? বোলে বাপ আতা বি খেলাত আছে কম কি? মুখে নাম কৰ্ণে কথ মনে ৰূপ চিত্তে পাদপদ্ম বুদ্ধিএ নিয়ে হন্তে কৃতা[illegible]

[illegible] তুলি [illegible] পৰা [illegible] হুপৰ চাই শৰণ লৈ গুণ চৰিত্ৰ যেতিয়াৰ তাও কাৰ্য্য পাৰ লাগিছে। আতা আপুনাৰ চৰণতেহে আছে, তত যি দেহহে; জীৱ অ’চ্ছহে। তেহে গুৰুজন হৰমোহনৰ কীৰ্ত্তন মাতিছে, দৃষ্টান্ত দিছে গীতো কৰিছে।

যিজন ভকতি হীন, যি দেখে হৰিক ভিন, হৰিৰ মায়াএ তাক মোহে……

এ শ্ৰীৰাম তোমাৰ আছে গুণে হে তুমি মোৰ সখিৰ গুণক দেখিলা, যাৰ নাই মহাগুণ লোকৰো দুৰ্গুণ হে দেখে।

অধমে কেৱল দোষ, লৱয়, মধ্যমে গুণ দোষ লয়ে কৰিয়া বিচাৰ।

উত্তমে কেৱল গুণ লৱয়, উত্তমোত্তমে অল্পগুণ কৰয় বিস্তৰ ॥

ৰাজসূইত কৃষ্ণে ভকত চাৰ দিওঁতে গাৰ গুণ দুৰ্য্যোধনে নেদেখিলে, দুষ্টহে পালে, যুধিষ্ঠিৰে সবাকে হৰিময় দেখিলে, হৰে অল্প-গুণকে বিস্তৰ কৈলে, দক্ষে দোষকেহে কৰিলে। দুগ্ধ থালিত মাখি পিপৰাটো পৈলেই চক নেপেলাই বাচি খালে হয়।

“নাৰায়ণ কৈতো গুণ জানব তোই।
কৰহু কৰণা নাথ মোই ॥”

আক একদিনা ঠাকুৰ আতা আহি ৰ’ল। শ্ৰীৰাম আতাক গুৰুজনে বোলে পাৰাৰাসী কেনে সুখে আছে চুপে চাই আহাঁগৈ। আতা গৈ ৰাজৰতে শুনিছে। আএ [illegible] চলি ঘুমাই [illegible] বহাই [illegible] কৰিছে—এ মই অভাগী [illegible] [illegible] পৰি [illegible] আজি, [illegible] ঠাকুৰ আহেগৈ। [illegible] [illegible] তাত [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] [illegible] আতা [illegible] [illegible]

অগ্নৌ, ভাটৌকুৰীয়া আতা ঐশান্যে এইক্ৰমে দশ দিগপাল ভক্তি সৰোবৰে ৰাজহংস বহিছে, ব্ৰহ্মসভা দিগপাল দৰে। আনো ভক্তচয় ভ্ৰমৰে অনেক শাৰীহে মধুপান কৰিছে, মোৰ মহাপুৰুষে গুৰু মধ্যে বসি কীৰ্ত্তনকৈ মুখ পদ্মে বাটি দিছে। মোৰ আতা আতৈ বন্ধু সবে ঢোকা ঢোকে গণ্ডগোলে কৰ্ণপদ্মে পান কৰিব লাগিছে।

মই অভাগীহে পৰি ৰৈলোঁ। মোহ পাশ নিহলত হা হা কি দৈব বিধি বিড়ম্বিলে। তেহে শ্ৰীৰাম আতা শুনি আছে খেদ প্ৰেম ভক্তি, আশ্চৰ্য্য অদ্ভুত হৈ লোম শিহৰি দ্ৰবি প্ৰেম জৰি পাচ ভৰিকৈ মনে কোটিবাৰ নমস্কাৰ কৈ আহিল। গুৰুজনক সেৱা কৈলেহি। বোলে শ্ৰীৰাম, কেনে দেখিলা শুনিলা? বোলে বাপ, আইৰ প্ৰেম, খেদ, ভক্তি এই মুখে কৈ অন্ত নেপাওঁ, এনে কাৰ্য্য কাৰ্বনা দেখা শুনা নাই সপ্ৰেম ভক্তি, এইৰূপে ভাবি খেদ কৈছে। তেহে গুৰুজনে সন্তোষ হৈ বোলে দ্ৰৌপদীৰ ভক্তিয়ে পাণ্ডৱৰ বশ্য হৈ ৰথৰ সাৰথি হল, আমাকো যাঢ়া বাহিৰ ভক্তিএ বশ্য কৈলে।

আৰু একদিনা পৰ্ম্মানন্দে সৈতে আতা গৈছে। গুৰুজনে দেখিএ বোলে ভকতৰ মুখৰ পৰা কাঢ়ি খাবলৈ বাপেক পুতেক ছুয়োটা পালেহি। শুনি আতাৰ মনত বেজাৰ লাগিল। আন খন আতা নাম গায়, ঠাকুৰে চাউল সিজায়। সেই দিনা নিদিলে সিজাব। নাম গাই গুৰুজন বাট ঘৰতে বহিছে। আতা সেৱাকৈ যায়। গুৰুজন বোলে সখি কিয় খেদা? বোলে বাপ, ছুটাই আহি সদায় ভকতৰ মুখৰ কাঢ়ি খাই থাকেহি, তাতে খালে খুকাবহে, নখাওঁ আৰু বাও। বোলে দেখো এই খানেই বিন্ধিলে। বোলা মাতিছে—আমৰুক নাম অতেক [illegible] সত্যৰে যিটো শিক্ষা।

তিনিওঁ বৃত্তি [illegible] অহংকাৰে তাক আনি [illegible]।

বোলে বা পৰ্মানন্দ চাউল সিজাগৈ। সিজাই ভোজনকৈ গৈছে সুখে সন্তোষে।

আৰু দেউৰী কৃষ্ণাই আতৈক গুৰুজনে সঙ্গ কৈলে, আগলৈ নোলাই ভয়ত ঠাকুৰ আতা ততে পৈলাগৈ, বোলে বাপ গুৰুজনক মাতক, আমালৈ যেন সদয় হয়। আমাৰ কি আছে কি দিম? তোম্রা যলকে পাচে তলকে যাম, লাগে মৰিবলকে হয়। তেহে আতা নি গুৰুজনক মাতিলে। ৰন্ধোৱা হ'ল। শ্ৰীৰাম আতাৰে কৃষ্ণাই আতৈৰে মাজতে ঠাকুৰ আতাৰ বহা। যেতিয়া হয় থাকে। পুহ মহা জাৰৰ। সেই নিশা যাৰ ভুৱাইলে, শ্ৰীৰাম আতা কৰি মেলি দিলে, চাউল সিজাইছে বোলে কৃষ্ণাই চাউল বহালোহয়, পাত নাই। শুনি শ্ৰীৰাম আতা দিলেহি, তাতে বাঢ়িছে। তেও পাত থুইছেহে। বোলে কৃষ্ণাই আমি দিনতে দেখিছোঁ। তোমাৰ বাড়ীতে পাত এখানি মেলিছে, তিয়নি পিন্ধি আনি দিয়া, বুৰ দিবা নানাইতে পানী দিব এবোঁএ। মাতিবৰ শুনি সেইতে নিতাল মাইলে গা ধুৱৰ ডবে নেমাতেই। আতা ভোজন কৈলে। শ্ৰীৰাম আতা পাত পেলালে। মুহুদি কৈ কৃষ্ণাই আতৈক মাতি আনি বোলে বৈচাৰি পো, কিয় মিছা কথা ক তাহানি? বোলে দেখো মৰিবলৈ পঁচা নাই তেকে। লাগিলইতে খুবটোহে, তালকে দহো সহিব ভুৱাইলি? বোলে এই পুহ মহা আন্ধাৰ নিশা জাৰৰ জাৰত ভকতক গা ধুৱাই পাত অনাই আত খাম? এৰিলেও নকৰাও। তেও যে তই যাম বুলি পাত নব ভুৱাইলি মৰিবলৈ খোৱৰে এই হে চিন? তেহে খোৱা মাতিছে—

বদনে কেৱলে মাত্র হৰিক শৰণ লৈয়া
চিত্তে আন দেৱক ভজয়।
জানিবাহা কদাচিতো নিষ্ঠি নিষ্ঠা নাহয়
হৰিপ্ৰিয় … নহয়।

আৰু এটা লোকে আসন ভিৰি আলগতে যায়, ছায়া বাজিা তাকে চাবলৈ গোটে দেহ ভাগি যায়, ভকতো যায়। এদিন গুৰুজনে শুনি বুঢ়া আতাক পচিলে দা খান দি, বোলে তলে খুৰুৱাগৈ। আতা গৈ তলে ঘুৰালে, গিৰিসাই পৰিল। তাৰে পৰা ঘুৰাইলে আসন ধৰিব, ভাগি গ'ল। চোৱা সবক দোষণ ধৰি কীৰ্ত্তন গৃহ নমাইছে দণ্ড শৰাই তৈল বস্তি দিছে উঠিছে।

আৰু গাবো গোবিন্দ আতৈ আছিল। গুৰুজনে সুধিলে গোবিন্দ দেখো আছিছঁা। যাওঁতে ভকতে বোলে গুৰুজনক "তই" কিয় বোলা? বোলে তুমি তোম্ৰা এনেকৈ বুলিব লাগে। গৈ চাৰিখন ভাব লৈ আকৌ আহিল। বোলে গোবিন্দ দেখো আকৌ আহিছা? বোকে বাপ, তোকে তুমি বুলিবলৈ আহিছো। বোলে এ গোবিন্দ, তই বুলিলে যিমান সন্তোষ পাওঁ আনে তুমি বুলিলেও তিমান নপাওঁ। তেহে গ'ল আতৈ।

আৰু গোমাৰ গোবিন্দ, লচাকপীয়া গোবিন্দ একে বস্তু, দুয়ো দুখানি নাওত মাৰকৈ বহুৰি গুৰু কীৰ্ত্তনলৈ আহে বস্তু দ্ৰব্য লৈ। একবাৰ আহিছেগৈ। জানত পানী শুকাল, মাৰ ভাজি দুখানকৈ ঘাটে বৈ সেৱা কৈলেগৈ। গুৰুজনে পিঠি দি বহিল। মনে বোলে দুখানিকৈহে আহিছে, দুইৰ মাজত খানিক লাগিল হে। তেহে দুও শুণি মৰৰি বোলে বাপ মাৰকৈ অনা হৈছিল, জানত নাহে দেখি মেলি আনিছেঁা। তেহে গুৰুজনে সন্তোষ হৈ মুখে চাই মাতি বোলে গোবিন্দ দুইৰ মাজে খানিক ফুটা বুলি বিভ্ৰান্তি হৈছিলেঁা। এই বুলি বোলা মাতিছে—

"বৈষ্ণৱী মন্থন কৰি সাৰাৰ্থ উদ্ধাৰ কৰি।

সৰ্ব্বদেৱ শিৰোমণি সমস্ত ভুৱন-স্বামী [illegible]

ঠাইত লাগিলে বয়, সৰ্ব্বসুখৰ শিৰোমণি ধামতে পৰিলে হাৰ মুৰভাগি হয়, ৰবা কত, ঠাই থাকিব।

আৰু এদিন বঙ্গদেশী বাঙ্গালা গীত গাইছেহি খেলা লীলাৰ, ভকত নিশেষ চাপিলগৈ। গুৰুজনে বোলে ভকতৰ লীলা শুনিবৰ মন যায়। তেহে গীত কৰিছে—

"ব্ৰজ জীৱন" দয়াল দীনবন্ধু এ নন্দকুমাৰ"

মনমোহন, এই গীত পাচোটাকৈ, লীলা, পৰমাৰ্থ, বিৰহ, বিৰক্তি, চোৰ চাতুৰি এই ৰস গীত।

আৰু আঢ়ে আতৈএ কুৰ্হি মাছ তিনটা বান্ধি থৰিকা দি থৈ, নাম ধৈলত গাবলৈ এৰি আহিল। গাই পাঠ শুনিছে, অল্প নিদ্ৰা আহিছে, বোলে চুহ্ চুহ্। পাঠ থলত গুৰুজনে বোলে কিয় তুমি চুহ চুহ্ কৰিছিলা? চৰণতে পৰি বোলে বাপ, কুৰ্হি মাছলৈ চাউল সিজাই থৈ আহিছোঁ। নাম ধৈলত গাবলৈ, মেকুৰীএ খায় বুলি তাতে মনটো ধৰি আছোঁগৈ। তেহে গুৰুজনে বোলে আজিতে এৰি নাহিবা, বহালে খাইহে আহিবাহক, লাগে নামেই গ'ল। মোৰ গুৰুজনে দিছে একা দেশৰ উপদেশত—

"বিষয় বিষম মাংস আছে তোৰ মাজে।
তাক জাম্প দেই মন বিৰাল নিলাজে॥"

সি বিৰাল নহয়ে, তোমাৰ মনহে বিৰাল, কৃষ্ণ পদামৃত চুৰকৈ খাব লাগিছে ৰখি নিতে আন মনকৈ মোহ নিজাত পৰি চেতনেহে নোপোৱা।

আৰু মাধ মহা ৰাম দাস আতৈ বৃদ্ধ, মাৰ খাইছে টোপনিয়াই। গুৰুজনে দেখি বোলে সেই টোপনিয়াইছে। তেওঁ বোলে মাখিছে খেদাইছোঁ। বোলে মাৰু মহা মো মাখি আছে? বোধা মাজিছে গুৰুজনে।

জেতন আতিয়া তাই ...।

আন পৰিহৰি হুয়ো ভকতি ৰসিক ॥”

আৰু পুহমহা নাম গাওঁতে ৰমাই গুৰুৱে টোপনিয়াইছে গুৰুজনে দেখি বোলে সেই টোপনিয়াইছে। বোলে হাঁৰজী ভুৰাটো দে পানী খাওঁ। বোলে পুহ মহা যো তৃষ্ণা লাগিছে তেওঁ আহিছিল বুলি গাত নলয়। নাম জগতৰ বাপ বৈকুণ্ঠৰ সুখ, টোপনি মহাপাপ, নৰ্কৰ পথ, দুখ। তেও যে তাকে হিত মাৰ্গে ঢাকে। সেই বেলা গীত কৰিছে—“ৰে মন

ৰজগৰ ৰাম চৰণে ৰতি লাৱত ; ঝুণ্টা।

“দুখ ইন্ধন মহ, বিষয় অমিয়া ৰস, ওহি ভব গহণ অনলা।
তেজি তথিএ আশ, কৈছন লালস, অন্ধ মুগুধ বিড়লা ॥”

আৰু বোলে ভকত হলে অজগৰ বৃত্তি হব লাগে। তেহে হৰিগতি আতৈ গৈ বাহৰ খাবৈত পেট পেলাই পৰি আছে। গুৰুজনে বোলে হৰিগতি কলৈ গ'ল, তিনি দিনে নেদেখোঁ দহোঁ? ভকতে বোলে বাহৰ খাবৈত পৰি আছেগৈ। বোলে মাতাচোন। মাতে, উঠিবই নুৱাৰে, ধৰিহে দুজনে আনিলে। গুৰু বোলে তাতে সাপে বাঘে খালে ইতে একা? কোনে তেনেকৈ থাকিব দিএ? আমি কলু বোলাকো দুবুদ্ধি নিন্দাকো দুগুনি যেই মিলে সুখতে আগতে মিলে তাতে সন্তোষ হৈ খাই লই মনক বুদ্ধি খাবৈত পেলাই আত্মাক চিন্তি হৰি গুণ গাব। দুবুদ্ধি লঘনে তোকে পৰি থাকেগৈ।

আৰু দুজনৰ মিত্ৰ, একে বহা থাকে, এজন বৃদ্ধ, এজন ডেকা। তেওঁ বিশ্বাসে টকা বাৰটা পুতি থৈছে। নাম অৱসানে বুঢ়াজনে মুখ হাত ধুবলৈ গলে পাচতে ডেকা জনো গ'ল, পাঠ এৰিএ কণ খানিছে বুলি। আহিলত গুৰুজনে যোবা মাতিছে—

ৰাম কৃষ্ণ হৰি বোল শুন ভাই অন্যায় [illegible] মনে।
চোৰ সাধী [illegible] [illegible] দেখিলা সৰ্বজনে ॥
[illegible] আতাৰ [illegible] [illegible] ॥”

বোলে কিয় গৈছিলা ? তেহে দণ্ডৱতে পৰি ডেক্যাজনে কলে। বুঢ়া জনে বোলে বাপ, মই তুকে নেপাওঁ, আমিহে জানোঁ। তেহে ঘোষা চৰ্চ্চি বাৰ গুচাইছে গুৰুজনে।

কৰ্ম্মজৰি ছেদন

আৰু একদিনা গুৰুজনে বোলে ভকতে কৰ্ম্ম জৰি ছেদিব লাগে। শুনি নৰনি গৰাই ধৰাইছে। ভকতে কলে গুৰুজনত বোলে বাপ, গাহৰি আতৈএ দেখোঁ নৰণি ধৰাইছে ? বোলে মাতাচোন। মাতিলে, আহিল। বোলে কেলেই ধৰাইছে ? বোলে বাপ কলৰ মাজত থাই কৰ্ম্ম জৰি ছেদিব খুইছোঁ। গুৰুজনে বোলে আজিএ নমেলিইতে ? আমি কলু হৰি গুণ গাই পৰিচৰ্য্যা কৃত সেৱা কৈ অনাদি জন্মৰ মোহ, মনৰ দুৰ্ব্বাসনা, সত্ব, ৰজ, তম তিনি জৰি, কৃতা সেৱা ধমু, নিজ নামে জোৰে, গুৰু শিক্ষা অস্ত্ৰবে ছেদিবলৈ। অ' নৰনি খাইহে কৰ্ম্ম জৰি ছেদ ? বিষ্টাক চন্দ্ৰ প্ৰায় দেখিব লাগে ভকত হলে। হৈ ৰাম আতৈ শুনি গৈছে মানি। হৰি গৃহে আছে দেখিকলে গুৰুজনে চৰ্চ্চি কৈছে খেদকৈ হোজা বুলি।

ভকতৰ মোহ-পাশ ছেদন

আৰু এদিন গুৰুজনে বোলে মোহ পাশ ভকত হলে ছেদিব লাগে। ৰঘু আতৈৰ ভাগিন এটি আছে তাতে, ৰব মোহ তেওঁৰ। তাকে ছেদিবলৈ দা খান ধৰাইছে। ভকতে কলে বোলে বাপ, ৰঘু আতৈএ দা খান ধৰাইছে দেখোঁ ? বোলে মাতাচো। মাতিলে, আহিল। বোলে তুমি হনু দা ধৰাইছা ? কেলেই ? বোলে বাপ বোলা যায় দেখোঁ মোহ পাশ ছেদিব লাগে ভকতে। মোৰ আনত মোহ নাই, একটি ভাগিন আছে, তাকে ছেদি গুচাওঁ। গুৰুজনে বোলে ভকত মোহ কৈ আজিএ [illegible]লিইতে ? আমি কলু মোহেই নিদ্ৰা, আশা পাশ [illegible], অজ্ঞানে, আত্মাৰ তাতে পৰি জীৱৰ চেতন [illegible]। [illegible] চেতন [illegible] [illegible]
[illegible]

অ তুমি ভকতক হেদিহে মোহ পাশ ছেদ? আমি থৈছোঁ—

"হৰি গুৰু পদ সেৱা খাণ্ডা ডাটি ধৰা।
মনবৈৰি কাটি সুখে ভৱ নদি তৰা॥"

বৈৰ শত্ৰু নেকাট, মিত্ৰ ভক্তহে কাটি মোহ ছেদ? এই বুলি ৰাগ কৈ বোলে কি ঢেকেৰা লোক, হোজা ঐ!

ন্ত দ্রোহালে
জনৰ খেদ

আৰু ৰৰপেটাৰ উত্তৰ ফালে এটা লোক আছিল, মহা দুষ্ট ৰণ্ড গোটে। ভকত সেই ফালে যাবই নুৱাৰে। দেখিলে নিন্দি গালিত অতিকাৰ কৰে সি। অনেক যাত্ৰা ভুঞ্জি আমাত হৈ মৈল শুনি গুৰুজনে খেদ কৰিছে। ভকতে বোলে, বাপ তালৈ কি খেদ কৰা যায় দুষ্টলৈ? পৰম ডাকু ভকতৰ হুল গল, ভালেই হ'ল। তেহে ঘোষা মাতিছে গুৰুজনে। বোলে বৈষ্ণৱ নিন্দক সূচক বিষ্ঠা লুটা গ্ৰাম শুকৰক, বোলে বিধাতা তাক ভকতৰ দয়াত পূৰ্ব্বেই স্ৰজিছে। সেৱকৰ সাত দৰিয়া জবকা আছিল, তাৰ ভয়ত ভকত কুচি আছিল। সি শুকৰ মতে শোধনকৈ আছিল। এতিয়া মৈল গোটে ভকত উদণ্ড হল। সি উপকাৰীহে। এতিয়া সেই ফালে উদণ্ড হল।

আৰু এদিন জোনাই ঠাকুৰীয়া খামুচীয়া মালভোগ কল একচৰা গোবাঞালৈ দিলেহি। তাবে আঠুটি কল থৈ ই খালি দিলে শৰাইত। পাচ দিনা গুৰুজনে বোলে কৃষ্ণাই, মহাপুৰুষ গুৰু আজি স্বপ্নত বোলে আঠুটি কল নাপালোঁ, ই খালি দিলে। দণ্ডৱতে পৰি বোলে বাপ হয়।

আৰু উৰ্ব্বশী আই নগৰা পৰিছিল। তলকে গুৰুজন গৈছে শ্ৰীৰাম আতা, বুঢ়া আতা, মধুমণি লগে। পথে বোকা-হোলা এটি আছে। গুৰুজনে বোলে মধুমণি কি কৰিব লাগা বাপ, নদিয়া গুৰুকহে ৰাখি আশ্ৰয় কৰে পানী ভাঙিব, ৰহিছে পৰিবা ধৰা যায় কি কৰিব? বুঢ়া আতা পাছ হৈ বোলে কি কৰে চাওঁ, বুলি হাবি-বননিৰ মাজেৰে চাইছে।

দেখে যদুমনি গৰুড় হল, গুৰুজনক কন্ধে লৈ পাৰ কৈলে। আতা গীত মাতিছে—আএ গৰুড় কেতু কণ্ড পৰ্ব্বেশ। তেহে গৰিমা গুণ খৈলে হেৰাই নমাই থলে থৰ হৈ।

আৰু এদিন মহাবাষৰ কীৰ্ত্তন দিছিল। দেউৰী কৃষ্ণাই আতৈ টোপনিয়াইছে। গুৰুজনে বেজাৰ কৈলে। আগলৈ নোলায় কেবাদিনো। এদিনা যদুমনিক গুৰু বোলে কৃষ্ণাইক বান্ধি আনাগৈ। তেহে জাৰি বিচাৰিব খৈলে। বোলে নহয় প্ৰেম ৰজুৰে বান্ধি আনাগৈ।

আৰু একবৰ্ষ বৃষ্টি নাই দেশত। সকলো গুৰুজনক খৈলে বোলে বাপ, দেশত বিকলহে হব বৃষ্টি পৰা, শস্য নহয়। গুৰুজনে বোলে গোবৰ্দ্ধন যাত্ৰাটি কৈলে হব। বুৰী লুইতৰ পাৰ হৈ সুন্দৰী এচৰতে ৰভা খলা কৈ পৰ্ব্বত চো সাজিলে, আখৈ চিৰা, কল, দুগ্ধ, চেনী তুলি বোলে গোঁসাই হব কোন? গুৰুজনে বোলে ব্ৰাহ্মণহে হব পায়, কৃষ্ণ পণ্ডিতেই হওক। সি গোটে অসূয়া নিন্দক, নসয় গুৰুজনক গোঁসাই পাতিলত হৰ্ষ পালে। যন্ত্ৰোপতি চাঙত বিপ্ৰ উঠিলগৈ। মেঘ মণ্ডলৰ ৰাগ আৰম্ভি আনোতেই মেঘ দি আনিলে। চৰিও ফাকি পূৰাই দিলে। গোটে পৃথিবী টলবলকৈ ৰভাহ ৰৰষুণ শিলে খুন্দি পেলালে। সকলো লৰ মাৰি সুন্দৰী সোমালগৈ। বামুণ ভাতে থাকিল। ৰৰষুণ এৰিলত গুৰুজনে বোলে ব্ৰাহ্মণ থাকিল পৰ্ব্বতৰ উপৰে, বোৱা বোৱা, বমুণক আনাগৈ। ভকতগৈ চাই দেখে পৰি আছে, গোটে কলা বাকুহে আছে। শিলে খুন্দি চেপেটা কৈলে। নমাই আনি সেও দি তেহে মাত ওলাল। সকলৈ নিন্দা অসূয়া এৰি সৰ হৈ লৈল গুৰু ভকতৈল।

আৰু [illegible] মনোভৰ আতৈএ [illegible] দিন [illegible], [illegible] নিৰ্ব্যান [illegible] বোলে তোমাৰ [illegible]

গোবৰ্দ্ধন যাত্ৰা অভিনয়

বৰ্ষহে আছে, কতো কয় ডেৰ বৰ্ষ, কতোৰ বোলে ছমাহ আছে, খনোক বোলে ছমাহ আছে। ভক্তত খিন্নাই যায়, খেতি কৃষি, বন এৰি। গুৰুজনে দেখি সোধে বোলে তোমাৰ কি হৈছে, দেখো খিনালা ? বোলে বাপ, আমাৰ দিন অধিক নাই, আতৈএ চাই কৈছে। বলোভদ্ৰ আতৈক অনাই বোলে তুমি ভকতৰ কিয় দোলাইমান লগোৱা ? সেই বেদ শাস্ত্ৰখানি ৰৰপেটা বিলত পেলোৱানি, পেলাবলৈ নিছে। তেওঁ বোলে ৰবা, লৈ আহাচোঁ। বোলে ভকতৰ আউসী, একাদশী, তিথি, বাৰ, নক্ষত্ৰ, সংক্ৰান্তি, বঢ়া টুটা চাই কৰা, উপবাস নপৰাকৈ। তাৰে পৰা কাৰো নকয় আৰু। একদিনা গুৰুজনে বোলে বলোভদ্ৰ, তুমি ভকতৰ যে কোৱা মৃত্যু কথা, বাৰু মোৰ মন গোট কত আছে কোৱা। বোলে বাপ, বিড়ম্বন নকৈলে কৰ পাৰি। বোলে নকৰোঁ কোৱা। বোলে বাপ, বৃন্দাবনে গোপ বালক সমে তাম্তিৰ তলে পূৰ্ণ কৃষ্ণৰ খেলাতে আছে। বোলে এতিয়া চোৱা, ক'ত আছে। চাই বোলে বাপ, তিনি পঙ্কজতে, পঙ্কৰ ভেদি বন্ধে যশৰস মধু পানকৈ শুদ্ধ ভ্ৰমৰ স্বৰূপে আছে। বোলে তোমাত আৰ হবৰ ঠাই নাই। বোলে আমাৰ দিন কোৱাচোঁ। বোলে বাপ, কামৰূপতে গৈ বেহাৰে পাঁচ বৰ্ষৰ মূৰত ভাদ্ৰ মাসে পঞ্চমী কৃষ্ণাত বৈকুণ্ঠ প্ৰয়াণ হব পায়।

দৈৱজ্ঞৰ লাভত্ৰ আতৈ

আৰু এদিন বলোভদ্ৰ আতৈক বোলে আমাৰ কলা দিন শাহ, তোমাৰ একা ? বোলে বাপ, আমাৰ ছুই বৰ্ষ অন্তে পুহমহা পূৰ্ণিমাত নিশা সৰ্পে দংশিব, বাহি শ হব লগা লাগিল। আপোনাৰ সেৱাত চাইদিন থকিল, তেও তিনি দিন আছে। তেহে সেই পুহত ছুই বৰ্ষ অন্তে দংশিলে হয়। গাঁঠিলে তিনি দিন আছে। গুৰুজনে বোলে বলোভদ্ৰ তিনি দিনো দেখা নাই। বোলে বাপ, আৰু এবাৰ, কনুৱা দৈছে।

বোলে দ্বাৰ কাটি মেলাগৈছোঁ। মেলি দেখে পাত্তিতে ৰাম বুলি আছে, তাতে সাপটিও আছে” যিৰ বান্ধি ফেটা। নি কণ্ঠে সহাস্কাৰ কৈলেগৈ।

আৰু একদিনা বুঢ়া আতাক বাবাদিৰ কল আনিবলৈ পাঁচিছে গুৰুজনৰ মাতৃৰ তিথিলৈ। স্নান ভোজনকৈ আছিল সেৱাকৈ যাবলৈ। গুৰুজন কথা সুখে আছে; পাচ কালে বহি থৈ আছে। দেখে বেলা চুটা হ'লহি। পাচলৈ চাই দেখি সুধি বোলে কিয় নোযোৱা? বোলে বাপ সেৱাকৈ যাবলৈ ৰৈছোঁ। নামতা কিয়? বোলে কথা সুখ ৰস ভাগে বুলি। তেহে বৰ স্নেহ কৰিছে।

আৰু মুৰাৰি আতৈৰ ঠাইলৈ হৈদাহ চৌধাৰী আহি গৈ আছে পৰমাৰ্থৰ আশাৰে। এদিন আহিছে পুহ মহা বৰখুন, তিতি। আতৈ আছে ভিতৰে জুই পুৱাই গুৱা খাই বহি। এওঁ বোলে আতৈ দ্বাৰ মেলক। বোলে বাৰু। বোলে তিনি আহিছোঁ; মোৰ জাৰত দেহ যায় মেলক। বাৰু মেলোহে। বোলে নেমেলেনে? বাৰু বাৰু কৈ এ তেওঁ তিতি জাৰে বতাহে ঠৰ হৈ কাতৰ কৰিছে মেলক বুলি। আৰু বুলি নেমেলে দেখি খৰ্ব্ববাক্য বুইলে বোলে ৰৰপেটাত ভকত তুমিহে আছা হবলা তোমাৰ মনেৰে? আৰু যাবৰ ঠাই নাইহে। বোলে বাৰু মেলোঁ পা। যেইলে। গা কাপৰ সেকিলে, দুখানি তামোল দি বোলে আজিৰ পৰা আমাৰ এখেলৈ নাহিবা, আমি তোমাত ৰৰপেটাত ভকত আমিহে বুলি কোৱা নাই। এই বুলি খেদি পেলালে। গোবিন্দ আতৈৰ সৰ্পদংশন

আৰু গোবিন্দ আতৈক সাপে খালে মধ্য নিশা কেতী গোলে, [illegible] নিৰিচাৰি নাম জৈ [illegible]। তেওঁ [illegible] মৰলৈ গল। লোকে কলে হেৰেৰেৰৰ [illegible] [illegible] [illegible] সাপে খাইছিল, [illegible] বিষ নাইলে। [illegible] [illegible] [illegible] হেৰেৰেৰৰ বজাৰ সাৰৰ [illegible] না ভকতৰ ভক্তি

বিহে বৰবিহে সমান। বিহ এটা খুৱা, নামেৰে গুচক চাওঁ। বাতি আতৈক খুৱালে। দেহ গোটে কলা পৰি গ'ল, নাম লব ধৈলে, এবাৰ কলা হৈ যায়, এবাৰ ফটফটীয়া হয়, লওঁলে লওঁতে গুচিল গৈ বিষৰ জাল। ৰজা দেখি অদ্ভুত আচৰিত হ'ল। প্ৰশংসাকৈ বোলে নামো সত্য, গুৰু সত্য, ভকতো সত্য, এই বুলি সন্মানকৈ পঠালে। গোবিন্দ আতৈ বৰপেটালৈ আহিল দখিনতে। গুৰুজনে বোলে পূৰ্ব্বে নাৰদে কলি যুগত নাম, ভকতৰ মহিমা কলাপ গ্ৰামলৈ নিলে, তোমাক সৰ্পে খালে, তাক বৈদ্য লগাই চাব পা, নামেৰে গুচাই এতিয়া বৰবিহ খুৱাই নেমাইলে হ'তে? নাম, ভকত গুৰু ধৰ্ম্মত কিয় বাদ পেলোৱা? তুমি প্ৰসন্ন আছি লৈ প্ৰণত সবকো খুৱাব, দুষ্ট খাট নমৰিব? এই বুলি খঙিছে। গুৰুজনৰ কটাক্ষতে শেষ কালত উকতে কোঁহা এটি হ'ল। ভাতে ঔষধ দিলে, পকি জহি খহি হৈ বাম বুইলে আতৈ।

আৰু এজোপ দেশত বৰ একাল পৈল। গুৰুজনে খেদকৈ অসন্তোষ ভাৱে আছে, ভকতক কেনেকৈ প্ৰবৰ্ত্তাওঁ, প্ৰবৰ্ত্তে বুলি। তেনেতে ঠাকুৰ আতা পাই সেৱা কৈলে অভয় পদত মাথা দি। বহি বোলে দেখো মনটি কষ্ট কিয়? বোলে, এ সখি, দুখীয়া ভকত কেটি প্ৰবৰ্ত্তাব জুৱাবিম হব লাগে দেশত, দেখো বৰ বিকল, টকাও নাই, খুজিলেও নেপায়। তেহে আতা বোলে আপোনাৰ দাস দাসীক মুঠি উঁড়ালেই জুৱাব, গুটি জিৰ চাৰক আছে, সেয়ে জুৰিব ভকতলৈ; অনাহক। বোলে তোমাহে বুলিছে হয়, পুত্ৰ, ভাৰ্য্যা, বহাৰী বা বোলে কি? লোৰাসৈতে? আতা আহি বোলে বহি আছেহি। আএ বোলে স্নান কৰা বৰকৈ। বোলে কিনো পুৰ, ভকতৰ খাবলৈ নাই, গুৰুজনে খেদ কৰিছে। তোমা কি বোলা গৰ্জন? আতা বোলে মই কি বুলিব? বোলে আমাক ...

গছিতেই কুলাৰ, গুটি খানিকে গিলিলা কিয় ? বোলে ভইতে কিবা বোল বুলিছে হুযুইলোঁ, বাক তেনো। পৰ্ম্মানন্দৰ গিৰি বৈনীতো সুধিলে ; সেই ক্ৰমে বুইলে। আতা উঠি হৰিষে বাহু তুলি নাচি বোলে নাৰায়ণ দাসৰ সবাৰে এক বাক্য একমুখ। আতা গৈ গুৰুজনত কলেহি বোলে বাপ, এই ক্ৰমে বুলিছে। শুনি গুৰুজনে মহা হৰ্ষে হাস্যকৈ বুলিছে বাবা বহি পৰ্ম্মানন্দ বহাবী ৰজত সুবৰ্ণে ৰত্ন উধান, মোৰ সন্নিহ'ল তাক্ষে ৰাম নামৰ আলি, অমৃতৰ পুৰ। যোৰা গীতকৈ মাতিছে—
"হৰি ভক্তি মহা খালি ৰাম নাম অমৃতে আছে ভৰিয়া —।"
"নাৰায়ণ মই তুৱা দাসকু দাস।"

আৰু কলিয়া পথাৰত সাত জনে সৈতে কথা সুখে গুৰুজনে ৰহিছে সাদিন সাত নিশা, অবিছে দে পূৰ্ব্বৰ খেলা বৈকুণ্ঠৰ সুখত দেহক পাসৰি ছদ্ম ভাৱে। গুৰুজন গৈ শ্ৰীশঙ্কৰ দেৱৰ বৈকুণ্ঠ পাইছে গৈ। ততে কৰুণামই যোৰা কৰি গাই এজন পুৰুষ পৃথিবীলৈ নমাই আনি পঠাইছে।

আৰু অসুৰালি ব্ৰাহ্মণ অহি কীৰ্ত্তন গৃহতে ৰহিলহি। ভকতে কলেগৈ বোলে বাপ, ভটাচাৰ্য্য আহিছে। গুৰুজন ওলাই বহি ফুল চন্দন পাত তুলি দিলে মানকৈ। দি সুধিলে বোলে গুৰু, কিয় আহিলা ? বোলে বাপ, মহা পৰিশ্ৰমকে ভাগৱত পঢ়িলোঁ, তাকে আৰা মান মহিমা কোনে পায়, জানে। ত্যতে বোলোঁ, তাবাৰ আগতে গোটা চাৰি শ্লোকো মাতিলে। মাতি বৈ আছে, বুজিব নোৱাৰে, হাসিয়াই হেকটিয়াই, তলবাৰ চাই একোৰূপে বুজিব নোৱাৰে অৰ্থ। গুৰুজনে বোলে জোৰা জোৰা, নোৱাৰে বুজিব। তেন্তে যোৰা মাতিছে কৰি—

আপুনি মহন্ত হুহি, মহন্তক হুপাৱিলে কলাতিত। [illegible]
[illegible] আত্মানন্দ, আপুনি হৈলা [illegible]।

ব্ৰাহ্মণৰ বিষেৰ বৰাৰ আগত গল

"সেহিয়ে চতুৰ আতি পুণ্যৰ নিদান [illegible]
নাৰায়ণ নামক উচৰে।
অচুতৰ সিটোআতি পাপৰ নিদান ভূত
নামে অৰ্থবাদ যিটো কৰে ॥"

ভাগৱতৰ চক্ষু টীকা বাদদি গৰ্ব্ব কৈ তাক বোলে নালাগে, মোৰ মুখেই টীকা, এতিয়া সুৱাৰ, কি মূৰ্খ ঐ বামুণ! বোলে মূৰ্খ বুইলানে? বোলে গোটে জাদা মূৰ্খ। লঘু হৈ গিৰিষাই উঠি গ'ল টৰক টৰক। গৈ ৰাজাত খল দিলে বোলে বাউসীত এজন মহাজন আছে, নামত মাধও, ৰূপে সুবৰ্ণে এটা গৃহ কৰি যৌবন স্ত্ৰী নচাই, সাবটি সভাতে লয়, ব্ৰাহ্মণক নমানে, ভাগৱত নমানে' শ্ৰাদ্ধ বেদ বিধি এৰিলে, গঙ্গা, গীতা, তুলসী, শালগ্ৰাম সুপূজে, নমানে, কুল ক্ৰিয়া নৰাখে, তোমাৰ দেশত এনে অধৰ্ম্ম অনাচাৰী হলে ছত্ৰভঙ্গ প্ৰজাক্ষয়, দুৰ্ভিক্ষ মিলে। ৰাজা ৰাগকৈ সুবানন্দক দিলে বোলে দুহাজাৰ টকালৈ ধৰি আনগৈ। আহিছে উত্ৰাৱল হৈ। অ'ত গুৰুজনে বিহানে বোলে আজি বাম অঙ্গ ফন্দিছে, কিবা বৰ এটা বিষাদ পাম। সুবানন্দ নৌকাৰে পালেহি বৰপেটাৰ ঘাট। ভকতে বোলে বাপ কোনবা ভাজনীয়া এটা আহিছে, ৰূপাৰৰ লক্ষৰো আছেহি। বোলে তুমিও বোৱাহিচো কোন আহিছে চোৱাগৈ। চিনি পাই সুধিলে বোলে কিয় আহিছা? বোলে ৰাজা পাঁচিছে, হাজো, নীলাচল, অশ্বক্ৰান্ত, শুক্লেশ্বৰ, পাক, উমানন্দ, দিগেশ্বৰী এই সমস্ত পূজা কৰাবলৈ, তাতে এইতো মহন্তৰ সেৱা কৈ যাঁও। লক্ষৰে কলেহি বোলে বাপ, ই [illegible] [illegible], পাটনিয়াৰ, আক তালৈকে সুধান কৈছেহে [illegible] বোলে [illegible] তুমি [illegible] তুমি [illegible] [illegible]। [illegible] [illegible] তুমি। আহি [illegible] [illegible] [illegible] [illegible]

বহিলৰ বোলে বাপ, গোৱা চাব খোজোঁ। গুৰুজনে বাধানাচ নাচিব দিলে, নাচিছেহি। তাবে এটি ধৰি আনি চালে। দেখে কাঠৰ তল খোপা গমচাৰ, স্ত্ৰী নহয়, এই ছুটা মিছা পালে, মুঠিকচক কুন্দবাৰুৰ জালা ভাঙি চালে, ৰূপ সুবৰ্ণ নহয়, বালিচন্দা। তাকো মিছা পালে। গোৱা বোৱাতে লগৰ মেচে ভকতৰ ঘৰ লুৰি আনিলে। সৰ্ব্বস্ব আগ্ৰহি কীৰ্ত্তন গৃহতে দমালে নি। শ্ৰীৰাম আতাৰ বহুৱা সোমাব মুৱাইলে। পেট চলা বুলি জুলীয়া গুৰ ঘৰি বাটি ভেটি ধৰি আছিল দ্বাৰ মুখে মাখিএ ভেন ভেন কৰে। ভকতৰ দ্বাৰে পাতি মেচ হৈ ধৰি ৰাখিছে। গুৰুজনে বোলে সুৰানন্দ, বিতক ইচা কৰনে? লাগে যদি সেই খিতে খান্, তেও মোৰ ভকতক নৰাখিবি। খানি তিনিশ টকা পালে। তেহে কিছু ঢিলা কৈলে। সেই ছুৰতে উদাস ভকত পলাল দিশা দিশি। গঙ্গালকে গ'ল চৈধ জন। বোলে বাপ, ৰাজ আজ্ঞা শুনিব লাগে, আপুনি থাওক কঠতে, ভকত সবে আঠু লক। গুৰুজনৰ মুখ পন্মলৈ চাব মুৱাবে, তলমুণ্ডে কথা শুনালে, ৰাজাৰ আজ্ঞা যাব লাগে। ছুই হাজাৰ টাকা দিব লাগে। গুৰুজনে বোলে ৰাজাৰ আমি হাট, ফাট, ঘাট একো বিষয় খোৱা নাই, দিয়া নাই। ৰাজাক যদি ধনে আটা নাই, লৈ যা তভে ভা ভাঙৰীয়াত খুজি খাবে হই দিমগৈ। বোলে তেমো ভোজনকৈ লক। বোলে কিহেৰে কৰিম, ৰান্ধনি আছে সুদ্ৰাত, বোলে ৰান্ধনি কোনটি চিনি নিয়ক, বোলা বাতিও নিয়ক চিনি। তেহে ৰামচৰণ আহি মুৰাৰি তাতিৰ গৃহতে চাউল সিজালে, গৃহলৈ লেৰিলে, চাউল সিজোৱা সিজতেই ঠাকুৰে থকবক কৰে। গুৰুজনে বোলে [illegible] তাই ৰাখিব আলাতে [illegible] সেই [illegible] [illegible]। [illegible] [illegible]

[illegible]

শ্ৰীশঙ্কৰ দেৱেঁ স্তুতি প্ৰাৰ্থনাকে ভুৰ ভাঠিয়ালি বসন্ত আদি গীত কৰিছে—

এ নাথ তাৰিও তাৰিও হৃদয়মনি

"কৈছে নৰহৰি তৰণ উপায়" পুৰা গুৰুজনক ছুটা মেছে নি নাৱত তুলেলেনি। লগত গোপালে জনাৰ্দ্দন আতৈ গৈছে, সি বোলাক অল্পকালে সোমাইছেহি, দাৰি গোফ হৈছেহে, ছুৱা জাতে, গুৰুজনে বোলে গোপাল, জনাৰ্দ্দন তোমালক থাকা ছলি ভকত কতুবা দুখ দিব, ঘোৱাগৈ। অনেক কৈ পাঁচিলে, তিনিবাৰ বাধা কৈলে। তেও শুনাইলে নমাৰ, বোলে তোমাৰ লগে বাপ যেই হয় সেই হব, আপুনাৰ গতি আমাৰো গতি। তেহে গুৰুজনে বোলে কতোৰ দুকুৰি, কতোৰ তিনকুৰি, দহ বাৰ, যোল্ল আঢ়েকুৰি বৰ্ষ আমাৰ লগে খাই লৈ আছিল, জীৱলৈও আশা কৰি। এতিয়া টানৰ বেলি কোনবা কলুবা গ'ল। "কহনি আছে বহনি নাই, নটা নাই পাচ হাল বায়।" গৰু এটা মুঠে, প্ৰেমৰ বন্ধু হলে জীৱলৈ আশা কোনে ছিঙে, খাব লবৰ আশাৰ জৰি পচি ছিগি গ'ল। কালি আহিছে দুটি কোচৰ চলি, আজি জলহি দুখৰ সন্তৰি। সেই বেলা যোবা মাতিছে—

"ৰাম জয় হৰি জয় ৰাম হৰি জয় ৰাম কৃষ্ণ"

যিটো সততে সুঁৱৰে তাৰ আৰু কাক ভয়? তেহে নিৰ্ভয় দিলে বোলে আহা সিলো আমাক কি কৰিব পাৰে? কাক কোনে কৰে, কোনে কাক মাৰে? অৱশ্যে মৃত্যু নাই ৰাখন্ত ঈশ্বৰে হৰি, নাৰায়ণে দিলে গৰ্ভৰ ভিতৰে। অবাৰে কৰ্তা শ্ৰীনাৰায়ণ তাক কি কৰে এই বুলি দিলে [illegible] [illegible] ৰাজ্য [illegible] নিলেমি। [illegible] [illegible] [illegible] হাতক উপৰি [illegible] [illegible] [illegible] [illegible]

নজনাকৈ পত্নীৰ ভায়েকে তুষ্ক খুজি নিলে, তাক হৰিকৃষ্ণ আতৈএ শুনি বৰ্জ্জনীকৈ থৈছে। তেঁৱে চৈ চৰাদি ভণ্ডাৰ আগ তিনি পুলিকৈ দিলে। কৈ সনা কৈ চৈবে বেৰি দিলে। মুখ হাত ধুবলৈও ওটাকৈ দিলে চৈবে বেৰি। স্নান কৰিবলৌ গাতকৈ পাত পাৰি উপৰে চৈ ঘৰ কৰি দিলে। চাৰওিফালে চৈবে চকোৱা দি দিলে। তেহে গুৰুজন নৌকাতে উঠি গৈ তাতে ৰহিচন্ত। ছও মাহনিতে গন্ধৰ্ব্বমাজীএ কৈসনা মুখ হাত ধোৱা অঁটাইছিল। গুৰুজন তেওঁৰ ভক্তিত বৰ সন্তোষ হ'ল। আৰু চাউল, লোন, তেল, মাছ, খৰি, দ্ৰব্য, ঘৃত, মধু, চেনী, চুৰা, গুৰ, গাখীৰ শাক, পাত, বস্ত্ৰ সবাকে বোজ ধৰি আছিলে। কতু নিবিচৰাকৈ গুৰু ভক্তক কেউ মাহ দিলে। ব্ৰাহ্মণ আহি বহেহি তুওকালে গুৰুজন ওলাই বহে ডাবৰত মুখ ধুইছিল। তেতিয়া এ ডাবৰ হয়। জনাৰ্দ্দন আতৈএ কঁকালত গমচা বান্ধি পেটত মুখ দি চাপৰি বামুণৰ সাজেই গৈ পেলাই গদাধৰত স্নানকৈ আছে। বামুণ গলত গুৰুজনে বোলে জনাৰ্দ্দন কি সাৱধানী কটাৰীত এবাৰ বিচলিত এবাৰ তিনিবাৰ বুলিছে। তেনেতে ভাটোকুচীয়া আতা বেহাৰ যতুমণি বৈকুণ্ঠ এই তিনিজন বিজয়পুৰতে নাওঁ খানি থৈ গুৰুজনৰ লগ লৈছেগৈ। পাঁচজন হ'ল। যতুমণি এ বোলে বাপ তোমা দহো খানেকো শাস্ত্ৰ নেচায় সি বামুণে হা শাস্ত্ৰ হু শাস্ত্ৰ ৰাতি দিনে চাব লাগিছে হকা হুনা দেখি আকৌ সোধে বোলো যতুমণি কি শাস্ত্ৰ? বোলে হা শাস্ত্ৰ হু শাস্ত্ৰ। বোলে যতুমণি নাও নাইকিয়া শাস্ত্ৰ কাকলাদৰ সদৃশ তাক চুলেই স্নান আছে। সেইখিতে গীতাৰ আনি ঘোষাকৈ মাতিছে—

শবদ ব্ৰহ্মৰ পাৰ হৈল যিটো কৃষ্ণত ভকতি নাই।
তাৰ শাস্ত্ৰ শ্ৰম শ্ৰম মাত্ৰ ফল যেন বাঁঝে বাজী গাই॥

বিল্বমঙ্গল এ তাৰ শাস্ত্ৰতে আমাৰ সিদ্ধান্ত আছে। তাৰে পটা পোৰে তাকে দান্ত ভঙ্গা যাব। সেই বেলা বিল্বমঙ্গলৰতে আনি গীত কৰিছে—"শুনলো পণ্ডিত" সেই সময়ে বিচাম দ্বাৰে ভোট নামি দেশ ভাঙ্গিছে। চিপাহী দি হাজৰা আতৈক ৰণলৈ দিলে, গৈ লাগিল ৰণ। বহুত চিপাহী চাকৰি কাটিলো কেহো আতৈ কথমপিহে সাৰিল। আহি বিৰকত হৈ হৰিকৃষ্ণক ধৈলেহি শৰণ লবলৈ। তাৰা সবে বোলে আমাক তুমি মানিবও মুৱাৰা আমিও যোগ্য নহওঁ। গুৰুজন আছে ব'লা নিওঁ। ভেটি ভাৰে নি মহাপুৰুষক গুৰু বোলাইছেনি। পাচ দিনা আএ গোপীনাথ বেটা সৈতে গৈ গুৰুজনত বস্তু লভিছেহি। তেহে এতিয়া যি ডা—ডাঙ্গৰীয়া আছে গুৰুজনৰ সেৱকীয়া বিজয়পুৰৰ সকলো খাটি ফুৰিছে। হাজৰা আতৈ শুইছে। আএ বোলে গোপীনাথৰ বাপা তুমি দেখো সেৰেৱা সেৰেৱা ঘুমাইহে আছা তোমাৰ লগৰ ভায়া হৰি ভায়া কৃষ্ণ খাটি ফুৰিব লাগিছে? তুমি দেখো পেট পেলাই পৰি আছা? বোলে মই গৈছিলো, ভাগৰ লাগিহে শুইছোহি। আএ বেহাৰে গলত ভকতক সুধিছে। সকলো ডাঙ্গৰীয়া ৰজাৰ কুৱৰীক ধৈলে। মধুৰী বংকুৱৰীক সূক্ষ্ম লাগি ৰঙ্গৰ বেলা ধৈলে ৰাজাক বোলে সংসাৰত ভোগ কোনটো চাৰ? ৰাজা বোলে আমি ৰাজাৰ গৰ্ভে জাত হৈছোঁ। ভোগ নকৰা আছে কি? তেও তোৰমোৰ এই সদৃশ সুখ ভোগ নাই। বোলে আক যি বিষ্ঠাতুল্য দেখিছে এক? বোলে আক বিষ্টা তুল্য দেখোতাই নাই। আহাৰ, মৈথুন, নিদ্ৰা এই তিনিৰ যি ৰাজ হব তাৰাই ঈশ্বৰ, মনুষ্য নহয়। বোলে সেই ৰাউসীৰ' মহন্তে আক বিষ্ঠা তুল্য দেখি থৈছে। তেনে ঈশ্বৰক আনি কিয় ৰাখি থৈছা? বোলে যোৱা নাইনে? বোলে তুমি পাচিছানে? তেহে ৰাজা সুখানন্দক মতাই আনি বোলে মহন্তক নি পূৰ্বৰ

ঠাই বাউসীতে থৈ আহগৈ। ৰখীয়া টকলা নিতে ধৰি ওলগনি দে দে। সেই বেলা বাসুদেউ বিপ্ৰ পালেহি। বিচাৰি শ্ৰীশঙ্কৰ সেৱক ৰাজাত বৰ খাটনি গুৰুজনক সেৱাকৈ বোলে তইঁতৰ ওলগনি মই দিম ৰাজাতকৈ, নধৰিবি যা গুচ, ৰাখিবও নালাগে, মই ৰাজাত কৈছোঁ। বৰ খাটনিয়াৰ দেখি একো নুবুলি এৰি গ'ল। গুৰুজনে বোলে জনক নন্দিনী সীতাৰ যেনেকৈ তৃজটা আপদ কালত সখা হ'ল তুমিও মোৰ দুখৰ কালত আজি ৰাখিলা দুষ্টৰ হাতত।

আৰু সুৰানন্দৰ বাপেক বাগীশ ভট্টাচাৰ্য্য বোলে; আহে যায় গুৰুজন থকা ওচৰে বাটত থিয়দি শুনে। গুৰুজনে পদ্মপুৰাণৰ কলি পাতনৰ পাতালী খণ্ডৰ শ্লোক আনি অধ্যয়ণ কৰি লৈছে ব্ৰাহ্মণ কৰিবলৈ ধৰিছে। ভয় পাই ৰাজাত কলেগৈ বোলে মহাৰাজ বাউসীৰ মহন্তক কিয় ৰাখি থৈছে? বোলে তোৰে পুতেৰে দেখো কয় বোলে অনাচাৰ কৰে? বোলে আৰা অনাচাৰী নহয়, পৰম সদাচাৰীহে। সেই খলাৰ মাধৱহে অনাচাৰী। ৰাজা বোলে তই বোল সদাচাৰী। পুতেৰে বোলে অনাচাৰী ত হঁত বামুণৰ একো তত পাবলৈ নাইনে। আৰু বোলে ব্ৰহ্মণৰে শূদ্ৰৰে ক'ত বাদ আছে? ৰাজা বোলে অত তোৰে সিংহাই বোলে ধৰ ধৰ, তই সিংহাই বোলে এৰ এৰ। সুৰানন্দক বোলে তোক মহন্তক ধৰ নিদিলোগৈ? বোলে আজি যাম। তেহে সুৰানন্দে গৈ বোলে বাপ, ৰাজ আজ্ঞা হৈছে যাব লাগে। গুৰুজনে বোলে শ্ৰীশঙ্কৰদেৱৰ প্ৰসাদত তোক বামুণক তুলা ধুনা দি ধুনিবলৈ নাপালোঁ, ক'ত বামুণত শূদ্ৰৰ বাদ নাই কয়, তাকে। বামুণে বোলে সুৰানন্দ তইনো কেলেই যা? ৰাজা পাঁচিছে যাম আমি। বোলে বাপ নহয়, ধৰহে গৈছেগৈ। তেহে গুৰুজন হুমাহ বহি আহিবলৈ হ'ল। গন্ধৰ্ব্ব মাজী এ টকা পাঁচোটি

বাগীশ ভট্টাচাৰ্য

বস্ত্ৰ এজুৰি দি সেৱাকৈ প্ৰাৰ্থনা কৈলে বোলে বাপ, হৰিকৃষ্ণ আতৈৰ কটাক্ষ পৰি আছো, সেৱা চোৰ হৈ। যেন আপুনাৰ অভয় পদ শ্বেত ছত্ৰৰ তলতে ঠাই দিব দাস জীৱটি। তেহে গুৰুজন মাজীৰ ভক্তিত সন্তোষ হৈ বোলে প্ৰহ্লাদক নৃসিংহ বুলিলে—

"সৰ্ব্ব কৰ্ম্ম বন্ধে হৈবি হীন।
অন্তকালে মোতে যাইবি লীন॥"

পাচে গুৰুজন নাৱত উঠিলহি। মেলি বিজয়পুৰ পালেহি গদাধৰ ঘাট চাচি খহাই দিছে। নৌকাতে কৃষ্ণভাই জয় লস্কৰ দুজন কন্ধে হস্ত দি গুৰুজন উঠি যাওঁতে ঘোষা মাতিছে—

"মোক কৃপা কৰা হৰি এ
দান্তে ধৰোঁ তৃণ মাথে ধৰোঁ তৃণ,
তুমি কৃপাময়ক নাজানো অতদিন।"

বোলে দুকঠীয়া চকুটি বহোৱা হ'ল। তাৰ ফুট অহাৰে পৰা পিটিকিবলৈ ধৈলে। গৈ বিজয়পুৰতে ৰহিছন্ত। তাতে গ্ৰামী ভকত হৈছে তিনিশ তিনি কুৰি ঘৰ। হৰিকৃষ্ণ মুখে মহাপুৰুষক গুৰু বুলিছে। স্ত্ৰী, বাল, বৃদ্ধ সকলো আহিছে গুৰুজন ঠাই সেৱা কৰিবলৈ। স্ত্ৰী সব বেলেগ-গৃহে বহিছে। বৈকুণ্ঠ আতৈ গৈ বোলে গুৰুজন দুখৰতে আহিছে দে হঁক খাক, মনি, বিৰি, আঙুঠি, কৰিয়া, যাৰ যি চলে দি সেৱা কৰ। গুৰুজনে বুলিবৰ শুনি ঘোষা মাতি এক দৃষ্টান্ত দিছে।

"হৰিৰ নামৰ কীৰ্ত্তন সুখ। নজানে যিজন হৰি বিমুখ।"

বোলে এক স্ত্ৰীপুৰুষৰ সম্ভোগ হৈছে। তেনেতে তাৰ গিৰিএ দেখিলেহি। তাক ধৰি বান্ধি ঢেঁকী থোৰাৰে মৰিয়াছু। সি ই সুখ নাজানে, সেই সুখকেহে জানে। এতিয়াও বৈকুণ্ঠে আমাৰ তেনেহে কৈলে। আক নাম খলত বিজয়

পুৰীয়া হৰিকৃষ্ণ আতৈক বোলে মই গন্ধৰ্ব্ব মাজীৰ অৰ্থে ইবাৰ মাতিছোঁ। তেহে কৃষ্ণাই আতৈএ বোলে বাপ, তোম্রা সন্তোষ হোৱা গৈছে। তাৰাৰ এনেই কুশল। তেওঁ আপুনাৰ নিৰ্ব্বন্ধ আপুনি ভঙ্গা গ'ল আগলৈ। তেহে গুৰুজনে নিজম দিলে, বিমৰষা কৈ। পাচে সেই কথা মাজীএ বুলিবৰ শুনিলে গুৰুজনেই ক্ষেমে তেওঁ যে ভকতে নেক্ষেমে পা তেহে পাচত হৰিকৃষ্ণ আতৈএ শুনি বৰ ভক্ত হ'ল। ৰাজাৰ বল্লভ পাচত বা কি কৰে? তেহে ৰাজাৰ মাজীএ তিনিখান নাৱঁৰ গুৰি দিয়ে। ই খানৰতে তেওঁ দি বঠা দিছিল, টিঙৰতে পৰি তল গ'ল। ৰাজা খেদকৈ এ-মোচৰ লৈওথাৰ বতি সাল বোৰাই চালে, নেপালে। গুৰুৰ শুদ্ধ সেৱাৰ বলে তেনেই নিলে সেই শৰীৰে, ভকতত অপৰাধ হয় বুলি খানিক লগায়।

আৰু সুৰানন্দৰ মাক বাপেকৰ গৃহ, তাতে দুও শৰণ ল'লে। লৈ গুৰুজনক নিবলৈ ধৈলে। বোলে বাৰ একাদশী দিনা যাম। তেহে গৈ ভক্ত সমে বহিলগৈ। অনেক সম্ভাষে সেৱা কৰিলে। গুৰুজনে একো নললে। কেচা পুৰাকল কাটি এচকলি ভোজন কৈলে তাৰা সবৰ খেদত। তেহে গুৰুজনে তাৰা দুইত কলে বোলে সুৰানন্দত সুধিবাচো আৰু কিবা ৰাজা কৰিব দিছেনে, সি যে আহিছে আকৌ? পাচে বাপেকে সুধিলে বোলে একো কৰিব দিয়া নাই, থবহে দিছেগৈ। তেহে গুৰু বোলে সুৰানন্দ, তোৰ মানচৈত্ত বাৰ মুৱাবো। আমি বেলেগ নাওতহে যাম, তই যা। তেহে আগ হৈ গৈছে। পাচত গুৰুজন ভাটৌকুটীয়া আতা নিয়া গমৰি নৌকাত আহিছে। আতা, বৈকুণ্ঠ আতৈ, গোপাল, যদুমনি, জনাৰ্দ্দন, পাঁচজনে সৈতে আহিছে পাচত। তেহে কুমাৰ গাৱীতে ৰ'লহি। গোপাল জনাৰ্দ্দন দুইক নাওত থৈ কুমাৰ গাৱী

গ'ল। তিনিজনে সইতে গুৰুজন গ'ল, বলাই নৰসিংহৰ তভে ৰ'লগৈ। সেই নিশাই বৰ বতাস বৰখুন ধুমুহা গল। আৰা দুএ নাৱ কান্ধে লৈ ৰাখিলে। পুৱালৈ থৰ হ'ল জাৰে বতাহে। তেহে গুৰুজনে পুৱা ভকত পাঁচি নিয়ালে। জুই সেও দিহে মাত পাইছে। চাউল সিজাই আহিবলৈ ওলাল। গুৰু বোলে তোম্রা সব গৃহবৰ্ত্তী ডাঙৰীয়া গুৰু ধৰ্ম্ম কি কৈ ৰবা। তেও আমি সীমা দি তিনি পৰ বেলা ভাৰ্য্যা পুত্ৰ দেহ প্ৰবৰ্ত্তিবলৈ বস কৰিবা, দিবা এপৰ, নিশা এপৰ জীৱৰ অৰ্থে নাম গাবা এই বাক্যতে ৰব পাৰা যদি আমাক পাবা। নবলে কাতো দোষ নাই, চন্দ্ৰ, সূৰ্য্য বসুমতী সাখী সবাই।

জীৱৰ অৰ্থে নাম গোৱা

পাচে তাৰতে আহি জিগিৰি ঘোপা পালেহি। দেখে তাতে সুবানন্দ আছে। বোলে দেখো আছ তই? বোলে বাপ, এই যুগীটক আনিব পৰা নাই, সি এখন দুখান নাও হলে, নাহে, এশ চকুৰি হলে তুলি ষি হয় দিএগৈ, সি আহি বাঘ ছাল পাৰি বহে পানীতে। জুৰ হৈ পৰে, চাকনৈয়া ডকা নিত্ৰ। বোলে আমাৰ নাওঁ মেলি দিয়া। ভাটোকুচীয়া আতা গোৰোমলি দেখে. পানীঘোৰা জপিয়া দিছে। তেহে গুৰুজনে ঘোষা দিলে—

গুৰুজন জিগিৰি ঘোপাত

ৰাম হৰি জয় ৰাম হৰি। গোপাল গোবিন্দ ৰাম হৰি জয়॥ আক সবে গালে, পানী নিৰ্ম্মল হল পাচলকু, ঘোষাও চিয়া হ'ল নাও বৈচা। পাচে সেই যুগীয়া লাজ হৈ গুচি গলগৈ পাচে এশমান নাও আছিল, সব গ'ল। আহি সুবানন্দে বোলে বাপ, মই যাওঁ গৈ আহোঁ। গুৰুজনে বোলে সুবানন্দ, মোৰ দুখীয়া ভকত কেটি আছে দুখ নিদিবগৈ। বোলে বাপ, মই কৈছে আহোঁ যাই। পাচে গৈ ভকতক ধৰি বান্ধি এক এক টকা ললে। গৈছে বোৱাৰ মুখ গুৰুজন পাইছেহি। দেখি তাক সুধিলে

[illegible]

বোলে বাপ, কথা শুনাই কৈ আহিছোঁ। পাচে তাতে নাও বাখি স্নান কৰিছে একাদশী গধূলি ওলাই। এমুঠি চাউল কাৰো নাই অত্ৰাহি ক্ষুধাও, গুৰুসেৱা কৰি নাম গাই থৈছে। তেনেতে ভাঠিতে দুজন লোকে ছোট নৌকাতকৈ দুগ্ধ, চিৰা গুৰ, কল, গুৱাপান থৈ বেগতে গ'ল, কেৱে তৰ্কিবই নুৱাইলে। গল ভাঠি মাৰি, চকমক দেখ নেদেখকৈ গ'ল। আতা দেখি কৰ বোলোতে অন্তৰ্দ্ধান হ'ল। বোলে বাপ, ছয়াময়াকৈ দেখো যেন কৈলে, নাই দেখো? বোলে ঈশ্বৰে দিছে, গুণ লুভী ভগৱন্ত, হৰি গুণ সেৱা দেখি দিছে কৃষ্ণে, ভগাই দিয়া। দিলে সকলো লৈছে। তাৰতে উজাই গৈ বৰপেটা গই জান সোমাই উঠিল। ভকতে পাৰত পৰি কান্দিব ধৈলেহি বোলে বান্ধি এক এক টকা ললেহি সুৰানন্দে। গুৰুজনে খেদকৈ বোলে ত'তে ক'লু, তেওঁ ভকতক দুখ দিলেহি পাপীষ্ঠে! কি কৰিম? অসন্তোষে ব'ল; কি কৰিব? তাতে আছে হৰিগুণ গাই। তেনেতে বিজয় পুৰতে তিনিজন ভকত আহিছে, সাদিন অনাহাৰ, দেহ যায়। বগৰিবাৰীতে মাদল কোবাই সভা গাইছে। তাৰে দেহ লৰতে এজনে প্ৰসাদ কল খুজি খালে। আক দুয়ে আহি গুৰুজনত কলেহি। বোলে হয়নে? বোলে বাপ হয়। বোলে অসঙ্গী অভকতৰ দ্ৰব্য খালে জীৱৰ সৰ্ব্বনাশ অৰ্দ্ধ হয় নৰ্ক। বোলে বাপ ডেও দি দি হৰিগুণ গাইছিল দেখি তোমাত অৰ্পি তযু পাদ প্ৰসাদ বুলি দেহ নোৰোৱাত খালোঁ। বোলে দখিন সৰোবৰ আছে, সিপাৰতে আহে যায়। এজনে দেখিএ ভয় হৈ উভটি আহিল। এজনে বৎস খোজ এটাৰ মান দেখিলে, এজনে মূলে নেদেখিলে। প্ৰসাদ খোৱা জনে আহি কলেহি। পাচে গুৰুজনে এবা

ঈশ্বৰে খাদ্য দিয়ে

মাদলকোৱাই-সভাগায়

দৰে নহলেই কাম নকৰিব। ৰুদ্ৰক দেখি বিষ খায় আনে।

"ঈশ্বৰ নুহি যিটো মূঢ় মতি।
ই কৰ্ম্ম কৰি যাইবে অধোগতি ॥"

এদিন গন্ধিয়া ঘৰে মৰধে মাইলে পত্নীক। বৰ হুৰ লাগিল। সুৰানন্দ পালেহি। আকো সব লোক ভাগিল বনে জঙ্ঘলে। গুৰুজনো নিশাই ভাগিল, ভয় হৈ, ৰামচন্ন ঠাকুৰ গৃহে সুন্দৰীতে ৰ'লহি। তাতে গুৰুজনে খেদকৈ গুৰুবাক্য মনত পৰি শিৰে ধৰি দিনত পাট গোহালিতে ঘোষা কৰে। নিশা উৰ্ব্বশী আপীএ সকলো কৰি থয়, এসন্ধ্যা ভোজন কৰে, চৌপৰ নিশা লাস নাম সেৱা কৰে। দুখে কষ্টে এমাহ হ'ল গৈ। ঢাপৰ কাখে কুৱৈ নল কাখে পৈসনাকৈ দিছিল। তাতে বিহানেগৈ বহিছে মুকুন্দ মাধ দুই ভাই খিৰামৰল বেটা পিস্নূন্থ ঈৰিষা কৰে। পুৱা গৰু নিছে হাল বাবলৈ। কেনোবা শৌচ কৈলে দেখি বোলে এই উদাসীনহে ভৰ্চ্ছিলে, এপাচি খায়, এখানি হাগে, য'তে থাকে ত'তে বিঘিনি হয়। অ'ত চাপেছেহি, কিবা এটা হৰহে আপদ আকো। শুনি গুৰুজনৰ বজ্ৰ পৰা দি খাপৰ মৰাদি মাইলে বুকে। গৈ গুৰুসেৱা নাম গাই চাউল সিজালে অসন্তোষকৈ। তেহে নিশা থাকি পুৱা গোপাল জনাৰ্দ্দন আতৈক বোলে অ'ত থাকিব মুৱাৰি দুষ্ট খলুৱা সূচকৰ নিমিত্তে, বাক্যে হিয়া ভেদি গ'ল। ৰাজা ঠাই যোৱা কোৱাগৈ, আমাক এফেৰি খুটা মাৰি নিজ্জাল মাটি দিয়ক, ডা ডাঙৰীয়াত কবাগৈ। তেহে গ'ল। গৈ ঘৰঘৰি জানতে স্নানকৈ ধূলা লৈছে নগৰ সমীপে। তেনেতে অসুৰালি ভট্টাচাৰ্য্যে লাগ পাই বোলে কলৈ যোৱাইক? আৰা দুই হোজা মতে কলে বোলে বড়া লক্ষৰ সবত কব দিছে এফেৰি মাটি ৰাজাত

গুৰুজন সুন্দৰীত ঘোষা কৰে

কৈ দিবলৈ পঠাইছে। বামুণ আগৰে হুল অসূয়া, বোলে মই কৈ দিওঁগৈ আহা, তালৈ কব লাগিছে কাত? পাচে গৈ ৰাজাক বোলে মহাৰাজ, সুন্দৰী মহন্তে এফেৰি পুণ্য ভূমি থুইছে। বোলে কতনো আছে পুণ্য ভূমি আমাৰ দেশত? বোলে মহাৰাজ, গোকুল, মথুৰা, বৃন্দাবন, এই সব পুণ্যভূমি। বোলে তেনো তালকে থকগৈ। তেহে কথা শুনাই দিলেহি দোপদৰত। সবে শুনি খেদকৈ বোলে কিয় খেদিলে গুৰুজনক? তেহে হাজৰা আতৈ, কণীয়া কাজী, হৰিকৃষ্ণ, শুৱালু কাজী, মৰ্দ্দন কাজী, ৰঙ্গে ৰুপাবৰ লস্কৰ, পদ্মনাভ লস্কৰ, বলাই, নৰসিংহ, দীঘলা বৰুৱা এই সবে শুনি আহি খেদকৈ দেখে আৰা দুই আছে। সোধে কয়; আদি অন্তে কলে। বোলে ভাল কৈলা, সি অসুৰালি গুৰুজনৰে অৰি। বৃন্দাবনলৈ খেদিছে, যোৱাগৈ এতিয়া। তেহে সকলো ধন ভৰি খাটি ৰাজাৰ বৰ খাটনি, ভোগ ৰান্ধনি তেওঁকে ধৈলে। সি গৈ ৰাজাক বোলে যি দেশ ঠাইত সন্ত মহন্ত নথাকে শাস্ত্রে শ্মশানশাল বুলিছে। আনে চপায় আপুনি খেদে দূৰকৈ? বোলে হুমু পুণ্য ভূমি থুইছে? বোলে দহো আমাৰ দেশত আছে হাজোএই পুণ্য ভূমি। বোলে হয় তেনো তাতে দুও মাধও মতা নমতা থাৰকগৈ। পাচে কথা শুনালেহি। আৰা সবে আহি কলেহি। তেহে গুৰুজনে ভাটোকুচীয়া আতৈক বোলে ই কামৰূপ, ভকত বৰ পাৰিব, অধৰ্ম্মী খলুৱা দেশ উজান অসমত হুমু বংশী যদুমনিৰ ঐশ্বৰ্য্য হৈছে, আমাক নাও মানুহ দিয়াই নিব পাৰে বা কোৱাগৈ যোৱা। পাছে সেৱাকৈ গ'লগৈ। হাজোৰ নামে শোৱালকুচি। তাতে কুমাৰ গৃহে কতো তাঁতিৰ কয়, খৰ গৰলি ধৰি পৰি আছেগৈ। তেহে গুৰুজনে দুখ কষ্টকৈ বুৰী লুইতত নাও

হাজো পুণ্যভূমি

শোৱালকুচি

ভৰা দিছে। তাতে এজন কলা ভকতে মাটি কাটিছে। ভকতে মাতে বোলে আহা, কি মাটি লাগিছে, তেওঁ কাটেহে। তেহে গুৰুজনে তিনি কলাৰ আৰ্হি দিছে।— এক কলা ঠাকুৰিয়া, এক কলা কোৰ ধৰিছে। এককলাৰ ছাগ হৰাল। বিচাৰি গৈ কোৰধৰা কলাত সুধিলে বাৰ্ত্তা। সি বোলে সেই মোৰ মাটিৰ সীমা। ই বোলে ছাগৰহে বাৰ্ত্তা কৈছে। বুলি গ'ল। গৈ পালেগৈ। আনি তাক থুৰী ছাগটি দিলেনি তোৰ কথাই পালোঁ বুলি। সি বোলে মই তোৰ ছাগৰ ঠেঙ কাহানি ভাঙিছোঁ। ই বোলে তোকে দিছোঁ। এই বুলি দন্দ কিলা কিলি লাগি কলা ঠাকুৰিয়াত গোচৰ দিলেগৈ। সি আকৌ তাৰ ঘৰে দন্দকৈ লঘনে আছে। বোলে তহঁতে যতেক মাত লাগে নেখাওঁ ভাত মই। ইহঁতে নেৰে। তেনেতে এটা গাওঁ খটুৱা পাই বোলে তাত ছাগ বান্ধি থৈ চাউল, লোন আনগৈ যা, তই কোৰ পাৰ যায়, ইটোক বোলে ভাত খাগৈ যা। পাচে সি লই গ'ল গুচি ছাগ। এতিয়াও তেনেহে হৈছে। তেহে গুৰুজন বুৰী লুইতে উজাইছে। দুপাৰে ভেটি বস্তুৰে নিমিত্তে আহিবই মুৱাৰে। আৰ্ত্তহৈ পানীতে পৰেগৈ। লক্ষ্মীকান্ত, সনাতন আতৈ এ ৰোজ ধৰিছেহি, তাতে তিনি পক্ষ হ'ল। তেহে হাজোৰ নামে ৰামদিয়া বালাতে চৈ গৃহকৈ বৈছে। পাচদিনা মাধৱ হয়গৃৱলৈ উঠিছেগৈ। দৈ কলা পোকা নাই, আতৈৰ হাতে কৰি চাৰি কাওন বামুনলৈ দি নিছিল। বোলে সি খলুৱা সূচক বামুণে পালেহে সজকৈ খলাগে, দিবা। তাৰে তেওঁ ছুকাওনহে দিলে, ছুকাওণ নিদি আনিলে, বোলে ই হৰিবিমুখীয়া লোক, দিলে কি হব, সেৱকত লগাৰ লাগে এই বুলি একাদশীত গুৰ, ছকুৰি আনি ভাঙিছে। তেহে গুৰুজনে বোলে এই

তিনি কলাৰ আৰ্হি

ৰামদিয়া

কৰ চুৰা? বোলে বাপ, তাৰে ঢুকাওন ৰাখি দিয়া হৈছে। অবাবত তাক দিলে কি হব? তেহে গুৰুজনে বোলে হৰি বিমুখীয়া অভকতৰ এৰাকো খুৱাইহে আমাক ভক্তক ভক্তি কৰে কানাএ। এ আতৈ সব যিহে গুৰুবাক্যত থাকিব সি পৰ্ব্বতৰ গুহাতে যদি থাকে, আমাৰ কটৰ কাখে থাকে। বাক্য চৰা সব যদি কলাৰে ধূলাৰে সাৰি খায়, তেওঁ সি পৰ, অন্তৰ। তাতে নাম কীৰ্ত্তন কৰি আছে। ভিমা বায়ণ, জগন্নাথ গায়ন, দিনে নিশা গাই বাই নতুৱা নাচ কাচ কৰে। গোটে দেশ ভাগি আহিব খৈলে। ভাৰ অনা কান মাৰিৰে বহা সাজে, চাউল সিজায়, দ্ৰব্যে অৰ্ব্দ হ'ল খাব নুবাৰা বামুণৰ দেখি চকু মৰি যায়। বোলে আমাৰ হয়-গৃৱ গোসাঁই ঢাকিবলৈহে আহিল।

আৰু হিবাৰ ঘৰৰ সুমালিনী বুৰী ধৰ্ম্মক ধৰি গুৰুসেৱা কৰিছে। এদিন কল একশ্বৰ নিছে পকাই দিগযোৱা। বামুনে লগ পাই বোলে বুৰী কল লৈ আহ মাধৱলৈ। সুমালিনী বুৰী
বোলে আগত থৈ তইঁতে খাই নিবলৈ? বোলে তইঁতৰ জানো মূৰ্ত্তিএ খায়? বোলে কিয়? এই যি মূৰ্ত্তিৰ আগে দিয়, নাখায়, নলয়। "মৃতকৰ আগে যেন পিণ্ডক বঢ়ায়।" আমিহে যি মূৰ্ত্তি পূজা সেৱা কৰোঁ, চিন্তো, চৈতন্য, স্বৰূপ, নিত্য, শুদ্ধ, বুদ্ধ, নিৰ্ম্মল নিৰ্গুণ, দিলে লয়, যি বাঞ্ছে, ফল হয়। পাচে বুঢ়ীএ দি সেৱা কৈ কলে বামুণৰ লগ পাই বোলা কথা। তেহে গুৰুজনে বুঢ়ীৰ বাক্যত সন্তোষ হৈ ঘোষা কৰিছে—

'মায়া আদি কৰি যত মানে, সমস্ত জগত জৰ
কৃষ্ণেসে চৈতন্য আত্মা শুদ্ধ।
চৈতন্য কৃষ্ণক এৰি জড়ক ভজিয়া মৰে
কিনো লোক অধম মুগুধ॥"

তেহে খেদকৈ বোলে আমি কাক মাতো, মোৰ গুৰু-ধৰ্ম্মে কোনো দ্ৰব্য খান আনে, তাত দুষ্ট দুৰ্জ্জনে দেই মৰে। আৰু হাজোৰ গায়নে গৈ গুৰুজনত প্ৰাৰ্থনাকৈ থৈলে বাজনা শিকিবলৈ। তেহে গুৰুজনে গীত কৰি দিছে। তাতে ৰাগ তাল মান, ঘাত, বাজনা সকলো উঠিছে। সিহঁতে চাই দেখি আশ্চৰ্য্য অদ্ভুত হৈ বোলে আৰা মনুষ্য নহয়, সাক্ষাত ঈশ্বৰ, ছদ্মহে নৰদেহা। ৰাগ গৌৰি॥ "ৰে ৰে বিৰিন্দাবনে মোহন গোবিনা বিজয় নন্দকু বালা"

উদাৰ গোবিন্দ

আৰু চুমৰিতে উদাৰ গোবিন্দ আতৈ আহিল, উদাৰ গোবিন্দ মাথাত শ্ৰীশঙ্কৰদেউ বহা কম্বলৰ টুপিটি মাথাত লৈ সেৱা কৈলে। তেহে গুৰুজনে দুখ কৈ, বোলে উদাৰ, আমাৰ এতিয়া বৃদ্ধ কালত প্ৰবাস কৰিব লগীয়া হ'ল। বোলে বাপ হব পায়, তোম্ৰা এতেক ডকাইতেৰে থকা যায়? বোলে কি কৰিম, নহলেও মুৰাৰি যে? আৰু পৰম তত্ত্ব বস্তু কথা বাৰ্ত্তা হ'ল। হৈ গুৰুজনৰ পাও দিয়া পাটচলি খুজি শিৰত লৈ গল। পাচে আৰা সবে বোলে বাপ, এনে সন্ন্যাসী সবেৰে দহো কথা নহয় আন খন! বোলে আৰাহে শ্ৰীশঙ্কৰ দেৱৰ মহাভক্ত, যি পৰীক্ষাত উঠিল। বোলে তেনে যে আমাক দহো অস্পৃশ্যাকৈ ডকাইত বুইলে? বোলে নহয়, তোৰা সৱক নোবোলে, আমাৰে লোটা বাটি কাঁহী, কলহ বটা, চৰিয়া, ডাবৰ এই সব দেখিহে বুইলে। তাৰাৰ লাউ আৰু কানি, নিৰ্গুণ ভক্ত। লৈ গৈছে। আতৈ মনিয়াৰি বোলে, তাতে হৰি গুৰু আতৈএ কেতুৰিয়নিত ইলাজ বিচাৰিছে। পত্নীৰ লেঙ্গ হৈছে। দেখি উদাৰ আতৈএ বোলে হৰি কি চাইছে? বোলে আতৈ ঔষধ বিচাৰিছো। বোলে মোৰ গুৰুজনে দহো থৈছে ঔষধ কীৰ্ত্তনত, ঘোষাত। "ও হৰি ৰাম নাৰায়ণ যাদৱ, দূৰ কৰা মোৰ মায়া। বিষম

ব্যাধিৰ ঔষধ মাগো ভকতি অমিয়া॥" বোলে আতৈ আপোনা সবৰ হয়, আমি যে দেহধাৰী, কি কৰিম?

আৰু হৰিগুৰু তলৈ তিনিজন ভকত গ'ল, কুলত শালৈ। ভোজন কৰালে। পত্নীক বোলে পাত খানি গুচা। বোলে মই এনে সব নুৰাৰো। বোলে অ পাপীষ্ঠী, তই আৰ যোগ্যই নহ, এই বন আমাৰহে। এই বুলি চপাই মাথাতকৈ পেলাই বোলে গুচ দুষ্টা, "তোৰে কথা নহয় ভালৈ। হৰিভকতক বোলে শালৈ॥" কুলবিচাৰ

অৰ্জ্জুনত গীতাত কহিলা দেৱ হৰি।
কলিত বৈষ্ণৱে বিষ্ণু জানা নিষ্ঠ কৰি॥"

আৰু উদাৰ আতৈৰ নাতিনীএক এটি আছিল গ্ৰামে। এদিন বাটে পাই বোলে আপী এটি পাকৰি দিবি কন্থা শিবলৈ। বোলে পাকৰি যে লাগে আবুক এবিলা কিয় এথানিকৈ বোলে আই, মোক নেলাগে, বোধহে দিলি। পাচত খেদি যায় নিয়া বুলি, নেচালেই আৰু। কলা চোচনিৰে কন্থা শিলে। পাচে বামুণে ভেটি ভাবে দেখি মৰা মাধৱ, জীয়া মাধৱ বুলি অসূয়া কৰিব ধৈলে। গুৰু শুনি খেদকৈ হৰিগুণ গাইছে হৰিক চিন্তি। তেহে বেহাৰতে আই ঠাই প্ৰমুখ্যকৈ সবেও শুনিলে দুখ কষ্টৰ কথা। ৰাম ৰাম আতৈ, তেলী কৃষ্ণ, মহিতৰা, গোপাল, হাজৰা, হৰিকৃষ্ণ, বলাই, নৰসিংহ, সুৰালু কাজী, কলিয়া কাজী, ৰঙ্গে কাজী মৰ্দ্দন কাজী, দীঘলা বকৰা, নাৰায়ণ লস্কৰ, পদ্মনাভ লস্কৰ সকলো একত্ৰ হৈ কৃষ্ণ মতৰিয়া আতৈক আই ধাএ টৈমা ভৰি কেশ ছিড়ি কাতৰ কাৰুণ্য কৈ সবাৰে সম্মতে পঠালে দান্তে তৃণ ধৰি মাতি। আতৈ উজাই আহি সবাৰে প্ৰাৰ্থনা কৰিলেহি। তেহে গুৰুজন ছমাহ হাজোত বৈ গ'ল ভটিয়ায়। গৈ প্ৰথমে মনদিয়া ঘাটে ৰ'লগৈ। মনদিয়া পৰিত্যাগকৈ

তাতে পৰিয়া আতৈ সেৱা কৰিছেহি। কৰি বোলে বাপ, আমি যাওঁ। বোলে যাব নালাগে, তুমি থাকা। বোলে বাপ, কাৰে থাকিম? বোলে তিনিকুৰি ঘৰ পঢ়িয়া দিছো লগ। বোলে বাপ মুৰাৰি। বোলে দুকুৰিকে দিছো। বোলে বাপ মুৰাৰি। বোলে একুৰিকে দিছো। বোলে বাপ, এখৰো নপাবো। বোলে তেনেহলে আমি জিহ্বাকে দিছো। বোলে বাপ, চৰ্চ্চি দিয়ক। দিলে। দি বোলে সদা সৰ্ব্বদা নাম নেৰিবা। তেহে বোলে মেঘ থাকে এক লক্ষৰ উপৰত, মৰা থাকে পৃথিবীতে। মেঘে গাজিলে মৈৰা নৃত্য কৰে। মিত্ৰ ঘটিছে তেও। আৰু সূৰ্য্য থাকে এক লক্ষৰ উপৰে, পদ্ম থাকে একলক্ষৰ তলত, তেওঁ সম্বন্ধ ঘটিছে। সূৰ্য্য উদয় হলে পদ্ম ফুলে, আৰু চন্দ্ৰৰ মণ্ডল দুই লক্ষৰ উপৰে, ভেট উৎপল দুই লক্ষৰ তলত, তেও মিত্ৰ ঘটিছে। চন্দ্ৰৰ উদয়ে ফুলে। এতিয়া ঠাইতে বস্তু চিনাই দিছোঁ, নেৰ পাষ চাৰ ভাষ। পাচে সদা সৰ্ব্বদা নাম লৈ আছে। বৃদ্ধকাল হলহি। তৈতে গাৰো খৰামীৰ ৰণ লাগিল। আতৈৰ পুত্ৰ গোপালবৰ, ভোলা মধ্যম, নিৰঞ্জন ছোট মুৰাৰি সক, খাটে মাইলে হাবিত। এৰা তিনিত্ৰ আতৈক নি জঙ্গলত সাল বৃক্ষৰ গুৰিত থৈ আছিল গৈ। তাতে নাম লৈ আছে ৰহি। নিশাৰৰ বৃষ্টি বাত আনিলে, শাল বৃক্ষ ভাঙ্গিল দুগাত মানৰ উপৰে। এফাল মুঢ়াৰে পৈল, আতৈ নাম লৈ আছে। এৰা সবে পুৱা গৈ দেখি বোলে গাছ ভাঙি মৰাহা পৰি, আহা। ধৰি আনিলতহে জানিলে। পাচে তাৰতে গৈ কাঠমি ঘাটে বৈছে। বিষ্ণু আতাৰ বেটা যদুমণিক পাচিলে পাত পছলা আনিবলৈ। তেওঁ গৈ বাৰী সোমাই কাটিছে। গোপালৰ ভাৰ্য্যা বউকে দেখি কলে। তেহে আতৈএ কাটি বান্ধি থৈ আতাত কৈ

গাৰো খৰামীৰ ৰণ

কাঠমিঘাট

সেৱা কৈলে গুৰুজনেৰ বাৰ্ত্তা আহা। পাচে আতা বস্তু দ্ৰব্য লৈ নাও ভৰি গৈছে। গুৰুজনে দেখি বোলে বিষ্ণুৰ নাও সেইখিতে লাগিবহি, তোমালকে একৰাই দিবাগৈ। আৰু বিষ্ণুক সেবা কৰিবা। তেহে তাতে লাগিলহি। গৈ আতৈ সবে একৰাই দি সেৱা কৈলে। তেহে আতা মাৰি দি আহিছে নাও বৈঠা ঘোষা দি। শুনি ভকতে বোলে গুৰুজনৰ পয়াণে আতাৰে সমান হ'ল। আতা বোলে যদিহে পালকৰ অংশে হও, গাতে আৰ হব। পাচত শেষ কালত বাতুল ভাও দেখালে। পাচে গুৰুজনে কি খুজিলে দহো আঙ্গুলি দেখালে। বোলে যত্নমনিক দিছে। পাচে তাৰতে গৈ গজিয়া ঘাটত ৰ'ল। বাৰ্ত্তা কলে বাউসী, বৰপেটা, সুন্দৰীলৈ। তেহে শুনি পুৰুষোত্তম ঠাকুৰ, চতুৰ্ভূজ ঠাকুৰ, হৰিচন্দ্ৰ ঠাকুৰ, ৰামচন্দ্ৰ ঠাকুৰ, ঠাকুৰ আতা, বুঢ়া আতা, মনপুৰ ভণ্ডাৰি সকলো সমূহ গল আগবাঢ়ি। আতা বোলে বাপ, আমাকো নিয়ক। বোলে সখি, তোম্ৰা যাব নেলাগে থাকা। তুমি গলে ইৰাজ্য সিৰাজ্য তিনিও ৰাজ্যৰ সেৱক বস্তু সুধিব লাগে। গজিয়াঘাট

আৰু শ্ৰীৰামচন্দ্ৰ বৈকুণ্ঠে গ'ল, হনুমন্তক থৈ গল, ভক্তি বস্তু ৰাখি। কৃষ্ণদেউ বৈকুণ্ঠে গ'ল পৰমতত্ত্ব থৈ উদ্ধৱত পৃথিবীত। এতিয়াও গুৰুধৰ্ম্ম প্ৰবৰ্ত্তাই থকা যক। আৰু উপৰতো সূৰ্য্যৰ তাপ মূৰতো জয় চক তলতো পেঙ্গুলীয়া সৰ্পে খায়। তেওঁ পিতৃৰ সাহন নেৰে। এতেকে তোম্ৰা থকা যক। সত্ৰ নাপাতিবা, উদাসীন ঠাই নিদিবা। তেহে ৰামচন্দ্ৰ ঠাকুৰে খেদকৈ বোলে আগে জনা হলে এক উপায় কৰা হ'ল হন্তে। তেও কামৰূপৰ লোকৰ বিধিবন্ধ হ'ল। গোকুলৰতে মথুৰালৈ যাওঁতে যেনেকৈ গোপীৰ দুৰ্দ্দিন, মথুৰা নাগেৰীক সুদিন, আমি অভাগ্যৰ তেনে হৈছে। তেহে

ৰামচন্দ্ৰ ঠাকুৰক সাতশিৰীয়া দহ মহা সোণাৰ হাৰগচ দিলে কলিয়া দলৈএ দিয়া।

আৰু গুহ্যতম ৰাজগুহ্য আতাত থলে, ললে। আৰু ৰামচন্দ্ৰক বোলে মোৰ গুৰুজনে কীৰ্ত্তন ঘোষা খানি গোটাব দিছিল, নুৱাইলোঁ। গুৰু বাক্য ৰাখিব। তই গোটাই নিবি।

ৰামচৰণক কীৰ্ত্তন গোটোৱা আদেশ

আৰু মনপুৰ ভণ্ডাৰিএ গুৰুজনৰ সিথিৰি পঢ়ি খানি খুজিলে দিয়ক বুলি। আমি এতিয়া বৃদ্ধ কালত প্ৰবাস কৰিব লগা হ'ল। আন পঢ়ি দুখানো দিওঁ, তাক নধৰিবা। বোলে বাপ, তাকে হে লাগে মোক। তাক এপিঠিএ ললে জাৰত ঘাম লাগে, এপিঠিএ ললে জহত শীত হয়। বোলে আন কাপৰ কানি দিওঁ, নে! বোলে বাপ, আন কাপৰ দহখান দিলেও নেলাগে! বোলে জাৰে শীতে আমাক লাগে, নধৰিবা। বোলে বাপ, দিলেহে সন্ত। বোলে মনপুৰ মন পূৰি মোৰ বন খানি কৰিছিলা এতিয়ানো কিয় নিৰ্দ্দিয়া হল? পাচে দি বোলে কি ঢেকেৰাদেশী নিদাৰুণ, গাৰ ছালকো কাঢ়ি লয়। পাচে ঠাকুৰ দেউসাক শিকাই বোধাই আতাক প্ৰবোধ কৈলে। আতা পদত পৰি সেৱা কৈ বোলে "আউৰ কি আসিবা নন্দৰ পুৰ। কৈ সানি দেখিবো মুখ প্ৰভুৰ॥" তেহে গল মেলি। গৈ খাগৰি কটাৰ ঘাটে ৰ'লগৈ। বৈ ভকত খৰি-পাত বিচাৰি হাবি সোমালগৈ! মাখি মউ এপাহি পাই লৈ আহি দিলেহি। গুৰুজনে বোলে হৰিবল্লভ, গুৱা কিছু খুন্দা। আতৈএ কুটিলে, উবালতে মিহলাই বাটলু গুটি মানকৈ সবাকে দিলে, ললে। বোলে তোম্ৰা সবে মৌ ভোজন কৰিলাহঁক, আমিও মৌ ভৰিয়া ঘোষা কৰোঁ, এই বুলি ঘোষা পটল কৰিছে—

খাগৰিকটা

মৌ ভৰিয়া ঘোষা

"ৰামকৃষ্ণ ৰামকৃষ্ণ ৰাম হৰি হৰি।

ৰামন্তে ৰমোহোঁ অবিৰাম ৰাম ৰাম॥"

বোলে বাপ, আমি পালোঁ, খালোঁ, গ'ল; বিদ্যাৰ ৰচনা আপুনি চন্দ্ৰ সূৰ্য্য থাকে মানে থাকিব। তাৰতে গৈ বঠা পোতা ঘাটে ৰ'লগৈ, ভকত গা শুদ্ধিলৈ গৈ নলনি ডোবাত শুকাই জাগিছেহি, মাছে পানীএ সমে অসংখ্য পক্ষীএ ধৰি খাইছে উদাসিয়ালে বৰ ভোৰ আছে। দেখি বলে পৰা একো বোকোচা আনি দ'ল কৈলেহি। দেখি গুৰুজনে বোলে মোৰ গুৰু ধৰ্ম্মত পশু, পক্ষী, মাছ, হিংসা ধৰ্ম্ম বাধা, আমিও কোৱা নাই তোম্ৰাসবত, কিয় কৈলা জীৱ বধ? বোলে বাপ, শুকাই কালি পশু লৈ মৈল হতে, অনেক চৰাএ খাইছে। তেহে গুৰুজনে এক দৃষ্টান্ত দিছে।" এক বৃদ্ধ ব্ৰাহ্মণ নপৰা হৈ বাজ উলিয়াইছে চিপছিকটি হৈ আছে। তেনেতে এক লোকে টাঙোন মাৰি মাইলে। এতেকে ব্ৰহ্ম বধ নেলাগেনে তাৰ? বোলে বাপ, সেৱক গুৰু অৰ্থেহে অনা হৈছে দেহৰ অৰ্থে অনা নাই আক। বোলে এই পোনে হলে গা বৈছে। "ভকতৰ পদে ৰামে কৰন্ত অন্যায়।" ভোজন কাজ কৈ গৈছে। তাৰতে গৈ সাৰধানি ঘাটে ৰ'লগৈ। গুৰুজনে বোলে সকলোটি যোৱাইক, খৰিপাত শুধি কৈ আহা। গ'ল। পাচত খৰি পাত চোকা খলা কৰি শুধি স্নান কৈ টৌবাটি ধুই লেও দি চাউল শাক কুটি ধুই যত্ন কৈলে। আতৈ সব আহি অত্ৰাহি হৈ দণ্ডৱত পৈল বোলে বাপ, এনে ছল কিয় কৰা যায়? মৈলোঁ, সৰ্ব্বনাশ হলুঁ। তেহে গুৰুজনে গীত কৰিছে—"ৰাম গোঁসাই, চিন্তহু মন মেৰি" "ৰামক বাণী জপহু মন ভাই।" "মই সেবোহোঁ ৰাম চৰণে। হুজাত কৰি চচ্চিছে। বোলে কৃষ্ণদেৱে কৈছে,—

> "মোৰ গুৰু, ভকতেহে স্বৰূপ স্বভাৱ।
> যেন বায়ু আকাশৰ নাই ভিন ভাৱ॥"
> "সৰ্ব্ব তত্ত্ব ভকতক মই গুৰু মানো।
> ভকত গুৰুত পৰে আনেক নেজানো॥"

ৰঠাপোতা ঘাট

ভকতসকলৰ হিংসাধৰ্ম বাধা

সাৰধানি ঘাট

ভকতকৰ

ভোজনকৈ গ'ল। মেলি গৈ গুৰুজনে বোলে ভাত খৱা ঠাই অটালা? বোলে বাপ নহ'ল, ততে খাম গৈ নে? বোলে বলাইক উজাই। বোলে এমোচৰ আহিল বোলে বলা। তেহে উজাই গৈ অঁতালে। বোলে আতে লাগি কত গুটি জীৱ দুখত পৈলহঁতে, বুলিব অমার্গী লোক বৈছিল। এতিয়া বুলিব সন্ত মহন্ত বৈছিল। পাচে গৈ আৰিকাটি

লুহিয়া বটাবাৰি ঘাটে ৰ'ল। তাকে লুহিয়াও, বোলে বটাবাৰিও বোলে। আৰে পৰা বামে উঠি গ'ল, দোলা খানিৰে দুলীয়া তুলসীৰাম আতৈ, দিনবৈ নাৰায়ণ, গঙ্গাৰাম, ঢঙ্গিয়া গোপাল, চাৰি দুলীয়া। এই চাৰিৰো গুৰুজনৰো যদুমণি আতৈ ভাৰী লৈ গৈছে। তেহেৰতে ৰঘুৰাজা আছে। এটি হোলা জেতিয়া, তাতে দোলা খানি থৈ বহিচন্ত, কাপৰ আঁৰ দি। তেহে বলাই নৰসিংহ আতৈএ গুৰুজনক দেখি ঘোৰতে দূৰতে নামি সেৱা কৰিলেহি। চত মহা বৰ ধুপ। মুখ শুকান দেখি টেঙ্গা বৰি দিছে, দুও খালে। তৃষ্ণাত তত পাই বোলে বাপ, দাস, ভৃত্যৰ বহাতে যেন আজি ৰবগৈ। বোলে আমি যাওঁ, বিচাৰ কৰিব। এই বুলি গ'ল দুও। তেহে গুৰুজন ততে ৰলগৈ। সেই দিনা একাদশী, ভোজন নহ'ল। পুৱা তাৰা দুই স্নানকৈ গ'ল। সেৱাকৈ বোলে বাপ, কালি নহ'ল চাউল সিজাবলৈ, একাদশী; এতি এমুঠি সিজাবলৈ হক। গুৰুজনে বোলে বাক, এটি বস্তু খুইছোঁ, দিম বোলা। বোলে বাপ, তোমাক্তকৈ কি বস্তু আছে? দেহেই আপুনাৰ চৰণতে সমর্পিছোঁ, বোলে তোমা দুইৰ মাজত যি অসূয়া গোট আছে, দিয়াযক বুলি আঁচল পাতিলে। তেহে আৰা দুয়ে বোলে বাপ, দিছোঁ বাক। তিনিবাৰ বোলাই চপাই, কোচাই লৈ টোকৰ মাইলে, দুই খোঁৱা উৰি গ'ল। বোলে আজিতে তোমাসৰৰ অবিদ্যাগোট আৰি লৈ চাই মাটিকৈ

আমাৰ শুদ্ধ মত ধৰ্ম্মবস্তু গোট দিছোঁ। তেহে দুয়োজনে পৰি সেৱা কৰি দুও দুইক কৰে। তাৰে পৰা শুচিল; কন্দল সজ হ'ল। দুও ঘোৰাত যায় ৰাজা ঠাই, একে সমে এখানি গুৱাকে কাটি খাই একে গমচাৰে। পাচে সেই সীমাৰ ভলুকা বাঁহ, জাৰ কটাই পোৰালে।

আৰু একদিনা গুৰুজন কেহো হাজৰা গৃহে গৈছে। তাৰা আগ বাঢ়ি নি বহাই পদ পখালি পাদোদক লৈ গন্ধে, পুষ্পে ধূপ দীপে পূজা সেৱা কৈলে। প্ৰাৰ্থনা কৈ বোলে কি আগমন? বোলে তোম্ৰাৰ বিত্ত বস্তু যি আছে দিয়া সৱে। তেহে হৰ্ষে সোণা ৰূপা কাঁহ পিতল বস্ত্ৰ যি আছিল আগতে দমালেনি। বোলে আৰু আছে নাই? বোলে বাপ, দাসী সবৰ হাতে কাণেহে আছে আৰু। বোলে তিনিভাগ কৰা আৰে। বোলে কেলৈ, নিয়া যক। আকৌ তোম্ৰাৰ ধূলাৰে প্ৰসাদে হব। বোলে তুমি কৰা। তেহে কৈলে। তেহে কৈলে। বোলে এভাগ ৰাজাৰ জঞ্জাল মাৰিবা, এভাগ পুত্ৰ ভাৰ্য্যা প্ৰবৰ্ত্তিব, এই ভাগ আমাৰ। আৰে তিনিও ৰাজ্যৰ দুখীয়া ভকতক সুধিবা। এতিয়া থোৱা নি, পালোঁ আমি। পাচে দুখ কৰিব ধৈলে, কেলেই উলিয়ালোঁ, কিছু নিয়া যক। স্তুতি নতিকৈ নেৰাত তাৰে মুঠি মাৰি পাঁচ টকি ৰূপ লৈ গ'ল! থলে সামৰি। এতিয়াও গুৰুজনে দিয়া ভাগৰহে মানি লয় যেয়ে দিলে লাগে। তেহে গুৰুজনে বলাই নৰসিংহক বোলে ই বধূৰ দেশত নেথাকৌ [illegible] বুলি আহিছোঁ। কেনেকৈ পঠোৱা যেহাৰ [illegible] ৰাজ্যে? তেহে তাৰা সবে ভূঞাতাক ধৈলে বোলে গুৰুজন যাৰ খোজে চকিত একবাই দিয়া। সোনকোচতকৈ; দুই ৰাজাৰ সীমা টান। দুও দুও ৰাজাৰ পুৰোহিত। কৈলে। কেইজন? বোলে [illegible]।' দুলীয়া চাৰি জাবী এক [illegible]। পাচে

গৈ ভৃগুএ চকিদাৰক খেলেগৈ বোলে আমাৰ বৃদ্ধ শহুৰ হয়, ঘৰ মানুহে চাব খোজে, আনোঁ, কি বোল? বোলে কেইজন? বোলে ছুইজনহে সৰহ নহয়। বোলে বাৰু নিশা কোকমোকতে আহিব। তেহে নিশাই আহিছে গুৰুজন। বলাই, নৰসিংহে নাও যতাই থৈছে। পোহৰ হোৱাত বেগাই গৈছে। যত্নমণি আতৈৰ ভাৰ টান হ'ল। হেচি ধৰিছে, পাচত গৈছে। বোলে আহ বেগাই। বোলে বাপ, ভাৰে টান, গধূৰ ছয়জনৰ। বোলে তেনো আমাৰ পটাখানিকে পেলোৱা। পাচে থৈ গুৰু বাক্যে ভাৰতে উলিয়াই পেলালে। গুণি ভাবি বোলে বৃদ্ধ কালত বটন ফেৰি নহলে ভোজন নহয়। তেহে গাতি বোকোচাত লৈ গৈছে। পাই নাওত উঠিল। সিপাৰতে চকিয়ালে দেখে গোটে জলথল। তেহে উতৰি গৰা একেলাফে উঠিল। তত আদিত্য উদয় হৈ আহিছে, গুৰুজনকো সূৰ্য্য যেন দেখিলে। সি অদ্ভুত আশ্চৰ্য্য হৈ বোলে তুই ভাস্কৰ নেকি? বৰ মহাত্ম্য দেখিলে। একো নলৈ সেৱাকৈ পঠালে। সেই দিনা গৈ ভৃগুতকে ৰ'লগৈ। উপাসে ৰ'ল। বিহানে যাবলৈ খেলে। ৰাজগুৰুৱে সেৱা কৈলে পাঁচ টকা বস্ত্ৰ একুৰি দি। গুৰুজনে বোলে তোমাকহে দিব পাওঁ? বৰ কাৰ্য্য কৈলা আমাক আনি, এই সব দিছা কিয়? বোলে বাপ, স্বভাৱতে আমি পৰৰ খোৱা ব্ৰাহ্মণ, তোম্ৰাক দিবলৈ যেন আগলৈ লাভটো বলে। এই বুলি সেৱা কৈলে। তেহে গৈ ভৃগুৱে [illegible] ভাতৃ সন্তোষ গৃহতে বহিছেহি। ততে কপিলকেৰো আতৈএ ধৰ্ম্মক ধৰিছে। গুৰুজনে কৰি পাঁচোটা ঘোৰা দিছে বোলে পুৱা শোধাবা আওবাই।

শাস্ত্ৰ গুৰু সবে, শিষ্যক কৃপাএ, শুদ্ধ উপদেশ দিব।
শিষ্য সবে শুদ্ধ, তাএ নাচবিলে, তাৰা সবে কি কৰিব।

আৰু চাবি তলে। চাই—শোধাইছে। তেহে চাউল সিজাবলৈ যতনকৈ থৈলে বোলে কৰিব মুৰাৰি, যুদ্ধকালত বটন নহলে ভোজন নহএ, যত্নমণিএ ভাবে বলে নপৰাত পটা পেলাই আহিল, নকৰোঁ। তেহে আতৈএ আঠু লৈ বোলে বাপ অনা হৈছে। বোলে দহোঁ, আমি পেলাব নিদিছিলোঁ? বোলে বাপ, আপুনাৰ বাক্যে মাটিত থৈ শুনি বোলো কেনেকৈ চাউল লব, হোৰাত কৈ অনা হ'ল। তেহে বোলে মোৰ যাত্নমণিএ মনৰ মনক বুজিলে। গোপী সবক কৃষ্ণে বুলিলে—

"ভৈলোহো বশ্য মই তোমাসাৰ।
সুচিৰ কালে শুজা নযাই ধাৰ॥"

তেহে ভোজন কৈ গৈ তেলী কৃষ্ণ আতৈ তত্তে ৰহিচন্ত। তেওঁ মহা ভক্তি ভাৱে সেৱা থৈলে। তিনি দিন ৰহি তাৰ পৰা গৈ মাইতৰা গোপাল ঠাই ৰহিচন্ত। তেওঁ বিক কাজীত বৰ খাটনি। কলে বোলে তোমাৰ দেশলৈ এজন মহা মহন্ত আহিছে কামৰূপতে। সি সন্ন্যাসীক মানে। বোলে কেনে মহন্ত? বোলে মৎস্য, মাংস, পশু, তৈল, খাৰ উষ্ণ চাউল নেখায় আৰু খনা, খন্থা, পক্ষা, ডাহ্রি, নিৰভুক্ষ, নিৰামিষ প্ৰবৰ্ত্তন, বিশিষ্ট লোক। বোলে বাৰু জমি ব্ৰহ্মত্তৰ কৈ ৰখা যাব। পাচে আহি কলেহি বোলে বাপ, আপুনাৰ অৰ্থে খাটি আহিছোঁ বিকত, ৰাজা ৰাজা নহনে, কাজীএ ৰাজা। বোলে কি:কলা? বোলে ৰাপ এই ক্ৰমে কলু। বোলে গোপাল দহো মোৰ গুৰু ধৰ্ম্মে সৈতে চাকিলে, বৃদ্ধ শৰীৰ, বায়ু টান কৰে আতপ চাউল খালে। বাংশ নহলে তৈল ভোজন নহয় এ আঠ আঠ দিনে, নখ, কেশ মুণ্ডচালে নহয় স্নানেই, এই বুলি ৰাপকৈ পিঠি দিলে, দি গ'ল তাৰপৰা, বায় বায় আতৈৰ ৰাৰিত ৰহিচন্ত। আতৈএ পৰম শ্ৰদ্ধাকৈ

তেলী কৃষ্ণ

গৃহ ৰান্ধি দিলে, তাতে আছে। লাউ দিছে হেদাপি দি। তাৰ তলতে মচে নিতে, তাতে গুৰুজন পাচ বেলা হৰি কথা চৰ্চ্চে ভক্তে সমে। তেহে গোপালে সবাকে থৈলে মাতিবলৈ গুৰুজনক। পাচে একাদশৰ পদ সুধিলে, গুৰুজনে বোলে ই গোপালে কি পদৰ অৰ্থ সোধে, ভকতিৰ গোৰ দুহতীয়া কুৰান লগাই থৈছে। ৰাম ৰাম আতৈএ বোলে আমিহে প্ৰাৰ্থিছোঁ বাপ। বোলে তুমিএ লাউ দালি ৰুইছা গোবৰ জাবৰ দি। আৰে ভকতে গোট পাত ভোজন কৰিছে; চাইটা বাহলৌ বুৰা কৰিছা জল খাবলৈ। এতিয়া আৰু গোবৰ পানী দি লৰাই ৰুলে জীবনে আৰু? সকলো তেহে প্ৰাৰ্থনাকৈ হেৰাই থৈলে বোলে তৰিব নুৱাইলে, ভালক বুলিহে কৈলে মন্দত পৈল, ক্ষমা কৰক বাপ। তেহে ধৰাত বোলে বাৰু।

আৰু বেহেৰুৱা বিষ্ণু আতা আচাৰি ভকতে সহিতে গুৰুজনৰ লগৰতে ৰ'ল, চকীত যাবঃমুৱাৰি বিজয়পুৰে ৰাত্ৰিএ হাবিএ ভূৰে বান্ধি সোনকোচ পাৰ হ'ল। হৈ এজোপা গাছৰ তলে বহিল পিঠি দি·চাৰিওকালে। ক্ষুধাত গা ৰহিল সবাৰে, উঠিব নুৱাৰে। বোলে কাৰ লগে কি আছে বিচাৰ কৈ আতাৰ কঁকালৰ গাটিতে একটি চাউল আছিল। তাৰে ছুটি চাইটিকৈ সকলো জলেৰে খালে। ঠাণ্ডা হৈ পুৱাতেহে গৈ তিনিপৰিয়া গুৰুজনক সেৱা কৰিছেগৈ। ৰাম ৰাম আতৈএ সবাকে সিধা পত্ৰ দি ভোজন কৰালে।

বদুলা আতাৰ চৰিত্ৰ

বদুলা আতাৰ চৰিত্ৰ

বংশাবলী—আতাৰ উপৰি পুৰুষ মুনৈকুণ্ডিল গৃহ। তানে পুত্ৰ সুবৰাজ, তানে নন্দন যুৱৰাজ তানে সুত নলকুহে, তানে বেটা সাম চোমদাৰ, তানে তনয় গোপাল চোমদাৰ, তানে সন্ততি তিতা চোমদাৰ, তানে অনুজ নব চোমদাৰ, তান পুত্ৰ চম্পা চোমদাৰ, তানে পুত্ৰ আতা বৰজন শঙ্কৰদাস। আতাৰ জন্মভূমি বৰনাৰায়ণপুৰত, খেল বাৰুৱতি। আঢ়ৈ বৰ্ষত পিতৃ চলিল। মাকে দুও পুত্ৰ লৈ ভায়েকৰ গৃহ গহপুৰে গ'ল। তাতে ডাঙৰ হ'ল। গৰু চাৰিছিল মমায়েকৰ। এদিন ৰাখিছিল সুভাই বৰতলে গৰু মেলি শুলে। গৰুৱে গৈ হয়বৰ কাথৰ ধান খাইছেগৈ। সি খেদি আসি খেলে! সব লৰা কলে বোলে হৈধন ঘৰ গৰুএ ধান খালে, গৰখীয়া তাতে শুই আছে। সি ৰাগকৈ ভৰ্চ্চি যায়। দেখে বতাহী সাপে ডলাৰ মান ফেট তুলি ছাঁ কৈ আছে। মাৰকচাৰি অত্ৰাহি হৈ লৰ মাৰি গৈ মাকত কলে। সাপে খাই মাইলে বুলি। মাক দদাএক হিয়াধাকুৰি গৈ দেখে, গ'ল অন্তৰহৈ। আতা সাৰ পাই বহে কি হ'ল বুলি। তেহে কৈ চাই চিন্তি লৈ আহে।

জন্ম বৰনাৰায়ণপুৰত বাৰুৱতি খেল

আৰু এদিন ব্ৰহ্মপুত্ৰ চাপৰি লুহিয়াত গৰু মেলিছে। কুমাৰে নাও ৰাখি চক সলাইছে। তাৰে আতা গোৰ টিলতে উঠি শুলে। চ'ত মহা বৰ ধূপ। কুমাৰ আহি দেখে, অনন্তে ফনাৰে ছাঁকৈ আছে। তেহে মাতে। আতা উঠিল, কণাও জলতে লুকাল, আশ্চৰ্য্য অদ্ভুত হৈ বোলে আৰা ওথা লোক নহয়, ঈশ্বৰ অংশ কোনবা আহিছে।

আৰু এদিন হৰাই বৰ গুৰিত শুলে। বোলে ঘুৰি বঁদ পৈল-বেঠ মহা। বিয়াগম পক্ষীএ পখাৰে ছাঁয়া ছত্ৰ ধৰি

আছে। লগৰ লৰা গৰু ভেটি আহি দেখি আৰাও কৈলে। তেহে উৰাও কৈলে, আশ্চৰ্য্য অদ্ভুত হ'ল। সকলো মানি দলৈ পাতিলে, আজ্ঞাত চলিব ধৈলে।

আৰু এদিন শুকনা মাটিত গৰু মেলিছে, আহিন মহা বৃষ্টি আনিলে। সব ছন্না স'ৰা তলে সোমালগৈ। আতা বোলে আৰ ছায়া লব নেপায়, নেযাও মই। সবাৰে ভিজি কাপৰ জোল বলে। আতাৰ গা নিতিতিল। সকলো বোলে আৰা নৰ নাতি গোসাই মনুষ্যভাও ছদ্মহে।

আৰু এদিন হৰাই দত গৰু চাৰিছে, বৰ দ গাছ গছানি নাই, ফাকা, শিশুসবে ছঁা কৈ আছে। পাচে মেঘে ছঁা পেলাই ছত্ৰ ধৰাদি ধৰি আছে, দেখি নৰনাতিএ কিবা জানে হবলা।

আৰু আৰা সদা সৰ্ব্বদা বালি ধূলি মাটিৰ কৃষ্ণ মূৰ্ত্তি প্ৰতিমাকৈ ফুলে ধূপে পূজি যেই আহে নামহে গায়। প্ৰসাদ বতৰ বস্তু আম কঠাল, টেঙা, জৰা দি গাই সবেও বাটি খাই যায়। তাৰতে লাঙ্গলীয়া ডফলা গাওঁ ভঙ্গাত, আইৰ নাম সত্যা, ভনীএক মইন্দ্ৰী, কম্নপুৰত পৰিছিল। ত'লকে গই দুই বৰ্ষ বহি চলিল। আতা বৰজনে সৈতে কৰ্ম্ম ক্ৰিয়া কৈলে। তেহে গাওঁৰ ওজা বৰা সকলে গৈ দুও ভাতৃক আনি পূৰ্ব্বৰ বাৰীতে গৃহ মকৰাহিতে বান্ধি দি আদপহীয়া পাইক ধৈলে। সকলো ধৰি বৰজনলৈ এটি কন্যা বিহা কৰালে। তেহে আতাক খাটিবলৈ নিলে, দাদাএকে পঠালে। ছান্না ছোট দেখি দায়াকৈ বহাতে থলে। চাউল সিজাই সবাবে হিদল মুকুতা পৰ্য্যন্ত গা গা দিএ, বান্ধি দিএ, উচ্-পিচ্কৈ মৰে। দি ধৈ গা ধুই তিনি চাবি দিনে চৌ মাৰি এসাজ খাই, চাউল পান্ত খায়, উপাসে থাকে। তেহে উপায় নেপাই এদিন পুন্না গা ধুই আহে। বাৰিৰ আগত

লগাই কুৰ্তাৰ বিষ্ঠা আনিছো সকলো দেখি বোলে কেলেই আন, হিঙ্গহিঙ্গাই উঠিল। বোলে তইঁতে খোৱাভোৰো আৰে লগৰেহে? বোলে ই কালিৰ ছৱা কুৰি লোকক নিন্দা কৰে দায়াকৈ খবৰ জহত। ছপোৱা পাইক দূৰে ধৈলো খাটক ওলক হজলৈ, হৰাই থাকক, বহাত চাওঁ, মতাৰ চিন বাকৱৃত্তি দিছো আক। হিংসাকৈ দিলে নি। খাটিছে ছয় মাহে। এশ লৰাৰ মাজতে আতা পাকে চক্রে কোবেও চাটে বাকএ বাঢ়িল সবাতকৈ। পাচে এদিন চন্দ্রা বকৱা নি প্রশংসা কৈ শলাগিলে আতাক, কিছু নামহি নাই তাৰে নাসৰি নাই।

আক এদিন লেখ দিছে গৈ, খাতৰো চাউল শোধাইছেনি। লেখি ৰঙ্গতে ফুকনে বোলে আৰে বাক চাট মাৰি দাস্তেৰে কামুৰি চাই ছুনীয়াটোপাটো যেয়ে পাৰে তাকে কাকত কাটি পাইক এৰিম মই। তেহে বিনাএ চাট মাৰি মাইলে, পানীপাচ পালেগৈ। পাচে হিনাএ মাইলে, মাজ পাচত পৈলগৈ। তেহে আতা উঠি পাক ধৰি বাক চাট মাৰি কামোৰ মাৰি পঠালে, চৰাতেই পৈলগৈ। ফুকনে প্রশংসাকৈ কাকত কাটি পাইক এৰি পঠাই দিলে। আহি আছেহি হৰিগুণ গাই। পাচে ৰাজ্যে সভাইক ওজা ৰবা ভাজি বোলে পুৰ্ব্বৰ বাপেক ককাএক বিষয়ালৰা পাতে। এই বুলি ববজন কলি ওজা ৰবা পাতিলেনি বকৱা আগকৈ।

দোপোৱা লিচকৌ পাইচে খেতি কৃষি কৰে, আতা যতে নাম লয় ত'তে ফুৰে হৰিগুণ গাই। তেহে ভকলাৰ বণ লাগিল চোৱাবে নামি দেশ মাৰিছে। উদয়াদিত্য ৰাজা ভেৰা ফুকনক দিলে, ঘূৰিয়া বাকয়ত্তি হাজাৰো দিলে। আএ শুনি খেদকৈ কান্দিৰ থৈলে বোলে তুমি হলে বাক, পাকে চক্রে টান পৈলে গা ৰাখি আহিব পাৰা, মহারের হোজা

ভকলাৰ উদয়াদিত্যৰ ৰণ

লোক, কটা মৰা ঠাই কি কৰে? বোলে বৌ, যাৰকে দিয়ানে? বোলে বাপু, গলে সন্ত। তেহে গৈ পঠাই দিলে, আহিল। ৰণুৱা গৈ বুৰৈ আগাৰিত ৰণ লাগিল। কাটি শৰেৰে বগৰাই আনিলে, বহু প্ৰাণী কাটিলে, ভাগিল। ৰি নাই হি নাই আতা আছে বাৰু খেলায়। সি দুএ কাটিলে দুকুৰি মান। আতাক কাটিব কাটিবলৈ আহে। তৰোৱাল আগে ঠেলি পঠায় বাৰু চাট মাৰি। কৰে জাঠি চপাবই মুৱাৰে। গা বৈ আছে। তেহে সিহঁত দুওক কাটিলেহি আগতে। পাচে এ ফলীয়া হৈ হাবি সোমাই আহিল, নিশাই দিনে, তিনিদিনে পালেহি। এখত দদা বউকে কান্দি ফুৰিছে। পাই সন্তোষে আছে এক বৰ্ষ বহুলা:ভিটাতে। তেহে বহুলা উপাস ধৰি আতা থাকে। এদিন মাচমৰীয়া গৈ আতাক দেখি বোলে তিৰিৰ মুখ নেদেখা দেখিলো মাচো নেপাও, শুনি বএকৰ দুখ লাগি সূৰ্য্য বাঢ়েৰ দুহিতা খুজি বাঢ়ি বিবাহ কৰালে। সূৰ্য্যে চন্দ্ৰে দৃষ্টিপাত ৰহে, মহা ৰূপৱতী, আতা তাক চকুৰে নেচালে। পাচ দ্বাৰে সোমালে আতা আগ দ্বাৰে ওলায়। মহাবিৰকত বৈৰাগ্য হৈ নাম লৈ ফুৰে; খেত কৃষি এৰি। দদাএকৰ মনে খঙ্গ। নিশা দুপৰ ভেৰপৰত সোমায়হি লোকে খাই শোএ। আএ বহি থাকে, আহিলে খাই শোএ। এদিন ৰৱজনে শপিলে বোলে মোৰ খেত কৰিছে গৈ, খৰি পুৰি বহি থাকে, আজিতে থাকিলে শুদাই নেৰোঁ। তেহে আতা আহি পালেহি। আএ দুখকৈ বোলে বাপু, কি কৰানো অত নিশা? লোকৰ খৰি খেৰ নাইকিয়া। তেহে আতা জানিলে শপিলে বুলি। বোলে বৌ আজিৰ্তে নেথাকিবা, মই ৰেলেগেই খায়। তেহে পাচ দিনা ৰজিনাৰ চকুতে চক নাৰি থালে। একমাহ

খাইছে। আতা নিশা ৰাগকৈ ইয়ালৈ লোন, মাছ, শাক, পাত চাই থবলৈ কোন বন্দী আছে আৰ বান্ধি বাহি খাবলৈ? এই বুলি কুটা বেৰত দি চকটি মাইলে। নিশা আহি চাই দেখে ছিংসাকৈ মাইলে। পাচদিনা গৃহৰ মুৰত্তে ৰিহা ভিটাতে বহাকৈ আছে ও মাহ! গৰুকিনা এবাহ ৰ'লহি, তাতে ঠাই দিলে। সি ভাঙ্গি চিঙ্গি খাই চকটি মাইলে। নিশা আতা আহি বোলে তইঁতক কোনে ঠাই দিলে মোৰ বহাত? বোলে গৃহতে দিছে। তেহে এৰি হাতীশাল ভিটাত বহা কৰি আছে। চাউল পাত আএ থয়নি, আতা খায়। ৰৰজনে নসয় ৰাগকৈ। এদিন আহিন মহা ছাগ আনিছে দুৰ্গোৎসৱলৈ; ৰ'লহি, তাতে ঠাই দিলে। সি গোটে চুৱা কৈলে ৰণ্ড ভণ্ডকৈ। আতা দেখি বোলে দাদা আমাক ৰাৰীতো যে থাকিব নিদিএ, এই বুলি এৰি মোকালগুৰিতে বহা কৈ ৰ'ল। এদিন ৰৰজনে বোলে আত থাকি খাবলৈ উপৰতে পৰেনে? এই বুলি বাঁহ কাটি পেলাই ভাঙি পেলালে। তাৰ পৰা নি কৰদৈ গুৰিত সাজি ললেগৈ। তাতে হৰি গুণ গায়, দুই তিনি সাজে এসাজ খায়, মনৰ দুখে কষ্টে আছে। আত্ৰণ মহা সেনচোৱা মেললৈ ৰ'ল যাই। বোলে সেইটি মোৰে বহা, থাক তাতে। আতা নিশা আহি দেখে যত্নন সোমাই সৰ্ব্ব সাঙ্গ কৈলে। পাচে খেদকৈ তাৰতে নবীন বাঁহ খেৰ কাটি কচক গুৰিতে বান্ধিলে নি। তাতে বৌ মাএ লুকাই চাউল পাত দিছিল। তাৰে ভু পাই এৰিলাত ঠাল কাটি ভাঙ্গি পেলালে। আতা আহি দুখকৈ সব এৰি বোলে আত নেথাকোঁ আক। এই বুলি গৈ হৰি পুখুৰী পাৰতে এটি গৃহকৈ বহিচন্ত। তাতে মহা বিৰক্ত বৈৰাগ্য হৈ ঈশ্বৰক চিন্তি হৰি গুণ গাই আছে, লাউ কদু পাৰলৈ

কিছু নাই, মনেৰে যেন সুখ, হাজাৰ টকা গিৰিছে, বিপ্ৰ *দামোদৰ দৰে ভক্তি যোগত সদায়। তাতে আছি জগন্নাথ* চৰণ আছি লাগ ললেহি, আতাৰ ভাগিন হয়। পৰিচৰ্য্যা সেৱা আছে। তাতে গৈ পানী কলহত নি আএ চাউল কঠি দিছিল। পাচে আঘন মহা ধান দাবলৈ কাচি চালে, লেখত এখনি নেপালে। বোলে দহো এখান নাই কাচি। আএ বোলে ছিগিল। বোলে আন যোৰাই কুটাই আনিম। বোলে বাপুএ ধৰাই শাক কুটিছে নি। বেগেই গৈ বোলে জগন্নাথ চন্ন, ছিগা কাচি ফেৰাদে। বোলে মমা আমাৰ সেয়েহে শাক কুটা মাছ বছা, তামোল খোৱা তাৰেহে। বোলে আন, বতৰকালি কাচি খানে মানুহটো ৰাখে, দে। আতা বোলে বেজীবৰ্ত্তে বৰখিলৈ মই এভাগ পাওঁ, তেওঁ পায় এভাগ। সব এঁৰি আছিলোঁ, তেওঁলকে। তেও যে ছিগা কাচি ফেৰাইহে জোৰে তেও দিয়াহি। দিলে। পাচে ভোজন নহ'ল আৰু, উপাসে ৰ'ল অসন্তোষকৈ। সেই নিশা স্বপ্ন দেখিলে সুচুলি কমাৰে, ঈশ্বৰে গৈ এখানি কটাৰী খুজিলে। সাৰ পাই বোলে পুৱা আজি থাকে দেখোঁ তাকে দিম, এই বুলি প্ৰাতসে শাল পাতি গৰিছে গৈ। আতা পুৱা উঠি বোলে জগন্নাথ সুচলি কমাৰ ঘ'লৈ যাব পাৰা? এখনি কটাৰী কথা কেন্নাগৈ আমাৰ। তেহে আতৈ গৈছে সিও গৰি উলিয়াই পাগ ধৰিছে। কলে, সিও বোলে ভাৰালকে হে গৰিছে। দি বোলে কালৈ খুটি খৰি কটাকৈ দা এখানি গড়ি থম, নিবাহি যোৱাগৈ। আহি কলেহি দি। পাচে আতা বোলে জগন্নাথ, আমাৰ ছিগা গুলি নহৈছে? ঈশ্বৰে দিছে, মন বঢ়াব নেলাগে আৰু, আশা নদীৰ কোনে তৰ পেলাৰ? আৰু মনক হয় মানে নাটে আৰু।

আৰু একবাৰ জেঠ মহা বৰ আকাল দেশত, ধনলৈও পাবলৈ নাই, বৰ বিকল প্ৰাণীৰ। তিনটা লোকে ধান বিচাৰি নেপাই, ধনলৈও, ক্ষুধা তৃষ্ণা পুখুৰী পাৰে বকুলতলে পৰি আছে ধেৰাই মেৰাই অনাহাৰে। তেহে তাৰে এটি লাহে লাহে আতাৰ গুৰিত পৈলগৈ বোলে কৰ লোকটি? বোলে দেব তিনি দিন উপাসে দেহ যায়, টকালো বিচাৰি নেপালোঁ, কিবা খুদ কণ পাওঁ বুলি আহিলোঁ। বোলে জগন্নাথ কি আছে? বোলে একটি চাউল পাই ধুই থৈছে দন্তজনৰ মাজত। বোলে তাৰে এপোহা দিয়া, দুইলৈ দোপোহা থাকক। দিলেনি, লৈগল। সিটিএ বোলে দুটিমানদে। বোলে নোৱাৰোঁ পা খালোঁ। পাচে সিও গ'ল খুজিলৈগৈ। বোলে জগন্নাথ চন্দ্ৰ, এপোহা দিয়াহি, আমি আৰু নৰহাওঁ, চোৰাএ খাম সেই পোহা॥ দিলেনি, গললৈ খাই। সিটিএ দেখি সিও আহিল, দণ্ডৱতে পৰি কলে প্ৰাৰ্থনাকৈ। বোলে জগন্নাথ, আজি আমি আৰু নামকে ভোজন কৰিম দিয়াহি সিও পোহা। তেহে আতৈএ বেজাৰ ৰাগকৈ দিলেনি জলে সমে। খাই তৎ পাই গ'লগৈ। আতা হৰিগুণ গাই হৰিক চিন্তি বহি আছে। তেনেতে গোপী ৰাজখোৱা ঘোৰাৰে যায় হৃকৰে গাওঁলৈ। দেখি বিগুতি কৈ বোলে নৰনাতি গোঁসাই, ই বেলি পাক সবাৰ পাৰিবানে ধৰিছা দহো ৰাককৈ? বোলে বুপা, ধৰিয়া জীৱ, সংসাৰত ৰাগৰোতে যোনী চেপা খাই অনাদি জন্মত পাক খাই শ্ৰেষ্ঠাতৎ তু হেৰাল। আশা কৰিছোঁ চিৰকাল, কি কৰে জানো প্ৰাণ গোপাল পা। বুলি গৈ আগ বাট খাই জৰে বিৰে ঠৰ হৈ উভতি গৈ ঘৰত অচল হৈ পৈল। কিছু তৎ পাই তুলিয়া ধৰিবিক মাতি বোলে নৰনাতিক এনেকৈ বুইলোঁ, কি পা, নি, মাতলৈ, স্নেহা ধাৰছে মোৰ বা শীৰে। সি চাউল এতাৰ

গোপীৰাজ-খোৱাৰ জগন্নাথ

কোমৰা, লোন, তেল, কাপৰ জুৰি লৈ গৈছে। পাই আগে থৈ দণ্ডৱতে পৰি অনেক স্তুতিকৈ বোলে বাপ, আমাৰ ডাঙৰীয়া অপৰাধ হ'ল, এৰি আশীৰ্ব্বাদ কৰক ক্ষমাকৈ। বোলে দেখো বৰুৱা সজহে বুইলে, কলে দহো? যদি ঈশ্বৰে ধৰিছে ক্ষমা কৰক গুৰুজনে। তেহে গ'ল, সজ হ'ল। আতা বোলে জগন্নাথ অথনি খঙ্গ কৰা? ৰুলে দায়, দিলে পায়। খাব নপৰাকৈ দিছে ঈশ্বৰে, খোৱাহি এতিয়া।

আৰু আতা শুতে স্বপ্নন মুখত অমৃত পৰি থাকে, নিত্তে শুনি থাকে দিএ কি ঈশ্বৰে। তেহে আতাৰ নামৰ প্ৰভাএ কৰি, চাউল দ্ৰব্য মিলিব ধৈলেহি। একদিনা বাসুদেব বিপ্ৰ গ'ল ভিক্ষা চাবলৈ। বোলে গুৰু তোমাৰ বেটা কেইটা? বোলে আতৈ ভাতহে নাই. পাচোটি। বোলে এটি দিব পাৰা আমাৰ লগত? বোলে পাৰোঁ, চাৰি কাওণ কৰি লৈ বৰুৱা আছে। কৰি হলে আনি দিব পাৰোঁ। বোলে জগন্নাথ, কৰি চোৱাটো। তেহে গনি দিলো। নিলে দেখে গেৰেলা মেৰেলা ওকনিএ লাক। আতা পানী তপতাই খাৰে টেঙ্গা ঘহি গাটি ধুৱাই লৈ ওকনি মাৰি আমনি হ'ল দ'ল। পাচে পিৰত পেলাই বচুভাবে দলি মাৰি তেল দি ফনিয়ালে। তেহে আতৈ নিত্তে ন কৈ শ্ৰী ধৰি আহিল, লেখৰ চিনৰ জীৱ পূৰ্ব্বক। পাচে তাৰে পৰা অমৃত নপেল আৰু। বোলে বপৰ অমৃতৰ ফল ডিঠকত হল।

আৰু লোণ্ডি ঘৰৰ গৈ দামোদৰ আতৈ লগ ললেহি, আৰু কল্লিপি মাধচৰণ আতৈ চাপিলহি, আৰু ৰামভদ্ৰ আতৈ আহিলগ ললেহি। সকলো হৰিনাম কীৰ্ত্তন কৰে, মহোৎসৱ অত্যন্ত হ'ল। যাৰ যেই মনে আগ কৰে প্ৰমাণ বিধি আহিব খৈলে।

আৰু জয়শ্ৰী বুঢ়ীএ মোৰ আতাৰ ঠাই আহি গৈ চাউল,

পাত, মাছ, শাক, যি পায়, সেৱা ধৰি থাকে। আতাও দুই তিনি দিনে বুৰীগৃহে বহৈগে। এদিন গৈ বহি বোলে তোৰ হেনো গৰুটি মাইলে হয়নে? বোলে আতা হয়, দিলাও আপুনি, বাঘ হৈও তোম্ৰাই মৰা গ'ল। তোম্ৰাত পৰে দিএ কোনে নিএ কোনে? তোমাৰ সৃষ্টি, স্ৰজন পালন, সংহাৰণ সৰ্ব্ব কৰ্ত্তা। আতা বিমন হৈ বুৰীৰ বাক্যত কষ্ট পাই উঠি আহিল। পাচ দিনা বুৰী আহিল দ্ৰব্য বস্তু লৈ, সেৱা কৈলেহি। আতা বোলে বুৰী, তোৰ বস্তু নে, নেলাগে। বাঘ হৈ আমি গৰু মাৰোগৈ তোৰ? তেহে বুৰীএ কান্দি কাটি বোলে মোৰ মানত ব্ৰহ্মা, বিষ্ণু, রুদ্ৰ তোম্ৰাই মোৰ আত্মা, কাকনো বুলিম? তেহে বুৰীৰ বাক্যত সন্তোষ হ'ল॥

ভাটৌকুচীয়া আতাৰ বংশাৱলী—

টেপাই কাথৰ গৃহ বলিছিল। আদি চিদানন্দ ভূঞাৰ গুৰিত এই একে মুখৰে শুনা। তানে পুত্ৰ হ'ল ৰঘুবৰ তানে বেটা ৰামেশ্বৰ, তানে সুত হ'ল হৰিবৰ, তানে নন্দন কৃষ্ণবৰ, তানে অনুজ জয়বৰ। তানে সন্ততি শিৱবৰ, তানে বীৰ্য্যে জয়চন্দ্ৰ, তানে পুত্ৰ আতা কেশচন্দ্ৰ. ভাটৌকুচি গ্ৰামে কাচিকটা নদী কাষে গৃহ। গুৰুজন হাতীধৰাত তটিয়াত স্বৰ্গনাৰায়ণ ৰাজা যি থাকিল ভূঞা সবৰ নি সলখত পাতি-লেনি। আতা, পত্নী চিত্ৰমালী সৈতে ভজাচেকি বামুণৰ গৃহে ব'ল পলাই বামুণৰ বুদ্ধিৰে গৰনি ভাও লৈ। সাত মাহৰ অন্তে আতাৰ জন্ম, সাত বৰ্ষত আয়ু অন্তে আই আতা চলিল। শুনি চতুৰ্ভুজ আতৈ পুৰাএক নিলেহি সলখতে গৰু চাৰিছিল বামুণৰ। আতৈৰ মুখে গুৰুজনৰ গুণ, কীৰ্ত্তি মহিমা শুনি চতুৰ্ভুজ আতৈক ধৈলে, তাহাৰ মাতৃ কান্দিলে শুনে পাৱৰ ঘৰ দেখি কমলালী [illegible] [illegible] [illegible]

ভাটৌকুচীয়া আতা

কাচিকটাখনী

আতাৰ ঘাটৰ বৰপেটাতে গুৰুজনক পালেহি। গুৰুজনে আলকুচি বংশী যত্নমনি ঠাই পচাত গৈ সুৱালকুচিতে গৰনিএ ধৰি পৰি আছিল। আতা গুৰুজনৰ গুণ, শীল, মহিমা আকৃতি কৈ থাকে। গুৰুজন উজাই গৈ বালাতে বৈ স্নান কৰাত, কুমাৰ পত্নীএ দেখি গৈ বোলে তোম্রা যেনে পুৰুষ জনৰ লক্ষণ কৈছিলা তেনে পুৰুষ এজন দেখি আহিছোঁ। নাও ঘাটে। তেহে এবা শুনি ল'ল লাহে লাহে উঠি। দেখে চায় হয় গুৰুজন। সেইতে পাৱত পৈলগৈ। কলে নপৰাৰ কথা। পাচে গুৰুজন চাউল সিজালে, ভোজন কৈলে। কৰাই হবাই নাওতে দোপাটি কাপৰ, টৌ, ৰত্নাৱলী, নলীয়া কটাৰী, চাইটি বস্তু দি পঠালে উজাই। বোলে যোৱা, তিনটা ভয় পাবা। সেৱাকৈ গৈ গাঙ্গৰতে উঠি গ'ল। যাওঁতে গৈ মহত পৈলগৈ। তাৰতে হস্তীয়ে বাট ভেটি আছে। বোলে গুৰুবাক্যত আহিছোঁ, তেও আছ? অনাদি পুৰুষ বাক্যত, অন্তৰ হুপা। শুনি গ'ল অন্তৰ হৈ। তেহে বাঘত গৈ ভেট হ'ল। বোলে তয়ো সর্জন সদাশিৱ পাৰ্ব্বতীৰ, আমিও ফুৰিছোঁ গুৰু-বাক্যত। পথ দেপা। তেহে এফাল হল গ'লগৈ। কেয়া কঠাল বামুণ চিনাকি। তত্তে বত্নৱালী থৈ গ'ল। বোলে মোৰ গুৰুজন সৰ্ব্বজ্ঞান পুৰুষ। তিনটা দেবেৰাপাৰ কথন ভয়ৰ কথা কলে, ঠাৱৰে হ'ল। পাচে গৈ দেবেৰাপাৰেদি কৰজৰ কাথে বংশীগোপালৰ সত্ৰ, তাতে সোমালগৈ। বা বাৰ্ত্তা গুৰুজনৰ আদৰকৈ সুধিলে, কলে, দুখ, নিবেদন, প্ৰশ্ন, কাৰণ। খেদকৈ নাও মাজী দি অনাওঁ বুইলে প্ৰভাবে। সিধা পত্ৰ সমগ্ৰে দি স্নান কৰালে। গোঁসাই গৃহৰ মূৰে। এক ঘৰ আছে, তাতে দিছে। চাউল সিজাইছে, সূট আহিছে। গোসাই মুক চাৰি পাত্ৰ, যোৱা, মুখী, কৰি, মূখী চাৰিও গৈ ভিতৰত থৈলে বোলে প্ৰভু, তোম্ৰা যে

গুৰুজনক আনিব থুইছে, তাবাৰ আগত খাব নাইকা হিলৈ, কুলাৰ আগত তুহ, সোলোকা ঢেকী থোৰা, দাম্ভ ভগা সৰ্প তেনেহে হবা ; সূৰ্য্যৰ আগত দীপ জলোকা কি জলাবা, বোলে আনো বুইলোঁ। অনাহে সজ। বোলে এনেকৈ কবা, অসম ৰাজাৰ বিষম কথা, পূৰ্ব্বে পাই গৈছে, অহা সজ নহয়। পাচে একো নেমাতিলে বিপ্রে। আতা শুনি বোলে মনে কৃষ্ণ দেউ যুধিষ্ঠিৰ ৰাজাৰ দুত হৈ গ'ল কৌৰৱ গৃহে, কাৰ্য্য নহ'ল একো দ্ৰব্য মোৰ মুবুলি বিদূৰ ভগা গৃহে ৰ'লগৈ। বামুনী পুতেকে ঐশ্বৰ্য্য গুৰুজনৰ গুণ পাহৰিলে, আৰ চাউল লৈ থকা সজ নহয়। এই বুলি চক মাজেই ফুলাই গুচি গ'লগৈ নেমাতি। গৈছে, হামৰা কাখে আতাৰ ভণীএক আছে। বিহানে ভগিনীএকে বোলে মমা, মমা। আএ বোলে আজি ছয় সাত বৰ্ষ মমায়েৰ বা কলৈ গল! যদিহে আহে মানিকী গুচাই সোনামুঈ নাম থক। তেহে গৈ তিনি পৰিয়া সোমাল। দেখি কান্দি বাউল হৈ, ধান হাতাইছিল, সমাৰ্জ্জনী হাতে ধৰেগৈ। বোলে আমাক মুচুবা। আসন দিলে, বোলে খেৰ পাত বাজতে দিয়া। দিলে, বহিল, বাৰ্ত্তা বিদ সুধি ভোজনলৈ যুগুত কৈ বোলে বাপু, চাউল কত হব? পিৰা, ঢৰাতে নবহা দহেঁ।? খা কি? ভোজন কত হয়? বোলে আই, কৰিব মুৱাবো আত, গৃহ লৰা লুৰিএ বিয়োগ, নাম গোৱা আত ভকত বৈষ্ণৱ আছেনে কতবা? বোলে হৰিপুখুৰীৰ পাৰতে বহাকৈ নৰনাভি গোঁসাই ভক্তে সমে হৰিগুণ গাই আছে তাতে। বোলে আমি গুৰু ধৰ্ম্ম ধৰিছোঁ, অসন্তোষ নকৰিবা, তালকে বাওঁ তেনো। সব দিলে। লৈ গৈছে। আতা জয় ভবাৰী ঘৰৰ বন্নাৱলী আনি লিখিছে তাকে পূৱ মুখে। আতা পছিমৰ্ত্তে চায়, পুথি অশুদ্ধ। আতাও চাইছে। পাচতে দেখি গা পধূৰ পাইছে। শাৰী মুৰ

পৈলে চাই মাতিব খুইছে। পাচৰতে বোলে হৰি পো, হয় পুথি লিখিছো, অশুদ্ধ। তেহে চাই বোলে তোমাৰ নো কৰতে অহা যায়? বোলে এই শাস্ত্ৰ যি পুৰুষে কৰিছে, তৰে পৰা অহা গৈছে। তাৰা পুৰুষনো আছেনে পৃথিতে? আতা বোলে আছে। যেন মনে স্বৰ্গকে ঢুকিপালে। মৰাৰ মুখত অমৃত পৰাদি। তেহে আথে বেথে আসন আনি বসায়। প্ৰণামকৈ আদি অন্তে সোধে। আতা সকলো খানি কলে বোলে আমাক নিব পাৰিবনে গুৰুজন ঠাই? বোলে কিয়? তেহে খুৱন ধুৱন কৈলে, বিচনাকৈ তৈল টেঙ্গা দি পদ মৰ্দ্দিলে। পুথক আনি দিলে শোধন আৰ্হি। বোলে আৰে লিখা আৰু আমি সলখৰতে আহোঁ যাই। তোম্ৰা এখানি নাও কাটি চৈ বঠা চাউল যত্ৰ হৈ থাকা, আহি যামহি। তেহে দুদিন জিৰাই গ'ল উজাই। সলঘ পাই খুবাএকক উতৰা বাৰী জৰাম বাৰি দীঘলা কাথ, অৰ্জ্জুন মুদৈ মৰল নাৰায়ণ, গোপী আতৈ সকলো চাপি গুৰুজনৰ বাৰ্ত্তা বিদ সুধিলে। যাৰ যি চলে টকা মহা গমচা পচৰা দিলে, লৈ আহিল। এপক্ষে পালেহি ঘুৰি। এখেত নাও বঠা যত্ৰকৈ থৈছিল। সাদিন থাকি গল ৰৰগুৰু কটকী লগে। জগন্নাথ চন্দ্ৰ, হৰি আতৈ হৰি আতৈ, লোণ্ডটি দামোদৰ আতৈ, কণ্ঠাৰি মাধ চন্দ্ৰ, ৰাম ভদ্ৰ আতৈ, আতা দুজনা সৈতে

হাজো ৰখিৰলক্ষ্মীকান্ত আতৈ

সাতজনে গ'ল ভটিয়াই। হাজো উঠি ৰখিৰ লক্ষ্মীকান্ত আতৈৰ মুখে বাৰ্ত্তা পাই অগ্ৰাহি হ'ল, গুৰুজন বেহাৰে ভটিয়াই গ'ল। তেহে কটকীৰ লগ এৰি গল। তেহে গদাধৰ সোমাই তোৰোচাৰ শেৰে দৈ ঘাটে নাও বাথি কেশআতা সৈতে জগন্নাথ চন্দ্ৰেৰে গৈছে। আতা কিছু আগ হৈ গৈ গুৰুজনক সেৱা কৰিছে। ৰাম ৰাম আতৈৰ মললাৰতে মাত লগালে। আতা হৰি কোনটিও ৰাম? বোলে একেটেই অহা ৰৰ।

গুৰুজনে বোলে কোনে মাতে কাক ? বোলে তুমিও উজানে গৈ আতা নাম ললা ? বোলে বাপ, আমি কি আতাৰ পাত্ৰ ? এ বংশী যদুমনিএ সি ৰাজ্যে উলিয়াইছেগৈ, আৰু তাক ই সি আতা বোলে। বোলে নহয়, তুমিও আতাৰ মানুহ হোৱাই তেহে উজান দেশৰ বংশী যদুমণি সলখৰ বাৰ্ত্তা সুধিছে, সকলোখানি কলে আতা, য'ত যি বুইলে, দিলে। বোলে এইটিনো ক'ৰতে আহিছে, নাম কি ? বোলে জনচাৰেক লোক আহিছে এই চন্দ্ৰকে আশাকৈ ধৰ্ম্ম ধৰিবলৈ। এৰাটিৰ নাম জগন্নাথ চন্দ্ৰ। বোলে উজান অসমদেশত নাম লোকৰ— ভগাজকাই, মুঢ়া, খালৈ, হাগু, এনে।

এমুৰা কালতে আৰ এমুৰা প্ৰভাও।

কিনো তপ কৰিলে আহাৰ বাপাও, সজ সুবৰ্ণ কুক্ষী মা, খা জগন্নাথ, সোবহজা সদায় স্মৰে, ব্ৰহ্মহত্যা আদি মহা মহা পাপ নাশে ; ভাগ্যৱন্ত জীৱ। একে লগে আহি আগে দৰশন হ'ল। তেহে জগন্নাথ আতৈএ নাম ধৈলে, গালে। অৱসানে প্ৰসাদ দিছে মনু দেউৰীএ ; লৈ ভোজন কৰিছে সবেও। আতৈএ লোৱা নাই। গুৰুজনে বোলে দেখোঁ লোকটিএ প্ৰসাদ লোৱা নাই ? বোলে বাপ, যাবাৰ চাতে আহিছোঁ, তাবা সৈতে আমি লমগৈ। বোলে সজ লোকটি, বুদ্ধি লগৰজনৰ আক ভাঠহে। তাবা সবলৈ প্ৰসাদ দিয়া যক দিলে। লৈ গৈছে আতৈ। আতা দেখি আগ বাঢ়ি আহি আলিঙ্গি বোলে কৃষ্ণপদ পৰশি আসি আহা বাপ। তোমাক পৰশি হওঁ আমিও নিষ্পাপ। এই বুলি নি বলো অতাই প্ৰসাদ লৈ গুৰু পাম শবাই থৈ [illegible] বা বাৰ্ত্তা সুধি লৈছে প্ৰসাদ। বোলে তোবা আমাতকৈ ভাগ্যৱন্ত জীৱ, একেলগে আসি আগে দৰশন হ'ল। তেহে গৌড় [illegible] [illegible] গৈছে [illegible] [illegible]। আতা [illegible] সি

ভেটাই দিছে। গুৰুজনে বাৰ্ত্তা ৰিত সুধি বহা সিধা দিয়ালে। ভোজনকৈ নিশা উপাসে ৰ'ল। পুৱা মহাপুৰুষক গুৰু দেখাইছে সবাকে। পাচদিনা জগন্নাথ চন্ন আতৈ লাগ পাই গঙ্গা স্নানে গল। তাৰ পাচ দিনা কাপৰ কানি সব তিয়াই দিছে। পাচৰতে গাঁথি দেখি বোলে সেই গাঠিত কি? তিতা নাই? বোলে বাপ, এক বুঢ়ীএ জালুক ছুটামান দিছিল গঙ্গাত লগাবলৈ। বোলে যাম বুলি অহা গৈছিল নে? বোলে বাপ, চকা ফাটিতহে কোৱাইছিল, নেৰে দেখি। ই ঠাইলৈ

বাক্য ব্ৰহ্ম

আহিছোঁ। বোলে নহয় বাক্য ব্ৰহ্ম পূৰ্ব্বে বোলা গৈছে, গলেই সজ। বাক্যত চন্দ্ৰ, সূৰ্য্য, পৃথিৱী, সাগৰ গতিকৈ বৈছে, নগলে সজ নহয়। বোলে বাপ, এই পদ পঙ্কজত দেবদেবী, গঙ্গা, গয়া, কাশী, বাৰাৰ্ণষী, আন যত তীৰ্থ আছে

তীৰ্থ আৰু ভকত

শুদ্ধ হওঁ বুলি সদায়ে ভ্ৰময় ভকতৰ পাচে। বাপ, তোম্ৰাৰ এই অভয় পাদপঙ্কজ বিনে গঙ্গাত কি কাম? এই পদপঙ্কজতে গঙ্গা উৎপত্তি হৈ জগতক পবিত্ৰ কৰিছে, কোটি গঙ্গা খাটে যত, আৰু কি আছে তীৰ্থত কাম? গুৰুজনে বোলে সত্য, শৌচ, ক্ষমা, দয়া, চাৰি ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষ, চাৰি। সত্তে উৰ্দ্ধ, পুণ্য, অসত্যে অধঃ পাপ, ক্ষমা সম্পদ, ৰাগে আপদ, শৌচ নিচই যি বুলিব নেৰিব, নকৈলে সুবুলিবই তাক ভূত প্ৰাণী সবৰ দয়াত মহাধৰ্ম্ম সিজে, পায়, হয়। এতেকে বোৱা যক, গলেহে সজ। পুনৰ কৰ খোজাত শ্ৰীৰাম আতা বোলে হৰিপো, গুৰু বাক্য ছুৰাব খৰ্চ্চিলা, শিৰ পাতি ধৰা যক। তিনিবাৰত জীৱৰ সৰ্ব্বনাশ। পাচে আতা শ্ৰীৰাম আতাক সাগৰে পাৰত পৰি সেৱাকৈ বোলে ৰাজসূইত যুধিষ্ঠিৰে যেনেকৈ মোহ সাগৰে তৰ হৰাল মোৰো ভূলোকত পৰি ছু হৰাল। আজি সৰ্ব্বনাশ হলুহতে। তোম্ৰা জ্ঞান দীপে গুৰুবাক্য বোধাই ৰক্ষা পৈলোঁ। তেহে আতা বাৰলৈ হ'ল

লগ ভাৰী নাই। গাভুৰখা, ৰামখা, ৰূপখা, চতুখা, কেতাই খা, হৰিখা বাৰেও ভূঞা দুৰ্গোৎসৱত নাও খেলাইছে আৰি কৈ দহ দহ টকাৰ। পাচ পৈলে বৈচা সামলৈ। গাভুৰ খাৰ যদুমনি গুৰিত ছাহিআল নাও পাচ হৈ হাবি লাজ পৰি ৰাগকৈ পানীতে কলাকটাৰ পেলালে মৰক বুলি। পাচে সাঙ্কুৰি উঠি দুখ লাগিল, গল।

আৰু গজলা সুস্থি গৃহে বাৰাদিতে গুৰুজনৰ লগতে আছে পৰিচৰ্য্যাকৈ। সলখতে ভূঞা সব যাওঁতে চাই। আতা বোলে এটি আমাক লোক দিয়া খৰি পাত চোৱাকৈ। বোলে বাপ নাই, সব গৃহস্থী, ঘৰ বাৰী আদি। যিহে পঠৰীয়া এটি লোক আছিল, নাও খেলত পানীত পৰি মৈল। বোলে দিয়ানে হলে? আতা দিলোহত আৰু। তেহে আতৈক মাতিলে, আগলৈ আহিল। দেখি স্বস্থ হ'ল, বোলে মৈল বুলিহে আছিলোঁ, দিছো প্ৰভু। পাচে তেওঁক আতাৰ লগে জোলাঙ্গা দি দিলে সেৱা বিদায়কৈ, দুওজনা গলগৈ।

আৰু বেহাৰ ৰাম ৰাম আতৈৰ বাৰীতে আছে। ভকত শৰণ হ'লহি, পাটে ঠাই। তেহে ঠাইতে খৰিখা দলৈৰ গৃহ, তেওঁতে কলে গুৰুজনে। তেওঁগৈ ৰাজা লক্ষ্মীনাৰায়ণত কলে যাই। বোলে মহাৰাজ তোমাৰ দেশলৈ মহামহন্ত এজন আহিছে কামৰূপতে, পাতক মাটি বাৰী দি। বোলে ৰাজ মোৰ বাঘ ৰাব মুখতে গৃহ সত্ৰ কৰি দিও আওক। বোলে তাৰা মহা নিৰ্ব্বিকাৰী নিৰ্ব্বিষয়, নিৰসা, নিৰহুশ, নিৰ্ম্মৎসৰ। আত কটা মৰা হাই হিহনি কেনেকৈ ৰয়? তাৰাক লাগে নিৰ্জ্জান ঠাই হৰিগুণ গাই থাকিবলৈ ঈশ্বৰক চিন্তি। বোলে তেনে নিৰ্জ্জান ঠাই ক'ত আছে? দলৈএ বোল তোত্ৰা দিলে আমাৰ ৰাৰীতে আছে। দিলি ভই, তোৰহে ধৰ্ম্ম হব, মোৰ হ'ল কি? বোলে মহাৰাজ কিয় বোলা ৰায়

তেনেকৈ ? আমিনো কাৰ মাটিনো কাৰ, দেশ জমি, দহো তোম্ৰাৰে সকলো ? বোলে সেই পোণে হলে হয়, দেগৈ তেনো মাটি তাতে। তেহে ৰাজা কীৰ্ত্তন গৃহ ঢাপকৈ দিলে, দলৈএ সাজি দিলে গুৰুজনৰ গৃহ। পুতেক দামোদৰ দলৈ হাটী চাইটি সজাই দিলে। চতমহা গজা ধানতে মাৰি সাজিলে, বহাৰ পোনে বিন্ধা আলিত কলা ৰুলে। সবাকে গুৰুজনে বহা বাটি দিলেগৈ। গঙ্গালৈ যোৱা চৈধ্য জন চৈধ্যটা বহা থলে। তেহে গুৰুজন কাৰ্ত্তিতে চ'তলৈ ছমাহ ৰৈ ৰামৰ বাৰীতে ভক্তে সমে ভেলা মধুপুৰলৈ গৈছে। গঙ্গাৰ কেজনে বাৰ্ত্তা পাই সেইতে বহি বেহাৰ বিনাজপুৰে পালেহি দিনে নিশা আহি। হৰিহৰ চিৰাম দেখো নাই ? গুৰুজনে বোলে। বাপ খৰ গৰনিএ ধৰিছে, আমি বাৰ্ত্তা পাই আহিছোঁ, আৰু তাৰা দুই মাজে গ'ল কানি কন্থা। গুৰুজনে বোলে কি তীৰ্থৰ জালে একা চিৰাম হৰিহৰ মাজতোয়ে লাগিল, এনেহে তীৰ্থৰ ফল ? দুইৰ মাজত এইখানি লাগিল। হৰিহৰ ককালত এবুৰি কৰি আছিল। তাকে এটাই খোজে একৰা, নিদিলে। সি লৈ থাকে খুন্দা মাৰি মৰে। চিৰাম আভা দিব দিএ। আভা বোলে দেহ প্ৰবৰ্ত্তিব লাগে নিদিএ, এই খানিও কিছু খানিক লাগিছিল। তেহে গা সজ হ'ল। পাচত আহি পাই সেৱা কৈলেহি। গঙ্গাজল মৃত্তিকা ললে। বহা দিলে বল হৰি গুণ গাই গুৰু সঙ্গে। পাচে দেশত ৰুৰ একাল পৈল। ভকতৰ টকা মহাও নাই। চিনা জনাও নাই, নগৰ মাটি কট্‌কিনা ঠাই। প্ৰবৰ্ত্তাই টান হ'লহি। দিনটো মাগে পৈ, দুকঠি, তিনি কঠি পাই আছে। জয়হৰি শ্ৰীহৰি, দুও ভিক্ষা চালে পৈ, দিনটো দুষি কিছু নেপালে। গধূলিও উপাস, অন্নাহি হৈ আহিছে। ৰাম ৰাম আতৈএ গধূলিতে লগ পাই বোলে কলৈ গৈছিল ? বোলে আতৈ

মাগিবলৈ গলু দিনটো কনটো নেপালোঁ। গধূলিও নাই এনেইহে। এতিয়াও হ'ল উপাস। বোলে অহা ষক। নি চাউল একলহি লোন আদপোৱা, চাল কোমোৰা এটি দি পঠালে। আহি পাই স্নানকৈ, পাগকৈ, ভোজনকৈ ভাগৰ লাগি জুই শালে পৰি শুলে। গুৰুজনে নাম অৱসানে বোলে দেখো জয়হৰি শ্ৰীহৰি কলৈ গল, নাই? আজি মাতাচো। মাতিলে. আহিল। বালে কলৈ গৈছিলা। দহো দিনে নিশা নাম খতি? বোলে বাপ, দিনটো ভিক্ষাকৈ পকা পান এগুচি মান পাই আহো, ৰাম ৰাম আতৈএ পাই নি চাউল এদোনমান লোন, তেল, শাক দিলে আহি। পাগকৈ খাই পৰি নিদ্ৰা আহিল বাপ। তেহে গুৰুজনে খেদকৈ বোলে শ্ৰীৰাম কা'লৈ ডাঙৰীয়া, বৰবকৱা সবাকে জ্ঞান দি আনা। আতা সবাকে জ্ঞান দিলে। কেহো, হৰিকৃষ্ণ, বলাই, নৰসিংহ হাখোৱা লস্কৰ, ৰূপাৰৰ লস্কৰ, পদ্মনাভ লস্কৰ, নাৰায়ণ লস্কৰ গুৱালু কাজি, ৰঙ্গই কাজি, বিৰণ কাজি, ধনঞ্জয় কাজি, সঞ্জয় কাজি, মৰ্দ্দন কাজি, দীঘলা বকৱা, আই ধাই তিনি-কৃষ্ণাই বাবে বিলাইতৰ কৃষ্ণাই, খৰিখা দলৈ, দামোদৰ দলৈ, মাইদৰ গোপাল, ফটা গোপাল, ৰাম ৰাম আতৈ, সকলো চাপিল। তেহে গুৰুজনে বোলে এ আমি তোম্রাসৱক দেখি ই ৰাজ্যে অহা গ'ল ভক্তে সমে, দেশতো পাবলৈ নাই, টকা শিকাও নাই, আক চিনাজনাও নাই, নগৰ মাটি কটাকিনা ঠাই, ভকতকেটি প্ৰবৰ্ত্তাব মুৱাবো কি উপায় কৰাইক? তেহে সকলো বোলে এই হুমাহলৈ তেনো আমি নিওহই। পাচে চাৰি হয়, সাত আঠ ন দহ, বাৰ গা গা ললে। শক্তিএ যি যেনেকৈ পাৰে, ললে ভাগকৈ। গুৰু জনে বোলে আম্রাক হে কেৱে নিৰ্ত্তা নহল। বোলে বাপ, তোম্রাক নিও বুলিবৰ কাৰ শক্তি আছে? তেহে দুটা দৃষ্টান্ত দিছে।

বোলে পক্ষীৰ পাখি কাঢ়িলে কলৈ যাব পাৰে? এতিয়া আমাৰো পখা সখা ভকত বস্তুহে। ভকত নিলে কোনেৰে থাকিম হৰি গুণ গাই? আৰু এক ৰজা মৃগয়া কৰিবলৈ গৈছিল প্ৰজা সৈতে। অৰণ্যত জ্যেষ্ঠ মহা বৰ ধূপ। তাতে এজোপা আম পাই পৰাই তামুলীএ কাটি সবাকে দিলে। ৰাজা বোলে পাত্ৰ, মন্ত্ৰী, বৰুৱা, ফুকন, আম কেনে পাইছাহঁক? বোলে মহাৰাজ ৰাজযোগ্য আম। তেহে ৰাজা মন্ত্ৰীক আদেশ কৈলে বোলে মানুহ লগাই বতহি কেৰো জুৰি খনাই নি ৰবচৰা গাতে কই কে। তেহে বুঢ়া মন্ত্ৰীএ বোলে মহাৰাজ, বুঢ়া গাছ খানিকে কিয় জীব, অস্তমলিব, গুচিব। ৰখীয়া, পৰীয়া দি ততে আম যোগাম মই, আতে থাওক। বোলে বাৰ তেনো। এতিয়াও যি যেইটি নিওঁ বুলিছা, খৰ্চ্চা দিলে অতো কিনি দিব পাৰোঁ। সিংহৰ গৰখীয়া কোন ৰাখে? পৰ্ব্বত গহ্বৰত হে থাকে। ভকত বস্তু সিংহ, গৃহ ফলঙ্গ কুকথা কাটত বৰ কিয়? মোৰো হেৰাব তোৰো গুচিব। বোলে সেইদৰে হলে পাৰোঁ দিব। ছমাহৰ দৰটিকি চাবি পুৰীয়াকৈ দি নিলে, যি যেটিজন নিওঁ বুলিছিল। তেহে গুৰুজনে বোলে বাপ, মোৰ গুৰুজন উবুৰি হাতে গল, আমি ভকতৰ পদে চিত্ত হস্ত কৰোঁ। দিব খৈলে, টকা, শিকা, আধলি, শৰাই ভৰি গ'ল। তেনেতে জীৱনি যদুমণিৰ বাপেক পুতেক আছিল, খৰি, পাত, পচলা, ফল ফুল, উলু ছুতাৰি লৈ দূৰতে আঠু ললেহি নজলাতে। গুৰুজনে দেখি বোলে সেই দুই কোন? বোলে বাপ, জীৱনি যদুমণি বাপ পো। বোলে এহেলৈ মাতা। মাতিলে, আছিল কিছুমান। বোলে আৰু আহোক। তিনি বাৰেহে ওচৰ চাপিলহি। বোলে নাহা কিয় ওচৰে? বোলে তাজৰীয়া সবে আজিকৈ টকা দিছে, আমাৰ নাই কিছু

লাজত নাহো তাতে। বোলে কিনো পাইছা? বোলে খৰি পাত, পচলা, ফলফুল, উলু। বোলে হৰিবল্লভ, দিয়া ভকতক ভগাই। দিলে, খৰি পাত সবাকে। গুৰুজনে বোলে এ ৰাম বৰ লাগিব দিনা চাৰি পলমে, তোম্ৰা সবৰ সত্যে লাগিব। বোলে ৰামচন্দ্ৰ সেতু বন্ধতে বৰ বৰ বীৰে বৰ পৰ্ব্বত দুই তিনি সাত হনুএ নিছে, কেৰকেতুৱা পক্ষী সৈতে বাহ পাত মুখে লৈ গ'ল, ভালুক বানৰে দেখি হাস্য কৈলে। শ্ৰীৰামে নিষেধি বোলে তোমালকেনো বলৰ বাহিৰে কি কৰিব পাৰা, আনিব পাৰা হক? তাতে মোৰ সন্তোষ, শুদ্ধচিত্তে আনিছে বিতেহে চিত্তক লেখে। এই বুলি আশীৰ্ব্বাদ কৈ পঠালে সমে।

আৰু গুৰুজনে বহাৰ পোনে মাটি দিছে। তাকে চহাই কল, তামোল, পান, শাক, বৈছে, কইছে। দুইজনৰ মিত্ৰ ৰামদাস, দুইৰো সীমাতে দুটি কলা পুলি কইছে। এওঁৰ দুটিতে তেওঁৰ এটি পুলি মেলিছে।

হৈদাহ দুখিত ভিক্ষাকৈ প্ৰবৰ্ত্তে, দুকঠি পালে একঠি দিএ, একঠি পালে এফালি দিএ। এদিন ভিক্ষালৈ ওলাই বোলে আতৈ, চাউল একঠি আছে। নাই যদি আনি ভোজন কৰিব, মাছে সৈতে আনি। মাছ, চাউল, পচলা আনি ভোজন কৈ আছে। তেওঁ দিনটো ফুৰি একো নেপালে। আহি চাই বোলে মাছ চাউল হ'লনে পচলা সৈতে? বোলে হ'ল। আগ চাগ এফেৰি আছেনে আমালৈ? বোলে থৱলৈ ন'হল আমাকেহে কুলালে। তেহে স্নানকৈ উপাসে পৰি ৰ'ল। তেহে দেখি ভকতে গুৰুজনত কলে অনিৰ্ব্বন্ধ কথা। মতাই বোলে তোমাৰ চাউল নাই? বোলে আছে কঠি চেৰেক। তেওঁৰ একঠিকে আইলা? বোলে কলে দেখি আনিলোঁ। বোলে মাছ পচলা, চাউল সবাকে আৰি হৈদাহ আতৈৰ নিষ্ঠা

খালা যে তেওঁলৈ নথলা কিয় ? ৰান্ধি নি যে খালা ? তেওঁ দহো একঠিৰে আদ কঠি দিএনি অনিৰ্ব্বন্ধ ? এনেকৈ হলে দেখা দেখিকৈ জীৱৰ দুখহে হব, আৰাক আমি ৰাখিছোঁ। এওঁক চাৰিছোঁ দ্বাৰ বান্ধি। খেদকৈ বান্ধি খেদিলে গ'ল। পাচত তেওঁ গল জোলোঙ্গা বান্ধি। দেখি ভকতে কলে বোলে বাপ, এৰাও দহোঁ গ'লগৈ। বোলে মাতাচোঁ, মাতিলে, আহিল। বোলে তেওঁৰ অনিৰ্বন্ধে প্ৰবৰ্ত্তে দেখি খেদিছে, তুমি যোৱা কিয় ? বোলে বাপ, পূৰ্ব্বে তোম্ৰাৰ বাক্য, তাৰাৰ দুখে দুখ, সুখে সুখে, যৰণি ভৰণি গৰনি নেপালে তৰণ দুষ্কৰ আপুনাৰ বাক্যে নগলে নপৰে ? বোলে আমি চাৰিলোঁ, তুমি ৰাখিলা। এখনি তামোল পানে কেউটি খাবাইঁক।

আৰু দুজনৰ মিত্ৰ। এজন ভিক্ষাকৈ প্ৰবৰ্ত্তে, এজন টকাৰে প্ৰবৰ্ত্তে, এওঁ যি পায়, ভিক্ষাৰ দিএনি এভাগ। এদিন ফুৰি কণটো নেপালে ; কৰ দিব তাৰাক ? লঘনে পৰি ৰ'ল। এৰা খালে ৰান্ধি। কি পালা খালা বুলি সুসুধিলে। ভকতে দেখি কলে গুৰুজনত বোলে এনে নিদ্দয়া দেখা শুনাই নাই। দুইকো মাতাচো। মাতিলে, আহিল। বোলে এওঁহে ভিক্ষাকৈ দুকঠি পালে একঠি দিএ, একঠিৰে আদকঠি দিএ। তুমি ৰান্ধি খাই, উপবাসে থাকে, কিয় নিদিলা, তাৰা যে দিয়ে নিতে ? এনে নিৰ্দ্দিয় হলে দেখা দেখিকৈ আনো জীৱ দুখতহে পৰিব, খেদকৈ বোলে থাকিব নেলাগে। বোলে বাপ, একপহা পাই পাগকৈ খালোঁ, মতা নহ'ল নটা দেখি। বোলে চিৰাম বহা চোৱা গৈছোঁ, চাই গৈ দেখে একজহি আছে। মজলহি বোলে আগে এগুণহে হৈছিল পাপ, এতিয়া আমাতো মিচাকৈ দুগুণহে হ'ল, যকগৈ। দ্বাৰ বান্ধি খেদিলে। গ'ল। পাচতে এওঁ গ'ল। ভকতে

বোলে এবাও দহোঁ গ'ল। বোলে মাতাচোঁ। মাতিলে আহিল। বোলে মই তেওঁকহে খেদিলোঁ। তুমি যোৱা কিয়? বোলা যায় সুখে সুখে মৰণে গৰ্হণে এবিব নাপায়, এই মাসতে এৰিলে আপুনাৰ মুখামৃত বাক্যৰে নপৰে? বোলে বাৰু থাকাগৈ। এনে নিৰ্দ্দয়া, এৰি এমুঠি এখানে গুৱাকে বাতি খাবাহঁক।

আৰু দিয়া ধন বলধি পাৰাতে ভণ্ডাৰ এটা কিনি লৈ বোলে যদুমণি সবাতে কোৱা আতৈ সবে ধান আনি খালেহে হৈ মই কিহেৰে অনাই দিম? সবাতে কলে বোলে বাৰু যা। বিষ্ণু আতা বোলে আমি যাব নোৱাৰোঁ, কৰা। গুৰুজনে বালি চাহিতে হস্তীলৈ পোষণ পালন কৰিছে। মই এটা চৌৰাঙ্গী বিষ্ণুকহে পুহিব নোৱাৰে, নেযাওঁ। বোলে যদুমণি কলানে? বোলে কলু, সকলো যাম বুলিছে, আমাৰ দদাহে নেযাও বুলিছে। বোলে নেযায় যে থাক। তেহে ভকত ওলাল। যদুমনি আতৈক দোন দি বোলে যি যিমান পাৰে জুখি দিয়া চাৰি তিনি পুৰা চৰাতে থবানি। সেইদৰে দিলেগৈ জুখি। আনি দমালেনি। বোলে যি যেটি পুৰা আনিছে সেইদৰে দিয়া জুখি। পাচে দিলে, জুখিলে, চাৰিপুৰা বাঢ়িলে। বোলে বিষ্ণুক দিয়া, দিলেনি। সকলো আশ্চৰ্য্য অদ্ভুত হল।

আৰু কান্তিমহা চিৰাম আতা গুৰুজনত প্ৰাৰ্থনা কৰিলে কামৰূপে আহিবলৈ। বোলে কেলেই নো যায়? বোলে বাপ, গোসানী মাতৃ, ঠাকুৰ আতা, বুঢ়া আতা, দক্ষিণৰ আতা, ভনিপুৰীয়া আতা, হৰিচন্দ্ৰ ঠাকুৰ, পঢ়িয়া আতৈ, লক্ষ্মীকান্ত, আতৈ, আনো সেৱক সব আছে নৱ নৱ প্ৰীতিপদ সাক্ষাৎ চাই আহোঁ যায়। বোলে বাৰু যোৱা। তিনিমাহে ঘূৰি ঘূৰি চাই আহাগৈ। সেৱাকে আহিল। সকলো ঠাই

সেয়াকৈ চাই তিনিমাহে ঘুৰি ভবানীপুৰ পাই আতাৰ সঙ্গে হৰিকথা শুনি আছে। নিতে খাই চক্ৰ সামৰি ওলাই আহে যাবলৈ। আতা কথা তোলে, অমৃত বৰষে, ক্ষণ নিমিষত গধূলি হয়, ভু-কে নেপায়, ভুলি দেহা পাহৰি থাকে, কথাৰ সাগৰ গুৰুজন ভুলি ছিল ৰসত হাতৰ তামোল হাতে ৰয়। এদিন তেহে চ'তমহা মনত পৰি বোলে আতা, মোৰ গুৰুবাক্যে পৈল। বোলে কেনেকৈ? বোলে তিনি মাহত যাব দিছিল, সকলো ঠাই হ'ল তিনিমাহে, আতে যায় তিনিমাহ। বোলে নোযোৱা কিয়? বোলে নিতে খাই যাবলৈ আহোঁ, তোমৰা কথা ভোলা যায়, ভুলি ভুকে নেপাওঁ, গধূলি হয়। এই ক্ৰমে গৈছে আজি তিনিমাহ। বোলে তেনো আজিও মই বিদায় দিছোঁ, খাই সেইতে যাবা কালৈ আৰু। তেহে শ্ৰীৰাম আতা সেৱা কৰিলে বোলে আতা, কেৱল সনাতন ধৰ্ম্ম যাবাসবে একা শৰণ শুদ্ধভাৱে আচৰি প্ৰবৰ্ত্তি গ'ল, অহিকতো যাবা সবে প্ৰবৰ্ত্তিছে, আগলৌ আশা কৰিছে, তানে বীৰ্য্য গৰ্ভত যি স্থিত হৈছে এই চাৰিতো নমস্কাৰ সেৱা, তোমৰা সমে যোৱা যক। নিশা বৈ ভোজনকৈ বিহানে গ'ল অনুক্ৰমে বেহাৰ, মধুপুৰ পাই সেৱা কৈলেগৈ। ৰাগকৈ গুৰুজনে পিঠি দি বোলে, আমাত কি কাম? য'ত ৰাজা ত'ত কাৰ্য্য। তেহে আতা বোলে মই মহাপাপীক হেলা কৈ সবাবো পিঠি হ'ল। বাৰ্ত্তাহে ললে। তেহে সমুখ হৈ খেদে বোলে সখি, গোসানী, গোপাল, মথুৰা বিষ্ণু সবাবে বাৰ্ত্তা কোৱা। ভাল সুমবালা কমললোচন, আজি সৰ্ব্বনাশ হলো হত্তে তোমাৰ বেজাৰত। কলে সবাবে বাৰ্ত্তা বিত। নমস্কাৰ কৈ বোলে তুমিনো এই ছমাহ কি কৰিছিলা ক'ত? বোলে সকলো ঠাইতে হ'ল তিনিমাহ, অকল আতে হ'ল তিনিমাহ। ম ভালেহে, কথাৰ মাধৱ গোপালে পালে আমাকে ভুলায়।

'আৰু কৃষ্ণবল্লভ বিষ্ণুবল্লভ ভুজনাৰ মিত্ৰ এজনে এটি কলাপুলি কইছে, পুৰাকল, সাৰ জাবৰ দি। এৰা গৈ দেখি বোলে আৰে সমে আমাকো দয়া কৰিব। তাৰা বোলে আৰ মান যো তোমৰাক দায়া কৰোঁ, তোমৰা মোৰ জীৱৰ সৰ্ব্বসাৰ। তেহে ছমাহত গৈ বৰ কলঠোক মেলি এটা চলিহা হৈছেহি। এৰা গৈ দা খুজি কাটি গ'ল। শুনি কঁপি, জলি বোলে পুষ্ঠ হোৱা হলে গুৰুভক্ত তাৰাত শেষ চাইটা আমাতো লাগিল হতে। অপতা কাটি নিনিলে কিয় ? এই বুলি ৰাগকৈ নি দ্বাৰ মুখতে গিৰিপাই পেলাই বোলে খা, আমাক কোনো কথা কৰিবলৈ নেপায় হে। অপস্তা কলা কাতি আছ। তেৰা চাউল সিজাইছে, বোলে স্নান কৰা যক। যায়হে মুক্তনে তাক। গৈ আগচি আনি স্নান ভোজন কৰাই বহি গুৱা দি বোলে তেতিয়া দহো বোজায় কলৰ মান যো আপোনাক দয়া কৰিম, এতিয়া দহো কলৰ মানো নৰলোঁ একা ? পাচে জ্ঞানচ্যুত হৈ তললৈ মুৰ কৰিলে, মৌনে ৰ'ল। আৰু আই ধাই এ সেৱা কৈলেহি ভাৰে ভাইএ, দুই নাতিয়েকে সৈতে, বীৰনাৰায়ণ, বজ্ৰনাৰায়ণ। আএ বোলে সেৱা কৰা হঁক। বজ্ৰনাৰায়ণে কৈলে। গুৰুজনে বোলে বীৰ নাৰায়ণ ৰাজাও হয় ভকতো হব। ই বজ্ৰনাৰায়ণ ভকত ৰাজা দুও হব নোৱাৰে। তেহে হ'ল বীৰনাৰায়ণ ৰাজা লক্ষ্মীৰ পুতেক ভকতো হ'ল। বুঢ়ীও গোবিন্দ আতৈ ক্ৰোহ কৈলে পুতেক প্ৰাণ নাৰায়ণ আৰু নৰনাৰায়ণক শনিএ পাওঁতে বৰনগৰ, দিঙ্গা নগৰে থাকি গোৰত শনি হ'লত পশ্চিতে কোৱাত বেশচন কৈ অসম দেশ বুৰাত গুৱা হস্তী মাণিক দেখি গৈ, পন্থমৰা, আবুথা, চিলাৰাই, গাভুকথা এই চাৰিক উত্তৰে দখিণে চিপাহী চাকৰ দি ৰাজা উদয় আদিত্য ভুলভুলে চৰাই খোজোকে খেদি মাণিক হস্তী লৈ বাওঁতে বলৰ-গাওঁৰ

নৰনাৰায়ণ চিলাৰায়

উদয় আদিত্য

সেই খিতে জীয়ৰী পাই সজ লক্ষণ দেখি লৈ গল।

আৰু খহটা সন্ন্যাসীক খেদিলত কোপ হৈ হেৰা দি গৈ হাজোতে আছেগৈ। নৰনাৰায়ণ দিগ্‌বিজয় কৰি নমাহে গৈ পাই শুনি আৰ্ত্ত হৈ কান্দি খেদকৈ বিচাৰ কৈ অনালে। সি বোলে হেৰা দি আহিছোঁ, চালে বহু পাম দ্ৰব্য ভঙ্গাই। পালত উগ্ৰ হৈ দুই নাওত দুই ভৰি বান্ধি বৈচা দি মৰালে চেকুৱা ফালি। তেহে ৰাজা ৰঘুক বৰ আদৰ স্নেহ কৰে। নিতে গোসানীৰ মালা পূজাৰীএ দিলে মাউৰা ভাতিজ বুলি পিন্ধায়। পাচে দুৰ্গোৎসৱৰ মালা লক্ষ্মীক দিলে এদিন। তেহে এওঁ বাপেকৰ তৰোৱাল, বন্দুক, টুপি, ধৈলে একলাখ টকাৰ। নিদিয়াত তাৰে পৰা পেটে বিৰাজী। তেহে ৰূপাবৰ আতৈএ বুদ্ধি ভাৰসা দিএ। তেহে ৰোহকৈ ফুৰি আহোঁ বুলি বিজয়পুৰে ৰ'ল বাহৰকৈ। তেহে পাত্ৰ মন্ত্ৰী ৰাজা পঠায় স্নেহত আনিবলৈ। নাহে। পাচে ৰাজা দায়াত আপুনি গ'ল আনো বুলি। তেহে আতৈত সুধিলে ভয় পাই বুদ্ধি! বোলে মাৰ সৱক আগকৈ দে ঘোৰাত তুলি। গৈ বোলে ৰাজ পাটলৈ খেদিলে নিকালি দেশৰ, অৰণ্যত আছেহি

ৰঘুৰজাৰ দেশ

আতো ধৰেহি। আমিএ বা ভাই শত্ৰুৰেই। তেহে ৰাজা লাজ হৈ গ'ল খেদকৈ। গৈ নগৰ, গৃহ, গৰ কৰাই সোণকোহকে কলিয়াবৰ সীমাকৈ ৰাজা দিলে কন্দল ভাঙ্গি।

ৰঘু আৰু লক্ষ্মীনাৰায়ণৰ যুদ্ধ

পাচে ৰাজা চলিল। লক্ষ্মী নাৰায়ণ ৰাজা হৈ যুদ্ধ ধৈলে পাচান্ত কৈ চাকৰ চিপাহী আনি। ৰূপাবৰ আতৈ আহি মন্ত্ৰী হ'লহি। তেহে ৰঘুএ সুধিলে কি কৰিম বুলি। বোলে লেহোই দিওঁ, এক পলটন যৱন বঙ্গাল, সি কি কৰিব। ধৈলে যুদ্ধ সি চালি ধৈলে ৰাজাক। আতৈ ঘোৰা মেইলে পাচত খেদি নিলে। কোটোহাত পৰি প্ৰাণ ৰক্ষা নগৰা, আতা ভাইত পাচোটা ৰাক চাট মাট মাৰি কাটোতেই

খেলে, হাতীৰ শুৰ দি ৰাজা। জীয়াই নি গাত্ৰাকৈ জিখিৰি দি বোলে বুদ্ধি শিকা এয়ে হে ঘাগি, আৰে পৰাহে যুদ্ধ। তেহে লক্ষীএ ৰঘুৰাজাক লগাই পাচাত নিয়াই বেৰি দিবলৈ দিলে, চিপাহী মৰা দোষে। লোহাৰ অনাত ৰাজা বোলে বোলে পাচাৰ বীস্তাৰ ৰজত সুবৰ্ণ নেপালে দৰিদ্ৰ আমি হেন বিশ্বসিংহৰ নাতি লো দিওঁ? তেহে সোণাৰ হাতৰ বলয়া পেলাই দিছে তাৰে দিছে গৰি। দুই মাহত গৃহৰ্তে মইত্ৰ্যী মাদৈ গৈ টকা ন শ ভৰি এৰাইছে। দুনাই ৰাজা পাতি বটা দি পঠাইছে। এক দুপৰ বাট অহাত কপিল পুৰে কপাল খোঁচা গণকে চাই পথে মৃত্যু কলে দিন বাৰ তিথিএ সৈতে। তেহে তাৰতে উভতি গৈ গঙ্গাত দান দখিণাকৈ নন্দীঘাটে একণ্ঠ জলত প্ৰাণ এৰিছে। ৰাণীএ অনেক টকা নিয়াই ভাঙ্গি ক্ৰিয়া কৰ্ম্ম কৰি আহিছে। তেহে বেটা মুদ নাৰায়ণ ৰাজা হৈছে। আচাৰি কুৰি বৰ্ষ ভোগকৈ চলিছে। মুদনাৰায়ণ
বেটা হ'ল দুই ধ্বজ নাৰায়ণ, পৰীক্ষিত নাৰায়ণ। বিবাদ লাগি ৰাজ্যতে মাণিক ধাই শুক্লা হস্তী নিয়া বাৰে দৰঙ্গে মঙ্গলকৈ কিনাৰে হাউলিকৈ ছমাহ আছিল শুক্লধ্বজ। তালকে পৰীক্ষিত আহিল। যুগিৰি ঘোপা মানহাতে কলিয়াবৰলৈ কামৰূপত ৰাজা হ'লহি। কামাখ্যাক নচাত কেন্দুকলাএ ৰাজা ছন্মকৈ চাওঁতে শাপিছে। অচমৰ তল কৰতলীয়া হ'ল। কেন্দুৰো মুৰ চিঙিছে। ধ্বজনাৰায়ণ পৰীক্ষিত নাৰায়ণ

আৰু কপাৰৰ আতৈ ছমাহ দুখতে আছি পৰি। হৰিদ্বাৰতে বিভাও মাল আহি ৰাজাত মাল খুজিলেহি। বৰ সি লম্বা, মোটা, গোটে ভব্য। দেখি ৰাজাৰ মাল আৰ্ত্ত হৈ বোলে মহাৰাজ এনে মাল দেখা শুনা নাই। এই চওাই আমাৰ ৰাঠিজন পানী কৰিব পাৰে। তেহে লক্ষৰ আতৈক লোৱা কটাই স্নান ভোজন কৰাই আনি বোলে তুমি পিতা

পুৰাৰে মন্ত্ৰী ৰাখিব পাৰা হুৰাবা লাজটো? বোলে ভাল মহাৰাজ; চাব লাগে। তেহে পাচ বিনা আতৈ বাক চাট মাৰি একেবাৰে সাতোটা তেনে তৰ্কিবই হুৱাইলে কেএ। তেহে অদ্ভুত আশ্চৰ্য্য দেখি বোলে অনেক দেশ জিনি আহিছোঁ, এনে মাল শ্ৰমী দেখা শুনাই নাই পা। কোনে পাৰ পাই বুলি ভঙ্গ মানি গুচি গ'লগৈ। তেহে ৰাজা সম্মানকৈ বোলে তোমাৰ দৰে বান্ধ পাকে চক্ৰে এশ লৰা শুদ্ধ মনে শিকাই দিয়া। তেহে মহা পৰিশ্ৰমকৈ একশ্বৰ শিকাই তুলি ৰাজাক খেলাই দেখাই সোধালে সবাতেকৈ তাৰে পাকে চক্ৰে তিনটি উঠিল। জয়হৰি, ৰামহৰি, শ্ৰীহৰি। তেহে ৰাজা খাৰু, উষ্ণি, পাটভুনি, মাটি একুৰি দি পঠাইছে। একপৰ বাট আগ বাঢ়ি শএকে আহি বল। সিহঁত তিনি দুপৰ পথ গৈ প্ৰাৰ্থনাকৈ সুধিলে। তেহে ৰূপাৰৰি পাকটি আছিল, দেখাই সম্বোধনকৈ গৈছে। এটিৰ'ল ছুটি গ'ল। তিনিপৰ বাট গৈ এক বৃক্ষতলে বহি দায়াকৈ সোনাৰৰি কোৰটি দেখাই বোলে নাই আৰু থাক পা। তাৰে এটি ৰ'ল, এটি গৈ গৃহ পালেগৈ। পাই পৰিচৰ্য্যা কৈ দিনা চাৰি থাকি প্ৰাৰ্থনাকৈ সুধিছে। তেহে পৰম সন্তোষ হৈ দায়াত এক

পুৰানৰ আহি গুৰুৰ ছাত্ৰ হোৱাৰ কথা

আঁছি কৈছে পুৰানৰ। বোলে সূৰ্য্যসেন অধ্যাপক হৰিষাৰত এশ. ছাত্ৰপঢ়াই তুলিলে; তেহে চ'ত ৰুৰি ভিক্ষাকৈ এশ টকা পাই দখিণাকৈ সেৱা কৈলে। তেহে গুৰু বোলে মনপূৰি দখিনা দে হঁক। বোলে তোত্ৰা মহা পৰিশ্ৰমকৈ পঢ়াইছে। আমাক, দিয়হঁক। বোলে উপজাতে সবাৰে মাংস খাইছোঁ, মনুষ্যৰ খোৱা নাই। তাতে চিত্ত গৈছে। এটি ছাত্ৰ মুঁৰ মিলি বাক হয়। বোলে গুৰু কালৈ আলচি দিয়হঁক। তেহে শুনি সেই দিনাই আঢ়ে ৰুৰি পলাল। পাচ দিনা বোলে দেহঁক। বোলে কাইল নিয়ৰ কৰিৰ

নপাইলো, কাইলৈ হব। পাচে বোলে এনে দেখা শুনা নাইপা, প্ৰাণৰ আশা কোনে এৰিব পাৰে? এই বুলি ৰাত্ৰিএ পঞ্চিজন পলাল। পুৱা বোলে কেনে? বোলে কা'লৈহে পাৰিম। সেই দিনা গ'ল পোন্ধৰজন। তেহে বোলে কেনে? বোলে কালৈ এক বেৰথা হব। সেই নিশা গ'ল তেৰজন। তিনটি ব'ল। পৰদিনা বোলে এনেই সোন্নাই ঢুকালা চা। বোলে কালৈ হব। সেই দিনা দুটি গ'ল, এজনহে ৰ'ল। উঠি বিহানে বোলে আহা। তেহে তেওঁ বোলে গুৰু সবটি পলাল জীৱৰ আশাই, আমাকে লোৱা যক। তেহে দা ধৰাই গৰ দি গা পা ধুই পৈল। দা দাজি ঘা মাৰিব খোজোতেই চক্ষুৰ লোতক বহি গল। তেহে ৰাগকৈ দা পেলাই বহি বোলে খেদ কৰ কদলিয়া দখিণা কি গ্ৰহণ কৰিম আৰু। তোৰো অসাৰ্থ মোৰো অসাৰ্থ। তেহে অনেক কাতৰ কাপুৰ্ণ্যকৈ বোলে গুৰু, আন্তেহে খেদ আছিল, এশ লৰা পঢ়িলোঁ, প্ৰাণৰ ভয়ত সবেটি পলাল। থকা হলে কুটি বাচি বাঙ্কি বাঢ়ি দিলেহতে, সুখে বসি ভোজন কৰা গ'ল হতে। আপুনি শ্ৰমকৈ লৰ লাগিল, কি মোৰ অভাগ্য, এই বুলিহে খেদ কৈ লোহ ওলাল। তেহে বাঙ্ক চাট মেলি বোলে মনুষ্যক যো মাহুহে খায়? বাঙ্কহে খায়, মই চিন্তক হে লেখিলোঁ। তেহে সাৰী, ছাল, মেদ, অপ, তেজ, মাংস, অস্থি, মজ্জা, সাত আৱৰণৰ ভিতৰৰ পৰম তত্ত্ব, মহাভাৱত, দায়াত স্নেহকৈ পান কৰালে। মনোময় অবাদিত গতি হলা যেই বাহে সেই হয়। এই আদিকে আতৈএ একাৱৰি কোৱটি আছিল, শিখাই পঠালে। এনে হুতুৰিএ যেঢ়ি খৈলেও বাক চাট মাৰি সাৰি আছে। তেহে আতৈএ অনেক দ্ৰব্য বস্ত্ৰ চপাই তাঁক যাজি কৈলৈ লো কৰিলেহে। তাঁ বাৰ্তা [illegible]

আছি অন্তে। তেহে গুৰুজনে চৰ্চ্চি বোলে আমাৰ গুৰু-ধৰ্ম্মৰো এই আৰ্হি, একাশ্ৰৰী যাৰ। জন্ম নিবাৰ তাৰ।

আৰু গোঁসাই ঘৰীয়া পো কৃষ্ণৰে খৰাই লগা হৰিৰে মিত্ৰ কৃষ্ণৰ টকা শিকা অনবস্ত্ৰে সম্পন্ন আঢ্যৱন্ত। কষ্টেৰে প্ৰৱৰ্ত্তে, সেৱকতো নলগায়, তাৰাকো নোসোধে। তেহে এদিন কুট ছাম কৈ-গৈ বোলে আতৈ আজি আমি স্বপ্নত নিশা গৈ বৈকুণ্ঠ পাইছোঁ। গৈ, সেৱক সমে গুৰুজন আছে দেখো। তোমাৰ পিতা তাৰৈক দেখি গলু ওচৰে। বয় বাৰ্ত্তা সুধি বোলে আমাৰ লবাত কবাগৈ, এই বৈকুণ্ঠত সবপায়, বেজী নাই পাবলৈ। আতৈ এ প্ৰাণ পৈলে মনতকৈ এটি বেজী আনিব, বস্ত্ৰ ভুনি ফাটি গল, বৰ দুখ পাইছোঁ, দহোকুৰি কৰা যাই। তেহে বাৰ্ত্তা শুনি অধো মুখে শুনি বোলে আতৈ, মৃত্যুকালত মহা মহন্তৰহে ৰাম নাম ফুটি হে যায়। আমাৰ বেজী চাৰি শ্ৰেষ্টাত তত পাওঁ নেপাওঁ, ৰাম নাম শ্ৰুত হুই নুই। বোলে তেনো অত দ্ৰব্যনো কিয় সাঁচিছা, গুৰু ভকুত নলগাই ? গুৰু বাক্যত দিছে—

মিলিবে মৰণ হাটে কি ব্যাটে, যত দেখা ধন ধান। যায় ভেত্তিৰুণে প্ৰাণ, সঙ্গে এক বাতিও নযায়।

উজনিয়াবাপু যবে কৈছে কলে দায়, দিলে পায়।
যম পুৰী নিদান ঠাই। অত দিলে ত'ত পায়॥

"আমাৰ সংসাৰ জ্ঞানীগণে কয় যিবা দেই, যিবা খায়, সেই মাত্ৰ কয়॥" তেনে বাক্য বজ্ৰে ভেদি সব টকা কড়ি গুৰু সেৱকত লগাই পেলালে ভাজি, তাৰাকো দিলে কিছু ৰাখি শেষত প্ৰবৰ্ত্তিব পৰাকৈ।

আৰু বাউলাৰ নৰহৰি আতৈএ প্ৰসঙ্গ ধলে খাৰা, দ্বাৰা খিলা কথা কয়, কতো সবে শুনেই, কতো কোঠোহ কাটাহ কৰে। এদিন [illegible] শুনি বোলে আতৈ মন, বুজি [illegible]-

লুৰা মৌ সিটাৰ যন্ত্ৰকৈ মূৰ্ত্তি পাত্ৰটি কৰি মৃত্তিকাৰ লেও দি বন্ধ্ৰটি থয়। তেহে ৰজত সুবৰ্ণ, তাম, কাঁহ, পিতল, ৰাজ সহিত তাৰ ৰস কৈ ৰাকি দিএ, ৰন্ধ্ৰে সৈ সিটা পুৰি সৰ অঙ্গপূৰ্ণ হৈ পাত্ৰ বা মূৰ্ত্তিখান হইলে ভাঙ্গি ৰাজ কৰে। আমাকো আদি নিৰঞ্জনে মহাপ্ৰলয়ৰ অন্তে অণ্ডজ, স্বেদজ, উদ্‌ভীদ্‌জ, জৰায়ুজ চাৰিমুঠি জীৱ অংশে দেহৰতে ৰাজকৈ মহাপ্ৰকৃতিৰ হাতে দিলে সৃষ্টি পাতিবলৈ। কটাক্ষে পুৰুষৰ মহামায়াৰ গৰ্ভ হ'ল, হৈ মহত্ত্ব উৎপন্ন হ'ল। তান্তে হন্তে তিনি গুণে তিনি দেৱতা জাত, ৰাজ সত্ত্ব তম সহ, গোল-সবিষয় অধিষ্ঠা, তেৰকুৰি গুণে, তাতে এঘাৰে ইন্দ্ৰিয়, চৰিশ তত্ত্ব, সোতৰ বিকাৰ, পঞ্চ ভূতে সপ্ত আৱৰণ অষ্ট প্ৰকৃতিএ সৈতে ব্ৰহ্মা দেহাটি স্ৰজন কৈলে পূৰ্ব্বে। বালি চাহিতে গজ হস্তীলৈ অনন্ত কোটি ব্ৰহ্মাণ্ডত চৈধ ভুবন, স্বৰ্গ, মৰ্ত্ত্য, পাতাল, সাত দ্বীপ নিশি সিজন্ম ভ্ৰমিছোঁ। যোণী চেপা খাই। গৰু মহ, পশু, পক্ষী, কীট, পতঙ্গ পৰ্য্যন্তে শিৰত পৰি গৰ্ভে সাচত পৰে। কানে নাকে আকৃতি স্বৰূপ সেই হয়। ভ্ৰমণত পৰি মনুষ্য তনু পাইছাহঁক। তিনি বিধ লোক দেশতনৰাকাৰ, নৰাধম, নৰোত্তম, দেৱৰ বাঞ্ছনি, ব্ৰহ্মাৰ প্ৰাৰ্থনি, ধন্য কলিযুগ ভাৰতবৰ্ষ, ৰাম নাম, গুৰু, নৰতনু, এনেত কলিমল মৌ সিঠা তিনিবিধ লোক
অবিদ্যাৰ পঞ্চপৰ্ব্বা, হৰিনভজা সৰ নৰাধম, নৰৰ অধম। যম্বৰ দ্বীপ ভাৰত হাত সাধু লোকানত নেকেসোই দুখী দৰিদ্ৰ, নগা, মিৰি, সি ভুকে নেপায় নৰৰ আকাৰহে গোটে ৰাক্ষস পিশাচ, তোমৰা সৰ নৰৰ উত্তম জন্ম পাইছাহঁক, কৰ্ম্মপথে ৰাম নাম ভৰি মিছা পাপ পুৰি চিদানন্দ হই বৈকুণ্ঠে ভলাহঁক, কুকথাত, তাম ৰাজত মৰা কিয় হিয়া বয় এবি; সেই জোনীত মাতিছে গৌৰী—বোলে বোৰ [illegible] ত্ৰি দৈৰে—

কমল নয়ন চিত [illegible] নাই

চোৰি ৰাম নাম অমিয়া উপযোগা

যৈচে পুৰীষ শুকৰে কৰে ভোগা।

আৰু এদিন শ্ৰীৰাম আতা ভিক্ষালৈ গৈ খান্তাপাৰে দুটা বুঢ়া লগ পাই। বোলে আতা কলৈ অহা গৈছিল? বোলে ভিক্ষা চাওঁ। আমি এদিন ধান চাউল এগালি দিব লাগিছে, আজিলৈ যক। আকৌ লাগ পাই সেইৰূপে বুইলে এদিন পথে। আৰু এবাৰত তাৰ পদূলি মুৰে দেখি বোলে আতাক একঠি চাউল লগাব লাগিল, বিষয়াদি লোক, জঞ্জাল অবজৰ ঠিকনাত, পৰা নাই, এদিন দিব লাগিছে। তেহে আতা বাগকৈ বোলে ৰৈ বৈচালী পো চেলাৰ বেটা চেলা, তোত আমি কাহানি ঘৰে গৈ ধান চাউল, খুজিছোঁ। তিনদিন তুতুৰা তই? ইওহন্তু বিষয়া। শুনি ঘিন হে লাগে। আদি স্ৰষ্টা পুৰুষে সৃষ্টি পাতি তিনিজনা বিষয়া পাতিছে স্ৰজন, পালন, সংহাৰণ, ব্ৰহ্মা, বিষ্ণু, ৰুদ্ৰ, ৰজ, সত্ব, তম কৰ্ম্ম অনুসাৰে পালিছে মূল দোৱাল তেৱাল 'সেই ৰূপে চৰ্চ্চি আছে মহা-প্ৰলয় সীমাকৈ। ই নৰাধম পাপী, ইও যে বিষয়া হয়! কি অদ্ভুত শুনিলোঁ। দূৰ ছুৰাচাৰ। গৃহ অন্ধকূপ, নৰকৰ পথ, ইতো গৃহ ৰাস। পুত্ৰ ভাৰ্য্যা নিহলত পৰি আছে, লৰা তিৰোতা গৰু, মহ, বান্দী, গোলাম ওপৰত বিষয়া, আৰে জঞ্জাল ভাজিবই ছুৰাৰ তই? তিনিবিধ বিষয়া ৰাজাখাৱা কাৰীৰ, চৰাৰ ৰাজখোৱা চকুৰি নিকচো খাই, দোলাতো ফুৰে, তিনিহাজাৰ লোদপোচ পায়, ভেটি মান পাই খায় উত্তম: খাত ৰাজখোৱা ছপুৰা দোপোৰা পাইক পায়, মান মধ্যম। ঘাট ৰাজখৱা গডা কিন পায় প্ৰকৃত্য নিও বোলে মইও ৰাজখৱা। বুজৈবো তিনিবিধ-উত্তম হাজৰিয়া দোকাণী, হিৰা মৰ্‌কত, স্বৰ্ণ, ৰাখৰ, পোৱাল, মানিক বেচে পায়। মধ্যম চাউল, কলমাখাত, পাটুলুচি, চাউল নিৰখাণ, তাও, বাণিচবি

মখমল, পাটচিট বিকে পায়। প্ৰাকৃত্যে লোন খাব খিকে, সিও বোলে মইও মুদৈ।

আৰু জীৱনী যত্নমনি আতৈ এ চৈধ প্ৰসন্ন মূৰ্ত্তি প্ৰাৰ্থনা কৈলে। গুৰুজনে দায়াকৈ মূলবস্তু মুঠে কীৰ্ত্তন কৈলে। পুনৰ এবাৰ আহি বোলে বাপ, চৰ্চ্চি মূৰ্ত্তিবস্তু কৈ অনুগ্ৰহ কৰক। তেহে বোলে বাক, পাচোটি টকা, কাপৰ এজুৰি, শৰাই, শলা আনা। তেহে দিছে সেইৰূপে। পাচে আদি, অনাদি, দেউ, গুৰু, নাম, ভকত অন্তৰোৱা, অন্তৰঙ্গ কৰণ এই সাত প্ৰকাৰে জুৰি কলে মূল তত্ত্ব, তাকে ব'লগৈ খেৱালি টিকনি ক্ৰমে। তেহে টকা বস্ত্ৰ দি এ আহি কৈছে ব্ৰহ্মাণ্ড-পুৰাণৰ। হৰিদ্বাৰত হৰবিন্দ নাম এক ৰাজাৰ যন্মা ব্যাপাৰ হ'ল। অনেক বৈদে লাখ বিলাখ টকা ভাজি ঔষধ কৰাই খায়, একো নাই। তেহে সুৰ শৰ্ম্মা নামে এক সন্ন্যাসী আহি এক ঔষধ দি গ'ল। ৰাজা অৱহেলে খালে। পাচে এক বৰ্ষৰ অন্তে সন্ন্যাসী আহি বোলে অ' মহাৰাজ, অৱহেলে খালি অন্ন বুলি তাতে সিদ্ধি নহ'ল, এইবাৰ শুচিৰ, এক হাজাৰ টকা দে। দিলে। তেহে দাক কৈ বোলে মহাৰাজ মোৰ হ'ল দাক একলাখ টকা দি কিনি লৈ খা। দি পাচে খালে বেদনা ছত্ৰভঙ্গকৈ নষ্ট কৈলে। সেই দাক এই, যেন-মানকৈ নিচই ধাৰে। এতেকে নিচএ পাৰ, অনিচয়ে সংসাৰ॥ উপকাৰী আগুনীয়া জীৱে খাই এৱে তৰিম বুলি বৈ বিচাৰি বাঢ়ক পুত্ৰ। লাউ, কোমৰা লতা পদে সূত মাৰি বৈছে বাঢ়ি আগলৈ গৈ। হৰিভক্তিবো সেইমৰ নহলে সংসাৰ তৰণ দুষ্কৰ। তেহে যি ব'তে আছিল তাতে নিচয় হ'ল। আতৈএও নিশ্চয় হৈ টকা বস্ত্ৰ লৈ গৈছে।

ব্ৰহ্মাণ্ড পুৰাণৰ আহি

আৰু তাৰুৰ গুণ-কীৰ্ত্তন কৰি তাকত মূৰ্ত্তি ... লৈ ...
সেৱা ... কৈছে। বাটৰ কালে ... [illegible]

কইছে। সজ হৈছে দেখি কান খচৰা গোবিন্দে বোলে সজ হৈছে। গৈ বহাতো ত'ত কলেগৈ, আহোঁতে পুনু বুইলে। তেহে গুৰুজনে বোলে গোবিন্দ, তোমাৰ জন্ম হৱ, থাকি, পকিলে প্ৰসাদ খাই আহিবা। বোলে বাপ, কলিত কায়তহে পাপ, মন বাক্যত জন্ম পাপ নাই বুলি শুনো। বোলে হয়, এবাৰত নাই ৰজ, তমত কিছু চোএ, তিনিবাৰ তমত পৈলে বান্ধি লাগে আয়াযাত। এতেকে থাকা, বুঢ়া কালৰ দুখ লৰাতে গুচাই আহা, পাচে বৈ এটি পজাকৈ দুমাহ থাকি কাৰ্ত্তিৰ সাদিন থকাত দুদৰিত কাজীক কৰি এপোন দি আগ টিঙ্গি নি খুন্দি চেকি গুৰুজনকো দিছে গৈ পচলাৰ আগ্না। দি ভোজন কৰাইছে। আপুনিও কৰিছে। তেহে গুৰুজনে সবাতে কৈছে বোলে বাক্যতে তৰি, বাক্যতে মৰি, একো বাক্য থাগৰি থৰি, মনে ভ্ৰমাই, বাক্যে গজাই, কাএ মোক্ষ দেয়। এতেকে আতৈ সব, হঠাৎ নুবুলিবাইঁক। কৃষ্ণদেৱে ধোবাক বধোতে আগ পাচ চাই প্ৰহাৰ কৰিছে। চাই, বুলিবা কৰিবাইঁক।

বাক্য, কায়

আক নাবায়ণ লস্কৰে জনাৰ্দ্দন আতৈত কথা সুধিছিল গুৰুবাক্য। এদিন গুৰুজনত প্ৰাৰ্থনা কৈ বোলে বাপ, আতৈএ কথাবাৰ্ত্তাটি নকয়, পেটে ভাল নেপায়, আমাৰো অৰুচি, মুকুন্দ আতৈক আজ্ঞা কৰিলে হঁতে আগ গুৰি দেখাবলৈ। তেহে এক আৰ্হি কৈছে। বোলে কাকৰিএ দ চাই ভাত্ৰ মহা পাতা কৈ গহণ জলত পৰি থাকে। পাটি মাংস জুৰে শান্তেৰে। বুৰা কেকোৰাৰ সকল খানে খানি বগাই ফুৰে, পাও কৃশতা, জল, থল, খিত নপাই। মূৰ্চ্ছা, শৃকালে, কাকে পাৰল তকে। একে ঠাইতে থাকিলে সজ, বহু ঠাইত ভ্ৰম। পুনিতে মৰি বালা পৰিজন তপাৰ তেৰে বিচাৰিব তেওঁকে [illegible] হৈল। [illegible] [illegible] বাক্য—[illegible] নিজৰেও কি

আছিল হৃদয় ভণ্ডাৰত আকে দিলোঁ, নিচয় হলে জীৱ জৰে। তেওঁ শেষ কালৰ টুপনিকথা বিচাৰ কৈ লবা। আমি বিচাৰ কৰিবলৈ নহ'ল পূৰ্ব্বে। যদি পাৱা আমাকে দিবাহে। পুত্ৰ উপাৰ্জে অনেক শ্ৰমকৈ ধুৱাই ধুৱাই, পাচে সামৰ্থ হ'ল, হলে যায়। সেই বেটাই প্ৰতিপাল ভৰণ-পোষণ কৰে পুনৰ। এই ৰূপে হলে জীৱৰ কুশল সাধে। সেই আজ্ঞা লৈ বিশিষ্ট সন্ত লভি শিখি বুজি সেৱাকৈ তুয়ো সাৰে সংসাৰ।

আৰু আই ধাএ নিতে তুজন তুজন ভকতক চিবা ফলাহাৰ কৰায়। এমুৰৰ্তে বুঢ়া ভগীয়া অনা নিয়া কৰে। কৰি চাৰি চাৰি পোন, পছৰা তুই, দখিণা দি থৈ আহেগৈ পুনৰ আকৌ গৈ ভকতক। তেহে শ্ৰীৰাম আতাৰ পাল পৈলহি। আতা ওলাই আছিল, গামচা কপিঙ্গ পিন্ধি। গুৰুজনে বোলে চিৰাম, এনে বেশে যোৱানে? বাটৰ লোকে বাট দিব নিদিব? তেহে গুৰুজনে ভুনি পচৰা এমুৰি, টনা এগচি, দিলে। তাকে উৰি গৈ বহিলগৈ তুওজন, চিৰাভোজন কৰা গৃহতে। বুঢ়াভগিয়া ধাইতকৈ চিবা দিলেনি তুগ্ধ, মিঠৈ, কলা সৈতে। তেতোল আমুলে সৈতে কৰিলে ভোজন। বোলে এফেৰি ৰ'ব, আমি আহোঁ ভিতৰতে বুৰাভগীয়া বোলে। আতা বোলে জলপান কৰিবলৈ মাতিলে কৈলোঁ, ৰ'বৰ বাৰ কি আত? এই বুলি গলগৈ। পাচত পছৰা তুই, কড়ি আঠপোনে, বুঢ়া ভগীয়া দি গলহি বহাতে।

আৰু কায়ৰা কৃকাই আতৈ বিদেশে গঙ্গা, গয়া, কাশী, বাৰাণসী, প্ৰয়াগ বেৰাই হৰিদ্বাৰত কাহিলা পৈল। পাচে তলাই সঙ্গ হ'ল। গাত বৰ হুতাহ মাহৰ। সি দেশ [illegible], মৎস্য নেখায়, খোৱাকো মাৰে পালে। [illegible], চাউল, [illegible], লোৰ, তেল, [illegible] লৈ গঙ্গা বিল কাগে লৈ [illegible] [illegible], [illegible]। [illegible] নৌ নাহ [illegible]। [illegible] [illegible] [illegible]

বা কুকাই আতৈ

বহালে, এপুৰা চাউল, দুই বৌ সৈতে সিজাই বাত্তি বহিছে খাবলৈ। তেহে গাওঁতে ধোঁৱা দেখি খেদি গৈ ছটা কেয়া হানি মাৰিব খোজে, মচুলি খোৱা বন মানুহ বুলি। এওঁ উপায় নেপাই ভাত মুখে লৈ ফুত ফুতকৈ ধুৰি গালে মাৰিব খেলে। সিহঁতে বোলে ই কাৰবীয়া তত্‌ নাই বুলি এৰি গ'ল, এবা খাই গুচি আহিল উজাই, মধুপুৰে গুৰুজনক পাই ধৰ্ম্ম ধৰি হাটীতে আছে। তেওঁৰে পাল পৈলহি সান্দহ খোৱা। হৰিবল্লভ আতৈৰে গ'ল। দুগ্ধ, চিৰা, গুৰ, কলা এঠোকা, বৰবক এটা ভৰাই দিলেহি। বলে দুইবো, নে মোলৈহে? আগে বুজ পোৱা বোলে তাৰাকেহে দিছোঁ। এবলহ দুগ্ধ পুন্ন দিলেনি। বাকি কল গুচাই লৈ কিলাকটিলৈকে হাত সুমাই সানিলে, আদখান মান খালে, খাই ঠিয় হ'ল। এফেৰ বৈ সিও খানি খালে। লৈ হাত মুখ ধুই মুখ শুধিকৈ বোলে এটি পাটী দিয়া দিলে, পাৰি শুলে। উঠিলত কড়ি পাছুৰা, দখিনা কৈলে, আহিল।

পুৰ্ষোত্তম গজপতি ৰ মালিকা

আৰু বিৰু কাজী হাতত নাম মালিকাৰে শ্লোক পৈল। পূৰ্ব্বে গজপতি পুৰ্ষোত্তম নামে মোহনী মায়াতে সদাশিৱৰ বীৰ্য্যহন্তে হ'ল জন্ম। তেওঁ বুইলে ব্ৰাহ্মণক বোলে যেএ নামৰ মহিমা খ্যাতি দিএ একোটকা সুবৰ্ণ দিম। ব্ৰাহ্মণ ধনৰ লোভত অনেক পুৰান, ভাৰত, ভাগৱত, গীতা, সংহিতা, কাব্য কোষ, শ্ৰুতি, তন্ত্ৰ, বেদ, বেদান্ত, বিচাৰী নামৰ মহিমা দিলে। ৰাজা গোটাই থৈছিল। জয়দ্বাৰে হৰিপুৰিয়া ৰাজা। বিষ্ণুশৰ্ম্মা ভট্টাচাৰ্য্যে আনি বিৰু কাজীক দিলেনি অনেক শাস্ত্ৰৰ কোঠৰ নাম মাহাত্ম্য পদ কৰিবলৈ টান। তেহে কাজীএ লৌৰট্ৰ ব্ৰাহ্মণক দিলে পদ কৰিবলৈ। দুমাহে কৰি দিলে নি। পাছে পঢ়াই চাই শুধল অৰ্থ নহ'ল ভাল। আৰু এজন ব্ৰাহ্মণক দিলে তত্ত্ব কাজী নামে। সি কৰি দিলেনি তিনিমাহে,

প্ৰশস্থ নহ'ল অতি পদ। পঢ়াই চালে তাতোকৈ অভাল হ'ল, হ্ৰস্ব, দীৰ্ঘ ছন্দ শৃঙ্খল কিছু নাই। তাকো এৰি গুৰুজনক দিলেনি দুখানি ভাৱ সেৱাকৈ বোলে বাপ, এই নাম মালিকাৰ আমাক শ্লোক ভাঙ্গি পদ পয়াৰ কৰি দিয়ক, দুই ঠাইতো কৰালোঁ, মনৰ ৰুচি নেপালোঁ। ভাল, আপুনিহে মনৰ জোখাৰে পাৰিবা। তেহে গুৰুজনে শ্লোক ভাঙ্গি তিনি পক্ষে পদকৈ দিলে নি। কাজীৰ উছাহ বঢ়াই মহাত্মা তলত দি। পঢ়াই চাই বোলে ঈশ্বৰেহে ঈশ্বৰালি কৰ্ম্ম, মনুষ্যৰ কাৰ শক্তি আছে কৰিবৰ! প্ৰসূতিএহে পুত্ৰৰ মোল জানে, বাজীএ কি জানে? মনুষ্য ভাওহে হুয়ে, ঈশ্বৰ গোটে। এই বুলি টকা পাচে বস্ত্ৰ এক দি সেৱাকৈ গ'ল। নাম মালিকাৰ পদ

আৰু মুকুন্দ আতৈ বাঃ খতৰত আশ্ৰম হ'ল। চলি বেটা চাইটি হ'ল। মইনা গুৰিতে আছে। হৰিহৰ আতা খৈলে মুকুন্দ আতৈ বাহিৰ বন্দৰে ৰাম নাৰায়ণ ঠাই যাবলৈ। বোলে আতা ছুৱা ছলি মৰিব, খাবলৈ নাই অ'ৰ ত'ৰ আনিহে খাইছোঁ। বোলে এই আদটকি দিছোঁ কিনি দিয়া যাব, নাযাওঁ। লৈ কিনি দি গুৰুজনত বিদায় কৈলেগৈ। বোলে নেযাবা। তেওঁ যাই সেৱক ঠাই, তুমি পাবা কি? বোলে যাম বুলি আধলী, ললোঁ। বোলে মুই টকা দিছোঁ থাকাগৈ। কোচ নেমেলে। তেহে শুনি টকা বন্ধা বকবানি মাৰি বোলে অনিত্যৰতে বস্তুত লাগেগৈ। পাচে গ'ল। আহি সেৱা কৈলেগৈ। বোলে যদি আমাৰ বাক্যে ৰাখি থ'লাহেতে, তোমাক চৰা গ'লহঁতে। যাতো আমাৰ পেলাই, হৰিহৰ বাক্যে গ'লা, তুমি মোৰ হৃদয়তে আছা।

আৰু কাৰণতে ঠাকুৰ আতা পৰ্মানন্দক পাচিলে [illegible] বাৰ্তা জানিবলৈ। ঠাকুৰ সৈতে [illegible] [illegible] আহে। [illegible]

বুঢ়া আতাৰ সবাতে বাৰ্ত্তা সুধি বোলে হৰিবল্লভ, আমাৰ ভোজনৰ লগৰ চাউল দিয়াছি ঠাকুৰক। দিলেন বোলে পৰ্ম্মানন্দ ভোজনকৈ আহাগৈ সখিৰ বা বাৰ্ত্তা সুবিধ লাগিছে সজকৈ। ঠাকুৰে আহি ভোজনকৈ ভাগৰে ধৈলে, শুলে, পুৱাহে পালে। তেহে শৌচ শুদ্ধি স্নানকৈ গল। বোলে পৰ্ম্মানন্দ, ভোজন কৰিলা কালি? বোলে বাপ, কিবা ছোট চাউল দিলে, কৰা হ'ল। বোলে হৰিবল্লভ কিনো চাউল দিলা? বোলে ভোজনৰ লগৰে মাণিকী মধুৰী দিলোঁ। বোলে ভালেহে, ঠাকুৰে বাউসীৰ মোটা চাউল খোৱা। আজিতে উষ্ণ চাউল দিবা। তেহে এক দৃষ্টান্ত দিছে, বোলে এজন লোক বিস্তৰ দিনে ৰাজাৰ খাটনিবৰ্ত্তে আহিল গৃহলৈ। খাই দাই শুলে, ভাগৰুৱা, পুৱাহে সবে পালে। বিহানে পত্নী তাৰ পানীঘাটে গ'ল। চুবুৰীয়া দুই তিনিজনী হ'ল। বোলে কালি তোৰ ভাথৰ আহিল হবলা? বোলে আহিল নাহিল, কিহত লাগিল? গধূলি শুই পুৱা জাগিল। আমাকো পৰ্ম্মানন্দে তেনেহে কৈলা? বাট চাই আছিলোঁ সখিৰ বাৰ্ত্তা সুধিবলৈ। শুই নাছিলা। বোলে বাপ, শুলোঁ ভাগৰ ধৈলে, চেতন নেপালোঁ। তেহে গুৰুজনে ডা-ডাঙ্গৰীয়া যি আছে বৰা বৰুৱা, সবাকে জান দিলে, বোলে কামৰূপতে সখি আছিছে টকা মহালৈ আহক। বাৰ্ত্তা বিদ শুনি সুধি যি আহিল, বৰুৱা বড়া লস্কৰ কাজী সকলো আহিল লৈ। গুৰুজনৰ কাচে ঠাকুৰ বহিছে। দেখি সকলো আসি বৰ আৰকৈ কাহা কুহা কৰে। গুৰুজনে বোলে তোমা সবে কি কৈছাহঁক? বোলে দেখোঁ কোন শৈছিল আমাৰ সখি মুখ। এতিয়া দেখো মুখ! বোলে [illegible] পৰ্ম্মানন্দৰ জয়। [illegible] লিখা ভক্তি-[illegible] [illegible] লেখাই [illegible]! গুৰুজনে [illegible] টীকা [illegible]। সেই [illegible]

গুরু চিহ্ন হৈ আছে এতিয়াও। আৰু গুৰুজনেহে নাম দিছে পৰ্মানন্দ, মাকে তুখীয়াহে দিছিল আগে। এৱেঁহেঁ সখিৰ প্ৰতিনিধি বৰবেটা যানিবা সখিএহে আছিছে। তেহে সকলো টকা শিকা দি সেৱা কৈলে। পাচ দিনা স্নান ভোজনকৈ গুৰুজনত কৈ হৰিহৰ আতা ঠাকুৰ আতাৰ গোসানীৰ বুঢ়া আতা বাৰ্ত্তা সুধিলে। কলে বোলে পৰ্মানন্দ, মোৰ গুৰুজনলৈ তোৰ মনত পৰেনে? বোলে আতা পৰে। বোলে কেইবাৰ কেনেত পৰে? বোলে বিহুত পৰে, ভাত্ৰৰ কীৰ্ত্তনত পৰে, আৰু ভোজন কৰোঁতে মাছ, ভাত, আঞ্জা দি থাকে এই তিনিবাৰত মনত পৰে। বোলে অ খাবলৈ পাই তিনি সময়ত পৰে? তেওঁ বোলে মই বৰসদাগৰৰ বেটা তেহে গোপীসবৰ খেদ মাতিছে—

কুণ্ডলৰ লাগি কান্তি, গণ্ডস্থলে কৰে পান্তি॥
জলে মুখ কুঙ্কুমে ৰঞ্জিত।
মহা অনুৰাগ ভাএ সুমৰি সুমৰি গাত্ৰ
সিটো প্ৰাণ কৃষ্ণৰ চৰিত্ৰ॥

তই সদা সৰ্ব্বদা পাসৰিবই নেপা, বোলে তিনিবাৰহে মনত পৰে খাবলৈ পাই, গোপীভাব নাহে, সংসাৰ তৰণ পথ। তেহে আতাক সেৱা কৈ আহি মধুপুৰ পাই গুৰুজনক সেৱা কৈলেহি। আতাৰ বাৰ্ত্তা গুৰুজনে সুধিলে। তেহে যাবলৈ হ'ল মনথৈলৈ। গুৰুজনে বোলে যদুমণি, সখিলৈ এযুৰি কাপৰ আনা, পৰ্মানন্দলৌ আনা এযুৰি। তেহে আমি দিলে মঠা কাপৰ, সখিৰ বস্ত্ৰ যোগ্য নহয়, সঁজ আনা চাই। তেহে একে যোৰকে ঘুৰাই সলাইছোঁ বুলি। দেখি খেদকৈ বোলে আমি এতিয়া বৃদ্ধ কাল, কি কৰিম পৰাধীন দিৱা, যি দিছে। তেহে ঠাকুৰে বোলে আমাৰ বুলিকে দিব আতাক[illegible]। তেহে পৰ্মানন্দ মাতাই [illegible] কাপৰ আনা। আমি দিম। তাকে

পৰ্মানন্দৰ হাতে দি বোলে "বান্ধিব নালাগে, বাঢ়িব নালাগে, চুলিয়া নেদে ফু।

মাজত বহি খায় বেটী চান্দ যেন মু।" বোলে গৈ এইযাৰ দি ফকবাটি মাতিবা। আৰু বোলে শেষ কালত এজন লোকে লাগ পাই যাব পঠাম আমাৰ সকলো থাপ হিব, ৰত্ন মাণিক সব কবাগৈ। পৰ্মানন্দে পাচে গুৰুজনক সেৱাকৈ বস্ত্ৰ দিলে। আতাও বাৰ্ত্তা বিদ সুধি বোলে কেনে সুখে দুখে আছে, কাপৰতে পাইছোঁ প্ৰমাণ। আইক দি সেৱা কৈলে বোলে মৰিবৰ সৰ্ব্বস পালোঁ। আৰু খেদকৈ দুই ধাৰা লোতক বহি গ'ল আইৰ।

আৰু পদ্মনাভ লস্কৰ বোলে,—তেওঁ আহি গুৰুজনক ধৈলেহি প্ৰাৰ্থনাকৈ, বোলে বাপ, দশম পুস্তকখানি দিয়া যক, আৰব লিখিবলৈ আশা কৰিছোঁ পাত কৰি। এটকা সুবৰ্ণ দি থুজিলে। পাচে গুৰু বোলে বাৰু সাৱধানে নিবা। পাচ দিনা আহি গায়নে বায়নে শিৰতকৈ নিলেহি। গুৰুজনেও আগ বঢ়াই শিৰত কৈ দি বোলে আজি তোমাৰ ঘৰলৈ শ্ৰীশঙ্কৰ দেউ যায়, সাৱধানে নিবা থবা। নি থৈ এপাতি এপাতিকৈ লিখিলে হ'ল। আতোলা সোনাৰ শলখা ঢকা দি, ভোগ শৰাই দি সাগৰ চউ কাপৰ গিলিপ দি পুনৰ গাই বাই আনিলে। গুৰুজনে আগ বাঢ়ি গৈ শিৰতকৈ আনি থলেনি।

আৰু পদ্মনাভ, নাৰায়ণ লস্কৰ দুও ভাণ্ডৰীয়া নিতে গুৰু-জনক একচাতে সেৱা কৰেহি। পদ্মনাভক চৰা গুৱা দি সেৱা লোথে প্ৰভাকৈ। নাৰায়ণ আঠু লৈ থাকে, নেমাতেও, গুৱা নিৰ্ম্মালি প্ৰসাদ নিদিএ। পাচত ধৰে ভকতে বোলে বাপ, সমান ভাণ্ডাৰীয়া দুও, এজনক প্ৰসাদ নিৰ্ম্মালি গুৱাদি মাতে, এজনক মুখেকেও নেমাতে, মাটিতে পৰি থাকে, কিয় তাৰ পাৰ তেওঁ? গুৰুজনে বোলে তোমালোকে দু লোপোৱা মান্য,

যি যি মনেৰে আছে আমি তাক জানিছে দিওঁ, পদ্মনাভ যি আছে মানক ইচাৰে, নাৰায়ণ আছে আমাক আশাকৈ কুশলৰ হেতুৰে। মাতো যে তেওঁ সন্তোষ, নেমাতো যে তেও সন্তোষ। ভকতৰ প্ৰতি ভিন্ন ব্যৱহাৰ

আৰু একদিন চিৰাম আহি হৰিহৰ আতা গুৰুজনত বিদায় কৈ বাহিৰ বন্দৰলৈ গ'ল। গৈ নিশা বৈ পুৱা শ্ৰীৰাম আতা বোলে যাওহঁক বলা। হৰিহৰ আতা. বোলে শৌচ, শুদ্ধি, স্নান, গুৰুসেৱাকৈ নাম গাই ভোজন কৈও গৈ পাম বাই। চিৰাম আতা বোলে মই যাওঁ, কালিৰ্তে গুৰুজনক নেদেখাত এক যুগ যেন গ'ল, যাওঁ মই, বোলে গুৰুজনো ক'ত আছে, গাৰ্তে ৰাতি চেতন নাই, গৃহস্থ অগ্নি, বাহিৰত বিচাৰে ক'ত পায়? হিয়াত হৰাইল হৰি বাহিৰত ক'ত পায়? বোলে তেনো আপুনি চাউল সিজাই আহক। গুৰু-জনক নেদেখি ৰ'ব নুৱাৰোঁ মই যাওঁ। এই বুলি বায়ু বেগে লৰি গ'ল গৈ, পালেগৈ। দুপৰ বাট পৰতে পাই গুৰুজনক সেৱা কৈলে। বোলে হৰিহৰ একা? বোলে তেৰা ভোজনকৈ আহিব। মই আজি নেদেখাতে যেন যুগ গ'ল, আহিলোঁ। বিহানে, তেহে ৰাগকৈ গুৰুজনে বোলে শুচ, উঠ, উঠ। অ, সাহ এৰিবাহ, মুকুতা এৰি গুকুটা চাবলৈ আহ খেদি? শুচ। তেহে আতা অত্ৰাহি হৈ লৰ ধৈলে পুনু। ত'ত আতা শুদ্ধি শৌচ হৈ নাম পাঠ গাই দুকঠি চাউল লৈ বহাই দুখানি পাত পাৰি বাঢ়ি চৰুটি সামৰিছে। তেনেতে আতা পাই দণ্ডৱতে পৰি কান্দিব ধৈলে। তেহে আতা স্নান কৰাই ভোজন কৰি দুওজনা গৈছে আনন্দ সুখে। বাটৰ আতা কয়, বোলে গুৰুজনে মোক একোদিনে বাস কৰা নাই আতা বোলে মই তেতিয়াই কওঁ। পাচে পাই দুওজনে সেৱা কৈলে। তেহে গুৰুজনে বোলে—

লাখ টকাৰ ভাই, মনত যি আছে, আনতো নাই। আনো

এইৰূপে দেখিলেহে সন্তোষ মনত। যাৰ যি মনত অনিশ্চয় আছিল, আতাৰ খঙ্গত সবাৰে দাঠ হ'ল।

আৰু গলা মাছ খোৱা ৰাম আতৈএ কৰি চাবি কাওন লগাইছিল ওচৰতে। তালকে গ'ল। পাই বোলে আমাৰ কৰি খানি দিয়া। সি বোলে নাই দিবলৈ। বোলে নাই যে ছুকাওন দে। বোলে সিও নাই এইবাৰ দিবলৈ বোলে কিছু নাই। বোলে নাই যে আঠ পোনকে দে পা। বোলে নাই চাৰিপোনকে দে ধাৰে নিবে। তেনে আনি দিলে কৰ্ত্তাকৈ। বোলে বিচনাকৈ দিয়া। দিলে। পাৰি শুই বোলে পদূলি মুৰে যোৱা, মধুপুৰ ভকত পোৱা যে মাতি আনা, আমাৰ শৰীৰ পৰেহে। সি গৈ ছুজন ভকত পাই মাতি আনিলে। তাৰা ছুইক দেখি ৰাম বুলি গ'ল। তেহে গুৰুজনে শুনি বোলে এ আমাৰ বহিৰ লগটি গুচিল আজিতে, আছিল

এদিন গুৰুজনে বোলে দশম কীৰ্ত্তন গুৰুজনৰ মূৰ্ত্তিৰ সমান, ঘোষা, ৰত্নাৱলী আমাৰ থাকিবৰ থান। যাৰা সবে ভক্তি কৰিব, ঘোষাতে পাব। শুনি বৈকুণ্ঠ আতৈএ পাচ কালে কান্তিত বহি ঘোষা খান মেলি পাত পাতকৈ থাকে। ভকতে দেখি গুৰুজনত কলে। বোলে বাপ দেখোঁ বৈকুণ্ঠ আতৈএ ঘোষা খান নেচানেচ কৰে, নপঢ়েও। বোলে মাতাচোঁ। মাতিলে, আছিল। বোলে তুমু ঘোৱা খান মেলি চোৱা, কিয় ? বোলে তোমা বোলা যায় দেখোঁ, ঘোষাৰ মাজত থাকোঁ, দেখো বুলি চাওঁ তাকে। তেহে গুৰুজনে ঘোষা মাতিছে—

দশম কীৰ্ত্তন গুৰুজনৰ মূৰ্ত্তি ঘোষা-ৰত্নাৱলী মাধৱদেৱৰ থান

অজ্ঞান আন্ধাৰে, পৰিয়া জীৱৰ
জ্ঞান পথ ভৈল নাশ।
নাম অঞ্জনীয়া দিলে আনি যত্নে
দেখায় মুক্তিৰ পাশ।*

এ চোবে এঠাইত পভাইত নহলে চুব কবিব নোৱাৰে। ১২৯
গিবিহঁতেও বিপুৱা নথেলে চোব ধবিব নোৱাবেগৈ। (৩
ভকত আগুনীয়া আশ্রয় লৈ নোসোধ, এনেকৈ ক'ত পাবা ?

আক বৈকুণ্ঠ আতৈক ঠাকুবিয়া সুধিলে কাপবখানি কোনে দিলে। বোলে গুরুজনেহে দিয়াই আক দিব কোনে ? তেহে শিয়ববে বোলে হয় তুমি বামচন্দ্র দবে কৈছা, গুরুজন কি বস্তু চিনাই নাই দহোঁ ? আতৈএ এদিন গুরুজনত প্রার্থনা কবিলে বোলে আপুনাক কি বস্তু দেখি মানি সেৱা কবিম ? বোলে এই কথা সুধিবলৈ তোমাত কোনে কলে ? বোলে বাপ শিয়ববে সংশয় লগালে। বোলে জনার্দ্দন ঠাই অহাযোৱা কবিবা। তেহে মাছটি, খবি, পাত, শাক, গুৱা-পান, দি থৈ পাচ মাহ আছে। এদিন কাস্তিতে আছে। জনার্দ্দন আঁতৈ ভোজনকৈ পাচ বাবে কাস্তিব ওটাতে মুখ ধুইছে। এবা আগ বাবে পাত খানি পেলালেনি। আহি দেখি বাগকৈ বোলে তোম্রা ব্রাহ্মণ তন্থ, মাছ, শাক, খবিদাল দিছা খাইছোঁ দায়া অর্থে। এই বনখানি কবা কিয়, অযোগ্য। বোলে গুরুজনত এই ক্রমে সুধিলোঁ, দিছা কৈলে। তেহে আতৈব গুরুবাক্য শুনি দায়া জন্মি পবম তত্ত্ব কীৰ্ত্তন কৈলে। পাচ দিনা কবি ছুও গৈছে। গুরুজন চ'বাতে ওলাই বহিছে ভকত সমে। জনার্দ্দন আতৈ মুখব পোনে আঠু ললে, বৈকুণ্ঠ পাচে আঠু ললে গৈ। পাচে গুরুজন ঘুবি বৈকুণ্ঠলৈ সমুখ হ'ল, জনার্দ্দনলৈ পিঠি দি। মনতে আতৈএ বোলে পবমার্থ ক'লতহে অপবাধ হ'ল হবলা। এই বুলি খোবা মাগিছে।—

বৈকুণ্ঠ আক জনার্দ্দিন আতৈ

"কিবো অপবাধ কবি আছোঁ আমি মাধব বাজ [illegible]।
নাম ধবি ডাকো, হিয়াত থাকিবা, কেবে [illegible]"

"কতবো অযোগ অপবাধ মোৰ"—শুনি [illegible] সমুখ হৈ বোলে মই তোমাতে পিঠি দিলোঁ, [illegible]

কৰাইছে। তোমাৰ হৃদয়তে এখিনি দিন আছিলোঁ। আজি
গুৰুৰ স্থান ভকতৰ হৃদি তোমাৰ হৃদির্তে বৈকুণ্ঠৰ ছিয়াত গৈলু। সেইতে আতা ঢাচাই পৰি কান্দি বাগৰি অভ্ৰাহি হৈ বোলে মই পাপীষ্ঠ কেনৈ ক'লু! তেহে কৃপালু পুৰুষে দায়াকৈ বোলে উঠা উঠা, মই তোমাৰ হৃদিতো থাকোঁ, বৈকুণ্ঠতো থাকোঁ ॥

আক ববহৰি আতৈ স্নানে গ'ল তেবোচতে, সিপাৰতে আই দায়াল আছে তেলীকৃষ্ণ আতৈ পত্নী, গুৰুজন ঠাই। বোলে আমাক পাৰ কৰা যক। নেমাতে, গা ধুইছে। বোলে গুৰুজনৰ ঠাইলৈ যাওঁ, পাৰ কৰা। নেমাতি যায়হে। তোম্রাৰ বৈকুণ্ঠত বাসা হুব, পাৰ কৰা হে। বোলে কিয় গালি পাৰাহে? তোৰে হৃক বৈকুণ্ঠত বাস, এই বুলি আহিল। পাচত পাৰ হৈ গুৰুজনক সেৱা কৈলে। বোলে এজন বৰ লম্বা ভক্তে পাৰ কৰা বোলাত এনেকৈ বুইলে দহোঁ? তেহে বোলে যদুমণি, হৰিগুৰুক মাতা। মাতিলে, আহিল। বোলে হয় নে এৰাই? বোলে বাপ, হয়। বোলে এৰা সবে এনেকৈ বোলাত গালিপাৱা বুইলা, হয়নে? বোলে বাপ, হয়। ঈশ্বৰত আমি কাহানি বৈকুণ্ঠ খুইছোঁ? দিব বা কেনৈ? কি আপাহ কৰিছোঁ। আমি? [illegible] মাতা পৰাৰণীএ কৰাটো দিনে গুৱা খানি দিএ, জান [illegible] পাৰ কৰোঁতা নাই চাউলকঠা গুৱাটি নহলে। অপাৰ সংসাৰ, পাৰেই নাই, কি গুপ্ত পাৰ কৰিব আমাক।

"লোভে মোহে কামে ক্ৰোধে পাতি আছে জেলা।
ৰথাখুণৰ পাপীত যেন টানি মৰোঁ হেলা ॥"

অজ্ঞান ভাবনা [illegible]াৰ এনেহে হৈছে। চুকৰ জেকে ক'ত পায় পাৰস? [illegible]াৰ কৰ্ম্মদোষে বৈছে মন হক প্ৰাৰ্থনা, মুখে নাম, হৃদি ধ্যান, মন ভকতৰ, এই হে আছে। আবাসবে বিনতি কৰি লেখি বুইছোঁ।

আৰু ভকতক মাটি বাটি দিছে বহাৰ পোনে বাঁহৰ চাপলকে। গা গাই অভাই চহাই বাৰ্ত্তকি একালি কাঁকিবল শাৰ বৈছে। জনাৰ্দ্দন আতৈৰ পাচি হাবি হৈ আছে। তেহে গুৰুজনত ভকতে কলে বোলে বাপ, জনাৰ্দ্দন আতৈৰ পাচিএ আমাৰ মাটি ফেদেলা কৈলে, তেহে গুৰুজনে বোলে জনাৰ্দ্দন, ভকতে অসূয়া কৰে, মাটি নতোৱা কিয়? বোলে বাপ, আজৰিকে নেপাও দহো? বোলে কিনো কৰা? তেহে কৈ নিব ধৈলে বিহানতে। বোলে প্ৰাতৰে ঠাই অভাই শৌচ শুদ্ধ হৈ স্নান, গুৰু সেৱা গুণ গাই কৰি গৈ চ'ৰাত আহি একেৰি বহোঁ, হৰিকথা শুনোঁ। তাৰতে গৈ কীৰ্ত্তন গৃহত নাম গাওঁ। পাঠ শুনি আহি চাউল সিজাই খাই একোৰ শোওঁ। ধুতিএ উঠি নাম সেৱাকৈ বহোঁ। বহি বিৰলা নাম গাই পাঠ শুনি গৈ আপুনাৰ পাশে বহি ঘোষা গীত চৰ্চ্চা শুনোঁ, গধূলি হৰি গুণ, লীলামালা, শুনি নাম গাই পাঠ শুনিগৈ কথা প্ৰসঙ্গ কৰা যায়। আপুনি গৈ বহি নাম সেৱাকৈ বহা যায়। তাৰতে গৈ শুই ছয়, সাত, কীৰ্ত্তণ গাই আপুনাৰ পদ পৰশনি ছায়াত নিদ্ৰা আহে। তেহে গুৰুজনে বোলে জনাৰ্দ্দন, বাৰিহে হাবি বাজে, অন্তৰে বৈকুণ্ঠ লকে জুৰি মুকলি হৈ আছে। তোম্ৰাসৱৰ বাহিৰেহে মুকল, অন্তৰে জট। জনাৰ্দ্দন আতৈ

আৰু বিজয় পুৰতে হৰিকৃষ্ণ আতৈ তাৰ দুখানি টকা একুৰি সেৱা কৈলে শৈ ৰামহৰি, শ্ৰীহৰি ভকেৰে। গুৰুজনে বোলে এৰা ছুটি ক'ৰ থাকে, কৰে কি? বোলে বাপ, আমাৰ ঠাইতে আছে। এইটি আৰুতেহে আছোঁ। [illegible]মালা লীলামালা, গীত, ঘোষা, কীৰ্ত্তন চাৰিও [illegible]। আৰু সেউৰী বলো মাহ চাউল, ফুল, তুলসী, [illegible] সকলো খালি কৰে। কিটি এৰা? বোলে [illegible] [illegible] [illegible] খৰি পাত পৰিচৰ্য্যা কৰি এৰা [illegible] [illegible] বিজয়পুৰ হৰিকৃষ্ণ আতৈ

পান্ত, শাক, মাছ, বন্ধা বঢ়া মচা সৰা সকলো খানি কৰে। এটি একা? বোলে তেওঁ একা গোটে ভোটঙ্গ, খুলা কেৰিও নলয়, হৰিগৃহ বাৰেবৰ্ষ বাট, জধা মূৰ্খ। বোলে কিনো কৰে? বোলে তেওঁ তিনি হালচা মাটি লৈছে। প্ৰাতয়ে কোদাল পাৰি ছপৰীয়া আহি গা ধুই ভাত কেটা খাই, আকৌ যায়, বেগেই টঙ্গলৈ যায়। বোলে এৰা যি নাম লয় এপোৱা, পৰিচৰ্য্যা কৰা জন আদসেৰ, তাৰাহে তিনিপোৱা গোট। তিনি উধানতহে চৰু বয়, ভকতিৰ গুৰি তেওঁতেহে, আমি সন্তোষ। আতৈৰ বেটা যদুমনিএ গুৰুজনক বাৰ বৰ্ষ পৰিচৰ্য্যা সেৱা কৈলে, নিতে শয়ণৰ বেলা পুৰা কল তিনি চকলি, আদা তিনি চকলি, গুৱা তিনি খানি কাটি শৰাইত থয়। গুৰুজনে ছপৰ চাই দণ্ডত নাম সেৱা সুমৰি, ভোজনকৈ উলু, পানী, মুখ, হাত ধুই শোৱে। এদিন নিদ্ৰা আহিল, যদুমণি পাছবিলে থবলৈ। গুৰুজন চাই দেখে নাই। কিছু কষ্টকৈ শুলে। যদুমনি সংসাৰেহে হব এই বুলি গুৱা তিনি খানি আদা কল কাটি শৰাইত থৈ বোলে যদুমনিএহে [illegible] এই বুলি লৈ কৃপালু পুৰুষে মুখ হাত ধুই শুলে।

আক কামৰূপলৈ যদুমনি আতৈ আহিবলৈ [illegible] বান্ধি গৈ গুৰুজনক সেৱা বিদায় কৈ বোলে বাপ, এ [illegible] ৰাজ্যৰ লোক সুখী হ'ল, আমি এভগীয়াহে [illegible] কণিকা [illegible] সৰ্ব্বস নাপালোঁ। তেহে গুৰুজনে বোলে আজি [illegible] তেৰ বৎসৰ আছা পৰিচৰ্য্যাকৈ, তেও মনত [illegible], [illegible] খৈলা বান্ধি গুলাইহে লোৱা, এতিয়া [illegible] [illegible] তেওঁ যাক পা। ধুম হৰ্ষ বিষাদ মান অপমান [illegible] [illegible] তভাৰ এই ছটা কথাৰ বাহিৰে থাকিবা, [illegible] [illegible] আঁৰাক নেপাসৰিবা, যোৱা বহু। [illegible] [illegible] [illegible] [illegible] [illegible]।

বা বাৰ্ত্তা সুধিলে। ভোজন পাতি কৰালে। পঢ়ুৱী হ'ল। পাঠত ৰামায়ণ পঢ়িছে, লঙ্কা পোৰা শুনাল, তাম কাঁহ, ৰজত সুবৰ্ণ, পাথৰ কিৰূপে অগ্নি লাগি দহিলে। সকলো আতৈত সুধিলে সংশয়। আতা বোলে মই তু মাপাৰ্ঠ। শুনা নাই। তাৰা সবে বোলে ৰাৰ তেৰ বৰ্ষ গুৰুসেৱা কৰিছে, নকয়হে। বোলে আমি ই কথা শোধা নাই গুৰুজনত। তেৰা সবে বোলে হয় পাত্ত নেখাৱে গুৰু কাটিছে আপুনি। কালৈ কব আজিলে বক। পাচে কীৰ্ত্তন গৃহতে শুলে। নিশা শুণি বোলে কালৈ ধৰিব কি কম? লাজহে হম, যাবহে লাগেগৈ। গৈ উঠি বাট ঘৰ পাই বোলে গুৰু বাক্য পৰে। বিবাদ অপমানতহে যাওঁ। গুৰুজনে দেখোঁ আৰ বাহিৰ হৈ থাকিব দিছে একা? এই বুলি উভতি আহে শুণি, আকো থিত কৰিব নোৱাৰি বোলে বৰ লঘু হম, যাবহে লাগে বুলি যায় উঠি। এই ক্ৰমে সাৰা নিশা আহে যায়, পালাধৰী। সবে বোলে এবাৰ কি হ'ল আজি? তেহে পৰেকীয়া প্ৰসঙ্গ কৈ থৈলে আকৌ। পাচে পালাধৰীয়া সবে বোলে আজি কি হৈছিল নিশা, আহিগৈও পুৱাল দহো আৰাৰ? আতৈও বোলে আমি বাৰে বৰ্ষ গুৰু সেৱা পৰিচৰ্য্যা কৰা হ'ল, পৰমাৰ্থ সুধিবলৈ নহল। হৈলা বাদ্ধি ওলাই প্ৰাৰ্থনা কৰা হ'ল। গুৰুজনে বোলে এতিয়া যো ই কথাৰ বেলা, আগে কাণ নকৈলা, তেও পাৰুম, হৰ্ষ, বিষাদ, মান অপমান পাই পজিয়া পেটে তভাৰ আৰ বাজ হৈ থাকিবা, মৰণক কাচতে দেখিবা, আমাক দেখা-সৰিবা। তাতে নিশা কৰ হুৱাবাত অপমান বিষাদ, [illegible] গুৰুবাক্য মনতে আছোঁ পুনৰ। তনি [illegible] চাকিও [illegible] বেদৰ তোমাৰ [illegible] তকতি পৰমাৰ্থ নকৰিলৈ [illegible]

বুলি অনেক সাদৰ-সন্মান প্ৰশংসাকৈ পঠাইছে। দখিন পাৰ হৈ বিষ্ণু আতাক সেৱাকৈ পুনু আহিছে গুৰুজনৰ ঠাই।

আৰু হৰিকৃষ্ণ আতৈ এ কীৰ্ত্তন গৃহত বিয়লা জঞ্জাল পাই বাকৰা জঙ্গলে গৈ হৰিকথা সুখে বহেগৈ। হাজৰা আতা বিজইপুৰে ৰঘুৰাজা ঠাই থাকে। শুনি অসূয়া, নিন্দা কৰে। বোলে আমাৰ সেই দুটা কিবা অৰীতি মত ললে, কতুৰা পাই

হৰিকৃষ্ণ আতৈ

গুৰুধৰ্ম্ম হৰিকথা চৰ্চ্চা হলে, হৰিগৃহ হাটীত কৰ গাৱ মুৰাৰে হাৰিত বৌদ্ধ মাতহে শুনিছোঁ, প্ৰবক্ত কয়, পথ নহয়, পাষণ্ড মতহে কিবা ধৈলে। পাচে সেই কথা গুৰুজনে শুনি খেদকৈ, মোৰ গুৰুজনে দি গৈছে পাষণ্ড মৰ্দ্দনত—

বিষ্ণু ভকতক দেখিলে হাসৈ।
আপুনিও নষ্ট আনকো নাশৈ॥
কীৰ্ত্তন শুনিয়া সম্যকে মৰৈ।
জানিবা নিতে মহাপাপ কৰৈ॥

এই বুলি ব'ল খেদকৈ।

আৰু হাজৰা আতৈ দুই এক মাহে দহ, বাৰভাৰ সাজি লৈ

বিজয়পুৰৰ ৰঘুৰাজাৰ হাজৰা আতৈ

গুৰুজনক সেৱা কৰে যায়। সেই বাবো লৈ গৈছে। দেখি গুৰুজনে পিঠি দি বোলে শুচ, তই মোৰ শিষ্য নহ, মই য'ত সন্তোষ তই তাকে নিন্দা কৰ, মোৰ য'তহে অসন্তোষ তোৰ ত'তে সন্তোষ। শুনি আতৈ অত্ৰাহি হৈ দণ্ডৱতে পৰি কান্দি অনেক স্তুতি কাৰুণ্য-কাৰ্পণ্য কাকুতি কৈ বোলে বাপ, মই মহা মূৰ্খ বিষয়া, হোজা, একো দু নেপাওঁ দোষ গুণ। ঘোৰাৰ ঘোৰপতি দায়। তেহে গুৰুজন সন্তোষ সমুখ হৈ বোলে শুনচো, এক আহি কওঁ। ব্ৰহ্মাণ্ডৰ বিষয় পৰমাৰ্থৰ নানাবিধ লোক, উত্তম, উত্তমোত্তম, মধ্যম, প্ৰাকৃত, উত্তমোত্তমে প্ৰাতঃতে শৌচ, শুদ্ধি, স্নান, স্বকৰ্ম্ম কৰে, বিষয় হলে নেলকে [illegible] ভিন্ন সেৱা পৰ্ম্ম পাতীৰ থাই

ডেব পবত ভোজন কৈ শোএ, উঠি বাজ কার্য্যনাকে মাল ভোগ চাউল কল দৈ চেনীবে ভোজন কৈ বিয়লি বহে, পখুলি নানান দ্রব্যোবে ভোজন কৈ অনেক প্রাত্রবে মন্ত্রণা কবি গৈ, ছুপব চাইদণ্ডতো মাণ্ডা, মনোহবা, বাতাচাব, ফেনি, লুচি, জেলেপি খাইহে শোএ। এ মোব শ্রীশঙ্কব দেৱবে ধর্ম্মবস্তু তেনে ক্রম আহি চাইটি প্রসঙ্গ যাবা সবে কবে উত্তম, তিনিটি বহিলে মধ্যম, ছুটিত বহি কৈলে নবম, এটিত কৈলে প্রাকৃত ছুখী। চাইটি কবিও যাবা সবে কথা মুখে বহে উত্তমোত্তম সন্ত, সাধু কৃষ্ণদেৱে কৈছে হবি কথা শ্রৱণত আব হব নোবাবোঁ, মই দৃঢ় হৈ থাকোঁ বেকত হৈ সাখী প্রমাণ আব মেকমূলে ব্রহ্ম সভাত ব্রহ্মা, বিষ্ণু, হব, ইন্দ্র, চন্দ্র, দশ দিগ্পাল, ব্রহ্ম ঋষি, দেউ ঋষি, গন্ধর্ব্বে, চাম্বুব, কিন্নব, সকলো বহিছে। তেহে বৈকুণ্ঠতে নাবদ দেউ পালেগৈ, জগতবে উপকাবী, অবাদিত গতি, ভূত, ভবিষ্যৎ, বর্ত্তমান তিনিও লোকত অবিদিত, চৈধে ব্রহ্মাণ্ডত। চাই দেখে কৃষ্ণব নিজ শক্তিটো নাই। খেদকৈ মনে, এনে সভাবতে ফলে প'ল? তেহে ধ্যান কৈ চাই দেখে শ্রুতদেউ, জনক এবে বস্তু, কেবল বচ বাম, প্রেম, ভক্তি আচবণ, কথা মুখে বহিছে, ছুইব মাজতে ব্যক্ত হৈ আছেগৈ, তাবে শৈষ দশমব শ্লোকব আম্ভি ঘোষাত দিছোঁ।—

একান্ত ভকত যবে নিগুণ কৃষ্ণব গুণ
গাবে সদা বসিয়া যথাত।
বৈকুণ্ঠকো পবিহবি যোগীবো হৃদয় এবি
থাকা হবি সাক্ষাতে তথাত॥
আক ভণিবধব আগে গঙ্গাব বাক্য।
ভকতব হিয়া এবি বাহিবাত নাযা হবি
সদাই আছেঁ পাএ প্রেমডোবী

শেষ দশমব শ্লোকব ঘোষা

এক মই হৰি চৰাচৰ, মই বশ্য ভকতৰ,
দুৰ্ব্বাসাৰ আগে দামোদৰ।

এতেকে চাইটি বস্তু এ মূল, সহস্ৰ নামে শিলা, পুৰাণ ভাৰত ভাগৱতে ইটা, বেদ, বেদান্ত, উপনিষদ শিৰোৰত্ন, কৰাল চুন, গুৰ, মাহ, মাছ, বাইশ অৱতাৰে গা দশ অৱতাৰে চাল, শতনামে গলধা, আশীবিধ ভক্তিএ চৰিয়া, চাৰিবিধ শ্ৰৱণে পাঁচ বিষ, কীৰ্ত্তনে এই ন বিধে বৰবুটা, ন বিধ ভক্তিএ কলচি, আঠাৰ ৰসে ছোট বুঢ়া, চৈধে প্ৰসঙ্গে কলচি, নিগুৰ্ণা ভাগৱতী, অন্তৰঙ্গা, বিৰলা কেৱলা, সপ্ৰেমা, দহটকা খপিলে একটা কৰ খালে সুবৰ্ণ হয়, সেই খপিনে দহ হেম বোলে, তেনে দহে ৰত্ন। তেনে দহে হিৰা, তেনে দহে খপিলে বাৰ্থা হয়, তেনে দহে মাণিক হয়, কলচিৰ পূৰ্ণে এই ছয় বিধ ভক্তি, পঞ্চৰসে ৰহণ, পঞ্চতত্ত্বে জ্যোতি, মূলমন্ত্ৰ কথা প্ৰসঙ্গে শ্ৰৱণে চক্ৰ, নিজ নামে ধৰে, পাপ মাখি দোহাৰ কৰে। এনে পৰম তত্ত্ব হৰিভক্তি সুখত মোৰ হৰিকৃষ্ণে বহে। তেনেকৈ তই অসূয়া কৰ, ৰামকৃষ্ণ বাণি। ৰাশালি ধানৰ আগত নগল শুৱিএ সুচুলে পানী” তই. বৰ নহলে মোৰ হৰিকৃষ্ণহে জ্যেষ্ঠ, চাৰিতোকৈ ছোট জন্ম তোৰ। শুনি কেহো আএ অগ্ৰাহি হৈ পৰি কাতৰকৈ বোলে বাপ নেজানো, মই গৰু পশুৰ লগৰ, কি জানো মূৰ্খ পাপীএ অজ্ঞান দোষ ক্ষমা কৰক দাসৰ। আছি তাৰে পৰা অসূয়া এৰি মান সংকাৰ সেৱা কৰিব খৈলে বোধ হৈ। তেহে হৰি কৃষ্ণ আতৈ গৈ মাতি বুলি গুৰুজনক সন্তোষ কৈলে।

আৰু গুৰুজনে সবাকে চপাই বোলে বৃদ্ধকাল এতিয়া উঁকে শীতে চাউলি মুঠি বহাৰ নুৱাৰোঁ এজন ভকত দিয়াবক। তেহে সমূহে আলচি বলাই আতৈক দিলে,—উত্তম কায়স্থ দেখি। পাচে এসাজ চাউল সিজাই চেলেজ কাঢে হাত

বিচনি বেতৰ লৈ গুৰা খাই হাটী কান্ধি খলাত কুৰিছে। গুৰুজনে দেখি বোলে, এ আমাৰ চাউল মুঠি সিজাই আঠু মুৰ দি তুলিবই নেলাগিল, অপৰাধ অচিন্ত্রে কেনেকৈ সিজাওঁ বুলি। অ লোকক দেখাইছে কিনে মই বান্ধনি হ'লু। ই নালাগে আমাৰ চাউল সিজাব। এসাজৰে নাম হ'ল বান্ধনি বলাই আতৈ। বান্ধনি বলাই আতৈ

আৰু যদুমণি আতৈক গুৰুজনে পাচিলে বোলে সবাংতা কোৱাগৈ ৰিষা এৰি প্ৰীতি ভক্তি কৰোক। গৈকলে যাই চাৰীও হাটীত গুৰু আজ্ঞা। সকলো শলাগিলে। বিষ্ণু আতা বোলে এ যদুমণি তই গুৰু বাক্য কি শুনাই কুৰ? তোৰ কথা কোনে ৰাখি ধৰিব কৰিব? আহিলত সুধিলে বোলে কলানে, কোনে কি বুইলে? বোলে সকলো শলাগিলে দদাহে এনেকৈ বুইলে। বোলে আনৰ শলগাইছে যাব, ধৰে যদি বিষ্ণুএহে। পাচে নাম গাইছে দুদিন মান। এদিন গাৰ বস্ত্ৰকে দি পাচিলে যদুমণিএ নিছে মাথাতকৈ, বোলে বস্ত্ৰ আহিছে গুৰুজনৰ। তেহে সকলো আঠু ললে। বোলে যদুমণি, কিয় আমাক মাৰ? আমলৈ যো গুৰুজনৰ গাৰ বস্ত্ৰ লৈ আহ! বোলে মই দুবাৰ খাৰ্চ্চিলোঁ প্ৰাৰ্থনাকৈ, তিনিবাৰত গুৰুবাক্যে পৈলে সৰ্ব্বনাশ হওঁ দেখিছে আনিছোঁ, দুধৰিয়া খণ্ডাতে পৈলোঁ, ইও ধাৰে কাটে, সিও ধাৰে কাটে কি উপায়? অ'ত ৰাগ কৰা, ত'ত বাক্যে পৰে, প্ৰীতিভক্তি কৰবি দিছে সবাকে। বোলে মই যে এক কণিকা গুৰু বাক্য ক'লু, দোষত পৈলোঁ, মোক ৰাখক।

আৰু কামৰূপতে বুঢ়াআতা গ'ল আঠাৰে জনে লৈতত, গৈ বো মাৰিত চেকেৰী এৰৰত ৰ'লগৈ। সি সিধা পাই দিলে, ভোজন কৈলে। পুৰা বোলে চাউল সিজাই থ'ক, আতা বোলে কালি কৈলোঁ; অধিতে এসাজ খাব পাই, বেবৰ সম্মত বুঢ়া আতা লৌমাৰি চেকেৰী এৰৰ্ত

অবিচাৰে ; যাৰে হয়, দোষ নাই। এতিয়া আমি মহাপুৰুষকে গুৰু বুলিছোঁ, তুমি আছা অভজনে, চাউল খাব নেপায় অধলৈ জীৱক টানে। তেওঁ বোলে আমি ও হৈছোঁ ভকত। বোলে কেহানি, ক'ত? কাৰ মুখ প্ৰমাণ আৰ? বোলে গুৰুজন বৃন্দাবনলৈ যাওঁতে বাৰে জন ভক্তেৰে বৈ ভকত কৰাইগৈছে, এটা গীত কৰি দি গৈছে। বোলে আনাচো। আনিলে চাই,

"ৰাম, মেৰি হৃদয় পঙ্কজে বৈছে !
ভাই চিত্ত না চিন্তস কৈছে"

বাটিমৰা
হাকমা
ৰঙ্গামাটি
বলিচন বৰুৱা
গদাধৰনৈ
বৰণ ডোবা
ৰামৰায় কুঠি
ঘৰঘৰি জান

আতা বোলে আতৈ সব, আওৰাই থোৱা গীতটি। ললে, তেহে ভোজনকৈ গৈছে। গৈ বাটি মচাত কৈ হাকমাত বৈ, পাচ দিনা ৰঙ্গামাটিত বৈ বলিচন বৰুৱাৰ বাঢ়ীত বৈ গদাধৰ উতৰি বাঢণ ডোবাত বৈ গৈ, ৰামৰায় কুঠিত বৈ পাচদিনা মধুপুৰ নগৰ সমীপে ঘৰঘৰি জান পাই। আতা বোলে পালেই গুৰুজনে চাউল সিজাবলৈ ধৰিব। আতে স্নানকৈ চিৰা ভোজন কৰা হল। তেহে কৰি গৈ গুৰুজনকে পাই সেৱা কৰিলেগৈ, তেহে গুৰুজনে গোসানী, ঠাকুৰ আতা, সেৱকৰ বা-বাৰ্ত্তা সুধিলে কলে বোলে ক'ত বৈছিলা-হ'ক? বোলে প্ৰথমে এঘাঢ় ঢেকৰি বাঢ়ীত ৰ'লু, পুৱা ভোজন নকৰাত বোলে ভকত হৈছোঁ বুলি এই গীতটি দিছে, মাতি দেখালে, বোলে হয়, মহাপুৰুষ গুৰু কৈছিল, আমাত, লিখিবলৈ, থাকিল। ভলতে লিখি থলে। তেহে গুৰুজনে বোলে মথুৰাদাস সংকীৰ্ত্তন কৰা। পাচে উঠিল আতা, লক্ষ্মণ ওৰা পদ বুলিছে। আতা ঘোষা ধৈলে—

লক্ষ্মণ ওৰা

মথুৰা আতাৰ

ৰাম চন্দ্ৰ স্বৰ্গে চলি গৈলা।
অযোধ্যা পুৰী সবে শূণ ভৈলা ॥"
"কৃষ্ণ সূৰ্য্য ভৈলন্ত উদিত।
নামধৰ্ম্ম কৰিলা বিদিত ॥"

"মাধৱক দৰশন পায়া।
আনন্দ কৰি হৰি গুণ গায়া॥"
"মাধৱ বান্ধৱ দেৱ হৰি।
কৰা কৃপা দোষ ক্ষমা কৰি॥"

এই চাইটি ঘোষা গাই সেৱা কৈলে। তেহে গুৰুজনে বোলে দেখোঁ এই ঘোষা আমি কৰা নাই? বোলে বাপ, তোমাৰ পাচত খেদ অনুভৱ কৈ কৰা হৈছে। তেহে সন্তোষ কৈ আশীৰ্ব্বাদ দিছে আতাক। বোলে আমাক ঘোষাত সন্তোষ কৈলা, তুমিও আমাৰ ভক্তি বস্তুৰে সন্তোষ লভা, আতা দিনা চাৰি আছে, জীৱনা নৰত্তম আতৈএ গুৰুজনে পেখনালৈ যাওঁতে সেৱা কৈলে। বোলে নৰত্তম যোৱা নাইনে? বোলে বাপ, যাৰাত আশা ভৰষা, তাৰাকে বধা গৈছে, আমি কাৰে যাম? বোলে আমাৰনো পোৰা ভিটাত বন্তি জলিছেনে? বোলে বাপ, সেই দিনাই চাই গুচাই বালাই মাক আএ লগালে, একনিশা দিয়া থন্তি নাই, আপুনাকেহে দেখিবলৈ নাই। তেহে বুঢ়া আতাক বোলে তুমি থাকিব নালাগে যোৱা, থান ভক্ত প্ৰবৰ্ত্তাব লাগে শলা বন্তি। বোলে বাপ, কিহেৰে প্ৰবৰ্ত্তাম? বোলে হৰি বল্লভ, টকা দুটি লৈ আহা। আনি দিলেনি। পাচে মালতি ফুলৰ চোপ, টকা, দি বোলে তোমাক অধিকাৰ পাতি ৰবপেটা থানৰ এই টকা দিছোঁ শলা বন্তিৰ, তিনিও ৰাজ্যৰ লোকে সেৱাতে কৰ দিব। তেহে আঠাৰেও জনে প্ৰাৰ্থনা কৈ বোলে বাপ, আমাৰ সকলো সৰ্ব্বস ধূলা, মালা, কীৰ্ত্তন গৃহতে পুৰিলে, অনুগ্ৰহ-কৈলেহে হয়। তেহে গুৰুজনে বোলে বৰ ঠাকুৰ গুৰু নাতি দুটি শঙ্কৰ যেনে, তঁতে নলʼলা হঁক কিয়? বোলে বাপ, আপুনি পৃথিবীত থকাত কিয় কৰিম সি কথা! কৈলে বা কৰীৰ গোৱালি

কলী, কি মৰম জানিব, জানিলে বা পিব কিয় ? তেহে বোলে শ্ৰীশঙ্কৰদেউ, পূৰ্ব্বে আমাত শক্তি ভক্তি বল পৰাক্ৰম থৈ বৈকুণ্ঠে গ'ল। গুৰুবাক্য পালি গুৰুত্তৰ গুৰু ভাৰ স'লু, ব'লু। গুৰু নাতি সামৰ্থ হ'লত সোধালোঁ। কলিয়াদলৈ সভাতে কণ্ঠমালা দি, যি আছিল ভাগে ভাগে দিলোঁ। সাহ দি বাহ চোহোদ্দ'াত কি পাবা ? ততে লোৱাগৈহঁক।

নাৰ ঘোষা বোলে বাপ এই তযু পদ পঙ্কজ বিনে কাক জানোঁ আপুনি অনুগ্ৰহ নকৈলে। লাগে এনেই থাকিলোঁ। আনত আশা ভাৰষা নাই নাই নিচই। তেহে গুৰুজনে বোলে মই গুৰুসেৱাকৈ যি পালোঁ, তাকে ঘোষাতে থৈছোঁ, অনেক শাস্ত্ৰ বিচাৰি যি ৰস তত্ত্ব পালোঁ, তাকো ঘোষাতে থৈছোঁ, আৰু পৰমাত্মা ইষ্টে হৃদিত থাকি যি বুদ্ধি দিলে তাকো মই ঘোষাতে থৈছোঁ। এতেকে পদাৰ্থে ভাবাৰ্থে, তত্ত্বাৰ্থে, নিজাৰ্থে, গূঢ়াৰ্থে, পৰমাৰ্থে, অন্তজোৰাসৈতে, সম্ভৱ কৃপাত পাব, আমাক সম্পূৰ্ণে দেখিব। তেহে আতা আতৈ সবে, ঘোষাতে বিচাৰি নিচই কৈলে বোলে—

"কাঠৰ মালা ফুটে ফাটে। মনৰ মালা কাহা চুটে॥"

পাচে তেলীকৃষ্ণ আতৈএ চাব্ দিএ, লোৱাগৈ। গ'ল, দেখে, বোলে তাবা কলৈ গল ? বোলে লাগ নপায়,

"বঙ্গদেশী" বিশ্বাসত আছে, বোলে কিনো বিশ্বাস ভকত বস্তুক নেমাতে ? বোলে নবা শ্ৰবণ কৰাইছে। বোলে কি আশ্চৰ্য্য, সেই খিতে গুৰুজন থাকে, এই খিতে নবা সেৱা কৰায়, কি বঙ্গদেশী লোক ! পাচে সেইটে সকলো গৈ বাজাৰ মোপদৰে হৰিবোল ডাকিলেগৈ। বোলে কৈৰ লোক ? বোলে বৰপেটাৰ অধিকাৰ, বোলে কি হৈছে ? বোলে খত লাগে যাবলৈ। বোলে বাক দিয়ক। তেহে দিলে, চাব্লৈ আহিল। গুৰুজনৰ সেৱাকৈ বোলে বাপ, এই খিতে অহা নৈছে ;

সেই খিতে কৃষ্ণে লবা সেৱা কৰায়। কোলে ই বেহাৰ ৰাজ্যৰ লোক এনেহে এটাইতো বোলাবঙ্কা কথা। এ ৰাম ৰামৰ ভকত খানিহে পাগিছোঁ। তেহে আতা সমে সেৱা বিদায় কৈ আহি বৰপেটা পালেহি। শুনি ঠাকুৰ আতা, ৰামচৰণ ঠাকুৰ আতাত বাৰ্ত্তা সুধিলেহি। আতা সকলোখানি কলে। তেহে ঠাকুৰ আতাৰ ঠাইলৈ যি যায়, বৰপেটালৈ দিএ, জগতে ভাগি পৈলহি।

আৰু ৰামচৰণ ঠাকুৰ গল বেহাৰে। পাই সেৱা কৈলেগৈ। বা বাৰ্ত্তা সবাৰে সুধিলে। সুধি বোলে ৰামচৰণ কীৰ্ত্তন ঘোষা পুথিখান আনিছানে গোটাই? বোলে অনা হৈছে। হৈছেহে, বিজয়পুৰতে বলে মুৰাৰি থৈ আহিছোঁ। বোলে যদুমণি, দুজন ভকত দিয়া চাউল লোন দি বিহানে যাব, দিনতে গৈ পোৱাকৈ দিলে। গ'ল বেগাই লৈ, সন্ধ্যা পালেহি। দেখি গুৰুজনে আগবাঢ়ি গৈ মাথাতকৈ আনি থৈ পাচদিনা হৰি গৃহত মেলি চাই দেখে, যি ছোৱা য'ত দিব হব লাগে সেই ক্ৰমে হৈছে, দিছে। অমৃত মথনৰ প্ৰেমকলহৰ কীৰ্ত্তনহে অ'ইতা কছাবীত থাকিল, নেপালে। পাচে প্ৰশংসাকৈ বোলে মোৰ গুৰুজনে গোটাব দিছিল, নই মুৰাইলোঁ, গুৰুবাক্য পৰি আছিল সাৰ্থক, ভাগিনধন, গুৰুবাক্য ৰাখিলে মোৰ। তেহে দহ বাৰ দিন বৈ প্ৰাৰ্থনাকৈ বোলে পিতৃ মাতৃ বৃদ্ধ কাল আৰু বেটা পুত্ৰও নাই আমাতেহে আশা, যাবই খোজোঁ। তেহে ৰামচন্দ্ৰ, তোৰ পিতাৰ মোৰো পৰম উপকাৰী, শঙ্কৰদেৱক তাৰাৰ পৰাহে পালোঁ। এ তোৰ পিতা মাতাএৰ দহৰ্বৰ্ষতো একো নাই। এই তিনি মাহ থাক, যাব নেলাগে, ব'ল।

আৰু লক্ষ্মীকান্ত আতৈ গ'ল চোপৰ গুৰিতে বেটো সনাজন্ৰে সৈতে। মধুপুৰ পাই নাৰায়ণী টকা এটি বস্ত্ৰ এখনি

ৰামচৰণ ঠাকুৰে কীৰ্ত্তন গোটাই আনে।

প্ৰেমকলহৰ কীৰ্ত্তন

চোপগুৰিৰ আতৈ

নাৰায়ণী টকা

দি সেৱা কৈলে। আতাৰ, গোসানীৰ, বুঢ়া আতাৰ, বিষ্ণু আতাৰ বাৰ্ত্তা বিদ সুধিলে, কলে। মনপুৰ নহাত সভাত খেদকৈ এক আৰ্হি দিছে। বোলে কোনো লোক মহা আধ্যৱন্ত, কোটিলাখ হাজাৰ টকা আজে´ হাট বাটে বেপাৰ কৈহে। পাচে সেই পুৰুষতে খুনী, চুৰী মোকৰ্দ্দমাত পৰি সব টকা ভৰিও ধৰ লাগে। পুত্ৰ নাতিএ দুখ কালত খ'ক চাৰি—সদ্যে সি থকাতে দুখ হয়। এ আমাৰো মন পৰিচৰ্য্যা খানি কৰিছিল একে ক্ৰমে তিনিজন্মৰ বাৰ্ত্তা পৰজন্মত আহি পুনু ভূলোকত নৰ্ক সাৰি ভুঞ্জি চাৰি সদ্যে থকাতে দুখত মোহ তুষে পেলালে, কি কৃষ্ণমায়াৰ বল উপা। তেহে পাঁচ দিনা সনাতনে ধৰ্ম্ম লভি আছে। এদিন প্ৰাৰ্থনাকৈ বোলে প্ৰভু, একে ব্ৰহ্মজীৱ, ব্ৰহ্মাৰ স্ৰজনা স্ৰষ্টা পুৰুষৰ বাক্য স্থিতি বালিচাহিতে গজলৈ চাৰিও মুষ্টিতে চৈতন্য প্ৰভু আত্মা ৰূপে সবাতে সমভাৱে আছে ৰমাই দহো উত্তম মধ্যম, প্ৰাকৃত্য সুখী দুখী চক্ৰবৰ্ত্তী বাই বই কতো হস্তী, হএ দোলে, কেহো বৈ ভাত নেপায়, এই কৃষ্ণৰ বিষম শ্ৰেষ্টিত হ'ল। তেহে গুৰুজনে বোলে হিৰণ্যকে প্ৰহ্লাদক বোলে সবাতে বিষ্ণু আছে বুলি যে ক, সকলো একে সমান কিয় নহয়, সুখী, দুখী, ভিক্ষাৰী অনেক বিধ দহোঁ? বোলে পিতৃ কল্পতৰু যেনে সবাতে সম তথাপি মাগন্তাইহে ফল পায়, এতেকে ভজনি ভক্তিয়ে হে বিষম কৰাএ কৰ্ম্ম অনুসাৰে বাসনা দুখ সুখ ধনী মানী, ঈশ্বৰ, দৰিদ্ৰ ৰাজা ৰায়ত হৈ আৰ্জ্জিত ফল ভুঞ্জি ফুৰে সংসাৰত আয়াযাতকৈ যোনী চেপা খাই গৰ্ভবাস নৰ্ক ভুঞ্জি ভ্ৰমে, ঈশ্বৰত হন্তে জীৱ অংশে হৈছোঁ, তাবাকে ভজিলে তৰোঁ, নভজি মৰোঁ, ভ্ৰমোঁ। আকে যি-এ মনৰ মল এৰি মোহনিদ্ৰাৰ চেতন লভি গুৰুকে ঈশ্বৰ মানি হৰি ভক্তিকৈ ভজিলে সাৰে, ভূলোকত পৰি দু হৰায়, দেহ, গেহ,

পুত্ৰ, দাৰা, ধন, জন, ত্বক, চক্ষু, নাসা, শ্ৰবণ, এই বাত্ৰ ছয়ত ছুঁএ মজাইহে বেৰাইছেনি সি সিজন্মত যিএ।

আৰু ঘোৰাঘাটতে অনন্ত আতৈ আহি ধৰ্ম্ম ধৰি আছেহি হাটীতে। সেই দ্বাৰে ঠাকুৰিয়া, মেনা, দলৈ আহি গুৰু ধৰ্ম্ম ধৰি বোলে এই লঠাৰিয়াক দেখিহে বস্তু লভিছোঁ। আমাৰহে পৰিচৰ্য্যা কৰিব, আমি পাইক এৰি দিছোঁ। তেহে আতৈএ অহো পুৰুষাৰ্থ কৈ সেৱা বন কৰিছে। গুৰুজনৰ নিশ: দোভাগলৈ পাও জাস্তে, বিচে, তৈল টেঙ্গাদি। তেহে লক্ষ্মী-কান্ত আতৈ এদিন বোলে আমি আজ্ঞি কৰোঁ দিয়া। বোলে মোক গুৰুজনে ৰাগ কৰিব, সুৱাৰোঁ। বোলে দিয়া' গোপী সবে ভুগিছে কৃষ্ণ অধৰামৃত সৰ্ব্বস সবাৰে, তুমি সৰ্ব্বতে কৰা, ইটো অমৃতত আমাৰো দায় আছে। তেহে দিছে। সহজে অভ্যাসে কোমল, অনভ্যাসে মোটা আতৈৰ। সাৰ পাই বোলে অনন্তে দুঃখ পালা? বোলে বাপ, তাৰা নিদিএ, আমিহে প্ৰাৰ্থনাকৈ কৰা হৈছে, এ খৰিয়া কোৰে কটা বগৰা জীৱ, কিবা বাসনা লাগে। বলিএ এই পদ অৰ্চ্চি মহা ঐশ্বৰ্য্য পালে, গঙ্গা জলত উৎপন্ন। ইটো হস্ত বহো মৃতকৰ প্ৰায়, কিবা এফেৰি কৰ্ত্তব্য কৃত্য হয় বুলি কৰা হৈছে। তেহে গুৰুজনে হনুমন্তী কাব্যৰ এক আৰ্হি কৈছে। বিকুসিং দেশৰ বিৰমল ৰাজা চাকৰক দিএ দৰমহা এক এক টকা লিখিবা পাঁচনি তামূলীক দিএ পাঁচপঞ্চ টকা। ৰাজা মাদৈ সোৰন্নিকা বোলে ৰাজা তোমাৰ বৰ অধৰ্ম্ম হৈছে, মাহেকে মাটি কটা পাই—এটকা বহি কথা চলাহি কৰাক দিয়া পাঁচ টকা। ৰাজা বোলে মই ধাৰ যি যোগ্য অনুসাৰে দিছোঁ। বোলে দুই পাঁচ কঠিয়া পেটত দিবা একঠা একঠিয়াক দিবা, পাঁচ ক্ৰমাৎ ধৰ্ম্ম কৰিছা। তেহে হয়ৰুৰ দেশৰ হইবৰ সদাগৰ পৈ জান দিলে শ্ৰৱণ কৰিবলৈ। তেহে তাৰ দুই চাকৰ পাঠি দিলে ৰাজ

তৰপাৰ সেৱা

হনুমন্তী কাব্যৰ আৰ্হি

আজ্ঞা কৈ। সি দেখি দৰ কৰ দিয়ক চাবি নেমাতিলেই। কলেহি, তেহে ৰাজা হৰি গৌৰী দুই বৰ তামুলী পঠালে আজ্ঞাকৈ। দেখিএ সম্মান কৈ দুইক দশ ৰাজ লৈ চাৰিশ দি পঠাইছে। তেহে ৰাজা ৰাণীক বোলে চা। বোল অন্যায় কৰা, তাক নেমাতিলে দিয়ক চাবি। ইহঁতে তাৰো মেলালে মোলৌ আইলে শে। এতেকে মই যোগ্য অনুসাৰে দিছোঁ। এই জান কি শাস্ত্ৰ তত্ব, এ তোআও মোৰ পাঁচ টকীয়া।

আৰু ৰপ্তয় কাজী গৈ টকা বস্ত্ৰ দি চৈধ প্ৰসঙ্গৰ মূৰ্ত্তি প্ৰাৰ্থনা কৈলে। তেহে গুৰুজনে এক আৰ্হি কৈছে। বৰ সদাগৰে হিৰা, ৰত্ন, মাণিক, পৱাল, ৰজত সুবৰ্ণ কৰি অনেক চিজ বাখৰ দি খাত পাম হালগিৰি পুত্ৰ নাতিক দি থৈ যায় পৰলোকে। পাচত পুত্ৰ নাতিএ সেই সেৱক মাটি বিধান ভক্তি দি যোগ্য অনুসাৰে দ বাম চাই বৰ, লাহী, ফৰমা, ফাফৰি, ৰৰা, জহা, বাও মঠঙ্গা, মাইগুটীয়া, এই ন বিধ ভক্তি দি লগাই আৰ্জ্জি প্ৰবৰ্ত্তি প্ৰবৰ্ত্তাই যায়। উদ্ধৱত কৃষ্ণে একাদশতে কৈছে দুষ্ট, শঠ, দাম্ভিকত বাধা, খিতিঙ্গা, সৰপা, চোৰ, মচল এই সবত কলে থলে হ'ল চাবিকটিয়া মূলে হৰাই। এতেকে সাধু সবে মন বুদ্ধি অনুসাৰে কয়, পাত্ৰ চাই লয়ন্তু থয়।—

ন বিধ ধনৰ নাম (ন বিধভক্তি)

ভক্তি লয়ন্তু সংপাত্ৰত থয়

প্ৰমাণ নকৰি যিটো হঠাতে কহয়।
গুৰুদ্ৰোহ বিশ্বপাপ তাহাতে লাগয়॥
বিশিষ্ট শ্ৰদ্ধালু পাই নাম নকহয়।
জানিবা জীৱৰ বধ তাহাতে লাগয়॥

এ তোআ সব খিতিঙ্গা, সৰপা, বিষয়া, তিনিতাপে তাপিত, ৰাজা, ভাৰ্য্যা, পুত্ৰ, হৈ বৈএ বিশ্ৰেষ্ঠা, কি কৈ ৰাখি পালিবা। ই বস্তু যোগীন্দ্ৰ সবৰহে যোগ্য। আৰু তোআ সবত যি কৈ কৈছোঁ, সংসাৰ দ্ৰব্য বস্ত্ৰ টকা শিকা দিহা, এএহে সেৱকত

কোৱা একা যদি কৰ্ম্ম গতি ভ্ৰমণেই হয়, সেই সবে দাৰিদ্ৰ পৰা লোকত, তেও বাক যোৱা, শৰত, বহ ভাটি দিলে বিষয় এৰি সাধুসঙ্গ লবাহি, মহা গুহ্যতম বস্তু পাবা পূৰ্ব্ব পুণ্যে হলে লভিবা।

আৰু দীঘলা বকৰা চাউল সিধা ফলাহাৰ দি, পাচ টকা, পাট ভুনি পছৰা দি প্ৰাৰ্থনা কৈলে হংস নাম। তেহে গুৰুজনে ৰাগকৈ বোলে গৰ্ব্ব পৰ্ব্বত বিষয় চাঙ্গত উঠি আছ, উচলাত বৃষ্টি জল কাহানি ৰয়? দ খালতহে ৰয়গৈ। চাইটি বস্তুৰ আগগুৰি জঞ্জাল নাই মৰা, জকাই, বাৰৰ নৌ, পল খোজ? কোনে কলে তোত? বোলে বাপ, গুণ মালাত শুনিহে সোধোঁ। "তুমি মহা হংস, আমি নিজ অংশ, বধিলাহা কংস।" গুৰুজনে বোলে সত্যযুগে দেৱতা সবে আগম কৰাই ই বস্তু ঢাকিলে স্বৰ্গ লোভ দেখাই, তপ জপ, হোম দান ব্ৰত, তীৰ্থ-যজ্ঞ আনো তন্ত্ৰ মন্ত্ৰ কৈ। মোৰ পৰম গুৰু কলিযুগত দুখীয়া জীৱক কৃপাকৈ বেদৰ গোপ্যনি প্ৰচাৰ কৈলে বিহঙ্গম, পিম্পলায়ণ দুই যোগ, ভক্তিৰ সিঙ্গাল, বিহঙ্গমে অঙ্কুৰতে চৰে পুনেই ঝাপ মাৰি এ, পিম্পলানৰ একা, পিম্পৰা শিফাদি ক্ৰমে মূল লয়গৈ। পশু পক্ষীয়ান দুই গতি সম্প্ৰদা পশু গুৰুএ বীৰ্য্যবান কৈ তোলে, আহাৰ আধাৰ দেখায় বুজায়। পক্ষী পিতৃ গুৰু মাতৃভক্ত সংযোগে দুই পুত্ৰ জীৱ দুয় আহাৰ জ্ঞান তত্ত্বকৈ তোলে। অমূল্য বস্তুৰ মোলেই নাই। গা জোখে টকা দিলেও বোলে টকা বস্ত্ৰ আনিছোঁ মোল, অনেক কাল কৃত্য সেৱাকৈএ বৃদ্ধ হৈছেগৈ প্ৰাণে পোৱা নাই ই বস্তুৰ। তুমি আশা কৰিছোঁ আগলৈ হে। ভক্ত গুৰু চৰণ, কৃত্য বিত্ত চিত্ত সেৱাকৈ বাৰু ভাগ্যে জাগিবৰী, ভাগ্য হলে পৰে পাবিগৈ।

আৰু কটা গোপাল আহি জেলী কৃষ্ণাই ভাতে বৰ্ধিহি,

হংসনাম

পুৱা আতৈৰ পাচ চোতাল বান্ধি স্নান ধূলা লৈ গুৰুজনক সেৱা কৈলে গৈ। গুৰুজন নাম গাই গৈ চ'ৰাত ৰহিছে। বোলে নামত দহোঁ নেদেখিলোঁ, বুলি গৈছিলা, বোলে আতা আতৈৰ আগিলা বান্ধিলোঁ। বোলে নাম গাই কৰিব লাগে খেতি কৰা কিয়? বোলে সেবাৰে মুখে শুনোঁ নাম মূৰ্ত্তি ভকতৰ কৃত্য সেৱা কৈলে হয়। বোলে সিও হয় প্ৰপন্নৰ প্ৰণতৰহে টান। নৰৰ উপৰে ৰজা নৰোত্তম, ঈশ্বৰে গীতাত বিভূতি কৃষ্ণে কৈছে 'পাত্ৰ, মন্ত্ৰী পাতে অনেক' তিনি গোহাইৰ দৰমহা লগুৱা লিকচৌ, গা বিলাতীয়া, চহা জাৰৰ চাৰি চাৰিশ গা গাহি, বৰবৰুৱাৰে চেঙ্গা সোনধনি, ৭৫ ৰজিয়া স্বকনৰ তুশ, ৰাজখোৱাৰ ৭ টকুৰি, মেলদগিয়া বৰুৱাৰে ৪৫ কুৰি, নেওগ শইকীয়াৰ ৫৩টা, বৰাৰ গা ভাগী দোপাৱা, টাৰৈ বাৰিকৰ কিছু পাই, গাহে ৰয়। ভাৰী পছা দিএ দাই কৰিব পাইলে গাটি ৰ'ল, বৈ কিছু লাভ নাই। এ যাৰহে বন কৰিছা, কৰাইছে তোমাক ঢাকি লাভ দিয়ক চাৰি তেওঁৰ ৰা গা বৈছে নবৈছে, পেট চাই ভাত, মানুহ চাই মাটি, ঘি দই আঠ পুৰা ৰোএ, বয়, তাৰ খয়া বলেহে খাই হালছা পায়, সিএ হালছা কলে বলে তাৰ বন কৈলে, তাৰে গা নৰম, তাক দিব ক'ৰ পাৰ খাব ক'ৰ! এতেকে ভকত বস্তু সিঙ্গ এক শৰ্ণ পৰিপাকহৈ সেৱা সুখে নিপুন, ৰাজগুহ্যত যাৰা সব প্ৰবৰ্ত্তিছে, আপুনিও বৈছে, আনকো নিব ভাবৰা কৰাক উপদেশ দি পুকৰো ভাবিব এতেকে চাই কৰিব কৰাৰ লাগে।

আৰু জনাৰ্দ্দন আতৈএ প্ৰাৰ্থনাকৈ সুধিলে গুৰুজনত ৰাহু বৈষ্ণৱৰ নিৰ্গুণা কেৱলাৰ ভাগ। পৰম সন্তোষ হৈ গুৰুজনে বোলে চাৰিও ভাগ বাহুতে, ব্ৰহ্ম, মনু, ভীষ্ম ভাগৱতী; কপিল, কুমাৰ, শুক নিৰ্গুণা; যম জনেক,

(১) ভাগৱতী
(২) নিৰ্গুণা
(৩) কেৱলা
(৪) সক্ৰোধ ভাব

প্ৰহ্লাদ কেৱলা ; হৰ, নাৰদ, বলি সপ্ৰেমা। সবাৰে চাৰি চাৰি বিধ ধৰ্ম্ম প্ৰবৰ্ত্তন, শ্ৰীৰামৰ ৰামাউত, নিমাউত, ঋষি, দিগম্বৰী। সন্ন্যাসীৰ হংস, মহাহংস, কোটিশ্বৰ, বহবুদ এই চাৰি। ব্ৰহ্মচাৰীৰ গিৰি, পুৰী, ভাৰতী, বনসি এই চাৰি। চৈতন্যৰ গৌৰাঙ্গ, অদ্বৈত, নিত্যানন্দ, মাধআচাৰ্য্য এই চাৰি। হৰি ব্যাসৰ হৰি, হৰাঙ্গ, হৰমেশ্ৰ, হৰভক্ত এই চাৰি। সদা শিৱৰ—গৃহী, বানপ্ৰস্থ, সন্ন্যাসী, ব্ৰহ্মচাৰি এই চাৰি। আমাৰ গুৰুজনৰ চাৰি ভাগে প্ৰবৰ্ত্তিৰ—ব্ৰহ্মঘটি, পুৰুষ ঘটি, নিকা ঘটি, কালঘটি এই চাৰি। কালঘটিৰ নিৰ্গুণা ভক্তি হৰ—গুৰুত নিষ্ঠা ; ব্ৰহ্মঘটিৰ ভাগৱত ধৰ্ম্ম—গাৰ ; পুৰুষ ঘটিত নামত নিষ্ঠা হৰ। কেৱল নিকাঘটিৰ গুণ, যশ, একান্ত ভক্তত নিষ্ঠা সপ্ৰেমা হৰ। শৰণো হৰ চাৰিবিধ শৰণো চাৰি ভাগে চাৰি বিধ হৰ, গাৰ, যাৰ। ব্ৰহ্মৰ দেৱত নিষ্ঠা, কণিকা শৰণত, মলয়া শৰণ, কালঘটিৰ হৰ গুৰুত কাষ্ঠা, পুৰুষ ঘটিৰ কেৱল শৰণ হৰ, নাম মালাত ৰত, নিকা ঘটিৰ অমল শৰণ হৰ, গুণ যশ, কথন, শ্ৰৱণ, হৰ, গাৰ। আৰু শ্ৰৱণৰ চাৰি সিঙ্গাল, ভুজঙ্গম, দাদুৰি, বৈঠগোবচান। কীৰ্ত্তনৰ ছবিধ ৰাজসতামসসংসতি কৰিৰ নিৰিৰ কেৱল। বৈৰাগ্যৰ চাৰি যতমান বৃত্তিৰেক একন্দ্ৰিয় বশীকৃত্য। নাম চাৰি, জয় চাৰি, বেদ চাৰি, মূল শৰণ, জ্ঞান বিজ্ঞান, তদঙ্গ, ৰহস্য চাৰি, ভজন চাৰি, সঙ্গ, সচঙ্গ, শৰণ, ভজন ; প্ৰসঙ্গ চাৰি আনন্দ, থাপন, বন্দন, খেলা। ভক্তিৰ ছয় নিৰ্গুণা, কেৱলা, ভাগৱতী, সপ্ৰেমা, অন্তৰঙ্গা, বিৰলা। প্ৰাণী সবো চাৰিবিধ চাৰিভাগ, উত্তম, উত্তমোত্তম, মধ্যম, প্ৰাকৃত্য, ভাগ নৰোত্তম, নৰাধম, নৰাচাৰ, নৰাকাৰ। নৰোত্তমে লোকত হে লগাৱ লোকৰ নেথাৱ, উত্তমে লোকৰো থাৱ দিয়েত ; মধ্যমে নেথাত, নিলিপ্ত, প্ৰাকৃত্য থাকহে

চাৰিবিধ ধৰ্ম শ্ৰীৰামৰ, সন্ন্যাসীৰ, ব্ৰহ্মচাৰীৰ, চৈতন্যৰ, হৰিব্যাসৰ, সদাশিৱৰ, শ্ৰীমন্তাকৰ ভজন

থাব। নৰোত্তমে হৰি ভক্তি বৈকুণ্ঠে যায়, নৰাধমে নৰকতহু পাই নভজে হৰি আয়াযাত, নৰাচাৰে ধৰে, এৰে, নিন্দে, বন্দে, নৰাকাৰ একা আকাৰ হে নৰৰ, ৰাক্ষস।

আৰু হাজৰা আতৈৰ পত্নী হৰিপৰ্ব্বা, দয়াল। এক দিনা ৰাজাৰ ঠাইতে ৰাখৰ সিন্দুৰ, মণি আনি দিছে। দি বোলে আমালৈ আনিছা এইভোৰ গুৰুভকতলৈ আনিছা কি? বোলে আৰে যি হয়, দিবি তএ। বোলে মই দিলে মোৰ হে

হৰিপৰ্ব্বা

হৰ ভাগ্য, তোমাৰ কি হ'ল? বোলে তইনো কাৰ? বোলে থিৰ কৈ বিচাৰি চালে কাৰো কেউ নহয়, ঈশ্বৰ অংশীজীৱ, বৃক্ষ ছঁাত জিৰোৱাদি জিৰাইছোঁ। আমাক যি দিছা, হাতে কাণে ৰকাৰানি থলতহে পেলাইছা, গুৰুসেৱকৰ কঠিহে পাবা পৰজন্মত। পশুপক্ষী যোনী ভক্তি পাই বিষয়ৰ পুত্ৰ ভাৰ্য্যা, আত বিশ্বাস, দায়া, স্নেহ কৰা।

আৰু এদিন নপকা কঠাল ভাঙ্গি দিছে বানত, খাবলৈ তুলি নিছে। বোলে হা হা। বোলে কি? বোলে ন কঠাল বুলি কলু, গুৰু ঠাই দিয়া অচা নাই, সুসুধিলা কিয়? বোলে তই নিদি মোক দিয়? বোলে তাকে সুধিব না লাগিল? শ্ৰদ্ধাৰ চিন এয়ে নহয়? অ অপাৰ সংসাৰ যি ভৰাৰ, তালৈ স্নেহ শ্ৰদ্ধা খেদাই অনাদি জন্মত ৰাগৰি যি পাই আহিছা তাত আমাত হৈছে বিশ্বাস, কেনেকৈ সংসাৰ তৰিব, ই কথা দুৰ্লভ।

আৰু এদিন পাটবিহা দুখান আনি দিছে। আএ বোলে মোলৈ আনিলা হয়, ভকতলৈ আনিছা কি? পাচে ভাৰে এখান বেচি চাউল পিঠা দিলেনি।

আৰু এদিন গৃহস্তে কথা হৈ বহিছে। আএ বোলে আমি বুইলে হে দ্ৰোহ ৰাগ কৰিব।

গুৰুজনক কীৰ্ত্তনত শুনিছোঁ।—

কৃষ্ণ কথা এৰি সাতে পাকে বেঢ়ি
আন কথা কৈ থাকে।
অমৃতক তেজি যেন বিষ্ঠা ভুঞ্জে
গাণ্ডি শুকৰৰ জাকে॥”

এই কথা চোবোৱাতকৈ শুকজনতে হৰি কথা অমৃত পান কৈলেগৈ একা? তেহে গ'ল। তাৰে পৰা আতৈৰ বুধি দাঠ হ'ল।

আৰু এদিন বোলে গোপীনাথৰ বাপ, এশ কপাহ আনি দিয়া। বোলে টকা মহা হাতে নাই। তেহে আতা আতোলা সোনাৰ হিৰাপতা আঙ্গঠিটো দিলে, বোলে নে, ই শৰীৰত গা মুজুৰায় আৰু পিন্ধিলে। তেহে ভঙ্গাই আনিলে, কটাই বোৱালে, হ'ল। চাৰিকুৰি পাঁচজন ভকত মুৰি গৈ সেৱা কৈলেগৈ।

আৰু লক্ষ্মীনাৰায়ণ ৰাজাৰ ছয়কুৰি মাদৈ। সকলো ভকত হ'লহি। তাৰা সৰৰ মেধী পাতিলে ত্ৰৈলোক্য আতৈৰ পত্নী দায়ালক। তাৰা গৈ ৰহে হৰিগৃহত, ছওকুৰি মাদৈক যোৰা কীৰ্ত্তন গীত শিখাই প্ৰসঙ্গ কৰে নিতে। কৰ তৰ যাৰ যি চলে দিএ, তাৰা নি দিএনি শুকজনক। ত্ৰিলোক্যক মেধী পাতে

আৰু ৰাজা আই ধাইক গাঞ দিছিল খাজানা, এদিন বোলে দাছুহ্ খাজনাৰ টকা মুকুলায়, দৰমহাকে কুৰিচাৰক দেপা। বোলে সাতখান নিদিছোঁ গাওঁ? বোলে দিছা, মুকুলায়। বোলে তুমি দেশৰ উদাসীন পুহিবলৈ। বোলে হয়, গুৰু ভকতকো দিব লাগে। বোলে দ'ল পুখুৰী আদি শাকো এনে ভঙ্গাচিয়া ধৰ্ম্ম হয় বয়। উদাসীনক দিছা, খায় তৰ হাসিব, কি কাম কৰিছে কৰাইছা দেশৰ? আএ বোলে তই ছকুৰি আমনি, দেশৰ খায় চাই, শাক্ত, হৰি বিমুখিয়া বামুণক দি খুৱাই বৰ ধৰ্ম্ম ভক্তি কৰিছ। মোৰ হৰিজন পৰা

ভক্তক দিয়া গুণ নেদেখিলি ? পাপময় তনু, পাপ দুগুণ হে—
"গীতাত কহিলা দেৱহৰি। কলিত বৈষ্ণৱে বিষ্ণু জানা নিষ্ট কৰি।"

যাৰ যি গুণ গাত থাকে তাকে দেখে পাপ পুণ্য পা।

আৰু পওনিধি মুৰাৰী আতৈৰ মিত্ৰ। এদিন মুৰাৰি আতৈএ কলে গুৰুজনত বোলে আমাৰ আতৈৰ গৃহৰ ফালে বৰ ৰত। আছিল হৈ ত'তেহে মন থাকে। বোলে কোন আছে তেওঁৰ ? দুই ভাতিজা, বৌ, নাতি সব্ব আছে। তেহে গুৰুজনে খেদকৈ হিত উপদেশ এক আহিঁ কৈছে বোলে এক চাতৰ চাৰি চৌৰ, দুই গ'ল সভালৈ, দুই গ'ল চুৰ কৰিবলৈ। দুঠাই নেপাই খেদ কৈলে বোলে হৰি হৰি সিহঁতৰ মহাভাগ্য হব, আমাৰ হে গুচিল। সি দুয়ে খেদ কৈ বোলে সিহঁতে আজি ঘেটালে, আমাৰ গুদাই গ'ল পানীত, ই দুইৰ পুণ্য নিশা পয়োনিধি আতৈ বৰ্কা, ধন পোৱা হাতবে ৰক, চক্ষু, ছয় শক্ৰৱে কাঢ়ি ললে। সি দুইৰ লোভ মোহ, কাম, ক্ৰোধে নিলে মন চিত্ত বুদ্ধি খেদ অনুৰাগে আবিস্তা পঞ্চপৰ্ব্বা পেলাই পুণ্য ধন দিলে। এ বাপু সব মন মাতঙ্গ কাৰ শক্তি বাখিবৰ ? চাৰিপৰত দাল পাটে সুজান সবে বাখে বান্ধে ঘাঁহ দি গুৰুবাক্যে। আপবত আখে ফুৰে হস্তীক কোনে বাখে, তাত দোষ দুগুণ দেখা, তোমাৰ নচলাকৈ পাৰিচা বাখিব, গাব যদি এপাচি থাকে নেদেখে অন্ধকূপ কুৰি হস্তীয়াব অন্নমু তত্ব লেগাকট-নেপা। অমৃত হৃদ এচকতে মাখিটত নেবাচি চককো পেলায়, তেহে মন দাঠ হৈ ঈশ্বৰ বুদ্ধি হ'ল।

আৰু খৰাই হৰি গোসাঁই ঘৰীয়া কুকাইবে মিত্ৰ। সৈ গুৰুজনত কলে বোলে আতা আতৈৰ পূৰ্ব্বে বিটো খেদ দেখি বৰ লতা হ'ল সেই খেদ এতিয়া গ'ল। দেহ প্ৰবৃত্তি পৰত মলায় বত। নামগুণ গুৰুতক হৰি কৃপাত মথা ভাঙিল।

তেহে খেদকৈ গুৰুজনে বশিষ্ঠ সংহিতাৰ এক আছি কৈছে। এক বণ্টে ব্ৰাহ্মণত গুৰু মানি মন্ত্ৰ ললে। থাকি কতো কালে দুখী দৰিদ্ৰ হ'লগৈ। গুৰু চোৰ বৃত্তি ধৰিলেগৈ, শিষ্য গৈ জমিদাৰ পাটগিৰি মজিদাৰ হ'লগৈ মাৰও দেশত বৰ আঢ্যৱন্ত হৈ বস্তি বায়তে। গৈ দেখে এক গিৰিএ চোৰ ধৰি খুন্দি মাৰি কুন্দ দি থৈছে। চাই মনকে পূৰ্ব্বৰ সেই গুৰু এই। বোলে এইটো ক'ৰ ইঁক অ। বোলে কৰ্ত্তা চুৰি খাৰ মাৰি থৈছোঁ। বোলে কি লৈ এৰ? বোলে মহা অষ্টম দুখী দৰিদ্ৰ, কষ্টা নাই কি দিব? বোলে মোক দে, তোক টকা পাচ দিছোঁ তাৰ। বোলে এনেই দিছোঁ বাপ হে। তেহে বাজ কাজ এৰি লৈ আহি গৃহ পাই মাহ হলিদ্ৰা সৈতে পঞ্চিশ ঘট জলে স্নান কৰাই দীব্য বস্ত্ৰ ওৰাই ঢাবি কঠে বালিশ তলচা বসাই চৈমা শৰাই দি আঠু লৈ বোলে এ বাপ বৃন্দাবনে গোপ শিশু সঙ্গে গোপীৰ গৃহে যি চোৰ চাতুৰি লীলা খেলা কৰা গ'ল, সি কাল গ'ল তেতিয়াই। এতিয়া ঘোৰ কলি হ'ল, এৰক সিকথা। মই দাস আছোঁ, হৈছে আপোনাৰ প্ৰসাদে। এই বুলি টকা, বস্ত্ৰ, গৰু, দাসী, দাস দি পঠাইছে। এতেকে যি যাক গুৰু বোধে মানিব এই ভাও হলেহে সংসাৰ সুখ। কৃষ্ণদেউ যদুবংশে অৱতৰি কংস, কেশী, বাঘ, কুজী, যোল হাজাৰ পত্নী কৃত্য কৈলে। সেই দোষকে গুণ গাই তৰি পৰমপদ বৈকুণ্ঠ পাই গৈ যি-এ উপকাৰী অজ্ঞানীয়া সুহৃদ এই ভাও মান নহলে, নীচ বুদ্ধিৰে মনুষ্য দেখি দুখান ই সংসাৰ তৰণ দুৰ্লভ হৈছে বাপু সব। শুনি সবাৰে মন দাঠ হ'ল।

আৰু কেহো হাজৰা আতৈৰ বেটা গোপীনাথে সুধিলে বোলে আতা তেলী কৃষ্ণ গোপাল বাব এই ৰূপে বহো ভকত বঢ়াই পাতিছে, কেনে এ আচাৰে পাছে। কেহো [illegible]

ভকত প্ৰতি ভাৱ

কয়। ধৰা কোৱাৰ কি হব থান থিতি? তেহে গুৰুজনে লঘু ভাগৱতৰ এক আহিঁ কৈছে বোলে মন সদাগৰে নৰতনু নৌকা পাই ভাৰত হাট বেপাৰে গল, কলে নদীএ। আশা

ভাগৱতৰ আহিঁ

কাল নদী হ'ল। ধনে জল লোভ, মোহ, কাম, ক্ৰোধ, ডকা, চাকনৈয়া, পাক, ঢৌ, খেদ, তৃষ্ণা বেগ চৰখৰিয়া, তাতে পৰি স্বৰূপ পাসৰাই নাওঁ বুৰালে, সব তত্ত্ব গ'ল ভাসি। সান্থৰি শ্ৰেষ্টা হৰাই কলমতিয়াই গৈছে। তেহে বুদ্ধি চাপৰি, ধৌৰ্য্য খহনিয়া খহাই গা পালেগৈ। পঞ্চপৰ্ব্বা পাপ পলস ক্ষমা তুষ্টি, বিৰকতি; শিমলু, মদাৰ, পোজাৰ তিনি গাচ, ৰজ, সত্ত্ব, তম, তিনিএ মূল দশেন্দ্ৰিয় চাকলিয়া শিকা খহাই বেগত পৰি আছে। গাত লাগি তত্ত্ব পাই ধৈলে অধিভূত অধ্যাত্মা, অধিদেব, তিনিতাপে গুৰি ছিগা পৰি গুৰু শিষ্য চৰা কোৱা অপাৰ সংসাৰত উটি বেৰাই আয়া যাতকৈ ফুৰিব, কল্প সীমাকৈ সচঙ্গী সব।

ৰজা লগা দেশ, গুৰু লগা ভক্তি, শাহুতী, বহাৰী সচঙ্গী আজ্ঞাপৰ সব, উপদেশী, উপকাৰী, বান্ধৱীয়া সুহৃদ, জ্ঞান, বিজ্ঞান, তদঙ্গ, ৰহস্য, শ্ৰৱণ, স্মৰণ, বন্দনত নিষ্ঠা হলে, বাত

ৰজালগা দেশ গুৰুলগা ভক্তি

বৃষ্টি, গুৰুত মৃত্যু সঙ্গে দোষ নহলে তিনি প্ৰৱৰ সাৰিব, জীৱ, কলা কলে তিনি পিৰি বলি যেনে পৰে চক্ষৰা হয়গৈ। হৰি পাদ পদ্ম হিয়াত প্ৰকাশ কোৱাৰ গুনাওঁ, অহো পুৰুষাৰ্থ কৈ ধৰি কৰি হৈ তৰিব কালনদীএ। এ আতৈ সব আজ্ঞাত বাৰিনা আজ্ঞা, নৰতনু নৌকাত আগ কটা বাঁহ শিষ্য বান্ধিলে এতৰ গহণ বনে লাগি গুৰু বাক্যত নৰহা শিষ্য মূৰ কটা বাহে ধৰি দেহ মাৰে মেলা সৰক। মুখ জপোৱা সব তুলা নাওঁ মেলি দিব আগে গোৰে উপকাৰী আত্মীয়া কল্পালি অনুকূল বায়ু ফুকলেই, শ্ৰৱণ কীৰ্ত্তন, বৈঠা; নিৰ্জ্জনা সে পাল শত সহস্ৰ মাৰে বহু, খেদ অনুৰাগে টানি তৰি দিব একে

চাটিএ বৈকুণ্ঠত তুলি থবলৈ প্রয়াস কি ?

আক যাবা সবে গুৰু বাক্যে যি সৱত বৈছে তাবা সবেও অহো পুৰুষাৰ্থ কৈ উপকাবী, আত্মীয়া সুহৃদ তিনি খুটিত প্রেম বজু লগাই মন মাতঙ্গ জীৱ সৈতে বান্ধিলে। তাবা সবব অতে সংসাব গুথাই বংশ পদহে বৈছেগৈ, অত আৰ্হৈটো বস্তু তত্ত্ব মুক্তিব বন্টা খানিএ যিহে পৰ্ব্বত বব পাবে তেওঁ তুলাকে নলয় যিহে তুলাকে ধবিব বব মুৱাবে ফুতে উবায় নি ফুবে পৰ্ব্বত লব ববলৈ। শ্রদ্ধালু সবে কৈছে লৈছে। যদি কৰ্ম্মগতিএ মনেই হয় সেইসবেই দাক্ষে, এতেকে কোৱাত গুণ হুগুণ হওটা আছে। থল চাই বিচন হুমুপাই মূল্যে হবায়। এ ভাবীএ ভাব বয়, দেখায় কি তোমাব কেকো জেকো ?

আক বাবে বিলাতব কৃষ্ণবে তেলী কৃষ্ণবে মিত্র। তেলী কৃষ্ণাই চলিলত তাবা গুৰুজনত প্রার্থনা কবিলে। হবিগতি আতৈ লৈ পবমাৰ্থ ভাগে। তেহে গুৰুজনে বাগকৈ বোলে বিষয়াব বুঢ়া একো নাজানা গোটে মূৰ্খ। ভালেহে সখিএ কয় কথা তত্ত্ব নেজানিলে বাপেকব পুথুবীত পবি মবে পুতেক। উপকাবী পিতৃ আত্মীয়া মাতা, চাবিটি বস্তুএ চাবি পাব বিচাব সন্তোষে জল। তত্ত্ব নেপাই বাক্য পাব ভাজি মবি মবি সংসাব আয়াযাত হয় কত্ম সীমাকৈ।

আৱা সুতাবে পূৰ্ব্বত আবি থয় থুবব শাকো হে, তই মই মনত আহিলেও, মৃত, দোষ ছিগি কাটি মবে সৰ্ব্বনাশ হৈ। নলগাকৈ থাণিক নিহিগি চলিলে নৃত্য কবে সুজান লোকে। বৰ্ত্তিলো গুৰুজনব কৃপাত ইবাব তাবাব ধূলাব প্রসাদে। তোমা সবে বক্ষা পবাত হুনাই জঞ্জাল পাতি শিল জাবিবলৈ থবা পুনব। তেহে যোবা মাতি এক আৰ্হি কৈছে।

"কলিত হবিব কীৰ্ত্তন এবিয়া আনমতে চাহে গাঁত।
যেন কূল বধূ, নিজ স্বামী এবি, অকে পৈয়া উপপতি।

কলিত হৰিৰ কীৰ্ত্তন এৰিয়া
অন্যত্র কৰ্ম্ম আচৰে।
মিচাতে কেৱলে শ্ৰম মাত্ৰ পাএ
একোএ ফল নধৰে ॥

আৰু ভৃগু ৰাজাৰ দেশত এক চাকৰে মেঘ মণ্ডলৰ ৰাগ দিলে, তুহিঅ ভূতাৰ্ত্তি নাম শুনি মোহ গৈ ৰৰিলে স্বামী ভাএ। পাচে অনেক পাত্ৰ মন্ত্ৰীৰ কুমৰ, দেখি ৰূপৱন্ত মোহ গৈ চিত্ত দিলে। দি নিজ পতি খৰি ভাৰীক হাঁহ ছাগ ৰখীয়া দি অশ্ৰদ্ধাকৈ নোসোধে। নৰ্ব্বিনামে এক পতিব্ৰতা শাস্তীৰ স্বামী বিহীন হ'ল, আনি জাহ্নবী গঙ্গাৰ তীৰে থৈ গুণ বৰ্ণাই কান্দিছে। তেহে ৰাজাৰ নন্দিনী স্নানে গৈ দেখি বোলে হেৰা তুমি ৰূপ যৌবন, সুন্দৰ নাৰী হৈ কুচিত বিকৃত কুৰূপ লোকত লৈ কান্দ খেদকৈ? ৰূপে যৌবনে এটা পুৰুষ দিম এৰি পেলা শোক দুখ। তেহে শাস্তীএ বোলে পতিব্ৰতা নাৰীৰ স্বামীসে তপ, জপ, গুৰু, বন্ধু, সুহৃদ, সোদৰ, পিতা, মাতা, ধন, জন। তেনে ভৰ্ত্তা এৰি যি পৰ পুৰুষত ইচা ৰতি কৰিব, বেশ্যা, আনক পৰশে হে স্নান। সেই সবক দৰশনে স্নান পাপ হয়, ৰাজনন্দিনী হৈ কিয় এনে বাক্য বুলিলা মাই? আৰাকে চিন্তি কৈ কাল দিন যাব। চাইদিনীয়া দেহা যাব আশীৰ্ব্বাদ কৰিবা মাও। তেহে ৰাজ কুমাৰীএ শুনি বোধ হৈ গৈ নিজ স্বামীত পুনৰ শ্ৰদ্ধা ৰতিকৈ ৰ'ল। তেহে ৰুকৰা দিছে বোলে "পৰ্ব্বতৰ হাতীএ চুৱা পাত খায়। কুৰি গঞা পাপ কৰে মহাৰথান গৰ্ব্বে যায় ॥" এ আতে সব, গৰ্ব্বে গৰ্ব্বিত, মন মাতঙ্গ, পৰ স্ত্ৰী, পৰ ধন দ্ৰব্য অৰহ, পাপ, চুৱা পাত বুলিৰে লোটে লৈ। ৰাজা গণে পাত্ৰ মন্ত্ৰী এবাৰে ইন্দ্ৰিয় চৰিশ তত্ব, ষোড়শ বিকাৰ যাই পাপ আচৰে, মহাৰথাৰ বাসনা বিকাৰ আয়াবাত হয়। তেহে গুৰু বাক্য শুনি

ভাৰ্য্যা-নাৰী

একমন হ'ল সবাবো।

আৰু শুৱালু কাজীএ কথা প্ৰসঙ্গৰ মাজতে বাজাৰৰ কথা কাৰ্যনা প্ৰস্তাৱত বয়। তেহে গুৰুজনে যোবা কৰি মাতিছে—হৰিৰ কীৰ্ত্তন, সমএ যিজনে।

থাকে আন কথা পাতি।
অন্তকালে নিয়া, যম দূতে ধৰি
কৰে তাক উগ্ৰ শাস্তি॥
দেবৰ বহস্য হৰিৰ কীৰ্ত্তণ
মুশুনিলে সাৱধানে।
যম দূতে নিয়া তপত শলাক,
বাহএ তাহাৰ কাণে॥

এ আতৈ সব বৃথা কথা পুত্ৰ, দাৰা, ধন, জন, আযাৰ কেসাৰ কৈ সংসাৰত আয়াযাত বেৰাইছোঁ, ভ্ৰমি বাৰে বাৰে, এই বাৰ তাক এৰি হৰিকথাত ৰতি কৰা বাপুসব, অমৃতৰ মুখত তিতা গুটি লোৱা কৈলে পুনৰ?

আৰু ৰবনগৰতে শ্ৰীহৰি আতৈএ প্ৰাৰ্থনাকৈ বোলে বাপ, আমাৰ মন গোট আশা সমুদ্ৰৰ পৰা তুলিব নুৱাৰোঁ। অনেক প্ৰবন্ধকৈ, ধন জন কনক কামিনীৰ পৰা। তেহে গুৰুজনে বোলে অনাদি জন্মত বগৰা ধৰীয়া জীৱ সহজ হৈ আছে ভাটিমুখে, উজাবলৈ টান। বিষয়ৰ কূঠাৰ জলাবলি আছে, শ্ৰীহৰি ভক্তি
প্ৰবৃত্তি নিবৃত্তি হৰিভক্তি আজুৰিও টান আনিবলৈ। ব্ৰহ্মাৰ সৃজিত এধাৰ ইন্দ্ৰিয় চবিশ তত্ব, ষোড়শ বিকাৰ অভগন, পঞ্চভূতবহে ভগন, গজবতে হস্তীলৈ কীট পতঙ্গ, স্থাৱৰ, জঙ্গম, এৰা এৰি নাই, দেহ জীৱৰ। এতেকে [illegible] গুৰুবাক্যে জ্ঞান অঙ্কুশে এবে সত্তৰ সঙ্গে বুজাই ধৰোনি সেৱা পৰত চলে যলে। এ নৰনৌকা ভাগি গৈছে, ঘাটে বেজি আছু তিনি পৰ পঁল, যোৱা হৈছে অপাৰ, বঠা হল ভগ,

প্ৰসঙ্গ দুই বা একত বহা। আশা নদীত লোভ, মোহ, ঢৌ, বতাস ডকা কাম ক্ৰোধ, কুম্ভীৰ মগৰ, কহ্লালি গুৰুভক্তুতো শ্ৰদ্ধা প্ৰীতি নাই ৰত, বাৰ বাহ চাইটি বস্তু চিন্তন ভাৱন নাই। নাওঁৰ বাৰ পিৰি পচি গৈছে। দাঁত, চুলি, চক্ষু, নাকলৈ, জৰা কালে দেহা, খেদ অনুৰাগে তৃষ্ণা, ধাম খুমীয়া পাক চৰখৰীয়া সঙ্গ, সচঙ্গত দোকল্লা বানি ফটা চুৱা বিদ্ধা, অনিচএ কৰসাল পচা। ঢৌ-বাতাসে বুৰাতো যাৰা সবে নিচয় কৈ কহ্রু শাল মাৰি শ্ৰৱণ, কীৰ্ত্তন, বঠা চাৱ নোৰিব, ঈশ্বৰে পাৰ কাখ চপাবগৈ। এৰিলে একা গ'ল ভাৰতবৰ্ষ নৰতনু ধন্য কলি দেৱৰ দুৰ্ল্লভ ব্ৰহ্মাৰ প্ৰাৰ্থনি হাতে চাপৰদি। তেহে আতা সেই দিনা গৈ মাঞ্চৈ উভিৰি মন্যা গুৰিতে ৰহি পাচ দিনা হাইঠা গুৰিত বৈ কুৱৰী হাটতে যাতৃ চাতে লগ লাগি গৈছে। কিন্তা পাৰ হৈ কালডোবা গঞ্জে বৈছে। নিশা যদুমণি আতৈএ ভাটিমা গাইছে—

"ব্ৰহ্মা মহেশ্বৰ যাকৰ চাকৰ।"

দুৰ্ব্বিনা সন্ন্যাসীৰ চাত্তে এশ ব্ৰহ্মচাৰী সন্ন্যাসী শুনি জলি উঠিল। কেন চেলা দোচোবা বাত বজাই গুৰু নিন্দা, বেটা কৈবা যাত্ৰী? এই বুলি গালি উঠাই ৰাগি চোটাৰি দাজি গৈছে। আতা দেখে প্ৰাণ বধে। তেহে বোলে বৈ চালীৰ বেটা দুৰ্জন। ব্ৰহ্মা সদাশিৱ জগতৰ গুৰু, কাৰ চাকৰ কেগ' নেকৰ? বুলি পিঠিৰ উপৰত হাত দি চাৰি চকা মাইলে কাকটে। যদুমণিএও ৰাও কৈলে মেলোঁ মেলোঁকৈ। আতা বোলে চেলাৰ বেটাক তোৰা সবৰ হৈ, মএ দণ্ড কৈলোঁ। তেহে চুপে ব'ল সব দণ্ডী। পাচে আতা আতৈ লৈতে নিশা শুনি আলচি বোলে আবা গ'লে দেহ ৰাখিব, কিৰূপে সাৰো। তেহে চলাকৈ

সন্ন্যাসীৰ জগৰ

বোলে কাহিলা গা হাটিব নপাৰোঁ। গুৰুজনক পাই তিনি দিন থাকি জগন্নাথ চন্দ্ৰ গ'ল গজালৈ। সেই জেমান ব্ৰহ্মচাৰীতে বাৰ্ত্তা কলে। বোলে হামাৰ চাতে ভাগিন হই জগন্নাথ চৰণ, আগাৰি গৈ আছে। মমাখান কাহিলা, বৈ যাব দিছে। তেহে সি সব বাস্তা বাওকৈ গৈছে জগন্নাথচন্দ্ৰ কাইবে। তেহে গৰাঙ্গ উতৰি পুণৰ্ভৱা গজাৰ কিনাৰেদি নাইগঞ্জত লাগ পাই কলে বাৰ্ত্তা মমাখানৰ গা বিৰাম বুলি। শুনি আতৈ ফিৰি দাণ্ডৰি আছিছে। আতা ধীৰে সুতে গৈছে। কৰতীয়াৰ কিনাৰে লগ পাই গৈছে তিনিও। গৈ জাহ্নৱী পাৰ হৈ সোমনগঞ্জতে বহি কালিন্দ্ৰী উতৰি ভক্তিপুৰে বৈ পুথুৰীয়া গঞ্জে বহিছিলম পুৰ ঘাট আঠ দিন গঙ্গা পাই স্নান, পান, দান, দখিণা কৈলে। জল, মৃত্তিকা, ছুদ ছবাই লৈ আহি বিনাজপুৰতে তেলী একচেৰ, চেনী একচেৰ লৈ সাদিনে পাই, জল, মৃত্তিকা, চেনী, অম্বল গুৰুজনক দি সেৱা কৰিছেহি। বাজা আজ্ঞাকৈ দিছে যত যাত্ৰী বৈৰাগী আছে মানে গুৰুজনক, জল মৃত্তিকা, দিব পায়। ভৰি আছে, লোৱা নাই আমি। বোলে বাপু, গঙ্গোদকত পোহ দিছানে? বোলে বাপ, তু নেপাওঁ, কিবা পোহ? বোলে টুটে পতি নদীৰ ভৰি আনে পানী। তেহে মেলি চাই বোলে আমুকএ গঙ্গা সম্পূৰ্ণে আনিছে, লব লাগে। গুৰু ভক্তে লৈছে, লৈ বোলে হৰিবল্লভ বাপুৰৰক কাভৰ-কলঠি কাইকৈ দিয়াৰক গহন-জলৰ মৎস্য বায়ু শান্ত কৰে, দিলে, ভোজনকৈ বঁজ। তেহে চাইদিন বৈ পৰমাৰ্থ দিলে। নিশা শুধিছে গুৰুজনেও পুৰুষো সাৰ থলে। পাচে গুৰুজনে বোলে মোক* বাদে ভুঞা ধৰাত বাউসীতে আমাক পাচিছিল, সখীএ বাখিলে গুৰুবাক্যে পৰি আছে, যাব নপাইলো আমাৰ গা বাদে

অসাৰ ৰাজ্যৰ বিষম কথা

তুমি যোৱা। তেহে আতা প্ৰাৰ্থনাকৈ বোলে বাপ, অসাৰ ৰাজ্যৰ বিষম কথা, দদা, খুৰা, পুত্ৰ, ভাৰ্য্যা, ধন, জন, মায়াময় সংসাৰ পথ পশুপক্ষী কীট পতঙ্গ আদি যোনীত আয়াযাতকৈ বেৰাই ভ্ৰমিছোঁ। মহামুনি গনৰো মতিভ্ৰমকৈ জন্ম লগায় কণক কামিনীৰ সম্পৰ্কে বিশ্বামিত্ৰ, পৰাশৰ যোগীন্দ্ৰ মুনি সবৰ মনৰা হৰণ কৰে। এতেকে প্ৰভু কাতৰ হে কৰিছোঁ। তেহে বোলে হৰি বল্লভ, ভৰালে নিয়া বাপুৰৰক। নি দেখাইছে, পশু, মৎস্য, কচ্ছপ, বস্ত্ৰ ৰজত, সুবৰ্ণ সবাকে দেখি সেৱা কৈলেহি। তেহে গুৰুজনে চৰ্চ্চি কৈছে। আৰু বোলে বাপুৰৰ, আমাক তুমি দেখিছানে? বোলে বাপ, দেখিছোঁ। বোলে নাই দেখা। বোলে দেখিছোঁ। তেহে গুৰুজনে নাইদেখা বুলি মুখ পদ্ম মেলি দেখাইছে। এক ভাও দেখি আতা বিস্ময় বিশ্ৰুতি হৈছে। আৰু বোলে বিষ্ণু ঠাই যাবা, মোৰ সখি ঠাই যাবা, বুঢ়া মথুৰা তক যাবা, যদি যোৱা গোপাল ঠাইও যাবা। এতেকে আমাক সম্পূৰ্ণে দেখিবা। পাচে আতা খেদকৈ কান্দিব ধৈলে বোলে বাপ, তোমাক যেনে দেখিলোঁ, কাকনো হৃদয়তো লৈ চাই-চিন্তি যাম? যদি আতা সবৰ ঠাইত সোমালাগৈ কি চিন ঠিকনাৰে কব আমাত? বোলে বিষ্ণুত ধৰিবাগৈ আহোঁতে বৰ নাওঁৰ আহনচৈ তলে যি সুখ কীৰ্ত্তন কৰিছোঁ। চৈ দাদি দেখাৰ, আৰু মথুৰাত কৰাগৈ নেওৰাতলে সোমজাত গুৰা ভোজন কৰোঁতে যি বস্তু কৈছোঁ, নাওৰা চিতাই দেখাৰ। মোৰ সখিত প্ৰাৰ্থনাকৈ ধৰিবা গৈ একাদশীত মজিয়াত চিৰা ভোজন কৰাত পৰম আনন্দত মজি বহুত চাল হাৰ অছি মজাৰে বৰ কীৰ্ত্তন কৰিছোঁ। চাবি বাৰ গুচাই মাজৰো বাৰ দাদি দেখাৰ। সকলে পৰ কৰছে ধৰি দেখিবা। এতেকে আমাৰ সম্পূৰ্ণে

উজনীয়া বাপুৰৰক বস্তু সৰ্বস উজানত সৰ্ব্ব প্ৰকাৰ কৰিবলৈ পঠায়

দেখি পাবা যোৱাগৈ। পাচে আতা অনেক কাতৰ ভুতি নিবেদন কৈ গুৰুজনত প্ৰাৰ্থনা কৈলে, বোলে বাপ সংসাৰৰ তিনিতাপে দিন হলে পোৱে, নিশি যায় মোহ নিদ্ৰা মায়া শয্যাত পৰি। দাৱাগ্নি জীৱক দগ্ধ কৈ শ্ৰেষ্ঠা জ্ঞান হৰাল। তযু পাদ পদ্ম শ্বেত ছত্ৰ প্ৰায়। অমৃত বৰিষে সৰ্ব্বদায়।' আতে পৰি সতাইছোঁ হি চেতনকো দহো নৌলছোঁ, অধম পাপীকনো কেলেই ঠেলে তিনিতাপলৈ আকো? গুৰুজনে বোলে বংশীযত্নমণিক পঠালোঁ, গোপালক থৈ আহিলোঁ, এ কুকুৰিকণা নাওঁ বাই গালৈছে আওকালে, মোৰ পৰম গুৰু শ্ৰীশঙ্কৰদেৱৰ নাও নকয়। তুমি যোৱা, তোমাত হন্তে মহাশুদ্ধ ভক্তি পন্থ প্ৰচাৰ হব। তাতে ধৰি অনেক জীৱ উঠিব গুৰুজনৰ পক্ষ পথ বাঢ়ি মুকলি হব, কৰ, এতেকে পাঁচিছোঁ, যোৱাগৈ। পুনৰ আকৌ নাহিবলৈ প্ৰৰ্থনা কৰিব খোজোঁতে শ্ৰীৰাম আতা মাত লগাইছে বোলে হৰিপো, গুৰুবাক্যে শিৰ পাতি ধৰা, দুইবাৰ খৰ্চিলা; আৰু বাৰ পাৰিলে জীৱৰ সৰ্ব্বনাশ। তেহে আতা উঠি গৈ শ্ৰীৰাম আতাক প্ৰণাম কৰিছে গৈ, বোলে মই অধমে আজিএ সৰ্ব্বনাশ হলু হ'তে, তোম্ৰাত হন্তেহে গুৰুবাক্য ভক্তি বুলি জানি ৰক্ষা পালোঁ। তেহে আতা প্ৰাৰ্থনা কৰিছে বোলে বাপ, প্ৰথমৰ অক্ষৰ মূৰ্ত্তি চিনাই দিয়ক, শেষৰ তিনি মূৰ্ত্তি মনে ধৰি গৈছে। পাচে গুৰুজনৰ পূৰ্ব্বৰে এতে বস্তু চিনৰ কাৰণ কৰিবছে লাগে পাচলৈ আছি।

যাৰ যেন বুজি হিয়া, পৰম প্ৰসাদ দিয়া
ভৈলা প্ৰভু জগতৰ বাজ।

ভাটৌকুচী আতাক বোলে কেশ অৰ্দ্ধা কল ভুঞ্জিবলৈ তাল, কিনো বোলা? বোলে বাপ তোম্ৰা জগৰ কত পেটে ভাবিছিলোঁ, মনৰ মন বুজি বোলা তেতেঁএনে মুখক

কল ভুঞ্জিবলৈ পালেনো মোৰ কি ভাগ্য থাকিল এক৷ আপুনাৰ প্ৰসাদত ? তেহে দুওজনা আতাৰ পৰম ৰহস্য অমৃত ভাণ্ড বাকি পান কৰালে আৰু বোলে আমুকাই আমাৰ পিতা পুত্ৰে লগ ব্যৱসা কৰা গীত দি চাইটা কথা কৈছে— পূৰ্ব্বাপৰ চাবা, পুব মুখে যাবা, বাচি খাবা, জাগিশুবা। সেই দিনা একাদশী, চিৰা দিছে সাত জনলৈ বেজিনি কলেৰে বোলে মবৈডোৱাৰ মুখতে দুপৰ চাই দণ্ড হবগৈ, স্নানকৈ তাতে ভোজনকৈ যাবাগৈ। পাচে আতা সেৱা কৈলে অভয় পদত মাথা দি। গুৰুপদ পল্লবত শুদ্ধ ব্ৰহ্মক থৈ অভয় ব্ৰহ্মক হৃদি পদ্মে লৈ ধূলা শিৰে লৈ আহিল বিদায়কৈ, গুৰুজনৰ লগে পঞ্চ প্ৰাণৰ চিতৰ পুতলি ক্ৰমেহে আহিল। গুৰুজনে চৰাতে গৈ চাই আছে, একে দৃষ্টিএ, প্ৰেম ঋষি বোলে শ্ৰীৰাম আমি গলু নে আছোঁ। তিনিবাৰ বুলিছে গলুঁ। আতাৰ লগৰ সবে উভতি চাই গৈছে। গুৰুজনে বোলে আনে নিব পৰা নাই, নৰনাতিএ নিলে আমাক। ভাটো কুচিৰ আতা আতাক গৈ আগবঢ়াই নৌকাত থৈছেহি। আতাও সেৱা শুশ্ৰূষাকৈ নাও মেলি গৈচন্ত। পাচে গৈ আহলতে ওলাই বেলা চাই দেখে হ'ল। বোলে সবৈবোডানো কত ? বোলে আতা, ত'তে ৰ'ল। বোলে নাও ফিৰাই দিয়া। বোলে একমোৰ আহিলোঁ। বোলে হক দিয়া সাইধে গুৰু বাক্য পাবে। তেহে ভাটি মাৰি গৈ চিৰা ভোজন কৰোঁতে এক ভাও সুখ আনন্দ দেখিছে আৰ কাপৰ ভিতৰে, আতাৰ আতৈ সবে পুমু উজাই আহিছে দখিণে উজাই সিৰৰা সোমাই চাবুৰিয়া দখিণকুলীয়া আতাৰ ঘাটে নৌকা বাখি বহমণি আতৈ উঠি গৈ গুৰুজনৰ আতা আহিবৰ বই বাৰ্ত্তা কৈছে। শুনি আতা মাৱলকে আগ বাঢ়ি গৈছে, আতাক দেখিএ দূৰতে চিনিলে শ্যাম শৰীৰ, চন্দ্ৰাকৃত্য মাথ, আকুঞ্চিত কেশ, সুদীৰ্ঘ পুৰুষ,

চাৰি কথা

আতা হয়। দখিণৰ আতাও দূৰতে চিনিলে, গৌৰবৰ্ণ, চন্দ্ৰাকৃত্য শিৰ, নীল আকুঞ্চিত কেশ, আবাই বাপুৰৰ হয় উজানৰ। মাত লগাগে বোলে বাপুৰৰ, উঠি অহা যক। আতা, সজ, যোৱা গৈছে, এই বুলি উঠি গৈ বোলে আতা আগ হক। বোলে নহয় বাপুৰৰ আগ হোৱা যক। বোলে তোত্ৰা যি কালতে লাগ পালা প্ৰথম পুত্ৰ অমৃত পান কৰা গ'ল, আমি এতিয়া শেষ কালত খোল পানীকে খুজি খালৈ জানো পাত্ৰ নহওঁ? তেহে দখিণৰ আতা এক দৃষ্টান্ত দিছে বোলে বুঢ়া সদাগৰৰ চাৰি পাঁচ বেটা বেহা বণিজ ৰাজ কাৰ্য্যে বাখে ঢাকে, তাত তেও স্নেহ নাই, মুমলীয়া বেটা শেষ কালত যি হয় বঢ়া স্নেহ। বৰ সৱক কাটা মূৰা ফিচাহে দিএ, সকটিলৈ মাকে তলিয়াতে কাটা মূৰা বাচি থ'ল মাংস দি ভোজন কৰায়। এ বাপুৰৰ স'াচতীয়া হিৰা বত্ন ছোটটিকেহে দি যায়। তোমাকো সেই মতে গুৰুজনে দিছে। এই মতে কথনতে দুওজনা আতা গৈ কীৰ্ত্তন গৃহ সোমাই এখানি কট পৰা আছিল, তাতে সেৱা কৰি বহিচন্ত। বহি দিছে বটা বোলে এক লোকে বিল মূৰে জান আছে। তাতে ভেটা মাৰি খাদ কাটি ডিঙৰা, পাউৰি, চেপা, খোকা, পল, জুলুকি, জাল, জকাই, ঘণি পাতিবৈ বাট চাই আছে পানী উঠে বুলি। নেপাই গ'ল। পাচতে হ'ল পাণী, মাছ। পথুক নাৱৰীয়া পাই সেই সজুলিবে দোলাই মাইলে। গৃহত পালতহি ভেটা চেপা উটিল। পাচে সেই পথুকতে খুজিহে খালে। এ বাপুৰৰ, তোত্ৰা তেনে শেষ কালত পথুকে গৃহস্থ হ'লা। তোত্ৰাত খুজিহে খাব লাগিব।

আক এক অনাদি এক বুঢ়া সদাগৰৰ ম পুত্ৰ ন মহাবীৰ বত সুবৰ্ণ, হিৰা বত্ন, মাণিক, পোৱাল, বাখৰ মইনী পাতিবৰ ঠাই নপাই কোন পাত্ৰ বাখিবৰ যোগ্য। পাচে একদিনা

সদাগৰে মনে পৰীক্ষাকৈ বোলে সেনে পটা পুত্ৰ নিলে চাহি চা হি হঁক। শুনি সবেও চালেহি ওলাই। সক বধূ নাছিল? সদাগৰে বোলে মই কথাটো কলু, সবেও চালেহি। কিয় সক বহাৰী নাহিল? বোলে শশুৰে কথাটো কলে হয়, মোৰে মনে নধৈলে পটা পো নো সেনে নিত্ৰ, ই কথাই নহয়। তাতে নেচালোঁ। তেহে বুঢ়া সদাগৰে অনেক হিৰা বস্ত্ৰ সবাৰে ঘৈনী পাতিলে বোলে যাক যি লাগে পাচে খুজি খাৱ যাব ছোট বহাৰীত। এ বাপুঘৰ, আমি জ্যেষ্ঠ হুওঁ হয়, তোম্ৰাতেহে খুজি খাব লাগে ঘৈণী।

আক এক সদাগৰ বণিজে ওলাল। তেওঁৰ ন পুত্ৰ সবেও বহাৰী, জীয়াৰী টকা, শিকা মণি, সিন্দুৰ বাখৰ আনিবলৈ দিলে। সক বহাৰীএকে দিলে কৰি একৰা। শহুৰেকে উপহাস কৰি বোলে দিয়া নিয়াবো লাজ। আৰ কি পাৰি, দিম? বোলে শহুৰে মূলে কৰাত কৰা মূলত দুনকৈ দিব। পাচে গৈ বেহাই আহিল সদাগৰ। যাৰ যি দিছিল দিলে নিলে। ছোট বহাৰীএকে বোলে আমাৰ জেঙ্গা ভাঙ্গক। তেহে লেখি চাই কৰাত কৰা হয়, দুইত চাৰি, চাৰিত আঠ, আঠত সোষ, এই ক্ৰমে নাওখানৰে বস্তু এ নাটিলৈগৈ। বোলে মই সক বহাৰীতে বিক্ৰয় গলু, লক। এ বাপু ঘৰ, তোম্ৰাত গুৰুজনে যি পৰম ৰহস্য অমৃত দিছে, তাৰাই প্ৰেম ৰজুত বিক্ৰয় হ'ল, কিনিলা, আমিনো কোন বলু আক?

আক এক সদাগৰ ন পুত্ৰ। ৰজত, সুবৰ্ণ, বস্ত্ৰ, হিৰা মাণিক, আঠ পুত্ৰক ভাগকৈ দিলে বাটি। পাচে বৃদ্ধ শেষ কালত ধুমলীয়া পুত্ৰ এটি হ'ল। বিত্ত, বস্তু নাই দিবলৈ। এখান বাৰী কৰিছিল। কেশত থকা বস্তু সবে আছে। সক পুত্ৰক তাকে দিলে। ৰৰ সৰৰ হিৰা বস্ত্ৰ ভাজি, লগাই, মূল পৰি ধুকোলাগৈ। সকবেটা বাৰীৰ লভাৰ বণিজ হাতত হ'ল।

তাকে লগাই মূল বাখি লাভকৈ দেশকে কিনিলে। জ্যেষ্ঠ ভাতৃ সবেও তাবাতহে খুজি প্রবর্ত্তিলে। এ বাপু ঘব, আমাবো তেনেহে হ'ল। তোম্রাতহে আশা।

আক এক সদাগবব আঠাব পুত্র। তাম, কাহ, পিতল, বাঙ্গ, সীহ, কবি, কাপব, কম্বল, বজত, সুবর্ণ, বস্ত্র, হিবা, মাণিক, পোৱাল, মুকুতা, শিংখাপ, এই আঠাবে ভাগ কৈ ভগাই দিলে। সবাতকৈ বঢ়া কোটি-লাখ বিলাখ যাব মূল্য নাই কাকো নিদি পবম স্নেহত গোপ থাপে থৈছিল। শেষ কালত এটি পুত্র হ'ল। দি, গ'ল। আমাব তোমাবো গুকজন পিতৃ, ঠাকুব আতা মাতৃ, আমি আঠ পুত্র বামচবণ, বব ঠাকুব দেউ, গোমাব গোবিন্দ, লচাকনিয়া গোবিন্দ, লক্ষ্মীকান্ত, পঢ়িয়াব মাধব, লাৱটিয়া শ্রীহবি, বংশী যদুমণি, অচ্যুত গুক, এই আঠাব জন পুত্র। মাধবব আশীবিধ ভক্তি তাতে শ্রেষ্ঠ ন বিধ। তাতে সক্ত বিধ উত্তম। নিগুর্ণা বিবলা, অন্তবঙ্গা, ভাগৱতী, কেৱলা, সপ্রেমা এই ছুই উত্তমত্তম। তাকে যাব যি যোগ্য পাত্র চাইভাগ কৈ দিলে, পবম বহস্য স্নেহব অমোল্য সর্ব্বস কেৱলবো চবাব সপ্রেম ভাগ দি পঠাইছে। আমাব সবাবো তুমিহে ঘব থিতি। আক বোলে বাপুঘব, তোম্রাব দেহব সম্বন্ধব কোন আছে? আতা বোলে কিছু নাই, বৌ মাতৃ এখানি আছে। জগন্নাথ চয়ে বোলে বব মমা আছে। আতা বোলে সেই দহো আছে? বোলে আতা পূর্ব্বে ছুখ দুর্গতি বিস্তব দিলে। তাতে চিত্তে নাই বুলি ত্যাগি থৈছোঁ। মোব মানত জানিবা নাই হে, তাতে কলু। তেহে আতা এক দৃষ্টান্ত দিছে। বোলে নিবালম্ব দেশব নিবাকুল বাজা মৃগয়া কবিবলৈ অবণ্যে, গ'ল তিনি পুত্র, পাত্র, মন্ত্রীএ সৈতে। বাজা ললে এক শালি তিনি পুত্রক দিলে। পাত্র সবেবে তিনি শালি।

অঙ্গীকাৰ কৈলে যাৰ পালীএ পশু যায় অৰণ্যে কাটিব। পাচে পশু সব পুত্ৰৰ পালী ফালি গ'ল। কুমৰো পাচত্তে ঘোৰা চিটি মেলি, অগাৰ অৰণ্য সোমালগৈ। নিশা হ'ল। এক বৃক্ষৰ গোৰে দুখে কষ্টে ৰ'ল। পুৱা মনে কাটে মাৰে যি কৰে যাওঁগৈ। তেনেতে উপৰতে কাকে শিৰতে নাদিলে। পাচে মনে নিচয় কৈ বোলে গ'লে অৰণ্যে কাটিব, অঙ্গীকাৰ সাফলি। তাতেহে এই অমঙ্গল। এই বুলি অৰণ্যে গৈ দিকঙ্গ ৰাজাৰ দেশ পালেগৈ। সেই বৃদ্ধ ৰাজা অপুত্ৰক। মন্ত্ৰী-এ পাই শুৰি সঞ্চ সুধি ৰাজাক দিলেগৈ। ৰাজা মানস পুত্ৰ কৈ ৰাজ্য দি স্বৰ্গী হ'ল। ৰাজা হৈএ আকাশ জাল পাতি ভাত দি অনেক কাক ধৰে। ৰাজা হস্তীৰে গৈ চাই ডৰিয়াত চাই মেলায়গৈ নিতে। এই ক্ৰমে এক বৰ্ষৰ অন্তে সেই চিনৰ সদা কাক পৈলগৈ। পাই আনি সুবৰ্ণ পক্ষা ঠোট নখ বন্ধাই ঘৃত, মধু, পায়স, ভোজন কৰাই মেলিছে। বোলে মোৰ দুই জ্যেষ্ঠ ভাতৃ, পিতৃ, ৰাজ্য ভোগকৈ মৰাতহে আয়ুসে টনা হলে হলুহ'তে ৰাজা। এয়ে বিৰক্ত লগালতহে সন্তে ৰাজ্য ভোগ পালোঁ, ই মোৰ পৰম উপকাৰী এই বুলি দিলে এ তোম্ৰাকো ৰবজনে বিৰক্তি দুখ নিদিয়া হলে গুৰুজনক কৰ্ম্ম অনুসাৰে কত দিনত লাগ পালাহন্তে। সেই বৈৰাগ্যতহে সন্তে শুক ভক্ত শুদ্ধ ধৰ্ম্মক পাই ধৰিছাগৈ। এতেকে তাৰা তোম্ৰাৰ পৰম উপকাৰীহে, অপকাৰী নহয়।

আক পূৰ্ব্বে সীতাক অগ্নিত পৰীক্ষি দশৰথৰ বাক্যে সম্বৰিছে। ৰাজা বোলে তোম্ৰাৰ প্ৰসাদে যুদ্ধত ইন্দ্ৰৰ অৰ্দ্ধাসন পাইছোঁগৈ, তেওঁ এনেহেন পুত্ৰক মোৰ বৰ্জিলে। আজিও কৈকেৰ শোক শক্ৰ সালে হিয়া বিদাৰে। তেহে শ্ৰীৰামে আচল পাতি মাগিছে বোলে মোৰ ইচাতহে দেৱ কাৰ্য্যৰ নিমিত্ত মাৰত কিছু দোষ নাই। সেই মাৰৰ শাল আজি মোক

দিয়ক দিছে ৰাজাৰ মন সুস্থ হৈছে। এ বাপুৰৰ, আমিও আজিতে ৰৰজনলৈ অপুনাৰ হিয়াৰ শোকশাল হৃদিত আছে, মাগিছোঁ দিয়া যক মোক। তেহে আতাৰ বাক্য অমৃতে আতাৰ শোকাগ্নি বৃষ্টিপ্ৰায় হৈ মুমাই জাৰকৈ শান্ত হৈল, আৰু গুৰুজনে আহোনৰ যি সুখ কৈছিল ঠিকনাবে প্ৰাৰ্থনা কৈলে। আতা চৈ দাজি কীৰ্ত্তন কৈলে আৰু নাম মাজিকা লিখাই পঢ়াই চাই বোলে গুৰুজনে তাৰিলাকো মাৰিলাকো এনে নামৰ মহিমা শুনি পাপ কৰিবলৈ কি চাব, আগে কৰাছে পাচে নামে দহে, ধৰ্ম্মক ধৰি কৰিলে ক'ত সাৰিব আৰু নামৰ দশ অপৰাধ মাৰি গালেহে দহিব নাম গাব, গুৰুত নিষ্ঠা প্ৰীতিত ৰতি নাই, নামতো কাষ্ঠা নহব, অগ্নি দেউ হাত কাচনৰ হব, নামে পাপ কেনেকৈ দহিব। এতেকে তুলি বগৰালে পুনৰ। এই ৰূপে সাদিন সাত নিশা পৰম আনন্দত মজি কথা সুখে বহি সাটোটা দৃষ্টান্ত গুৰুজনক সম্পূৰ্ণে দেখাইছে। আতা বিদায়কৈ আহিছে। আতাও আগবঢ়াই নাৱত থৈছে গৈ। আতা নাও মেলি উজাই মকৰাহি ঘাটতে বান্ধি চৈ বহা দিছে। কৰুণাময় আতৈএ গৰু বাখিছে। দেখি বোলে খুৰা কি কৰা? গৃহলৈ নোযোৱানে? বোলে বাপু, কেনেকৈ যাম? খুৰীএৰ নাছে? বেলে মই এতিয়াই দূৰ কৰোঁগৈ। লৰি গৈ বোলে খুৰী, পিতাএৰক বাজ উলিয়াইছে যোৱা যে দেখিবা, নেযোৱা যে নেদেখা। আএ তাত তৰিছিল, এৰি লৰ মাৰি গৈ দেখে বাজতে বহি আছে, পৈলগৈ কেকাই জেকাই। বোলে আই, কি হ'ল? বোলে দহোঁ কৰুণাময়ে বাপেৰক বাজলৈ উলিয়াইছে, তাতে লৰি আহিছোঁ। বোলে আজলী জী নৱনাতী গোসাই আহিছে হবলা। তাতে তোক খেদিলে আৰু। পাচে ঠাই ৰৰ আওতাই-কৰুণাময় আতৈএ তুলি লিছেহি। পৰম সাদৰে

পতিলা জোৰাই ভোজন কৰালে। পুৱা যাবলৈ ওলাল। ঘৰজনে বোলে বাপ, কলৈনো যায়? থকা হক। আতা বোলে দদা আমি আহিছোঁ, মহাপুৰুষক গুৰু বুলিছোঁ, তুমি আছা অভজনি ৰূপে গধূলি অথিত ৰূপে এসন্ধ্যা ললু। এতিয়া আৰু লব থাকিব নেপায়। বোলে বাপু, আমাকো দিয়া যক, আশা কৰিছোঁ। শুনি আতাৰ পেটে দয়া লাগিল। বৈ হৰিচ কৰাই চৰু, চাঙ্গ, চিলিঙ্গা, বস্ত্ৰ, মাহ, চাউল, গুৱা, বস্ত্ৰ, আগত থৈ মহাপুৰুষক গুৰু বোলাইছে, কৰুণাময় আতৈকে, বৌ মাতৃকে। ঘৰজনক কতো কয়, গুৰু বোলাইছে আতাই। কতো মুখে ভাটোকুচীয়া আতাক আনি গুৰু বোলাইছে। ত'তে বিচ দিন ৰহি গৃহবাসত

কলানি ভিটা

জঞ্জাল পাই ঘৰ জনত ভালেৰে কৈ কলানি ভিটালৈকে গৈছে। তৈতে নন্দৰাজখোৱা মহাপুৰুষক গুৰু বুলিছে।

নন্দৰাজখোৱা

দলৈৰ দুই ভাতৃ ভাৰ্য্যা পুত্ৰ সবেও আতাৰ মুখে মহাপুৰুষক গুৰু বুলিছে। ঘৰজন নাযায়, বামুণে কৈছে নৰনাতিএ কিবা দীখা ভাটিবতে আনিছে, লাগ পালেই পিতৃ, মাতৃ, ধৰ্ম্ম, কৰ্ম্ম, শ্ৰাদ্ধ, বিধি সব্যকে একৰায়, আগে কৰাও একৰায়, নাযাবা। আতা ভাএক হঁততকৈ মাতে, নাহে একো ৰূপে আতাৰ সেইতে। এদিন মেল গৈছে, আহো আতা আগচি বোলে আজি ক'ত সাৰিলা, মাতোঁ যে কিয় নাহা? বোলে বাপ বামুণে বাধা কৰে ধৰ্ম্ম কৰ্ম্ম গুচে বুলি। বহালৈ নি বোলে পুখুৰী খানি ধৰ্ম্ম কৰিবা, তাৰ পুণ্যে, স্বৰ্গসুখ ভুঞ্জিবা, ক্ষয় হলে পৰি। তাতে বেজ হৈ পৰি থাকিবা। আজি বাদ্ধি তাৰ ভোগ ভুঞ্জি পৰি সংসাৰে গৰ্ভবাস নকৰ্ক ভুঞ্জি যোনী চেপা খাই বেৰাই ফুৰিবা। বৈতৰণী বৃষোৎসৰ্গ কৰিবা, লোমৰ সংখ্যে স্বৰ্গ ভোগ কৰি চৌৰাশি নকৰ্ক ভুঞ্জিবা পুনৰ। হৰিভক্তিৰ একো অপচন। স্বৰ্গ সুখ কোন বস্তু ভকতৰ

আগে! পুঁণ্য ক্ষয় ভৈলে পুনু পবিবাক লাগে॥" ইন্দ্রব পতন আছে ভোগ্যব কাবণে।

ভক্তব পতন নাই ইতিনি ভুবনে॥ দলৈব শুনি মন মজি গৈ পাত্র দিনা গুৰু ধৰ্ম্ম লভিছেহি ভাতৃ সবতকৈও আতাত ঈশ্বৰ বুদ্ধি নিষ্ঠা হ'ল। মাছ মাবি পুখুবীত জীয়াই থয়। এটাত বঘলৈ থয়। তাবে ধবি আতা লয়। থোৱাটোৱে এদিন ধবি বান্ধিছিল খাওঁতে সোধতে কলে, ইটৰ নাই দেখি আতাটবে অনালো। বাগকৈ এবি মুখ ধুই মেললৈ গলগে। বান্ধনী আতাত কয় বোলে দাসীক আপুনি নেবাখিলে বক্ষা নাই আজি। আন দিন য'লৈ যায়, আতাক সেৱাকৈহে যায়, বেজাবত সেই দিনা বাজেই গ'ল। তেহে মভাই আনি আতা বুজাইছে বোলে ভঁবাল ধান গৃহতে খালে গুৰুভক্তলৈ শেষ জানো? গাছব ফল এটা খালে জোপাই এঢ়া হয় কি? পুখুবীব মৎস্যতো দোষ নাই। গৃহত একো নুবুলিবা আক।

লখবঙ্গ ঘাবে নীলবব দ্বিজ, তানে পুত্র নেপাল। গুৰুজনে বেটা গোবিন্দ আতৈ মাতৃ চলিল। ছোট মাকবে বিবাজী। বৈবাগ্য ভাবে চলে বনে ফুবে বাগকৈ ধবি আনে। এদিন খেদা মাবি নিছে। দেখে চাইটি হস্ত। বৈ কাতব ভক্তিকৈ আনি বামুণীক বাগকৈ ভাবতে একো নোবোলে য'তে নেপাল
ফুবে লাগে। তেহে গৈ দবীয়া মুকুন্দ ঠাই এক বর্ষ পঢ়িছে। চাবি গঢ় উএ কবি দিছে। যেই বোলে হয় কব অবিদিত। দেশ বাজ্য ভাব তেটি দ্রব্য বস্ত দ'ল, এশ ছাত্রে খাই ওব নাই। থোবা বাজাত শলিকী বৰা, কেকাই নেওগে বল দিলে, বাজা হব খুইছে বুলি। তেহে নিশাই চাঁওতাব বৰাক দিলে নিবলৈ। বিহানে কালি শকবা বেবি গল। সবাতে কলে আমাক নি কটাৱ বাজা, সব মাবা হাম। গ'ল।

আতৈএ বোলে চাওঁএ মই। তেহে গধূলি বেৰি ধৈলেহি। দেখি এৰা দাউৰ দিলে, খেদি নিছে গাৰ বস্ত্র পৈলওঁতেই মাৰিল তেওঁ নি ছেদন কৈলেগৈ। পাছে আহি সইন্দ্ৰী বুৰীৰ গৃহে বৈছে, চাউল দিছে। তাৰতে গৈ ছাত্ৰশাল পাল পাইছে, ধনেশ্বৰ অধ্যাপাকৰ। তাত বৈছে চাইদিন। গৈ লুতা বুৰা কুহিয়াৰ ৰুইছে। তাৰ পাচে বৈ সুধিছে। মহন্ত ভক্তৰ ঠাই হৰিগুণ গৱা? বোলে সেই বৰগুৰু বাৰীতে নৰনাতি গোসাই আছে যা। তেহে আহি পাইছেহি। হৰিগতি আএ পাই খুৱন ধুৱন বস্ত্র দি ৰাখি পাচ দিনা সি আতাক ভেটাই দিছেগৈ। পূৰ্ব্বৰ ভাগ জীৱ চিনৰ পাই বস্তু প্ৰকাশকৈ ৰাখিছে।

ধনেশ্বৰ অধ্যাপক

* মাতৃৰ ভকত দাহৰ বাৰীত দুওজনা আতা আছে। বৰ যতুমণিৰ দদাএক বলোভদ্ৰ জগৰা তলৰা ৰাজাৰ দিনত। ভয় পাই বৰ কলাতলীয়া গৈ সোমাল। আৰা সব হৰি গতি আই ব্যাকুল হ'ল। জয়কৃষ্ণ ভুপাই বিচাৰি গৈ পাই আহি চাউল পাত লৈ গৈছে। হৰি গতি আএ প্ৰাণ দান দিয়া বধ দি বাৰ্ত্তা সুধি তত্ত্ব পাইছে। গৈ পাচ দিনে আনিছে কাভৰকৈ। আতা বোলে ভকতদাহ, আমাকনো ৰাখিব পাৰিবানে? বোলে আতা আপুনাৰ প্ৰসাদে পৰা যাব। বোলে কেনেকৈ ৰাখিবা? বোলে আতা, কৃষ্ণ জাতিৰাম দুই বহাৰী হাত কাণক গৰু, তামা, কাঁহ, টকা কৰি ৰূপা দি থৈ নৱাইলে গা বিক্রয় গৈ ৰখা যাব। পাচে আতা হাস্তকৈ সন্তোষ হৈ বোলে এ ভকতদাহ, কোনে কাক মাৰে ৰাখে অন্তৰ্বোধে চালে, আৰ গুৰু পৰমাত্মাৰিনে সংসাৰত আছে কোনে দেখা অদ্বৈত জ্ঞানী সকৰ।

আক সতাই মহৰা বোলে, গুৱা পান চৈজা, ৰখা, একাৰ লৈ গৈহে তিনি চুকীয়া হাতে বিকিৰলৈ। বৰ গুৰু বৰ তলে

চিচিচুলীয়া হাট

গৈ জিৰাইছে। হৰিচয় আতৈ পুথি গীত মাতিছে। "ব্যৱসা কৰিও ভাই হৰিৰ চৰণ ধন সাৰ" চৰ্চ্চিছে। শুনি মহা বিৰক্ত হৈ বোলে মোক নিয়া। গৈ সেই ভাৱে সৈতে ভেটাই দিছে শুণ ব্যৱস্থা কৈ গৈছে। পাচ দিনা অনেক উপহাৰ দ্ৰব্য বস্তু লৈ আহি পত্নী সৈতে প্ৰাৰ্থনাকৈ শৰণাপন্ন হবলৈ ধৰিলে। আতা বুদ্ধি দাঠ দেখি পৰীক্ৰিয়াকৈ পাঠাইছে। পাচ দিনা মাহ চাউল টকা বস্ত্ৰ লৈ গৈছে। তেহে আতা বোলে আহি চাই চাইটা পৰীক্ষা আছে উত্তৰিব পাৰা যদি তেহে ধৰ্ম্ম পাবা নুৱাৰা জানোচা তুমিও মৰা আমাৰো মূল নাঠি কৰাবা। বোলে আতা কেনে পৰীক্ষা? বোলে সত্যো অনেক দেৱতাসবে পূজা নপাই গৰু, পুত্ৰ মাৰি ধন দেহত হানিকৈ দুখ দিব। যদি তাৰত বৰ পাৰা তাত পাচে কুৰি গঙ্গা জাতি বংশে নেখালে খালে নিন্দাবাদ সব হিংসা কৰি দুখ দিব। তাতো যদি বৰ পাৰা তোমাৰ গৃহে ভাৰ্য্যা, পুত্ৰ, বহাৰী, ভাই, ভাতিজ, দুহিত্ৰী পূৰ্ব্ব দৰে খাব ফুৰিব মুকলি মুৰে অনেক দন্দবাদ ঈৰ্ষা, অসূয়া, পৈশূন্য কৰিব। তাতো যদি বৰ পাৰা দেহৰে দশেন্দ্ৰিয় চৰিশ তত্ত্ব ষোৰশ বিকাৰ মন বুদ্ধি চিত্ত অহঙ্কাৰ চাই শত্ৰু এই সবে পূৰ্ব্ব ক্ৰমে চলি কৰিব নপাই অনেক পীৰা কৰিবৰ পাইলেহে ধৰ্ম্ম বস্তু পায়, হয়। বোলে আতা মই বৰৱ কি শক্তি, আপুনাৰ ধূলাই ৰাখিলেহে হয়। তেহে বস্তু কীৰ্ত্তন কৰি দাবি কমাই ৰাম নাম দিছে, পত্নীৰ হৰি পূৰী নাম দিছে। আহি সেৱা শুশ্ৰূষাকৈ আছে। এদিন কণ্ডনা বিলে মাছ কণ্ডনা বিল
মাৰিছে। আতৈও গৈছে পল লৈ। মাৰি উঠি তিৰনি মেলি বহিছে। এটি লোকে মূৰ ঘূৰাই পলে হাক দি আছে। দেখি আতৈ বোলে কিয় দুখ কৰ পা? বোলে কি লোৱা যায়, দুখ কৈলেও আমাক ঈশ্বৰে বঞ্চিতা কৰে। দেখে মাছ পালে, এটি মলাহো, দেখা। বোলে

লপা দুখ চাৰ, মোৰ এটা নে। বোলে সিনো কি কৰিম, খাব দাবৰ ঠাইএ নাই, গৃহ বাৰী, ডঙ্গুৰা, জাতে কিছু নাই। বোলে তেনো আছেই, মোৰো কিছু নাই, ঠাৰ গিৰি ঘৈণীহে পা। তেহে আহি আছে, ভাত মাৰ ঘৰে দিএ। এদিন সুধিলে। বোলে আমি শুদ্ধমত গুৰু ধৰ্ম্ম ধৰিছোঁ, তই অভজনীয়া দেখি দিওঁ। তেহে খেদকৈ বোলে মোকো নিয়া আতা ঠাই। তেহে ভাৰ ভেটি লৈ পাচ দিনা সি দিছেনি। আতা দেখি চিনৰশুদ্ধ জীৱ পাই কীৰ্ত্তনকৈ পঠাইছে, বৰ ঘাটে গৃহ আছিল ৰাম নাম দি। আৰু এদিন গৈ সেৱা কৈলে। চাই বোলে দেখোঁ মনটি কুষা? বোলে বাপ এটি লৰা জন্মিছিল, মৈল। দুই তিনি হৈ মৰে, কিবা দুস্থ মৰকুচীয়া। তেহে আতা আশিৰ্ব্বাদকৈ নিৰ্ম্মালি দি বোলে যোৱা, ইবাৰ এটি দুহিত্ৰী হব, যোগাই নাম দিবা। গৃহৰ ৰামতে বিহা দিবা, এটি পুত্ৰ হব, আমাকে দিবা। সেই ৰূপে হ'ল। গৈ শুদ্ধিত সেৱা কৈলে পত্নী সৈতে। আশীৰ্ব্বাদ কৈ বোলে এইটি ৰব, আমাৰহে। তেহে জৌন হ'ল, বিবাহ দিলে ৰামত। হ'ল পুত্ৰ। আতাক মাহেকতে নি অৰ্পণাকৈ দিলেগৈ। চাই নাম দিছে ৰবজনা শতানন্দ। বোলে ব্ৰহ্মাণ্ডত চাৰি বিধ জীৱ কতো এ আপুনিও ভবে, আনকো তাৰে। কতোএ আপুনি ভবে, আনক বুৰাবে, কতোৱে আপুনাৰ গা নবয়, আনক কি তাৰিব? কেহো ভৰিও মৰে, আনকো মাৰে, কতো মৰা জীয়াৰ ভূ-কে নপায় ভবাৰ। আৰু লোকো চাৰি ভাগ, জ্ঞানী, কৰ্ম্মী, পাপী পুণ্যৱন্ত। কতোএ লোকৰ খায়, দিএও, কতোএ নিদিএ নখাইও, কতোএ দিএহে, নখায়-পৰৰ, কেহো খায়হে দিবলৈ নাই। আমাৰ ৰবজনা ভৰি ভবাব, দি দিয়াৰ।

[illegible] আৰু দামোদৰ আতৈ গুভিৰৰ নিত প্ৰাবে গৃহ। গিৰি বৈৰী দুই। তেওঁ ৰাজাৰ কাষে থকাত পত্নী পৰ পড়িবে

থাকে। সেই কথা লোকে কয়। তাবা গৈ জিজ্ঞাসি চুম্পি ধৈলে। সি দণ্ডবতে পবি অনেক কাতব কৈলে। তেহে নির্ভয় দি গঞ্জা, ববা, বংশ, মাতি আনি সোধালে। সি সৈ ললে। তেহে আতৈ ঘব বাবী গরু, দ্রব্য, বস্ত্র, তাম, পিতল, সব দি বোলে মোব খাটনি খানি দিছোঁ, কি বোল। বোলে তোম্রাব চোব এশ কিলব যোগ্য, কুলব পুরুষ হৈ দায়াকে দিছা, নলম কিয় ? পাচে লোটা, বাটি যুবি লৈ গুচি আহিল, গালপো খাটে পাব হয়। এক পযাবী এ কলা এপাচি নি জিবাই দাঙ্গি লব মুবাবি। বোলে বুপাঁ বোজাটি দাঙ্গি দিয়া। বোলে মই চুব নোৱাবো, এক বুদ্ধি কওঁ বাক। কল আদখানি নমাই থৈ গবাত পাচি থ। লৈ পুম্ন ভবাই ল। থলে, ললে সেইদবে। তেহে এআখি কলা দিলে। লৈ কুহিয়াব শালে পাই চাই আক ভাঙ্গি দিলে। সি হুদালি কুহিয়াব দিছে, লৈ গৈছে। গবখীয়া হবিধ্বনি দিছে। পেলাই দিলে, লবাব জোঁটা পোটা লাগিল। কাটি দি দন্দ ভাজি গৈ ঘাটে পর্ম্মানন্দব গৃহ পাই বৈছে। নীতি সদাচাব দেখি সুধিছে। তেহে ভাটোকুচী আতাব কথা কৈছে। বোলে মোক লৈ যোৱা আতা ঠাই। আতৈ নি দিছে গৈ। আতা পাই পূর্ব্বব চিনব বস্তু গুরু ধর্ম্ম দি নীতি সদাচাব দেখাই লৈছে।

বার্হে গুক আতৈ

আক সক গুভিব নাও জানহু বার্হৈ গুক আতৈব গৃহ। দদা বউএকেবে দন্দ লগাই বিবক্ত হৈ আহি পাতকটা পাব হৈ হাটখবা পর্ম্মানন্দব গৃহে বৈ আছে তিনিমাহন খণ্ডব মণ্ডবী সাজি খাই লৈ। তাবা সবে দ্রব্য বস্ত্রখানি পদ্মলে দিএ। আদব নকবে নোচোবে। এ দিন কাটখবা পর্ম্মানন্দ গৈ বোলে বিপ্র, "হবিভজি হবি নাম নলবা সাক্ষাত। আপুনাকে আপুনি কবিলা আত্মঘাত।" তেহে বোলে আতৈ আতা

ঠাই মোক নিয়াযক। পাচদিনা নি দিছে। আতা বোলে হয় আহি চাই গুৰু ধৰ্ম্ম পিতৃ মাতৃ এৰা। বোলে আতা মই ৰূকপ পাৰিম, ৰাম বুলিম ? অনুগ্ৰহ হলেই হয়। তেহে নীতি সদাচৰ কৈ বস্তু কীৰ্ত্তন কৰিছে।

আৰু গৰু গাখীৰ খাবলৈ এজনীৰ দিএ। জয়হৰি আতৈএ নিতে স্নানকৈ খীৰাই আনেগৈ।

জয় ভাৰতী

আৰু এক দিনা জয়ভাৰতী বিপ্ৰ কাপৰ জপা এটি আজৰ বহাতে থলে। তাৰে পৰা অ'ত ত'ত দিব লাগিলে খোজা মগাক দিএগৈ। বোলে আতাকো এখানি দিব লাগিছে, জোখাৰ কাপৰ নাই আত। ৰায়তত সভালৈ মাতে, খনো আতাকো মাতে যায়। চাৰি পোন চেলেঙ্গ দিএ, বিপ্ৰকো সেই মণতে দখি কৰে। তাৰে এখান জাল যেন পাই আহি আতাক দিলেহি। আতা নলৈ জগন্নাথ চন্নক দিলে। বোলে বিপ্ৰে এই খানহে জোখাৰ কাপৰ পালে আমালৈ ?

আৰু এদিন জয় ভৰতীএ কৈ গ'ল হৰি আতৈক কামলৈ যাওঁতে বিহানে, বোলে আমালৈ ভজা গুৰা এমুঠি কৰি থবা। আতৈএ আতাত কলে গৈ বোলে কৰাগৈ, যি পৰৰ খোৱা বামুণ নেপালে লোকত কৈ নিন্দিব। পাচে কৰি থৈছিল। গধূলি খাই বোলে মোৰ ঘৰত জানো নাই ? আতকৈ সজহে আছে। এই যে তোম্ৰা সবৰ আধা খুন্দাকে খুজি খাইছোঁ, হৰিগুণ গোৱাইস্তৰ অমৃত প্ৰায়, কিবা বাসনা লাগেই জীৱৰ ? তাতেহে খাইছোঁ। আতাৰ গুনি আতাৰ বাসনা গুনি পেটে কিছু দায়া লাগিল, আৰু তৈতে বৰ মুকুন্দ, পিঠিকটা মুকুন্দ, বৰ জগন্নাথ, সত্বৰি কানু, কেহেকৰা কানু, বেহাৰ গোপাল, আলধৰা গোবিন্দ, ভকতদাহ, গুজিৰ দামোদৰ, উজিৰ কৃষ্ণ, সাতুৰ কৃষ্ণ, কাকতী কৃষ্ণ, বমুতা ৰাম, চবাইমৰিয়া বলাই, মগাৰ বলাই, ঘাটোৱাল পৰ্ম্মানন্দ,

ফাটোৱাল পৰ্ম্মানন্দ, লখৰঙ্গ গুৰু, ইকাদশ, বাৰীচোৱা গোবিন্দ, চিলা-তলিৰ গোবিন্দ, অৰবিন্দ এইৰূপে আতাৰ যশে গুৰুজনৰ প্ৰসাদত, চণ্ডা ভিটাত চাৰি চণ্ডা সেৱক চাপি মহাপুৰুষক গুৰু আতাৰ মুখে বুলি সঙ্গতে ৰহিছে হৰিগুণ গাই। চণ্ডা ভিটা

আৰু মুকুন্দ আতৈৰ পত্নী হৰিগতি আই ভগবান গুৰুৰ বাএক হয়। প্ৰতি জোপ একাদশীত ধুতিএ শুদ্ধ সদাচাৰে মুখ বান্ধি কলহত ভৰাই চাই পাচীতকৈ ন বস্ত্ৰ পিন্ধি দিএনি, এ জোপত কৰি নিছে সেইৰূপে। পথতে ঢোৰা কাক দুটা যুদ্ধ লাগি উপৰতে পাচীৰ দুহাত মান অন্তৰে গ'ল। পখাৰ অন্ন বা লাগিল নলাগিল মনত বৰ সংশয় পালে। জিজ্ঞাসি মনেৰে চাই বাত ফুৰা নহয় যেন জানি দিলেনি। আছি নিশালৈ তন দুটা ফিকি কট্ কট্ কৰে খাব খেলে ; অৱে বিষে অত্ৰাহি হ'ল। প্ৰাৰ্থনাকৈ পঠালে আসংশা কৈলে, নহয় ভাল। মন্ত্ৰ তন্ত্ৰ কৰে, টান হয়। আতা বোলে কি দোষ কৈলে ভাঙ্গি কৰ। তেঁহে আএ বোলে আন দোষৰ মনে নপৰ্শে। আজি কাকত সংশয় পাই খুদকৈ দিলোঁগৈ আতা বোলে সত্ত। তেহে ৰ'ল। হয় দোলাই মন কৰ লাগিছিল। এই বুলি আশীৰ্ব্বাদকৈ গুৱা দি পঠালে। দিলতে দুই তনৰতে দুটা কাক ওলাই উৰা মাইলে। দেখি আশ্চৰ্য্য অদ্ভুত হ'ল। হৰিগতি আইৰ কথা

আৰু তিপামৰ গুপী, সজুলিৰাম, সলুৱা সনাতন, হইমুখৰ সনাতন, চুকবিয়াল সনাতন, এই পাঁচজনে মহাপুৰুষক গুৰু বুলি একদিনা নাম অৱসানে আতাত পৰমাৰ্থ সুধিছে। আনন্দত মজি পৰম ৰহস্য কীৰ্ত্তন কৰিছে তত্ত্ব। জয়হৰি আতৈএ চাউল সিজাই বৈ আছে। বনমালী আতৈক পাঁচিলে জনাবলৈ। গৈ জনালেহি আতাক। যতজুটি দি বোলে অজান নকৰি এৰিবা। গ'ল। আনবৰা আতৈক পাঁচিলে।

জনালত সেইৰূপে বিচলি দিছে। দামোদৰ আতৈক বোলে চাউলটি শুখাল আজি, আতা লব. মুৱাৰে, যোৱা। তাৰা গৈ জনালত গাৰ বস্ত্ৰকে দি সেইৰূপে কৈ পঠালে। তেহে কথা সম্বৰণ কৈ বোলে হইমুখৰ সনাতন, সলুৱাল সনাতন, চকৰিয়াল সনাতন, মাজুলি ৰাম, তিপামৰ গুপী দেখিছে, আতে ধৰিবা খুপি। এই টুপনি মাৰি উঠিল।

আৰু কাকতীৰ কৃষ্ণাই, গজপুৰ কমললোচন, হেৰমাই ৰাম আতৈ দশমৰ পদ সুধিছেগৈ। আঢ়েটা এচৰণ মাতি চৰ্চ্চিলে। বোলে সি তিনি ফাঁকি চৰ্চ্চা। বোলে আতা আতে লাগিছে তিনিও সুধিবলৈ আহিছোঁ। বোলে পঞ্চ পঙ্কে গো পৰি থাকে। এটি ছুটি পথুকে দেখি ধৰে মুৱাৰে। তিনি চাৰি হলে কাণে সিঙ্গে পদে লাঙ্গে ধৰি তোলে। এ ভাল সুধিছা। পদৰো চাৰি চৰণ, গো-ৰো চাৰি চৰণ। ধৰি ধৰিকৈ চৰ্চ্চাইক।

আৰু তিপাম মলথৰ জয়হৰি, মেতেৰিৰ হুই ঠাকুৰিয়া, জহাই দলৈ, মৰল নাৰায়ণ, গুপী, জয়ৰাম এই সবে আতাত প্ৰাৰ্থনাকৈ হ-ৰাম আতৈক নিলেহি সোধ পোচ মূৰকে। আতৈ গৈ একবৰ্ষ থাকি আহিল, তাৰা সবৰে সেৱা কৈলেহি। কৰি গোচৰ দিলে বোলে বাপ, আতৈএ খতি খাই অন্যায়কে ন্যায় কৰে, নিয়াইক অন্যায় কৰে। আতা বোলে হইনে? বোলে বাপ, তোম্রা হৃদয়ৰ বস্তু, তাৰা সবে কৈছে স্বৰূপ বুলি, মই কি কম? হয়। পাছে আতা এক দৃষ্টান্ত দিছে—বোলে এক সদাগৰ বহাৰীএকে অমাত্যৰ মাত বুজে। নদীত স্নান কৰিবলৈ গৈছে। এটা মানুহ মৰি উটি আছে। বনৰ কিনাৰতে শৃকালী ৰাও দিলে। ই বুজিলে বোলে শটো চপাই দে, মই ভখোঁ, তই ৰূপা সোনা ল। সাহোৰ যেজি চপাই পাটি যেজিৰ মণাৰি দাতেৰে মেলিছে। তাকে লোকে

দেখি ৰাজাত খল দিলে। ৰাজা দূত দি ধৰাই নিছে। এক বৃক্ষৰ তলে জিৰাইছে। কাকে বটিলে। তেহে সাওদনি ফকৰা দিছে, বোলে এক শৃগালীএ ৰাও কৈলে, "থাকিব নপাইলোঁ ঘৰে। কি কাকা কৰ বায়স, ধৰি লৈ যায় পৰে॥" পাচে ৰাজাক ছুতে যোগালেনি। সুধি হস্তী গচকাই মাৰিবলৈ দিলে। তেহে দুখকৈ এক ৰাত ধুইলে। "শাহু লৰবৰ, শহুৰ লৰবৰ যে ছোটকৈ সক। যিহে ৰাজা বোল বুজে সিও পালং গক॥" শুনি তেহে ৰাজা সোধালে। বোলে আমাৰ কথা পতিয়াৰ কোনে? বোলে কৰোঁ। কাকৰ, শৃকালৰ, শহুৰ টকা অমাতৰ মাত বুজা প্ৰমাণকৈ খনালেগৈ। পাই ৰাজা, সুলক্ষণ দেখি ৰাজ মাদৈকৈ ললেনি। এতিয়াও তাৰা সবে কক, মই বুজিছোঁ। আমাৰ চাতে তুমি হৃদয়তে থাকা।

আক নিতে আতা ব্ৰহ্ম মুহূৰ্ত্তে জগাই হৰিচয় জইহৰি, বনমালী, গোবিন্দ, উঠা উঠা, বিষয়াৰ খেতি খেলা, ভকতৰ নাম গাই, গুৰুসেৱা। জয়হৰি আতৈ উঠি পাটচলি দিএ বহা পাৰি। আতা বহি তৈল চোৱে, পৈসনা যাই, গা শুদ্ধিকৈ মাটি পানী লৈ স্নান কৰে। বনমালী আতৈএ গামচা আঙ্গচ দিএ, জয়হৰি আতৈ জুইধৰি কট কৰ নি দিএ। তাতে বসি গুৰুসেৱা কৰে। হৰিআতৈ লখৰজ আতৈ, আলধৰা আতৈ, ভকতদাহ আতৈ, জগন্নাথ আতৈ, ৰবজনা আতৈ, জয়ৰাম আতৈ, এই সব অৰ্দ্ধচন্দ্ৰ মণ্ডলাকাৰে বসি নাম সেৱাকৈ হালি থাকে। তাৰা প্ৰায় আতা শৰতৰ পূৰ্ণ শশী সব প্ৰকাশ কৈ গুৰুসেৱা সুমৰি হৰি আতৈক বোলে মোৰ গুৰুজনৰ এটি চৰিত্ৰ কীৰ্ত্তন কৰা। এ আতা তোম্ৰাৰ মুখপদ্মে কলে অমৃত প্ৰায় সকলো শুনি শ্ৰেয়স পায়,—আমি কি কয়, কীৰ্ত্তন কৰা বৰু। আতা কীৰ্ত্তন কৰে সবেও শুনে। সৱৰণ কৈ

পকি গুৱা, লোন জালুকীয়া, সবাকে দুটি চাইটি দি, আতাও দুটিমান মুখে লয়। কীৰ্ত্তন গৃহত কেহো আতৈএ গীত মাতি কৃষ্ণ বুইলে, কৃষ্ণ সূৰ্য্য উদয় হ'ল, উথা হুঁক। গৈ কীৰ্ত্তনকৈ জয়হৰি ধ্বনি পাঠ অৱসানে নিৰ্ম্মালি প্ৰসাদ লৈ উঠি, আতা চৰাতে বহেগৈ। হৰিচণ্ড প্ৰমুখে আতৈ সবো বসে। আতা ৰামৰ কৃষ্ণৰ, শ্ৰীশঙ্কৰদেৱৰ গুৰুজন আতাসৱৰ বাএ ঠাইৰ চৰিত্ৰ কীৰ্ত্তন কৰিব আতৈ সবে পৰম শ্ৰদ্ধাৰে শুনে। আলধৰা আতৈএ জনাবগৈ, জয়হৰি আতৈএ চাউল সিজাই যুগুত কৈ থয়। আতা গৈ চলাটিতে বহি গোবিন্দ আতৈক সোধে, অন্ন পৰ্শো। আতা পৰ্শা যক। লৈ অতৈক সোধে নহ'ল? আতা নৌ, তাক লব লাগে। লৈ আকৌ সোধে। তিনিবাৰ লোৱায়। গ্ৰাসে পতি হাত ধোএ, আতৈ জল দি থাকে বাকি। হ'ল বোলে মুখ ধোএ। মুখ শুদ্ধি হৈ একেৰি ধুতিএ শয়ন কৰে। তিনিপৰ মাইলে উঠি মুখ হস্ত ধুই বিয়লা প্ৰসঙ্গে যায়। গাই পাঠ শুনি, চৰিত্ৰ কৈ সম্বৰি বহাত বহে যায়। আতা গীত ঘোষা, ৰত্নাৱলী ভটিমা চৰ্চ্চে। কতো চৰিত্ৰ পৰমাৰ্থ কয়। সন্ধ্যা হলে হৰিগৃহে গৈ গুণলীলা শ্ৰৱণকৈ, গীত শুনি, নাম পাঠ শুনি, গাই, চৰিত্ৰকৈ সম্বৰি বহাত বহেগৈ। মুখ্য ৰসিক সব গৈ বসে যাই। আতা চৰিত্ৰ ৰহস্য পৰমাৰ্থ কীৰ্ত্তন কৰে অমৃত প্ৰায়, আতৈ সবে শ্ৰদ্ধাৰে পান কৰে। হৰিকথাতে দুপৰ চাই দণ্ড হয়গৈ নিতে। কতো তিনি পৰেই মাৰে। তেহে কথা সম্বৰি পুৰা কাচা কল আদা সৈতে তিনি চকলি, গুৱা তিনি ভোজনকৈ মুখ হাত ধুই শয়ন কৰে। ভক্তি শয্যাত নিশা চাই দণ্ড থকাতে উঠি বহি গুণ, লীলা, ভটিমা, টোটয়, চপায়, থান, বন, গুণী, গোপাল, শত গুণী কেৱল নাম বৈষ্ণৱ ভক্ত ইসব মাথি গাই ব্ৰহ্ম মুহূৰ্ত্তে শুধি স্নান হয়। এই ক্ৰমে

হবি ভক্তি বসে দিবা নিশা যায়।

আৰু মুদৈ জীয়েকত গগনা পৰ্মানন্দলৈ যেদকৈ আতা এক আহি কৈছে। বিষয় প্ৰমাথ যজ্ঞ গৃহস্থব খোৱা বন্ধা, গোলাম, গৰখীয়া, চাবি পাঁচ বৈণী। সজ জনীব পাল পৈলে বঙ্গ মুখ হবিষ সজ বান্ধনীব হলে। কঠিন কঠুৱা মুই পালত কষ্ট লুব্ধসকবো মাছ, পশু, দুগ্ধ, মধু, হলে হৰ্ষ ভোজনত সেৱক হবি কথাত লুব্ধ সববো তেনে নাম পাঠ নলগা হলে পানত হৰ্ষ মন লাগি শ্ৰৱণত প্ৰশখেলা লড়ে বিষাদ আসুখ। আতাব সঙ্গে চাবি চণ্ডা মুখ্য সেৱক। পশু মৎস্য অনেক দ্ৰব্য মিলাত অনেক হ'লহি। বহাত চাবি পাঁচ জন বহা বান্ধিবলৈ ঠাই নাই। এদিন হবি আতৈএ সুধিছে বোলে অনেক লোক অনেক আশাবে সোমাইছে ধবি গাইছে নাম, তবিবলৈ। আতা (চতুৰ্বক্ৰ)? চিন্তামনিব ভূলি এক আহি কৈছে—সজুল দেশত সুবুদ্ধ বাজা, সত্যব্ৰত দুজন লোক ঘৃত পান নিতে কবাই দখিনা কবে। তাকে দেখি অনেক লোক লগ লাগি যায় পায় লয়। তেহে ভাণ্ডাৰীএ বাজাত কলে। দ্বাবত দুৱৰীক বোলে মুখ সুজি ঘ্ৰাণ পালে পঠাবি। পাচে শুনি সব লোকে মুখে ঘৃত সানি যাই খায় লয়। দিব নপাবি পুমু ভণ্ডাবিএ সুজান মন্ত্ৰীত কলে বোলে উপাব বুজি এবি দিবি। তেহে উপাব যে বুজে নাই, নেবে সব ভাগিল। পূৰ্ব্বব দুজনহে ব'লগৈ। পাই খাই বৈ বেহাই ভাবত হাট বেসাই গ'ল, সাবি অপাব সংসাব।

চিন্তামনিব আহি

আৰু নাহব নবস্তমে পবমাৰ্থ কথা আতাত সুধি নিচাই কৈ পুনব সোধে যেন আৰু আছে, আবে নভবে। তেহে আতা বেৱন কাব্যব এক আহি কৈছে। নৈবেধ দেশব চৈতন্য ভট্টাচাৰ্য্য বিপ্ৰভ সত্তম্বনে গুৰু মানি মন্ত্ৰ লৈ চিন্তন ধ্যান

মোহন কাব্যব আহি

সুধিলে। কিবাত দেখি উৎসংকৈ মহৰ ৰূপ চিন্তিব দিলে। তাকে নিচইকৈ চিন্তি তদ্ৰূপ হ'ল। পাচে হৰিগৃহতে ওলাওঁতে বোলে গুৰু ওলাব নপাৰোঁ, সিঙ্গে ধৰে, গা ধৰে। বোলে মই ধৰোঁ আহ। পাচে বিপ্ৰে খেদকৈ আপুনাকে গৰিহি ঈশ্বৰৰ ধ্যানৰূপ দেখাইছে। নিচইত তৰি গৈছে, "নিচএ পাৰ, আনিচএ সংসাৰ॥"

"নিচয়েপাৰ, অনিচয়ে সংসাৰ"

আৰু ছেকেতলিয়া হৰি আতৈএ প্ৰসঙ্গ তালৰ চৰ্চ্চা সুধিছে। আতা কাত্যায়ণ কাব্যৰ আৰ্হি কৈছে। হেমন্ত ৰাজ্যত হেমকুট সদাগৰে চাৰি ৰাজহংস পুহিছে সৰোবৰে। তাৰে লগলৈ অনেক বহবুদ ধৃতৰাষ্ট্ৰ মেহৰাজ চাপিল। তেহে এক খলুৱা দেখি বোলে অতভোৰ পুহিবৰ কাম কি? বোলে চিন যে নপাওঁ? বোলে আছে আৰ চিন প্ৰমাণ। তেহে বাচৰিয়াত খীৰ সৈতে নীৰ দিছে, খাইছে, হংসৰ জীহ্বা টেঙ্গা, খীৰ পৰি গোট হয়, পান কৰে, নীৰ ছুই কোৱাৰিএ পৰে কেৱল ভাগ। ই তিনিবিধ নীৰ ভাগৱতী, নিগুণা অন্তৰঙ্গ পান কৰে, মিঠা জীহ্বা পৰি কেৱল ৰাজ হয়। ততে নিএ খায়, বিতৰে থাকে চাই। ফুট বনিয়া সেৱক বস্তু শুদ্ধ সত্ব বাচি খায় লয়।

কাত্যায়ণ কাব্যৰ আৰ্হি

আৰু মৌখৰাৰ্ণ্ডে আতাত প্ৰাৰ্থনাকৈ গোপাল আতৈক নিলেহি, আৰ্হি যুক্তি দেখাবলৈ। গৈ আছে তাতে বেহাৰ খেত এহালিচা লৈছে। লৈ ততে ৰাজ কলাবাৰীতে জবাম আতৈএ বেহাৰ তলিলৈ গৈ গক ছুহাল বান্ধা সৈতে আতৈ কাখে। আতৈ কোৰ পাৰিছেগৈ আতি শুৰি সুধি। বোলে হালোৱাসৱ, আতৈৰ মাটিখানি মেলা সমত্ৰ এটি এটি আচ বাই মেলিবি। হলে বৈ থিবি, আতৈ ধকগৈ। সত্তৰ সম্পৰ্কে শুদ্ধ হল, ইচ্ছা ধৰ্ম্ম লৈ। সেই সমত্ৰ বেহাৰ টুট হ'ল। আতা তত্তেৰে নাহৰ গুটি বিচাৰি কলপাকে ৱাৰলৈ ধ'লগৈ। তেতে

গোপাল আতা দ্বাৰে ধৰ্ম্ম ধৰি, আতাক বেহাৰ তৈল্য বস্তুৰ দি পঠালে ফিৰাই। পাচে তাত নেথাই নোচোএ দেখি নিন্দা হিংসা কৰে। দামোদৰী ভটৰ মানস বনমালীৰ সত্ৰ গুৰুপথ নসয়। বৰ নপাৰি আতাত কলেহি। আতা বৰ গুৰুত কলে আহিব খোজে, গঞা বায়তে নেৰে। বোলে আতা উপায় আছে, অনা যাব। কৈ পঠালে বাৰ খাটিকৈ বুদ্ধি। তেহে চাৰিকুৰি জন লৈ গ'ল। বাটৰ কাখে তেওঁকো দেখি বোলে সেইটি জবাম নহ? বোলে ক'ৰ জবাম অ? বোলে হয়, ধৰি আন, আইলে। দেখি গঞা চুবুৰীয়া চাপি বৰ মেল হ'ল। বোলা সোধাচো ছয়কুৰি টকাৰ লোন, পোৱাল, বাখৰ, চিত, তাও, সিন্দুৰ, জিনিচ দিলোঁ। বেপাৰে, হয় নহয়? বোলে হয়, মূল হুন পৈল, পলাই ফুৰিছোঁ। সাত বৰ্ষৰ সূত সৈতে লেখিলে পাঁচশ টকা হল। অনেক তৰ্জ্জি দাবি হুকি দিএ লোক দেখাই। ঘৰে নি পৰিকৰে সৈতে আদ পাচ কুৰি ভাৰ যুৰি একেবাৰে সব দ্ৰব্যে তুলি আনিলে পাৰকৈ। সব বায়তে চাই থাকিল। আতা প্ৰশংসাকৈ বোলে অত বুদ্ধি চলে তোমাৰ!

আৰু সাধকোমাৰ সভালৈ জনালেহি ভাটোকুচীৰ আতাক বোলে যাবলৈ হুক। বোলে হৰিপো, আপুনিএ যোৱা যক। আমি গলে বাৰ্ত্তা বিদ্ সুধিলে কাৰ কৰা? তেহে ভক্তে সমে গৈছে। সাদৰি নি সভা কৈলে। দখিণা টকা দহ, সোণা এটকি, কাপৰ এযুৰি। আতা বোলে মোৰ আতাৰহে ই বস্তু। পাচে সেইদৰে পুনৰ দিলে। আদৰে থৈছে নি। পাচ দিনা বোলে আতা ঠাই যাওঁ ভক্ত ওলক। হৰি আইতএ বোলে আজি বৰ দুখ পাইছে ভক্ত, কালৈ যামহক। বোলে বৰ দুখ হ'ল, লোকৰ গৃহে প্ৰাণ ভৰ নাছিল। ওকনি লাক পিৰাত চুলাবেহে মাৰিছিলোঁ। বোলে আপুনাবো পুৰি

নাছিল। বৌ খানে কলহত আঁৰকৈ নিদিয়া হলে বনেই। আতৈ সবে বোলে লাগিলহে আৰু। পাচে গৈ পাই সেৱা জনাইছে। তেহে আতা গুৱা এটি চৰুত দিলে তুকঠি মানৰ। বোলে স্নানকৈ লক। আতা চাই মনে বোলে কাক দিম? বালি পুখুৰীতে আমি লৈ যাম, লৈ থকা লৈ গ'ল দুইপৰত। পাই স্নানকৈ আতা দিছে। সেএ বাঢ়ি খাই ৰ'লহে। মাজতে এটা পদ্ম ফুলিছে। আতা বোলে কোনে পাৰা আনাইঁক। কলাবৰীয়া জৰাম আতৈ সাম্ভুৰি আনিলে। আতা হস্তে লৈ সবাকে একো পাহি দি বোলে চকাৰটিৰ কোন পাত্ৰ। বোলে আতা আপুনাৰ ইচ্ছা যাকে তাৰ পাত্ৰ। বোলে মোৰ হৰিচন্নহে আৰ যোগ্যপাত্ৰ। বুলি দিছে। তেহে আশ্চৰ্য্যহৈ লাগি হে বুলিছিল দেখে যে দায়া স্নেহ।

কলা কৃষ্ণ আতৈ আৰু কলা কৃষ্ণ আতৈএ চাইঢাপ মাৰি কলাবাৰীকৈ কলা পাত পচলা, তিল, খাৰ কঠ, আতৈ সৱক নিতে যোগান ধৰি আছে। সবেও মাহ, প্ৰসাদ, কল, লাৰু, গুৱা, লোন, তৈল দায়াত দিএ। আতা বৰ্ষত, ভুমি পছৰা দি ভোজন কৰায় চাৰি পাঁচ দিনে। মায়ৰ ভীম একাদশীত পাত পচলা কল এভাৰ নি দি চাৰিও হাটী সেৱা ধূলা লৈ আতাত বিদায় কৈলে। কতো যবে হাস্য বিগতি কৈলে। পাচে গৈ দুই পুখুৰী মাজে কঠ পাৰি বহি ৰাম ৰাম গল। দেখি আশ্চৰ্য্য হৈ সবে ভক্তে যাত্ৰা ঘোষা গাই নি দহনকৈ সিধা সভা তুলি মাসান্ত কৈলে।

আৰু প্ৰহ্লাদ মুদৈৰ পত্নী মৰাত বেটা নিৰণ ডমাইৰ কৰুণা ভুঞা টকা একুৰি নিছিল ধাৰে। দুকলা দি আছিল একবৰ্ষ। প্ৰহ্লাদ ভাতৃ কৰুণাৰএ বাঢ়ি মাৰি গৰু হালি কাৰি আনিলেগৈ। আতা দিৰ দিএ, অন্দুৱাকৈ বোলে পাণ্ডৱ চাউল খাই কৌৰৱৰ গুণ গায়। আতা কষ্ট পাই

গল শুচি ককণা ভূঞাৰ গৃহে। ছয় মাহ আছে। হৰি আতৈ মৰিচ, বাঙ্গন, আদা আতা হাক দিয়াত আতৈ বোলে মুদৈৰ গৃহে যাবৰ মন আছে হবলা? আতা বোলে মই প্রহ্লাদৰ হৈ আতেসে আছোঁ। তেহে মুদৈএ শুনি গৈ প্রার্থনা কাকণ্য কাতৰ কৈ আনিলে গৈ।

আৰু মৌখৰাৰ নিৰঞ্জন আতৈ, কসাবৰিয়া সৰ্ব্বানন্দ দলৰগাঞে গোপাল, শিল পোতাৰ ৰামানন্দ, আলধৰা মুকুন্দ আতৈ, সৰ্ব্বানন্দ আতৈৰ বৃদ্ধকাল হ'ল, সমুহত সুধিলে গোপালকে বুইলে। তাৰা সবত সুধিবলৈ পঠালে মুকুন্দ আতৈক। মৌখৰাত কলে যাই। বোলে আতৈ সবে বোলাত আতৈএও বুলি অত সুধিবলৈ পঠাইছে। বোলে তেনো চাউল, লোন তৈল আনা। তেহে সিধা নি চাউল সিজোৱাই ভোজন কৈলে। শিলপোতাতো কলে সেইদৰে দি বান্ধনী লৈছে। দলৰ গাঞতো সেইৰূপে দি লৈছে। তেহে আতৈত কলেহি সিধা দি লৈছে বান্ধনী। বান্ধনী লোৱা

আৰু বৰদলৈএ এটা পশু দি পঠালে। সন্ধ্যা পালেগৈ। আতা বোলে নিশা থক, পুৱা কাটি দিব। বেহাৰ গোপাল আতৈ বোলে এতিয়াই দিয়ক কাটি ভগাই। গুৰুজনে বেহাৰত ধাএ দিয়া পশু ৰাত্ৰিএ দিয়াইছে। বোলে কোনোজনৰ কিবা গোবিন্দৰ ফৰমান হৈছেই; লক। আতে আশা লাগিলে পুনৰ জন্ম হব। গুৰু, আহিছে কৈছোঁ, আতা বাক্য নখৰ্চ্চো আমি। পাচে আতা কটাই দিয়ালে আতৈৰ বাক্যে।

আৰু নিছুৰি বিষ্ণু আতৈ আহি আতাৰ পাই ধৰ্ম্মকে ধৰি আছে। তাবাকে লাগ পাই বিৰকত হৈ আছে। গাওবে হবাই ঘৰে ভোজ হৈছিল, তালকে মাতিলে গৈ। চাই গৈ দেখে ভাত সিজাই দলাই থৈছে। নিছিনি থৈ নিছুৰি বিষ্ণু আতৈ

গৈছে। খচি সবে ঠাই পুৰিছে। অত্ৰাহি হৈ বোলে এ ভোৰকে খাবলৈ মাত ? বুলি গুচি আছিল। এনে বিৰকত হৈ আছে। আতা শুনি বোলে সেই লোকটি আনি দিয়া। তেহে আতৈ গৈ আতাৰ গুণ শীল, মহিমা ক'লত আহি ভাৰ এখানিৰে সেৱা কৈলেহি। আতা বোলে এই শুদ্ধ সত্ব ধৰ্ম্মক ধৰা, তুমি ৰব পাৰিবা। বোলে আতা দুটা কথাহে এৰিতো টান, ঢিলা ধৰিছোঁ। বোলে কি টান, কি ঢিলা ? বোলে নাম টান, ঢিলা সকলো ভক্ষণ কৰিছোঁ। মই মহাপাপী ই বস্তুত কি কৈ ৰম ? বোলে পৰা যাব। তুমি পূৰ্ব্বৰে পাচটীয়া। তেহে গৃহৰ পৰিক্ৰিয়া কৈছে। কৰি পাচ দিনা আহি ভাৰ্য্যা পুত্ৰে বস্তু লভিছেহি। মহা বিৰকত হৈ অনেকক বিৰকত লগাই ধৰাইছে।

আৰু গুপী ৰাজখোৱা মাচ দিছে। ভগাই দিলে, নিলে ভক্তে। মাছৰ লগত লাগি যোৱা টোৰা, ডলিকা, মোৱা, মাছ দুমুঠি মান ৰ'ল। ভুহুৰাত পেলালে। আতা গধুলি পাও চলাই হাটীলৈ গৈ দেখি বোলে বগৰা, খৰিয়া, ব্ৰহ্ম অংশী জীৱ সংসাৰে বেৰাই ফুৰিছে। হৰিগুণ সেৱকত লাগি কিবা সাৰেই, পেলোৱা কিয় ? অনাই দিয়াইছে সবাকে।

আৰু এটা শ্বেত কুৰ্তা আতাৰ চৰাৰ কান্তিতে পৰি থাকে সৰ্ব্বত্ৰে। হৰিগৃহে গ'লে পাচতে কান্তিতে যাই নাম শুনি থাকে। প্ৰসাদ নিৰ্ম্মালি দিয়াই যায়। আতা সবে ভক্তে
কুকুৰ মুক্তি দিএ, অন্ন খাই আছে। বণ্টাচম্ন নাম দিলে। ভকতদাহ আতৈ নিদিএ নেপেলায় এটিও। এদিন আতৈক দাবিলে সেই কুৰ্টা। তেহে আতা চাই বোলে সেৱকত অপবাধ লাগি অন্ন হৈছে। সাবিব লগা হৈছিল, আকৌ লগালা। তেহে সেই নিশাই কীৰ্ত্তন গৃহৰ দাৰ মুখে শিলতে শিৰ দি চলিল। পুৱা আতা দেখি যেনকৈ গমচাখানি দি পোতালেনি।

আৰু এটা শ্বেতবিৰাল আতা আতৈ সৰুৰ হাটীতে থাকে। সবাৰে মাছ ভাত চকু ভাঙ্গি খায়, ডকুবৰ। বেজাই পাই ধৰি মাৰি বান্ধি থৈছে মাৰিবলৈ। সি মানুহৰ দৰে মাতি বোলে আতা মোক মাৰে। আতা শুনি আচৰ্য্য অদ্ভুত হ'ল। কোনে মাতে বুলি দেখে, মাজাৰী। পুনৰ মাতিলে আতা বোলে ভকত গুৰু দোষে জন্ম পাইছাহি। এবাৰ লগালে কত জন্ম বেৰাব লাগিব, নকৰিবা আৰু। তেহে নিশা মাৰ গ'ল আঠু দিয়া শিলাতে মাথা দি। পুৱা দেখি খেদকৈ গমচা দি পোতাই থোৱালে। নিশা স্বপ্নত ভক্তে দেখে শুক্ল বস্ত্র পিন্ধি দ্বাৰে পতি ধূলা লৈ বোলে আতাৰ কৃপাতহে জন্ম সাৰি যাওঁ আজি। মেকুৰীৰ মুক্তি

আতা ঠাইলৈ বংশীগোপাল গৈছে। আতা পাও চলাই ওলাই গৈ লাগ পাই কথা বাৰ্ত্তা পথে হৈছে। হেৰমাই গ্রামতে এক লোক আছে। হাত বাব দি বাম বামকৈ আতাৰ কাখে গ'ল। গোপালে বোলে আতা, এই জীৱটি শুদ্ধ ভক্ত হব আপুনাৰ ভাগৰ জীৱ। পাচে আহি ধৰ্ম্ম ধৰি হাটী লৈ আছে, নাম দিছে বাম। বংশী গোপাল

আৰু পচতীয়া ভিটাত জৰাম আতৈৰ বেটা মুকুন্দ আতৈ দেউৰী। চাউল, মাহ তিনি খৰাহি নি ধুই ছকাজলি লৈ গ'ল দলঙ্গে এ খৰাহি লৈ গল। আহি চাই, নাই। অভ্ৰাহি হৈ চাৰিও ফালে চাই দেখে বৰ মলুৱা বানবটে আম গাছে তিনি কেবোঙ্গাত থৈছেনি। আতাত কলে যাই। আতা গৈ বোলে ভক্তত অপৰাধে এই জন্ম হৈছে। পুনৰ লগালে থানি। কিছু নপৰাকৈ থলে নি। আতা বোলে বৰ্জ্জিত হোৱা নাই, ধুই আনা। তেহে ধুই আনি দিছে।

আৰু মূলৈৰ ৰবেটা মৈল, নিশাই কান্দিছিল। আতা পুৱা বোলে হেৰোৱ চলিল বোলে আবৰো। বোলে আতা [illegible]

এভাগু হ'ল ; কি চাব ? বোলে আনা। আনিলে। আতা পাও চলাই গৈ চোতালে চায়। মৰাই চাৰিও ফালে চাই আতাক নমি ৰাম বুলি গ'ল। আতাৰ নামৰ মহিমা দেখি ৰায়তে আচৰ্য্য অদ্ভুত হ'ল।

নিত্যানন্দ আতৈ

আৰু পৰিতিয়া গ্ৰামৰ পেৰা পাত্ৰৰ ঘৰৰ নিত্যানন্দ আতৈ আতাৰ গুণ, শীল, মহিমা, শুনি গৈ চৰাতে বহিল। হৰিগতি আএ পাই সোধ পোচ কৈ গুৱা পান দিয়ালে। তেহে বোলে আমাৰ গুৱাত কাম নাই। জীৱৰ সৰ্ব্বস, পৰলোকৰ বিতহে বিচাৰি অহা হেছে। আতা বোলে তোম্ৰা সব ব্ৰাহ্মণ বৰ লোক মহা গৰ্ব্বী পূৰ্ণব্ৰহ্ম কৃষ্ণদেৱৰ বৃন্দাবনে গুৱালৰ লৰা বুলি মানিব নুৱাইলা ই ধৰ্ম্ম কেনেকৈ ৰখা যাব, যকগৈ। তেহে বিপ্ৰে বিমন হৈ হৰি আতৈত পৈল গৈ। আতৈ গৈ আতাক বোলে ইজন এৰা যাব বামুণ বুলি, সিজন এৰা যাব শূদ্ৰ বুলি, আগলৈ ওৰু ধৰ্ম্ম লোপ নহব ? যেই সেই মতে বাঢ়ক গুৰু ধৰ্ম্ম, জীৱৰো কুশল হক, বোলা যক। পাচে আতৈৰ বাক্যে পৰিক্ৰিয়া কৈ শুৰু বাক্য কীৰ্ত্তন কৰিছে। পাচত ভাতৃ শতানন্দ ধৰ্ম্মক ধৰিছেহি।

আৰু শ্ৰীৰাম আতৈৰ গৃহ বাৰী গুভিৰত। সব মৰি একল ৰ'ল। পাত কাতিয়া আতা চলি হাতৰ নাৱশালীৰ ওজা বৰ পোত কাতিবলৈ ধৰিছে। বিৰকত লাগি শুচি আহি শিৰছা গাওতে আছেহি, ছমাই বিৰৈ শৰীয়াৰ গৃহেৰে জঞ্জাল পাই বাৰৈ মুকুন্দ আতৈৰ আশ্ৰয়তে ঘৰ বান্ধিছে। ৰাম ভদ্ৰ আতাক পাই ধৰ্ম্ম ধৰিছে, পত্নীয়ে সৈতে আতাক সেৱাই আছে। গাওঁতে মাক বাপেকৰ ঘৰ। আতৈ লোমাইছে, আই ৰাটে আছে। শ্ৰীৰাম আতা গৈ পাই সুধিছে বোলে আমাৰ তাবা গৈছে পিতাক মাত লগাবলৈ বোলে তুমিনো নগলা কিয় ? বোলে গ'লে খাবলৈ ধৰে

তাৰাক সাহ নাপায়, নধৰে। বোলে নোখোৱানো কিয় ? বোলে ভাটৌ কুচীয়া আতাক পাই শুদ্ধ মত ধৰ্ম্ম ধৰিছোঁ; তাৰাসব অভজনীয়া কাস্তে নখাওঁ। বোলে আজি গৃহ পাবাগৈনে ? বোলে বেলা ছোট হ'ল, নেপামগৈ। বোলে তেনো সেই বস্তি মূলতে ন গৃহটি বান্ধিছোঁ, তাতে ৰব যাই, আমি আগ হওঁ। পাচে আইএ আতৈত সেই কথা কৈ গৈ ৰৈছে। আতৈএ পৰম আদৰকৈ ভোজন কৰাবলৈ ধৈলে সামগ্ৰী দি। বোলে কৰা যক, গুৰুসেৱা প্ৰসঙ্গ আছে আমাৰ। পাচে নাম কীৰ্ত্তন কৈ ভোজন কৈলে। নাম শুনি মুকুন্দ আতৈও আহি বোলে আমাকো নিয়া যক। বোলে আমি বতুলা আতা ঠাই নিব নোবাৰোঁ। বোলে তাৰানো কি ধৰ্ম্ম ক'ৰ ধৰিছে। বোলে এক ধৰ্ম্ম আতাহে নিছে, তাকো মহাপুৰুষ গুৰু ঠাই বস্তু লভিছে। তেনো অলকে নিয়া যক। বোলে বাৰু দহ বাৰ দিনে আহিম; যো হৈ থকা যক। তেহে নি দুওজনা আতাক ভেটাই দিছে। আতা পাই চিনৱ বস্তু শুদ্ধ জীৱ। বোলে আজি যোৱাযক, আমি ত'লকে যাম, বুঢ়া সাধুৰ ঠাইতে ৰমগৈ। ততে এই বস্তু পাবা। তেহে গৈ···আছে, আতা ভক্তে সবে গৈ ৰৈছে। ততো দুওজনে সাৱধানে গৈ শ্ৰীৰাম, আতৈ বস্তু লভিছে। মুকুন্দ আতৈ গুৱাপান চোট হ'ল, বিচাৰি গৈ পাচ হ'ল। পালত আতা বোলে যি আগ হব লাগিছিল সি পাচ হ'ল। হুক, পাচেও আগ আগেও পাচ, একে বস্তু। দুয়োৰো মনৰ নিচয় ঘটিছে। ই কাৰণ হে হব লাগিছে। তেহে ধৰ্ম্ম দিছে। দুয়োজনাক একৈকৈ অনুগ্ৰহ কৰিছে। গাওঁৰ শইকীয়া বাৰীৰ বাঢ়ৈ পাতিছে। দুয়োজনা যি দ্ৰব্য বস্তু পায়, আতাকো দিয়েনি, তাৰা দুয়ো খায়। মুকুন্দ আশ্ৰম, শ্ৰীৰাম আতৈ উদাস এখানি আকে বাটি খায়। চতুৰ্থা

বস্তুৰি গুটি তিয়াই লৈ আগে থৈ খেদ কৰিছে। তেতিক্ষণে পালেহি। ছয়োজনা ভোজনকৈ সুখে ৰহিছে।

আৰু উদয় আদিত্য ৰাজাৰ দিনত ভকতৰ বৰ জগৰ হৈছিল, পলাইছিল। সত্র, সভা, নাম, গুণ, এৰি চকি, কাট দি পালে ধৰি খাটোৱাল কৰি বেবেজীয়া কৰেনি। আতা গৈছে চুকাভটাত পলাইছে। সেৱাৰ সৰ্ব্ব বস্তু লাউ তৰুৱা বুঢ়াৰ গৃহে ৰূপা বান্ধি থৈ। লখৰঙ্গৰ গুৰু বাৰেজনে সৈতে বৰকলালৈ গ'ল। চৰাই মৰা বলাই আতা ঠাইতে আহি, জগৰা কিছু ঢ়িল হৈছেহি। বোলে আতা সেৱাৰ বস্তু আনো যাই বোলে বলাই কতুৰা পায়, মউ হয়। বোলে আতা পাই যদি বৰ চলিহা পাইক বুলি গালে প্ৰহাৰকৈ আহিম। বোলে বাক্য বাজিল, চাই যাবা। গৈ পাই নিশা বস্তু লৈ আহে। হাহিএ চকী মাৰি। মহৰ খোজত ভৰি পৰি তাল খিটিঙ্গ কৈলে। সেই ভকত বুলি বেৰি ধৰি মাৰি বস্তু লৈ শিৰে দিলে গৈ। লোৱা দি থৈছে। আতা পুৰতুম বৰুৱা লৈছে। ৰাজা আজ্ঞা মেলাব নপাৰে। গোবিন্দ তৰ ধৰা বৰা ৰথীয়া অধিকাৰ কয়, কান নকৰে সি। তাৰ গুৰু গোমথা মাহৰা কতো মুখে কয় শিলিখাতল বুলিও কয়। তেহে তাৰ মহন্তৰ বৰুৱা জগৰ লাগি নিশা পলাই গৈ নগৰে বৰুৱাৰ কলানিত সোমাই আছে যাই। পুৱা দেখি বৰুৱা গৃহে নি পোহপাল দি থৈ ভালৈ কলে বোলে মোৰ ঘি ভকতেহে নেৰে। তাৰ গুৰুজনক পাইছোঁ মই। ৰাজা লৈ কৈ স্বামীও কোবাম আতা বোলে বৰুৱাত কৰা যাই আমি এদিন বৰুৱা গৃহে বনকে কৰি দিম, ভকতিৰ অৰ্থে পুৰুষাৰ্থ কৰক। বোলে স্বামি কৰা হৈছে। ৰাজঘৰ কথা ক্ৰমেহে পাৰি গৈ। তেহে বৰা বুদ্ধি দিলে বোলে চাৰি পাঁচ দিনে গা ধুৱাওঁ নি। জিখৌ ৰখিণে নাও যাছুহ থৰ। ভকত বুৰ মাৰি পলাৰ, ভুলি নিৰ

গোমথা মাহৰা

বেৰি কটাব। সেই দৰে থৈ গা ধুৱাওতে গ'ল, পাই নিলে, গৈ বেৰি দিয়া সবে বোলে কপে বহ হাবে চালে ভক্ত পানীত কি বামেৰে গ'ল কিবা? তেহে একটি কৈ চুপে কমাৰ অনাই বেৰি কটাই তিনি পক্ষেহে ছুটি চাইটি কৈলেগৈ। সাত বৰ্ষত এৰাল। পাচে আতা লখবঙ্গ আতৈ কলে বোলে, গুৰুত কবা বলাএ পূৰ্ব্বে যিৱন কৰিছিল এতিয়াও কৰাব। মই চিচা কৰা হ'ল, ৰাজা দণ্ডিত দোষ নাই।

আৰু ভাটোকুচি আতা উঠিও বহুলা আতা কৈ গ'ল বোলে, মুকুন্দ চিৰাম অৰ্থে মই মাতিছোঁ, শত অপৰাধ আমালৈ চাই ক্ষেমিব। পাচত পুঠিখৱাত আতৈ সব গৈছে। হৰি আতৈএ ভেটাইছে। বোলে নিচিনোএ দহো আমি? আহিল খেদকৈ বোলে, খবে খোৱা বগৰা জীৱ যোনী চেপা খাই ফুৰা সংসাৰত। আতা বৈকুণ্ঠৰ বস্তু আমাক কাহানি দেখিছে। পুনৰ এখানি ভাৰলৈ গৈছে। হৰি আতৈ জনাইছে। পিঠি দি বোলে আ দেখাই নাই আমি, ক'ৰণো? আহি মহাখেদকৈ বোলে, মহাপাপী পাপযুক্ত হৈ চৌৰাশি নৰ্কত বেৰাই ফুৰোঁ, অনাদি জন্মত। আতা শুদ্ধ ব্ৰহ্ম বৈকুণ্ঠৰ বস্তুক লগ পাইছে, দেখিবলৈ। এযুৰি ভুনি পৰঠালৈ গৈছে। আদৰকৈ সুধি ছুই ধৰালো বৈ গ'ল। মই অধমে আতা বাক্য পেলাই দেহ অহম্মমৰ বাজ, এনে ভকতকো পৰীখোঁ, অপৰাধ হ'ল, ক্ষমা কৰিবা আতৈ সব।

অক তিনিমাহৰ পাচে আতা আগে বাক্য বোলা ভক্তে সমে বকৱাব খাতে গৈ হৈথন হালগিৰিএ দাস দাসীবে ধান কাটিছে। আতা বোলে কাচি খাওঁদে। দিলে। এটি মুঠি কাটিলে। সেই দেখি দণ্ডৱবে পৰি অনেক কাতৰ কৈলে। এৰি গ'ল। সি গৈ বকৱাত কলে যাই বোলে তাকে মধ্যাকৈ হুহালিচা ধান ভুখি দাৱ যাবি আতাৰ

ভঁৰালে সুমাই দেনি। সেই ক্ৰমে দিছে নি। আৰু এবাৰ মুকুন্দ চিৰাম আতৈ আতাক সেৱা কৰিলে গৈ। আতা বোলে আমাৰ কোন্ধ নাও এখানি আছে, কেটি দিব পাৰা? বোলে আতা সজা। তেহে বাজ চচা হ'ল, কলেহি চিটাবলৈ। ভকত দিছে, বোলে, নাওঁ দাঙ্গি সকলে চিতামক সেৱা কৰিবা হ'ক। কৈলে। আহি, আতা বোলে আতৈ সবে ডকা দিলে আজি একো নৰ,ল। বোলে গা এৰাই

সেৱাৰ পাত্ৰ

সেৱা লব লাগে। কাক কোনে কৰে, পৰমাত্মা গুৰু এঘাৰ ইন্দ্ৰিয়, চব্বিশ তত্ত্ব, পঞ্চভুত, দশ বায়ু, জৰ সকলো সচেতন কৰাইছে দেখিছে জীয়া; এৰিলে দৰশনে স্নান। সেই বস্তুহে সেৱা কৰে। জৰ জীৱক কোনে কৰে? আত কি খেদ কৰা হঁক?

আৰু বোলে শ্ৰীৰাম, আপী, ৰামচন্দ্ৰ বাৰ্ত্তা লৈ আহা যাই। গৈছে। বাটতে বুঢ়া গোপাল আতৈএ দলি কোবাইছে। বোলে কলৈ যোৱা শ্ৰীৰাম? বোলে ৰামচন্দ্ৰ আপীৰ বাৰ্ত্তা লব'লৈ পাঠাইছে গুৰুজনে। আজি কি চৰিত্ৰ ওলাইছিল? বোলে মহা বিৰকত হলে ছুনাই ভ্ৰষ্ট হয়। এই চৰিত্ৰ কৈছিল। বোলে বলাচোন নাগাগে যাব। সুন্দৰীত দগো কৈছিল মহাবিৰকত হৈ হৰি ভক্তি কৈলেহে সংসাৰ ভৱে, বেহাৰ পালতে লৰিল নে? লগ পাই বোলে অ'ত কৈছে ছয় বিৰকত হলে নভৰেহে। বোলে হয় গুৰুজনৰ ভক্তি উত্তম সবৰ বিহঙ্গম যোগ। দেহ ধাৰী মধ্যম সবৰ

বিহঙ্গম পিপীলায়ন ভক্তি

পিপীলায়ন ভক্তি যোগ। ক্ৰমে বিৰাজ হৈ ভৰে। খৰ হলে ফাটে, গুদা হলে ফুটে। নিন্দিলে বন্দিব লাগে। অতি বিৰক্তি হলে গোসাঁই নসয়, পুনৰ পৰে অৰ্দ্ধে। পিপৰা ক্ৰমে সিপা উঠি আগ লয় গৈ।

আৰু তীমা ভকত চৰণ আতৈ গৈ জগন্নাথ ছমাহ

আছিল। কৰাল খুহিছিল দলৰ লোকপাত উঠি সজকৈ দিছে। পাণ্ডা সবে প্ৰশংসা আটিকা ভাগ দিছে। পাচে উজাই আহি সকলো থান সেৱাকৈ হেৰেমদতে বৈছে। পানী খাৰ আনি পুৰি খালনকৈ সবাকে দিছে। হৰি গৃহৰ দ্বাৰমুখৰ শিল চলা ভক্তৰ ধূলা পৰি খালন, হ'ল। আতৈএ চিনি ভাঙ্গি সবাকে দিছে, আশ্চৰ্য্য অদ্ভুত দেখি শুনি খাই হৈছে।

আৰু পাৰলিতে হৰি চৰদাৰ এটা পশু দি পঠালে ভকতলৈ। গুৰুজনে বোলে দিয়ক ভকুক কাটি। জইৰাম ভণ্ডাৰিএ বোলে গোধূলি হ'ল, কালৈ দিম। গুৰুজনে ৰাগ কৈলে। মনুষ্য তনু খানিক প্ৰায়, কিবা কোনো জনৰ নিশাই দেহা পৰেই, তাতে আশা লাগি যাব, পুনৰ জন্ম হব, এতিয়াই দিয়ক। তেহে কটাই বাটি দিছে। লৈছে সবেও।

আৰু মৰিচাতে লুটুৰা বুৰা ভাৰ দুখানি লৈ পৰমাৰ্থ সুধিবলৈ গ'ল। পাই দি সেৱা কৈলে। বোলে কিয় আহিছা? বোলে প্ৰভু, আপুনাকে দৰ্শন হবলৈ। মায়াত মোহ হৈ সিটো কব মুৰাইলে। তিনিবাৰ সোধাত বোলে চাবলৈ আহিছোঁ। তেহে গুৰুজনে ৰাগকৈ বোলে বৈ চালীৰ পো, ভূলোকত পৰি ভু হকৰালি? এই বুলি উঠি কাপৰ দাঙ্গি দেখাই পঠালে। পাচবাৰ আহি ধৰ্ম্মক ধৰিছেহি।

আৰু চৰাই মৰা বলাই এবুৰি কুপউ চৰাই ভেটি বোলে আঁবকৈ চুপে মাৰি আনোঁ গৈ। চাই দেখে যে চন্দ্ৰ সূৰ্য্য পৃথিবী, দিগ, আকাশ সবে দেখে। পাচে বন জঙ্গল সোমাই মাৰিবলৈ চায়, তৰু, তৃণ, লতা, কীট, পতঙ্গ, পশু, পক্ষী, নাগ, যক্ষ, ৰক্ষা ভূত প্ৰেত দেখে। কাপৰ তলে

চাই মাৰিবলৈ চায়, পঞ্চ ভূত, এঘৰে ইন্দ্ৰিয়, দশ বায়ু, চবিশ তত্ত্ব, ষোড়শ বিকাৰ, অষ্ট প্ৰকৃতি সবে দেখে। উপায় নেপাই মাৰিবৰ দিলেনি। আতা উৰাই বোলে পঞ্চাশ কোটি ব্ৰহ্ম ডিম্ব তলে উপৰে চৈধ্যভুবন, জম্বুদ্বীপ এক লক্ষ। তাতে নভাগ ন দ্বীপ, সীমা দণ্ড আঠ সাগৰ সাতন মূৰ্ত্তি। ক্ষুদ্ৰ ব্ৰহ্মাণ্ডতে সবে পালা ৰব হৰ ধৰ্ম্ম পাত্ৰ। তেহে পৰিক্ৰিয়াকৈ বস্তু দিছে পৰম তত্ত্ব। বৰুৱাক ৰাজা

গহপুৰ আড়াই বছৰ

বিচাৰ কৰা শুনি চাৰিবৰ্ষ বৈ উজাই গহপুৰতে তৰিকাল পথাৰতে বৈছেগৈ। তাতে আঢ়ৈ বৰ্ষ বৈ ভুটা খেতকৈ খাই মাটি বাৰী পৰদেশে ঠেক পাই বোলে ৰাজানো কি কৰিব, আপুনাৰে দেশেই যাওঁ। এই বুলি চিৰামখা, নিৰামখা গদাইখা গ'ল ভটিয়াই। গাভুৰ্খা বোলে ৰাজা বা কৰে কি, নাযাওঁ আৰু। এই বুলি ঢেকিয়াল বৰুৱাত কৈ ৰাজালৈ মাটি বাৰীৰ কথা জনালে। ৰাজা সি তিনি যাবৰ শুনি খেদকৈ সলালগোহাইকে আজ্ঞা কৈলে পাতিবলৈ। তেহে নি উজাই আগৰ বাৰে ভুঞাৰ লগে মলখতে পাতিলেনি। আতাও সেই লগে গ'ল। আই পাচ বিয়া তাতে কৰাইছে।

চতুৰ্ভুজ আতৈ

আৰু চতুৰ্ভুজ আতৈ এটি হৰিগৃহ কৰি নাম গাই গুৰু চাৰত্ৰ কৈ থাকে। আতা শুনি বোলে সেইজনা পুৰুষ নো ক'ত আছে? বোলে বৰপেটাত আছে। বোলে থুবা, মোক নিয়া। মাতৃৰ নপাৰাখানি কি হয় চাওঁ, মাহ চাৰি অপেক্ষা কৰা আছে। কাতি মহা আকাল পৈল। মলখৰ বৰ ঘতি নটি লোক নাও বান্ধি বৈ আছে। আতা স্নানে গৈ দেখি সুধিলে, কলে সিইতে ধানলৈ যাওঁ উজনে, শুবিয়াল নাই। পালে ধান আনিব ভেৰণ নাই কিয়া কৈয়ে নিওঁ দিওঁ। তেহে আতা গৈ

খুড়াকত বোলে এনে লাগ পাইছোঁ। ৰাই ত'ৰো আক ভূঞা সব যি আছে ধান কিছু আনোঁ খুজি। আতৈ বোলে বাপু, যোৱাই তেনো। গৈ পাই ধান একুৰি লৈ দিহিঙ্গে আহে উজাই। কোটোহা ঘাটে গাওতে মানুহে যাই দেখি নিনি কব খোজোতে বোলে নকব, মানুহে বৰ তাপ পাব। এটা বোলে তুমি দীঘলা কাথৰ জমাই হোৱানে? বোলে হওঁ। তোমাৰ ভাৰ্য্যা মৃত্যু হ'ল। তেহে আতা মহা হৰে বঠা খান তিনিপাক ঘুৰাই জাপ মাৰি পৰি উঠি বোলে, "ভাল ভৈল, গুচিল বিষয় মহা বিষ। নিষ্ফল ভৈলোঁ, আত পৰম হৰিষ।" সিহঁতে বোলে কবলৈ হাক দিলোঁ, পানীতে তাপে পৈল। পাই ধান তুলিছে। খুৰাকটে মাহেকে খেদকৈ কান্দিছে বোলে জীয়া হলে অতৈ সোমাল হতে। তেহে খুড়াকে বোলে কিছু দে। বোলে খুড়া কিছু ধৰ্ম্ম নাই আত। পাচে আতৈ চাৰি পুৰা দি চলিছে। আতা। ছমাহ হ'লহি, বুৰীমাক ঘুমুৰিয়া ভাল নহয়। খেদকৈ বোলে খুৰা আজি কালি কৰি দিন আলচোঁতে যায়। এই সমএ যদি দেহা পৰে, কৰিম কোন উপায়? ধন্য কলি, ভাৰতবৰ্ষ, নৰতনু ৰাম নাম হাতে চাপৰ দি যায়। মোক লাগ ধৰাই পঠাই দিয়া। তুমি পাচতো যোৱা। খাই পাই আছা বস্তু, পেট জুৰ তোত্ৰাৰ। তেহে আতৈএ আতাক নি খাৱনা সৈতে চণ্ডিবৰ কটকী গঙ্গালৈ যায়, ভতে তুলি দিছেনি। কৰি চাৰি কাওন দিবলৈ। আগত তুলি ব'ঠা বোৱা হৈছে। আহম ঘাটে ব'ল যায়। আতা উঠি ঠাইখানি সজকৈ অতাই খৰি হমুটি বান্ধি আনি স্নানকৈ চাউল শাক খুই লৈ খুজি সলাই খুটি মাৰি বেৰা দি চাউল বহাই গুণ, লীলা, গীত, বোৰা গাই ভোজনকৈ তলে। পুৱা কটকীএ বোলে বাপু, মোৰ আহলে আহা, নাও বাব নালাগে, গীত, পদ, অলাই

দিহিঙ্গ কোটোহাঘাট

আহমঘাট

অমৃত পান কৰাই বহি যাবা। আৰু তোমাৰ দৰে ঠাই খৰি খানিক দিবা। সেই দি গাই গৈছে। কতো মুখভেদে কয় দধিৰ লক্ষ্মীকান্ত আতৈ ঠাইতে উঠি সাদিন বৈ বিষ্ণু আতাৰ মাতৃ তিথিলৈ গৈছে ভক্ত, সেই চাতে গৈছে। কতো কয়, কাঠনি ঘাটে তুলি থৈ কটকীএ বোলে মোৰ ডুকাল এৰিলোঁ, চাকৰ ডুকান দিয়া। দি ঘাটে আছে। তুলসী ৰাম আতৈএ আহি পাই সুধি নি আতাক ভেটাইছেনি। তাত বহাগতে আহিলত গুৰুজন মাতৃ তিথিলৈ আতা যাওতে আতাক ছমাহত নিছে খটখটিত নাও মানুহ—আতা কাপৰ ধৰাই নি গুৰুজনক ভেটাইছেনি। সুধিছে ক'ৰ বুলি। কৈছে চতুৰ্ভূৰ্জ আতৈ ভাতিজ বুলি। আৰু কাক চিনা জানা? বোলে জয়হৰি, মেতেৰি ৰহাই ঠাকুৰিয়া, জহাই দলৈ, গাভুৰখা, দীঘলা কাথ, উতৰা বাৰী জৰাম, বাৰি অৰ্জ্জুনা মুদৈ এই সবক জানোঁ। পাচ দিনা বস্তু প্ৰকাশকৈ দৈৱজ্ঞ নাৰায়ণ আতৈ নপৰা তাত বহা দিছে। আতা দিনে নিশা হৰি গুণ গাই থাকে। আতৈৰ বেদনা কিছু সস্তা কৈলে। এদিন চাউল সিজাই লৈছে, আদখান ৰ'ল বোলে বাপু, দে একটুক আনা বলোভদ্ৰত কৈ। বোলে নিচিনোঁ। বোলে দুই বহা এৰি কৰাগৈ। আনি দিছে। ভোজন কৈলে। আতা গুৰুজন পাশে হৰি কথা শুনে সৰ্ব্বদা।

আৰু বুঢ়া দামোদৰ আতৈ মৰাঙ্গিত থাকে, আতাক সেৱা কৰেগৈ। এবাৰ একো নাই। কৰি চাৰি পোন পাই লৈ
মছৰামুখ গৈছে। মছৰা মুখে মাছ আনে। এটা দৰাইছে। আৰি মাছ এটি চাৰি-পোন কৈলে। সি বোলে তিনি পোনেই নিদিএ। সি বোলে মোৰ ঘাৰে বুৰিহে আছে কৰি। আতৈএ চাই আছে লাঠিত ভিৰদি। বোলে তই নিদিয় চাৰি পোন নেপালে? বোলে হয়। তোৰ একা? বোলে মোৰ কৰিঞ

নাই আৰু। তেহে আতৈ চাৰি পোন দি লৈ ধুই পাত বান্ধি গৈছে। মৰনৈ কাখে ঢেকিয়া পাই ললে, দেখে ঔটেঙ্গা আছে। তাকে পাৰি লৈ গৈ আতাক সেৱা ভাটোকুচিতে কৈলে। আতা বোলে অ'তে আমাৰ প্ৰীতি জানি আনিছানে? বোলে আতা ভু নেপাওঁ, বাটে পাইহে অনা হৈছে। বোলে আমি গঙ্গাতে অহাত খৰগৰনি ধৰাত ভেলাত গুৰুজনে আৰি মাছে, ঢেকিয়া, ঔএ ৰান্ধি দিলে, ভাল হলু। তাৰতে আমাৰ আত বৰ প্ৰীতি। বাৰু কৈলা পাই। আই ৰান্ধি আতৈকো দিছে, আতাও লৈছে।

আৰু বলাই হৰিচন্দ্ৰ ভুজনৰ মিত্ৰ। হেন হুচা হোৱাত কোৰ আতা শুনি এক আৰ্হি কৈছে। নও দেশৰ ৰজা বেশ-চন্দ্ৰকৈ দেশ চাই ফুৰাত এক অন্ন্ৰাত পথৰ বাৰ্ত্তা সুধিলে। সি দেঙ্গাৰা মাৰি কৈ পঠালে। তিনিমুৰা বুঢ়া চিনে। শুনি অত্ৰাহি হৈ বোলে সৰ্ব্বনাশ হ'ল। গৈ সঞ্চমনি পুবেদি যাব, নিব, জিহ্বা বিনে মহামাৰ। বুলিব লাগিলত নৃপতি বুইলে তো কুমাৰ।

আৰু পাচনৈৰ নিৰাময় আতৈএ চুৰাঙ্গৰ হৰি আতৈত পৰমাৰ্থ সুধিছে আহি গৈ দ্ৰব্য বস্তু লৈ। তেওঁ উপকাৰী শুদ্ধ সুহৃদক কাতো বিশ্বাস নিষ্ঠা নাই—মটহা, কটা, কেচা। তেহে জই আতৈএ দেখি এদিন আতাত সুধিলে বোলে আৰা দেখো তিনি ঠালত ধৰি উঠিবলৈ অনিশ্চএ ঢুকাকে নেপায়, সিটোক টানি তোলে কেনেকৈ? সি ধৰিছেহি উঠিবলৈ, আৰ হস্তে ফল খাবলৈ। তেহে আতা এক আৰ্হি কৈছে বোলে জঙ্গলৰ হোলাৰ কাখে আম কঠালৰ গাছ থাকে। সমীপে উলুবাট, ফল ধৰে, বনপোৰা জুইএ বামৰ কাল পোৰে। সবে ফলে সমে, অপইতাতে পোৰা কালে উইএ সাৰ খাই চাল ফলখেৰে যি পাত ফলবৈ থাকে, তাতে তাৰ গুৰোজা

স্বৰ্গ পৰে, তিনি চাৰি সাজ উপাসে ক্ষুধাতুৰ পথুক বাটে যায়, দেখি খায়, ভোকো নপলায়, স্বাদো নাই, তৃপিতি নলভে, গুটি পচালে বাসিও নগজে, যদি সাকৰা মাটিত পৰি কোনো মতে গাজি হয়, তাৰ ফল ফুল কিছু নধৰে. যি ধৰে, নৰয়। ইয়ো কথা তেনে হৈছে। শৰণ, ভজন, সঙ্গ, সস্বঙ্গ। গুৰু, দেৱ, নাম, ভক্ত, চাৰি খুৰাত যেনে আসন গহন সম্পূৰ্ণ, উপকাৰী আপ্তনীয়া তিনি উধানত থালিৰ ঘৃত নি সংশএ তোলে, দধি, দুগ্ধ, লৱনু, অমৃত, ভুঞ্জি খাই অজৰ অমৰ অভগ্ন থান, ভোগ সম্পতি বৈকুণ্ঠ পাই ৰহে।

আৰু বলাইৰ হৰিক আতা পাচিলে, মাটি খুজিবলৈ, গৈছে। ৰতন চোমদাৰ পদুমাৰি আহে ঘোৰাৰে জালে থাপৰে কুতা পথ। আৰা দুই দেখি অন্তৰ হ'ল পন্থা চাৰি। পূৰ্ব্বে বুঢ়ীপো আতৈক লাগ পাইছে। সেই কথা মনত পৰি পাচ পৰি ঘোৰাতে নামি চপাই নি সুধিলে। আৰা সবে কলে আতা পচা মাটিৰ কথা ৰাজখোৱা তলৈ। পাচে এক দৃষ্টান্ত দিছে। বোলে গুবৰুৱা ভ্ৰমৰে সখিত কৈলে। বোলে মই বিষ্ঠা মূত্ৰ পোতো ভক্ষো, তোমাৰ কি আহাৰ? বোলে মই মধু পান কৰোঁ। বোলে মোকো নিয়া। বোলে ৰাক। গ'ল লৈ, পদুমত পৈলগৈ। ভ্ৰমৰে ইটি সিটত পৰি পানকৈ গ'ল চলি। গুবৰুৱা এটাতে ৰ'ল। সন্ধ্যা হ'ল পদ্ম জাপ গৈ ৰ'ল। পুৱা মলিয়া নি পূজাৰীক দিলেগৈ। গোঁসাই পূজা কৈলে। পাচদিনা পৰিচাৰকে সবাইভকৈ ৰাজাক দিলেনি। ৰাজা শিৰত লয় দিনমান। সন্ধ্যা লিগিৰা নি গঙ্গাত পেলালেনি। ওবে নিশা গৈ পুৱা পদ্ম মুকলি হ'লত উৰি পূৰ্ব্বৰ স্বভাৱ নি পুনৰ বিষ্ঠাত পৈলগৈ বালাত। মোৰ তেনে হ'ল। সজ সঙ্গে ফুৰিলোঁ। মধু পান কৈ গোসাঁইত লাগি ৰাজাৰ শিৰে চৰিলোঁ, গঙ্গা স্নান কৰিলোঁ, অনাদি অবিদ্যা

বাসনাএ নৰ্কত পেলালেগৈ। মোৰো তেনে হ'ল। মাৰ নালাগে গুপীএ কি মাটি দিব, মোৰ পালন যকগৈ। স্বামী আতাৰ মনৰ ইচ্ছা মাটি দিম। জনাৰাগৈ তাৰা দুখানি চৰণে দুৰ্ব্বাসনা পাপ নৰ্কত্তে মোক দাস ভৃত্য কিঙ্কৰকৈ জীয়টি লৰ সেৱকৰ মাচতেই কাৰ্য্য হৰ।

আক একদিনা এক গঞা ৰাজসভালৈ আতাকো জনালেহি। জয়ভাৰতীকো মাতিলেহি। পাচত এক বিপ্রে জয়ভাৰতী পুথুৰী উচৰ্গালৈ মাতিলেহি। আতা বোলে পূৰ্ব্বে এঠাইলৈ যাম বুলিছোঁ, তোমাৰ ঠাই যাব নুৱাৰোঁ। বিপ্রে বোলে যাম যা। আতা বোলে আগে লোকক আশ দি এনে কথা এৰা। বিপ্রে বোলে নৰনাতি, তুমি হোজা লোক, ভু নোপোৱা ৰাৰ। আত চাৰিপোন পচৰাহে পাম, ইঠাইত পুথুৰী উচৰ্গাতো পাম, সভাৰো পাম চাৰি পাঁচ টকা ৰাব। তেহে আশা বোলে আতাত থাকিবলৈ সজ নহয়। লোভৰ আশাত বাক্য ব্ৰহ্ম এৰে! এই বুলি আঠ বৰ্ষ বহি এৰি গৈ পচতিয়া পচতিয়া ভিটা ভিটাতে বহিচন্ত সেৱক সনম্বিতে আতা সুখে সন্তোষে।

আক মইনাগুৰিতে ৰামধন, জয়ধন দুই জনা ভক্ত আহি মইনাগুৰি গুৰু ধৰ্ম্ম ধৰি হাটী লৈ গুৰুজনৰ সঙ্গতে হৰিগুণ গাই কতো দিন আছে। দুও মিত্র কৰিবলৈ জনালে। গুৰুজনে বুদ্ধি যোৰা দেখি সোৱাই চাইছে আগ পিচ কতো দিন। পাচে হেৰাই ধৰাত মনকষ্টে বোলে ৰাক পণ্ড লৈ একাদশীত হৰ। তেহে সাৱধানে বস্ত্ৰ, গুৱাপান, শৰাই লৈ গৈ দুও আহি পাৰিছে। গুৰুজনে ধূলা লৈছে। বহুমণি আন্তেএ কচ পাতি থুই ৰাৰত থৈছে। দেখি বোলে সজ গৃহটি হৈছে। ইজনে বোলে হয়। গুনি গুৰুজনে মনে জিজ্ঞাসি বোলে কোটিক প্ৰাস্তৰে বালি চাহি পৰা গজ হস্তীলৈ থৰিয়া জীৱ বোলী জেপাত গৰ্ভ নৰ্কত ৰাসৰি মনাৰ প্ৰাৰ্থনি লোকৰ দুৰ্গতি

নৰতনুটি পালেহি। তাতে বিশেষত ভাৰতবৰ্ষ, ধন্য কলি, ৰাম নাম, গুৰু কণ্ডাৰ, কৃষ্ণ বায়ু। অনেক পুণ্য দ্বাৰে হৰিগুণ গাইছে। ভৱবন্ধ অপবৰ্গৰ সীপা হৈছিলহি, জন্ম, মৃত্যু আয়াযাত নিবাৰণৰ। বলিৰ সভাত চক্ৰৰ ভয়ত কপটে পাষণ্ড বুদ্ধি বাসনা নেৰিলে পাও দঙ্গাত নাও বুৰালে হৰি হৰি! কতো বেলি গুনি ভাবি নিশ্বাস তেজি বোলে আজিলৈ যক। পাচে গল ছুয়ো। তেহে গুৰুজনে খেদকৈ জাৱক কৃপাৰে গীত কৰিছে ভাটিয়ালি—"মই পাপী কমনে তৰিবো হৰি এত,

তুমি কৰুণা কৰা মোৰে।
পাপ মতি মন, বাসনা নচাৰে,
মজিলোঁ সংসাৰ ঘোৰে।
নয়না কামিনী, ৰূপ নচাৰয়,
ৰসনা এ ষড় ৰস।
গীত মধুৰ ধ্বনি, শ্ৰৱণে নচাৰে,
চৰমে সুখ পৰশ॥"

পাচে কৰচ পাতি আপুন হস্তে লৈ পাও গতিকৈ ভেলা-ডোৱাৰ মাজলৈ খেলে, আতে লাগি উঠা জীৱ ছুটা ব'ল বুলি।

আৰু একদিনা শ্ৰীৰাম আতা ব্ৰহ্ম মুহূৰ্ত্তে গুণ লীলা গাই উঠি বহা মুক্তকৈ প্ৰাতসে গুৰুজনক সেৱা কৰিলেগৈ। গুৰু উঠি গুণ লীলা থান বন গুপী গোপাল স্মৰি বহিছে। শুদ্ধিলৈ যাবলৈ তৈল মাজিছে। বোলে শ্ৰীৰাম, হৰি ভক্তি বৰ পৰা সৰব। বোলে হয়, বাক আমি পানীতে কোবাব দিছোঁ, কোবোৱাগৈ কি ভক্তি হয়। তেহে কলা ঠহৰা তিৰডাল লৈ ভেলা ডোৱাৰত এবুকুত পৰি কোবাই আছেগৈ। পুহ মহা ভেৰ পৰ হ'ল, জাৰে, শীতে, বতাসে, হিমে ঠৰ হ'লগৈ। তেহে বুঢ়া আতা শৌচ শুদ্ধি হৈ স্নানে গৈ দেখে পৰি বিতত

শ্ৰীৰামআতাৰ গুৰুবাক্যত শিক্ষা

হলহি। বোলে এৰ আতা গুৰুজনে কুটনিকৈ বুইলে, তাতে পৰি আছাহি, উঠি অহা যক। বোলে আতা কিয় বোলা যায়? দেহ গলেও কিয় যাম, গুৰু বাক্য পেলাই? পাচে আতা আহি গুৰুজনত নিবেদন দুখকৈ প্ৰাৰ্থনা কৈলেহি। বোলে মই ৰঙ্গ কৈলোঁ, যোৱা তুলি আনাগৈ। তেহে আতা পুনৰ গৈ গুৰুবাক্য কৈ আনিছেগৈ। তেহে দুওজনা আতা গৈ গুৰুজনক সেৱা কৈ বোলে বাপ, পূৰ্ব্বে আদি পুৰুষে শৰীৰ পৰা মহা প্ৰকৃতিক বাজকৈ সৃষ্টি পাতি দশ দিশ পালক বক্ষকৈ দশদিশে দিলে। সেইৰূপে গুৰুবাক্য শিৰে ধৰি পালি ৰাখি আছে। আজিকো প্ৰভৃতি তোমাৰ বাক্যত চন্দ্ৰে সূৰ্য্যে দিবা নিশা অবিছেদে গতি কৰিছে। সাগৰে মৰ্য্যদা সীমা চৰা নাই, অনন্তে সাতো দ্বীপ সাগৰ মেৰু মন্দৰ পৰ্ব্বত বহিছে পৃথিবীএ সহিছে। এতেকে এতিয়াও যাৰ যত নিচয় পৰিব, বাক্যত ৰব পাইলে ভক্তি হব। গুৰুজনে বোলে এ শ্ৰীৰাম ভৰিএহে ভাৰ বয়, অভৰি কিছু নাই, গৃহ পাই গুদা খায়। এই চৰিত্ৰ কতো সবে সুন্দৰী বুৰী লইতত বুলিও কয়।

আৰু জীৱনা শ্ৰীহৰি আতৈ দুওজনা মিত্ৰ কৰিবলৈ আশা কৰি জনালে গুৰুজনত। বাৰু বুলি থৈছে। একদিনা জীৱনা আতৈ গৈছে। তাৰা কোৰ পাৰিছে। বোলে আতৈ সবহ বেলা নেলাগে কৰিব। এবাৰ হলে এৰি নাম লব। বোলে ইও নামৰহে গুৰি। আপুনাত একঠি লাগিবৰ অৰ্থেহে শ্ৰম কৰা হৈচে। তোমা গালে মই আপুনাক সেৱা কৈলেই হয় মোৰ নাম। পাপীএ কৰিব মুৱাবোঁ দেখিহে দুৰ্ব্বাসনাৰ হেতু। তেহে আছিন মহা ধান গেৰ হৈছে। আৰা গৈ এবোজা কাটি আনি গৰুক দিছেহি। তাৰা আহি দেখি বোলে, ধান তোৰ কোনে কাটি নিলে? পত্নীএ বোলে তাৰা আহি কাচি খুজি কাটি নিলে দেখোঁ। বোলে তই কিবা বুইলিসে? বোলে

জীৱনা, শ্ৰীহৰি আতৈ

কি বুলিম,? তেহে আৰাও বলে পৰা এমুঠা কাটি নি দিল্লেগৈ। বোলে আতৈ, মই আনিছোঁ, তোম্রা আকৌ কেলৈই কটা গ'ল? বোলে এতিয়াও তোম্রাতে লাগিছে পকিলেও আপুনাতেহে লাগিব। কিবা নিঙ্গনি বান্দৰে খাই এছাই হয়। সম্বে গছে পাতে আপুন হস্তে ভৃত্যৰ দ্ৰব্য অনা গ'ল। মোৰ হস্তৰ ভৃত্য কৰা সাফল হ'ল। তেহে খুৱন ধুৱনকৈ পঠালে। তেহে গুৰুজনে শুনি পৰম সন্তোষ হৈ পৰম তত্ত্ব বস্তু কীৰ্ত্তন কৰিছে দুও জনাত।

ৰাজখোৱা গোবিন্দ আতৈ

আৰু চিলাৰাইৰ খাতৰ ৰজাখোৱা গোবিন্দ আতৈ আহি মহাপুৰুষক গুৰু বুলি হাটীতে আছে পৰিচৰ্য্যাকৈ গুৰুজনৰ। পাচ ফালে বা লৰা সজকৈ এটি গৃহ কৰি দিলে। তেহে তিনি মাহ ৰহি গুৰুজনক বিদায় কৈ গৃহে গৈছে। পাই এটি কলাপুলি পুতিছে সাৰুৱা খালত ধিৰমণি কলাৰ। মনেৰে বোলে আৰে হলে এআখি কল গুৰুজনত লগামনি। অৱশেষ আগ পাচলি আমি খাম! পাচে ডিল ঠোক মেইলে, আগ পাচ মুনিয়া হ'ল। মাজৰ কল আখি দহনখে নোপোৱা হতিয়াই পকিল। কাটি পাচি ভৰি নি দিছেগৈ। গুৰুজনে দেখি বোলে কলা দেখা নাই পা এআখিএ এচকলৰ সমান এপাচি হৈছে, কেনেকৈ বঢ়ালা? বোলে বাপ এনে ভাবি বোৱা হ'ল, হলু তেনে। মই পাপীএ যদি ঠোকাকে বোলোঁ, তেও হয়। তেহে গুৰুজনে কটাই সবাকে ভগাই দিছে, তেওঁৰ গৃহলৌ দিছে। পাচে গৈ একনিশা স্বপ্নত দেখে বৈকুণ্ঠ পাই ৰৰ উৎকৃত গৃহ তত বাবে চালে কৰা কামিত্ৰ চতি মাৰলি ডাজ ফুল চতিএ সহস্ৰ ঠোকা কল আৰি থৈছে। বোলে এইটো কাৰ ৰৰ অত কলাবে? বোলে খাত কৰা গোবিন্দ আতৈএ কল এখা লগালে গুৰু ভকুত। চক অনেক ঠোকা হৈছে। গৃহ কৰি দিলে যেৰ বাবে ৰত্নময় মন্দিৰ হ'ল,

অক্ষয়। তেহে চেতন পাই বিহানে গৈ গুৰুজনত কৈছে। গুৰুজনে বোলে ফলিতা দিবৰ ঠাই নাই, কলে সমে দেখিছা তুমি। তেহে দেখি শুনি অহো পুৰুষাৰ্থক কৈ সেৱকে' গুৰু ভক্তৰ দ্ৰব্য বস্তুখান লগাব ধৈলে।

আৰু যদুমণি আতৈএ গুৰুজনক বোলে বাপ, আথাউনি তৃষ্ণা সাগৰ পৰি ওৰ নাপাওঁ। দলে গলত হেৰাই ধৰিছে। আপুনাৰ শীতল পদ পঙ্কজৰ ছায়া চাপোঁ। এখানি তিখ ন খাওা দিয়ক, মোহ, মায়া দল এবালি ছেদিবলৈ। বোলে বাক্য ফাকত ৰব মুৰাবিৰা, দল ছেদোঁতে গল ছেদা বা। বোলে আপুনাৰ জ্ঞান খাৰুৱা দিব ফাকত মেৰাই বধা যাব। তেহে বিষ্ণু আতা বেটা যদুমনিৰে মিত্ৰ কৰাই দিছে বোলে, মামৰ নধৰাব, ভক্ত জাৰণত সনাই শুচাই থকিবা, পাপ মাথি পৰিলে দোহাৰ হব। যদুমনি আতৈৰ মায়াছেদ

আৰু কৃষ্ণ বল্লভ, বিষ্ণুবল্লভ মিত্ৰ। দুইৰ মাজত খানিক লাগিছিল। গুৰুজনে শুনি কষ্টৰে মৌনে বসি আছে, হৰি কথা তোলা নাই। তেহে শ্ৰীৰাম আতা বোলে বাপ, আজি মেঘে বৰ ওন্দোলাপাৰ কৰিছে, বৃষ্টি কাৰব। তিতি ভিজি স্নান, পান ক'ত কৰিমহক? বোলে শ্ৰীৰাম খাল, জান, পুখুৰী, নদী, নদ লোহিত সাগৰতহে বহি ৰবগৈ। উখৰা টিঙ্গত কিয় ৰব, ভিজিব? বোলে বাপ, চৰ্চ্চি কীৰ্ত্তন কৰক। বোলে শ্ৰীৰাম গুৰুজনৰ ভক্তি দুবিধ —নিৰ্গুণা, ভাগৱতী, অন্তৰঙ্গা, বিৰলা কেৱলা, সপ্ৰেমা। উত্তমোত্তম, উত্তম, মধ্যম, প্ৰকৃত্য, খলুৱা ভলুৱা। উত্তমে দোষ এৰি গুণ লয়, উত্তমোত্তমে অল্প গুণকে বিস্তৰ কৰে, মধ্যমে দোষ গুণ বিচাৰ কৈ লয়, অধমে গুণ এৰি দোষকহে কয়ে। খলুৱা আৰ কথা তাত কয়, তাৰ পৰা তাত কয়। ভলুৱা একো আতো সোধে, তাতো সোধে, কিছু লয়, দুবিধ ভক্তি

কিছু এৰে। কাতো মান বিশ্বাস নাই; নিন্দাবাদকৈ ফুৰে ছিদ্ৰ লখি। খাল তলুৱা, জান তলুৱা, পুখুৰী নিগুৰ্ণা, নদী ভাগৰতী, নদ অন্তৰঙ্গা, বিৰলা, লুইত কেৱল, সাগৰ সপ্ৰেমা, টিঙ্গ পণ্ডিত, উখৰা নৰাকাৰ। তেতে বিৰু কাজিৰ ভণী-একক হাঁহখোৱা লস্কৰত দিছিল। তাৰা গুৰুজনক লাগ পাই মহাপুৰুষক গুৰু বুইলে। তেহে চ'ত মহা চতুৰ্থীত বপেকৰ কৰ্ম্ম হ'ল। তালকে ভণীএক আগ দিনাই গ'ল দ্ৰব্য বস্তু লৈ। গধূলি ভাত খাবলৈ মাতিলে আগৰ ক্ৰমে। তেহে আৰা বোলে তইঁতৰ লগত খাব নুৱাৰোঁ। বোলে কিয়? আগে দেখোঁ খাইছিলি, এতিয়ানো কি দেখিলি? ক'ত বামুন হ'লি? বোলে আমি মহাপুৰুষক গুৰু বুলি শুদ্ধ সৎ ধৰ্ম্মক ধৰিছোঁ, তইঁত আছ অভজনে, ভাতে খাবলৈ হাক দিছে। তেহে কষ্ট ভাৱে চৰু, চাউল দিলে, পাগকৈ খালে। তেহে শয়নত নিশা বউএকে কলে বিৰুত। শুনি জ্বলি উঠিল, ৰুদ্ৰ ৰূপ হৈ, ক্ৰোধকৈ অঙ্গীকাৰ কৰিলে বোলে মহাজনক নেখেদোঁ মানে দেশৰ, জিভা কাটি বিষ্ঠাৰ গৰ্ত্তত পেলাম। বোলে ভালেহে অচম কামৰূপত থাকিব নুৱাৰাইলে? অতু অহি এনে পিতাপুত্ৰে ভাই ভাতিজাক খাব লব, নিদিএ, মোতে বাধা কৰে! মই ঈশ্বৰ বুদ্ধিকৈ মানো ওজাক, জাপগতা পালীত কোন কথা? এই মতে গৰ্জ্জি আছে। এই কথা সূচক বামুণে শুনি উন্নচি খালে।

বিকৰ ক্ৰোধ বামুণৰ খল

আগে মানি থকাত সাহ নেপাইছিল। দেখে বিক মন্ত্ৰী অনিষ্ট হ'ল। আগে একাদশীএ পত্তি পাঁচ পাক টকা দি আছিল, ছুৰু চিৰা খাবে জলপানলৈ। তেহে বামুণে সাহ পাই খল দিব ধৈলে—ৰাজা পাত্ৰত, বামুণক নেমানে, সৰশিৱক নমানে, দেবী দুৰ্গা শৰত কালী মহামায়া গোসানীক নমানে দুপূজে, গঙ্গা, গীতা, তুলসী, চণ্ডী, শালগ্ৰাম,

শ্ৰাদ্ধবিধি বেদ নমানে পিতা পুত্ৰে খাবলৈ বাধে, সন্ধ্যা তৰ্পণ, অহ্নিক, শীখা, গায়ত্ৰী সবাকে গুচাই লোপকৈ গোটে দেশ অনাচাৰ কৈলে। আৰু মালাবো মেক গুচালে মহেশক জড় অংশ বোলাত হে সহিব নপাৰি। এনে অধৰ্মে বেদ লোপকৈ যি দেশ প্ৰবৰ্ত্তাই. প্ৰবৰ্ত্তে ন্যায়, আগম, তৰ্ক, কয়, সেই দেশৰ ছত্ৰভঙ্গ, পাত্ৰ মন্ত্ৰী নাশ। তেহে এদিন বিকএ মতাই অনালে। গুৰুজন ৰামচন্দ্ৰ, ভক্তে সমে গৈছে; তোৰোচাত নৌকাত গুৰুজনে একপদ তুলি বাম পদ দাঙ্গিছে। যদুমণি আতৈএ চৰণামৃত অঞ্জলি ধাৰ পান কৈলে। দেখি শ্ৰীৰাম আতা ঘোষাকৈ সেই বেলা মাতিছে—

"মাধৱৰ ৰঙ্গা দুই চৰণে ধৰিয়া।
ৰাম নাম ৰস পিও অঞ্জলি ভৰিয়া॥"

উঠি গৈ চ'ৰা পালেগৈ। আগৰে পৰা খানোৰ মাধৱ ভটাচাৰ্য্য বসি আছে। দেখি বিক কাজীএ বোলে তাৰাৰ লগতে বহক। গুৰুজনে বোলে তাৰা নিৰ্ব্বিষয়, নিৰ্মৎসৰ উদাস, বিপ্ৰ, আমি তাৰাৰ লগত কেনেকৈ বহিম? আমাৰ ভাৰ্য্যা, পুত্ৰ, ভাতৃ, বন্ধু সব আছে। বিক কাজীএ বোলে দেখোঁ তোম্ৰাহে উদাস, তাৰাৰহে আশ্ৰম বিষয়? তেহে গুৰুজনে পুৰঞ্জন পুৰঞ্জনী আখ্যান তুলি সবাকে দেহতে দেখালে। তেহে বেলেগ কামলি পাৰি বসিলতে বোলে তোম্ৰা হমু শৰত কালী সুপূজে। বোলে হুই আমি কৰিব নেপাঞ্চ। আমি একশৰণ ধৰ্মলৈ আশা কৰিছোঁ ঈশ্বৰ কৃষ্ণত, কিয় পূজিম? আৰু ভিক্ষুক গৃহৰ পুৰুষে যেই চাই তাক দিব পাৰে, ঘইণীএকে কোনো দ্ৰব্যখান সুধিহে দিয়ে স্বতন্ত্ৰে দিব নুৱাৰে, কি ভৰষা কৰিম তাকাত? যাৰা সবৰ পুনৰ ভোগক ইছা আছে সিহে তাৰহাকৈ পূজে। বোলে ৰাক মহেশক জৰ বোলে; সে চৈতন্য অংশ,

মাধৱ ভট্টাচাৰ্য্য

এক শৰণ ধৰ্ম
আৰু
কালী পূজা

নে পূৰ্ণ? বোলে তেওঁ জৰ অংশহে। তেওঁৰো আত্মা নাৰায়ণেহে চলাই চৈতন্য কৰাইছে। তাৰাৰ মোহ ভ্ৰম সৰে আছে। মোহিণী ভস্মাতুৰত লৰা, আৰু অনেক ভাৰত পুৰাণ, কাব্য কোষ, ব্যাকৰণ আনি জৰ অংশকৈ দেখালে। বোলে বাৰু, ইওটো ভঙ্গ. গলোঁ। মালাত মেৰু দিয়া যায় নেযায়? বোলে মোৰ গুৰুজনে দিয়া নাই, আমি কিয় দিম? যোলনমীয়া চৈতন্যৰ হে দিএ? আমাৰ চাৰি নাম, চাৰি বস্তু, চাৰি বেদ, চাৰি শ্লোক, চাৰি পোৱা গোটা সৰ। আৰু মেৰু ডেৱালে যি দোষ হয় ভাগৱত শ্ৰুতিৰে দেখালে। পাচে বামুণে অনেক মুখে হাই দি ধৈলে। তেহে গুৰুজনে বোলে হেৰ, তহঁতকৈ বিবেগী পণ্ডিত সকলো শাস্ত্ৰক বিচাৰকৈ পাই মোৰ মহাপুৰুষ শ্ৰীশঙ্কৰদেৱক গুৰু মানি ভজি তৰি গ'ল, চন্দ্ৰ সূৰ্য্যবিপ্ৰ কওঁ শুন—চন্দ্ৰ বিপ্ৰ প্ৰথমে তৰ্ক বিদ্যাপতি, ভানু ভটাচাৰ্য্য বৰ, বাঘ আচাৰ্য্য, সৰস্বতী, শ্ৰীকান্ত, গজেন্দ্ৰ, মহাদেৱ, ৰামচন্দ্ৰ, কামদত্ত, কৃষ্ণদত্ত, বিষ্ণুদত্ত, নাৰায়ণ, গোপাল, জৈমুনি, বাসুদেৱ, জনাৰ্দ্দন। সূৰ্য্যবিপ্ৰ—কালিদাস, ভানু, হৰিহৰ, চন্দ্ৰচূৰা, চুৰামণি, ৰত্নমণি, সৰোবৰ, জ্যোতিচন্দ্ৰ, তিলকচন্দ্ৰ, শিৱৰাম, নৰোত্তম, চন্দ্ৰখৰি, সূৰ্য্যখৰি, সূৰ্য্যশৰ্ম্মা, বিজইখৰি, উদিত, উদয়খৰি, দিবাকৰ, কামখৰি।

মালাত মেৰু দিয়া চৈতন্য পন্থৰে আহিল

শঙ্কৰদেৱৰ শিষ্য চন্দ্ৰ, সূৰ্য্য বিপ্ৰ সকল

"সৰ্ব্বকালে গৃহ উপাসক সৰ্ব্বক্ষণ।
শঙ্কৰক গুৰু মানি পশিল শৰণ॥
তাৰা সবে আপুনাৰে কুল তুচ্ছ কৰি।
শঙ্কৰক গুৰু মানি ভজিলন্ত হৰি॥"

তহঁতে কুৰি বৰ্ষো যদি পঢ় তেও পঢ়াব পাৰে, কি অনেক মুখে বক্তৃতা কৰ ইক?

যজিএ বুইলে এতেক উত্তৰ, আসে পুৰুষৰ, যিহেতু

মাধৱৰ সহায়। তেহে একেৰি জলৈ মুণ্ডকৈ আছে; তেনেতে ৰামচন্দ্ৰ বোলে ৰ'বা ৰবা হঁক। মমাৰ ৰায়ু খানি টান কৰিছে। গুৰুজনে বোলে, ৰাম চৰণ, কি ৰায়ু টান কৰিছে আমাৰ? তই কটা যাওঁ বুলি ভয় কৰ হৰ লাগে? আজি মোৰ টিটিয়া জগন্নাথে নেপালে। তোক ৰামুনক তুলা ধুনাদি ধুনিলেহঁতে। তহে ৰিক কাজীএ বোলে ৰাপ যকৈগে। তেহে গুৰু ভক্তে সমে আহিছে। ৰামচন্দ্ৰে বোলে অচমতো এই ৰামুণৰেই ৰাদকৈ অহা গ'ল কামৰূপলৈ। তাতো ৰাদকৈ এই দুষ্ট ৰামুণেৰে বেহাৰে অহা গ'ল। আতো এই ৰামুণ ৰাদেই নেৰিলে আৰু। এতিয়া বৃদ্ধ শেষ কাল হ'লহি, কলৈ যাবা? আমাৰ বিশ্বাসত কৃষ্ণেহে পূৰ্ণব্ৰহ্ম। ৰামুণৰ আগত ৰাজত শিৰকে পূৰ্ণ বুইলে এতেকে অসূয়া একো নাই, দুষ্ট দুৰ্জ্জনেৰে কোনে ৰাদকৈ থাকে? তাতে ৰিক হ'ল অনিষ্ট অপক্ষ আমালৈ। তেহে গুৰুজনে বোলে ৰামচন্দ্ৰ, তোক আলকে পঢ়ালোঁ লেখালোঁ? তোৰ ভয় লাগিলে হৰলা খেদে বুলি? এতেকে দুষ্ট, শঠ, সূচকৰ ভয়ত তেনো মোৰ মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ ধৰ্ম্ম-বস্তু এৰিব দিব হৰলা। তেহে মধুপুৰ পাই দুখ কষ্টে ৰহিছে। নিশা স্নান ভোজন নকৰে। পাচে সকলো ভকতে হেৰাই ধৰি মাতিছে। সেই বেলা খেদকৈ গীত কৰিছে—"যশোদাকো আগে" ঘোষা মাতিছে—"ভকত সৱে ৰাম নাম গাৱে" তেহে এহেলৈ ৰাদে মুৰাৰি ৰিক কাজীএ অনিষ্ট আচৰিব খৈলে। তাৰ পহাৰী, লিপিৰী, ৰেটী, এনেতোৰ কেটাই ভকতত ৰাম পেলাৰলৈ চল চন্দ কৰাইছে। গুৰুজনে ভকতক [illegible] দিছে বোলে তোমা সৱে একল দুএ গাওঁ হাটে খৰি পাৰ্টে পৌষ্টে নেৰাৰাইক। চাৰি দুএ বুলিবা। মধ্যখান লোকা

থোৱাত, কৰজৰ নকৰিবা। যি বোলে তাকে দি লবা দিনে সোমাবা, নিশা নোলাবা, নাম নেৰিবা। সেই সমএ মায়া নিবাৰণি গুৰুজনে ঘোষা কৰি দিছে কৃপাকৈ। পাচে বিৰু কাজীএ চান্দি বান্দি একো পোনে বাদ পেলাব নপাৰি, ৰাজাক লগাব ধৈলে বোলে মহাৰাজ বাউসীৰ মহন্তে দেশ অনাচাৰ কৈলে, ব্ৰাহ্মণ পণ্ডিতে কৈছে, যি দেশত বেদ ধৰ্ম্ম এৰি অনাচাৰে প্ৰবৰ্ত্তে সি দেশত হুনু ছত্ৰভঙ্গ, পাত্ৰমন্ত্ৰী নাশ, দুৰ্ভিক্ষ, দেশত প্ৰাণী ক্ষয়, শস্য হানি, শ্ৰাদ্ধ, বেদ, বিধি, পিতাপুত্ৰে এৰা এৰি, গোটে দেশ অনাচাৰ কৈলে। ৰাজা মনতে বোলে ই দহো আগে বৰ গুণ কৈছিল, কিবা লগাই দুৰ্গুণ কৈছে আকৌ। একদিনা ৰাজাক বোলে মহাৰাজ, মহাজন ভকত এটা পৰীক্ষা চাওঁহক ধৰ্ম্মকে প্ৰবৰ্ত্তি প্ৰবৰ্ত্তাইছে নে অধৰ্ম্মকে গাইছে নে, বেশ ধৰিছে। এই বুলি বুঢ়ীপো গোবিন্দ আতৈক কেৰলীয়া কৃষ্ণাই আতৈকে নাম অৱসানতে ধৰাই নিলেহি হৰি কথা সুধিবলৈ মাতিছে বুলি। দুও সেৱা বিদায় কৰাত গুৰুজনে বোলে বাসুদেৱে বুলিছে,—"নামৰ সঞ্চাত ক্ৰুৰ বীকৰ বচনে।

গোবিন্দ আতৈ আৰু কৃষ্ণাই আতৈৰ পৰীক্ষা, নাম ধৰ্ম্মৰ পৰীক্ষা

আন বুলি আন কৰে, অসন্তী দুৰ্জ্জনে।
হৰিক হৃদিতকৈ সাৱধানে যাবা, ৰাখিব মোৰ গুৰুজনে॥"

সবে ভক্তে চাউল সিজাবলৈ এইলে। গুৰুজনে বোলে দুষ্ট বিকৰেহে নিয়াইছে কিবা বাদ পৰীক্ষিবলৈ। সকলো আতৈ সবে চাউল সিজাক, যাৰ যি আহে গ'ক ঈশ্বৰক চিন্তি বিক সাগৰত যেন ধৰ্ম্ম বস্তু বৈ আহে। সেই বেলা ঘোষা কৰি মাতিছে—

"হিতৌজনে গুৰুভাৱে হৰিত শৰণ লৈয়া
হৰিক সুহৃদ বুলি আছে।

হৰিৰ প্ৰসাদে সিটো বিপ্ৰিৰ মুণ্ডত ভৰি
দিয়া হৰি গুণ গাইআ নাচে॥"

গাই চিন্তি সিজাইছে সবেও। ত'ত নি পাগুবিগাচ কলহত ভৰাই সাত তৰপ তুলা পাতেৰে বান্ধি লাৰ চাৰ মাৰি ভকতৰ আগত থলেনি। ৰাজা পাত্ৰ মন্ত্ৰী পণ্ডিত ব্ৰাহ্মণ অনেক লোক হৈছে চৌৰাত। তেহে বিকএ বোলে ভকত, ৰাজা সুধিছে আৰ ভিতৰত কি আছেইক? আৰ সবে সেইটে অত্ৰাহিহি বোলে মহাৰাজ কি আছে আমি কেনেকৈ জানিম? ব্যাস, বশিষ্ট নাৰদ এই সবেহে ভূত ভবিষ্যৎ বৰ্ত্তমান কৈছিল। আমি জানম কেনেকৈ? পাচে কাজীএ ক্ৰোধকৈ বোলে কব নুৱাইলে ৰাজা দণ্ড কৰিব, পাইলে বটা দিব। দেশ গোটে অনাচাৰ কৈলিইক ভেশ ধৰি, ক। শুনি বিগ্ৰতি হ'ল। মনে বোলে আজি আমাৰ জিপ ভঙ্গ, গুৰুজনক বা কি কৰে! ধৰ্ম্মৈ সৈতে সৰ্ব্বনাশ! বোলে ক,কইক। বোলে আমাৰ জ্ঞান বুদ্ধিএ নপৰ্শে, মনে এএ 'কালে' নিমিত, আমাৰ সমন্ধী। বোলে কৈছনে কাল বুলিএ? বোলে হয়। বোলে বাক মেল মুখ। পাচে মেইলে। দেখে দুহাতমান বৰ ফেট তুলি বোন্দা গোজৰাদি ফোফাব ধৈলে। ৰাজা ভয় উচাৰ খাই সিংহাসনে পৈল। বিক বামুন চৰাতে কৰকাল খাই খলাত পৈলগৈ। সভা ভাগি পৈল। বিকএ বোলে আতৈ সুমাই ৰাখা। যেহে বোলে বুপা ৰাজ আজ্ঞা গুৰু ধৰ্ম্মো বৰ লাগে সোমা পা। তেহে ক্ৰমে সোমালগৈ। মুখ মাইলে। তেহে ৰাজা সম্মানকৈ দুইক দুই টকা দুই পচৰা দুচক বড়া আতপ চাউল দানি দি বোলে তোম্ৰা সবো সত্য, মায়ো সত্য, ধৰ্ম্মো সত্য, গুৰু সত্য। ভাল চাউল খাইছাইক, যোৱাগৈ। পাচত বাকতি পচা বজন বেৰি লৈ মুখ মেলি

চায় সেই পাণ্ডৱিএ। অদ্ভুত আশ্চৰ্য্য হ'ল। পাই গুৰু-জনক সেৱাকৈ সকলো খানি কলে। তেহে গুৰুজনে বোলে মোৰ মহাপুৰুষ গুৰু আপুনাৰ ধৰ্ম্মবস্তু আপুনি কিয় নৰাখিব? সেৱকৰ বাক্যত কৃষ্ণদেৱে অৰ্জ্জুন ভাঙ্গিছে, প্ৰহ্লাদৰ বাক্যে তম্ভতে বেকত দিছে, ভীষ্মৰ বাক্যে শৰ ধৰিছে। সেই বেলা ঘোষা কৰিছে—

"জ্ঞানে বা অজ্ঞানে, মাধৱৰ নাম
যিজনে ফুৰে সুমৰি।
তাক মোৰ বুলি হাতে অস্ত্ৰ তুলি
ৰাখিয়া ফুৰন্ত হৰি॥"

আতৈসৱৰ পুনৰ পৰীক্ষা

আৰু একদিন ৰাজা বিৰুএ নগৃহকৈ ভকতক জনালে সভাতে ভোজ খাই গাব খাব লাগে বুলি। তেহে গুৰুজনে বোলে আতৈ সব আজি সাৱধানে থাকিবা, যাবা, খাবা। আক সবাৰে লোভ, মোহ, কাম ক্ৰোধ, মই আঁচল পাতিছোঁ আজি নিমাই লৈ দি যোৱাহঁক। বিৰু পাপ সাগৰত হস্তে যেন গুৰুৰ শুদ্ধ মত ধৰ্ম্মবস্তু ৰক্ষা পৰি আছে। তেহে সকলো আতৈ সবে একঠি চাউল, লোন, একোটকি কাখে বান্ধি লৈ, গুৰুজনৰ কোঁচত সবেও দিলোঁ বুলি গ'ল। ত'ত ৰাজা মাছ, কাছ, গুৰ, গাখীৰ, তৈল, লোন অনেক সম্ভাৰ কৰিছে। নাম গুণ গাই আহিব খুজিলে, ৰাখিলে। নিশা ভোজন সম্ভাৰ ভগাই দিলে কৰক বুলি। পাচে আতৈ সবে লৈ গাভ খানি সবাকে পুতি কাখৰ কঠি গুৰুজনক চিন্তি খাই শুইছে। পাচে ৰাজা বিৰুৰ যত লিগিৰী পিন্ধি উৰি টাব তৈল টেঙ্গা বাটিত লৈ গৈ পাই পাৱ জাতিৰ থৈলে গা পতি ধৰ্ম্মত বাদ পেলাবলৈ। আতৈ সবে ঈশ্বৰক চিন্তি আছে তিনিপৰ মান নিশালৈ, অনেক প্ৰকাৰে চাই চাই সুৱাইলে ধৰ্ম্মত ফুটা পেলাব। শুচি গ'ল। ৰাজাত

কলেগৈ বোলে ভকত মৰা। তাল'কে আমাক পাঁচে? পূৰ্ব্বে শুনিছোঁ। বিভাণ্ডৰ সুতক লোমপাদে অনাত বিচশৃঙ্গেছে স্ত্ৰী পুৰুষৰ গুণে পাই নিৰমায়া ভকতো মায়াৰ বাহিৰ নাম যোগীএ দহি থৈছে ভক্তে। তেহে ৰাজা অদ্ভূত আশ্চৰ্য্য মানি দখিনাকৈ পুৱা পঠাইছে। আহি গুৰুজনক সেৱাকৈ ৰহিছে।

আৰু ৰাজাৰ গৃহৰ কাখে ফুলনিবাৰী। তঁতে ৰাজা পাত্ৰ মন্ত্ৰী সহিতে টঙ্গি ৰঙ্গ ঘৰত উঠি ৰহিছে। তালকে গুৰুজনক নিয়াইছে কাজীতকৈ। আই ধাইএ বুজ পাই ত্বৰিত কলে বামুণ সৰহকৈ নপাঠাবলৈ হাক হাই মাৰে দেখি। তেহে বামুণ দুটি ভকতো দুটিহে সুমালে। বসাই ৰাজা সুধিব থৈলে। আৰু শেষা গলা দুই ভটাচাৰ্য্য সুধিলে বোলে মহাশয়, কোন যুগৰ কি নাম বেদ, কি পূজা কৰিছে। তেহে গুৰুজনে ফকৰা মাতিছে—

'সত্য, ত্ৰেতা, দ্বাপৰ, কলি,
এই চাৰি যুগ গাৰ মলি।" আৰু,
কথা থৈছোঁ বোকণ্ডি ভৰি।
সবে যুগ পূজা মন্ত্ৰ বৈছে সম্বজত ঋষি॥
এই চাৰি যুগৰ কথা নোসোধোঁ তোত।
উপৰ চাৰি যুগৰ কথা কৈ দে মোত॥"

তেহে দুও ভঙ্গ মানি অবাক হ'ল। ৰাজা বোলে শৰত কালী পূজা যায় নাযায়? বোলে মহাৰাজ, আমি চণ্ডী পূজিব নপাওঁ। মোৰ গুৰু শ্ৰীশঙ্কৰ দেউ কৈছে 'হংস, ছাগ, কাটি দেৱক পূজয়।

কথিবে কৰ্দ্দম কৰে।

সি যে যায় স্বৰ্গ, নৰকত কোন পৰে?" সেই ব্ৰাহ্মণত সোধে ৰাজা হয়নে বুলি। বোলে মহাৰাজ হয়, ব্ৰাহ্মণে

ভাল বাত বুজাইছে। ৰাজা যি যি সুধিলে মানে গুৰুজনে কয়। বামুণত ৰাজা সোধে হয় বোলে। সবে খানি শলাগিলে। ৰাজা বিৰু কাজীক বোলে, দহো মহাজনে যি ভোৰ কলে, আমাৰ পণ্ডিতে হয় বুইলে দহোঁ একা ? বোলে মই কোচ মেচ মানুহ কি জানোঁ ? বামুণে যি কয় তাকেহে কওঁ মই ? পাচে আই ধাইএ বোলে মই আগেই কওঁ বোলোঁ ৰাজাত কৈ থওঁ, বোলে নালাগে কব। মোৰ ৰাজা বিৰু এই এতিয়া বিৰুৰ প্ৰমাণ পাইছে। তেহে ৰাজা শ্ৰদ্ধাৰে সুধিব ধৈলে বোলে তোম্রাৰ গুৰু কোন ? বোলে আমাৰ গুৰু শ্ৰীশঙ্কৰ দেউ। বোলে অ' তাহানি দেৱ বেবা সহিতে শাস্ত্ৰ আলাপনকৈ থাকে। আমি উমালোঁতে দেখিছোঁ, মনত পৰে। এহাতমান সবাতকৈ চৰা হৈ থাকে, সিংহ প্ৰায়। অস্ তোম্রাৰ মহা বিশিষ্ট গুৰু। আৰু তোম্রাৰ যৌবন কাল গ'ল কেনেকৈ ? বোলে আমি ছোট ছৱাতে দুখ হ'ল। পিতৃ-মাতৃক কৃষি ভিক্ষাকৈ পুষিলোঁ। যুবা কালে গুৰু সেৱাকৈ শাস্ত্ৰ পঢ়িলোঁ। যৌবন হ'লত গুৰুজনক লগ পাই কৃত্য সেৱা ধৈলোঁ, মধ্যম কালত অনেক শ্ৰমকৈ অনেক শাস্ত্ৰ পঢ়িলোঁ, তাৰে ৰসতত্ত্ব বিচাৰিলোঁ। গুৰুজন বৈকুণ্ঠে গ'লত মহাগুৰুতৰ ভাৰ দি গ'ল, ভৰত শ্ৰেষ্টাকে নেপাওঁ, কিৰূপে বম, দাঙ্গো গুৰুতে ভাবোঁতেই গ'ল। এতিয়া ভাৰ বাটি দি অৱজৰ হলু। বৃদ্ধ কালো হ'লহি। যি এক কণিকা মোৰ পৰম গুৰু বস্তু দি দেখাই গৈছে চিন্তি ভাবি গাই চাই থাকোতেই শৰীৰ পবিৰ। শুনি ৰাজা প্ৰশংসাকৈ বোলে হয় শাস্ত্ৰ পঢ়িলেও কলৈও মন নচলে, গুৰু সেৱাতো নচলে। শাস্ত্ৰৰ অৰ্থ লাগিলেও মন নচলে। এতিয়া একা শৰণতেই পৈলহি। ধন্য ধন্য সন্তৰ জন্মৰ সাফল্য হবা গৈছে। বাক তোম্রাৰ দিন

কাল এইৰূপে গ'লহি আৰু। আপুনাৰ ভকুসবৰ একা?
চাৰিও মুঠি জীৱৰ আহাৰ মৈথুন নিদ্ৰা চাৰিবলৈ ঠেক।
বোলে তাৰা সবে খনো এক চিত্ৰ ধৰিছেহি। কতো এ
এৰি ধৰিছে, কেহো ছৱাতে আহি ধৰিছেহি। ৰাজা
বোলে ধৰা সব ভাল, এৰি বিৰক্ত হৈ ধৰা সবে
সজ। যৌবন ছৱা সব মন নচলাকৈ ৰবলৈ টান। বিবাহ
কৰাই হৰি ভক্তি কৈলেও আমাৰ মনে নপৰে দন্ত।
গুৰুজনে বোলে মহাৰাজ, সিংহে পাঁচোটা হস্তী ভোজন
কৰে, তেও বাহ্ন বৰ্ষতহে শৃঙ্গাৰ। ছাগ ঘংশৃকা তুহ, কণ,
বন, বিহপাত, তেও ৰাত্ৰি দিনে শৃঙ্গাৰ। এতেকে ভকত
বস্তু সিংহ। প্ৰহ্লাদৰ বাক্যে আহি ছোটৰে পৰা
কৰে, ভক্তিএ জিনি কাম ক্ৰোধৰ বাহিৰ, কি কৰিবহি?
তেহে ৰাজা বোলে মোৰ দেশত যি খানি সত্ৰ মহন্ত আছে
সবাৰে উপৰত অধিকাৰ পাতিছে। আপুনাক, যকৈগ এতিয়া।
পাচে আহি মধুপুৰ পাই বোলে লুইতৰ অঠৈৰ সোতা, ধন বা
যায় কোন সোতা? ৰাজা মোক বৰ সম্পতি দিলে পা।
অনেক অনেক পথে মতে হৰি ভক্তি ধৰি আচৰিছে। তাৰ
উপৰত গৰুখীয়া পাতে, মহৰ তাপত গৃহতে দণ্ডিবলৈ। তেহে
নিশা প্ৰসঙ্গৰ অৱসানে সবাকে গুৰুজনে বোলে আতৈ সব,
যাৰ মন চলে, বিবাহ কৰাইক। যদি অলঙ্কাৰ পাতি নাই
বুলি নকৰা, মনহে চলে, আমি দিম, কৰা। তিনি জনৰ নাম
ধৰি বুইলে। হৰিহৰ আতালৌ কলে, মুকুন্দ, জনাৰ্দ্দন
আতৈতো কলে। আৰা সব চুএ গুৰুবাক্যে নেদাঙ্গিলে।
মুকুন্দ আতৈএ বোলে বাপ, তোম্ৰাৰ লগতে আমাৰ আৰ
বয়স গ'লহি নাম ধৰ্ম্মতে বাখিবৰ চাবি বিষয় বিৰক্ত পেলাই
যাবে। পাচত গুৰু বাক্যে ধৰি হৰিহৰ আতা কৰাইছে। বিবাহ কৰাইল জনক আতাক কয়
মায়া বুহিৰ বুৰাইলে মায়াকহে বুহি নচালে। বাহিৰ কৰবত

জনাৰ্দ্দন আতৈএ কৰিছে, বাক্যত খতৰ খাই। মুকুন্দ আতৈএ গুৰু বাক্যত নকৰাওঁ বোলাত হাটলৈ গৈছিল, এক কায়থৰ স্ত্ৰী যৌবন হৈ আছিল, কোম্নুত ধৰিলে বৰিছোঁ বুলি। অবিঐয়ে তাতে ৰ'ল।

আৰু এদিন সবেও আতে সবে চাউল সিজাইহে। গুৰুজনৰো সিজাইহে ৰামচন্দ্ৰ ঠাকুৰে। যদুমণি আতৈ বোলে কাৰ কেনেকৈ চাউল সিজাইছে, কোনে কি গাইছে, হাটী ফুৰি চাই আহা। গৈ চাৰিওহাটৰী ফুৰি চালে। আহি আঁঠু লৈছেহি। গুৰু, বোলে যদুমণি, কাৰ কেনে দেখিলা? বোলে বাপ, কতোৰ বাহ্নিছে, কাতোৱে নমাইছে, কেহোএ খাইছে, খনোৰ আঞা বহাইছে, কতোএ গুণ, লীলা, ভটিমা, চপয়, টোটয়, গীত, পদ, যাৰ যি আছে সবেও গাইছে। আমাৰ দদাহে দহোঁ চাউল বহাই মুৰ ঘুমাই বহি আছে, একো গোৱা নাই। বোলে যোৱা সোধাগৈচো, সবেও যে গাইছে তেওঁনো কিয় নেগায়? গৈ সুধিলে, গুৰু আজ্ঞা কৈ বোলে দদা সুধি পঠাইছে। বোলে যদুমণি কবাগৈ গুৰুজনে যি সুন্দৰীত চৈধে গোটা প্ৰসঙ্গ মূৰ্ত্তিমন্তকৈ চৰ্চ্চি পাতিছে, তাকে চিন্তি ভাবি গাই চাই সেৱাকৈ ধূলা লৈ অন্নজৰ হাবিআহে নপলাই দহো মোৰ? গীত, পদ, ঘোষানো গাম কত' বাক। আহি সেই ক্ৰমে কলেহি। তেহে গুৰুজনে শুনি পৰম সন্তোষ হৈ বোলে যদুমণি, আন সবে গাই যি থান পাবগৈ, এ মোৰ বিষ্ণুএ নগাএ ভাতকৈ বঢ়া থান ফল পাবগৈ। পৰম গুৰু মোৰ দি গৈছে প্ৰথম কৰুত—

শুনা যেন গুণ আছে ৰামৰ নামত।
উচৰন্তে উপজে পৰম পুণ্য যত॥
মৰাকো জীয়াবৈ হেন পৰম ঔষধ।
হেন নাম মৰবি আপুনি ৱায় বধ॥"

আৰু আই ধাএ বিৰু কাজীত বান্দি ফেটাই তিৰস্কাৰ কৰায়, চৰাত সাজ নি অৰায়, ভাত খাবই মুৱাৰে। উপায় নপাই ৰাজাত কলেগৈ। ৰাজা বোলে, তেওঁ মুমুৰ মাএ দণ্ড কৈলে নো মই কি কৰিম? মোত কৰলৈ নাহিবি ষা শুচ। এই বুলি ৰাজাও খঙ্গ কৈলে। গালিত মুৱাৰি সোমাই থাকে। বোলে ওলাই নহে কিয়? সপত অঙ্গীকাৰ ক'ত থলি, দেখো খেদিব মুৱালি একা? তেহে বিৰুএ উপায় বুদ্ধি হুৰাই গালি মুৰ খুৰাই সৈকনাত পেলাই জিহ্বাতে এক কৰিলা দাৰ পাচ তেজ পেলালে। লাজ লঘু বিপৰীত হ'ল, কৰালে।

বিৰুৱে প্ৰতিজ্ঞা পালে

আৰু লক্ষ্মীনাৰায়ণ ৰাজাৰ ছয়কুৰি মাদৈ। সবেও আহি গুৰুজনত ভকত হ'লহি। সিবোলাকৰ মেধী পাতিলে তেলী কৃষ্ণ আতৈৰ পত্নী আই-দায়ালক' ছওকুৰি গীত ঘোষা কীৰ্ত্তন শিকাই প্ৰসঙ্গ কৰাই হৰি গৃহকৈ সবাৰে কৰ তৰ টকা বস্ত্ৰ তুলি সোধায়। গুৰুজনত বৰ ভকত স্নেহৰ।

আৰু আই ধাইক সাতখানি গ্ৰাম দিছিল জামিন লৰলৈ। একদিনা ৰাজাক বোলে বাপু মোক আৰু ছখানি মান গাওঁদে। বোলে সাত খান নিদিছোঁ? চাবি ছয় শ টকা নো কি কৰা? বোলে নোযোৰে দাসী, দাস, গুৰু, ভকত শুধিবলৈ। বোলে অ' তুমি উদাসীনক পুহিবলৈ? বোলে হয়। বোলে বাৰু পোহা। আগৰ চাৰিসিদ্ধ, নসিদ্ধ, দশ প্ৰচেত, নাৰদ, প্ৰহ্লাদ, শুক, উদ্ধৱ, মৈত্ৰেয়, বিদুৰ, হনুমন্ত, জাম্বৱন্ত এই সবৰ নিচিনা হলে গা সয় পোহাত। আএ বোলে বাৰু, ত'ত আগৰ ৰজা সবৰ নিচিনাহে, বলি, যুধিষ্ঠিৰ, অম্বৰিষ, নিমি, সৌভৰি, ভৰত, পৃথু, প্ৰিয়ব্ৰত, হৰিচন্দ্ৰ এই সবে দেহ দেশ সবাকে অৰ্পনা কৰিছিল ঈশ্বৰত। সাতো দীপেশ্বৰ আছিল, ধৰ্ম্মশালী অৱতাৰী। তুমি তেনেনে? তেহে ৰাজা নিজ শিৰ পাঁৱ দিছে।

আৰু আই ধাএ চতৰ বিহুত বৰ কাপৰ মজালি চেলেঙ্গ, পচৰা, গমচা দি পঠালে। বোলে ভকতক গুৰুজনে ভগাই দিব। মানকুইচা, উত্তমোত্তম, উত্তম, মধ্যম, সামান্য প্ৰাকৃত্য মানৰ মানে বৰ সৰু। গুৰুজনে বোলে বুঢ়াভগীয়া লৈ যা, কোচজীএহে বৰ সৰু ছোট প্ৰাকৃত্য ভকতৰ চিনে, আমি ভু নেপাওঁ। সবেও হৰি ভক্তি কৰিছে। ভজনৰ ইছা যাক যি ফল ঈশ্বৰে দিব বৃক্ষ চাই ছায়া, তেহে গৈ সেই মতে কলেহি। সমান কাপৰ দিছে পুনৰ। বাটি দিছে সবাকে।

আৰু হৰি বল্লভ আতৈ আল ধৰে। মুগ, মচুৰ, কলাডিল, অনেকৰ বটি পতৰাকৈ দিএ। ইটি দিয়ক, সিটি দিয়ক বুলি। আৰে মুৱাইলে তাৰে লব, তাৰে নপাৰে যদি তাৰেই তুগৰহি খাব। গুৰুজনে বোলে হৰিবল্লভ, আমাৰ বায়ু টান কৰিছে, এই ভোৰ জঞ্জাল নকৰিবা। পাচতে বহি বোলে বাপ, এইটি দিয়ক, সিটি দিএ, আকৌ এই ক্ৰমে দিয়ায়। ভোজনতো সেই মতে খুৱায়। তেহে ভোজনকৈ বোলে যশোদা মাএ খুৱাদি খুৱালে হৃদয়ত হাত ফুৰাই। শুনি আই ধাএ বোলে হৰিবল্লভ আতৈৰ হতোৱা পৰিচৰ্য্যা খানি নকৰাব। ব্ৰাহ্মণ কাৰণে শুনি অসূয়া কৰিব। তেনে তিনিদিন কষ্টে কৈ উলিয়াই থৈছিল, ভোজনো কৰা নাই। পাচে সবেও ধৰাত বোলে মা হই, এই ৰাজাই ৰাজা. এই ভকতে ভক্ত। তেহে বোলে বন কৰাতেহে বাধা কৰিছে, হৰিবল্লভে সিজাই নিদিএ মানে ভোজনকে নকৰোঁ। পাচে আতৈএ গুৰুবাক্য শিৰে ধৰি নবীন পাগকৈ জুই ধৰি দলিয়াই দিছে, কৰিছে তিনি সন্ধ্যা মুৰে। ধাইৰ গুৰুজনৰ কষ্টে তিনি জন্ম লাগিছে। আনে কৈলে সন্তোষ নেজানে, ব্যৱস্থা নেজানে। ভোজনকৈ বোলে কোচৰ জীএ মোৰ এনে সুখকো গুচায়। মনৰ মনক বুজি দিএ খুৱায় মোৰ।

আৰু এদিন গুৰুজনে বোলে বলোভদ্ৰ, হাটী ফুৰি আহা। আতৈ গৈ চাৰিও হাটী চাই আহিল। বোলে কেনে দেখিলা? তেহে আতৈএ ঘোষা মাতিছে—বস্তু প্ৰকাশ—

"হৰিনাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী।"

"গোবিন্দৰ প্ৰেম অমৃতৰ নদী, বহে বৈকুণ্ঠৰ পৰা।"
"ভক্তি সৰোবৰে কৃষ্ণ-পাদ পঙ্কজত পৰি নিৰন্তৰে॥"

মাতি বোলে বাপ, বৈকুণ্ঠতহে শুনিছিলোঁ। এক ৰস ভকতিৰ প্ৰেম। তোম্ৰা পৃথিৱীতে বেকত কৰা গৈছে। তেহে গুৰুজনে মাণ্ডৱ সংহিতাৰ ছুটা দৃষ্টান্ত দিছে। বোলে হৰিৰ পৰা ৰাজা যজ্ঞ কৰিবলৈ ধৰিলে। সৰ্ব্ব সুলক্ষণ বৃষভ লাগে। ফান্দ শুক্লা সোবন খুৰা শুক্লা সিঙ্গা বিচাৰি পাই আনিলেগৈ। নোৰাই ধুৰাই লেঙ্গুৰ দাঙ্গি চাই দেখে কাৰলা বীৰ্য্যন্তম নহয়। মাণ্ডৱ সংহিতা

আৰু বাহুলিএ দিনটো খনে আলচি থাকে বোলে আজি সোন্দা মালভোগহে খামগৈ। গৃহস্থে বাৰী পাচতে চাপ তুলি সিজু বাঁহক জেওৰা দি তাৰ ভিতৰত কল ৰোৱে, ভীম আঠিয়া, বজৰিয়া, তাৰ ভিতৰে মনোহৰ কল, তেহে পুৰা, ৰবতমনি, তাৰ অভ্যন্তৰেহে মালভোগ, সোন্দা গজোৱা। ভোকত গৈ আঠিয়াতে লাগে, আলচা কথা পাহৰে। ভোক গুচে এৰি যায়। আমাৰ ভকতবো কথা তেনে হৈছে এতিয়া। পাচে সেই কথা ভকতে শুনি নাম গুণ এৰিলে। গুৰুজনে বোলে শ্ৰীৰাম দেখোঁ ভকতে নাম এৰিলে! কিয়? বোলে বাপ, তোম্ৰা যে বৃষভ, বাহুলিৰ আঁহি কোৱা গ'ল তাকে শুনি এৰিছে। আকৌ ছুটা দিছে দৃষ্টান্ত স্কন্দ পুৰাণৰ। বোলে বৃষহুট ৰাজাৰ মনসজ তামুলি সিপিৰা ষৰ ৰজত খাটনি ৰাজাত। তাৰ বাপেক বৃদ্ধ; চাই দেখে গাৰ পতি স্কন্দ পুৰাণ

উনশত গোটে। বোলে ই-যি মৰিব, জগৰ লগাই আমাকো মাৰিব। এই বুলি মনে নেমাতে নেচায়, আহিলে পিঠি দি ভৰি মেলে। ইফাল হয় যদি সিফাল হয়। পাচে সি বুঢ়া নেমাতে। দেখি মনে নিচয় কৈলে মৰিবলৈ। নগৰে যাওঁ বুলি গৈ ঘুৰি জুপি আছে। তেহে বুৰা ভাত খাই নিশা জুৰত বহিছে। বুৰীএ তামোল কাটিছে, দিছে। বোলে সি গ'ল হবলা আজি। বুৰীএ বোলে এই কি মোৰ লৰাৰ বাৰ্ত্তা সোধ? আগে আছিল কি? এতিয়া তাৰ জহত গৰু, মহ, ধান, ধন, বেটী, বন্দী, বাঙ্কা, তাম, কঁাহ লিকচৌ, কি নহৈছে? তেও নেমাত, নেচা, কি শোধ লৰাৰ বাৰ্ত্তা? তেহে বুৰাই বোলে অ বুৰী, তোৰ পুতেৰ, মোৰ নহয়? তোৰ স্নেহ আছে মোৰ নাই? এ সি দেখোঁ ৰাজাৰ মাত কথা পাই মূৰে বুলি ফুৰিছে। কাকো নগনে। খুৰ হলে ভাগে ও দা হলে ফুটে। ভই নহলে সি লোকৰ অল্পকালে মৃত্যু। এতেকেহে নেচাওঁ, নেমাতো, খুৰ খাণ্ডা তলে থাকে, বোলোঁ মোতে ভয় কৈ কিবা হব, ধীৰ শাস্তে ফুৰে গা ৰাখি। তাৰ হিতকেহে চিন্তিছোঁ মই। তেহে কলাৰ আৰতে সি শুনি দেখে মোৰ উপকাৰীহে। পাচে ওলাই দা শেল আগত পেলাই দণ্ডৱতে পৰি কান্দিব ধৈলে। এন্ধাৰত বুৰা বোলে তই কোন? বোলে মই গুৰু পিতৃদ্ৰোহী। নেমাতা দেখি আজি মৰিব খুইছিলোঁ। শুনো দেখো মোৰ হিত উপকাৰ হে চিন্তিছা। মহাপাপী মই, মোক ক্ষমা কৰা।

আৰু এক ব্ৰাহ্মণৰ বেটা বাৰ বৰ্ষ পঢ়ি অগাধ পণ্ডিত হৈ আহিল। বাপেকে দেখে উগ্ৰ পণ্ডিত হৈ গুৰু ভক্ত নাম বেদ শাস্ত্ৰ কাকো মান কৰ নাই। জীৱ দুখতহে পৰিব। এই বুলি নেমাতে নেচায়। সি বোলে মই এনে পণ্ডিত, দেশে

মান কৰে, বুৰাইহে নেমাতে, নেমানে, এই বুলি এঠাইলৈ যাওঁ বুলি জুপি আছে মৰিবলৈ। বামুণীত বিপ্রে সুধিছে নিশা, বোলে সি কলৈ গ'ল আজি? বোলে তুমি লবাৰ কি বাৰ্ত্তা সোধা? বংশৰ পদ্ম, বজা প্ৰজা দেশে মানে, এই মুখেৰেও নেমাত? বোলে বুৰী তোতকৈ মোৰ বঢ়া স্নেহ। নেমাতো কিয়, এনে অগাঢ় পণ্ডিত হলে কাকো মানিব নুৱাৰে, নৰ্কী হয়। তাতে বোলোঁ মোতে ভয় কৈ কিবা হব মানি জীৱ ৰয়? সি শুনি দেখে মোৰ হিতকেহে চিন্তিছে। ওলাই দা আগত পেলাই দণ্ডৱতে পৰি কাতৰ কৰি ৰ'ল। সেই বেলা চাইটা ঘোষা কৰিছে কণা, খোৰা, শিং-ভঙ্গা, গৰ্ভিণী। কণা—"বেদাগম আদি কৰি যত, বিস্তৰ শাস্ত্ৰত নাহি কাৰ্য্য।" গৰ্ভিণী—"নামে পুৰুষক শুদ্ধি কৰি বৈল, নাম তাতে ভৰি পূৰি। খোৰা—"সমস্তে তপকে আচৰোক, পৰোক পৰ্ব্বতে উঠি যত॥ শিংভঙ্গা—"সেহিহে চতুৰ যিটো পুণ্যৰ নিদান ভূত,

নাৰায়ণ নামক উচ্চৰে।

অচতুৰ যিটো আভি—।"

তেহে গুৰুজনে বোলে অ আমিও চাইছোঁ দেখো আৰা সৰৰ কাতো ভয় নাই। যম কাল মায়া মৃত্যু, গুৰু, নাম, দেউ, ভকত। তাতেহে মই তাৰা সবৰহে হিত চিন্তিছোঁ। পুনৰ দুটা ঘোষা মাতিছে—

"যম কাল মায়া মৃত্যুৰে বেঢ়িয়া
আছে বাঘজালি কৰি।"
"মিনতি বচন বোলোঁ সৰ্ব্বজনে
শুনিও শাস্ত্ৰৰ মৰ্ম্ম।"

"...ইটো ৰাম নামে আপুনাৰ গুণে ঈশ্বৰকো কৰে বশ।" বোলে বাপুসৱ, নাম নেৰিবাইক, লোৱা। তেহে আকৌ লৰ হৈলে।

আৰু ৰঘুবাজাৰ খাতৰ ৰাজখোৱা মহাপুৰুষক গুৰু বুলি আছে হাটীতে। গুৰুজনক হাটীৰ পাচে বাৰীতে এটি গৃহ কৰি দিলে সজ সুন্দৰ কৈ। বা—লৈ কথা সুখে বহে নিজস্থানে। পৰিচৰ্য্যা সেৱা ধৰি ছমাহ ৰহি গুৰুজনত বিদায়কৈ গৃহলৈ গ'ল। পাই এটি কল পুলি ৰুলে গৰে জাবৰদি, মনে বোলে আৰে এআখি গুৰুজনত লগাম নি। পাচে ডিল মেলি বৰ ঠোক মেলিলে। ই ভোৰ মুনিয়া হল। মাজৰ আখা বৰ হ'ল ঠোকাৰে সাৰ গৈ। পাচে বুৰা হৈ পকিল, কাটি পাচি ভৰি নিছে, বলেহে পাইলে। দি সেৱা কৈলে। দেখি বোলে বাপ, মই মহাপাপীএ ৰোঁতে বুইলোঁ। একাখি গুৰুজনক দিম। তাতো সিভোৰ চেচেৰা হ'ল, কেলে বা ঠোককে মুবুইলোঁ। দিম? তেহে গুৰুজনে সবাকে বটাই দিলে, ঘলৌ ছুটি দি পঠালে। পাচে এক নিশা স্বপ্নত দেখে বৈকুণ্ঠ পাই বৰ আঠাৰ খুটলীয়া গৃহত চালে বাৰে খুট চ'তিএ দাঙ্গে মাৰলিএ সহস্ৰ ঠোকা কল আৰা আছে। বোলে কাৰ গৃহ এইটো দহো অনেক ভোৰ ক'ল? বোলে গোবিন্দ আতৈৰ, তত গুৰুজনক কলা গৃহ কৰি দিছে। তাতে অ'ত কল চকলে পতি একো ঠোকা হৈছে। সাৰ পাই বিহানে গুৰুজনত কৈছেহি বোলে আমি ফলিতা দিবৰ ঠাই নাই। তুমি ফলিতা······দেখিছা পাইছা আৰু।

আৰু একদিনা শ্ৰীৰাম আতা, বিষ্ণু আতা, হৰিকৃষ্ণ আতৈ, বলাই, নৰসিংহ আতৈ, নাৰায়ণ, পদ্মনাভ, আৰা সবকে মুখ্যকৈ সমূহে নিশা নাম পাঠ অৱসানে প্ৰাৰ্থনাকৈ সুধিলে বোলে বাপ, তোমা পূৰ্ণ বৈকুণ্ঠৰ পূৰ্ণ ঈশ্বৰ, জন্ম, মৃত্যু, জৰা, যুৰা, নাই, চিৰন্তন পুৰুষ। তথাপি কাৰণবাদ বহুকাল যেন পৃথিবীত থাকিব আমাক কৃপাকৈ, এইহে আমাৰ আশা ভাৰনা। তেও দেখিছোঁ মল চক্ষুএ নৰদেহাত

কাল পূৰ্ব্বা-পৰেও লংজ্ঞা আহিঁ আছে। শ্ৰীৰামচন্দ্ৰ বৈকুণ্ঠ গ'ল পৃথিবীত ধৰ্ম্ম দি হনুমন্তত থৈ গল। বংশক সংহৰি কৃষ্ণদেউ বৈকুণ্ঠে গ'ল, উদ্ধৱত ধৰ্ম্ম থৈ। শ্ৰীশঙ্কৰদেউ বৈকুণ্ঠে গ'ল পৃথিবী এৰি, আপুন পুত্ৰ ভাতৃত নথৈ বৈকুণ্ঠৰ সৰ্ব্বস ধৰ্ম্মবস্তু আপুনাত থৈ গৈছে। এতিয়া আপুনাৰ পিচত কাক আগত লৈ আজ্ঞাৰে চলিম কৰিমহঁক আপুনাৰ তত্ব মুখে শুনিলে সবাৰে দোলাইমান গুচিব, এক মন হয়। পাচে গুৰুজনে শুনি ভাবি দান সম্বিধান একো মুকুইলে। তাৰ পাচ দিনাও সেই ক্ৰমে আকৌ প্ৰাৰ্থনাকৈ সুধিলে। তেহে গুৰুজনে শুনি ভাবি কতো বেলি নিশ্বাস তেজি বোলে মোৰ বন্ধু সব, সবেও আছাহঁক, আজি দুদিন সোধা। আমি শুনি ভাবি কব বুলিবৰ ঠাই নেদেখোঁ, মোৰ মহাপুৰুষ শ্ৰীশঙ্কৰদেউ কৈ গৈছে, ব্ৰহ্ম ডিম্ব পঞ্চ কোটি পৃথিবী যি হে বৃদ্ধঙ্গুষ্ঠে দাঙ্গিব সিহে এটি জীৱ তাৰিব। ঋষভ দেউৰ বাক্য, বিষ্ণুপুৰী দিছে বস্তাৱলীত—

ভকতিৰ উপাদি মেলাইতে নপাৰে সঙ্কটে।
গুৰু আদি একো ভাত সম্বন্ধ নঘটে॥

ইও গুৰু আদি নাম নধৰোক। যি খেদিব হাতী, সি পলাল বাত্তি, যিহেতু লাব ভাব বব মুৱাৰে, সি বুৰে পৰ্ব্বত ৰবলৈ, যি পৰ্ব্বত বব পাৰে, সি নবই তুলাৰে। কাক বুলিম মই, বুলিবৰ ঠাই নেদেখোঁ, তোম্ৰাসব সমূহে অখিত অভাগন্তী, সুধিবলৈ যাক হয় লবাহক।

"গুৰু সেৱা কৰিলে মাৰ্কণ্ডেউ বিধি।
লক্ষ্মণেও গুৰুসেৱা কৰিলে হবিধি॥
প্ৰহ্লাদ গুৰুসেৱা কৰিলে বিক্ৰমাৰ।
আমিও গুৰুসেৱা কৰিছোঁ কিছুমান॥

এতিয়াৰ আচক গুৰু ভজন সেৱা, ঈশ্বৰ সেৱা নাই।

মাধৱদেৱৰ পিচত গৰাকী কোন হব

আৰু এক ইকাদশীতে আই ধাএ দিনে নিশা সভা পাতি ভক্তে সমে গুৰুজনক জনালেহি। বোলে বাৰু ভকতেহে দুখ পাব, ইকাদশীত নিশা বঞ্চা। পাচে গধূলি এক ভাৱে গুৰুজনে কলে। সেইৰূপে প্ৰবৰ্ত্তি গ'ল গুৰু ভক্তে। দিনটো গাই বাই কীৰ্ত্তন কৈলে, নিশা চাই দাঁৰ মান হ'ল। তেহে গুৰুজনে কৈ পঠালে বুঢ়া ভগীয়ায়কে ধাইলে বোলে কগৈ দিনটো গাই বাই আছোঁ, ভকতে সভা গাক, আমি যাওঁ। তেহে কলেগৈ। বোলে গুৰুজন গলে সভাখানি ভাগিবহে, দাসীএ প্ৰাৰ্থনাহে, কৰিছোঁ। কলেহি সেইৰূপে। আকৌ কৈ পঠালে, মোৰ বাউ টান কৰিছে, যাব খোজোঁ। কলে যাই। বোলে গুৰুজন গলে কোন থাকিব আৰু, প্ৰাৰ্থনাহে কৰিছোঁ বান্দীএ। পুনৰ কলেহি। অকৌ কৈ পঠালে তেও কাতৰহে কৰে। বোলে কগৈ কোচৰ জীএকে খৰি কাঠ যত্নহে কৰিব লাগে আমালৈ। ক'লত বোলে বাৰু তেনো সভাটি নভগাকৈ যাব। তেহে ৰামচন্দ্ৰকে ঐচ্যুত গুৰুকে থৈ মুখ হাত ধুৱ চলে উঠি আহিল। শ্ৰীৰাম আতা কমণ্ডলু পাচত লৈ গ'ল। বাটবৰ্ত্তে দোলা খানিৰে আহিছে। ৰাজাৰ বাঙ্গনবাৰী পাইছেহি। পাচত তাতে মধুপুৰ হ'ল। তাৰ কাথে ভিতৰ ঢাপ বৈদপো বলোৰামৰ সত্ৰ। তাতে বৰকৈ নাম উঠিছে। গুৰুজনে বোলে শ্ৰীৰাম, মধুপুৰ পালোহিনে ? বোলে বাপ, নহয়। বোলে কতনো নাম গাইছে ? বোলোৰামৰ সত্ৰত দামোদৰী মতে গাইছে। বোলে জানিছা শ্ৰীৰাম, যেনে অনেক লক্ষণেৰে বত্ৰিশ অলঙ্কাৰে কছালে শিৱ নহলে অশোভন দেখি এই নামবো তেনে শিৱ থিত নাই, উলামূলা, অমূলক। তোমাসবে যেনেকৈ থিতি লভি মূলেৰে নাম লৈছা, ইয়াৰ শিকা মাইকিয়া। আতা বোলে বাপ, ই নামবনো কত লাভ আছে

নাই? বোলে জুইশালে হাত সাবটি থকাতকৈ সজ নাম মহা বলৱন্ত বস্তু এঠাইত ঠেকাবনি। অছিদ্রে অপৰাধ পৰদাৰা বিভিচাৰ ভকত দ্রোহ মাৰি গালে, মোক্ষ পাব, জন্ম মৃত্যু, আয়াযাত নেপায়। এ তোম্রাসব এক শৰণীয়া লোকলৈ থৈছে বিষ্ণুপুৰী— বলোৰামৰ সঙ্গ

"কৃষ্ণৰ অভয় দুই চৰণত ধৰি।

স্বৰ্গ সুখ, নৰক মনে তুল্য কৰি।

আৰু সেই চাৰিজনক বোলে তোম্রা সবে কি ভাগ্য কৰিছা একা? এ আমি বুঢ়াটোকে বহিবলৈ পাইছা, অপৰাধ ক্ষমিবাইক। তেহে মধুপুৰ সমীপ পালেগৈ। নাম ঘূৰিছে গুঞ্জ গুঞ্জ শব্দ উঠিছে। গুৰুজনে বোলে শ্রীৰাম, আমাৰ ভেলা মধুফুৰ পালেহিনে? বোলে হয় বাপ। বোলে [illegible] যেন মধুহে স্রবিছে, নাম ৰসে থান পাই বহিছে। তেহে সেই নিশাই আই ধাইক নি বাজা হেৰাই ধৈলে গুণ শীল মহিমা দেখি। বোলে আজি একাদশী ব্রতেৰে আছোঁ। কাইলৈ গুৰুজনক অনাই তুমি মোক ভকত কৰোৱা কৃষ্ণত। বোলে তুমি ৰাজ চৰ্চ্চা, দেৱ দেৱী অনেক পূজিব লাগে। কেনেকৈ হৰি ভক্তি গুৰু ধৰ্ম্ম ৰাখিবা? বোলে সবাকে চাৰিম তেও ভজিম, মোক কাইলৈ আনি দিয়া তুমি। বোলে বাৰু, মই আনি ধৰোঁ, নিদিলেও বলেৰে হম ভকত। তেহে আইএ আজি কালিকৈ বাৰু বাৰু অনাওঁ বুলি ন দিন সোৱাই আছে। গধূলি বৰ বধুৰ শপত দি থৈলেগৈ। ভণীয়াক পঠাই প্রাৰ্থনাকৈ পঠালে বোলে গুৰুজন আহক ভক্তে সমে, দখিণা সম্ভাৱ কৰোঁ, সেৱা সম্মান কৰোঁ। গৈ কলে বোলে দ্বাদশীয়া ভকতে ভোজন কৰিছে, আমাৰো বায়ু টান, বৃদ্ধ শৰীৰ, যাব নুৱাৰোঁ কৈশে। কলেগৈ নুৱাৰে বুলি। বোলে পাও গতিকৈ যে নপাৰে, ৰাজীৰ

দোলা খানিকে ধুই দিওঁ, দায় এৰি আহক তাতে। সেই ক্ৰমে ক'লত ৰাগকৈ বোলে কোচ জীএকে মোক বৰ সম্পত্তি দিলে, খচকা দোলাত উঠিবলৈ। বাৰু এই ছদিনৰ অন্তে একাদশীলৈ যাব বাৰু। তেহে বৈ আকৌ পঠালে বুৰাভগীয়াক নিবলৈ। বোলে শ্ৰীৰাম, যাব লাগিলে সজকৈএ যাওঁ, কাপৰ কানি দিয়া। তেহে ভুনি কাপৰ মাথা বন্ধা কঠ ঢাৰি লোটা গাৰু ললে, জাপী লাঠি। ৰামচন্দ্ৰ ঠাকুৰে বোলে মমা, ৰাজাৰ অভ্যন্তৰে যাব লাগিছে, মুখ হাত ধুবৰ ঠাই নাই। অ'তে ধুই লক। বোলে হয়, লোটা দিয়া। দিলে। কৰি আহি বহিলহি মৌনে ঈশ্বৰক নিচয় দৃঢ়কৈ। আতৈ সবে দেখে এক ভাও, হলি যায়, বাক্য থকবক! সেই বেগে ৰামচন্দ্ৰে দুজন ভকত পঠালে হৰিহৰ আতাক আনিবলৈ। গৈ পাই কলে গুৰুজন প্ৰয়াণৰ কথা, মাতিছে বুলি। বোলে গুচ যা, মই মৰা মাধৱৰ ভকত নহওঁ। মোৰ গুৰু জন্ম মৃত্যু জৰা যুৱা আদি অন্ত নাই, অনাদি পুৰুষ। পাচে সবেও প্ৰাৰ্থনা কৈলে বোলে বাপ, ঈশ্বৰো আবিৰভাৱ, তিৰোভাৱ আছে। তোমাৰ দেখো এক ভাও ধৰা গৈছে। এ পাচলৈ বুলি যোৱা যায় কাক কি? তেহে গুৰুজনে বোলে আমি কাক কি বুলিম? শ্ৰীশঙ্কৰ দেউ বুলি যোৱা নাই পুত্ৰ নাতিত। গুৰুভাৰ ৱবৰ পাত্ৰএই নাই। আচোক গুৰুসেৱা ভকত সেৱা কৰোঁতে নাই। সমূহে আতিথ শুশ্ৰূষা কৰিবলৈ যাকে বোলা বুলিবাহক। আৰু বান পানীত যেনেকৈ গুৰি পিম্পৰা জাকে উঠিলে মৃত্যু নাই এ তোমাৰা সবেও লগ নেৰি প্ৰীতি ভাবে গুৰুবাক্যত বৈ হৰিগুণ গাবা, সংসাৰ তৰিবলৈ কি প্ৰয়াস? মথ ভাগিলে একা যেনেকৈ পকৰা সাপে বেঢ়ে জলে মাৰে, সেৱকৰো সেইমতে লোভ, মোহ,

গুৰুজন বৈকুণ্ঠী হয়

কাম; ক্রোধ, কাল, ভুলি মায়া আবৃত্তৈক জীৱ ৰাখে জন্ম লগাই। এই সম্বোধনকৈ বস্তু স্মৰি মস্তকে সহিতে বস্ত্র উৰি শয়ন কৈলে। ভকতে বোলে ঠাকুৰ কাপড় দাঙ্গি চোৱোচোন। চাই দেখে শ্বাস নিশ্বাস নাই। তেহে সেই খিতে এটা বৰ শব্দ উঠিল। বোলে মহাগুৰু পাত হ'ল, মহাগুৰু পাত হ'ল, এনে শব্দ উঠি গ'ল ৰজাৰ ঠাইলকে। তেহে খাট খানিতে তুলি ৰামচৰণ ঠাকুৰ, ৰান্ধনি বলাই আতৈ, নৰহৰি মুকুন্দ দুই ভাই এই চাৰিজনে নিলে তোৰোচাৰ কাখৰৈল। ভকতে আগে পিচে জয়হৰি, প্ৰাণহৰি, ঘোষা কীৰ্ত্তন গাই কান্দি গৈছে। থৈ চিতা নিৰ্ম্মি তাতে তুলি সবেও দণ্ডৱতে পৰি সেবা কৈলে। ৰামচন্দ্ৰ আঠৈ সৈ নমি অগ্নি দিলে। সবেও পুনৰ সেৱাকৈ ব্যাকুল বিহ্বল হ'ল অনেক গুণ বৰ্ণাই। অৰ্জ্জুন, উদ্ধৱ, দাৰুকে যেনেকৈ কৃষ্ণলৈ কান্দিলে সেই ক্রমে আতৈ সবেও গুৰুজনলৈ তোৰোচাৰ তীৰে ৰাগৰি লুটি বিলাই কান্দিলে। তেহে ৰাজা শুনি মাথা চপৰাই খেদ কৰে বোলে, মই মহাপাপী ৰাজা, মোৰে কি শৰণ ভজন আছে, ৰাখিব পাৰোঁ অধমে? মএহে কাবনি হলু। আকৰা গুৰুজন পৃথিবীতে কত দিন থাকিল হতে। আই ধাএ শুনি বিহ্বল ব্যাকুল বিশ্রুতি হৈ নিচালে পৰি মূৰ্চ্ছা গ'ল। চেতন পাই মাটিতে মূৰ আফলি হিয়া থাকুৰি গুণ স্মৰি কুন্তী দ্রোপদীএ পাণ্ডএ কৃষ্ণদেৱে এৰি বৈকুণ্ঠে যাওঁতে যেনেকৈ কান্দিলে সেই মতে কান্দি বিশ্রেষ্টা হ'ল। তত পাই বুঢ়া ভণ্ডীয়াতকৈ জাতি আগৰ ঘিউ দি পঠাইছে। তেহে ডা-ডাঙ্গৰীয়া ভু পাই তেল ঘৃত খাৰি লৈ আহিল! ৰাজাও জাতি পত্ৰ তৈল ঘৃত দি পঠালে মৰ্দ্দন কাৰীত কৈ। তেতি সময়ে বৰ বৃষ্টি আনিলে। পাছে সেই ডাঙ্গৰীয়া সবৰ নাৱৰ চৈ আনি দি বন্দ খুঁটাকৈ

গৃহ কৈলে। তাতে দহন কৰিছে। বৃষ্টিও এৰিছেহি, তেনেহে কৰতিয়া গঙ্গাৰ কাখে গৃহ, ৰাম নাৰায়ণ, আতৈ দুও একে বস্তু, আহিছে দুখানি ভাৰ লৈ, যাৰ যশ গুৰুজনে কয় বোলে মোৰ ৰাম নাৰায়ণ হৰি নাৰায়ণ হৃদয়ৰ বস্তু, দিহে খায়। তোম্রা সব হাটীতে থাকিও শেষ হে দিয়া। আগে খাই। বোলে বাপ কেনেকৈ? বোলে, আমালৈ ভেটি দ্রব্য খান আনিলে তোম্রা সবৰ মনে আহি নকৰেগৈ আমাক দিব পাম খাম বুলি? পাচত এহ্রাহে আমি পাঞ খাঞ। তাৰা সবে দুই দিন বাটতে শস্য গুটি ৰোঁতেই দৃঢ় মনেৰে মোক দিয়ে, পাঞ। এনে প্রপন গুৰুজনৰ। অক্রুৰ গমনে আহিছে বোলা কৰাকৈ দুও, গুৰুজনক সেৱা কৰিমগৈ। আমাক সুধিব কি পাইছা বুলি, কেইদিন আহা, ৰৈছিলা ক'ত, ভোজন হ'ল নহ'ল? এনে কথনতে কাল সাৰিবলকে ভু নেপায়। এইৰূপে আহি আহি বাহিৰ বন্দৰ খানি পাইছেহি। সেইখিতে এহেতে গুৰুজনো গৈছে, শ্রীৰাম আতা. পাচত কম্বলি কমণ্ডলু, হাতে লাঠি মাথে জাপি। লাগ পাই ভাৰ থৈ দুও অভয় পদে মাথা দি সেৱা কৈলে। যি পথে বান্ধিলে অক্রুৰ মতে সবে সিদ্ধি হ'ল, সুধিলে। সেই বেলা ঘোষা মাতিছে গুৰুজনে—

"মাধৱৰ নাম বৎস প্রায় ভৈল,
ভক্তে তাক লৈয়া যান্ত।"

বোলে ভাৰত কি পাই আনিছা? বোলে বাপ. এই দুতুপলি আতপ চাউল, দুতুপলি উথুৱা, এই দুথুকি কল। বোলে নিয়া চাউল কল ৰামচৰণ হাতত দিবা. ভকতক দিব বাটি. লৈ যোৱাগৈ। আমি সেই খিতে আহো। বোলে প্রভু, আহা যক, আমি যক; বোলে যব নেলাগে, যোৱাগৈ, আমি সেইতে যাম। তেহে আহিছে দুও তোৰাচাৰ

কিনাঁৰে। দেখে পাণ্ডু ওলাই, হৰিধ্বনি কৰিছে,। জুই, ধোৱা, নাম গাইছে। সোধে বোলে কোন ৰাম বুইলে, সাধু মহন্ত নে ডা-ডাঙ্গৰিয়া? বোলে জগত গুৰু। এৰা সবে বোলে মনিবৰ ইচা, কোনোবা চলিচে, সুধিব নেলাগে। গৈ আকৌ সিপাক ওলাই দেখে জুই, সোধে, কয় তেনেকৈ বোলে জগত গুৰু বৈকুণ্ঠে গ'ল। বোলে কোন জগত গুৰু? বোলে সেই শ্ৰীমাধ দেউ, মধুপুৰৰ। আৰা দুএ বোলে বলা এতিয়া দেখি, আহিছোঁ, মিচা। তেহে আহি পাই দেখে শ্ৰীৰাম আতা, ৰামচন্দ্ৰ, সকলো দহনকৈ গৈ মুৰ সুমাই কান্দিব লাগিছে। আৰা দুই দেখি দণ্ডৱতে পৰি মূৰ্চ্ছা গ'ল। কতো বেলি তৎ পাই কব ধৈলে, বোলে আমি সেই খিতে লগ পাই আহিছোঁ, এৰা শ্ৰীৰাম আতা গৈছে পাচতে কামলি কমণ্ডলু লৈ। ভাৰ থৈ সেৱা কৈলোঁ। ভাৰত কি পাইছা বুলি সুধিলে, কলু। বোলে নিয়া আতপ চাউল, মালভোগ কল ৰামচন্দ্ৰ হাতে দিবা, আমাক দিব। উখুৱা বৰতমণি কলে যদুমণি হাতে দিবা ভকতক বাটি দিব। আমি সেই খিতে আহোঁ এই বুলি গ'ল গুৰু। পাচে শুনি সবেও উৰ্ম্মিকৈ কান্দিব ধৈলে। কতো মুচ্ছাগৈ অচেতনে পৰি আছে, কতো বাগৰিছে, কতো হিয়াত জাৱলে মাৰিছে, কতো মাথা আফলিছে। শ্ৰীৰাম যদুমণিএ অৰ্জ্জুন দাৰুক দ্বাৰকাত কৃষ্ণ বৈকুণ্ঠ যোৱাত পালত যদুবংশৰ উৰ্ম্মি লাগিল, সেই মতে আতৈ সবে গুণ বৰ্ণাই গুৰুজনলৈ খেদকৈ কান্দিলে কৃষ্ণ অশ্বত্থৰ তলে উদ্ধৱৰ আগতে খেদ কৈলে বিদুৰলৈ যমুনাৰ তীৰত উদ্ধএ ক'লত সুমৰি মহাখেদে কান্দিলে। সেইমতে ৰামচন্দ্ৰ, যদুমণি, শ্ৰীৰাম আতাও খেদকৈ কান্দিলে গুণ বৰ্ণাই। তেহে সেই আলোৱা চাউল কলে নি পিও

দিলে ঠাকুৰে। লখুৱা ভাৰি যদুমণি আতৈ এক পোহাকৈ

অচ্যুত গুৰু

কলে সৈতে বাটি দিলে আতৈ সৱক। তেহে সমূহে আলচ কৈ অচ্যুত গুৰুক সত্ৰীয়া পাতিছে। তেঞ্চ ডাঙ্গৰীয়া সবক জান দিলে, চাপিলে বেহাৰ বিজয় পুৰতে। দশা কৰ্ম্ম কৰিলে, হ'ল। তেহে মাহেকীয়া হ'লহি। ডা-ডাঙ্গৰিয়া সবেও চাপি দহ, পাঁচ, চাৰি, ছয়, বাৰ, ষোল, কুৰি, দি লৈ টকা বস্ত্ৰও সেই ক্ৰমে ধাএ টকা এশ কাজৰ সমগ্ৰে তুলি তলচা গাৰু পাতি চাৰি লোটা বাটি কাঁহী বেৰা টউ, জাতি, বাউলি কৰচ, পিৰা চৰিয়া খৰম জাপি, লাঠি বস্ত্ৰ সবাকে দিয়ালে ৰামচন্দ্ৰ দিলে। অনেক সহস্ৰ ব্ৰাহ্মণ হৈছিল। দান দক্ষিণা কৈলে। ভকতে গাই বাই কীৰ্ত্তন কৈলে। মহা মহোৎসৱ হ'ল। গুৰ, দধি দ্ৰব্য, বস্তু অনেক খাব মুৰবা হ'ল। প্ৰজাও অসংখ্য, তিন দিন লৈ খালে, কতো ৰ'ল। এই মতে মহা উৎসৱ মাহেকীয়া গ'ল। তাৰ পাচ দিনা ভকতক চাউল সিজাই ভোজ দিলে ঠাকুৰে, বৰ সভা কৈলে। তেহে সবাতে বিদায় লৈ ৰামচন্দ্ৰ ঠাকুৰ উজাই আহি আতা ঠাই পালেহি। ঠাকুৰ আতা শুনি ব্যাকুল বিহ্বল, আই সমে খেদকৈ গুণ বৰ্ণাই কান্দিলে। দধি, চিৰা, কলা থৈৰিল পুছালৈ। সেৱাকৈ চাউল সিধা দিলে। বুঢ়া

ৰৰপেটাত সাদিনীয়া তিথি উৎসৱ

আতা ভৱীপুৰ আতা, দক্ষিণ কূল আতা, গোসানী, ঠাকুৰ দেউ, পঢ়িয়া মাধৱ, লক্ষ্মীকান্ত, চকেনিয়া গাবিন্দ, গোমাৰ গোবিন্দ, দখিণে উত্তৰে সবেও চাপি বৰ পেটাত সাদিনলৈ ৰাত্তিএ দিনে বৰ মহোৎসৱ কৈলে। ৱাচামতো (আচামতো) বহুলা আতা, ভাটোকুচীয়া আতা শুনি খেদ কৈ সেৱক

উজনীত ছদিনীয়া উৎসৱ

চপাই ছদিন কীৰ্ত্তন কৈলে। কৃষ্ণ দেউ বৈকুণ্ঠে গ'লত যেনেকৈ তিনিখান পুৰি উচন্ন হ'ল, গুৰুজনে পৃথিবী এৰিলতো সেই মতে তিনিও বাহ্যত খেদ শোক পালে, সেৱক

বাপু সবে। জন্ম. মৃত্যু আদি, অন্ত, মধ্য, জৰা, যুবা নাই সনাতন পুৰুষ। তথাপি নৰদেহা ছদ্মে কাৰণৰ জন্ম। হৰিসিংহ বৰাৰ গৃহে চাৰি বৰ্ষ, বাৰীত চাৰি বৰ্ষ, লেটেকু পুখুৰী পাৰে ছবৰ্ষ, ভাগি ফুৰাবৰ একালত ৩ মাহ, বণ্ডুকাত পিতৃ চলা প্ৰকষি কৰোৱা মজিদাৰ কাহিলা পৰা সৈতে পাচ বৰ্ষ, শ্ৰীশঙ্কৰদেৱৰ তিনি কুৰি পোন্ধৰ বৰ্ষ যোৱাত শ্ৰীমাধদেৱৰ একুৰি বা বৰ্ষ যাওতে লৰগ পাইছে ধুৱাহটা বেলগুৰিত। আহি গৈ গুৰু সেৱা ধৈলে এঘাৰ বৰ্ষ, হাতী ধৰাত পোৰা নগৰ ৰৰদুৱাৰ মুখে আহত গুৰিতে ছমাহ, কপলা ৩ মাহ, মাতৃও চলিছে। বাৰাদিত তিনি বৰ্ষ, কলানি কুচিত ৩ মাহ, গণকুচিত ওঠৰ বৰ্ষ, আই গোসানী লগে পাট বাউসীত এক বৰ্ষ। খিৰামৰল বাৰি সোন্দৰাত ৩ মাহ, সুন্দৰীত বাৰ বৰ্ষ, গোমুৰাত ৩ মাহ, হেৰেমদত ৩ মাহ, বৰ পেটাত আঠ বৰ্ষ, বাখৰ ভণ্ডাৰত ছমাহ, হৰিবল্লভ ঠাই মাগুৰিত ভূষণ গুৰু ঠাইত ৩ পক্ষ, ক্ষেতৃচৰা বৰিত ৭ দিন, ৰামচৰণ ঠাকুৰ পাট গোহালিত পুন্ন ৩ মাহ, হাজো ৰামদৈয়া বালিত ৩ মাহ, বিজয় পুৰে বলাই নৰসিংহ ঠাইত কুৰিদিন। বেহাৰে ৰাম আতৈ বাৰীত ৩ মাহ, খৰিমাদলৈ বাৰীত ভেলা মধুপুৰে দুইবৰ্ষ বহি বৈকুণ্ঠে উঠিছে। মুঠে আদ পাচ কম এশ বৰ্ষ সকলো থানে মুলি পৃথিবীত শ্ৰীশঙ্কৰদেৱৰ পাচত শুদ্ধ ধৰ্ম্ম প্ৰবৰ্ত্তাই জীৱক কৃপাকৈ একুৰি আঠ বৰ্ষ বহি মধুপুৰে ভাদ্ৰ মাহে কৃষ্ণাপঞ্চমীত সাতাইশ দিন যাওঁতে পূৰ্ব্ব-ভদ্ৰ নক্ষত্ৰে মঙ্গলবাৰে ইতি ৰাজশক ১৫১৮। নৰনাট সম্বৰিছে পৃথিৱী এৰি।

শঙ্কৰদেৱৰ ৭৫ বছৰ বয়সত আৰু মাধৱদেৱৰ ৩২ বছৰ বয়সত দুয়োৰে দেখা হয় ধুৱাহটা বেলগুৰিত

মাধৱদেৱৰ জীৱনকাল

হৰিহৰ আতাৰ চৰিত্ৰ

.তাৰ বিৰকত ভিটা, মধুপুৰে ৰাম ৰাম গোসাই পাঠক আছিল। গুৰুজনত বিদায় প্ৰাৰ্থনাকৈ আই গোসানী ঠাকুৰ আতা, বুঢ়া আতা, বিষ্ণু আতা, কামৰূপে সেৱকক চাবলৈ উজাই আহিল। পাচে গুৰু ভাঠিৰ কেশ, তেওঁকে পাঠ পঢ়িবলৈ দিলে। পঢ়িছে একাৰ ইকাৰ এৰি অশুদ্ধে যায়। আতা তাকে ধৰি যায়। তাৰে পৰা পাচলৈ অসূয়া লাগিলগৈ। আতাক বাক্যে বচনে হিংসা ক'ৰে আৰে পৰা পঢ়িব নুৱাৰোঁ বুজি। তেহে এদিন গুৰুজনত কলেগৈ, বোলে বাপ হৰিহৰ নিমিত্তে পঢ়িব নুৱাৰোঁ। অসূয়াকৈ সজে মাতিলেও তেওঁ ধৰে এৰিছে বুলি। গুৰুজনে একো নেমাতিলে। পুনৰ পঢ়িছেহি। আতা আকৌ ধৰে। পাচে বৰ দন্দ লগালে। তেওঁৰ ফলীয়া কেইজনে ধৰে আতাক। পাচে গৈ কলে বোলে বাপ, পঢ়িবও নুৱাৰোঁ, থাকিবও নুৱাৰোঁ; আমি পাঁচক লাগেনে তেওঁ একজনকহে লাগে? নাই তেওঁকে উলিয়ক, নাই আমাকে খেদক। তেহে গুৰুজনে আতাক মাতি বোলে, তুমি মোৰ হৃদয়ৰ বস্তু, দোকান খান যে ভাগে কান্তিতে বহা। সিইঁতযে চাৰিও গুছে। বোলে সজ বাপ। প্ৰসঙ্গত সবাৰে আগত বোলে হৰিহৰ, তুমি কান্তিতে বহিবা, এৰা সবে যে ভাল নেপায়। তেহে আতা গুৰু বাক্য শিৰে ধৰি কঠ লৈ কান্তিতে বহিল। পঢ়িছে। তাৰো পৰা অশুদ্ধ হলেই ধৰে। আকৌ কলে বোলে বাপ, তাত থাকিলে পঢ়িব নুৱাৰোঁ। হিংসাকৈ ধৰেহে তেওঁ শুদ্ধকৈ মাতিলেও। বোলে তেনো হৰিহৰ খলাতে বহক। তেহে তাতে বহিছিল। তাৰো পৰা একাৰটো এৰিলেই ধৰে। পুনৰ কলে বোলে বাপ, তাৰে পৰা অসূয়া কৰেহে। বোলে হৰিহৰ তুমি হাটীৰ কান্তিৰে

শ্ৰৱণ কৰিবা। তেহে কান্তিতে বহিছে। পঢ়ে। অশুদ্ধ হলেই তবে পৰা ধৰে। তেহে কেউজন গোট হৈ কলেগৈ বোলে বাপ, হৰিহৰে পাঠ শুনিলে মাতিলে, পঢ়িবও নুৱাৰো অত ৰবও নুৱাৰোঁ। এদিকি যাম হে। তেহে গুৰুজনে আতাক সম্বোধন ভাৰষাৰে বোলে, *আপুনি নিৰ্ম্মিলা শাস্ত্ৰ* তাকো পঢ়া হুয়া ছাত্ৰ। নগাই নু শুনি এ হৃদয়তে দহো পাই আছা তুমি। সিহঁতে যে ভাগে পাঠকে শুনিব নলাগেই চোন। হাটীতে থাকিবা বহি, নেমাতিবাও আৰু। আতা হাটীতে বহি গীত পদ, ভটিমা, 'ঘোষা চৰিত্ৰ তোলে' ইটি সিটিকৈ সাবটি বহে। নাম পাঠ শুনোতা নাই। পাঠ প্ৰসঙ্গ সেৰেঙ্গা হ'ল। আকৌ লগালে বোলে বাপ, হৰিহৰে আপুনাক ভাঙি অধিকাৰ হব খুইছে। ৰাতিএ দিনে, মেল আলচহে বহাত। মানুহ দি চকচোন, মিচা কওঁ যে। মতো কিবা এটাহে উলিয়াইছে। ৰঙকৈ গুৰুজনে বোলে হৰিহৰ তুমি হুনু আমাৰ উপৰি মহন্ত হব খুইছা হয়নে? দহো আগৰে উপৰ অধিকাৰ অধিক। এতিয়ানো কি হুব লাগে। তাকে কয় দহো খলুৱা। তেহে আতা দুখকৈ এটা দৃষ্টান্ত দিছে। বোলে বাপ, এক মঙ্গল বৰীয়া শিয়ালৰ ৰাজাৰ শ্ৰীমুখ চাবৰ চিত্ত গ'ল, নেপায়। একদিনা ৰাজা ওলাওঁতে বৰ দ্বাৰ মুখতে মৰা ভেশ জুৰি পৰি আছেগৈ। আগলিয়া পাই ইটে বোলে মঙ্গল বৰীয়া শিয়ালৰ লাগু লাগে ঔষধলৈ। নিএ কাটি' সিটে পাই নিএ কাণ, সেই বুলি। আৰু এটা নিএ নাক। মঙ্গলবৰীয়া কোনোটো নিএ দান্ত, কতো নিএ নখ। ৰাজা ওলাই আহিছে। এটা বোলে আৰ আগ মঙহ লাগে। তেহে শিয়াল বোলে নাক কাণ সব নিলে, গুলোঁ ৰজাৰ শ্ৰীমুখ চাবলৈ বুলি। এতিয়া আগ মঙহত হাত দিলে, বধে। এই বুলি উঠি প্ৰাণৰ কাতৰে লৰ মাইলে। এ আমিও গুৰুজনৰ শ্ৰীমুখ

চাই শৰীৰ পেলাবৰ মন দিলোঁ সেৱকৰ পাচতে'। মুৰাৰি আগ মঙ্গহত হাত দিলেহি, যাব লাগে। কৃষ্ণদেউ কৈছে গোপীআই সৱত—

"বিতুৰত থাকি কৰা শ্ৰৱণ কীৰ্ত্তন।
বাঢ়ে মোত ভকতি নিৰ্ম্মল হোৱে মন॥"

দেখন্তে শুনন্তেহে লাহেবা হয়। এই বুলি উৰল, সুমল একেবাৰে দ্বাৰ বিৰাল চাৰি বস্তু লৈ গ'ল গুৰুজনক সেৱা বিদাই কৈ। তেহে গুৰুজনে তুধৰিয়া খাণ্ডাত পৰি খেদকৈ তুটি গীত কৰি পাছে পাছে গৈছে। বসন্ত ভাটিয়ালী। আতাক ৰাখিলে সাতজন ভকত ভাগে কেশৰে গোট হৈ। নেৰাখিলে কৃষ্ণৰ লগত পঞ্চ প্ৰাণ গ'ল বসুদেউ দৈৱকীৰ যোৱাদি। বিহ্বল প্ৰেম খেলে বুলিছে। "হৰিহৰৰে বাপ, পশিলোঁ শৰণে।" "মোৰে পতিত পাৱন প্ৰভু, হৰি হেৰৰে বাপ, কিনা গতি হৈল হামাৰে।" তেহে আতা গৈছে পেটি মৰা বিল পাৰ সৰিহতলি চালিতে নিশা ৰহিছে, পুৱা গৰখীয়া লৰা বহা কৰি দি খৰি পাত মাছ শাক দিয়ে, ভিক্ষাকৈ প্ৰবৰ্ত্তে সন্ধ্যা। তেহে কামৰূপ অস্তমতে ভাটো কুচিৰ আতা পাই চাই দেখে আতা নাই। বোলে বাপ দেখো আতা নাইকা 'বোলে আমাক হৰিহৰে এৰিলে। বোলে বাপ জল সাগৰ এৰি যো বাঘ জীএ। বোলে বাপ, চাব খোজোগৈ। বোলে যোৱা, পাব্যে অনিবা। তেহে আতা গৈ বিলৰ ইপাৰতে মাতি বোকে লৰাইঁতক কেশ মাতে বুলি। কলে আতা বোলে কেশ কালে আতো পালেহিহে। সবাকে বান্ধি যাবলৈ ওলায়। বোলে লৰাইঁত সোধাচোঁ, কেশ উজানৰ নে ভাটিৰ। সুধিলে বোলে উজানৰ বুলি কইক। কলে। তেহে থৈ যঠা, ধম্ম, শৰ যুকন হাট পূৰ্ব্বে গৃহ দাভিত কলাৰ অভ্যাস। লৈ গ'ল না এৰে কাভলে উবা লৈছিল—ভকতৰ

পদে ৰামে কৰন্ত অন্যায় বুলি কৈ নেমৰ শৰত ৰজু টানি থৈলে। নি বোলে উঠক। উঠি বোলে আমি বাঞ্ছ ব'ঠা দিয়ক। বোলে নহয়, মইহে নিবলৈ আহিছোঁ বুলি নিছে বাই। বোলে আতা তোম্রা যেন পুৰুষক কহ্লালি পালোঁ যদি কি ভৱ সংসাৰ তৰিবলৈ নৌকা যান হৈ পাৰ কৰিবলৈ পালোঁ, মোৰ নো কি ব'ল আৰু। এই আনন্দ সুখে গৈ মাচ কাটি মাজৰে আঠ আঙ্গুল গুৰুজনলৈ থৈ চাউল বহাইছে। প্ৰসঙ্গ কৰি থৈ গৈছিল বোলে তোম্রা পাঠ পঢ়া। পঢ়িছে সষ্টে—অচিৰ কালতে পায় হৰি ভকতক মিত্ৰ। বোলে শত্ৰু বুলি মতা যক। বোলে অক্ষৰ পাঠত মিত্ৰ হে আছে। বোলে মাতা, পাছলে হবগৈ। তেহে মহা প্ৰেম আনন্দমুখে ভোজন কৰি বহি মুহুদি কৈ সোধে। কাহানি পালাহি? আহিলা কিয়? বোলে সেৱাকৈ, চাবলৈ আহিছোঁ। আৰু গুৰুজনক এবিনো কিয় অহা গ'ল? বোলে হৰিপো, সদাগৰে চাম নও লৈ লাখ টকা ঘটে বণিজকৈ। ডোৱাৰ ডোবাত থয়, বদে বৃষ্টি হিমে ভাগি ফাটি পচে হেলাতে। আৰু চহকী আঢ্যৱন্তে গৰু মহ লৈ লাখ টকাৰ ধান, মাহ, সৰিহ, গুৰ আৰ্জি খায়, বিকে। বুঢ়া হলে দল পঙ্গত পৰি মৰে, কি হৈছে বুলি নেচায়, ঘাঁহ পানী চালি দিৱক চাৰি।” আগে আছিলো লাগী। ভাল খালোঁ ললোঁ জাগি। এতিয়া হলু চেবেলী গাই। জাকতো নিদিয়ে ঠাই। বোলে নহয় আতা, গুৰুজনে নিবকে দিছে। বোলে কিয় মিচা কোৱা? এই কঠতে বহি নাম গাই কথা সুখে আছিলোঁ গুৱা খাই চোৱা, এই দেখি আচৰিত হ'ল। তেহে সেৱা বিদায় কৈ আহে। আতা মাচ খুটুৰ দি বোলে গলতে কৰা' মোৰ চৰণ নপাসৰিব। পাচে বাটত আহিছে আতা খেদকৈ এনে বচন গুৰুজনক কিয় আতা বুইলে। পাই সেৱাকৈলে মাচ দি। গুৰু বাৰ্ত্তা বিজ সুধি লৈ আতা কলে

বোলে কি কলে আমালৈ ? ঘেহাই বোলে নাই একো কোৱা। বোলে কিবা কৈছে হবলা ? বোলে বাপ, নেলাগে সুধিব। বোলে কোৱা তাৰা বুলিছে, তুমি কি, কবলৈ ? বোলে দহো এইৰূপে কলে ভুলিএ বুইলেনে কেনে জনা লোক দেখোঁ ? তেহে গুৰুজনে খেদকৈ আৰ্হি কৈছে। বোলে এক আত্মা শ্ৰুতনদী তীৰে ধৈৰ্য্যে বৃক্ষ আছিল, মোহ পাকে খসাই পেলালে অনেক বিকাৰ লতা সৈতে ; কাল নদী পৰি খেদ কৈলে। বোলে নাও যায় কেনি, পক্ষি জিৰায় ক'ত ? লতা বগায় কাহা ? মৰি বৃক্ষ দৰে হৰিহৰে পৰোক্ষতো আমাৰ হিতকেহে চিন্তিছে। তেহে আতা শুনি খেদ বিৰকত লাগি ছমাহ বৈ চাইটি বস্তু লৈ গ'ল গুচি। গৈ কৃষ্ণ সতৰীয়া বাৰীত ৰ'লগৈ। জিকা পুলি ভিটা মাছৰ বিৰকত। এটি গৃহকৈ দিছে মহাশ্ৰদ্ধাৰে গুৰুবোধে সেৱা কৰিছে। চাউল পাত, লোন, তৈল, মাছ, খৰি। আতা নাম কীৰ্ত্তনকৈ থাকে। এদিন হৰিপ্ৰভা মাকে বাট মাছ এটি পাই বাচিছে। নাতিএক কান্দিছে পানী দিয়া ভাত লৈ গৰু চৰিবলৈ শুদা, তাৰে এখুটুৰি ফিচাতে কাটি দিলে, পুৰি খাবলৈ। আতা আজ্ঞা সিজাই দিবলৈ জোৰাই চায়, এখুটুৰ নাই। বুৰীক মাতি সুধিলে। বুৰীএ কলে প্ৰাৰ্থনাকৈ দিলোঁ বুলি। আতা ৰাগকৈ বোলে অ পাপীষ্ঠী, দিয় যদি দেখাই মোত কৈহে দিব পা ? এহ্নাকে অত দিন মুখুৱা তই ? এই বুলি বিৰকত লাগি উবল, উবল বাৰি, দ্বাৰ মাৰ্যাৰি গৈ গ'ল গুচি একবৰ্ষ। তেহে গৈ ৰঘুপতি সতৰিয়া বাৰিত ৰ'লগৈ মৰিচ বাৰি ভিটা গ্ৰাম নাম। তেওঁ এটি বহাকৈ মহা শ্ৰদ্ধাৰে সেৱা ধৰিছে, সমগ্ৰে বিৰকত গুৰুৰ আতা সৈতে পচলি হাটে গৈ গুৰু ছুটি আনিলে। সি আনিলে এটি। আতা এটি আউসী, একাদশীত ভোজন কৰিছে, এটি থৈছে। ছিৱাই ঠাকুৰিয়া মহা এখণ্ড

তুষ্ট আহি ধৈলেহি ধাৰলৈ তাক। হৰাই দেখি নিদি আতাৰ কথা কলে। সি আহি হেৰাই ধৈলেহি দিম দিৱক বুলি পৰে। আতা দি পঠাই বোলে তাৰ গঞা সি দিব পায়, নিদি তুষ্ট, শঠক লগাই দিয়ে। নিদিলে অনেক নিন্দা বাদ কৈলে হতে। আত থকা সজ সঙ্গ নহয়। এই বুলি বিৰকত লাগি চাইটি বস্তু লৈ গ'ল গুচি আৰ্হৈ বৰ্ষ ৰহি। গৈ লক্ষ্মীপতি সন্তৰিয়াৰ বাৰিত ৰ'লহি' জালুক বাৰি ভিটা, বিৰকত ধানৰ। তেওঁ এটি গৃহ বান্ধি লৈ মহাপুৰুষাৰ্থ সেৱা শুশ্ৰূষা কৰিছে তিনি বৰ্ষ। তেওঁ বোলে আতা আমাৰ গোলামে খেত কৰিছে, তাৰে চাহ মাটিএহালচি ; অৰে বিচ নলি সিঁচি থব আপোনাৰ নাৱে, মই চাউল কৰাই দিম। তেহে আতা নি বিধান থলে বৈ। আতা জেঠত খন্তা লৈ নিৰাবলৈ গ'ল। সিহঁতে বোলে আতা তাত্ৰা কি নিৰাব, যকৈকে আমি অতাম। পকিল, দাবৰ দিনত গ'ল কাচি লৈ আতা। সি বোলে যক গৈ, মই দাই নি মাৰি বাখৰু পাতি দিমগৈ ভৰাই। তেহে আনি ভগুৱাৰত জাপি থলে নি। আতা বোলে ধান? সি বোলে আতা তোত্ৰা কি সৰাব? নামি যোৱা শুকুৱা শ্ৰম কৰা যাব। পূৰ্ব্বৰ দৰে চাউল কৰাই দিম মই। আতা বোলে আত মঞ কাহানি ধন মাটি খুইছোঁ? দিওঁ বুলি তু তুৱাই লঘু কৰে। আত থকা সজ নহয়। এই বুলি বিৰকত লাগি চাৰি বৰ্ষ ৰহি চাইটি বস্তু লৈ গুচি গ'ল তাৰতে। তাৰতে গৈ পদ্মপানি ঠাই বৈছে গৈ। ভিটা চটাৰি বিৰকত কাপৰৰ। তাৰা এটি গৃহ কৰি গুৰু বোধে সেৱা শুশ্ৰুষা কৰিছে। একদিনা চ'ত্ত মহা চোৰ সোমাল আতাৰ গৃহে। সব বস্তু লৈ আতাৰ গাৰ বস্ত্ৰ চুৰ খোজে। আতা বোলে মুচুৰি মোক। তাকে লৈ যা গুচ। সি আন্তৰি গৈ শুনৰ আহে। এখানি বাখি পেলাই দিলে বোলে নেৰা গৃহতে পালে মাৰিব দেহ। সি বাজত উলিয়াই

আকৌ আহিল চুবলৈ আতাকে। বোলে লৈ যা পাপী গুচ। লৈ সিদ্ধি সৰকিবলৈ নেদেখে অন্ধ হ'ল। এৰি গুলাই এখানি লৈ যাই কণামুৰি লাগি ভু হৰাই ঘুৰি ফুৰিছে বাৰী এৰি গৈ বাজ হৈ ঢাপৰ। আশে পাশে আহি পুনৰ লৈ যায়। নেদেখি থৈ দিয়ে। এই ক্ৰমে আহি গৈ পুৰতিয়া হ'লহি। তেহে আতাৰ আগে থৈ দণ্ডৱতে পৰি স্তুতিকৈ বোলে তোম্ৰা

চোৰকণা হয় ঈশ্বৰ। বোলে লৈ যা শুদ্ধমনে দিছোঁ, তই বৰ দুখ পাইছ। সি থৈ কাতৰ কাকুতি কৈ গ'ল গুচি। তেহে আতা পদ্মপাণি মাক জৰাথী বুৰীক মাতি সব দ্ৰব্য বস্তু দি বোলে নে। বুৰীএ ৰাগকৈ দিবৰ দেখি বোলে বাপ. লৰা সপিব কিয় নিম আপুনাৰ গাৰ বস্ত্ৰ? বোলে নে বুৰী মই শুদ্ধ মনেহে দিছোঁ। বুৰীএ ভু নেপাই বোলে দাসীএ চুবই নোৱাৰোঁ। বোলে একুৰা জুই দে। দিলে, আনি আতা জালি সব কাপৰ তালে পেলাই দিলে। বুৰীএ দেখে পোৰেহে। চাব মাৰি নিলে আধা পোৰা দুডোখৰমান। আতা ৰাগকৈ বোলে পিশাচী, মই দিয়াত নিনিয়, এতিয়া হলে নিয় আমাৰ বাক্য পেলাই? এই বুলি বিৰকত লাগি উৰাল বাৰি দ্বাৰ বিৰাল লৈ গ'ল গুচি, গৈ সুখবৰ দলৈ বাৰীত ৰ'ল গৈ। ভিটা নাগৰ থলা। বিৰকত নবাৰিৰ। আতা তাতে চাইটি ঢাপ দি কলা তামোল পান, টেঙ্গা, জৰা কই আছে। লাগিছেহি পাঁচ বৰ্ষত। দলৈৰে দুহিতা এটি আছে, আতা জ্ঞাপৰী বোলে। নিতে পৰিচৰ্য্যা কৰে, জুই, পানী, খৰি, মাছ, শাক পাত, ঠাই মচে, সাৰে। এদিন জেঠ মহা সক মাছ জকাই বাই আনি বাচি ধুই দিলেনি। আতা চায়, শামুক এটি গৈছে। বোলে এই অনাচাৰে এনেকৈহে দি থুৱাই জাত মাইলে বুলি চাইটি

বেতনাৰ হৈনাথ চৌধৰী ৰামপুৰ বস্ত্ৰ লৈ বাৰী ঘৰ এৰি গুচি গ'ল। পাছে আতা তাৰতে গৈ বেতনাৰ হৈনাথ চৌধাৰী ভতে ৰ'লগৈ। ভিটাৰ ঠাই ৰামপুৰ।

আতা এটি গৃহ বান্ধি আছে তাতে ভিক্ষাকৈ প্ৰবৰ্ত্তি হৰি গুণ গাই। চৌধাৰীএ মাছ পশু পক্ষী মাৰি ভাজি পুৰি খায়, নিতে গৈ আতা ক কৈ যশস্যা কৰে খালোঁ। ললোঁ বুলি। আতা শুনিব নুৱাৰি এদিন যোগবলে এবাহ শুকৰ আনি আওটনি খানত বিষ্ঠা মূত্ৰ ভক্ষকৈ ফুৰিছে। আতা বোলে দেখচো শুকৰে লুটিছে। মোৰ পৰম গুৰু শ্ৰীশঙ্কৰদেৱে কীৰ্ত্তনত দি গৈছে—

"কৃষ্ণ কথা এৰি সাতে পাঞ্চে বেঢ়ি
আন কথা কৈ থাকে।
অমৃতক তেজি, যেন বিষ্ঠা ভুঞ্জে
গাণ্ডি শুকৰৰ জাকে॥

এ গুৰু ভক্ত বৈষ্ণৱ ব্ৰাহ্মণ অথিত অভ্যাগতক দিলি হঁতে খুৱাই তেহে। সিঞ্চ উদৰত ভাৰ্য্যা পুত্ৰে খাই নিতে যশস্যা কৰহি। সেই দেখ গুৱৰে পুৰীষ লৈছে, কোনে তাক প্ৰশংসা কৰে। তোৰো তেনেহে। খাই যশ কৰহি মোত। এই বুলি বিৰকত লাগি চাইটি বস্ত্ৰ লৈ গ'ল শুচি। তেহে আতা ৰাম ৰাম আতৈৰ গৃহে ৰ'ল যাই। আতৈএ এটি গৃহ বান্ধি গুৰু বোধে সেৱা ধৰি আছে। বিৰকত গাখীৰৰ। ভিটা মইনাবৰি। একদিনা তেওঁৰ পত্নী সুচৰিতাত মাহেকীয়া লঘন। এটি গাই দোৱে, আতাক দিএ নিতে। তেহে ভায়েকে দুদ কৰ্ম্মলৈ খুজিলেগৈ। আতৈএ দুই এটি পাত্ৰত থৈ গ'ল পথাৰে। সি আহিল। বাএকে চাই দিনা গা ধুই আছে। আতা লৈ সৰকৈ থৈছে বুলি চাই দি পঠালে। আতৈ আহি স্নান গুৰুসেৱাকৈলে। দৈ নি দিলেনি। আতা বোলে নে দুদ বৰ্জনীয়। বোলে আতা মইহে দুদ থৈছোঁ, সজ। বোলে তোৰ পত্নীত সোধ গৈ নে। ছি শুধিলে বোলে হৰাইক দিওঁতে চাবৰ হয়। মইনাবৰি

তেহে মেলি চাই তেজ হৈ আছে। আতা শুনি বিৰকত হৈ বোলে আজি মহাপুৰুষ গুৰু নৰখা হলে সৰ্ব্বনাশ হলুহতে। এই বুলি ন মাহ বৈ চাইটি বস্তু লৈ গুচি গ'ল। গৈ বস্তিৰ দূৰহৈ হাইঠাবাৰীত ৰহিল এটি গৃহ বান্ধি। একদিনা এক গুৰুজন তত থকাতে লক্ষ্মীনাৰায়ণ ৰাজা বুইলে বোলে বাপ আহাৰ, মৈথুন, নিদ্ৰা চাৰিও মুঠি জীৱ প্ৰকৃতিৰ মায়া ব্ৰহ্মাৰ স্ৰজনা সাৰিব পৰা নাই। মহা সিদ্ধ যোগেশ্বৰ নাৰদ, প্ৰহ্লাদ, সনক, সুনন্দ, শুক এই সৱত বাজে বিষয় কৰি ধৰা সব সজ, নকৰা সব মন ৰাখিবলৈ টান হৈছে। তেহে গুৰুজনে আহি সবাকে কৈ বোলে আতৈ সব, যাৰ মন চলে বিষয় কৰা হক। যাৰ নাই, অলঙ্কাৰ আমি দিওঁ। দেহৰহে দুখ, ভক্তি হানি নাই। পৰস্ত্ৰী হাত কাচত হে জীৱৰ দুখ। হৰিহৰ আতা, জনাৰ্দ্দিন, মুকুন্দ এৰা তিনিক নাম ধৰি কলে। মুকুন্দ আতৈএ বোলে বাপ, তোম্ৰাৰ পাশে দহ ষোল কুৰি কতোৰ হ'ল গ'ল। বাধিবৰ চাৰি মন বঢ়াই কৰিবহে দিএ। এৰা দুয়ে গুৰু বাক্য ৰাখি কৰালে। মুকুন্দে দজাত অবিবাহে ৰ'ল হ.ল। তেহে আতা গুৰু বাক্য ৰাখি আই ঠাইলৈ কলে বুৰা ভগীয়াত কৈ বোলে এটি চাই চন্দ্ৰ বিপ্ৰৰ কন্যা দিৱক বিবাহ কৰাওঁ। কলেগৈ। আয়ে বিসাই তৈ বুঢ়াপো আতৈ, বুঢ়া জয়ানন্দ, চাৰিন্দীয়া চিৰাম, এৰা সবলৈ সোধালে। বোলে আতা গুৰু বাক্যহে ৰাখে, তাৰাক মায়া কি কৰিব? আনক নচায় মায়া, তাৰা মায়াকে নচাব, দিয়ক। চাই এটি পাই কৈ বোলে বোলে সৰ্ব্বসুলক্ষণ সুন্দৰ পাইছোঁ। বোলে নহয়, সহজ আনএটি চক। পুনৰ চাই এটি পাই কলেগৈ বোলে সজ গোৰা সুন্দৰ এটি কন্যা পোৱা হৈছে। বোলে আন এটি চক, সজ নহয়। তেহে আএ উপায় নেপাই সোধালে বাচে বুলি। বোলে গেৰেলী বুলি কৰ। পাচে

চাই সত্য ৰৰদলৈৰ ছুহিঁতা সত্যা নামে পঁই কলেগৈ। বোলে কেনে? বোলে আতা সজ সব বচা গল, গঢ় পিত নাই, ফেদেলী। বোলে সেয়েহে সজ, আনক। তেহে ধাএ চকুৰি টকাৰ অলঙ্কাৰ সজাই বিবাহ দিছে। তাতে আতা বোলে বিয়া কৰাইছোঁ। হয়, বাক্যত নৰলে চৰা যাব। আনি বোলে কাণী তই পৰ পুৰুষৰ মুখ নেচাবি, পৰ দ্ৰব্য গ্ৰহণ নকৰিবি, বেদ বস্ত্ৰ নেদাঙ্গিবি। আমাৰ বাক্য ৰাখ যদি উৰ্দ্ধগতি হব, ৰাখিম, চাৰিলে চাৰিম। তেহে দহ ব্ৰাহ্ম দিনে মনি, খাৰু, টাৰ হাৰ আঙ্গুঠি, উঝন্টি, কুণ্ডল, হোড়ৰ, শাংস, সিন্দুৰ পাটনি পাট ৰিহা, পিন্ধাই চাই চন্দ্ৰে সূৰ্য্যে ৰথ নজৰে তম্ভাই ৰাখে, সতী পাৰ্ব্বতী সম। বোলে ঐ চুৰ্জ্জন পামৰ বিৰাল মন, বিষয় ভোগ ইচ্ছা কৰ যে কৰ। এই বুলি উৰাল বাবি তিনটা খুন্দা মাৰে মাটিতে। আইৰ সেইতে আঠ অঙ্গ কুচি অত্ৰাহি হৈ কম্পমান হয়। বোলে কাণী, অনাদি পশু পক্ষী অনেক জন্মত আকে ভোগ কৰা হৈছে। ভাৰতবৰ্ষ ধন্য, কলিত ৰামনাম লৈ তৰিবৰ ইছা কৰ, ই বস্তু আন জন্মত নাই, আক পাই আশা নকৰিবি, ক্ষুদ্ৰ বিভৎস বিষয়।

আৰু এদিন আই ধায়ে বুঢ়া ভগীয়াত কৈ প্ৰাৰ্থনা কৈ পঠালে বোলে মোৰ আইটি সৰ্ব্বসুলক্ষণা সুন্দৰী গুনিবলৈ অভাল, আতা কানী বোলে। বোলে আমাৰ গণকৰ গণকালি দেখি কানী বোলাত দোষ নাই যা কবি।

আৰু এদিন হঙ্গাৰ গাওঁতে এখান বিয়া যায়। আই অল্প বয়স চেৰেকো কাল, বাৰ জুপি চালে। আতা অন্তৰ্য্যামী দীৰ্ঘদৃষ্টি পুৰুষ। বাজতে বোলে কানী আমাৰ বাক্যটি পেলালি চা।

আৰু এদিন চমা সুতি উতৰি পেহীএক তলৈ গৈছিল। বোলে কানী পানী কিমান হ'ল? বোলে আঠুসম হ'ল।

বোলে আমাৰ বাক্য পেলালি ঘূৰি দহো ভিজা নাই, দাঙ্গিলি? দুইবাৰ ক্ষমিছোঁ। তিনিবাৰত চৰা যাব। তেহে চ'তৰ বিহুৰ তিনি দিনৰ পাচে সত্যধৰ খুৰাকে নিয়েহি। আর্তা বোলে সঁাদহ পিঠা নেখাবি যা, গ'ল। গধূলি পাই চৰু ঘুটি দিছে। গা ধুই বহিছে। মাকে চিৰা পিঠা দুগ্ধ চেনীৰে দিছে। বোলে খাই চাউল সিজা। আয়ে বোলে আতা বাধা কৰিছে খাবলৈ। বোলে ভকতে বাধা যে কৰে আমিনো অন্ধলীনে বছেৰেকৰ সংক্রান্তিতো? মোৰে শপত, খা। আয়ে পিঠা হাতে নি কামোৰ মাৰিছে। আতা গৈ চুপে বৈ চাই আছিল। বোলে বাৰু কাণী, খা। তই বাক্য পেলালি তিনিবাৰ হ'ল; থাক, চৰা গ'ল। শুনি অত্রাহি হৈ মুখতে সৰিপৈল। সেহিতে কান্দি কাতি ভাত পানী এৰিলে। পুৱা খুড়ায়েকে লৈ গ'ল। আতা বোলে আমি কালিএ চাৰি আহিলোঁ, নিয়া যক। বোলে বাপ, নি আমি এটা অসন্তোষ হে পালোঁ। পূৰ্ব্বে তোম্রাৰ পদতলে মৰিবলৈ দাসীকৈ দিয়া হ'ল, কিয় নিম? আয়ে বোলে খুড়া, তুমি যোৱাগৈ। তাৰা চাৰিলেও আমি এৰিম কিয়? এই জন্মৰ দাসীনে? তেহে গ'ল। আতা সোমাব নিদিলে। চালিতে তিনি পক্ষ আছে। তেহে এটা দিব্য কামদেউ সদৃশ পুৰুষ আহিল। বোলে কানী, তোক দিছোঁ যা। সি নিলে। আই গ'ল পাচে পাচে। গৈ দিব্য গৃহ বাৰী পাই ৰ'ল। নিশা একো ভোজন নকৰি শুলে। সি নিশা কামবাণে ধৰ্ষি যায়। অগ্নি লগা দি লাগে, হুহকি আছে। এনেই গৈ পুৱালগৈ নিশা। পাচে গৃহতো ৰব মুৱাৰে দাহ তাপত, আনি শোধাই গ'লহি। তেহে আতা বোলে, ৰাম ৰাম, মাৰক এটি গৃহকৈ থনি, আমাৰ ভাবনা আজিতে এৰি পেলক। আএ বোলে মোৰ জন্মে জন্মে চৰণৰ দাসী, কিঙ্কৰী, টিকৰ স্বামী। সীতা বুইলে দশৰথ,

ৰাজা শশুৰ হৈবন্ত, কৌসল্যা শাশু। তেহে আতা দাঠ বুদ্ধি দেখি বোলে স্বামী ভাও এৰি গুৰু বোধে চিন্তিব। ৰাম ৰাম কৈ ধান চিৰি দিনতে যি মুঠি চাই উলপ খাব, আমাক পাবগৈ পৰজন্মে। আতৈএ নি এটি গৃহকৈ থলেনি। সেই দৰে গাই খাই অলপতে চলি পালেগৈ। আতাও বিৰকত লাগি চাইটি বস্তু লৈ গ'ল গুচি তিনি বৰ্ষ ৰহি। তৈৰ পৰা গৈ থুকুহা বাৰীত এটি বহাকৈ ৰলন্ত। অজস্ৰে চাউল তাতে মিলে গৈ।

একদিনা আতা হৰিপুৰ গ্ৰামে গৈছে গুলাই। এটি আপীএ পাৱত পৰি সেৱা কৈলে। আতা বোলে তই ক'ৰ কোন? বোলে আতা মই সেই জাপৰী, আমাৰ বাৰীত যে আছিল। অ বোলে এমান জনী হলি চিন হৰাল, নিচিনোএই। অনেক শুশ্ৰুষা কৰিছিলি। এই বুলি দায়া কৈ, গৰ্ভ হৈছিল, কপালতে বৃদ্ধাঙ্গুষ্ঠে তিপা মাৰি বোলে তোৰ এটি পুত্ৰ হব ভকত ধূলি নাম দিবি, বুলি গ'ল। তাৰে পৰা চাউল, পাত, মাছ, শাক, খৰি, লোন, তেল দি সেৱা কৰেগৈ। তেহে বেটা জন্মিল। কপালত আতা তিপা মৰা লোম শুক্ল হ'ল ভৃগু পদ দৰে, নাম দিলে ভকত ধূলি। সেই দৱনীয়া গ্ৰামৰ হৰি চৰদাৰ মুখ্য সাউদ জমিদাৰ, কাহিলা, টান, বাজ উলিয়াইছে। বৌ জীউ সব চাবলৈ গৈছে। জাপৰীও গৈছে বেটা কোলে লৈ। যমদূতে ধৰি পাপময় যাতনা সজাত ভৰিব খোজোঁতেই পঞ্চগ্ৰহ অনিষ্ট ভকত ধূলিক দেখি বাদ্ধ মেলি লৰ মাইলে; অকাল মৃত্যু এৰি বুঢ়া উঠি বহিল, ভকত ধূলি ধূলি বুলি। তেহে বিচাৰ লগালে কোন ভকতধূলি বুলি। মাকে কলে আতা ধূলা দি গৰ্ভতে নাম দিলে। তেহে নি একটকা বস্ত্ৰ দি সেৱা কৈলে। পাচে সজ হৈ গঞ্জাখানেই তাৰ ভেটি লৈ আতাৰ ধূলাৰ মহাত্ম্য পাই বিচাৰি গৈ পাই

কৈ অনেক কাতৰ স্তুতি নিবেদন কৈ শৰণ প্ৰাৰ্থে। আতা বোলে ই গুৰু ভাৰ মহন্তৰহে। হাট, ফাট, খৰা হে দান কাটে। ' আমি সমাএ বেহাবৰহে গিৰি। দান ললে জগৰ হুইবো, অনন্তে ব্ৰহ্মাণ্ডৰে ভাৰ বৈছে, সৈছে। ভকতে তুলাবে নলয়। মূল ভাঙ্গিলে লাভ কৰিম ক'ত! গুৰুজন মধুপুৰে আছে, যোৱাহঁক। তেহে গৈ শৰণ ললেগৈ। তেহে আতা বিৰকত হৈ বোলে পচা নাৱত শিলা ভৰাদি বুৰাব খোজে। চাইটি বস্তু লৈ সাত মাহ ৰহি গ'ল গুচি। তাৰে পৰা গৈ ধুৰিয়নি বাৰীত ৰহিল।......। এটি গৃহ কৰি আছে, তাতে হৰমণ্ডলৰ বেটা হৰাই জেমাদাৰ, তেঐে আতাক গুৰুবোদ্ধে পৰিচৰ্য্যা শুশ্ৰুষা কৰিছে। আতা জিজ্ঞাসি চাইছে পাবা ৰ'বা বুলি। এদিন তাক লৈ ওলাই গল ভাঠিবেলা। গৈ পথাৰত দেখে এটা কলাৰ চো দি থৈছে জাপী, লাঠি দি। আতা লাঠিৰে দুটা টাঙ্গোন মাৰি বোলে আৰ দৰে হব পাৰি-বিনে? সি বোলে, ই জড়, চো, ৰ'দে বৰখনে তিতে শুখায় উষ্ণে, শীতে, হিমে পচে, অচেতন প্ৰায়। আৰ দৰে কি কৈ হম? তাৰতে গৈ সোনকো নৈ পাই বোলে সাম্ভৰি পাৰ হ। বোলে আতা সিহু ঘৰিয়াল, বহু, ভয় লাগে, নিব। তাৰতে গৈ ধুৰিয়া বিল পাই মাতিলে, লম্বা শিলা আহিল বাৰে হাত পানীতে উঠি। আতা উঠি হাত পাও ধুই বোলে যা। গ'ল। বোলে আৰ দৰে হব পাৰ নে? বোলে বাপ, ই জড় অচেতন, শিলা, ই বোল লৈছে। সেই আৰ ক্ৰম কিকৈ হম? তেহে আতা বোলে ৱৈ চাৰি পোএই হৈ পৰমাৰ্থ সোধ? তিনটা কথা কলু, এটাত বৈ পাৰোঁ বুলিব মুৱাইলে; চেলাৰ বেটা গুচ। গুদা নৰনৌকা মোৰ একে চাৰে দৃষ্টি বৈকুণ্ঠ পাৰগৈ, সাল শ'ল বাঁহ বন্ধাই জোপাভ লগাই মাৰিব খোজ আজোৰ পিজোৰ কৈ, এই বুলি ন মাহ বৈ চাইটি বস্তু লৈ গ'লগৈ।

তেহে গৈ বেলাই থানাদাৰ সমীপে ৰহিছে। সি পৰম শ্ৰদ্ধাৰে গুৰুবোধে সেৱা ধৰিছে। বৰ ঠাকুৰ দেউ ভাটিয়াওঁতে ঠাকুৰ আতা বিলবৰিয়াৰ যুৱবাৰ ঠাকুলাৰ আহি দি বোলে আগে নিবিচাৰিলা, এতিয়া ওলালা, ক'ত পাবা? যোৱা, হৰিহৰ ঠাই যাবা। সেই বাক্য মনকৈ গ'ল আতা ঠাই। আতা আদৰ সন্মান কৈ আগ বাঢ়ি আনি পৰমতত্ত্ব শেষ কথা অনুগ্ৰহ কৈ পঠালে শ্ৰীকৃষ্ণে সৈতে।

আৰু গুৰুজন বৈকুণ্ঠলৈ উঠাত বলাই হৰিচন্দ্ৰ আতৈএ বাৰ্ত্তা কলেহি মাতিছে বুলি। বোলে যোৱাহঁক, মই ভুলাৰ ভাৰ সব বব লাগে বুলি পলাই কৰিছোঁ, পৰ্ব্বত দিবলৈ মাতাহি। গৈ দুধৰিয়া খাণ্ডাত পৰি ধৰিব, কৰিব, সব, বব, মুৰাৰি মৰিম গুৰু বাক্য পৰি। আৰু মোৰ গুৰুজন চলাৰ যি কৈছা মই মৰা মাধৱৰ ভকত নহওঁ যা। মোৰ গুৰুজন অযোনীজাত পুৰুষ আদি, অন্ত, জৰা, মৃত্যু, শিশু, যুবাত সনাতন নিগুৰ্ণ, ব্ৰহ্ম, হিয়াতে পাই আছোঁ, একতিলো এৰা এৰি নাই। এই বুলি তাৰতে পাঁচমাহ বৈ গ'লগৈ।

বলাই চৰিত্ৰৰ আতৈ

তাৰ পৰা গৈ মৰণাবাৰীত ৰ'ল এটি পজাকৈ। তাতে হৰাম পাটগিৰি এ হৈ ৰাম পাটোৱাৰী এ দুই চাইদিনে আহি গৈ আছে, পৰমাৰ্থৰ আশাৰে। মাছ, খৰি, চাউল পাত, লোন, তৈল, গুৱাপান, শাক সমগ্ৰে সেৱা ধৰি আছে এঘাৰ মাহ। আতা বাৰু পাবা হঁক বুলি থৈছে সোৱাই। একদিন দুয়ো আহিছে বস্তিতে, দৃষ্টিৰ অন্তৰ মাজ পাইছেহি। তেনেতে চণ্ড মহা বাত বৃষ্টি শিলে দলে খুন্দি আইলে। চাই, গ্ৰামলৈ ও দূৰ হ'ল। আতাৰ কাললৈকে লৰ থৈলে প্ৰাণৰ কাতৰে। দেখি আতা দ্বাৰ দি সোমাল। আৰা সবে বাটতে ৰাও দি গৈ মেলা মেলা বুলি অত্ৰাহি হৈ। আতা চুপে বৈ নেমাতে, আৰে বতাহু শিলে ঠৰ অচেতন হ'ল, নেমাতে নেমেলে।

হৰাম হৈৰামৰ পৰীক্ষা

তেহে ৰাগকৈ পটোৱাৰীএ বোলে মৰোতেও নেমাতে, মগনিয়া ভকতৰ গৰ্ব্ব, আমি একোটা লোক, টেলাই নকৰে নোসোধে, ভকতি আত পাম ? এই বুলি গুচি গ'লগৈ। তেহে দ্বাৰা চোৰি হৰামক সুমাই ভুনি পছৰা দি সলোৱাই জুই সেও দিলতহে সত শ্ৰেষ্টা পালে। তেহে জলপান গুৱা দি পৰম তত্ত্ব পৰামাৰ্থ অনুগ্ৰহ কৈলে। বোলে আজি সৰ্ব্বনাশ হলুই। পৰীক্ষা নকৰি লোৱা হলে। ভাল ৰাখিলে মহাপুৰুষ গুৰু মোক আজি। এই বুলি চাৰি মাহ ৰহি চাইটি বস্তু লৈ গল গুচি'।

তাৰতে হিৰা বাৰীতে এটি বহা বান্ধি ৰহিছেগৈ। তালকে মতাই যদুমণিকে ৰামচন্দ্ৰ বুঢ়া গুৰুকে গোপাল আতা পঠাই চাইটা কথা সোটাইছে আতাত। বোলে ভকতক সাণ্ঢ, বোলে কিয় ? গুৰুজনক গ'লা বুইলে কিয় ? গুৰুজন চলাত কিয় নগল ? ছকুৰি টকাৰ অলঙ্কাৰ সেৱকত নলগাই নদীত পেলালে কিয় ? তেহে আতা প্ৰশ্নৰ সিদ্ধান্ত দিছে।

গোপাল আতাৰ আতাত প্ৰশ্ন

বোলে গুৰুজন প্ৰয়াণত নেযাবৰ অভিপ্ৰায়-যি কালত অনুগ্ৰহ কৈলে, যিৰূপ নাম চিন্তনত আছোঁ সেয়ে শেষ, কালত বিভৎস শৰীৰ দেখি লৰিব, আৰু মাইহু পালে সাধনত নাহি কিছু প্ৰয়োজন, থাকে ব্ৰহ্মএৰে একে হুই। আৰু কিবা বলে সুৰবা ভাবকে দিও ৰৱ সৱ এৰিব ধৰিব সুৱাৰিম। আৰু বিহ্বৰ চিন্তন মৰ সমীপৰ জৰ এতেকে নগলু। আৰু মোৰ পৰম গুৰু দি গৈছে উত্তৰাৰ উপদেশত। "একে কাক মাংস সিও এবা কুকুৰৰ। তাকো অন্ন দেখা সিও সুহিকে বিস্তৰ। এতেকে স্ত্ৰীৰ এবা শেষ, স্ত্ৰীও মায়া, ধনো মায়া, তাৰে লগাই কি ভকতি কৰিম উত্তম উশৃভ শ্ৰেষ্ঠ বস্তুত লগাই চাৰ দ্ৰব্য ? এতেকে নলগালোঁ। আৰু গ'লা যি বুইলোঁ গ শব্দে গুৰু গূঢ় পৰম তত্ত্ব অভয় দান দি। গু শব্দে তুস অবিদ্যাৰ পৰু পৰ্ব্বা

বিনাশী, ৰু ৰিপু সংসাৰ গুচাই গুখাই পৰম্পদ বৈকুণ্ঠ দিলে। অকাৰে জন্ম মৃত্যু নিবাৰি লয়, শৰীৰ ছয় শত্রু নাশ কৈ পৰমাত্মাত অভয় ব্ৰহ্মত শুদ্ধ ব্ৰহ্মক লই কৈলে। এতেকে গলা বুইলোঁ। আৰু ভক্তক সাণ্ঢ বুইলোঁ, ৰাজা প্ৰজা গঞা, ভাৰ্য্যা, পুত্ৰ, যম, কাল, মায়া, মৃত্যু, পাপ পুণ্য এই বাৰৰ বাজ ৰাখিব মুৱাৰে হৰি ভক্তিৰ বলে। আৰু কুলালি, বিদ্যালি, যৌবনালি, ধনালি এই চাৰি গৰ ভাঙ্গি ভক্ত সাণ্ঢে ভক্তি সহ খাই ৰাখিব মুৱাৰে, গ অন্নই সত্ত্ব, সত্য গুণ, ঢ় শব্দে ধৰ্ম্ম, অ কাৰ আচৰণ, আলি ভাঙ্গা, পুখুৰী ভাঙ্গা, যাত বুৰ দিয়া ততে গঙ্গা। এই ৰূপে কবাগৈ, যোৱাগৈ। চাৰিআলি

তেহে তাৰতে তিনিমাহ ৰহি গ'ল গুচি। তেহে গৈ খলামৰা বাৰীত এটি বহা বান্ধি ৰহিছে। তাতে আতাৰ গুণ শীল, মহিমা দেখি খৰতিয়া গঞা খানেই সেৱা শুশ্রূষা কৰিছে গুৰু বোধে। তাতে সৰু ঠাকুৰ দেউ গঙ্গা জগন্নাথতে আহি মধুপুৰে বৈ পৰমাৰ্থ আশাৰে আতাৰ ঠাই গৈছে। ধাৰি কঠতে সামৰাই জাপী, লাঠি তাও তুলি পছৰা, পাগ পিচোৰা ব্ৰাহ্ম যোল লোকৰে। আতা দেখি অনাদৰ, বোলে কিয় অহা গল? তেহে পৰম তত্ত্ব প্ৰাৰ্থনা কৈলে বোলে তোম্রা মোৰ গুৰু নাতি বিজয় শঙ্কৰ, ঠোকা তামোল, ঠোকা কল ঠোট পান ষাগি মুখে খোৱা লোক, দোনেৰে খোৱা, টেমি মুৰত কি মুখ বুৰিব, এখান এবিবাত? এটা একেখাত কি তৃপিতি সন্তোষ হবা পাবা? আমি ক্ষুদ্ৰ ভিক্ষুক, মগনিয়াত কুৰেৰে ভিক্ষা কৰা, সাগৰ কি জান জুবিএ বুৰায়, দধিসাগৰ চক গাখীৰে জোৰে, চন্দ্ৰ, সূৰ্য্য কি দীপে পোহৰায়, বাৰ অগ্নি কি ফিৰিঙতিএ প্ৰকাশে? তোম্রা অনন্ত কলাত গজিছে, তৃপ্তিখোৱা হলে ঠেকুলি কি আটে? এই বুলি সম্বোধন কৈ পঠালে, ৰাক্যে ক্ৰমে মুহি সন্তোষি। কিছুই মনে ঠাকুৰ দেউ সৰুঠাকুৰদেউ

গ'ল। নিশা স্বপ্ন দেখে মহাপুৰুষ গুৰু গৈ বোলে যে হৰিসে হৰ অনন্ত শক্তি, তেনেত ৰজ গুণে ধুনতহে ভক্তি বিচাৰ জাত লৈ। আতাকো স্বপ্নতে বোলে মোৰ চতুৰাত যে পৰমাৰ্থ নথ, নক, কাতনো কোৱা ? যাৰে ধান তাকে গুটি মুঠি কৰা ? ৰাম অৱতাৰে চাৰি পূৰ্ণ, কৃষ্ণ অৱতাৰে বলোভদ্ৰ, প্ৰদ্যুম্ন, অনিৰুদ্ধ, ঐতো আমি বৰাপো পুৰ্ষোত্তম, চতুৰ্ভুজ, চাৰি তোম্ৰাসব সথান পাত্ৰৰেহে ৰাজ দোকান, এই কৈ অন্তৰ্দ্ধান হ'ল। আতা সাৰ পাই খেদকৈ চাই আছে বাটলৈ। ঠাকুৰ দেউ বিহানে শৌচ, শুদ্ধি স্নান, গুৰু সেৱাকৈ গৈছে গাইদোৱা নাৰায়ণ আতৈক লৈ। আতা দৃষ্টিতে দেখি আগ বাঢ়ি গৈ আদৰে আনি বসাই গুৰু আজ্ঞা স্বপ্নৰ কথা কলে। ঠাকুৰ দেৱে নম্ৰতা হৈ কলে স্বপ্নৰ কথা। কৈ বোলে আতা মোত অপৰাধ হ'ল, ক্ষমা কৰক। পাচে আতা পৰম তত্ত্ব বস্তু কীৰ্ত্তন কৈলে ভাগু মুখে বাকি অমৃত। নাৰায়ণ হলাউদ্ধ সমে বীৰ্য্যভুম ঔষধ পান কৈ আহিল। আতাও চাৰি মাহ ৰহি চাইটি বস্তু লৈ গ'লগৈ। উত্তৰে হৰা, দখিণে জৰা, পুবে হৰ্কমিয়া, পছিমে বিহবৰি, এই চাৰি গাওঁৰ মাজত দৃষ্টি যোজন মুকল, চাৰিও গঞাৰ লৰা গৰু চাৰি সেই বৰ আহত তলে জিৰায়। আতাক দেখি সব লৰা খেৰবাঁহ নি পাচ দিনা বহা কৈ দিলে। বতৰ বস্তু

গৰখীয়া লৰাৰ উভোগ

যাৰ যি চলে আম, কঠাল টেঙ্গা জৰা, লেতেকু, পনিয়ল, কলা, কুহিয়াৰ চাউল, মাহ নি দিয়ে। আতা ধুই কাটি গোসাইক দি নাম দিয়ে, সবে লৰা বেৰি গায় দিনমান। চাই দণ্ডিয়াই হুনিকৈ বোলে লৰাইত যাৰ নাম তাৰে যক। বোলে আতা যক হুক। বিলাই দিয়ে খাই যায় নিতে। সব লৰা গাই দুই দিয়ে দুগ্ধ মাহ, প্ৰসাদে সৈতে লই দুগ্ধ মাহ পাক অন্ন নহল ভোজন। কতো হৰি কথা কয়, শুনে সবে।

পাচলৈ বিৰকত হৈ কতো লৰা গৃহ বাৰী ভাত এৰি নিশাও থাকে হৰি গুণ গাই। পাচে জেঠতে আত্ৰণৰ দিন যাওতে বোলে লৰাইঁত, কোদাল চাবিখানিমান আনিবা কাইলৈ। আনিলে পাচদিনা বোলে আতৈ এটি কুৱা কৰইক বাৰ হাত মান। দিনতে কৈলে, দহ বাৰ হাত। বোলে যা হঁক। কাইলৈ যাৰ যি চলে মাহ চাউল, উপাধি, সবহকৈ আনিবিহঁক। সেইৰূপে আনিলে। আতা. থুই দি জিলটো নাম গাই চাই তৰিয়াত হৰি ধ্বনি কৈ বোলে যাৰ নাম স্তালৈ যক্ৰ। বোলে বাক যক। তেহে বিলাই দিলে খালে। পাচে চাইটি বস্তু লৈ নাদ পাৰে বহি পাচে যোগ ধাৰনা ধৰিলা। আপুনাৰ আত্মা পৰমাত্মাত থাপিলা। বোলে লৰাইঁত, মই আজি গাতত থাকোঁ, তইঁতে সমানলৈকে মাটি দি যাবি হঁক। পাচে আতা সোমাল। সিইঁতে পুতি সমকৈ গ'ল দিশা দিশি। গৰু বাহ্মি খাই বৈ জুৰত জুহাল গুৰিত কয় বাপ মাকত। শুনি অত্ৰাহি হৈ চাৰিও গঞ্জা চাপি বোলে মৈলোঁ ভকত বধ হ'ল। ৰাজাও দণ্ডিব। ছুট হুৱা মাইলে। এই বুলি খানি চাই, দেখে নাই। আশ্চৰ্য্য অদ্ভুত হৈ বোলে মনুষ্য নহয়, সাক্ষাত ঈশ্বৰ, ছল্মকৈ নৰভাও দেখাই আছিল। তেও নজানি নভজিলোঁ। দুৰ্ভগীয়া পাপী আমি। লৰাইঁতহে মহা ভাগ্যৱন্ত ধন্য, আতাক, সেৱা খৈলে কৈলে, সাফল জন্ম ইইঁতৰ। এই বুলি খেদকৈ গ'ল ঘৰাঘৰি। যোগেৰে তনুত্যাগ

বৰ ঠাকুৰ দেউৰ চৰিত্ৰ

বৰঠাকুৰ চৰিত্ৰ

শ্ৰীশঙ্কৰদেৱৰ পিতামহ চলাত সাত বৰ্ষ, ফাগুণৰ সাদিন যাওঁতে কৃষ্ণ ইকাদশীত বুধবাৰ ধনিষ্ঠা নক্ষত্ৰ। হৰিচন্দ্ৰ ঠাকুৰ পাঞ্চবৰ্ষে বৰ; গুৰু চলাত বাহ্ৰ বৰ্ষ। নমাহত চুচৰি ফুৰে। একদিনা গৈ পক্কেৰে গুৰুজনৰ উৰুতে হাত দিলে। গোসানী মাএ দেখি থপা মাৰি অন্তৰালে জেকেৰ মাৰি। গুৰুজনে ধূলা গুচাই কোলে লৈ বোলে তোমাৰ আমাৰ পিণ্ডজলৰ নাতিত হে আশা। তাৰতে বৰ দয়া কৰে গোসানী মাএ।

আৰু এদিন গুৰুজনে দশমৰ ৰাষৰ পাত পিঠি লিখি শুকাবলৈ থৈছে। চুচৰি গৈ কৰনিতে চোতাই আনি তিনি চিটা কৈলে। গুৰু বোলে বৰাপো কিয় পৰম ব্ৰহ্মে ফাইলে? বোলে বাপ, তৰ্কিবই মুৰইলোঁ জানোঁ? বোলে তোমাৰ আমাৰ পাচত তিনটা পথে প্ৰবৰ্ত্তিব ধৰ্ম্ম!—নিগুণা, কেৱলা, ভাগৱতী। আকেহে দেখালে ব্ৰহ্মঘটি, নিকাঘটি, কালঘটি।

তিনিপথ
ব্ৰহ্মঘটি
নিকাঘটি
কালঘটি

আৰু হৰিচন্দ্ৰ, পুৰ্ষোত্তম, ৰামচন্দ্ৰ, পৰ্মানন্দ, ঐচ্যুত গুৰু, সক গুৰু, লক্ষ্মণ ওজা এই সবক পঢ়াইছে গুৰুজনে। এদিন পাট ভুনি এখানি পিন্ধাই উৰুত বসাই চাইছে আগ পিচ। শ্ৰীৰাম আতা বোলে বাপ থাক উচিত্ যুবি হলে সজ দেখি। তেহে আনন্দ কৈৰে গল উদাসীনৰ চটুৰাই দিয়াবৰ মন। পাচে গঢ়াই পিন্ধাই বোলে চোৱাচোঁ। বোলে বাপ, এতিয়া শুৱাইছে।

অধ্যাপনা

আৰু এদিন খৰি মাটি নিয়াত মনপুৰ ভণ্ডাৰিএ লগাই কওঁতে বোলে হৰিচন্দ্ৰ, পুৰ্ষোত্তম গুৰু নাতিপুত্ৰে বিনা নদিলে লগলে নকৈৰে পাবো হৰলা, ৰহত খৰি মাটি নিলে তাকে কথা কহি।

আৰু দাস, দাসী, বন্ধা, গোলাম, ভক্ত মৰি গুচি ভাগিল। বাৰী ঘৰ ভাগি হাবি হ'ল। ঠাকুৰ সৰ চোট ছুৱা, দুখ হ'ল। শৃৰাম এতিয়া খৰি পাত লুৰি কাটি খায়। এদিন পাত কাটিছিল। পৰি তালু ফুটি তেজ গৈল। গোসানী মাৰে ধৰি গুৰুজনলৈ মনত পৰি খেদকৈ অনেক কান্দিলে।

আৰু এদিন হাথীয়া গৈ বোলে বৌ কমললোচন বহাৰীক, বগৰি বৰীয়া জয়বৰ চৌধাৰীএ ধৰে, দিবলৈ কি বোলা? বোলে বাক মই সুধি চাওঁ বাপুত। তেহে বোলে বাপু, আমাৰ কমললোচন বহাৰীক দিব খোজে কেনে দেখা? বোলে তাৰাতে সোধা যক। সুধিলে। বোলে এই হাতে মাথে গুৰুজনক সেৱা পৰিচৰ্য্যা কৰিলোঁ। এতিয়া কুচিত বিভৎস বিষয় ভোগৰ ইছাৰে সামান্য ঘৰে যামনে? নেখেদিলে দাসীএ কৃত্যসেৱাকৈ থাকিমহে। কলে এইদৰে বুলিছে বুলি। বোলে তেনো সেএ কথা। তেহে নযায় বুলি কলে। পাচে উদাসীনে বুদ্ধি দিলে জানি অনেক ছন্দে মন্দে বাক্য বুলি খেদিও বঘুবাজাত কলেগৈ বোলে তিনটা বাৰী আছে সুন্দৰ, দুই তিনি হাত চুলি, আনক। বাজা তেতিক্ষণে সে দিলে। আছি খৈলেহি। মাজু আএ পটাপোৰে দশন ল। এৰি সুমতি আইক লৈ গ'ল। ঠাকুৰকো কোনে 'ল, অক খেদি যাওঁতা নহ'ল। ভাতৃ দদাএকে আৰ্হৈ টকা ভৰি আনিলে বজা ঠাই মেলাই। হয়াহ মমাএকৰ আছে মা পুত্ৰ। তেহে গোসনী মাৰে হৰিচন্দ্ৰ ঠাকুৰ লে নিবলৈ। গৈ কলে বোলে আগে নিৰিচাৰা আজি আহ। টকা আৰ্হৈ কুৰি দি নিয়া। পাচে আৱে বোলে, আমা গোসানী মাতৃ আছে, বাপু অহাতে পঠাবা, যাওঁলে। তেহে আৰ দেউ দি ঘোৰাইছেনি।

আৰু এক্ষনে পৰ পয়াৰ ঘোষা, কীৰ্ত্তন, গীত, পদ কৰিয়া

কমললোচন বহাৰীৰ বিয়া

পঢ়ালে। ভাগৱত পুৰান পঢ়িলে কিছু। ব্যাকৰণ, অমৰ, কাব্যকোষ তন্ত্ৰ, ন্যায়, নীতি, সংহিতা, বেদ, বেদান্ত, উপনিষদ, শিৰো বস্তু, এই সব পঢ়ি বুজিবলৈ থাকিল। তেহে গৈ পাটকীৰ জইবৰ অধ্যাপকৰ ঠাই পঢ়িলেগৈ। পাছে বিপ্ৰে পৰম শ্ৰদ্ধাৰে পঢ়ালে একবৰ্ষে। একবাৰ কলে মাত, জাত, সকলো আছে। একো উত কষ্ট নাই, পঢ়াইছে। আন ছাত্ৰে দহ বাৰ্হ, যোৰ বৰ্ষ পঢ়িও সম হব নপাৰে। বোলে এৱা মনুষ্য নহয়। কৃষ্ণে পঢ়াৰ দৰে ক্ৰম। প্ৰথমে পাঠ আৰম্ভিলে বেদ বঢ়া টুটা বুদ্ধিৰ মাখি পকৰা বাচি সন্ত সাধু সবে পান কৰ্ম্মে কৰিব। আৰু ৰাজ হংস মানস সৰোবৰে চৰে গতিকৈ, নীৰ এৰি খীৰ পান কৈ তৃপিতিক লভে। ধৃতৰাষ্ট্ৰে একা খীৰ এৰে, নীৰহে পান কৰে। উত্তম উত্তম সাধু সন্তে ৰাজ হংসে কুকথা নিন্দাবাদ এইসব নীৰ এৰি গুৰুজনৰ সেৱকৰ লীলা চৰিত্ৰ অমৃত খীৰ পান কৈ সংসাৰ এৰি পৰম্পদ বৈকুণ্ঠ পায়গৈ। সঙ্গ, মাৰ্গ, সৰোবৰে চৰে। ঠাকুৰ দেউ ঘোষাত দি গৈছে—

মলয়া চন্দনৰ বাও যিটো বৃক্ষ সবে পাৱে
তেখনে হুৱয় তদাকাৰ।
তাতো যেবে বাৱ পালে মুহি যেন একো কালে
চন্দন কেৱলে তথি সাৰ॥
ভক্তৰ লগত থাকে যিটো দুষ্ট দুৰাশয়,
কেৱলে দেখয় দোষ তাৰ।
একেলগে বসে খায়, তথাপি বিশ্বাস নাই
জানা সেই পটুত্তৰ ভাব॥"

দুষ্ট, শঠ, খলুৱা একা ছিদ্ৰ চায়, দোষকেলে নীৰ ধৃতৰাষ্ট্ৰে পান কৰে, খীৰ হৰি কথা এৰি। বঢ়া টুটা আৰু পাটকীৰ এৰি ৰাজহংস সন্ত সাধু সবে। ভকতক যশ যস, লীলা

পাটকীৰ জইবৰ অধ্যাপক

চৰিত্ৰ লিখকৰ ক্ষমা প্ৰাৰ্থনা

ঘোষা

চৰিত্ৰ অমৃত যীৰ পান কৰিব। আত পুৰুষৰ প্ৰাৰ্থনা। মধু মাখিৰ ৰূপ, গুণ, কুল, শীল কিছু নাই। অনেক অবস্তুৰ মুখে ৰস নি মধু সঞ্চে। অনেক ৰূপে হৰি পূজা যত্নত লাগে, সন্ত সাধু সবে লয় দোষ এৰি। কঢ়া টুটা আগ-পাচ-হ্ৰস্ব দীৰ্ঘ অনেক অস্পৃষ্টৰ ৰস মই মাখি পাপীৰ এৰি গুৰু দেৱৰ লীলা চৰিত্ৰ যশ ৰস শুনিব। পছিম দেশত কিৰিকিৰি [illegible] খাই চিচা পেলায়। যাত্ৰীএ কিনি গঙ্গাজল আনে, অনেক সাধু-সন্তে লয়। যদি কৰ্দ্দমে বৃষ্টিত মিশ্ৰিত হও গঙ্গাজল তাৰ দোষ কোনে ধৰে? জগত পৱিত্ৰ কাৰী বিষ্ণু পাদোদকী। আগ পাচ, হ্ৰস্ব দীৰ্ঘ, কঢ়া টুটা, বুদ্ধিৰ দোষ চিচা বৃষ্টি কৰ্দ্দম দোষ ক্ষমা কৰি অমৃত গুৰু চৰিত্ৰ লীলা খেলা শুনিব।— পশ্চিমৰ কিৰিকিৰি

শুনা যেন গুণ আছে ৰামৰ নামত।
উচ্চৰন্তে উপজে পৰম পুণ্য যত॥
ৰামৰ নামেসে অমিয়া ঝৰে।

এনে দুজনা গুৰু, দুজনা ঠাকুৰ দেউ, ন জনা আতা অনেক মহাভাগৱতৰ চৰিত্ৰ অমৃত সংসাৰ ব্যাধিৰ মৰাক জীওৱা ঔষধ, যাৰ দোষ নিন্দা এৰি পানকৈ সুখে তৰি বৈকুণ্ঠে যাও। এতেকে সন্ত সাধু পণ্ডিতে মূৰ্খাধমক নিন্দিতে লজ্জা হেতু। আৰু মহাপুৰুষ গুৰু দিছে—

যিটো জনে অজিজ্ঞাসি, হঠাতে নিন্দয় আসি
তাত মোৰ অঞ্জলি সম্পুট।
কহো মই সাকে সাচে, তাতো মহা লাভ আছে,
নিন্দি মাত্ৰ হৌক মোত তুষ্ট॥
নিজ পুণ্য কৰে ক্ষয়, পাপমানে উপাৰ্জিয়,
দেখা কেন নিটো উপকাৰী।
[illegible] নেকেমিতে যেবে, মোত পৰে বাঁধি [illegible]
মহা [illegible]

অন্ত্যজে যিবা কবি আছে গীত। কিঙ্কৰ নামে অলঙ্কৃত। সবাৰে সন্ত সাধুৰ চৰণত কাকণ্য কাতৰ নিবেদন কোটি নাম, সহস্ৰ শত সংসাৰত, চৈধ ভুবনত, সাতো দীপত মোৰ সম অধম, নৰাধম, পাপী পামৰ নাই নাই নাই। হৃদীশ্বৰ আত্মা ইষ্টে হৃদয়ে থাকি যি অনুমতি দিলে দাক পুতলাৰ দৰে টাটকে তাকে একত্ৰ কৰা হ'ল। কৃত্যৰ ফলে সমে শীতল চৰণতে সম্পিলোঁ। হাতে দান্তে মাথে তৃণ ধৰি প্ৰাৰ্থনা নিবেদন কাতৰ কাকণ্য ইহ পৰ জন্মে সুসেৱকৰ সঙ্গ মুখে নামে, হৃদিৰূপ, অন্তকালে নাৰায়ণ শ্ৰুতি প্ৰাৰ্থৱত। দাসৰো দাসৰ ভৃত্যৰো ভৃত্যৰ কিঙ্কৰো কিঙ্কৰ প্ৰাৰ্থনা। শ্ৰীকৃষ্ণায় নমো নমঃ। শ্ৰীশঙ্কৰায় নমো নমঃ। শ্ৰীমাধবো নমো নমঃ। পুৰ্ষোত্তম নমো নমঃ, চতুৰ্ভূজ নমঃ, শ্ৰীঅনন্ত নমঃ শ্ৰীচন্দ্ৰ চাক. শ্ৰীলক্ষ্মীকান্ত নমো নমঃ ॥

[সমাপ্ত]

পৰিশিষ্ট

'ছপাত নৈযোৱা কথা ঃ—

গ্ৰন্থৰ আদি শ্লোক—

শ্ৰীশঙ্কৰায় নমস্তুভ্যং মাধৱেন সমন্বিতং
পুৰুষোত্তমং চতুৰ্ভূজং শ্ৰীঅনন্তং কৃষ্ণং পাণিচন্দ্ৰং
লক্ষ্মীনাথং ৰাম শ্ৰীৰামেতি নমো নমঃ
শত সহস্ৰমহং বন্দে ॥

২নং পৃষ্ঠাৰ ১৩ শাৰীত মনিপু আতৈৰ ওপৰত সংযোগ আছে এইদৰে—"তাৰাৰ দিনত হালধিয়াৰ দয়াময় আতৈ বৰবহাত : চক্ৰপাণি বৈৰাগী আতৈ পুৰুষ: তিনিও ৰাজ্য বেৰাই ফুৰাত জটিয়াবাজ *ৰঞতে নাম সেবা কৰাত—ৰাম গোষাঁৰ্ত্তে চাইটা গীত চাৰিপ্ৰকাৰে চৰ্চ্চাত বৰকাপৰ দি মানকৈ বৰবহাত চৰিত সুধিছে বোলে, শ্ৰীশঙ্কৰদেৱৰ জন্মৰ্ত্তে পয়াণলৈ কক, আমি তেনেকৈ নপাঞ। তেহে, আতৈএ চমাহ বৈ কৈছে; জি ৰই তাকো পুৰকৈ-লৈ আহিচে: বৰদ্ৰৱাত বৈচেহি: তাত গায়ণ বাপু, সিদ্ধবাপু, লিখক বাপু, কলিয়া মুৰা বাপু, লিখক বাপু, হৰিনাৰায়ণ, হৰিনন্দন, প্ৰদ্যুম্ন আতৈ, সহজানন্দ, সৰ্ব্বানন্দ, হৈদাস, গতি আতৈ ৰামৰাই দেউৰি,-এইসবে প্ৰাৰ্থনাকৈ সুধিছে, আতৈএ কৈচে জন্মৰ্ত্তে পয়ানলৈ দুওজনা গুৰুৰ। সেৱক সমে সাৱ সেৱে॥ *॥ তাৰৰ্ত্তে তাৰাসবৰ হ'ল, সেই ভালে গল, আমাৰ হ'ল এই ক্ৰমে।

২ পৃষ্ঠাৰ ১৯ শাৰীৰ "এই সৱ" কথাৰ আগতে সংযোজনা এইদৰে আছে—"এইসৱকে মুখ্যকৈ প্ৰশ্ন কৈলে: দুজনা গুৰু, নজনা আতা, দুজনা ঠাকুৰৰ চৰিত্ৰ, আনো সৱ সেৱকৰ; আতৈএ বোলে, 'নাৰদক কৃপাসে কৰিলা। যাতো গোবিন্দৰ গুণ কহিবে বুলিলা॥ মোকো তোমা সবে কৃপাযে কৰিলা, দাসক এই তিনি তাপে পুৰি যাবে, প্ৰাণ গুৰু সুমৰাইলা আজি।"

*জটিয়াবাজ বিশ্বনাথ ঘাটৰ পোনে পোনে সুইতৰ দক্ষিণত—(তুংখুঙীয়া বুৰঞ্জী ৮৪, ছেৰ—চৰিত তোলা প্ৰথা—নতুন অসমীয়া ১৪ জানুৱাৰী, ১৯৫০

—শ্ৰীমহেশ্বৰ নেওগ।

২ পৃষ্ঠাৰ ১৯ শাৰীৰ "সকলো বাদ্যৰ শিৰোমণি" "সকলো ৰাজ্যৰ শিৰোমণি" হব লাগে, আৰু ৬ শাৰীৰ "ৰৰবহাত" শব্দৰ পিছতে পঢ়িব লাগে।

ছপা পুথিৰ ১৫৪ পৃষ্ঠাৰ শেষত বৈযোৱা কথা :—

ভেৰে আহি পুনৰ বিধৱা হ'লহি। বৃদ্ধ পিতৃ আছে, মাতৃ বিহীন হ'ল। বিধৱাৰ শিৰ স্নানে পাঁচদিন উপাসে থকাত বিপ্রে আথৈ দুগ্ধত মন্দাকৈ দিওঁতে ঘৰ্ম্ম বিন্দু পৈল। সেএ গৰ্ভে থিত হৈ বিৰাট অংশে পাঁচ মাহে বাজ হ'ল। দেখি বাপে জীএ বিশ্রুতি হৈ নিশাই নি জোলা এক যৱনৰ বাৰীচুকত এৰি আহিলগৈ। অপুত্ৰক জোলা পাই পৰম শ্ৰদ্ধাৰে তুলিলে। পাঁচ বৰ্ষতে তাৰ অন্ন জল এৰি মহাসদাচাৰী, বৈৰাগী, বিৰক্ত হৈ ফুৰে। তেহে সবে যৱনে পাংসাত থলদিলে, আমাৰ ছৱাই বাচে, ঘিনায়, বুলি। পাছে ধৰাই নি বোলে মোৰ লগে ভাত খাব লাগে আজি। বোলে তোম্রা ৰাজা, ঈশ্বৰৰ বিভূতি অৱতাৰ, মই সামান্য প্ৰাণি কিয় খাম? বোলে হক, মই দোষ এৰিছোঁ। বোলে নপাৰি খাব। বোলে শাস্তি কৈ কটাম, কি উত্তম ওলাইছা? বোলে ৰাক দণ্ডি কৈ মাৰা যে খাওঁ। তেও আমি সামান্য, তোম্রা উত্তম ৰাজা, এফালে তুমি খৰা, এই ফালে মই খাওঁ। এই বুলি অন্নতে আঙ্গুলিৰে আঁক দিলে। পাছে স্বৰ্ণৰ মাইহাঙ্গ ঠাত কৰে দুফাল হ'ল আঁকৰ পোনেই। ৰাজা দেখি ভয়, আশ্চৰ্য্য হৈ অনেক সম্মান, নমস্কাৰ কৈ পঠাই দিলে।

আৰু চৈতন্য গোসাই পালক বিষ্ণুৰ অংশ। কবিৰা বিৰাটে সৈতে পৰমাৰ্থ বস্তু লভিছিল। কবিৰা চলিলত নিশা চৈতন্যে গৈ কান্ধে বৈ সাগৰ বালাত নি সহস্কাৰ কৈলে। দুষ্টে, খলুৱা দেখি পাতচাত খল দিলে। ৰাজা শুনি ৰাগি বোলে দেশ অধৰ্ম্ম হ'ল, ব্ৰাহ্মণে যৱনক চোএ। ৰাগ কৈ পিয়দা দিলে বোলে ধৰি আন এতিক্ষণে। নি সুধিছে বোলে আমি, যৱন ক'ৰ কি নাজানোঁ। আজি নিশা মহানন্দা তীৰে এখুতৰ জাতি চন্দন পাই তাকে নিশাগৈ বালাত পুতি থৈছে হয়। বোলে দেখাব পাৰিবা? বোলে কিয় মহাৰাজ, সূচকক বোলে তই পোতা ঠাই নেদেখিছ? বোলে কিয়?

৫০ (ক) তেহে দূত দিছে, দেখাইছেনি। চৈতন্য গোসাঁএ বোলে আতে পুতিছোঁ। সি দুষ্টেও বোলে হয়। খান্দি চায়, জাতি চন্দন গন্ধে মলমলাব খৈলে দশোদিশে। সেই মুখে দেখা ৰাজাত কলেহি দূতে। বোলে জিজ্ঞাস নকৰা হলে ব্ৰাহ্মণ মহন্তক অকাৰ্যত দণ্ড কৰা হ'ল হতে দুষ্টৰ কথাৰে।

এই বুলি তাক ফাহি দিয়ালে। চৈতন্য গোসাঁইক অনেক টকা বস্ত্র দি সম্মান প্ৰাৰ্থনা কৈ পঠালে। এই মতে নিতে হৰি কথাতে দিন যায়, ভু-কে নপায় যায় বুলিএ।

একদিনা ৰ'ল বিনাইগঞ্জৰ কাষে বটৰ তলে বাসা কৈ। তাতে ৰৌ বাহগে

বিনাইগঞ্জ গঙ্গা আহি স্বপ্নত দিব্যৰূপে দেখা দি আগ বঢ়াই সেৱা কৰিছেহি। তাৰ পৰা গৈ নেলাই হাটে বহি, চাৰি বাটৰ মুৰ তাতে, বৃন্দাবনলৈও, জগন্নাথলকু, সেঁতুৰগুলকু, গঙ্গালকু। মহাপুৰুষ গুৰু সুধিছে সবাতে, বোলে কলৈ যোৱাইঁক আগে? গঙ্গালৈ যোৱানে, বৃন্দাবন লকে. সেতুমগুলকে নে জগন্নাথলকে? পাছে ৰাএ বোলে দদা, আহিছোঁ বৃন্দাবনলকে যাওঁ আগেই। সকলো বোলে হয় বাপ। ছোট আতা মতা নাই। বোলে আমিহে কৈছো হয়, সক আতা নমাতে দহোঁ? গুৰুজনে বোলে হয়, ৰবাপো দেখোঁ নমাতা? বোলে বাপ, আমি হলে যাব নপাৰিম। সবেও বোলে কিয়? বোলে বাপ, তোম্ৰা যিৰূপে যেনেকৈ কোৱা গৈছে এতিয়া গৈ তেনেৰূপ গুণ নেদেখিম, হেয় ভাব হব, আৰু খৰ্চ্চাও নাই। ৰাএ বোলে আমি দিম। বোলে বাপ, কিহেৰে সুজিম? গুৰু বোলে জানিছা ৰবাপো, এ বৃন্দাবনত ৰূপ সনাতনে এক শৰণ ধৰ্ম্ম প্ৰকাশ কৰিছে বুলি শুনিছোঁ। আমাৰে সৈতে একে হয়, নহয় চাওঁগৈ বলাইক। বোলে বাপ, এনে হলে এটা খোজো নকাঢ়োঁ। যাৰা সবৰ সংশয় আছে বৃন্দাবন দাসৰ দেখি পতিয়াবলৈ সেই সব যাক। যদি আহে একে, তেহে মানিম, নহয় যদি এৰিম, এনেহে হ'ল, আমি হলে নযাওঁ নযাইবোঁ। পাছে গুৰুজনে বোলে আমাৰ জান কাণ্ডাৰী ৰবাপো হে, ৰবাপো নগ'লে আমি যাব নপাৰোঁ। তেহে তাৰে পৰা দক্ষিণ দিশে গৈ দোলামাৰি ঘাটে পদ্মা উত্তৰি জিয়াগঞ্জে

দোলামাৰি ঘাট গঙ্গা স্নান, দান, পান, কৰি মুখচোৰা বাজে বহি কাটুৱা

জিয়াগঞ্জ গঙ্গা পাৰ হৈ গ'ল। ৰাম ৰাম গুৰুৱে বোলে গয়ালৈ নো কেনি যায়? গুৰুজনে বোলে ৰ'ল গয়াৰ পথ। আৰা শুশুনিলে। আকৌ সুধিলে বোলে ত'তে থাকিল সি পন্থ, পুহু তাকে সোধেহে। পাছে গুৰুজনে গীত কৰিছে. বোলে হয় তুমি উজাইছা, সোজা পথ পোৱা নাই।

গীতাৰচনা "ওজা সোজা" গীতটি কৰিছে সেই বেলাত। সকলো বোলে সাগৰ কিনাৰেই জগন্নাথলকে যাওঁ বাপ। তেহে তীৰে তীৰে গৈছে। গুৰুজনে দেখাৰ্কে বোলে সেই কৰিণী দেবীৰ বন্ধৰ মন্দিৰ ষাটি মধে, যাক

মধুসূদনে ক্ষণেকো নেৰিছিল। তেহে সবেও চাই দেখে গুৰুজন তাতে আছে।

ৰুক্মিণী মন্দিৰ অ'তো চাই দেখে অতো আছে। আশ্চৰ্য্য অদ্ভুত হ'ল। তেহে গৈ সেই দিনা তুলসীচৰাতে ৰৈছে। পুৰা আঠাৰে নলা চাৰি গৈ

পুৰি প্ৰবেশ পুৰিত প্ৰবেশ হৈ সিংদ্বাৰতে থিত হৈছে। সোমাই যাওঁতে পাণ্ডা বোলে কোব লব লাগে একোটি গা-পতি। তেহে ছোট আতা ঘোষা মাতিছে, "হৰিৰ গৃহৰ দ্বাৰে বেত্ৰৰ প্ৰহাৰ যোগ্য—

ব্ৰহ্মা ইন্দ্ৰ আদি দেৱ জাক।

হেনয় দ্বাৰত বেত্ৰ প্ৰহাৰ পাইবাৰ যোগ্য,

হওঁ আমি কমন বৰাক ॥"

পাছে গৈ নাট মন্দিৰতে বসিছন্ত। আৰু মহন্ত সব বহিছে। কৃষ্ণ চৈতন্য শ্ৰীচৈতন্য, হৰিব্যাস, ৰামানন্দী, নিত্যানন্দী, শিশু জগন্নাথ, ছোট জগন্নাথ, গৌৰিয়া, শিশু গাৰিম, বৰগাৰিমা, সৰু গাৰিমা, হনুমান, জাম্বৱন্ত, উদ্ধৱ, অশ্বত্থামা, বিভীষণ, এই সব মহন্ত একত্ৰ হৈ বহিছে। আৰতি প্ৰসঙ্গ হ'ল,


দাসীনচা সময়ত শঙ্কৰৰ হাঁহি দাসী নচাইছে, এটাৰ কুন্দবিন খসিল, গুৰুজনে অল্প হাস্য কৈলে। দেখি তাৰা সবে বোলে এনে লঘু কাৰ্য্যত উত্তম লোকে ইহা নহয় সজ। গুৰু বোলে কিহত ? দেখালে তাৰা সবে। বোলে আৰু আমি দেখাই নাই। বোলে কিয়নো হাস্য কৰা গ'ল ? বোলে পাণ্ডা ভোগ নমাইছে ঠাকুৰৰ, উতল হাতে পৈল, এৰিলে পৰে, নেৰিলে পোৰে, উপায় নেপাই চেলেকা মাৰি খাই থলে, তাতেহে হাস্য কৈলোঁ। সুধুলে দেখি।

শঙ্কৰদেৱৰ বংশাৱলী

পূৰ্ণানন্দ
|
সুপদ্মগিৰি
|
ব্ৰহ্মগিৰি
|
চন্দ্ৰগিৰি
|
কৃষ্ণগিৰি
|
সুবৰ্ণগিৰি
|
গন্ধৰ্ব্বগিৰি
|
ৰামগিৰি
|
হেমগিৰি
|
হৰিবৰগিৰি
|
হৰিগিৰি
|
কৃষ্ণকান্তী
|
লণ্ডাদেৱ বা লণ্ডাবৰ
|
|
চণ্ডীবৰ (দেৱীদাস)
|
ৰাজধৰ
|
সূৰ্য্যবৰ
|
কুসুম্বৰ
|
শঙ্কৰদেৱ

[**শঙ্কৰদেৱৰ দশ নাম** :—কোতি গঙ্গাধৰ, পিতৃদত্ত শঙ্কৰ, বংশে ডেকাগিৰি ভক্তে, আতা, বাপ, মহাপুৰুষ, আতৈ, হৰি, গোপীনাথ, কিঙ্কৰ।]

হিৰণ কাজী—বেহাৰৰ



এই পাঁচজন বেহাৰৰ পৰা নাওপথে আহি মাধদেউত শৰণ লয়।

ভাটৌকুচীয়া আতাৰ বংশাৱলী

(টেপাই কাথৰ ঘৰ)

চিদানন্দ ভূঞা

|

ৰঘুবৰ

|

ৰামেশ্বৰ

|

হৰিবৰ

|

কৃষ্ণবৰ } ভ্ৰাতৃ
জয়বৰ }

|

শিৱবৰ


|


জয়চয়

|

কেশচয় (পত্নী—চিত্ৰমালী)

বঙুলা আতাৰ চৰিত্ৰ


মুনি কুণ্ডিল
শুবৰাজ
যুবৰাজ
নলকুঁহে
সামচোমদাৰ
গোপাল চোমদাৰ
তিতা চোমদাৰ
লৰ চোমদাৰ
চম্পা চোমদাৰ
আদা বৰুজন



ঠাকুৰ আতাৰ বংশাৱলী

(ৰৱচুঁইৰ)

পৃথিবী
|
নৰক
|
ভগদত্ত
|
শিশিৰ
|
ৰিষিৰ
|
উপাৰ্চ
|
সুবাহু
|
মিহিৰ
|
শশধৰ
|
যশধৰ
|
ৰূপধৰ
|
সগৰ (মালৌ)
|
ধৰম
|
ভবানন্দ (ঠাকুৰ আতা

মাধৱ দেৱৰ বংশাৱলী

আদি—কৃষ্ণ ভূঞা

বিষ্ণু ভূঞা

গোপাল ভূঞা

কৃপাল ভূঞা


ৰাম ভূঞা

জনাৰ্দ্দন ভূঞা

চিৰাম ভূঞা

মুকুন্দ ভূঞা

গোবিন্দ ভূঞা



ভাটৌকুচীয়া বদলা আতাৰ পৰা পৰম্পৰ ভক্তিবন্ত কত ৰয়—

বদলা আতা
|
ভোগপুৰ দামোদৰ আতৈ আৰু জয় আতৈত ধৰ্ম্ম ক্ষয়
|
কুৰুৱাবহীয়া পৰীক্ষিত আতৈ
|
মণিপু আতৈ
|
বৰুজনা আতৈ
|
সৰুজনা আতৈ
|
গৰলীয়া বাপু
|
ৰবৰহাত জয়ৰাপুৰে সত্ৰীয়া—ধনঞ্জয় আতৈ
|
বিৰুবাপুক, তেৰা
|
কৃষ্ণৰাম—জয়ৰামক।

চোট ভাই
চিলি গ্ৰামৰ—চক্ৰপাণি দ্বিজ ভট্টাচাৰ্য্য—বৈকুণ্ঠ
| |
ৰাম ভূষণ গুৰু

ভবানীপুৰ আতাৰ বংশাৱলী

আদি কলিতা দেশত চেকথামহাটাজি নৈ গ্ৰামে

কলা কলিতা

|

বাসুদেৱ

|

শঙ্কৰদাস

|

চতন গিৰি

|

শঙ্কৰষণ

|

নৱদেৱ

| |

কামদেৱ (হৰিবৰকলিতা গৃহৰ সত্যা নামে ২য় পত্নীৰ)

গোপাল আতা (অসম দেশত জন্ম)

মবা দলৈ গৃহ

বাব ভূঞাব সভাপণ্ডিত দৈবজ্ঞ

হবেশ্বৰ
|
নবেশ্বৰ
|
ধনেশ্বৰ
|
কামদত্ত
|
ৰামদত্ত
|
দেৱদত্ত
|
হৰদত্ত
|

হৰিবৰ | হৰিহৰ | হৰিচন্দ্ৰ

হৰিহৰ
হৰিবৰ
|
কামবৰ
|
কৃষ্ণদত্ত
|
ধৰ্ম্মাউ
|
কৰ্ম্মাউ
|
গোপাল মুদৈ (গোপাল আতা)

বুঢ়া আতা—নিবাস—খনাখোকৰা পুখুৰী পাৰে বকৰাৰ গৃহ বুলিছিল

চিৰাই

|

বিৰাই

|

বিৰিঞ্চি

|

বিৰচন

|

বিৰুপাক্ষ

|

বিৰমাদ

|

গোপাল আতা

ভাটৌঠুচিয়া আতাৰ উপৰি পুৰুষ

টেপাই কাথ

|

চিৰা খা

|

বিৰাম খা

|

হৰাম খা

|

গাভুৰ খা

|

দীঘলা কাথ

বগুৰাত গ্ৰাম দেশ আছিল

শুধৰনি

পিঠি	অশুদ্ধ	শুদ্ধ
২	চিন্তি	চিণ্ডি
৪	কণক দন্ত	কণক দণ্ড
৭	নিনিঞ্চ	নিদিঞ্চ
	বেটাৰ	বেটীৰ
৮	ববস্থী	বুৰঙ্গী
১৬	সাদীন	সাদিন
১৭	দুই	ছুই
১৯	নাপই	নপাই
২০	সুমলে	সুমাল
২৪	মাৰণৰ	কাৰণৰ
	গুৱা	গুৰা
২৮	নিজক্ত	নিৰুক্ত
	সদ্ম	পদ্ম
২৯	আছিল	আহিল
৩০	মৱিব ধেলে	সৰিব ধেলে
৪২	আজ্ঞালৈ	আজ্ঞা লৈ
৪৩	মাৰিগৈ	সাৰি গৈ
৪৪	পাৰিণাতি	পৰিণাতি
৪৫	পাইকলে	পাই কলে
৭৬	বস্তুকাত	বগুকাত
৪৯	,,	,,
৫৫	উপাৰজ	উপা, ৰজ
৫৭	বেহি	ৰাই
৬৫	আছিল	আহিল
৬৭	শ্লোক নাতি	মাতি
৬৯	সংহাৰ	সংসাৰ
	কলা কাউতে	কলা কটাতে
	উঠালে	উটালে
	ব্ৰহ্মাও	ব্ৰহ্মাণ্ড
	গুৰাখানি	গুৱাখানি
	বেদেনাটি	বেজেনাটি
	যম্ন	থম্ন
	মন্থকন্থা	মন্থবন্থা
	ধীলাই	ধীনাই
৭২	পাস্তা	পাণ্ডা
	দস্তৱতে	দণ্ডৱতে
	তুলিথৰি	তুলিধৰি
৭৪	এনে চুকত	এটা চুকত
৭৫	একদিনামান	একদিনা নাম
৭৮	অৰণ্যএ	অম্বয়ে
৮৪	খুৰ	খুৰী
৯০	নাৰায়ণ লৈএ	নাৰায়ণ নাম লৈএ
	তোকাকে	তোমাক
	মাৰ	সাৰ
	পৱম	পৰম
	তবু গুণ	তযু গুণ
	যৈমানি	যৈসানি
	হিয়তে	হিয়াত
	সগতহে	লগতহে
	লস	লম
৯৭	কৈদৰ	ফৈদৰ
১০১	অন্নবে	অন্বয়
১০	নণ্ড	মণ্ড
১০৯	আলচিদলৰ	আলচি দলৰ
১১৫	মা এৰাতি	মাত্ৰ ৰাতি
১১৬	পুৰিবই	পুষিবই
১২০	চলিব লগ—	চলিব লগা
	পাছে পাছে—	গৈ পাছে গৈ
	মুখে বঞ্চিলে—	সুখে বঞ্চিলে
১৪৫	ভুমি পছৰা	ভুনি পছৰা
১৫০	কিলাণ্ড তেহে	কিলাণ্ড
১৬৫	কোনেকৈ	কোনে কৈ
১৭৬	দেশ গেটে	দেশ গোটে
১৯৫	পৰাগৈ	পৰা গৈ
৩৩৯	৬ ফলা মাৰণত	ভফলা মাৰণত
৩৫৩	ৰূপেটাৰ মঠ	ৰৰপেটাৰ মঠ